# NEW TESTAMENT.

ASSAMESE

3 1761 09702609 0

Toronto University Library

Presented by

The British and Foreign Bible Society

through the Committee formed in

The Old Country

to aid in replacing the loss caused by

The disastrous Fire of February the 14th 1890

Digitized by the Internet Archive
in 2014

https://archive.org/details/newtestamentinas00npnp

Bible
Assamese

Bible. Assamese

[New Testament in Assamese]

10410 C
3/12/90

Bible Indo-Europ. Assamese
Bible. Assamese

# মাথিএ লিখা সুভ বাত্রা ।

## ১ আধ্যা ।

আব্রাহামৰ সন্তান জি দাৱিদ, তেঁওৰ সন্তান য়িচু
খ্রিষ্টৰ ওপৰ বংসাৱলি এই । ২ আব্রা-
হামে ইচাকক জনমালে; ইচাকে য়াকোবক জনমালে; য়াকোবে য়িহুদা
আৰু তেঁওৰ ভায়েকবিলাকক জনমালে; ৩ য়িহুদাই পেৰেচ আৰু জাৰাক
তামাৰৰ গৰ্ভত জনমালে; পেৰেচে হেস্রোনক জনমালে; হেস্রোনে ৰামক
জনমালে; ৪ ৰামে আমিনাদাবক জনমালে; আমিনাদাবে নাস্যোনক জন-
মালে; নাস্যোনে চাল্মোনক জনমালে; ৫ চাল্মোনে বোআজক ৰাহাবৰ
গৰ্ভত জনমালে; বোআজে ওবেদক ৰুথৰ গৰ্ভত জনমালে; ওবেদে য়িচইক
জনমালে; ৬ য়িচয়ে দাৱিদ ৰজাক জনমালে; উৰিয়াৰ জি ভাৰ্জ্যা আছিল,
তেঁওৰ গৰ্ভত দাৱিদ ৰজাই চিলোমোনক জনমালে; ৭ চিলোমোনে ৰিহ-
বামক জনমালে; ৰিহবামে আবিয়াক জনমালে; আবিয়াই আচাক জন-
মালে; ৮ আচাই য়িহোস্যাফাতক জনমালে; য়িহোস্যাফাতে য়িহোৰামক
জনমালে; য়িহোৰামে উজিয়াক জনমালে; ৯ উজিয়াই য়োথামক জনমালে;
য়োথামে আহাজক জনমালে; আহাজে হিজিকিয়াক জনমালে; ১০ হিজি-
কিয়াই মিনাচিক জনমালে; মিনাচিএ আমোনক জনমালে; আমোনে য়ো-
চিয়াক জনমালে; ১১ আৰু বাবেললৈ নিয়াৰ কালত য়োচিয়াই য়িখানি-
য়া আৰু তেঁওৰ ভায়েকবিলাকক জনমালে । ১২ বাবেললৈ নিয়াৰ পাচে
য়িখানিয়াই স্যাল্তিএলক জনমালে; স্যাল্তিএলে জিৰুবাবেলক জনমালে;
১৩ জিৰুবাবেলে আবিহুদক জনমালে; আবিহুদে এলিয়াকিমক জনমালে;
এলিয়াকিমে আজোৰক জনমালে; ১৪ আজোৰে চাদোকক জনমালে;
চাদোকে আখিমক জনমালে; আখিমে এলিহুদক জনমালে; ১৫ এলি-
হুদে এলিয়াজৰক জনমালে; এলিয়াজৰে মাথানক জনমালে; মাথানে য়া-
কোবক জনমালে; ১৬ য়াকোবে মাৰিয়ামৰ স্বামি য়োচেফক জনমালে;
আৰু জি য়িচুক খ্রিষ্ট (অৰ্থাত অভিসিক্ত জন) বোলে, তেঁও সেই মাৰিয়ামৰ
গৰ্ভত জনমিল । ১৭ এই ৰুপে আব্রাহামৰ পৰা দাৱিদলৈকে আটায়ে-

মুলি চৈধ্য পুৰুস, আৰু দাবিদৰ পৰা বাবেললৈ নিয়ালৈকে চৈধ্য পুৰুস,
আৰু বাবেললৈ নিয়াৰ পৰাও খ্ৰিষ্টলৈকে চৈধ্য পুৰুস ।

য়িচু খ্ৰিষ্টৰ জনম এই ৰুপ হৈছিল । তেঁওৰ মাক মাৰিয়ামক য়োচেফলৈ
দান কৰা হলত সিবিলাকে সঙ্গ লোআৰ আগেয়েই তেঁওক পবিত্ৰ আত্মাৰ
পৰা গৰ্ভৱতি হোআ পালে । ১৯ তাতে তেঁওৰ স্বামি য়োচেফে পৰমাৰ্থিক,
মানুহ হৈ তেঁওৰ দুৰ্জস প্ৰকাস কৰিবলৈ ইচা ন কৰি গুপুতে এৰিবলৈ
মন কৰিলে । ২০ কিন্তু দেখা, তেঁও ইয়াকে চিন্তা কৰোঁতেই ইস্বৰৰ দুতে
সপোনত দেখা দি কলে, হে দাবিদৰ সন্তান য়োচেফ, তুমি আপোনাৰ
তিৰোতা মাৰিয়ামক লবলৈ ভই নকৰিবা; কিয়নো তেঁওৰ গৰ্ভত জি ধাৰন
হৈ আচে, সেয়ে পবিত্ৰ আত্মাৰ পৰা হৈচে । ২১ তেঁও পুত্ৰ জনমাব আৰু তুমি
তেঁওৰ নাম য়িচু (অৰ্থাত ত্ৰানকৰ্তা) থবা; কিয়নো তেঁও আপোনাৰ লো-
কক সিহঁতৰ পাপৰ পৰা উধাৰ কৰিব । ২২ তাতে ইস্বৰৰ জি কথা ভবিস্যত
বক্তাৰ দোআৰাই কোআইচিল, ২৩ দেখা, এজনি কন্যা গৰ্ভৱতি হৈ পুত্ৰ
জনমাব; আৰু তেঁওৰ নাম ইমানুএল দিয়া হব, অৰ্থাত আমাৰ লগত
ইস্বৰ, সেই কথা সিধি হল । ২৪ পাচে য়োচেফে টোপনিৰ পৰা উঠি ইস্ব-
ৰৰ দুতে পঁচাৰ দৰে কৰি আপোনাৰ ভাৰ্য্যাক ললে; ২৫ কিন্তু তেঁওৰ সেই
পুত্ৰ নোপজালৈকে সি তেঁওৰ সংগত নহল; সেই পুত্ৰৰ নাম য়িচু থলে ।

## ২ আধ্যা ।

হেৰোদ ৰজাৰ দিনত য়িহুদা দেসৰ বৈত্লেহেম নগৰত য়িচুৰ জনম হোআ
কালত দেখা, পুব ফালৰ পৰা কেতবিলাক গিয়ানি লোক য়িৰুচালমলৈ
আহি কলে, ২ য়িহুদিবিলাকৰ জি জন ৰজা জনমিচে, তেঁও কত? কিয়-
নো আমি পুব দেসত তেঁওৰ তৰা দেখা পাই, তেঁওক সেৱা কৰিবলৈ আ-
হিচোঁ । ৩ এই কথা সুনি হেৰোদ ৰজাৰ আৰু তেঁৱে সৈতে য়িৰুচালমত
থকা সবাৰো মনত উগুল থুগুল লাগিল । ৪ তাতে তেঁও সকলো প্ৰধান
পোৰোহিত আৰু মানুহবিলাকৰ অধ্যাপক সকলক গোটাই, খ্ৰিষ্ট কোন
ঠাইত জনমিব, এই কথা সুধিলে । ৫ সিবিলাকে কলে, য়িহুদা দেসৰ
বৈত্লেহেম নগৰত; কিয়নো ভবিস্যত বক্তাৰ দোআৰাই এই ৰুপে লিখা
আচে, ৬ হে য়িহুদা দেসৰ বৈত্লেহেম, তুমি য়িহুদাৰ সকলো ৰাজ নগ-
ৰৰ মাজত সৰু নোহোআ; কিয়নো জি জনে মোৰ ইস্ৰায়েল লোকক প্ৰতি-
পালন কৰিব, এনে এজন অধিকাৰ-তোমাৰ মাজৰ পৰা ওলাব । ৭ তেতি-
য়া হেৰোদে সেই গিয়ানিবিলাকক গুপুতে মাতি, সেই তৰা কোন সময়ত
দেখা গল, ইয়াক ঠিক কৰি সুধিলে । ৮ পাচে তেঁও সিবিলাকক বৈত্-
লেহেমলৈ পঠাই দি কলে, তোমোলাকে গৈ জতন কৰি লৰাক বিচাৰা;

আৰু তেঁওক পালে, মোক বাত্ৰা দিবা, তাতে ময়ো গৈ তেঁওক সেৱা কৰিম ।
৯ সিবিলাকে ৰজাৰ এই কথা সুনি গল; তাতে দেখা, পুব দেসত জি
তৰা দেখিচিল, সেই তৰা সিবিলাকৰ আগে আগে গৈ লৰা থকা ঠাইৰ ওপৰত
ৰৈ আচিল । ১০ সেই তৰা দেখি সিবিলাকে অতি আনন্দেৰে আনন্দিত
হল । ১১ পাচে ঘৰৰ ভিতৰলৈ সোমাই গৈ তেঁওৰ মাক মাৰিয়ামে সৈতে
লৰাক দেখি, দিঘল হৈ পৰি তেঁওক সেৱা কৰিলে; আৰু আপোনাৰ
সম্পত্তিৰ টোপোলা মেলি তেঁওক সোন, ধুনা এঁঠা, আৰু গন্ধৰস ভেঁটি
দিলে । ১২ পাচে হেৰোদৰ ওচৰলৈ উলটি জেন নেজাই, সপোনত ইশ্ব-
ৰৰ এনে আগ্যা পাই, সিবিলাকে আন বাটেদি আপোনাৰ দেসলৈ গল ।
১৩ পাচে সিবিলাক গলত দেখা, প্ৰভুৰ দুতে সপোনত য়োচেফক দৰ্সন
দি কলে, উঠা, লৰা আৰু তেঁওৰ মাকক লৈ মিচৰ দেসলৈ পলাই জোআ,
আৰু মই তোমালৈ বাত্ৰা নানোঁ মানে তাতে থাকিবা; কিয়নো প্ৰান মাৰি-
বৰ নিমিত্তে হেৰোদে লৰাক বিচাৰিব । ১৪ তেতিয়া য়োচেফ উঠি লৰা
আৰু তেঁওৰ মাকক ৰাতিয়েই লৈ মিচৰ দেসলৈ গুচি গল; আৰু হেৰোদ
মিত্যু হোআলৈকে সেই ঠাইতে আচিল । ১৫ তাতে মিচৰ দেসৰ পৰা
মই আপোনাৰ পুত্ৰক মাতিলোঁ, এই জি কথা ভবিস্যত বক্তাৰ দোআ-
ৰাই প্ৰভুএ কোআইচিল, সেই কথা সিধি হল ।
১৬ পাচে গিয়ানিবিলাকে তেঁওক হেলা কৰা জানি হেৰোদৰ অতিসই
খঙ্গ উঠিল; আৰু গিয়ানিবিলাকত ঠিক কৰি সোধাত জি কাল নিচই
পালে, সেই কালৰে পৰা বৈত্‌লেহেমত আৰু তাৰ সকলো সিমাতো জিমান
লৰা দুই বচৰিয়া আৰু তাতকৈও অলপ বয়সিয়া আচিল, সেই সকলোকে
মানুহ পঠাই বধ কৰালে । ১৭ তাতে ৰামাত এক সবদ সুনা গল, বিলাপ,
ক্ৰন্দন, আৰু বৰ সোক; ৰাহেলে আপোনাৰ সন্তানইতলৈ কান্দি কান্দি, সি-
বিলাক নাইকিয়া দেখি সান্ত হবৰ ইচা ন কৰিলে, ১৮ এই জি কথা
য়িৰিমিয়া ভবিস্যত বক্তাৰ দোআৰাই কোআ গৈচিল, সেই কথা সিধি হল ।
১৯ কিন্তু হেৰোদ মৰাৰ পাচে দেখা, মিচৰ দেসত ইশ্বৰৰ দুতে সপোনত
য়োচেফক দৰ্সন দি কলে, ২০ উঠা, লৰা আৰু তেঁওৰ মাকক লৈ ইস্ৰায়েল
দেসলৈ জোআ, কিয়নো জিবিলাকে লৰাৰ প্ৰান বিচাৰিচিল, সেইবিলাক
মৰিল । ২১ তেতিয়া তেঁও উঠি লৰা আৰু তেঁওৰ মাকক লৈ ইস্ৰায়েল দে-
সলৈ আহিল । ২২ কিন্তু য়িহুদা দেসত আৰ্খেলায়ে আপোনাৰ পিত্ৰি
হেৰোদৰ বাবে ৰাজ সাসন কৰিচে, ইয়াকে সুনি তালৈ জাবলৈ তেঁও ভই
কৰিলে; পাচে সপোনত ইশ্বৰৰ আগ্যা পাই, গালিলৰ সিমালৈ আঁতৰি
গল । ২৩ আৰু নাচৰেত নামে এখান নগৰলৈ আহি নিবাস কৰিলে;
তাতে তেঁওক নাচৰিয়া বোলা জাব, এই জি কথা ভবিস্যত বক্তাবিলাকৰ
দোআৰাই কোআ হৈচিল, সেয়ে সিধি হল ।

## ৩ আধ্যা ।

সেই কালত য়োহান বুৰ দিঁয়াওতা আহি য়িহুদা দেসৰ হাবিত কথা কিৰ্তন
কৰি কলে, ২ মন পালটোআ, স্বৰগ ৰাজ্য ওচৰ হল । ৩ য়িচয়া ভবিস্যত
বক্তাৰ দোআৰাই জাৰ অৰ্থে কোআ গৈচিল, বোলে, হাবিৰ মাজত ৰিঙ্গিওআ
এজনৰ সবদ, প্ৰভুৰ পথ জুগুত কৰা, তেঁওৰ আলিবাট পোন কৰা, সেই
জনেই এই । ৪ সেই য়োহানৰ উটৰ নোমৰ কাপৰ আচিল, আৰু কঁকালত
চালৰ টঙ্গালি; তেঁওৰ আহাৰ হলে কচুআ ফৰিঙ্গ আৰু হাবিৰ মৌ ।
৫ তেতিয়া য়িৰুচালম, আৰু সকলো য়িহুদা দেস, আৰু য়ৰ্দানৰ দাঁতিতো
থকা আটাই লোক ওলাই তেঁওৰ ওচৰলৈ গৈ, ৬ আপোনাৰ পাপ সৈ
কাৰ্হি তেঁওৰ হতুআই য়ৰ্দানত বুৰ দিওআ হল । ৭ কিন্তু অনেক ফিৰুচি
আৰু চিদুকি লোকক আপোনাৰ বুৰলৈ অহা দেখি তেঁও সিবিলাকত কলে,
হেৰৈ সাপৰ বঙ্গহ, আগলৈ হব লগা ক্ৰোধৰ পৰা পলাবলৈ তোমোলাকক
কোনে বুধি দিলে? ৮ এই হেতুকে মন পালটনৰ উচিত ফল ধৰা । ৯ কিন্তু
আব্ৰাহাম আমাৰ পিত্ৰি, মনেৰে এই কথা নে ভাবিবাহঁক; কিয়নো মই
তোমোলাকত কঁও, এই সিলবিলাকৰ পৰাই ইস্বৰে আব্ৰাহামলৈ সন্তান জন-
মাব পাৰে । ১০ আৰু এতিয়াও গচৰ গুৰিত কুঠাৰ লাগিয়েই আচে;
এই হেতুকে জি জি গচে ভাল গুটি নধৰে, তাক কাটি জুইত পেলোআ
জাই । ১১ মন পালটনৰ নিমিত্তে মই পানিত তোমোলাকক বুৰ দিয়াই-
চোঁ; কিন্তু জি জন মোৰ পাচত আহিচে, তেঁও মোতকৈ ডাঙ্গৰ; মই তেঁওৰ
পইজাৰ ববলৈকো জোগ্য ন হঁও; তেঁও তোমোলাকক পবিত্ৰ আত্মাত
আৰু জুইত বুৰ দিয়াব । ১২ তেঁও হাতত কুলা লৈ আচে; তেঁও আপো-
নাৰ খলা ভালকৈ জাৰি মেৰত ধান চপাই থব, কিন্তু নুনুমুআ জুইৰে
ঘুলা পুৰিব ।

১৩ পাচে য়িচু গালিলৰ পৰা য়ৰ্দানলৈ আহি য়োহানৰ হাতে বুৰ পাবৰ
নিমিত্তে তেঁওৰ ওচৰলৈ গল । ১৪ কিন্তু য়োহানে তেঁওক নিবাৰন কৰি
বুলিলে, আপোনাৰ হাতে মই বুৰ পাব লগিয়া হোআত আপুনি মোৰ
এখেলেই আহিচে নে? ১৫ তাতে য়িচুএ সমিধান দি তেঁওত কলে, এতিয়া
হবলৈ দিয়া; কিয়নো এনে ৰুপে সকলো ধৰম পুৰ কৰিবলৈ আমাৰ
উচিত । তেতিয়া তাক পাবলৈ তেঁওক দিলে । ১৬ পাচে য়িচুএ বুৰ পোআ
হৈ তেতিয়াই পানিৰ পৰা উঠিল; তাতে দেখা, স্বৰগৰ দুআৰ তেঁওলৈ
মুকলি হল, আৰু ইস্বৰৰ আত্মাক কুপৌৰ নিচিনাকৈ নামি আহি আপো-
নাৰ ওপৰত পৰিবৰ দেখিলে । ১৭ আৰু এই মোৰ প্ৰিয় পুত্ৰ, এঁওত
মোৰ পৰম সন্তোস, এনে আকাসি বানি হল ।

## ৪ আধ্যা ।

তাৰ পাচে চইতানৰ হতুআই য়িচুক পৰিখা কৰিবৰ নিমিতে আত্মাৰ দো-
আৰাই তেঁওক হাবিৰ মাজলৈ নিয়া হল । ২ তাতে দুকুৰি দিন দুকুৰি
ৰাতি লঘোনে থকাত পাচে তেঁওৰ ভোক লাগিল । ৩ তেতিয়া পৰিখা
কৰাটে তেঁওৰ ওচৰলৈ আহি কলে, তুমি জদি ইশ্বৰৰ পুত্ৰ হোআ, তেন্তে
এই সিলবোৰক পিঠা হবলৈ আগ্যা দিয়া । ৪ তাতে তেঁও উত্তৰ কৰি
কলে, মানুহে অকল পিঠাৰেই নিজিএ, কিন্তু জি জি কথা ইশ্বৰৰ মুখৰ
পৰা ওলাই, তাৰেহে জিএ, এনে লিখা আচে । ৫ তেতিয়া চইতানে তেঁওক
পবিত্ৰ নগৰলৈ নি, মন্দিৰৰ এটা কলচিৰ ওপৰত বহুআই তেঁওত কলে,
৬ তুমি জদি ইশ্বৰৰ পুত্ৰ হোআ, তেন্তে আপুনি তললৈ পৰা; কিয়নো
এনে লিখা আচে, তোমাৰ অৰ্থে তেঁও আপোনাৰ দুতবিলাকক আগ্যা
দিব, আৰু তোমাৰ ভৰি সিলত খুন্দা নোখোআকৈ সিবিলাকে তো-
মাক হাতেৰে দাঙ্গি ধৰিব । ৭ তেতিয়া য়িচুএ তাত কলে, তোমাৰ
প্ৰভু পৰম ইশ্বৰৰ পৰিখা নেচাবা, এনেও লিখা আচে । ৮ আকও
চইতানে তেঁওক অতি ওখ পৰ্বতলৈ নি, জগতৰ সকলো ৰাজ্য আৰু
সিবিলাকৰ ঐশ্বৰ্জ্যা দেখুআলে; আৰু তেঁওক বুলিলে, তুমি জদি দি-
ঘল হৈ পৰি মোক সেৱা কৰা, তেন্তে এই আটাইকে তোমাক দিম ।
১০ য়িচুএ তেতিয়া তাক বুলিলে, মোৰ পাচলৈ গুচি জা চইতান, কিয়নো
তোমাৰ প্ৰভু পৰম ইশ্বৰক সেৱা কৰা, আৰু অকল তেঁওৰে আল পৈ-
চান ধৰা, এনে লিখা আচে । ১১ তেতিয়া চইতানে তেঁওক এৰিলে,
আৰু দেখা, দুতবিলাকে আহি তেঁওক সুশ্ৰুসা কৰিলে । ১২ পাচে
য়োহানক বন্দিসালত থোআ সুনি য়িচু গালিললৈ গল । ১৩ আৰু
নাচৰেত এৰি সমুদ্ৰৰ কাখৰত জিবুলুন আৰু নাপ্তালি প্ৰদেসৰ সিমাত
থকা কিফৰ্নাহুমলৈ গৈ সেই ঠাইতে থাকিল । ১৪ তাতে য়িচয়া ভৱি-
স্যত বক্তাৰ মুখে জি কথা কোআ গৈচিল, সমুদ্ৰৰ কাসৰত য়ৰ্দানৰ
সিপাৰে বিদেসি লোকৰ গালিল, ১৫ অৰ্থাত জিবুলুন আৰু নাপ্তালি
দেসৰ জিবিলাক মানুহ এন্ধাৰত বহি আচিল, সিবিলাকে বৰ পহৰ
দেখিবলৈ পাইচে; ১৬ জিবিলাক মিত্যুৰ দেস আৰু চাঁত বহি আ-
চিল, সিবিলাকৰ ওপৰত পহৰ প্ৰকাস হৈচে, সেই কথা সিধি হল ।
১৭ সেই কালৰে পৰা য়িচুএ কিৰ্ত্তন কৰিব ধৰিলে, বোলে, মন
পালটোআ; কিয়নো স্বৰগ ৰাজ্য ওচৰ হল । ১৮ পাচে তেঁও গালি-
লৰ সাগৰৰ ওচৰত ফুৰোঁতে চিমোন, জাক পিতৰ বোলে, আৰু তেঁওৰ
ভায়েক আন্দ্ৰিয়া, এই দুজনক সাগৰত জাল বোআ দেখিলে; কিয়নো
সিবিলাক মাচ মৰিয়া আচিল । ১৯ তাতে তেঁও সিবিলাকত কলে, মোৰ
পাচত আঁহা, মই তোমোলাকক মানুহ ধৰা কৰিম । ২০ তেতিয়াই সি-

বিলাকে জাল এৰি তেঁওৰ পাচত গল। ২১ তাৰ পৰা তেঁও গৈ জবি-
দিৰ পুতেক য়াকোব, আৰু তেঁওৰ ভায়েক য়োহান, এই দুজনক সিবি-
লাকৰ বাপেক জবিদিএ সৈতে নাৱত আপোনাৰ জাল বাতিবৰ দেখি সি-
বিলাকক মাতিলে। ২২ সিবিলাকেও তেতিয়াই নাও আৰু আপোনাৰ
বাপেককো এৰি তেঁওৰ পাচত গল।

২৩ পাচে য়িচুএ গোটেই খন গালিল দেস ফুৰি, সিবিলাকৰ সকলো
নাম ঘৰত উপদেস দি ৰাজ্যৰ সুভ বাত্ৰা কিৰ্ত্তন কৰি, মানুহৰ আটাই
বিধ ৰোগ আৰু নৰিয়া স্বস্থ কৰিলে। ২৪ তাতে তেঁওৰ জসস্যা চৰিয়া
দেস খনতে বিয়াপিল; আৰু ভুতে পোআ, আঁৰৰিয়া, জঠৰ ৰুগিয়া
আদি কৰি অনেক অনেক বিয়াপাৰ আৰু জাতনা পোআ মানুহবিলাকক
তেঁওৰ ওচৰলৈ আনিলত তেঁও সিবিলাকক স্বস্থ কৰিলে। ২৫ তাতে
গালিল, দেকাপলি, য়িৰুচালম, আৰু য়িহুদা দেসৰ পৰা, আৰু য়ৰ্দানৰ
সিপাৰৰ পৰাও বৰ এজুম মানুহ তেঁওৰ পাচে পাচে গল।

## ৫ আধ্যা।

তেতিয়া তেঁও সেই মানুহ জুমক দেখি পৰ্ব্বতৰ ওপৰলৈ গল; পাচে
তেঁও বহিলত আপোনাৰ সিস্যবিলাক তেঁওৰ কোসৰলৈ আহিল, ২ তাতে
তেঁও মুখ মেলি সিবিলাকক উপদেস দি এই কথা কবলৈ ধৰিলে।

৩ ভিকহুমনেৰ জিবিলাক, সেইবিলাক ধন্য; কিয়নো স্বৰগ ৰাজ্য সিবি-
লাকৰ। ৪ সোক কৰা জিবিলাক, সেইবিলাক ধন্য; কিয়নো সিবি-
লাকে সান্তনা পাব। ৫ নম্ৰ হোআবিলাক ধন্য; কিয়নো সিবিলাকে দে-
সত অধিপত্য পাব। ৬ ধৰমলৈ ভোক আৰু পিয়াহ লগা জিবিলাক, সেই-
বিলাক ধন্য; কিয়নো সিবিলাকে ত্ৰিপ্তি পাব। ৭ দায়ালু হোআবিলাক
ধন্য; কিয়নো সিবিলাকে দায়া পাব। ৮ নিৰ্ম্মল চিত্তেৰবিলাক ধন্য;
কিয়নো সিবিলাকে ইস্বৰক দৰ্সন পাব। ৯ মিল কৰাবিলাক ধন্য; কি-
য়নো সিবিলাকক ইস্বৰৰ সন্তান বোলা হব। ১০ জিবিলাকে ধৰমৰ নি-
মিত্তে তাৰনা পোআ হই, সেইবিলাক ধন্য; কিয়নো স্বৰগ ৰাজ্য সিবি-
লাকৰ। ১১ জেতিয়া মানুহবিলাকে মোৰ নিমিত্তে তোমোলাকক নিন্দা
আৰু তাৰনা কৰে, আৰু তোমোলাকৰ অহিতে মিচাকৈ সকলো বেয়া
কথা বোলে, তেতিয়া তোমোলাক ধন্য। ১২ আনন্দিত হৈ অতিসই
ৰঙ্গ কৰা; কিয়নো স্বৰগত তোমোলাকৰ কৰম ফল অধিক আছে; সি-
হঁতে তোমোলাকৰ ওপৰ ভবিস্যত বক্তাবিলাকো এই ৰূপে তাৰনা
কৰিলে।

১৩ তোমোলাক প্ৰিথিবিৰ লোন; কিন্তু জদি লোনৰ সোআদ গুচিল,

তাক কিহেৰে চোকা কৰা হব? সি তাৰে পৰা একো কাৰ্য্যৰ নহৈ, অকল বাহিৰলৈ পেলোআ আৰু মানুহৰ গচকাৰ জোগ্যহে হই। ১৪ তোমোলাক জগতৰ পহৰ; পৰ্বতৰ ওপৰত থকা নগৰ লুকাব নোআৰে। মানুহে চাকি লগাই দোনৰ তলত নথৈ, গচাৰ ওপৰতেহে থই, তাতে ঘৰত থকা সকলো মানুহক পহৰ দিএ। ১৬ এই ৰুপে তোমোলাকৰ পহৰ মানুহৰ আগত প্ৰকাস হওক; তাতে সিবিলাকে তোমোলাকৰ ভাল কৰম দেখি, স্বৰগত থকা তোমোলাকৰ পিত্ৰিক স্তুতি কৰিব।

১৭ মই বিধান বা ভবিস্যত বক্তাক নাস কৰিবলৈ আহিচোঁ, তোমোলাকে এনেকৈ মনত নেভাবিবা; মই নাস কৰিবলৈ অহা নাই, কিন্তু পুৰাবলৈহে আহিলোঁ। ১৮ মই তোমোলাকত স্বৰুপকৈ কওঁ, জেতিয়ালৈকে স্বৰগ আৰু প্ৰিথিবি নুগুচিব, তেতিয়ালৈকে সকলো সিধি নোহোআকৈ বিধানৰ এটি ইকাৰ বা এক বিন্দুও কোনো ৰুপে লোপ নহব। ১৯ এই হেতুকে জি কোনোএ এই আগ্যাৰ মাজৰ সৰু এটিও ঢিলাই, আৰু সেই ৰুপে মানুহক সিকাই, তাক স্বৰগ ৰাজ্যত সকলোতেকৈ সৰু বোলা জাব; কিন্তু জি কোনোএ পালন কৰে, আৰু সেই ৰুপে সিকাই, তাক স্বৰগ ৰাজ্যত বৰ বোলা জাব। ২০ মই তোমোলাকত কৈচোঁ, অধ্যাপক আৰু ফিৰুচিবিলাকতকৈ তোমোলাকৰ ধৰম উতম নহলে, কোনো ৰুপে স্বৰগ ৰাজ্যত সোমাবলৈ নে পাব।

২১ তুমি বধ ন কৰিবা, আৰু জি কোনোএ বধ কৰে, সি সোধত দণ্ডৰ ভিতৰ হব, এই জি কথা আগৰ কালৰ মানুহত কোআ গৈচিল, তাক তোমোলাকে সুনিলা। ২২ কিন্তু মই তোমোলাকত কৈচোঁ, জি কোনোএ আপোনাৰ ভায়েকক অকাৰনতে খঙ্গ কৰে, সি সোধত দণ্ডৰ ভিতৰ হব; আৰু জি কোনোএ আপোনাৰ ভায়েকক বলিয়া বোলে, সি মেলত দণ্ডৰ ভিতৰ হব; আৰু জি কোনোএ আপোনাৰ ভায়েকক মুঢ বোলে, সি নৰকৰ জুইত দণ্ডৰ ভিতৰ হব। ২৩ এই হেতুকে হোমৰ ভেঁটিৰ কাসৰলৈ তোমাৰ উচৰগৰ বস্তু আনিলে আপোনাৰ ভায়ালৈ তুমি কিবা দুসি আচা, তাতে এই কথা জদি তোমাৰ মনত পৰে, তেন্তে ভেঁটিৰ আগতে তোমাৰ উচৰগৰ বস্তু থৈ জোআ; ২৪ আৰু প্ৰথমে তোমাৰ ভায়াই সৈতে মিল হোআ, পাচে আহি তোমাৰ দান উচৰগ কৰা। ২৫ জি কালত তোমাৰ গুচৰিয়াই সৈতে বাটত থাকা, তাৰে সৈতে বেগতে মিল হোআ; নাইবা গুচৰিয়াই তোমাক সোধাৰুৰ হাতত সোধাই দিলে, পাচে জানো সোধাৰুএ টেকেলাৰ হাতত সোধাই দিব, তাতে তোমাক বন্দিসালত থোআ হব। ২৬ তোমাত মই স্বৰুপকৈ কওঁ, সেস চৰতিয়াও ধাৰ নুসুজা মানে, তাৰ পৰা তুমি কোনো ৰুপে ওলাব নোআৰিবা।

২৭ তুমি পৰ তিৰি গমন ন কৰিবা, এই জি কথা কোআ গৈচিল, তাক

তোমোলাকে সুনিলা । ২৮ কিন্তু মই তোমোলাকত কৈচোঁ, জি কোনোএ
তিৰোতা মানুহলৈ কাম ভাৱে চাই, সি মনেৰে ভবাতেই বেস্যা কৰা হল ।
২৯ এই হেতুকে জদি তোমাৰ সোঁ চকুএ তোমাক বিঘিনি কৰাই, তাক
কাৰ্হি তোমাৰ পৰা দলিয়াই পেলোআ; কিয়নো তোমাৰ গোটেই গা
নৰকত পেলোআ হোআতকৈ এটা অঙ্গ নষ্ট হোআই তোমাৰ লাভ ।
৩০ আৰু তোমাৰ সোঁ হাতে জদি বিঘিনি কৰাই, তাকো কাটি তোমাৰ
পৰা পেলোআ; কিয়নো তোমাৰ গোটেই গা নৰকত পেলোআ হো-
আতকৈ এটা অঙ্গ নষ্ট হোআই তোমাৰ লাভ ।

৩১ আৰু কোআ গৈচিল, কোনোএ জদি আপোনাৰ তিৰোতাক এৰিব
খোজে, সি তাইক তিয়াগ কৰা পত্ৰ দিওক । ৩২ কিন্তু মই তোমোলাকত
কৈচোঁ, জি কোনোএ আপোনাৰ তিৰোতাক বেস্যা নোহোআকৈ তিয়াগ
কৰে, সি তাইক বিভিচাৰিনি কৰাই; আৰু জি কোনোএ সেই তিয়াগ
কৰা তিৰোতাক বিয়া কৰে, সি পৰ তিৰি গমন কৰা হই ।

৩৩ পুনৰাই, তুমি মিচা সপত নকৰি, ইস্বৰলৈ আপোনাৰ সপত পালন
কৰিবা, এই জি কথা আগৰ কালৰ মানুহত কোআ গৈচিল, তাক তো-
মোলাকে সুনিলা । ৩৪ কিন্তু মই তোমোলাকত কৈচোঁ, একো সপত ন
কৰিবা; স্বৰগৰ নামে নহই, কিয়নো সেয়ে ইস্বৰৰ সিংহাসন; ৩৫ আৰু
প্ৰিথিবিৰ নামেও নহই, কিয়নো সেয়ে তেঁওৰ ভৰিৰ পিৰা; য়িৰুচালমৰ
নামেও নহই, কিয়নো সেয়ে মহা ৰজাৰ নগৰ । ৩৬ আৰু আপোনাৰ
মুৰত ধৰি সপত নকৰিবা; কিয়নো এডালি চুলিকে তুমি বগা বা কলা
কৰিব নোআৰা । ৩৭ কিন্তু তোমাৰ কথোপকথন হই হই, বা নহই
নহয়েই হওক; কিয়নো ইয়াতকৈ জি অধিক, সি বেয়াৰ পৰাহে ওলাই ।

৩৮ চকুৰ সলনি চকু দাঁতৰ সলনি দাঁত, পুৰ্বে কোআ এই কথা সুনিলা ।
৩৯ কিন্তু মই তোমোলাকত কৈচোঁ, তোমোলাকে হিংসক জনৰ প্ৰতিৰোধ
ন কৰিবা; কিন্তু জি কোনোএ তোমাৰ সোঁ গালত চৰ মাৰে, তাক আৰু
সি গাল পাতি দিবা । ৪০ কোনোএ জদি মেলত গোচৰ কৰি তোমাৰ চো-
লা কাৰ্হি লব খোজে, তাক তোমাৰ ওপৰৰ কাপৰো লবলৈ এৰি দিবা ।
৪১ আৰু কোনোএ জদি বলেৰে তোমাক এড়াঁৰৰ বাট গমন কৰাই, তাৰ
লগত দোজোখা জাবা । ৪২ জি জনে তোমাত খোজে, সেই জনক দিয়া;
আৰু জি জনে তোমাত ধাৰ কৰিব খোজে, তালৈ বিমুখ ন হবা ।

৪৩ মই তোমোলাকত কৈচোঁ, তোমোলাকৰ সত্ৰুকো প্ৰিতি কৰা; জি লো-
কে তোমোলাকক সাও দিএ, সিবিলাকক আসিৰ্বাদ কৰা; জিবিলাকে তো-
মোলাকক ঘিনাই, সিবিলাকৰ হিত কৰা; জিবিলাকে তোমোলাকক নিন্দা
আৰু তাৰনা কৰে, সিবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰা; তেহে তোমোলাকৰ
স্বৰগত থকা পিত্ৰিৰ সন্তান হবা । ৪৫ কিয়নো তেঁও দুষ্ট সন্ত দুইৰো ওপ-

ৰত আপোনাৰ সূৰ্জ্য ওলাবলৈ দিএ; আৰু পৰমাৰ্থিক আৰু অপৰমাৰ্থিক দুয়োৰো ওপৰত বৰষুনো বৰষাই । ৪৬ জি লোকে তোমোলাকক প্ৰিতি কৰে, অকল সিবিলাকক প্ৰিতি কৰিলে, তোমোলাকৰ কি ফল হব? কৰ তোলাহঁতেও জানো এনে নকৰে? ৪৭ আৰু তোমোলাকে জদি অকল ভাৱাৰিলাকক নমস্কাৰ কৰা, তেন্তে আনতকৈ কি কৰা হলা? বিদেসি লোকেও এনে নকৰে নে? ৪৮ এই হেতুকে তোমোলাকৰ স্বৰগত থকা পিত্ৰি জেনে পূৰ্নধৰ্মৱন্ত, তোমোলাকো তেনে পূৰ্নধৰ্মৱন্ত হোআ ।

৬ আধ্যা ।

সাৱধান হোআ, মানুহে দেখিবৰ নিমিত্তে তোমোলাকে সিহঁতৰ আগত আপোনাৰ ধৰম কৰম নকৰিবা; তেনে কৰিলে তোমোলাকৰ স্বৰগত থকা পিত্ৰিৰ পৰা একো ফল নেপাবা । ২ এই হেতুকে তুমি জেতিয়া দান কৰা, তেতিয়া মানুহৰ পৰা জসস্যা পাবৰ নিমিত্তে কপটিৰ নিচিনাকৈ নাম ঘৰত আৰু আলিৰ মাজত আপোনাৰ আগে আগে ভেঁৰি নবজাবা । তোমোলাকত মই স্বৰূপকৈ কৈচো, সিহঁতে আপোনাৰ পুৰা কৰম ফল পালে । ৩ কিন্তু তুমি জেতিয়া দান কৰা, তেতিয়া তোমাৰ সোঁ হাতে কি কৰে, বাঁও হাতে তাক জানিব নিদিবা; ৪ তেহে তোমাৰ দান গুপুত হব, আৰু তোমাৰ জি জন পিত্ৰিএ গুপুত ঠাইতো দেখে, তেঁও আপুনি তোমাক কৰমৰ ফল দিব ।

৫ আৰু তোমোলাকে জেতিয়া প্ৰাৰ্থনা কৰা, তেতিয়া কপটিৰ নিচিনা নহবা; কিয়নো মানুহে দেখিবৰ নিমিত্তে সিহঁতে নাম ঘৰত আৰু ৰাজ আলিৰ চুকত থিয় হৈ প্ৰাৰ্থনা কৰিবলৈ ভাল পাই । তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, সিহঁতে আপোনাৰ পুৰা কৰম ফল পালেই । ৬ কিন্তু জেতিয়া তুমি প্ৰাৰ্থনা কৰা, তেতিয়া আপোনাৰ গুপুত ঠাইলৈ সোমোআ, আৰু দুআৰ জঁপাই, গুপুত ঠাইত থকা তোমাৰ পিত্ৰিৰ আগত প্ৰাৰ্থনা কৰা, তাতে তোমাৰ জি জন পিত্ৰিএ গুপুত ঠাইত দেখে, তেঁৱে তোমাক কৰমৰ ফল দিব । ৭ কিন্তু প্ৰাৰ্থনা কৰা কালত তুমি দেওপূজকৰ নিচিনাকৈ অনৰ্থক পুনৰোক্তি ন কৰিবা; কিয়নো ভালেমান কথা বুলিলে আমাৰ প্ৰাৰ্থনা সুনা জাব, সিহঁতে ইয়াকে ভাবে । ৮ তোমোলাক সিহঁতৰ নিচিনা নহবা; কিয়নো তোমোলাকে প্ৰাৰ্থনা কৰাৰ আগেয়ে তোমোলাকৰ জি জি প্ৰয়োজন আচে, তাক তোমোলাকৰ পিত্ৰিএ জানে । ৯ এই হেতুকে তোমোলাকে এই ৰূপে প্ৰাৰ্থনা কৰা; হে আমাৰ স্বৰগত থকা পিত্ৰি, তোমাৰ নাম পুজনিয় হওক; ১০ তোমাৰ ৰাজ্য হওক; জেনেকৈ স্বৰগত, তেনেকৈ প্ৰিথিৱিতো তোমাৰ ইচা পুৰ হওক । ১১ আজিৰ দিনৰ আহাৰ আমাক দিয়া ।

১২ আৰু আমাৰ ধৰুআইঁতক আমি জেনেকৈ খেমা কৰোঁ, তেনেকৈ আমা-
ৰো ধাৰ খেমা কৰা। ১৩ আমাক পৰিখালৈ নিনিবা, কিন্তু দোষৰ পৰা
ধৰি ৰাখা। ১৪ তোমোলাকে জদি লোকৰ অপৰাধ খেমা কৰা, তেন্তে তো-
মোলাকৰ স্বৰগত থকা পিত্রিএ তোমোলাকৰো অপৰাধ খেমা কৰিব;
১৫ কিন্তু তোমোলাকে জদি লোকৰ অপৰাধ খেমা নকৰা, তেন্তে তোমো-
লাকৰ পিত্রিএও তোমোলাকৰ অপৰাধ খেমা নকৰিব।

১৬ আৰু তোমোলাকে জেতিয়া লঘোন কৰা, তেতিয়া কপটিৰ নিচিনা-
কৈ মোলান বদন নকৰিবা; কিয়নো সিহঁতে লঘোনিয়া বুলি মানুহক জনা-
বৰ নিমিত্তে মুখ মলিন কৰে। তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, সিহঁতে
আপোনাৰ পুৰা কৰম ফল পালেই। ১৭ কিন্তু তুমি লঘোন কৰা কালত
লোকৰ আগত আপোনাক লঘোনিয়া নেদেখুআই, গুপুত ঠাইত থকা তো-
মাৰ পিত্রিৰ আগত আপোনাক লঘোনিয়া জেন দেখুউআ, তোমাৰ মুৰত
তেল ঘঁহা আৰু মুখো ধোআ; ১৮ তাতে তোমাৰ জি জন পিত্রিএ গুপুত
ঠাইতো দেখে, তেঁৱে তোমাক কৰমৰ ফল দিব।

১৯ জি ঠাইত পোকে আৰু মামৰে ওৰ পেলাই, আৰু চোৰেও সিন্ধি দি
চুৰ কৰে, এনে প্রিথিৱিত আপোনালৈ ধন নেসাঁচিবা; ২০ কিন্তু জতে পোক
আৰু মামৰে খ্যই নকৰে, চোৰেও সিন্ধি দি নিনিএ, এনে স্বৰগত আপো-
নালৈ ধন সাঁচা। ২১ কিয়নো জতে তোমোলাকৰ ধন, ততে তোমোলাকৰ
মনো হব।

২২ চকুএই সৰিলৰ চাকি; এই হেতুকে তোমাৰ চকু জদি সুদ্রিষ্টি হই,
তেন্তে তোমাৰ গোটেই সৰিল প্রকাসিত হব; ২৩ কিন্তু তোমাৰ চকু জদি
কুদ্রিষ্টি হই, তেন্তে তোমাৰ গোটেই সৰিল এন্ধাৰমই হব। এই হেতুকে
তোমাৰ মাজত জি পহৰ, সেয়ে জদি এন্ধাৰ হই, সেই এন্ধাৰেই কিমান বৰ!

২৪ কোনো মানুহে দুজনা গৰাকিত খাটিব নোআৰে; কিয়নো সি এজ-
নক ঘিনাই, এজনক চেনেহ কৰিব; নাইবা এজনলৈ উচাহি হৈ, এজনক
অৱহেলা কৰিব। সেই ৰূপে তোমোলাকেও ইশ্বৰ আৰু ধন, এই দুয়োৰো
খাটনি লগাব নোআৰা। ২৫ এই হেতুকে মই তোমোলাকত কৈচোঁ, কি
ভোজন পান কৰিম, এই বুলি প্রানৰ নিমিত্তে, বা কি পিন্ধিম, এই বুলি
সৰিলৰ নিমিত্তে একো চিন্তা নকৰিবা। আহাৰতকৈ প্রান, আৰু কাপ-
ৰতকৈ সৰিল বৰ নহই নে? ২৬ আকাসৰ চৰাইবিলাকলৈ চোআ; সি-
হঁতে নৰই, নেদাই, আৰু মেৰতো নচপাই; তথাপি তোমোলাকৰ স্বৰ্গিয়
পিত্রিএ সিহঁতকো পোহে। তোমোলাক সিহঁতকৈ অতি উত্তম নো-
হোআনে? ২৭ তোমোলাকৰ মাজৰ কোনে চিন্তা কৰি আপোনাক এহা-
তকে বৰ্হাব পাৰে? আৰু কাপৰলৈ বা কিয় চিন্তা কৰা? ২৮ পথা-
ৰৰ কনাৰি ফুল কেনেকৈ বাহে, তাক ভাবি চোআ; সিহঁতে স্রম নকৰে,

সুতাও নেকাটে; ২৯ তথাপি মই তোমোলাকত কৈচোঁ, চিলোমোন আ-
পোনাৰ সকলো ঐশ্বৰ্য্যে সৈতেও ইইঁতৰ এটাৰ নিচিনা বিভুসিত না-
চিল । ৩০ এই হেতুকে আজি আচে, কাইলৈ জুইসালত পেলোআ
হব জি পথাৰৰ বন, তাকো জদি ইশ্বৰে এনে বিভুসিত কৰে, তেন্তে হে
অল্প বিশ্বাসিবিলাক, তেঁও তাতকৈ তোমোলাকক ভুসিত নকৰিবনে?
৩১ এই হেতুকে কি খাম, কি পান কৰিম, কি পিন্ধিম, ইয়াক মনত চিন্তা
নকৰিবা । ৩২ কিয়নো বিদেসি লোকে এইবিলাক বিচাৰে, আৰু এই-
বিলাকত তোমোলাকৰো প্ৰয়োজন আচে, ইয়াক তোমোলাকৰ স্বৰ্গিয়
পিত্ৰিএ জানে । ৩৩ কিন্তু আগেয়ে ইশ্বৰৰ ৰাজ্য আৰু তেঁওৰ ধৰম বি-
চাৰ কৰা, পাচে এই সকলোবিলাক তোমোলাকক দিয়া হব । ৩৪ এতে-
কে কালিৰ নিমিতে চিন্তা নকৰিবা; কিয়নো কালিএ আপোনাৰ কথা-
লৈ আপুনি চিন্তা কৰিব । দিনৰ জি দুখ, দিনটৈলে সেয়ে আঁটিব ।

## ৭ আধ্যা ।

তোমোলাকে লোকক দুসি নকৰিবা, তেহে তোমোলাককো দুসি কৰা নহব ।
২ কিয়নো জি দোসেৰে লোকক দুসি কৰা, সেই ৰুপ দোসেৰে তোমোলা-
ককো দুসি কৰা হব; আৰু জি জোখেৰে তোমোলাকে জোখ কৰা, সেই
জোখেৰে তোমোলাকলৈকো জোখ কৰা হব । ৩ তুমি আপোনাৰ চকুত
থকা চতিকে নেদেখি, ভায়াৰ চকুত থকা কুটা কিয় দেখিচা? ৪ আৰু
দেখা, আপোনাৰ চকুত চতি থাকোতেই, তোমাৰ চকুৰ পৰা সেই কুটা
মোক উলিয়াবলৈ দিয়া, এই কথা ভায়াক কেনেকৈ বুলিব পাৰা? ৫ হেৰৈ
কপটি, আপোনাৰ চকুৰ পৰা সেই চতি আগেয়ে উলিয়া, পাচেহে ভায়ে-
ৰৰ চকুৰ পৰা কুটা উলিয়াবলৈ ভালকৈ দেখিবি । ৬ কুকুৰবিলাকক পবিত্ৰ
বস্তু নিদিবা; আৰু তোমোলাকৰ মুকুতা গাহৰিৰ আগত নেপেলাবা; কি-
জানি সিইঁতে সেইবোৰক ভৰিৰে গচকে, আৰু পাচে জানো ঘুৰি তোমো-
লাককো বখলিয়াই ।

৭ খোজা, তেহে তোমোলাকক দিয়া হব; বিচাৰা, তেহে পাবা; চপ-
ৰিওআ, তেহে তোমোলাকলৈ দুআৰ মুকলি কৰা হব । ৮ কিয়নো জেয়ে
জেয়ে খোজে, সেয়ে সেয়ে পাই; জেয়ে বিচাৰে, সেয়ে দেখা পাই; আৰু
জেয়ে চপৰিয়াই, তালৈকে দুআৰ মুকলি কৰা হব । ৯ কিয়নো পুতেকে
পিঠা খুজিলে তাক সিল দিএ, ১০ মাচ খুজিলে সাপ দিএ, তোমোলাকৰ
মাজত এনে কোন মানুহ আচে? ১১ এই হেতুকে তোমোলাক বেয়া হৈয়ো
আপোনাৰ লৰাইঁতক জদি ভাল বস্তু দিব জানা, তাতকৈয়ো তোমোলাকৰ
স্বৰগৰ পিত্ৰিএ তেঁওত খোজাবিলাকক ভাল বস্তু নিদিবনে? ১২ লোকে

তোমোলাকক সকলোতে জি জি বেৱহাৰ কৰিবলৈ তোমোলাকৰ ইচ্ছা হই,
তোমোলাকেও সিবিলাকলৈ সেই ৰূপ বেৱহাৰ কৰা; কিয়নো বিধান আৰু
ভবিস্যত বক্তা সকলৰ বাক্য এই ।

১৩ দুৰ্গম দুআৰেদি সোমোআ; কিয়নো জি দুআৰে আৰু জি বাটে সৰ্ব-
নাসলৈ নিএ, সেই দুআৰ বহল, বাটো মুকলি, আৰু সেয়েদি সোমোআও
অনেক । ১৪ কিয়নো জি দুআৰে আৰু বাটেদি পৰম আয়ুসলৈ জাই, সেই
দুআৰ দুৰ্গম, বাটো চেপ, আৰু তাক পোআ মানুহো তাকৰ ।

১৫ জিবিলাক মিচা ভবিস্যত বক্তাই মেৰৰ বেস ধৰি তোমোলাকৰ ওচ-
ৰলৈ আহে, কিন্তু ভিতৰে হিংসক ৰাঙ্গকুকুৰ হই, সিহঁতৰ পৰা আপো-
নাক ধৰি ৰাখা । ১৬ সিহঁতৰ কৰমৰ দোআৰাই তোমোলাকে সিহঁতক
চিনিবা । মানুহে কাঁইট গচৰ পৰা লতাপনিয়ালৰ গুটি, বা পুলি কাঁইটৰ
পৰা ডিমৰু গুটি পাৰেনে? ১৭ সেই ৰূপে ভাল গচে ভাল গুটি ধৰে;
কিন্তু বেয়া গচে বেয়া গটি ধৰে । ১৮ ভাল গচে বেয়া গুটি ধৰিব নোআৰে;
বেয়া গচেও ভাল গুটি ধৰিব নোআৰে । ১৯ জি জি গচে ভাল গুটি নধৰে,
তাক কাটি জুইত পেলোআ জাই । ২০ এই হেতুকে তোমোলাকে ফলৰ
দোআৰাই সিহঁতক চিনিবা ।

২১ জিবিলাকে মোক প্ৰভু প্ৰভু বোলে, সিবিলাক সকলোএ স্বৰগ ৰাজ্যত
সোমাব, এনে নহই; কিন্তু জি জনে স্বৰগত থকা মোৰ পিত্ৰিৰ ইষ্ট কৰম
কৰে, সেয়েহে সোমাব । ২২ সেই দিনা অনেকে বুলিব, হে প্ৰভু, হে প্ৰভু,
আমি তোমাৰ নামে ভবিস্যত বাক্য কোআ নাই নে? আৰু তোমাৰ
নামে ভুতবিলাকক খেদোআ নাই নে? আৰু তোমাৰ নামে জানো অনেক
আচৰিত কৰম কৰা নাই? ২৩ তেতিয়া সিহঁতক মই বুলিম, হেৰৈ কুকৰম
কৰাবিলাক, তহঁতক মই কেতিয়াও জনা নাই; মোৰ ওচৰৰ পৰা আঁতৰি
জা ।

২৪ জি কোনোএ মোৰ এইবিলাক কথা সুনি পালন কৰে, সিলৰ ওপ-
ৰত ঘৰ সজা গিয়ানি মানুহেৰে তাৰ উপমা দিম । ২৫ পাচে বৰখুন আ-
নিলত ধল উঠিল, আৰু বতাহ বলাই সেই ঘৰৰ ওপৰত খুন্দা লাগিলহি;
কিন্তু তাৰ পোত সিলৰ ওপৰত হোআ হেতুকে সি নপৰিল । ২৬ আৰু
জি কোনোএ মোৰ এইবিলাক কথা সুনি পালন নকৰে, বালিৰ ওপৰত
ঘৰ সজা অজলা মানুহেৰে তাৰ উপমা দিয়া হব । ২৭ তাতে বৰখুন আনি-
লত ধল উঠিল, আৰু বতাহ বলাই সেই ঘৰৰ ওপৰত খুন্দা লাগিলত সি
পৰিল, আৰু তাৰ ঘোৰ পতন হল ।

২৮ য়িচুএ এইবিলাক কথা কৈ এঁটালত লোক সমুহে তেঁওৰ উপদেসত
বিস্মই মানিলে, ২৯ কিয়নো তেঁও অধ্যাপকবিলাকৰ দৰে সিখ্যা নিদি,
সক্তিমন্ত জনৰ দৰে সিখ্যা দিলে ।

৮ আধ্যা।

পাচে তেঁও পর্ব্বতৰ পৰা নামিলত অনেক লোক সমুহ তেঁওৰ পাচে পাচে
গল। ২ আৰু দেখা, এটা কুঠিয়া আহি তেঁওক সেৱা কৰি কলে, হে প্ৰভু,
আপোনাৰ জদি ইচা হই, তেন্তে মোক সুচি কৰিব পাৰে। ৩ তাতে য়িচুএ
হাত মেলি তাক চুই কলে, মোৰ ইচা আচে, সুচি হোআ। তেতিয়াই তাৰ
কুঠ ৰোগ সুচি কৰা হল। ৪ পাচে য়িচুএ তাত কলে, সাৱধান হোআ,
এই কথা কাতো নকবা; কিন্তু জোআ, পোৰোহিতৰ আগত আপোনাক
দেখুউআ, আৰু লোকক প্ৰমান দিবৰ নিমিত্তে মোচাই বিধান কৰা জি দান,
তাক উচৰগ কৰাগৈ।

৫ য়িচুএ কিফর্নাহুমত সোমালত এসৰ সেনাপতি এজনে তেঁওৰ ওচৰলৈ
আহি মিনতি কৰি কলে, ৬ হে প্ৰভু, মোৰ এটা বন্দি জঠৰ ৰোগেৰে অতি-
সই জাতনা পাই ঘৰত পৰি আচে। ৭ তেতিয়া য়িচুএ তাক বুলিলে, মই
গৈ তাক স্বস্থ কৰিম। ৮ সেনাপতিএ উত্তৰ কৰি কলে, হে প্ৰভু, আপু-
নি জে মোৰ ঘৰৰ ভিতৰত সোমাবগৈ, মই এনে জোগ্য নইঁও; কিন্তু একে-
সাৰ বাক্য বোলোক, তাতে মোৰ বন্দি স্বস্থ হব। ৯ কিয়নো মই আপুনি
পৰৰ অধিন মানুহ হৈচোঁ, মোৰ অধিনেও সেনাবিলাক আচে; মই সিবি-
লাকৰ এটাক জা বুলিলে সি জাই; আনক আহ বুলিলে সি আহে; আৰু
মোৰ বন্দিক এই কাম কৰ বুলিলে সি তাক কৰে। ১০ য়িচুএ এই কথা
সুনি বিস্মই মানি আপোনাৰ পাচে জোআবিলাকত কলে, মই তোমোলা-
কত স্বৰুপকৈ কৈচোঁ, ইস্রায়েলৰ বঙ্গহৰ মাজতো মই এনে বিস্বাস পোআ
নাই। ১১ আৰু মই তোমোলাকত কৈচোঁ, অনেক মানুহ পুব আৰু পচি-
মৰ পৰা আহি আব্ৰাহামৰ আৰু ইচাকৰ আৰু য়াকোবৰ লগত স্বৰগ
ৰাজ্যত আউজিব; ১২ কিন্তু ৰাজ্যৰ সন্তানবিলাকক হলে বাহিৰৰ এন্ধাৰত
পেলোআ জাব; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব। ১৩ পাচে য়িচুএ
সেই সেনাপতিত কলে, তুমি জোআ, জি ৰুপে বিস্বাস কৰিলা, সেই ৰুপেই
তোমালৈ হওক। তেতিয়া সেই ডাঁৰতেই তেঁওৰ বন্দি স্বস্থ হল।

১৪ পাচে য়িচুএ পিতৰৰ ঘৰত সোমাই তাৰ সাহুএকক জৰ হৈ সজ্যাত
পৰি থকা দেখিলে। ১৫ তাতে তেঁও তাইৰ হাত চুলতে জৰ গুচিল, আৰু
তাই উঠি তেঁওৰ আল ধৰিলে। ১৬ পাচে গধুলি হলত সিবিলাকে
তেঁওৰ ওচৰলৈ ভুতে পোআ অনেক মানুহ আনিলত তেঁও বাক্যৰ দোআ-
ৰাই ভুতক খেদালে, আৰু নৰিয়া হোআ সকলোকে স্বস্থ কৰিলে। ১৭ তা-
তে তেঁও আমাৰ দুৰ্ব্বল ললে, আৰু আমাৰ ৰোগবিলাকক নিলে, এই জি
কথা য়িচয়া ভবিস্যত বক্তাৰ দোআৰাই কোআ গৈচিল, সেয়ে সিধি হল।

১৮ পাচে য়িচুএ আপোনাৰ চাৰিও পোনে বহু মানুহ দেখি সিপাৰলৈ
জাবলৈ আগ্যা দিলে। ১৯ সেই কালত এজন অধ্যাপক আহি তেঁওত কলে,

হে গুৰু, আপুনি জলৈকে জাই, ময়ো আপোনাৰ পাচে পাচে তলৈকে জাম ।
২০ য়িচুএ তাত কলে, সিয়ালৰ গাঁত, আৰু আকাসৰ চৰাইবো বাহ আচে,
কিন্তু মানুহৰ পুত্ৰই আপোনাৰ মুৰ থবলৈকে ঠাই নাই । ২১ পাচে তেঁওৰ
সিস্যবিলাকৰ মাজৰ আন এজনে বুলিলে, হে প্ৰভু, আগেয়ে মোৰ বোপাইক
পুতিবৰ নিমিত্তে জাবলৈ অনুমতি দিয়োক । ২২ য়িচুএ তাত কলে, মোৰ
পাচত আঁহা; মৰাবিলাকে আপোনাৰ মৰাক পোতোক ।
২৩ পাচে তেঁও নাৱত উঠিলত সিস্যবিলাক তেঁওৰ পাচত গল । ২৪ তেতিয়া
দেখা, সাগৰত বৰ ধুমুহা বতাহ হোআত ঢৌৱেৰে নাও ঢকা হল, কিন্তু তেঁও
টোপনিতে আচিল । ২৫ তেতিয়া সিস্যবিলাকে ওচৰলৈ আহি তেঁওক জগাই
কলে, হে প্ৰভু, আমি মৰোঁহে, আমাক ৰখ্যা কৰোক । ২৬ তাতে তেঁও
সিবিলাকত কলে, হে অল্প বিস্বাসিবিলাক, তোমোলাক কিয় ভয়াতুৰ হো-
আ? পাচে তেঁও উঠি বতাহ আৰু সাগৰক ডবিয়ালতেই অতি নিৰ্ম্মল হল ।
২৭ তাতে মানুহবিলাকে বিস্মই মানি কলে, এঁও নো কেনে মানুহ! বতাহ
আৰু সাগৰেও জে এঁওৰ কথা মানে!
২৮ পাচে তেঁও পাৰ হৈ গাদৰা দেসলৈ আহিলত ভুতে পোআ দুজন
মানুহ মৈদামনিৰ পৰা ওলাই তেঁওৰ আগলৈ আহিল; সেই বাটেদি কো-
নো মানুহ জাব নোঅৰা, সিহঁত এনে অতিসই দুজন আচিল । ২৯ তাতে
দেখা, সিহঁতে এটাহ পাৰি বুলিলে, হে ইস্বৰৰ পুত্ৰ, তোমাৰে সৈতে আ-
মাৰ কি কাম? কাল হবৰ আগেয়ে আমাক জাতনা দিবলৈ আহিচানে কি?
৩০ তেতিয়া সিহঁতৰ পৰা কিচু দুৰৈত ভালেমাম গাহৰি এজাক চৰি আ-
চিল । ৩১ তাতে ভুতবিলাকে মিনতি কৰি কলে, আপুনি জদি আমাক খে-
দাই, তেন্তে সেই গাহৰি জাকত সোমাবলৈ আমাক অনুমতি দিয়োক ।
৩২ তাতে তেঁও কলে, জাইঁক; তেতিয়া সিহঁতে বাহিৰ ওলাই গাহৰি জাকত
সোমালগৈ; আৰু দেখা, সেই গোটেই জাক গাহৰি বৰকৈ লৰি গৈ গৰাৰ
পৰা সাগৰৰ পানিত পৰি পৰি মৰিল । ৩৩ পাচে ৰখিয়াবোৰে নগৰলৈ
পলাই গৈ, এই কথা আৰু ভুতে পোআবো জি ঘটনা, সকলোকে কলে-
গৈ । ৩৪ তাতে দেখা, নগৰৰ সমুদাই মানুহ য়িচুৰ সাখ্যাত পাবলৈ ওলাই
আহিল; আৰু তেঁওক দেখা পালত সিহঁতৰ সিমাৰ পৰা তেঁও জেন আঁতৰি
জাব, সিহঁতে এনে প্ৰাৰ্থনা কৰিলে ।

## ৯ আধ্যা ।

পাচে তেঁও নাৱত উঠি পাৰ হৈ আপোনাৰ নগৰ পালেগৈ । ২ আৰু
দেখা, মানুহবিলাকে তেঁওৰ ওচৰলৈ সজ্যাত সুই থকা জঠৰ ৰুগিয়া এটা
মানুহক আনিলে । তাতে য়িচুএ সিবিলাকৰ বিস্বাস দেখি, সেই জঠৰ

ৰুগিয়াত কলে, হে বুপাই, থিৰ হোআ, তোমাৰ পাপ খেমা হল । ৩ তেতিয়া
দেখা, কেতবিলাক অধ্যাপকে মনতে বুলিলে, এই মানুহে (ইশ্বৰক) নিন্দা
কৰে । ৪ তাতে য়িচুএ সিইঁতৰ ভাবনা জানি সিইঁতক বুলিলে, তোমো-
লাকে মনত কিয় কুচিত ভাবনা কৰাইঁক? ৫ তোমাৰ পাপ খেমা হল,
নাইবা উঠি ফুৰা, এই দুইবো কোনটো বুলিবলৈ টিল? ৬ কিন্তু প্ৰিথিবিত
পাপ খেমিবলৈ মানুহৰ পুত্ৰৰ সক্তি আচে, ইয়াক তোমোলাকে জানিবৰ
নিমিতে, তেতিয়া তেঁও জঠৰ ৰুগিয়াত কলে, উঠা, তোমাৰ সজ্যা তুলি ঘৰলৈ
জোআ । ৭ তাতে সি উঠি আপোনাৰ ঘৰলৈ গল । ৮ তেতিয়া মানুহ সমুহে
ইয়াকে দেখি বিস্মই মানিলে, আৰু মানুহক এনে সক্তি দিয়া ইশ্বৰক স্তুতি
কৰিলে ।

৯ য়িচুএ তাৰ পৰা জাওতে মাথি নামেৰে এজন মানুহক কৰ লোআ চৰাত
বহি থাকিবৰ দেখি তাত কলে, মোৰ পাচত আঁহা । তাতে সি উঠি তেঁওৰ
পাচত গল । ১০ পাচে জেতিয়া য়িচুএ তাৰ ঘৰত ভোজন কৰিবলৈ আউজিলে,
তেতিয়া অনেক কৰ তোলা মানুহ আৰু পাপিবিলাক তেঁওৰে আৰু তেঁওৰ
সিস্যবিলাকৰে লগত আউজিলে । ১১ ফিৰুচিবিলাকে ইয়াকে দেখি তেঁওৰ
সিস্যবিলাকত কলে, তোমোলাকৰ গুৰুএ কৰ তোলা আৰু পাপি লোকে
সৈতে কিয় ভোজন পান কৰে? ১২ য়িচুএ তাকে সুনি সিইঁতক বুলিলে,
নিৰুগি মানুহৰ বেজত সকাম নাই, কিন্তু ৰুগিয়া মানুহৰহে সকাম আচে ।
১৩ এই হেতুকে তোমোলাকে জোআ, মই বলিদান নোখোজোঁ, দায়াহে
খোজোঁ, এই কথাৰ অৰ্থ সিকাগৈ; কিয়নো মই ধৰমি লোকক নিমন্ত্ৰন
কৰিবলৈ অহা নাই, কিন্তু পাপি লোককহে ।

১৪ পাচে য়োহানৰ সিস্যবিলাকে তেঁওৰ ওচৰলৈ আহি কলে, আমি আৰু
ফিৰুচিবিলাকেও বাৰে বাৰে লঘোন কৰোঁ, কিন্তু তোমাৰ সিস্যবিলাকে লঘোন
নকৰে, ইয়াৰ কাৰন কি? ১৫ তেতিয়া য়িচুএ সিবিলাকত কলে, জেতে দিন
সখিবিলাকৰ লগত দৰা থাকে, তেতে দিনলৈ সিবিলাকে লঘোন কৰিব
পাৰেনে? কিন্তু জেতিয়া সিবিলাকৰ লগৰ পৰা দৰাক নিয়া হব, এনে কাল
পাবহি; তেতিয়া লঘোন কৰিব । ১৬ পুৰনি বস্ত্ৰত ন কাপৰৰ তাপলি
কোনেও নেমাৰে; কিয়নো জি ডোখৰ তাপলি মাৰে, তাৰে মুল বস্ত্ৰ ফলা
জাই, তাতে ফটা সৰহহে হই । ১৭ আৰু লোকবিলাকে নতাপনিয়ালৰ
ন ৰস পুৰনি চালৰ মোটত নথই; তেনে কৰিলে মোটবোৰ ফাটি জাই,
আৰু ৰসো বৈ টুকাই, মোটো নষ্ট হই; কিন্তু পনিয়ালৰ ন ৰস ন মোটতহে
থই, তেহে দুইবো ৰখ্যা হই ।

১৮ তেঁও সিবিলাকত এইবিলাক কথা কওঁতেই, দেখা, এজন অধিকাৰ
আহি তেঁওক সেৱা কৰি কলে, মোৰ জিটি এতিয়াই মৰিচে; কিন্তু আপুনি
আহি তাইৰ গাত হাত দিয়োক, তাতে তাই জিব । ১৯ তেতিয়া য়িচুএ উঠি

আপোনাৰ সিস্যবিলাকে সৈতে তাৰ পাচত গল। ২০ আৰু দেখা, বাৰে
বচৰ তেজ বোৱা এজনি ৰুগিয়া তিৰোতাই তেঁওৰ পাচ ফালেদি আহি
তেঁওৰ কাপৰৰ দহি চুলে; ২১ কিয়নো তাই মনতে বুলিচিলে, মই জদি
অকল তেঁওৰ কাপৰকে চুবলৈ পাঁও, তেও ভাল হম। ২২ তেতিয়া য়িচুএ
ঘুৰি চাই তাইক দেখি বুলিলে, আইটি, নিৰ্ভই হোৱা, তোমাৰ বিস্বাসেই
তোমাক ভাল কৰিলে। সেই উঁাৰৰে পৰা সেই তিৰোতা ভাল কৰা
হল।

২৩ পাচে য়িচুএ অধিকাৰৰ ঘৰ পাই বায়ন আৰু সবদ কৰা মানুহবিলা-
কক দেখি সিইঁতক বুলিলে, ২৪ ঠাই দিয়াহঁক; চোআলি মৰা নাই,
টোপনিতে আচে। তাতে সিইঁতে তেঁওক হাঁহিলে। ২৫ কিন্তু মানুহ জুমক
বাহিৰ কৰা হলত, তেঁও ভিতৰলৈ সোমাই চোআলিৰ হাতত ধৰিলত, তে-
তিয়া তাই উঠিল। ২৬ এই কৰমৰ জসস্যা সেই গোটেই খন দেসলৈকে বি-
য়াপি গল।

২৭ য়িচুএ সেই ঠাই এৰি জাঁওতে দুজন কনা মানুহে তেঁওৰ পাচে পাচে
গৈ, হে দাৱিদৰ সন্তান, আমাক দায়া কৰোক, এই কথা এটাহ পাৰি কলে।
২৮ পাচে তেঁও ঘৰ সোমালত সেই কনাহঁত তেঁওৰ ওচৰলৈ আহিল;
তেতিয়া তেঁও সিইঁতক সুধিলে, এই কৰম কৰিবলৈ মোৰ সক্তি আচে,
তোমোলাকে ইয় ত বিস্বাস কৰানে? সিইঁতে বলিলে, হই প্ৰভু। ২৯ পাচে
তেঁও সিইঁতৰ চকু চুই কলে, তোমোলাকৰ বিস্বাসৰ দৰেই তোমোলাকৰ
হওক। ৩০ তেতিয়া সিইঁতৰ চকু মুকলি হল; আৰু য়িচুএ সিইঁতক সকত
আগ্যা দি কলে, কেৱে জেন ইয়াক নেজানে, সাৱধান কৰা। ৩১ কিন্তু
সিইঁতে ওলাই গৈ গোটেই খন দেসত তেঁওৰ জসস্যা প্ৰকাস কৰিলে।

৩২ পাচে সিবিলাকে বাহিৰলৈ জোআত লোকবিলাকে ভুতে পোআ এটা
আঁকৰা মানুহক তেঁওৰ ওচৰলৈ আনিলে। ৩৩ তেতিয়া সেই ভুত খেদোআ
হলত আঁকৰাই কথা কব ধৰিলে; তাতে লোক সমুহে বিস্মই মানি কলে,
ইস্ৰায়েলৰ মাজত এনেকুআ কেতিয়াও দেখা নগল। ৩৪ কিন্তু ফিৰুচিবি-
লাকে বুলিলে, ভুতৰ ৰজাৰ দোআৰাই সি ভুতবোৰক খেদাই।

৩৫ পাচে য়িচুএ সকলো নগৰ আৰু গাঁৱত ফুৰি ফুৰি সিবিলাকৰ নাম
ঘৰবিলাকত উপদেস দিলে, ৰাজ্যৰ সুভ বাত্ৰা কিৰ্তন কৰিলে, আৰু জাৰ জি
ৰোগ আৰু বিয়াধি আচিল, সেই সকলোকে স্বস্থ কৰিলে। ৩৬ আৰু লোক
সমুহক দেখি, সিবিলাক বিয়াকুল আৰু ৰখিয়া নোহোআ মেৰৰ নিচিনা
গোট গোট হোআত, সিইঁতলৈ তেঁওৰ মৰম লাগিল। ৩৭ তাতে তেঁও আ-
পোনাৰ সিস্যবিলাকত কলে, সহ সৰহ হই, কিন্তু বনুআ তাকৰ। ৩৮ এই
হেতুকে খেতিৰ মাজলৈ আৰু বনুআ পঠাই দিবলৈ সহৰ গৰাকিত প্ৰাৰ্থনা
কৰা।

## ১০ আধ্যা ।

পাচে তেঁও আপোনাৰ বাৰে জন সিস্যক মাতি আনি অসুচি ভুতক খেদা-
বলৈ আৰু সকলো বিধ ৰোগ আৰু বিয়াপাৰ ভাল কৰিবলৈ সিবিলাকক
সক্তি দিলে । ২ সেই বাৰে জন পাঁচনিৰ এই এই নাম; প্ৰথমে চিমোন
জাক পিতৰো বোলে, আৰু তাৰ ভায়েক আন্দ্ৰিয়া; জবিদিৰ পুতেক য়াকোব
আৰু তাৰ ভায়েক য়োহান; ৩ ফিলিপ আৰু বাৰ্থলময়ই; থোমা আৰু কৰ
তোলা মাথি; হলফইৰ পুতেক য়াকোব, আৰু লেব্বই জাৰ উপনাম থাদই;
৪ কিনানিয়া চিমোন, আৰু তেঁওক লোকৰ হাতত সোধাই দিয়া ইস্ক-
ৰিওতিয়া য়িহুদা ।
৫ সেই বাৰে জনক য়িচুএ পঠাই দি এই আগ্যা কৰিলে, বোলে, বিদেসি
লোকৰ কোনো বাটে নেজাবা, চোমিৰোনিৰ কোনো নগৰত নোসোমাবা;
৬ কিন্তু তাতকৈও ইস্ৰায়েলৰ বঙ্গহৰ হেৰোআ মেৰৰ ঠাইলৈ জোআ । ৭ আৰু
জাঁওতে কিৰ্ত্তন কৰি কবা, ইস্বৰৰ ৰাজ্য ওচৰ পাইচেহি । ৮ নৰিয়াক
স্বস্থ কৰা, মৰাক তোলা, কুঠিয়াক সুচি কৰা, ভুতক খেদোআ; বিনামোলে
তোমোলাকে পালা, বিনামোলেই দান কৰা । ৯ তোমোলাকে আপোনাৰ
টঙ্গালিত সোন, বা ৰূপ, বা পিতল; ১০ আৰু জাত্ৰাৰ নিমিত্তে জোলোঙ্গা,
নাইবা দুখন চোলা, পইজাৰ, লাখুটি, এইবিলাক জুগুত নকৰিবা; কিয়নো
বনুআই আপোনাৰ জিবিকা পাবৰ জোগ্য হই ।
১১ তোমোলাকে কোনো নগৰত বা গাঁৱত সোমালে, তাত কোন মানুহ
জোগ্য, ইয়াকে সুধি, সেই ঠাইৰ পৰা নোজোআ মানে তাৰ ঘৰতে থাকি-
বা । ১২ আৰু তোমোলাকে জেতিয়া ঘৰত সোমোআ, তেতিয়া তাক আ-
সিৰ্বাদ কৰা । ১৩ সেই ঘৰ জদি জোগ্য হই, তেন্তে তোমোলাকৰ কুসল
তাৰ ওপৰত থাকোক; জদি জোগ্য নহই, তেন্তে সেই কুসল তোমোলাকৰ
ওপৰলৈ আহোক । ১৪ আৰু জি কোনোএ তোমোলাকক আলহি নোসো-
ধে, আৰু তোমোলাকৰ কথাও নসুনে, সেই ঘৰৰ বা নগৰৰ পৰা জোআ
কালত আপোনাৰ ভৰিৰ ধলিও জোকাৰি পেলাবা । ১৫ মই তোমোলাকত
স্বৰূপকৈ কৈচোঁ, সোধৰ দিনা সেই নগৰৰ দসাতকৈ চিদোম আৰু আমো-
ৰাৰ দসা সহিবলৈ লঘু হব । ১৬ দেখা, ৰাঙ্গ কুকুৰৰ মাজত মেৰ চাগ
জেনে, সেই ৰূপে তোমোলাকক মই পঠাইচোঁ; এই হেতুকে তোমোলাক
সাপৰ দৰে টেঙ্গৰ আৰু কুপৌৰ নিচিনা হোজা হোআ । ১৭ কিন্তু
মানুহলৈ সাৱধান হোআ; কিয়নো সিবিলাকে মেলত তোমোলাকক সোধাই
দিব, আৰু আপোনাৰ নাম ঘৰবোৰত কোবাব । ১৮ অধিকাৰ আৰু
ৰজাবিলাকৰ আগত সিবিলাকলৈ আৰু বিদেসি লোকলৈ সাখি হবৰ নি-
মিত্তে মোৰ কাৰনে তোমোলাকক নিয়া হব । ১৯ কিন্তু তোমোলাকক সো-
ধাই দিলে কি ৰূপে বা কি কথাৰে উত্তৰ দিবা, তালৈ একো চিন্তা নক-

বিবা; কিয়নো জি কথা বুলিব লগা, সেই ভাঁৱতে তাক তোমোলাকক
দিয়া হব । ২০ কিয়নো সেই কথা কওঁতা তোমোলাক নোহোআ, কিন্তু
তোমোলাকৰ পিত্রিৰ আত্মাইহে তোমোলাকৰ দোআৰাই কথা কই ।
২১ ককায়েকে ভায়েকক আৰু বাপেকে পুতেকক মৰনলৈ সোধাই দিব;
আৰু লৰাবোৱে মাক বাপেকৰ অহিতে উঠি সিবিলাকক বধ কৰাব ।
২২ আৰু মোৰ নামৰ নিমিত্তে সকলো মানুহে তোমোলাকক ঘিন কৰিব;
কিন্তু জি জনে সেসলৈকে সহি থাকে, সি পৰিত্রান পাব । ২৩ এখন নগৰত
জেতিয়া সিইঁতে তোমোলাকক তাৰনা কৰে, তেতিয়া আন এখন নগৰলৈ
পলাই জাবা; মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, তোমোলাকে ইস্রায়েলৰ
সকলোবিলাক নগৰ ফুৰি এঁটোআৰ আগেয়ে মানুহৰ পুত্র আহিব ।
২৪ গুৰুতকৈ সিস্য বৰ নহই, গৰাকিতকৈ বন্দিও বৰ নহই । ২৫ সিস্য
আপোনাৰ গুৰুৰ, আৰু বন্দি আপোনাৰ গৰাকিৰ সমান হলে, সেয়ে
জুৰিব । সিইঁতে জদি ঘৰৰ গৰাকিকে বেল্‌জিবুব বোলে, ঘৰৰ মানুহক
তাতকৈও নুবুলিব নে? ২৬ তোমোলাকে সিইঁতলৈ ভই নকৰিবা; কিয়নো
জি প্রকাস নহব, এনে কোনো বস্তু ঢাকি থোআ নাই, আৰু জি জনা
নহব, এনে একো লুকুআ নাই । ২৭ এন্ধাৰত মই তোমোলাকত জি কওঁ,
তাক পহৰতে কৰা; কানত জি সুনা, তাক ঘৰৰ ওপৰৰ পৰা প্রচাৰ
কৰা । ২৮ আৰু জিবিলাকে সৰিলক বধ কৰে আত্মাক বধিব নোআৰে,
সিইঁতলৈ ভই নকৰিবা; কিন্তু জি জনে আত্মা আৰু সৰিল দুয়োকো
নৰকত নষ্ট কৰিব পাৰে, তেঁওলৈকে ভই কৰা । ২৯ ঘনচিৰিকা দুটা
এক পইচালৈ নেবেচে নে? তেও তোমোলাকৰ পিত্রিৰ আগ্যাৰ বাহিৰে সি-
ইঁতৰ এটিও মাটিত নপৰে । ৩০ তোমোলাকৰ মুৰৰ সকলো খানি চুলিও
গনা হৈছে । ৩১ এই হেতুকে ভই নকৰিবা; তোমোলাক অনেক ঘন-
চিৰিকাতকৈ বহু মুলিয়া । ৩২ মানুহৰ আগত জি কোনোএ মোক সৈ
কাৰ্হে, মোৰ স্বৰগত থকা পিত্রিৰ আগত ময়ো তাক সৈ কাৰ্হিম; ৩৩ কিন্তু
মানুহৰ আগত জি কোনোএ মোক আসৈ কৰে, মোৰ স্বৰগত থকা পিত্রিৰ
আগত ময়ো তাক আসৈ কৰিম ।

৩৪ মই প্রিথিবিৰ ওপৰত কুসল সিঁচিবলৈ আহিচোঁ, ইয়াক নেভাবিবা;
কুসল সিঁচিবলৈ নহই, কিন্তু তৰোআল পঠাবলৈহে আহিচোঁ । ৩৫ বা-
পেকে সৈতে পুতেকৰ, মাকে সৈতে জিয়েকৰ, সাহুএকে সৈতে বোআ-
ৰিয়েকৰ বিৰোধ কৰাবলৈহে আহিলোঁ । ৩৬ আৰু আপোনাৰ পৰিয়া-
লেই মানুহৰ সত্রু হব । ৩৭ জি কোনোএ আপোনাৰ পিত্রি বা মাত্রিক
মোতকৈ অধিক প্রিতি কৰে, সি মোৰ জোগ্য নহই; আৰু জি কোনোএ
আপোনাৰ পুতেক বা জিয়েকক মোতকৈ অধিক প্রিতি কৰে, সি মোৰ জোগ্য
নহই । ৩৮ আৰু জি কোনোএ আপোনাৰ পেৰেঙ্গনি লৈ মোৰ পাচত নচলে,

সিয়ো মোলৈ জোগ্য নহই । ৩৯ জি কোনোএ আপোনাৰ জিৱ পাই, সি
তাক হেৰুআব; আৰু জি কোনোএ মোৰ নিমিতে আপোনাৰ জিৱ হেৰু-
আই, সি তাক পাব ।

৪০ জি কোনোএ তোমোলাকক গ্ৰুহন কৰে, সি মোকে গ্ৰুহন কৰে; আৰু
জি কোনোএ মোক গ্ৰুহন কৰে, সি মোক পঁচা জনকে গ্ৰুহন কৰে । ৪১ জি
কোনোএ ভবিস্যত বক্তাৰ নামেৰে ভবিস্যত বক্তাক গ্ৰুহন কৰে, সি ভবিস্যত
বক্তাৰ ফল পাব; আৰু জি কোনোএ ধৰমি জনৰ নামেৰে ধৰমি জনক
গ্ৰুহন কৰে, সি ধৰমি জনৰ ফল পাব; ৪২ আৰু জি কোনোএ এই সৰু-
বিলাকৰ এটিকে সিস্যৰ নামেৰে এবাটি চেচাঁ পানি মাথোন খুআই, মই
তোমোলাকত স্বৰূপকৈ কৈচোঁ, সি আপোনাৰ কৰম ফল নে হেৰুআব ।

## ১১ আধ্যা ।

পাচে এনে হল, য়িচুএ আপোনাৰ বাৰে জন সিস্যক আগ্যা দি এঁটালত,
সেই ঠাই এৰি নগৰে নগৰে উপদেস দিবলৈ আৰু কিৰ্তন কৰিবলৈ
গল ।

২ তেতিয়া য়োহানে বন্দিসালত খ্ৰিষ্টৰ কৰমৰ বাত্ৰা সুনি আপোনাৰ
দুজন সিস্যক পঠাই তেঁওত সুধিলে, বোলে, ৩ জি জন আহিব লগা তুমি
হোআ নে, নাইবা আন কাৰোবালৈহে আমি অপেখ্যা কৰি থাকিম? ৪ য়িচুএ
সিবিলাকত সমিধান দি কলে, তোমোলাকে জোআ, আৰু জি দেখিলা
সুনিলা, তাকে য়োহানত কোআগৈ; ৫ কনাই দেখিচে, খোৰাই খোজ কাৰ্হে,
কুঠিয়া সুচি হই, কলাই সুনে, মৰাক তোলা হৈচে, দুখিয়া লোকত সুভ বাত্ৰা
কিৰ্ত্তন কৰা গৈচে; ৬ আৰু জি জনে মোত বেজাৰ নেপাই, সি
সুখিয়া ।

৭ পাচে সিবিলাক গলত তেঁও য়োহানৰ অৰ্থে লোক সমুহৰ আগত এই
কথা কবলৈ ধৰিলে, তোমোলাকে হাবিত কি দেখিবলৈ গৈচিলা? বতাহে
লৰোআ নল নে? ৮ তোমোলাকে কি চাবলৈ গৈচিলা? কোমল কাপৰ পিন্ধা
মানুহটক নে? দেখা, জিবিলাকে কোমল কাপৰ পিন্ধে, সিবিলাক ৰজাৰ
ঘৰত থাকে । ৯ তেন্তে কি দেখিবলৈ গৈচিলা? ভবিস্যত বক্তাক নে? হই
মই তোমোলাকত কৈচোঁ, ভবিস্যত বক্তাতকৈয়ো বৰ এজন । ১০ দেখা, মই
আপোনাৰ দুতক তোমাৰ আগত পাঁচিম, তাতে সি তোমাৰ আগে আগে
বাট জুগুত কৰিব, জাৰ অৰ্থে এই কথা লিখা আচে, তেঁৱেই এই জন ।
১১ মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, তিৰোতাৰ গৰ্ভত ওপজাবিলাকৰ মা-
জত য়োহান বুৰ দিওআতকৈ ডাঙ্গৰ কোনো ওলোআ নাই; তথাপি স্বৰগ
ৰাজ্যত জি জন সকলোতকৈ সৰু, সেই জন তেঁওতকৈ ডাঙ্গৰ । ১২ আৰু য়ো-

হান বুৰ দিওআৰ দিনৰ পৰা এতিয়ালৈকে স্বৰগ ৰাজ্য বলাত্‌কাৰ কৰা
হৈচে, আৰু বলাত্‌কাৰ কৰাবোৰেহে তাক আক্রমি লই। ১৩ কিয়নো য়ো-
হানলৈকে সকলো ভবিস্যত বক্তাই আৰু বিধান সাস্ত্রে সিখ্যা দিলে।
১৪ আৰু তোমোলাকে জদি এই কথা গ্রহন কৰিব খোজা, আহিব লগা জি
এলিয়া, এঁৱেই সেই। ১৫ জাৰ সুনিবলৈ কান আচে, সি সুনোক।

১৬ এই কালৰ লোকবিলাকক কাৰে তুলনা কৰিম? জি লৰাবিলাকে বজা-
ৰত বহি থাকি আপোনাৰ সখিয়েকহঁতক মাতি কই, ১৭ আমি তোমোলাকৰ
আগত বাঁহি বজালোঁ, কিন্তু তোমোলাকে নেনাচিলা; তোমোলাকৰ আ-
গত বিলাপ কৰিলোঁ, কিন্তু তোমোলাকে নেকান্দিলা; এনে লৰাবোৰৰ
নিচিনা সিবিলাক। ১৮ কিয়নো য়োহানে ভোজন পান নকৰাকৈ আহিলত
লোকবিলাকে বোলে, সি ভুতে পোআ। ১৯ মানুহৰ পুত্র ভোজন পান
কৰিয়েই আহিল, তাতে সিহঁতে বোলে, দেখা, এই জন মানুহ খাবৈচ্য
আৰু মদপি, কৰ তোলাবিলাক আৰু পাপি লোকৰ মিতিৰ! কিন্তু গিয়া-
নিৰ সন্তানবিলাকে গিয়ানৰ বেৱহাৰ নির্দোস কৰে।

২০ তেতিয়া জি জি নগৰত তেঁও অনেক আচৰিত কৰম কৰিচিলে, সি-
বিলাকৰ লোকে মন নেপালটোআ হেতুকে তেঁও সিহঁতক দোস দিবলৈ
ধৰিলে। ২১ হাই হাই খৰাজিন! হাই হাই বৈত্‌চৈদা! তোমোলাকৰ মা-
জত জি জি আচৰিত কৰম কৰা গল, সেই কৰম চোৰ আৰু চিদোন নগ-
ৰত কৰা হোআ হলে, ইয়াৰ অনেক দিনৰ আগেয়ে সিহঁতে মৰাপাট পিন্ধি
আৰু গাঁত চাই লৈ মন পালটালেহেঁতেন। ২২ কিন্তু মই তোমোলাকত
কৈচোঁ, সোধৰ দিনত তোমোলাকৰ দসাতকৈ চোৰ আৰু চিদোনৰ দসা
সহিবলৈ লঘু হব। ২৩ আৰু, হে কিফর্নাহুম, তুমি স্বৰগলৈকে উঠা হৈচা,
কিন্তু অধসলৈ নমাই পেলোআ হবা; কিয়নো তোমাৰ মাজত জি আচৰিত
কৰম কৰা গল, সেই কৰম চিদোমত কৰা হোআ হলে, সি আজিলৈকে
থাকিলহেঁতেন। ২৪ কিন্তু মই তোমোলাকত কৈচোঁ, সোধৰ দিনত তোমাৰ
দসাতকৈ চিদোমৰ দসা সহিবলৈ লঘু হব।

২৫ সেই সময়ত য়িচুএ মাত লগাই কলে, হে পিত্রি, স্বৰগ আৰু প্রিথি-
বিৰ প্রভু, তুমি গিয়ানি আৰু বুধিমন্ত লোকৰ পৰা এইবিলাক কথা গুপুত
কৰি, লৰাবিলাকৰ আগত প্রকাস কৰিলা; এই নিমিতে তোমাক স্তুতি
কৰোঁ। ২৬ হে পিত্রি, হই, কিয়নো তোমাৰ দেখাতে এয়ে উচিত। ২৭ মোৰ
পিত্রিৰ দোআৰাই মোৰ হাতত সকলোকে সোধাই দিয়া হৈচে; আৰু
পিত্রিৰ বাহিৰে কোনেও পুত্রক নেজানে; পুত্র আৰু জি জনত পুত্রই
পিত্রিক প্রকাস কৰে, সিবিলাকৰ বাহিৰে কোনেও পিত্রিক নেজানে।

২৮ হে স্রম কৰা আৰু ভাৰত দুখ পোআ লোক সকল, মোৰ ওচৰলৈ
আঁহা, মই তোমোলাকক জিৰনি দিম। ২৯ মই নম্র আৰু কোমল মনেৰে

হৈচোঁ; এই হেতুকে তোমোলাকে আপোনাৰ ওপৰত মোৰ জুঁঅলি লো-
আ, আৰু মোৰ মুখে সিখ্যা পোআ; তাতে তোমোলাকে আপোনাৰ
মনলৈ জিৰনি পাবা । ৩০ কিয়নো মোৰ জুঁঅলি ঢিল, আৰু ভাৰো লঘু ।

## ১২ আধ্যা ।

সেই কালত য়িচুএ বিস্রাম বাৰত খেতিৰ মাজেদি জাঁওতে, তেঁওৰ সিস্যবি-
লাকৰ ভোক লাগিলত সহৰ চেঁই চিঙ্গি চিঙ্গি খাব ধৰিলে । ২ ফিৰু-
চিবিলাকে তাকে দেখি তেঁওত কলে, দেখা, তোমাৰ সিস্যবিলাকে বিস্রাম
বাৰত কৰিব নোপোআ জি কৰম, তাকে কৰিচে । ৩ তেতিয়া তেঁও সি-
হঁতক বুলিলে, দাৱিদ আৰু তেঁওৰ লগৰ মানুহৰ ভোক লাগিলত তেঁও জি
ৰুপে ইস্বৰৰ ঘৰত সোমাই, ৪ তেঁও আৰু লগৰ মানুহেও খাব নোপোআ,
কেৱল পোৰোহিতবিলাকে খাব পোআ ইস্বৰৰ আগত দিয়া জি পিঠা,
তাকে খালে, এনে জি কৰম কৰিলে, তাক তোমোলাকে কেতিয়াও পৰ্হা নাই
নে? ৫ নাইবা পোৰোহিতবিলাকে মন্দিৰত বিস্রাম বাৰে বিস্রাম দিনক
অপবিত্র কৰিয়ো নিৰ্দুসি হই, বিধান সাস্ত্রত বা তাক পৰ্হা নাই? ৬ কিন্তু
মই তোমোলাকত কৈচোঁ, এই ঠাইত মন্দিৰতকৈও মহান এজন আচে ।
৭ আৰু মই বলিদান নোখোজোঁ, দায়াহে খোজোঁ, তোমোলাকে এই কথাৰ
অৰ্থ জনা হলে, তেন্তে নিৰ্দুসিবিলাকক দুসি নকৰিলাহেঁতেন । ৮ কিয়নো
মানুহৰ পুত্র বিস্রাম বাৰৰো অধিকাৰ ।

৯ পাচে সেই ঠাইৰ পৰা গৈ তেঁও সিহঁতৰ নাম ঘৰত সোমাল । ১০ আৰু
দেখা, সুকাই জোআ হাতেৰে এজন মানুহ তাতে আচিল । তেতিয়া য়িচুক
অপবাদ দিবৰ নিমিতে সিহঁতে তেঁওত সুধিলে, বোলে, বিস্রাম বাৰত নৰি-
য়াক স্বস্থ কৰিব পাই নে? ১১ তাতে তেঁও সিহঁতত কলে, জাৰ এটা মেৰ
থাকে, সেই মেৰ বিস্রাম বাৰত জদি গাঁতত পৰে, সি তাক ধৰি নুতুলিব,
তোমোলাকৰ মাজত এনে কোন মানুহ আচে? ১২ মেৰতকৈ তেন্তে মানুহ
কিমান উত্তম? এই হেতুকে বিস্রাম বাৰত ভাল কৰম কৰিব লগা হই ।
১৩ পাচে তেঁও সেই মানুহত কলে, আপোনাৰ হাত মেলা । তাতে সি হাত
মেলিলত, আন হাতৰ নিচিনা তাক স্বস্থ কৰা হল ।

১৪ তেতিয়া ফিৰুচিবিলাকে বাহিৰলৈ গৈ জি ৰুপে তেঁওক বধিব পাৰে,
তেঁওৰ বিৰোধে এনে আলচ কৰিলে । ১৫ কিন্তু য়িচুএ তাকে জানি তাৰ
পৰা গুচি গল; আৰু অনেক লোক সমুহ তেঁওৰ পাচত গলত তেঁও সক-
লোকে স্বস্থ কৰিলে; ১৬ আৰু তেঁওক প্রকাস ন কৰিবলৈ সিহঁতক আগ্যা
দি বাধা কৰিলে । ১৭ তাতে য়িচয়া ভৱিস্যত বক্তাৰ দোআৰাই জি কথা
কোআ হৈচিল, সেয়ে সিধি হল, অৰ্থাত মোৰ জি সেৱক মই মনোনিত কৰি-

লোঁ, আৰু জি প্ৰিয় জনত মোৰ মন সন্তুস্ট হৈচে, তেঁওক দেখা; ১৮ তেঁওৰ
ওপৰত মোৰ আত্মা থম, আৰু তেঁও বিদেসি লোকলৈ ৰাজ আগ্যা দেখাব।
১৯ তেঁও দন্দ নকৰিব, এটাহ নেপাৰিব; আলি বাটত কোনেও তেঁওৰ মাত
নুসুনিব। ২০ তেঁও আপোনাৰ আগ্যা জই নকৰাই মানলৈকে চেপেটা
নলো নেভাঙ্গিব, ধুঁআ লগা সলাকানিও নুনুমাব। ২১ আৰু তেঁওৰ নামত
বিদেসি লোকে ভাৰসা কৰিব।

২২ পাচে ভুতে পোআ, কনা আৰু আঁকৰা, এনে এটা মানুহক লোকবি-
লাকে তেঁওৰ ওচৰলৈ আনিলে, আৰু তেঁও তাক স্বস্থ কৰাত সেই কনা আঁ-
কৰাই দেখিব আৰু কথা কবও পাৰিলে। ২৩ তাতে সকলো মানুহে বিস্মই
মানি কলে, এঁও দাৱিদৰ সন্তান নে? ২৪ কিন্তু ফিৰুচিবোৰে তাকে সুনি
বুলিলে, ভুতৰ ৰজা বেল্‌জিবুব সহাই নোহোআকৈ এই মানুহে ভুতক নে-
খেদাই। ২৫ তেতিয়া য়িচুএ সিইঁতৰ ভাবনা বুজি সিইঁতত কলে, জি
কোনো ৰাজ্য আপোনাৰ বিৰোধে বেলেগ হই, সেই ৰাজ্য উচন হই; আৰু
জি নগৰ বা ঘৰ আপোনাৰ বিৰোধে বেলেগ হই, সিও ৰব নোআৰে।
২৬ আৰু চইতানেও জদি চইতানক খেদাই, তেন্তে সি আপোনাৰ বিৰোধে
বেলেগ হই; তাতে তাৰ ৰাজ্য কেনেকৈ ৰব? ২৭ আৰু মই জদি বেলজি-
বুবৰ দোআৰাই ভুতক খেদাঁও, তেন্তে তোমোলাকৰ সন্তানবোৰে কাৰ দো-
আৰাই ভুতক খেদাই? এই হেতুকে সিবিলাক তোমোলাকৰ সোধাৰু হব।
২৮ কিন্তু মই জদি ইস্বৰৰ আত্মাৰে ভুতক খেদাঁও, তেন্তে ইস্বৰৰ ৰাজ্যে
অৱস্যে তোমোলাকক পালেহি। ২৯ আৰু কোনোএ বলৱন্ত মানুহৰ ঘৰত
সোমালে তাক প্ৰথমে নবন্ধাকৈ কেনেকৈ সি তাৰ বস্তু লুৰিব পাৰে? (কিন্তু
তাক বান্ধিলে) পাচে তাৰ ঘৰ লুৰিব। ৩০ জি কোনো মোৰ লগৰ নহই,
সি মোৰ বিৰোধ; আৰু জি কোনোএ মোৰে সৈতে নচপাই, সি সিঁচি
পেলাই।

৩১ এই হেতুকে মই তোমোলাকত কৈচোঁ, মানুহবিলাকৰ সকলো বিধ
পাপ আৰু নিন্দা সিইঁতলৈ খেমা হব; কিন্তু পবিত্ৰ আত্মাৰ বিৰোধে জি
নিন্দা, তাক খেমা কৰা নহব। ৩২ আৰু জি কোনোএ মানুহৰ পুত্ৰৰ বি-
ৰোধে কথা কই, তাক তালৈ খেমা কৰা হব; কিন্তু জি কোনোএ পবিত্ৰ
আত্মাৰ বিৰোধে কথা কই, এই জগতত বা পাচৰ জগততে কেতিয়াও তাক
খেমা কৰা নহব। ৩৩ গচকে ভাল বোলা, তেহে তাৰ গুটি ভাল হব;
নাইবা গচকে বেয়া বোলা, তেহে তাৰ গুটিও বেয়া হব; কিয়নো গুটিৰ
পৰাই গচো জনা জাই।

৩৪ হেৰৈ কাল সৰ্পৰ সঁচ! তইঁত বেয়া হৈ কেনেকৈ ভাল কথা কব পাৰ?
কিয়নো মনৰ অধিক ভাবনাৰ পৰা মুখে কথা কই। ৩৫ ভাল মানুহে
ভাল ভঁৰালৰ পৰা ভাল দ্ৰব্য উলিয়াই, আৰু বেয়া মানুহে বেয়া ভঁৰা-

লৰ পৰা বেয়া দ্রব্য উলিয়াই। ৩৬ কিন্তু মই তোমোলাকত কৈচোঁ, মানুহ-বিলাকে জেতেক এলেহুআ কথা কই, সোধৰ দিনত তাৰ কাৰনে উত্তৰ দিব লাগিব। ৩৭ কিয়নো তুমি আপোনাৰ কথাৰ দোআৰাই নিৰ্দুসি, নাইবা আপোনাৰ কথাৰ দোআৰায়ে দুসি গনা হব।

৩৮ তেতিয়া অধ্যাপক আৰু ফিৰুচিৰ কেতবিলাকে উত্তৰ কৰি কলে, হে গুৰু, আপোনাৰ পৰা আমি কোনো চিন দেখিবলৈ ইচা কৰোঁ। ৩৯ তাতে তেঁও উত্তৰ দি সিইঁতত কলে, এই কালৰ দুস্ট আৰু বেস্যালি লোকে চিন বিচাৰে, কিন্তু য়োনা ভবিস্যত বক্তাৰ চিনৰ বাহিৰে সিইঁতক আন কোনো চিন দিয়া নহব। ৪০ কিয়নো য়োনাই জেনেকৈ তিন দিন তিনি ৰাতি বৰ মাচৰ পেটত আছিল, তেনেকৈ মানুহৰ পুত্ৰও তিন দিন তিনি ৰাতি প্ৰিথিবিৰ ভিতৰত থাকিব। ৪১ সোধৰ দিনা নিনিবি নগৰৰ মানুহে এই কালৰ লোকবিলাকৰ অহিতে উঠি দুসি কৰিব; কিয়নো সিইঁতে য়োনাৰ উপদেসত মন পালটালে; কিন্তু দেখা, য়োনাতকৈ বৰ এজন ইয়াত আছে। ৪২ দখিন দেসৰ ৰানিএ সোধৰ দিনা এই কালৰ লোকবিলাকৰ অহিতে উঠি দুসি কৰিব; কিয়নো তেঁও চিলোমোনৰ গিয়ানৰ কথা সুনিবলৈ প্ৰিথিবিৰ সিমাৰ পৰা আহিল; কিন্তু দেখা, চিলোমোনতকৈয়ো বৰ এজন ইয়াত আছে।

৪৩ কিন্তু অসুচি আত্মাই মানুহৰ পৰা বাহিৰ হৈ গলে, সি সুকান ঠায়েদি ফুৰি জিৰনি বিচাৰে, কিন্তু তাক নেপাই। ৪৪ তেতিয়া সি বোলে, মোৰ জি ঘৰৰ পৰা আহিলোঁ, তালৈকে উভতি জাম; পাচে তালৈ আহিলে সুন্য, আৰু সৰা পোচা, সজোআ পৰোআ তাক দেখে। ৪৫ তেতিয়া সি গৈ আপোনাতকৈয়ো দুস্ট আন সাতোটা ভুত লগত নি সিইঁতে সৈতে তাতে সোমাই নিবাস কৰে; সেই মানুহৰ পাচৰ অৱস্থা আগতকৈয়ো বেয়া হই। এই কালৰ দুস্ট লোকৰো সেই ৰুপেই ঘটিব।

৪৬ তেঁও মানুহবিলাকৰ আগত এই ৰুপে কথা কৈ থাকোঁতে, দেখা, তেঁওৰ মাকে আৰু ভায়েকবিলাকেও তেঁওৰ লগত কথা হবলৈ ইচা কৰি বাহিৰত থিয় হৈ আছিল। ৪৭ তেতিয়া কোনো মানুহে তেঁওত কলে, তোমাৰ মাঁৰা আৰু ভায়াবিলাকে তোমাৰ লগত কথা হবলৈ ইচা কৰি বাহিৰত থিয় হৈ আছে। ৪৮ কিন্তু সেই কথা কোআ মানুহক উত্তৰ দি তেঁও কলে, মোৰ আই কোন? আৰু মোৰ ভাইবিলাক বা কোন? ৪৯ তেতিয়া তেঁও আপোনাৰ সিস্যবিলাকলৈ হাত মেলি বুলিলে, দেখা, মোৰ আই আৰু ভাইবিলাক এই। ৫০ কিয়নো জি কোনোএ মোৰ স্বৰগত থকা পিত্ৰিৰ ইস্ট কৰম কৰে, মোৰ ভাই, ভনি আৰু আয়ো সেয়েহে।

## ১৩ আধ্যা।

আৰু সেই দিনা য়িচু ঘৰৰ পৰা গৈ সাগৰৰ তিৰত বহিল। ২ তাতে
অনেক সমুহ লোক তেঁওৰ ওচৰ চাপিলত তেঁও এখন নাৱত উঠি তাত বহি-
লত সেই গোটেই জুম মানুহ বামতে থিয় হৈ থাকিল। ৩ তেতিয়া তেঁও
পটন্তৰ দি সিবিলাকত অনেক কথা কৈ বুলিলে, দেখা, এটা খেতিয়কে
কঠিয়া সিঁচিবলৈ গল। ৪ আৰু সি কঠিয়া সিচোঁতে সিচোঁতে কেতবিলাক
বাটৰ কাখৰত পৰিল; তাতে চৰাইবোৰে আহি তাক খুঁটি খুঁটি খালে।
৫ কেতবিলাক অলপ মাটি থকা সিলনিত পৰি, ডাঠ মাটি নথকাত সোন
কালে গজিল; ৬ কিন্তু বেলি ওলালত ৰদ লাগি, তাৰ সিপা নোহোআত
সুকাই গল। ৭ আৰু কেতবোৰ কাঁইটনিত পৰিল, তাতে কাঁইট গচ বাৰ্হি
তাক হেঁচি ধৰি মাৰিলে। ৮ কিন্তু আনবিলাক ভাল মাটিত পৰিল, তাতে
কেতবোৰে এস গুন, কেতবোৰে তিনি কুৰি গুন, কেতবোৰে ডেৰকুৰি গুন-
কৈ গুটি ধৰিলে। ৯ জাৰে সুনিবলৈ কান আচে, সেয়ে সুনোক।
১০ পাচে তেঁওৰ সিস্যবিলাকে আহি তেঁওক সুধিলে, আপুনি কি নিমিত্তে
সিহঁতৰ আগত দ্ৰিষ্টান্তেৰে কথা কৈচে? ১১ তাতে তেঁও সিবিলাকক উত্তৰ
দি কলে, স্বৰগ ৰাজ্যৰ গুপুত কথা জানিবলৈ তোমোলাকক দিয়া হৈচে,
কিন্তু সিহঁতক দিয়া নাই। ১২ কিয়নো জাৰে আচে, তাক আৰু দিয়া হব,
তাতে তাৰ অধিক হব; কিন্তু জাৰ নাই, তাৰ জি আচে, তাকো তাৰ পৰা
নিয়া হব। ১৩ কিয়নো সিহঁতে দেখিও নেদেখে, সুনিও নুসুনে, আৰু
নুবুজেও; এই হেতুকে সিহঁতৰ আগত মই দ্ৰিষ্টান্তেৰে কঁও। ১৪ তাতে
য়িচয়াৰ এই ভবিস্যত বানি সিহঁতত সিধি হৈচে, বোলে, তোমোলাকে
সুনোঁতে সুনিবা, কিন্তু নুবুজিবা, আৰু দেখোঁতে দেখিবা, তেও নেজানিবা।
১৫ কিয়নো এই মানুহবিলাকে জেন চকুএৰে নেদেখে, কানেৰে নুসুনে, চিতে-
ৰেও নুবুজে, আৰু মন পালটাত মই সিহঁতক জেন স্বস্থ নকৰোঁ, এই নিমিত্তে
সিহঁতৰ চিত ভোতোহা, আৰু সুনিবলৈ কানো গধুৰ, আৰু সিহঁতে আপো-
নাৰ চকু মুদি আচে। ১৬ কিন্তু তোমোলাকৰ চকু ধন্য, কিয়নো সিবিলাকে
দেখে; তোমোলাকৰ কানো ধন্য, কিয়নো সিবিলাকে সুনে। ১৭ তোমো-
লাকত মই স্বৰূপৈক কৈচোঁ, তোমোলাকে জি জি দেখিচা, তাক অনেক
ভবিস্যত বক্তা আৰু ধৰমি লোকে দেখিবলৈ ইচা কৰিয়ো দেখিবলৈ নেপালে,
আৰু সুনিবলৈ ইচা কৰিয়ো সুনিবলৈ নেপালে।
১৮ এতেকে কঠিয়া সিচা খেতিয়কৰ পটন্তৰ সুনা। ১৯ জেতিয়া কো-
নোএ ৰাজ্যৰ কথা সুনিও নুবুজে, তেতিয়া পাপ আত্মাই আহি তাৰ মনত
জি জি সিঁচা হল, তাক কাৰ্হি নিএ। বাটৰ কাখৰত কঠিয়া সিঁচা হোআৰ
অৰ্থ এই। ২০ আৰু জি কঠিয়া সিলনিত সিচা হল, তাৰ অৰ্থ এই, কো-
নোএ কথা সুনিলতেই আনন্দেৰে লই, ২১ কিন্তু আপোনাৰ মাজত সিপা

নোহোআৰ গুনে অলপ দিন মাথোন থাকে, পাচে বাক্যৰ কাৰনে দুখ বা তাৰনা ওলালে অলপতে সি বেজাৰ পাই।

২২ কাঁইটনিত জি কঠিয়া সিঁচা হল, তাৰ অৰ্থ এই, কোনোএ্ কথা সুনিলত সংসাৰৰ চিন্তা আৰু ধনৰ ভুল, এইবিলাকে বাক্য হেঁচি ধৰে, তাতে সি বিফল হই। ২৩ আৰু ভাল মাটিত জি কঠিয়া সিঁচা হল, তাৰ অৰ্থ এই, কোনো কোনোএ কথা সুনি তাক বুজে, আৰু কেতবিলাকে এস, কেতবিলাকে তিনি কুৰি, কেতবিলাকে ডেৰকুৰি গুনকৈ গুটি ধৰে।

২৪ তেঁও আৰু এক পটন্তৰ দি সিবিলাকত কলে, জি এজন গিৰিহতে আপোনাৰ খেতিত ভাল কঠিয়া সিঁচিলে, সেই ৰুপ স্বৰগ ৰাজ্য। ২৫ মানুহবিলাক টোপনিত থকা সময়ত তাৰ সত্ৰু আহি ধানৰ মাজত বনগুটি সিঁচি গুচি গল। ২৬ পাচে জেতিয়া সেই ধানৰ পাত বাহিঁ চেঁই ওলাল, তেতিয়া বন গচো দেখা হল। ২৭ তাতে সেই গিৰিহতৰ বন্দিবোৰে আহি তেঁওত কলে, বোলে, হে দেও, আপুনি জানো খেতিত ভাল কঠিয়া সিঁচা নাই? তেন্তে কৰ পৰা তাত বন হল? ২৮ তেঁও সিহঁতত কলে, কোনোবা সত্ৰুএ ইয়াক কৰিলে। তাতে বন্দিহঁতে তেঁওক বলিলে, তেন্তে আমি জেন গৈ বনবোৰ উভালি গোটাম, আপোনাৰ এ্নে ইচা আচে নে? ২৯ তেঁও বুলিলে, নহই, বনবোৰ উভালি গোটাওতে কি জানি তহঁতে ধানকো তাৰ লগতে উভাল। ৩০ সহ দাবৰ কাললৈকে দুয়ো একে লগে বাহিঁ থাকোক। পাচে দাবৰ বেলাত মই ধান দোআবোৰত কম, প্ৰথমতে বনবোৰ গোটাই পুৰিবলৈ মুঠামুঠ কৰি বান্ধিবি, কিন্তু ধান মোৰ ভঁৰালত চপাই থবিহঁক।

৩১ তেঁও আৰু এক উপমা দি সিবিলাকত কলে, স্বৰগ ৰাজ্য এটি সৰিয়হৰ নিচিনা; তাক কোনো এজন মানুহে লৈ আপোনাৰ খেতিত সিঁচিলে। ৩২ সি আটাই গুটিতকৈ সৰু হই; কিন্তু গজি বাহিঁলে সাকতকৈ ডাঙ্গৰ, আৰু আকাসৰ চৰায়ে আহি তাৰ ডালত নিবাস লই, এনে গচ হৈ জাই।

৩৩ পাচে তেঁও সিবিলাকত আন এক উপমা দি কলে, এ্জনি তিৰোতাই জি খম্বিৰ লৈ তিনি কঠা পিঠা গুৰিৰ মাজত গোটেইটো নুফুলালৈকে ঢাকি থই, তাৰ নিচিনা স্বৰগ ৰাজ্য।

৩৪ এই সকলো কথা য়িচুএ্ লোক সমুহৰ আগত পটন্তৰেৰে কলে, আৰু পটন্তৰ নিদিয়াকৈ সিবিলাকত একো কথা নকলে। ৩৫ তাতে জি কথা ভবিস্যত বক্তাৰ দোআৰাই কোআ হৈচিল, বোলে, পটন্তৰ দি কবলৈ মই আপোনাৰ মুখ মেলিম; জগতৰ স্ৰিষ্টিৰে পৰা গুপুত হোআ কথাবিলাক প্ৰকাস কৰিম, সেই কথাই সিধি হল।

৩৬ পাচে য়িচুএ লোক সমুহক পঠাই দি ঘৰলৈ গলত সিস্যবিলাকে তেঁওৰ ওচৰলৈ আহি কলে, খেতিৰ বন গচৰ পটন্তৰৰ অৰ্থ আমাক প্ৰকাস ৰুপে কওক।

৩৭ তাতে তেঁও উত্তৰ কৰি সিবিলাকত কলে, জি জনে ভাল কঠিয়া সিঁচিলে, তেঁও মানুহৰ পুত্ৰ । ৩৮ সেই খেতিয়েই জগত; ভাল কঠিয়া ৰাজ্যৰ সন্তান সকল, আৰু বন গচবোৰ পাপ আত্মাৰ সন্তানবিলাক; ৩৯ জি সত্ৰুএ সেইবোৰক সিঁচিলে, সি চইতান; সহ দাবৰ সময়েই জগতৰ সেস; ধান দোআবিলাকেই ইশ্বৰৰ দুত । ৪০ আৰু জেনেকৈ বনবোৰ গোটাই জুইত পোৰা জাই, সেই ৰুপে জগতৰ সেসতো হব; ৪১ মানুহৰ পুত্ৰই আপোনাৰ দুতবিলাকক পঠাই দিব, আৰু সিবিলাকে তেঁওৰ ৰাজ্যৰ মাজৰ পৰা সকলো বিঘিনি কৰাবোৰক আৰু অধৰমি লোকক গোটাই, ৪২ অগ্নি কুণ্ডত পেলাব; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব । ৪৩ তেতিয়া ধৰমিবিলাকে আপোনাৰ পিত্ৰিৰ ৰাজ্যত সুৰ্জ্যৰ নিচিনাকৈ দিপ্তি প্ৰকাস কৰিব । জাৰ সুনিবলৈ কান আছে, সি সুনোক ।

৪৪ আকও স্বৰগ ৰাজ্য এক খেতিৰ মাজত লুকাই থোআ ধনৰ নিচিনা হই; তাক কোনো মানুহে দেখা পাই গুপুতে ৰাখি, পাছে সি তৈ আনন্দেৰে আপোনাৰ সকলোকে বেচি, সেই খেতি কিনে ।

৪৫ আৰু স্বৰগ ৰাজ্য উত্তম মুকুতা বিচাৰোঁতা এক সুদৈৰ নিচিনা হই; ৪৬ সি বহু মুল্য এটা মুকুতা পাই, পাছে তৈ আপোনাৰ জি জি আছিল, সকলোকে বেচি সেই মুকুতা কিনে ।

৪৭ আকও স্বৰগ ৰাজ্য সাগৰত পেলোআ তৈ সকলো বিধৰ (মাচ) চপাই লোআ এক জালৰ নিচিনা । ৪৮ সেই জাল ভৰা হলত মানুহবিলাকে বামলৈ তুলি তাতে বহি ভালবোৰ চপাই পাত্ৰত ৰাখি, বেয়াবোৰ পেলাই দিএ । ৪৯ সেই ৰুপে জগতৰ সেসতো হব; দুতবিলাকে আহি ধৰমি লোকৰ মাজৰ পৰা অধৰমিবোৰক বেলেগাই, সিইঁতক অগ্নি কুণ্ডত পেলাব; ৫০ তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব ।

৫১ তেতিয়া য়িচুএ সিবিলাকত কলে, তোমোলাকে এই সকলো কথা বুজিলা নে? সিবিলাকে বুলিলে, হই প্ৰভু । ৫২ তাতে তেঁও কলে, জি গিৰিহতে আপোনাৰ ভঁৰালৰ পৰা ন আৰু পুৰনি দ্ৰব্য উলিয়াই, তাৰ নিচিনা স্বৰগ ৰাজ্যৰ সিখ্যা পোআ প্ৰতি জন উপদেসক ।

৫৩ য়িচুএ এই সকলো পটন্তৰ কৈ এটাই সেই ঠাইৰ পৰা গল । ৫৪ পাছে আপোনাৰ দেসলৈ আহি মানুহবিলাকক নাম ঘৰত উপদেস দিলে; তাতে সিইঁতে বিস্মই মানি কলে, এই মানুহৰ এনে গিয়ান আৰু আচৰিত কৰম কৰ পৰা হল? ৫৫ ই বাৰ্হৈৰ পুতেক নহই নে? ইয়াৰ মাকৰ নাম মাৰিয়াম নহই নে? য়াকোব, আৰু য়োচেফ, চিমোন, য়িহুদা, এইবিলাক তাৰ ভায়েক নহই নে? ৫৬ আৰু তাৰ ভনিয়েক সকলো আমাৰ এখেত নাই নে? তেন্তে তাৰ এই সকলো কথা কৰ পৰা হল? ৫৭ এই ৰুপে সিইঁতে তেঁওত বেজাৰ পালে । তাতে য়িচুএ সিইঁতত কলে, ভবিস্যত বক্তা আপোন দেস

আৰু আপোন পৰিয়ালৰ বাহিৰে কতো অমৰ্জ্জতালি নহই । ৫৮ আৰু তেঁও
সিইঁতৰ অবিস্বাসৰ কাৰনে তাত বিস্তৰ মহত কৰম নকৰিলে ।

## ১৪ আধ্যা ।

সেই কালত হেৰোদ ৰজাই য়িচুৰ জসস্যা সুনি আপোনাৰ পাত্র মন্ত্রিবিলা-
কত কলে, ২ এঁও য়োহান বুৰ দিয়াওঁতা, তেঁও ম্রিত্যুৰ পৰা উঠিল; এই
হেতুকে তেঁওৰ দোআৰাই এইবিলাক মহত কৰম প্ৰকাস হৈচে ।
৩ আগেয়ে হেৰোদে আপোনাৰ ভায়েক ফিলিপৰ তিৰোতা হেৰোদিয়াৰ
কাৰনে য়োহানক ধৰি বান্ধি বন্দিসালত থৈচিল । ৪ কিয়নো য়োহানে
তেঁওত কৈচিলে, তুমি তাইক লব নোপোআ । ৫ তাতে ৰজাই তেঁওক মা-
ৰিবলৈ ইচা কৰিয়ো মানুহবিলাকলৈ ভই কৰিলে, কাৰন সিবিলাকে য়োহা-
নক ভবিস্যত বক্তা বুলি মানিলে । ৬ কিন্তু হেৰোদৰ জনম দিনৰ উত্চও
কৰা হলত হেৰোদিয়াৰ জিয়েকে সিবিলাকৰ আগত নাচি হেৰোদৰ সন্তোস
জনমালে । ৭ তাতে তাই জিহকে খোজে, তাকে দিবলৈ তেঁও সপতেৰে প্ৰতিগ্যা
কৰিলে । ৮ পাচে তাই মাকৰ পৰা উদগনি পাই কলে, য়োহান বুৰ দিয়াও-
তাৰ মুৰ এখান থালত ভৰাই এখেলৈ মোক অনাই দিয়োক । ৯ তাতে ৰজাৰ
মনত অসন্তোস লাগিল, কিন্তু আপোনাৰ সপতৰ নিমিত্তে আৰু তেঁওৰ লগত
আউজাবিলাকৰ নিমিত্তেও তাকে দিবলৈ আগ্যা কৰিলে । ১০ পাচে মানুহ
পঠাই বন্দিসালতে য়োহানৰ মুৰ কটালে । ১১ তাতে তেঁওৰ মুৰ এখান
থালত আনি চোআলিক দিয়া হলত তাই তাক আপোনাৰ মাকলৈ আ-
নিলে । ১২ তেতিয়া তেঁওৰ সিস্যবিলাকে আহি গাঁৰি ডোখৰ তুলি নি
মৈদাম বান্ধিলে; পাচে সিবিলাকে য়িচুৰ ওচৰলৈ গৈ এই বাত্রা দিলে ।
১৩ তেতিয়া য়িচুএ সেই কথা সুনি অকলেই নাৱত উঠি নিৰ্জ্জান ঠাইলৈ
গল; পাচে মানুহবিলাকেও তাকে সুনি নগৰৰ পৰা বামেদি তেঁওৰ পা-
চত গল । ১৪ তেতিয়া য়িচুএ বাহিৰ ওলাই বৰ এজুম মানুহ দেখি সিইঁত-
লৈ মৰম লাগি সিইঁতৰ নৰিয়া পৰাবিলাকক স্বস্থ কৰিলে । ১৫ পাচে গধু-
লি হলত তেঁওৰ সিস্যবিলাকে তেঁওৰ ওচৰলৈ আহি কলে, এই নিজান ঠাই,
আৰু দিনো গল; লোকবিলাকে গাঁওবোৰলৈ গৈ আপোনালৈ খোআ বস্তু
কিনিবৰ নিমিত্তে সিবিলাকক বিদাই দিয়োক । ১৬ কিন্তু য়িচুএ সিবিলাকত
কলে, সিইঁত জাবৰ কাৰন নাই; তোমোলাকেইচোন সিইঁতক খাবলৈ দিয়া ।
১৭ তাতে সিবিলাকে তেঁওত কলে, আমাৰ এখেত কেৱল পাঁচোটা পিঠা
আৰু দুটা মাচহে আচে । ১৮ তেঁও বুলিলে, তাকে মোৰ ইয়ালৈ আনা ।
১৯ পাচে তেঁও মানুহবিলাকক ঘাঁহৰ ওপৰত বহিবলৈ আগ্যা কৰিলে; আৰু
সেই পাঁচোটা পিঠা আৰু দুটা মাচকে হাতত লৈ স্বৰগলৈ চাই তেঁও আ-

সির্বাদ কৰিলে; পাচে পিঠা ভাঙ্গি আপোনাৰ সিস্যবিলাকৰ হাতত দিলে,
আৰু সিস্যবিলাকে মানুহবোৰক বিলাই দিলে । ২০ তাতে সকলোএ খাই
ত্রিপ্তি পালে; পাচে খোআৰ আগলিকা জি আছিল, তাকে চপাই বাৰেটা
পাচি ভৰাই আনিলে । ২১ লৰা তিৰোতাত বাজে সেই ভোজন কৰা মানুহ
পাঁচ হেজাৰ মান হৈছিল ।

২২ তেতিয়া তেঁও মানুহ সমুহক বিদাই দিয়ে মানে, সিস্যবিলাকক তেঁওৰ
আগেয়ে নাৱত উঠি সিপাৰলৈ জাবলৈ আগ্যা কৰিলে । ২৩ পাচে তেঁও
মানুহবিলাকক বিদাই দি নির্জ্জানে প্রার্থনা কৰিবৰ নিমিত্তে পর্ব্বতৰ ওপৰ-
লৈ গল; আৰু গধুলি হলত তাতে অকলসৰে থাকিল । ২৪ সেই কালত
সমুখে বতাহ হোআত সাগৰৰ মাজত নাৱে ঢৌত ঢলংপলং কৰি আ-
ছিল । ২৫ পাচে চতুর্থ পৰ মান নিসাত য়িচুএ সাগৰৰ ওপৰত খোজ কাৰ্হি
সিবিলাকৰ ওচৰলৈ গল । ২৬ তেতিয়া তেঁওক সাগৰৰ ওপৰত খোজ কাৰ্হি-
বৰ দেখি সিস্যবিলাকৰ উগুলথুগুল লাগি, এয়ে ভুত বুলি ভয়েৰে এটাহ
পাৰিলে । ২৭ কিন্তু তেতিয়াই য়িচুএ সিবিলাকক মাতি কলে, থিৰ হোআ;
মইহে, ভই নকৰিবা, ২৮ তাতে পিতৰে সমিধান দি তেঁওক বুলিলে, হে
প্রভু, আপুনিহে জদি, তেন্তে পানিৰ ওপৰত আপোনাৰ ওচৰলৈ মোক
জাবলৈ আগ্যা দিয়োক । ২৯ তাতে তেঁও, আঁহা বুলি কলত পিতৰে নাৱৰ
পৰা নামি য়িচুৰ ওচৰলৈ জাবৰ নিমিত্তে পানিৰ ওপৰত খোজ কাৰ্হিব ধৰি-
লে । ৩০ কিন্তু ধুমুহা বতাহ দেখি ভই কৰি বুৰিব খোজাত, সি চিঁয়ৰ
মাৰি বুলিলে, হে প্রভু, মোক ৰখ্যা কৰোক । ৩১ তেতিয়াই য়িচুএ হাত
মেলি তাক ধৰি কলে, হে অল্প বিস্বাসি, তুমি কিয় সংসই কৰিলা?
৩২ পাচে সিবিলাকে নাৱত সোমালত বতাহ গুচিল । ৩৩ তেতিয়া জি জি
মানুহ নাৱত আছিল, সিবিলাকে আহি তেঁওক সেৱা কৰি বুলিলে, স্বৰু-
পেই আপুনি ইস্বৰৰ পুত্র । ৩৪ পাচে সিবিলাকে পাৰ হৈ গিনেচৰেত
দেস পালেগৈ । ৩৫ তেতিয়া সেই ঠাইৰ লোকবিলাকে তেঁওক চিনি পাই,
দেসৰ চাৰিও ফাললৈ পঠাই নৰিয়া পৰা সকলোকে তেঁওৰ ওচৰলৈ আনি-
লে । ৩৬ আৰু সিহঁতে জেন তেঁওৰ কাপৰৰ আঁচলকে মাথোন চুবলৈ পাই,
তেঁওৰ আগত এনে প্রার্থনা কৰিলে; আৰু জিবিলাকে চুলে, সেই সমস্তৰে
নৰিয়া ভাল হল ।

## ১৫ আধ্যা ।

তেতিয়া য়িৰুচালমৰ পৰা অধ্যাপক আৰু ফিৰুচিবিলাক য়িচুৰ ওচৰলৈ
আহি কলে, ২ তোমাৰ সিস্যবিলাকে ব্রিধ লোকৰ পুৰৰ আচাৰ কিয় ভাঙ্গে?
কিয়নো সিহঁতে ভোজন কৰাৰ আগেয়ে আপোনাৰ হাত নোধোএ ।

৩ তাতে তেঁও সিহঁতক উতৰ কৰি কলে, তোমোলাকে নো আপোনাৰ আ-
গৰ আচাৰৰ দোআৰাই ইশ্বৰৰ আগ্যা চন কৰিচা কিয়? ৪ কিয়নো ইশ্বৰে
এই আগ্যা দিলে, বোলে, তুমি আপোনাৰ পিত্রি মাত্রিক মর্জতা কৰা;
আৰু জি কোনোএ পিত্রি বা মাত্রিক নিন্দা কৰে, সি নিচয়ে মৰোক।
৫ কিন্তু তোমোলাকে কৈচা, জি কোনোএ আপোনাৰ বাপেক বা মাকক
বোলে, মোৰ জিহেৰে তোমাৰ উপকাৰ হলহেঁতেন, তাক নিবেদিত কৰা হল,
সি পাচেকৈ আপোনাৰ বাপেক মাকক মর্জতা আৰু নকৰিব। ৬ এই ৰুপে
তোমোলাকে আপোনাৰ আগৰ আচাৰৰ দোআৰাই ইশ্বৰৰ বাক্য লোপ
কৰিলাহঁক। ৭ হেৰৈ কপটিয়াবোৰ, তোমোলাকৰ অর্থে য়িচয়াই স্বৰুপ
মতে ভবিস্যত বাক্য কলে, ৮ বোলে, এই লোকবিলাকে ওঁঠেৰে মোক
সম্মান কৰে, কিন্তু সিহঁতৰ মন মোৰ পৰা নিলগ। ৯ সিহঁতে মানুহে কৰা
বিধান সিকাই মোত মিচা ভক্তি কৰে।

১০ তেতিয়া তেঁও মানুহ জুমক মাতি সিবিলাকত কলে, তোমোলাকে সুনা
আৰু বুজা। ১১ মুখত জি সোমাই, সি মানুহক অসুচি নকৰে; কিন্তু মুখৰ
পৰা জি ওলাই, সেয়েহে মানুহক অসুচি কৰে। ১২ তেতিয়া সিস্যবিলাকে
আহি তেঁওত কলে, এই কথা সুনি ফিৰুচিবিলাকে বেজাৰ পালে, ইয়াক
আপুনি জানে নে? ১৩ তাতে তেঁও উতৰ কৰি বুলিলে, জি জি পুলি মোৰ
স্বৰগি পিত্রিএ ৰোআ নাই, তাক উঘলা জাব। ১৪ সিহঁতক এৰি দিয়া;
সিহঁত কনা হৈ কনাক বাট দেখুআইচে; কনাই কনাক বাট দেখুআলে
দুয়ো খাৱৈত পৰে। ১৫ তেতিয়া পিতৰে তেঁওক সমিধান দি কলে, এই
দ্রিষ্টান্তৰ অর্থ আমাক বুজাই দিয়োক। ১৬ য়িচুএ বুলিলে, তোমোলাকো
এতিয়ালৈকে অগিয়ানি হৈ আচা নে? ১৭ মুখত জি সোমাই, সি পেটৰ
ভিতৰলৈ গৈ সৌচৰ ঠাইত বাহিৰ হই, ইয়াক তোমোলাকে বুজা নাই নে?
১৮ কিন্তু মুখৰ পৰা জিবিলাক ওলাই, সিবিলাক চিত্তৰ পৰা আহে, সেই-
বোৰেই মানুহক অসুচি কৰে। ১৯ কিয়নো চিতৰ পৰা কুচিন্তা, মানুহ বধ
কৰা, পৰ তিৰি হৰন, বেস্যা গমন, চুৰ কৰা, মিচা সাখি হোআ, (ইস্বৰক)
নিন্দা কৰা, এইবিলাক ওলাই। ২০ এইবিলাকেহে মানুহক অসুচি কৰে;
কিন্তু নোধোআ হাতেৰে ভোজন কৰাতে মানুহক অসুচি নকৰে।

২১ য়িচুএ সেই ঠাইৰ পৰা গৈ চোৰ আৰু চিদোনৰ সিমা পালেগৈ।
২২ আৰু দেখা, এজনি কিনানিয়া তিৰোতা সেই সিমাৰ পৰা আহি তেঁওক
ৰিঙ্গিয়াই বুলিলে, হে প্রভু, দায়ুদৰ সন্তান; মোৰ জিটি ভুতে পোআ হৈ
অতি বৰ দুখ পাইচে; মোক দায়া কৰোক। ২৩ কিন্তু তেঁও তাইক একো-
কে উতৰ নিদিলে। তাতে তেঁওৰ সিস্যবিলাক আহি তেঁওক নিবেদন কৰি
কলে, তাইক বিদাই দিয়োক; কিয়নো তাই আমাৰ পাচত চিঁয়ৰি চিয়-
ৰি আহিচে। ২৪ তেতিয়া তেঁও উতৰ দি বুলিলে, ইস্রায়েলৰ বঙ্গহৰ হেৰো-

আ মেৰৰ বাহিৰে মোক আন কালৈকো পঁচা নাই । ২৫ পাচে তাই আহি
তেঁওক সেৱা কৰি বুলিলে, হে প্ৰভু, মোক উপকাৰ কৰোক । ২৬ কিন্তু
তেঁও উত্তৰ কৰিলে, লৰাহঁতৰ খোৱা বস্তু লৈ কুকুৰৰ আগত পেলাই দিব
নেপাই । ২৭ তেতিয়া তাই কলে, স্বৰুপ, প্ৰভু; তেও গৰাকিৰ মেজৰ পৰা
উফৰি পৰাবোৰ কুকুৰেও খাবলৈ পাই । ২৮ তাতে য়িচুএ তাইক সমিধান
দি বুলিলে, হে তিৰি, তোমাৰ বৰ বিস্বাস; তোমাৰ ইচাৰ দৰেই তোমালৈ
হওক । সেই ডাঁৰৰে পৰা তাইৰ জিয়েক স্বস্থ হল ।

২৯ পাচে য়িচুএ তাৰ পৰা গৈ গালিলৰ সাগৰৰ ওচৰ পাই, পৰ্বতৰ
ওপৰত উঠি তাতে বহিল । ৩০ তেতিয়া অনেক লোক সমুহে খোৰা, কনা,
আঁকৰা, কোঙ্গা, আৰু অন্য ভালেমান ৰুগিয়াহঁতক লগত লৈ আহি তেঁওৰ
চৰনত থলেনি, আৰু তেঁও সিহঁতক স্বস্থ কৰিলে । ৩১ তাতে সেই মানুহ-
বিলাকে আঁকৰাক কথা কোৱা, কোঙ্গাক ভাল হোৱা, খোৰাক খোজ কৰা,
কনাক চকু পোৱা, এই সকলোকে দেখি বিস্মই মানি ইস্ৰায়েলৰ ইস্বৰক
স্তুতি কৰিলে

৩২ তেতিয়া য়িচুএ আপোনাৰ ওচৰলৈ সিস্যবিলাকক মাতি কলে, এই
মানুহ সমুহলৈ মোৰ মৰম লাগিচে; কিয়নো সিবিলাক এতিয়া মোৰ লগত
তিন দিন আচে, আৰু খাবলৈ একো নাই । এই হেতুকে সিবিলাকক
লঘোনে পাঁচিবলৈ মোৰ ইচা নাই, জানো বাটত গা ৰহি জাই । ৩৩ তেতিয়া
তেঁওৰ সিস্যবিলাকে বুলিলে, এইমান মানুহক ত্ৰিপ্তি কৰাবলৈ হাবিৰ মা-
জত এতেকবোৰ পিঠা আমি কত পাম? ৩৪ তাতে য়িচুএ সিবিলাকত কলে,
তোমোলাকৰ কেইটা মান পিঠা আচে? সিবিলাকে বুলিলে, সাতোটা পিঠা,
আৰু গোটা চাৰেক সৰু মাচ আচে । ৩৫ তেতিয়া তেঁও মানুহবিলাকক
মাটিতে বহিবলৈ আগ্যা কৰিলে । ৩৬ পাচে সেই সাতোটা পিঠা আৰু
মাচো লৈ তেঁও আসিৰ্বাদ কৰি ভাঙ্গি সিস্যবিলাকৰ হাতত দিলে, আৰু
সিস্যবিলাকে মানুহ সমুহৰ মাজত বিলাই দিলে । ৩৭ তাতে সদৌ মানুহে
খাই ত্ৰিপ্তি পালে; পাচে খোৱাৰ আগলিকাৰে সাতোটা পাচি ভৰাই আ-
নিলে । ৩৮ লৰা তিৰোতাৰ বাহিৰে সেই ভোজন কৰা চাৰি হেজাৰ মানুহ
হৈচিল । ৩৯ পাচে মানুহ সমুহক বিদাই দি তেঁও নাৱত উঠি মাগ্দলাৰ
সিমালৈ গল ।

## ১৬ আধ্যা ।

তেতিয়া ফিৰুচি আৰু চিদুকিবিলাকে আহি তেঁওৰ পৰিখা কৰি আকাসত
কিবা চিন দেখুআবলৈ তেঁওত নিবেদন কৰিলে । ২ তাতে তেঁও উত্তৰ কৰি
কলে, সন্ধিয়া বেলিকা তোমোলাকে বোলা, কাইলৈ নিৰ্মল দিন হব, কিয়নো

আকাস ৰঙ্গা হৈচে । ৩ আৰু ৰাতিপুৱা তোমোলাকে বোলা, আজি বৰ-
খুন হব, কিয়নো আকাস ৰঙ্গা হৈচে আৰু মেঘাইচেও । তোমোলাকে আ-
কাসৰ চিন বুজিব পাৰা, কিন্তু কালৰ চিন নো বুজিব নোআৰা নে? ৪ এই
দুষ্ট আৰু বেস্যালি লোকে চিন বিচাৰে, কিন্তু য়োনা ভবিস্যত বক্তাৰ চিনৰ
বাহিৰে সিহঁতক একো চিন দিয়া নহব । তেতিয়া তেঁও সিহঁতক এৰি গুচি
গল ।

৫ পাচে সিপাৰলৈ জোআৰ সময়ত তেঁওৰ সিস্যবিলাকে পিঠা নিবলৈ
পাহৰিলে । ৬ তেতিয়া য়িচুএ সিবিলাকত কলে, তোমোলাকে ফিৰুচি আৰু
চিদুকিবিলাকৰ খমিৰলৈ সাৱধান হবা । ৭ তাতে সিবিলাকে ইজনে সিজ-
নে বিবেচনা কৰি বুলিলে, আমি পিঠা ননা হেতুকে তেঁও এই কথা কৈচে ।
৮ কিন্তু য়িচুএ তাকে জানি কলে, হে অল্প বিস্বাসিবিলাক, তোমোলাকে
পিঠা ননা হেতুকে ইয়ে সিয়ে কিয় এনে বিবেচনা কৰিচাইক? ৯ তোমো-
লাকে এতিয়ালৈকো বুজা নাই নে? পাঁচোটা পিঠাৰে পাঁচ হেজাৰ মানুহক
খুআই আগলিকা কেই পাচি তুলি লৈচিলা; ১০ আৰু সাতোটা পিঠাৰে
চাৰি হেজাৰ মানুহক খুআই বা কেই পাচি তুলি লৈচিলা, সেই কথা তো-
মোলাকৰ মনত পৰা নাই নে? ১১ ফিৰুচি আৰু চিদুকিৰ খমিৰলৈ সাৱ-
ধানে থাকিবা বুলি মই পিঠাৰ অৰ্থে এই কথা কোআ নাই, তোমোলাকে
ইয়াক কিয় নুবুজা? ১২ তেতিয়া তেঁও পিঠাৰ খমিৰলৈ নহই, ফিৰুচি আৰু
চিদুকিহঁতৰ উপদেসলৈহে সাৱধানে থাকিবলৈ দিলে, ইয়াকে সিবিলাকে
বুজিলে ।

১৩ পাচে য়িচুএ কৈচৰিয়া ফিলিপিৰ সিমাৰ ভিতৰলৈ আহি তেঁওৰ সিস্য-
বিলাকত সুধিলে, মানুহৰ পুত্ৰক মানুহবিলাকে কোন বুলি কই? ১৪ সিবি-
লাকে তেঁওত কলে, কোনোএ বোলে, য়োহান বুৰ দিয়াওঁতা; কোনোএ
বোলে, এলিয়া; আন কোনোএ বোলে, য়িৰিমিয়া, বা ভবিস্যত বক্তাবিলা-
কৰ এজন । ১৫ তেঁও সিবিলাকত কলে, কিন্তু তোমোলাকে নো মোক কোন
বোলা? ১৬ তাতে চিমোন পিতৰে উতৰ দি কলে, তুমি অমৰ ইস্বৰৰ
পুত্ৰ খ্ৰিস্ট । ১৭ তেতিয়া য়িচুএ তাক সমিধান কৰি বুলিলে, হেৰা য়োনাৰ
পুতেক চিমোন, তুমি সুখিয়া; কিয়নো তেজ মঙ্গহ থকা মানুহে তোমাক
এই কথা দেখুউআ নাই, কিন্তু মোৰ স্বৰগত থকা পিত্ৰিএহে দেখুআলে ।
১৮ আৰু মই তোমাত কওঁ, তুমি পিতৰ (অৰ্থাত সিল,) আৰু এই সিলৰ
ওপৰত মই আপোনাৰ মণ্ডলি পাতিম, আৰু পৰলোকৰ সক্তিএ তাক পৰা-
জই নকৰিব । ১৯ আৰু মই তোমাক স্বৰগ ৰাজ্যৰ চাবি দিম; তাতে তুমি
প্ৰিথিবিত জিহকে বন্ধ কৰা, সি স্বৰগতো বন্ধন হব; আৰু তুমি প্ৰিথিবিত
জিহকে মুকলি কৰা, সি স্বৰগতো মুকলি হব । ২০ পাচে তেঁওক খ্ৰিস্ট
বুলি কাতো নকবলৈ তেঁও আপোনাৰ সিস্যবিলাকক সকত আগ্যা দিলে ।

২১ আৰু তেঁও য়িৰুচালম নগৰলৈ জাব লাগিব, আৰু বৃিধ লোক, প্ৰধান
পোৰোহিত আৰু অধ্যাপকবিলাকৰ পৰা অনেক দুখ ভোগ কৰিব, আৰু
তেঁওক বধ কৰা হব, পাচে তিন দিনৰ দিনা তেঁও মৰনৰ পৰা উঠিব, সেই
কালৰ পৰা য়িচুএ এই কথা আপোনাৰ সিস্যবিলাকক দেখাবলৈ ধৰিলে ।
২২ তেতিয়া পিতৰে তেঁওক একলিয়াকৈ নি তেঁওৰ কথা নুই কৰিব ধৰিলে,
বোলে, হে প্ৰভু, তোমাৰ পৰা এই কথা দুৰ হওক; তোমাত এনেকুআ কে-
তিয়াও নহব । ২৩ কিন্তু তেঁও ঘুৰি পিতৰত কলে, সত্ৰু, মোৰ পাচলৈ জা;
তই মোৰ বিঘিনি কৰোঁতা; ইস্বৰৰ কথা তই নিচিন্তি মানুহৰ কথাহে চিন্ত ।
২৪ পাচে য়িচুএ আপোনাৰ সিস্যবিলাকত কলে, কোনোএ জদি মোৰ
পাচত আহিবলৈ ইচা কৰে, সি আপোনাক দমন কৰোক, আৰু আপো-
নাৰ পেৰেঙ্গনি তুলি লৈ মোৰ পাচত আহোক । ২৫ কিয়নো জি কোনোএ
আপোনাৰ প্ৰান ৰাখিব খোজে, সি তাক হেৰুআব; কিন্তু জি কোনোএ
মোৰ নিমিত্তে আপোনাৰ প্ৰান হেৰুআই, সি তাক পাব । ২৬ মানুহে গো-
টেই খন জগত পায়ো জদি আপোমাৰ প্ৰানৰ হানি কৰে, সেই মানুহৰ
কি লাভ? আৰু মানুহে আপোনাৰ প্ৰানৰ নিমিত্তে বা কি সলনি দিব
পাৰে? ২৭ কিয়নো মানুহৰ পুত্ৰ আপোনাৰ পিত্ৰিৰ প্ৰভাৱেৰে দুত্‌বি-
লাকক লগত লৈ আহিব; তেতিয়া সকলো মানুহক আপোন আপোন
কৰমৰ ফল দিব । ২৮ তোমোলাকত মই স্বৰূপকৈ কওঁ, মানুহৰ পুত্ৰক
আপোনাৰ ৰাজ্যত আহিবৰ নেদেখে মানে ম্ৰিতু্য ভোগ নকৰিব, ইয়াত
থিয় হৈ থকা মানুহৰ মাজত এনে কেত্‌বিলাক আচে ।

## ১৭ আধ্যা ।

তাৰ চদিনৰ পাচত য়িচুএ পিতৰ আৰু য়াকোব আৰু তাৰ ভায়েক
য়োহানক লগত লৈ এটা ওখ পৰ্বতৰ নিৰ্জান ঠাইলৈ আনিলে । ২ আৰু
তেঁও সিবিলাকৰ আগতে আন ৰূপ ধৰিলে; তাতে তেঁওৰ মুখ সুৰ্জৰ
দৰে দিপ্তিমন্ত, আৰু তেঁওৰ বস্ত্ৰ পহৰৰ নিচিন সুকুলা হল । ৩ তে-
তিয়া দেখা, মোচা আৰু এলিয়াই সিবিলাকৰ আগত দেখা দি তেঁৱে সৈতে
কথোপকথন কৰিলে । ৪ তাতে পিতৰে মাত লগাই য়িচুক বুলিলে, হে প্ৰভু,
আমি ইয়াতে থকা ভাল; আৰু আপোনাৰ ইচা হলে আমি ইয়াত তিন-
টা পজা সাজোঁ, আপোনালৈ এটা, মোচালৈ এটা, এলিয়ালৈ এটা । ৫ সি
এই কথা কওঁতেই দেখা, এখন ধলা মেঘে সিবিলাকক চাঁ কৰি ধৰিলে;
আৰু মেঘৰ পৰা এনে আকাসি বানি হৈ বুলিলে, এই মোৰ প্ৰিয় পুত্ৰ,
এঁওত মোৰ পৰম সন্তোস; এঁওৰ কথা সুনা । ৬ সিস্যবিলাকে তাকে সুনি
অতিসই ভই পাই দিঘল হৈ পৰিল । ৭ তাতে য়িচুএ আহি সিবিলাকক

চুই বুলিলে, উঠা, ভই নকৰিবা । ৮ তেতিয়া সিবিলাকে চকু তুলি চাই,
য়িচুৰ বাহিৰে কাকো নেদেখিলে ।

৯ তাৰ পাচে পৰ্বতৰ পৰা নামোতে য়িচুএ সিবিলাকক সকত আগ্যা
দি কলে, বোলে, মানুহৰ পুত্র মিৃত্যুৰ পৰা নুঠালৈকে তোমোলাকে এই দৰ্স-
নৰ কথা কাতো নকবা ।

১০ তাতে সিস্যবিলাকে তেঁওত সুধিলে, বোলে, আগেয়ে এলিয়া আহিব
বুলি নো অধ্যাপকবিলাকে তেন্তে কিয় কই? ১১ য়িচুএ সিবিলাকক সমিধান
দি কলে, এলিয়া আহিব হই, আৰু সকলোকে সিধি কৰিব; ১২ কিন্তু
মই তোমোলাকত কৈচোঁ, এলিয়া আহিল; আৰু সিহঁতে তেঁওক নিচিনি
আপোনাৰ জি ইচা, তাকে তেঁওলৈ কৰিলে । সিহঁতৰ পৰা মানুহৰ পুত্রও
সেই ৰুপে দুখ পোআ হব । ১৩ তেতিয়া তেঁও য়োহান বুৰ দিয়াওঁতাৰ
অৰ্থে এই কথা কৈচিলে বুলি সিস্যবিলাকে বুজিলে ।

১৪ পাচে সিবিলাকে জেতিয়া মানুহ জুমক পালেগৈ, তেতিয়া এজন মানুহে
তেঁওৰ ওচৰলৈ আহি আঁঠু পাৰি কলে, ১৫ হে প্রভু, আপুনি মোৰ লৰা-
টিক দায়া কৰোক; কিয়নো সি আঁৰবিয়া ৰোগত বৰ লালকাল হৈ বে-
লিএ বেলিএ জুইত আৰু পানিতো পৰে । ১৬ এই হেতুকে আপোনাৰ
সিস্যবিলাকৰ এখেলেই আনিলোঁ, কিন্তু সিবিলাকে তাক ভাল কৰিব নো-
আৰিলে । ১৭ তাতে য়িচুএ বুলিলে, হেৰা অবিস্বাসি আৰু অবাটে জো-
আ বঙ্গহ! মই কেতে দিন তোমোলাকৰ লগত থাকিম? কেতে দিন নো
তোমোলাকৰ ভাৰ সম? তাক মোৰ এখেলৈ আনা । ১৮ তেতিয়া য়িচুএ সেই
ভুতক ডবিয়ালত সি তাক এৰি গল; আৰু সেই ডাঁৰৰে পৰা লৰা ভাল
হল । ১৯ পাচে সিস্যবিলাকে নিৰ্জানে য়িচুৰ ওচৰলৈ আহি, তেঁওত সুধি-
লে, আমি নো তাক কিয় খেদাব নোআৰিলোঁ? ২০ তাতে তেঁও সিহঁতত কলে,
তোমোলাকে অবিস্বাসৰ কাৰনে নোআৰিলা । মই তোমোলাকত স্বৰুপকৈ
কঁও, তোমোলাকে জদি এটি সৰিয়হৰ সমান বিস্বাস কৰা, তেন্তে এই পৰ্বত-
টোকে এই ঠাইৰ পৰা সেই ঠাইলৈ আঁতৰি জা বুলিলে, সি তালৈ
জাব; আৰু তোমোলাকৰ কোনো অসাধ্য কথা নেথাকিব । ২১ কিন্তু প্রাৰ্থ-
না আৰু লঘোনৰ বাহিৰে এনে বিধ নোলাই ।

২২ পাচে সিবিলাকে গালিল দেসত থাকোতে য়িচুএ সিবিলাকত কলে,
মানুহৰ পুত্রক লোকবিলাকৰ হাতত সোধাই দিয়া হব; ২৩ আৰু সিবিলা-
কে তেঁওক বধ কৰিব, পাচে তিন দিনৰ দিনা তেঁও আকও উঠিব । তাতে
সিবিলাকে মনত বৰ অসন্তোস কৰিলে ।

২৪ পাচে সিবিলাকে কিফৰ্নাহুম পালত কৰ তোলাবিলাকে পিতৰৰ ওচ-
ৰলৈ আহি সুধিলে, তোমোলাকৰ গুৰুএ (মন্দিৰৰ) কৰ নিদিয়ে নে? ২৫ সি
বুলিলে, দিয়ে । পাচে সি ঘৰ সোমাই কথা কোআৰ আগেয়ে য়িচুএ

তাত কলে, হে চিমোন, প্রিথিবির ৰজাবিলাকে কাৰ পৰা কৰ লই?
আপোনাৰ সন্তানবিলাকৰ পৰা লই নে, বিদেসি লোকৰ পৰা লই, তো-
মাৰ মনে কি ধৰে? ২৬ পিতৰে তেঁওত কলে, বিদেসি লোকৰহে লই।
য়িচুএ বুলিলে, তেনে হলে সন্তানবিলাক মুকুত হৈ আছে। ২৭ তথাপি
আমি জেন সিবিলাকক বেজাৰ নকৰোঁ, এই নিমিত্তে তুমি সাগৰলৈ গৈ
বৰখি পাতা, তাতে পোনৰ জি মাচ উঠে, তাৰ মুখ মেলি এটকা ৰুপ পা-
বা; তাকে আনি মোৰ আৰু তোমাৰ নিমিত্তে সিবিলাকক দিয়াগৈ।

## ১৮ আধ্যা।

সেই কালত সিস্যবিলাকে য়িচুৰ ওচৰলৈ আহি সুধিলে, স্বৰগ ৰাজ্যৰ মা-
জত কোন ডাঙ্গৰ? ২ তাতে য়িচুএ এটি সৰু লৰা মাতি আনি, সিবিলাকৰ
মাজত বহুআই কলে, ৩ তোমোলাকত মই স্বৰুপকৈ কওঁ, তোমোলাকে জদি
মন পালটাই সৰু লৰাৰ নিচিনা নোহোআ, তেন্তে স্বৰগ ৰাজ্যত সোমাব
নোআৰিবা। ৪ জি কোনোএ এই সৰু লৰাৰ নিচিনাকৈ আপোনাক নম্ৰ
কৰে, সি স্বৰগ ৰাজ্যত ডাঙ্গৰ হই। ৫ আৰু জি কোনোএ মোৰ নামেৰে
এনে এটি সৰু লৰাক গ্ৰহন কৰে, সি মোকে গ্ৰহন কৰে। ৬ কিন্তু মোত
বিস্বাস কৰা এই সৰুবিলাকৰ মাজৰ এজনক জি কোনোএ বিঘিনি কৰে, সি
আপোনাৰ ডিঙ্গিত জাঁট সিল আৰি সাগৰৰ অগাধ পানিত পৰি মৰাই
তাত্কৈ তাৰ ভাল। ৭ বিঘিনিৰ নিমিত্তে জগতৰ সন্তাপ। বিঘিনি অৱস্যে
হব; কিন্তু জি মানুহৰ দোআৰাই বিঘিনি হই, তাৰ সন্তাপ হব। ৮ এই
হেতুকে তোমাৰ হাত বা ভৰিয়ে জদি তোমাৰ বিঘিনি কৰাই, তাক কাটি
তোমাৰ পৰা দলিয়াই পেলোআ; দুহতিয়া বা দুভৰিয়া হৈ অনন্ত জুইত
পেলোআ হোআতকৈ খোৰা বা ঘুনিয়া হৈ পৰম আয়ুসত সোমোআই
তোমাৰ ভাল। ৯ আৰু তোমাৰ চকুএ জদি তোমাৰ বিঘিনি কৰাই, তাকো
কাৰ্হি তোমাৰ পৰা পেলোআ; দুটা চকু থাকি নৰকৰ জুইত পেলোআ
হোআতকৈ এচকুআ হৈ পৰম আয়ুসত সোমোআই তোমাৰ ভাল। ১০ সাৱ-
ধান হোআ, তোমোলাকে এই সৰুবিলাকৰ মাজৰ এজনকে অৱহেলা নকৰি-
বা; কিয়নো মই তোমোলাকত কৈচোঁ, স্বৰগত সিবিলাকৰ দূত্বিলাকে মোৰ
স্বৰগি পিত্ৰিৰ মুখ সদাই দেখা পাই। ১১ জি হেৰোআ হৈছিল, তাক
ৰখ্যা কৰিবলৈ মানুহৰ পুত্ৰ আহিল। ১২ তোমোলাকে ইয়াত কি ভাবা?
কোনো মানুহৰ এস মেৰ চাগ থকাত তাৰ মাজৰ এটা জদি হেৰাই, তেন্তে
সি সেই উনস পৰ্বতৰ ওপৰত থৈ গৈ সেই হেৰোআ মেৰটক নিবিচা-
ৰিব নে? ১৩ আৰু তাক জদি পোআ জাই, মই তোমোলাকত স্বৰুপকৈ কৈচোঁ,
সেই অপথে নোজোআ উনস মেৰতকৈ সেই মেৰটত তাৰ অধিক আনন্দ

হই । ১৪ সেই ৰূপে এই সৰুবিলাকৰ মাজৰ এটিও জেন নষ্ট হই, তো-
মোলাকৰ স্বৰগত থকা পিত্রিৰ এনে ইচা নাই ।
১৫ কিন্তু তোমাৰ ভায়াই জদি তোমাক কিবা অপৰাধ কৰে, তেন্তে তুমি
গৈ সেয়ে সৈতে অকলসৰিয়া হৈ তাৰ দোস তাক বুজাবা; সি জদি তো-
মাৰ কথা সুনে, তেন্তে তোমাৰ ভায়াক পালা । ১৬ কিন্তু জদি সি নুসুনে,
আৰু এজন বা দুজন লগত লৈ জাবা; তাতে দুই তিনি জন সাখিৰ মুখে
সকলো কথা নিচই হব । ১৭ আৰু সি জদি সিবিলাককো নেমানে, তেন্তে
মণ্ডলিৰ আগত জনাবা; পাচে মণ্ডলিৰ কথাও জদি নেমানে, তেতিয়া সি তো-
মালৈ দেওপূজক আৰু কৰ তোলাৰ নিচিনা হব । ১৮ তোমোলাকত মই
স্বৰূপকৈ কওঁ, তোমোলাকে প্রিথিবিত জিহক বন্ধন কৰা, সি স্বৰগতো বন্ধন
হব; আৰু প্রিথিবিত জিহক মুকলি কৰা, সি স্বৰগতো মুকলি হব ।
১৯ পুনৰপি মই তোমোলাকত কৈচোঁ, প্রিথিবিতে তোমোলাকৰ দুজনে একে
মতি হৈ জি কোনো কথাত প্রার্থনা কৰে, মোৰ স্বৰগত থকা পিত্রিৰ
পৰা সিবিলাকলৈ তাক কৰা হব । ২০ কিয়নো জি ঠাইতে দুই বা তিনি
জনে মোৰ নামেৰে গোট খাই, তাতে ময়ো সিবিলাকৰ মাজতে আচোঁ ।
২১ তেতিয়া পিতৰে তেঁওৰ ওচৰলৈ আহি কলে, হে প্রভু, মোৰ ভায়ে
জদি মোক অপৰাধ কৰে, কেইবাৰ খেমা কৰিম? সাত বাৰলৈকে খে-
মিম নে? ২২ য়িচুএ তাক বুলিলে, সাত বাৰলৈ মই তোমাক নোবোলোঁ;
কিন্তু সতৰি গুন সাত বাৰলৈকে খেমা । ২৩ আপোনাৰ বন্দিইঁতে সৈতে
লেখ জোখ কৰিব খোজা, এনে এজন ৰজাৰ নিচিনা স্বৰগ ৰাজ্য । ২৪ সেই
লেখ জোখ কৰিবলৈ ধৰিলত দহ হেজাৰ গাগৰি ৰূপৰ ধৰুআ এজনক
তেঁওৰ আগলৈ অনা হল । ২৫ কিন্তু ধাৰ সুজিবলৈ তাৰ ধন নথকাত তাক
আৰু লৰা তিৰোতা আদি তাৰ সকলোকে বেচি ধাৰ সুজিবলৈ তাৰ অধি-
কাৰে আগ্যা কৰিলে । ২৬ তাতে সেই বন্দিএ তেঁওৰ আগত দিঘল হৈ পৰি
কলে, আপুনি সহন কৰোক, মই আটাই খিনি সুজিম । ২৭ তেতিয়া বন্দিৰ
অধিকাৰে মৰম লাগি ধাৰ এৰি তাক মুকুত কৰিলে । ২৮ কিন্তু বন্দিএ
বাহিৰলৈ গৈ এস সিকিৰ ধৰুআ এটা লগৰ বন্দিক পাই, তাক ধৰি ডিঙ্গিত
টেপা দি বুলিলে, তই মোক দিব লগিয়া জি ধাৰ, তাক দে । ২৯ তাতে
তাৰ লগৰ বন্দিএ মাটিত পৰি কাবৌ কৰি কলে, মোক সহন কৰা, মই আ-
টাই খিনি সুজিম । ৩০ কিন্তু সি সেই কথা নুসুনি তাৰ পৰা গৈ ধাৰ নু-
সুজে মানে তাক বন্দি সালত সুমাই থলে । ৩১ পাচে লগৰ আন বন্দিবি-
লাকে তাৰ এই অৱস্থা দেখি, বৰ অসন্তোস লাগি আপোনাৰ অধিকাৰৰ
ওচৰলৈ আহি জি কৰা হল, সকলোকে জনালে । ৩২ তেতিয়া অধিকাৰে তাক
মতাই আনি বুলিলে, হেৰ দুষ্ট বন্দি, তই প্রার্থনা কৰাত মই তোৰ সকলো
ধাৰ এৰিলোঁ; ৩৩ তেন্তে মই জেনেকৈ তোক দায়া কৰিলোঁ, তয়ো তেনে-
কৈ তোৰ লগৰ বন্দিক দায়া কৰা উচিত নহই নে? ৩৪ তেতিয়া তাৰ অধি-

কাৰৰ খঙ্গ উঠি তেঁওক দিব লগা ধন আটাই খিনি নুসুজে মানে দণ্ড কৰা-
বিলাকৰ হাতত তাক সোধাই দিলে । ৩৫ তোমোলাকেও জদি আপোন
আপোন ভায়াবিলাকক মনে সৈতে খেমা নকৰা, তেন্তে মোৰ স্বৰগি পিত্রি-
এও তোমোলাকক সেই ৰুপে কৰিব ।

---

## ১৯ আধ্যা ।

তাৰ পাচে এনে হল, য়িচুএ এইবিলাক কথা কৈ এঁটাই গালিলৰ পৰা
গৈ য়র্দানৰ সিপাৰে য়িহুদা দেসৰ সিমালৈ আহিল । ২ তেতিয়া বৰ
এজুম মানুহ তেঁওৰ পাচে পাচে গলত তেঁও তাতে সিইঁতৰ নৰিয়াক স্বস্থ
কৰিলে ।

৩ তেতিয়া ফিৰুচিবিলাকে তেঁওৰ ওচৰলৈ আহি পৰিখা কৰিবলৈ তেঁওত
কলে, মুনিহে আটাই কাৰনতে আপোনাৰ তিৰোতাক তিয়াগ কৰিব পাই
নে? ৪ তাতে তেঁও উত্তৰ কৰি সিইঁতক বুলিলে, আদিতে স্রিষ্টি কৰা জি
জন, তেঁও মুনিহ আৰু তিৰোতা কৰি সুজিলে, ৫ আৰু কলে, এই হেতু-
কে মানুহে আপোনাৰ পিত্রি মাত্রিক এৰি তিৰোতাৰে সংজোগ হৈ, সেই
দুয়ো একে দেহ হব, এই কথা তোমোলাকে পৰ্হা নাই নে? ৬ তেন্তে সি-
বিলাক আৰু দুজন নহই, একে দেহ । এতেকে ইস্বৰে জাক সংজোগ কৰি
দিলে, তাক মানুহে বিজোগ নকৰোক । ৭ সিবিলাকে তেঁওক বুলিলে, তেনে
হলে তিয়াগ কৰা পত্র দি তিৰোতাক এৰিবলৈ মোচাই কিয় আগ্যা দিলে?
৮ তেঁও বুলিলে, তোমোলাকৰ মন কঠিন হোআৰ নিমিতে মোচাই তোমো-
লাকক আপোন আপোন তিৰোতা তিয়াগ কৰিবলৈ অনুমতি দিলে; কিন্তু
আদিৰ পৰা তেনে নহই । ৯ আৰু মই তোমোলাকত কৈচোঁ, বিভিচাৰ
নোহোআকৈ জি কোনোএ আপোনাৰ তিৰোতাক এৰি আনক বিয়া কৰে,
সি বেস্যা কৰা হই; আৰু জি কোনোএ সেই তিয়াগ কৰা তিৰোতাকে
বিয়া কৰে, সিও বেস্যা কৰা হই । ১০ তেতিয়া তেঁওৰ সিস্যবিলাকে তেঁওক
বুলিলে, আপোনাৰ তিৰোতাত মুনিহৰ জদি এনে সমন্ধ হই, তেন্তে বিয়া
কৰোআই ভাল নহই । ১১ তাতে তেঁও কলে, জাক জাক এই সক্তি দিয়া
হৈচে, সিবিলাকৰ বাহিৰে আনে এই কথা লব নোআৰে । ১২ কিয়নো
কোনোবিলাক মাকৰ পেটৰ পৰা ওপজোঁতেই নপুংসক, কোনোবিলাক
মানুহে কৰা নপুংসক, আৰু স্বৰগ ৰাজ্যৰ নিমিতে কোনোবিলাক আপুনি
হোআ নপুংসক আচে । জেয়ে গ্রহন কৰিব পাৰে, সেয়ে গ্রহন কৰোক ।

১৩ পাচে তেঁও লৰাবিলাকৰ গাত হাত দি প্রার্থনা জেন কৰে, এই নি-
মিতে তেঁওৰ ওচৰলৈ লৰাবোৰক অনা হৈচিল; তাতে সিস্যবিলাকে সি-
ইঁতক ডবিয়ালে । ১৪ কিন্তু য়িচুএ বুলিলে, লৰাবোৰক মোৰ ওচৰলৈ

আহিব দিয়া, হাক নিদিবা; কিয়নো স্বৰগ ৰাজ্য এনেকুআবিলাকৰহে
হই । ১৫ তেতিয়া তেঁও সিহঁতৰ গাত হাত দি সেই ঠাইৰ পৰা গল ।

১৬ পাচে এজন মানুহ আহি তেঁওত কলে, বোলে, হে উত্তম গুৰু, মই
অনন্ত আয়ুস পাবৰ নিমিত্তে কি ধৰম কৰম কৰিম? ১৭ তাতে তেঁও কলে,
মোক উত্তম কিয় বুলিচা? অকল ইস্বৰত বাজে আন কোনো উত্তম নাই?
কিন্তু তুমি জদি পৰম আয়ুস পাবলৈ ইচা কৰা, তেন্তে আগ্যা সকল পা-
লন কৰা । ১৮ তেতিয়া সি সুধিলে, কোন কোন আগ্যা? য়িচুএ সমিধান
দি কলে, তুমি বধ নকৰিবা; পৰ তিৰি গমন নকৰিবা; চুৰ নকৰিবা;
মিচা সাখি নহবা; ১৯ আপোনাৰ পিত্রি মাত্রিক মৰ্জতা কৰা; আৰু তো-
মাৰ চুবুৰিয়াক আপোনাৰ নিচিনাকৈ প্ৰিতি কৰা । ২০ তাতে সেই ডে-
কাই বুলিলে, মই এই সকলোকে পালন কৰি আচোঁ; মোৰ আৰু কি
নাটনি আচে? ২১ তাতে য়িচুএ কলে, জদি তুমি সিধি হবলৈ ইচা কৰা,
তেন্তে গৈ তোমাৰ জি আচে, আটাইকে বেচি দুখিয়া মানুহক দান কৰা,
তেহে স্বৰগত তোমাৰ ধন হব; আৰু আঁহা, মোৰ পাচত চলাহি ।
২২ এই কথা সুনি সেই ডেকাই অসন্তোস কৰি গুচি গল; কিয়নো তাৰ
বহু ধন সম্পত্তি আচিল ।

২৩ তেতিয়া য়িচুএ আপোনাৰ সিস্যবিলাকক বুলিলে, মই তোমোলাকত
স্বৰূপকৈ কৈচোঁ, ধনৱন্ত মানুহে স্বৰগ ৰাজ্যত সোমাবলৈ দুৰ্গম । ২৪ আৰু
বাৰ তোমোলাকত কৈচোঁ, ধনৱন্ত মানুহ ইস্বৰৰ ৰাজ্যত সোমোআতকৈ
বেজিৰ বিন্ধাই উট সৰকি জোআই টিল । ২৫ এই কথা সুনি তেঁওৰ সিস্য-
বিলাকে অতি বিস্মই মানি বুলিলে, তেনে হলে কোনে পৰিত্রান পাব
পাৰে? ২৬ তাতে তেঁও সিবিলাকলৈ চাই কলে, এই কথা মানুহৰ অসাধ্য
হই, কিন্তু ইস্বৰৰ আগত সকলো কথা সাধ্য । ২৭ তেতিয়া পিতৰে সমি-
ধান দি তেঁওত কলে, দেখা, আমাৰ সকলোকে এৰি আপোনাৰ পাচত
আহিলোঁ, এতেকে আমি নো কি পাম? ২৮ তাতে য়িচুএ সিবিলাকক
বুলিলে, মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, নতুন স্রিষ্টি কৰিবৰ কা-
লত জেতিয়া মানুহৰ পুত্ৰ আপোনাৰ প্ৰভাৱৰ সিংহাসনত বহিব, তেতিয়া
মোৰ পাচত অহা জি তোমোলাক, তোমোলাকে বাৰে খান সিংহাসনৰ
ওপৰত বহি ইস্রায়েলৰ বাৰে ফৈদৰ সোধ কৰিবা । ২৯ আৰু জি কো-
নোএ ঘৰ, বা ভাই ভনি, বা পিত্রি মাত্রি, বা তিৰোতা, বা লৰাবিলাক,
বা মাটিকে মোৰ নামৰ নিমিত্তে এৰে, সি এইবিলাকৰ ভালেমান গুন পাব,
আৰু অনন্ত আয়ুসৰ ভাগি হব । ৩০ কিন্তু আগ হোআ অনেক পাচ হব,
আৰু পাচ হোআ আগ হব ।

## ২০ অধ্যা।

কিয়নো জি এজন গিৰিহতে অতি পুআতে আপোনাৰ লতা পনিয়ালৰ
খেতিলৈ বনুআবিলাকক খৈয়া ধৰিবলৈ গৈচিল, তাৰ নিচিনা স্বৰগ ৰাজ্য।
২ পাচে বনুআই সৈতে দিনে পতি সিকি একোটা দিবলৈ কথা বান্ধি
সিহঁতক পনিয়ালৰ খেতিলৈ পাঁচিলে। ৩ এপৰ মান বেলিত তেঁও আ-
কও গৈ হাটত আজৰিএ থকা আন মানুহক দেখি সিহঁতত কলে, ৪ তহঁ-
তেও মোৰ পনিয়ালৰ খেতিলৈ জা; পাচে জি উচিত, মই তাক দিম; তে-
তিয়া সিহঁত গল। ৫ আকও দুপৰিয়া আৰু তিনি পৰিয়া মানত তেঁও গৈ
সেই ৰূপে আন মানুহকো লগালে। ৬ পাচে এঘন্টা মান বেলি থকাত
তেঁও আকও বাহিৰলৈ গৈ আন কেতবোৰক থিয় দি থাকিবৰ দেখি সি-
হঁতত সুধিলে, তহঁতে কি কাৰনে দিনটো বন নকৰি ইয়াত থিয় হৈ আচ-
হঁক? ৭ সিহঁতে বুলিলে, আমাক কেৱে খৈয়া লগোআ নাই। তাতে তেঁও
সিহঁতত কলে, তহঁতো মোৰ পনিয়ালৰ খেতিলৈ জা। ৮ পাচে গধুলি
হলত সেই খেতিৰ গৰাকিএ আপোনাৰ ঘৰগিৰিত কলে, বনুআবিলা-
কক মাতি আনি পাচে লগোআটৰে পৰা ধৰি পোনৰটলৈকে সিহঁতক
বেচ দিয়া। ৯ তাতে জি মানুহ এঘন্টামান বেলি থকাত আহিচিল, সি-
হঁতে গাইপতি সিকিৰ দৰে পালে। ১০ তেতিয়া পোনে লগোআ মানু-
হে আহি ভাবিলে, আমি সৰহকৈ পাম; কিন্তু সিহঁতেও গাইপতি সি-
কিকৈহে পালে। ১১ তাকে পাই গিৰিহতে সৈতে মুখামুখি কৰি বুলি-
লে, ১২ পাচে অহা ইবোৰে এঘন্টা মাথোন কাম কৰিলে; তথাপি গো-
টেই দিনৰ সুম আৰু তাপৰ ভোগ কৰা জি আমি, আমাৰে সৈতে সি-
হঁতক সমান কৰিলা। ১৩ কিন্তু তেঁও সিহঁতৰ এটাক উত্তৰ দি কলে, হেৰ
বুপাই, মই তোক একো অনিয়াই কৰা নাই; তই আগেয়ে এসিকিলৈ
কথা নেবান্ধিলি নে? ১৪ তই পাব লগা জি বেচ, তাক লৈ জা; তোৰ
সমানেই মই পাচে লগোআকো দিম। ১৫ আপোনাৰ বস্তুৰে মোৰ জি
কৰিবৰ মন, তাক কৰিবলৈ মোৰ উচিত নহই নে? মই হিত কৰা দেখি তোৰ
চকু পুৰিচে নে? ১৬ এই ৰূপে আগ হোআ পাচ হব, পাচ হোআ আগ
হব; কিয়নো নিমন্ত্রিত অনেক, কিন্তু মনোনিত কৰা তাকৰ।

১৭ তাৰ পাচে য়িচুএ য়িৰুচালমলৈ জাঁওতে বাটতে তেঁওৰ বাৰে জন
সিস্যক নির্জান ঠাইলৈ নি বুলিলে, ১৮ দেখা, আমি য়িৰুচালমলৈ গৈচোঁ,
তাতে মানুহৰ পুত্রক প্রধান পোৰোহিত আৰু অধ্যাপকবিলাকৰ হাতত সো-
ধাই দিয়া হব, আৰু সিবিলাকে তেঁওক বধ কৰিবলৈ আজ্ঞা কৰিব,
১৯ আৰু হিগতি কৰি চাবুকেৰে কোবাই, পেৰেঙ্গনিত মাৰিবৰ নিমিত্তে
বিদেসি লোকৰ হাতত তেঁওক সোধাই দিব; পাচে তিনি দিনৰ দিনা তেঁও
আকও উঠিব।

২০ তেতিয়া জবিদিৰ পুতেকবিলাকৰ মাকে আপোনাৰ পুতেকহঁতক লগত
লৈ তেঁওৰ ওচৰলৈ আহি কিচু অনুগ্ৰহ মাগন কৰিলে । ২১ তাতে তেঁও
তাইত কলে, তোমাৰ কি ইচা আচে? তাই বুলিলে, আপোনাৰ ৰাজ্যত
মোৰ এই দুই পোৰ এটাক আপোনাৰ সো হাতে, আনটক বাঁও হাতে
বহিবলৈ দিয়োক । ২২ তাতে য়িচূএ উত্তৰ কৰি কলে, তোমোলাকে জি-
হক খুজিচা, তাক নেজানা; মই জি পাত্ৰত পান কৰিম, তোমোলাকে
সেই পাত্ৰত পান কৰিব পাৰিবা নে? সিবিলাকে তেঁওক বুলিলে, আ-
মি পাৰিম । ২৩ তাতে তেঁও সিবিলাকত কলে, তোমোলাকে মোৰ বাটি-
তে অৱশ্যে পান কৰিবা; কিন্তু মোৰ সো হাতে আৰু বাঁও হাতে জিবি-
লাক থাকিবৰ নিমিত্তে মোৰ পিত্ৰিএ জুগুত কৰি থলে, সেইবিলাকৰ বা-
হিৰে আন কাকো তাত বহুআবলৈ মোৰ সক্তি নাই । ২৪ আন দহ জনে
এই কথা সুনি সেই দুজন ভায়েকলৈ খঙ্গ কৰিলে । ২৫ কিন্তু য়িচূএ আ-
পোনাৰ ওচৰলৈ সিহঁতক মাতি আনি বুলিলে, বিদেসি লোকৰ অধিকাৰ-
বিলাকে সিহঁতৰ ওপৰত বিসয়া বাব চলাই, আৰু ডাঙ্গৰিয়াবিলাকে সিহঁতৰ
ওপৰত সাসন কৰে, ইয়াক তোমোলাকে জানা । ২৬ কিন্তু তোমোলাকৰ মা-
জত তেনে নহব; তোমোলাকৰ মাজত জি কোনোএ বৰ হবলৈ ইচা কৰে,
সি তোমোলাকৰ সেৱক হওক; ২৭ আৰু তোমোলাকৰ মাজত জি কো-
নোএ প্ৰধান হবলৈ ইচা কৰে, সি তোমোলাকৰ বন্দি হওক । ২৮ এই
ৰূপে মানুহৰ পুত্ৰও সেৱা লবলৈ নাহিল, কিন্তু সেৱক হবলৈ আৰু অনে-
কৰ পৰিত্ৰানৰ বেচৰ অৰ্থে আপোনাৰ প্ৰান দিবলৈহে আহিল ।
২৯ পাচে সিবিলাক য়িৰিহোৰ পৰা ওলাই জাঁওতে তেঁওৰ পাচে পাচে
বৰ এজুম মানুহ গল । ৩০ তাতে দেখা, বাটৰ কাখৰত বহি থকা দুটা
কনা মানুহে য়িচূ সেই বাটেদি জোআ সুনি এটাহ পাৰি কলে, হে প্ৰভু,
দাৱিদৰ সন্তান, আমাক দায়া কৰোক । ৩১ তাতে সিহঁতে নিজম দি থা-
কিবলৈ লোকবিলাকে ডাবি দিলে; কিন্তু সিহঁতে আগতকৈয়ো বৰকৈ এটাহ
পাৰি কলে, হে প্ৰভু, দাৱিদৰ সন্তান, আমাক দায়া কৰোক । ৩২ তেতিয়া
য়িচূএ ৰৈ সিহঁতক মাতি কলে, মই তোমোলাকক কি কৰিবলৈ তোমোলাকৰ
ইচা? ৩৩ সিহঁতে কলে, হে প্ৰভু, আমাৰ জেন চকু মুকলি হই । ৩৪ তাতে
সিহঁতলৈ য়িচূৰ মৰম লাগি সিহঁতৰ চকু চুলে; তেতিয়াই চকুএ দেখা পো-
আত সিহঁত তেঁওৰ পাচত গল ।

## ২১ আধ্যা ।

সিবিলাকে য়িৰুচালমৰ ওচৰৰ জল্‌ফাই পৰ্বতৰ কাখৰত থকা বৈত্‌ফাগি
গাঁও পালত য়িচূএ আপোনাৰ দুজন সিস্যক পঠাই দি কলে, ২ তোমোলা-

কে এই সমুখৰ গাৱলৈ জোআ, তাতে বান্ধি থোআ পোআলিএ সৈতে গাধ এজনি পাবাগৈ; তাক মেলি মোলৈ আনা । ৩ আৰু কোনোবাই জদি তো- মোলাকক কিবা বোলে, তেন্তে তোমোলাকে তাত কবা, হেনে, প্ৰভুৰ ইয়াত প্ৰয়োজন আচে; তেতিয়াই সি সিইতক দি পঠাব । ৪ তাতে ভবিস্যত বক্তাই জি কৈচিল, বোলে, ৫ চিওনৰ জিয়েকত কোআ, হেনে, দেখা, তোমাৰ ৰজা নম্ৰ হৈ গাধ আৰু গাধৰ পোআলিত, অৰ্থাত ভাৰ বোআ গাধ পো- আলিত উঠি তোমাৰ ওচৰলৈ আহিচে, সেই কথা পুৰ হবলৈ এই সকলো ঘটিল ।

৬ পাচে সিস্যবিলাকে গৈ তেঁওৰ আগ্যাৰ দৰেই কৰি গাধ আৰু পো- আলি আনি, ৭ তাৰ ওপৰত সিবিলাকৰ কাপৰ পাৰি দিলত তাতে তেঁও উঠি বহিল । ৮ আৰু অনেক লোকে আপোনাৰ কাপৰ বাটত পাৰি দি- লে: আনবিলাকে গচৰ ডালকে কাটি বাটত পাৰি পাৰি দিলে; ৯ আৰু তেঁওৰ আগে পাচে জোআ সমুহবিলাকে ৰিঙ্গিয়া ৰিঙ্গিকৈ কলে, জই জই, দাবিদৰ সন্তান; প্ৰভুৰ নামেৰে জি জন আহিচে, তেঁও ধন্য; সকলোৰে ওপৰ স্বৰগত জই হওক! ১০ পাচে তেঁও য়িৰুচালম সোমালত, এঁও কোন বুলি গোটেই খন নগৰত খলক লাগিল । ১১ তাতে সমুহ লোকে কলে, এঁও গা- লিল দেসৰ নাচৰেতৰ ভবিস্যত বক্তা য়িচু ।

১২ পাচে য়িচুএ ইস্বৰৰ মন্দিৰত সোমাই, মন্দিৰৰ মাজত বেচা কিনা কৰা- বিলাকক বাহিৰলৈ খেদালে, আৰু ধন সলোআবিলাকৰ পহাৰ আৰু কুপৌ বেচাবোৱৰ বহা দলঙ্গ ওলোটাই পেলালে । ১৩ আৰু সিইঁতত কলে, এনে লিখা আচে, মোৰ ঘৰকে প্ৰাৰ্থনাৰ ঘৰ বোলা জাব, কিন্তু তোমোলা- কে তাক চোৰৰ গাত কৰিলাহঁক । ১৪ তেতিয়া মন্দিৰত কনা আৰু খোৰা মানুহবিলাক তেঁওৰ ওচৰলৈ আহিলত তেঁও সিইঁতক স্বস্থ কৰিলে । ১৫ কিন্তু প্ৰধান পোৰোহিত আৰু অধ্যাপকবিলাকে তেঁওক এই আচৰিত কৰম কৰা জেতিয়া দেখিলে, আৰু জই জই, দাবিদৰ সন্তান! এই দৰে লৰাবিলাকে মন্দিৰত ৰিঙ্গিয়া ৰিঙ্গি কৰাও জেতিয়া সুনিলে, তেতিয়া সিবিলাকে মনত বৰ বেজাৰ পাই তেঁওক বুলিলে, ইবিলাকে জি কৈচে, তাক তুমি সুনিচা নে? ১৬ য়িচুএ সিইঁতক বুলিলে, হই, লৰা আৰু পিয়াহ খোআ লৰাৰ মুখৰ পৰাও আপোনাৰ স্তুতি সম্পুৰ্ন কৰিলা, এই বচন তোমোলাকে কেতিয়াও পৰ্হা নাই নে? ১৭ পাচে তেঁও সিইঁতক এৰি নগৰৰ পৰা বৈথনিয়া গাঁৱ- লৈ গৈ তাতে ৰাতি থাকিল ।

১৮ আৰু ৰাতি পুআ হলত তেঁও আকও নগৰলৈ আহোঁতে তেঁওৰ ভোক লাগিল; ১৯ আৰু বাটৰ কাখৰত এজোপা ডিমৰু গচ দেখি, তাৰ ওচৰলৈ গৈ পাতৰ বাহিৰে তাত একো নেপাই, সেই গচত কলে, এতিয়াৰ পৰা তোত সদাই আৰু গুটি নেলাগোক; তেতিয়াই সেই ডিমৰু গচ লেৰেলা পৰিল

মৰিল । ২০ সিস্যবিলাকে তাকে দেখি বিস্মই মানি বুলিলে, অস, ডিমৰু
গচ কিমান বেগতে জঁই পৰি গল! ২১ তাতে য়িচুএ সমিধান দি কলে,
তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, তোমোলাকে সংসই নকৰি জদি বিস্বাস
কৰা, তেন্তে ডিমৰু গচকে এই ৰূপে কৰিব পাৰিবা, অকল এয়ে নহই, কিন্তু
এই পৰ্বতকো জদি বোলা, ইয়াৰ পৰা গুচি সাগৰত পৰগৈ, তাকো কৰা
হব । ২২ আৰু বিস্বাস কৰি প্ৰাৰ্থনাৰে জি জি খোজা, সকলোকে পাবা ।

২৩ পাচে মন্দিৰত সোমাই তেঁও উপদেস দিয়া কালত প্ৰধান পোৰোহিত
আৰু ব্ৰিধ লোকে তেঁওৰ ওচৰলৈ আহি সুধিলে, তুমি কি সক্তিয়েৰে নো
এইবিলাক কৰম কৰিচা? আৰু এই সক্তি বা তোমাক কোনে দিলে?
২৪ তাতে য়িচুএ সিইঁতক উত্তৰ কৰি কলে, ময়ো তোমোলাকত এটা কথা
সোধোঁ; আৰু তোমোলাকে জদি তাৰ উত্তৰ দিয়া, তেন্তে কি সক্তিয়েৰে
এইবিলাক কৰম কৰিচোঁ, তাক ময়ো তোমোলাকত কম । ২৫ য়োহানৰ বুৰ
দিওআ কৰ পৰা হল? স্বৰগৰ পৰা নে মানুহৰ পৰা? তাতে সিবিলাক ইজ-
নে সিজনে বিবেচনা কৰি বুলিলে, স্বৰগৰ পৰা হোআ জদি বোলোঁ, তেন্তে
তেঁওত কিয় বিস্বাস নকৰিলা? তেঁও এনেকৈ আমাক বুলিব । ২৬ আৰু মানুহৰ
পৰা হোআ জদি বোলোঁ, তেন্তে মানুহবিলাকলৈ আমাৰ ভই আচে; কিয়-
নো সকলোএ য়োহানক ভবিস্যত বক্তা বুলি মানে । ২৭ এই হেতুকে সি-
বিলাকে য়িচুক উত্তৰ দি কলে, আমি এই কথা কব নোআৰোঁ । তাতে তেঁও
সিবিলাকক বুলিলে, তেন্তে কি সক্তিয়েৰে এইবিলাক কৰম কৰিচোঁ, তাক
ময়ো তোমোলাকত নকওঁ ।

২৮ কিন্তু তোমোলাকে কেনে বুজা? এক মানুহৰ দুই পুতেক আচিল; সি
বৰটৰ ওচৰলৈ গৈ কলে, হে বুপাই, তই আজি লতা পনিয়ালৰ খেতিত
কাম কৰগৈ, জা । ২৯ তাতে সি উত্তৰ কৰিলে, মই নে জাঁও; কিন্তু পাচে
মনত খেদ পাই গল । ৩০ আৰু সৰুটৰ ওচৰলৈকো বাপেকে গৈ একে
কথাকে কলে । তাতে সি উত্তৰ দি বুলিলে, জাঁও বোপাই; তথাপি পাচে
নগল । ৩১ এই দুয়োৰো মাজত বাপেকৰ ইচা কোনটে পালন কৰিলে?
সিবিলাকে বুলিলে, বৰটে । তেতিয়া য়িচুএ সিবিলাকত কলে, তোমোলাকত
মই স্বৰূপকৈ কৈচোঁ, কৰ তোলা আৰু বেস্যালিবোৰেই তোমোলাকৰ আগেয়ে
স্বৰগ ৰাজ্যত সোমাব । ৩২ কিয়নো য়োহানে ধৰম পথে তোমোলাকৰ ওচ-
ৰলৈ আহিল, তথাপি তোমোলাকে তেঁওত বিস্বাস নকৰিলা, কিন্তু কৰ তোলা
আৰু বেস্যালিবোৰে তেঁওত বিস্বাস কৰিলে; তোমোলাকে তাক দেখিয়ো
পাচে বিস্বাস কৰিবলৈ মনত খেদ নকৰিলা ।

৩৩ আৰু এক পটন্তৰ সুনা । এজন গিৰিহত আচিল, তেঁও লতা পনিয়াল
ৰুই খেতি কৰি, তাৰ চাৰিও ফালে জেওৰা দি, মাজত পেৰাসাল পাতি
টঙ্গিয়ো সাজিলে; পাচে খেতিয়কবিলাকৰ হাতত সোধাই দি দূৰৈলৈ গল ।

৩৪ পাচে গুটি পাৰিবৰ দিন ওচৰ হলত তাৰ গুটি পাবৰ নিমিত্তে তেঁও খে-
তিয়কবিলাকৰ ওচৰলৈ আপোনাৰ বন্দিবোৰক পঠাই দিলে। ৩৫ কিন্তু
খেতিয়কবোৰে তেঁওৰ বন্দিইঁতক ধৰি কোনোটক মাৰ কিল কৰিলে, কো-
নোটক বধ কৰিলে, কোনোটক সিলেৰে মাৰিলে। ৩৬ আৰু বাৰ সেই গি-
ৰিহতে আগতকৈ অধিক বন্দি পঠালে, তাতে সিইঁতকো সেই ৰূপ বেৱ-
হাৰ কৰিলে। ৩৭ পাচে মোৰ পুত্ৰক হলে সিইঁতে আদৰ কৰিব, ইয়াকে
বুলি, তেঁও সেসত আপোনাৰ পুতেককো সিইঁতৰ ওচৰলৈ পঠালে। ৩৮ কিন্তু
খেতিয়কবোৰে পুতেকক দেখি ইটে সিটত কলে, এইটেই আগলৈ গৰাকি;
আঁহা, আমি ইয়াক মাৰি তাৰ সম্পত্তিৰ গৰাকি হঁও। ৩৯ পাচে সিইঁতে
তেঁওক ধৰি লতা পনিয়ালৰ খেতিৰ বাহিৰ কৰি মাৰি পেলালে। ৪০ এতে-
কে সেই খেতিৰ গৰাকি আহিলে সেই খেতিয়কবোৰক কি কৰিব? ৪১ সি-
বিলাকে বুলিলে, তেঁও সেই দুৰ্জনবোৰক দুৰ অৱস্থাৰে নষ্ট কৰিব, আৰু
তাৰ বতৰত গুটি দিয়া আন খেতিয়কবিলাকৰ হাতত খেতি সোধাই দিব।
৪২ তেতিয়া য়িচুএ সিবিলাকক বুলিলে, সিলাকুঁটিবোৰে জি সিল অগ্ৰাজ্য
কৰিলে, সেয়ে চুকৰ প্ৰধান সিল হল; এয়ে প্ৰভুৰ কৰম, আৰু আমি দে-
খাত আচৰিত; এই জি কথা ধৰম পুথিত লিখা আচে, তোমোলাকে তাক
কেতিয়াও পৰ্হা নাই নে? ৪৩ এই হেতুকে মই তোমোলাকত কৈচোঁ, তো-
মোলাকৰ পৰা ইস্বৰৰ ৰাজ্য নি, তাৰ ফল ধৰা জাতিক দিয়া হব। ৪৪ এই
সিলৰ ওপৰত জি জন পৰে, সি ভগন হব; কিন্তু জাৰ ওপৰত এই সিল
পৰিব, তাক খুন্দি গুৰি কৰিব। ৪৫ তেতিয়া প্ৰধান পোৰোহিত আৰু ফিৰু-
চিবিলাকে তেঁওৰ এই পটন্তৰৰ কথাবিলাক সুনি সিইঁতৰ অৰ্থে কোআ জেন
জানিলে; ৪৬ তাতে তেঁওক ধৰিবলৈ চল বিচাৰিলে, কিন্তু মানুহবিলাক-
লৈ ভই কৰিলে; কিয়নো সকলোএ তেঁওক ভবিস্যত বক্তা বুলি মানিলে।

## ২২ আধ্যা।

পাচে য়িচুএ মাত লগাই আকও পটন্তৰেৰে সিইঁতত কলে, বোলে, ২ জি
এজন ৰজাই আপোনাৰ পুতেকৰ বিয়া পাতিলে, তাৰ নিচিনা স্বৰগ ৰাজ্য।
৩ পাচে নিমন্ত্ৰন কৰাবিলাকক মাতিবলৈ বন্দিবোৰক পাঁচিলে, কিন্তু সি-
বিলাকে আহিবলৈ মন নকৰিলে। ৪ এই হেতুকে তেঁও আৰু বাৰ আন-
বিলাক বন্দি পঠাই কলে, বিয়ালৈ নিমন্ত্ৰন কৰা মানুহবিলাকত কগৈ, দেখা,
মোৰ ভোজ জুগুত কৰিলোঁ; মোৰ বলদ আদি বিষ্ট পুষ্ট পহু মৰা হৈচে,
আৰু সকলো জুগুত হল; তোমোলাকে বিয়ালৈ আঁহা। ৫ কিন্তু সিইঁতে তাক
লঘু জেন মানি কোনোটো আপোনাৰ খেতিলৈ, কোনোটো বেহা বেপাৰ-
লৈ গুচি গুচি গল। ৬ আৰু আন জিবোৰ থাকিল, সিইঁতে ৰজাৰ বন্দি-

বিলাকক ধৰি দুৰ্জনালি কৰি মাৰিলে । ৭ তেতিয়া ৰজাই এই কথা সুনি
খঙ্গ হৈ আপোনাৰ সেনা সেনাপতিক পঠাই, সেই বধ কৰাবোৰক নষ্ট
কৰি সিহঁতৰ নগৰ পুৰি পেলালে । ৮ পাচে তেঁও আপোনাৰ বন্দিবিলা-
কত কলে, বিয়াৰ ভোজ জুগুতে আচে, কিন্তু নিমন্ত্রন হোআবিলাক অজোগ্য;
৯ এই হেতুকে তইঁতে ৰাজবাটলৈ গৈ জাকে জাকে পা, আটাইকে বিয়াৰ
ভোজলৈ মাতি আন । ১০ তেতিয়া সেই বন্দিবোৰে ৰাজবাটলৈ গৈ ভাল
বেয়া জাকে জাকে পালে, সকলোকে চপাই আনিলে, তাতে আলহিবিলা-
কেৰে বিয়া ঘৰ ভৰিল । ১১ তেতিয়া ৰজাই আলহিবিলাকক চাবলৈ ভিত-
ৰলৈ আহি, তাতে বিয়াৰ কাপৰ নিপিন্ধা এটা মানুহক দেখি, ১২ তাক
বুলিলে, হেৰা মিত্তিৰ, তুমি বিয়াৰ কাপৰ নোহোআকৈ ইয়ালৈ কিয় আহি-
লা? তাতে সি অবাক হল । ১৩ তেতিয়া ৰজাই আপোনাৰ চাউডাঙ্গইতত
কলে, ইয়াক হাতে ভৰিয়ে বান্ধি নি বাহিৰৰ এন্ধাৰত পেলাগৈ; তাতে
ক্রন্দন আৰু দাঁত কৰচনি হব । ১৪ কিয়নো নিমন্ত্রিত অনেক, কিন্তু মনো-
নিত কৰা তাকৰ ।

১৫ তেতিয়া ফিৰুচিবিলাকে গৈ, কথা বাত্রাৰ দোআৰাই কি ৰুপে তেঁওক
ফান্দত পেলাব পাৰিব, এনে আলচ কৰি, ১৬ হেৰোদিয়া মানুহে সৈতে আ-
পোনাৰ সিস্যবিলাকক পঠাই তেঁওত কলে, হে গুৰু, আপুনি সত্য, আৰু
সত্য ৰুপে ইস্বৰৰ পথ দেখাইচে, আৰু কাতো চাটু নকৰে; কিয়নো আপু-
নি মানুহৰ মুখলৈ নেচাই, ইয়াক আমি জানোঁ । ১৭ এতেকে কৈচৰক কৰ
দিব লগা হই নে নহই, ইয়াত আপুনি কি ভাবে, আমাত কওক । ১৮ তাতে
য়িচুএ সিহঁতৰ দুৰ্জনালি জানি বুলিলে, হে কপটিয়াবিলাক, মোৰ পৰিখা
কিয় চাইচা? ১৯ কৰৰ ধন মোক দেখুউআ । তেতিয়া সিহঁতে তেঁওৰ আ-
গলৈ সিকি এটা আনিলে । ২০ তাতে তেঁও সিহঁতত সুধিলে, এই মুৰ্তি
আৰু নাম লিখা কাৰ? ২১ সিহঁতে কলে, কৈচৰৰ । তেতিয়া তেঁও সিহঁ-
তক বুলিলে, তেন্তে জি কৈচৰৰ, তাক কৈচৰক দিয়া, আৰু জি ইস্বৰৰ, তাক
ইস্বৰক দিয়া । ২২ এই কথা সুনি সিহঁতে বিস্মই মানি তেঁওক এৰি গুচি
গল ।

২৩ মৰা লোকৰ পুনৰ উঠান নহব বুলি কই, এনে জি চিদুকি মানুহ, সি-
হঁতে সেই দিনাই য়িচুৰ ওচৰলৈ আহি সুধিলে, বোলে, ২৪ হে গুৰু, কো-
নো মানুহ জদি সন্তান নাইকিয়াকৈ মৰে, তেন্তে ভায়েকে তাৰ তিৰোতাক
বিয়া কৰি ককায়েকলৈ বঙ্গহ ওপজাব, মোচাই এনে আগ্যা কৰিলে ।
২৫ আমাৰ লগত কোনো সাত ভাই ককাই আচিল; সিবিলাকৰ বৰটে
এজনি তিৰোতা বিয়া কৰিলে, আৰু সন্তান নোহোআকৈ মৰিলত আপো-
নাৰ ভায়েকলৈ তিৰোতা এৰি গল । ২৬ পাচে দুতিয় আৰু ত্রিতিয়, ক্রমে
সপ্তম্টলৈকে সেই ৰুপে কৰিলে । ২৭ সকলোৰে পাচত তিৰোতাও মৰিল ।
২৮ তেন্তে পুনৰ উঠানৰ কালত সেই সাতোটাৰ মাজত তাই কাৰ তিৰোতা

হব? কিয়নো সকলোএ তাইক বিয়া কৰিলে । ২৯ তাতে য়িচুএ উত্তৰ কৰি
কলে, তোমোলাকে ধৰম সাস্ত্র আৰু ইশ্বৰৰ সক্তি নেজানি ভুম হৈচাহঁক ।
৩০ কিয়নো পুনৰ উঠানৰ কালত মানুহে বিয়া নকৰে, বিয়া দিয়াও নহই,
কিন্তু সিবিলাক স্বৰগত থকা ইশ্বৰৰ দুতৰ নিচিনা হই । ৩১ মৰাবিলা-
কৰ উঠানৰ কথাত হলে, ইশ্বৰৰ পৰা তোমোলাকলৈ জি কোআ হৈচিল,
বোলে, ৩২ মই আব্রাহামৰ ইশ্বৰ, ইচাকৰ ইশ্বৰ, য়াকোবৰ ইশ্বৰ, তাক তো-
মোলাকে পৰ্হা নাই নে? ইশ্বৰ মৰাবিলাকৰ ইশ্বৰ নহই, কিন্তু জিয়াবিলাকৰ-
হে ইশ্বৰ । ৩৩ এই কথা সুনি সমুহ লোকবিলাকে তেঁওৰ সিখ্যাত বিস্মই
মানিলে ।

৩৪ পাচে তেঁও চিদুকিবোৰক নিমাত কৰা সুনি ফিৰুচিবিলাক তেঁওৰ
ওচৰত একে ঠাই হল; ৩৫ আৰু সিবিলাকৰ মাজৰ এজন বিধান পণ্ডিতে
তেঁওৰ পৰিখা চাবৰ নিমিতে সুধিলে, ৩৬ হে গুৰু, বিধানৰ কোনটো আগ্যা
প্রধান? ৩৭ তাতে য়িচুএ বুলিলে, তুমি সকলো মনেৰে, সকলো প্রানেৰে,
সকলো চিত্তেৰে তোমাৰ প্রভু পৰম ইশ্বৰক প্রেম কৰা, ৩৮ এয়ে প্রথম আৰু
প্রধান আগ্যা । ৩৯ আৰু তাৰে নিচিনা দুতিয় আগ্যাও এই, তোমাৰ
চুবুৰিয়াক আপোনাৰ নিচিনাকৈ প্রিতি কৰা । ৪০ এই দুই আগ্যাতে সক-
লো বিধান আৰু ভবিস্যত বক্তাৰ কথা আৰি থোআ হৈচে ।

৪১ ফিৰুচিবিলাকে একে ঠাই হৈ থাকোঁতে য়িচুএ সিবিলাকত সুধি-
লে, ৪২ খ্রিষ্টৰ কথাত তোমোলাকৰ মনে কি ধৰে? তেঁও কাৰ সন্তান?
সিহঁতে কলে, তেঁও দাৱিদৰ সন্তান । ৪৩ তাতে তেঁও বুলিলে, তেনে হলে,
প্রভুএ মোৰ প্রভুত কলে, মই জেতিয়ালৈকে তোমাৰ সত্রুবোৰক তোমাৰ
চৰনৰ অধিন নকৰোঁ, তেতিয়ালৈকে তুমি মোৰ সোঁ হাতে বহি থাকা, ৪৪ এই
কথা কৈ দাৱিদে আত্মাৰ দোআৰাই কিয় খ্রিষ্টক প্রভু বোলে? ৪৫ দাৱি-
দে জদি তেঁওক প্রভু বোলে, তেন্তে তেঁও কেনেকৈ দাৱিদৰ সন্তান হব পাৰে?
৪৬ তাতে সিহঁতৰ কোনেও এই কথাৰ এক উত্তৰ দিব নোআৰিলে; আৰু
সেই দিনৰে পৰা তেঁওত কোনো কথা সুধিবলৈকো কাৰো সাহ নহল ।

## ২৩ আধ্যা ।

তেতিয়া য়িচুএ লোক সমুহত আৰু আপোনাৰ সিস্যবিলাকত কলে,
২ অধ্যাপক আৰু ফিৰুচিবিলাকে মোচাৰ আসনত বহি আচে; ৩ এই
নিমিতে সিহঁতে তোমোলাকক জি জি আগ্যা মানিব দিয়ে, সেই সকলোকে
মান্য, আৰু পালন কৰা, কিন্তু সিহঁতৰ কৰমৰ দৰে হলে নকৰিবা; কিয়-
নো সিহঁতে কই মাথোন, কৰোঁতে নকৰে । ৪ সিহঁতে ববলৈ দুৰ্গম গধুৰ
ভাৰ বান্ধি মানুহবিলাকৰ কান্ধত দিয়ে, কিন্তু আপোনাৰ এটা আঙ্গুলিৰেও

তাক নবলাই। ৫ লোকে দেখিবৰ নিমিত্তে সিইঁতে আপোনাৰ সক-
লো কৰম কৰে; নাম চাব বহুলকৈ লই, আৰু আপোনাৰ কাপৰৰ দহি
দিঘলকৈ ৰাখে। ৬ ভোজত ওখ ঠাই আৰু নাম ঘৰত প্ৰধান আসন,
৭ হাট বজাৰত মানুহৰ নমস্কাৰ, আৰু গুৰু গুৰু বুলি লোকৰ সম্ভাসন, এই
সকলোলৈ ইচা কৰে। ৮ কিন্তু তোমোলাক হলে গুৰু বুলি মতা নহবা; কিয়-
নো তোমোলাকৰ একে জনা গুৰু (খ্রিষ্ট,) আৰু তোমোলাক ই সি সকলো ভাই
ভাই। ৯ আৰু প্ৰিথিবিত কাকো পিত্ৰি বুলি নেমাতিবা; কিয়নো তোমো-
লাকৰ একে জন স্বৰগত থকা পিত্ৰি। ১০ আৰু তোমোলাক অধিকাৰ বুলি
মতা নহবা; কিয়নো তোমোলাকৰ একে জন অধিকাৰ খ্রিষ্ট। ১১ কিন্তু তো-
মোলাকৰ মাজত জি জন বৰ, সি তোমোলাকৰ সেৱক হব। ১২ জি কো-
নোএ আপোনাক বৰ বুলি মানে, তাক সৰু কৰা হব; আৰু জি কোনোএ
আপোনাকে সৰু হেন মানে, তাক বৰ কৰা হব।

১৩ হাই হাই, কপটি অধ্যাপক আৰু ফিৰুচিবিলাক! মানুহবিলাকৰ
অহিতে তোমোলাকে স্বৰগ ৰাজ্যৰ পথ মাৰিচা; তোমোলাকে আপুনিও তাত
নোসোমোআ, আৰু সোমাবলৈ ধৰাবিলাককো সোমাব নিদিয়া। ১৪ হাই
হাই, কপটি অধ্যাপক আৰু ফিৰুচিবিলাক! তোমোলাকে এটা নতুন সিস্য
কৰাবলৈ সাগৰ আৰু প্ৰিথিবিকো মেৰাই ফুৰা, আৰু কোনোটক পালে তাক
আপোনাতকৈয়ো দুগুন নৰকি কৰা। ১৫ হাই হাই, কনা হৈ বাট দেখুউআ-
বিলাক! তোমোলাকে বোলা, কোনোএ জদি মন্দিৰত সপত কৰে, তাত একো
নহই; কিন্তু জি জনে মন্দিৰত থকা সোনত সপত কৰে, সি দুসি হই। ১৬ অগিয়া-
নি আৰু কনাবিলাক! সোন আৰু সোনকে পবিত্ৰ কৰা জি মন্দিৰ, এই দুই-
ৰো মাজত কোনটো বৰ? ১৭ আৰু তোমোলাকে বোলা, কোনোএ জদি হোমৰ
ভেঁটিত সপত কৰে, তাত একো নহই; কিন্তু জি জনে তাৰ ওপৰৰ উচৰগা দা-
নত সপত কৰে, সি দুসি হই। ১৮ অগিয়ানি আৰু কনাবিলাক! উচৰগা দান,
আৰু দানক পবিত্ৰ কৰা জি হোমৰ ভেঁটি, এই দুইৰো মাজত কোনটো বৰ?
১৯ এতেকে জি কোনোএ হোমৰ ভেঁটিত সপত কৰে, সি ভেঁটিত আৰু তাৰ
ওপৰৰ সকলোতে সপত কৰা হই। ২০ আৰু জি কোনোএ মন্দিৰত সপত
কৰে, সি মন্দিৰ আৰু তাৰ ভিতৰত থকা জি জন, দুইতো সপত কৰা হই।
২১ আৰু জি কোনোএ স্বৰগৰ নামে সপত কৰে, সি ইস্বৰৰ সিংহাসন আৰু
তাৰ ওপৰত জি জন বহি আছে, দুইতো সপত কৰা হই। ২২ হাই হাই, কপটি
অধ্যাপক আৰু ফিৰুচিবিলাক! তোমোলাকে পদিনা, গুআমৰি, জিৰা,
এইবিলাকৰ দহ ভাগৰ এভাগ দিয়া, কিন্তু বিধানৰ মাজৰ জি গধুৰ নিয়াই,
দায়া, আৰু বিশ্বাস, এইবিলাক কৰিবলৈ এৰিলাহঁক। সেইবোৰক পালন
কৰা, আৰু এইবিলাককো কৰিবলৈ নেৰা তোমোলাকৰ উচিত আছিল।
২৩ কনা হৈ বাট দেখুউআবিলাক! মহক চাকি পেলাই উটকে গিলাহঁক।

২৪ হাই হাই, কপটি অধ্যাপক আৰু ফিৰুচিবিলাক! তোমোলাকে বাটি আৰু
কাঁহিৰ বাহিৰ ফাল ঘঁহি ধোআ, কিন্তু ভিতৰ ফাল অপহৰন আৰু দুৰ্ক্ক-
মালিৰে পুৰ হৈ থাকে । ২৫ হে কনা ফিৰুচি! আগেয়ে বাটি আৰু কাঁ-
হিৰ ভিতৰ ফাল ঘঁহি ধোআ, তাৰে বাজ ফালো নিকা হব । ২৬ হাই
হাই, কপটি অধ্যাপক আৰু ফিৰুচিবিলাক! তোমোলাক বগা কৰা মৈদা-
মৰ নিচিনা হৈচা; সেইবোৰ বাহিৰ ফালে দেখিবলৈ সুন্দৰ হই, কিন্তু ভি-
তৰ ফালে মৰা মানুহৰ হাৰ আৰু সকলো প্ৰকাৰ মলিৰে ভৰি থাকে,
২৭ সেই ৰূপে তোমোলাকো বাহিৰে মানুহে দেখাত ধৰমি, কিন্তু ভিতৰে
কেৱল কপট আৰু অধৰমেৰে পুৰ হৈচা । ২৮ হাই হাই, কপটি অধ্যাপক
আৰু ফিৰুচিবিলাক! তোমোলাকে ভবিস্যত বক্তাবিলাকৰ মৈদাম বান্ধা,
আৰু সাধুবিলাকৰ মৈদাম সোভিত কৰা, ২৯ আৰু ইয়াকে বোলা, আ-
মাৰ ওপৰ পিত্রিবিলাকৰ দিনত আমি থকা হলে, সিবিলাকে সৈতে ভবিস্যত
বক্তাবিলাকক বধ কৰাৰ ভাগি নহলোঁহেঁতেন । ৩০ এই ৰূপে তোমোলাক
জে ভবিস্যত বক্তা সকলক বধ কৰাবিলাকৰ সন্তান, তোমোলাক আপুনিয়েই
তাৰ সাখি হৈচা । ৩১ এই হেতুকে তোমোলাকেও আপোনাৰ ওপৰ পিত্রি-
বিলাকৰ জোখৰ পাত্র পুৰ কৰিচা । ৩২ হেবৈৰ সৰ্পগন! কাল সৰ্পৰ সঁচ!
তোমোলাকে নো কি ৰূপে নৰকৰ দণ্ড সাৰিবা?

৩৩ এই নিমিত্তে দেখা, মই তোমোলাকৰ ওচৰলৈ ভবিস্যত বক্তা, গ্যানৱন্ত,
আৰু অধ্যাপক সকলক পঠাঁও; সিবিলাকৰ মাজৰ কেতবিলাকক তোমো-
লাকে বধ কৰিবা, পেৰেঙ্গনিতো মাৰিবা; কেতবোৰক নাম ঘৰত চাবুকেৰে
কোবাবা, আৰু নগৰে নগৰেও তাৰনা কৰিবা । ৩৪ তাতে পৰমাৰ্থিক হে-
বেলৰ তেজ উলিওআৰে পৰা বাৰাখিয়াৰ পুতেক জি জিখৰিয়াক তোমো-
লাকে মন্দিৰ আৰু হোমৰ ভেঁটিৰ মাজতে বধ কৰিলা, তাৰ তেজ উলিওআ-
লৈকে প্ৰিথিবিৰ ওপৰত সকলো সাধুৰ তেজ উলিওআৰ দোস তোমোলাকৰ
গাত পৰিব । ৩৫ তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, এই বৰ্তমান কালৰ
লোকবিলাকত এই সকলো ঘটিব ।

৩৬ হে ভবিস্যত বক্তা সকলক বধ কৰোঁতা, আৰু তোমালৈ পঁচাবিলাকক
সিলেৰে মাৰোঁতা য়িৰুচালম! য়িৰুচালম! কুকুৰাই জেনেকৈ আপোনাৰ পো-
আলিবোৰক ডেউকাৰ তলত চপাই লই, তেনেকৈ ময়ো তোমাৰ পোআ-
ইতক কেতে বেলি চপাবলৈ ইচা কৰিলোঁ, কিন্তু তোমোলাকে মন নিদিলা!
৩৭ দেখা, তোমাৰ ঘৰ নিৰ্জান কৰি তোমালৈ এৰা হৈচে । ৩৮ কিয়নো
মই তোমোলাকত কৈচোঁ, প্ৰভুৰ নামেৰে জি জন আহিচে, তেঁও ধন্য, এই
কথা নোবোলা মানলৈকে এতিয়াৰ পৰা মোক আৰু দেখিবলৈ নেপাবা ।

## ২৪ আধ্যা ।

পাচে য়িচূএ মন্দিৰৰ পৰা বাহিৰলৈ ওলাই গলত তেঁওৰ সিস্যবিলাকে তেঁওক
মন্দিৰৰ নির্মান ঘৰবিলাক দেখুআবলৈ আহিল । ২ তেতিয়া য়িচূএ সিবি-
লাকত কলে, তোমোলাকে এই সকলোকে নেদেখিচা? তোমোলাকত মই
স্বৰুপকৈ কওঁ, ইয়াৰ এটা সিল আন সিলৰ ওপৰত নথকাকৈ আটাইকে
পেলোআ হব ।

৩ পাচে তেঁও জলফাই পর্বতৰ ওপৰত বহিলত সিস্যবিলাকে গুপুতে তেঁওৰ
ওচৰলৈ আহি সুধিলে, এইবিলাক কথা কেতিয়া ঘটিব? আৰু আপুনি
অহাৰ, আৰু এই জগতৰ সেস হোআৰ বা লখ্যন কি? তাক আমাত কওক ।
৪ তেতিয়া য়িচূএ সমিধান দি সিবিলাকত কলে, কোনেও জেন তোমোলা-
কক নুভুলাই, তালৈ সাৱধান হোআ । ৫ কিয়নো মই খ্রিস্ট, ইয়াকে
বুলি অনেকে মোৰ নামেৰে আহি ভালেমানক ভুলাব । ৬ আৰু তো-
মোলাকে ৰনৰ কথা আৰু জুধৰ বাত্রা সুনিবা; সাৱধান হোআ, বিয়া-
কুল নহবা; কিয়নো এই সকলো কথা ঘটিব, কিন্তু তেতিয়া সেস নহই ।
৭ দেসৰ বিৰোধে দেস, ৰাজ্যৰ বিৰোধে ৰাজ্য উঠিব, আৰু ঠায়ে ঠায়ে
আঁকাল, মাউৰ, আৰু ভুঁইকঁপ হব; ৮ এই সকলো দুখৰ আৰম্ভনহে মা-
থোন । ৯ সেই কালত দুখ দিবৰ নিমিত্তে মানুহবিলাকে তোমোলাকক লো-
কৰ হাতত সোধাই দিব, বধো কৰিব, আৰু মোৰ নামৰ নিমিত্তে তোমো-
লাক সকলো দেসৰ লোকৰ পৰা ঘিন কৰা হবা । ১০ তেতিয়া অনেকে
বিঘিনি পাই, ই সি ঘিন কৰি, এটাই এটাক লোকৰ হাতত সোধাই
দিব । ১১ আৰু অনেক মিচা ভবিস্যত বক্তা ওলাই ভালেমানক অপথে
নিব; ১২ আৰু অধৰম অধিক হোআত অনেক মানুহৰ প্রেম চেঁচা হৈ জাব ।
১৩ কিন্তু জি কোনোএ সেসলৈকে থিৰে থাকে, সি পৰিত্রান পাব । ১৪ আৰু
সর্ব জাতি লোকলৈ সাখি হবৰ নিমিত্তে ৰাজ্যৰ এই সুভ বাত্রা গোটেই জগ-
তত কির্তন কৰা জাব; তেতিয়া সেস হব ।

১৫ এই হেতুকে জি সর্বনাস কৰোঁতা ঘিন লগা বস্তুৰ কথা দানিয়েল
ভবিস্যত বক্তাৰ দোআৰাই কোআ হৈছিল, তাক জেতিয়া পবিত্র থানত থকা
দেখিবা; জি জনে পঢ়ে, সি বুজোক; ১৬ তেতিয়া জিবিলাক য়িহুদা দে-
সত থাকে, সিবিলাকে পর্বতলৈ পলাই জাওক; ১৭ জি কোনোএ ঘৰৰ ওপ-
ৰত থাকে, সি ঘৰৰ পৰা বস্তু নিবলৈ নেনামোক; ১৮ আৰু জি কোনো
খেতিত থাকে, সি আপোনাৰ কাপৰ লবলৈ উলটি নে জাওক । ১৯ কিন্তু
সেই কালত গর্ভৱতি আৰু পিয়াহ দিয়া তিৰোতাবিলাকৰ সন্তাপ হব ।
২০ আৰু তোমোলাকৰ পলোআ জেন জাৰ কালি বা বিস্রাম বাৰত নহই,
তালৈ প্রার্থনা কৰিবা । ২১ কিয়নো সেই কালত জেনে দুখ হব, জগতৰ
আদিৰে পৰা এতিয়ালৈকে তেনে দুখ কেতিয়াও হোআ নাই, আগলৈকো

নহব। ২২ আৰু সেই কাল তাকৰ কৰা নোহোআ হলে কোনো প্রানি-
ৰে ৰখ্যা নহলহেঁতেন; কিন্তু মনোনিত লোকৰ নিমিত্তে সেই কাল তাকৰ
কৰা জাব।

২৩ তেতিয়া জদি কোনোএ তোমোলাকক বোলে, দেখা, খ্রিস্ট ইয়াত
বা তাতে আছে, তেন্তে তাৰ কথাত বিশ্বাস নকৰিবা। ২৪ কিয়নো ভাঁৰি
কোআ খ্রিস্ট আৰু ভাঁৰি কোআ ভবিস্যত বক্তাবোৰ ওলাই মহা চিন
আৰু আচৰিত কৰম দেখুআব; তাতে কৰিব পৰা কথা হলে, মনোনিত-
বিলাককো অপথে নিবইহে। ২৫ দেখা, মই আগেয়ে তোমোলাকত কলোঁ।
২৬ এই হেতুকে লোকে জদি তোমোলাকক বোলে, দেখা, তেঁও হাবিত আছে,
তেন্তে বাহিৰলৈ নেজাবা; নাইবা দেখা, তেঁও ভিতৰ খোঁটালিত আছে বুলি-
লেও, বিস্বাস নকৰিবা। ২৭ কিয়নো বিদুলি জেনেকৈ পুব ফালৰ পৰা
ওলাই পচিম ফাললৈকে পহৰ কৰে, সেই ৰুপে মানুহৰ পুত্রৰো অহা হব।
২৮ জি ঠাইত মৰা স থাকে, তাতেহে সগুন গোট খোআ হব।

২৯ সেই দুখৰ কালৰ পাচে, হঠাতে সুৰ্জৰ পহৰ গুচিব; চন্দ্রেও জোনাক
নকৰিব, আকাসৰ পৰা তৰাবিলাক খহি পৰিব, আৰু আকাসৰ সক্তি-
বিলাকো লৰোআ হব। ৩০ তেতিয়া আকাসত মানুহৰ পুত্রৰ চিন দেখা
জাব; আৰু তেঁও মহিমা আৰু মহা প্রভাৱেৰে আকাসৰ মেঘত অহা দেখি
প্রিথিবিৰ সকলো ভঙ্গহৰ মানুহে ক্রন্দন কৰিব। ৩১ তেতিয়া ভেঁৰিৰ মহা
সবদেৰে তেঁও আপোনাৰ দুত সকলক পঠাব, তাতে সিবিলাকে আকাসৰ
এক সিমাৰ পৰা আন সিমালৈকে চাৰিও ফালৰ পৰা তেঁওৰ মনোনিত
লোকবিলাকক চপাই আনিব।

৩২ ডিমৰু গচৰ পৰা এক পটন্তৰ সিকা। জেতিয়া তাৰ কোমল ঠাল
ওলাই কুঁহি পাত মেলে, তেতিয়া ঘাম কালিৰ ওচৰ হই, তাক তোমো-
লাকে জানা। ৩৩ সেই ৰুপে জেতিয়া তোমোলাকে এই সকলোকে হবৰ
দেখিবা, তেতিয়া সেই কাল ওচৰ চাপি দুআৰ মুখ পালেহি, ইয়াকে
জানিবা। ৩৪ তোমোলাকত মই স্বৰুপকৈ কওঁ, এই বৰ্তমান কালৰ মানুহ
জোআৰ আগেয়ে এই সকলো কথা ঘটিব। ৩৫ আকাস আৰু প্রিথিবি
গুচিব, তথাপি মোৰ কথা নুগুচে।

৩৬ কিন্তু অকল মোৰ পিত্রিৰ বাহিৰে মানুহ, বা স্বৰগৰ দুতবিলাক,
কোনেও সেই দিন আৰু সেই ডাঁৰ নেজানে। ৩৭ নোহাৰ কালত জেনে
হৈচিল, মানুহৰ পুত্র আহিবৰ কালতো তেনে হব। ৩৮ জলাপ্লাবিতৰ আ-
গেয়ে নোহাই জাহাজত সোমোআ দিনলৈকে জেনেকৈ মানুহবিলাকে ভো-
জন পান কৰিলে, বিয়া কৰাই বিয়া দি আছিল, ৩৯ আৰু জলাপ্লাৱন আ-
হি সকলোকে গুচাই নিনিয়ালৈকে একো চিন্তা নকৰিলে, সেই ৰুপে মানু-
হৰ পুত্র আহিবৰ কালতো হব। ৪০ তেতিয়া দুজন মানুহ খেতিত থকাত

এজন ধৰা হব, এজনক এৰা হব । ৪১ দুজনি তিৰোতাই একে জাঁটত ডলি
থাকোঁতে, তাৰে এজনিক ধৰা হব, এজনিক এৰা হব ।
৪২ এই হেতুকে পৰ দি থাকা; কিয়নো তোমোলাকৰ প্ৰভু কোন দিনত
আহিব, তাক তোমোলাকে নেজানা । ৪৩ কোন খিনি পৰত চোৰ আহিব,
তাক গিৰিহতে জনা হলে, সি জাগি থাকি আপোনাৰ ঘৰত সিন্ধি খানিব
নিদিলেহেঁতেন, ইয়াকে জানিবা । ৪৪ তোমোলাকো জুগুত হৈ থাকা, কিয়-
নো জি ভাঁৰত তোমোলাকে নেভাবা, সেই ভাঁৰতে মানুহৰ পুত্ৰ আহিব ।
৪৫ আৰু ঘৰৰবিলাকক সময় ৰুপে ভোজ খুআবলৈ জিটো বন্দিক গৰা-
কিয়ে আপোনাৰ ঘৰগিৰি পাতি থই, এনে বিশ্বাসি বুধিমন্ত বন্দি কোন?
৪৬ গৰাকি আহিবৰ বেলা জি বন্দিক সেই দৰে কৰা দেখে, সি ধন্য ।
৪৭ তোমোলাকত মই স্বৰুপকৈ কৈচোঁ, গৰাকিয়ে তাক আপোনাৰ সকলো
বস্তুৰ অধিকাৰ পাতিব । ৪৮ কিন্তু মোৰ গৰাকিয়ে অহা পলম কৰে, ইয়াক
মনত ভাবি, ৪৯ সেই দুস্ট বন্দিয়ে জদি লগৰ বন্দিবোৰক মাৰিবলৈ ধৰে,
আৰু মদপিৰ লগত ভোজন পান কৰে, ৫০ তেন্তে জি দিনত সেই বন্দিয়ে
গৰাকিলৈ বাট নেচাই, আৰু জি ভাঁৰত নেভাবে, এনে সময়তে তেঁও আ-
হিব; ৫১ আৰু তাক দোচোআকৈ কাটি কপটিবোৰৰ লগৰ ভাগি কৰিব;
তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব ।

## ২৫ আধ্যা ।

তেতিয়া জি দহ জনি কন্যাই চাকি লৈ দৰাক আগ বঢ়াবলৈ গৈচিল,
তাৰ নিচিনা স্বৰগ ৰাজ্য হব । ২ সিহঁতৰ পাঁচ জনি বুধিয়ক, পাঁচ জনি
অগিয়ানি । ৩ জি কেই জনি অগিয়ানি, সিহঁতে চাকি লৈ তাৰ লগত
তেল নললে; ৪ কিন্তু বুধিয়কবিলাকে চাকি আৰু কুপাত তেলো ললে ।
৫ আৰু দৰাই পলম কৰা দেখি সকলোএ কলমটিয়াই টোপনি গল ।
৬ পাচে মানিসা ৰাতি, দেখা, দৰা আহিচে, তেঁওক আগ বঢ়াবলৈ জো-
আ, এনে ৰিঙ্গাৰোআ হল; ৭ তাতে সেই সকলো কন্যাবিলাকে উঠি আ-
পোন আপোন চাকি বঢ়াবলৈ ধৰিলে । ৮ তেতিয়া অগিয়ানিবোৰে
বুধিয়কবিলাকত কলে, আমাক অলপমান তোমোলাকৰ তেল দিয়া, আমাৰ
চাকি নুমাই গল । ৯ তাতে বুধিয়কবিলাকে উতৰ দি বুলিলে, তেনে নহই;
তোমোলাক আৰু আমাকো তেলে নুজুৰিব; তাতকৈ বেচাবিলাকৰ তলৈ জো-
আ, আৰু আপোনাৰ নিমিত্তে কিনাগৈ । ১০ কিন্তু সিহঁতে কিনিবলৈ জাঁও-
তে দৰা আহিল; তাতে জি কেইজনি জুগুত হৈচিল, সিবিলাকে তেঁওৰ লগত
গৈ বিয়া ঘৰত সোমাল, আৰু দুআৰ মৰা হল । ১১ তাৰ পাচে আন কন্যা-
বিলাকো আহি কলে, হে প্ৰভু, হে প্ৰভু, আমালৈ দুআৰ মেলি দিয়োক ।

১২ কিন্তু তেঁও উত্তৰ কৰি কলে, তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, মই তো-
মোলাকক নিচিনোঁ। ১৩ এই নিমিত্তে পৰ দি থাকা; কিয়নো [মানুহৰ
পুত্ৰ আহিবৰ] দিন বা ডাঁৱ, তাক তোমোলাকে নেজানা॥

১৪ আৰু দেশান্তৰে জোআ এজন মানুহৰ নিচিনা হব। তেঁও আপো-
নাৰ বন্দিবোৰক মাতি আনি, ১৫ সিহঁতৰ গাই পতি সক্তিৰ দৰে কোনো-
টক ৰূপ পাঁচ গাগৰি, কোনোটক দুগাগৰি, কোনোটক এগাগৰি, এই
ক্ৰমে আপোনাৰ ধন বাঁটি দি তেতিয়াই জাত্ৰা কৰিলে। ১৬ পাচে জি-
টোএ পাঁচ গাগৰি পাইচিল, সি গৈ তাৰে সৈতে বেহা কৰি, আৰু পাঁচ
গাগৰি লাভ উলিয়ালে। ১৭ আৰু জিটোএ দুই গাগৰি পাইচিল, সিও
আৰু দুগাগৰি লাভ পালে। ১৮ কিন্তু জিটে এগাগৰি পাইচিল, সি
গৈ মাটিত গাঁত খানি তাতে আপোনাৰ গৰাকিৰ ধন লুকাই থলে।
১৯ ভালে দিনৰ পাচত সেই বন্দিবোৰৰ গৰাকিএ আহি সিহঁতে সৈতে লেখ্য
বুজ কৰিলে। ২০ তেতিয়া জিটোএ পাঁচ গাগৰি ৰূপ পাইচিল, সি আৰু
পাঁচ গাগৰি আনি কলে, হে প্ৰভু, আপুনি মোক পাঁচ গাগৰি ৰূপ দি
গৈচিল; দেখোক, তাৰে সৈতে আৰু পাঁচ গাগৰি লাভ পালোঁ। ২১ তাৰ
গৰাকিয়ে তাক বুলিলে, চাবাইচ, উত্তম বিশ্বাসি বন্দি! তুমি অলপ বস্তুতে
বিশ্বাস ৰাখিলা, তোমাক অনেক বিসয়ৰ অধিকাৰ পাতিম; তুমি আপো-
নাৰ গৰাকিৰ সুখৰ ভাগি হোআ। ২২ পাচে জিটোএ দুই গাগৰি পাই-
চিল, সিও আহি কলে, হে প্ৰভু, আপুনি মোক দুগাগৰি ৰূপ দি গৈচিল;
দেখোক, তাৰে সৈতে আৰু দুগাগৰি লাভ পালোঁ। ২৩ তাতে তাৰ গৰা-
কিয়ে তাক বুলিলে, চাবাইচ, উত্তম বিশ্বাসি বন্দি! তুমি অলপ বস্তুতে বিশ্বাস
ৰাখিলা, তোমাক অনেক বিসয়ৰ অধিকাৰ পাতিম; তুমি আপোনাৰ
গৰাকিৰ সুখৰ ভাগি হোআ। ২৪ তাৰ পাচে জিটে এগাগৰি পাইচিল,
সি আহি কলে, হে প্ৰভু, আপুনি কঠিন লোক, ইয়াক মই জানিলোঁ; আ-
পুনি জি ঠাইত বোআ নাই, তাতে দাই; আৰু জি ঠাইত সিঁচা নাই, তাতে
চপাই; ২৫ এই হেতুকে ভই লাগি মই গৈ আপোনাৰ ৰূপ গাগৰি মাটিত
লুকাই থৈচিলোঁ; দেখোক, আপোনাৰ জি হই, তাক পাইচে। ২৬ তে-
তিয়া তাৰ গৰাকিয়ে তাক বুলিলে, হেৰৈ দুষ্ট এলেহুআ বন্দি, মই জি ঠাইত
নবঁও, তাতে দাঁও, আৰু জি ঠাইত নিসিচোঁ, তাতে চপাঁও, ইয়াকে তই জা-
নিলি; ২৭ তেনে হলে মুদৈৰ হাতত মোৰ ধন দিব লাগিচিল, তাকে কৰা
হলে মই আহি বাৰ্হিয়ে সৈতে মোৰ ধন পালোঁহেঁতেন। ২৮ এই নিমিত্তে
ইয়াৰ পৰা এই গাগৰি নি, জাৰ দহ গাগৰি আচে, তাক দিয়া। ২৯ কিয়নো
জাৰে জাৰে আচে, তাক আৰু দিয়া হব, তাতে তাৰ অধিক হব; কিন্তু জাৰ
নাই, তাৰ জি আচে, তাকো তাৰ পৰা নিয়া হব। ৩০ আৰু অকাৰ্জ্য ভাগি
বন্দিক বাহিৰৰ এন্ধাৰত পেলোআহঁক, তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হব॥

৩১ জেতিয়া মানুহৰ পুত্ৰই দুত সকলক লগত লৈ আপোনাৰ প্ৰভাৱেৰে
আহে, তেতিয়া আপোনাৰ ঐশ্বৰ্য্যৰ সিংহাসনৰ ওপৰত বহিব, ৩২ আৰু
সকলো জাতি লোকক তেঁওৰ আগলৈ চপাই অনা হব । পাচে ৰখিয়াই
জেনেকৈ চাগৰ পৰা মেৰবোৰক বেলেগাই, সেই ৰূপে তেঁও সিবিলা-
কৰ এজনৰ পৰা আন জনক বেলেগ কৰি, ৩৩ মেৰবিলাকক সোঁ ফালে,
চাগবোৰক বাঁও ফালে থব । ৩৪ তেতিয়া ৰজাই আপোনাৰ সোঁ ফালে
থকাবিলাকত কব, আঁহা, মোৰ পিত্ৰিৰ অনুগ্ৰহ পোআবিলাক, তোমোলা-
কৰ নিমিত্তে জগতৰ সৃষ্টিৰে পৰা জি ৰাজ্য জুগুত কৰি থোআ হৈচে, তাৰে
অধিকাৰ হোআ । ৩৫ কিয়নো মোৰ ভোক লাগিল, তাতে তোমোলাকে
মোক খাবলৈ দিলা; পিয়াহ লাগিল, তাতে পান কৰিবলৈ দিলা; বিদে-
সি হৈচিলোঁ, তোমোলাকে ঘৰলৈ আনিলা; ৩৬ উদঙ্গে আচিলোঁ, তোমো-
লাকে কাপৰ পিন্ধালা; নৰিয়া পৰিলোঁ, আৰু তোমোলাকে মোক চাবলৈ
গৈচিলা, বন্দিসালত আচিলোঁ, তাতো মোৰ ওচৰলৈ আহিচিলা । ৩৭ তে-
তিয়া ধৰমিবিলাকে তেঁওক সমিধান দি বুলিব, হে প্ৰভু, আপোনাৰ ভোক
লাগিবৰ দেখি আমি কেতিয়া খাবলৈ দিচিলোঁ? নাইবা পিয়াহ লাগিবৰ
দেখি কেতিয়া পান কৰালোঁ? ৩৮ আপুনি বিদেসি হোআত আমি নো
কেতিয়া দেখি ঘৰলৈ আনিলোঁ? নাইবা উদঙ্গে থাকিবৰ দেখি কেতিয়া কা-
পৰ পিন্ধালোঁ? ৩৯ আৰু আপোনাক নৰিয়া বা বন্দিসালত থকা দেখিয়েই
নো আমি কেতিয়া আপোনাৰ ওচৰলৈ গৈচিলো? ৪০ তেতিয়া ৰজাই উত্তৰ
দি সিবিলাকক বুলিব, মই তোমোলাকত স্বৰূপকৈ কওঁ, মোৰ এই ভাইবি-
লাকৰ মাজৰ কোনো সৰু এটিকো জি কৰিচিলা, তাক মোকেইহে কৰিলা ।
৪১ পাচে তেঁওৰ বাঁও ফালে থকাবোৰক বুলিব, হেৰৈ সাৰে পোআইঁত,
চইতান আৰু তাৰ দুতবোৰৰ নিমিত্তে জি অনন্ত জুই জুগুত কৰা হৈচে,
তইঁতে মোৰ ওচৰৰ পৰা তালৈ গুচি জাইঁক । ৪২ কিয়নো মোৰ ভোক লা-
গিল, তাতে তইঁতে মোক খাবলৈ নিদিলি; পিয়াহ লাগিলত পান কৰি-
বলৈ নিদিলি; ৪৩ বিদেসি হৈচিলোঁ, কিন্তু মোক ঘৰলৈ নানিলি; উদঙ্গে
আচিলোঁ, কিন্তু মোক কাপৰ নিপিন্ধালি; নৰিয়া আৰু বন্দিসালত আ-
চিলোঁ, কিন্তু মোক চাবলৈ নাহিলি । ৪৪ তেতিয়া সিহঁতেও সমিধান দি
তেঁওত কব, হে প্ৰভু, আমি নো কেতিয়া আপোনাৰ ভোক পিয়াহ লগা,
বিদেসি, বা উদঙ্গে থকা, নৰিয়া, বা বন্দিসালত পৰা দেখি উপকাৰ কৰা
নাই? ৪৫ তেতিয়া তেঁও সিহঁতক উত্তৰ দি বুলিব, তহঁতত মই স্বৰূপকৈ
কওঁ, এইবিলাকৰ কোনো সৰু এটিকে জি কৰা নাই, তাক মোকেইহে নকৰি-
লি । ৪৬ পাচে সিহঁতে অনন্ত সাস্তিলৈ, কিন্তু ধৰমি সকলে অনন্ত আয়ুস
ভোগ কৰিবলৈ জাব ।

## ২৬ আধ্যা ।

পাচে এনে হল, য়িচুএ এই সকলো কথা কৈ এঁটাই আপোনাৰ সিস্যবিলা-
কত কলে, বোলে, ২ তোমোলাকে জানিচা, আৰু দুদিনৰ পাচে নিস্তাৰ পৰ্ব
হব; তেতিয়া মানুহৰ পুত্ৰক পেৰেঙ্গনিত মাৰিবলৈ লোকৰ হাতত সোধাই
দিব ।

৩ পাচে প্ৰধান পোৰোহিত, অধ্যাপক আৰু বিৰধ লোকে কায়ফা না-
মেৰে বৰ পোৰোহিতৰ চৰাতে গোট খাই, ৪ য়িচুক ফন্দকৈ ধৰি মাৰিব-
লৈ আলচ কৰিলে; ৫ কিন্তু সিহঁতে বুলিলে, পৰ্বৰ দিনা নহই, পাচে জানোঁ
সমুহৰ মাজত হুৰামুৰা লাগিব ।

৬ পাচে য়িচুএ বৈথনিয়া গাঁৱত চিমোন কুঠিয়াৰ ঘৰত থকা সময়ত, ৭ এজ-
নি তিৰোতাই বহু মুল্যৰ গন্ধ তেল ভৰোআ ফটিকৰ টেমা এটা লৈ তেঁওৰ
ওচৰলৈ আহি তেঁও ভোজনত আউজি থাকোঁতে তেঁওৰ মুৰত বাকি দিলে ।
৮ তাকে দেখি তেঁওৰ সিস্যবিলাকে বেজাৰ কৰি বুলিলে, এনে হানি কিয়?
৯ এই তেল দেখোন ভালেমান ধনলৈ বেচি দুখিয়া মানুহক দান কৰিব পা-
ৰিলেহেঁতেন । ১০ য়িচুএ তাকে জানি সিস্যবিলাকত কলে, এই তিৰোতাক
কেলেই দুখ দিচা? তাই মোলৈ উত্তম কৰম কৰিলে । ১১ দুখিয়া মানুহ তো-
মোলাকৰ লগত সদাই আচে; কিন্তু মই তোমোলাকৰ লগত সদাই নেথাকোঁ ।
১২ এই জে মোৰ সৰিলত গন্ধ তেল বাকি দিলে, মোক মৈদামত দিয়াৰ
কাৰনেহে তাকে কৰিলে । ১৩ তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, গোটেই
জগতৰ জি জি ঠাইতে এই সুভ বাত্ৰা কিৰ্তন কৰা হব, সেই সেই ঠাইত
তাইক সুঁওৰিবৰ অৰ্থে এই জি কৰম তাই কৰিলে, তাকো কোআ জাব ।

১৪ তেতিয়া বাৰে জনৰ মাজৰ ইস্কৰিওতিয়া য়িহুদা নামেৰে প্ৰখ্যাত
হোআ এজনে প্ৰধান পোৰোহিতবিলাকৰ ওচৰলৈ গৈ সিবিলাকত কলে,
১৫ মই তোমোলাকৰ হাতত তেঁওক সোধাই দিলে মোক কি দিবা? তাতে
সিহঁতে ডেৰ কুৰি ৰূপ দিবলৈ নিৰ্বন্ধ কৰিলে । ১৬ সেই খেনৰে পৰা
সি তেঁওক সোধাই দিবলৈ সুচল বিচাৰিলে ।

১৭ পাচে খমিৰ নিদিয়া পিঠাৰ পৰ্বৰ প্ৰথম দিনত সিস্যবিলাকে য়িচুৰ
ওচৰলৈ আহি তেঁওত সুধিলে, আপোনাৰ নিমিত্তে আমি নিস্তাৰ পৰ্বৰ
ভোজ কত জুগুত কৰিবলৈ আপোনাৰ ইচা আচে? ১৮ তাতে তেঁও বুলি-
লে, নগৰৰ মাজত অমুকৰ ওচৰলৈ গৈ তাত কোআ, হেনে, গুৰুএ কৈ-
চে, মোৰ কাল ওচৰ হল; মোৰ সিস্যবিলাকে সৈতে মই তোমাৰ ঘৰতে
নিস্তাৰ পৰ্ব কৰিম । ১৯ তেতিয়া য়িচুএ সিস্যবিলাকক আদেস কৰাৰ
দৰেই সিবিলাকে নিস্তাৰ পৰ্ব জুগুত কৰিলেগৈ ।

২০ পাচে গধুলি হলত য়িচুএ আপোনাৰ বাৰে জন সিস্যৰ লগত মে-
জত আউজিলে । ২১ আৰু সিবিলাকে ভোজন কৰোঁতে তেঁও কলে, মই

তোমোলাকত স্বৰূপকৈ কৈচোঁ, তোমোলাকৰ মাজৰ এজনে মোক লোকৰ
হাতত সোধাই দিব । ২২ তেতিয়া সিবিলাকে অতি অসন্তোস পাই প্রতি
জনে তেঁওত সুধিব ধৰিলে, হে প্রভু, সেইটো মই নে? ২৩ তাতে তেঁও সমি-
ধান দি কলে, ময় সৈতে জি জনে খোআ বাটিত হাত জুবুৰিয়াই, সেয়ে
মোক লোকৰ হাতত সোধাই দিব । ২৪ মানুহৰ পুত্রৰ অর্থে জেনেকৈ
লিখা আচে, তেনেকৈ তেঁওৰ গতি হব; কিন্তু জাৰ দোআৰাই মানুহৰ পুত্রক
লোকৰ হাতত সোধাই দিয়া হই, সেই মানুহৰ সন্তাপ; সেই মানুহৰ
জনম নোহোআ হলেই তাৰ ভাল আচিল । ২৫ তেতিয়া য়িহুদা নামেৰে
জিটে তেঁওক সোধাই দিব, সিয়ো মাত লগাই বুলিলে, হে গুৰু, সেইটো
মই নে? তেঁও তাক বুলিলে, তুমি স্বৰূপ কৈচা ।

২৬ পাচে সিবিলাকে ভোজন কৰোঁতে য়িচুএ পিঠা লৈ আসির্বাদ কৰি
ভাঙ্গি সিস্যবিলাকক দি কলে, লোআ, খোআ; এয়ে মোৰ সৰিল । ২৭ পাচে
তেঁও পান পাত্রকো হাতত লৈ স্তুতি কৰি সিবিলাকক দি বুলিলে, ইয়াক
তোমোলাক সকলোএ পান কৰা । ২৮ কিয়নো নতুন নিয়মৰ মোৰ জি
তেজ অনেকৰ পাপ খেমিবৰ অর্থে উলিওআ হৈচে, সেয়ে এই । ২৯ আৰু
মই তোমোলাকত কৈচোঁ, তোমোলাকে সৈতে মই আপোনাৰ পিত্রিৰ ৰাজ্যত
লতা পনিয়ালৰ ন ৰস পান নকৰা দিনলৈকে এতিয়াৰ পৰা তাক আৰু
নেখাঁও । ৩০ পাচে সিবিলাকে গিত গাই বাহিৰ ওলাই জল্‌ফাই পর্বত-
লৈ গল ।

৩১ তেতিয়া য়িচুএ সিবিলাকত কলে, এই ৰাতি মোৰ নিমিত্তে তো-
মোলাক সকলোএ বেজাৰ পাবা; কিয়নো এনে লিখা আচে, মই মেৰ
ৰখিয়াক প্রহাৰিম, তাতে জাকৰ মেৰবিলাক গোট গোট হৈ জাব । ৩২ কিন্তু
মই উঠিবৰ পাচে তোমোলাকতকৈ আগেয়ে গালিললৈ জাম । ৩৩ তেতিয়া
পিতৰে তেঁওক উতৰ দি বুলিলে, তোমাৰ নিমিত্তে সকলোএ বেজাৰ কৰি-
লেও মই কেতিয়াও বেজাৰ নকৰোঁ । ৩৪ য়িচুএ তাক বুলিলে, তোমাত
মই স্বৰূপকৈ কওঁ, এই ৰাতি কুকুৰাই ডাক দিয়াৰ আগেয়ে তুমি তিনি
বেলি মোক আসৈ কৰিবা । ৩৫ পিতৰে তেঁওক বুলিলে, তোমাৰ লগত
জদি মই মৰোঁএই, তেও তোমাক আসৈ নকৰো । সেই ৰূপে সকলো
সিস্যবিলাকেও কলে ।

৩৬ তাৰ পাচে য়িচুএ সিবিলাকে সৈতে গেত্‌চেমানি নামেৰে এক ঠাই-
লৈ গৈ সিস্যবিলাকত কলে, মই সৌ খিনিলৈ গৈ প্রার্থনা কৰোঁ মানে,
তোমোলাকে ইয়াতে বহি থাকা । ৩৭ পাচে তেঁও পিতৰ আৰু জবি-
দিৰ দুই পুতেকক লগত লৈ অসন্তোস হৈ মনত দৰ উৰুমি লাগিব ধৰি-
লে । ৩৮ তেতিয়া তেঁও সিবিলাকত কলে, মৰন কালৰ নিচিনা মোৰ মনত
অতিসই অসন্তোস লাগিচে; তোমোলাকে মোৰ লগত ইয়াতে পৰ দি থা-

কা। ৩৯ পাচে কিচুমান আঁতৰি গৈ তেঁও উবুৰি হৈ পৰি প্ৰাৰ্থনা কৰি
কলে, হে মোৰ পিত্ৰি, জদি হব পাৰে, তেন্তে এই পান পাত্ৰ মোৰ পৰা
দূৰ হওক; তথাপি মোৰ ইচাৰ দৰে নহই, তোমাৰ ইচাৰ দৰেহে হওক।
৪০ পাচে সিস্যবিলাকৰ ওচৰলৈ আহি সিবিলাকক টোপনিয়াই থাকিবৰ
দেখি তেঁও পিতৰত কলে, তোমোলাকে মোৰ লগত এডাঁৰো নো পৰ
দি থাকিব নোআৰিলা নে? ৪১ পৰিখাত জেন নপৰা, এই নিমিত্তে পৰ
দি প্ৰাৰ্থনা কৰা; মনৰ ইচা আচে হই, কিন্তু সৰিল দুৰ্বল। ৪২ পুনৰাই
তেঁও দুতিয় বাৰ গৈ এই প্ৰাৰ্থনা কৰিলে, হে মোৰ পিত্ৰি, মই পান
নকৰাকৈ জদি ই মোৰ পৰা দূৰ হব নোআৰে, তেন্তে তোমাৰ ইচাই হওক।
৪৩ পাচে তেঁও আহি সিবিলাকক আকও টোপনিয়াই থকা দেখিলে; কিয়-
নো সিবিলাকৰ চকু ঘুমটিৰে পূৰ হৈ আচিল। ৪৪ সিবিলাকক এৰি
তেঁও আকও গৈ ত্ৰিতিয় বাৰো প্ৰাৰ্থনা কৰি একে কথাকে কলে। ৪৫ পাচে
তেঁও সিস্যবিলাকৰ ওচৰলৈ আহি বুলিলে, এতিয়াও টোপনিয়াই বিস্ৰাম
কৰি থাকিবা নে! দেখা, কাল ওচৰ পালেহি; আৰু মানুহৰ পুত্ৰক পাপি
লোকৰ হাতত সোধাই দিয়া হৈচে। ৪৬ উঠা, আমি জাঁওহঁক; দেখা,
জিটোএ মোক লোকৰ হাতত সোধাই দিয়ে, সি নিচেই ওচৰ পালেহি।
৪৭ তেতিয়া তেঁও কথা কঁওতেই, দেখা, বাৰে জনৰ মাজৰ য়িহুদা না-
মেৰে এজন, আৰু তাৰে সৈতে প্ৰধান পোৰোহিত আৰু ব্ৰিধ লোকৰ পৰা
তৰোআল আৰু টাঙ্গোন ধৰা বৰ এজুম মানুহ আহিল। ৪৮ লোকৰ
হাতত তেঁওক সোধাই দিয়াটে আগেয়ে সিহঁতক এই সঙ্কেত দিচিলে, বো-
লে, মই জাকে চুমা দিম, তেঁৱেই সেই জন; তেঁওকে ধৰিবা। ৪৯ তে-
তিয়াই সি য়িচুৰ ওচৰলৈ গৈ, হে প্ৰভু, সেৱা, ইয়াকে বুলি, তেঁওক চুমা
দিলে। ৫০ তাতে য়িচুএ তাক বুলিলে, হে মিত্তিৰ, কি কাৰনে আহিলা?
তেতিয়া সিহঁতে আহি য়িচুৰ গাত হাত দি তেঁওক ধৰিলে। ৫১ তাতে
য়িচুৰ লগৰ এজনে হাত মেলি আপোনাৰ তৰোআল উলিয়াই বৰ পো-
ৰোহিতৰ এটা বন্দিক ঘৈয়াই তাৰ কান এখন কাটি পেলালে। ৫২ তে-
তিয়া য়িচুএ তাক বুলিলে, তোমাৰ তৰোআল তাৰ আপোন ঠাইত থোআ;
কিয়নো জি লোকে তৰোআল ধৰে, সেই সকলোবোৰ তৰোআলেৰে নস্ট
কৰা হব। ৫৩ আৰু মোৰ পিত্ৰিএ জেন মোৰ এখেলৈ বাৰে বাহিনিত-
কৈয়ো অধিক দূত পঠাই দিয়ে, মই এনে প্ৰাৰ্থনা কৰিব নোআৰোঁ,
তুমি ইয়াক ভাবিচা নে? ৫৪ কিন্তু সেই দৰে হলে এই ৰূপে ঘটিব
বুলি ধৰম সাস্ত্ৰৰ কথা কেনেকৈ সিধি হব? ৫৫ সেই কালত য়িচুএ মা-
নুহ জুমক বুলিলে, তোমোলাকে তৰোআল আৰু টাঙ্গোন লৈ ডকাইত
ধৰাৰ নিচিনাকৈ মোক ধৰিবলৈ আহিচা নে? মই তোমোলাকৰ লগত
মন্দিৰত নিতৌ উপদেস দি বহি আচিলোঁ; তেতিয়া তোমোলাকে মোক

নধৰিলা । ৫৬ কিন্তু ভবিস্যত বক্তা সকলৰ সাস্ত্র সিধি হবৰ নিমিত্তেই
এই সকলো কথা ঘটিল । তেতিয়া সকলো সিস্যে তেঁওক এৰি পলাই
গল ।

৫৭ পাচে অধ্যাপক আৰু ব্রিধ লোকে জি ঠাইত গোট খাই আচিল,
তালৈকে য়িচুক ধৰাবিলাকে কায়ফা নামেৰে বৰ পোৰোহিতৰ ওচৰলৈ
তেঁওক লৈ গল । ৫৮ আৰু পিতৰে বৰ পোৰোহিতৰ চৰালৈকে নিলগেদি
তেঁওৰ পাচে পাচে গৈ তাতে সোমাই, সেসত কি হব, তাক দেখি-
বৰ নিমিত্তে বন্দিবোৰৰ লগত বহিল ।

৫৯ তেতিয়া প্রধান পোৰোহিতবিলাক, ব্রিধ লোক আৰু মেলু আই সক-
লোএ য়িচুক বধ কৰিবৰ নিমিত্তে মিচা সাখি বিচাৰিলে, ৬০ আৰু অনেক
মিচা সাখি আহিলতো সিহঁতৰ পৰা প্রমান নেপালে । ৬১ কিন্তু সেসত
দুটা মিচা সাখি আহি বুলিলে, এই মানুহে কৈচিল, মই ইস্বৰৰ মন্দিৰ
নষ্ট কৰি তিন দিনৰ ভিতৰতে তাক আকও সাজিব পাৰোঁ । ৬২ তেতিয়া
বৰ পোৰোহিতে উঠি তেঁওত কলে, তুমি ইয়াৰ একো উত্তৰ নকৰা নে?
তোমাৰ অহিতে ইবিলাকে কেনে প্রমান দিচে? ৬৩ কিন্তু য়িচুএ নিজম দি
থাকিল । তাতে বৰ পোৰোহিতে সমিধান দি কলে, তোমাক অমৰ ইস্ব-
ৰৰ সপত দিচোঁ, তুমি ইস্বৰৰ পুত্র খ্রিষ্ট হোআ নে, ইয়াকে আমাত
কোআ । ৬৪ য়িচুএ বুলিলে, তুমি স্বৰূপ কৈচা; আৰু মই তোমোলা-
কত কৈচোঁ, ইয়াৰ পাচে তোমোলাকে মানুহৰ পুত্রক সক্তিমন্ত জনৰ সোঁ
হাতে বহি থাকিবৰ, আৰু স্বৰগৰ মেঘত আহিবৰ দেখিবা । ৬৫ তেতিয়া
বৰ পোৰোহিতে আপোনাৰ কাপৰ ফালি বুলিলে, ই ইস্বৰক নিন্দা কৰি-
লে; আমাৰ আন সাখিত কি প্রয়োজন আচে? ৬৬ দেখা, এতিয়া তো-
মোলাকে ইয়াৰ নিন্দা সুনিলা । তোমোলাকৰ কি বিবেচনা? সিহঁতে
উত্তৰ কৰি বুলিলে, ই ম্রিত্যু দণ্ডৰ জোগ্য হই । ৬৭ তেতিয়া সিহঁ-
তে তেঁওৰ মুখত থুই পেলাই চৰ মাৰিলে; আৰু কেতবোৰে চকিয়াই
সুধিলে, ৬৮ হেৰা খ্রিষ্ট, তোমাক কোনে মাৰিলে, ইয়াক আমাত প্রকাস
কৰা ।

৬৯ সেই কালত পিতৰ বাহিৰে চৰা ঘৰত বহি আচিল; তাতে এজ-
নি বেটিএ তাৰ ওচৰলৈ আহি কলে, তুমিও গালিলিয়া য়িচুৰ লগত আ-
চিলা । ৭০ কিন্তু সি আটাইৰে আগতে আসৈ কৰি বুলিলে, তুমি জি
কৈচা, মই তাক বুজা নাই । ৭১ পাচে সি পিৰালিলৈ গলত আন এজ-
নিএ তাক দেখি তাত থকাবিলাকত কলে, ইয়ো নাচৰিয়া য়িচুৰ লগত আ-
চিল । ৭২ তাতে সি আকও সপতেৰে আসৈ কৰি কলে, মই সেই মানু-
হক নিচিনোএই । ৭৩ অলপ কালৰ পাচে ওচৰত থকাবিলাকে আহি পিত-
ৰক বুলিলে, অৱস্যে তুমিও সিহঁতৰ এজন হোআ; কিয়নো তোমাৰ মাতেই

তোমাক দেখাইচে । ৭৪ তাতে সি সাও আৰু সপত কৰিবলৈ ধৰি বুলি-
লে, মই সেই মানুহক নিচিনোঁএই । সেই খেনতেই কুকুৰাই ডাক দিলে ।
৭৫ তাতে কুকুৰাই ডাক দিবৰ আগেয়ে, তুমি মোক তিনি বেলি আসৈ
কৰিবা, এই জি কথা য়িচুএ কৈচিল, সেয়ে পিতৰৰ মনত পৰিল; তাতে সি
বাহিৰলৈ গৈ অতি খেদেৰে ক্ৰন্দন কৰিলে ।

## ২৭ আধ্যা ।

পাচে ৰাতি পুআ হলত প্ৰধান পোৰোহিতবিলাক আৰু ব্ৰিধ লোকে
য়িচুক বধ কৰিবৰ নিমিতে তেঁওৰ অহিতে আলচ কৰিলে । ২ পাচে তেঁওক
বান্ধি লৈ পন্তিয় পিলাত নামেৰে অধিকাৰৰ আগলৈ নি তেঁওৰ হাতত
সোধাই দিলে ।

৩ তেতিয়া য়িচুক লোকৰ হাতত সোধাই দিয়া য়িহুদাই তেঁওৰ প্ৰান
মাৰিবলৈ আগ্যা কৰা জেন জানি, মনত খেদ পাই প্ৰধান পোৰোহিত
আৰু ব্ৰিধ লোকলৈ সেই তেৰ কুৰি ৰূপ ওভোতাই আনি কলে,
৪ নিৰ্দ্দোসিৰ তেজ লোকৰ হাতত সোধাই দিয়াতে মই পাপ কৰিলোঁ ।
সিহঁতে বুলিলে, তাত আমাৰ কি কাম? তাক তুমিয়েই চাবা । ৫ তেতিয়া
য়িহুদাই মন্দিৰৰ মাজত সেই ৰূপ পেলাই দি তাৰ পৰা গুচি গৈ আপো-
না আপুনি ফাঁহি গল । ৬ পাচে প্ৰধান পোৰোহিতবিলাকে সেই ৰূপ
লৈ বুলিলে, ই তেজৰ বেচ হোআ হেতুকে ভঁৰালত ৰখা উচিত নহই ।
৭ তাতে সিহঁতে আলচ কৰি বিদেসি মানুহৰ মৈদাম কৰিবৰ নিমিতে
সেই ধন দি কুমাৰৰ মাটি কিনিলে । ৮ এই কাৰনে এতিয়ালৈকে সেই
মাটিক তেজৰ মাটি বুলি কই । ৯ এনে হলত য়িৰিমিয়া ভবিস্যত বক্তাই
জি কথা কৈচিল, ইস্ৰায়েলৰ সন্তানবিলাকে জি জনৰ দৰ কৰিলে, তেঁওৰ
সেই দৰৰ তেৰ কুৰি ৰূপ লৈ, ১০ প্ৰভুএ মোক আগ্যা দিয়াৰ দৰে
তাক দি কুমাৰৰ মাটি কিনিলোঁ, সেই কথাই সিদ্ধি হল ।

১১ পাচে য়িচুএ অধিকাৰৰ আগত থিয় হলত অধিকাৰে সুধিলে,
তুমি য়িহুদিবিলাকৰ ৰজা হোআ নে? য়িচুএ বুলিলে তুমি স্বৰূপ কৈচা ।
১২ কিন্তু প্ৰধান পোৰোহিত আৰু ব্ৰিধ লোকে তেঁওক অনেক অপবাদ
দিলতো তেঁও একো উত্তৰ নকৰিলে । ১৩ তাতে পিলাতে তেঁওত কলে,
ইবিলাকে তোমাৰ অহিতে কিমান দোসৰ প্ৰমান দিচে, তাক তুমি সুনা
নাই নে? ১৪ তথাপি তেঁও একেসাৰো উত্তৰ নকৰাত অধিকাৰে বৰ বিস্মই
মানিলে ।

১৫ সেই পৰ্ব্বৰ সময়ত মানুহবিলাকে জি কোনো বন্দিয়াৰক ইচা কৰে,
অধিকাৰে তাকে সিবিলাকলৈ মুকলি কৰে, তেঁওৰ এনে দস্তুৰ আচিল ।

১৬ সেই কালত বৰাবা নামেৰে এটা প্ৰখ্যাতি বন্দিয়াৰ আছিল । ১৭ তাতে
মানুহবোৰ গোট খালত পিলাতে সিহঁতত সুধিলে, বৰাবা আৰু য়িচু, জাক
খ্ৰিষ্ট বোলে, এই দুইৰো মাজত মই তোমোলাকলৈ কোনটো মুকলি কৰি-
বলৈ তোমোলাকৰ ইচা আছে? ১৮ কিয়নো সিহঁতে অসুয়াৰে জে তেঁওক
সোধাই দিছিল, পিলাতে তাক জানিলে ।

১৯ পাচে সোধৰ আসনত বহিলত পিলাতৰ আইচুএ তেঁওলৈ কৈ পঠা-
লে, বোলে, সেই ধৰমি মানুহৰ কথাত তুমি একো নকৰিবা; কিয়নো তেঁওৰ
কাৰনে মই আজি সপোনত ভালেমান দুখ পালোঁ । ২০ কিন্তু প্ৰধান পো-
ৰোহিত আৰু ব্ৰিধ লোকে বৰাবাক খুজিবলৈ আৰু য়িচুক বধ কৰাবলৈ
মানুহবিলাকক উচটালে । ২১ তাতে অধিকাৰে সমিধান দি সিহঁতত কলে,
এই দুইৰো মাজত মই কোনটক মুকলি কৰিবলৈ তোমোলাকৰ ইচা হই? সি-
হঁতে বুলিলে, বৰাবাক । ২২ তেতিয়া পিলাতে সিহঁতত কলে, তেনে হলে জি
জনক খ্ৰিষ্ট বোলে, সেই য়িচুক মই কি কৰিম? সকলোএ বুলিলে, তাক পে-
ৰেঙ্গনিত মৰা হওক, পেৰেঙ্গনিত মৰা হওক । ২৩ তাতে অধিকাৰে কলে,
কিয়? তেঁও কি দোস কৰিলে? কিন্তু সিহঁতে অধিককৈ এটাহ পাৰি বুলি-
লে, তাক পেৰেঙ্গনিত মৰা হওক । ২৪ তেতিয়া আপোনাৰ কথাৰে একো
সিধি নহল, কিন্তু হুৰামুৰা অধিককৈ বাৰ্হিল, ইয়াকে দেখি পিলাতে মানুহ-
বিলাকৰ আগতে পানি লৈ হাত ধুই কলে, এই ধৰমি মানুহৰ তেজৰ কথাত
মই নিৰ্দুসি; তাক তোমোলাকেহে চাবা । ২৫ তাতে সকলো মানুহে উত্তৰ
কৰি কলে, তাৰ তেজৰ দোসে আমাক আৰু আমাৰ লৰাবিলাককো পাওক ।
২৬ তেতিয়া তেঁও সিহঁতলৈ বৰাবাক মুকলি কৰি দিলে; কিন্তু য়িচুক চাবু-
কেৰে কোবোআই পেৰেঙ্গনিত মাৰিবলৈ সোধাই দিলে ।

২৭ পাচে অধিকাৰৰ সেনাবোৰে য়িচুক বৰ-চৰালৈ নি তেঁওৰ ওচৰত
সেনা মথাকে গোট খুআই চপালত, ২৮ সিহঁতে তেঁওৰ গাৰ বস্ত্ৰ গুচাই
সিন্দুৰ বৰনিয়া কাপৰ পিন্ধালে; ২৯ কাঁইটেৰে কিৰিটি সাজি তেঁওৰ মুৰত
দিলে, আৰু সোঁ হাতত এডাল নল দি তেঁওৰ আগত আঁঠু পাৰি, হে
য়িহুদিবিলাকৰ ৰজা, সেৱা! ইয়াকে বুলি তেঁওক বিকৰ্থনা কৰিলে । ৩০ পাচে
তেঁওৰ গাত থুই পেলাই নল ডাল লৈ মুৰত কোবালে । ৩১ এই ৰূপে
তেঁওক বিগতি কৰিলত সেই বস্ত্ৰ খহাই তেঁওৰ আপোনাৰ কাপৰ আকও
পিন্ধাই তেঁওক পেৰেঙ্গনিত মাৰিবলৈ লৈ গল । ৩২ সিহঁতে ওলাই জাঁও-
তে চিমোন নামেৰে কুৰিনি মানুহ এটাৰ লগ পাই, তাক পেৰেঙ্গনি ভাৰ
ববলৈ ধৰিলে ।

৩৩ তাৰ পাচে গুল্গুল্তা, অৰ্থাত মুৰৰ-লাউখোলা নামে ঠাই পালত,
৩৪ সিহঁতে তেঁওক তিতাৰে মিহলি টেঙ্গা পানি খাবলৈ দিলে; কিন্তু তেঁও
তাক চাকি চাই নেখালে । ৩৫ আৰু তেঁওক পেৰেঙ্গনিত তুলি তেঁওৰ

কাপৰ গুটি বুজাই বাটি ললে। ৩৬ পাচে সিহঁতে তাতে বহি তেঁওক পৰ
খালি দি থাকিল। ৩৭ আৰু এই জন য়িহুদিবিলাকৰ ৰজা য়িচু, এনে দো-
ষৰ লিখা কাকত তেঁওৰ মুৰৰ ওপৰত লগাই দিলে। ৩৮ আৰু তেঁওৰ সোঁ
ফালে এটা, বাঁও ফালে এটা, দুই ডকাইতক তেঁওৰ লগত পেৰেঙ্গনিত দিয়া
হল।

৩৯ পাচে অহা জোআ বাটৰুআবোৰে মুৰ জোকাৰি জোকাৰি নিন্দা
কৰি বুলিলে, ৪০ হেৰা মন্দিৰ ভাঙ্গোঁতা আৰু তিন দিনত সাজোঁতা জন,
আপোনাক ৰখ্যা কৰা; তুমি জদি ইশ্বৰৰ পুত্ৰ হোআ, তেন্তে পেৰেঙ্গনিৰ
পৰা নামি আঁহা। ৪১ সেই দৰে প্ৰধান পোৰোহিতবিলাকেও অধ্যাপক
আৰু ব্ৰিধ লোকে সৈতে বিগতি কৰি কলে, ৪২ সি আনকহে ৰাখিলে,
আপোনাক ৰখ্যা কৰিব নোআৰে। জদি ইস্রায়েলৰ ৰজা হই, তেন্তে এতিয়াই
পেৰেঙ্গনিৰ পৰা নামি আহোক, তেহে আমি তাত বিশ্বাস কৰিম। ৪৩ সি
ইশ্বৰতে ভাৰসা কৰিচে; ইশ্বৰ জদি তালৈ তুষ্ট হই, তেন্তে এতিয়া তাক
ৰখ্যা কৰোকচোন; কিয়নো সি বোলে, মই ইশ্বৰৰ পুত্ৰ। ৪৪ আৰু জি
ডকাইতহঁতক তেঁওৰ লগত পেৰেঙ্গনিত তোলা হৈচিল, সিহঁতেও তেঁওক
একে দৰে নিন্দা কৰিলে।

৪৫ পাচে বেলি দুপৰৰে পৰা তিনি পৰলৈকে গোটেই খন দেসৰ ওপ-
ৰত এন্ধাৰ হল। ৪৬ আৰু তিনি পৰিয়া মানত য়িচুএ বৰকৈ ৰিঙ্গিয়াই
কলে, এলি, এলি, লামা চাবাক্তানি, অৰ্থাত হে মোৰ ইশ্বৰ, হে মোৰ ইশ্বৰ,
কিয় মোক এৰিলা? ৪৭ তাত থিয় হৈ থকাবিলাকৰ কোনোএ ইয়াকে সুনি
বুলিলে, ই এলিয়াক মাতিচে। ৪৮ তেতিয়াই সিহঁতৰ মাজৰ এটাই লৰি গৈ
সাগৰৰ ফেন এসোপা লৈ, তাত টেঙ্গা পানি ভৰাই নলৰ আগত লগাই
তেঁওক খাবলৈ দিলে। ৪৯ কিন্তু আনবোৰে বুলিলে, থাকোক; এলিয়াই
তাক ৰাখিবলৈ আহে নে নাহে, তাকে চাঁওহঁক।

৫০ পাচে য়িচুএ আকও বৰকৈ এটাহ পাৰি আপোনাৰ প্ৰান এৰি দিলে।
৫১ তেতিয়া দেখা, মন্দিৰৰ আৰ কাপৰ ওপৰৰ পৰা তললৈকে ফাটি দুচিঁ-
টা হল, ভুঁইকঁপ গল, সিলবিলাকো ফাটিল, ৫২ আৰু মৈদাম মুকলি হলত
তাত সয়ন কৰি থকা অনেক পবিত্ৰ লোকৰ সৰ উঠিল; ৫৩ আৰু তেঁওৰ
উঠানৰ পাচে মৈদামৰ পৰা ওলাই পবিত্ৰ নগৰলৈ গৈ ভালেমানক দেখা
দিলে। ৫৪ পাচে সইকিয়া আৰু তেঁওৰ লগত য়িচুক ৰাখি থকাবিলাকে
এই ৰূপে ভুঁইকঁপ আদি কৰি হোআ ঘটনা দেখি বৰ ভই পাই বুলিলে,
এঁও স্বৰূপেই ইশ্বৰৰ পুত্ৰ। ৫৫ তেতিয়া মাগ্‌দলিনি মাৰিয়া, আৰু য়াকো-
বৰে য়োচিৰে মাক মাৰিয়া, আৰু জবিদিৰ পুতেকহঁতৰ মাককে আদি কৰি,
৫৬ জি অনেক তিৰোতাবিলাকে য়িচুৰ আল পৈচান ধৰি তেঁওৰ লগত গা-
লিলৰ পৰা আহিচিল, সেই সকলোএ নিলগৰে পৰা চাই আচিল।

৫৭ পাচে গধুলি বেলা হলত আৰিমথিয়া নগৰৰ য়োচেফ নামেৰে আপু-
নিও য়িচুৰ সিস্য হোআ এজন ধনৱন্ত মানুহে পিলাতৰ ওচৰলৈ গৈ য়িচুৰ
দেহ মাগিলে; ৫৮ তাতে পিলাতে দেহ দিবলৈ আগ্যা কৰিলে । ৫৯ পাচে
য়োচেফে দেহ লৈ নিকা কাপৰেৰে মেৰাই, ৬০ আপোনাৰ নিমিত্তে জি ন
মৈদাম সিলত খানিচিল, তাৰ ভিতৰতে সুমাই থৈ, মৈদামৰ দুআৰত বৰ
সিল এচঁটা বগৰাই দি গুচি গল । ৬১ আৰু সেই ঠাইতে মাগ্দলিনি মাৰিয়া
আৰু আন মাৰিয়া মৈদামৰ সমুখে বহি আচিল ।

৬২ পাচ দিনা, অৰ্থাত জুগুত কৰা দিনৰ পাচৰ দিনত প্ৰধান পোৰোহিত
আৰু ফিৰুচিবিলাকে একে লগ হৈ পিলাতৰ ওচৰলৈ আহি কলে, ৬৩ হে
ডাঙ্গৰিয়া, সেই ভাঁৰি কোআই জিয়াই থাকোঁতে কৈচিলে, তিন দিনৰ পাচত
মই উঠিম, এই কথা আমাৰ মনত পৰিচে । ৬৪ এই হেতুকে তিন দিনলৈ-
কে তাৰ মৈদাম ৰাখিবলৈ আগ্যা কৰোক; তাৰ সিস্যবোৰে কি জানি
আহি তাক চুৰকৈ নি মানুহবিলাকত কব, তেঁও ম্রিত্যুৰ পৰা উঠিল; সেয়ে
হলে আগৰ ভুলতকৈয়ো পাচৰ ভুল বৰ্হাহে হব । ৬৫ তেতিয়া পিলাতে সি-
বিলাকত কলে, তোমোলাকৰ লগত ৰখিয়াবোৰ আচে; জোআ, তোমো-
লাকে জেনেকৈ পাৰা, ৰাখাগৈ । ৬৬ তাতে সিবিলাক গৈ দুআৰৰ সিলত
চাব মাৰি, ৰখিয়া থৈ মৈদাম ৰখালে ।

## ২৮ আধ্যা ।

বিস্রাম বাৰ গলত সপ্তাহৰ প্ৰথম দিনা ৰাতি পুআবৰ বেলিকা মাগ্দলিনি
মাৰিয়া আৰু আন মাৰিয়া মৈদাম চাবলৈ আহিল । ২ তেতিয়া দেখা, বৰ
ভুঁইকঁপ গল; কিয়নো প্ৰভুৰ দুতে স্বৰগৰ পৰা নামি আহি, সিল বগৰাই
নি তাৰ ওপৰত বহিল । ৩ তেঁওৰ মুখ বিজুলিৰ নিচিনা, আৰু বস্ত্ৰ হিমৰ
দৰে সুকুলা । ৪ তেতিয়া ৰখিয়াবিলাকে তেঁওৰ ভয়তে কঁপি মৰাৰ নি-
চিনা হল । ৫ সেই দুতে তিৰোতাবিলাকত কলে, ভই ন কৰিবা; তোমোলা-
কে পেৰেঙ্গনিত ম্রিত্যু হোআ য়িচুক বিচাৰিচা, ইয়াক মই জানোঁ । ৬ তেঁও
ইয়াত নাই; কিয়নো জেনেকৈ তেঁও কৈচিল, তেনেকৈ উঠিল; আঁহা, প্ৰভুএ
সয়ন কৰা ঠাই চোআহি । ৭ আৰু তোমোলাকে বেগাই গৈ তেঁওৰ সিস্য-
বিলাকত এই কথা কোআগৈ, হেনে, তেঁও ম্রিত্যুৰ পৰা উঠিল; আৰু দেখা,
তোমোলাকতকৈ আগেয়ে তেঁও গালিললৈ গৈচে, তাতে তোমোলাকে তেঁওক
দৰ্সন পাবা; চোআ, মই তোমোলাকত বাত্ৰা দিলোঁ । ৮ তাতে সিবিলাকে
ভই আৰু বৰ আনন্দেৰে মৈদামৰ পৰা বেগতে ওলাই তেঁওৰ সিস্যবিলাকৰ
আগত বাত্ৰা দিবলৈ লৰি গল । ৯ কিন্তু সিস্যবিলাকত বাত্ৰা দিবলৈ জাঁও-
তে দেখা, য়িচুএ লগ পাই সিবিলাকত কলে, তোমোলাকৰ কুসল হওক ;

তাতে সিবিলাকে আহি তেঁওৰ চৰনত ধৰি সেৱা কৰিলে । ১০ তেতিয়া
য়িচুএ সিবিলাকত কলে, ভই নকৰিবা; তোমোলাকে গৈ মোৰ ভাইবিলা-
কক গালিললৈ জাবলৈ কোআ, তাতে সিবিলাকে মোক দেখা পাব ।
১১ পাচে তিৰোতাবিলাকে জাঁওতে দেখা, ৰখিয়াইঁতৰ কোনো কোনোএ
নগৰলৈ গৈ জি জি হৈচিল, সকলোকে প্ৰধান পোৰোহিতবিলাকৰ আগত
জনালেগৈ । ১২ তেতিয়া সিবিলাকে ত্ৰিধ লোকে সৈতে গোট খাই আলচ
কৰিলত ৰখিয়াবোৰক ভালেমান ৰুপ দি কলে, ১৩ আমাৰ টোপনি আ-
হিলত তাৰ সিস্যবিলাকে ৰাতি আহি তাক চুৰ কৰি নিলে, তোমোলাকে
এই কথা কবা । ১৪ আৰু এই কথা জদি অধিকাৰে সুনে, তেতিয়া আমি
তেঁওক বুজাই বৰাই তোমোলাকক ৰাখিম । ১৫ তাতে সিইঁতে ধন লৈ
সিকোআৰ দৰেই কৰিলে; আৰু এই দিনলৈকে য়িহুদিবিলাকৰ মাজত
সেই কথা কোআকুই কৰে ।
১৬ পাচে আঘেৰে জন সিস্যে গালিলৰ জি পৰ্বত য়িচুএ দেখাই থৈ-
চিল, তালৈকে গলত, ১৭ সিবিলাকে তেঁওক দৰ্সন পাই সেৱা কৰিলে; কিন্তু
কোনো কোনোএ সংসই কৰিছিল । ১৮ তেতিয়া য়িচুএ সিবিলাকৰ ওচৰ-
লৈ আহি কলে, স্বৰগত আৰু প্ৰিথিবিত সকলো সক্তিকে মোক দিয়া হল ।
১৯ এই হেতুকে তোমোলাকে জোআ, আৰু সমুদাই দেসৰ মানুহবিলাকক
সিস্য কৰি, পিত্ৰি আৰু পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে সিবিলাকক
বুৰ দিওআ; ২০ আৰু মই জি জি আগ্যা তোমোলাকক দিলোঁ, সেই সক-
লোকে পালন কৰিবলৈ সিবিলাকক উপদেস দিয়া । দেখা, জগতৰ সেস-
লৈকে সদাই মই তোমোলাকৰ সঙ্গতে আছোঁ ।

# মাৰ্কে লিখা স্ুভ বাত্ৰা ।

## ১ আধ্যা ।

ইস্বৰৰ পুত্ৰ য়িচু খ্ৰিষ্টৰ সুভ বাত্ৰাৰ আৰম্ভন । ২ ভবিস্যত
বক্তাৰ পুথিত জেনেকৈ লিখা আচে, দেখা, মই আ-
পোনাৰ দুতক তোমাতকৈ আগেয়ে পঁাচিম, সি তোমাৰ [আগত] বাট
অঁওতাব; ৩ আৰু হাবিৰ মাজত ৰিঙ্গিওআ এজনৰ সবদ, প্ৰভুৰ পথ জুগুত
কৰা, তেঁওৰ আলি বাট পোন কৰা; ৪ সেই ৰূপে য়োহানে হাবিত বুৰ
দিয়ালে, আৰু পাপ খেমিবৰ নিমিতে মন পালটনৰ বুৰ দিওআৰ কথা
কিৰ্তন কৰিলে । ৫ তাতে য়িহুদা দেসৰ আৰু য়িৰুচালমত থকা আটাই
মানুহে বাহিৰে তেঁওৰ ওচৰলৈ গৈ আপোনাৰ পাপ সৈ কৰ্হাত সকলোকে
তেঁওৰ হতুআই য়ৰ্দান নৈত বুৰ দিওআ হল । ৬ সেই য়োহানে উটৰ নো-
মৰ কাপৰ আৰু কঁকালত চালৰ টঙ্গালি পিন্ধিচিলে, আৰু তেঁও কচুআ
ফৰিঙ্গ হাবিৰ মৌ খাই আচিল । ৭ তেঁও কিৰ্তন কৰি কলে, জি জনৰ
পইজাৰৰ বান্ধ মই তল মুৰ কৰি মেলিবৰো জোগ্য নহঁও, মোতকৈ ডাঙ্গৰ
এনে এজন মোৰ পাচত আহিচে । ৮ মই তোমোলাকক পানিতে বুৰ
দিয়ালোঁ, কিন্তু তেঁও পবিত্ৰ আত্মাতে তোমোলাকক বুৰ দিয়াব ।

৯ সেই কালত য়িচুএ গালিল দেসৰ নাচৰেতৰ পৰা আহি, য়োহানৰ
হতুআই য়ৰ্দানত বুৰ দিওআ হল । ১০ তেঁও পানিৰ পৰা উঠিলতেই স্বৰ-
গৰ দুআৰ মুকলি হোঅা, আৰু কপৌৰ নিচিনাকৈ আপোনাৰ ওপৰলৈ
আত্মাক নমা দেখিলে । ১১ আৰু তুমি মোৰ প্ৰিয় পুত্ৰ, তোমাত মোৰ
পৰম সন্তোস, এনে আকাসি বানি সুনা হল । ১২ তেতিয়াই হাবিৰ মাজ-
লৈ আত্মাই তেঁওক পঁাচিলে । ১৩ পাচে তেঁও দুকুৰি দিনলৈকে বনৰিয়া
পহুৰ লগত হাবিতে থাকি চইতানে পৰিখা কৰা হল; আৰু স্বৰগৰ দুত-
বিলাকে তেঁওক সুস্ৰুসা কৰিলে ।

১৪ য়োহানক বন্দিসালত থোআৰ পাচে য়িচুএ গালিল দেসলৈ গৈ, ইস্ব-
ৰৰ ৰাজ্যৰ সুভ বাত্ৰা কিৰ্তন কৰি কৰি কলে, ১৫ কাল সম্পুৰ্ন হৈচে,
ইস্বৰৰ ৰাজ্য ওচৰ হল; তোমোলাকে মন পালটোআ, আৰু সুভ বাত্ৰাত

বিশ্বাস কৰা। ১৬ পাচে তেঁও গালিলৰ সাগৰৰ ওচৰত ফুৰোঁতে চিমোন
আৰু তেঁওৰ ভায়েক আন্দ্ৰিয়া, এই দুজনক সাগৰত জাল বোআ দেখিলে,
কিয়নো সিবিলাক মাচ মৰিয়া আছিল: ১৭ তাতে য়িচূএ সিবিলাকত
কলে, তোমোলাক মোৰ পাচত আঁহা, মই তোমোলাকক মানুহ ধৰা কৰিম।
১৮ তেতিয়াই সিবিলাকে আপোনাৰ জাল এৰি পেলাই তেঁওৰ পাচত গল।
১৯ পাচে সেই ঠাইৰ পৰা আৰু অলপ গৈ, জবিদিৰ পুতেক য়াকোব আৰু
তেঁওৰ ভায়েক য়োহানক নাৱত জাল বাত্তিবৰ দেখিয়েই সিবিলাকক মাতি-
লে। ২০ তেতিয়া সিবিলাকেও আপোনাৰ বাপেকক বৈশ্যাৰ লগত নাৱতে
এৰি তেঁওৰ পাচত গল।

২১ পাচে সিবিলাকে কিফৰ্নাহুমলৈ গলত তেঁও তেতিয়াই বিস্ৰাম বাৰে
নামঘৰত সোমাই উপদেস দিলে। ২২ আৰু তেঁওৰ উপদেসত মানুহবিলাকে
বিস্মই মানিলে, কিয়নো তেঁও অধ্যাপকবিলাকৰ নিচিনাকৈ উপদেস নি-
দি, সক্তিমন্ত জনৰ দৰে দিলে। ২৩ আৰু সেই নাম ঘৰতে অসুচি ভুতে
পোআ এটা মানুহ আছিল; সি এটাহ পাৰি কলে, ২৪ হঁা নাচৰিয়া য়িচূ,
তোমাৰ লগত আমাৰ কি কাম? তুমি আমাক নষ্ট কৰিবলৈ আহিলা নে?
তুমি জে ইশ্বৰৰ পবিত্ৰ জন, তাক মই জানোঁ। ২৫ তেতিয়া য়িচূএ তাক
ডাবি দি কলে, নিজম দি থাক, ইয়াৰ পৰা বাহিৰ ওলা। ২৬ পাচে সেই
অসুচি ভুতে তাক মুৰ্চিত কৰি বৰকৈ এটাহ পাৰি বাহিৰ ওলাল।
২৭ তাতে সকলোএ বিস্মই মানি, ইটে সিটে কোআকুই কৰি সুধিলে, ই
কি কথা? ই নো কেনে নতুন উপদেস? কিয়নো এঁও সক্তিয়েৰে অসুচি
ভুতকো আগ্যা দিয়াত সিহঁতেও আগ্যা মানে। ২৮ তেতিয়াই গালিলৰ
চাৰিও ফালে তেঁওৰ জসস্যা বিয়াপি গল।

২৯ পাচে নামঘৰৰ পৰা ওলায়েই সিবিলাক য়াকোব আৰু য়োহানে
সৈতে চিমোন আৰু আন্দ্ৰিয়াৰ ঘৰত সোমাল। ৩০ তেতিয়া চিমোনৰ সাহু-
এক জৰেৰে পৰি থকাত সিবিলাকে তাইৰ কথা তেঁওত জনালে। ৩১ তাতে
তেঁও আহি তাইৰ হাতত ধৰি তুলিলে; তেতিয়াই তাইৰ জৰ এৰালত
তাই সিবিলাকক সুস্ৰুসা কৰিলে।

৩২ পাচে বেলি মাৰ গলত গধুলিতে মানুহবিলাকে সকলো ৰুগিয়া আৰু
ভুতে পোআবোৰক তেঁওৰ ওচৰলৈ আনিলে; ৩৩ আৰু নগৰৰ আটাই
মানুহ দুআৰতে গোট খালে। ৩৪ তাতে তেঁও নানা ৰুগিয়া অনেক মানু-
হক স্বস্থ কৰিলে, আৰু ভালেমান ভুতকো খেদালে; আৰু ভুতক একো
কথা কবলৈ নিদিলে, কিয়নো সিহঁতে তেঁওক জানিলে। ৩৫ পাচে অতি
ৰাতি পুআই তেঁও উঠি বাহিৰ ওলাই নিৰ্জান ঠাইলৈ গৈ তাতে প্ৰাৰ্থনা
কৰিলে। ৩৬ পাচে চিমোন আৰু তেঁওৰ লগৰবিলাক য়িচূৰ পাচত গল।
৩৭ আৰু সিবিলাকে তেঁওক পাই কলে, আটাই মানুহে আপোনাক বিচা-

ৰিচে । ৩৮ তাতে তেঁও সিবিলাকত কলে, আমি ওচৰৰ গাঁৱলৈ জাওহঁক,
তাতো মই কির্তন কৰিম, কিয়নো সেই নিমিত্তেই মই আহিলোঁ । ৩৯ পাচে
গালিল দেস খনতে সিবিলাকৰ নামঘৰত তেঁও কথা কিতন কৰিলে, আৰু
ভুতবিলাকক খেদালে ।

৪০ তাৰ পাচে এটা কুঠিয়া মানুহ তেঁওৰ আগলৈ আহি আঁঠু পাৰি
কাকুতি কৰি কলে, জদি আপোনাৰ ইচা হই, তেন্তে মোক সুচি কৰিব
পাৰে । ৪১ তাতে য়িচুএ ক্রিপা কৰি হাত মেলি তাক চুই কলে, মোৰ ইচা
আচে, সুচি হোআ । ৪২ এই কথা বুলিলতেই কুঠ ৰোগ গুচি সি সুচি হল ।
৪৩ তেঁও তেতিয়াই তাক পাঁচি সকত আগ্যা দি কলে, ৪৪ সাৱধানে থাকি
এই কথা কাতো একো নকবা; কিন্তু পোৰোহিতৰ আগত আপোনাক
দেখুআগৈ, আৰু লোকক প্রমান দিবলৈ আপুনি সুচি হোআৰ নিমিত্তে
মোচাই বিধান কৰা জি দান, তাক উচৰগ কৰা । ৪৫ কিন্তু সি গৈ
সেই কৰম অধিককৈ কৈ সকলতো জনালে; তাতে য়িচুএ আকও দেখাকৈ
নগৰত সোমাব নোআৰি, বাহিৰে হাবি ঠাইত থাকিল; আৰু চাৰিও ফা-
লৰ পৰা মানুহবিলাক তেঁওৰ ওচৰলৈ আহিল ।

## ২ আধ্যা ।

কেতেক দিনৰ পাচে তেঁও আকও কিফৰ্নাহুমলৈ গল । তাতে তেঁও ঘৰত
আচে বুলি সুনিলত, ২ তেতিয়াই ঘৰত আৰু দুআৰ মুখতো নধৰাকৈ
এতেক মানুহ চাপিল । তাতে তেঁও সিবিলাকত কথা কির্তন কৰিলে ।
৩ তেতিয়া চাৰি জনে বৈ অনা এটা জঠৰ ৰুগিয়াক মানুহবিলাকে তেঁওৰ
ওচৰলৈ আনিলে । ৪ কিন্তু মানুহ সৰহ হোআত তেঁওৰ ওচৰলৈ তাক
চপাব নোআৰি, জি ঠাইত তেঁও আচিলে, তাৰ ওপৰৰ চাল গুচাই বাট
কৰি, সেই পোনেদি জঠৰ ৰুগিয়া সোআ সজ্যাই সৈতে তাক নমালে ।
৫ তাতে য়িচুএ সিবিলাকৰ বিস্বাস দেখি, সেই জঠৰ ৰুগিয়াত কলে,
হে বুপাই, তোমাৰ পাপ খেমা হল । ৬ তেতিয়া কেতবিলাক অধ্যাপকে
সেই ঠাইতে বহি থাকি মনতে ভাবিলে, ৭ এই মানুহে ইস্বৰৰ এনে
নিন্দা কথা কিয় কৈচে? ইস্বৰত বাজে পাপ খেমা কৰিবলৈ কাৰ সক্তি
আচে? ৮ সিবিলাকে এনে ভাবনা কৰিচিলে, ইয়াক য়িচুএ আপোনাৰ
মনেৰে তেতিয়াই বুজি সিবিলাকত কলে, তোমোলাকে মনেৰে এনে ভাবনা
কিয় কৰিচা? ৯ তোমাৰ পাপ খেমা হল, নাইবা উঠি সজ্যা লৈ জোআ,
এই দুই কথাৰ মাজত জঠৰ ৰুগিয়াক কোনটো বুলিবলৈ টিল? ১০ কিন্তু
প্রিথিবিত পাপ খেমিবলৈ মানুহৰ পুত্ৰৰ সক্তি আচে, ইয়াক তোমোলাকে
জানিবৰ নিমিত্তে, তেতিয়া তেঁও জঠৰ ৰুগিয়াত কলে, ১১ উঠা, তোমাৰ

সজ্যা তুলি ঘৰলৈ জোআ, মই তোমাক এই আগ্যা দিচোঁ। ১২ তেতিয়াই
সি উঠি আটাইৰে আগতে সজ্যা তুলি লৈ বাহিৰ ওলাই গল; তাতে
সকলোএ বিস্মই মানি, এনে কৰম কেতিয়াও দেখা নাই, ইয়াকে বুলি ইশ্ব-
ৰক স্তুতি কৰিলে।

১৩ পাচে তেঁও তাৰ পৰা আকও সাগৰৰ কাখৰলৈ গল; তাতে সকলো
সমুহ তেঁওৰ ওচৰলৈ আহিলত তেঁও সিবিলাকক উপদেস দিলে। ১৪ সেই
ঠাইৰ পৰা জাওতে হলফইৰ পুতেক লেৱিক কৰ লোআ চৰাত বহি থাকি-
বৰ দেখি তাত কলে, মোৰ পাচত আহা। তেতিয়া সি উঠি তেঁওৰ পাচত
গল। ১৫ তাৰ পাচে জেতিয়া য়িচুএ তাৰ ঘৰত ভোজন কৰিবলৈ বহিল,
তেতিয়া অনেক কৰ তোলা মানুহ আৰু পাপিবিলাক তেঁওৰে আৰু তেঁওৰ
সিস্যবিলাকৰে লগত বহিল, কিয়নো বহু মানুহ তেঁওৰ পাচত গৈচিল।
১৬ তেঁও কৰ তোলা আৰু পাপিবোৰে সৈতে ভোজ খোআ দেখি অধ্যা-
পক আৰু ফিৰুচিবোৰে তেঁওৰ সিস্যবিলাকত কলে, কৰ তোলা আৰু পা-
পিবোৰৰ লগত এঁও কিয় ভোজন পান কৰে? ১৭ য়িচুএ তাকে সুনি সি-
বিলাকত কলে, নিৰুগি মানুহৰ বেজত সকাম নাই, কিন্তু ৰুগিয়া মানুহৰ
সকাম আচে। মই ধৰমি লোকক নিমন্ত্রন কৰিবলৈ অহা নাই, [মন পাল-
টাবৰ নিমিত্তে] পাপি লোককহে নিমন্ত্রন কৰিবলৈ আহিলোঁ।

১৮ য়োহানৰ আৰু ফিৰুচিবিলাকৰ লঘোন কৰা সিস্যবোৰে আহি
য়িচুৰ আগত কলে, য়োহানৰ আৰু ফিৰুচিবিলাকৰ সিস্যবোৰে লঘোন
কৰে, কিন্তু তোমাৰ সিস্যবিলাকে লঘোন নকৰে, ইয়াৰ কাৰন কি?
১৯ তেতিয়া য়িচুএ সিবিলাকত কলে, জেতে দিন সখিবিলাকৰ লগত
দৰা থাকে, তেতে দিনলৈকে সিবিলাকে লঘোন কৰিব পাৰে নে? জেতে
দিন দৰা সিবিলাকৰ লগত থাকে, তেতে দিনলৈকে সিবিলাকে লঘোন
কৰিব নোআৰে। ২০ কিন্তু জেতিয়া সিবিলাকৰ লগৰ পৰা দৰাক নিয়া
হব, এনে কাল আহিব; সেই কালতে সিবিলাকে লঘোন কৰিব। ২১ পুৰ-
নি বস্ত্রত ন কাপৰৰ তাপলি কোনেও নেমাৰে; তেনে কৰিলে জি ন
ডোখৰ তাপলি মাৰে, সি পুৰনিক ফালি নিয়ে, তাতে ফটা আৰু সৰহহে
হই। ২২ আৰু পুৰনি চালৰ মোটত লতা পনিয়ালৰ ন ৰস কোনেও
ন থই; জদি থই, ন ৰসে সেই মোট ফালে, আৰু ৰসো বৈ ঢুকাই, মোটো
নষ্ট হই; কিন্তু পনিয়ালৰ ন ৰস ন মোটতহে থোআ উচিত।

২৩ তাৰ পাচে বিস্রাম বাৰত তেঁও জেতিয়া খেতিৰ মাজেদি গল, তে-
তিয়া তেঁওৰ সিস্যবিলাকে জাওতে সহৰ চেঁই চিৰিবলৈ ধৰিলে। ২৪ তাতে
ফিৰুচিবিলাকে য়িচুত কলে, দেখা, বিস্রাম বাৰত কৰিব নোপোআ জি
কৰম, তাকে ইহঁতে কিয় কৰিচে? ২৫ তেতিয়া তেঁও সিহঁতক বুলিলে, দায়ুদ
আৰু তেঁওৰ লগৰ মানুহে খাবলৈ সমল নাইকিয়াত ভোক লাগিলত জি

ৰুপে অবিয়াথৰ বৰ পোৰোহিতৰ কালত ইস্বৰৰ ঘৰত সোমাই, ২৬ পো-
ৰোহিতত বাজে আনে খাব নোপোআ ইস্বৰৰ আগত দিয়া জি পিঠা,
তাকে খালে আৰু লগৰ মানুহকো দিলে, এনে জে কৰম কৰিলে, তাক
তোমোলাকে কেতিয়াও পৰ্হা নাই নে? ২৭ তেঁও আৰু কলে, মানুহক বি-
স্রাম বাৰৰ নিমিতে ন হই, বিস্রাম বাৰকহে মানুহৰ নিমিতে স্রুজি আচিল;
২৮ এই হেতুকে মানুহৰ পুত্র বিস্রাম বাৰৰো অধিকাৰ ।

## ৩ আধ্যা ।

পাচে তেঁও আকও নামঘৰত সোমাল, তাতে সুকাই জোআ হাতেৰে মানুহ
এটা আচিলে । ২ তেঁও তাক বিস্রাম বাৰত স্বস্থ কৰে নে নকৰে, এই বুলি
সিহঁতে তেঁওৰ অপবাদ কৰিবলৈ তেঁওক চাই থাকিল । ৩ তেতিয়া তেঁও
সেই সুকান হতিয়া মানুহটত কলে, মাজত থিয় হোআ । ৪ পাচে তেঁও সিহঁ-
তত সুধিলে, বিস্রাম বাৰত ভাল কৰা বা বেয়া কৰা, আৰু প্রান ৰখা বা
প্রান মৰা, এই দুইৰো মাজত কোনটো কৰিব লগা কৰম? তাতে সিহঁতে
নেমাতি থাকিল । ৫ তেতিয়া তেঁও সিহঁতৰ কঠিন মন হেতুকে অসন্তোস
কৰি খঙ্গেৰে চাৰিও ফালে সিহঁতলৈ চালে, আৰু সেই মানুহক বুলিলে,
আপোনাৰ হাত মেলা । তাতে সি হাত মেলিলত [আন হাতৰ নিচিনা]
তাক স্বস্থ কৰা হল । ৬ ফিৰুচিবিলাকে তেতিয়াই বাহিৰলৈ গৈ, জি ৰুপে
তেঁওক বধিব পাৰে, হেৰোদিয়া মানুহে সৈতে তেঁওৰ বিৰোধে এনে আলচ
কৰিলে ।

৭ পাচে য়িচুএ সিস্যবিলাকে সৈতে তাৰ পৰা সাগৰৰ ওচৰলৈ গল ।
৮ তাতে গালিল আৰু য়িহুদা, য়িৰুচালম আৰু ইদোমৰ, আৰু য়ৰ্দানৰ
সিপাৰৰ পৰা সমুহ লোক সকল তেঁওৰ পাচত গল; তাত বাজেও চোৰ
আৰু চিদোনৰ ওচৰত থকা বহু মানুহে তেঁওৰ মহত কৰমৰ কথা সুনি
তেঁওৰ ওচৰলৈ আহিল । ৯ তেতিয়া মানুহ সমুহে তেঁওক বেৰি নধৰিবলৈ
এখান নাও জেন তেঁওৰ ওচৰত ৰাখে, সিস্যবিলাকক এনে আগ্যা কৰি-
লে; ১০ কিয়নো তেঁও ভালেমান মানুহক স্বস্থ কৰাত জিবিলাক ৰুগিয়া
আচিল, সেইবিলাকে তেঁওক চুবলৈ হেঁচা হেঁচি কৰি আচিল । ১১ আৰু
অসুচি ভুতবিলাকে তেঁওক দেখি, আগত পৰি বিঙ্গিয়াই কলে, তুমি ইস্বৰৰ
পুত্র । ১২ কিন্তু তেঁও সিহঁতক সকত আগ্যা দি তেঁওক প্রকাস কৰিবলৈ
বাধা কৰিলে ।

১৩ পাচে তেঁও পৰ্বতত উঠি জিবিলাকক মাতিবৰ ইচা, সেইবিলাককে
মাতিলে; তাতে সিবিলাকে তেঁওৰ ওচৰলৈ আহিল । ১৪ তেতিয়া আপো-
নাৰ লগত থাকিবলৈ, আৰু কথা কিতন কৰিবৰ নিমিতে পাঁচনি হবলৈ,

১৫ আৰু ৰোগ গুচুআ ভুত খেদোআ সক্তি পাবলৈ, তেঁও বাৰে জনক
নিজোচন কৰিলে। ১৬ (সেই বাৰে জন এই;) চিমোন, জাৰ উপনাম
পিতৰ দিলে; ১৭ জবিদিৰ পুতেক য়াকোব, আৰু তেঁওৰ ভায়েক য়োহান,
সিবিলাকক বিনেৰোগজ অৰ্থাত মেঘৰ গৰ্জনৰ পুতেক, এনে উপনাম দিলে;
১৮ আন্দ্ৰিয়া, ফিলিপ, আৰু বাৰ্থলমই; মাথি আৰু থোমা; হলফইৰ
পুতেক য়াকোব, আৰু থাদই; ১৯ কিনানিয়া চিমোন, আৰু তেঁওক লোকৰ
হাতত সোধাই দিয়া ইস্কাৰিওতিয়া য়িহুদা।

২০ তাৰ পাচে সিবিলাকে এটা ঘৰত সোমালে; কিন্তু সিবিলাকে তাত
ভোজন কৰিবলৈ জেন নেপাই, এইমান মানুহৰ সমুহ আকও চাপিলহি।
২১ তেঁওৰ পৰিয়ালবিলাকে এই কথা সুনি তেঁও বিগিয়ান হল, ইয়াকে
বুলি তেঁওক ধৰিবলৈ ওলাই গল। ২২ আৰু য়িৰুচালমৰ পৰা অহা
অধ্যাপকবিলাকে বুলিলে, এই মানুহৰ বেল্‌জিবুব সহাই আচে; সেই ভুতৰ
ৰজাৰ দোআৰাই সি ভুতক খেদাই। ২৩ তাতে তেঁও সিইঁতক মাতি পটন্তৰ
দি কলে, চইতানে চইতানক কেনেকৈ খেদাব পাৰে? ২৪ কোনো ৰাজ্য জদি
আপোনাৰ বিৰোধে বেলেগ হই, তেন্তে সেই ৰাজ্য থাকিব নোআৰে।
২৫ আৰু কোনো ঘৰ জদি আপোনাৰ বিৰোধে বেলেগ হই, তেন্তে সেই
ঘৰ থাকিব নোআৰে। ২৬ তেনেকৈ চইতানেও জদি আপোনাৰ বিৰোধে
উঠি বেলেগ হই, সি আৰু নেথাকি অন্ত হৈ জাই। ২৭ বলৱন্ত মানুহক
আগেয়ে নেবান্ধিলে, তাৰ ঘৰত সোমাই কোনেও বস্তু লুৰিব নোআৰে;
তাক বান্ধিলেহে পাচে তাৰ ঘৰ লুৰিব। ২৮ মই তোমোলাকত স্বৰূপকৈ
কঁও, মানুহৰ সন্তানবিলাকৰ সকলো বিধ পাপ, আৰু ইস্বৰক নিন্দা কৰা
জি নিন্দা, সেই সকলোকে খেমা কৰা হব; ২৯ কিন্তু জি কোনোএ পবিত্ৰ
আত্মাক নিন্দা কৰে, কেতিয়াও তাৰ খেমা নহই, সি অনন্ত দণ্ডৰ পাত্ৰ
হব। ৩০ তাৰ অসুচি ভুত আচে বুলি, সিইঁতে কোআৰ নিমিত্তে তেঁও এই
কথা কলে।

৩১ পাচে তেঁওৰ মাক আৰু ভায়েকবিলাক আহি বাহিৰত থিৰ হৈ
তেঁওক মাতি পঠালে। ৩২ তাতে তেঁওৰ ওচৰত বহি থকা মানুহবিলাকে
তেঁওত কলে, দেখা, বাহিৰে তোমাৰ মাৰা আৰু ভায়াবিলাকে তোমাক বি-
চাৰিচে। ৩৩ তেঁও সমিধান দি সিবিলাকত কলে, মোৰ আই কোন?
আৰু ভাইবিলাক নো কোন? ৩৪ পাচে আপোনাৰ চাৰিও ফালে বহি
থকাবিলাককলৈ চাই তেঁও কলে, দেখা, মোৰ আই আৰু ভাইবিলাক এই।
৩৫ কিয়নো জি কোনোএ ইস্বৰৰ ইষ্ট কৰম কৰে, মোৰ ভাই, ভনি, আয়ো
সেয়েই।

## ৪ আধ্যা ।

পাচে তেঁও সাগৰৰ তিৰত আকও উপদেস দিব ধৰিলে; তাতে বহু মানুহ
ওচৰ চাপিলত তেঁও সাগৰৰ মাজত এখান নাৱত উঠি বহিল; আৰু সক-
লো মানুহ সাগৰৰ কাখৰতে থাকিল । ২ তেতিয়া তেঁও পটন্তৰ দি অনেক
কথা সিকাই উপদেসেৰে কলে, ৩ মন দি সুনা, এটা খেতিয়কে কঠিয়া
সিঁচিবলৈ গল । ৪ সি কঠিয়া সিচোতে সিচোঁতে কেতবিলাক বাটৰ কাখ-
ৰত পৰিল; তাতে [আকাসৰ] চৰাইবোৰে আহি তাক খুঁটি খুঁটি খালে ।
৫ কেতবিলাক অলপ মাটি থকা সিলনিত পৰি, ডাঠ মাটি নোহোআত
সোনকালে গজিল; ৬ কিন্তু বেলি ওলালত ৰদ লাগি তাৰ সিপা নো-
হোআত সুকাই গল । ৭ আৰু কেতবোৰ কাঁইটনিত পৰিল, তাতে কাঁইট
বাঢ়ি তাক হেঁচি ধৰাত তাৰ গুটি নহল । ৮ আনবিলাক ভাল মাটিত পৰি
গজি বাঢ়ি, কেতবোৰে ডেৰ কুৰি, কেতবোৰে তিনি কুৰি, কেতবোৰে এস
গুনকৈ গুটি ধৰিলে । ৯ পাচে তেঁও সিবিলাকত কলে, জাৰ সুনিবলৈ কান
আচে, সি সুনোক ।
১০ পাচে নিৰ্জান হলত তেঁওৰ লগৰবিলাকে বাৰে জন সিস্যে সৈতে
তেঁওত সেই দ্রিষ্টান্তৰ কথা সুধিলে । ১১ তেতিয়া তেঁও সিবিলাকত কলে,
ইশ্বৰৰ ৰাজ্যৰ গুপুত কথা জানিবলৈ তোমোলাকক দিয়া হৈচে; ১২ কিন্তু
জিবিলাক বাহিৰে আচে, সেইবিলাকে দেখোঁতে দেখিলেও জেন নেজানে,
আৰু সুনোঁতে সুনিলেও জেন নুবুজে, আৰু মন পালটাত সিহঁতৰ পাপ
জেন খেমা নহই, এই নিমিত্তে সিহঁতৰ আগত এই সকলো কথা দ্রিষ্টান্তেৰে
কোআ হৈচে । ১৩ পাচে তেঁও সিবিলাকত কলে, তোমোলাকে এই দ্রিষ্টান্ত
বুজা নাই নে? তেন্তে আন সকলো দ্রিষ্টান্ত কেনেকৈ বুজিবা? ১৪ কঠিয়া
সিঁচা খেতিয়কে বাক্যৰ কঠিয়া সিঁচে । ১৫ বাটৰ কাখৰত পৰা কঠিয়াৰ
অৰ্থ এই, তাতে বাক্য সিঁচাত কোনোবিলাকে জেতিয়া সুনে, তেতিয়াই চই-
তানে আহি সিহঁতৰ মনত জি বাক্য সিঁচা গল, তাক কাঢ়ি লৈ জাই ।
১৬ আৰু সিলনিত সিচা কঠিয়াৰ অৰ্থ এই, কোনোবিলাকে কথা সুনি-
য়েই আনন্দেৰে লই, ১৭ কিন্তু আপোনাৰ মাজত সিপা নোহোআত অলপ
দিন মাথোন থাকে, পাচে বাক্যৰ কাৰনে দুখ বা তাৰনা হলে অলপতে
বেজাৰ পাই । ১৮ আৰু কাঁইটনিত সিঁচা কঠিয়াৰ অৰ্থ এই, কোনোবিলা-
কে কথা সুনিলত, ১৯ সংসাৰৰ চিন্তা, আৰু ধনৰ ভুল, আৰু আন আন
বিসয়ৰ লোভ, এইবিলাকে সোমাই বাক্য হেঁচি ধৰে, তাতে সি বিফল হই ।
২০ আৰু ভাল মাটিত সিচা কঠিয়াৰ অৰ্থ এই, জিবিলাকে কথা সুনি লই,
সিবিলাকৰ কোনোবোৰে ডেৰ কুৰি, কোনোবোৰে তিনি কুৰি, কোনো-
বোৰে এস গুনকৈ গটি ধৰে ।

২১ তেঁও আৰুও সিবিলাকত কলে, গচাৰ ওপৰত নথৈ, দোনৰ বা খা-
টৰ তলত থবলৈ চাকি আনে নে? ২২ কিয়নো জি প্ৰকাস নহব, এনে
কোনো গুপুত বস্তু নাই; আৰু জি পহৰলৈ নাহিব, এনে কোনো লুকুআ
বস্তু নাই। ২৩ জাৰ সুনিবলৈ কান আছে, সি সুনোক। ২৪ আৰু তেঁও
সিবিলাকত কলে, তোমোলাকে জি জি কথা সুনা, তালৈ সাৱধান হোআ;
কিয়নো তোমোলাকে জি জোখেৰে জোখা, সেই জোখ তোমোলাকলৈকো
দিয়া হব। আৰু মন দিয়া জি তোমোলাক, তোমোলাকক অধিক দিয়া
হব; ২৫ কিয়নো জাৰ আছে, তাক আৰু দিয়া হব, কিন্তু জাৰ নাই, তাৰ
জি আছে, তাকো তাৰ পৰা নিয়া হব।

২৬ পাছে তেঁও আৰুও কলে, এটা মানুহে মাটিত কঠিয়া সিঁচিলত,
২৭ ৰাতিয়ে দিনে সুই জাগি থাকে, এনে সময়ত সেই কঠিয়া কেনেকৈ গজি
বাৰ্হে, তাক সি নে জানে; ২৮ কিয়নো প্ৰথমতে পাত, পাছে থেঁই, তাৰ
পাছে থেঁইৰ ভিতৰত পুৰ হোআ গুটি প্ৰিথিবিয়ে আপুনি ধৰাই; ২৯ তাতে
গুটি পকিলে সহ হল জেন জানি, সি তেতিয়াই কাচি লগাই; এনে ইশ্বৰৰ
ৰাজ্য।

৩০ পাছে তেঁও আৰুও কলে, ইশ্বৰৰ ৰাজ্য কাৰে তুল্য কৰিম? বা তাৰ
উপমা কি দিম? ৩১ সেই ৰাজ্য এটি সৰিয়হৰ নিচিনা, তাক মাটিত সিঁচি-
বৰ কালত প্ৰিথিবিৰ আটাই গুটিতকৈ সৰু, ৩২ কিন্তু বোআৰ পাছে সি
গজি বাৰ্হি আটাই সাকতকৈ ডাঙ্গৰ হই, আৰু তাৰ চাঁয়াত চৰাইবোৰ
থাকিব পৰা, এনে বৰ ডাল ধৰে।

৩৩ সিবিলাকে বুজিব পৰাকৈ তেঁও এনে অনেক দ্ৰিষ্টান্তেৰে উপদেস
দিলে, ৩৪ আৰু দ্ৰিষ্টান্ত নিদিয়াকৈ সিবিলাকত একো কথা নকলে; পাছে
নিৰ্জান হলত আপোনাৰ সিস্যবিলাকত সকলো কথাৰ অৰ্থ বুজালে।

৩৫ সেই দিনাৰ গধুলি বেলা তেঁও সিবিলাকক বুলিলে, আঁহা, আমি সি-
পাৰলৈ জাঁওহঁক। ৩৬ তেতিয়া সিবিলাকে মানুহ সমুহক বিদাই দি, নাৱত
থকাৰেই তেঁওক লৈ গল। আৰু আন নাওবোৰো তেঁওৰ লগত আছিল।
৩৭ পাছে বৰ ধুমুহা বতাহ হলত ঢৌৰ কোব নাৱত লাগি পানিৰে ভৰা
হল। ৩৮ তেতিয়া তেঁও নাৱৰ গুৰি ফালে গাঁৰুত মুৰ দি টোপনিতে আ-
ছিল। এই হেতুকে সিবিলাকে তেঁওক জগাই কলে, হে গুৰু, আমি মৰোঁ-
হে, ইয়ালৈ আপোনাৰ চিন্তা নাই নে? ৩৯ তেতিয়া তেঁও উঠি বতাহক
ডবিয়ালে, আৰু সাগৰতো কলে, থিৰ হৈ সান্তে থাকা! তাতে বতাহ গুচিল,
সাগৰো অতি নিৰ্মল হল। ৪০ তেতিয়া তেঁও সিবিলাকত কলে, তোমোলাক
কি কাৰনে এইমান ভয়াতুৰ হোআ? তোমোলাকৰ বিশ্বাস নাইকিয়া কিয়?
৪১ তাতে সিবিলাকে অতিসই ভই পাই ইটে সিটে কলে, বোলে, এঁও নো
কেনে মানুহ, বতাহ আৰু সাগৰেও জে এঁওৰ কথা মানে!

## ৫ আধ্যা।

পাচে সিবিলাকে সাগৰৰ পাৰ হৈ গাদাৰা দেস পাই, ২ নাৱৰ পৰা উঠি-
লতেই অসুচি ভুতে পোআ এটা মানুহে মৈদামৰ পৰা আহি তেঁওৰ সাখ্যাত
হল। ৩ সেই মানুহৰ নিবাস মৈদামৰ মাজত আছিল, আৰু কোনেও তাক
জিজিৰিৰে বান্ধিও ৰাখিব নোআৰিলে। ৪ তাক বাৰে বাৰে লোআ আৰু
জিজিৰিৰে বান্ধিচিল, কিন্তু সি জিজিৰি চিঙ্গি লোআও ডোখৰ ডোখৰ
কৰাত কোনেও তাক দমিব নোআৰে। ৫ আৰু ৰাতিএ দিনে সদাই সি
মৈদামত আৰু পৰ্ব্বতত থাকি এটাহ পাৰি আপোনাকে আপুনি সিলেৰে
কাটিচিল। ৬ সি দুৰৈত য়িচুক দেখিয়েই লৰি গৈ তেঁওক সেৱা কৰি,
বৰকৈ এটাহ পাৰি কলে, ৭ হে সৰ্ব্বোপৰি ইস্বৰৰ পুত্ৰ য়িচু; তোমাৰ
লগত মোৰ কি কাম? মই তোমাক ইস্বৰৰ সপত দিচোঁ, মোক জাতনা ন
কৰিবা। ৮ কিয়নো য়িচুএ তাত কৈচিলে, হেৰৈ অসুচি ভুত, এই মানু-
হৰ পৰা বাহিৰ ওলা। ৯ পাচে তেঁও তাত সুধিলে, তোৰ কি নাম?
তাতে সি তেঁওত কলে, মোৰ নাম বাহিনি; কিয়নো আমি অনেক আচোঁ।
১০ পাচে তেঁও জেন দেসৰ পৰা সিহঁতক নেখেদে, এই নিমিত্তে তেঁওৰ
আগত অনেক প্ৰাৰ্থনা কৰিলে। ১১ সেই কালত পৰ্ব্বতৰ ওচৰত বৰ
এজাক গাহৰি চৰি আছিল। ১২ তাতে ভুতবিলাকে মিনতি কৰি কলে,
আমি এই গাহৰি জাকত জেন সোমাঁও, তাৰৈকে আমাক পাঁচি দিওক।
১৩ তেতিয়া য়িচুএ অনুমতি দিলত সেই অসুচি ভুতবিলাকে বাহিৰ ওলাই
গাহৰি জাকত সোমালগৈ; তাতে দুহেজাৰ মান গাহৰি থকা সেই জাক
বৰকৈ লৰি গৈ গৰাৰ পৰা সাগৰত পৰি পানিত মৰিল। ১৪ পাচে
ৰখিয়াবোৰে পলাই, নগৰ আৰু চহৰতো এই কথা কলেগৈ। তেতিয়া জি
ঘটিচিল, তাক চাবলৈ মানুহবিলাক ওলাই, ১৫ য়িচুৰ ওচৰলৈ আহি সেই
বাহিনি লেখৰ ভুতে পোআটক কাপৰ পিন্ধি গিয়ান পাই বহি থাকিবৰ
দেখি, ভই পালে। ১৬ পাচে দেখাবিলাকে সেই ভুতে পোআ মানুহৰ
আৰু গাহৰি জাকৰ ঘটনাৰ কথা কলত, ১৭ সিহঁতৰ সিমাৰ পৰা জাবলৈ
তেঁওক মিনতি কৰিব ধৰিলে। ১৮ পাচে তেঁও নাৱত উঠোঁতে সেই ভুতে
পোআ মানুহে তেঁওৰ লগত থাকিবলৈ প্ৰাৰ্থনা কৰিলে। ১৯ কিন্তু য়িচুএ
তাক অনুমতি নিদি বুলিলে, তুমি আপোনাৰ পৰিয়াললৈ ঘৰে জোআ,
আৰু প্ৰভুএ তোমাক দায়া কৰি জেনে মহত কৰম কৰিলে, তাকে সিবি-
লাকত কোআগৈ। ২০ তেতিয়া সেই ঠাইৰ পৰা গৈ, তাৰ নিমিত্তে য়িচুএ
জি মহত কৰম কৰিলে, তাক দেকাপলি দেসত প্ৰকাসকৈ কবলৈ ধৰিলে;
তাতে সকলোএ বিস্মই মানিলে।

২১ পাচে য়িচুএ নাৱেৰে আকও সি পাৰলৈ গলত সাগৰৰ তিৰত থা-

কোতে তেঁওৰ ওচৰত বহু মানুহ চাপিলহি । ২২ আৰু দেখা, জাইৰ না-
মেৰে নাম ঘৰৰ এক অধিকাৰ আহি তেঁওক দেখিয়েই চৰনত পৰি অনেক
নিবেদন কৰি কলে, ২৩ মোৰ জিটি মৰিব লগা হৈ আছে, এই হেতুকে
আপুনি আহি স্বস্থ কৰিবৰ নিমিত্তে তাইৰ গাত হাত দিওক, তেহে তাই
জিব । ২৪ তাতে য়িচুএ অধিকাৰৰ লগত জোআত বহু মানুহ পাচত গৈ
তেঁওক বেৰি ধৰিলে ।

২৫ তেতিয়া বাৰে বচৰ ৰুগিয়া হৈ তেজ জোআ, ২৬ অনেক বেজৰ পৰা
বহু দুখ পোআ, আৰু সকলো বস্তু ভাঙ্গিলতো একেৰিও ভাল নহৈ ৰোগ
আৰু বৰ্হাহে হোআ, ২৭ এনে এজনি তিৰোতা মানুহে য়িচুৰ কথা সুনি, সমুহৰ
মাজত তেঁওৰ পাচ ফালেদি আহি তেঁওৰ গাৰ কাপৰ চুলে; ২৮ কিয়নো
তাই বুলিচিলে, মই জদি তেঁওৰ কাপৰ মাথোন চুব পাৰোঁ, তেও ভাল
হম । ২৯ তেতিয়াই তাইৰ তেজ বোআ সুকাই গল, আৰু সেই বেদেনাৰ
পৰা মুকুত হোআ তাই আপুনি দেহতে জানিলে । ৩০ তেতিয়া য়িচুএ
আপোনাৰ পৰা সক্তি ওলাই জোআ মনেৰে জানি, সমুহৰ মাজত ঘুৰি
চাই সুধিলে, মোৰ কাপৰ কোনে চুলে? ৩১ তাতে সিস্যবিলাকে তেঁওত
কলে, মানুহৰ সমুহে চাৰিও ফালে আপোনাক হেঁচি ধৰা দেখিও, কোনে
মোক চুলে, ইয়াকে বোলে! ৩২ আৰু এই কৰম কোনে কৰিলে, ইয়াকে
দেখিবৰ নিমিত্তে তেঁও চাৰিও ফালে চালে । ৩৩ তেতিয়া সেই তিৰোতাই
আপোনাৰ গাত জি কৰা গল, তাক জানি ভই পাই কঁপি কঁপি আহি,
তেঁওৰ আগত পৰি সকলো সত্য কথা কলে, ৩৪ তাতে তেঁও তাইক বুলি-
লে, হে আইটি, তোমাৰ বিস্বাসে তোমাক ভাল কৰিলে; কুসলে জোআ,
তোমাৰ ৰোগৰ পৰা মুকুত হোআ ।

৩৫ তেঁও এই কথা কঁওতেঁ নাম ঘৰৰ অধিকাৰৰ ঠাইৰ পৰা মানুহ
আহি কলে, তোমাৰ জিঁয়া মৰিল; গুৰুক আৰু কিয় দুখ দিয়া? ৩৬ য়িচুএ
সেই কথা সুনিলতে অধিকাৰত কলে, ভই ন কৰিবা, বিস্বাস মাথোন কৰা ।
৩৭ পাচে পিতৰ, য়াকোব, আৰু য়াকোবৰ ভায়েক য়োহান, এইবিলাকত
বাহিৰে আন কাকো আপোনাৰ লগত জাব নিদি, ৩৮ অধিকাৰৰ
ঘৰলৈ আহি এৰাও, কন্দাবিলাক, আৰু বৰ বিলাপ কৰি থকাবোৰক
দেখিলে । ৩৯ পাচে তেঁও ভিতৰলৈ সোমাই সিবিলাকত কলে, তোমো-
লাকে এনে এৰাও, কন্দা কটা কিয় কৰিচা? চোআলি মৰা নাই, টোপ-
নিতে আছে । ৪০ তাতে সিহঁতে তেঁওক হাঁহিলে । কিন্তু য়িচুএ আটাইকে
বাহিৰ কৰি চোআলিৰ মাক বাপেক আৰু তেঁৰে সৈতে অহাবিলাকক
লগত লৈ চোআলি সুআই থোআ ঠাইত সোমালগৈ । ৪১ পাচে তেঁও চো-
আলিৰ হাতত ধৰি তাইত কলে, টালিথা কুমি, অথাত হে চোআলি, উঠা,
তোমাত আগ্যা দিচোঁ । ৪২ তেতিয়াই সেই চোআলিএ উঠি খোজ কাঢ়িলে ।

তাইৰ বয়স বাৰে বচৰ হৈচিল। তাতে সকলোএ বৰ বিস্মই মানিলে।
৪৩ পাচে এই কথা জেন কোনেও নেজানে, তেঁও সিবিলাকত এনে দ্রিঢ
আগ্যা দিলে, আৰু তাইক খোআ বস্তু দিবলৈ কলে।

---

৬ আধ্যা।

পাচে তেঁও সেই ঠাইৰ পৰা গৈ আপোন দেসলৈ আহিল, আৰু সিস্যবি-
লাকো তেঁওৰ লগত গল। ২ তেতিয়া বিস্রাম বাৰ হলত তেঁও নাম ঘৰত উপদেস
দিবলৈ ধৰিলে; তাতে অনেক মানুহে তেঁওৰ কথা সুনি বিস্মই মানি কলে,
এই মানুহৰ এনেবিলাক কৰম কৰ পৰা হল? আৰু আপোনাৰ হাতেৰে
এনে আচৰিত কৰম কৰিবলৈ তাক কেনেকুআ গিয়ান দিয়া হল? ৩ ই
মাৰিয়ামৰ পুত্তেক বাঢ়ৈ নহই নে? য়াকোব, আৰু য়োচি, য়িহুদা, চি-
মোন, এইবিলাকৰ ভায়েক নহই নে? তাৰ ভনিয়েকবিলাকো আমাৰ
এখেত নাই নে? এই ৰুপে সিহঁতে তেঁওত বেজাৰ পালে। ৪ তেতিয়া
য়িচুএ সিহঁতক বুলিলে, ভবিস্যত বক্তা আপোন দেস আৰু আপোন গি-
য়াতি পৰিয়ালৰ বাহিৰে আন ঠাইত কতো অমৰ্জতা নহই। ৫ তাতে
তেঁও কেতবিলাক নৰিয়া মানুহৰ গাত হাত দি স্বস্থ কৰাত বাজে সেই
ঠাইত আন এৰো আচৰিত কৰম কৰিব নোআৰিলে; ৬ আৰু সিহঁতৰ
অবিস্বাস দেখি তেঁও বিস্মই মানিলে। পাচে চাৰিও ফালৰ গাঁৱত ফুৰি
উপদেস দিলে।

তাৰ পাচে তেঁও আপোনাৰ বাৰে জন সিস্যক মাতি আনি অসুচি ভুতৰ
ওপৰত সক্তি দি, দুজন দুজনকৈ সিবিলাকক পঠিচিলে; ৮ আৰু এই আগ্যা
দিলে, তোমোলাকে বাটত জোআৰ নিমিত্তে এডাল এডাল লাখুটিত বাজে
জোলোঙ্গা, পিঠা, টঙ্গালিত পইচা, এইবিলাকৰ একো নলবা। ৯ কিন্তু
ফানটি পিন্ধিবা, আৰু চোলা দুখন গাত নলবা। ১০ তেঁও সিবিলাকত
আৰু কলে, তোমোলাকে জতে জি ঘৰত সোমোআ, তাৰ পৰা নোজোআ
মানে সেই ঘৰতে থাকিবা। ১১ কিন্তু জি কোনোবিলাকে তোমোলাকক
আলহি নোসোধে, আৰু তোমোলাকৰ কথাও নুসুনে, সিবিলাকৰ ঠাইৰ
পৰা জোআ কালত সিহঁতৰ বিৰোধে সাখি হবৰ নিমিত্তে আপোনাৰ
ভৰিৰ ধুলিও জোকাৰি পেলাবা। [মই তোমোলাকত স্বৰুপকৈ কৈচোঁ,
সোধৰ দিনা সেই নগৰৰ দসাতকৈ চিদোম আৰু আমোৰাৰ দসা সহিবলৈ
লঘু হব।] ১২ তাৰ পাচে সিবিলাকে গৈ, মানুহবিলাকে জেন মন পাল-
টাই, এই কথা কিৰ্তন কৰিলে; ১৩ অনেক অসুচি ভুত খেদালে, আৰু
বহু ৰুগিয়া মানুহৰ গাত তেল ঢাকি দি স্বস্থ কৰিলে।

১৪ সেই কালত তেঁওৰ জসস্যাই বিয়াপিলত হেৰোদ ৰজাই তাকে সুনি

কলে, য়োহান বুৰ দিওআ মিত্যুৰ পৰা উঠিল; এই হেতুকে তেঁওৰ
দোআৰাই আচৰিত কৰম প্ৰকাস হৈচে। ১৫ আন বোৰে কলে, এই জন
এলিয়া; আন কোনোবোৰে কলে, আগৰ কালৰ ভবিস্যত ভক্তাবিলাকৰ
এজনৰ নিচিনা এঁৱো ভবিস্যত বক্তা। ১৬ কিন্তু হেৰোদে সুনি কলে, মই
জাৰ মূৰ কটালোঁ, এঁও সেই য়োহান; মিত্যুৰ পৰা উঠিল।

১৭ আগেয়ে হেৰোদে আপোনাৰ ভায়েক ফিলিপৰ তিৰোতা হেৰোদিয়াক
বিয়া কৰালত তাইৰ কাৰনে মানুহ পাঁচি য়োহানক ধৰি বন্দিসালত বান্ধি
থৈছিল। ১৮ কিয়নো য়োহানে হেৰোদত কৈছিলে, আপোনাৰ ভায়াৰ
ভাৰ্জাক তুমি লব নোপোআ। ১৯ এই হেতুকে হেৰোদিয়াই য়োহানলৈ খঙ্গ
হৈ তেঁওক মাৰিবলৈ ইচা কৰিলে, কিন্তু নোআৰিলে। ২০ কিয়নো হেৰোদে
তেঁওক ধৰমি সাধু পুৰুস জানি মান কৰি ৰাখিলে; আৰু তেঁওৰ কথা
সুনাত অনেক কৰম কৰিলে, আৰু তেঁওৰ উপদেস সন্তোসে মনেৰে সুনিলে।
২১ পাচে প্ৰসস্ত কাল হলত হেৰোদে আপোনাৰ জনমৰ দিনা তেঁওৰ ডাঙ্গ-
ৰিয়া সকল, সেনাপতি, আৰু গালিলৰ প্ৰধান লোকবিলাকলৈ ৰাতি ভোজ
পাতিলে; ২২ তাতে হেৰোদিয়াৰ জিয়েক আহি সিবিলাকৰ আগত নাচি
হেৰোদৰ আৰু তেঁওৰ ওচৰত বহাবিলাকৰ সন্তোস কৰিলত ৰজাই সেই
চোআলিত কলে, তোমাৰ জিহকে ইচা তাকে খোজা, মই তোমাক দিম।
২৩ আৰু সপত কৰিও কলে, আদখনি দেসলৈকে জিহকে খোজা, তাকে
দিম। ২৪ তেতিয়া তাই বাহিৰলৈ গৈ আপোনাৰ মাকত সুধিলে, মই কি
খুজিম? তাতে মাকে কলে, য়োহান বুৰ দিওআৰ মুৰ খোজা। ২৫ তেতিয়া
তাই বেগাই ৰজাৰ ওচৰলৈ আহি খুজিলে, বোলে, য়োহান বুৰ দিওআৰ
মুৰ এখান থালত ভৰাই আনি এতিয়া মোক দিওক, মই এই ইচা কৰোঁ।
২৬ তাতে ৰজাই বৰ অসন্তোস পালে, কিন্তু আপোনাৰ সপতৰ নিমিত্তে,
আৰু তেঁওৰ লগত বহাবিলাকৰ নিমিত্তেও তাইক নুই কৰিবৰ মন নহৈ,
২৭ তেতিয়াই য়োহানৰ মুৰ আনিবলৈ চাউডাঙ্গক আগ্যা কৰি পাঁচিলে।
২৮ তাতে সি গৈ বন্দিসালত তেঁওৰ মুৰ কাটি, এখান থালত ভৰাই আনি
সেই চোআলিক দিলে, চোআলিয়েও মাকক দিলে। ২৯ পাচে য়োহানৰ
সিস্যবিলাকে এই কথা সুনি আহি তেঁওৰ গাঁৰি ডোখৰ তুলি মৈদামত
থলেনি।

৩০ তাৰ পাচে পাঁচনিবিলাকে য়িচুৰ ওচৰলৈ গোট খাই, সিবিলাকে
জি জি কৰিছিল, আৰু জি জি সিকাইছিল, সেই সকলোকে তেঁওত কলে।
৩১ তাতে তেঁও সিবিলাকক বুলিলে, তোমোলাকে অকলেই নিৰ্জান ঠাইলৈ
আহি কিচু কাল জিৰোআ; কিয়নো ভোজন কৰিবলৈ আহৰি নোপো-
আকৈ এতেক মানুহ সেই ঠাইলৈ অহা জোআ কৰিলে। ৩২ তেতিয়া সিবি-
লাকে নাৱেৰে অকলেই নিৰ্জান ঠাইলৈ গল। ৩৩ তাতে মানুহবোৰে

সিবিলাকক আন ঠাইলৈ জোআ দেখিলে, আৰু অনেকে তেওক চিনি পাই, আটাই নগৰৰ পৰা বাটেদি লৰি গৈ সিবিলাকৰ আগ হৈ তেওৰ ওচৰ পালে। ৩৪ তেতিয়া য়িচুএ বাহিৰলৈ গৈ বহু মানুহ দেখি সিহঁতলৈ মৰম লাগিল, কিয়নো সিবিলাক ৰখিয়া নথকা মেৰৰ নিচিনা হৈছিল; আৰু তেওঁ সিবিলাকক অনেক উপদেস দিবলৈ ধৰিলে।

৩৫ পাচে দিনৰ সেস হলত সিস্যবিলাক তেওঁৰ ওচৰলৈ আহি কলে, এই নির্জান ঠাই, দিনৰো সেস হল, আৰু মানুহবিলাকৰ খাবলৈ একো নাই; ৩৬ এই হেতুকে চাৰিও ফালে চহৰ আৰু গাঁৱলৈ গৈ আপোনালৈ খোআ বস্তু কিনিবৰ নিমিত্তে সিহঁতক বিদাই দিয়োক। ৩৭ তেওঁ সিবিলাকক উত্তৰ কৰিলে, তোমোলাকেই সিহঁতক খাবলৈ দিয়া। তাতে সিবিলাকে তেওঁত কলে, আমি গৈ দুস সিকিৰ পিঠা কিনি আনি সিহঁতক খুআম নে? ৩৮ তেতিয়া তেওঁ সিবিলাকত কলে, তোমোলাকৰ লগত কেইটামান পিঠা আচে, তাক চোআগৈ। সিবিলাকে জানি তেওঁত কলে, পাঁচোটা পিঠা আৰু দুটা মাচ আচে। ৩৯ তেতিয়া তেওঁ কেঁচা ঘাঁহৰ ওপৰত সাৰি সাৰিকৈ মানুহবোৰক বহুআবলৈ আগ্যা কৰিলে। ৪০ তাতে সিহঁতে এসকৈ আৰ্হৈ কুৰিকৈ জুম পাতি পাতি বহিল। ৪১ তেতিয়া তেওঁ সেই পাঁচোটা পিঠা দুটা মাচ লৈ স্বৰগলৈ চাই আসির্বাদ কৰিলে; পাচে পিঠা ভাঙ্গি মানুহ-বোৰক দিবৰ নিমিত্তে সিস্যবিলাকক দিলে; আৰু দুটা মাচকো সকলোৰে মাজত বাঁটি দিলে। ৪২ তাতে সকলোএ খাই ত্রিপ্ত পালে; ৪৩ পাচে অৱসেস পিঠাৰে মাচেৰে বাৰেটা পাচি ভৰাই আনিলে। ৪৪ সেই পিঠা খোআ মানুহ পাঁচ হেজাৰ মান হৈচিল।

৪৫ তেতিয়া তেওঁ মানুহ জুমক বিদাই দিয়ে মানে সিস্যবিলাকক তেওঁৰ আগেয়ে নাৱত উঠি সিপাৰৰ বৈত্চৈদা নগৰলৈ জাবলৈ আগ্যা দিলে। ৪৬ তাতে সকলোকে বিদাই দি, প্রার্থনা কৰিবৰ নিমিত্তে তেওঁ পর্বতৰ ওপৰলৈ গল। ৪৭ পাচে গধুলি হলত নাও সাগৰৰ মাজত আচিলে, কিন্তু তেওঁ অকলেই বামত থাকিল। ৪৮ সেই সময়ত সমুখে বতাহ হোআত সিস্যবিলাকে নাও বাই বাই সুম পোআ দেখি, তেওঁ নিসাৰ চতুর্থ পৰ মানত সাগৰৰ ওপৰেদি খোজ কাৰ্হি সিবিলাকৰ ওচৰলৈ আহি, সিবি-লাকৰ আগ হৈ জোআৰ দৰে জাবলৈ ধৰিলে। ৪৯ কিন্তু সাগৰৰ ওপৰত তেওঁক খোজ কাৰ্হিবৰ দেখি, সিবিলাকে ভুত জেন ভাবি এটাহ পাৰিলে; ৫০ কিয়নো তেওক দেখি সকলোৰে উগুল থুগুল লাগিল। তেতিয়া য়িচুএ সিবিলাকে সৈতে কথা হৈ বুলিলে, থিৰ হোআ, মইহে, ভই নকৰিবা। ৫১ পাচে তেওঁ নাৱত উঠিলত বতাহ গুচিল। তাতে সিবিলাকে মনতে অতিসয় বিস্মই হৈ আচৰিত মানিলে; ৫২ কিয়নো সিবিলাকৰ মন টান হোআত পিঠাৰ মহত কৰম বিবেচনা নকৰিলে।

৫৩ পাচে সিবিলাকে পাৰ হৈ গিনেচৰেত দেস পাই বামলৈ গল।
৫৪ তেতিয়া নাৱৰ পৰা উঠিলতেই মানুহবিলাকে তেঁওক চিনি পাই,
৫৫ দেসৰ চাৰিও ফালে লৰি নৰিয়া পৰাবিলাকক দোলাতে তুলি, জি
ঠাইত তেঁওৰ থকা কথা সুনিলে, তালৈকে আনিবলৈ ধৰিলে। ৫৬ আৰু
জিবিলাক গাঁও, নগৰ, চহৰত তেঁও সোমাইচিল, তাতে নৰিয়াবিলাকক বাটে
বাটে থৈ, সিহঁতে জেন তেঁওৰ কাপৰৰ আঁচলকে মাথোন চুবলৈ পাই, এই
প্ৰার্থনা কৰিলে। আৰু জি জি চুলে, সেই সকলোকে ভাল কৰা হল।

## ৭ আধ্যা।

পাচে য়িৰুচালমৰ পৰা অহা ফিৰুচিবিলাক আৰু কোনো কোনো অধ্যাপক
য়িচুৰ ওচৰলৈ চাপিল। ২ আৰু সিহঁতে তেঁওৰ কেতবিলাক সিস্যক অসু-
চি অর্থাত নোধোআ হাতেৰে খাবৰ দেখি দাই ধৰিলে। ৩ কিয়নো
ফিৰুচি আৰু সকলো য়িহুদিবিলাকে ভ্ৰিধ লোকৰ আগৰ আচাৰ মানি
হাত নোধোআকৈ নেখাই। ৪ আৰু বজাৰৰ পৰা আহি গা নুধুলে নে-
খাই; আৰু তাত বাজে বাটি, লোটা, পিতলৰ পাত্ৰ, আসন, এইবিলাক
পানিত জুবুৰিওআৰ ৰিতি সিহঁতে ৰাখিবলৈ পালে। ৫ তেতিয়া ফি-
ৰুচি আৰু অধ্যাপকবিলাকে তেঁওত সুধিলে, তোমাৰ সিস্যবিলাকে ভ্ৰিধ
লোকৰ আগৰ আচাৰৰ দৰে নাচৰি, নোধোআ হাতেৰে কিয় ভোজন
কৰে? ৬ তাতে তেঁও উত্তৰ কৰি কলে, তোমোলাক কপটিয়াৰ অর্থে
য়িচয়াই স্বৰুপ মতে ভবিস্যত বাক্য কলে, বোলে, এই লোকবিলাকে
ওঁঠেৰে মোক সন্মান কৰে, কিন্তু সিহঁতৰ মন মোৰ পৰা নিলগ। ৭ সিহঁতে
মানুহে কৰা বিধান সিকাই মোত মিচা ভক্তি কৰে। ৮ তোমোলাকে
ইস্বৰৰ আগ্যা এৰি লোটা বাটি পানিত জুবুৰিয়াই মানুহৰ আচাৰৰ কথা
পালন কৰিচা; এই ৰুপ আন আন অনেক কৰমো কৰিচা। ৯ আৰু তেঁও
সিবিলাকত কলে, তোমোলাকে আপোনাৰ আচাৰৰ কথা ৰাখিবৰ নিমি-
তে ইস্বৰৰ আগ্যা গুচাই, সুন্দৰ কৰিচা! ১০ কিয়নো মোচাই কলে, তুমি
আপোনাৰ পিত্ৰি মাত্ৰিক সন্মান কৰা; আৰু জি কোনোএ পিত্ৰি বা
মাত্ৰিক নিন্দা কৰে, সি নিচয়ে মৰোক। ১১ কিন্তু তোমোলাকে কৈচা,
জদি কোনো মানুহে আপোনাৰ বাপেক বা মাকক বোলে, মোৰ জিহেৰে
তোমাৰ উপকাৰ হলহেঁতেন, তাক কর্বান অর্থাত ইস্বৰলৈ নিবেদিত হল,
(তেনে হব;) ১২ পাচে সেই মানুহে বাপেক মাকক আৰু উপকাৰ কৰি-
বলৈ নিদিয়াহঁক। ১৩ এই ৰুপে তোমোলাকে প্ৰবর্তোআ আচাৰৰ দো-
আৰাই ইস্বৰৰ আগ্যা লোপ কৰা; এনে অনেক কৰমো কৰি আচা।
১৪ পাচে তেঁও মানুহ সমুহক মাতি কলে, তোমোলাকৰ সকলোএ মোৰ

কথা সুনা আৰু বুজা । ১৫ বাহিৰৰ পৰা ভিতৰলৈ সোমাই মানুহক অসুচি
কৰিব পৰা, এনে কোনো বস্তু নাই; কিন্তু ভিতৰৰ পৰা বাহিৰলৈ জিবি-
লাক ওলাই, সেইবিলাকেহে মানুহক অসুচি কৰে । ১৬ জাৰ সুনিবলৈ কান
আচে, সি সুনোক । ১৭ পাচে তেঁও সমুহৰ মাজৰ পৰা গৈ ঘৰ সোমালত,
সিস্যবিলাকে সেই দ্রিস্টান্তৰ অর্থ সুধিলে । ১৮ তাতে তেঁও সিবিলাকত
কলে, তোমোলাকো এইমান অগিয়ান নে? কোনো বস্তুএ বাহিৰৰ পৰা
মানুহৰ ভিতৰলৈ সোমাই অসুচি কৰিব নোআৰে, ইয়াক তোমোলাকে
বুজা নাই নে? ১৯ সি তাৰ চিতত নোসোমাই; কিন্তু পেটৰ ভিতৰলৈ সো-
মাই, পাচে সকলো খোআ বস্তুৰ সুচি কৰা সৌচৰ ঠাইত বাহিৰ হৈ
জাই । ২০ আৰু তেঁও কলে, মানুহৰ পৰা জি ওলাই, সেয়েই মানুহক
অসুচি কৰে; ২১ কিয়নো ভিতৰৰ পৰা অর্থাত মানুহৰ চিতৰ পৰা কুচিন্তা,
পৰ তিৰি হৰন, বেস্যা গমন, মানুহ মৰা, ২২ চুৰ কৰা, লোভ, হিং-
সা, ভাগুনা, কাম, অসুয়া, নিন্দা, গর্ব, মোহ, এইবিলাক ওলাই । ২৩ এই
সকলো কুচিত কথাই ভিতৰৰ পৰা বাহিৰ হৈ মানুহক অসুচি কৰে ।

২৪ পাচে তেঁও উঠি সেই ঠাইৰ পৰা চোৰ আৰু চিদোনৰ সিমালৈ
গল । তাতে এটা ঘৰত সোমাই কোনেও নজনাকৈ থাকিবলৈ মন কৰি-
লে, কিন্তু গুপুত হৈ থাকিব নোআৰিলে । ২৫ কিয়নো চুৰফৈনিকি দেসি
এজনি গ্রিক তিৰোতাৰ অসুচি ভুতে পোআ সৰু জিয়েক এটি আচিল;
২৬ সেই তিৰোতাই তেঁওৰ কথা সুনি ওচৰলৈ আহি তেঁওৰ চৰনত পৰি,
আপোনাৰ জিয়েকৰ পৰা ভুতক খেদাবলৈ তেঁওক মিনতি কৰিলে । ২৭ কিন্তু
য়িচুএ তাইত কলে, প্রথমতে লৰাবোৰ ত্রিপ্তি হওক; কিয়নো লৰাৰ খোআ
বস্তু লৈ কুকুৰৰ আগত পেলাই দিয়া উচিত নহই । ২৮ তেতিয়া তাই সমি-
ধান দি কলে, স্বৰুপ, প্রভু; কিন্তু মেজৰ তলত থকা কুকুৰেও লৰাৰ হাতৰ
পৰা উফৰা পৰাবোৰক খাবলৈ পাই । ২৯ তাতে তেঁও কলে, এই কথাৰ
নিমিত্তে কুসলে জোআ; তোমাৰ জিঁয়াৰ পৰা ভুত বাহিৰ হৈ গল ।
৩০ পাচে সেই তিৰোতাই আপোনাৰ ঘৰলৈ গলত ভুতে এৰি জোআ,
আৰু জিয়েককো সজ্যাত সুই থকা দেখিলে ।

৩১ তেঁও আকও চোৰ আৰু চিদোনৰ সিমা এৰি গৈ, দেকাপলিৰ সি-
মাইদি গালিলৰ সাগৰৰ ওচৰলৈ আহিল । ৩২ তেতিয়া লোকবিলাকে এটা
কলা খোনা মানুহক তেঁওৰ ওচৰলৈ আনি, তাৰ গাত হাত দিবলৈ তেওক
মিনতি কৰিলে । ৩৩ তাতে সমুহৰ পৰা তাক আঁতৰাই নি, আপোনাৰ
অঙ্গুলি তাৰ দুই কানত দিলে, পাচে থুই দি তাৰ জিবা চুলে; ৩৪ আৰু
স্বৰগৰ ফাললৈ চাই হুমুনিয়াহ চাৰি বুলিলে, ইফতহ, অর্থাত মুকলি হওক ।
৩৫ তেতিয়াই তাৰ কান মুকলি হল, আৰু জিবাৰো বান্ধ গুচিলত সি নিচিদ্রু
ৰুপে কথা কব ধৰিলে । ৩৬ পাচে এই কথা কাকো নকবলৈ তেঁও সি-

বিলাকক সকত আগ্যা দিলে; কিন্তু তেঁও জিমান নিসেধ কৰিলে, সি-
বিলাকে সেইমান অধিককৈ জনালে; ৩৭ আৰু অতি বিস্মই পাই বুলিলে,
তেঁও সকলো কৰম সজ ৰুপে কৰিলে; কলাকো সুনিবলৈ আৰু খোৱা-
নাকো কথা কবলৈ সক্তি দিচে ।

## ৮ আধ্যা ।

সেই কালত তেঁওৰ ওচৰত মানুহৰ সমুহ সৰহ হলত, সিবিলাকৰ খাবলৈ
একো নাইকিয়াত য়িচুএ আপোনাৰ সিস্যবিলাকক মাতি কলে, ২ এই
মানুহ সমুহলৈ মোৰ মৰম লাগিচে; কিয়নো সিবিলাক এতিয়া মোৰ লগত
তিন দিন আচে, আৰু খাবলৈ একো নাই; ৩ আৰু সিবিলাকৰ কেত-
বোৰ দুৰৈৰ পৰা আহিচে; এই হেতুকে মই জদি সিবিলাকক আপোন
আপোন ঘৰলৈ লঘোনে পঠাওঁ, বাটত গা বহি জাব । ৪ সিস্যবিলাকে
উত্তৰ কৰিলে, হাবিৰ মাজত এই সকলোকে ত্রিপ্তি কৰাবলৈ এতেক পিঠা
কোনে কত পাব? ৫ তাতে তেঁও সুধিলে, তোমোলাকৰ কেইটামান পিঠা
আচে? সিবিলাকে কলে, সাতোটা । ৬ তেতিয়া তেঁও মানুহবিলাকক মাটি-
তে বহিবলৈ আগ্যা দিলে; পাচে সেই সাতোটা পিঠা লৈ, তেঁও আসির্বাদ
কৰি ভাঙ্গি মানুহবিলাকক বিলাই দিবলৈ সিস্যবিলাকৰ হাতত দিলে, তাতে
সিবিলাকে মানুহবোৰক বাঁটি দিলে । ৭ আৰু সিবিলাকৰ কেতবোৰ সৰু
মাচো আচিল, তেঁও সেইবোৰকো লৈ আসির্বাদ কৰি মানুহৰ আগত দিব-
লৈ আগ্যা কৰিলে । ৮ তাতে মানুহবিলাকে খাই ত্রিপ্তি পালে; পাচে
খোৱাৰ আগলিকাৰে সাতোটা পাচি ভৰাই ললে । ৯ জিবিলাকে খালে,
সেইবিলাক চাৰি হেজাৰ মান হৈচিল । পাচে তেঁও সিবিলাকক বিদাই
দিলে ।

১০ তেতিয়াই সিস্যবিলাকে সৈতে তেঁও নাৱত উঠি দাল্‌মনুথাৰ সিমালৈ
গল । ১১ তাতে ফিৰুচিবিলাকে আহি তেঁৱে সৈতে বাদ বিচাৰ লগাই,
পৰিখাব নিমিত্তে তেঁওৰ দোআৰাই আকাসৰ পৰা এটা চিন দেখিব খুজি-
লে । ১২ তাতে তেঁও বিদয়ৰ পৰা হুমুনিয়াহ চাৰি বুলিলে, এই লোক-
বিলাকে কিয় চিন চাবলৈ বিচাৰে? তোমোলাকত মই স্বৰুপকৈ কওঁ, এই
মানুহবিলাকক একো চিন দেখাই দিয়া নহব । ১৩ পাচে তেঁও সিহঁতক
এৰি আকও নাৱত উঠি সিপাৰলৈ গল ।

১৪ সেই কালত সিস্যবিলাকে পিঠা আনিবলৈ পাহৰি আহিচিলে, আৰু
নাৱত সিবিলাকৰ এটা পিঠা মাথোন আচিল । ১৫ তেতিয়া য়িচুএ সিবি-
লাকক আগ্যা কৰি কলে, তোমোলাকে ফিৰুচিবিলাক আৰু হেৰোদৰ
খমিৰলৈ সাৱধানে চাই থাকিবা । ১৬ তাতে সিবিলাকে ইজনে সিজনে

বিবেচনা করি বুলিলে, আমাৰ লগত পিঠা নাইকিয়া দেখি তেঁও এই
কথা কৈচে । ১৭ য়িচুএ তাকে বুজি সিবিলাকত কলে, তোমোলাকৰ লগত
পিঠা নাইকিয়াত কিয় এনে বিবেচনা কৰা? তোমোলাকে নেজানা, নুবুজা
নে? এতিয়ালৈকো তোমোলাকৰ মন টান হৈ আচে নে? ১৮ চকু থাকোঁ-
তেও নেদেখা নে? কান থাকোঁতেও নুসুনা, আৰু মনতো নপৰে নে?
১৯ মই জেতিয়া পাঁচ হেজাৰ মানুহৰ মাজত পাঁচোটা পিঠা ভাঙ্গি দিলোঁ,
তেতিয়া তোমোলাকে আগলিকাৰে কেইটা পাচি ভৰাই ললা? সিবিলাকে
কলে, বাৰেটা পাচি । ২০ আৰু জেতিয়া চাৰি হেজাৰ মানুহৰ মাজত সা-
তোটা পিঠা ভাঙ্গি দিলোঁ, তেতিয়াও আগলিকাৰে কেইটা পাচি ভৰাই
ললা? সিবিলাকে কলে, সাতোটা পাচি । ২১ তেতিয়া তেঁও কলে, তেন্তে
তোমোলাকে মোৰ কথা কিয় নুবুজা?

২২ পাচে তেঁও বৈত্‌চৈদা গাঁৱলৈ আহিলত লোকবিলাকে তেঁওৰ ওচ-
ৰলৈ এটা কনা মানুহক আনি, তাক চুবলৈ তেঁওক প্ৰাৰ্থনা কৰিলে ।
২৩ তাতে তেঁও কনাৰ হাতত ধৰি গাঁৱৰ বাহিৰলৈ লৈ গল; পাচে তাৰ
চকুত থুই দিলে, আৰু গাত হাত দি সুধিলে, কিবা দেখিচা নে? ২৪ তে-
তিয়া সি চকু মেলি চাই কলে, গচৰ নিচিনা মানুহবোৰক ফুৰিবৰ দেখি-
চো । ২৫ তাতে য়িচুএ তাৰ চকুত আকও হাত দি তাক ওপৰলৈ চোআ-
লত, সি স্বস্থ হৈ প্ৰকাস ৰুপে সকলোকে দেখিবলৈ পালে । ২৬ পাচে
য়িচুএ তাক আপোনাৰ ঘৰলৈ পঠাই দি কলে, গাঁৱলৈ নেজাবা, আৰু
গাঁৱৰ কোনো মানুহত এই কথা নকবা ।

২৭ পাচে য়িচুএ সিস্যবিলাকে সৈতে কৈচৰিয়া ফিলিপৰ ওচৰৰ গাঁওবিলাক-
লৈ গৈ, বাটতে সিবিলাকত সুধিলে, বোলে, মানুহবিলাকে মোক কোন বোলে?
২৮ সিবিলাকে সমিধান দি কলে, য়োহান বুৰ দিওআ বোলে; কোনোবো-
ৰে এলিয়া বোলে; আন কোনোবোৰে বোলে, ভবিস্যত বক্তাবিলাকৰ
মাজৰ এজন । ২৯ তেতিয়া তেঁও সিবিলাকত সুধিলে, কিন্তু তোমোলাকে
নো মোক কোন বোলা? তাতে পিতৰে উতৰ কৰিলে, তুমি খ্রিষ্ট ।
৩০ তেতিয়া তেঁওৰ কথা কাতো নকবলৈ তেঁও সিবিলাকক দ্রিঢ় আগ্যা
কৰিলে ।

৩১ পাচে মানুহৰ পুত্ৰই অনেক দুখ ভোগ কৰিব, আৰু ব্রিধ লোক,
প্ৰধান পোৰোহিত, অধ্যাপকবিলাকৰ পৰা হেলা কৰা হৈ সেসত বধ
কৰা হব, আৰু তিন দিনৰ পাচে আকও উঠিব, এই কথা তেঁও সিবিলা-
কক সিকাবলৈ ধৰিলে । ৩২ সেই কথা প্ৰকাস ৰুপে কলত পিতৰে তেঁওক
মাতি আনি নুই কৰিব ধৰিলে । ৩৩ কিন্তু তেঁও ঘূৰি আপোনাৰ সিস্য-
বিলাকলৈ চাই, পিতৰক ডাবি দি কলে, সত্ৰু, মোৰ পাচলৈ জা; ঈশ্বৰৰ
কথাত তোৰ অৰুচি, মানুহৰ কথাতহে ৰুচি ।

৩৪ পাচে তেঁও মানুহবোৰক আৰু আপোনাৰ সিস্যবিলাকক মাতি কলে,
জি কোনোএ মোৰ পাচত আহিবলৈ ইচা কৰে, সি আপোনাক দমন কৰোক,
আৰু আপোনাৰ পেৰেঙ্গনি তুলি লৈ মোৰ পাচত আহোক। ৩৫ কিয়-
নো জি কোনোএ আপোনাৰ প্ৰান ৰাখিব খোজে, সি তাক হেৰুআব;
কিন্তু জি কোনোএ মোৰ আৰু সুভ বাত্ৰাৰ কাৰনে আপোনাৰ প্ৰান হেৰু-
আই, সি তাক ৰখ্যা কৰিব। ৩৬ মানুহে গোটেই খন জগত পায়ো জদি
আপোনাৰ প্ৰান হেৰুআই, সেই মানুহৰ কি লাভ? ৩৭ আৰু মানুহে আ-
পোনাৰ প্ৰান ৰাখিবৰ নিমিত্তে কি সলনি দিব পাৰে? ৩৮ এই বেস্যালি
আৰু পাপি লোকৰ আগত জি কোনোএ মোত আৰু মোৰ কথাত লাজ
পাই, মানুহৰ পুত্ৰ জেতিয়া দুতবিলাকে সৈতে আপোনাৰ পিত্ৰিৰ প্ৰভাৱেৰে
আহিব, তেতিয়া তেঁৰো সেই মানুহত লাজ পাব। ৩৯ আৰু তেঁও বুলিলে,
মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, ইস্বৰৰ ৰাজ্যক মহিমাৰে আহিবৰ নে-
দেখে মানে ম্ৰিত্যু ভোগ নকৰিব, ইয়াত থিয় হৈ থকা মানুহৰ মাজ-
তো এনে কেতবিলাক আচে।

## ৯ আধ্যা।

তাৰ চদিনৰ পাচত য়িচুএ পিতৰ আৰু য়াকোব আৰু য়োহানক লগত লৈ
এটা ওখ পৰ্বতৰ নিৰ্জান ঠাইলৈ আনি, ২ সিবিলাকৰ আগতে আন ৰূপ
ধৰিলে। ৩ তাতে তেঁওৰ কাপৰ জগতৰ মাজত কোনো ধোবাই জিমান বগা
কৰিব নোআৰে, তেনে দিপ্তিমন্ত হিমৰ নিচিনা অতি বগা হৈচিল। ৪ তে-
তিয়া এলিয়া আৰু মোচাই সিবিলাকৰ আগত দেখা দি, য়িচুএ সৈতে
কথোপকথন কৰিলে। ৫ তাতে পিতৰে মাত লগাই য়িচুক বুলিলে, হে গুৰু,
আমি ইয়াতে থকা ভাল; এই হেতুকে আমি তিনটা পজা সাজোঁ, আপো-
নালৈ এটা, মোচালৈ এটা, এলিয়ালৈ এটা। ৬ কিয়নো সকলোৰে ভই হো-
আত তেঁও কি কলে, তাক আপুনি নুবুজিলে। ৭ তেতিয়া এখন মেঘে
সিবিলাকক চাঁ কৰি ধৰিলে; আৰু মেঘৰ পৰা এনে আকাসি বানি হল,
এই মোৰ প্ৰিয় পুত্ৰ, এঁওৰ কথা সুনা। ৮ পাচে সিবিলাকে অকস্মিতে
চাৰিও ফাললৈ চাই, য়িচুত বাজে সিবিলাকৰ লগত কাকো নেদেখিলে।
৯ পাচে সিবিলাকে পৰ্বতৰ পৰা নামোঁতে তেঁও সিবিলাকক সকত
আগ্যা কৰি কলে, জেতিয়ালৈকে মানুহৰ পুত্ৰ ম্ৰিত্যুৰ পৰা নুঠে, তেতিয়া-
লৈকে জিহকে দেখিলা, তাক কাকো নকবা। ১০ তাতে সিবিলাকে এই
কথা মনত ৰাখি, ম্ৰিত্যুৰ পৰা উঠানৰ কি অৰ্থ, তাক আপোনাবিলাকৰ
মাজত বিবেচনা কৰিলে। ১১ পাচে সিবিলাকে তেঁওত সুধিলে, আগেয়ে
এলিয়া আহিব লগা, অধ্যাপকবিলাকে কিয় কই? ১২ তাতে তেঁও সমি-

ধান দি কলে, এলিয়া আগেয়ে আহি সকলোকে সিধি কৰে, হই; আৰু
অনেক অনেক দুখ পাই অৱহেলা কৰা হব, মানুহৰ পুত্ৰৰ অৰ্থেও এই
কথা নো কেনেকৈ লিখা আচে? ১৩ কিন্তু মই তোমোলাকত কৈচোঁ,
এলিয়াও আহিল, আৰু তেঁওৰ অৰ্থে জেনেকৈ লিখা আচে, তেনেকৈ মানুহ-
বিলাকে আপোনাৰ ইচাৰ দৰে তেঁওলৈ কৰিলে।

১৪ পাচে তেঁও সিস্যবিলাকৰ ওচৰলৈ আহি, সিবিলাকৰ চাৰিও ফালে
বহু মানুহ থকা, আৰু অধ্যাপকবোৰে সিবিলাকে সৈতে বাদ বিচাৰ কৰা
দেখিলে। ১৫ তাতে সকলো মানুহে তেঁওক দেখিলতেই বিস্মই হৈ ওচৰ-
লৈ লৰি গৈ তেঁওক নমস্কাৰ কৰিলে। ১৬ তেতিয়া য়িচুএ অধ্যাপকবি-
লাকত সুধিলে, তোমোলাকে কি কথাত ইবিলাকৰ লগত বাদ বিচাৰ কৰি-
চা? ১৭ তাতে সমুহৰ এজন মানুহে উত্তৰ কৰি কলে, হে গুৰু, আঁকৰা
ভুতে পোআ মোৰ এটি লৰাক আপোনাৰ ওচৰলৈ আনিলোঁ। ১৮ সেই
ভুতে জতে জতে তাক ধৰে, তাতে মুচৰি পেলাই; আৰু তাৰ মুখে ফেন
ওলাই, দাঁত কৰচে, আৰু খিনাই জাই; এই হেতুকে ভুত খেদাবৰ নিমি-
তে আপোনাৰ সিস্যবিলাকৰ আগত নিবেদন কৰিলোঁ, কিন্তু সিবিলাকে
নোআৰিলে। ১৯ তেতিয়া তেঁও উত্তৰ কৰি সিবিলাকত কলে, হেৰা অবিস্বা-
সি বঙ্গহ, মই তোমোলাকৰ লগত কেতে দিন থাকিম? তোমোলাকক নো
কেতে দিন সহিম? মোৰ ওচৰলৈ তাক আনা। ২০ তাতে তেঁওৰ ওচৰলৈ
তাক আনিলে, কিন্তু ভুতে তেঁওক দেখি লৰাক টেপামাৰি ধৰাত সি
মাটিত পৰি মুখে ফেন ওলাই চটফট কৰিব ধৰিলে। ২১ তেতিয়া
তেঁও তাৰ বাপেকত সুধিলে, ইয়াৰ এনে হবৰ কিমান দিন হল? তাতে
সি বুলিলে, লৰা কালৰে পৰা হৈচে। ২২ ভুতে তাক নষ্ট কৰিবলৈ
অনেক বাৰ জুইত আৰু পানিত পেলাই; কিন্তু আপুনি জদি কিবা
কৰিব পাৰে, আমাক ক্ৰিপা কৰি উপকাৰ কৰোক। ২৩ য়িচুএ তাক
কলে, তুমি জদি বিস্বাস কৰা, তেন্তে হব পাৰে; বিস্বাস কৰা মানুহলৈ
সকলো কৰম সাধ্য হই। ২৪ তেতিয়াই সেই লৰাৰ বাপেকে কান্দি
কান্দি এটাহ পাৰি কলে, [হে প্ৰভু,] বিস্বাস কৰিচোঁ; মোৰ অবিস্বাসক
বিস্বাস কৰোক। ২৫ পাচে য়িচুএ মানুহ সমুহক একে লগে লৰি আ-
হিবৰ দেখি, সেই অসুচি ভুতক ডাবি দি কলে, ঐ আঁকৰা কলা ভুত,
ইয়াৰ পৰা বাহিৰ ওলা, আৰু কোনো কালে আকও নোসোমাবি,
মই তোক এই আগ্যা দিচোঁ। ২৬ তেতিয়া ভুতে এটাহ পাৰি লৰাক
মোচোৰা মাৰি বাহিৰ ওলাল, আৰু লৰা মৰাৰ নিচিনা হল; তাতে
অনেকে বুলিলে, সি মৰিল। ২৭ কিন্তু য়িচুএ হাতত ধৰি তাক তুলি-
লত সি উঠিল। ২৮ পাচে য়িচুএ ঘৰ সোমালত তেঁওৰ সিস্যবিলাকে
গুপুতে তেঁওত সুধিলে, আমি তাক কিয় খেদাব নোআৰিলোঁ? ২৯ তাতে

তেঁও সিবিলাকত কলে, প্ৰাৰ্থনা আৰু লঘোন নকৰিলে, আন কোনো
উপায়েৰে এনে ভূত বাহিৰে নেজাই ।
৩০ পাচে সেই ঠাই এৰি সিবিলাকে গালিলৰ মাজে দি গল; কিন্তু কো-
নেও তাক জেন নেজানে, তেঁওৰ এনে ইচা আচিল । ৩১ আৰু মানুহৰ
পুত্ৰক লোকবিলাকৰ হাতত সোধাই দিয়া হব, সিবিলাকে তেঁওক বধ কৰিব,
আৰু তেঁওক মৰাৰ পাচত তিন দিনৰ দিনা আকও উঠিব, তেঁও সিস্যবি-
লাকক এই কথা সিখ্যা দিলে । ৩২ কিন্তু সিবিলাকে সেই কথা নুবুজিলে,
আৰু তেঁওত সুধিবলৈকো ভই কৰিলে ।
৩৩ পাচে কিফৰ্নাহুমলৈ গলত ঘৰৰ ভিতৰত সোমাই তেঁও সিবিলাকত
সুধিলে, বাটত আহোঁতে তোমোলাকে ইজনে সিজনে কিহৰ বাদ বিচাৰ
কৰিচিলা? ৩৪ তাতে সিবিলাকে নিজম দি থাকিল; কিয়নো সিবিলাকৰ
মাজত কোন ডাঙ্গৰ হব, এই কথাত সিবিলাকে ইটে সিটে বাদ বিচাৰ
কৰিচিল । ৩৫ তাতে তেঁও বহি বাৰে জন সিস্যক মাতি কলে, জি কো-
নোএ প্ৰথম হবলৈ ইচা কৰে, সি সকলোৰে সেস আৰু সকলোৰে সেৱক
হব । ৩৬ তেতিয়া তেঁও এটা লৰা আনি সিবিলাকৰ মাজত বহুআলে; পাচে
তাক আপোনাৰ কোলাত লৈ সিবিলাকত কলে, ৩৭ জি কোনোএ এনে এটি
সৰু লৰাক মোৰ নামেৰে গ্ৰুহন কৰে, সি মোকে গ্ৰহন কৰে; আৰু জি
কোনোএ মোক গ্ৰহন কৰে, সি অকল মোকে গ্ৰহন কৰে, এনে নহই,
মোক পঁঠা জনকো গ্ৰহন কৰে ।
৩৮ তেতিয়া য়োহানে মাত লগাই কলে, হে গুৰু, আমাৰ পাচত নো-
জোআ এজনক তোমাৰ নামেৰে ভুতবিলাকক খেদোআ দেখিলোঁ; কিন্তু
আমাৰ পাচত নোজোআ হেতুকে আমি তাক নিসেধ কৰিলোঁ । ৩৯ তাতে
য়িচুএ কলে, তাক নিসেধ নকৰিবা; কিয়নো জি কোনোএ মোৰ নামেৰে
আচৰিত কৰম কৰে, সি হঠাতে মোক নিন্দা কৰিব নোআৰে । ৪০ জি
জন আমাৰ বিৰোধ নহই, সি আমাৰ ফলিয়া । ৪১ আৰু তোমোলাক
খ্ৰিষ্টৰ সিস্য হোআ জানি জি কোনোএ মোৰ নামেৰে তোমোলাকক এবাটি
পানিকে খুআই, মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, তাৰ কৰমৰ ফল নে-
হেৰাব । ৪২ কিন্তু জি কোনোএ মোত বিশ্বাস কৰা এই সৰুবিলাকৰ মাজৰ
এটিকে বিঘিনি কৰে, তাৰ ডিঙ্গিত জাঁত সিল আৰি সাগৰত পেলোআ
হলেই তাতকৈ তাৰ ভাল । ৪৩ আৰু তোমাৰ হাতে জদি তোমাৰ বিঘিনি
কৰাই, তাক কাটি পেলোআ; ৪৪ কিয়নো দুহতিয়া হৈ জত সিবিলাকৰ
পোক নমৰে, জুয়ো নুনুমাই, এনে নৰক আৰু নুনুমুআ জুইত পেলোআ
হোআতকৈ খুন হৈ পৰম আয়ুসত সোমোআ তোমাৰ ভাল । ৪৫ আৰু
তোমাৰ ভৰিএ জদি তোমাৰ বিঘিনি কৰাই, তাকো কাটি পেলোআ;
৪৬ কিয়নো দুই ভৰিয়া হৈ জত সিবিলাকৰ পোক নমৰে, জুয়ো নুনুমাই,

এনে নৰক আৰু নুনুমুআ জুইত পেলোআ হোআতকৈ খোৰা হৈ পৰম
আয়ুসত সোমোআ তোমাৰ ভাল । ৪৭ আৰু তোমাৰ চকুএ জদি তোমাৰ
বিঘিনি কৰাই, তাক কাৰ্হি পেলোআ; ৪৮ কিয়নো দুচকুআ হৈ জত সি-
বিলাকৰ পোক নমৰে, জুয়ো নুনুমাই, এনে নৰক আৰু নুনুমুআ জুইত পে-
লোআ হোআতকৈ এচকুআ হৈ ইস্বৰৰ ৰাজ্যত সোমোআ তোমাৰ ভাল ।
৪৯ জেনেকৈ সকলো বলি লোনেৰে সনা জাই, তেনেকৈ সকলোকে জুয়েৰে
সনা জাব । ৫০ লোন হলে উত্তম, কিন্তু জদি লোনত সোআদ নেথাকে,
তাক কিহেৰে সোআদ কৰিবা? তোমোলাক আপুনি লোনজুক্ত হোআ,
আৰু ইজনে সিজনে কুসল ৰাখিবা ।

## ১০ আধ্যা ।

পাচে তেঁও তাৰ পৰা গৈ য়ৰ্দানৰ সি পাৰেদি য়িহুদা দেসৰ সিমালৈ আ-
হিল । তাতে মানুহ সমুহ তেঁওৰ ওচৰ চাপিলত তেঁও আপোনাৰ আচাৰৰ
দৰে আকও সিবিলাকক উপদেস দিলে । ২ তেতিয়া ফিৰুচিবিলাকে আহি
পৰিখাৰ নিমিত্তে তেঁওত সুধিলে, মুনিহে আপোনাৰ তিৰোতাক তিয়াগ
কৰিব পাই নে? ৩ তাতে তেঁও উত্তৰ কৰিলে, মোচাই তোমোলাকক কি
আগ্যা দিলে? ৪ সিবিলাকে কলে, তিয়াগ কৰা পত্র লিখি দি এৰিবলৈ
মোচাই অনুমতি দিলে । ৫ তাতে য়িচুএ সমিধান দি কলে, তোমোলাকৰ
মন কঠিন হোআৰ নিমিত্তে মোচাই এই বিধান লিখি দিলে; ৬ কিন্তু
সৃষ্টিৰ আদিতে ইস্বৰে মুনিহ তিৰোতা কৰি মানুহক সৃজিলে । ৭ এই
হেতুকে মানুহে আপোনাৰ পিত্রি মাত্রিক এৰি তিৰোতাই সৈতে সংজোগ
হৈ, ৮ সেই দুয়ো একে দেহ হব । তেন্তে সিবিলাক আৰু দুজন নহই, একে
দেহ । ৯ এতেকে ইস্বৰে জাক সংজোগ কৰি দিলে, তাক মানুহে বিজোগ
নকৰোক । ১০ পাচে ঘৰত সিস্যবিলাকে সেই কাৰ্জৰ কথা আকও তেঁওত
সুধিলে । ১১ তাতে তেঁও কলে, জি মানুহে আপোনাৰ তিৰোতাক এৰি
আন এজনিক বিয়া কৰে, সি তাইৰ বিৰোধে বেস্যা কৰে; ১২ আৰু জি
কোনো তিৰোতাই আপোনাৰ পৈএকক এৰি আনে সৈতে বিয়া হই, তায়ো
বিভিচাৰ কৰা হই ।

১৩ পাচে তেঁও লৰাবিলাকক জেন চুব, এই নিমিত্তে মানুহে তেঁওৰ ওচ-
ৰলৈ সিহঁতক আনিলে; কিন্তু সিহঁতক অনা মানুহক সিস্যবিলাকে ডাবি
দিলে । ১৪ য়িচুএ তাকে দেখি খঙ্গ কৰি বুলিলে, লৰাবোৰক মোৰ ওচ-
ৰলৈ আহিব দিয়া, হাক নিদিবা, কিয়নো ইস্বৰৰ ৰাজ্য এনেকুআবিলাকৰ-
হে হই । ১৫ মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, জি কোনোএ লৰাৰ নি-
চিনা হৈ ইস্বৰৰ ৰাজ্য গ্ৰহন নকৰে, সি তাত কেতিয়াও সোমাব নোআ-

ৰিব । ১৬ পাচে তেঁও লৰাবোৰক কোলাত লৈ সিহঁতৰ গাত হাত দি
আসিৰ্বাদ কৰিলে ।

১৭ পাচে তেঁও বাটেদি জাঁওতে এজন মানুহ লৰি আহি তেঁওৰ আগত
আঁঠু কাৰ্হি সুধিলে, হে উত্তম গুৰু, অনন্ত আয়ুস পাবৰ নিমিত্তে মই কি
কৰম কৰিম? ১৮ তাতে য়িচুএ কলে, মোক উত্তম কিয় বুলিচা? অকল ইস্ব-
ৰত বাজে আন কোনো উত্তম নাই । ১৯ পৰত্তিৰি গমন নকৰিবা, বধ
নকৰিবা, চুৰ নকৰিবা, মিচা সাখি নহবা, অনিয়াই নকৰিবা, আপোনাৰ
পিত্রি মাত্রিক সন্মান কৰা, এই আগ্যাবিলাক তুমি জানি আচা । ২০ তাতে
সি উত্তৰ কৰিলে, হে গুৰু, লৰা কালৰে পৰা মই এই সকলোকে পালন
কৰি আচোঁ । ২১ তেতিয়া য়িচুএ তালৈ চাই মৰম কৰি কলে, তোমাৰ
আৰু এটা কৰমত প্রয়োজন আচে; তুমি গৈ আপোনাৰ জি জি আচে,
আটাইকে বেচি দুখিয়া মানুহক দান কৰা, তেহে স্বৰগত তোমাৰ ধন হব;
আৰু আঁহা, পেৰেঙ্গনি তুলি মোৰ পাচত জোআ হবা । ২২ সেই কথাত
অসন্তোস পাই সি গুচি গল; কিয়নো তাৰ বহু ধন সম্পতি আচিল ।
২৩ পাচে য়িচুএ চাৰিও ফাললৈ চাই সিস্যবিলাকত কলে, ধনৱন্ত মানুহবি-
লাক ইস্বৰৰ ৰাজ্যত সোমাবলৈ কেনে দুৰ্গম! ২৪ তেঁওৰ সেই কথাত সিস্য-
বিলাকে বিস্মই মানিলে; কিন্তু য়িচুএ আকও মাত লগাই সিবিলাকত কলে,
হে লৰাটিহঁত, জিবিলাকে ধনত ভাৰসা কৰে, সেইবিলাক ইস্বৰৰ ৰাজ্যত
সোমাবলৈ কেনে দুৰ্গম! ২৫ ধনৱন্ত মানুহ ইস্বৰৰ ৰাজ্যত সোমোআতকৈ
বেজিৰ বিন্ধাই দি উট সৰকি জোআ টিল । ২৬ তাতে সিবিলাকে অতি
বিস্মই পাই ইজনে সিজনে কলে, তেন্তে কোনে পৰিত্রান পাব পাৰে? ২৭ তাতে
য়িচুএ সিবিলাকলৈ চাই কলে, সেই কথা মানুহৰ অসাধ্য হই, কিন্তু ইস্ব-
ৰৰ অসাধ্য নহই, কিয়নো ইস্বৰৰ আগত সকলো কথা সাধ্য ।

২৮ তেতিয়া পিতৰে মাত লগাই তেঁওক বুলিলে, দেখা, আমাৰ সকলোকে
এৰি আপোনাৰ পাচে পাচে আহিলোঁ । ২৯ তাতে য়িচুএ উত্তৰ কৰিলে,
মই তোমোলাকত স্বৰপকৈ কৈচোঁ, মোৰ আৰু সুভ বাত্রাৰ নিমিত্তে ঘৰ,
বা ভাই ভনি, বা পিত্রি মাত্রি, বা তিৰোতা, বা লৰাবিলাক, বা মাটি এৰি,
৩০ জি জনে ইহকালত তাৰনাৰে সৈতেও ঘৰ আৰু ভাই, ভনি, মাক, লৰা-
বিলাক, আৰু মাটি, এইবিলাকৰ সত গুন, আৰু পৰকালত অনন্ত আয়ুস
নেপাব, এনে কোনো মানুহ নাই । ৩১ কিন্তু আগ হোআ অনেক মানুহ
পাচ হব, আৰু পাচ হোআ মানুহ আগ হব ।

৩২ তাৰ পাচে সিবিলাকে য়িৰুচালমৰ বাটত জাঁওতে য়িচুএ সিবিলাকৰ
আগত গৈ আচিলে; তাতে সিবিলাকৰ বিস্মই লাগিল, আৰু ভয়েৰে
তেঁওৰ পাচে পাচে গল । তেতিয়া তেঁও আকও বাৰে জন সিস্যক লৈ আ-
পোনালৈ জি জি ঘটিব, তাকে সিবিলাকত কবলৈ ধৰিলে, বোলে, ৩৩ দেখা,

আমি য়িৰুচালমলৈ জাঁও, তাতে মানুহৰ পুত্ৰক প্ৰধান পোৰোহিত আৰু
অধ্যাপকবিলাকৰ হাতত সোধাই দিয়া হব, আৰু সিবিলাকে তেঁওক বধ
কৰিবলৈ আগ্যা কৰি বিদেসি লোকৰ হাতত সোধাই দিব। ৩৪ আৰু
সিহঁতে তেঁওক বিগতি কৰি চাবুকেৰে কোবাই, তেঁওৰ গাত থুই পেলাই
বধ কৰিব; পাচে তিন দিনৰ দিনা তেঁও আকও উঠিব।

৩৫ পাচে জবিদিৰ পুতেক য়াকোব আৰু য়োহান তেঁওৰ ওচৰলৈ আহি
কলে, হে গুৰু, আমাৰ জি ইচা, তাকে জেন আপুনি পুৰ কৰিব, আমি
এই প্ৰাৰ্থনা কৰোঁ। ৩৬ তাতে তেঁও সিবিলাকত কলে, মই তোমোলাকৰ
নিমিত্তে কি কৰিবলৈ তোমোলাকৰ ইচা আচে? ৩৭ সিবিলাকে তেঁওত কলে,
আপোনাৰ প্ৰভাৱৰ কালত আমাৰ এজন আপোনাৰ সোঁ হাতে, এজন বাঁও
হাতে জেন বহিবলৈ পাঁও, ইয়াকে দিওক। ৩৮ তাতে য়িচুএ উত্তৰ কৰিলে,
তোমোলাকে জিহকে খুজিচা, তাক নেজানা; মই জি বাটিত পান কৰিম,
তোমোলাকে সেই বাটিত পান কৰিব পাৰিবা নে? আৰু মই জেনে বুৰ
পোআ হম, তোমোলাকেও তেনে বুৰ পাব পাৰিবা নে? ৩৯ সিবিলাকে
কলে, আমি পাৰিম। তাতে য়িচুএ কলে, মই জি বাটিত পান কৰিম, তাত
তোমোলাকেও অৱস্যে পান কৰিবা, আৰু মই জি বুৰ পাম, তোমোলাকেও
সেই বুৰ পাবা; ৪০ কিন্তু মোৰ সোঁ হাতে আৰু বাঁও হাতে জিবিলাক
থাকিবৰ নিমিত্তে জুগুত কৰা হৈচে, সেইবিলাকৰ বাহিৰে আন কাকো তাত
বহুআবলৈ মোৰ সক্তি নাই। ৪১ আন দহ জন সিস্যে এই কথা সুনি
য়াকোব আৰু য়োহানক খঙ্গ কৰিবলৈ ধৰিলে। ৪২ কিন্তু য়িচুএ আপো-
নাৰ ওচৰলৈ সিহঁতক মাতি আনি কলে, বিদেসি লোকৰ অধিকাৰ হো-
আবিলাকে সিহঁতৰ ওপৰত বিসয়া বাব কৰে, আৰু ডাঙ্গৰিয়াবিলাকে সি-
হঁতৰ ওপৰত সাসন কৰে, ইয়াক তোমোলাকে জানা। ৪৩ কিন্তু তোমোলা-
কৰ মাজত তেনে নহব। তোমোলাকৰ মাজত জি কোনোএ বৰ হবলৈ ইচা
কৰে, সি তোমোলাকৰ সেৱক হব; ৪৪ আৰু তোমোলাকৰ মাজত জি
কোনোএ প্ৰধান হবলৈ ইচা কৰে, সি সকলোৰে বন্দি হব। ৪৫ কিয়নো
মানুহৰ পুত্ৰও সেৱা লবলৈ নাহিল, কিন্তু সেৱক হবলৈ আৰু অনেক লো-
কৰ পৰিত্ৰানৰ বেচৰ অৰ্থে আপোনাৰ প্ৰান দিবলৈহে আহিল।

৪৬ পাচে সিবিলাকে য়িৰিহো নগৰ পালত তাৰ পৰা জেতিয়া য়িচুএ
আপোনাৰ সিস্যবিলাক আৰু মানুহৰ সমুহে সৈতে ওলাই গল, তেতিয়া
তিময়ৰ পুতেক বাৰ্তিমই নামেৰে এটা কনাই বাটৰ কাখৰত মাগন কৰিব-
লৈ বহি আচিল। ৪৭ তেতিয়া সি নাচৰিয়া য়িচু আহিবৰ কথা সুনি
এটাহ পাৰি কবলৈ ধৰিলে, হে দাবিদৰ সন্তান য়িচু, মোক দায়া কৰোক।
৪৮ তাতে সি নিজম দি থাকিবলৈ অনেক মানুহে তাক ডাবি দিলে; কিন্তু
সি আৰু অধিককৈ এটাহ পাৰি কলে, হে দাবিদৰ সন্তান, মোক দায়া

করোক । ৪৯ তেতিয়া য়িচু রৈ তাক মাতি আনিবলৈ আগ্যা দিলে; তাতে
মানুহবিলাকে সেই কনাক মাতি কলে, থিৰ হোআ, উঠা, তেঁও তো-
মাক মাতিচে । ৫০ তাতে সি গাৰ কাপৰ পেলাই উঠি য়িচুৰ ওচৰলৈ গল ।
৫১ তেতিয়া য়িচুএ তাত সুধিলে, মই তোমাক কি কৰিবলৈ তোমাৰ ইচা
আচে? তাতে কনাই তেঁওত কলে, হে গুৰু, মই জেন দেখিবলৈ পাঁও ।
৫২ তেতিয়া য়িচুএ তাত কলে, বাট বুলি জোআ, তোমাৰ বিস্বাসেই তো-
মাক স্বস্থ কৰিলে । সি তেতিয়াই দেখিবলৈ পাই বাটেদি য়িচুৰ পাচত
গল ।

## ১১ আধ্যা ।

সিবিলাকে য়িৰুচালমৰ ওচৰৰ জল্‌ফাই পর্বতৰ কাখৰত থকা বৈৎফাগি
আৰু বৈথনিয়া পালত তেঁও আপোনাৰ দুজন সিস্যক পঠাই কলে, তোমো-
লাকে এই সমুখৰ গাঁৱলৈ জোআ; ২ পাচে গাঁও সোমায়েই জাৰ ওপৰত
কোনো মানুহ উঠা নাই, এনে এটা গাধ পোআলি বান্ধি থোআ দেখিবা;
তাক মেলি আনাগৈ । ৩ কিন্তু তোমোলাকে এই কৰম কিয় কৰা, এনে
কথা জদি কোনোএ বোলে, তোমোলাকে তাত কবা, প্রভুৰ ইয়াত প্রয়োজন
আচে; তেতিয়াই সি তাক ইয়ালৈ দি পঠাব । ৪ পাচে সিবিলাকে গৈ
দুই মুনিয়া বাটত এখন দুআৰৰ বাজত বান্ধি থোআ গাধৰ পোআলিক
পাই তাক মেলিলে । ৫ তেতিয়া সেই ঠাইত থকা মানুহৰ মাজৰ কোনো-
বোৱে কলে, গাধ পোআলি মেলি কি কৰিচা? ৬ তাতে সিবিলাকে য়িচুৰ
আগ্যাৰ দৰে কলত সিবিলাকে নিবলৈ এৰি দিলে । ৭ পাচে সিবিলাকে
য়িচুৰ ওচৰলৈ সেই গাধ পোআলি আনি, তাৰ ওপৰত আপোনাৰ কাপৰ
পাৰিলত তেঁও তাতে বহিল । ৮ আৰু অনেক মানুহবোৱে আপোনাৰ কা-
পৰ বাটত পাৰি থলে, আনবিলাকে গচৰ ডাল কাটি বাটত পাৰি দিলে ।
৯ আৰু তেঁওৰ আগে পাচে জোআবিলাকে ৰিঙ্গিয়া ৰিঙ্গিকৈ কলে, জই
জই, প্রভুৰ নামেৰে জি জন আহিচে, তেঁও ধন্য; ১০ আৰু আমাৰ ওপৰ
পিত্রি দাৱিদৰ জি ৰাজ্য প্রভুৰ নামেৰে আহিচে, সিও ধন্য; সকলোৰে
ওপৰ স্বৰগত জই হওক! ১১ এই ৰুপে য়িৰুচালম আৰু মন্দিৰত সোমাই,
য়িচুএ চাৰিও ফালৰ সকলো বস্তু চালে; পাচে সন্ধিয়া হলত বাৰে জন
সিস্যে সৈতে বৈথনিয়ালৈ গল ।

১২ পাচ দিনা বৈথনিয়াৰ পৰা অহা কালত তেঁওৰ ভোক লাগিলত
পাতে সৈতে এজোপা ডিমৰু গচ দূৰৈত দেখি, তাত কিজানি কিচু গুটি
পোআ জাই, এই নিমিত্তে তালৈ গল; কিন্তু ওচৰলৈ আহিলত পাতৰ বা-
হিৰে তাত একো নেপালে; কিয়নো তেতিয়া গুটি হবৰ দিন নৌ হই ।

১৩ তাতে য়িচুএ মাত লগাই বুলিলে, এতিয়াৰ পৰা সদাই কোনেও তোমাৰ
গুটি নেখাওক। সেই কথা তেঁওৰ সিস্যবিলাকেও সুনিলে।
১৪ পাচে সিবিলাক য়িৰুচালমলৈ আহিলত য়িচুএ মন্দিৰত সোমাই, মন্দি-
ৰৰ মাজত বেচা কিনা কৰাবিলাকক বাহিৰলৈ খেদালে; আৰু ধন সলো-
আবিলাকৰ পহাৰৰ মেৰি, আৰু কপৌ বেচাবোৰৰ বহা দলঙ্গ ওলোটাই
পেলালে; ১৫ আৰু কোনো মানুহক মন্দিৰৰ মাজে একো পাত্র লৈ জাব
নিদিলে। ১৬ আৰু সিইঁতক উপদেস দি কলে, মোৰ ঘৰকে সকলো দে-
সৰ মানুহলৈ প্রার্থনাৰ ঘৰ বুলিব, এনে লিখা নাই নে? কিন্তু তোমোলা-
কে তাক চোৰৰ গাঁত কৰিলাইঁক। ১৭ এই কথা সুনি অধ্যাপক আৰু
প্রধান পোৰোহিতবিলাকে তেঁওক কোনো ৰুপে বধ কৰিবলৈ চল বিচাৰি-
লে; কিয়নো সকলো মানুহে তেঁওৰ উপদেসত বিস্মই হোআত সিইঁতে তেঁও-
লৈ ভই কৰিলে। ১৮ পাচে সন্ধিয়া হলত য়িচুএ নগৰৰ বাহিৰলৈ গল।
১৯ ৰাতি পুআ হলত সিবিলাকে উলটি সেই বাটে দি জাঁওতে সিপাই
সৈতে সেই ডিমৰু গচ সুকাই জোআ দেখি, ২০ পিতৰে আগৰ কথা সুঁঅ-
ৰি য়িচুত কলে, হে গুৰু, দেখা, আপুনি জি ডিমৰু গচক সাও দিলে, সেই
জোপা সুকাই গল। ২১ তাতে য়িচুএ সমিধান দি সিবিলাকত কলে, তো-
মোলাকে ইস্বৰত বিস্বাস কৰা; ২২ কিয়নো মই তোমোলাকত স্বৰুপকৈ কৈ-
চোঁ, জি কোনোএ এই পর্বতক বোলে, তুমি ইয়াৰ পৰা গুচি সাগৰত পৰা-
গৈ, আৰু এনে বোলা কথা অৱস্যে ঘটিব, মনত সংসই নো হোআকৈ ইয়া-
কে বিস্বাস কৰে, সি জিহকে বোলে, সেয়ে সিধি হব। ২৩ এই হেতুকে
মই তোমোলাকত কৈচোঁ, প্রার্থনা কৰা কালত তোমোলাকে জিহকে ইচা
কৰা, তাক পাম বুলি এনে বিস্বাস কৰা, তেহে পাবা। ২৪ আৰু তোমো-
লাকে থিয় হৈ প্রার্থনা কৰিবৰ বেলাত, জদি তোমোলাকৰ বিৰোধে কো-
নোটৰ অপৰাধ হই, তেন্তে তাক খেমা কৰিবা, তেহে তোমোলাকৰ স্বৰ-
গত থকা পিত্রিএ তোমোলাকৰো অপৰাধ খেমা কৰিব; ২৫ কিন্তু তোমো-
লাকে জদি খেমা নকৰা, তেন্তে তোমোলাকৰ স্বগৰত থকা পিত্রিয়েও তো-
মোলাকৰ অপৰাধ খেমা নকৰিব।

২৬ পাচে সিবিলাকে আকও য়িৰুচালম পালত তেঁও মন্দিৰৰ মাজত অহা
জোআ কৰোঁতে প্রধান পোৰোহিত, অধ্যাপকবিলাক, আৰু ব্রিধ লোকে
তেঁওৰ ওচৰলৈ আহি সুধিলে, ২৭ তুমি কি সক্তিয়েৰে এইবিলাক কৰম
কৰিচা? আৰু এনে কৰম কৰিবলৈ তোমাক কোনে এই সক্তি দিলে?
২৮ তাতে য়িচুএ উত্তৰ কৰিলে, ময়ো তোমোলাকত এটা কথা সোধোঁ; তো-
মোলাকে মোক তাৰ উত্তৰ দিয়া, পাচে কি সক্তিয়েৰে এইবিলাক কৰম
কৰিচোঁ, তাক ময়ো তোমোলাকত কম। ২৯ য়োহানৰ বুৰ দিওআ স্বৰগৰ
পৰা হই নে, মানুহৰ পৰা হই? তাকে মোত কোআ। ৩০ তেতিয়া সিইঁ-

তে ইটে সিতে বিবেচনা কৰি বুলিলে, স্বৰগৰ পৰা হোআ জদি বোলোঁ, তেন্তে তেঁওত কিয় বিস্বাস নকৰিলা, ইয়াকে সুধিব। ৩১ আৰু মানুহৰ পৰা হোআ বুলিবলৈকো লোকবিলাককৈ ভই লাগে, কিয়নো সকলোএ য়োহানক স্বৰুপ ভবিস্যত বক্তা বুলি মানে। ৩২ এই হেতুকে সিহঁতে য়িচুক উত্তৰ কৰি কলে, আমি এই কথা কব নোআৰোঁ। তাতে য়িচুএ সমিধান দি কলে, তেন্তে কি সক্তিয়েৰে এইবিলাক কৰম কৰিছোঁ, তাক মযো তোমোলাকত নকওঁ।

## ১২ আধ্যা।

পাচে তেঁও পটন্তৰ দি সিবিলাকত কবলৈ ধৰিলে, এজন মানুহে লতা পনিয়াল ৰুই খেতি কৰি, তাৰ চাৰিও ফালে জেওৰা দি ঘোলনি খানি পাতি, টঙ্গিও সাজিলে; পাচে খেতিয়কবিলাকৰ হাতত সোধাই দি দুৰৈলৈ গল। ২ তাৰ পাচে গুটি পাৰিবৰ কালত খেতিয়কৰ পৰা খেতিৰ গুটি পাবৰ নিমিত্তে সিহঁতৰ ওচৰলৈ এটা বন্দিক পঠালে, ৩ কিন্তু সিহঁতে তাক মাৰি কিলাই সুদা হাতে পাঁচি দিলে। ৪ আকও তেঁও আৰু এটা বন্দিক পঠালত সিহঁতে তাকো সিল মাৰি মুৰত ঘা লগাই, অমৰ্জতা কৰি পাঁচিলে। ৫ পাচে তেঁও আৰু এটা পঠালতো সিহঁতে তাক বধ কৰিলে; আৰু আন অনেককো পঠালত সিহঁতে কোনো কোনোক মৰিয়ালে, কোনোক বধ কৰিলে। ৬ পাচে মোৰ পুত্ৰক হলে সিহঁতে আদৰ কৰিব, ইয়াকে বুলি তেঁও সেসত আপোনাৰ জি একে জনা প্ৰিয় পুত্ৰ আচিল, তেঁওকো সিহঁতৰ ওচৰলৈ পঠালে। ৭ কিন্তু খেতিয়কবোৰে ইটে সিটে কলে, এইটেই আগলৈ গৰাকি; আঁহা, আমি ইয়াক মাৰি আপুনি গৰাকি হবলৈ পাম। ৮ তাতে সিহঁতে তেঁওক ধৰি বধ কৰি লতা পনিয়ালৰ খেতিৰ বাহিৰে পেলাই দিলে। ৯ এতেকে সেই খেতিৰ গৰাকিএ কি কৰিব? তেঁও আহি সেই খেতিয়কবোৰক নষ্ট কৰি আনবিলাকৰ হাতত খেতি সোধাই দিব। ১০ সিলাকুঁটিবোৰে জি সিল তিয়াগ কৰিলে, সেয়ে চুকৰ প্ৰধান সিল হল; ১১ এয়ে প্ৰভুৰ কৰম, আৰু আমাৰ দেখাতে আচৰিত; তোমোলাকে এই সাস্ত্ৰৰ কথা পৰ্হা নাই নে? ১২ তেতিয়া তেঁও সিহঁতৰ অৰ্থে এই পটন্তৰ কৈচিলে, ইয়াক বুজি সিহঁতে তেঁওক ধৰিবলৈ চল বিচাৰিলে, কিন্তু মানুহবিলাককৈ ভই কৰি তেঁওক এৰি গুচি গল।

১৩ পাচে আপোনাৰ কথাৰে তেঁওক জেন ফান্দত পেলাই, এই আসয়েৰে সিহঁতে জন চাৰেক ফিৰুচি আৰু হেৰোদিয়া মানুহক তেঁওৰ ওচৰলৈ পঠালে। ১৪ সিবিলাকে আহি তেঁওত কলে, হে গুৰু, আপুনি সত্য, আৰু কাতো চাটু নকৰে, কিয়নো আপুনি মানুহৰ মুখলৈ নেচাই, কিন্তু স্বৰুপ-

কৈ ইশ্বৰৰ পথ দেখাইচা, ইয়াক আমি জানোঁ। কৈচৰক কৰ দিব লগা
হই নে, নহই? ১৫ আমি দিম নে, নিদিম? কিন্তু তেঁও সিহঁতৰ চল বাদ
কথা বুজি কলে, তোমোলাকে মোৰ পৰিখা কিয় চাইচা? মই চাবলৈ এটা
সিকি আনি দিয়া। ১৬ তেতিয়া তাক আনিলত, তেঁও সিহঁতত সুধিলে, এই
মুৰ্তি আৰু নাম লিখা কাৰ? সিহঁতে কলে, কৈচৰৰ। ১৭ তাতে য়িচুএ
উত্তৰ কৰিলে, তেন্তে জি কৈচৰৰ, তাক কৈচৰক দিয়া, আৰু জি ইশ্বৰৰ,
তাক ইশ্বৰক দিয়া। তেতিয়া সিহঁতে বিস্মই মানিলে।

১৮ পাচে মৰাবিলাকৰ পুনৰ উঠান নহব বুলি কই, এনে জি চিদুকি মা-
নুহ, সিহঁতে তেঁওৰ ওচৰলৈ আহি সুধিলে। ১৯ হে গুৰু, কোনো মানুহৰ
ককাই ভাইৰ সন্তান নথকাকৈ মৰি আপোনাৰ তিৰোতাক জদি এৰি জাই,
তেন্তে তাৰ ভায়েকে সেই তিৰোতাক বিয়া কৰি আপোনাৰ ককায়েকলৈ
বঙ্গহ ওপজাব, মোচাই আমালৈ এনে বিধান লিখি দিলে। ২০ কোনো
সাত জন ভাই ককাই আছিলে; সিবিলাকৰ বৰটোএ এজনি তিৰোতা বিয়া
কৰি সন্তান নাইকিয়া হৈ মৰিল। ২১ তাতে দুতিয়টেও সেই তিৰোতাক
বিয়া কৰি, সিও সন্তান নাইকিয়া হৈ মৰিল; পাচে ত্ৰিতিয় জনৰো তেনে
হল। ২২ এই ৰূপে সাতো ভায়েকে সেই তিৰোতাৰে বিয়া হৈ সন্তান নাই-
কিয়াকৈ মৰিল; সকলোৰে পাচত তিৰোতাও মৰিল। ২৩ তেন্তে পুনৰ
উঠান কালত সিবিলাকে জেতিয়া উঠে, তেতিয়া সিবিলাকৰ আটাইৰে মা-
জত তাই কাৰ তিৰোতা হব? কিয়নো সকলো সাত জনে তাইক বিয়া কৰি-
লে। ২৪ তাতে য়িচুএ উত্তৰ কৰিলে, ধৰম সাস্ত্ৰ আৰু ইশ্বৰৰ সক্তি নে-
জানি, তোমোলাকে ভুল নকৰা নে? ২৫ মৰাবিলাক জেতিয়া উঠে, তেতিয়া
সিবিলাকে বিয়া নকৰে, বিয়া দিয়াও নহই, কিন্তু স্বৰগৰ দুতৰ নিচিনা
হই। ২৬ মৰা লোকবিলাক উঠিবৰ কথাত হলে, জোপাত থাকি ইশ্বৰে
মোচাত জি কৈচিলে, মই আব্ৰাহামৰ ইশ্বৰ, ইচাকৰ ইশ্বৰ, য়াকোবৰ ইশ্বৰ,
সেই কথা তোমোলাকে মোচাই লিখা পুথিত পৰ্হা নাই নে? ২৭ ইশ্বৰ
মৰাবিলাকৰ ইশ্বৰ নহই, জিয়াবিলাকৰহে ইশ্বৰ; এই হেতুকে তোমোলাকে
অতি ভুল কৰিচা।

২৮ তেতিয়া এজন অধ্যাপক আহি, সিবিলাকে এনে বাদ বিচাৰ কৰা
সুনি, য়িচুএ সিবিলাকৰ কথাত ভাল উত্তৰ দিলে, ইয়াক বুজি তেঁওত সুধি-
লে, সকলো আগ্যাৰ মাজত কোনটো প্ৰধান? ২৯ তাতে য়িচুএ উত্তৰ কৰি-
লে, সকলৰো মাজত প্ৰধান আগ্যা এই, হে ইস্ৰায়েল লোক, সুনা, আমাৰ
প্ৰভু পৰম ইশ্বৰ, তেঁৱেই প্ৰভু এজন; ৩০ আৰু সকলো মনেৰে, সকলো
প্ৰানেৰে, সকলো চিতেৰে, সকলো সক্তিয়েৰে তোমাৰ প্ৰভু পৰম ইশ্বৰক
প্ৰেম কৰা, এই প্ৰথম আগ্যা। ৩১ আৰু তাৰে নিচিনা দুতিয় আগ্যা এই,
তোমাৰ চুবুৰিয়াক আপোনাৰ নিচিনাকৈ প্ৰিতি কৰা; এই দুই আগ্যাত-

কৈ আৰু প্ৰধান আগ্যা নাই । ৩২ তেতিয়া সেই অধ্যাপকে তেঁওত কলে,
হে গুৰু, ভাল, আপুনি স্বৰুপ কৈচে; কিয়নো ইশ্বৰ এজন, তেঁওত বাজে
আন ইশ্বৰ নাই; ৩৩ আৰু সকলো প্ৰানেৰে, সকলো সক্তিয়েৰে তেঁওক প্ৰেম
কৰা, আৰু আপোনাৰ নিচিনাকৈ চুবুৰিয়াক প্ৰিতি কৰা, এয়ে সকলো
বলিদান হোম আদিতকৈও উত্তম । ৩৪ তাতে য়িচুএ তেঁওক গিয়ানৰ দৰে
উত্তৰ কৰা দেখি তেঁওত কলে, তুমি ইশ্বৰৰ ৰাজ্যৰ পৰা দুৰ হোআ নাই ।
তাৰ পাচে তেঁওত আৰু কোনো কথা সুধিবলৈ কাৰো সাহ নহল ।

৩৫ পাচে য়িচুএ মন্দিৰৰ মাজত উপদেস দিওঁতে তেঁও সমিধান দি কলে,
খ্ৰিষ্ট দাৱিদৰ সন্তান হই, অধ্যাপকবিলাকে এই কথা কেনেকৈ বোলে?
৩৬ কিয়নো পবিত্ৰ আত্মাৰে দাৱিদে আপুনিএ কৈচিল, প্ৰভুএ মোৰ প্ৰভুত
কলে, মই জেতিয়ালৈকে তোমাৰ সত্ৰুবিলাকক তোমাৰ ভৰিৰ পিৰা নকৰোঁ,
তেতিয়ালৈকে মোৰ সোঁ হাতে বহি থাকা । ৩৭ এই ৰুপে দাৱিদে তেঁওক
প্ৰভু বোলে, তেন্তে তেঁও দাৱিদৰ সন্তান কেনেকৈ হব পাৰে? আৰু সামান্য
মানুহবিলাকে আনন্দ ৰুপে তেঁওৰ কথা সুনিলে ।

৩৮ তেতিয়া তেঁও উপদেস দি সিবিলাকত কলে, জিবিলাকে দিঘল কা-
পৰ পিন্ধি জোআ, ৩৯ আৰু হাট বজাৰত নমস্কাৰ, নাম ঘৰত প্ৰধান আ-
সন, ভোজত ওখ ঠাই, এই সকলোকে ভাল পাই, ৪০ আৰু কপটেৰে দি-
ঘল প্ৰাৰ্থনা কৰি বাঁৰিবিলাকৰ ঘৰ বস্তু লুৰি খাই, এনে জি অধ্যাপক,
সিহঁতলৈ সাৱধান হোআ; সিহঁতে অধিক দণ্ড পাব ।

৪১ পাচে য়িচুএ ভঁৰালৰ আগত বহি, মানুহবিলাকে ভঁৰালত ধন সুমাই
থোআ দেখি আচিল; তাতে অনেক ধনৱন্ত মানুহে বহু ধন সুমাই দিলে ।
৪২ পাচে এজনি দুখিয়া বাঁৰি আহি, এৰাতিৰ সমান হোআ দুই পাই
সুমাই থলে । ৪৩ তাতে তেঁও আপোনাৰ সিস্যবিলাকক মাতি কলে, মই
তোমোলাকত স্বৰুপকৈ কৈচোঁ, এই ভঁৰালত ধন থোআ আটাইবিলাকতকৈ
এই দুখিয়া বাঁৰিএ অধিককৈ থলে; ৪৪ কিয়নো সিবিলাক সকলোএ আ-
পোন আপোন বহু ধনৰ পৰা কিচু কিচু দিলে, কিন্তু তাই আপোনাৰ দৰি-
দ্ৰুৰ পৰা জিবিকালৈ জি আচিল, আটাই থনি দিলে ।

## ১৩ আধ্যা ।

পাচে তেঁও মন্দিৰৰ পৰা জোআত সিস্যবিলাকৰ এজনে বুলিলে, হে গুৰু,
কেনে সিল, কেনে নিৰ্মান ঘৰ, দেখোক! ২ তাতে য়িচুএ উত্তৰ কৰি কলে,
তুমি এই বৰ বৰ নিৰ্মান ঘৰ দেখিচা নে? ইয়াৰ এটা সিল আন সিলৰ
ওপৰত নথকাকৈ আটাইকে পেলোআ হব । ৩ পাচে তেঁও জলফাই পৰ্ব-
তত মন্দিৰৰ সমুখে বহিলত পিতৰ, য়াকোব, য়োহান, আৰু আন্দ্ৰিয়াই

গুপুতে তেঁওত সুধিলে, ৪ এইবিলাক কথা কেতিয়া ঘটিব? আৰু এইবিলাক
ঘটিবৰ চিন কি? তাক আমাত কওক । ৫ তেতিয়া য়িচুএ সিবিলাকত কব-
লৈ ধৰিলে, কোনেও জেন তোমোলাকক নুভুলাই, এই নিমিত্তে সাৱধান
হোআ । ৬ কিয়নো মই খ্রিষ্ট, ইয়াকে বুলি অনেকে মোৰ নামেৰে আহি
ভালেমান মানুহক ভুলাব । ৭ কিন্তু তোমোলাকে ৰনৰ কথা আৰু জুধৰ
বাত্রা সুনিলে অথিৰ নহবা; কিয়নো এই সকলো অৱস্যে ঘটিব, কিন্তু তে-
তিয়া সেস নৌ হই । ৮ দেসৰ বিৰোধে দেস, ৰাজ্যৰ বিৰোধে ৰাজ্য
উঠিব, আৰু ঠায়ে ঠায়ে ভুইকঁপ, একাল, আৰু বৰ কেলেস হব; এই সক-
লোবিলাক দুখৰ আৰম্ভন । ৯ কিন্তু তোমোলাকে আপোনাৰ কথাত সাৱ-
ধান হোআ; কিয়নো তোমোলাকক ৰাজ মেলত সোধাই দিব, নাম ঘৰত
কোবাব; আৰু মোৰ নিমিত্তে অধিকাৰ আৰু ৰজাবিলাকক প্রমান দিবলৈ
সিবিলাকৰ আগলৈ তোমোলাকক নিব । ১০ আৰু সকলো দেসি লোকৰ
আগত সুভ বাত্রা আগেএ কির্তন কৰা জাব । ১১ কিন্তু জেতিয়া সিবিলা-
কে তোমোলাকক ধৰি সোধাই দিব, তেতিয়া কি কি উত্তৰ কৰিবা, আ-
গেয়ে তাৰ চিন্তা নকৰিবা, আৰু তালৈ একো নেভাবিবা; কিন্তু সেই সময়ত
তোমোলাকৰ মনত জি জি কথা দিয়া জাব, তাকেই কবা; কিয়নো তোমো-
লাকে কথা কোআ নহই, পবিত্র আত্মাইহে কই । ১২ তেতিয়া ভায়েকে
ককায়েকক, বাপেকে পুতেকক বধ কৰিবৰ নিমিত্তে লোকৰ হাতত সোধাই
দিব, আৰু পুতেক জিয়েকে মাক বাপেকৰ বিৰোধে উঠি সিবিলাকক বধ
কৰাব । ১৩ আৰু মোৰ নামৰ নিমিত্তে তোমোলাকক সকলোএ ঘিন কৰা
হবা; কিন্তু জি কোনোএ সেসলৈকে সহি থাকিব, সি পৰিত্রান পাব ।

১৪ কিন্তু [জাৰ কথা দানিয়েল ভবিস্যত বক্তাই কৈচিল, সেই] সর্বনাস
কৰোঁতা ঘিন লগা বস্তু জেতিয়া অনুচিত থানত থকা দেখিবা; জি জনে
পর্হে, সি বুজক; তেতিয়া জিবিলাক য়িহুদা দেসত থাকে, সিবিলাকে পর্ব-
তলৈ পলাই জাওক; ১৫ জি জন ঘৰৰ ওপৰত থাকে, সি ঘৰলৈ নেনা-
মোক, তাৰ পৰা বস্তু আনিবলৈ ভিতৰলৈ নোসোমাওক; ১৬ আৰু জি
জন খেতিত থাকে, সিও আপোনাৰ কাপৰ লবলৈ উলটি নেজাওক ।
১৭ কিন্তু সেই কালত গর্ভৱতি আৰু পিয়াহ দিয়া তিৰোতাবিলাকৰ সন্তাপ
হব । ১৮ আৰু তোমোলাকৰ পলোআ জেন জাৰ কালিত ন হই, ইয়াকে
প্রার্থনা কৰা । ১৯ কিয়নো সেই কালত জেনে দুখ হব, ইস্বৰে সৃজা সৃষ্টিৰ
আদিৰে পৰা এতিয়ালৈকে তেনে দুখ কেতিয়াও হোআ নাই, আগলৈকো
নহব । ২০ আৰু প্রভুএ সেই কাল তাকৰ নকৰা হলে, কোনো প্রানিৰো
ৰখ্যা নহলহেঁতেন; কিন্তু তেঁও জিবিলাকক মনোনিত কৰিলে, আপোনাৰ
সেই মনোনিতবিলাকৰ নিমিত্তে তেঁও কাল তাকৰ কৰে । ২১ তেতিয়া কো-
নোএ জদি তোমোলাকক বোলে, দেখা, খ্রিষ্ট ইয়াত আচে, বা তাতে আচে,

তাৰ কথাত বিস্বাস নকৰিবা । ২২ কিয়নো ভাঁবি কোআ খ্রিস্ট আৰু ভাঁবি
কোআ ভবিস্যত বক্তাবিলাক ওলাই, চিন আৰু আচৰিত কৰম দেখুআব,
আৰু কৰিব পৰা হলে মনোনিত লোকবিলাককো ভুলাবইহে । ২৩ তোমোলাকে
সাৱধানে থাকা; দেখা, ঘটিবৰ আগেয়ে মই তোমোলাকত সকলোকে কলোঁ ।
২৪ সেই দুখৰ পাচৰ কালত সুৰ্জৰ পহৰ গুচিব, চন্দ্ৰেও জোনাক নকৰিব,
২৫ আকাসৰ তৰাবিলাক খহি পৰিব, আৰু আকাসত থকা সক্তিবিলাক
লৰোআ হব । ২৬ তেতিয়া বৰ মহিমা আৰু প্ৰভাৱেৰে মানুহৰ পুত্ৰক মে-
ঘত আহিবৰ দেখিব । ২৭ আৰু তেঁও আপোনাৰ দুতবিলাকক পঠাই,
প্ৰিথিবিৰ সিমাৰ পৰা আকাসৰ সিমালৈকে চাৰিও ফালৰ পৰা আপো-
নাৰ মনোনিত লোকবিলাকক চপাই অনাব ।
২৮ ডিমৰু গচৰ পৰা এক পটন্তৰ সিকা । জেতিয়া তাৰ কোমল ঠাল
ওলাই কুঁহি পাত মেলে, তেতিয়া ঘাম কালিৰ ওচৰ হই, তাক তোমোলাকে
জানা । ২৯ সেই ৰুপে জেতিয়া তোমোলাকে এই সকলোকে ঘটিবৰ দেখি-
বা, তেতিয়া সেই কাল ওচৰ চাপিল, দুআৰ মুখ পালেহি, ইয়াকে জানিবা ।
৩০ তোমোলাকত মই স্বৰুপকৈ কঁও, এই বৰ্তমান কালৰ মানুহ জোআৰ
আগেয়ে সেই সকলো কথা ঘটিব । ৩১ আকাস আৰু প্ৰিথিবি গুচিব, তথা-
পি মোৰ কথা নুগুচে ।
৩২ কিন্তু পিত্ৰিৰ বাহিৰে মানুহ, বা স্বৰগত থকা দুতবিলাক, বা পুত্ৰ,
কোনেও সেই দিন আৰু সেই ডাঁৰ নেজানে । ৩৩ এই হেতুকে সেই কাল
কেতিয়া হব, তাক তোমোলাকে নজনা দেখি সাৱধানে থাকা, আৰু পৰ
দি প্ৰাৰ্থনা কৰা । ৩৪ জি মানুহে আপোনাৰ ঘৰ এৰি দুৰৈলৈ জাবৰ
কালত বন্দিবিলাকক আপোনাৰ বিসয়ৰ ভাৰ দি, সিহঁতক আপোন
আপোন কৰমত থই, আৰু দুআৰিক পৰ দি থাকিবলৈ আগ্যা দিয়ে, তাৰ
নিচিনা মানুহৰ পুত্ৰ । ৩৫ এই হেতুকে তোমোলাকে পৰ দি থাকা, কিয়-
নো গিৰিহত গধুলি, বা মানিসা, বা কুকুৰাই ডাক দিয়া বেলি, বা ৰাতি
পুআ, কেতিয়া আহিব, তাক তোমোলাকে নেজানা; ৩৬ অকস্মিতে আহি
কিজানি তোমোলাকক টোপনিতে দেখা পাই । ৩৭ পৰ দি থাকা বুলি,
তোমোলাকত জি কৈচোঁ, তাক সকলোতে কৈচোঁ ।

## ১৪ আধ্যা ।

ফেনি নোহোআ পিঠা খোআ নিস্তাৰ পৰ্বলৈ আৰু দুদিন আছিল, এনে
সময়ত প্ৰধান পোৰোহিত আৰু অধ্যাপকবিলাকে কোনো ৰুপে য়িচুক
ফন্দকৈ ধৰি মাৰিবলৈ উপাই বিচাৰিলে; ২ কিন্তু সিহঁতে বুলিলে, পৰ্বৰ
দিনা নহই, কিজানি সমুহৰ মাজত হুৰামুৰা লাগে ।

৩ পাচে য়িচুএ বৈথনিয়া গাৱত চিমোন কুঠিয়াৰ ঘৰত ভোজন কৰিবলৈ
বহিলত, এজনি তিৰোতাই বহু ধনৰ জটামাংসিৰ তেল ভৰোআ এটা ফটি-
কৰ টেমা লৈ আহি, তাক ভাঙ্গি তেঁওৰ মুৰত বাকি দিলে। ৪ তাতে কো-
নোবিলাকে মনতে খঙ্গ কৰি বুলিলে, তেলৰ এনে হানি কিয় কৰে? ৫ এই
তেল বেচি তিনি স সিকিতকৈও অধিক পাই, দুখিয়া মানুহক দিব পা-
ৰিলেহেঁতেন। এই কথা কৈ সিবিলাকে তাইৰ অহিতে গৰিহনা কৰিলে।
৬ কিন্তু য়িচুএ কলে, তাইক এৰি দিয়া; কিয় দুখ দিচা? তাই মোলৈ
উতম কৰমকে কৰিলে। ৭ দুখিয়া মানুহ তেমোলাকৰ লগত সদাই আচে,
আৰু জেতিয়া তোমোলাকৰ ইচা হই, তেতিয়া সিবিলাকৰ উপকাৰ কৰিব
পাৰা; কিন্তু মই তোমোলাকৰ লগত সদাই নেথাকোঁ। ৮ তাই জি কৰিব
পাৰিলে, তাকে কৰিলে; মৈদামত থোআৰ নিমিত্তে আগেয়ে আহি মোৰ
সৰিলত তেল ঘঁহিলে। ৯ তোমোলাকত মই স্বৰূপকৈ কৈচোঁ, গোটেই জগ-
তৰ মাজত জি জি ঠাইত এই সুভ বাত্ৰা কিৰ্ত্তন কৰা হব, সেই সেই ঠাইত
এই তিৰোতাক সুঁৱৰিবলৈ এই জি কৰম কৰিলে, তাকো কোআ জাব।

১০ পাচে বাৰে জনৰ মাজৰ ইস্কৰিওতিয়া য়িহুদা নামেৰে এজনে য়িচুক
লোকৰ হাতত সোধাই দিবৰ নিমিতে প্ৰধান পোৰোহিতবিলাকৰ ওচৰলৈ
গল। ১১ সিহঁতে তাৰ কথা সুনি আনন্দ পাই তাক ধন দিবলৈ কথা
বান্ধিলে। তাতে তেঁওক সিহঁতৰ হাতত সুচলেৰে সোধাই দিবলৈ সি উপাই
বিচাৰিলে।

১২ ফেনি নোহোআ পিঠা খোআৰ প্ৰথম দিন, অৰ্থাত নিস্তাৰ পৰ্বলৈ
মেৰক মাৰিবৰ দিনা সিস্যবিলাকে তেঁওত সুধিলে, আপোনালৈ নিস্তাৰ
পৰ্বৰ ভোজ খাবৰ নিমিত্তে আমি কত জুগুত কৰিবলৈ আপোনাৰ ইচা
আচে? ১৩ তেতিয়া তেঁও সিস্যবিলাকৰ দুজনক পঠাই দি কলে, তোমো-
লাকে নগৰৰ মাজলৈ জোআ; তাতে জি জন মানুহে পানি একলহ লৈ
তোমোলাকে সৈতে দেখা দেখি হব, তাৰ পাচত জাবা; ১৪ আৰু জি ঘৰত
সি সোমাই, সেই ঘৰৰ গিৰিহঁতত কবা, গুৰুএ কৈচে, জি ঠাইত মোৰ সিস্য-
বিলাকে সৈতে নিস্তাৰ পৰ্বৰ ভোজ খাম, সেই আলহি খোঁটালি কত?
১৫ তাতে সেই মানুহে জুগুত কৰা অঁওতোআ এটা ওপৰৰ ডাঙ্গৰ খোঁটালি
তোমোলাকক দেখাব, তাতে আমালৈ জুগুত কৰাগৈ। ১৬ পাচে সিস্যবিলাকে
গৈ নগৰত সোমাই, তেঁও জেনেকৈ কৈচিল, সেই ৰূপে পাই, নিস্তাৰ পৰ্বৰ
ভোজ জুগুত কৰিলে।

১৭ পাচে গধুলি হলত বাৰে জনে সৈতে য়িচু আহিল। ১৮ তাতে সক-
লোএ বহি ভোজন কৰোতে য়িচুএ কলে, মই তোমোলাকত স্বৰূপকৈ কৈচোঁ,
মোৰ লগত ভোজন কৰা তোমোলাকৰ মাজৰ এজনে মোক লোকৰ হাতত
সোধাই দিব। ১৯ তেতিয়া সিবিলাকে অসন্তোস কৰি এজন এজনকৈ সুধিব

ধৰিলে, সেইটো মই নে? আৰু আনে কলে, সেইটো মই নে? ২০ তাতে
তেঁও সমিধান দি কলে, এই বাৰৰ জনৰ মাজৰ জি জনে মোৰ লগত খোআ
বাটিত হাত জুবুৰিয়াই, সেয়ে সি। ২১ মানুহৰ পুত্ৰৰ অৰ্থে জেনেকৈ লিখা
আছে, তেনেকৈ তেঁওৰ গতি হব; কিন্তু জি জনে মানুহৰ পুত্ৰক লোকৰ
হাতত সোধাই দিব, তাৰ সন্তাপ; সেই মানুহৰ জনম নোহোআ হলেই,
তাৰ ভাল হলহেঁতেন।

২২ সিবিলাকে ভোজন কৰোঁতে য়িচুএ পিঠা লৈ আসিৰ্বাদ কৰি ভাঙ্গি
সিবিলাকক দি কলে, লোআ, [খোআ,] এয়ে মোৰ সৰিল। ২৩ পাচে
তেঁও পান পাত্ৰকো লৈ স্তুতি কৰি সিবিলাকক দিলে; তাতে সকলোএ পান
কৰিলে। ২৪ আৰু তেঁও সিবিলাকত কলে, নতুন নিয়মৰ মোৰ জি তেজ
অনেকৰ নিমিত্তে উলিওআ হৈছে, সেয়ে এই। ২৫ মই তোমোলাকত স্বৰূপ-
কৈ কঁও, জেতিয়ালৈকে ঈশ্বৰৰ ৰাজ্যত লতা পনিয়ালৰ ন ৰস পান নকৰোঁ,
তেতিয়ালৈকে তাক আৰু নেখাও। ২৬ পাচে সিবিলাকে এটা গিত গাই
বাহিৰে জল্‌ফাই পৰ্বতলৈ গল।

২৭ আৰু য়িচুএ সিবিলাকত কলে, এই ৰাতিতে তোমোলাক সকলোএ
মোৰ নিমিত্তে বেজাৰ পাবা; কিয়নো এনে লিখা আছে, মই মেৰ ৰখিয়াক
মাৰিম, তাতে মেৰবিলাক গোট গোট হৈ জাব। ২৮ কিন্তু মই উঠিবৰ পাচে
তোমোলাকতকৈ আগেয়ে গালিললৈ জাম। ২৯ তেতিয়া পিতৰে তেঁওত কলে,
সকলোএ জদি বেজাৰ কৰে, তেও মই বেজাৰ নকৰোঁ। ৩০ য়িচুএ তাত
কলে, মই তোমাত স্বৰূপকৈ কঁও, আজি এই ৰাতি কুকুৰাই দুবাৰ ডাক
দিয়াৰ আগেয়ে তুমি তিনি বেলি মোক আসৈ কৰিবা। ৩১ কিন্তু সি দ্ৰিঢ়-
কৈ বুলিলে, জদি তোমাৰ লগত মৰোঁএই, তেও মই কোনো ৰূপে তোমাক
আসৈ নকৰোঁ। আন সকলোবিলাকেও তেনে কথা কলে।

৩২ পাচে সিবিলাকে গেত্‌চিমানি নামেৰে এক ঠাই পালত তেঁও সিস্য-
বিলাকত কলে, মই প্ৰাৰ্থনা কৰোঁমানে তোমোলাকে ইয়াতে বহি থাকা।
৩৩ পাচে তেঁও পিতৰ, য়াকোব আৰু য়োহানক লগত লৈ গল, আৰু অতি
বিস্মই হৈ উৰুমি লাগিব ধৰিলে। ৩৪ তাতে তেঁও সিবিলাকত কলে, মৰন
কালৰ নিচিনা মোৰ মনত অতিসই অসন্তোস লাগিছে; তোমোলাকে এই
ঠাইতে পৰ দি থাকা। ৩৫ পাচে তেঁও কিচুমান আঁতৰি গৈ মাটিত দি-
ঘল হৈ পৰি, জদি হব পৰা হই, তেন্তে সেই দুখৰ কাল তেঁওৰ পৰা
জেন দুৰ হই, এই নিমিত্তে প্ৰাৰ্থনা কৰি কলে, ৩৬ হে আবা পিত্ৰি, সক-
লো তোমাৰ সাধ্য; এই হেতুকে এই পান পাত্ৰ মোৰ ওচৰৰ পৰা দুৰ
কৰোক; কিন্তু মোৰ ইচাৰ দৰে নহওক, তোমাৰ ইচাৰ দৰেই হওক
৩৭ পাচে তেঁও আহি সিবিলাকক টোপনিয়াই থকা দেখি পিতৰত কলে,
হে চিমোন, তুমি টোপনিয়াইচা নে? এডাৰো পৰ দি থাকিব নোআৰি-

লা নে? ৩৮ পৰিখাত জেন নপৰা, এই নিমিত্তে তোমোলাকে পৰ দি
প্ৰাৰ্থনা কৰা; মনৰ ইচা আচে হই, কিন্তু সৰিল দুৰ্বল। ৩৯ পাচে
তেঁও আৰু বাৰ গৈ প্ৰাৰ্থনা কৰি এক্কে কথাকে কলে। ৪০ আৰু উলটি
আহি সিবিলাকক আকও টোপনিতে দেখিলে; কিয়নো সিবিলাকৰ চকু
ঘুমটিৰে পুৰ হৈ আচিল, আৰু তেঁওক উত্তৰ দিবও নেজানিলে। ৪১ পাচে
ত্ৰিতিয় বাৰ আহি তেঁও সিবিলাকত কলে, এতিয়াও টোপনিয়াই বিস্ৰাম
কৰিচা নে? এয়ে আঁটিব; কাল আহিল; 'দেখা, মানুহৰ পুত্ৰক পাপি
লোকৰ হাতত সোধাই দিয়া হৈচে। ৪২ উঠা, আমি জাও; দেখা, জি-
টোএ মোক লোকৰ হাতত সোধাই দিএ, সি ওচৰ পালেহি।

৪৩ এই কথা কঁওতে তেতিয়াই বাৰে জনৰ মাজৰ য়িহুদা নামেৰে এক
সিস্য আৰু তাৰে সৈতে প্ৰধান পোৰোহিত, অধ্যাপক, আৰু ব্ৰিধ লো-
কৰ পৰা তৰোআল আৰু টাঙ্গোন ধৰা বহু মানুহ এজুম পালেহি।
৪৪ লোকৰ হাতত তেঁওক সোধাই দিয়াটে আগেয়ে সিইঁতক এই সঙ্কেত
কৈ দিচিলে, মই জি জনক চুমা দিম, তেঁৱেই সেই; তোমোলাকে তেঁওক
ধৰি সাৱধানে লৈ জাবা। ৪৫ পাচে আহিলতেই সি তেঁওৰ ওচৰলৈ গৈ,
হে গুৰু বুলি, তেঁওক চুমা দিলে। ৪৬ তেতিয়া সিইঁতে য়িচুৰ গাত হাত
দি তেঁওক ধৰিলে। ৪৭ তাতে তেঁওৰ ওচৰত থকাবিলাকৰ মাজৰ এজনে
তৰোআল উলিয়াই বৰ পোৰোহিতৰ এটা বন্দিক ঘা মাৰি তাৰ কান
কাটি পেলালে। ৪৮ পাচে য়িচুএ মাত লগাই সিইঁতত কলে, তৰোআল
আৰু টাঙ্গোন লৈ ডকাইত ধৰাৰ নিচিনাকৈ মোক ধৰিবলৈ আহিচা নে?
৪৯ মই মন্দিৰত তোমোলাকৰ মাজত নিতৌ উপদেস দি আচিলোঁ, তে-
তিয়া তোমোলাকে মোক নধৰিলা; কিন্তু ইয়াতে সাস্ত্ৰৰ বচন সিধি হল।
৫০ তেতিয়া সকলোএ তেঁওক এৰি পলাই গল। ৫১ আৰু এজন ডেকা
মানুহে নাঙ্গট হৈ গাত এখান কাপৰ লৈ য়িচুৰ পাচে পাচে গৈচিলে;
৫২ তাতে ডেকাবিলাকে তাক ধৰাত সি কাপৰ এৰি উলঙ্গট হৈ সিইঁ-
তৰ পৰা পলাই গল

৫৩ পাচে সিইঁতে তেঁওক বৰ পোৰোহিতৰ ওচৰলৈ লৈ গল। তেতিয়া
সকলো প্ৰধান পোৰোহিত, ব্ৰিধ লোক, আৰু অধ্যাপকবোৰে বৰ পো-
ৰোহিতৰ লগত মেল পাতি আচিল। ৫৪ আৰু পিতৰে বৰ পোৰো-
হিতৰ চৰালৈকে নিলগে দি তেঁওৰ পাচে পাচে গল; তাতে বন্দিবোৰে
সৈতে বহি জুই পুঁআইচিল।

৫৫ তেতিয়া প্ৰধান পোৰোহিতবিলাক আৰু মেলুআই সকলোএ য়িচুক
বধ কৰিবৰ নিমিত্তে তেঁওৰ অহিতে সাখি বিচাৰিলে, কিন্তু নেপালে।
৫৬ কিয়নো অনেকে তেঁওৰ অহিতে মিচা প্ৰমান দিলতো সেই সাখিৰ
কথা নিমিলিল। ৫৭ পাচে কেতবোৰে উঠি তেঁওৰ অহিতে মিচা প্ৰমান

দি কলে, ৫৮ হাতে সজা এই মন্দিৰ নষ্ট কৰি, মই তিন দিনৰ ভিতৰত
হাতে নকৰা আন এটা সাজিম, আমি তাক এনে কথা কোআ সুনিলোঁ।
৫৯ কিন্তু সিহঁতৰ প্রমান ইয়াতো নিমিলিল। ৬০ পাচে বৰ পোৰোহি-
তে মাজত থিয় হৈ য়িচুত সুধিলে, তুমি ইয়াৰ একো উত্তৰ নিদিয়া নে?
তোমাৰ অহিতে ইবিলাকে কেনে প্রমান দিচে! ৬১ কিন্তু তেঁও একো
উত্তৰ নিদি নিজম দি থাকিল। তাতে বৰ পোৰোহিতে আকৌ তেঁওত
সুধিলে, তুমি ধন্যবাদ ইশ্বৰৰ পুত্র খ্রিষ্ট হোআ নে? ৬২ তেতিয়া য়িচুএ
কলে, মই হঁও; আৰু তোমোলাকে মানুহৰ পুত্রক সৰ্ব্বসক্তিমন্তৰ সোঁ হাতে
বহি থাকিবৰ, আৰু স্বৰগৰ মেঘত আহিবৰ দেখিবা। ৬৩ তাতে বৰ
পোৰোহিতে আপোনাৰ বস্ত্র ফালি কলে, আমাৰ আন সাখিত কি প্রয়ো-
জন আচে? ৬৪ তোমোলাকে ইশ্বৰক নিন্দা কৰা এই কথা সুনিলা; তো-
মোলাকে কেনে বিবেচনা কৰা? তাতে সকলোএ তেঁওক মিত্যু দণ্ডৰ জোগ্য
হোআ বুলি কলে। ৬৫ পাচে কোনো কোনোএ তেঁওৰ গাত থুই পেলা-
বলৈ ধৰিলে, আৰু তেঁওৰ মুখ ঢাকি চৰ মাৰি কলে, গননা কৰি কোআ;
আৰু বন্দিবোৰেও তেঁওক চকা মাৰিলে।

৬৬ তেতিয়া পিতৰে চৰা ঘৰৰ তলৰ খোঁটালিত থাকোঁতে বৰ পোৰো-
হিতৰ বেটি এজনি তালৈ আহি, ৬৭ পিতৰক জুই পুআবৰ দেখি তালৈ
চাই কলে, তুমিও নাচৰিয়া য়িচুৰ লগত আচিলা। ৬৮ কিন্তু সি আসৈ
কৰি কলে, তুমি জি কথা কৈচা, মই তাক নেজানোঁ, নুবুজোঁএই। তেতিয়া
সি পিৰালিলৈ গলত কুকুৰাই ডাক দিলে। ৬৯ পাচে আৰু এবাৰ বেটি এজ-
নিএ তাক দেখি ওচৰত থকা মানুহত কব ধৰিলে, ইও সিহঁতৰ এজন।
৭০ তাতে সি আকৌ আসৈ কৰিলে। অলপৰ পাচে সেই ওচৰত থকাবি-
লাকে পিতৰক বুলিলে, তুমি অৱস্যে সিহঁতৰ এজন, কিয়নো তুমি গালি-
লৰ মানুহ হোআ, তোমাৰ মাতো মিলিচে। ৭১ তাতে সি সাও সপত কৰি-
বলৈ ধৰিলে, বোলে, তোমোলাকে জাৰ কথা কৈচা, সেই মানুহ মই নিচিনোঁ-
এই। তেতিয়া কুকুৰাই দুতিয় বাৰ ডাক দিলে। ৭২ তাতে কুকুৰাই দুবাৰ
ডাক দিয়াৰ আগৈএ তুমি মোক তিনি বাৰ আসৈ কৰিবা, এই জি কথা
য়িচুএ কৈচিল, সেই কথা তাৰ মনত পৰাত পিতৰে তালৈ চিন্তা কৰি
কান্দিবলৈ ধৰিলে।

## ১৫ আধ্যা।

পাচে ৰাতি পুআলতেই প্রধান পোৰোহিতবিলাক, ব্রিধ লোক, অধ্যাপক-
বোৰ আৰু সকলো মেলুআই, এইবিলাকে মেল পাতি য়িচুক বান্ধি লৈ গৈ,
পিলাতৰ হাতত সোধাই দিলে। ২ তেতিয়া পিলাতে তেঁওত সুধিলে, তুমি

য়িহুদিবিলাকৰ ৰজা হোআ নে? তাতে তেঁও উতৰ কৰিলে, তুমি স্বৰূপ
কৈচা। ৩ পাচে প্ৰধান পোৰোহিতবিলাকে তেঁওক অনেক অনেক অপবাদ
দিলে, কিন্তু তেঁও একো উতৰ নকৰিলে। ৪ তেতিয়া পিলাতে আকও তেঁওত
সুধিলে, তুমি একো উতৰ নকৰা নে? দেখা, ইবিলাকে তোমাৰ অহিতে
কিমান দোসৰ প্ৰমান দিচে! ৫ কিন্তু য়িচুএ তেতিয়াও একো উতৰ নিদিয়াত
পিলাতে বিস্মই মানিলে।

৬ সেই পৰ্ব্বৰ সময়ত মানুহবিলাকে জি কোনো বন্দিয়াৰক খোজে, অধি-
কাৰে তাক মুকলি কৰে। ৭ আৰু জি লোকে আগেয়ে দ্ৰোহ কৰিচিল,
আৰু দ্ৰোহতে বধো কৰিলে, সেইবিলাকৰ মাজত বৰাবা নামেৰে তেতিয়া
এজন বন্দিয়াৰ আচিল। ৮ তাতে পিলাতে জেনেকৈ সিবিলাকলৈ সদাই
কৰি আচিল, সেই ৰূপে তেতিয়াও জেন কৰে, মানুহ সমুহে এটাহ পাৰি
এই নিবেদন কৰিলে। ৯ তেতিয়া পিলাতে উতৰ কৰি সিহঁতত কলে,
তেন্তে য়িহুদিবিলাকৰ ৰজাক তোমোলাকলৈ জেন মুকলি কৰোঁ, তোমোলা-
কে ইয়াকে ইচা কৰা নে? ১০ কিয়নো প্ৰধান পোৰোহিতবিলাকে অসুয়াৰে
য়িচুক সোধাই দিচিলে, ইয়াকে তেঁও জানিলে। ১১ কিন্তু বৰাবাক জেন
মুকলি কৰে, এই প্ৰাৰ্থনা কৰিবলৈ প্ৰধান পোৰোহিতবিলাকে মানুহবোৰক
উদগাই দিলে। ১২ পাচে পিলাতে সিহঁতত আকও সুধিলে, তেন্তে জি
জনক য়িহুদিবিলাকৰ ৰজা বোলা, তেঁওক নো মই কি কৰিবলৈ তোমোলা-
কৰ ইচা আচে? ১৩ তাতে সিহঁতে আকও এটাহ পাৰি কলে, তাক পেৰেঙ্গ-
নিত মাৰোক। ১৪ তেতিয়া পিলাতে কলে, কিয়? তেঁও কি দোস কৰিলে?
কিন্তু সিহঁতে অধিককৈ এটাহ পাৰি কলে, তাক পেৰেঙ্গনিত মাৰোক।
১৫ তাতে পিলাতে মানুহ সমুহক সন্তোস কৰিবৰ আসয়েৰে সিহঁতলৈ
বৰাবাক মুকলি কৰিলে, আৰু য়িচুক চাবুকেৰে কোবোআই পেৰেঙ্গনিত
মাৰিবলৈ সোধাই দিলে।

১৬ তেতিয়া সেনাবোৰে প্ৰৈতৰিয় নামে অধিকাৰৰ চৰালৈ তেঁওক লৈ গৈ
সকলো সেনাকে মাতি চপালে। ১৭ পাচে সিহঁতে তেঁওক ৰেঙ্গেনা বৰনিয়া
কাপৰ পিন্ধাই, কাঁইটেৰে কিৰিটি সাজি তেঁওৰ মুৰত দি, ১৮ হে য়িহুদি-
বিলাকৰ ৰজা সেৱা, ইয়াকে বুলি তেঁওক নমস্কাৰ কৰিব ধৰিলে। ১৯ আৰু
তেঁওৰ মুৰত নলেৰে কোবাই গাত থুই পেলালে, আৰু তেঁওৰ আগত আঁঠু
পাৰি সেৱা কৰিলে। ২০ এই ৰূপে বিগতি কৰি সেই বেঙ্গেনা বৰনিয়া
কাপৰ গুচাই লৈ, তেঁওৰ আপোনাৰ কাপৰ পিন্ধাই পেৰেঙ্গনিত মাৰিবলৈ
বাহিৰলৈ নিলে। ২১ পাচে চিকন্দৰ আৰু ৰুফৰ বাপেক চিমোন নামেৰে
এজন কুৰিনি মানুহ চহৰৰ পৰা আহি বাটত জাঁওতে, সিহঁতে তাক পেৰেঙ্গ-
নি ভাৰ ববলৈ ধৰি নিলে।

২২ তাৰ পাচে গুল্‌গুল্‌তা অৰ্থাত মুৰৰ লাউ খোলা নামেৰে এক ঠাইলৈ

তেঁওক আনি, ২৩ গন্ধ ৰসেৰে মিহলি হোআ লতা পনিয়ালৰ ৰস খাব-
লৈ দিলে, কিন্তু তেঁও তাক নললে। ২৪ পাচে তেঁওক পেৰেঙ্গনিত তুলিলে,
আৰু তেঁওৰ কাপৰ ভাগ কৰি, গাই পতি কি পাব, তাক জানিবলৈ কাপ-
ৰৰ ওপৰত গুটি বুজাই বটা কৰিলে। ২৫ জি সময়ত সিহঁতে তেঁওক পেৰেঙ্গ-
নিত তুলিলে, তেতিয়া এপৰ বেলি হল। ২৬ আৰু এই য়িহুদিবিলাকৰ
ৰজা, এনে দোসৰ কাকত তেঁওৰ ওপৰত লিখা আছিল। ২৭ আৰু তেঁওৰ
সোঁ ফালে এজন, বাঁও ফালে এজন, এই ৰূপে দুই ডকাইতক তেঁওৰ লগত
পেৰেঙ্গনিত তুলি মাৰিলে। ২৮ তাতে তেঁওক অপৰাধিবিলাকৰ লগত লিখা
হল, এই সাস্ত্ৰৰ বচন সিধি হল।

২৯ পাচে অহা জোআ বাটৰুআই মুৰ জোকাৰি জোকাৰি নিন্দা কৰি
বুলিলে, ঐ মন্দিৰক ভাঙোঁতা আৰু তিনি দিনত সাজোঁতাটো, ৩০ আপো-
নাক ৰখ্যা কৰি পেৰেঙ্গনিৰ পৰা নামা। ৩১ আৰু প্ৰধান পোৰোহিত-
বিলাকেও অধ্যাপকবোৰে সৈতে বিগতি কৰি ইটে সিটে কলে, সি আনক-
হে ৰাখিলে, আপোনাক ৰখ্যা কৰিব নোআৰে। ৩২ আমি জেন দেখি
বিশ্বাস কৰোঁ, ইস্ৰাএলৰ ৰজা খ্ৰিষ্ট এতিয়া পেৰেঙ্গনিৰ পৰা নামোক। আৰু
জিবোৰক তেঁওৰ লগত পেৰেঙ্গনিত তোলা হৈছিল, সেইবোৰেও তেঁওক নিন্দা
কৰিলে।

৩৩ পাচে দুপৰ বেলি হোআৰ পৰা তিনি পৰলৈকে গোটেই খন দে-
সৰ ওপৰত এন্ধাৰ হল। ৩৪ আৰু তিনি পৰ হলত য়িচুএ বৰকৈ ৰিঙ্গিয়াই
কলে, এলি, এলি, লামা চাবাক্তানি, অৰ্থাত ভাসাৰে, হে মোৰ ইস্বৰ, হে
মোৰ ইস্বৰ, তুমি মোক কিয় এৰিলা? ৩৫ তেতিয়া ওচৰত থকা মানুহৰ
মাজত কোনোবোৰে এই কথা সুনি বুলিলে, দেখা, ই এলিয়াক মাতিচে।
৩৬ তাতে এটাই লৰি গৈ সাগৰৰ ফেন এসোপা টেঙ্গা ৰসেৰে মিলাই.
তাক নলৰ আগত লগাই তেঁওক খাবলৈ দি কলে, থাকোক, এলিয়াই ইয়াক
নমাই দিবলৈ আহেনে নাহে, তাকে চাঁওইক।

৩৭ পাচে য়িচুএ বৰকৈ ৰিঙ্গিয়াই প্ৰান চাৰি দিলে। ৩৮ তেতিয়া মন্দি-
ৰৰ আৰ কাপৰ ওপৰৰ পৰা তললৈকে ফাটি দুচিঁটা হল। ৩৯ তেঁও এই
ৰূপে ৰিঙ্গিয়াই প্ৰান এৰিবৰ দেখি, তেঁওৰ সমুখে ৰাখি থকা সইকিয়াই
কলে, এই মানুহ স্বৰূপেই ইস্বৰৰ পুত্ৰ। ৪০ সেই কালত মাগ্দলিনি মাৰিয়া,
আৰু সৰু য়াকোবৰে য়োচিৰে মাক মাৰিয়া, আৰু চালোমি, এই জি তি-
ৰোতাবিলাকে গালিল দেসত য়িচুৰ আল পৈচান ধৰি তেঁওৰ পাচত গৈছিল,
৪১ সিবিলাক আৰু আন জি অনেক তিৰোতা তেঁওৰ লগত য়িৰুচালমলৈ
আহিছিল, সেইবিলাকেও নিলগৰে পৰা চাই আছিল।

৪২ পাচে গধুলি হলত জুগুত কৰা অৰ্থাত বিস্ৰাম বাৰৰ পূৰ্ব দিন হো-
আত, ৪৩ ইস্বৰৰ ৰাজ্যলৈ আসা কৰি থকা এনে জি আৰিমথিয়া নগৰৰ

য়োচেফ নামেৰে এজন সুজসস্যাৰে মেলুআই, তেঁও আহি পিলাতৰ ওচৰ-
লৈ সাহ দি গৈ য়িচুৰ মৰা দেহ মাগন কৰিলে। ৪৪ কিন্তু তেঁও জে তে-
তিয়াই মৰা হৈচে, পিলাতে সেই কথাত বিস্মই মানি সইকিয়াক মাতি,
তেঁও মৰিবৰ কিচু বেলি হল নে, ইয়াকে সুধিলে। ৪৫ তাকে সইকিয়াৰ
মুখৰ পৰা জানি, পিলাতে য়োচেফক দেহ দিলে। ৪৬ তেতিয়া তেঁও মিহি
কাপৰ কিনি, য়িচুৰ দেহ নমাই সেই কাপৰেৰে মেৰাই, সিলত খনা এটা
মৈদামত সুআই থলে; পাচে এচঁটা সিল বগৰাই আনি মৈদামৰ দুআৰত
দিলে। ৪৭ আৰু তেঁওক জি ঠাইত থলে, মাগ্দলিনি মাৰিয়া আৰু য়ো-
চিৰ মাক মাৰিয়াই তাক দেখিলে।

---

## ১৬ আধ্যা।

বিস্রাম বাৰ গলত মাগ্দলিনি মাৰিয়া আৰু য়াকোবৰ মাক মাৰিয়া আৰু
চালোমি, ইবিলাকে য়িচুৰ গাত ঘঁহিবৰ নিমিত্তে সুগন্ধি বস্তু কিনি লৈ,
২ সপ্তাহৰ প্ৰথম দিনা অতি ৰাতি পুআ বেলি ওলাবৰ সময়ত মৈদামৰ ওচ-
ৰলৈ আহিল। ৩ আৰু মৈদামৰ দুআৰৰ সিল অতি ডাঙ্গৰ হোআত সি-
বিলাকে ই জনিএ সি জনিএ কলে, মৈদামৰ মুখৰ পৰা আমালৈ কোনে
সিল বগৰাই দিব? ৪ এনেতে সিবিলাকে চাই, সিল বগৰোআ হোআ
দেখিলে। ৫ পাচে মৈদামত সোমাই দিঘল বগা কাপৰ পিন্ধা এজন ডেকা
মানুহক মৈদামৰ সোঁ ফালে বহি থকা দেখি, সিবিলাকৰ ভই লাগিল।
৬ তাতে তেঁও সিবিলাকত কলে, ভই নকৰিবা; তোমোলাকে পেৰেঙ্গনিত
মিৃত্যু হোআ নাচৰিয়া য়িচুক বিচাৰিচা; তেঁও উঠিল, ইয়াত নাই; সি-
বিলাকে তেঁওক জি ঠাইত সুআই থৈচিল, তাক চোআইঁক। ৭ আৰু তো-
মোলাকে গৈ তেঁওৰ সিস্যবিলাক আৰু পিতৰত কোআগৈ, তেঁও তোমো-
লাকতকৈ আগৈএ গালিললৈ গৈচে; তেঁও জেনেকৈ কৈচিলে, তেনেকৈ সেই
ঠাইতে তেঁওক দেখিবাগৈ। ৮ তাতে সিবিলাকে কঁপি বিস্মই হৈ, মৈদামৰ
পৰা বেগতে ওলাই লৰি গল, আৰু ভই পাই কাতো একো কথা নকলে।
৯ সেই সপ্তাহৰ প্ৰথম দিনা ৰাতি পুআ তেঁও মৈদামৰ পৰা উঠাৰ পাচত
জি জনিৰ পৰা সাতোটা ভুত খেদাইচিল, সেই মাগ্দলিনি মাৰিয়াক দেখা
দিলে। ১০ তাতে তাই গৈ সোক আৰু ক্ৰন্দন কৰি থকা তেঁওৰ লগৰবি-
লাকত বাত্ৰা কলেগৈ; ১১ কিন্তু তেঁও আকও জিয়া হৈ তাইক দেখা দিলে,
এই কথা সুনি সিবিলাকে বিস্বাস নকৰিলে।
১২ পাচে সিবিলাকৰ দুজনে চহৰত ফুৰি জাঁওতে তেঁও আন ৰুপ ধৰি
সিবিলাকক দেখা দিলে। ১৩ তাতে সিবিলাকে গৈ আন সিস্যবিলাকত
কলে, কিন্তু সিবিলাকৰ কথাতো বিস্বাস নকৰিলে।

১৪ সেসত এঘাৰে জনে ভোজন কৰিবলৈ বহিলত তেঁও সিবিলাকক দেখা
দিলে, আৰু উঠাৰ পাচত তেঁওক দেখা পোআবিলাকৰ কথা বিশ্বাস
নকৰা হেতুকে সিবিলাকৰ অবিশ্বাস আৰু কঠিন মনক গৰিহনা কৰিলে।
১৫ পাচে তেঁও সিবিলাকত কলে, তোমোলাকে গোটেই খন প্ৰিথিবীলৈ
গৈ, সকলো প্ৰানিৰ আগত সুভ বাত্ৰা কিৰ্তন কৰা; ১৬ তাতে জি কোনোএ
বিশ্বাস কৰি বুৰ দিওআ হই, সি পৰিত্ৰান পাব; কিন্তু জি কোনোএ বিশ্বাস
নকৰে, তাৰ দণ্ড হব। ১৭ আৰু জিবিলাকে বিশ্বাস কৰে, সিবিলাকৰ হতু-
আই এই এই আচৰিত কৰম কৰা জাব; মোৰ নামেৰে ভুত খেদাব, আন
আন ভাসাৰে কথা কব; ১৮ সাপক হাতত লব, আৰু প্ৰান মৰা কোনো
বস্তু পান কৰিলেও সিবিলাকৰ একো বিঘিনি নহব; নৰিয়াবিলাকৰ গাত
হাত দিলে সিবিলাক স্বস্থ হব।

১৯ প্ৰভুএ সিবিলাকক এই ৰুপে আগ্যা দিয়াৰ পাচত স্বৰগলৈ নিয়া হৈ
ইস্বৰৰ সোঁ হাতে বহিল। ২০ পাচে সিবিলাকে গৈ সকলো ঠাইতে কথা
কিৰ্তন কৰিব ধৰিলে; আৰু প্ৰভুএ সিবিলাকৰ সহাই হৈ প্ৰকাস হোআ
আচৰিত কৰমেৰে সেই কথা প্ৰমান কৰিলে।

# লুকে লিখা সুভ বাত্রা ।

## ১ আধ্যা ।

জিবিলাক প্ৰথমৰে পৰা দেখা সাখি আৰু বাক্যৰ প্ৰচা-
ৰক হৈছিল, ২ সিবিলাকে সিখ্যা দিয়াৰ
দৰে আমাৰ মাজত প্ৰমান ৰুপে গ্ৰাহ্য কৰা কথাবিলাকৰ আখ্যান ক্ৰমেৰে
লিখিবলৈ অনেকে উদ্যোগ কৰিলে; ৩ এই হেতুকে হে মহা মহিম থিয়-
ফিল, ময়ো আদিৰে পৰা আটাইকে নিচই ৰুপে জানিলত, ৪ তুমি জি
জি সিকিলা, তাৰ স্বৰুপ প্ৰমান জেন পোআ, এই নিমিত্তে তোমালৈ ক্ৰমেৰে
সেই সকলোকে লিখিবলৈ উচিত দেখিলোঁ ।
৫ য়িহুদা দেসৰ হেৰোদ ৰজাৰ দিনত অবিয়া পালৰ জিখৰিয়া নামেৰে
এজন পোৰোহিত আচিল; হাৰোনৰ বঙ্গহৰ এলিচেবা নামেৰে তেঁওৰ
ভাৰ্জ্যা; ৬ এই দুয়ো নিৰ্দোস ৰুপে প্ৰভুৰ সকলো আগ্যা আৰু বিধি পা-
লন কৰি ইস্বৰৰ আগত ধৰমি আচিল । ৭ এলিচেবা বাঁজি হোআত
সিবিলাকৰ লৰা নাই, আৰু দুয়ো বয়সত ব্ৰিধ হল । ৮ জেতিয়া জিখ-
ৰিয়াই পালৰ ক্ৰমে ইস্বৰৰ আগত পোৰোহিত কৰম কৰে, ৯ তেতিয়া পো-
ৰোহিত কৰমৰ ৰিতি ক্ৰমে প্ৰভুৰ মন্দিৰত সোমাবৰ বেলা তেঁওৰ ধুপ
লগোআৰ বাব আচিল । ১০ সেই ধুপ লগোআ কালত মানুহৰ সমুহ
সকলে বাহিৰে প্ৰাৰ্থনা কৰি থাকোঁতে, ১১ প্ৰভুৰ এজন দুতে ধুপ লগোআ
ভেঁটিৰ সোঁ ফালে থিয় হৈ দৰ্সন দিলে । ১২ জিখৰিয়াই তেঁওক দেখি উগুল
থুগুল হৈ মনত ভই লাগিল । ১৩ তেতিয়া সেই দুতে তেঁওত কলে, হে জিখ-
ৰিয়া, ভই ন কৰিবা; তোমাৰ প্ৰাৰ্থনা সুনা গৈচে, আৰু তোমাৰ ভাৰ্জ্যা
এলিচেবাই পুত্ৰ ওপজাব, আৰু তুমি তেঁওৰ নাম য়োহান বুলি থবা ।
১৪ তোমাৰ আনন্দ আৰু ৰঙ্গ হব, আৰু তেঁওৰ জনমত অনেকে আনন্দ
কৰিব । ১৫ কিয়নো প্ৰভুৰ আগত তেঁও ডাঙ্গৰ হব, আৰু পনিয়ালৰ ৰস
বা সুৰা পান ন কৰিব; আৰু উপজিবৰে পৰা পবিত্ৰ আত্মাৰে পৰিপুৰ্ন
হৈ, ১৬ ইস্ৰাএল বঙ্গহৰ অনেক মানুহক প্ৰভু পৰম ইস্বৰৰ পথলৈ আ-
নিব । ১৭ সন্তানলৈ পিত্ৰিবিলাকৰ মন পালটোআবৰ নিমিত্তে, আৰু আগ্যাৰ

অবস হোআবোৰক ধৰমিৰ গিয়ানলৈ ওলোটাই প্ৰভুলৈ এবিধ লোক
জুগুত কৰিবৰ নিমিত্তে, তেঁও এলিয়াৰ আত্মা আৰু সক্তিএৰে সৈতে প্ৰভুৰ
আগত জোআ হব । ১৮ তেতিয়া জিখৰিয়াই দুতত কলে, ইয়াক কি ৰূপে
নিচই কৰিম? কিয়নো মই বুৰা, আৰু মোৰ তিৰোতাও বয়সত বুৰি হৈচে ।
১৯ তাতে দুতে উত্তৰ কৰি কলে, ইস্বৰৰ সাখ্যাতে থকা জি গাব্ৰিএল,
সেয়ে মই; তুমিএ সৈতে কথা হবলৈ আৰু এই সুভ বাত্ৰা তোমাক জনা-
বলৈ মোক পঁচা হৈচে । ২০ কিন্তু দেখা, মোৰ জি কথা কাল ক্ৰমে সিধি
হব, তাক তুমি সত্য ন মনা হেতুকে জি দিনত এইবিলাক কথা ঘটিব, সেই
দিনলৈকে তুমি আঁকৰা হৈ কথা কব নোঅৰা হবা । ২১ সেই সময়ত লোক
সকলে জিখৰিয়ালৈ বাট চাই আচিল; আৰু মন্দিৰৰ ভিতৰত তেঁওৰ এই-
মান পলম হোআত বিস্মই মানিলে । ২২ পাচে বাহিৰ ওলাই তেঁও সি-
বিলাকত কথা কব নোঅৰা হল; আৰু সঙ্কেত কৰি নিজম দি থাকিল;
তাতে তেঁও মন্দিৰত কিবা দৰ্সন পাইচিল, ইয়াকে মানুহবিলাকে বুজিলে ।
২৩ পাচে তেঁওৰ সেৱাৰ পাল সুটিলত তেঁও আপোনাৰ ঘৰলৈ গল ।
২৪ সেই কালৰ পাচে তেঁওৰ ভাৰ্জ্যা এলিচেবা গৰ্ভাৱতি হল; ২৫ আৰু
লোকবিলাকৰ মাজত মোৰ অপমান গুচাবৰ নিমিত্তে এতিয়া প্ৰভুএ মোলৈ
দ্ৰিষ্টি কৰি এনে বেৱহাৰ কৰিলে, ইয়াকে বুলি তেঁও পাঁচ মাহ লুকাই
থাকিল ।

২৬ পাচে সষ্ট মাহত গালিল দেসৰ নাচৰেত নগৰলৈকে দায়িদৰ বঙ্স-
হৰ য়োচেফ নামে এক মানুহলৈ বাগ্দান কৰা মাৰিয়াম নামেৰে এজনি
কন্যালৈ গাব্ৰিএল দুতক ইস্বৰৰ পৰা পঁচা হৈচিল । ২৭ তাতে সেই দূতে
তেঁওৰ ওচৰলৈ আহি কলে, ২৮ হে মহা অনুগ্ৰহ পোআ তিৰি, তোমাৰ
কুসল হওক; প্ৰভু তোমাৰ সহাই হৈচে; তিৰোতাবিলাকৰ মাজত তুমি
ধন্য । ২৯ সেই কন্যাই তেঁওক দেখি এই কথাত উগুল থুগুল লাগি, ই
কেনে সম্ভাসন, ইয়াক আপোনাৰ মনত চিন্তা কৰিব ধৰিলে । ৩০ তাতে
দুতে কলে, হে মাৰিয়াম, ভই ন কৰিবা; তুমি ইস্বৰৰ পৰা অনুগ্ৰহ পোআ
হৈচা । ৩১ দেখা, তুমি গৰ্ভাৱতি হৈ এজন পুত্ৰক প্ৰসও কৰিবা; আৰু
তেঁওৰ নাম য়িচু থবা । ৩২ তেঁও মহিমাৱন্ত হব, আৰু সৰ্বোপৰি জনৰ
পুত্ৰ বুলি খিয়াতি হব; প্ৰভু পৰম ইস্বৰে তেঁওৰ পিতৃ দায়িদৰ সিংহা-
সন তেঁওক দিব; ৩৩ আৰু য়াকোবৰ বঙ্সহৰ ওপৰত তেঁও সৰ্বদাই ৰাজ
সাসন কৰিব; তেঁওৰ ৰাজ্যৰ অন্ত কেতিয়াও ন হই । ৩৪ তেতিয়া মাৰি-
য়ামে দুতত কলে, মই পুৰুসৰ লগত বেৱহাৰ কৰা নাই, তেন্তে এই কথা
কি ৰূপে হব? ৩৫ তাতে দুতে উত্তৰ দি কলে, পবিত্ৰ আত্মা তোমাৰ
ওপৰলৈ আহিব, আৰু সৰ্বোপৰি ইস্বৰৰ মহিমাই তোমাক চাঁ দি ধৰিব;
এই হেতুকে তোমাৰ গভত জি পবিত্ৰ জন উপজিব, তেঁওক ইস্বৰৰ পুত্ৰ

বোলা জাব। ৩৬ আৰু দেখা, তোমাৰ গিয়াতি এলিচেবাই ব্ৰিধ কালতো
পুত্ৰ গৰ্ভধাৰন কৰিচে; জি জনিক লোকে বাঁজি বুলিচিল, তেঁৱে গৰ্ভ
ধৰিবৰ এতিয়া চ মাহ হল। ৩৭ কিয়নো কোনো কৰম ইশ্বৰৰ অসাধ্য
ন হই। ৩৮ তাতে মাৰিয়ামে কলে, দেখা, প্ৰভুৰ বেটি জি মই, মোলৈ
তুমি কোআৰ দৰে হওক। তেতিয়া দুতে তেঁওক এৰি গুচি গল।

৩৯ পাচে সেই কালত মাৰিয়ামে উঠি য়িহুদাৰ পৰ্বতিয়া দেসি এখন
নগৰলৈ বেগাই গৈ, ৪০ জিখৰিয়াৰ ঘৰত সোমাই এলিচেবাক সম্ভাসা
কৰিলে। ৪১ তাতে এলিচেবাই মাৰিয়ামৰ সম্ভাসাৰ কথা সুনিলতেই তেঁওৰ
গৰ্ভত লৰাই নাচি উঠিল; আৰু এলিচেবা পবিত্ৰ আত্মাৰে পৰিপুৰ্ন হৈ
বৰ মাতেৰে কলে, ৪২ তিৰিবিলাকৰ মাজত তুমি ধন্য; আৰু তোমাৰ
গৰ্ভত জি জনমে, তেঁৱো ধন্য। ৪৩ আৰু মোৰ প্ৰভুৰ মাত্ৰি মোৰ এখেলৈ
আঁহা, এই মোৰ কি সুভাগ্য! ৪৪ কিয়নো দেখা, তোমাৰ সম্ভাসাৰ কথা
মোৰ কানত পৰিলত তেতিয়াই মোৰ গৰ্ভত লৰাই আনন্দেৰে নাচি
উঠিল। ৪৫ আৰু বিশ্বাস কৰা জনিও ধন্য; কিয়নো প্ৰভুএ তেঁওত জি
জি কলে, সেই কথা সিধি হব।

৪৬ তেতিয়া মাৰিয়ামে কলে, মোৰ মনে প্ৰভুক ধন্যবাদ কৰিচে; ৪৭ মোৰ
আত্মাই ত্ৰান কৰ্তা ইশ্বৰত আনন্দ কৰিচে; ৪৮ কিয়নো তেঁও আপোনাৰ
বেটিৰ দুখিত ভাৱলৈ চালে, আৰু দেখা, এতিয়াৰ পৰা সকলোএ পুৰুসৰ
অনুক্ৰমে মোক ধন্য বুলিব। ৪৯ জি জন সৰ্বসক্তিমন্ত, তেঁও মোৰ নিমিত্তে
মহত কৰম কৰিলে, তেঁওৰ নাম ধন্য। ৫০ জিবিলাকে তেঁওলৈ ভই কৰে,
পুৰুসে পুৰুসে সিবিলাকৰ ওপৰত ইশ্বৰৰ দায়া থাকে। ৫১ তেঁও আপো-
নাৰ বাহু বল দেখাই, অহঙ্কাৰিবিলাকক সিহঁতৰ মনৰ কুমন্ত্ৰনাৰে গোট
গোটকৈ পেলাই; ৫২ পৰাক্ৰমিবোৰক সিহঁতৰ আসনৰ পৰা নমাই, সৰু-
বিলাকক তুলি দিএ। ৫৩ তেঁও দৰিদ্ৰবিলাকক উতম বস্তুৰে ত্ৰিপ্তি কৰি,
ধনৱন্তবিলাকক সুদা হাতে পঁাচি দিএ। ৫৪ তেঁও আমাৰ পিত্ৰিবিলাকলৈ
জি ৰুপে কৈচিল, সেই ৰুপে আব্ৰাহাম আৰু তেঁওৰ বংসলৈ সদাই আ-
পোনাৰ দায়া সুঁৱৰি, ৫৫ আপোনাৰ সেৱক ইস্ৰাএলক উপকাৰ কৰে।
৫৬ পাচে এলিচেবাৰ লগত মাৰিয়ামে তিনি মাহ মান থাকি আপোনাৰ
ঘৰলৈ উভতি গল।

৫৭ তাৰ পাচে এলিচেবাৰ প্ৰসৱৰ কাল পুৰ হলত এজন পুত্ৰক ওপ-
জালে। ৫৮ তাতে প্ৰভুএ তেঁওলৈ বৰ অনুগ্ৰহ প্ৰকাস কৰিলে, ইয়াকে
সুনি চুবুৰিয়া আৰু গিয়াতিবিলাকে তেঁওৰে সৈতে আনন্দ কৰিলে। ৫৯ পাচে
অষ্টম দিনা সিবিলাকে লৰাক চৰ্মচেদন কৰিবলৈ আহি, বাপেকৰ নামৰ
দৰে তেঁওৰ নামো জিখৰিয়া বুলি মাতিলে। ৬০ কিন্তু মাকে উতৰ কৰি-
লে, ন হই, ইয়াৰ নাম য়োহান দিয়া হব। ৬১ তেতিয়া সিবিলাকে কলে,

তোমাৰ বঙ্গহৰ মাজত এই নাম কাৰো ন হই। ৬২ পাচে বাপেকে কি
নাম দিবলৈ ইচা হই, ইয়াক জানিবৰ নিমিত্তে সঙ্কেত কৰি সুধিলে।
৬৩ তেতিয়া তেঁও ফলি খুজি তাত লিখিলে, ইয়াৰ নাম য়োহান। ৬৪ তাতে
সকলোএ বিস্মই মানিলে। তেতিয়াই তেঁওৰ জিবাৰ বান্ধ গুচি মুখ মুকলি
হলত, তেঁও কথা কৈ ইশ্বৰক স্তুতি কৰিলে। ৬৫ তাতে চাৰিও ফালে থকা
আটাই মানুহৰ ভই লাগিল; আৰু য়িহুদাৰ সকলো পৰ্বতিয়া দেসত এই
কথাই বিয়াপি গলত, ৬৬ জিবিলাকে সুনিলে, সেই সকলোএ মনত বি-
বেচনা কৰি কলে, ই কেনে লৰা হব? আৰু প্ৰভুৰ হাত তেঁওৰ সহাই হৈ
থাকিল। ৬৭ আৰু তেঁওৰ বাপেক জিখৰিয়া পবিত্ৰ আত্মাৰে পৰিপুৰ্ন হৈ
এই ভবিস্যত বাক্য কলে, বোলে, ৬৮ ইস্ৰাএলৰ প্ৰভু পৰম ইশ্বৰ ধন্য;
কিয়নো তেঁও আপোনাৰ লোকবিলাকক অনুগ্ৰহ কৰি চাই সিবিলাকক
মুকুত কৰিলে; ৬৯ আৰু আমি সত্ৰুবিলাকৰ হাতৰ পৰা ৰখ্যা পাই
[আয়ুসৰ] সকলো দিন নিৰ্ভই হৈ, ৭০ ধৰমেৰে আৰু পুন্যেৰে তেঁওক
সেৱা কৰিবলৈ তেঁও জেন আমাক অনুগ্ৰহ কৰি দিব, ৭১ তেঁওৰ এই
পবিত্ৰ নিয়ম, অৰ্থাত আমাৰ পিত্ৰি আব্ৰাহামৰ আগত তেঁও কৰা জি সপত,
তাক সুঁঅৰি, ৭২ আমাৰ উপৰি পুৰুসবিলাকলৈ তেঁওৰ সেই ক্ৰিপা পূৰ
কৰি, ৭৩ আমাক সত্ৰু আৰু ঘিন কৰাবিলাকৰ হাতৰ পৰা উধাৰ জেন
কৰিব, ৭৪ এই কথা তেঁও স্ৰিষ্টিৰ আদিৰে পৰা আপোনাৰ পবিত্ৰ ভবি-
স্যত বক্তাবিলাকৰ দোআৰাই জেনেকৈ কৈছিল, ৭৫ তেনেকৈ আপোনাৰ
সেৱক দায়ূদৰ বঙ্গহত আমালৈ এক ত্ৰান কৰ্তা জনমালে। ৭৬ আৰু হে
লৰা, তুমি সৰ্বোপৰি জনৰ ভবিস্যত বক্তা বুলি খিয়াতি হবা; ৭৭ কিয়নো
আমাৰ ভৰি কুসলৰ পথে নিবৰ নিমিত্তে, আৰু এন্ধাৰত মিৃত্যুৰ চাঁতো
বহি থকাবিলাকক পহৰ দিবৰ নিমিত্তে, ইশ্বৰৰ জি অতি ক্ৰিপাৰ দোআ-
ৰাই ওপৰৰ পৰা অৰুন উদই আমাৰ আগত প্ৰকাসিত হৈছে, ৭৮ সেই
ক্ৰিপাৰে পাপ মোচনৰ দোআৰাই পৰিত্ৰান হোআৰ গিয়ান তেঁওৰ লোক-
বিলাকক দিবৰ নিমিত্তে, ৭৯ প্ৰভুৰ পথ জুগুত কৰিবলৈ তেঁওৰ আগতে
তুমিএই জাবা।
৮০ পাচে সেই লৰা বাৰ্হি বুধিএৰে সক্তিমন্ত হৈ গল; আৰু ইস্ৰাএল
লোকবিলাকৰ আগত প্ৰকাস হোআ দিনলৈকে হাবি ঠাইতে আছিল।

## ২ আধ্যা।

সেই কালত আগস্ত কৈচৰৰ পৰা সকলো ৰাজ্যৰ পিয়ল কৰিবলৈ আগ্যা
দিয়া হল। ২ চুৰিয়া দেসৰ অধিকাৰ কুৰিনিয়ৰ কালত এই প্ৰথম পিয়ল
কৰা হৈছিল। ৩ তাতে নাম লিখিবৰ নিমিত্তে সকলো মানুহে গাই পতি

আপোন আপোন নগৰলৈ গল। ৪ আৰু য়োচেফো নাম লিখাই দিবৰ
নিমিতে আপোনালৈ বাগ্‌দান কৰা গৰ্ভাৱৃতি তিৰোতা মাৰিয়ামক লগত লৈ,
আপুনি দাৱিদ ৰজাৰ কুল আৰু বঙ্গহৰ হোআ হেতুকে, ৫ গালিল দেসৰ
নাচৰেত নগৰৰ পৰা য়িহুদা দেসৰ বৈত্‌লেহেম নামেৰে দাৱিদৰ নগৰলৈ
গল। ৬ পাচে সিবিলাকে তাতে থাকোঁতে মাৰিয়ামৰ প্ৰসৱৰ কাল পূৰ
হলত তেঁৱে আপোনাৰ প্ৰথম পুত্ৰক ওপজালে; ৭ আৰু কাপৰেৰে মেৰাই, আলহি ঘৰত সিবিলাকলৈ ঠাই নাই কিয়াত, তেঁওক গোহালিতে
সুআই থলে।

৮ তেতিয়া সেই দেসৰ কেতবিলাক মেৰ ৰখিয়াই পথাৰত আপোন আপোন জাকবোৰ ৰাতিতে পৰ দি ৰাখি আচিল। ৯ তাতে দেখা, প্ৰভুৰ
এক দুত সিলিাকৰ ওচৰলৈ আহিল, আৰু সিবিলাকৰ চাৰিও ফালে প্ৰভুৰ
মহিমাই প্ৰকাস কৰিলে, তাৰেই সিবিলাকৰ অতিসই ভই লাগিল।
১০ তেতিয়া দুতে সিবিলাকত কলে, ভই ন কৰিবা; দেখা, তোমোলাকৰ
নিমিতে ত্ৰান কৰোঁতা প্ৰভু জি খ্ৰিষ্ট, তেঁও দাৱিদৰ নগৰত আজিএই উপজিল; ১১ সকলো মানুহৰ মহা আনন্দ জনমোআ এই সুভ বাত্ৰা মই তোমোলাকত জনাইচোঁ। ১২ তোমোলাকে তালৈ গৈ কাপৰেৰে মেৰোআআৰু গোহালিত সুআই থোআ সেই লৰাক দেখা পাবা; এয়ে তোমোলাকলৈ চিন হব। ১৩ তেতিয়া অকস্মিতে সেই দুতৰ লগত স্বৰগৰ সৈন্যবিলাকৰ সমুহ ওলাই ইস্বৰক স্তুতি কৰি কলে, ১৪ সকলোৰে ওপৰ স্বৰগত
থকা ইস্বৰৰ মহিমা প্ৰকাস হওক, প্ৰিথিৱিত কুসল, আৰু মানুহবিলাকলৈ
অনুগ্ৰহ হওক।

১৫ পাচে সিবিলাকৰ ওচৰৰ পৰা দুতবিলাক স্বৰগলৈ গলত মেৰ
ৰখিয়াবোৰে ইটে সিটে কলে, আঁহা, প্ৰভুএ আমাক বুজাই দিয়া জি কথা
ঘটিল, তাক দেখিবলৈ এতিয়া বৈত্‌লেহেমলৈকে জাঁওহঁক। ১৬ তাতে
সিহঁতে বেগাই গৈ, মাৰিয়াম, য়োচেফ, আৰু গোহালিত সুআই থোআ
লৰাক দেখা পালে। ১৭ এইবিলাকক দেখি সেই লৰাৰ অৰ্থে সিবিলাকত জি জি কোআ গৈচিল, সেই সকলো কথা প্ৰচাৰ কৰি কলে। ১৮ তাতে
জি লোকে মেৰ ৰখিয়াবোৰৰ মুখৰ পৰা এই কথা সুনিলে, সেই আটাইবিলাকে বিস্মই হল। ১৯ কিন্তু মাৰিয়ামে এই সকলো কথা বিবেচনা কৰি
মনত ৰাখিলে। ২০ পাচে দুতে কোআৰ দৰে ৰখিয়াবোৰে জি জি কথা
সুনিবলৈ দেখিবলৈ পালে, সেই সকলোৰে নিমিতে ইস্বৰৰ গুন কৈ স্তুতি
কৰি কৰি উভতি গল।

২১ পাচে লৰাক চৰ্মচেদন কৰিবৰ সমই আঠ দিন পুৰ হলত, তেঁও
গৰ্ভত হোআৰ আগেয়ে দুতে জেনেকৈ নাম দিলে, সেই ৰুপে তেঁওৰ নাম
য়িচু বুলি থোআ হল। ২২ তাৰ পাচে মোচাৰ বিধানৰ দৰে সিবিলাকক

সুচি কৰা কাল পুৰ হলত, ২৩ প্ৰথমে ওপজোআ প্ৰতি জন পুত্ৰ প্ৰভুলৈ
পবিত্ৰ বোলা জাব, প্ৰভুৰ বিধান সাস্ত্ৰত এই জি কথা লিখা আছে, ২৪ তাৰ
দৰে প্ৰভুলৈ তেঁওক আগ কৰিবলৈ, আৰু সাস্ত্ৰে কোআ আগ্যাৰ দৰে
এজোৰ কপৌ বা দুটা পাৰৰ পোআলি বলিদান কৰিবলৈ, সিবিলাকে
তেঁওক য়িৰুচালমলৈ আনিলে ।

২৫ তাতে দেখা, য়িৰুচালমত থকা চিমিওন নামেৰে এজন ধৰমি ভকত মানুহ
আচিল; তেঁও ইস্ৰাএলৰ সান্তনালৈ অপেখ্যা কৰি থাকিল; আৰু তেঁওৰ
ওপৰত পবিত্ৰ আত্মা হলহি । ২৬ আৰু প্ৰভুৰ খ্ৰিষ্ট (অভিসেক কৰা জনক)
দেখা নেপাই মানে তেঁও মিৃত্যু ভোগ ন কৰিব, এই কথা পবিত্ৰ আত্মাৰ
দোআৰাই তেঁওলৈ প্ৰকাস কৰা হৈছিল । ২৭ তেঁও আত্মাৰ আকৰ্সনৰ
দোআৰাই মন্দিৰলৈ আহিল; তাতে সেই লৰা য়িচুৰ মাক বাপেকে সাস্ত্ৰৰ
বিধিৰ দৰে তেঁওক কৰিবৰ নিমিত্তে জেতিয়া ভিতৰলৈ আনিলে, ২৮ তে-
তিয়া চিমিওনে তেঁওক কোলাত লৈ ইস্বৰক স্তুতি কৰি কলে, ২৯ হে প্ৰভু,
এতিয়া তুমি আপোনাৰ বাক্যৰ দৰেই তোমাৰ সেৱকক কুসলে বিদাই দিচা;
৩০ কিয়নো বিদেসিবিলাকক প্ৰকাস কৰা পহৰ, আৰু তোমাৰ ইস্ৰাএল
লোকৰ প্ৰভাও হোআ, ৩১ জি পৰিত্ৰান তুমি সকলো মানুহৰ মুখৰ আ-
গত জুগুত কৰিলা, ৩২ সেই পৰিত্ৰান মোৰ চকুএ দেখিবলৈ পালে ।
৩৩ তেঁওৰ অৰ্থে এই জি কথা কোআ গল, য়োচেফ আৰু য়িচুৰ মাকে
তাতে বিস্মই মানিলে । ৩৪ পাচে চিমিওনে সিবিলাকক আসিৰ্বাদ কৰি-
লে, আৰু তেঁওৰ মাক মাৰিয়ামত কলে, দেখা, ইস্ৰাএল বঙ্গহৰ মাজত
অনেক পৰিব আৰু উঠিবৰ নিমিত্তে, আৰু বিৰোধ কথা কোআৰ পাত্ৰ
হবৰ নিমিত্তে, ৩৫ আৰু অনেক মানুহৰ মনৰ ভাবনা প্ৰকাস কৰিবৰ নি-
মিত্তে, এই লৰা নিজোজন কৰা হৈছে; তোমাৰো ৰিদই সুলেৰে বিন্ধা
হব ।

৩৬ আৰু আস্যেৰৰ বঙ্গহৰ পিনুএলৰ জিএক হানা নামেৰে জি অতি
বয়সিয়া ভবিস্যত বক্তা এজনিএ আবিঐ কালৰে পৰা স্বামিএ সৈতে সাত
বচৰ থাকি, ৩৭ পাচে বাঁজি হৈ চাৰি কুৰি চাৰি বচৰ মান বয়স হোআ-
লৈকে মন্দিৰক নেৰি লঘোন আৰু প্ৰাৰ্থনাৰে দিনে ৰাতিএ সেৱা কৰিচি-
লে, ৩৮ সেই জনিও একে সময়ত ভিতৰলৈ সোমাই আহি প্ৰভুক স্তুতি কৰি-
লে, আৰু য়িৰুচালমত থকা জিবিলাকে মুক্তিলৈ অপেখ্যা কৰি আছিল,
সেইবিলাকৰ আগত য়িচুৰ কথা কলে ।

৩৯ প্ৰভুৰ বিধানৰ মতে সকলো কৰ্ম সিধি কৰিলত, সিবিলাকে গালিল
দেসৰ নাচৰেত নামে আপোনাৰ নগৰলৈ উভতি গল । ৪০ পাচে সেই
লৰা বাৰ্হি গৈ আত্মাৰে সক্তি হৈ গিয়ানেৰে পৰিপূৰ্ন হল, আৰু ইস্বৰৰ
অনুগ্ৰহ তেঁওৰ ওপৰত থাকিল ।

৪১ তেঁওৰ মাক বাপেকে বচৰি বচৰি নিস্তাৰ পৰ্ব্বৰ সময়ত য়িৰুচালমলৈ
জাই । ৪২ এই ৰুপে তেঁও বাৰে বচৰ বয়সিয়া হলত পৰ্ব্বৰ আচাৰৰ
দৰেই সিবিলাকে য়িৰুচালমলৈ গল । ৪৩ পাচে পৰ্ব্বৰ সমই পুৰ হলত সি-
বিলাকে উভতি জোআত য়িচু লৰা সিবিলাকৰ পাচে য়িৰুচালমত ৰল ।
৪৪ কিন্তু য়োচেফ আৰু য়িচুৰ মাকে তাক নেজানি, তেঁও লগৰ মানুহৰ সঙ্গত
আচে বুলি ভাবি, এদিনৰ বাট গল । ৪৫ পাচে গিয়াতি আৰু চিনাকি মানু-
হৰ মাজত বিচাৰি তেঁওক নেপাই, আকও য়িৰুচালমত তেঁওক বিচাৰিবলৈ
উলটি গল । ৪৬ তিন দিনৰ পাচে মন্দিৰৰ ভিতৰত তেঁও পণ্ডিতবিলা-
কৰ মাজত সিবিলাকৰ কথা সুনিও সিবিলাকত সুধিও বহি থকা পালে ।
৪৭ আৰু সুনি থকা সকলোএ তেঁওৰ বুধি আৰু উত্তৰত বিস্মই হল ।
৪৮ তেতিয়া মাক বাপেকে তেঁওক দেখি আচৰিত মানিলে, আৰু মাকে
তেঁওত কলে, হে পুত্ৰ, এনে কিয় কৰিলা? দেখা, তোমাৰ পিত্ৰি আৰু
ময়ো সোক কৰি তোমাক বিচাৰি ফুৰিচোঁ । ৪৯ তাতে তেঁও সিবিলাকত
কলে, তোমোলাকে কি কাৰনে মোক বিচাৰিলা? মই আপোনাৰ পিত্ৰিৰ
ঘৰত থকা উচিত, তোমোলাকে ইয়াক নে জানা নে? ৫০ কিন্তু তেঁও কোআ
এই কথা সিবিলাকে নু বুজিলে । ৫১ পাচে তেঁও সিবিলাকৰ লগত গৈ না-
চৰেত পাই সিবিলাকৰ বস হৈ থাকিল । কিন্তু তেঁওৰ মাকে এই সকলো
কথা আপোনাৰ মনত ৰাখিলে । ৫২ পাচে য়িচুৰ গিয়ান আৰু সৰিল
বাৰ্হি, তেঁওলৈ ইস্বৰৰো মানুহৰো অনুগ্ৰহ ব্ৰিধি হল ।

## ৩ আধ্যা ।

তিবেৰিয় কৈচৰ মহা ৰজা হোআৰ পোন্ধৰ বচৰত, পন্তিয় পিলাত য়িহু-
দা দেসৰ অধিপতি, হেৰোদ গালিল প্ৰদেসৰ ৰজা, আৰু তেঁওৰ ভায়েক
ফিলিপ ইতুৰিয়া আৰু ত্ৰাখোনিতি প্ৰদেসৰ ৰজা, আৰু লুচানিয়া আবি-
লিনি প্ৰদেসৰ ৰজা হওতে, ২ হানান আৰু কায়ফা বৰ পোৰোহিত হোআ
কালত হাবিৰ মাজত জিখৰিয়াৰ পুতেক য়োহানলৈ ইস্বৰৰ বাক্য প্ৰকাস
হল । ৩ তেতিয়া তেঁও য়ৰ্দানৰ ওচৰৰ সকলো দেস ফুৰি আহি, ৪ জি
ৰুপে য়িচয়া ভবিস্যত ভক্তাৰ পুথিত লিখা আচে, হাবিৰ মাজত ৰিঙ্গিওআ
এজনৰ সবদ, প্ৰভূৰ পথ জুগুত কৰা, তেঁওৰ আলি বাট পোন কৰা; ৫ আ-
টাই খাল পুৰ কৰা হব; সকলো পৰ্ব্বত আৰু ঢোকা পৰ্ব্বত সমান কৰা
জাব; বেঁকা বাট পোন, আৰু খলা বমা সমান কৰা হব, আৰু সকলো
মানুহে ইস্বৰৰ পৰিত্ৰান দেখিব; ৬ সেই ৰুপে য়োহানে পাপ খেমিবৰ
নিমিতে মন পালটনৰ বুৰ দিওআৰ কথা কিৰ্ত্তন কৰি কৰি গল ।
৭ তেতিয়া তেঁওৰ দোআৰাই বুৰ পাবৰ নিমিতে অহা সমুহ মানুহবিলা-

কত তেঁৱে কলে, হেৰৈ সাপৰ বঙ্গহ, আগলৈ হব লগা ক্ৰোধৰ পৰা পলা-
বলৈ কোনে তোমোলাকক বুধি দিলে? ৮ এই হেতুকে মন পালটনৰ উচিত
ফল ধৰা; কিন্তু আব্ৰাহাম আমাৰ পিত্ৰি, মনেৰে এই কথা নে ভাবিবা;
কিয়নো মই তোমোলাকত কওঁ, এই সিলবিলাকৰ পৰা ঈশ্বৰে আব্ৰাহাম-
লৈ সন্তান জনমাব পাৰে। ৯ আৰু এতিয়াও গচৰ গুৰিত কুঠাৰ লগা হৈ
আছে; এই হেতুকে জি জি গচে ভাল গুটি ন ধৰে, তাক কাটি জুইত পে-
লোআ জাই। ১০ তেতিয়া মানুহবিলাকে তেঁওত সুধিলে, তেন্তে আমি কি
কৰিম? ১১ তাতে তেঁও উত্তৰ দি কলে, জাৰ দুখান চোলা আছে, সি বিবস্ত্ৰ
মানুহক এখান দিওক; আৰু জাৰ খোআ বস্তু আছে, সিও সেই দৰে
কৰোক। ১২ পাচে কৰ তোলাবিলাকেও বুৰ পাবৰ নিমিত্তে আহি তেঁওত
সুধিলে, হে গুৰু, আমি কি কৰিব লগা? ১৩ তেঁও সিবিলাকত কলে, তো-
মোলাকলৈ নিজোজন কৰাতকৈ অধিক কাৰ্হি ন লবা। ১৪ সেনাবিলাকেও
তেঁওত সুধিলে, আমিও কি কৰিম? তাতে তেঁও কলে, কাকো অমুৰি ন
কৰিবা; আৰু মিচা অপবাদ নিদিবা; আৰু আপোনাৰ মহিনাৰে সন্তোস
হৈ থাকিবা।

১৫ পাচে সকলো মানুহে বাট চাই থাকি, এই য়োহান খ্ৰিষ্ট হই নে ন
হই, ইয়াকে বিবেচনা কৰাত, ১৬ য়োহানে সমিধান দি সকলোৰে আগত
কলে, মই তোমোলাকক পানিত বুৰ দিয়াইচোঁ হই, কিন্তু মই জি জনৰ
পইজাৰৰ বান্ধ মেলিবৰো জোগ্য ন হওঁ, মোতকৈ ডাঙ্গৰ এনে এজনা মোৰ
পাচত আহিচে; তেঁও তোমোলাকক পবিত্ৰ আত্মাত আৰু জুইত বুৰ দিয়াব।
১৭ তেঁওৰ হাতত কুলা লৈ আছে; তেঁও আপোনাৰ খলা ভালকৈ জাৰি
আপোনাৰ মেৰত ধান চপাই থব, কিন্তু নুনুমুআ জুইৰে ঘুলা পুৰিব।
১৮ এই ৰূপে আন ভালেমান কথাও য়োহানে উপদেস দি মানুহবিলাকৰ
আগত কিৰ্তন কৰিলে।

১৯ পাচে হেৰোদ ৰজা আপোনাৰ ভায়েক [ফিলিপৰ] তিৰোতা হে-
ৰোদিয়াৰ অৰ্থে, আৰু তেঁও আন জি জি কুকৰম কৰিচিল, সেইবিলাকৰ
অৰ্থেও য়োহানৰ দোআৰাই দুসি কৰা হলত, ২০ সেই সকলো দোসৰ
ওপৰত য়োহানক বন্দি সালত বান্ধি থোআ, এই কুকৰম বৰ্হাই দিলে।

২১ সকলো মানুহক বুৰ দিওআ কালত য়িচুএ আপুনিও বুৰ দিওআ হল:
আৰু তেঁও প্ৰাৰ্থনা কৰাত স্বৰগৰ দুআৰ মুকলি হলত, ২২ তাৰ পৰা পবিত্ৰ
আত্মা মুৰ্ত্তি ধৰি কপৌৰ নিচিনা হৈ তেঁওৰ ওপৰত নামিল, আৰু তুমি
মোৰ প্ৰিয় পুত্ৰ, তোমাত মোৰ পৰম সন্তোস, এই ৰূপে কোআ আকাসি
বানি সুনা গল।

২৩ সেই কালত য়িচুৰ ডেৰ কুৰি মান বচৰ হল; মানুহে বুজাৰ দৰে
তেঁও য়োচেফৰ পুত্ৰ, য়োচেফ এলিৰ পুত্ৰ, ২৪ এলি মাতাতৰ পুত্ৰ, মাতাত

লেৱিৰ পুত্ৰ, লেৱি মাল্কিৰ পুত্ৰ, মাল্কি জানাৰ পুত্ৰ, জানা য়োচেফৰ
পুত্ৰ, ২৫ য়োচেফ মাতথিয়াৰ পুত্ৰ, মাতথিয়া আমোচৰ পুত্ৰ, আমোচ নাহু-
মৰ পুত্ৰ, নাহুম এচ্লিৰ পুত্ৰ, এচ্লি নাগিৰ পুত্ৰ, ২৬ নাগি মাথৰ পুত্ৰ,
মাথ মাতথিয়াৰ পুত্ৰ, মাতথিয়া চিমিৰ পুত্ৰ, চিমি য়োচেফৰ পুত্ৰ, য়োচেফ
য়িহুদাৰ পুত্ৰ, ২৭ য়িহুদা য়োহানাৰ পুত্ৰ, য়োহানা ৰেচাৰ পুত্ৰ, ৰেচা জিৰু-
বাবেলৰ পুত্ৰ, জিৰুবাবেল চাল্তিএলৰ পুত্ৰ, চাল্তিএল নেৰিৰ পুত্ৰ, ২৮ নে-
ৰি মাল্কিৰ পুত্ৰ, মাল্কি আদ্দিৰ পুত্ৰ, আদ্দি কোচমৰ পুত্ৰ, কোচম এল্-
মোদামৰ পুত্ৰ, এল্মোদাম এৰৰ পুত্ৰ, ২৯ এৰ য়োচিৰ পুত্ৰ, য়োচি এলি-
এচৰৰ পুত্ৰ, এলিএচৰ য়োৰিমৰ পুত্ৰ, য়োৰিম মাতাতৰ পুত্ৰ, মাতাত লেৱিৰ
পুত্ৰ, ৩০ লেৱি চিমিওনৰ পুত্ৰ, চিমিওন য়িহুদাৰ পুত্ৰ, য়িহুদা য়োচেফৰ
পুত্ৰ, য়োচেফ য়োনানৰ পুত্ৰ, য়োনান এলিয়াকিমৰ পুত্ৰ, ৩১ এলিয়াকিম
মেলেয়াৰ পুত্ৰ, মেলেয়া মৈনানৰ পুত্ৰ, মৈনান মাত্তাৰ পুত্ৰ, মাত্তা নাথা-
নৰ পুত্ৰ, নাথান দাৱিদৰ পুত্ৰ, ৩২ দাৱিদ য়িচইৰ পুত্ৰ, য়িচই ওবেদৰ পুত্ৰ,
ওবেদ বোআজৰ পুত্ৰ, বোআজ চাল্মোনৰ পুত্ৰ, চাল্মোন নাস্যোনৰ পুত্ৰ,
৩৩ নাস্যোন আমিনাদাবৰ পুত্ৰ, আমিনাদাব ৰামৰ পুত্ৰ, ৰাম হেস্ৰোনৰ
পুত্ৰ, হেস্ৰোন পেৰেচৰ পুত্ৰ, পেৰেচ য়িহুদাৰ পুত্ৰ, ৩৪ য়িহুদা য়াকোবৰ
পুত্ৰ, য়াকোব ইচাকৰ পত্ৰ, ইচাক আব্ৰাহামৰ পুত্ৰ, আব্ৰাহাম তেৰাৰ পুত্ৰ,
তেৰা নাহোৰৰ পুত্ৰ, ৩৫ নাহোৰ চিৰুগৰ পুত্ৰ, চিৰুগ ৰিউৰ পুত্ৰ, ৰিউ
পেলেগৰ পুত্ৰ, পেলেগ এবৰৰ পুত্ৰ, এবৰ চেলাৰ পুত্ৰ, ৩৬ চেলা কৈনানৰ
পুত্ৰ, কৈনান আৰ্ফাক্চদৰ পুত্ৰ, আৰ্ফাক্চদ স্যেমৰ পুত্ৰ, স্যেম নোহাৰ পুত্ৰ,
নোহা লেমেকৰ পুত্ৰ, ৩৭ লেমেক মিথুচেলাৰ পুত্ৰ, মিথুচেলা হনোকৰ পুত্ৰ,
হনোক য়েৰেদৰ পুত্ৰ, য়েৰেদ মহললেলৰ পুত্ৰ, মহললেল কৈনানৰ পুত্ৰ,
৩৮ কৈনান এনোচৰ পুত্ৰ, এনোচ চেতৰ পুত্ৰ, চেত আদমৰ পুত্ৰ, আদম
ইশ্বৰৰ পুত্ৰ ।

## ৪ আধ্যা ।

পাছে য়িচু পবিত্ৰ আত্মাৰে পৰিপুৰ্ন হৈ য়ৰ্দান নদিৰ পৰা উভতি গৈ
আত্মাৰ দোআৰাই হাবিলৈ নিয়া হৈ, তাত দুকুৰি দিনলৈকে চইতানৰ
পৰিখা পালে । ২ সেই সকলো দিনত তেঁও একো নেখালে; পাচে দিন
পুৰ হলত তেঁওৰ ভোক লাগিল । ৩ তেতিয়া চইতানে তেঁওত কলে, তুমি
জদি ইশ্বৰৰ পুত্ৰ হোআ, তেন্তে এই [সিল পিঠা হবলৈ আগ্যা দিয়া ।
৪ তাতে য়িচুএ উত্তৰ কৰি কলে, মানুহে অকল পিঠাৰে নিজিএ, কিন্তু
ইশ্বৰৰ জি জি বাক্য, তাৰ দোআৰাইহে জিএ, এনে লিখা আচে । ৫ পাচে
চইতানে তেঁওক এটা ওখ পৰ্বতৰ ওপৰলৈ নি একে নিমিসতে জগতৰ সক-

লো ৰাজ্য দেখুআলে। ৬ তেতিয়া চইতানে তেঁওক বুলিলে, এই সকলো
মহিমা আৰু ৰাজ্যবিলাকৰ ঐশ্বৰ্য্য মই তোমাক দিম; কিয়নো তাকে মোৰ
হাতত দিয়া হৈছে, আৰু জি জনক দিবৰ ইচা হই, সেই জনক মই তাক
দিওঁ। ৭ এই হেতুকে তুমি জদি মোক প্ৰনাম কৰা, তেন্তে সকলো তোমাৰ
হব। ৮ তাতে য়িচুএ উতৰ দি কলে, [মোৰ পাচলৈ গুচি জা, চইতান,]
তোমাৰ প্ৰভু পৰম ইশ্বৰক সেৱা কৰা, আৰু অকল তেঁওৰে আল পৈচান
ধৰা, এনে লিখা আচে। ৯ তেতিয়া চইতানে তেঁওক য়িৰুচালমলৈ নি,
মন্দিৰৰ এটা কলচিৰ ওপৰত বহুআই তেঁওত কলে, তুমি জদি ইশ্বৰৰ পুত্ৰ
হোআ, তেন্তে ইয়াৰ পৰা আপুনি তললৈ পৰা; ১০ কিয়নো এনে লিখা
আচে, তোমাক ৰাখিবলৈ তেঁও আপোনাৰ দুতবিলাকক তোমাৰ অৰ্থে
আগ্যা দিব, ১১ আৰু তোমাৰ ভৰি জেন সিলত খুন্দা নেখাই, এই নি-
মিতে সিহিলাকে তোমাক হাতেৰে দাঙ্গি ধৰিব। ১২ তাতে য়িচুএ উতৰ
কৰিলে, তোমাৰ প্ৰভু পৰম ইশ্বৰৰ পৰিখা নেচাবা, এনেও লিখা আচে।
১৩ পাচে চইতানে এই সকলো পৰিখা কৰি এঁটাই, কেতখনি কাললৈ
তেঁওক এৰি গল।

১৪ তেতিয়া য়িচুএ আত্মাৰ প্ৰভাৱেৰে গালিল দেসলৈ উভতি আহিলত,
তেঁওৰ জসস্যা দেসৰ চাৰিও ফালে বিয়াপি গল। ১৫ আৰু তেঁও সিবি-
লাকৰ নাম ঘৰত উপদেস দি সকলোৰে পৰা মৰ্জতা পালে। ১৬ তেতিয়া
তেঁও আপোনাৰ পোহনৰ ঠাই নাচৰেতলৈ আহিলত বিস্ৰাম বাৰে আ-
পোন আচাৰৰ দৰে নাম ঘৰত সোমাই পাঠ কৰিবলৈ থিয় হল। ১৭ তাতে
য়িচয়া ভবিস্যত বক্তাৰ পুথি তেঁওৰ হাতত দিয়া হলত, তেঁও সেই পুথি মে-
লি জি খান ঠাই পালে, তাতে এই কথা লিখা আচিল; ১৮ প্ৰভুৰ আত্মা
মোৰ ওপৰত আচে, কিয়নো দৰিদ্ৰ লোকবিলাকৰ আগত সুভ বাত্ৰা
প্ৰচাৰ কৰিবলৈ তেঁও মোক অভিসেক কৰিলে; [মন ভগা মানুহবিলা-
কক স্বস্থ কৰিবলৈ,] বন্দিয়াৰৰ আগত মুক্তি, আৰু কনাবোৰৰ আগত চকু
পোআ কথা কিৰ্তন কৰিবলৈ, ১৯ চেপা খোআবিলাকক মুকলি কৰিবলৈ,
আৰু প্ৰভুৰ গ্ৰাজ্য কৰা বচৰ কিৰ্তন কৰিবলৈ মোক পাঁচিলে। ২০ পাচে
তেঁও পুথি জপাই পৰিচাৰকৰ হাতত দি বহিল। তাতে নাম ঘৰত থকা
আটাইবিলাকৰ চকু তেঁওত লাগি আচিল। ২১ তেতিয়া তেঁও সিবিলাকত
কবলৈ ধৰিলে, আজি তোমোলাকৰ কানে সুনা এই সাস্ত্ৰৰ বচন সিধি
হল। ২২ তাতে সকলোএ তেঁওৰ সাখি হৈ তেঁওৰ মুখৰ পৰা ওলোআ
অনুগ্ৰহৰ কথাত বিস্মই মানি কলে, এঁও য়োচেফৰ পুতেক নহই নে?
২৩ তেতিয়া তেঁও সিবিলাকত কলে, অৱস্যে তোমোলাকে এই উপকথা
মোত কবা, হে বেজ, আপোনাকে স্বস্থ কৰা; কিফৰ্নাহুমত তুমি জি জি
কৰা সুনিলো, তাক আপোনাৰ এই দেসতো কৰা। ২৪ তেঁও আৰু কলে,

মই তোমোলাকত স্বৰূপকৈ কওঁ, কোনো ভৱিস্যত বক্তা আপোনাৰ দেসত
গ্ৰাজ্য কৰা নহই । ২৫ তোমোলাকত সত্য ৰূপে কৈছোঁ, এলিয়াৰ দিনত
জেতিয়া আচাৰি বচৰ আকাসৰ ব্ৰিষ্টি বন্ধন হোআত সকলো দেসত বৰ
ঐঁকাল হৈছিল, তেতিয়া ইস্ৰাএল দেসত অনেক বাঁৰি আছিল; ২৬ কিন্তু
এলিয়াক সিবিলাকৰ কালৈকো পঁচা নহৈ, কেৱল চিদোন প্ৰদেসৰ চাৰি-
ফত নগৰ নিবাসি এজনি বাঁৰি তিৰোতালৈ পঁচা হল । ২৭ আৰু এলিস্যা
ভৱিস্যত বক্তাৰ দিনত ইস্ৰাএল দেসত অনেক কুঠিয়া আছিল, কিন্তু সিবি-
লাকৰ কাকো সুচি কৰা নহৈ, কেৱল চুৰিয়া দেসৰ নামানক সুচি কৰা
হল । ২৮ এই কথা সুনি নাম ঘৰত থকা সকলোএ খঙ্গেৰে পৰিপুৰ্ন হৈ
উঠি, ২৯ তেঁওক নগৰৰ বাহিৰ কৰি, জি পৰ্বতৰ ওপৰত সিহঁতৰ নগৰ
পতা হৈছিল, সেই পৰ্বতৰ পৰা হেঁচুকি পেলাবৰ নিমিত্তে তাৰ কাখৰ-
লৈ নিলে; ৩০ কিন্তু তেঁও সিহঁতৰ মাজৰ পৰা ওলাই গুচি গল ।

৩১ পাচে তেঁও গালিল দেসৰ কিফৰ্নাহুম নগৰলৈ আহি বিস্ৰাম বাৰে
সিবিলাকৰ নাম ঘৰত উপদেস দি আছিল । ৩২ তাতে সিবিলাকে তেঁওৰ
উপদেসত বিস্মই মানিলে; কিয়নো তেওঁৰ কথা সক্তিমন্ত হৈছিল ।
৩৩ আৰু সিহঁতৰ নাম ঘৰত এজন অসুচি ভুতে পোআ মানুহ আছিল,
সি বৰ মাতেৰে এটাহ পাৰি কলে, ৩৪ হাঁ নাচৰিয়া য়িচু, তোমাৰ লগত
আমাৰ কি কাম? আমাক নষ্ট কৰিবলৈ আহিলা নে? তুমি জে ইস্বৰৰ
পবিত্ৰ জন, তাক মই জানোঁ । ৩৫ কিন্তু য়িচুএ তাক ডাবি দি কলে, নি-
জম দি থাক, ইয়াৰ পৰা বাহিৰ ওলা । তেতিয়া ভুতে সেই মানুহটক মা-
জতে পেলাই, তাক একো পিৰা নকৰি বাহিৰ ওলাল । ৩৬ তাতে সক-
লোএ বৰ আচৰিত মানি ইটে সিটে কলে, ই কেনে কথা? এঁৰে সক্তি
আৰু মহাত্মাৰে অসুচি ভুতবিলাকক আগ্যা দিয়াতে সিহঁত ওলাই ।
৩৭ তাৰেই তেঁওৰ জসস্যা দেস খনৰ চাৰিও ফালে সকলো ঠাইতে বিয়াপি
গল ।

৩৮ পাচে তেঁও নাম ঘৰৰ বাহিৰে গৈ চিমোনৰ ঘৰত সোমাল; তাতে
চিমোনৰ সাহুএকৰ বৰ জৰ হৈ পৰি থকাত, সিস্যবিলাকে তাইৰ নিমিত্তে
তেঁওত নিবেদন কৰিলে । ৩৯ তেতিয়াই তেঁও তাইৰ ওচৰত থিয় হৈ জৰক
সকত আগ্যা দিয়াত সি গুচিল, আৰু তাই উঠি সিবিলাকৰ আল ধৰিলে ।
৪০ পাচে বেলি মাৰ গলত জি জি লোকৰ নানা বিয়াধিৰে নৰিয়া পৰা
মানুহ আছিল, সিবিলাকে সিহঁতক তেঁওৰ ওচৰলৈ আনিলত, তেঁও সিহঁ-
তৰ প্ৰতি জনৰ গাত হাত দি স্বস্থ কৰিলে । ৪১ আৰু অনেকৰ পৰা
ভুতবিলাকে ওলাই এটাহ পাৰি কলে, তুমি ইস্বৰৰ পুত্ৰ [খ্ৰিষ্ট] । কিন্তু
তেঁও জে খ্ৰিষ্ট, সিহঁতে ইয়াকে জনা হেতুকে তেঁও সিহঁতক কথা কবলৈ
হাক দিলে । ৪২ ৰাতি পুআ হলত তেঁও সেই ঠাই এৰি নিৰ্জান ঠাইলৈ

গল; পাচে মানুহবিলাকে তেঁওক বিচাৰি বিচাৰি ওচৰলৈ আহি, তেঁও
জেন সিবিলাকৰ ঠাইৰ পৰা নেজাই, এই নিমিত্তে তেঁওক নিবাৰন কৰি-
লে । ৪৩ কিন্তু তেঁও সিবিলাকত কলে, মই আন নগৰতো ইশ্বৰৰ ৰাজ্য
কিৰ্ত্তন কৰিব লাগে, কিয়নো সেই নিমিত্তে পঠা হৈছোঁ । ৪৪ পাচে গালি-
লৰ নাম ঘৰবিলাকত তেঁও কিৰ্ত্তন কৰিলে ।

## ৫ আধ্যা ।

পাচে ইশ্বৰৰ কথা সুনিবৰ নিমিত্তে মানুহবিলাকে তেঁওক হেঁচা হেঁচিকৈ
ধৰা কালত তেঁও গিনেচৰেত সৰোবৰৰ পাৰত থিয় হৈ থাকোঁতে, ২ সৰো-
বৰৰ দাঁতিতে দুখন নাও দেখিলে; সেইবিলাকৰ পৰা মাচ মৰিয়াই গৈ
জাল ধুই আছিল । ৩ সেই দুই নাৱৰ জি এখন চিমোনৰ হই, তাতে তেঁও
সোমাই, বাঁমৰ পৰা অলপ আতৰ হৈ জাবলৈ তাক মিনতি কৰিলে;
পাচে তেঁও বহি নাৱৰ পৰা মানুহবিলাকক উপদেস দিলে । ৪ সেই কথা
কৈ এঁটালত তেঁও চিমোনক বুলিলে, দ পানিলৈ গৈ মাচ ধৰিবলৈ জাল খেও
দিয়া । ৫ তাতে চিমোনে কলে, হে গুৰু, আমি ওৰে ৰাতি স্রম কৰি একো
পোআ নাই, তেও আপোনাৰ কথাত জাল পেলাও । ৬ পাচে সিহঁতে
তেনে কৰিলত বহু বহু মাচ লাগি জাল ফাটিল । ৭ তেতিয়া আন নাৱত
থকা সিহঁতৰ ভাগি মানুহে উপকাৰ কৰিবলৈ হাত বাউল দি মাতিলত সি-
হঁতে আহি মাচেৰে নাও ভৰোআত দুয়ো খন বুৰিব লগা হল । ৮ চিমোন
পিতৰে তাকে দেখি য়িচুৰ ভৰিত পৰি বুলিলে, হে প্রভু, মই পাপি মানুহ,
মোৰ পৰা আপুনি আঁতৰ হৈ জাওক । ৯ কিয়নো খেও দি জি মথা মাচ
ধৰিলে, তাৰ কাৰনে চিমোন আৰু তাৰে সৈতে জিবিলাক আছিল, আৰু
চিমোনৰ লগৰ ভাগি জবিদিৰ দুই পুতেক য়াকোব আৰু য়োহান, সক-
লোৰে বিস্মই লাগিল । ১০ তেতিয়া য়িচুএ চিমোনত কলে, ভই নকৰিবা;
এতিয়াৰে পৰা তুমি মানুহবিলাকক ধৰা হবা । ১১ পাচে সিবিলাকৰ নাও
বামলৈ আনিলত, সিবিলাকে সকলোকে তিয়াগ কৰি তেঁওৰ পাচত জোআ
হল ।

১২ পাচে তেঁও কোনো এখান নগৰত থাকোঁতে কুঠেৰে পুৰ হোআ এজন
মানুহে য়িচুক দেখি দিঘল হৈ পৰি তেঁওত মিনতি কৰি কলে, হে প্রভু,
আপোনাৰ জদি ইচা হই, মোক সুচি কৰিব পাৰে । ১৩ তেতিয়া তেঁও
হাত মেলি তাক চুই বুলিলে, মোৰ ইচা আছে, সুচি হোআ; তেতিখনে
তাৰ কুঠ ৰোগ গুচিল । ১৪ পাচে তেঁও তাক আগ্যা দি কলে, এই কথা
কাতো নকৈ পোৰোহিতৰ আগত আপোনাক দেখুআগৈ, আৰু লোকক
প্রমান দিবৰ নিমিত্তে মোচাৰ আগ্যাৰ দৰে সুচি হোআৰ অৰ্থে দান উচ-

ৰগ কৰা। ১৫ কিন্তু আৰু অধিক ৰুপে তেঁওৰ জসস্যা প্ৰকাস হৈ গল;
তাতে তেঁওৰ কথা সুনিবলৈ আৰু তেঁওৰ দোআৰাই আপোন আপোন
ৰোগৰ পৰা স্বস্থ কৰা হবলৈ অনেক লোক সমুহ গোট খাই আহিল।
১৬ পাচে তেঁও হাবি ঠাইলৈ আঁতৰি গৈ প্ৰাৰ্থনা কৰিলে।

১৭ পাচে কোনো এদিনত তেঁও উপদেস দিয়াৰ কালত গালিল আৰু
য়িহুদা দেসৰ সকলো গাঁৱৰ পৰা আৰু য়িৰুচালমৰ পৰা অহা কেতবিলাক
ফিৰুচি আৰু সাস্ত্ৰৰ অধ্যাপক তেঁওৰ ওচৰত বহি আছিল; তেতিয়া মানুহ-
বিলাকক স্বস্থ্ কৰিবৰ নিমিতে প্ৰভুৰ মহিমা প্ৰকাস হল। ১৮ তাতে দেখা,
কোনো লোকে জঠৰ লগা এটা মানুহক সজ্যাৰে সৈতে বৈ আনিলত, তাক
ভিতৰলৈ নি য়িচুৰ আগত থবলৈ কাৰ্বাৰ কৰিলে। ১৯ কিন্তু মানুহ সৰহ
হোআত সিহঁতে তাক ভিতৰলৈ আনিবৰ উপাই নেপাই, ঘৰৰ ওপৰত
উঠি চালে দি সৰকাই য়িচুৰ আগত সজ্যাই সৈতে মাজতে নমাই থলে।
২০ তেতিয়া য়িচুএ সিহঁতৰ এনে বিস্বাস দেখি সেই ৰুগিয়াত কলে, হে
মানুহ, তোমাৰ পাপ খেমা হল। ২১ তাতে অধ্যাপক আৰু ফিৰুচিবিলাকে
মনতে বিবেচনা কৰিবলৈ ধৰিলে, ২২ এই জি মানুহে ইস্বৰক নিন্দা কৰিচে,
সি কোন? অকল ইস্বৰৰ বাহিৰে পাপ খেমা কৰিবলৈ কাৰ সক্তি আচে?
২৩ তেতিয়া য়িচুএ সিহঁতৰ এনে বিবেচনা বুজি, সিহঁতক সমিধান দি কলে,
তোমোলাকে মনতে কি ভাবনা কৰিচা? তোমাৰ পাপ খেমা হল, নাইবা
তুমি উঠি ফুৰা, এই দুইৰো কোনটো বুলিবলৈ ঢিল? ২৪ কিন্তু প্ৰিথিবিত
পাপ খেমা কৰিবলৈ মানুহৰ পুত্ৰৰ সক্তি আচে, ইয়াক তোমোলাকে জা-
নিবৰ নিমিতে, তেতিয়া তেঁও জঠৰ ৰুগিয়াত কলে, তোমাৰ সজ্যা তুলি লৈ
ঘৰলৈ জোআ, মই তোমাক এই আগ্যা দিচোঁ। ২৫ তেতিয়াই সি আটাই-
ৰে আগতে উঠি আপুনি সোআ সজ্যা তুলি লৈ, ইস্বৰক স্তুতি কৰি কৰি
আপোনাৰ ঘৰলৈ গল। ২৬ তাতে সকলোএ বিস্মই মানি ভয়েৰে সম্পুৰ্ন
হৈ, আজি আমি আচৰিত কৰমকে দেখিলোঁ, ইয়াকে বুলি ইস্বৰক স্তুতি
কৰিলে।

২৭ ইয়াৰ পাচে য়িচুএ বাহিৰে গৈ, কৰ লোআ চৰাত বহি থকা লেৱি
নামে কৰ তোলা এজনক দেখি তাত কলে, মোৰ পাচত আঁহা। ২৮ তে-
তিয়া সি আটাইকে এৰি উঠি তেঁওৰ পাচত গল। ২৯ পাচে লেৱিএ আ-
পোনাৰ ঘৰত তেঁওৰ নিমিতে বৰ ভোজ পাতিলে, তাতে অনেক কৰ তো-
লাবিলাক আৰু আন আন লোকে সিবিলাকে সৈতে ভোজনত বহিল।
৩০ কিন্তু অধ্যাপক আৰু ফিৰুচিবিলাকে তেঁওৰ সিস্যবিলাকক মুখা মুখি
কৰি কলে, কৰ তোলা আৰু পাপি লোকে সৈতে তোমোলাকে কিয় ভো-
জন পান কৰা? ৩১ তাতে য়িচুএ সিহঁতক উত্তৰ দি কলে, নিৰুগি মানুহ-
বিলাকৰ বেজত সকাম নাই; কিন্তু ৰুগিয়া মানুহৰ সকাম আচে। ৩২ মই

ধৰ্ম্মি লোকক নিমন্ত্ৰন কৰিবলৈ অহা নাই; কিন্তু মন পালটাবৰ নিমি-
তে পাপি লোককহে নিমন্ত্ৰন কৰিবলৈ আহিচোঁ।

৩৩ আৰু সিবিল্লাকে তেঁওত কলে, য়োহান আৰু ফিৰুচিবিলাকৰ
সিস্যবোৰে বাৰে বাৰে লঘোন আৰু প্ৰাথানা কৰে, কিন্তু তোমাৰ সিস্য-
বিলাকে ভোজন পান কৰে, ইয়াৰ কাৰন কি? ৩৪ তেতিয়া তেঁও সিবি-
লাকত কলে, জেতে দিন সখিবোৰৰ লগত দৰা থাকে, তেতে দিনলৈকে
সিহঁতক লঘোন কৰাব পাৰা নে? ৩৫ কিন্তু জেতিয়া সিবিলাকৰ লগৰ পৰা
দৰাক নিয়া হব, এনে কাল আহিব; সেই কালতে সিবিলাকে লঘোন
কৰিব। ৩৬ পাচে তেঁও পটন্তৰ দি সিবিলাকত কলে, পুৰনি কাপৰত
কোনেও ন কাপৰৰ তাপলি নেমাৰে; তাকে কৰিলে ন কাপৰ ডোখৰো
নষ্ট হই, আৰু পুৰনি কাপৰেৰে সৈতে ন ডোখৰ নিমিলে। ৩৭ আৰু
পুৰনি চালৰ মোটত লতা পনিয়ালৰ ন ৰস কোনেও নথই; জদি থই,
ন ৰসে সেই মোট ফালে, আৰু ৰসো বৈ ঢ়ুকাই, মোটো নষ্ট হই; ৩৮ কিন্তু
পনিয়ালৰ ন ৰস ন মোটতহে থব লাগে, তাতে দুইৰো ৰখ্যা পৰে। ৩৯ আৰু
পুৰনি ৰস পান কৰি কোনো মানুহে তেতিয়াই ন ৰস নোখোজে, কিয়নো
সি বুলিচে, পুৰনি তাতকৈ ভাল।

## ৬ আধ্যা।

পৰ্ব্বৰ দুতিয় দিনৰ পাচে প্ৰথম বিস্ৰাম বাৰত তেঁও খেতিৰ মাজে দি জাঁওতে,
তেওঁৰ সিস্যবিলাকে সহৰ চেই চিৰি হাতত মোহাৰি মোহাৰি খাবলৈ
ধৰিলে। ২ তেতিয়া কেতবিলাক ফিৰুচি মানুহে সিবিলাকত কলে, বিস্ৰাম
দিনত কৰিব নোপোআ জি কৰম, তাক তোমোলাকে কিয় কৰা? ৩ তাতে
য়িচুএ সিহঁতত কলে, দাৰিদ আৰু তেঁওৰ লগৰবিলাকৰ ভোক লাগিলত,
৪ তেঁও ইস্বৰৰ ঘৰত সোমাই, পোৰোহিতৰ বাজে আনে খাব নোপোআ
ইস্বৰৰ আগত দিয়া জি পিঠা, তাক লৈ খালে, আৰু লগৰ মানুহকো
দিলে, এনে জে কৰম কৰিলে, তাক তোমোলাকে কেতিয়াও পৰ্হা নাই
নে? ৫ আৰু তেঁও সিবিলাকত কলে, মানুহৰ পুত্ৰ বিস্ৰাম বাৰৰো অধি-
কাৰ।

৬ তাৰ পাচে আন এক বিস্ৰাম বাৰত তেঁও নাম ঘৰত সোমাই উপদেস
দিলে; সেই কালত সোঁ হাত সুকাই জোআ এজন মানুহ তাতে আচিল।
৭ তেতিয়া অধ্যাপক আৰু ফিৰুচিবিলাকে তেঁওৰ অপবাদ কৰিবৰ আ-
সয়েৰে, তেঁও বিস্ৰাম বাৰত স্বস্থ কৰে নে নকৰে, ইয়াকে জানিবৰ নিমিত্তে
তেঁওলৈ চাই থাকিল। ৮ কিন্তু তেঁও সিহঁতৰ ভাবনা বুজি সেই সুকান
হতিয়া মানুহক বুলিলে, তুমি উঠি মাজতে থিয় হোআ; তাতে সি উঠি

থিয় হল । ৯ পাচে য়িচুএ সিইঁতত কলে, মই তোমোলাকত এটি কথা
সোধোঁ, বিস্রাম বাৰত ভাল কৰা বা বেয়া কৰা, আৰু প্ৰান ৰখা বা প্ৰান
মৰা, এই দুইৰো মাজত কোনটো কৰিব লগা কৰম? ১০ পাচে চাৰিও
ফালে সকলোলৈ চাই, সেই মানুহটত কলে, আপোনাৰ হাত মেলা। সি
তাকে কৰিলত, তাৰ সেই হাত আন হাতৰ নিচিনা [স্বস্থ] কৰা হল।
১১ তাতে সিইঁতে খঙ্গৰ পুৰ হৈ য়িচুক কি কৰিম, এই কথাত ইটে সিটে
আলচ কৰিব ধৰিলে।

১২ সেই কালত তেঁও প্ৰাৰ্থনা কৰিবৰ নিমিত্তে এটা পৰ্বতৰ ওপৰলৈ গৈ,
ওৰে ৰাতি ইস্বৰৰ আগত প্ৰাৰ্থনা কৰি থাকিল। ১৩ পাচে দিন হলত
তেঁও আপোনাৰ সিস্যক মাতিলে; ১৪ আৰু সিবিলাকৰ মাজৰ জাৰ উপ-
নাম তেঁও পিতৰ দিলে, সেই চিমোন, আৰু তেঁওৰ ভায়েক আন্দ্ৰিয়া, য়া-
কোব আৰু য়োহান, ফিলিপ আৰু বাৰ্থলময়, ১৫ মাথি আৰু থোমা, হল-
ফাইৰ পুতেক য়াকোব আৰু জিলোত নামেৰে চিমোন, ১৬ য়াকোবৰ ভায়েক
য়িহুদা, আৰু তেঁওক লোকৰ হাতত সোধাই দিওতা য়িহুদা, এই বাৰে
জনক তেঁও বাচি লৈ সিবিলাকক পাঁচনি নাম দিলে।

১৭ পাচে তেঁও সিবিলাকে সৈতে পৰ্বতৰ পৰা নামি ভয়ামত থিয় হল;
তাতে তেঁওৰ সিস্য সমুহ, আৰু সকলো য়িহুদা দেসৰ পৰা, য়িৰুচালমৰ
পৰা, চোৰ আৰু চিদোনৰ সাগৰৰ দাঁতিৰ পৰাও, তেঁওৰ বাক্য সুনিবলৈ
আৰু ৰোগৰ পৰা মুকুত হবলৈ অহা সমুহ লোকবিলাক তেঁওৰ ওচৰত
আছিল; ১৮ আৰু অসুচি ভুতে ধৰাবিলাকেও আহি স্বস্থ কৰা হল।
১৯ আৰু তেঁওৰ গাৰ পৰা মহাত্মা ওলাই সকলোকে স্বস্থ কৰাত সমুহ মানুহ-
বিলাকে তেঁওক চুবলৈ জতন কৰিলে।

২০ পাচে সিস্যবিলাকৰ ওপৰত তেঁও চকু তুলি এই কথা কলে, হে দৰিদ্ৰ-
বিলাক, তোমোলাক ধন্য, কিয়নো ইস্বৰৰ ৰাজ্য তোমোলাকৰ। ২১ হে
এতিয়া ভোক লগাবিলাক, তোমোলাক ধন্য, কিয়নো তোমোলাকে ত্ৰিপ্তি
পাবা। হে এতিয়া ক্ৰন্দন কৰাবিলাক, তোমোলাক ধন্য, কিয়নো তোমোলাকে
হাঁহিবা। ২২ জেতিয়া লোকবিলাকে মানুহৰ পুত্ৰৰ নামৰ নিমিত্তে তোমো-
লাকক ঘিন কৰিব, আৰু নিলগলৈ আঁতৰাই নিন্দা কৰিব, আৰু অধৰমিৰ
নিচিনা তোমোলাকৰ নাম বাহিৰ কৰি পেলাব, তেতিয়া তোমোলাক ধন্য।
২৩ সেই দিনত হৰ্স কৰি আনন্দেৰে নাচিবা; কিয়নো স্বৰগত তোমোলাকৰ
অধিক ফল আছে; সিইঁতৰ পিত্ৰিবিলাকেও ভবিস্যত বক্তাবিলাকলৈ সেই
ৰুপ বেৱহাৰ কৰিলে। ২৪ কিন্তু হাই হাই, ধনৱন্ত লোক, তোমোলাকে
আপোনাৰ সুখ পালা। ২৫ হাই হাই, ত্ৰিপ্তি পোআবিলাক, তোমোলা-
কৰ ভোক লাগিব। হাই হাই, এতিয়া হাঁহি থকাবিলাক, তোমোলাকো
সোক আৰু ক্ৰন্দন কৰিবা। ২৬ সকলো মানুহে জদি তোমোলাকৰ সুজসস্যা

কই, তেন্তে তোমোলাকৰ সন্তাপ হব; সিহঁতৰ পিত্রিবিলাকেও মিচা ভৱি-
স্যত বক্তাবিলাককৈ সেই ৰূপ বেৱহাৰ কৰিলে ।
২৭ কিন্তু হে সুনা সকল, মই তোমোলাকত কৈচোঁ, তোমোলাকে আপোনাৰ
সত্রুবিলাকক প্রিতি কৰা; জিবিলাকে তোমোলাকক ঘিন কৰে, সেইবিলা-
কলৈ ভাল কৰা; ২৮ জিবিলাকে তোমোলাকক নিন্দা কৰে, সিহঁতৰ নিমি-
ত্তে প্রার্থনা কৰা । ২৯ জি কোনোএ তোমাৰ ই গালত চৰ মাৰে, তালৈ
সি গাল পাতি দিয়া; আৰু জি কোনোএ তোমাৰ বৰ কাপৰ কাহিঁ লই,
তাক তোমাৰ চোলাও লবলৈ হাক নিদিবা । ৩০ জি কোনোএ তোমাত
খোজে, তুমি তাক দিয়া; আৰু জি কোনোএ তোমাৰ সম্পতি লই, তাক
আকও নুখুজিবা । ৩১ আৰু লোকে তোমোলাকক জেনে বেৱহাৰ কৰি-
বলৈ তোমোলাকৰ ইচা হই, তেনে বেৱহাৰ সিবিলাককৈকো কৰা । ৩২ কিয়-
নো তোমোলাকক জি জি লোকে প্রিতি কৰে, অকল সিবিলাকক প্রিতি
কৰিলে, তোমোলাকৰ কি ফল? পাপি লোকেও সিহঁতক প্রিতি কৰা-
বিলাকক প্রিতি কৰে । ৩৩ আৰু জিবিলাকে তোমোলাকক হিত কৰে,
অকল সিবিলাকক জদি হিত কৰা, তেন্তে তোমোলাকৰ কি ফল? পাপি-
বিলাকেও সেই ৰূপে কৰে । ৩৪ আৰু জিবিলাকৰ পৰা আকও পাবলৈ
আসা কৰা, অকল সিবিলাকক ধাৰ দিলে, তোমোলাকৰ কি ফল? ধাৰৰ
সমান ধন আকও পাবলৈ আসা কৰি পাপি লোকেও পাপিবিলাকক ধাৰ
দিএ । ৩৫ কিন্তু তোমোলাকে সত্রুবিলাককো প্রিতি কৰা, লোকবিলাকক
হিত কৰা, আৰু পুনৰ বাৰ কিচু পাবলৈ আসা নকৰিও ধাৰ দিবা;
তাতে তোমোলাকৰ অতিসই কৰমৰ ফল হব, আৰু তোমোলাক সৰ্বোপৰি
জনৰ সন্তান হবা; কিয়নো উপকাৰ নজনা আৰু দুষ্টবিলাকক তেঁৱে
হিত কৰে । ৩৬ এই হেতুকে তোমোলাকৰ পিত্রি জেনে দায়ালু তোমোলা-
কো তেনে দায়ালু হোআ । ৩৭ লোকক দুসি নকৰিবা, তেহে তোমোলা-
কক দুসি কৰা নহব; লোকক দণ্ড আগ্যা নকৰিবা, তেহে তোমোলাকক
দণ্ড আগ্যা কৰা নহব; খেমা কৰা, তেহে তোমোলাককো খেমা কৰা
হব । ৩৮ দান কৰা, তাতে তোমোলাককো দান দিয়া হব; হেঁচা জোঁ-
কৰা উপচি পৰা পুৰ পৰিমানেৰে লোকে তোমোলাকৰ কোঁচত বাকি
দিব; কিয়নো জি জোখেৰে তোমোলাকে জোখা, সেই জোখেৰে তোমো-
লাককৈকো জোখা হব ।
৩৯ পাচে তেঁও সিবিলাকত এক পটন্তৰ দি কলে, কনাই কনাক বাটত
নিব পাৰে নে? দুয়ো খাৱৈত নপৰিব নে? ৪০ সিস্য গুৰুৰ ওপৰ
নহই; কিন্তু সিধি হোআ জি সিস্য, সি গুৰুৰ তুল্য । ৪১ আপোনাৰ
চকুত থকা জি চতি তাক নেদেখি, ভায়াৰ চকুত জি কুটা আছে, তাক
কিয় দেখিচা? ৪২ আৰু তোমাৰ আপোনাৰ চকুত থকা জি চতি তাক

নেদেখি, হে ভাই, তোমাৰ চকুৰ পৰা সেই কুটা উলিয়াবলৈ দিয়া, এনে কথা ভায়াক কেনেকৈ বুলিব পাৰা? হে কপটি, প্ৰথমতে আপোনাৰ চকুৰ পৰা চতি উলিয়াই পেলোআ, পাচে তোমাৰ ভায়াৰ চকুৰ পৰা কুটাকে উলিয়াবলৈ ভালকৈ দেখিবা। ৪৩ ভাল গচে বেয়া গুটি নধৰে, বেয়া গচেও ভাল গুটি নধৰে। ৪৪ আপোন আপোন গুটিৰ দোআৰাই প্ৰতি গচকে জনা জাই; কাঁইট গচৰ পৰা ডিমৰু নেপাৰে, পুলি কাঁইটৰ পৰাও লতা পনিয়াল নেপাৰে। ৪৫ ভাল মানুহে আপোন মনৰ ভাল ভঁৰালৰ পৰা ভাল দ্ৰুব্য উলিয়াই, আৰু বেয়া মানুহে আপোন মনৰ বেয়া ভঁৰালৰ পৰা বেয়া দ্ৰুব্য উলিয়াই; কিয়নো মনৰ অধিক ভাবনাৰ পৰা মুখে কথা কই।
৪৬ আৰু মোৰ কথা পালন নকৰি মোক কিয় প্ৰভু প্ৰভু বুলি মাতা? ৪৭ জি কোনোএ মোৰ ওচৰলৈ আহি মোৰ বাক্য সুনি পালন কৰে, সি কাৰ নিচিনা হই, মই তোমোলাকত জনাঁও। ৪৮ জি মানুহে ঘৰ সাজোঁতে দকৈ খানি তাৰ মুল সিলৰ ওপৰত পোত্ত কৰিলে, এনে এজনৰ নিচিনা সিও; পাচে ঢল আহি সেই ঘৰত বেগে সোঁত পৰিলহি, তেও তাক লৰাব নোআৰিলে, কিয়নো সিলৰ ওপৰত পোত হৈচিল। ৪৯ কিন্তু জি কোনোএ মোৰ কথা সুনি পালন নকৰে, সি মুল নোহোআকৈ মাটিৰ ওপৰত ঘৰ সজা মানুহৰ নিচিনা হই; পাচে সোঁত বেগে লাগিলতেই সেই ঘৰ পৰিল, আৰু তাৰ অতি সৰ্ব্বনাস হল।

## ৭ আধ্যা।

তেঁও মানুহবিলাকৰ কানত এই সকলো কথা কৈ এঁটাই কিফৰ্নাহুমত সোমালগৈ। ২ তেতিয়া কোনো এসৰ সেনাপতিৰ এটা প্ৰিয় বন্দি নৰিয়া হৈ মৰিব লগা হোআত, সেনাপতিএ য়িচুৰ সম্বাদ সুনি, সেই বন্দিক স্বস্থ কৰিবৰ নিমিত্তে তেঁও জেন আহে, এই বিনই কৰিবলৈ তেঁওৰ ওচৰলৈ জন চাৰেক ব্ৰিধ য়িহুদি লোকক পঠাই দিলে। ৩ সিবিলাকে য়িচুৰ ওচৰলৈ গৈ অতিসই ৰুপে বিনই কৰি কলে, তুমি জি জনক এই অনুগ্ৰহ কৰিবা, তেঁও জোগ্য; ৪ কিয়নো তেঁও আমাৰ দেসি লোকক চেনেহ কৰে, আৰু আমালৈ এটা নাম ঘৰো সাজিলে। ৫ তাতে য়িচুএ সিবিলাকৰ লগত গৈ ঘৰৰ ওচৰ পালত, ৬ সেই সেনাপতিএ আপোনাৰ মিতিৰবিলাকক তেঁওলৈ পঠাই কলে, হে প্ৰভু, আপোনাক দুখ নিদিব; কিয়নো আপুনি জে মোৰ ঘৰৰ ভিতৰত সোমাবহি, মই এনে জোগ্য নহঁও; ৭ সেই নিমিত্তে ময়ো আপোনাৰ ওচৰলৈ জাবলৈ জোগ্য হৈচোঁ বুলি নেমানোঁ, কিন্তু আপুনি একেষাৰ বাক্য বোলোক, তাতে মোৰ বন্দি স্বস্থ হব। ৮ কিয়নো মই আপুনি পৰৰ অধিন মানুহ হৈচোঁ, মোৰ অধিনো সেনাবিলাক আচে;

মই সিবিলাকৰ এটাক জা বুলিলে সি জাই; আনক আহ বুলিলে সি
আহে; আৰু মোৰ বন্দিক এই কাম কৰ বুলিলে সি তাক কৰে। ৯ য়িচুএ
এই কথা সুনি বিস্মই মানিলে, আৰু মুখ ঘুৰাই আপোনাৰ পাচত জো-
আবিলাকত কলে, মই তোমোলাকত কৈচোঁ, ইস্ৰাএলৰ বঙ্গহৰ মাজতো মই
এনে বিস্বাস পোআ নাই। ১০ পাচে জিবিলাক পঁচা হৈচিল, সিবিলাকে
ঘৰলৈ গৈ সেই নৰিয়া পৰা বন্দিক স্বস্থ হোআ দেখিলে।

১১ তাৰ পাচ দিনা তেঁও নাইন নামেৰে এখন নগৰলৈ জোআত তেঁওৰ
অনেক সিস্য আৰু বহু মানুহ তেঁওৰ লগত গল। ১২ পাচে সেই নগৰৰ
দূআৰৰ ওচৰ পালত দেখা, কোনো বাঁৰিৰ জি একেটি পুতেক আচিল,
তাৰ মৰা স বাহিৰলৈ নিলে, আৰু সেই বাঁৰিৰ লগত নগৰৰ অনেক
অনেক লোক আচিল। ১৩ তেতিয়া প্ৰভুএ তাইক দেখি মৰম লাগি কলে,
তুমি নেকান্দিবা। ১৪ পাচে তেঁও ওচৰলৈ গৈ মৰাৰ খাট চুলত বো-
আবিলাক ৰল। তাতে তেঁও কলে, হে ডেকা মানুহ, উঠা, মই ইয়াকে
তোমাত কৈচোঁ। ১৫ তেতিয়া সেই মৰা মানুহ উঠি বহি কথা কবলৈ ধৰি-
লে, পাচে য়িচুএ তাক মাকৰ হাতত দিলে। ১৬ তাতে সকলোৰে ওপৰত
ভই হল, আৰু আমাৰ মাজত এজন মহা ভবিস্যত বক্তা ওলাল, আৰু
ইস্বৰে আপোনাৰ লোকবিলাকক দৃস্টি কৰিলে, ইয়াকে বুলি সিবিলাকে
ইস্বৰক স্তুতি কৰিলে। ১৭ পাচে য়িহুদা দেস খনত আৰু চাৰিও ফালে
থকা প্ৰদেসত তেঁওৰ এই কথা বিয়াপি গল।

১৮ পাচে য়োহানৰ সিস্যবিলাকে তেঁওত এই সকলো কথা জনালে।
১৯ তাতে য়োহানে আপোনাৰ দুজন সিস্যক মাতি আনি, য়িচুৰ ওচৰলৈ
পঠাই কলে, জি জন আহিব লগা তুমি হোআ নে, নাইবা আন কাৰো-
বালৈ অপেখ্যা কৰি থাকিম? ২০ পাচে সেই মানুহবিলাকে তেঁওক পাই
কলে, জি জন আহিব লগা তুমি হোআ নে, নাইবা আন কাৰোবালৈ
অপেখ্যা কৰি থাকিম, য়োহান বুৰ দিওআই আমাৰ দোআৰাই এই কথা
কৈ পঠাইচে। ২১ সেই ডাঁৰতে য়িচুএ ৰোগ আৰু মহা বিয়াধি আৰু
দুৰ্জন ভুতে ধৰা অনেক মানুহক স্বস্থ কৰি, আৰু কনাবিলাককো চকু দি
আচিল। ২২ তেতিয়া তেঁও সিবিলাকত উত্তৰ দি কলে, তোমোলাকে জোআ
আৰু জি দেখিলা সুনিলা, তাক য়োহানত কোআগৈ; কনাই দেখিচে,
খোৰাই খোজ কাৰ্হে, কুঠিয়া সুচি হই, কলাই সুনে, মৰাক তোলা হৈচে,
দুখিয়া লোকত সুভ বাত্ৰা কিৰ্তন কৰা গৈচে; ২৩ আৰু জি জনে মোত
বেজাৰ নেপাই, সি ধন্য।

২৪ য়োহানৰ এই পাঁচনিবিলাক গলত তেঁও য়োহানৰ অৰ্থে লোকবিলা-
কৰ আগত এই কথা কবলৈ ধৰিলে, তোমোলাকে হাবিত কি দেখিবলৈ
গৈচিলা? বতাহে লৰোআ নল নে? ২৫ তোমোলাকে কি দেখিবলৈ গৈ-

ছিলা? কোমল কাপৰ পিন্ধা মানুহটক নে? দেখা, জিবিলাকে চিকন কা-
পৰ পিন্ধে, আৰু সুন্দৰ আহাৰ খাই, সিবিলাকে ৰজাৰ ঘৰতহে থাকে ।
২৬ তেন্তে কি দেখিবলৈ গৈছিলা? ভবিস্যত বক্তাক নে? হই, মই তোমো-
লাকত কৈছোঁ, ভবিস্যত বক্তাতকৈও বৰ এজন । ২৭ দেখা, মই আপোনাৰ
দুতক তোমাৰ আগত পাঁচিম, তাতে সি তোমাৰ আগে আগে বাট জুগুত
কৰিব, জাৰ অৰ্থে এই কথা লিখা আছে, এই জন তেঁও । ২৮ মই তো-
মোলাকত কৈছোঁ, তিৰোতাৰ গৰ্ভত ওপজাবিলাকৰ মাজতো য়োহান বুৰ
দিওআতকৈ কোনো ডাঙ্গৰ ভবিস্যত বক্তা নাই; তথাপি ইস্বৰৰ ৰাজ্যত
সকলতোকৈ জি জন সৰু, সেই জন তেঁওতকৈ ডাঙ্গৰ । ২৯ লোক সকল
আৰু কৰ তোলাবিলাকে বাক্য সুনি য়োহানৰ বুৰত বুৰ পোআ হৈ ইস্বৰক
মান্যৱন্ত কৰিলে; ৩০ কিন্তু ফিৰুচি আৰু বিধান পণ্ডিতবিলাকে তেঁওৰ
হতুআই বুৰ নেপাই, আপোনাৰ অহিতে ইস্বৰৰ উপদেস হেলা কৰিলে ।
৩১ তেন্তে এই কালৰ মানুহবিলাকক কাৰে সৈতে তুল্য কৰিম? আৰু সিবি-
লাক কাৰ নিচিনা হই? ৩২ জি লৰাবিলাক বজাৰত বহি থাকি ইটে সি-
টৈলৈ মাতি কই, আমি তোমোলাকৰ আগত বাঁহি বজালোঁ, কিন্তু তোমো-
লাকে নেনাচিলা; তোমোলাকৰ আগত বিলাপ কৰিলোঁ, কিন্তু তোমো-
লাকে নেকান্দিলা; এনে লৰাবোৰৰ নিচিনা সিহঁত । ৩৩ কিয়নো য়ো-
হান বুৰ দিওআই পিঠা নেখাই, পনিয়ালৰ ৰস পান নকৰিও আহিল,
তাতে তোমোলাকে বোলা, সি ভুতে পোআ । ৩৪ মানুহৰ পুত্ৰ ভোজন
পান কৰিও আহিচে, তাতে তোমোলাকে বোলা, দেখা, এই জন মানুহ
খাবৈচ আৰু মদপি, কৰ তোলাবিলাক আৰু পাপি লোকৰ মিতিৰ ।
৩৫ কিন্তু গিয়ানি সকলে গিয়ানৰ ব্যৱহাৰ নিৰ্দোস কৰে । ৩৬ পাচে এজন
ফিৰুচিএ য়িচুক ভোজন কৰিবলৈ নিমন্ত্ৰন কৰিলত, তেঁও সেই ফিৰুচিৰ
ঘৰত সোমাই ভোজন কৰিবলৈ বহিল । ৩৭ তাতে দেখা, সেই নগৰত থকা
কোনো পাতকি তিৰোতা এজনিএ তেঁওক ফিৰুচিৰ ঘৰত ভোজনত বহি থকা
জানি, সুগন্ধি তেলেৰে ভৰোআ এটা ফটিকৰ টেমা আনি, ৩৮ তেঁওৰ
পাচ ফালে চৰনৰ ওচৰত থিয় হৈ কান্দি কান্দি তেঁওৰ চৰন চকুৰ লোএৰে
তিয়াই মুৰৰ চুলিৰে মচিলে, আৰু তেঁওৰ চৰনত চুমা দি সুগন্ধি তেল
ঘঁহিব ধৰিলে । ৩৯ তেঁওক নিমন্ত্ৰন কৰা ফিৰুচিএ ইয়াকে দেখি আ-
পোনাৰ মনতে বুলিলে, এই জন ভবিস্যত বক্তা হোআ হলে তেঁওক
পৰ্স কৰা এই জনি তিৰোতা কোন, আৰু কেনে লোক, ইয়াক জানিলে-
হেঁতেন, কিয়নো তাই পাতকি হৈচে । ৪০ তেতিয়া য়িচুএ সমিধান দি
তাত কলে, হে চিমোন, মই তোমাত কিছু কথা কবলৈ আচে । তাতে
সি কলে, হে গুৰু, তাক বোলোক । ৪১ এক মুদৈৰ দুজন ধৰুআ আছিল;
তাৰ মাজৰ এজনৰ পাঁচ স সিকি, এজনৰ পঞ্চাস সিকি ৰুপ ধাৰ আ-

চিল। ৪২ পাচে সিবিলাকে ধাৰ সুজিবলৈ একো নথকাত তেঁও দুয়ো
জনৰ ধাৰ খেমা কৰিলে; তাতে সিবিলাক দুইৰো মাজত কোনটে অধিক
প্ৰিতি কৰিব, ইয়াকে বোলা? ৪৩ চিমোনে উত্তৰ দি কলে, জি জনৰ
অধিক ধাৰ খেমিলে, সেয়েই কৰিব, ইয়াকে মই বুজিচোঁ। তেঁও তাত
কলে, তুমি স্বৰুপ বিবেচনা কৰিলা। ৪৪ তেতিয়া তেঁও সেই তিৰোতাৰ
ফাললৈ মুখ ঘুৰাই চিমোনত কলে, এই তিৰোতাক দেখিচা নে? মই তো-
মাৰ ঘৰলৈ আহিলত তুমি মোৰ ভৰি ধুবলৈ পানি নিদিলা, কিন্তু তাই
চকুৰ লোএৰে মোৰ ভৰি ধুই [মুৰৰ] চুলিএৰে মচিলে। ৪৫ তুমি মোক
চুমা দিয়া নাই, কিন্তু মই আহিবৰে পৰা এই জনি তিৰোতাই মোৰ ভৰি-
তো চুমা দিবলৈ নেৰিলে। ৪৬ তুমি মোৰ মুৰত তেল নঘঁহিলা, কিন্তু এই
তিৰোতাই মোৰ ভৰিও তেলেৰে ঘঁহিলে। ৪৭ এই হেতুকে মই তোমাত
কৈচোঁ, এই জনিৰ অধিক হোআ পাপ খেমা কৰা হল, তাতে তাই অধিক
প্ৰিতি কৰে; কিন্তু জাৰ অলপ পাপ খেমা হই, সি অলপ প্ৰিতি কৰে।
৪৮ পাচে তেঁও তাইত কলে, তোমাৰ পাপ খেমা হল। ৪৯ তাতে তেঁৱে
সৈতে ভোজনত বহাবিলাকে আপোনাৰ মনত ভাবিব ধৰিলে, পাপকো
খেমা কৰা এই জন, এঁওনো কোন? ৫০ পাচে তেঁও তিৰোতাত কলে, তো-
মাৰ বিশ্বাসেই তোমাক পৰিত্ৰান কৰিলে; কুসলে জোআ।

## ৮ আধ্যা।

তাৰ পাচে নগৰে নগৰে গাঁৱে গাঁৱে ইশ্বৰৰ ৰাজ্যৰ সুভ বাত্ৰা কিৰ্ত্তন কৰি
প্ৰচাৰ কৰি গল; ২ আৰু তেঁওৰ বাৰে জন সিস্য, আৰু জি কোনো তি-
ৰোতাবিলাক অসুচি ভুতৰ আৰু নৰিয়াৰ পৰা স্বস্থ কৰা হৈচিল, অৰ্থাত
জাৰ পৰা সাতোটা ভুত ওলাইচিল, সেই মাগ্দলিনি নামে বোলা মাৰিয়া,
৩ আৰু হেৰোদ ৰজাৰ ঘৰগিৰি খুজাৰ যৈনিএক য়োআনা, চোচানা, আৰু
অনেক আনবিলাকো, সিবিলাক সকলো তেঁওৰ লগতে আচিল।
৪ আৰু সকলো নগৰৰ পৰা অনেক অনেক লোক আহি তেঁওৰ ওচৰত
গোট খোয়া কালত তেঁও এক পটন্তৰ দি কলে, ৫ এজন খেতিয়কে কঠিয়া
সিঁচিবলৈ গল। সি কঠিয়া সিঁচোতে কেতবিলাক বাটৰ কাখৰত পৰিল,
তাতে ভৰিৰে খচকা হল, আৰু আকাসৰ চৰায়ে আহি খুঁটি খালে।
৬ কেতবিলাক সিলত পৰিল, পাচে গজিলতেই জিপ নোহোআত সুকাই
গল। ৭ কেতবিলাক কাঁইটনিত পৰিল, তাতে কাঁইট গচ তাৰ লগত গজি
হেঁচি ধৰি মাৰিলে। ৮ আনবিলাক ভাল মাটিত পৰি গজি এস গুন
গোট ধৰিলে। এইবিলাক কথা বুলি তেঁও ৰিঙ্গিয়াই কলে, জাৰ সুনি-
বলৈ কান আচে, সি সুনোক।

৯ পাচে সিস্যবিলাকে তেঁওত সুধিলে, বোলে. এই দ্রিষ্টান্তৰ কি অৰ্থ?
১০ তাতে তেঁও কলে, ইস্বৰৰ ৰাজ্যৰ গোপনিয় কথা জানিবলৈ তোমোলা-
কক দিয়া হৈচে; কিন্তু আনবিলাকে দেখিও জেন নেদেখে, সুনিও জেন
নুবুজে, এই নিমিত্তে সিবিলাকৰ আগত দ্রিষ্টান্তেৰে কোআ হৈচে। ১১ সেই
দ্রিষ্টান্তৰ অৰ্থ এই, কঠিয়াই ইস্বৰৰ বাক্য। ১২ বাটৰ কাখৰত পৰা
জিবোৰ, সিইঁত বাক্য সুনাবিলাক; পাচে সিবিলাকে বিস্বাস কৰি পৰি-
ত্রান জেন নেপাই, চইতানে আহি সিবিলাকৰ মনৰ পৰা বাক্য কাৰ্হি
লৈ জাই। ১৩ সিলত পৰাবিলাকৰ অৰ্থ এই, জি কোনো কোনোবিলাকে
কথা সুনি আনন্দেৰে লই, কিন্তু সিপা নাইকিয়া, সিবিলাকে অলপ
কাল মাথোন বিস্বাস কৰি থাকি, পাচে পৰিখাৰ সময়ত বিস্বাসৰ পৰা
খহি পৰে। ১৪ আৰু জিবোৰ কাইটনিত পৰিল, সেইবোৰৰ অৰ্থ এই,
জি কোনো কোনোবিলাকে কথা সুনি বাহিৰে গৈ, সংসাৰৰ চিন্তা, ধন,
আৰু এই জিৱনৰ সুখেৰে মগ্ন হই, সিবিলাকৰ একো ফল সিধি নহই।
১৫ কিন্তু ভাল মাটিত পৰাবিলাকৰ অৰ্থ এই, জি কোনো কোনোএ কথা
সুনি সৰল আৰু সুধ মনত তাকে পালন কৰে, সিবিলাকে ধৈৰ্জেৰে
থকাত ফল ধৰে।

১৬ কোনো মানুহে চাকি লগাই পাত্রেৰে নেঢাকে, বা খাটৰ তলত নথই,
কিন্তু গচাৰ ওপৰতহে থই, তাতে ঘৰৰ ভিতৰলৈ অহাবিলাকে পহৰ দে-
খে। ১৭ কিয়নো জি প্রকাস নহব, এনে কোনো গুপুত বস্তু নাই; আৰু
জি জনা হৈ প্রচাৰ কৰা নহব, এনে কোনো লুকুআ বস্তু নাই। ১৮ এই
হেতুকে তোমোলাকে জি ৰুপে সুনা, তালৈ সাৱধান হোআ; কিয়নো জাৰ
আচে, তাক আৰু দিয়া হব, কিন্তু জাৰ নাই, তাৰ জি থকা জেন দেখে,
তাৰ পৰা তাকো নিয়া জাব।

১৯ পাচে য়িচুৰ মাক আৰু ভাইবিলাক তেঁওৰ ওচৰলৈ আহিল, কিন্তু
বহু মানুহ হোআৰ কাৰনে তেঁওৰে দেখা দেখি হব নোআৰিলে। ২০ তা-
তে কোনোএ তেঁওত কলে, তোমাৰ মাৰা ভায়াবিলাকে তোমাক দেখিবৰ
মনেৰে বাহিৰত থিয় হৈ আচে। ২১ তেঁও উতৰ দি কলে, এই জিবিলা-
কে ইস্বৰৰ কথা সুনি তাক পালন কৰে, সিবিলাক মোৰ আয়ো ভায়ো।

২২ পাচে এদিনা তেঁও সিস্যবিলাকে সৈতে এখান নাৱত উঠি সিবি-
লাকত কলে, আঁহা, আমি সৰোবৰৰ সিপাৰলৈ জাঁওইক; তাতে সিবিলাকে
নাও মেলি গল। ২৩ পাচে জাঁওতে তেঁওৰ টোপনি আহিল, আৰু
সৰোবৰত ধুমুহা বতাহ আহি লাগিলত ঢৌএৰে ভৰা হৈ সঙ্কটত পৰিল।
২৪ তাতে সিবিলাকে তেঁওৰ ওচৰলৈ গৈ তেঁওক জগাই কলে, হে গুৰু,
হে গুৰু, আমি মৰোঁহে। তেতিয়া তেঁও উঠি বতাহ আৰু পানিৰ ঢৌকো
ডবিয়ালে, তাতে দুয়ো সান্ত হৈ পানি নিৰ্মল হল। ২৫ তেতিয়া তেঁও

সিবিলাকত কলে, তোমোলাকৰ বিস্বাস কতা? তাতে সিবিলাকে ভয়া-
তুৰ হৈ বিস্মই মানি ইটে সিটে কলে, এঁও কেনে মানুহ! বতাহ আৰু
পানিকো আগ্যা দিয়াত সিইঁতেও তেঁওৰ কথা মানে ।
২৬ পাচে গালিলৰ সমুখে থকা গাদৰা দেস পালেগৈ । ২৭ তাতে
তেঁও বামত উঠিলতেই বহু দিনৰ পৰা ভুতে পোআ এজন মানুহ নগৰৰ
পৰা আহি তেঁওৰ সাখ্যাত পালেহি; সেই মানুহে কাপৰ নিপিন্ধে, আৰু
ঘৰত নেথাকি মৈদামতে থাকে । ২৮ সি য়িচুক দেখিএই এটাহ পাৰি
তেঁওৰ আগত পৰি বৰ মাতেৰে কলে, হে সৰ্বোপৰি ইস্বৰৰ পুত্ৰ য়িচু,
তোমাৰ লগত মোৰ কি কাম? মই মিনতি কৰিচোঁ, মোক জাতনা নকৰি-
বা । ২৯ কিয়নো সেই মানুহক এৰি জাবলৈ তেঁও অসুচি ভুতক আগ্যা
দিচিলে । তাক ভুতে অনেক বেলি ধৰাত জি সিকলি আৰু লোআৰ
দোআৰাই বান্ধি ৰখা হৈচিল, সেই বন্ধন চিঙ্গি ভুতৰ বলেৰে হাবিৰ
মাজলৈ নিয়া হৈচিল । ৩০ পাচে য়িচুএ তাত সুধিলে, তোৰ কি নাম?
তাতে সি কলে, মোৰ নাম বাহিনি; কিয়নো তাৰ ভিতৰত অনেক ভুত
সোমাই আচিল । ৩১ পাচে তেঁও জেন সিইঁতক অগাধ ঠাইলৈ জাবলৈ
আগ্যা নিদিএ, ভুতবিলাকে এনে বিনই কৰিলে । ৩২ সেই কালত তাৰ
ওচৰৰ পৰ্বতত ভালেমান এজাক গাহৰি চৰি আচিল; সেইবোৰৰ ভিতৰত
সোমাবলৈ অনুমতি দিয়া, ভুতবিলাকে এই প্ৰাৰ্থনা কৰিলত, তেঁও অনুম-
তি দিলে । ৩৩ তেতিয়া সেই মানুহৰ পৰা ভুতবিলাক ওলাই গাহৰি-
বোৰৰ ভিতৰত সোমালগৈ; তাতে গাহৰি জাকে এটা গৰাৰ পৰা বৰকৈ
লৰি গৈ সমুদ্ৰৰত পৰি মৰিল । ৩৪ তাকে দেখি ৰখিয়াবোৰে পলাই
নগৰ আৰু চহৰতো এই কথা কলেগৈ । ৩৫ তেতিয়া কি ঘটিচিল, তাক
চাবলৈ মানুহবিলাকে ওলাই য়িচুৰ ওচৰলৈ আহি, জি মানুহৰ পৰা ভুত
ওলাই গল, তাক য়িচুৰ চৰনৰ কাসত কাপৰ পিন্ধি গিয়ান পাই থাকি-
বৰ দেখি ভই কৰিলে । ৩৬ আৰু সেই ভুতে পোআটক কেনে ৰুপে স্বস্থ
কৰা হল, তাক দেখাবিলাকে সিইঁতৰ আগত কলে । ৩৭ পাচে গাদৰা
দেসৰ চাৰিও ফালৰ সকলো লোকে অতিসই ভই পোআত সিবিলাকৰ
ওচৰৰ পৰা তেঁওক জাবলৈ মিনতি কৰি কলে, তাতে তেঁও নাৱত উঠি তাৰ
পৰা উলটি গল । ৩৮ তেতিয়া জি জনৰ পৰা ভুত ওলাই গল, সি তেঁওৰ
লগত থাকিবলৈ প্ৰাৰ্থনা কৰিলে; কিন্তু য়িচুএ তাক বিদাই দি কলে, তো-
মাৰ নিমিত্তে ইস্বৰে কেনে মহত কৰম কৰিচে, আপোনাৰ ঘৰলৈ গৈ তাক
দেখাবা । ৩৯ তাতে সি তাৰ পৰা গৈ য়িচুএ তাৰ নিমিত্তে জি মহত কৰম
কৰিলে, তাক গোটেই খন নগৰত প্ৰকাস কৰিলে । ৪০ পাচে য়িচুএ উভ-
তি আহিলত মানুহবিলাকে তেঁওক গ্ৰহন কৰিলে, কিয়নো তেঁওলৈ সক-
লোএ অপেখ্যা কৰি আচিল ।

৪১ পাচে দেখা, জাইৰ নামেৰে নাম ঘৰৰ এক অধিকাৰ আহি য়িচুৰ
চৰনত পৰি, তাৰ ঘৰলৈ আহিবৰ নিমিত্তে তেঁওক প্ৰাৰ্থনা কৰিলে;
কিয়নো তাৰ বাৰে বচৰিয়া জিএক এজনি মাথোন আছিল, তায়ো মৰিব
লগা হৈছিল। ৪২ তেতিয়া তেঁও জোআ কালত তেঁওৰ ওচৰত মানুহবি-
লাকে হিহনি খাই আছিল। ৪৩ তাতে বাৰে বচৰ তেজ জোআ ৰুগিয়া
হৈ, বেজত সকলো জিবিকা খৰচ কৰিও কাৰো পৰা স্বস্থ হব পৰা নাই,
৪৪ এনে এজনি তিৰোতাই য়িচুৰ পাচ ফালে দি আহি তেঁওৰ কাপৰৰ
দহি চুলত তাইৰ তেজ বোআ তেতিয়াই ৰল। ৪৫ তাতে য়িচুএ কলে,
মোক কোনে চুলে? আটাইবিলাকে আসৈ কৰাত পিতৰ আৰু তাৰ লগৰ-
বিলাকে বুলিলে, হে প্ৰভু, মানুহ সমুহবিলাকে আপোনাক বেৰি হেঁচি
ধৰি আছে, আৰু কোনে মোক চুলে, আপুনি ইয়াকে বোলে! ৪৬ য়িচুএ
কলে, কোনোবাই মোক চুলে, কিয়নো মোৰ পৰা সক্তি ওলাল, ইয়াকে
জানিচোঁ। ৪৭ তাতে সেই তিৰোতাই আপুনি লুকুআ নহই জেন জানি,
কঁপি কঁপি আহি তেঁওৰ আগত পৰি, জিহৰ নিমিত্তে তেঁওক চুইছিল,
আৰু চুলতেই জেনেকৈ ভাল হল, তাকে আটাইৰে আগত তেঁওত কলে।
৪৮ তেঁও তাইক বুলিলে, হে আইটি, নিৰ্ভই হোআ, তোমাৰ বিস্বাসেই তো-
মাক ভাল কৰিলে, কুসলে জোআ।

৪৯ এই কথা কঁওতেই নাম ঘৰৰ অধিকাৰৰ ঠাইৰ পৰা এজন মানুহ
আহি তেঁওত কলে, তোমাৰ জিঁয়া মৰিল, গুৰুক দুখ নিদিবা। ৫০ য়িচুএ
তাকে সুনি সমিধান দি কলে, ভই নকৰিবা; বিস্বাস মাথোন কৰা,
তাতে তাই ৰখ্যা পৰিব। ৫১ পাচে ঘৰৰ ভিতৰলৈ আহি, পিতৰ,
য়াকোব, য়োহান, আৰু চোআলিৰ বাপেক মাকৰ বাহিৰে কাকো সো-
মাবলৈ নিদিলে। ৫২ আৰু সকলোএ কান্দি বিলাপ কৰি থকাত তেঁও
কলে, তোমোলাকে নেকান্দিবা; তাই মৰা নাই, টোপনিতে আছে। ৫৩ কিন্তু
সিবিলাকে তাই মৰা জানি তেঁওক হাঁহিলে। ৫৪ সকলোকে বাহিৰ কৰি-
লত তেঁও তাইক হাতত ধৰি মাতি কলে, হে চোআলি, উঠা। ৫৫ তাতে
তাইৰ প্ৰান আকও আহিলত তাই তেতিয়াই উঠিল; আৰু তাইক আহাৰ
দিবলৈ তেঁও আগ্যা কৰিলে। ৫৬ তাতে তাইৰ মাক বাপেকে বিস্মই মানিলে;
কিন্তু এই কৰমৰ কথা কাতো নকবলৈ তেঁও সিবিলাকক আগ্যা দিলে।

## ৯ আধ্যা।

পাচে তেঁও আপোনাৰ বাৰে জন সিস্যক মাতি আনি, সকলো ভুতক
খেদাবলৈ আৰু বিয়াধি স্বস্থ কৰিবলৈ সক্তি আৰু বিসই দি, ২ ইস্বৰৰ
ৰাজ্যৰ কথা কিৰ্তন কৰিবলৈ আৰু ৰুগিয়াক ভাল কৰিবলৈ পঠাই, সিবি-

লাকত কলে, ৩ জাত্রার নিমিত্তে লাখুটি বা জোলোঙ্গা, পিঠা বা ধন,
এইবিলাক একো নলবা, আৰু গাইপতি দুটাকৈ চোলাও নলবা । ৪ আৰু
তোমোলাকে জি ঘৰত সোমোআ, তাতে থাকিবা, আৰু তাৰে পৰা জাবা ।
৫ জি কোনোবিলাকে তোমোলাকক গ্ৰুহন নকৰে, সেই নগৰৰ পৰা জো-
আৰ সময়ত সিবিলাকৰ অহিত্তে সাখি হবৰ নিমিত্তে তোমোলাকে ভৰিৰ
ধুলিকো জোকাৰি পেলাবা । ৬ পাচে সিবিলাকে সুভ বাত্ৰা কিৰ্ত্তন কৰি-
বলৈ আৰু ৰোগ স্বস্থ কৰিববলৈ সকলো ঠাইতে গাঁৱে গাৱে ফুৰি গল ।
৭ সেই কালত হেৰোদ ৰজাই তেঁওৰ সকলো কৰমৰ বাত্ৰা পাই, মনত
উগুল থুগুল লাগিল; কিয়নো কোনো লোকে বুলিলে, য়োহান মিত্যুৰ
পৰা উঠিল: ৮ আন কোনোএ কলে, এলিয়াই দেখা দিচে; আনবি-
লাকে কলে, পুৰ্ব কালৰ ভবিস্যত বক্তাবিলাকৰ এজন জিয়াই উঠিল ।
৯ হেৰোদে বুলিলে, মই য়োহানৰ মুৰ কটাইচিলোঁ, জি জনৰ এনে কৰ-
মৰ কথা সুনিচোঁ, তেঁও কোন? এতেকে তেঁওক দেখিবলৈ ইচা কৰিলে ।
১০ পাঁচনিবিলাকে উভতি আহি, জি জি কৰম কৰিচিল, তেঁওত সক-
লোকে কলে । পাচে তেঁও সিবিলাকক লৈ বৈত্‌চৈদা নামে এখান নগ-
ৰৰ ওচৰৰ নিৰ্জান ঠাইলৈ গুপুত হৈ গল । ১১ তাকে লোকবিলাকে
জানি তেঁওৰ পাচে পাচে গলত তেঁও সিবিলাকক গ্ৰুহন কৰি ইস্বৰৰ ৰাজ্যৰ
কথা কলে, আৰু জাৰ জাৰ স্বস্থ হবৰ প্ৰয়োজন আচিল, সিবিলাকক
স্বস্থ কৰিলে । ১২ পাচে দিন জাবৰ বেলা ওচৰ হলত তেঁওৰ বাৰে জন
সিস্য আহি তেঁওত কলে, আমি এখন নিৰ্জান ঠাইতে আচোঁ, সেই নি-
মিত্তে চাৰিও ফালৰ গাঁও আৰু চহৰত ঠাই লবলৈ আৰু খোআ বস্তু পা-
বলৈ মানুহ জুমক পঠাই দিওক । ১৩ কিন্তু তেঁৱে কৈচে, তোমোলাকে
সিহঁতক খাবলৈ দিয়া । তাতে সিবিলাকে বুলিলে, আমি গৈ এই সক-
লো মানুহৰ নিমিত্তে খোআ বস্তু নিকিনোঁ জদি, তেন্তে আমাৰ পাঁচো-
টা পিঠা দুটা মাচৰ বাজে আন একো খাবৰ বস্তু নাই । ১৪ কিয়নো
সিবিলাক পাচ হেজাৰ মান মানুহ আচিল । তেতিয়া তেঁও সিস্যবিলা-
কত কলে, সিবিলাকক সাৰিএ সাৰিএ পঞ্চাস পঞ্চাসকৈ বহুআ । ১৫ তা-
তে সিবিলাকে তেনে কৰি এটাইকে বহুআলে । ১৬ আৰু তেঁও সেই পাঁচোটা
পিঠা, দুটা মাচ লৈ স্বৰগলৈ চাই আসিৰ্বাদ কৰি ভাঙ্গি, মানুহবোৰক বি-
লাই দিবৰ নিমিত্তে আপোনাৰ সিস্যবিলাকক দিলে । ১৭ তাতে সকলোএ
খাই ত্ৰিপ্তি পালে, পাচে খোআৰ আগলিকা বাৰেটা পাচি চপাই আনিলে ।
১৮ পাচে এদিনা তেঁও নিৰ্জানে প্ৰাৰ্থনা কৰাৰ সময়ত সিস্যবিলাক
তেঁওৰ লগত আচিল, তাতে তেঁও সিবিলাকত সুধিলে, মানুহবিলাকে মোক
কোন বুলি কই? ১৯ তাতে সিবিলাকে উতৰ দি কলে, তোমাক য়োহান
বুৰ দিওআ বোলে; কিন্তু কোনোবোৰে এলিয়া বোলে; আন কোনো-

বোৰে বোলে, পুৰ্ব কালৰ ভবিস্যত বক্তাবিলাকৰ এজন জিয়াই উঠিল।
২০ তেঁও সিবিলাকত কলে, কিন্তু তোমোলাকে নো মোক কোন বোলা?
তাতে পিতৰে উতৰ দি কলে, তুমি ইস্বৰৰ খ্রিস্ট। ২১ তেতিয়া সেই কথা
কাতো নকবলৈ তেঁও সিবিলাকক দ্রিঢ আগ্যা দি কলে, ২২ মানুহৰ পুত্রই
অনেক দুখ ভোগ কৰিব লাগে, আৰু ব্রিধ লোক, প্রধান পোৰোহিত,
অধ্যাপকবিলাকৰ পৰা অৱহেলা কৰা হৈ মৰা হব, পাচে ত্রিতিয় দি-
নত মৰনৰ পৰা উঠিব।

২৩ আৰু তেঁও সকলোৰে আগত কলে, জদি কোনোএ মোৰ পাচত আ-
হিবলৈ ইচা কৰে, তেন্তে সি আপোনাক দমন কৰোক, আৰু [দিনে দিনে]
আপোনাৰ পেৰেঙ্গনি তুলি লৈ মোৰ পাচত আহোক। ২৪ কিয়নো জি
কোনোএ আপোনাৰ প্রান ৰাখিব খোজে, সি তাক হেৰুআব; কিন্তু জি
কোনোএ মোৰ নিমিতে আপোনাৰ প্রান হেৰুআই, সি তাক ৰখ্যা কৰিব।
২৫ কোনো মানুহে গোটেই খন জগত পোআ হৈ, আপোনাকে জদি হেৰু-
আই বা বিনাস হই, তেন্তে তাৰ কি লাভ? ২৬ জি কোনোএ মোত আৰু
মোৰ কথাত লাজ পাই, মানুহৰ পুত্র আপোনাৰ আৰু পিত্রিৰ আৰু পবিত্র
দুতৰ প্রভাৱেৰে জেতিয়া আহিব, তেতিয়া তেঁও সেই মানুহত লাজ পাব।
২৭ কিন্তু মই তোমোলাকত সত্য ৰুপে কৈচোঁ, ইস্বৰৰ ৰাজ্য নেদেখে মানে
ম্রিত্যুৰ ভোগ নকৰিব, এনে কোনো মানুহবিলাক ইয়াতে থিয় হৈ আচে।
২৮ এই কথা কোআৰ আঠ দিন মানৰ পাচে তেঁও পিতৰ, য়োহান আৰু
য়াকোব, এইবিলাকক লগত লৈ প্রাৰ্থনা কৰিবলৈ এটা পৰ্বতৰ ওপৰলৈ
গল। ২৯ তাতে প্রাৰ্থনা কৰোঁতে তেঁওৰ মুখৰ আক্রিতি অন্য ৰুপ হল,
আৰু তেঁওৰ কাপৰ বগা বৰ প্রকাসিত হল। ৩০ আৰু দেখা, মোচা আৰু
এলিয়া এই দুজনে জ্যোতিৰ্ময় হৈ দেখা দি, ৩১ য়িৰুচালমত তেঁও জি ম্রিত্যু
সিধি কৰিব, তাৰ কথা বাত্রা তেঁৰে সৈতে কৈ আচিল। ৩২ কিন্তু পিতৰ
আৰু তেঁওৰ লগৰবিলাক টোপনিৰে ভৰ হৈচিল, পাচে জগি তেঁওৰ প্রভাও
আৰু তেঁওৰ ওচৰত থকা সেই দুজনকো দেখিলে। ৩৩ সিবিলাক তেঁওৰ
ওচৰৰ পৰা জোআৰ সময়ত পিতৰে য়িচুত কলে, হে প্রভু, আমাৰ ইয়াতে
থকা ভাল; এই হেতুকে আমি তিনটা পজা সাজোঁ, আপোনালৈ এটা, মো-
চালৈ এটা, এলিয়ালৈ এটা; ইয়াকে নুবুজিএই কলে। ৩৪ এই কথা কঁও-
তেই এখান মেঘ আহি সিবিলাকক চাঁ কৰি ধৰিলে, তাতে সিবিলাকে মে-
ঘত সোমোআত ভই লাগিল। ৩৫ তেতিয়া মেঘৰ পৰা এই আকাসি বানি
হল, এই মোৰ প্রিয় পুত্র, এঁওৰ কথা সুনা। ৩৬ সেই সবদ গলতেই য়িচুক
অকলে দেখা হৈচিল। আৰু সিবিলাকে জি দেখিচিল, তাৰ একো কথা
সেই কালত কোনো মানুহত নকৈ গুপুতে ৰাখিলে।

৩৭ তাৰ পাচ দিনা সিবিলাকে পৰ্বতৰ পৰা নামিলত অনেক মানুহে

তেঁওৰ লগ ললেহি । ৩৮ তেতিয়া দেখা, সিহঁতৰ মাজৰ এক মানুহে ৰিঙ্গি-
য়াই কলে, হে গুৰু, মই মিনতি কৰোঁ, মোৰ পোলৈ দ্রিষ্টি কৰোক, কিয়-
নো সি মোৰ একেটি লৰা । ৩৯ আৰু দেখা, ভুতে তাক ধৰাত সি অকস্মি-
তে এটাহ পাৰে, আৰু ভুতে তাক মুচৰিলে মুখৰ ফেন ওলাই, এই ৰূপে
দুখ দিও তাক এৰি জোআ কঠিন । ৪০ এই হেতুকে তাক খেদাবৰ নি-
মিতে আপোনাৰ সিস্যক মিনতি কৰিলোঁ, কিন্তু সিবিলাকে নোআৰিলে ।
৪১ তেতিয়া য়িচুএ সমিধান দি কলে, হেৰা অবিস্বাসি অবাটে জোআ বঙ্গহ,
কেতে দিন নো তোমোলাকৰ লগত থাকি তোমোলাকক সহিম? তোমাৰ
পোঁআক এখেলৈ আনা । ৪২ তাতে সি আহোঁতেই ভুতে তাক পেলাই মুচ-
ৰিলে; তেতিয়া য়িচুএ সেই অসুচি ভুতক ডাবি দি লৰাক স্বস্থ কৰি বাপে-
কৰ হাতত সোধাই দিলে । ৪৩ ইস্বৰৰ এই মহা সক্তি দেখি সকলোএ বিস্মই
মানিলে । এই ৰূপে য়িচুৰ সকলো কৰ্ম্মত বিস্মই মানি থাকোঁতে তেঁও
আপোনাৰ সিস্যবিলাকত কলে, ৪৪ এই কথা তোমোলাকৰ কানত সোমাওক,
মানুহৰ পুত্রক লোকবিলাকৰ হাতত সোধাই দিয়া হব । ৪৫ কিন্তু সিবি-
লাকে সেই কথা নুবুজিলে, আৰু গুপুত হোআত নেজানি থাকিল, তেঁওতো
তাৰ অৰ্থ সুধিবলৈ ভই কৰিলে ।

৪৬ পাচে সিবিলাকৰ মাজত কোন ডাঙ্গৰ হব, এই কথালৈ সিবিলাকৰ
বাদ বিচাৰ হৈছিল । ৪৭ তেতিয়া য়িচুএ সিবিলাকৰ মনৰ বিবেচনা বুজি,
এটা লৰাক লৈ আপোনাৰ কোসত বহুআই সিবিলাকত কলে, ৪৮ জি কো-
নোএ এই লৰাক মোৰ নামেৰে গ্রহন কৰে, সি মোকে গ্রহন কৰে; আৰু
জি কোনোএ মোক গ্রহন কৰে, সি মোক পঁচা জনকো গ্রহন কৰে; তোমো-
লাকৰ মাজত আটাইতকৈ জি সৰু, সেয়ে ডাঙ্গৰ হব ।

৪৯ পাচে য়োহানে মাত লগাই কলে, হে প্রভু, তোমাৰ নামেৰে ভুতবি-
লাক খেদোআ এজনক দেখিলোঁ; কিন্তু সি আমাৰ পাচে নোজোআত
আমি তাক নিসেধ কৰিলোঁ । ৫০ তাতে য়িচুএ কলে, তাক নিসেধ নকৰি-
বা; কিয়নো জি জন আমাৰ বিৰোধ নহই, সি আমাৰ ফলিয়া ।

৫১ পাচে তেঁওক ওপৰলৈ নিবৰ কাল পুৰ হলত, য়িৰুচালমলৈ জাবৰ
নিমিতে তাৰ ফাললৈ মুখ থিৰ কৰি, ৫২ আপোনাৰ আগেই পাঁচনিক
পঠালত সিবিলাকে গৈ তেঁওলৈ জুগুত কৰিবৰ নিমিতে চোমিৰোনিৰ এখন
গাঁৱত সোমাল । ৫৩ কিন্তু তেঁওৰ মুখ য়িৰুচালমলৈ জোআ জেন দেখি, সি-
বিলাকে তেঁওক গ্রহন নকৰিলে । ৫৪ এই হেতুকে য়াকোব আৰু য়োহান,
তেঁওৰ এই দুজন সিস্যে তাকে দেখি বুলিলে, হে প্রভু, এলিয়াই জেনেকৈ
কৰিলে, সেই ৰূপে আকাসৰ পৰা জুই ওলাই সিহঁতক জেন ভস্ম কৰে,
আমি এনে আগ্যা দিয়া আপোনাৰ ইচা হই নে? ৫৫ তাতে তেঁও মুখ ঘূৰাই
সিবিলাকক ডাবি দি কলে, তোমোলাকৰ মনৰ কি ভাও, তাক তোমোলাকে

নেজানা; ৫৬ কিয়নো লোকবিলাকৰ প্রান নষ্ট কৰিবলৈ মানুহৰ পুত্র অহা
নাই, কিন্তু ৰখ্যা কৰিবলৈহে আহিচে ।' পাচে সিবিলাকে আন গাঁৱলৈ
গল ।
৫৭ আৰু সিবিলাকে বাটত জাঁওতে কোনো এজন মানুহে তেঁওত কলে,
হে প্রভু, আপুনি জলৈকে জাই, তলৈকে ময়ো আপোনাৰ পাচত জাম ।
৫৮ য়িচুএ তাক বুলিলে, সিয়ালৰ গাঁত, আকাসৰ চৰাইৰো বাহ আচে,
কিন্তু মানুহৰ পুত্রৰ আপোনাৰ মুৰ থবলৈ ঠাই নাই। ৫৯ পাচে তেঁও আন
এজনত কলে, তুমি মোৰ পাচত আঁহা; কিন্তু সি কলে, হে প্রভু, প্রথমতে
গৈ মোৰ বোপাইক পুতিবলৈ অনুমতি দিয়া । ৬০ তাতে য়িচুএ কলে, মৰা-
বিলাকে আপোনাৰ মৰাক পোতোক; কিন্তু তুমি গৈ ইস্বৰৰ ৰাজ্যৰ কথা
কিৰ্তন কৰা । ৬১ আন এটাই কলে, হে প্রভু, ময়ো তোমাৰ পাচে জাম,
কিন্তু আগৈএ মোৰ ঘৰৰ মানুহবিলাকত বিদাই লবৰ নিমিতে তালৈ মোক
জাবলৈ দিওক । ৬২ য়িচুএ তাত কলে, জি কোনোএ নাঙ্গলত হাত দি পাচ
ফাললৈ ঘুৰি চাই, সি ইস্বৰৰ ৰাজ্যৰ জোগ্য নহই ।

## ১০ আধ্যা ।

এইবিলাক কথাৰ পাচে প্রভুএ আন সতৰি জনক নিজোজন কৰি, আপুনি
জি জি নগৰ আৰু ঠাইলৈ জাব, সেই সেই ঠাইলৈ দুজন দুজনকৈ আপো-
নাৰ আগেয়ে পঁাচিলে । ২ তাতে তেঁও সিবিলাকত কলে, সহ সৰহ হই,
কিন্তু বনুআ তাকৰ; এই হেতুকে সহৰ মাজত আৰু বনুআবিলাকক পঠাই
দিবলৈ সহৰ গৰাকিত প্রার্থনা কৰা । ৩ তোমোলাকে জোআ; দেখা, ৰাঙ্গ
কুকুৰৰ মাজত মেৰ পোআলি জেনে, তেনেকৈ তোমোলাকক পঠাইচোঁ ।
৪ তোমোলাকে আপোনাৰ লগত মোনা বা জোলোঙ্গা বা পইজাৰ নলবা;
আৰু বাটত কাকো নমস্কাৰ নকৰিবা । ৫ আৰু জি কোনো ঘৰত তোমো-
লাকে সোমোআ, তাত প্রথমতে কৱা, এই ঘৰলৈ কুসল হওক । ৬ জদি
সেই ঘৰত কুসলৰ পাত্র থাকে, তেন্তে তোমোলাকে কোআ কুসল তাৰ ওপ-
ৰত থাকিব; কিন্তু জদি নাই, তেন্তে সেই কুসল তোমোলাকলৈ উভতি আ-
হিব । ৭ আৰু সিবিলাকে জি দিএ, তাক ভোজন পান কৰি সেই ঘৰতে
থাকিবা; কিয়নো বনুআ লোক আপোনাৰ বেচৰ জোগ্য হই । ঘৰে ঘৰে
মেজাবা । ৮ আৰু কোনো নগৰ সোমালত মানুহবিলাকে জদি তোমোলা-
কক গ্রহন কৰে, তেন্তে তোমোলাকৰ আগত জি থোআ হৈচে, তাকে ভো-
জন পান কৰা; ৯ তাত থকা নৰিয়াবিলাকক স্বস্থ কৰা, আৰু ইস্বৰৰ ৰাজ্য
তোমোলাকৰ ওচৰ পালেহি, সিবিলাকত এই কথা কবা । ১০ কিন্তু কোনো
নগৰ সোমালত মানুহবিলাকে জদি তোমোলাকক গ্রহন নকৰে, তেন্তে সেই

নগৰৰ আলি বাটলৈ গৈ এই কথা কৰা, ১১ তোমোলাকৰ নগৰৰ জি
ধুলিও আমাৰ গাত লাগি আছে, তাক তোমোলাকৰ অহিতে আমি জো-
কাৰি পেলাওঁ; তথাপি ইশ্বৰৰ ৰাজ্য তোমোলাকৰ ওচৰ পালেহি, ইয়াক
নিচয়ে জানা। ১২ মই তোমোলাকত কৈচোঁ, সোধৰ দিনত সেই নগৰৰ
দসাতকৈ চিদোনৰ দসা সহিবলৈ লঘু হব।

১৩ হাই হাই খৰাজিন, হাই হাই বৈত্চৈদা, তোমোলাকৰ মাজত জিবি-
লাক আচৰিত কৰম কৰা গৈচে, সেই কৰম চোৰ আৰু চিদোনত কৰা হো-
আ হলে, সিহঁতে বহু দিনৰ আগেয়ে চট কাপৰ লৈ চাইত বহি মন পাল-
টালেহেঁতেন। ১৪ কিন্তু সোধৰ দিনা চোৰ আৰু চিদোনৰ দসাও তোমো-
লাকৰ দসাতকৈ সহিবলৈ লঘু হব। ১৫ আৰু হে কিফৰ্নাহুম, তুমি স্বৰগ-
লৈ তোলা হৈচা, কিন্তু নৰকলৈকো পেলোআ হবা। ১৬ জি কোনোএ তো-
মোলাকৰ কথা সুনে, সি মোৰো কথা সুনে; জি কোনোএ তোমোলাকক
হেলা কৰে, সি মোকো হেলা কৰে; আৰু জি কোনোএ মোক হেলা কৰে,
সি মোক পঁচা জনকো হেলা কৰে।

১৭ পাচে সেই সত্তৰি জন সিস্যে আনন্দেৰে উভতি আহি কলে, হে প্ৰভু,
আপোনাৰ নামৰ দোআৰাই ভুতবিলাকো আমাৰ বসবৰ্তি হই। ১৮ তেঁও
সিবিলাকত কলে, স্বৰগৰ পৰা বিদুলিৰ নিচিনাকৈ মই চইতানক পৰা দে-
খিলোঁ। ১৯ দেখা, সাপ আৰু কেঁকোৰা বিচা আৰু সত্ৰুৰ আটাই পৰাক্ৰ-
মৰ ওপৰত তোমোলাকক সক্তি দিওঁ; তাতে কোনো ৰূপে কেঁৰে তোমো-
লাকৰ হানি নকৰিব। ২০ তথাপি আত্মাবোৰ তোমোলাকৰ বস হই, এই
কথাত আনন্দ নকৰিবা; কিন্তু তোমোলাকৰ নাম স্বৰগত লিখা হোআৰ
নিমিত্তে আনন্দ কৰা। ২১ সেই ডাঁৰতে য়িচুএ মনত আনন্দ হৈ কলে, হে
পিত্ৰি, স্বৰগ আৰু প্ৰিথিবিৰ প্ৰভু, তুমি গিয়ানি আৰু বুধিমন্ত লোকৰ
পৰা এইবিলাক কথা গুপুত কৰি, লৰাইঁতৰ আগত প্ৰকাস কৰিলা; হে
পিত্ৰি, এনে হওক, কিয়নো তোমাৰ দেখাতে এয়ে উচিত। ২২ মোৰ পিত্ৰিএ
মোৰ হাতত সকলোকে সমৰ্পন কৰিচে; আৰু পিত্ৰিৰ বাহিৰে কোনেও
পুত্ৰক নেজানে; পুত্ৰ আৰু জি জনত পুত্ৰই পিত্ৰিক প্ৰকাস কৰে, সিবিলা-
কৰ বাহিৰে কোনেও পিত্ৰিক নেজানে।

২৩ পাচে তেঁও সিস্যবিলাকৰ ফাললৈ ঘুৰি গুপুতে কলে, তোমোলাকে
জি জি দেখিচা, তাক দেখা চকুবিলাক ধন্য; ২৪ কিয়নো তোমোলাকে
জি জি দেখিচা, তাক অনেক ভবিস্যত বক্তা আৰু ৰজাই দেখিবলৈ ইচা
কৰিও দেখিবলৈ পোআ নাই, আৰু তোমোলাকে জি জি সুনিচা, তাক
সুনিবলৈ ইচা কৰিও সুনিবলৈ পোআ নাই।

২৫ তেতিয়া দেখা, এজন বিধান পণ্ডিতে উঠি তেঁওক পৰিখা কৰিবলৈ
সুধিলে, হে গুৰু, মই কি কৰম কৰি অনন্ত আয়ুস পাম? ২৬ তাতে তেঁও

কলে, বিধানত কি লিখা আচে? তুমি কেনেকৈ পৰ্হিচা? ২৭ সি উত্তৰ দি
কলে, তুমি সকলো মন, সকলো আত্মা, সকলো সক্তি, সকলো চিত্তেৰে তো-
মাৰ প্ৰভু পৰম ইশ্বৰক প্ৰেম কৰা, আৰু তোমাৰ চুবুৰিয়াক আপোনাৰ
নিচিনাকৈ প্ৰিতি কৰা। ২৮ তেতিয়া তেঁও কলে, তুমি স্বৰুপ উত্তৰ দিলা,
ইয়াকে কৰা, তেহে জিবা। ২৯ কিন্তু সি আপোনাক নিৰ্দুসি কৰিবৰ মন
হৈ য়িচুত কলে, মোৰ চুবুৰিয়া নো কোন? ৩০ তাতে য়িচুএ উত্তৰ কৰি
কলে, এজন মানুহে য়িৰুচালমৰ পৰা য়িৰিহোলৈ জোআৰ সময়ত ডকাই-
তৰ হাতত পৰিল; তাতে সিহঁতে তাৰ কাপৰ কাৰ্হি নি, মৰিয়াই আধা
মৰাকৈ এৰি গুচি গল। ৩১ পাচে এজন পোৰোহিত অকস্মিতে সেই বাটে-
দি গৈচিল; সেই মানুহক দেখি সি বাটৰ পৰা এফলিয়া হৈ গল। ৩২ তাৰ
নিচিনাকৈ এজন লেৱিএ সেই ঠাই পাই ওচৰলৈ আহি চালে, পাচে সিও
এফলিয়া হৈ গল। ৩৩ কিন্তু এজন চোমিৰোনিএ বাটত জাঁওতে সেই মা-
নুহ থকা ঠাইলৈ আহিল; ৩৪ আৰু তাক দেখি মৰম লাগি, ওচৰলৈ গৈ
তাৰ ঘাত তেল আৰু পনিয়ালৰ ৰস বাকি দি ঘা বন্ধন কৰিলে; পাচে
আপোনাৰ বাহনৰ ওপৰত বহুআই আলহি ঘৰলৈ আনি তাক প্ৰতিপাল
কৰিলে। ৩৫ পাচ দিনা আপুনি জোআৰ বেলা দুই সিকি উলিয়াই ঘৰৰ
গৰাকিত দি কলে, ইয়াক প্ৰতিপাল কৰা, তাতকৈ অধিক জি খৰচ হই,
মই উলটি আহিবৰ বেলা তাক দিম। ৩৬ এই তিনি জনৰ মাজত ডকাই-
তৰ হাতত পৰা সেই মানুহৰ কোনটক চুবুৰিয়া মানিচা? ৩৭ তাতে সি উত্তৰ
কৰিলে, জি জনে তাক দায়া কৰিলে, সেয়েই। তেতিয়া য়িচুএ তাত কলে,
তুমিও গৈ সেই ৰুপে কৰা।

৩৮ পাচে সিবিলাকে গৈ গৈ এখান গাঁৱত সোমাল, তাতে মাৰ্থা নামে
এজনি তিৰোতাই তেঁওক আপোনাৰ ঘৰত আলহি সুধিলে। ৩৯ আৰু
মাৰিয়া নামেৰে তাইৰ ভনি এজনিএ য়িচুৰ চৰনৰ ওচৰত বহি তেঁওৰ কথা
সুনিলে। ৪০ কিন্তু মাৰ্থাই অনেক সুস্ৰুসা কৰি বিয়াকুল হৈ তেঁওৰ ওচৰ-
লৈ আহি কলে, হে প্ৰভু, মোৰ ভনিএ আল পৈচান ধৰিবলৈ মোক অক-
লেই এৰিলে, ইয়াতে আপুনি বিবেচনা নকৰে নে? তেন্তে তাই মোক উপ-
কাৰ কৰিবলৈ আগ্যা দিওক। ৪১ তাতে য়িচুএ উত্তৰ কৰিলে, হে মাৰ্থা,
মাৰ্থা, তুমি অনেক কথাৰ চিন্তাত বিয়াকুল হৈচা; কিন্তু এটা কাৰ্জ্যৰহে
প্ৰয়োজন আচে। ৪২ আৰু মাৰিয়াই জি উত্তম ভাগ মনোনিত কৰিলে,
তাক তাইৰ পৰা নিয়া নহব।

## ১১ আধ্যা।

পাচে তেঁও এঠাইত প্ৰাৰ্থনা কৰি আচিল, তাক কৰি এঁটালত তেঁওৰ এজন
সিস্যে কলে, হে প্ৰভু, য়োহানে জেনেকৈ আপোনাৰ সিস্যক প্ৰাৰ্থনা কৰি-
বলৈ সিকালে, আপুনিও তেনেকৈ আমাক সিকাওক। ২ তাতে তেঁও সি-
বিলাকত কলে, তোমোলাকে প্ৰাৰ্থনা কৰা কালত এই ৰূপে কৰা, হে [স্বৰ-
গত থকা আমাৰ] পিত্রি, তোমাৰ নাম পুজনিয় হওক; তোমাৰ ৰাজ্য
হওক; [স্বৰগত জেনেকৈ প্ৰিথিবিতো তেনেকৈ তোমাৰ ইচা পুৰ হওক]।
৩ আমাৰ নিত্য আহাৰ দিনে দিনে দিয়া। ৪ আৰু আমাৰ পাপ খেমা
কৰা, কিয়নো আমিও আপোনাৰ সকলো ধৰুআবিলাকক খেমা কৰোঁ।
আৰু আমাক পৰিখালৈ নিনিবা, [কিন্তু দোসৰ পৰা ৰখ্যা কৰা]।
৫ আৰু তেঁও কলে, তোমোলাকৰ মাজত কাৰো এজন সখি হোআত সি
মানিসা তালৈ গৈ, হে মিত্তিৰ, মোক পাঁচোটা পিঠা দিয়া; ৬ কিয়নো
মোৰ এক মিত্তিৰে জাত্ৰা কৰি মোলৈ আহিচে, কিন্তু তাক সুধিবলৈ মোৰ
একো বস্তু নাই, ইয়াকে বোলে; ৭ তাতে ভিতৰত থকা মানুহে উত্তৰ দি,
মোক দুখ নিদিবা, দুআৰ বন্ধ, আৰু লৰাবোৰ মোৰে লৈতে সুই আচে,
মই উঠি দিব নোআৰোঁ, এনে কথা জদি বোলে, ৮ তথাপি মই তোমোলা-
কত কৈচোঁ, মিত্তিৰ হোআ হেতুকে উঠি নিদিলেও, ঘনে ঘনে প্ৰাৰ্থনা
কৰাৰ নিমিত্তে সি উঠি, তাৰ জি জি প্ৰয়োজন, তালৈ তাক দিব। ৯ এই
হেতুকে মই তোমোলাকত কৈচোঁ, খোজা, তেহে তোমোলাকক দিয়া হব;
বিচাৰা, তেহে পাবা; চপৰিওআ, তেহে তোমোলাকলৈ দুআৰ মুকলি কৰা
হব। ১০ কিয়নো জেয়ে জেয়ে খোজে, সেয়ে সেয়ে পাই; জেয়ে জেয়ে
বিচাৰে, সেয়ে দেখা পাই, আৰু জেয়ে চপৰিয়াই, তালৈকো দুআৰ মুক-
লি কৰা হব। ১১ তোমোলাকৰ মাজৰ বাপেক হোআ কোনো মানুহত
তাৰ পুতেকে জদি পিঠা খোজে, সি তাক সিল দিব নে? ১২ মাচ খুজিলে
সাঁপ দিব নে? নাইবা কনি খুজিলে কেঁকোৰা বিচা দিব নে? ১৩ এই হে-
তুকে তোমোলাকে বেয়া হৈও আপোনাৰ লৰাইঁতক জদি ভাল বস্তু দিব
জানা, তেন্তে তাতকৈও তোমোলাকৰ স্বৰগত থকা পিত্রিএ তেঁওত খোজাবি-
লাকক পবিত্র আত্মা নিদিব নে?

১৪ পাচে তেঁও এটা আঁকৰা ভুতক খেদাইচিলে; আৰু ভুতে বাহিৰ হৈ
গলত, সেই আঁকৰা মানুহে কথা কবলৈ ধৰিলে, তাতে মানুহবিলাকে বিস্মই
মানিলে। ১৫ কিন্তু সিবিলাকৰ কোনো কোনোএ কলে, বেল্‌জিবুব ভুত
ৰজাৰ দোআৰাই এই মানুহে ভুতক খেদাই। ১৬ আন কোনোবিলাকে
তেঁওক পৰিখা কৰিবৰ নিমিত্তে তেঁওৰ পৰা আকাসত কোনো এটা চিন
খুজিলে। ১৭ কিন্তু তেঁও সিইঁতৰ মনৰ ভাবনা জানি কলে, জি কোনো

ৰাজ্য আপোনাৰ বিৰোধে বেলেগ হই, সেই ৰাজ্য নস্ট হই; আৰু কোনো
ঘৰ আপোনাৰ বিৰোধে বেলেগ হলে সিও পৰিব জাই । ১৮ এই ৰূপে
চইতান আপোনাৰ বিৰোধে জদি বেলেগ হই, তেন্তে তাৰ ৰাজ্য কেনেকৈ
থাকিব? কিয়নো মই বেল্‌জিবুবৰ দোআৰাই ভুতক খেদাঁও, ইয়াকে তো-
মোলাকে বোলা । ১৯ মই জদি বেল্‌জিবুবৰ দোআৰাই ভুতক খেদাঁও, তেন্তে
তোমোলাকৰ সন্তানবোৰে কাৰ দোআৰাই ভুতক খেদাই? এই হেতুকে সি-
বিলাক তোমোলাকৰ সোধাৰু হব । ২০ কিন্তু মই জদি ইশ্বৰৰ সক্তিএৰে
ভুতক খেদাঁও, তেন্তে ইশ্বৰৰ ৰাজ্যে অৱস্যে তোমোলাকক পালেহি ।
২১ বলৱন্ত লোকে সাস্টম হৈ আপোনাৰ ঘৰ ৰাখিলে, তাৰ সম্পতি নিৰা-
পদে থাকে; ২২ কিন্তু তাতকৈও বলৱন্ত এজনে জদি আহি তাক জিনে,
তেন্তে জি অস্ত্র সস্ত্রত তাৰ বিশ্বাস আছিল, সেই সকলোকে সি কাৰ্হি নি,
লুৰা বস্তুকে বাঁটি লই । ২৩ জি কোনো মোৰ লগৰ নহই, সি মোৰ
বিৰোধ; আৰু জি কোনোএ ময়ে সৈতে নচপাই, সি সিঁচি পেলাই ।
২৪ অসুচি আত্মাই কোনো মানুহৰ বাহিৰে গলে, সি সুকান ঠায়ে দি ফুৰি
জিৰনি বিচাৰে; তাকে নেপাই সি বোলে, মোৰ জি ঘৰৰ পৰা আহি-
লোঁ, তালৈকে উভতি জাম । ২৫ পাচে তালৈ আহি সঁৰা পোচা, সজোআ
পৰোআ তাক দেখে । ২৬ তেতিয়া সি গৈ আপোনাতকৈও দুস্ট আন
সাতোটা ভুত লগত ললত সিহঁতে তাতে সোমাই নিবাস কৰে; সেই মানু-
হৰ পাচৰ অৱস্থা আগতকৈও বেয়া ।

২৭ এই কথা কঁওতেই এজনি তিৰোতাই মানুহ জুমৰ পৰা ৰিঙ্গ মাৰি
বুলিলে, তোমাক জি গৰ্ব্ভে ধৰিলে, আৰু জি পিয়াহ খালা, সেইবিলাক
ধন্য । ২৮ কিন্তু তেঁও কলে, জিবিলাকে ইশ্বৰৰ কথা সুনি পালন কৰে,
সিবিলাক তাতকৈও ধন্য । ২৯ আৰু তেঁওৰ ওচৰত অনেক মানুহ জুম গোট
খালত তেঁও কবলৈ ধৰিলে, এই কালৰ লোকবিলাক দুস্ট; ইহঁতে চিন বি-
চাৰে, কিন্তু য়োনা ভবিস্যত বক্তাৰ চিনৰ বাহিৰে আন কোনো চিন সিহঁ-
তক দিয়া নহব । ৩০ কিয়নো জেনেকৈ য়োনাই নিনিবি লোকলৈ চিন হৈ-
ছিল, সেই ৰূপে এই কালৰ লোকলৈ মানুহৰ পুত্রই চিন হব । ৩১ দখিন
দেসৰ ৰানিএ সোধৰ দিনা এই কালৰ লোকবিলাকৰ অহিতে উঠি দুসি
কৰিব; কিয়নো তেঁও চিলোমোনৰ গিয়ানৰ কথা সুনিবলৈ প্রিথিবিৰ সি-
মাৰ পৰা আহিল; কিন্তু দেখা, চিলোমোনতকৈও বৰ এজন ইয়াতে আচে ।
৩২ সোধৰ দিনা নিনিবি নগৰৰ মানুহে এই কালৰ লোকবিলাকৰ অহিতে
উঠি দুসি কৰিব, কিয়নো সিহঁতে য়োনাৰ উপদেসত মন পালটালে; কিন্তু
দেখা, য়োনাতকৈও বৰ এজন ইয়াতে আচে ।

৩৩ কোনোএ চাকি লগাই গুপুত ঠাইত বা দোনৰ তলত নথই, কিন্তু
গচাৰ ওপৰতে থই, তাতে ভিতৰত সোমোআবিলাকে পহৰ দেখে । ৩৪ চকু-

এই সৰিলৰ প্ৰদিপ; এই হেতুকে তোমাৰ চকু জদি সুদৃষ্টি হই, তেন্তে তো-
মাৰ গোটেই সৰিল প্ৰকাস হব, কিন্তু চকু কুদৃষ্টি হলে, তেন্তে তোমাৰ
সৰিল এন্ধাৰমই হব। ৩৫ এতেকে তোমাৰ ভিতৰৰ জি পহৰ, সি জেন
এন্ধাৰ নহই, তালৈ সাৱধান কৰা। ৩৬ কিয়নো সৰিলৰ কোনো ভাগ
এন্ধাৰ নহৈ, গোটেই সৰিল জদি প্ৰকাস হই, তেন্তে চাকিৰ কান্তিএ জি
ৰূপে তোমাক পহৰ দিএ, সেই ৰূপে গোটেই সৰিল প্ৰকাসিত হব।

৩৭ এই কথা কঁওতে এজন ফিৰুচিএ আপোনাৰ লগত ভোজ খাবলৈ
তেঁওক নিমন্ত্ৰন কৰিলে; তাতে তেঁও গৈ ভোজনত বহিলগৈ। ৩৮ কিন্তু
তেঁও ভোজনৰ আগেএ বুৰ মৰা নাই, ইয়াকে দেখি সেই ফিৰুচিএ বিস্মই
মানিলে। ৩৯ তেতিয়া প্ৰভুএ তাত কৈচে, তোমোলাক ফিৰুচি লোকে
বাটি কাঁহিৰ বাজ ফাল নিকা কৰা, কিন্তু তোমোলাকৰ ভিতৰ ফাল অমু-
ৰি আৰু দুৰ্জনালিৰে পুৰ হৈচে। ৪০ হে অগিয়ানিবিলাক, জি জনে বা-
হিৰ ফাল সুজিলে, তেঁৱে ভিতৰ ফালো নসুজিলে নে? ৪১ কিন্তু তোমো-
লাকৰ জি জি বস্তু আচে, তাৰে দান কৰা; তাতে দেখা, সকলো বস্তু তো-
মোলাকলৈ সুচি হব। ৪২ কিন্তু হাই হাই ফিৰুচিবিলাক, তোমোলাকে
পদিনা আৰুদ আদি কৰি সকলো সাকৰ দসম ভাগটো দান কৰিচা;
কিন্তু নিয়াই আৰু ইস্বৰৰ প্ৰেম এৰিলা; এইবিলাক পালন কৰা আৰু
সিবিলাককো উলংঘন নকৰা, দুয়ো তোমোলাকৰ উচিত। ৪৩ হাই
হাই ফিৰুচি লোক, তোমোলাকে নাম ঘৰত প্ৰধান আসন, আৰু হাট
বজাৰত নমস্কাৰ, এইবিলাকলৈ ইচা কৰা। ৪৪ হাই হাই, [কপটি অধ্যা-
পক আৰু ফিৰুচিবিলাক,] জি মৈদামৰ ওপৰে মানুহবিলাকে নেজানি-
এই জাই, এনে গুপুত মৈদামৰ নিচিনা তোমোলাক।

৪৫ তেতিয়া বিধান পণ্ডিত এজনে সমিধান দি কলে, হে গুৰু, এনে
কথা কোআত তুমি আমাকো দোস দিচা। ৪৬ তাতে তেঁও কলে, হাই
হাই বিধান পণ্ডিতবিলাক, তোমোলাকে মানুহৰ ওপৰত অসহনিয় ভাৰ
বোজা দিয়া, কিন্তু আপুনি এটা আঙ্গুলিৰেও সেই ভাৰ নোচোআ। ৪৭ হাই
হাই, তোমোলাকৰ ওপৰ পিত্ৰিবিলাকে জি সকল ভবিস্যত বক্তাক বধ কৰি-
লে, তোমোলাকে সিবিলাকৰ মৈদাম বান্ধা। ৪৮ তাতে তোমোলাক জে ওপৰ
পিত্ৰিবিলাকৰ কৰমত সন্মত আচা, ইয়াৰ প্ৰমান দিচা: কিয়নো সিহঁতে
ভবিস্যত বক্তাবিলাকক বধ কৰিলে, তোমোলাকেও সিবিলাকৰ মৈদাম বান্ধা।
৪৯ এই হেতুকে ইস্বৰৰ গিয়ানে কৈচে, ভবিস্যত বক্তা আৰু পাঁচনিবিলাকক
সিহঁতলৈ পঠাম, কিন্তু সিবিলাকৰ কোনোক সিহঁতে মাৰিব, কোনোক তাৰ-
না কৰিব; ৫০ তাতে হেবেলৰ তেজৰ পৰাও হোমৰ ভেঁটিৰে মন্দিৰৰে মা-
জত মৰা হোআ জিখৰিয়াৰ তেজলৈকে, জগতক সুজিবৰে পৰা জি ভবিস্যত
বক্তা সকলৰ তেজ উলিউআ হল, সেই সকলো দোসৰ প্ৰতিফল এই কা-

লৰ মানুহৰ ওপৰত পৰিব; ৫১ তোমোলাকত মই স্বৰুপকৈ কঁও, এই কালৰ
মানুহবিলাকৰ ওপৰত সেই দোসৰ প্ৰত্তিফল পৰিব । ৫২ হাই হাই বিধান
পণ্ডিতবিলাক, তোমোলাকে গিয়ানৰ চাবি কাৰ্হি নিলা; তোমোলাকো সো-
মোআ নাই, আৰু সোমাবলৈ ধৰাবিলাককো বাধা কৰিলা । ৫৩ এই ৰুপ
কথা কোআত অধ্যাপক আৰু ফিৰুচিবিলাকে তেঁওক অপবাদ দিবৰ নি-
মিত্তে চল বিচাৰি, তেঁওৰ মুখৰ কথাত কোনো দাই ধৰিবলৈ উপাই
কৰি, ৫৪ তেঁওক বৰকৈ উদগাই অনেক কথা কোআবলৈ ধৰিলে ।

## ১২ আধ্যা ।

সেই কালত হেজাৰ হেজাৰ মানুহ গোট খালত ইজনে সিজনে হেঁচা হেঁচি-
কৈ ধৰিলে; তেতিয়া তেঁও আপোনাৰ সিস্যবিলাকত কবলৈ ধৰিলে, ফিৰু-
চিবিলাকৰ জি খমিৰ, অৰ্থাত কপট, তালৈ বিসেসকৈ সাৱধান কৰা ।
২ কিয়নো জি প্ৰকাস নহব, এনে কোনো বস্তু ঢাকি থোআ নাই, আৰু জি
জনা নহব, এনে একো লুকুআ নাই । ৩ তোমোলাকে এন্ধাৰত জি জি
কথা কলা, তাক পহৰত সুনা, জাব, আৰু গুপুত ঠাইত তোমোলাকে কা-
নত জি কলা, তাক ঘৰৰ ওপৰৰ পৰা প্ৰচাৰ কৰা জাব । ৪ আৰু হে
মিতিৰবিলাক, তোমোলাকত মই কৈচো, জিবিলাকে সৰিলক বধ কৰে,
তাৰ পাচে একো কৰিব নোআৰে, সিহঁতলৈ ভই নকৰিবা । ৫ কিন্তু
কোন জনলৈ ভই কৰিব লগা, তাক মই তোমোলাকত জনাও; জি জনে
মাৰিবৰ পাচে নৰকত পেলাবৰো সক্তি আচে, তেঁওলৈ ভই কৰা; হই,
মই তোমোলাকত কৈচোঁ, তেঁওলৈকে ভই কৰা । ৬ পাঁচোটা ঘনচিৰিকা
দুই পইচালৈ নেবেচে নে? তথাপি সিহঁতৰ এটিকো ইস্বৰৰ মনত পাহৰা
নেজাই । ৭ আৰু তোমোলাকৰ মুৰৰ সকলো চুলিও লেখা হৈচে, এই
হেতুকে ভই নকৰিবা; তোমোলাক অনেক ঘনচিৰিকাতকৈ বহু মুলিয়া ।
৮ আৰু মই তোমোলাকত কৈচোঁ, মানুহৰ আগত জি কোনোএ মোক মৈ
কাৰ্হে, মানুহৰ পুত্ৰয়ো ইস্বৰৰ দুতবিলাকৰ আগত তাক মৈ কাৰ্হিব; ৯ কিন্তু
মানুহৰ আগত জি কোনোএ মোক আসৈ কৰে, ইস্বৰৰ দুতবিলাকৰ আ-
গত তাকো আসৈ কৰা হব । ১০ আৰু জি কোনোএ মানুহৰ পুত্ৰৰ অহিতে
কথা কই, তালৈ তাক খেমা কৰা হব; কিন্তু জি কোনোএ পবিত্ৰ আত্মাৰ
অহিতে নিন্দা কৰে, তাক খেমা কৰা নহব । ১১ আৰু জেতিয়া সিহঁতে
নাম ঘৰলৈ আৰু অধিকাৰ সক্তিমন্তবিলাকৰ আগলৈ তোমোলাকক আনে,
তেতিয়া কি ৰুপে বা কেনে উত্তৰ দিবা, বা কি কথা কবা, তালৈ একো
চিন্তা নকৰিবা; ১২ কিয়নো জি জি কব লগা, সেই ডাঁৰতেই পবিত্ৰ আত্মাই
তাক তোমোলাকত সিকাব ।

১৩ পাচে মানুহ জুমৰ এজনে তেঁওত কলে, হে গুৰু, মোৰে সৈতে পূৰ্ব্বা-
তনিয়া বস্তু ভাগ কৰিবলৈ মোৰ ভাইক আগ্যা দিওক । ১৪ তাতে তেঁও
কলে, হে মানুহ, তোমোলাকৰ ওপৰত সোধাৰু বা ভাগ কৰা গৰাকি মোক
কোনে পাতিচে? ১৫ আৰু তেঁও সিবিলাকত কলে, লোভৰ পৰা আপো-
নাকে ৰাখি সাৱধানে থাকিবা, কিয়নো মানুহৰ বহু সম্পতিৰে আয়ুসৰ
ৰখ্যা নহই । ১৬ পাচে তেঁও এক পটন্তৰ দি কলে, এজন ধনৱন্ত মানুহৰ
মাটিত বহু সহ উত্পন হল । ১৭ তাতে সি মনতে ভাবনা কৰি বুলিলে,
মোৰ সহৰ গুটি থবলৈ ঠাই নাই, মই কি কৰিম? ১৮ পাচে সি বুলিলে,
মই ইয়াকে কৰিম, ভঁৰালবোৰ ভাঙ্গি বৰ বৰ ভঁৰাল সাজিম, তাতে মোৰ
সহ সম্পতি আটাইকে সামৰি থম । ১৯ পাচে মোৰ মনত কম, হে মন,
অনেক বচৰলৈকে তোমাৰ বহু সম্পতি সাঁচি থোআ হৈচে; জিৰাই সতাই
থাকা, খাই বৈ আনন্দ কৰা । ২০ কিন্তু ইশ্বৰে তাত কলে, হেৰৈ অগি-
য়ানি, আজি ৰাতি তোমাৰ পৰা প্ৰান নিয়া হব; তাতে জি বস্তু সকল
জুগুত কৰি থলা, সেইবিলাক কাৰ হব? ২১ জি জন ইশ্বৰলৈ ধনৱন্ত নহৈ
আপোনালৈ ধন সাঁচি থই, সি তেনেকুআ ॥

২২ পাচে তেঁও আপোনাৰ সিস্যবিলাকত কলে, এই হেতুকে মই তো-
মোলাকত কৈচোঁ, তোমোলাকে আপোনাৰ প্ৰানৰ নিমিতে কি খাবা আৰু
সৰিলৰ নিমিতে কি পিন্ধিবা, ইয়ালৈ একো চিন্তা নকৰিবা । ২৩ আহা-
ৰতকৈ প্ৰান, কাপৰতকৈ সৰিল বৰ । ২৪ কাউৰিবিলাকক গমি চোআ;
সিহঁতে নবই, নেদাই, ভঁৰাল বা বাখৰু নাই, তথাপি ইস্বৰে সিহঁতক আ-
হাৰ দিএ । তোমোলাক চৰাইতকৈ কিমান উত্তম! ২৫ আৰু তোমোলা-
কৰ মাজত কোনে চিন্তা কৰি আপোনাৰ আয়ুস এখন্তকো বৰ্হাব পাৰে?
২৬ এতেকে তোমোলাকে জদি সৰুটকে কৰিব নোআৰা, তেন্তে আন কথাত
কিয় চিন্তা কৰা? ২৭ আৰু পথাৰৰ কনাৰি ফুল জি ৰুপে বাৰ্হি জাই, তাকে
গমি চোআ; সিবিলাকে স্ৰম নকৰে, সুতাও নেকাটে, তথাপি মই তোমো-
লাকত কৈচোঁ, চিলোমোন আপোনাৰ সকলো ঐস্বৰ্জ্যেৰে সৈতেও ইবিলাকৰ
এটাৰ নিচিনা বিভুসিত নাচিল । ২৮ এতেকে পথাৰতে আজি বৰ্ত্তমান,
কাইলৈ জুই সালত পেলোআ হব জি বন, তাকো জদি ইস্বৰে এই ৰুপে
ভুসিত কৰে, তেন্তে হে অলপ বিস্বাসিবিলাক, তাতকৈও তোমোলাকক ভুসিত
নকৰিব নে? ২৯ আৰু তোমোলাকে কি খাবা, কি পিবা, ইয়ালৈ চিন্তা
নকৰিবা, আৰু মনত সংসয়ো নকৰিবা । ৩০ জগতৰ দেসি লোকে এই-
বিলাকক বিচাৰে; আৰু তোমোলাকৰো এইবিলাকত প্ৰয়োজন আচে,
ইয়াক তোমোলাকৰ পিত্ৰিএ জানে । ৩১ কিন্তু তোমোলাকে ইস্বৰৰ ৰাজ্য
বিচাৰ কৰা, আৰু সেই সকলোবিলাক তোমোলাকক দিয়া হব । ৩২ হে
তাকৰ জাকটি, তোমোলাকক ৰাজ্য দিবলৈ তোমোলাকৰ পিত্ৰিৰ সন্মত

আছে। ৩৩ তোমোলাকৰ জি জি আছে, তাকে বেচি দান কৰা; আৰু
জি ঠাইলৈ চোৰ নাহে, পোকেও নষ্ট নকৰে, এনে স্বৰগত আপোনাৰ
নিমিত্তে অখই জোলোঙ্গা, অবিনাসি ধন সাঁচি থবা; ৩৪ কিয়নো জতে
তোমোলাকৰ ধন, ততে তোমোলাকৰ মনো হব।

৩৫ তোমোলাকৰ কঁকাল বন্ধন আৰু চাকি জ্বলা হৈ থাওক; ৩৬ আৰু
প্ৰভুএ বিয়াৰ পৰা আহি দুআৰত চপৰিয়ালতেই দুআৰ মেলিবৰ নিমিত্তে
তেঁও অহালৈকে জেনেকৈ ঘৰৰ মানুহে বাট চাই থাকে, তোমোলাকো সেই
দৰে থাকা। ৩৭ প্ৰভুএ আহি জিবিলাক বন্দিক পৰ দি থকা দেখে, সিবি-
লাক ধন্য; মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, তেঁও আপোনাৰ কঁকাল
বান্ধি সিবিলাকক ভোজনত বহুআই ওচৰলৈ আহি আপুনি সিবিলাকক
বাৰ্হি দিব। ৩৮ আৰু দুপৰত বা তিনি পৰত আহি তেঁও জদি এই ৰূপে
কৰা দেখে, তেন্তে সেই বন্দিবিলাক ধন্য। ৩৯ আৰু কোন ডাঁৰত চোৰ
আহিব, গিৰিহতে জদি ইয়াক জানে, তেন্তে সাৰে থাকি আপোনাৰ ঘৰত
সিন্ধি খানিব নিদিলেহেঁতেন। ৪০ এই হেতুকে তোমোলাক জুগুত হৈ
থাকা; কিয়নো জি ডাঁৰত তোমোলাকে নেভাবা, সেই ডাঁৰতে মানুহৰ পুত্ৰ
আহিব। ৪১ তেতিয়া পিতৰে তেঁওত কলে, হে প্ৰভু, আমাতেহে এই
পটন্তৰ কৈচা নে, নাইবা সকলোতে কৈচা? ৪২ তাতে প্ৰভুএ কলে, আপো-
নাৰ ঘৰবিলাকক জোগ্য কালত আহাৰ বাৰ্হি দিবলৈ প্ৰভুএ জাক গৰাকি
পাতে, এনে বিস্বাসি আৰু বুধিমন্ত ঘৰগিৰি কোন? ৪৩ প্ৰভু অহাৰ কা-
লত জাক এনে কৰম কৰা দেখে, সেই বন্দি ধন্য। ৪৪ মই তোমোলাকত
স্বৰূপকৈ কৈচোঁ, তেঁও আপোনাৰ সকলো সম্পতিৰ ওপৰত তাক অধিকাৰ
পাতিব। ৪৫ কিন্তু মোৰ প্ৰভুএ অহাৰ পলম কৰে, ইয়াকে মনে ভাবি,
সেই বন্দিএ জদি আন বন্দি বেটি কোবাবলৈ ধৰে, আৰু ভোজন পান
কৰি মতলিয়া হই, ৪৬ তেন্তে জি দিনা সেই বন্দিএ তেঁওলৈ বাট নেচাই
আৰু জি ডাঁৰত সি নেজানে, সেই ডাঁৰতে প্ৰভু আহি তাক সাস্তিকৈ
ডোখৰ ডোখৰ কৰি অবিস্বাসিবিলাকৰ লগত তাক ভাগ দিব। ৪৭ আৰু
জি বন্দিএ আপোনাৰ প্ৰভুৰ ইচা বুজিও জুগুত হৈ নেথাকে, আৰু তেঁওৰ
ইচাৰ দৰে কৰম নকৰে, সি ভালেমান কোবেৰে কোবোআ জাব; ৪৮ কিন্তু
জিটে নেজানি কোবোআৰ জোগ্য কৰম কৰে, সি তাকৰ কোবেৰে কো-
বোআ জাব; কিয়নো জাৰ হাতত বহুত সোধাই দিয়া হৈচে, তাৰ হাতৰ
পৰাও বহুত নিয়া হব; আৰু মানুহবিলাকে জাক সৰহকৈ গতাই দিলে,
তাৰ পৰা অধিককৈ খুজিব।

৪৯ প্ৰিথিবিত মই জুই পেলাবলৈ আহিলোঁ; আৰু সি এতিয়া জেন
লগোআ হই, তাত বাজে মোৰ কি ইচা আছে? ৫০ কিন্তু মোৰ এটা বুৰে-
ৰে বুৰ পাবলৈ আছে, আৰু তাক সিধি কৰা নহই মানে মই কেনে কেলেস

পাইচোঁ! ৫১ মই প্রিথিবিত মিল কৰিবলৈ আহিচোঁ, ইয়াক নেভাবিবা;
মই তোমোলাকত কৈচোঁ, তেনে নহই, অমিলকে কৰিবলৈ আহিচোঁ।
৫২ কিয়নো এতিয়াৰ পৰা এক ঘৰৰ পাঁচ জন ভিন ভিন হৈ, দুইৰ বি-
ৰোধে তিনি, তিনিৰ বিৰোধে দুই হব। ৫৩ পুতেকৰ বিৰোধে বাপেক,
বাপেকৰ বিৰোধে পুতেক, জিএকৰ বিৰোধে মাক, মাকৰ বিৰোধে জি-
এক, বোআৰিৰ বিৰোধে সাহু, সাহুৰ বিৰোধে বোআৰি বেলেগ হৈ জাব।
৫৪ পাচে তেঁও মানুহবিলাকত কলে, পচিমৰ ফালে ডাৱৰ এচটা উঠিবৰ
দেখিলেই তোমোলাকে বোলা, বৰখুন আনিব, পাচে সেয়ে হই। ৫৫ আৰু
দখিন ফালৰ বতাহ বলালে, তোমোলাকে বোলা, জহ হব, পাচে সিও হই।
৫৬ হে কপটিয়াবিলাক, তোমোলাকে ভুমি আৰু আকাসৰ মুখ চিনিব পাৰা,
কিন্তু এই কালৰ চিন কিয় বুজিব নোআৰা? ৫৭ আৰু কি নিমিত্তে আ-
পুনি স্বৰূপ সোধ কৰিব নোআৰা? ৫৮ গুচৰিয়াই সৈতে অধিকাৰৰ গুৰি-
লৈ জাওঁতে বাটৰ মাজে তাৰ পৰা উধাৰ হবলৈ জতন কৰা; নতুবা সি
তোমাক সোধ কৰ্তাৰ হাতত সোধাই দিব, পাচে সোধ কৰ্তাই টেকেলা
বৰাৰ হাতত দিব, তাতে বৰাই তোমাক বন্দিসালত সুমাই থব। ৫৯ মই
তোমাত কৈচোঁ, সেস পাইটিও নুসুজাকৈ তুমি তাৰ পৰা ওলাব নোআৰিবা।

## ১৩ আধ্যা।

সেই কালত কোনো মানুহ আহি পিলাতে জি গালিলিয়াইঁতৰ তেজ আ-
পোনাৰ বলিৰ তেজেৰে সৈতে মিহলি কৰিলে, সিইঁতৰ কথা য়িচুত কলে।
২ তাতে তেঁও উতৰ কৰি কলে, সেই গালিলিয়া লোকে এইমান দুখ পোআ
হেতুকে সিবিলাক আটাই গালিলৰ মানুহতকৈ পাপি, তোমোলাকে ইয়াকে
ভাবিচা নে? ৩ মই তোমোলাকত কৈচোঁ, তেনে নহই; কিন্তু মন নেপা-
লটালে তোমোলাক সকলোএ সেই ৰূপে বিনাস হবা। ৪ নাইবা চিলো-
আৰ ওচৰত থকা কাৰেঙ্গ গৰ জি অঠেৰে জনৰ ওপৰত পৰিল, য়িৰুচা-
লামত থকা আটাই মানুহতকৈ সিবিলাক বৰ অপৰাধি, ইয়াকে ভাবিচা নে?
৫ মই তোমোলাকত কৈচো, তেনে নহই; কিন্তু মন নেপালটালে তোমো-
লাক সকলোএ সেই ৰূপে বিনাস হবা। ৬ পাচে তেঁও এই পটন্তৰ দি
কলে, কোনো মানুহৰ লতা পনিয়ালৰ খেতিৰ মাজত এজোপা ডিমৰু গচ
ৰোআ আচিল। তাতে সি আহি তাৰ গুটি বিচাৰিলে, কিন্তু এটিও নে-
পালে। ৭ তেতিয়া সি বাৰিচোআত কলে, দেখা, তিনি বচৰ এই ডিমৰু
গচৰ গুটি মই বিচাৰি আহি একো নেপালোঁ; কাটি পেলা, সি কিয় ভুমিক
ভাৰ দি থাকে? ৮ তাতে বাৰিচোআই উতৰ দি কলে, হে প্ৰভু, আৰু এক
বচৰ থাকিবলৈ দিওক; ইয়াৰ গুৰিৰ চাৰিও ফালে খানি সাৰ দিওঁ;

৯ তাতে কিজানি গুটি ধৰে; জদি নধৰে, তেন্তে পাচে তাক কটাই পেলাওক।

১০ পাচে তেঁও বিস্রাম বাৰে এটা নাম ঘৰত উপদেস দি আচিল। ১১ আৰু দেখা, অঠেৰ বচৰ দুবলি কৰা ভূতৰ অধিন হোআত কুঁজা হৈ কোনো মতে আপোনাৰ গা পোন কৰিব নোঅৰা, এনে এজনি তিৰোতা সেই ঠাইতে আচিল। ১২ য়িচুএ তাইক দেখি মাতি কলে, হে তিৰি, তোমাৰ দুৰ্বল বিয়াধিৰ পৰা তুমি মুকুত হোআ। ১৩ পাচে তাইৰ গাত তেঁও হাত দিলত তেতিয়াই তাই পোন হৈ ইস্বৰক স্তুতি কৰিলে। ১৪ কিন্তু য়িচুএ বিস্রাম বাৰতে তাইক স্বস্থ কৰা হেতুকে নাম ঘৰৰ গৰাকিএ খঙ্গ কৰি উত্তৰ দি মানুহবিলাকত কলে, মানুহে বন কৰাৰ জোগ্য চ দিন আচে; এই হেতুকে সেই দিনৰ মাজত আহি স্বস্থ কৰা হবা, কিন্তু বিস্রাম বাৰে নাহিবা। ১৫ তাতে য়িচুএ সমিধান দি কলে, হে কপটি, তোমোলাকৰ প্ৰতি জনে বিস্রাম বাৰে আপোন আপোন বলদ বা গাধ গোহালিৰ পৰা মেলি পানি খুয়াবলৈ নিনিএ নে? ১৬ তেন্তে অঠেৰ বচৰৰ পৰা চইতানে বন্ধ কৰা আব্ৰাহামৰ সন্ততি জি এই তিৰোতা, তাইক বিস্রাম বাৰত এই বন্ধনৰ পৰা মুকলি কৰা উচিত নহই নে? ১৭ এইবিলাক কথা কলত তেঁওৰ বিৰোধ হোআ আটাইবিলাকে লাজ পোআ হল; আৰু তেঁও কৰা সকলো মহিমাৰ কৰমৰ নিমিতে লোকবিলাকে আনন্দ কৰিলে।

১৮ পাচে তেঁও কলে, ইস্বৰৰ ৰাজ্য কিহৰ নিচিনা, আৰু তাক কাৰে সৈতে তুল্য কৰিম? ১৯ কোনো মানুহে জি এটি সৰিয়হৰ গুটি লৈ আপোনাৰ বাৰিত ৰুই দিলত সি গজি বাৰ্হি বৰ গচ হোআত আকাসৰ চৰায়ে তাৰ ডালত নিবাস কৰিলে, তাৰ নিচিনা সেই ৰাজ্য। ২০ পাচে তেঁও আকও কলে, ইস্বৰৰ ৰাজ্য কাৰে সৈতে তুল্য কৰিম? ২১ এজনি তিৰোতাই জি খমিৰ লৈ তিনি কঠা পিঠা গুৰিৰ মাজত আটাই নুফুলে মানলৈকে ঢাকি থলে, তাৰ নিচিনা হই।

২২ পাচে য়িৰুচালমৰ ফাললৈ জাঁওঁতে নগৰে নগৰে গাৱে গাঁৱে উপদেস দি গল। ২৩ তেতিয়া এজন মানুহে তেঁওত কলে, হে প্ৰভু, জিবিলাকে পৰিত্ৰান পাব, সেইবিলাক তাকৰ নে? ২৪ তাতে তেঁও সিবিলাকত কলে, ঠেক দুআৰে দি সোমাবলৈ জতন কৰা; কিয়নো মই তোমোলাকত কৈচোঁ, অনেকে সোমাবলৈ ইচা কৰিলেও সোমাব নোআৰিব। ২৫ ঘৰৰ গিৰিহতে উঠি দুআৰ মাৰিলে পাচে তোমোলাকে জেতিয়া বাহিৰে থিয় হৈ বোলা, হে প্ৰভু, প্ৰভু, আমালৈ দুআৰ মেলি দিওক, তেতিয়া তেঁও উত্তৰ কৰি তোমোলাকত কব, তোমোলাক কৰ মানুহ, তাক মই নেজানোঁ। ২৬ তাতে তোমোলাকে বুলিবা, আপোনাৰ আগতে আমি ভোজন পান কৰিলোঁ, আৰু আমাৰ আলি বাটতে আপুনি উপদেস দিলে। ২৭ কিন্তু তেঁৰে

কৰ, মই তোমোলোকত কৈচোঁ, তোমোলোক কৰ মানুহ হোৱা, তাক নে-
জানো; হে কুকৰ্ম্ম কৰাবিলাক, মোৰ ওচৰৰ পৰা দূৰ হোৱা। ২৮ তেতিয়া
তোমোলোকে আব্রাহাম, ইচাক, য়াকোব, আৰু ভবিস্যত বক্তা সকলোকে
ইশ্বৰৰ ৰাজ্য পোৱা, আৰু আপোনাবিলাকক বাহিৰ কৰা দেখিবা, তে-
তিয়া ক্রন্দন আৰু দাত কৰচনি হব । ২৯ আৰু পূব, পচিম, উত্তৰ,
দখিনৰ পৰা লোকবিলাক আহি ইশ্বৰৰ ৰাজ্যত বহিব ৩০ কিন্তু দেখা,
পাচ হোৱা অনেক মানুহ আগ হব, আৰু আগ হোৱা অনেক মানুহ
পাচ হব ।

৩১ সেই দিনা কেতবিলাক ফিৰুচিএ আহি তেঁওত কলে, তুমি গতি
কৰি ইয়াৰ পৰা আঁতৰ হৈ জোৱা, কিয়নো হেৰোদে তোমাক বধ কৰবলৈ
ইচা কৰিচে । ৩২ তাতে তেঁও সিবিলাকত কলে, তোমোলোকে গৈ সেই
সিয়ালত এই কথা কবা, দেখা, মই আজি আৰু কাইলৈ ভূতক খেদাঁও,
নৰিয়াক স্বস্থ কৰোঁ, আৰু ত্রিতিয় দিনত সিধি হম । ৩৩ তথাপি আজি,
কাইলৈ, আৰু পৰ্সুইলৈ মই অহা জোৱা কৰিব লাগে; কিয়নো য়িৰু-
চালমৰ বাহিৰে কোনো ভবিস্যত বক্তা বধ কৰা হব নোআৰে । ৩৪ হে
ভবিস্যত বক্তাবিলাকক বধ কৰোঁতা, আৰু তোমালৈ পঁচাবিলাকক সি-
লেৰে খুন্দি মাৰোঁতা য়িৰুচালম, য়িৰুচালম! কুকুৰাই জেনেকৈ আপো-
নাৰ পোআলিবোৰক ডেউকাৰ তলত চপাই লই, সেই ৰুপে তোমাৰ
সন্তানবিলাককো কেতে বেলি চপাবলৈ ইচা কৰলোঁ, কিন্তু তোমোলোকে
মন নিদিলা! ৩৫ দেখা, তোমোলোকৰ ঘৰ নিৰ্জান কৰি তোমোলোকলৈ
এৰা হৈচে । মই তোমোলোকত স্বৰুপকৈ কৈচোঁ, প্রভুৰ নামেৰে জি জন
আহিচে, তেঁও ধন্য, এই কথা তোমোলোকে জোতয়ালৈকে নোবোলা,
তেতিয়ালৈকে মোক আৰু দেখিবলৈ নেপাবা ।

## ১৪ আধ্যা ।

পাচে বিস্রাম বাৰে তেঁও প্রধান ফিৰুচি এজনৰ ঘৰত ভোজন কৰি-
বলৈ সোমাই গলত সিহঁতে তেঁওলৈ খাপ দি চাই আচিল । ২ তেতি-
য়া দেখা, এটা জলন্ধৰিয়া মানুহ তেঁওৰ আগত আচিল, ৩ তাতে য়িচুএ মাত
লগাই বিধান পণ্ডিত আৰু ফিৰুচিবিলাকত সুধিলে, বিস্রাম বাৰে স্বস্থ
কৰা উচিত কৰম হই নে? ৪ তাতে সিহঁতে নিজম দি থকাত তেঁও
সেই মানুহক লৈ স্বস্থ কৰি পঠাই দিলে । ৫ আৰু সিবিলাকত কলে,
তোমোলোকৰ কাৰো এটা গাধ বা বলদ গাঁতত জদি পৰে, সি তাক
বিস্রাম বাৰতো তেতিয়াই নুতুলিব নে? ৬ তাতে সিহঁতে তেঁওৰ এই
কথাত একো উত্তৰ দিব নোআৰিলে ।

৭ তেতিয়া নিমন্ত্রন হোআ লোকে প্রধান আসন বাচি লোআ দেখি
তেঁও সিবিলাকত এই পটন্তৰ দি কলে, ৮ কোনো লোকে তোমাক
বিয়ালৈ নিমন্ত্রন কৰিলে, প্রধান আসনত নবহিবা; কিজানি তোমাতকৈ
মর্জ্যতালি কোনো মানুহ নিমন্ত্রন কৰা হলে, ৯ দুইকো নিমন্ত্রন কৰা জনে
আহি তোমাত কব, এই জনক ঠাই দিয়া; পাচে তুমি লাজ পোআ
হৈ চাপৰ ঠাইত বহিবলৈ ধৰিবাগৈ। ১০ কিন্তু তুমি নিমন্ত্রিত হৈ গলে
চাপৰ ঠাইতে বহা; তাতে তোমাক নিমন্ত্রন কৰা জন আহিলে তোমাক
বুলিব, হে মিত্রিৰ, ওখ ঠাইলৈ জোআ; তেতিয়া ভোজন কৰা সকলৰ
আগত তুমি মর্জ্যতা পোআ হবা। ১১ জি কোনো জনে আপোনাক বৰ
বুলি মানে, তাক সৰু কৰা হব, আৰু জি জনে আপোনাক সৰু বুলি
মানে, তাক বৰ কৰা হব।

১২ পাচে আপোনাক নিমন্ত্রন কৰা জনতো তেঁও কলে, দুপহৰ বা নি-
সাৰ ভোজ পাতিলে, তুমি আপোনাৰ মিত্রিৰ বা ভাইবিলাক, গিয়াতি
বা ধনৱন্ত চুবুৰিয়াক নেমাতিবা; কিজানি সিবিলাকে পাচে তোমাকো
উধাৰ পালি প্রতিফল দিয়া হব। ১৩ কিন্তু তুমি জেতিয়া ভোজন পাতা,
তেতিয়া দৰিদ্র, খুন হোআ, খোৰা, কলা, এইবিলাকক মাতা; ১৪ তাতে
তুমি আসির্বাদ পোআ হবা, আৰু সিবিলাকে তোমাক প্রতিফল দিব
নোঅৰাত ধৰমিবিলাকৰ পুনৰ উঠানৰ কালত তোমাক প্রতিফল দিয়া হব।
১৫ তেঁওৰ লগত ভোজন কৰাবিলাকৰ এজনে এই কথা সুনি তেঁওত
কলে, জি মানুহে ইশ্বৰৰ ৰাজ্যত ভোজন কৰিব, সি ধন্য। ১৬ তেতিয়া
তেঁও কলে, এজন মানুহে নিসাত বৰ ভোজ পাতি অনেক মানুহক নি-
মন্ত্রন কৰিলে। ১৭ পাচে ভোজনৰ সময়ত আপোনাৰ বন্দিক পঠাই নি-
মন্ত্রন কৰাবিলাকত কোআলে, তোমোলাকে আঁহা, এতিয়া সকলো জুগুত
কৰা হৈচে। ১৮ কিন্তু আটাইবিলাকে একোটা চল কৰি আঁসোআহ
দেখুআবলৈ ধৰিলে। প্রথমটোএ কৈচে, মই এডৰা মাটি কিনিচোঁ,
তাক চাবলৈ মোৰ জাব গলা প্রয়োজন আচে, মোক খেমা কৰিবলৈ মই তো-
মাক প্রার্থনা কৰিচোঁ। ১৯ আন এটাই কলে, মই পাঁচ হাল বলদ
কিনিচোঁ, সিহঁতৰ প্রমান চাবলৈ জাঁও; মোক খেমা কৰিবলৈ প্রার্থনা
কৰিচোঁ। ২০ আন এজনে কলে, মই তিৰোতা বিয়া কৰি লৈচোঁ, এই
কাৰনে জাব নোআৰোঁ। ২১ এই হেতুকে সেই বন্দি উভতি আহি,
আপোনাৰ গৰাকিৰ আগত এই সকলো কথা কলে। তেতিয়া ঘৰৰ
গিৰিহতে খঙ্গ কৰি আপোনাৰ বন্দিক বুলিলে, তুমি নগৰৰ আলি আৰু
সৰু বাটলৈ বেগাই গৈ, দৰিদ্র, খুন হোআ, খোৰা, কনা, এইবিলাকক
ইয়ালৈ আনিবা। ২২ পাচে বন্দিএ বুলিলে, হে প্রভু, আপোনাৰ আগ্যাৰ
দৰে কৰা হৈচে, তথাপি এতিয়াও ঠাই আচে। ২৩ তাতে প্রভুএ বন্দিত

কলে, বাজবাট আৰু পথাৰৰ আলিলৈ গৈ, মোৰ ঘৰ ভৰাবৰ নি-
মিতে মানুহবোৰক উচটাই আনিবা । ২৪ কিয়নো মই তোমোলাকত
কৈচোঁ, মিমন্ত্ৰন হোআবিলাকৰ মাজত এজনেও মোৰ ভোজ খাবলৈ
নেপাব ।

২৫ পাচে অনেক অনেক মানুহ তেঁওৰ লগত জোআত তেঁও মুখ ঘুৰাই
সিবিলাকত কলে, ২৬ কোনোএ মোৰ ওচৰলৈ আহি আপোনাৰ বাপেক
মাক, তিৰোতা, লৰা, ভাই, ভনিবিলাকক, আৰু আপোনাৰ প্ৰানকো অপ্ৰিয়
বুলি নেমানিলে, সি মোৰ সিস্য হব নোআৰে । ২৭ আৰু জি কোনোএ
আপোনাৰ পেৰেঙ্গনি লৈ মোৰ পাচত নাহে, সি মোৰ সিস্য হব নো-
আৰে । ২৮ গৰ কাৰেঙ্গ বান্ধিবলৈ মন কৰিলে, প্ৰথমতে বহি তাৰ কিমান
খৰচ, আৰু তাক এঁটাবলৈ সাধ্য আচে নে নাই, ইয়াকে গননা নকৰে, তো-
মোলাকৰ মাজৰ এনে কোন আচে? ২৯ সি মুল পাতি পাচে জদি এঁটাব
নোআৰে, তেন্তে কিজানি দেখা লোক সকলে তাক নিন্দা কৰিবলৈ ধৰি
বুলিব, ৩০ এই মানুহে সাজিবলৈ আৰম্ভন কৰি পাচে এঁটাব নোআৰি-
লে! ৩১ আৰু অন্য ৰজাৰে সৈতে ৰন কৰিবলৈ উপাই কৰি, মই দহ
হেজাৰ সেনাক লৈ কুৰি হেজাৰে সৈতে অহা সত্ৰুক আগ বাৰ্হি জাব
পাৰিম নে, প্ৰথমতে বহি ইয়াক বিবেচনা নকৰে, এনে কোন ৰজা আচে?
৩২ জদি নোআৰে, তেন্তে সি জন দুৰৈত থাকোঁতেই কটকি পঠিয়াই মিল
কৰাৰ নিয়ম নিবেদন কৰিচে । ৩৩ এই ৰুপে তোমোলাকৰ মাজৰ জি
কোনোএ আপোনাৰ সকলোকে তিয়াগ নকৰে, সি মোৰ সিস্য হব নো-
আৰে । ৩৪ লোন হলে উত্তম হৈচে, কিন্তু তাৰ সোআদ জদি গুচিল,
তেন্তে তাক কেনেকৈ সোআদ কৰা হব? ৩৫ সি মাটিৰ বা সাৰৰ ভেঁ-
টিৰ নিমিত্তেও ভাল নহই, মানুহে বাহিৰে তাক পেলাই দিএ । জাৰ
সুনিবলৈ কান আচে, সি সুনোক ।

## ১৫ আধ্যা ।

তেতিয়া কৰ তোলা আৰু পাপি লোক সকলে তেঁওৰ কথা সুনিবলৈ ওচ-
ৰলৈ আহিল । ২ তাতে ফ্ৰিৰুচি আৰু অধ্যাপকবিলাকে মুখা মুখি কৰি
কলে, এই মানুহে পাপি লোকৰ লগ লৈ সিহঁতে সৈতে ভোজন কৰে ।
৩ তেতিয়া তেঁও সিবিলাকত এই পটন্তৰ দি কলে, ৪ কাৰোবাৰ এস মেৰ
থকাত জদি এটা হেৰাই, তেন্তে সেই উনস মেৰ হাবিৰ মাজত এৰি, হে-
ৰোআটক নেপাই মানে তাক নিবিচাৰে, এনে মানুহ তোমোলাকৰ মাজত
আচে নে? ৫ আৰু তাক পালে আনন্দ মনেৰে আপোনাৰ কানত লৈ ঘৰ-
লৈ আহি, ৬ মিতিৰ চুবুৰিয়াবিলাকক মাতি কই, মোৰ হেৰোআ মেৰ-

টক পালোঁ, এই হেতুকে মোৰে সৈতে আনন্দ কৰা। ৭ সেই ৰূপে মই তো-
মোলাকত কৈচোঁ, জিবিলাকৰ মন পালটোআৰ প্রয়োজন নাই, এনে উনস
ধৰমি লোকতকৈ মন পালটোআ এজন পাপি মানুহৰ অৰ্থে স্বৰগত অধিক
আনন্দ আচে। ৮ আৰু দহোটা ৰূপৰ মাজত এটা হেৰালে, চাকি লগাই
ঘৰ সাৰি তাক নেপাই মানে ভালকৈ নিবিচাৰিব, এনে কোন তিৰি
আচে? ৯ আৰু তাক পালে পাচে আপোনাৰ মিতিৰ চুবুৰিয়াবিলাকক
মাতি আনি কই, জি ৰূপ হেৰুআলোঁ তাক পাইচোঁ, এতেকে মোৰে সৈতে
আনন্দ কৰা। ১০ সেই ৰূপে মই তোমোলাকত কৈচোঁ, এজন পাপি লোকে
মন পালটালে, তাৰ নিমিতে ইস্বৰৰ দুতবিলাকৰ মাজতো আনন্দ হই।
১১ আৰু তেঁও কলে, এজন মানুহৰ দুই পুতেক আচিল; ১২ তাৰে সৰু
জনে বাপেকত কলে, হে পিত্রি, তোমাৰ সম্পতিৰ জি ভাগ মোত পৰে,
তাকে মোক দিয়া; তাতে বাপেকে আপোনাৰ বস্তু সিহঁতক বাঁটি দিলে।
১৩ তাৰ অলপ দিনৰ পাচে সেই সৰু পুতেকে আপোনাৰ সকলো ধন গো-
টাই, দুৰ দেসলৈ গৈ দুস্ট প্রবর্ত্তনেৰে আটাইকে ভাঙ্গি বই কৰিলে।
১৪ তাৰ সকলো ধন ঢুকালত সেই দেসত বৰ এঁকাল হল, তাতে সি দুখিয়া
হবলৈ ধৰিলে। ১৫ পাচে সি গৈ সেই দেসৰ এক গিৰিহতত আস্রুই ললত,
গাহৰি ৰাখিবলৈ সেই মানুহে আপোনাৰ পথাৰলৈ তাক পঠাই দিলে।
১৬ তাতে গাহৰিএ খোআ ঘোলেৰে সৈতে সি আপোনাৰ পেট ভৰাব-
লৈ ইচা কৰিলেও তাক কেৰে কিচু খাবলৈ নিদিলে। ১৭ সেসত চেতন
পোআ হৈ সি বুলিলে, মোৰ পিত্রিৰ কেতেক বন্দিএও জোৰাকৈ খোআ
বস্তু আৰু তাতকৈ অধিকো পাই, কিন্তু মই ভোকতে মৰিচোঁ। ১৮ মই উঠি
বোপাইৰ ওলৈ গৈ এই কথা কম, হে পিত্রি, স্বৰগৰ অহিতে আৰু তুমি
দেখাতে পাপ কৰিলোঁ; ১৯ তোমাৰ পুত্র নামেৰে মতা হোআৰ আৰু
জোগ্য নহঁও; তোমাৰ এক বেচ পোআ বন্দিৰ নিচিনা মোক কৰা।
২০ পাচে সি উঠি পিত্রিৰ ওচৰলৈ গল; কিন্তু দুৰৈত থাকোঁতেই বাপেকে
তাক দেখি মৰম লাগি লৰি গৈ তাৰ ডিঙ্গিত পৰি ধৰি চুমা দিলে।
২১ তেতিয়া পুতেকে তেঁওত কলে, হে পিত্রি, স্বৰগৰ অহিতে আৰু তুমি
দেখাতে মই পাপ কৰিলোঁ; তোমাৰ পুত্র নামেৰে মতা হোআৰ আৰু
জোগ্য নহঁও। ২২ কিন্তু বাপেকে বন্দিবোৰত কলে, আটাইতকৈ উতম
বস্ত্র আনি ইয়াক পিন্ধা; তাৰ হাতত আঙ্গঠি, ভৰিত পইজাৰ দিয়া; ২৩ আৰু
পোহ তোলা দামুৰি আনি মাৰা; পাচে আমি ভোজন কৰি আনন্দ
কৰোঁহঁক; ২৪ কিয়নো এই মোৰ পো মৰা হৈয়ো আকও জিয়াই আচে,
হেৰোআ হৈয়ো পোআ হৈচে; তাতে সিবিলাকে আনন্দ কৰিবলৈ ধৰিলে।
২৫ সেই কালত তেঁওৰ বৰ পুতেক খেতিত আচিল; পাচে সি আহি ঘৰৰ
ওচৰ পাই, বাজনা আৰু নচাৰ সবদ সুনিলে। ২৬ তেতিয়া সি এটা বন্দিক

মাতি সুধিলে, এই কথাৰ কাৰন কি? ২৭ তাতে বন্দিএ কলে, তোমাৰ ভায়া
আহিল, আৰু তোমাৰ পিত্রিএ তাক স্বস্থ সবিলে পোআ হেতুকে পোহ তোলা
দামুৰি মাৰিলে। ২৮ তাতে সি খঙ্গ কৰি ভিতৰলৈ জাব নুখুজিলে; এই
হেতুকে বাপেকে বাজলৈ আহি তাক বিনই কৰিলে। ২৯ তাতে সি বাপে-
কত উতৰ দি কলে, দেখা, মই এতেক বচৰ তোমাৰ আল ধৰি কোনো কা-
লত তোমাৰ আগ্যা ভঙ্গা নাই, তথাপি সখিবিলাকৰ লগত ৰঙ্গ কৰিবলৈ
মোক এটি চাগলি পোআলিও দিয়া নাই। ৩০ কিন্তু তোমাৰ এই জি পুত্রই
বেস্যাৰ লগত তোমাৰ ধন ভাঙ্গি পেলালে, সি আহিলতেই তাৰ নিমিতে
তুমি পোহ তোলা দামুৰিকো মাৰিলা। ৩১ তেতিয়া তেঁও তাত কলে, হে
মোৰ পো, তুমি সদাই মোৰ লগত আচা, আৰু মোৰ জি জি আচে, সক-
লো তোমাৰ। ৩২ কিন্তু তোমাৰ এই ভায়া মৰা হৈয়ো আকও জিয়াই আচে,
হেৰোআ হৈয়ো পোআ হৈচে; এই কাৰনে আমি ৰঙ্গ কৰা আৰু আনন্দিত
হোআ উচিত।

## ১৬ আধ্যা।

পাচে তেঁও আপোনাৰ সিস্যবিলাকত কলে, এজন ধনৱন্ত মানুহৰ এক ঘৰ-
গিৰি আচিল; সি আপোনাৰ গৰাকিৰ ধন অকাৰ্জ্যতে ভাঙ্গিলে, তাৰ এই
অপবাদ তেঁওৰ আগত দিয়া হল। ২ তাতে তেঁও তাক মাতি কলে, তোমাৰ
এই কথা জে মই সুনোঁ, ই কেনে? তুমি গিৰি হোআ বাবৰ কথা লেখ দিয়া;
কিয়নো তুমি ঘৰগিৰি আৰু হব নোআৰা। ৩ তেতিয়া সেই ঘৰগিৰিএ
মনতে বুলিলে, প্রভুএ মোৰ গিৰি বাব গুচাইচে, তাতে মই কি কৰিম? মই
মাটি খানিব নোআৰোঁ; মাগিবলৈকো লাজ লাগে। ৪ মোক গিৰি বাবৰ
পৰা গুচালত মানুহবিলাকে আপোনাৰ ঘৰত জেন গ্রহন কৰে, তাৰ নিমি-
তে মই কি কৰম কৰিম, তাক নিচই কৰিচোঁ। ৫ তাতে সি আপোনাৰ
গৰাকিৰ প্রতি জন ধৰুআক মাতি প্রথমটত সুধিলে, মোৰ প্রভুৰ তোমাৰ
গাত কিমান ধাৰ আচে? ৬ সি কলে, এস মোন তেল; তাতে ঘৰ গিৰিএ
বুলিলে, তোমাৰ কাকত আনি বেগতে বহি পঞ্চাস মোন লিখা। ৭ তেতিয়া
আন এটাত সুধিলে, তোমাৰ গাত কিমান ধাৰ হৈচে? সি বুলিলে, এস
কৰ ঘেঁহু; তেতিয়া সি তাক বুলিলে, তোমাৰ কিতাপ আনি বহি চাৰি
কুৰি লিখা। ৮ সেই অনিয়াই ঘৰ গিৰিএ গিয়ান ৰুপে কৰা হেতুকে তাৰ
প্রভুএ তাক সলাগিলে; কিয়নো পহৰৰ সন্তানতকৈ এই জগতৰ মানুহ আ-
পোনাৰ কালত বুধিমন্ত হই। ৯ এই হেতুকে মই তোমোলাকত কওঁ, তো-
মোলাকে অস্বৰুপ ধনেৰে আপোনালৈ মিতিৰ কৰা; তাতে তোমোলাকৰ
ওৰ পৰিলে সিবিলাকে অনন্ত আস্রুইত তোমোলাকক গ্রুহন কৰিব।

১০ জি কোনো মানুহ অলপ কথাত বিস্বাসি হই, সি অধিকতো বিস্বাসি
হই; আৰু জি মানুহ অলপতে অবিস্বাসি হই, সি অধিকতো অবিস্বাসি
হই । ১১ এই হেতুকে জদি তোমোলাকে অস্বৰুপ ধনত অবিস্বাসি হলা,
তেন্তে স্বৰুপ ধন তোমোলাকক কোনে সোধাই দিব? ১২ আৰু লোকৰ ধনত
জদি বিস্বাসি নহলা, তেন্তে তোমোলাকৰ আপোনাৰ ধন তোমোলাকৰ হাতত
কোনে দিব? ১৩ কোনো বন্দিএ দুজন গৰাকিত খাটিব নোআৰে; কিয়-
নো সি এজনক ঘিনাই, এজনক চেনেহ কৰিব, নাইবা এজনলৈ উচাহি হৈ,
এজনক অৱহেলা কৰিব । তোমোলাকে ইস্বৰ আৰু ধন, এই দুইৰো খাট-
নি লগাব নোআৰা ।

১৪ এই সকলো কথা সুনি লুভিয়া ফিৰুচিবিলাকে তেঁওক নিন্দা কৰিলে ।
১৫ তেতিয়া তেঁও সিবিলাকত কলে, তোমোলাকে মানুহৰ আগত আপো-
নাক নির্দুসি কৰি দেখুআইচা হই, কিন্তু ইস্বৰে তোমোলাকৰ মন জানে;
মানুহৰ মাজত জি প্রসংসিত হই, ইস্বৰে দেখাতে সি ঘিন লগা । ১৬ য়োহান
অহালৈকে বিধান আৰু ভবিস্যত বক্তাবিলাক আচিল; তাৰ পৰা ইস্বৰৰ
ৰাজ্য কির্তন কৰা হৈচে, আৰু প্রতি জনে তাৰ মাজত জতন কৰিএই সো-
মাই । ১৭ বিধানৰ এক বিন্দু লোপ হোআতকৈ আকাস আৰু প্রিথিবি
গুচি জোআ সুগম । ১৮ জি মানুহে আপোনাৰ তিৰোতাক তিয়াগ কৰি
আনক বিয়া কৰে, সি বিভিচাৰ কৰম কৰে; আৰু সেই তিয়াগ কৰা তিৰো-
তাক জি জনে বিয়া কৰে, সিও বেস্যা কৰা হই ।

১৯ এজন ধনৱন্ত মানুহ আচিল; সি বেঙ্গেনা বুলিয়া মিহি কাপৰ পিন্ধি
নিতৌ নিতৌ সুন্দৰ আহাৰ ভোজন পান কৰিলে । ২০ আৰু গোটেই গাত
ঘা লগা লাজাৰ নামে এজন কঙ্গালে সেই ধনৱন্তৰ মেজৰ পৰা সঁৰা পোচা-
বোৰ খাবলৈ ইচা কৰি, তাৰ দুআৰত পৰি থাকিল; ২১ আৰু কুকুৰবো-
ৰেও আহি তাৰ ঘা চেলেকিলে । ২২ কেতখনি কালৰ পাচে সেই কঙ্গাল
মৰিলত দুতবিলাকে আব্রাহামৰ হিয়ালৈ তাক কৰ্হিয়াই নিলে । ২৩ পাচে
ধনৱন্তো মৰিল, আৰু মৈদাম বান্ধি থোআ হল; কিন্তু পৰলোকত জাতনা
পোআ হৈ ওপৰলৈ চকু তুলি, দুৰৈত আব্রাহামক আৰু তেঁওৰ হিয়াত লা-
জাৰকো দেখিলে । ২৪ তাতে সি ৰিঙ্গিয়াই কলে, হে পিত্রি আব্রাহাম,
মোক দায়া কৰি, লাজাৰে জেন আঙ্গুলিৰ আগ পানিত জুবুৰিয়াই মোৰ
জিবা চেঁচা কৰে, এই নিমিত্তে তাক পঠাই দিয়া; কিয়নো এই জুইৰ তা-
পত মই জাতনা পাই আচোঁ । ২৫ তেতিয়া আব্রাহামে কলে, হে পো, তুমি
জিয়াই থকা কালত আপোনাৰ সুখ পাইচিলা, লাজাৰে দুখ পাইচিল, তাক
সোঁৱৰা; এতিয়া হলে সি সুখ পাইচে, তুমিও জাতনা পাইচা । ২৬ তাত
বাজে তোমাৰে আমাৰে মাজত বৰ দ খাল থাপন কৰা হৈচে; এই হেতু-
কে ইয়াৰ পৰা জি লোকে তোমোলাকলৈ জাব খোজে, সিবিলাকে জাব নো-

আৰে, আৰু তাৰ লোকেও আমালৈ আহিব নোআৰে। ২৭ তেতিয়া সি
কলে, তেন্তে হে পিত্রি, এই মিনতি কৰিচোঁ, মোৰ বোপাইৰ ঘৰত জি পাঁচ
জন ভাই, সিবিলাকে জেন এই জাতনাৰ ঠাইলৈ নাহে, সিবিলাকক প্রমান
দিবৰ নিমিত্তে লাজাৰক তালৈ পঠাই দিয়া। ২৮ আব্রাহামে তাত কলে,
মোচা আৰু ভবিস্যত বক্তাবিলাক সিহঁতৰ লগত আছে; সিহঁতে সেইবি-
লাকৰ কথা সুনোক। ২৯ তাতে সি কলে, হে পিত্রি আব্রাহাম, সেয়ে
নহই, কিন্তু জদি ম্রিত্যুৰ পৰা কোনো জন সিহঁতৰ তলৈ জাই, তেন্তে সি-
বিলাকে মন পালটাব। ৩০ তাতে তেঁও কলে, মোচা আৰু ভবিস্যত বক্তা-
বিলাকৰ কথা জদি নুসুনে, তেন্তে ম্রিত্যুৰ পৰা কোনো এজন উঠিলেও সি-
হঁতে তাৰ কথাতো বিস্বাসি নহব।

## ১৭ আধ্যা।

পাচে তেঁও আপোনাৰ সিস্যবিলাকত কলে, বিঘিনি নোহোআ অসাধ্য;
কিন্তু জাৰ দোআৰাই বিঘিনি হই, তাৰ সন্তাপ হব। ২ সেই মানুহে এই
সৰুবিলাকৰ এজনক বিঘিনি কৰাতকৈ, তাৰ ডিঙ্গিত জাঁত আৰি সাগৰত
পেলোআ হলেই তাৰ সুভাগ্য। ৩ তোমোলাকে আপোনালৈ সাৱধান
হোআ। তোমাৰ ভায়াই জদি তোমাৰ বিৰোধে অপৰাধ কৰে, তাক ডাবি
দিয়া; পাচে মন পালটালে, তাক খেমা কৰিবা। ৪ এদিনৰ ভিতৰত
জদি সাত বেলিও তোমাৰ অহিতে অপৰাধ কৰে, আৰু সেই দিনত সাত
বেলিলৈকে ঘুৰি আহি মন পালটাইচোঁ বুলি জদি সি কাহে, তেন্তে তুমি
তাক খেমা কৰিবা।

৫ তেতিয়া পাঁচনিবিলাকে প্রভুত কলে, আমাৰ বিশ্বাস বঢ়াই দিওক।
৬ তাতে প্রভুএ কলে, এটি সৰিয়হ গুটিৰ মান তোমোলাকৰ জদি বিশ্বাস
হই, তেন্তে তুমি উভলা হৈ সাগৰত ৰোআ হোআগৈ, এই ডিমৰু গচত এনে
কথা কলে, সি তোমোলাকৰ আগ্যা মানিব। ৭ তোমোলাকৰ মাজৰ কাৰো
এটা বন্দিএ হাল বাই বা পশু চৰাই, পাচে পথাৰৰ পৰা আহিলে, তুমি
এতিয়াই আঁহা, ভোজনত বহাগৈ, তাক এনে কথা বুলিব নে; ৮ নাইবা,
মোৰ খোআ বস্তু জুগুত কৰা, আৰু মই খাই বৈ নেটাও মানে কঁকালত
কাপৰ বান্ধি বাৰ্হি দিয়া, পাচে তয়ো খোআ বোআ কৰিব পাৰ, ইয়াকে
বুলিব? ৯ সেই বন্দিএ আগ্যাৰ দৰে কৰম কৰাত গৰাকিএ তাৰ উপকাৰ
মানি সত্কাৰ কৰিব নে? মই নহই বুলি জানোঁ। ১০ এই ৰুপে তো-
মোলাককো জি জি আগ্যা কৰা গৈচে, সেই সকলোকে কৰিও, আমি অনু-
পকাৰি বন্দি, আমাৰ জি জি কৰিব লগা তাক মাথোন কৰিলোঁ, এই কথা
বুলিবা।

১১ পাচে য়িৰুচালমলৈ জাঁওতে তেঁও চোমিৰোন আৰু গালিলৰ মাজে দি
গল। ১২ তাতে কোনো গাঁৱত সোমালত দহ জন কুঠিয়াই তেঁওক দেখা
পাই দুৰৈতে থিয় হৈ ১৩ বৰ সবদ কৰি কলে, হে প্ৰভু য়িচু, আমাক
দায়া কৰোক। ১৪ তাতে তেঁও সিহঁতক দেখি কলে, তোমোলাকে গৈ
পোৰোহিতবিলাকক আপোনাকে দেখুআগৈ; পাচে জাওতে জাঁওতে সিবি-
লাক ৰোগৰ পৰা সুচি হল। ১৫ তাতে সিবিলাকৰ এজনে আপোনাক
স্বস্থ হোআ দেখি বৰ মাতেৰে ইশ্বৰক স্তুতি কৰি কৰি উভতি আহিল,
১৬ আৰু য়িচুৰ চৰনত মুখ তলকৈ পৰি তেঁওৰ গুন কিৰ্তন কৰিবলৈ ধৰি-
লে; সি চোমিৰোনি আচিল। ১৭ তেতিয়া য়িচুএ সমিধান দি কলে,
দহ জনক সুচি কৰা নহল নে? তেন্তে আৰু ন জন কতা? ১৮ ইস্বৰক স্তুতি
কৰিবলৈ উভতি অহা এই বিদেসি মানুহৰ বাহিৰে আন কাকো দেখা
নহল। ১৯ পাচে তেঁও তাত কলে, উঠি বাট বুলি জোআ, তোমাৰ বিস্বাসেই
তোমাক স্বস্থ কৰিলে।

২০ আৰু কোন সময়ত ইস্বৰৰ ৰাজ্য হব, ফিৰুচিবিলাকে এই কথা সুধি-
লত তেঁও উতৰ কৰি কলে, ইস্বৰৰ ৰাজ্য দ্রিস্য ৰুপে অহা নহই; ২১ এখে-
তে বা সেই খিনিতে দেখা, এনে কথা নুবুলিব, কিয়নো ইস্বৰৰ ৰাজ্য তোমো-
লাকৰ ভিতৰতে আচে। ২২ পাচে তেঁও আপোনাৰ সিস্যবিলাকত কলে,
জি কালত তোমোলাকে মানুহৰ পুত্ৰৰ এক দিন দেখিবলৈ ইচা কৰিবা, কিন্তু
দেখিবলৈ নেপাবা, সেই কাল আহিচে। ২৩ তেতিয়া এখেত বা সেই
খিনিতে, এই কথা বুলিলে তোমোলাকে নেজাবা, আৰু সিবিলাকৰ পাচতো
নচলিবা। ২৪ কিয়নো বিদুলি জেনেকৈ আকাসৰ এফালে ওলাই সি ফাল-
লৈকো প্ৰকাস হই, সেই ৰুপে আপোনাৰ দিনত মানুহৰ পুত্ৰ হব।
২৫ কিন্তু তাৰ আগৈএ তেঁও অনেক দুখ পাই এই কালৰ লোকৰ পৰা
অৱহেলা কৰা হব। ২৬ আৰু নোহাৰ দিনত জেনে হৈচিল, মানুহৰ পুত্ৰৰ
কালতো তেনে হব। ২৭ জাহাজত নোহাই সোমোআ দিনলৈকে সিহঁতে
ভোজন পান কৰিলে, আৰু বিয়া কৰিলে, বিয়া দিলে; তেতিয়া জলপ্লাৱন
আহি সকলোকে বিনাস কৰিলে। ২৮ আৰু লোটৰ কালতো জি ৰুপে
ভোজন পান কৰিলে, কিনা বেচা কৰিলে, গচ ৰুই ঘৰ সাজি আচিল;
২৯ কিন্তু জি দিনা চিদোমৰ পৰা লোট ওলাই গল, সেই দিনতেই আকা-
সৰ পৰা জুই আৰু গন্ধক বৰখি সকলোকে বিনাস কৰিলে; ৩০ সেই
ৰুপে মানুহৰ পুত্ৰ প্ৰকাস হোআ দিনতো হব। ৩১ সেই দিনত জি জন
ঘৰৰ চালৰ ওপৰত থাকে, ঘৰৰ ভিতৰত তাৰ জি বস্তু আচে, তাক নিবলৈ
সি নেনামোক; খেতিত জি জন আচে, সি উভতি নাহোক। ৩২ লোটৰ
তিৰোতাক সোঁৱৰা। ৩৩ জি জনে প্ৰান ৰাখিবলৈ উপাই কৰে, সি তাক
হেৰুআব; আৰু জি জনে প্ৰান হেৰুআই, সি তাক ৰখ্যা কৰিব। ৩৪ মই তো-

মোলাকত কৈচোঁ, সেই ৰাতিত দুজন মানুহ একে সজ্যাই থকাত এজন ধৰা
হব, এজনক এৰা হব। ৩৫ দুজনি তিৰোতাই জাঁতেৰে ডলি থকাত, এজ-
নিক ধৰা হব, এজনিক এৰা হব। [৩৬ খেতিত দুজন মানুহ থকাত এজন
ধৰা হব, এজনক এৰা হব।] ৩৭ তেতিয়া সিবিলাকে তেঁওত সুধিলে,
বোলে, হে প্রভু, এয়ে কোন ঠাইত হব? তাতে তেঁও কলে, জি ঠাইত মৰা
স থাকে, তাতে সগুন গোট খোআ হব।

## ১৮ আধ্যা।

পাচে মানুহে স্রান্ত নহৈ সদাই প্রার্থনা কৰি থকা উচিত, এই কাৰনে তেঁও এক
পটন্তৰ দি কলে, ২ এখান নগৰত ইস্বৰলৈ ভই নকৰা, মানুহকো নমনা,
এনে এজন সোধাৰু আচিল। ৩ সেই নগৰত এজনি বাঁৰিও আচিল; তাই
সেই সোধাৰুলৈ আহি নিবেদন কৰিলে, মোৰ পদকিয়াই সৈতে মোৰ সোধ
কৰি প্রতিফল দিওক। ৪ তাতে তেঁও কেতখনি দিনলৈ মন নিদিলে, কিন্তু
পাচে আপোনাৰ মনতে বুলিলে, মই জদি ইস্বৰক ভই নকৰোঁ, আৰু
মানুহকো নেমানোঁ, ৫ তেও এই বাঁৰিএ মোক দুখ দিয়াৰ কাৰনে তাইৰ
কথা সোধ কৰি প্রতিফল দিম, কি জানি আহি আহি থাকি সেসত মোৰ
বেজাৰ লগাই। ৬ পাচে প্রভুএ কলে, সেই অনিয়াই কৰা সোধাৰুএ জি
কই, তাক সুনা। ৭ আৰু ইস্বৰৰ জি মনোনিত লোকে দিনে ৰাতিএ তেঁওক
প্রার্থনা কৰে, তেঁও অনেক দিন পলম কৰিলেও সিবিলাকৰ সোধ কৰি
প্রতিফল নিদিব নে? ৮ মই তোমোলাকত কৈচোঁ, সোন কালে প্রতিফল
দিব। কিন্তু জেতিয়া মানুহৰ পুত্র আহিব, তেতিয়া প্রিথিবিত বিস্বাস পাব নে?
৯ পাচে আপোনাক ধৰমি বুলি মানি লোকক ইতিকিঙ্গ কৰা, এনে
কোনোবিলাকত তেঁও এই পটন্তৰ কলে। ১০ দুজন মানুহে মন্দিৰত প্রার্থনা
কৰিবলৈ গল; সিবিলাকৰ এজন ফিৰুচি, এজন কৰ তোলা হৈচিল।
১১ ফিৰুচিএ বেলেগে থিয় হৈ এই ৰুপে প্রার্থনা কৰিলে, মই লোকৰ নি-
চিনা চলকৈ নিয়া, অনিয়াই বা বেস্যা কৰোঁতা নহঁও, আৰু এই কৰ
তোলাৰ নিচিনাও নহঁও, এই কাৰনে মই তোমাক স্তুতি কৰোঁ। ১২ সপ্তাহৰ
ভিতৰত দুদিন লঘোন কৰোঁ; আৰু মোৰ জি বস্তু আচে, তাৰ দহ ভা-
গৰ এভাগ দান কৰি থাকোঁ। ১৩ কিন্তু কৰ তোলাই আঁতৰত থিয় হৈ,
স্বৰগৰ ফাললৈ চকু তুলি চাবলৈকো সাহ নেপাই, আপোনাৰ বুকত ভুকুআই
বুলিলে, হে ইস্বৰ, পাপি জি মই, মোক দায়া কৰা। ১৪ মই তোমোলাকত
কৈচোঁ, এই মানুহ সি জনতকৈ পুন্যৱন্ত কৰা হৈ আপোনাৰ ঘৰলৈ গল;
কিয়নো জি কোনোএ আপোনাক বৰ বুলি মানে, তাক সৰু কৰা হব; আৰু
আপোনাকে জি সৰু বুলি মানে, তাক বৰ কৰা হব।

১৫ পাচে লৰাবিলাকক তেঁও জেন চুব, এই নিমিত্তে লোকে সিহঁতক
তেঁওলৈ আনিলে; সিস্যবিলাকে তাকে দেখি সিহঁতক ডাবি দিলে। ১৬ কিন্তু
য়িচুএ সিবিলাকক মাতি কলে, লৰাবিলাক মোৰ ওচৰলৈ আহিব দিয়া,
হাক নিদিবা; কিয়নো ইশ্বৰৰ ৰাজ্য এনেকুআবিলাকৰহে হই। ১৭ মই
তোমোলাকত স্বৰূপকৈ কৈচোঁ, জি কোনোএ লৰাৰ নিচিনা হৈ ইশ্বৰৰ ৰাজ্য
গ্ৰহন নকৰে, সি তাত কেতিয়াও সোমাব নোআৰিব।

১৮ পাচে এজন অধিকাৰে তেঁওত সুধিলে, বোলে, হে উত্তম গুৰু, মই
অনন্ত আয়ুস পাবৰ নিমিত্তে কি কৰম কৰিম? ১৯ তাতে য়িচুএ কলে,
মোক উত্তম কিয় বুলিচা? অকল ইশ্বৰত বাজে আন কোনো উত্তম নাই।
২০ পৰ তিৰি গমন নকৰিবা, বধ নকৰিবা, চুৰ নকৰিবা, মিচা সাখি
নহবা, আপোনাৰ পিত্ৰি মাত্ৰিক মৰ্জ্যতা কৰা, এই আগ্যাবিলাক তুমি
জানিচা। ২১ তাতে সি কলে, লৰা কালৰে পৰা মই এই সকলোকে পা-
লন কৰি আচোঁ। ২২ তেতিয়া য়িচুএ এই কথা সুনি তাক বুলিলে, তুমি
কৰিব লগা কৰম এটা থাকিল; তোমাৰ জি জি আচে, আটাইকে বেচি
দুখিয়াবোৰক বিলাই দিয়া, তেহে স্বৰগত তোমাৰ ধন হব; আৰু আঁহা,
মোৰ পাচে জোআ হবা। ২৩ এই কথা সুনি সেই অধিকাৰে অতি অসন্তোস
কৰিলে, কিয়নো সি বৰ ধনৱন্ত আচিল। ২৪ য়িচুএ তাক এই ৰূপে
অসন্তোস কৰা দেখি বুলিলে, ধনৱন্ত মানুহবিলাক ইশ্বৰৰ ৰাজ্যত সোমা-
বলৈ কেনে দুৰ্গম! ২৫ ধনৱন্ত মানুহ ইশ্বৰৰ ৰাজ্যত সোমোআত্‌কৈ বেজিৰ
বিন্ধাই দি উট সৰকি জোআ টিল। ২৬ ইয়াক সুনাবিলাকে বুলিলে, তেন্তে
কোনে পৰিত্ৰান পাব পাৰে? ২৭ তাতে তেঁও কলে, জিবোৰ কথা মানু-
হৰ অসাধ্য, সেইবিলাক ইশ্বৰৰ সাধ্য। ২৮ তেতিয়া পিতৰে কলে, দেখা,
আমাৰ সকলোকে এৰি আপোনাৰ পাচে পাচে আহিলোঁ। ২৯ তাতে
তেঁও সিবিলাকত কলে, মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, ইশ্বৰৰ ৰাজ্যৰ
নিমিত্তে ঘৰ, বা মাক বাপেক, বা ভাইবিলাক, বা তিৰোতা, বা লৰাবি-
লাক এৰি, ৩০ জি জনে ইহকালত ভালেমান অধিক, আৰু পৰকালত
অনন্ত আয়ুস নেপাব, এনে কোনো মানুহ নাই।

৩১ পাচে তেঁও বাৰে জন সিস্যক আনি কলে, দেখা আমি য়িৰুচালমলৈ
গৈচোঁ? তাতে মানুহৰ পুত্ৰৰ অৰ্থে ভবিস্যত বক্তাবিলকৰ দোআৰাই জি
জি লিখা আচে, সেই সকলো কথা সিধি হব। ৩২ বিদেসি লোকৰ হা-
তত তেঁওক সোধাই দিয়া হব; তাতে সিহঁতে তেঁওক বিগতি কৰি হিংসা
ৰূপে বেৱহাৰ কৰিব, ৩৩ তেঁওৰ গাত থুই পেলাব, আৰু চাবুকেৰে কো-
বাই তেঁওক বধ কৰিব; পাচে তিন দিনৰ দিনা তেঁও আকৌ উঠিব।
৩৪ কিন্তু সিবিলাকে এই কথাৰ একো নুবুজিলে, কিয়নো সিবিলাকৰ পৰা
গুপুত হোআত সিবিলাকৰ আগত কোআ কথা নেজানিলে।

৩৫ পাচে তেঁও য়িৰিহো নগৰৰ ওচৰ পালত বাটৰ কাশৰত এজন কনা
মানুহ মাগন কৰি বহি আছিল। ৩৬ লোকবিলাক সেই ঠায়ে দি জোআ
সুনি, সি তাৰ কাৰন সুধিলে। ৩৭ তাতে সিবিলাকে কলে, নাচৰিয়া য়িচু
এই পোনে গৈচে। ৩৮ তেতিয়া সি ৰিঙ্গিয়াই কলে, হে য়িচু, দাবিদৰ
সন্তান, মোক দায়া কৰোক। ৩৯ তাতে সি মনে মনে থাকিবৰ নিমিত্তে
আগত জোআ মানুহে তাক ডাবি দিলে, কিন্তু সি আৰু অধিক্কৈ এটাহ
পাৰি কলে, হে দাবিদৰ সন্তান, মোক দায়া কৰোক। ৪০ তাতে য়িচুএ
থমকি ৰৈ তাক আনিবলৈ আগ্যা কৰিলে; পাচে সি ওচৰলৈ আহিলত,
তেঁও তাত সুধিলে, ৪১ মই তোমাক কি কৰিবৰলৈ তোমাৰ ইচা আচে?
তাতে সি কলে, হে প্ৰভু, মই জেন দেখিবলৈ পাঁও। ৪২ তাতে য়িচুএ কলে,
তুমি দেখা পোআ, তোমাৰ বিস্বাসেই তোমাক ৰখ্যা কৰিলে। ৪৩ তে-
তিয়াই সি দেখা পাই, তেঁওৰ পাচে গৈ গৈ ইস্বৰক স্তুতি কৰিলে; আৰু
সকলো লোকে তাকে দেখি ইস্বৰৰ গুন কিৰ্ত্তন কৰিলে।

## ১৯ আধ্যা।

পাচে তেঁও য়িৰিহো নগৰত সোমাই তাৰ মাজে দি গল। ২ তেতিয়া দেখা,
জাখিয় নামেৰে কৰ তোলাবিলাকৰ মাজত প্ৰধান হোআ এজন ধনৱন্ত
মানুহে য়িচু কেনে লোক, ইয়াকে দেখিবলৈ কাৰ্বাৰ কৰিলে; ৩ কিন্তু
আপুনি চাপৰ হোআত লোক সমুহৰ কাৰনে তেঁওক দেখা পাব নোআ-
ৰিলে। ৪ তাতে তেঁও জি বাটে জাব, সেই বাটে সি আগ হৈ লৰি গৈ,
তেঁওক দেখিবলৈ এজোপা ডিমৰু গচত উঠিল। ৫ পাচে য়িচুএ সেই ঠাই
পালত ওপৰলৈ চাই তাক দেখি কলে, হে জাখিয়, বেগাই নামি আঁহা,
কিয়নো মই আজি তোমাৰ ঘৰত থাকিব লাগে। ৬ তাতে সি বেগাই
নামি আহি আনন্দ মনেৰে তেঁওক গ্ৰহন কৰিলে। ৭ তাকে দেখি সক-
লোএ বোল মাত কৰি কলে, এঁও পাপি মানুহৰ আলহি হবলৈ গৈচে।
৮ তেতিয়া জাখিয় থিয় হৈ প্ৰভুৰ আগত বুলিলে, হে প্ৰভু, দেখা, মোৰ
জি সম্পতি আচে, তাৰ আদ খনি দৰিদ্ৰ লোকক দান কৰোঁ; আৰু মিচা
অপবাদ দি কোনো মানুহৰ জদি কিবা লৈচোঁ, তেন্তে তাৰ চাৰি গুন ওভোতাই
দিঁও। ৯ তাতে য়িচুএ বুলিলে, ইও আব্ৰাহামৰ এজন সন্তান, এই হেতুকে
আজি এই ঘৰলৈ পৰিত্ৰান আহিল। ১০ কিয়নো জি হেৰোআ হৈচে,
তাক বিচাৰি ৰখ্যা কৰিবৰ নিমিত্তে মানুহৰ পুত্ৰ আহিল।
১১ সিবিলাকে এই কথা সুনি থকা সময়ত তেঁও য়িৰুচালমৰ ওচৰ হৈচিল,
আৰু ইস্বৰৰ ৰাজ্য তেতিয়াই প্ৰকাস হব, সিবিলাকে ইয়াকে ভাবনা কৰি-
লে, এই হেতুকে তেঁও কথা বঢ়াই এক পটন্তৰ দি কলে, ১২ এজন মহন্ত

লোকে আপোনাৰ নিমিত্তে ৰাজ সাসন পাই আহিবলৈ দূৰ দেসলৈ গল ।
১৩ তেঁও জোআ কালত আপোনাৰ দহোটা বন্দি মাতি আনি, সিবিলাকক
দহ মিনা ৰুপ দি কলে, মই নাহোঁ মানলৈকে বেপাৰ কৰাইক । ১৪ কিন্তু
তেঁওৰ প্ৰজাবিলাকে তেঁওক ঘিন কৰি, আমাৰ ওপৰত এই মানুহ অধি-
কাৰ হবলৈ আমাৰ ইচা নাই, এই কথা তেঁওৰ পাচে পঠাই দিলে । ১৫ পাচে
ৰাজ সাসন পাই ক্ৰমে উভতি আহিলত জি বন্দিবোৰক ধন দিচিলে, সিহঁ-
তৰ প্ৰতি জনে বেপাৰ কৰি কিমান লাভ পালে, ইয়াক জানিবৰ নিমিত্তে
সিহঁতক মাতি আনিবলৈ আগ্যা কৰিলে । ১৬ তেতিয়া প্ৰথমটোএ আহি
কলে, হে প্ৰভু, আপোনাৰ মিনাৰ দোআৰাই দহ মিনা লাভ পোআ হল ।
১৭ তাতে তেঁও কলে, চাবাইচ, উতম বন্দি, তুমি অতি অলপতে বিস্বাসি
হলা, এই হেতুকে দহখান নগৰৰ ওপৰত অধিকাৰ হোআ । ১৮ পাচে
দুতিয়টে আহি কলে, হে প্ৰভু, আপোনাৰ মিনাৰ দোআৰাই পাঁচ মিনা
লাভ পোআ হল । ১৯ তেঁও তাকো কলে, তুমিও পাঁচ নগৰৰ ওপৰত অধি-
কাৰ হোআ । ২০ পাচে সেই আন জনে আহি কলে, হে প্ৰভু, মই আ-
পোনাৰ মিনা গামোচাতে বান্ধি ৰাখিচোঁ, এয়া দেখোক । ২১ কিয়নো
আপুনি কঠিন মানুহ, জিহক থৈ জোআ নাই, তাকে তোলে, আৰু জিহক
বোআ নাই, তাকে দাই; এই হেতুকে মই আপোনালৈ ভই কৰিলোঁ ।
২২ তেতিয়া তেঁও বুলিলে, হেৰৈ দুষ্ট বন্দি, তোৰ মুখৰ কথাৰেই তোক
দুসি কৰিম; মই কঠিন মানুহ, জিহকে থোআ নাই, তাকে তোলোঁ, জিহ-
কে বোআ নাই, তাকে দাঁও, ইয়াকে তই জানিচিলি; ২৩ তেন্তে কি কাৰনে
মোৰ ধন মুদৈৰ হাতত নোসোধালি? তেনে কৰা হলে মই আহি বাৰ্হিএ
সৈতে আপোনাৰ ধন পালোঁহেঁতেন । ২৪ পাচে ওচৰত থকাবিলাকত তেঁও
কলে, ইয়াৰ হাতৰ পৰা সেই মিনা লৈ জাৰ দহ মিনা আচে, তাৰ হাতত
দিয়া । ২৫ তেতিয়া সিবিলাকে কলে, হে প্ৰভু, এই জনৰে দহ মিনা আচে ।
২৬ তোমোলাকত মই কৈচোঁ, জাৰে জাৰে আচে, তাক আৰু দিয়া হব; আৰু
জাৰে নাই, তাৰ জি আচে, তাকো তাৰ পৰা নিয়া হব । ২৭ কিন্তু সিহঁতৰ
ওপৰত মই জেন সাসন কৰিম, মোৰ জি সত্ৰুবিলাকৰ এই ইচা নাই, সিহঁ-
তক ইয়ালৈ আনি মোৰ আগত্তে বধ কৰা ।

২৮ তেঁও এইবিলাক কথা কৈ সিবিলাকৰ আগ হৈ য়িৰুচালম নগৰলৈ
গল । ২৯ তাতে জলফাই নামে খিয়াত হোআ পৰ্বতৰ কাসৰত থকা বৈত্-
ফাগি আৰু বৈথনিয়া গাঁৱৰ ওচৰ পালত তেঁও আপোনাৰ দুজন সিস্যক
পঠাই দি কলে, ৩০ সমুখৰ এই গাৱলৈ তোমোলাক জোআ; তাৰ ভিতৰ
সোমালতেই জাৰ ওপৰত কোনো মানুহে কেতিয়াও উঠা নাই, এনে এটা গাধ
পোআলি বান্ধি থোআ দেখিবা; তাক মেলি আনাগৈ । ৩১ আৰু তাক
কিয় মেলিচা, কোনোবাই জদি এই কথা সোধে, তেন্তে তোমোলাকে কবা,

প্রভুৰ ইয়াত প্রয়োজন আছে। ৩২ তেতিয়া পঁঠাৱিলাকে গৈ তেঁও কোৱাৰ
দৰে সকলোকে পালে। ৩৩ সিবিলাকে গাধ পোআলি মেলিলতে তাৰ
অধিকাৰবিলাকে বুলিলে, গাধ পোআলি কিয় মেলিছা? ৩৪ তাতে সিবি-
লাকে কলে, প্রভুৰ ইয়াত প্রয়োজন আছে। ৩৫ পাচে য়িচুৰ ওচৰলৈ সেই
গাধ পোআলি আনি সিবিলাকে আপোনাৰ কাপৰ তাৰ ওপৰত পাৰি
তাতে য়িচুক বহুআলে। ৩৬ আৰু তেঁও জাঁওতে জাঁওতে সিবিলাকৰ কা-
পৰ বাটতো পাৰি দিলে। ৩৭ পাচে জল্‌ফাই পর্বতৰ পৰা নমা ঠাইৰ ওচৰ
পালত সমুহ সিস্য সকলে জি জি মহত কৰম দেখিছিল, তাৰ নিমিতে বৰ
মাতেৰে ইস্বৰক স্তুতি কৰি, ৩৮ প্রভুৰ নামেৰে জি জন ৰজা আহিছে, তেঁও
ধন্য; স্বৰগত কুসল আৰু সকলোৰে ওপৰ থানত জই হওক, এই কথা বুলি
আনন্দ কৰিবলৈ ধৰিলে। ৩৯ তেতিয়া লোক সমুহৰ মাজৰ পৰা কোনো
কোনো ফিৰুচিএ তেঁওক বুলিলে, হে গুৰু, তোমাৰ সিস্যবিলাকক ডবিওআ।
৪০ তাতে তেঁও উত্তৰ দি কলে, মই তোমোলাকত কৈছোঁ, ইবিলাকে নিজম হৈ
থাকিলে, সিলেও এটাহ পাৰিব।

৪১ পাচে ওচৰলৈ আহি তেঁও নগৰ দেখি তালৈ ক্রন্দন কৰি কলে,
৪২ হাই হাই, তোমাৰ এই কালতো তুমিও আপোনাৰ মঙ্গল জানিলাহেঁ-
তেন! কিন্তু এতিয়া তোমাৰ চকুৰ পৰা তাক লুকুআ হৈছে। ৪৩ তোমাৰ
ক্রিপা দিস্টিৰ কাল তুমি নেজানিলা, এই হেতুকে জি কালত তোমাৰ সত্রু-
বিলাকে তোমাৰ চাৰিও ফালে গৰ বান্ধি তোমাক বেৰি সকলো পোনে
আগচি ধৰিব, ৪৪ আৰু সন্ততিবিলাকে সৈতে তোমাক মাটিৰ সমান কৰি,
তোমাৰ মাজত সিলৰ ওপৰতো সিল থকাকৈ নেৰিব, তোমালৈ সেই কাল
আহিব। ৪৫ পাচে তেঁও মন্দিৰত সোমাই তাৰ মাজত বেচা আৰু কিনা
কৰাবিলাকক বাহিৰ কৰিবলৈ ধৰি সিহঁতক বুলিলে, ৪৬ মোৰ ঘৰেই প্রার্থ-
না কৰা ঘৰ, এই কথা লিখা আছে, কিন্তু তোমোলাকে তাক চোৰৰ গাত
কৰিলাহঁক।

৪৭ পাচে তেঁও নিতৌ নিতৌ মন্দিৰৰ মাজত উপদেস দি আছিল; তাতে
প্রধান পোৰোহিত, অধ্যাপক, আৰু মানুহৰ মাজৰ বৰ লোকবিলাকে তেঁওক
বধ কৰিবলৈ চল বিচাৰিলে; ৪৮ কিন্তু আটাই মানুহে তেঁওৰ কথা সুনি-
বলৈ বৰ মন দি থকাত সিহঁতে তাক কৰিবলৈ উপাই নেপালে।

## ২০ আধ্যা।

সেই কালত তেঁও এদিনা মন্দিৰত সুভ বাত্রা কির্তন কৰি লোকবিলাকক উপ-
দেস দিওতে, প্রধান পোৰোহিত, অধ্যাপক, আৰু ব্রিধ লোকে তেঁওৰ ওচ-
ৰলৈ আহি তেঁওত সুধিলে, বোলে, ২ তুমি কি সক্তিএৰে এইবিলাক কৰম

কৰিচা, আৰু এই সক্তি তোমাক কোনে দিলে? তাক আমাত কোআ।
৩ তাতে তেঁও সিবিলাকক উত্তৰ দি কলে, ময়ো তোমোলাকত এটা কথা
সোধোঁ, তোমোলাকে মোক তাৰ উত্তৰ দিয়া। ৪ য়োহানৰ বুৰ দিওআ
স্বৰগৰ পৰা হই নে, মানুহৰ পৰা হই? ৫ তাতে সিবিলাকে ইটে সিটে বি-
বেচনা কৰি বুলিলে, স্বৰগৰ পৰা হোআ জদি বোলোঁ, তেন্তে তেঁওত কিয়
বিস্বাস নকৰিলা, ইয়াকে আমাক বুলিব। ৬ কিন্তু মানুহৰ পৰা হোআ
জদি বোলোঁ, তেন্তে লোকবিলাকে আমাক সিল পেলাই মাৰিব; কিয়নো
য়োহান জে ভবিস্যত বক্তা হই, সিবিলাকে ইয়াকে নিচইকৈ প্ৰতিতি কৰে।
৭ তাতে সিহঁতে উত্তৰ কৰিলে, সেয়ে কৰ পৰা হল, তাক আমি কব নো-
আৰোঁ। ৮ তেতিয়া য়িচুএ সিহঁতত কলে, তেন্তে কি সক্তিএৰে এইবিলাক
কৰম কৰিচোঁ, তাক ময়ো তোমোলাকত নকওঁ।

৯ পাচে তেঁও মানুহবিলাকৰ আগত পটন্তৰ দি কবলৈ ধৰিলে, এজন
মানুহে লতা পনিয়াল ৰুই খেতি কৰি, তাক খেতিয়কবিলাকৰ হাতত সো-
ধাই দি, বহু দিনৰ নিমিতে দুৰৈ দেসলৈ গল। ১০ পাচে গুটি পাৰিবৰ
সময়ত সিহঁতে খেতিৰ ফল দিবৰ নিমিতে তেঁও সিহঁতলৈ এটা বন্দিক পঠা-
লে; কিন্তু খেতিয়কে তাক মাৰি কিলাই সুদা হাতে পাঁচি দিলে। ১১ আ-
কৌ তেঁও আৰু এটা বন্দিক পঠালত সিহঁতে তাকো মাৰি কিলাই অমৰ্জতা
কৰি সুদা হাতে পাঁচিলে। ১২ তাৰ পাচে আৰু এটাক পঠাই দিলত সি-
হঁতে তাকো থুন কৰি বাহিৰলৈ পেলালে। ১৩ তেতিয়া খেতিৰ গৰাকিএ
কলে, মই কি কৰিম? মোৰ প্ৰিয় পুত্ৰক পঠাই দিম, সিহঁতে তাকে দেখি-
লে কি জানি আদৰ কৰিব। ১৪ কিন্তু খেতিয়কবোৰে তাক দেখি ইটে
সিটে আপোনাৰ মাজত বিবেচনা কৰি কলে, এই জন আগলৈ গৰাকি;
আঁহা, ইয়াক মাৰোঁহক, পাচে আমি আপুনি গৰাকি হবলৈ পাম। ১৫ তাতে
সিহঁতে খেতিৰ পৰা তাক বাহিৰ কৰি বধিলে। এই হেতুকে সেই খেতিৰ
অধিকাৰে সিহঁতক কি কৰিব? ১৬ তেঁও আহি সেই খেতিয়কবোৰক নষ্ট
কৰি আনবিলাকৰ হাতত খেতি সোধাই দিব। এই কথা সুনি সিহঁতে
বুলিলে, এনে নহওক। ১৭ তাতে তেঁও সিবিলাকলৈ চাই কলে, তেন্তে সিলা-
কুঁটিবোৰে জি সিল তিয়াগ কৰিলে, সেয়ে চুকৰ প্ৰধান সিল হল, এনে
লিখা বচনৰ অৰ্থ কি? ১৮ সেই সিলৰ ওপৰত জি কোনো পৰিব, সি ভগন
হব; কিন্তু জাৰ ওপৰত সেই সিল পৰিব, তাক খুন্দি গুৰি কৰিব।

১৯ প্ৰধান পোৰোহিত আৰু অধ্যাপকবিলাকে সিহঁতৰ অহিতে তেঁও এই
পটন্তৰ কোআ জানি, সেই ডাঁৰতেই তেঁওক হাতেৰে ধৰিবলৈ চল বিচাৰি-
লে, কিন্তু মানুহবিলাকলৈ ভই কৰিলে। ২০ এই হেতুকে সিবিলাকে তেঁও-
লৈ থাপ দি তেঁওৰ কথাত দাই ধৰি তেঁওক দেসাধিপতিৰ হাত আৰু সাস-
নত জেন সোধাব পাৰে, এই নিমিতে সাধুৰ বেস ধৰা কেতবিলাক চৰিয়া

মানুহক তেঁওৰ ওচৰলৈ পঁাচিলে। ২১ পাচে সিহঁতে তেঁওত সুধিলে, হে গুৰু,
আপুনি স্বৰুপ মতে কথা আৰু উপদেস সিকাইচে, আৰু কাতো চাটু নকৰি
সত্য ৰুপে ইশ্বৰৰ পথ দেখাইচে ইয়াক আমি জানোঁ। ২২ কৈচৰৰ ৰজাক
আমি কৰ দিব লগা হইঁ নে, নহই? ২৩ তেঁও সিহঁতৰ চল বুজি সিহঁতত
কলে, তোমোলাকে কিয় মোৰ পৰিখা চাইচা? ২৪ মোক এটা সিকি দে-
খাই দিয়া। ইয়াত কাৰ মুৰ্ত্তি আৰু নাম লিখা আচে? সিহঁতে সমিধান
দি কৈচৰৰ বুলি কলে। ২৫ তেতিয়া তেঁও সিহঁতত কলে, তেন্তে জি কৈচ-
ৰৰ, তাক কৈচৰক দিয়া, আৰু জি ইশ্বৰৰ তাক ইশ্বৰক দিয়া। ২৬ তাতে
সিহঁতে লোকবিলাকৰ আগত তেঁওৰ কথাত দোস ধৰিব নোআৰি তেঁওৰ
উত্তৰত বিস্মই হৈ নিজম দি থাকিল।

২৭ পাচে মৰা লোকৰ পুনৰ উঠান আসৈ কৰা কেতবিলাক চিদুকিএ
তেঁওৰ ওচৰলৈ আহি সুধিলে, ২৮ হে গুৰু, কোনো মানুহৰ তিৰোতা থকা
ককাই ভাইৰ সন্তান নাই কিয়াকৈ জদি মৰে, তেন্তে ভায়েকে সেই তিৰো-
তাক বিয়া কৰি আপোনাৰ ককায়েকলৈ বঙ্গহ ওপজাব, মোচাই আমালৈ
এনে বিধান লিখি দিলে। ২৯ কোনো সাত জন ভাই ককাই আচিল;
সিবিলাকৰ মাজৰ বৰটোএ তিৰোতা বিয়া কৰি অপুত্ৰকা হৈ মৰিল।
৩০ তাতে দুতিয়টে সেই তিৰোতাক বিয়া কৰি সিও অপুত্ৰক হৈ মৰিল।
৩১ পাচে ত্ৰিতিয়টেও তাইক বিয়া কৰিলে; ক্ৰমে সাতো জনে সেই ৰুপে
কৰি সন্তান নাই কিয়াকৈ মৰিল। ৩২ সকলোৰে পাচত তিৰোতাও মৰিল।
৩৩ তেন্তে পুনৰ উঠানৰ কালত সিবিলাকৰ মাজত তাই কাৰ তিৰোতা হব?
কিয়নো সাতো জনে তাইক বিয়া কৰিলে। ৩৪ তাতে য়িচুএ সিবিলাকক
উত্তৰ দি কলে, এই জগতৰ লোকে বিয়া কৰে, বিয়া দিয়া হৈচে; ৩৫ কিন্তু
জিবিলাক সি জগত আৰু মিত্যুৰ পুনৰ উঠান পাবৰ জোগ্য গনা হব,
সিবিলাকে বিয়া নকৰে, বিয়া দিয়াও নহই। ৩৬ আৰু সিবিলাক আকও
নমৰে, কিন্তু দুতবিলাকৰ নিচিনা, আৰু পুনৰ উঠানৰ পাত্ৰ হৈ ইশ্বৰৰ সন্তান
হই। ৩৭ আৰু মোচাও জোপাৰ কথাত প্ৰভুক আব্ৰাহামৰ ইশ্বৰ, ইচাকৰ
ইশ্বৰ, য়াকোবৰ ইশ্বৰ বুলি মতাত মিত্যু লোক উঠিব, ইয়াৰ প্ৰমান দেখাই-
চে; ৩৮ কিয়নো তেঁও মৰাবিলাকৰ ইশ্বৰ নহই, জিয়াবিলাকৰহে ইশ্বৰ,
তেঁওৰ আগত সকলো জিয়াই আচে। ৩৯ তাতে কোনো অধ্যাপকবিলা-
কে সমিধান দি কলে, হে গুৰু, আপুনি ভাল কৈচে। ৪০ তাৰ পাচে তেঁওত
কোনো কথা সুধিবলৈ সিবিলাকৰ সাহ নহল।

৪১ আৰু তেঁও সিবিলাকত কলে, খ্ৰিষ্ট জে দায়িদৰ সন্তান, ইয়াক কে-
নেকৈ বোলে? ৪২ কিয়নো দায়িদে আপুনি গিতৰ পুথিত এই কথা কৈচে;
প্ৰভুএ মোৰ প্ৰভুত কলে, মই জেতিয়ালৈকে তোমাৰ সত্ৰুবিলাকক তোমাৰ
ভৰিৰ পিৰা নকৰোঁ, ৪৩ তেতিয়ালৈকে মোৰ সোঁ হাতে বহি থাকা। ৪৪ এই

ৰূপে দাৱিদে তেঁওক প্ৰভু বোলে, তেন্তে তেঁও কেনেকৈ দাৱিদৰ সন্তান হব
পাৰে? ৪৫ পাচে আটাই মানুহে সুনাকৈ তেঁও সিস্যবিলাকত এই কথা
কলে, ৪৬ জিবিলাকে দিঘল কাপৰ পিন্ধি ফুৰি ভাল পাই, আৰু হাট
বজাৰত নমস্কাৰ, নাম ঘৰত প্ৰধান আসন, ভোজত ওখ ঠাই, এই সকলো-
লৈ ইচা কৰে; ৪৭ আৰু কপটেৰে দিঘল প্ৰাৰ্থনা কৰি বাঁৰিবিলাকৰ ঘৰ
বন্ধ লুৰি খাই, এনে জি অধ্যাপক, সিইঁতলৈ সাৱধান হোআ; সিইঁতে
অধিক দণ্ড পাব।

## ২১ আধ্যা।

পাচে তেঁও চকু তুলি চাই ধনৱন্ত লোকক ভঁৰালত দান সুমাই থোআ
দেখিলে; ২ আৰু এজনি দুখিয়া বাঁৰিএ তাত দুই পাই সুমাই থোআও
দেখিলে। ৩ তাতে তেঁও কলে, মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, সেই আ-
টাইবিলাকতকৈ এই দুখিয়া বাঁৰিএ অধিককৈ দিলে; ৪ কিয়নো সিবিলাক
সকলোএ আপোন আপোন বহু ধনৰ পৰা ইশ্বৰৰ দানৰ মাজত কিচু কিচু
দিলে; কিন্তু তাই আপোনাৰ দৰিদ্ৰ অৱস্থাৰ পৰা জিবিকালৈ জি আ-
চিল, সেই সকলোকে দিলে।
৫ উত্তম সিলেৰে আৰু উচৰ্গা দানেৰে মন্দিৰ কেনে বিভুসিত হৈচে, এই
কথা কোনো লোকে বোলাত তেঁত কলে, ৬ তোমোলাকে এই জি জি দে-
খিচা, সিলৰ ওপৰত সিল নথকাকৈ সকলোকে পেলোআ হব, এনে কাল
আহিচে। ৭ তেতিয়া সিবিলাকে তেঁওত সুধিলে, হে গুৰু, এইবিলাক কথা
কেতিয়া হব? আৰু এইবিলাক ঘটিবৰ চিন কি? ৮ তাতে তেঁও কলে,
তোমোলাক জেন ভুলুআ নহবা, এই নিমিত্তে সাৱধান হোআ; কিয়নো
মোৰ নামেৰে অনেকে আহি, মই খ্ৰিস্ট, আৰু কাল ওচৰ, ইয়াকে বুলি
কব; কিন্তু তোমোলাকে সিইঁতৰ পাচে নেজাবা। ৯ আৰু জেতিয়া তোমো-
লাকে ৰন আৰু হুৰা মুৰাৰ বাত্ৰা সুনা, তেতিয়া তোমোলাক ভয়াতুৰ নহবা,
কিয়নো এই সকলো আগেএ ঘটিব লগা; কিন্তু সোন কালে সেস নহই।
১০ আৰু তেঁও কলে, দেসৰ বিৰোধে দেস, ৰাজ্যৰ বিৰোধে ৰাজ্য উঠিব;
১১ আৰু ঠায়ে ঠায়ে বৰ ভুঁইকপ, আঁকাল, মাউৰ হব; আৰু আকাসত
ভয়ঙ্কৰ দৰ্সন আৰু মহা চিন দেখা জাব। ১২ কিন্তু এইবিলাক ঘটিবৰ আ-
গৈএ সিইঁতে তোমোলাকৰ ওপৰত হাত দি তাৰনা কৰিব; নাম ঘৰত আৰু
বন্দিসালত সোধাই দিব; আৰু তোমোলাক মোৰ নামৰ নিমিত্তে ৰজা আৰু
অধিকাৰবিলাকৰ আগলৈ নিয়া হবা। ১৩ সাখি হবৰ নিমিত্তে এই সক-
লো কথা তোমোলাকলৈ ঘটিব। ১৪ কিন্তু তোমোলাকে কি উত্তৰ দিবা,
তাৰ নিমিত্তে চিন্তা নকৰিবা, ইয়াকে মনত নিচই কৰা; ১৫ কিয়নো তো-

মোলাকৰ সত্রুএ জিহৰ উতৰ বা বাধা কৰিব নোআৰে, এনে চতুৰালি
আৰু গিয়ান মই তোমোলাকক দিম। ১৬ আৰু তোমোলাক মাক বাপেক,
ভাই ককাই, গিয়াতি বন্ধু, এই সকলোৰে দোআৰাই লোকৰ হাতত সো-
ধাই দিয়া হবা; তাতে তোমোলাকৰ কেতবোৰক সিইঁতে বধ কৰাব। ১৭ আৰু
মোৰ নামৰ নিমিত্তে সকলোএ ঘিন কৰা হবা; ১৮ কিন্তু তোমোলাকৰ
মুৰৰ এডালি চুলিও নষ্ট নহব। ১৯ ধৌর্জ্জেৰে তোমোলাকে আপোন আ-
পোন প্রান ৰখ্যা কৰিবা।

২০ আৰু জেতিয়া সৈন্যবিলাকে য়িৰুচালমক বেৰি ধৰা দেখিবা, তেতিয়া
তাৰ উচন হোআৰ সমই ওচৰ হৈচে, ইয়াকে জানিবা। ২১ তেতিয়া য়িহুদা
দেসত থকা লোকবিলাকে পর্বতলৈ পলাই জাওক; নগৰৰ মাজত থকাবি-
লাকে ওলাই জাওক; আৰু চহৰত থকা লোকে তাৰ ভিতৰলৈ নোসোমা-
ওক। ২২ কিয়নো সেয়েই উচিত দণ্ড দিবৰ সমই, তাতে তাৰ জি কথা
লিখা আচে, সকলো সিধি হব। ২৩ কিন্তু সেই কালত গর্ভৱতি আৰু
পিয়াহ দিয়া তিৰোতাবিলাকৰ সন্তাপ হব; কিয়নো দেসত অতিসই দুখ
আৰু এই লোকবিলাকৰ ওপৰত ক্রোধ হব। ২৪ সিবিলাক তৰোআলৰ
মুখৰ দোআৰাই পৰিব, আৰু বন্দিকৈ সকলো দেসৰ মাজলৈ নিয়া হব;
আৰু বিদেসি লোকৰ কাল সম্পুর্ন নহই মানলৈকে য়িৰুচালম নগৰ বিদেসি
লোকৰ ভৰিৰ তলত গচকা হব। ২৫ তেতিয়া সুর্জ্য, আৰু চন্দ্র, আৰু তৰাবি-
লাকত চিন ওলাব; প্রিথিবিতো দেসবিলাকৰ দুখ আৰু দুৰ ভাবনা, সা-
গৰ আৰু তাৰ ঢৌৰ তর্জন গর্জন হব; ২৬ আৰু প্রিথিবিত জি জি হব,
তাক চিন্তা কৰি ভয়েৰে মানুহবিলাকৰ মন বিমুর্চ্চিত হব; কিয়নো আকা-
সৰ সক্তিবিলাক লৰোআ হব। ২৭ তেতিয়া মহিমা আৰু বৰ প্রভাৱেৰে
মানুহৰ পুত্রক মেঘত আহিবৰ দেখিব। ২৮ এইবিলাক কথা ঘটিবৰ আৰম্ভন
হলে, তেতিয়া মুৰ দাঙ্গি ওপৰলৈ চোআ, কিয়নো তোমোলাকৰ মুক্তিৰ
সমই ওচৰ চাপিচে।

২৯ পাচে তেঁও সিবিলাকত এক পটন্তৰ দি কলে, ডিমৰু আদি সকলো
গচ দেখা; ৩০ সেইবিলাকে জেতিয়া কুঁহি পাত মেলে, তেতিয়া ঘাম কালিৰ
ওচৰ হই, তাক তোমোলাকে আপুনি জানা। ৩১ সেই ৰূপে জেতিয়া তোমো-
লাকে এইবিলাক কথা ঘটিবৰ দেখিবা, তেতিয়া ইস্বৰৰ ৰাজ্য ওচৰ পাই-
চেহি, ইয়াকে জানিবা। ৩২ মই তোমোলাকত স্বৰূপকৈ কৈচোঁ, এই বর্ত্তমান
কালৰ মানুহ জোআৰ আগৈএ সকলো ঘটিব। ৩৩ আকাস আৰু প্রিথিবি
গুচিব, তথাপি মোৰ কথা নুগুচে। ৩৪ এই হেতুকে অনুচিত ভোজন পান
আৰু সংসাৰিক চিন্তাৰে তোমোলাকৰ মন মতলিয়া হোআত, ভাবনা নকৰা
সময়ত সেই দিন তোমোলাকলৈ জেন নাহিব, এই নিমিত্তে আপোনাৰ
কাৰনে সাৱধানে থাকিবা। ৩৫ কিয়নো প্রিথিবিত থকা সকলোৰে ওপ-

ৰত সেই দিন ফান্দৰ নিচিনা আহিব। ৩৬ তোমোলাকে এই ঘটিব লগা
সকলো কথাৰ পৰা সাৰিবলৈ আৰু মানুহৰ পুত্ৰৰ আগত থিয় হবলৈ
জোগ্য জেন গনা হোআ, এই নিমিত্তে সাৱধান হৈ সদাই প্ৰাৰ্থনা কৰি
থাকিবা।

৩৭ দিনতে তেঁও মন্দিৰত উপদেস দিচিলে, আৰু ৰাতিত বাহিৰলৈ গৈ
জল্‌ফাই পৰ্বতত থাকিল। ৩৮ আৰু ৰাতি পুআ সকলো লোকে তেঁওৰ
কথা সুনিবলৈ সোন কালে মন্দিৰলৈ গৈ গৈ আচিল।

## ২২ আধ্যা।

পাচে নিস্তাৰ নামেৰে ফেনি নোহোআ পিঠাৰ পৰ্বৰ সমই ওচৰ হলত,
২ প্ৰধান পোৰোহিত আৰু অধ্যাপকবিলাকে কি ৰুপে তেঁওক বধ কৰিব
পাৰে, ইয়াৰ উপাই বিচাৰিলে, কিন্তু মানুহবিলাকলৈ ভই কৰিলে। ৩ তেতিয়া
বাৰে জন সিস্যৰ মাজৰ ইস্কৰিওতিয়া উপনাম হোআ জি য়িহুদা, তাৰ
ভিতৰত চইতান সোমাল; ৪ পাচে সি গৈ, কি ৰুপেৰে য়িচুক সিহঁতৰ
হাতত দিব পাৰে, এই কথাত প্ৰধান পোৰোহিত আৰু সেনাপতিবিলাকে
সৈতে আলচ কৰিলে। ৫ তেতিয়া সিহঁতে আনন্দ পাই তাক ধন দিবলৈ
নিৰ্বন্ধ কৰিলে। ৬ তাতে সি কথা বান্ধি মানুহবিলাক নথকাত সিহঁতৰ
হাতত তেঁওক দিবলৈ চল পোআৰ কাল বিচাৰিলে।

৭ পাচে ফেনি নোহোআ পিঠাৰ জি দিনত নিস্তাৰ পৰ্বলৈ মেৰক মা-
ৰিব লগা, সেই দিন হলত তেঁও পিতৰ আৰু য়োহানক পঠাই দি কলে,
৮ তোমোলাকে গৈ আমি ভোজন কৰিবৰ নিমিত্তে নিস্তাৰ পৰ্বৰ বস্তু
জুগুত কৰা। ৯ তাতে সিবিলাকে সুধিলে, আমি কত জুগুত কৰিবলৈ আ-
পোনাৰ ইচা আচে? ১০ তেতিয়া তেঁও কলে, দেখা, নগৰৰ ভিতৰত সো-
মালতেই পানি একলহ বৈ জাঁওতা এটা মানুহে তোমোলাকৰ লগ পাব;
১১ সি জি ঘৰলৈ সোমাই, তোমোলাকেও তাৰ পাচে সেই ঘৰত সোমাই
ঘৰৰ গিৰিহতত কবা, গুৰুএ তোমাত কৈচে, মই জি ঠাইত সিস্যবিলাকে
সৈতে নিস্তাৰ পৰ্বৰ ভোজ খাম, সেই আলহি খোটালি কত? ১২ তাতে
সেই মানুহে সজোআ এখান ওপৰৰ ডাঙ্গৰ খোটালি তোমোলাকক দেখাই
দিব; তাতে তোমোলাকে জুগুত কৰাগৈ। ১৩ তেতিয়া সিবিলাকে গৈ,
তেঁও জেনেকৈ কৈচিল, সেই ৰুপে সকলোকে পাই নিস্তাৰ পৰ্বৰ ভোজ
জুগুত কৰিলে।

১৪ পাচে সমই হলত য়িচুএ বাৰে জন পাঁচনিএ সৈতে ভোজনত বহিল।
১৫ তেতিয়া তেঁও সিবিলাকত কলে, মোৰ দুখ ভোগৰ আগৈএ তোমোলা-
কে সৈতে এই নিস্তাৰ পৰ্বৰ ভোজ খাবলৈ মই অতিসই ইচা কৰিলোঁ।

১৬ কিয়নো মই তোমোলাকত কৈচোঁ, ইশ্বৰৰ ৰাজ্যত সিধি নহই মানলৈকে
এই ভোজ মই আৰু নেখাঁও। ১৭ পাচে তেঁও পান পাত্র হাতত লৈ
স্তুতি কৰি সিবিলাকত কলে, ইয়াকে লৈ আপোনাৰ মাজত ভাগ কৰা;
১৮ তোমোলাকত মই কৈচোঁ, ইশ্বৰৰ ৰাজ্য নহই মানে মই আৰু লতা
পনিয়ালৰ ৰস নেখাঁও। ১৯ আৰু পিঠা লৈ তেঁও স্তুতি কৰি তাক ভাঙ্গি
সিবিলাকক দি কলে, তোমোলাকৰ নিমিত্তে দিয়া জি মোৰ সৰিল, সেয়ে
এই; মোক সুঁঅৰিবৰ নিমিত্তে ইয়াকে কৰা। ২০ ভোজন কৰা হলত
সেই ৰূপে পান পাত্রকো লৈ কলে, তোমোলাকৰ নিমিত্তে উলিউআ মোৰ
তেজৰ দোআৰাই জি নতুন নিয়ম, এই পাত্র সেই।

২১ কিন্তু দেখা, জি জনে মোক লোকৰ হাতত সোধাই দিব, তাৰ হাত
মোৰে সৈতে মেজতে আচে। ২২ আৰু জেনেকৈ নিৰূপন কৰা হৈচিল,
সেই ৰূপে মানুহৰ পুত্রৰ গতি অৱস্য হব; কিন্তু জি জনৰ দোআৰাই
তেঁওক সোধাই দিয়া হব, সেই জনৰ সন্তাপ! ২৩ তাতে সিবিলাকৰ মাজত
কোনে এই কৰম কৰিব, তাকে ইজনে সিজনে সুধিবলৈ ধৰিলে।

২৪ আৰু সিবিলাকৰ মাজত কোন জন বৰ বুলি মনা হব, এই কথাত
সিবিলাকৰ বিবাদ হৈচিল। ২৫ এই কাৰনে তেঁও সিবিলাকত কলে, বি-
দেসি লোকৰ ৰজা সকলে সিঁবিলাকৰ ওপৰত সাসন কৰে, আৰু সিবিলা-
কৰ ওপৰত জি লোকে সক্তি পাই, সিবিলাকক উপকাৰি বোলা জাই।
২৬ কিন্তু তোমোলাক সেই ৰূপ নহবা; তোমোলাকৰ মাজত জি জন ডাঙ্গৰ,
সি সৰুৰ নিচিনা হওক, আৰু জি প্রধান, সি সেৱকৰ নিচিনা হওক।
২৭ ভোজনত বহা জন ডাঙ্গৰ নে, পৰিচাৰক ডাঙ্গৰ? কিন্তু তোমোলাকৰ
মাজত মই পৰিচাৰকৰ নিচিনা হৈ আচোঁ। ২৮ তোমোলাক মোৰ পৰি-
খাৰ কালত মোৰ লগত থাকি আচা, ২৯ এয়েৰেই মোৰ পিত্রিএ জেনেকৈ
মোলৈ এক ৰাজ্য নিজোজন কৰি থৈচিল, সেই ৰূপে তোমোলাকলৈকো মই
এক ৰাজ্য নিজোজন কৰি থৈচোঁ; ৩০ তাতে তোমোলাকে মোৰ ৰাজ্যত
থকা মেজৰ পৰা ভোজন পান কৰিবা, আৰু সিংহাসনত বহি ইস্রাএলৰ
বাৰে ফৈদৰ বিচাৰ কৰিবা।

৩১ পাচে প্রভুএ বুলিলে, হে চিমোন, চিমোন, দেখা, ধান চলাৰ দৰেই
চইতানে তোমোলাকক চালিবলৈ উপাই বিচাৰিচে; ৩২ কিন্তু তোমাৰ
বিস্বাস জেন লোপ নহব, মই তোমাৰ নিমিত্তে এই প্রার্থনা কৰিলোঁ; আৰু
তোমাৰ মন পালটালত ভাইবিলাকৰ মনকো থিৰ কৰা। ৩৩ পাচে সি
তেঁওত কলে, হে প্রভু, তোমাৰে সৈতে বন্দিসাল আৰু মৰনলৈকো জাবলৈ মই
জুগুত হৈ আচোঁ। ৩৪ তাতে তেঁও কলে, হে পিতৰ, মই তোমাত কৈচোঁ,
তুমি জে মোক চিনিচা, ইয়াকে তিনি বেলি আসৈ কৰাৰ আগেএ আজি
কুকুৰাই ডাক নিদিব।

৩৫ পাচে তেঁও সিবিলাকত কলে, মোনা, জোলোঙ্গা, আৰু পইজাৰ নো-
লোআকৈ জেতিয়া তোমোলাকক পঠাইচিলোঁ, তেতিয়া তোমোলাকৰ কিহ-
বাৰ নাটনি হৈচিল নে? সিবিলাকে বুলিলে, একোৰো নাচিল। ৩৬ তাতে
তেঁও সিবিলাকত কলে, কিন্তু এতিয়া জাৰ মোনা, সি তাক লওক, জোলোঙ্গাও
লওক, আৰু জাৰ তৰোআল নাই, সি আপোনাৰ কাপৰ বেচি এখন কি-
নোক। ৩৭ কিয়নো মই তোমোলাকত কৈচোঁ, তেঁও পাপিৰ লগত গনা হল,
এই জি লিখা বচন, সেয়ে মোত ঘটিব; কিয়নো মোৰ সমন্ধি হোআ সক-
লো কথা সিধি হব। ৩৮ তেতিয়া সিবিলাকে বুলিলে, হে প্রভু, দেখা, এই
দুখন তৰোআল আচে। তেঁও কলে, সেয়ে জুৰিব।

৩৯ পাচে তেঁও তাৰ পৰা বাহিৰলৈ আহি আপোনাৰ আচাৰৰ দৰে জল্-
ফাই পর্ব্বতলৈ জোআত সিস্যবিলাকো তেঁওৰ পাচত গল। ৪০ সেই ঠাই পা-
লত তেঁও সিবিলাকত কলে, পৰিখাত জেন নপৰা, এই নিমিত্তে প্রার্থনা
কৰা। ৪১ পাচে সিলৰ এটা দলি মানৰ আঁতৰ হৈ তেঁও আঁঠু পাৰি
প্রার্থনা কৰি কলে, ৪২ হে পিত্রি, জদি তোমাৰ ইচা হই, তেন্তে এই পান
পাত্র মোৰ ওচৰৰ পৰা দুৰ কৰা; তথাপি মোৰ ইচা নহওক, তোমাৰহে
ইচা হওক। ৪৩ তেতিয়া স্বৰগৰ পৰা এজন দুতে তেঁওক দেখা দি সক্তি দান
কৰিলে। ৪৪ পাচে তেঁও জাতনাৰে বিয়াকুল হৈ অতিসই ৰুপে আৰু প্রার্থনা
কৰিলে; তাতে তেজৰ বৰ বৰ টোপাৰ নিচিনা তেঁওৰ ঘাম মাটিলৈ বৈ গল।
৪৫ পাচে প্রার্থনাৰ পৰা উঠি সিস্যবিলাকলৈ আহি সিবিলাকক মনৰ দুখৰ
নিমিত্তে টোপনিয়াই থাকিবৰ দেখি, ৪৬ তেঁও সিবিলাকত কলে, তোমো-
লাকে কিয় টোপনিয়াইচা? পৰিখাত নপৰিবলৈ উঠি প্রার্থনা কৰা।

৪৭ এইবিলাক কথা কঁওতেই এজুম মানুহক দেখা, আৰু বাৰে জন সিস্যৰ
মাজৰ য়িহুদা নামেৰে এজনে সিবিলাকৰ আগত আহি, য়িচুক চুমা দিবৰ
নিমিত্তে তেঁওৰ ওচৰ চাপিলহি। ৪৮ তাতে য়িচুএ কলে, হে য়িহুদা, তুমি
চুমাৰে সৈতে মানুহৰ পুত্রক পৰৰ হাতত সোধাই দিচা নে? ৪৯ পাচে জি
জি হব, ইয়াকে বুজি তেঁওৰ লগৰবিলাকে কলে, হে প্রভু, আমি তৰোআ-
লেৰে মাৰিম নে? ৫০ আৰু সিবিলাকৰ এজনে বৰ পোৰোহিতৰ এটা
বন্দিক মাৰি তাৰ সোঁ কান কাটি পেলালে। ৫১ তাতে য়িচুএ সমিধান দি
কলে, এতিয়া এৰি দিয়া; পাচে তাৰ কান খন চুই তাক স্বস্থ কৰিলে।
৫২ তেতিয়া আপোনাৰ ওচৰলৈ অহা প্রধান পোৰোহিত, মন্দিৰৰ সেনা-
পতিবিলাক আৰু ব্রিধ লোকত য়িচুএ কলে, তোমোলাকে তৰোআল আৰু
টাঙ্গোন লৈ চোৰ ধৰাৰ নিচিনাকৈ আহিচা নে? ৫৩ জেতিয়া মই নিতৌ
তোমোলাকৰ লগত মন্দিৰত আচিলোঁ, তেতিয়া মোক ধৰিবলৈ হাত মেলি
নিদিলা; কিন্তু এতিয়া তোমোলাকৰ আৰু এন্ধাৰৰ পৰাক্রমৰ সময় হৈচে।

৫৪ পাচে সিহঁতে তেঁওক ধৰি বৰ পোৰোহিতৰ ঘৰলৈ আনিলে; আৰু

পিতৰে দুৰে দি তেঁওৰ পাচে পাচে গল। ৫৫ আৰু চৰা ঘৰৰ মাজত
সিইঁতে জুই জালি একে লগে বহি থকাত পিতৰেও সিইঁতৰ লগত বহিল।
৫৬ এই ৰুপে জুইৰ ওচৰত বহি থাকোঁতে বেটি এজনিএ তাক দেখি একে
ঠৰে চাই কলে, এই মানুহো তেঁওৰ লগত আচিল। ৫৭ তাতে সি আসৈ
কৰি কলে, হে তিৰি, মই তেঁওক নিচিনোঁ। ৫৮ কিচু কালৰ পাচে আৰু
এজনে তাক দেখি বুলিলে, তুমিও সিবিলাকৰ মাজৰ এজন। তাতে পিতৰে
কলে, হে মানুহ, মই নহঁও। ৫৯ এক ঘণ্টা মান বেলিৰ পাচে আন
এজনে নিচই ৰুপে কলে, স্বৰুপ ইও তেঁওৰ লগৰ এজন; কিয়নো ই গালি-
লিয়া লোক। ৬০ তেতিয়া পিতৰে বুলিলে, হে মানুহ, তুমি জি কৈচা, মই
তাক নেজানোঁএই। এই কথা কলত তেতিয়াই কুকুৰাই ডাক দিলে।
৬১ তাতে প্রভুএ ঘুৰি পিতৰলৈ চালত, কুকুৰাই ডাক দিয়াৰ আগেএ তুমি
তিনি বেলি মোক আসৈ কৰিবা, এই জি কথা প্রভুএ তাত কৈচিল,
৬২ তাক সুঁঅৰি পিতৰে বাহিৰলৈ গৈ অতি খেদেৰে ক্রন্দন কৰিলে।
৬৩ পাচে য়িচুক ৰখিয়াইঁতে বিগতি কৰি তেঁওক মাৰ কিল কৰিলে;
৬৪ আৰু কাপৰেৰে চকু বান্ধি তেঁওৰ গালত চৰ মাৰি সুধিলে, তোমাক
কোনে মাৰিলে, ইয়াক গননা কৰি কোআ। ৬৫ তাত বাহিৰে সিইঁতে
আৰু অনেক অনেক নিন্দা কথা তেঁওৰ অহিতে কলে।
৬৬ দিন হলত মানুহবিলাকৰ ব্রিধ লোক, প্রধান পোৰোহিত, আৰু
অধ্যাপকবিলাকে গোট খাই সভাৰ মাজলৈ তেঁওক আনি সুধিলে, তুমি
খ্রিষ্ট হোআ নে? ইয়াক আমাত কোআ। ৬৭ তাতে তেঁও উতৰ কৰিলে,
মই তোমোলাকত জদি কঁও, তথাপি তোমোলাকে মোত বিস্বাস নকৰিবা।
৬৮ আৰু মই তোমোলাকত কোনো কথা সুধিলে উতৰো নিদিবা, মোক
মুকলিও নকৰিবা। ৬৯ ইয়াৰ পাচে মানুহৰ পুত্র ইস্বৰৰ মহিমাৰ সোঁ
হাতে বহি থাকিব। ৭০ তাতে সিইঁত সকলোএ কলে, তেন্তে তুমি ইস্বৰৰ
পুত্র হোআ নে? তেঁও বুলিলে, হোআ বুলি তোমোলাকে স্বৰুপ কৈচা।
৭১ তেতিয়া সিইঁতে কলে, আমাৰ আন সাখিত কি প্রয়োজন আচে?
ইয়াৰ আপোন মুখৰ পৰাই সুনিলোঁ।

## ২৩ আধ্যা।

পাচে সিবিলাকৰ আটাই সমুহ উঠি পিলাতৰ আগলৈ তেঁওক লৈ গৈ, অপ-
বাদ দি বুলিব ধৰিলে, ২ আপোনাক খ্রিষ্ট নামে ৰজা বুলি, দেস খনৰ
মানুহক কুপথে প্রবর্তোআ, আৰু কৈচৰক কৰ দিবলৈ নিসেধ কৰা এই মানু-
হক পালোঁ। ৩ তেতিয়া পিলাতে তেঁওত সুধিলে, তুমি য়িহুদিবিলাকৰ ৰজা
হোআ নে? তাতে তেঁও উতৰ কৰিলে, তুমি স্বৰুপ কৈচা। ৪ তেতিয়া পি-

লাতে প্রধান পোৰোহিত আৰু লোকবিলাকত কলে, এই মানুহত একো দোস
নেপাওঁ। ৫ পাচে সিহঁতে আৰু বুকু ডাঠকৈ কলে, এই মানুহে গালিলৰ
পৰা ইয়ালৈকে য়িহুদা দেস খনতে উপদেস দি সকলো মানুহক জোকাৱে।
৬ পিলাতে গালিলৰ নাম সুনি, এঁও গালিলিয়া মানুহ নে, ইয়াকে সুধিলে।
৭ পাচে তেঁও হেৰোদ ৰজাৰ অধিন হোআ জানি, য়িৰুচালম নগৰত হে-
ৰোদ সেই সময়ত থকাত তেঁওক তাৰ ঠাইলৈ পঠাই দিলে। ৮ তেতিয়া
হেৰোদে য়িচুক দেখি বৰ সন্তোস পালে, কিয়নো সি তেঁওৰ অনেক অনেক
কথা সুনাত বহু কালৰে পৰা তেঁওক দেখিবলৈ ইচা কৰিচিল, আৰু তেঁওৰ
কোনো আচৰিত কৰম জেন দেখা পাই, এই আসা কৰিলে। ৯ তেতিয়া
তেঁওক অনেক অনেক কথা সুধিলে, কিন্তু তেঁও তাৰ একো উতৰ নিদিলে।
১০ আৰু প্রধান পোৰোহিত অধ্যাপকবিলাকে থিয় হৈ বৰকৈ তেঁওক
অপবাদ দিবলৈ ধৰিলে। ১১ পাচে হেৰোদে আপোনাৰ সেনাবিলাকে
সৈতে তেঁওক ইতিকিঙ্গ কৰি ৰাজ জোগ্য বস্ত্র পিন্ধাই, পিলাতৰ তলৈ আ-
কও পঠাই দিলে। ১২ হেৰোদ আৰু পিলাত দুইৰো মাজত আগেএ বি-
ৰোধ আচিল, কিন্তু সেই দিনতে মিল কৰা হল।

১৩ পাচে পিলাতে প্রধান পোৰোহিত, অধিকাৰ, আৰু লোকবিলাকক
একে ঠাইলৈ মাতি আনি সিবিলাকত কলে, ১৪ লোকবিলাকক কুপথে নিয়া
জন বুলি এই মানুহক মোৰ ওচৰলৈ আনিলা; কিন্তু দেখা, তোমোলাকৰ
আগতে তেঁওক বিচাৰ কৰি তোমোলাকে অপবাদ দিয়া কথাত তেঁওৰ একো
দোস নেপালোঁ। ১৫ হেৰোদেও নেপালে; তেঁওলৈ তোমোলাকক পঠালোঁ,
কিন্তু দেখা, ম্রিত্যুৰ জোগ্য একো দণ্ড কৰা নহল। ১৬ এই হেতুকে ইয়াক
সাস্তি কৰি এৰি দিম। ১৭ সেই পৰ্ব্বৰ কালত সিহঁতলৈ এটাক মুকলি কৰি
দিব লগিয়া আচিল। ১৮ এই হেতুকে সকলোএ একে বেলিএ এটাহ
পাৰি কলে, ইয়াক নিওক, আমালৈ বৰাবাক মুকলি কৰোক। ১৯ সেই
বৰাবাই নগৰৰ মাজত দ্রোহ আৰু বধ কৰাৰ কাৰনে বন্দিসালত থোআ
আচিল। ২০ তাতে পিলাতে য়িচুক মুকলি কৰিবলৈ ইচা কৰি, সিবিলা-
কৰ আগত আকও মাত লগাই কলে। ২১ কিন্তু সিহঁতে এটাহ পাৰি
বুলিলে, পেৰেঙ্গনিত মাৰোক, পেৰেঙ্গনিত মাৰোক। ২২ তাতে তেঁও ত্রি-
তিয় বাৰো সিহঁতত কলে, কি কাৰন? সি কি দোস কৰিলে? এঁওত ম্রিত্যু
দণ্ডৰ কাৰন মই পোআ নাই; এই হেতুকে সাস্তি কৰি এৰি দিম। ২৩ তথা-
পি তেঁওক জেন পেৰেঙ্গনিত তুলি মৰা হব, সিহঁতে এটাহ পাৰি উচটালে।
২৪ তাতে সিবিলাক আৰু প্রধান পোৰোহিত সকলৰ এৰাৱে জিনিলত পি-
লাতে সিহঁতৰ প্রার্থনাৰ দৰে কৰিবলৈ আগ্যা দিলে। ২৫ পাচে দ্রোহ
আৰু বধ কৰাৰ কাৰনে বন্দিসালত থোআ জি জনক সিহঁতে খুজিলে, তাক
মুকলি কৰিলে, কিন্তু য়িচুক সিহঁতৰ ইচাত সোধাই দিলে।

২৬ পাচে সিহঁতে তেঁওক লৈ জাঁওতে চহৰৰ পৰা আহোঁতা চিমোন না-
মেৰে এজন কুৰিনি মানুহক ধৰি, য়িচুৰ পাচে লৈ জাবৰ নিমিত্তে তাৰ
কানত পেৰেঙ্গনি দিলে । ২৭ তাতে বৰ এজুম মানুহ আৰু সিবিলাকৰ মা-
জত তেঁওলৈ ক্রন্দন আৰু বিলাপ কৰা অনেক তিৰোতাও তেঁওৰ পাচে পাচে
গল । ২৮ কিন্তু য়িচুএ মুখ ঘুৰাই সিবিলাকত কলে, হে য়িৰুচালমৰ জিয়া-
ৰিবিলাক, মোৰ নিমিত্তে নেকান্দিবা, আপোনালৈ আৰু আপোন আপোন
লৰাবিলাকলৈ ক্রন্দন কৰা । ২৯ দেখা, জি কালত বাঁজি লোক, আৰু সন্তান
নোহোআ গর্ভ, আৰু লৰাই নোখোআ পিয়াহ ধন্য বুলিব, এনে কাল আ-
হিচে । ৩০ তেতিয়া পর্বতবিলাকক বুলিব, আমাৰ ওপৰত পৰা, ঢোকা পর্ব-
তক বুলিব, আমাক ঢাকি ধৰা । ৩১ কিয়নো কেঁচা গচত এনে কৰম কৰা
হলে, সুকান গচত কি কৰা হব? ৩২ সেই কালত দোস কৰা আন দুজন
মানুহক তেঁওৰ লগত বধিবলৈ লৈ জোআ হল ।

৩৩ পাচে মুৰৰ খোলা নামে এখান ঠাই পাই, তাতে তেঁওক আৰু তেঁওৰ
সোঁ ফালে এজন, বাঁও ফালে এজন, এই ৰুপে সেই দুটা অপৰাধি মানুহ-
কো পেৰেঙ্গনিত তুলি দিলে । ৩৪ তেতিয়া য়িচুএ কলে, হে পিত্রি, এইবি-
লাকক খেমা কৰা, কিয়নো সিহঁতে জি কৰে, তাক নেজানে । পাচে গুটি
বুজাই তেঁওৰ বস্ত্র বাঁটি ললে । ৩৫ সেই ঠাইতে লোক সমুহে থিয় হৈ দে-
খি আচিল; আৰু সিহঁতে সৈতে অধিকাৰবিলাকেও ইতিকিঙ্গ কৰি কলে,
এঁও লোককহে ৰখ্যা কৰিলে; জদি ইস্বৰৰ মনোনিত খ্রিষ্ট হই, তেন্তে সি
আপোনাক ৰখ্যা কৰোক । ৩৬ সেনাবিলাকেও ওচৰলৈ আহি তেঁওক
টেঙ্গা পানি দি বিগতি কৰি কলে, ৩৭ আপুনি জদি য়িহুদিবিলাকৰ ৰজা
হই, তেন্তে আপোনাক ৰখ্যা কৰোক । ৩৮ আৰু এই জন য়িহুদিবিলাকৰ
ৰজা, এই কথা গ্রিক, ৰুমিয়া, আৰু ইব্রি আখৰেৰে লিখা হৈ তেঁওৰ ওপ-
ৰত থোআ হৈচিল ।

৩৯ তেতিয়া পেৰেঙ্গনিত আৰি থোআ অপৰাধিৰ এজনে তেঁওক নিন্দা
কৰি বুলিলে, তুমি জদি খ্রিষ্ট হোআ আপোনাক আৰু আমাকো ৰখ্যা
কৰা । ৪০ কিন্তু সি জনে উতৰ কৰি তাক ডাবি দি কলে, তুমি ইস্বৰলৈ
ভই নকৰা নে? কিয়নো তুমি একে দণ্ডতে আচা; ৪১ আৰু আমি দণ্ডৰ
জোগ্য পাত্র, আপোন আপোন কৰমৰ উচিত ফল পাইচোঁ; কিন্তু এই জনাই
একো দোস কৰা নাই । ৪২ পাচে সি য়িচুত কলে, হে প্রভু, আপোনাৰ
ৰাজ্যত সোমালে তেতিয়া মোকো সোঁঅৰা । ৪৩ য়িচুএ তাক বুলিলে, মই
তোমাত স্বৰুপকৈ কৈচোঁ, তুমি আজিএই মোৰ লগত সুখৰ থানত থকা হবা ।

৪৪ পাচে দুপৰ বেলি হোআৰে পৰা তিনি পৰিয়ালৈকে গোটেই দে-
সৰ ওপৰত এন্ধাৰ আচিল, ৪৫ বেলিও অন্ধকাৰময় হল, আৰু মন্দিৰৰ
আৰ কাপৰ মাজে দি ফাটি গল । ৪৬ পাচে য়িচুএ বৰ মাতেৰে এটাহ

পাৰি কলে, হে পিত্রি, তোমাৰ হাতত মোৰ আত্মাক সমর্পন কৰিচোঁ; এই
কথা বুলি তেঁও প্রান চাৰি দিলে। ৪৭ তেতিয়া জি জি হল, তাকে দেখি
সইকিয়াই ইশ্বৰক স্তুতি কৰি কলে, এঁও স্বৰুপেই সাধু মানুহ হৈচিল।
৪৮ এই দর্সন চাবলৈ জেতেক লোক আহিচিল, সিবিলাকে এই সকলো ঘট-
না দেখি আপোন আপোন বুকত ভুকুআই উভতি গল। ৪৯ আৰু য়িচুৰ
গিয়াতিবিলাক, আৰু জি জি তিৰোতাই গালিলৰ পৰা তেঁওৰ লগত আ-
হিচিল, সিবিলাকেও আঁতৰতে থিয় হৈ থাকি এইবিলাক কথা দেখিলে।
৫০ তেতিয়া দেখা, য়িহুদিবিলাকৰ আৰিমথিয়া নগৰৰ য়োচেফ নামেৰে
জি এজন মেলুআই ধৰমি আৰু পৰমার্থিক মানুহ হৈ, ৫১ সিইঁতৰ আলচ
আৰু কৰমত সন্মতি নকৰিলে, আৰু আপুনিও ইশ্বৰৰ ৰাজ্যলৈ অপেখ্যা
কৰি আচিল, ৫২ তেঁও পিলাতৰ ওচৰলৈ গৈ য়িচুৰ মৰা দেহ মাগন কৰি-
লে। ৫৩ পাচে দেহ নমাই মিহি কাপৰেৰে মেৰাই, জতে কোনো কালে
মানুহৰ স থোআ নাই, সিলত খনা এনে এটা মৈদামত সুআই থলে।
৫৪ সেই দিনেই পর্বলৈ জুগুত কৰা দিন, আৰু বিস্রাম বাৰো ওচৰ হৈচিল।
৫৫ তাতে গালিলৰ পৰা তেঁওৰ লগত অহা তিৰোতা মানুহবিলাকে পাচে
পাচে গৈ, মৈদাম আৰু তাত য়িচুৰ দেহ কেনে ৰুপে থোআ হল, তাকে
দেখি, ৫৬ উলটি আহি সুগন্ধি দ্রব্য আৰু তেল জুগুত কৰিলে; পাচে বি-
ধানৰ দৰে বিস্রাম দিনত জিৰনি কৰিলে।

## ২৪ আধ্যা।

পাচে সপ্তাহৰ প্রথম দিনা অতি ৰাতি পুআত সেই তিৰোতাবিলাকে জুগুত
কৰা সুগন্ধি বস্তু আনি, আন আন কেতবিলাকে সৈতে মৈদামৰ ওচৰলৈ
আহিল। ২ তাতে মৈদামৰ মুখৰ পৰা সিলটো বগৰোআ দেখিলে। ৩ পাচে
ভিতৰলৈ সোমাই প্রভু য়িচুৰ দেহ নেপাই সিবিলাক অতি বিয়াকুল হৈচে;
৪ এনে কালত দেখা, কান্তিমন্ত বস্ত্র পিন্ধা দুজন সিবিলাকৰ ওচৰত থিয়
হল। ৫ তাতে সিবিলাকে ভই পাই ভুমিলৈ মুখ তল কৰি থকাত সেই
লোকে সিবিলাকত কলে, তোমোলাকে মৰাবিলাকৰ মাজত জিয়াক কিয়
বিচাৰা? ৬ তেঁও ইয়াত নাই, উঠিল। পাপি লোকৰ হাতত সোধাই দি
বধ কৰা হব, পাচে তিন দিনৰ দিনা আকও উঠিব, ৭ তেঁও গালিল দেসত
থাকোঁতেই তোমোলাকত এই জি কথা কৈচিলে, তাক সোঁঅৰা। ৮ তে-
তিয়া তেঁওৰ সেই কথা সিবিলাকৰ মনত পৰিল।

৯ পাচে সিবিলাকে মৈদামৰ পৰা ঘুৰি আহি, আঘেৰে জন সিস্যকে
আদি কৰি আটাইবিলাকত এই সকলো কথা কলে। ১০ মাগ্দলিনি মা-
ৰিয়া, য়োহানা, য়াকোবৰ মাক মাৰিয়া, আৰু সিবিলাকৰ লগৰ আন আন

জনি চাৰেকে পাঁচনিবিলাকত এই বাত্ৰা কলে; ১১ কিন্তু সিবিলাকৰ কথা
অনৰ্থক গপ জেন দেখি বিস্বাস নকৰিলে । ১২ আৰু পিতৰে উঠি মৈদামলৈ
লৰি গল; তাতে চাপৰি চাই অকল কাপৰ থকা দেখিলে; পাচে জি
ঘটিল, তাতে আপোন মনে বিস্মই মানি গুচি গল ।

১৩ পাচে দেখা, য়িৰুচালমৰ পৰা এপৰ মান বাটৰ আঁতৰত থকা এমাও
নামে এখান গাঁৱলৈ সিবিলাকৰ দুজনে সেই দিনাই জাঁওতে জাঁওতে,
১৪ এই সকলো ঘটনাৰ কথোপকথন কৰি আচিল । ১৫ সিবিলাকে এই
ৰুপে আলাপ আৰু বিবেচনা কৰা কালত য়িচু আপুনি ওচৰলৈ আহি
সিবিলাকৰ লগে লগে গল । ১৬ কিন্তু সিবিলাকে তেঁওক জেন চিনিব
নোআৰে, এই নিমিত্তে সিবিলাকৰ চকু বন্ধন হল । ১৭ তেঁও সিবিলাকত
সুধিলে, তোমোলাকে অসন্তোঁস কৰি ইজনে সিজনে কি কথা বাত্ৰা কৈ কৈ
ফুৰি আচা? ১৮ তাতে ক্লিয়পা নামে সিবিলাকৰ এজনে উত্তৰ কৰি কলে,
য়িৰুচালম নগৰত জি জি কথা এই কালত ঘটি আচে, তুমি প্ৰবাসি মাথোন
হৈও এইবিলাক কথা নেজানা নে? ১৯ তেঁও সিবিলাকত সুধিলে, কি
কথা? সিবিলাকে কলে, য়িচু নামে জি নাচৰেতৰ ভবিস্যত বক্তাই ইস্বৰ
আৰু সকলো মানুহৰ আগত বাক্যেৰে আৰু কৰমেৰে সক্তিমন্ত, ২০ তেঁওক
আমাৰ প্ৰধান পোৰোহিত আৰু অধিকাৰবিলাকে জি ৰুপে মিত্যু দণ্ডৰ
আগ্যা কৰি পেৰেঙ্গনিত মাৰিলে, সেই কথা । ২১ কিন্তু জি জনে ইস্ৰাএল
লোকক উধাৰ কৰিব, তেঁও সেই জন বুলি আমাৰ আসা আচিল । ইয়াক
এৰিও এই সকলো কথা ঘটিবৰ পৰা আজি তিনি দিন হল । ২২ তাত
বাজে আমাৰ লগৰ কেতবিলাক তিৰোতাই আমাক বিস্মই কৰালে; ২৩ সিবি-
লাকে ৰাতি পুআই মৈদামলৈ গৈ তাতে তেঁওৰ স নেপাই আকও আহি
কলে, আমি দুতবিলাকক দৰ্সন পালোঁ, তেঁও জিয়া হল বুলি সিবিলাকে
কৈচে । ২৪ পাচে আমাৰ লগৰ কোনো মানুহে মৈদামলৈ গলত তিৰো-
তাই কোআৰ দৰেই দেখিলে, কিন্তু তেঁওক দেখা নেপালে । ২৫ তেতিয়া
তেঁও সিবিলাকত কলে, হে অগিয়ানি আৰু ভবিস্যত বক্তাই কোআ সকলো
কথাত বিস্বাস কৰিবলৈ পলম মন হোআ মানুহ! ২৬ খ্ৰিস্টে এইবিলাক
দুখ কৰি আপোনাৰ ঐস্বৰ্জ্যত সোমোআ উচিত নহই নে? ২৭ পাচে মোচা
আৰু আটাই ভবিস্যত বক্তাৰ কথাৰে আৰম্ভন কৰি, তেঁও সকলো সাস্ত্ৰত
আপোনাৰ অৰ্থে লিখা কথা সিবিলাকক বুজাই দিলে । ২৮ জি গাঁৱলৈ
গৈচিল, তাৰ ওচৰ পালত তেঁও আৰু বাট জোআ জেন দেখালে; ২৯ কিন্তু
সিবিলাকে তেঁওক বৰকৈ উচটাই কলে, আমাৰ লগত থাকা; গধুলি ওচৰ
হল, দিন অলপহে আচে । তাতে সিবিলাকে সৈতে থাকিবলৈ তেঁও ঘৰত
সোমাল । ৩০ পাচে ভোজনত থকা কালত তেঁও পিঠা লৈ স্তুতি কৰি তাক
ভাঙ্গি সিবিলাকক দিলে । ৩১ তাতে সিবিলাকৰ চকু মুকলি হোআত সিবি-

লাকে তেঁওক চিনিলে; তেতিয়া সিবিলাকৰ দ্রিষ্টিৰ পৰা তেঁও অগোচৰ হল ৷
৩২ পাচে ইজনে সিজনে কবলৈ ধৰিলে, বাটত আহোঁতে তেঁও জেতিয়া আ-
মাৰে সৈতে কথোপকথন কৰিলে, আৰু সাস্ত্ৰৰ অৰ্থ বুজাই দিলে, তেতিয়া
আমাৰ মন ভিতৰে নুপুৰিলে নে? ৩৩ সেই ডাঁৰতেই সিবিলাকে উঠি য়িৰু-
চালমলৈ উভতি গল; তাতে একে ঠাইতে গোট খোআ আঘেৰে জন আৰু
লগত থকাবিলাকক দেখা পালত, ৩৪ সিবিলাকে বুলিলে, স্বৰুপেই প্ৰভু
উঠিল, আৰু চিমোনক দেখা দিলে । ৩৫ পাচে বাটত জি জি হল, আৰু
পিঠা ভাঙ্গিবৰ কালত তেঁওক জি ৰুপে চিনা গল, এই সকলোকে কলে ।
৩৬ এই ৰুপে কথা কঁওতেই য়িচুএ আপুনি সিবিলাকৰ মাজত থিয় হৈ
কলে, তোমোলাকৰ কুসল হওক । ৩৭ কিন্তু ভুত দেখিলোঁ, ইয়াকে ভাবি
সিবিলাকে ভই কৰি মনত উগুল থুগুল হল । ৩৮ তাতে তেঁও সিবিলাকত
কলে, তোমোলাকে কিয় বিয়াকুল হৈচা? আৰু তোমোলাকৰ মনত কি
কাৰনে ভাবনা জনমিচে? ৩৯ মই আপুনিহে, মোৰ হাত ভৰি দেখা, আৰু
পৰ্স কৰি চোআ; মোক জেনে দেখিচা, সেই ৰুপে ভুতৰ হাৰ মঙ্গহ
নাই । ৪০ এই কথা বুলি তেঁও আপোনাৰ হাত ভৰি দেখুআলে । ৪১ সিবি-
লাকে আনন্দৰ কাৰনে তেতিয়াও বিস্বাস নকৰি বিস্মই হৈ থকাত তেঁও
সিবিলাকত কলে, তোমোলাকৰ এখেত কিবা খোআ বস্তু আচে নে?
৪২ তাতে সিবিলাকে তেঁওক কিচু পোৰা মাচ আৰু মৌৰ কোঁহ এডোখৰ
দিলে; ৪৩ তেঁও তাকে লৈ সিবিলাকৰ আগত খালে । ৪৪ আৰু তেঁও
কলে, মোচাৰ বিধান, ভবিস্যত বাক্য, আৰু গিতৰ পুথিত মোৰ অৰ্থে
জি জি বচন লিখা আচে, সেই সকলো সম্পুৰ্ন হব লাগে, তোমোলাকৰ
লগত থাকোঁতে এই জি কথা মই কৈচিলোঁ, সেই কথা এই । ৪৫ তেতিয়া
সিবিলাকে সাস্ত্ৰ বুজিবৰ নিমিত্তে তেঁও সিবিলাকৰ গিয়ান মুকলি কৰি
বুলিলে, ৪৬ এনে লিখা আচে, আৰু এই ৰুপে খ্ৰিষ্টে দুখ ভোগ কৰি
ত্ৰিতিয় দিনত মৰনৰ পৰা উঠা উচিত; ৪৭ আৰু য়িৰুচালমকে আদি
কৰি সকলো দেসত মন পালটন আৰু পাপ খেমাৰ কথা তেঁওৰ নামে
কিৰ্তন কৰা উচিত । ৪৮ তোমোলাকো এইবিলাক কথাৰ সাখি হৈচা ৷
৪৯ আৰু দেখা, পিত্ৰিএ জিহক প্ৰতিগ্যা কৰিচিল, তাক তোমোলাকলৈ
পঠাই দিম; এই হেতুকে ওপৰ থানৰ পৰা সক্তি নোপোআ মানে য়িৰু-
চালম নগৰত থাকা ।

৫০ পাচে তেঁও সিবিলাকক বৈথনিয়া গাঁৱলৈকে নি আপোনাৰ হাত
তুলি সিবিলাকক আসিবাদ দিলে । ৫১ এই ৰুপে আসিৰ্বাদ কৰোঁতে
তেঁও সিবিলাকৰ পৰা বেলগ হৈ স্বৰগলৈ নিয়া হল । ৫২ তেতিয়া সিবি-
লাকে তেঁওক সেৱা কৰি অতি আনন্দেৰে য়িৰুচালমলৈ উলটি গল; ৫৩ আৰু
নিতৌ মন্দিৰত থাকি ইস্বৰক প্ৰসংসা আৰু স্তুতি কৰি আচিল । [ আমেন । ]

# য়োহানে লিখা স্বভ বাত্রা

## ১ আধ্যা ।

আদিতে বাক্য আচিল, আৰু বাক্য ইস্বৰে সৈতে আচিল,
আৰু বাক্যেই আপুনি ইস্বৰ । ২ তেঁও আদিতে
ইস্বৰে সৈতে আচিল । ৩ তেঁৱেই সকলোকে সৃজিলে, আৰু আটাই সৃজা
বস্তুৰ মাজত তেঁও নসৃজা কোনো বস্তু নাই । ৪ জিৱন তেঁওতেহে; সেই
জিৱনেই মানুহৰ পহৰ । ৫ পহৰে এন্ধাৰত প্ৰকাস হল, কিন্তু এন্ধাৰে
তাক গ্ৰহন নকৰিলে ।
৬ য়োহান নামেৰে এক মানুহক ইস্বৰৰ পৰা পঁচা হল; ৭ তেঁওৰ দো-
আৰাই সকলোএ জেন বিস্বাস কৰে, এই নিমিত্তে সেই পহৰৰ প্ৰমান দিব-
লৈ তেঁও সাখি হৈ আহিল । ৮ তেঁও আপুনি সেই পহৰ নহই, কিন্তু
পহৰৰ প্ৰমান দিবলৈহে আহিল । ৯ জি জনে প্ৰিথিবিলৈ আহি আটাই
মানুহক পহৰ দিএ, তেঁৱেই স্বৰূপ পহৰ । ১০ জি জগতক আপুনি সৃজন
কৰিলে, তাৰ মাজতে তেঁও আচিলে, কিন্তু জগতৰ লোকে তেঁওক নেজা-
নিলে । ১১ তেঁও আপোন আধিপত্যলৈ আহিল, কিন্তু আপোনাৰ লোকে
তেঁওক গ্ৰহন নকৰিলে । ১২ তথাপি জেতেক লোকে তেঁওক গ্ৰহন কৰিলে,
অৰ্থাত তেঁওৰ নামত বিস্বাস কৰিলে, সেই সেইবিলাকক ইস্বৰৰ পুত্ৰ হবলৈ
সক্তি দিলে । ১৩ সিবিলাকে তেজৰ পৰা, বা সৰিলৰ অভিলাসৰ পৰা,
বা মানুহৰ ইচাৰ পৰা জনম পালে, এনে নহই, কিন্তু ইস্বৰৰ পৰাহে
পালে ।
১৪ সেই বাক্য মনুস্য অৱতাৰ পাই, অনুগ্ৰহ আৰু সত্যেৰে পৰিপুৰ্ন হৈ
আমাৰ মাজত বসতি কৰিলে; তাতে পিত্ৰিৰ একে জনা পুত্ৰৰ উপজুক্ত জি
প্ৰভাও, সেই প্ৰভাও আমি দেখিলোঁ । ১৫ তেঁওৰ অৰ্থে য়োহানে এই
প্ৰমান দি ৰিঙ্গিয়াই কলে, জি জন মোৰ পাচত আহিচে, তেঁও মোত্‌কৈ
প্ৰধান, কিয়নো মোৰ আগেয়েও তেঁও আচিলে, জাৰ অৰ্থে মই এই কথা
কলোঁ, তেঁও এই । ১৬ আমি সকলোএ তেঁওৰ পুৰ্ন ভাৱৰ পৰা ভাগ,
আৰু অনুগ্ৰহৰ উপৰিও অনুগ্ৰহ পালোঁ । ১৭ মোচাৰ হতুআই বিধান

দিয়া হল, কিন্তু অনুগ্ৰহ আৰু সত্যেই য়িচু খ্ৰিষ্টৰ দোআৰাইহে আহিল।
১৮ কোনো মানুহে ইশ্বৰক কেতিয়াও দেখা নাই; কিন্তু পিত্ৰিৰ হিয়াত
থকা একে জনা পুত্ৰই তেঁওক প্ৰকাস কৰিলে।

১৯ য়োহানে প্ৰমান দিয়া কথা এই; তুমি কোন, ইয়াক সুধিবৰ নিমিত্তে
জেতিয়া য়িহুদিবিলাকে য়িৰুচালমৰ পৰা য়োহানৰ ওচৰলৈ পোৰোহিত
আৰু লেৱিবিলাকক পঠালে, ২০ তেতিয়া তেঁও আঁসৈ নকৰি, মই খ্ৰিষ্ট
নহঁও, ইয়াকে সৈ কাহিলে। ২১ তাতে সিবিলাকে সুধিলে, তেন্তে তুমি
কোন? এলিয়া হোআ নে? তেঁও কলে, মই নহঁও। তুমি সেই ভবিস্যত বক্তা
হোআ নে? তেঁও বুলিলে, নহঁও। ২২ তেতিয়া সিবিলাকে কলে, তেনে হলে
তুমি কোন? আমাক পঁচাবিলাকত উত্তৰ দিবৰ নিমিত্তে আপোনাৰ কথাত
তুমি কি বোলা? ২৩ তাতে তেঁও কলে, য়িচয়া ভৱিস্যত বক্তাই জেনেকৈ
কৈচিলে, প্ৰভুৰ পথ পোন কৰা, হাবিৰ মাজত এই বুলি ৰিঙ্গিওআ এজনৰ
সবদ, সেই সবদেই মই। ২৪ জিবিলাকক পাঁচিলে, সেইবোৰ ফিৰুচি মানুহ।
২৫ তেতিয়া সিবিলাকে সুধিলে, জদি খ্ৰিষ্ট নোহোআ, এলিয়া নোহোআ,
সেই ভবিস্যত বক্তাও নোহোআ, তেন্তে মানুহবিলাকক কিয় বুৰ দিয়াইচা?
২৬ তাতে য়োহানে উত্তৰ কৰিলে, মই পানিতে বুৰ দিয়াইচোঁ হই, কিন্তু
জি জনক তোমোলাকে নেজানা, এনে এজন তোমোলাকৰ মাজতে আচে;
২৭ তেঁও মোৰ পাচত আহিলেও মোৰ আগেয়ে আচিল; মই তেঁওৰ
পইজাৰৰ বান্ধ মেলিবৰো জোগ্য নহঁও। ২৮ জি ঠাইত য়োহানে বুৰ
দিয়াই আচিল, য়ৰ্দানৰ সি পাৰত থকা সেই বৈথনিয়া গাঁৱতে এই সক-
লো কথা ঘটিল।

২৯ পাচ দিনা য়োহানে আপোনাৰ ওচৰলৈ য়িচুক আহিবৰ দেখি কলে,
জগতৰ পাপ নিঁওতা ইশ্বৰৰ মেৰ পোআলিক দেখা! ৩০ জি জন মোৰ
পাচত আহিচে, তেঁও মোতকৈ প্ৰধান, কিয়নো তেঁও মোতকৈ আগেয়েও
আচিলে, জি জনৰ অৰ্থে মই এই কথা কলোঁ, তেঁৱেই এই। ৩১ আৰু
তেঁওক মই নিচিনিলোঁ, কিন্তু ইস্ৰাএল লোকৰ আগত তেঁওক জেন প্ৰকাস
কৰা হই, এই নিমিত্তে মই পানিত বুৰ দিয়াই আহিলোঁ। ৩২ আৰু
য়োহানে প্ৰমান দি কলে, আকাসৰ পৰা আত্মাক কপৌৰ নিচিনাকৈ নামি
তেঁওৰ ওপৰত থাকিবৰ দেখিলোঁ। ৩৩ মই তেঁওক নিচিনিলোঁ, কিন্তু
জি জনে পানিত বুৰ দিয়াবলৈ মোক পাঁচিলে, তেঁও এই কথা কলে, জি
জনৰ ওপৰত আত্মাক নামি থাকিবৰ দেখিবা, পবিত্ৰ আত্মাত বুৰ দিয়াঁওতা
তেঁৱেই। ৩৪ আৰু মই তাকে দেখি, এঁও জে ইশ্বৰৰ পুত্ৰ হই, ইয়াৰে
প্ৰমান দিলোঁ।

৩৫ পাচ দিনা য়োহানে আপোনাৰ দুই সিস্যো সৈতে থিয় হৈ, ৩৬ য়িচুক
জোআ দেখি কলে, ইশ্বৰৰ মেৰ পোআলিক দেখা! ৩৭ সেই দুই সিস্যো

তেঁওৰ এই কথা সুনি য়িচুৰ পাচত গল। ৩৮ তাতে য়িচুএ ঘুৰি চাই
সিবিলাকক আপোনাৰ পাচত আহিবৰ দেখি সুধিলে, তোমোলাকে কি
বিচাৰিচা? সিবিলাকে কলে, হে ৰাবি, অৰ্থাত হে গুৰু, আপুনি কত
থাকে? ৩৯ তাতে তেঁও কলে, আঁহা, দেখাহি। তেতিয়া সিবিলাকে লগত
গৈ তেঁওৰ থকা ঠাই দেখিলে, আৰু তিনি পৰ বেলি হোআত সেই দিনা
তেঁওৰ লগতে থাকিল। ৪০ জি দুজনে য়োহানৰ কথা সুনি য়িচুৰ পাচত
গল, সিবিলাকৰ এজন চিমোন পিতৰৰ ভায়েক আন্দ্ৰিয়া। ৪১ তেঁও গৈ
প্ৰথমতে আপোন ককাই চিমোনক দেখা পাই কলে, আমি মাচিহক,
অৰ্থাত খ্ৰিষ্ট (অভিসেক কৰা জনক) পালোঁ। ৪২ পাচে তেঁওক য়িচুৰ
ওচৰলৈ আনিলে; তাতে য়িচুএ তেঁওলৈ চাই কলে, তুমি য়োনাৰ পুতেক
চিমোন, তোমাৰ নাম কৈফা হব, ভাসাৰে পিতৰ, (অৰ্থাত সিল)।
৪৩ পাচ দিনা য়িচুএ গালিললৈ জাবলৈ মন কৰি ফিলিপক দেখা পাই
কলে, মোৰ পাচত আঁহা। ৪৪ পিতৰ আৰু আন্দ্ৰিয়াই থকা জি বৈত্চৈদা
গাঁও, ফিলিপো সেই গাঁৱৰে মানুহ। ৪৫ পাচে ফিলিপে নিথনেলক দেখা
পাই কলে, জি জনৰ কথা মোচাই বিধানৰ পুথিত আৰু ভবিস্যত বক্তাবি-
লাকেও লিখিলে, আমি তেঁওক দেখা পালোঁ; তেঁও য়োচেফৰ পুতেক না-
চৰেতৰ য়িচু। ৪৬ তেতিয়া নিথনেলে তেঁওত কলে, নাচৰেতৰ পৰা কোনো
উত্তম বস্তু ওলাব পাৰে নে? তাতে ফিলিপে বুলিলে, আহি চোআ।
৪৭ পাচে য়িচুএ আপোনাৰ ওচৰলৈ তেঁওক আহিবৰ দেখি কলে, দেখা,
এই জন অকপটিয়া স্বৰূপ ইস্রাএল লোক। ৪৮ তাতে নিথনেলে কলে,
আপুনি মোক কেনেকৈ চিনিলে? য়িচুএ কলে, ফিলিপে তোমাক মতাৰ
আগেয়ে ডিমৰু গচৰ তলত থাকোঁতেই তোমাক দেখিলোঁ। ৪৯ নিথনেলে
কলে, হে গুৰু, আপুনি নিচয়ে ইস্বৰৰ পুত্ৰ, আপুনি ইস্রাএলৰ বঙ্গহৰ
ৰজা। ৫০ তাতে য়িচুএ কলে, তোমাক ডিমৰু গচৰ তলত দেখিলোঁ, মই
এই কথা কোৱাৰ নিমিত্তে তুমি বিস্বাস কৰিচা নে? ইয়াতকৈও বৰ আচৰিত
কৰম দেখিবা। ৫১ আৰু তেঁও কলে, মই তোমোলাকত অতি স্বৰূপকৈ
কওঁ, ইয়াৰ পাচে তোমোলাকে স্বৰগৰ দুআৰ মুকলি হোআ, আৰু মানুহৰ
পুত্ৰৰ ওপৰে ইস্বৰৰ দুতবিলাক উঠিবৰ নামিবৰ দেখিবা।

## ২ অধ্যায়।

পাছে তিন দিনৰ দিনা গালীলৰ কানা নগৰত এটা বিয়া হোৱাত, য়ীশুৰ
মাক তাতে আছিল। ২ সেই বিয়ালৈ য়ীশু আৰু তেওঁৰ শিষ্যবিলাককো
নিমন্ত্ৰণ কৰা হৈছিল। ৩ পাছে লতা পনিয়ালৰ ৰস তাকৰ হোৱাত য়ীশুৰ
মাকে তেওঁত কলে, ইহঁতৰ লতা পনিয়ালৰ ৰস নাই। ৪ তাতে তেওঁ

বুলিলে, হে নাৰী, তোমাৰ লগত মোৰ কি কাম আছে? এতিয়া মোৰ কাল
হোৱা নাই । ৫ পাছে তেওঁৰ মাকে বন্দীইঁতত কলে, এওঁ যিহকে বোলে,
তাকে কৰিবিইঁক । ৬ সেই ঠাইতে য়িহুদিবিলাকৰ শুচি কৰা আচাৰৰ
দৰে ছটা মঠিয়া থোৱা আছিল । সেই মঠিয়াই পতি দুই তিনি চৰিয়া
মান পানী ধৰে । ৭ পাছে য়ীশুএ সেই মঠিয়াবোৰক পানীএৰে পূৰ কৰি-
বলৈ সিইঁতক আজ্ঞা কৰিলত, সিইঁতে সকলোকে ভৰাই কাণলৈকে পূৰ
কৰিলে । ৮ পাছে তেওঁ সিইঁতক বুলিলে, এতিয়া তাৰ পৰা তুলি ভো-
জৰ গৰাকীলৈ নিয়াইঁক; তাতে সিইঁতে লৈ গল । ৯ সেই লতা পনিয়া-
লৰ ৰস কৰা পানী কৰ পৰা হল, তাক নিয়াবোৰ বন্দীএ জানিলে, কিন্তু
ভোজৰ গৰাকীএ নেজানি তাক চাকিলত দৰাক মাতি কলে, ১০ সকলো
লোকে প্ৰথমতে পনিয়ালৰ ভাল ৰসহে দিএ, পাছে মানুহে ভালেমান খা-
লত তাত্‌কৈ নৰম দিএ; কিন্তু তুমি এতিয়ালৈকে পনিয়ালৰ ভাল ৰস
ৰাখিলা । ১১ য়ীশুএ আশ্চৰিত কৰমৰ এই আৰম্ভণ গালীল প্ৰদেশৰ কানা
নগৰত কৰি, আপোনাৰ মহিমা প্ৰকাশ কৰিলে; তাতে তেওঁৰ শিষ্যবিলাকে
তেওঁত বিশ্বাস কৰিলে ।

১২ পাছে তেওঁ আপোনাৰ মাক, ভায়েক, আৰু শিষ্যবিলাকে সৈতে
কিফৰ্ণাহুমলৈ গৈ, তাতে অধিক দিন নেথাকিল । ১৩ তাৰ পাছে য়িহুদি-
বিলাকৰ নিস্তাৰ পৰ্ব্ব ওচৰ হলত য়িৰুছালম নগৰলৈ গৈ, ১৪ য়ীশুএ মন্দি-
ৰৰ মাজত গৰু, মেৰ, কপৌ বেচা আৰু ধন সলোৱাবিলাকক থকা দেখি,
১৫ জৰুৰে এডাল চাবুক সাজি, গৰু মেৰে সৈতে সেই আটাইবোৰকে
মন্দিৰৰ পৰা খেদালে; ধন সলোৱাবোৰৰ ৰূপ সোণ বাকি পেলাই, বহা
দলঙ্গ লুটিয়ালে, ১৬ আৰু কপৌ বেচাবিলাকত কলে, ইয়াৰ পৰা এইবোৰ
লৈ যোৱা; মোৰ পিতৃৰ ঘৰ বেপাৰী ঘৰ নকৰিবা । ১৭ তাতে তো-
মাৰ মন্দিৰলৈ মোৰ যি উচাহ, সেয়ে মোক জুৰি ধৰিলে, শাস্ত্ৰত লিখা
এনে কথা শিষ্যবিলাকৰ মনত পৰিল ।

১৮ পাছে য়িহুদিবিলাকে মাত লগাই বুলিলে, তুমি যে এনে কৰম কৰিছা,
তাৰ অৰ্থে আমাক কি চিন দেখাইছা? ১৯ তাতে য়ীশুএ সিইঁতক সমিধান
দি কলে, তোমোলাকে এই মন্দিৰ নষ্ট কৰা, আৰু তিন দিনৰ মাজত মই
তাক তুলিম । ২০ তেতিয়া য়িহুদিবিলাকে বুলিলে, এই মন্দিৰ দুকুৰি ছ
বছৰতহে সজা হল, তাক তুমি তিন দিনৰ মাজত তুলিবা নে? ২১ কিন্তু
তেওঁ আপোনাৰ দেহ মন্দিৰৰ এই কথা কলে । ২২ পাছে তেওঁ মৃত্যুৰ
পৰা উঠিলত, তেওঁ যে এনেকৈ কৈছিল, শিষ্যবিলাকে তাক সুঁৱৰি ধৰম
পুথিত আৰু য়ীশুএ কোৱা কথাতো বিশ্বাস কৰিলে ।

২৩ পাছে নিস্তাৰ পৰ্ব্বৰ ভোজৰ সময়ত য়িৰুছালম নগৰত তেওঁ কৰা আশ্চৰ-
ৰিত কৰম দেখি, অনেক লোকে তেওঁৰ নামত বিশ্বাস কৰিলে । ২৪ কিন্তু

তেওঁ সিবিলাকৰ হাতত বিশ্বাসেৰে আপোনাক নিদিলে, কিয়নো তেওঁ
সকলোকে জানিলে; ২৫ আৰু মানুহৰ অৰ্থে কোনোএ প্ৰমাণ দিবলৈ তেওঁৰ
প্ৰয়োজন নাই; কিয়নো মানুহৰ ভিতৰত যি আছে, তাক তেওঁ জানিলে ।

## ৩ অধ্যায় ।

পাছে য়িহুদিবিলাকৰ অধিকাৰ হোৱা নিকদিম নামেৰে ফিৰুচি এজনে
ৰাতি য়ীশুৰ ওচৰলৈ আহি কলে, ২ হে গুৰু, আপুনি যে ঈশ্বৰৰ পৰা
অহা এক উপদেশক, ইয়াক আমি জানোঁ; কিয়নো আপুনি যি আশ্চৰ্য্যিত
কৰম কৰে, ঈশ্বৰ সহায় নহলে, এনে কৰম কোনেও কৰিব নোৱাৰে ।
৩ তাতে য়ীশুএ বুলিলে, মই তোমাত অতি স্বৰূপকৈ কওঁ, পুনৰ জনম
নহলে কোনো মানুহে ঈশ্বৰৰ ৰাজ্য দেখা নেপাই । ৪ নিকদিমে তেওঁত
কলে, মানুহ বুঢ়া হৈ কেনেকৈ জনমিব? সি আৰু এবাৰ মাকৰ গৰ্ভত
সোমাই উপজিব পাৰে নে? ৫ য়ীশুএ সমিধান দি কলে, মই তোমাত
অতি স্বৰূপকৈ কৈছোঁ, জলৰে আত্মাৰে পৰা মানুহে জনম নেপালে, ঈশ্বৰৰ
ৰাজ্যত সোমাব নোৱাৰে । ৬ মঙ্গহৰ পৰা যি জনমে, সি মঙ্গহ; আৰু
আত্মাৰ পৰা যি জনমে, সি আত্মাই । ৭ তোমোলাকৰ পুনৰ জনম হব
লগা আছে, মই যে তোমাত এই কথা কলোঁ, ইয়াত বিস্ময় নেমানিবা ।
৮ বায়ুএ যেই দিশলৈ ইচ্ছা কৰে, সেই দিশলৈ বই, আৰু তুমি তাৰ শবদ
সুনিবলৈ পোৱা, কিন্তু সি কৰ পৰা আহিল, কলৈ যাই, তাক নেজানা;
আত্মাৰ পৰা জনমা সকলো মানুহৰ এনে হয় । ৯ নিকদিমে সমিধান দি
কলে, এইবিলাক কেনেকৈ হব পাৰে? ১০ য়ীশুএ উত্তৰ কৰিলে, তুমি
ইস্ৰাএলৰ এক গুৰু হৈয়ো এই কথা নেজানা নে? ১১ তোমাত অতি স্বৰূপকৈ
কৈছোঁ, আমি যিহকে জানোঁ, তাকে বোলোঁ, আৰু যিহকে দেখোঁ, তাৰে
প্ৰমাণ দিওঁ, কিন্তু তোমোলাকে আমাৰ প্ৰমাণ গ্ৰহণ নকৰা । ১২ মই
সংসাৰৰ কথা কলত তোমোলাকে বিশ্বাস নকৰিলা; তেন্তে স্বৰ্গৰ কথা
কলে কেনেকৈ বিশ্বাস কৰিবা? ১৩ যি জন স্বৰ্গত আছে, আৰু স্বৰ্গৰ
পৰা নামিল, এনে যি মানুহৰ পুত্ৰ, তেওঁত বাহিৰে কোনেও স্বৰ্গলৈ উঠা
নাই । ১৪ অৰণ্যত মোচাই যেনেকৈ সাপক তুলিলে, মানুহৰ পুত্ৰকো
তেনেকৈ তোলা হব; ১৫ তাতে যি কোনোএ তেওঁত বিশ্বাস কৰে, সি
নষ্ট নহৈ অনন্ত আয়ুস পাব । ১৬ কিয়নো ঈশ্বৰে জগতলৈ এনে দায়া
কৰিলে, আপোনাৰ পুত্ৰত যি কোনোএ বিশ্বাস কৰে, সি নষ্ট নহৈ
অনন্ত আয়ুস পাবৰ নিমিত্তে তেওঁৰ সেই একে জনা পুত্ৰকেই দান কৰিলে ।
১৭ জগতৰ লোকক দণ্ড কৰিবৰ নিমিত্তে ঈশ্বৰে আপোনাৰ পুত্ৰক পাঁচিলে,
এনে নহয়; সিহঁতে তেওঁৰ দ্বাৰাই পৰিত্ৰাণ পাবৰ নিমিত্তেহে পাঁ-

চিলে । ১৮ যি কোনোএ তেওঁত বিশ্বাস কৰে, সি দণ্ডৰ পাত্র নহয়;
কিন্তু যি কোনোএ বিশ্বাস নকৰে, সি এতিয়াও দণ্ডৰ পাত্র হয়; কিয়নো
সি ঈশ্বৰৰ একে জনা পুত্রৰ নামেৰে বিশ্বাস কৰা নাই । ১৯ আৰু জগতৰ
মাঝত পহৰ প্রকাশ হৈছে, কিন্তু মানুহৰ কৰম দুষ্ট হোৱাতে সিবিলাকে
পহৰতকৈ এন্ধাৰক ভাল পাই, এয়ে দণ্ডৰ কাৰণ হয় । ২০ কিয়নো যি
জনে কুকৰম কৰে, সি পহৰক ঘিণাই, আৰু তাৰ কৰম যেন দূষিত নহয়,
এই নিমিত্তে পহৰৰ ওচৰলৈ নাহে; ২১ কিন্তু যি জনে সত্য কৰম কৰে,
তাৰ কৰম ঈশ্বৰত কৰা হয়, সেয়ে প্রকাশ হবৰ নিমিত্তে সি পহৰৰ ওচৰ-
লৈ আহে ।

২২ পাছে য়ীশুএ আপোনাৰ শিষ্যবিলাকে সৈতে য়িহুদা দেশলৈ গৈ,
তাতে সিবিলাকৰ লগত থাকি মানুহক বুৰ দিওআলে । ২৩ সেই কালত
চালিম নগৰৰ ওচৰত ঐনন গাঁৱত অনেক পানী থকাত, য়োহানে তাতে
বুৰ দিয়াই আছিল, আৰু মানুহবিলাক আহি তেঁওৰ হতুয়াই বুৰ দিওআ
হল । ২৪ কিয়নো তেতিয়ালৈকে য়োহানক বন্দীশালত থোৱা নাই ।
২৫ আৰু শুচি কৰাৰ কথাত য়িহুদি মানুহে সৈতে য়োহানৰ শিষ্যবিলাকৰ
বাদ বিচাৰ হল । ২৬ পাছে সিবিলাকে য়োহানৰ ওচৰলৈ গৈ কলে, হে
গুৰু, যি জন য়ৰ্দান নৈৰ সিপাৰত তোমাৰ লগত আছিল, যাৰ অৰ্থে তুমি
প্রমাণ দিচা, দেখা, তেওঁ বুৰ দিয়াইছে, আৰু আটাই মানুহ তেওঁৰ ওচৰলৈ
যাই । ২৭ তেতিয়া য়োহানে সমিধান দি কলে, স্বৰ্গৰ পৰা দিয়া নহলে,
কোনো মানুহে একো নেপাই । ২৮ মই খ্রীষ্ট নহঁও, কিন্তু তেওঁৰ আগৈএ
পঁচা হঁও, মই যে এই কথা কৈছোঁ, তোমোলাকে আপুনি মোলৈ ইয়াৰ
সাক্ষী হৈছা । ২৯ যি জনে কন্যাক পাই, সেয়ে দৰা; কিন্তু দৰাৰ ওচৰত
থিয় হোৱা তাৰ যি মিতিৰ, সি দৰাৰ কথা শুনি অতি আনন্দ পাই; মোৰো
এনে আনন্দ পূৰ হৈছে । ৩০ তেওঁ বাৰ্হি বাৰ্হি যাব, মই সৰু হৈ হৈ যাম ।
৩১ যি জন ওপৰৰ পৰা আহিছে, তেওঁ আটাইৰে প্রধান । সংসাৰৰ পৰা
যি হয়, সি সংসাৰিক, আৰু সংসাৰৰ কথাকেহে কয়; যি জন স্বৰ্গৰ পৰা
আহিছে, তেওঁ সকলোৰে প্রধান; ৩২ আৰু তেওঁ যিহকে দেখিছে সুনিছে,
তাৰে প্রমাণ দিএ, কিন্তু তেওঁৰ প্রমাণ কোঁৱে নলয় । ৩৩ তেওঁৰ প্রমাণ যেয়ে
লয়, ঈশ্বৰ সত্য, এই কথা সি মোহৰ মাৰে । ৩৪ ঈশ্বৰে যি জনক পাঁ-
চিলে, তেওঁ ঈশ্বৰৰ কথা কয়; কিয়নো ঈশ্বৰে তেওঁক পৰিমাণ কৰি
আত্মা নিদিএ । ৩৫ পিতৃএ পুত্রক প্রেম কৰি তেওঁৰ হাতত সকলোকে
সোধাই দিলে । ৩৬ যি কোনোএ পুত্রত বিশ্বাস কৰে, সি অনন্ত আয়ুস
পাই; আৰু যি কোনোএ পুত্রত বিশ্বাস নকৰে, সি পৰম আয়ুস দেখা
নেপাব, কিন্তু ঈশ্বৰৰ খঙ্গহে তাৰ ওপৰত থাকে ।

## ৪ অধ্যায়।

য়ীশুএ আপুনি বুৰ নিদিয়ালে, তেওঁৰ শিষ্যবিলাকে বুৰ দিয়ালে, ২ তথা-
পি তেওঁ য়োহানতকৈ অধিক শিষ্য কৰি বুৰ দিয়াইছে, ফিৰুচিহঁতে এনে
কথা শুনিলে, ৩ তাকে প্ৰভুএ বুঝ পাই য়িহুদা দেশ এৰি আকও গালীল-
লৈ গল। ৪ তাতে চোমিৰোণ দেশে দি যাব লগা হলত, ৫ য়াকোবে আ-
পোনাৰ পুতেক য়োচেফক যি মাটী এডোখৰ দিছিলে, তাৰ ওচৰত চোমি-
ৰোণৰ চুখাৰ নামেৰে এক নগৰলৈ আহিল। ৬ সেই ঠাইতে য়াকোবৰ
নাদ আছিল। তেতিয়া দুপৰ বেলি হলত, তেওঁ বাটত শ্ৰম পাই সেই না-
দৰ দাঁতিতে বহোঁতেই, ৭ চোমিৰোণৰ তিৰোতা এজনি পানী নিবলৈ আ-
হিল। তাতে য়ীশুএ তাইত কলে, মোক পানী খাবলৈ দিয়া। ৮ কিয়-
নো শিষ্যবিলাকে খোৱা বস্তু কিনিবলৈ নগৰলৈ গৈছিল। ৯ তেতিয়া চো-
মিৰোণৰ মানুহে সৈতে য়িহুদিবিলাকৰ একো ব্যৱহাৰ নথকা হেতুকে তাই
কলে, তুমি য়িহুদি মানুহ হৈয়ো মই চোমিৰোণী তিৰীত কেনেকৈ পানী খো-
জা? ১০ তাতে য়ীশুএ সমিধান দি বুলিলে, ঈশ্বৰৰ দান কেনে, আৰু তো-
মাৰ আগত মোক পানী খাবলৈ দিয়া বুলি খোজা জন বা কোন, ইয়াক
জনা হলে, তেন্তে তুমি তেওঁত খুজিলাহেঁতেন, আৰু তেঁৰো তোমাক অমৃত
পানী দিলেহেঁতেন। ১১ তেতিয়া সেই তিৰীএ কলে, হে দেও, নাদ দ,
আৰু পানী তুলিবলৈ তোমাৰ পাত্ৰ নাই, তেন্তে সেই অমৃত পানী কৰ
পৰা পোৱা? ১২ যি জনে আমাক এই নাদ দিলে, আৰু আপুনি, পো,
জি, গৰু, চাগে সৈতে তাৰ পৰা পানী খায়ছিলে, এনে যি আমাৰ ওপৰ
পিতৃ য়াকোব, তেওঁতকৈ তুমি বৰ নে? ১৩ তাতে য়ীশুএ সমিধান দি কলে,
এই পানী যি খায়, তাৰ আকও পিয়াহ লাগিব; ১৪ কিন্তু মই দিয়া
পানী যি খায়, তাৰ কেতিয়াও পিয়াহ নেলাগে। মই যি পানী তাক
দিওঁ, সেই পানী তাৰ ভিতৰত ভুমুক হৈ অনন্ত আয়ুসলৈকে ওলাই থা-
কিব। ১৫ তেতিয়া সেই তিৰীএ কলে, হে দেও, মোৰ পিয়াহ যেন নে-
লাগে, আৰু ইয়ালৈ পানী তুলিবলৈ আকও যেন নাহোঁ, এই নিমিত্তে সেই
পানী মোক দিয়া। ১৬ তাতে য়ীশুএ কলে, যোৱা, তোমাৰ স্বামীক মাতি
ইয়ালৈ আঁহা। ১৭ তেতিয়া তিৰীএ উত্তৰ দিলে, মোৰ স্বামী নাই। য়ীশুএ
তাইত কলে, মোৰ স্বামী নাই, এই কথা ভাল কলা; ১৮ কিয়নো তোমাৰ
স্বামী পাঁচোটা হৈছিল; আৰু এতিয়া যিটো তুমিএ সৈতে থাকে, সি তো-
মাৰ স্বামী নহয়, এই কথা স্বৰূপ কলা। ১৯ তাতে তিৰীএ কলে, হে দেও,
আপুনি এজন ভবিষ্যত বক্তা, ইয়াক মই বুঝিছোঁ। ২০ আমাৰ ওপৰ পিতৃ-
বিলাকে এই পৰ্ব্বততে ভজন কৰিলে; কিন্তু তোমোলাকে বোলা, যত মানু-
হে ভজন কৰিব পাই, সেই ঠাই য়িৰুচালিম নগৰত আছে। ২১ য়ীশুএ তাইত

কলে, হে তিৰী, মোৰ কথাত বিশ্বাস কৰা, যি কালত তোমোলাকে কেৱল
এই পৰ্ব্বতত নাইবা য়িৰুছালম নগৰত পিতৃক নভজিবা, সেই কাল আহি-
ছে। ২২ তোমোলাকে যাক ভজা, তাক নেজানা; আমি যাক ভজোঁ, তাক
জানোঁ; কিয়নো য়িহুদি লোকৰ মাঝৰ পৰাই পৰিত্ৰাণ হয়। ২৩ কিন্তু
যি কালত স্বৰূপ ভকতবিলাকে আত্মাৰে সত্যেৰে পিতৃক ভজিব, এনে কাল
আহিছে, এতিয়াও হৈছে; কিয়নো পিতৃএ এনেকুয়া ভকতক বিচাৰে।
২৪ ঈশ্বৰেই আত্মা, আৰু তেওঁক যিবিলাকে ভজে, আত্মাৰে সত্যেৰে ভজি-
বৰ উচিত। ২৫ তেতিয়া সেই তিৰীএ কলে, খ্ৰীষ্ট নামেৰে খ্যাতি অভি-
ষেক কৰা জন আহিব, তাক জানোঁ; তেওঁ আহি আমাক সকলো কথা
বুঝাব। ২৬ তাতে য়ীশুএ কলে, তুমিএ সৈতে কথা বাত্ৰা হৈছোঁ যি মই,
ময়েই সেই জন।

২৭ এনেতে তেওঁৰ শিষ্য সকল আহি সেই তিৰোতাই সৈতে তেওঁক কথা
বাৰ্ত্তা হোৱা দেখি বিস্ময় মানিলে; তথাপি আপুনি কি খোজে, বা কি
কাৰণে তায়ে সৈতে কথা বাৰ্ত্তা হৈছে, ইয়াক কেঁৱে নুসুধিলে। ২৮ পাছে
তিৰোতাই কলহ থৈ নগৰৰ ভিতৰলৈ গৈ মানুহবিলাকত কলে, ২৯ মই যি
যি কৰম কৰিলোঁ, সেই সকলোকে মোত কলে, এনে এজন মানুহক আহি
দেখাহঁক; তেওঁ খ্ৰীষ্ট নহয় নে? ৩০ তাতে সিবিলাকে নগৰৰ পৰা ওলাই
তেওঁৰ ওচৰলৈ আহিল।

৩১ ইয়াৰ মাঝত শিষ্যবিলাকে প্ৰাৰ্থনা কৰি তেওঁত কলে, হে গুৰু, আ-
পুনি ভোজন কৰোক। ৩২ তাতে তেওঁ কলে, তোমোলাকে যিহক নেজানা,
মোৰ এনে আহাৰ আছে। ৩৩ তেতিয়া শিষ্যবিলাকে ইটে সিটে সুধিলে,
এওঁক কোনোবাই কিবা খোৱা বস্তু দিছে নে? ৩৪ য়ীশুএ সিবিলাকত কলে,
মোক পঁচা জনৰ বাঞ্ছা সিদ্ধি কৰা আৰু তেওঁৰ কৰম পূৰ কৰা, সেয়ে মোৰ
আহাৰ। ৩৫ আৰু চাৰি মাহ হলে ধান দাবৰ কাল হব, এই কথা তো-
মোলাকে নোবোলা নে? কিন্তু মই কৈছোঁ, চকু মেলি পথাৰলৈ চাই দেখা,
এতিয়াও দাবলৈ বগা হৈছে। ৩৬ আৰু যি দাই, সি বেচ পাই, আৰু অনন্ত
আয়ুসলৈ শহ চপাই; তাতে ধান বোৱা ধান দোৱা দুয়ো একে লগে
আনন্দ কৰে। ৩৭ সেই ৰূপে এজনে বই, এজনে দাই, এই কথা সিদ্ধি
হয়। ৩৮ যিহতে তোমোলাকে শ্ৰম কৰা নাই, এনে শহ দাবলৈ তোমোলা-
কক পঁাচিলোঁ; আন মানুহে শ্ৰম কৰিলে, আৰু তোমোলাকে সিবিলাকৰ
শ্ৰমতে সোমাইছা।

৩৯ পাছে মই যি যি কৰম কৰিলোঁ, সেই সকলোকে তেওঁ মোত কলে,
সেই তিৰোতাৰ এনে প্ৰমাণ দিয়া কথা শুনি, নগৰৰ অনেক চোমিৰোণী
লোকে বিশ্বাস কৰিলে; ৪০ আৰু তেওঁৰ ওচৰলৈ আহি, সিবিলাকৰ লগত
তেওঁক থাকিবলৈ মিনতি কৰিলত, তাতে দুদিন থাকিল। ৪১ তেওঁৰ আপো-

নাৰ কথাৰেও আৰু বহু মানুহে বিশ্বাস কৰি সেই তিৰোতাত কলে,
৪২ অকল তোমাৰ কথাৰে বিশ্বাস কৰোঁ, এনে নহয়; কিন্তু তেওঁ যে জগ-
তক ত্ৰাণ কৰ্ত্তা খ্ৰীষ্ট, তেওঁৰো কথা শুনি ইয়াক আমি আপুনিএই জানিছোঁ।
৪৩ সেই দুদিনৰ পাছে তেওঁ তাৰ পৰা গালীললৈ গল; ৪৪ কিয়নো
আপোন দেশত ভবিষ্যত বক্তাৰ মৰ্জতা নহয়, য়ীশুএ আপুনি এই প্ৰমাণ দি
কলে,। ৪৫ পাছে গালীলৰ যিবোৰ মানুহ পৰ্ব্বলৈ গৈছিল, আৰু পৰ্ব্বৰ কা-
লত য়িৰুছালম নগৰত তেওঁৰ সকলো কৰম দেখিছিলে, তেওঁ গালিললৈ আ-
হিলত সিবিলাকে তেওঁক গ্ৰহণ কৰিলে। ৪৬ পাছে যি কানা নগৰত য়ীশুএ
পানীকে লতা পনিয়ালৰ ৰস কৰিছিলে, তালৈ তেওঁ আকও আহিল। সেই
কালত এজন ৰাজ মেলুয়াইৰ লৰা এটা কিফৰ্ণাহুম নগৰত ৰুগীয়া হোৱাত,
৪৭ তেওঁ য়িহুদা দেশৰ পৰা গালীললৈ য়ীশু অহা সুনি, তেওঁৰ ওচৰলৈ গৈ
প্ৰাৰ্থনা কৰি কলে, মোৰ পো মৰিব লগা হৈছেং, আপুনি আহি তাক স্বস্থ
কৰোক। ৪৮ তেতিয়া য়ীশুএ কলে, আশ্চৰিত চিন আৰু মহত কৰম নেদে-
খিলে, তোমোলাকে বিশ্বাস নকৰা। ৪৯ তাতে মেলুয়ায়ে তেওঁত কলে, হে
প্ৰভু, মোৰ পো নৌ মৰোঁতেই আহোক। ৫০ য়ীশুএ তেওঁত কলে, যোআ,
তোমাৰ পোঁৱা জীলে। তেতিয়া য়ীশুএ কোৱা কথাতে তেওঁ বিশ্বাস কৰি
গুছি গল। ৫১ পাছে যাঁওতে বাটতে তেওঁৰ বন্দীবোৰে লগ পাই তেওঁত
কলে, আপোনাৰ পোঁৱা জীলে। ৫২ তাৰ কেতিয়াৰ পৰা ৰোগ গুছিবলৈ
ধৰিলে, ইয়াক সুধিলত সিহঁতে কলে, কালিৰ দুপৰ আৰৈ ডাঁৰ বেলিৰ
পৰা তেওঁক জৰে এৰিলে। ৫৩ সেই ডাঁৰতে য়ীশুএ কৈছিলে, তোমাৰ পোঁৱা
জীলে, বাপেকে তাকে বুঝি, ঘৰৰ সকলোএ সৈতে বিশ্বাস কৰিলে। ৫৪ য়িহু-
দা দেশৰ পৰা গালীললৈ আহি, য়ীশুএ এই দ্বিতীয় আশ্চৰিত কৰম কৰিলে।

## ৫ অধ্যায়।

তাৰ পাছে য়িহুদিবিলাকৰ পৰ্ব্ব হলত য়ীশু য়িৰুছালম নগৰলৈ গল। ২ য়িৰু-
ছালমত মেৰ ছাগ দুৱাৰৰ ওচৰত ইব্ৰি ভাষাৰে বৈথিচ্দা নামেৰে পাঁচ
ঘাটেৰে এটা পুখুৰি আছিল। ৩ সেই ঘাটবোৰত কনা, খোৰা, নিচলা
আদি অনেক ৰুগীয়া মানুহ পৰি থাকি [পানী খলকালৈ বাট চাই আ-
ছিল। ৪ কিয়নো কোনো কালত সেই পুখুৰিলৈ এটা স্বৰ্গৰ দূতে নামি
পানীক খলক লগাই; পানী খলকাৰ পাছে যেয়ে প্ৰথমতে পানীত নামে,
তাৰ যি কোনো ৰোগ হওক, তাৰ পৰা সি মুক্ত হয়।] ৫ সেই কালত
একুৰি অঠৰ বছৰৰ পৰা ৰোগে ধৰা এটা মানুহ তাতে আছিল। ৬ য়ীশুএ
তাক পৰি থাকিবৰ দেখি, বহু দিনৰ ৰুগীয়া হেন জানি তাত কলে, তুমি
স্বস্থ হবলৈ ইচ্ছা কৰা নে? ৭ ৰুগীয়াটে তেওঁক সমিধান দি কলে, হে দেও,

যেতিয়া পানী খলক হয়, তেতিয়া পুখুৰিত নমাই দিবলৈ মোৰ কোনো
মানুহ নাই; তাতে মই যাঁওতে যাঁওতে মোতকৈ আগেয়ে আনে নামেগৈ,
৮ তেতিয়া য়ীশুএ কলে, উঠা, তোমাৰ শয্যা তুলি লৈ যোৱা! ৯ তেতিয়াই
সি স্বস্থ হৈ আপোনাৰ শয্যা তুলি লৈ গল । ১০ সেই দিন বিশ্ৰাম বাৰ;
এই হেতুকে য়িহুদিবিলাকে স্বস্থ হোৱাটত কলে, আজি বিশ্ৰাম বাৰ, শয্যা
লৈ যাব নেপাই । ১১ তাতে সি উত্তৰ কৰিলে, যি জনে মোক স্বস্থ
কৰিলে, তেৱেঁই আজ্ঞা দিলে, তোৰ শয্যা তুলি লৈ যা । ১২ তেতিয়া
সিবিলাকে সুধিলে, তোৰ শয্যা তুলি লৈ যা বোলা জন কোন? ১৩ কিন্তু তেওঁ
কোন, তাক স্বস্থ হোৱাটে নেজানিলে, কিয়নো সেই ঠাইত মানুহৰ সমূহ
হোৱাত য়ীশু আঁতৰ হৈ গৈছিল ।

১৪ পাছে য়ীশুএ মন্দিৰত তাক দেখি কলে, দেখা, তুমি স্বস্থ হলা;
অধিক দুৰ্গতি যেন নহয়, এই নিমিত্তে আকও পাপ নকৰিবা । ১৫ তাতে
সেই মানুহে গৈ য়িহুদিবিলাকত কলে, যি জনে মোক স্বস্থ কৰিলে, তেওঁ
য়ীশু । ১৬ তাতে য়ীশুএ বিশ্ৰাম বাৰত এই কৰম কৰা হেতুকে য়িহুদি-
বিলাকে তেওঁক তাৰণা কৰিলে, [ আৰু বধ কৰিবলৈকো উপায় বিচাৰিলে । ]
১৭ য়ীশুএ সিহঁতত কলে, মোৰ পিতৃএ এতিয়ালৈকে কৰম কৰি আছে,
ময়ো সেই দৰে কৰোঁ । ১৮ তাতে য়ীশুএ বিশ্ৰাম বাৰক অমান্য কৰিলে
অকল এয়ে নহয়, তাত্কৈয়ো ঈশ্বৰক মোৰ পিতৃ বুলি, আপোনাকো ঈশ্বৰৰ
সমান কৰিলে, সেই নিমিত্তে য়িহুদিবিলাকে তেওঁক বধ কৰিবলৈ আৰু
উপায় বিচাৰিলে । ১৯ তেতিয়া য়ীশুএ মাত লগাই সিহঁতত কলে, মই
তোমোলাকত অতি স্বৰূপকৈ কৈছোঁ, পুত্ৰই পিতৃক যি যি কৰম কৰিবৰ
দেখে, তাত বাজে তেওঁ আপোনাৰ ইচ্ছাৰে একো কৰম কৰিব নোৱাৰে;
পিতৃএ যি কৰে, পুত্ৰেও তাকেহে কৰে । ২০ কিয়নো পিতৃএ পুত্ৰক প্ৰেম
কৰে, আৰু আপুনি যি যি কৰম কৰে, সেই সকলোকে পুত্ৰক দেখাই;
আৰু তোমোলাকে যেন বিস্ময় মানা, ইয়াত্কৈয়ো মহত কৰম তেওঁক দেখাব ।
২১ পিতৃএ যেনেকৈ মৰাবিলাকক তুলি জীয়াই, পুত্ৰেও যাকে যাকে ইচ্ছা
কৰে, সেই ৰূপে তাকে তাকে জীয়াই । ২২ সকলোএ যেনেকৈ পিতৃক
মৰ্য্যতা কৰে, পুত্ৰকো তেনেকৈ যেন মৰ্য্যতা কৰে, এই নিমিত্তে পিতৃএ আ-
পুনি কাৰো সোধ নকৰি আটাই সোধৰ ভাৰ পুত্ৰক সোধাই দিলে ।
২৩ যি কোনোএ পুত্ৰক মৰ্য্যতা নকৰে, সি তেওঁক পঁচা পিতৃকো মৰ্য্যতা
নকৰে । ২৪ মই তোমোলাকত অতি স্বৰূপকৈ কওঁ, যি জনে মোৰ কথা
শুনি মোক পঁচা জনত বিশ্বাস কৰে, সি অনন্ত আয়ুস পাই, আৰু কেতি-
য়াও দণ্ডৰ পাত্ৰ নহয়, কিন্তু মৃত্যুৰ পৰা তৰি পৰম আয়ুসত সোমাল ।
২৫ মই তোমোলাকত অতি স্বৰূপকৈ কৈছোঁ, যি কালত মৰাবিলাকে ঈশ্বৰৰ
পুত্ৰৰ মাত শুনিব, আৰু যিবোৰে শুনে সেইবোৰ জীব, এনে কাল আহিছে;

এতিয়াও হৈছে । ২৬ কিয়নো পিতৃৰ যেনেকৈ আপোনাত জীৱন আছে,
পুত্ৰৰো তেনেকৈ আপোনাত জীৱন থাকিবলৈ দিলে ; ২৭ আৰু তেওঁ মানুহৰ
পুত্ৰ হোৱাৰ নিমিত্তে পিতৃএ সোধ কৰিবলৈকো তেওঁক শক্তি দিলে ।
২৮ তোমোলাকে ইয়াত বিস্ময় নেমানিবা, কিয়নো যি কালত মৈদামত
থকা সকলোএ তেওঁৰ মাত শুনি, ২৯ সজ কৰম কৰাবিলাকে পৰম আয়ুসৰ
উঠানলৈ, আৰু কুকৰম কৰাবিলাকে দণ্ডৰ উঠানলৈ ওলাব, সেই কাল আ-
হিব । ৩০ মই আপোনাৰ পৰা একো কৰিব নোৱাৰোঁ ; যেনেকৈ শুনিছোঁ
তেনেকৈ সোধ কৰিছোঁ, আৰু মোৰ সোধ স্বৰূপ ; কিয়নো মই আপোনাৰ
ইচ্ছালৈ নিচিন্তি, মোক পঁচা পিতৃৰ ইচ্ছালৈহে চিন্তোঁ ।

৩১ মই আপোনাৰ কথাত যদি আপুনি প্ৰমাণ দিওঁ, তেন্তে মোৰ
প্ৰমাণ স্বৰূপ নহয় ; ৩২ কিন্তু মোৰ কথাত আন এজন সাক্ষী হৈছে,
আৰু মোৰ কথাত তেওঁৰ প্ৰমাণ স্বৰূপ, ইয়াকে মই জানোঁ । ৩৩ তো-
মোলাকে য়োহানৰ ওচৰলৈ মানুহ পঠালত, তেওঁ স্বৰূপ কথাৰ প্ৰমাণ
দিলে । ৩৪ কিন্তু মই মানুহৰ প্ৰমাণ নলওঁ, তথাপি তোমোলাকে যেন
উদ্ধাৰ পোৱা, সেই নিমিত্তে মই এই কথা কৈছোঁ । ৩৫ য়োহান জ্বলি
থকা দাপ্তিমন্ত প্ৰদীপ আছিল, আৰু তোমোলাকে অলপ কাল তেওঁৰ
পহৰতে আনন্দ কৰিবলৈ সম্মত আছিলা । ৩৬ কিন্তু য়োহানৰ প্ৰমাণত-
কৈয়ো মোৰ বৰ প্ৰমাণ আছে ; পিতৃএ যি যি কৰম মোক পূৰ কৰি-
বলৈ দিলে, মই কৰা সেই সেই কৰমেই মোৰ অৰ্থে পিতৃএ মোক
পচাৰ প্ৰমাণ দিছে । ৩৭ আৰু যি পিতৃএ মোক পঁচিলে, তেৰোঁ
মোৰ কথাত প্ৰমাণ দিছে । তেওঁৰ কথা তোমোলাকে কোনো কালে
শুনা নাই, তেওঁৰ ৰূপো দেখা নাই । ৩৮ আৰু তেওঁৰ বাক্য তোমোলাকৰ
ভিতৰত নেথাকে; কিয়নো যি জনক তেওঁ পঠালে, সেই জনত তোমো-
লাকে বিশ্বাস নকৰা । ৩৯ ধৰম পুথিৰ কথা বিচাৰা, কিয়নো সেই
কথাৰে অনন্ত আয়ুস পাবা, ইয়াকে তোমোলাকে বুঝা ; মোৰ প্ৰমাণ
দিয়া সেয়েই । ৪০ তথাপি তোমোলাকে পৰম আয়ুস পাবলৈ মোৰ
ওচৰলৈ আহিব নোখোজা । ৪১ মই মানুহৰ পৰা মৰ্য্যতা নলওঁ :
৪২ কিন্তু মই তোমোলাকক জানোঁ, তোমোলাকৰ হৃদয়ত ঈশ্বৰৰ প্ৰেম
নাই । ৪৩ মই আপোনাৰ পিতৃৰ নামেৰে আহিছোঁ, তেও তোমোলাকে
মোক গ্ৰহণ নকৰা ; কোনোএ যদি আপোন নামেৰে আহে, তোমো-
লাকে তাক গ্ৰহণ কৰিবা । ৪৪ তোমোলাকে অকল ঈশ্বৰৰ পৰা যি
মৰ্য্যতা, তালৈ ইচ্ছা নকৰি, কেৱল ইটৰ সিটৰ পৰা মৰ্য্যতা পোৱা হৈ,
কেনেকৈ বিশ্বাস কৰিব পাৰিবা? ৪৫ মই পিতৃৰ আগত তোমোলাকৰ
অপবাদ দিম, ইয়াক নেভাবিবা ; যি জনত ভাৰসা কৰিছা, সেই মো-
চাইহে তোমোলাকক অপবাদ দিএ । ৪৬ তোমোলাকে মোচাত বিশ্বাস

কৰা হলে, মোতো বিশ্বাস কৰিলাহেঁতেন, কিয়নো তেওঁ মোৰ কথা লিখি
আছে । ৪৭ কিন্তু তেওঁৰ লিখাত যদি প্ৰতিতি নকৰা, তেন্তে মোৰ
কথা কেনেকৈ প্ৰতিয়াবা?

## ৬ অধ্যায় ।

ইয়াৰ পাছে য়ীশুএ গালীল সাগৰ, যাক তিবেৰিয়াৰ সাগৰো বোলে,
তাক পাৰ হৈ গল; ২ আৰু ৰুগীয়াবোৰক স্বস্থ কৰা তেওঁৰ এনে আশ্চৰিত
কৰম দেখি বহু মানুহ তেওঁৰ পাচত গল । ৩ পাছে য়ীশুএ পৰ্ব্বতত উঠি
শিষ্যবিলাকে সৈতে বহিল । ৪ তেতিয়া য়িহুদিবিলাকৰ নিস্তাৰ পৰ্ব্ব ওচৰ
হল । ৫ তাতে য়ীশুএ চকু তুলি চাই অনেক অনেক মানুহ আপোনাৰ
ওচৰলৈ অহা দেখি ফিলিপত সুধিলে, এইবিলাকে খাবলৈ আহাৰ আমি
কত কিনিবলৈ পাম? ৬ এই কথা তাৰ পৰীক্ষাৰ নিমিত্তে তেওঁ কলে,
কিয়নো সি যি কৰিব, তাক তেওঁ আপুনি জানে । ৭ তাতে ফিলিপে উত্তৰ
কৰিলে, ইহঁতৰ একোটাই গাই পতি যদি অলপকৈয়ো পাই, তেও দশ
শিকিৰ পিঠা হলেও নুজুৰিব । ৮ চিমোন পিতৰৰ ভায়েক আন্দ্ৰিয়া নামেৰে
তেওঁৰ শিষ্যবিলাকৰ এজনে কলে, ৯ যাৰ পাঁচোটা যৱৰ পিঠা দুটা
সৰু মাছ থাকে, এনে এটী লৰা আমাৰ এখেত আছে, কিন্তু এতেক মানু-
হৰ মাঝত সেয়েৰে কি হব? ১০ তাতে য়ীশুএ বুলিলে, মানুহবিলাকক বহিব
দিয়া । সেই ঠাইতে ভালেমান ঘাঁহ আছিল; তাতে লেখৰ পাঁচ হেজাৰ
মান মানুহ বহিল । ১১ তেতিয়া য়ীশুএ সেই পিঠা লৈ ঈশ্বৰক স্তুতি কৰি,
শিষ্যবিলাকক ভাগ কৰি দিলে, পাছে সিবিলাকে সেই বহাবিলাকক দিলে,
আৰু খোজে মানে মাছকো দিলে । ১২ পাছে সিবিলাকে তৃপ্তি হলত,
তেওঁ শিষ্যবিলাকত কলে, ইয়াৰ একো যেন নষ্ট নহয়, এই নিমিত্তে
খোৱাৰ আগলিকা চপাই লোৱা । ১৩ তাতে সেইবোৰক চপাই লৈ,
মানুহে খাই এৰা সেই পাঁচোটা যৱৰ পিঠাৰ আগলিকাৰে বাৰেটা পাচি
পূৰ কৰিলে । ১৪ তেতিয়া য়ীশুএ কৰা এনে আশ্চৰিত কৰম দেখি, সেই
মানুহবিলাকে কোৱা কুই কৰিলে, পৃথিবীলৈ যি জন ভবিষ্যত বক্তা আ-
হিব লগা আছে, নিশ্চয় এৱেঁই সেই । ১৫ এতেকে তেওঁক ৰজা পাতি-
বৰ নিমিত্তে মানুহবিলাকে আহি তেওঁক ধৰি নিবলৈ মন আছিল, য়ীশুএ
ইয়াকে বুঝি, অকল সৰে আকও পৰ্ব্বতলৈ গল ।
১৬ পাছে গধূলী হলত শিষ্যবিলাকে সাগৰৰ তীৰলৈ গৈ নাৱত উঠি,
১৭ কিফৰ্ণাহুম নগৰৰ ফাললৈ পাৰ হৈ যাবলৈ ধৰিলে । এনেতে এন্ধাৰ
হলত য়ীশুএ সিবিলাকৰ ওচৰলৈ নাহিল । ১৮ আৰু বৰ বতাহ হোৱাত
সাগৰত ঢৌ উঠিল; ১৯ তাতে সিবিলাকে বাই এপৰ ডেৰ পৰৰ বাট গলত,

যীশুক সাগৰৰ ওপৰত খোজ কাঢ়ি নাৱৰ ওচৰলৈ অহা দেখি ভয় লাগিল।
২০ কিন্তু তেওঁ সিবিলাকত কলে, মইহে, ভয় নকৰিবা। ২১ তেতিয়া সিবি-
লাকে তেওঁক আনন্দেৰে নাৱত গ্ৰহণ কৰিলে, আৰু যি ঠাইলৈ যাত্ৰা
কৰিছিল, নাৱে তেতিয়াই সেই ঠাই পালেগৈ।

২২ যি নাৱেৰে শিষ্যবিলাক গৈছিল, তাত বাজে আন নাঁও সেই ঠাইত
নাইকিয়া, আৰু যীশুএ শিষ্যবিলাকে সৈতে নাৱত যোৱা নাই, অকল
শিষ্যবিলাকহে গৈছিল, ইয়াকে সিপাৰে থকা মানুহে জানিলে। ২৩ কিন্তু
প্ৰভুএ যি ঠাইত ঈশ্বৰক স্তুতি কৰিলত মানুহে পিঠা খাইছিলে, সেই ঠাইৰ
ওচৰলৈ তিবেৰিয়াৰ পৰা আৰু নাঁও আহিল। ২৪ পাছ দিনা যীশু সেই
ঠাইত নাই, শিষ্যবিলাকো নাই, ইয়াকে দেখি মানুহবিলাকে নাৱেৰে যীশুক
বিচাৰিবলৈ কিফৰ্ণাহুম নগৰলৈ গল। ২৫ তাতে সিবিলাকে সাগৰৰ সি-
পাৰত তেওঁক দেখা পাই কলে, হে গুৰু, আপুনি এই ঠাইলৈ কেতিয়া
আহিল? ২৬ যীশুএ সিইঁতত উত্তৰ কৰি কলে, মই তোমোলাকত অতি স্বৰূ-
পকৈ কৈছোঁ, আশ্চৰিত কৰম দেখাৰ নিমিত্তে নহয়, পিঠা খাই তৃপ্তি
পোৱাৰ নিমিত্তেহে মোক বিচাৰিছা। ২৭ ক্ষয় হোৱা আহাৰৰ নিমিত্তে
শ্ৰম নকৰিবা; কিন্তু অনন্ত আয়ুসলৈ যি আহাৰ থাকে, তাৰ নিমিত্তে
শ্ৰম কৰা। সেই আহাৰ মানুহৰ পুত্ৰই তোমোলাকক দিব; কিয়নো তেওঁলৈ
পিতৃ ঈশ্বৰে প্ৰমাণ দিলে। ২৮ তেতিয়া সিবিলাকে সুধিলে, ঈশ্বৰৰ
মনোনীত কৰম কৰিবলৈ আমি কি কৰিম? ২৯ তাতে যীশুএ উত্তৰ কৰি-
লে, ঈশ্বৰে যি জনক পাঁচিলে, তেওঁত বিশ্বাস কৰা, এয়ে ঈশ্বৰৰ মনোনীত
কৰম। ৩০ তেতিয়া সিবিলাকে তেওঁত কলে, আমি দেখিএই তোমাত বিশ্বাস
কৰিবলৈ তুমি কি চিন দেখাইছা? কি কৰম কৰিছা? ৩১ আমাৰ ওপৰ
পিতৃবিলাকে অৰণ্যৰ মাঝত মানা খাবলৈ পাইছিল; যেনেকৈ লিখা
আছে, সিবিলাকে খাবৰ নিমিত্তে তেওঁ স্বৰ্গৰ পৰা আহাৰ দিলে। ৩২ তে-
তিয়া যীশুএ সিবিলাকত কলে, মই তোমোলাকত অতি স্বৰূপকৈ কওঁ, মো-
চাই সিবিলাকক স্বৰ্গৰ আহাৰ দিয়া নাই, কিন্তু মোৰ পিতৃএ তোমো-
লাকক স্বৰ্গৰ স্বৰূপ আহাৰ দিএ। ৩৩ যি জন স্বৰ্গৰ পৰা নামি জগ-
তকে জীৱন দিছে, তেওঁই ঈশ্বৰে দিয়া আহাৰ। ৩৪ তেতিয়া সিবিলাকে
তেওঁত কলে, হে প্ৰভু, এই আহাৰ আমাক সদায় দিওক। ৩৫ যীশুএ কলে,
জীৱন দিওঁতা আহাৰ ময়েই; যি জন মোৰ ওচৰলৈ আহে, তাৰ কেতি-
য়াও ভোক নেলাগে; আৰু যি জনে মোত বিশ্বাস কৰে, তাৰ কেতিয়াও
পিয়াহ নেলাগে। ৩৬ মোক দেখিও তোমোলাকে বিশ্বাস নকৰা, ইয়াকে
মই তোমোলাকত কলোঁ। ৩৭ পিতৃএ মোক যি যি দিছে, সেই সকলোএ
মোৰ ওচৰলৈ আহিব; আৰু যি কোনো মোৰ ওচৰলৈ আহে, মই তাক
কোনো মতে বাহিৰ নকৰোঁ। ৩৮ মোৰ আপোনাৰ বাঞ্চা পূৰ কৰিবলৈ

নহয়, মোক পঁচা জনৰ বাঞ্ছা পূৰ কৰিবলৈহে স্বৰ্গৰ পৰা নামি আহিছোঁ।
৩৯ তেওঁ যিবিলাকক মোক দিছে, সিবিলাকৰ এজনকো নেহেৰুৱাই, শেষৰ
দিনা আটাইকে যেন তুলিম, মোক পঁচা পিতৃৰ বাঞ্ছা এই। ৪০ আৰু
যি কোনোএ মানুহৰ পুত্ৰক দেখি বিশ্বাস কৰে, শেষৰ দিনা মই যেন তাক
তুলিম, আৰু সি যেন অনন্ত আয়ুস পাব, মোক পঁচা জনৰ বাঞ্ছা এই।

৪১ তেতিয়া স্বৰ্গৰ পৰা যি আহাৰ নামিছে, সেই আহাৰ মৱেই, য়িহু-
দিবিলাকে তেওঁৰ এই কথাত তেওঁৰ অহিতে বোল মাত কৰি বুলিলে,
৪২ য়োচেফৰ পুতেক য়ীশু, যাৰ মাক বাপেকক জানোঁ, এওঁ সেই জন নহয়
নে? তেন্তে স্বৰ্গৰ পৰা নামি আহিছোঁ, এই কথা কেনেকৈ বোলে? ৪৩ তে-
তিয়া য়ীশুএ সিহঁতক উত্তৰ কৰিলে, ইটে সিটে বোল মাত নকৰিবা।
৪৪ মোক পঁচা পিতৃএ নানিলে কোনেও মোৰ ওচৰলৈ আহিব নোৱাৰে;
সেই অনা জনক শেষৰ দিনা তুলিম। ৪৫ সিবিলাক সকলোএ ঈশ্বৰৰ পৰা
শিক্ষা পোৱা হব, ভবিষ্যত বক্তাবিলাকৰ পুথিত এনে লিখা আছে; এই
দৰে যি কোনোএ পিতৃৰ পৰা শুনি শিকে, সেই সকলো মোৰ ওচৰলৈ
আহে। ৪৬ যি জন ঈশ্বৰৰ পৰা হয়, তেওঁত বাঝে কোনো মানুহে পিতৃক
দেখিলে, এনে নহয়, কেৱল তেৱেঁই পিতৃক দেখিলে। ৪৭ মই তোমোলা-
কত অতি স্বৰূপকৈ কৈছোঁ, যি কোনোএ মোত বিশ্বাস কৰে, সেয়ে অনন্ত
আয়ুস পাই। ৪৮ জীৱন দিয়া আহাৰ মৱেই। ৪৯ তোমোলাকৰ ওপৰ পিতৃ-
বিলাকে অৰণ্যত মানা খায়ো মৰিল; ৫০ মানুহে যিহকে খাই নমৰে, স্বৰ্গৰ
পৰা অহা এনে আহাৰ এই। ৫১ যি আহাৰ স্বৰ্গৰ পৰা নামিছে, সেই
জীৱন দিয়া আহাৰ মই; এই আহাৰ যি কোনোএ খাই, সি সদায়
জীব; আৰু যি আহাৰ জগতৰ জীৱনৰ নিমিত্তে মই দিওঁ, সেয়ে মোৰ
মঙ্গহ।

৫২ তেতিয়া য়িহুদিবিলাকে ইটে সিটে বাদ বিচাৰ কৰি কলে, এই মানুহে
খাবৰ নিমিত্তে আপোনাৰ মঙ্গহ আমাক কেনেকৈ দিব পাৰে? ৫৩ তাতে
য়ীশুএ সিহঁতত কলে, মই তোমোলাকত অতি স্বৰূপকৈ কৈছোঁ, মানুহৰ
পুত্ৰৰ মঙ্গহ নেখালে, আৰু তেওঁৰ তেজ পান নকৰিলে, তোমোলাকৰ মা-
ঝত একো জীৱন নাই। ৫৪ যি কোনোএ মোৰ মঙ্গহ খাই, আৰু মোৰ
তেজ পান কৰে, সি অনন্ত আয়ুস পাব; আৰু শেষৰ দিনা মই তাক তুলিম।
৫৫ কিয়নো মোৰ মঙ্গহ স্বৰূপ আহাৰ, আৰু মোৰ তেজ স্বৰূপ পান হৈছে।
৫৬ যি কোনোএ মোৰ মঙ্গহ খাই, আৰু মোৰ তেজ পান কৰে, সি মোত
নিবাস কৰে, ময়ো তাত নিবাস কৰোঁ। ৫৭ মোক পঁচা অমৰ পিতৃৰ
দ্বাৰাই যেনেকৈ মই জীয়াই থাকোঁ, তেনেকৈ যি কোনোএ মোক খাই, সিও
মোৰ দ্বাৰাই জীয়াই থাকিব। ৫৮ স্বৰ্গৰ পৰা যি আহাৰ আহিছে, সেয়ে
এই; তোমোলাকৰ ওপৰ পিতৃবিলাকে যি মানা খাই মৰি গৈছে, তাৰ

নিচিনা এই আহাৰ নহয়; এই আহাৰ যি কোনোএ খায়, সি সদায় জীব।
৫৯ কিফর্ণাহুমত উপদেশ দিয়া কালত তেওঁ এইবিলাক কথা বুলিলে।
৬০ তেতিয়া এই কথা শুনি তেওঁৰ শিষ্যবিলাকৰ মাজৰ অনেকে কোৱা
কুই কৰিলে, ই বৰ টান কথা; ইয়াক কোনে শুনিব পাৰে? ৬১ তেওঁৰ
শিষ্যবিলাকে এনে বোল মাত কৰে, তাক য়ীশুএ আপুনি মনে জানি, সি-
বিলাকত কলে, এই কথাতে তোমোলাকৰ বেজাৰ হৈছে নে? ৬২ তোমোলা-
কে যদি মানুহৰ পুত্ৰক আগৰ থকা ঠাইলৈ উঠিবৰ দেখা, তেতিয়া কি
কৰা? ৬৩ আত্মাইহে জীৱন দিএ, শৰীলত একো কাৰ্য্য নাই; মই তোমো-
লাকত যিবোৰ কথা কৈছোঁ, সেই কথাই আত্মা আৰু জীৱন। ৬৪ কিন্তু
তোমোলাকৰ মাজত কোনো কোনো অবিশ্বাসী আছে। কোন কোন মানু-
হে বিশ্বাস নকৰে, আৰু কোনে তেওঁক লোকৰ হাতত সোধাই দিব, তাক
য়ীশুএ আগৰে পৰা জানি আছিল। ৬৫ আৰুও তেওঁ বুলিলে, এই নি-
মিত্তে মই তোমোলাকত কৈছিলোঁ, মোৰ পিতৃৰ পৰা শক্তি নেপালে, মোৰ
ওচৰলৈ কোনেও আহিব নোৱাৰে।
৬৬ তাৰে পৰা তেওঁৰ অনেক শিষ্য উলটি গৈ তেওঁৰ লগত আৰু অহা
যোৱা নকৰিলে। ৬৭ তেতিয়া য়ীশুএ বাৰে জন শিষ্যক বুলিলে, তোমোলা-
কো যাবলৈ ইচ্ছা কৰা নে? ৬৮ তাতে চিমোন পিতৰে উত্তৰ কৰিলে, হে
প্ৰভু, আমি কাৰ ওচৰলৈ যাম? অনন্ত জীৱন দিওঁতা যি কথা, সেই কথা
তোমাৰহে। ৬৯ আৰু তুমি যে অমৰ ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট, ইয়াকে বিশ্বাস
কৰি আমি নিশ্চয় জানোঁ। ৭০ তেতিয়া তেওঁ সমিধান দি কলে, মই তো-
মোলাক বাৰে জনক মনোনীত কৰা নাই নে? কিন্তু তোমোলাকৰ মাজতো
এজন শত্ৰু আছে। ৭১ চিমোনৰ পুত্ৰ ইস্কৰিওতিয়া য়িহুদাৰ অৰ্থে তেওঁ
এই কথা কলে; কিয়নো বাৰে জনৰ মাজৰ যিটোএ তেওঁক লোকৰ হাতত
সোধাই দিব, সেয়ে এই।

## ৭ অধ্যায়।

ইয়াৰ পাছে য়িহুদিবিলাকে তেওঁক বধ কৰিবলৈ উপায় কৰাত য়ীশুএ য়িহু-
দা দেশত ফুৰিবলৈ ইচ্ছা নকৰি, গালীল দেশত ফুৰিলে। ২ সেই কালত
য়িহুদিবিলাকৰ পজাত থকা পৰ্ব্ব ওচৰ হলত, ৩ তেওঁৰ ভায়েকবিলাকে
তেওঁত কলে, তুমি যিবোৰ কৰম কৰিছা, তোমাৰ শিষ্যবিলাকেও যেন দে-
খে, এই নিমিত্তে ইয়াক এৰি য়িহুদা দেশলৈ যোৱা। ৪ কিয়নো যি কো-
নোএ আপুনি প্ৰখ্যাত হবলৈ খোজে, সি গুপুতে কৰম নকৰে; যদি এনে
কৰম কৰা, তেন্তে জগতকে আপোনাক দেখুওৱা। ৫ কিয়নো তেওঁৰ ভায়েক-
বিলাকেও তেওঁত বিশ্বাস নকৰিলে। ৬ তেতিয়া য়ীশুএ সিহঁতত কলে,

মোৰ কাল এতিয়া হোৱা নাই, কিন্তু তোমোলাকৰ কাল সদায় হৈ আছে ।
৭ জগতৰ লোকে তোমোলাকক ঘিণাব নোৱাৰে, মোকেহে ঘিণ কৰে;
কিয়নো সিহঁতৰ কৰম দুষ্ট, মই এনে প্ৰমাণ দিছোঁ । ৮ তোমোলাকে এই
পৰ্ব্বলৈ যোৱা; মই এতিয়া পৰ্ব্বলৈ নেযাঁও, কিয়নো মোৰ কাল এতিয়া পূৰ
নৌ হয় । ৯ সিবিলাকত এই কথা কৈ তেওঁ গালীলতে থাকিল । ১০ কিন্তু
তেওঁৰ ভায়েকবিলাক গলত পাছে তেৰেঁা প্ৰৌঢ়িক নোহোৱাকৈ গুপুতে পৰ্ব্ব-
লৈ গল । ১১ পৰ্ব্বৰ মাঝত য়িহুদিবিলাকে তেওঁক বিচাৰি সুধিলে, তেওঁ
কত আছে? ১২ তাতে মানুহৰ মাঝত তেওঁৰ কথাত অনেক বাদ বিচাৰ
লাগিল; কোনো কোনোএ কলে, তেওঁ উত্তম মানুহ; আন কোনোএ কলে,
নহয়, মানুহবোৰক ভুলাইছেহে । ১৩ কিন্তু য়িহুদিবিলাকৰ ভয়ত কোনেও
তেওঁৰ অৰ্থে সাহকৈ কথা নকলে ।
১৪ তাৰ পাছে পৰ্ব্বৰ মাঝ সময়ত য়ীশুএ মন্দিৰলৈ গৈ উপদেশ দিলে ।
১৫ তাতে য়িহুদিবিলাকে বিস্ময় মানি কলে, এওঁ নিশিকাকৈ বিদ্যা কেনে-
কৈ জানিছে? ১৬ তাতে য়ীশুএ উত্তৰ কৰিলে, এই উপদেশ মোৰ আপো-
নাৰ নহয়, কিন্তু যি জনে মোক পঠাইছে, তেওঁৰহে । ১৭ তেওঁৰ মনো-
নীত কৰম কৰিবলৈ যি কোনো মানুহৰ ইচ্ছা হয়, মোৰ উপদেশ ঈশ্বৰৰ
পৰা হৈছে নে, নাইবা মই আপোনাৰ মনৰ পৰা কৈছোঁ, সি তাক জা-
নিব । ১৮ যি জনে আপোনাৰ মনৰ পৰা কয়, সি আপোনাৰ মৰ্য্যতা বি-
চাৰে; কিন্তু পঁচা জনৰ মৰ্য্যতা যি বিচাৰে, সি সত্য, আৰু তাত একো
অধৰম নাই । ১৯ মোচাই তোমোলাকক বিধান দিয়া নাই নে? কিন্তু তো-
মোলাকৰ কোনেও সেই বিধান পালন নকৰে। মোক মাৰিবলৈ কিয় উপায়
কৰিছাহঁক? ২০ তেতিয়া মানুহবোৰে উত্তৰ কৰিলে, তুমি ভূতে পোৱা; তো-
মাক মাৰিবলৈ কোনে উপায় কৰিছে? ২১ য়ীশুএ সমিধান দি বুলিলে, মই
এটা কৰম কৰিলোঁ, তাতে তোমোলাক সকলোএ বিস্ময় মানিছা । ২২ মো-
চাই তোমোলাকক চৰ্ম্মছেদনৰ ৰীতি দিলে; সেই ৰীতি মোচাৰ পৰা হৈছে,
এনে নহয়, উপৰি পুৰুষবিলাকৰ পৰাহে হল; তাতে বিশ্ৰাম বাৰতো মানু-
হৰ চৰ্ম্মছেদন কৰাহঁক । ২৩ এই হেতুকে মোচাৰ বিধান উলংঘা নহবলৈ
তোমোলাকে যদি বিশ্ৰাম দিনত মানুহৰ চৰ্ম্মছেদন কৰা, তেন্তে মই যে বিশ্ৰাম
বাৰত এটা মানুহক গোটেইটো সুস্থ কৰিলোঁ, সেই নিমিত্তে তোমোলাকে
মোলৈ খঙ্গ কৰিছা নে? ২৪ মুখলৈ চাই সোধ নকৰি, স্বৰূপ সোধ কৰা ।
২৫ তেতিয়া য়িৰুছালমৰ কোনোবোৰে কলে, সিবিলাকে যি জনক মাৰি-
বলৈ উপায় কৰে, সেই জন এওঁ নহয় নে? ২৬ কিন্তু দেখা, ভয় নোহোৱা-
কৈ কথা কৈছে, তেও সিবিলাকে তেওঁক একো নোবোলে । এৰেঁই স্বৰূপ
খ্ৰীষ্ট হয়, অধিকাৰবিলাকে ইয়াক নিশ্চয়কৈ জানে নে? ২৭ তথাপি এই
মানুহ কৰ পৰা হল, তাক আমি জানোঁ; কিন্তু খ্ৰীষ্ট আহিলে, তেওঁ কৰ

পৰা হয়, তাক কোনেও নেজানে। ২৮ সেই কালত য়ীশুএ মন্দিৰৰ মাঝত
উপদেশ দিওঁতে ৰিঙ্গিয়াই কলে, তোমোলাকে মোক জানা, আৰু কৰ
পৰা হলোঁ তাকো জানা; তথাপি মই আপোন ইচ্ছাৰে অহা নাই, কিন্তু
যি জনে মোক পাঠিলে, তেৱেঁই সত্য; তেওঁকে তোমোলাকে নেজানা।
২৯ মই হলে তেওঁক জানোঁ, কিয়নো মই তেওঁৰ ওচৰৰ পৰা আহিলোঁ,
তেৱেঁই মোক পাঠিলে। ৩০ তাতে সিহঁতে তেওঁক ধৰিবলৈ উপায় কৰি-
লে, তথাপি কোনোএ তেওঁৰ গাত হাত নিদিলে, কিয়নো তেতিয়া তেওঁৰ
কাল হোৱা নাই। ৩১ কিন্তু সমূহৰ অনেক মানুহে তেওঁত বিশ্বাস কৰি কলে,
যেতিয়া খ্রীষ্ট আহে, এই মানুহৰ কৰমতকৈ তেওঁ অধিক আশ্চৰিত কৰম
কাৰব নে?

৩২ মানুহবিলাকে তেওঁৰ কথাত এনে বাদ বিচাৰ কৰিলে, ফিৰুচিবিলা-
কে ইয়াকে শুনিলত, সিবিলাক আৰু প্ৰধান পোৰোহিত সকলে তেওঁক ধৰি-
বলৈ টেকেলাবোৰক পাঁচিলে। ৩৩ তাতে য়ীশুএ কলে, মই অলপ দিন তো-
মোলাকৰ লগত থাকি, মোক পঁচা জনৰ ওচৰলৈ যাম; ৩৪ তাতে তোমো-
লাকে মোক বিচাৰিবা, কিন্তু নেপাবা; আৰু মই যি ঠাইত থাকিম, তো-
মোলাকে তালৈ যাব নোৱাৰিবা। ৩৫ তেতিয়া য়িহুদিবিলাকে ইটে সিটে
বুলিলে, আমি যে তেওঁক বিচাৰি নেপাম, তেওঁ নো কোন ঠাইলৈ যাব?
গ্রিকবিলাকৰ মাঝত গোট গোট হোৱা মানুহৰ ওচৰলৈ গৈ, গ্রিকবিলাকক
উপদেশ দিব নে? ৩৬ নাইবা মোক বিচাৰিবা, কিন্তু নেপাবা, আৰু মই যি
ঠাইত থাকিম, তালৈ যাব নোৱাৰিবা, এইটো নো কি কথা কৈছে?

৩৭ পাছে পৰ্ব্বৰ শেষৰ প্ৰধান দিনা য়ীশুএ থিয় হৈ ৰিঙ্গিয়াই কলে, কো-
নো মানুহৰ যদি পিয়াহ লাগে, সি মোৰ ওচৰলৈ আহি পান কৰোক।
৩৮ যি কোনোএ মোত বিশ্বাস কৰে, ধৰম পুথীএ কোৱাৰ দৰে তাৰ ভিত-
ৰৰ পৰা অমৃত জলৰ নৈবোৰ বাহিৰ হৈ ওলাব। ৩৯ তেওঁত বিশ্বাস কৰাবি-
লাকে যে আত্মা পাব, তাৰ অৰ্থে তেওঁ এই কথা কলে; কিয়নো এই কাল-
লৈকে য়ীশুএ ঐশ্বৰ্য্য নোপোৱাতে পবিত্ৰ আত্মা দিয়া হোৱা নাই। ৪০ তেওঁৰ
সেই কথা শুনি অনেক মানুহে কলে, নিশ্চয়ে এওঁ সেই ভবিষ্যত বক্তা;
৪১ আৰু কোনোবিলাকে বুলিলে, এও খ্রীষ্ট হয়। কিন্তু কেতবোৰে কলে,
খ্রীষ্ট গালীল দেশত জনমিব নে? ৪২ খ্রীষ্ট দাৱিদৰ বঙ্গহত আৰু দাৱিদ
থকা ঠাই বৈত্লেহেম নগৰত উপজিব, ধৰম পুথিত এনে লিখা নাই নে?
৪৩ এই ৰূপে তেওঁৰ কথাত মানুহবিলাক দুফাল হল; ৪৪ আৰু কেতবোৰে
তেওঁক ধৰিবলৈ ইচ্ছা কৰিলে, তথাপি কোনেও তেওঁৰ গাত হাত নিদিলে।

৪৫ পাছে টেকেলাবোৰে প্ৰধান পোৰোহিত আৰু ফিৰুচিবিলাকৰ ওচৰ-
লৈ আহিলত, সিবিলাকে সিহঁতত সুধিলে, কি কাৰণে তাক নানিলা? ৪৬ তে-
তিয়া টেকেলাবোৰে উত্তৰ কৰিলে, সেই মানুহৰ দৰে কোনো মানুহে কে-

তিয়াও কথা কোৱা নাই । ৪৭ তাতে ফিৰুচিবোৰে সমিধান দি কলে, তো-
মোলাকো ভুল হলা নে? ৪৮ অধিকাৰ আৰু ফিৰুচিবিলাকৰ মাঝৰ কো-
নোএ তাত বিশ্বাস কৰিছে নে? ৪৯ কিন্তু বিধান নজনা এই মানুহবোৰে
শাও পোৱা হয় । ৫০ তেতিয়া সিবিলাকৰ মাঝৰ নিকদিম নামেৰে যি জন
ৰাতি য়ীশুৰ ওচৰলৈ গৈছিলে, তেওঁ কলে, ৫১ তাৰ আপোন কথা নুশুনাৰ,
কৰম নজনাৰ আগেএ আমাৰ বিধানে কোনোবা মানুহক দুষী কৰে নে?
৫২ তাতে সিবিলাকে উত্তৰ কৰি কলে, তুমিও গালীলৰ মানুহ নে? বিচাৰি
চোৱা, কিয়নো গালীলৰ পৰা ভবিষ্যত বক্তা নোলাই । [৫৩ পাছে সকলোএ
আপোন আপোন ঘৰলৈ গুছি গল, আৰু য়ীশু জলফাই পৰ্ব্বতলৈ গল ।

## ৮ অধ্যায় ।

পাছে ৰাতি পুয়াতে তেওঁ আকও মন্দিৰলৈ আহিল; ২ তাতে সকলো মা-
নুহ তেওঁৰ ওচৰলৈ আহিলত, তেওঁ বহি সিবিলাকত উপদেশ দিছিলে ।
৩ তেতিয়া অধ্যাপক আৰু ফিৰুচিবিলাকে বিভিচাৰ কৰমত ধৰা এজনী
তিৰোতাক আনি আটাইৰে মাঝত থৈ কলে, ৪ হে গুৰু, এই তিৰোতাই
বিভিচাৰ কৰম কৰোঁতেই ধৰা গৈছে । ৫ এনে তিৰোতাক শিল পেলাই
মাৰিবলৈ মোচাই শাস্ত্ৰত আমাক বিধান দিলে; কিন্তু আপুনি বা কি
বোলে? ৬ তেওঁক অপবাদ দিবৰ নিমিত্তে পৰীক্ষা বুঝিবলৈহে সিহঁতে
এই কথা কলে । কিন্তু য়ীশুএ তললৈ মুখ কৰি আঙ্গুলিৰে মাটীত লিখি-
লে । ৭ তাতে সিহঁতে সুধি সুধি থকাত তেওঁ মূৰ দাঙ্গি সিহঁতত কলে,
তোমোলাকৰ যিটো নিদুষী, সেয়ে তাইৰ গাত প্ৰথমে শিল পেলাওক;
৮ পাছে আকও তললৈ মূৰ কৰি মাটীত লিখিলে । ৯ এই কথা শুনি
বৰৰ পৰা সৰুলৈকে সকলোএ আপোনাৰ পাপ মনে জানি এটা এটা হৈ
বাহিৰলৈ গল; তাতে য়ীশুক অকল সৰিয়াকৈ এৰিলে, আৰু তিৰোতাও
মাঝতে থাকিল । ১০ পাছে য়ীশুএ মূৰ দাঙ্গি সেই তিৰোতাত বাঝে কাকো
নেদেখি তাইত সুধিলে, হে তিৰী, তোমাক বাদ দিয়া সেইবোৰ কত আছে?
তোমাক কোনেও দণ্ড নকৰিলে নে? ১১ তাই কলে, হে প্ৰভু, কেৰেঁ কৰা
নাই । তাতে য়ীশুএ কলে, ময়ো দণ্ড নকৰোঁ; তুমি যোৱা, আকও পাপ
কৰম নকৰিবা ।]

১২ পাছে য়ীশুএ সিহঁতত আকও কলে, মই জগতৰ পহৰ; মোৰ পাচত
যি আহে, সি এন্ধাৰত নুফুৰি জীৱনৰ পহৰ পাব । ১৩ তাতে ফিৰুচিবি-
লাকে কলে, তুমি আপোনাৰ কথাত আপুনি সাক্ষী হৈছা; তোমাৰ প্ৰমাণ
স্বৰূপ নহয় । ১৪ য়ীশুএ সমিধান দি কলে, যদি মই আপোনাৰ কথাত আ-
পুনি সাক্ষী হৈছোঁ, তেও মোৰ প্ৰমাণ স্বৰূপ; কিয়নো মই কৰ পৰা আ-

হিছোঁ, আৰু কলৈ যাঁও, তাক মই জানোঁ; কিন্তু কৰ পৰা আহিছোঁ, আৰু
কলৈ যাঁও, তাক তোমোলাকে নেজানা। ১৫ তোমোলাকে সংসাৰিক ৰূপে
সোধ কৰা, মই কাৰো সোধ নকৰোঁ; ১৬ কিন্তু যদি সোধ কৰোঁ, তেও
মোৰ সোধ স্বৰূপ; কিয়নো মই অকল মৰিয়া নহঁও, মোক পঁচা পিতৃ,
মোৰ লগতে আছে। ১৭ আৰু দুজন সাক্ষীৰ কথা স্বৰূপ হয়, ইয়াক তো-
মোলাকৰ বিধানতে লিখি আছে। ১৮ মই আপোনাৰ কথাত আপুনিএই
এজন সাক্ষী আছোঁ; আৰু মোক যি জনে পাঁচিলে, সেই মোৰ পিতৃএও
মোৰ কথাত সাক্ষী হৈছে। ১৯ তেতিয়া সিহঁতে সুধিলে, তোমাৰ পিতৃ
কত আছে? তাতে য়ীশুএ উত্তৰ কৰিলে, তোমোলাকে মোকো নেজানা, মোৰ
পিতৃকো নেজানা; মোক জনা হলে, মোৰ পিতৃকো জানিলাহেঁতেন।
২০ য়ীশুএ মন্দিৰত উপদেশ দি, ভঁৰালৰ খোটালিত এইবিলাক কথা কলে;
তথাপি কোনেও তেওঁৰ গাত হাত নিদিলে, কিয়নো তেতিয়া তেওঁৰ কাল
হোৱা নাই।

২১ তাৰ পাছে য়ীশুএ আকও কলে, মই যাওঁ, পাছে তোমোলাকে মোক
বিচাৰিবা, আৰু আপোনাৰ পাপত মৰিবা; মই যি ঠাইলৈ যাম, সেই
ঠাইলৈ তোমোলাকে যাব নোৱাৰিবা। ২২ তেতিয়া য়িহুদিবিলাকে বুলিলে,
এওঁ আপোন ঘাতী হব নে? কিয়নো মই যি ঠাইলৈ যাম, তোমোলাকে
সেই ঠাইলৈ যাব নোৱাৰিবা, এনে কথা কৈছে। ২৩ তাতে য়ীশুএ সিহঁতত
কলে, তোমোলাক তলৰ পৰা হৈছা, মই ওপৰৰ পৰা হৈছোঁ; তোমো-
লাক এই সংসাৰৰ, মই এই সংসাৰৰ নহঁও; ২৪ এই হেতুকে মই তো-
মোলাকত কলোঁ, তোমোলাক আপোনাৰ পাপতে মৰিবা; কিয়নো মই
সেই জন, ইয়াক তোমোলাকে যদি বিশ্বাস নকৰা, তেন্তে আপোনাৰ পাপত
মৰিবা। ২৫ তেতিয়া সিহঁতে তেওঁত সুধিলে তুমি কোন? তাতে য়ীশুএ
কলে, প্ৰথমতে যি জন হৈছোঁ বুলি কওঁ, মই তেৱেঁই। ২৬ মই তোমো-
লাকৰ অৰ্থে অনেক কথা কবলৈ আৰু সোধ কাৰবলৈকো আছে; কিন্তু
যি জনে মোক পাঁচিলে, তেওঁ সত্য; আৰু তেওঁৰ পৰা যিহকে শুনিলোঁ,
তাকেহে জগতৰ লোকত কৈছোঁ। ২৭ তেওঁ যে পিতৃৰ অৰ্থে এই কথা
কলে, ইয়াক সিহঁতে নুবুঝিলে। ২৮ তাতে য়ীশুএ কলে, যেতিয়া মানুহৰ
পুত্ৰক ওপৰলৈ তুলিবা, তেতিয়া মই যে সেই জন, আৰু অকল, আপোনাৰ
ইচ্ছাৰে একো কৰম নকৰোঁ, কিন্তু পিতৃএ শিকোৱাৰ দৰেই এই কথা
কৈছোঁ, ইয়াকে তোমোলাকে জানিবা। ২৯ আৰু যি জনে মোক পাঁচিলে,
তেওঁ মোৰ লগতে আছে; পিতৃএ মোক অকল মৰিয়াকৈ নেৰিলে;
কিয়নো যি কৰমত তেওঁ তুষ্ট হয়, মই সদায় তাকে কৰোঁ।

৩০ তেওঁ এইবিলাক কথা কোৱাত অনেক মানুহে তেওঁত বিশ্বাস কৰি-
লে। ৩১ তাতে যি য়িহুদিবিলাকে তেওঁত বিশ্বাস কৰিলে, য়ীশুএ সিহঁতত

কলে, মোৰ কথাতে যদি তোমোলাক থাকা, ৩২ তেন্তে মোৰ স্বৰূপ শিষ্য
হৈ সত্যক জানিবা, আৰু সত্যেই তোমোলাকক মুক্তি কৰিব। ৩৩ তেতিয়া
সিহঁতে উত্তৰ কৰিলে, আমি আব্ৰাহামৰ বঙ্গহ, আৰু কেতিয়াও কাৰো
বন্দী হোৱা নাই; তেন্তে তোমোলাক মুকুত হবা, এনে কথা তুমি কেনেকৈ
বুলিছা? ৩৪ তাতে য়ীশুএ উত্তৰ কৰিলে, মই তোমোলাকত অতি স্বৰূপকৈ
কওঁ, যি জনে পাপ কৰম কৰে, সি পাপৰ বন্দী। ৩৫ আৰু বন্দী
সদায় ঘৰত নেথাকে, কিন্তু পুত্ৰ হলে সদায় থাকে। ৩৬ এই হেতুকে
পুত্ৰই যদি তোমোলাকক মুকুত কৰে, তেন্তে নিশ্চয় মুকুত হবা। ৩৭ তো-
মোলাক যে আব্ৰাহামৰ বঙ্গহ, তাক মই জানোঁ; কিন্তু মোৰ কথাই তোমা-
লাকৰ হৃদয়ত ঠাই নেপাই, এই হেতুকে মোক মাৰিবলৈ উপায় কৰিছা।
৩৮ মই আপোনাৰ পিতৃৰ লগত যিহকে দেখিছোঁ, তাকে কৈছোঁ; তোমো-
লাকেও আপোনাৰ পিতৃৰ লগত যিহকে দেখিছা, তাকে কৰিছা। ৩৯ তে-
তিয়া সিহঁতে উত্তৰ কৰি কলে, আব্ৰাহাম আমাৰ পিতৃ। তাতে য়ীশুএ
কলে, তোমোলাক আব্ৰাহামৰ সন্তান হোৱা হলে, আব্ৰাহামৰ কৰম কৰিলা
হেঁতেন। ৪০ কিন্তু ঈশ্বৰৰ মুখৰ পৰা সত্য কথা শুনি তোমোলাকত কোৱা
জন যি মই, মোকে মাৰিবলৈ উপায় কৰিছা; আব্ৰাহামে হলে এনে কৰম
কৰা নাই। ৪১ তোমোলাকে আপোনাৰ পিতৃৰহে কৰম কৰিছা। তে
তিয়া সিহঁতে কলে, আমি জাৰজ নহওঁ; আমাৰ একে জন পিতৃ আছে,
তেওঁ ঈশ্বৰ। ৪২ তাতে য়ীশুএ সিহঁতত কলে, ঈশ্বৰ তোমোলাকৰ পিতৃ
হোৱা হলে, মোত প্ৰীতি কৰিলাহেঁতেন; কিয়নো মই ঈশ্বৰৰ পৰা ওলায়
আহিছোঁ; আপোনা আপুনি অহা নাই, তেৱেঁই মোক পাঁচিলে। ৪৩ তো-
মোলাকে মোৰ কথা কিয় নুবুঝা? কাৰণ এই, মোৰ উপদেশ সহিব নো-
ৱৰা। ৪৪ তোমোলাক আপোনা সকলৰ পিতৃ চয়তানৰ পৰাহে হলা;
তোমোলাকৰ সেই পিতৃৰ অভিৰুচি পূৰ কৰিছা; সি আগৰে পৰা মানুহ
বধ কৰা হৈ সত্যত নেথাকিল, কিয়নো তাত সত্য নাই। সি যেতিয়া মিছা
কয়, তেতিয়া আপোনাৰ পৰাহে কয়; কিয়নো সি মিছলীয়া, মিছাৰো
বাপেক। ৪৫ মই সত্য কথা কওঁ, এই নিমিত্তে তোমোলাকে নপতিওৱা।
৪৬ মোত পাপ আছে, তোমোলাকৰ মাঝত কোনে এনে প্ৰমাণ দিব পাৰে?
আৰু যদি সত্য কথা কৈছোঁ, তেন্তে কিয় মোত বিশ্বাস নকৰা; ৪৭ যি
কোনো ঈশ্বৰৰ হয়, সি ঈশ্বৰৰ কথা শুনে; তোমোলাক ঈশ্বৰৰ মানুহ নো-
হোৱা; এই হেতুকে ঈশ্বৰৰ কথা নুশুনা।

৪৮ তেতিয়া য়িহুদিবিলাকে উত্তৰ কৰিলে, তুমি চোমিৰোণী আৰু ভূতে
পোৱা এজন, আমি ইয়াকে ভালকৈ বোলা নাই নে? ৪৯ তাতে য়ীশুএ
উত্তৰ কৰিলে, মই ভূতে পোৱা নহওঁ, কিন্তু মই আপোনাৰ পিতৃক মৰ্য্যতা
কৰোঁ, আৰু তোমোলাকে মোক অমৰ্য্যতা কৰা। ৫০ মই আপোনাৰ

যশস্যালৈ ইচ্ছা নকৰোঁ, কিন্তু ইচ্ছা কৰা আৰু সোধো কৰা এনে এজন
আছে । ৫১ মই তোমোলাকত অতি স্বৰূপকৈ কওঁ, যি জনে মোৰ কথা
পালন কৰে, সি কেতিয়াও মৃত্যুক নেদেখিব । ৫২ তাতে য়িহুদিবিলাকে
তেওঁত কলে, তুমি যে ভূতে পোৱা ইয়াক এতিয়াই জানিছোঁ । আব্রা-
হাম আৰু ভবিষ্যত বক্তাবিলাক মৰি আছে, কিন্তু তুমি কৈছা, যি জনে
মোৰ কথা পালন কৰে, সি মৰণৰ দুঃখ ভোগ কেতিয়াও নেপাই । ৫৩ তুমি
আমাৰ উপৰি পুৰুষ আব্রাহামতকৈয়ো বৰ নে? তেৱোঁ মৰিল, ভবিষ্যত
বক্তাবিলাকো মৰিল; তুমি আপোনাক কোন বুলি মানিছা? ৫৪ য়ীশুএ
উত্তৰ কৰিলে, মই যদি আপোনাৰ মৰ্য্যতা আপুনি কৰোঁ, তেন্তে মোৰ
সেই মৰ্য্যতা একো নহয়; কিন্তু যি জনক তোমোলাকে আপোনাৰ ঈশ্বৰ
বোলা, সেই মোৰ পিতৃএহে মোৰ মৰ্য্যতা কৰে । ৫৫ তোমোলাকে তেওঁক
নেজানা; মই হলে তেওঁক জানোঁ; মই তেওঁক নেজানোঁ বুলি যদি কওঁ,
তেন্তে তোমোলাকৰ নিচিনা মিছলীয়া হওঁ । কিন্তু মই তেওঁক জানোঁ,
আৰু তেওঁৰ আজ্ঞা পালন কৰোঁ । ৫৬ তোমোলাকৰ উপৰি পুৰুষ আব্রা-
হামে মোৰ কাল দেখিবলৈ বৰকৈ বাঞ্ছা কৰিলে, আৰু তাকে দেখি আ-
নন্দ হল । ৫৭ তেতিয়া য়িহুদিবিলাকে তেওঁত কলে, তোমাৰ বয়স আৰৈ
কুৰি বছৰেই নহয়; তুমি আব্রাহামক দেখিলা নে? ৫৮ তাতে য়ীশুএ
সিহঁতত কলে, মই তোমোলাকত অতি স্বৰূপকৈ কৈছোঁ, আব্রাহামৰ জনমৰ
আগৰে পৰা মই হৈ আছোঁ । ৫৯ তেতিয়া সিহঁতে তেওঁক মাৰিবলৈ শিল
তুলি ললে; কিন্তু য়ীশুএ লুকাই মন্দিৰৰ পৰা বাহিৰ হৈ সিহঁতৰ মাজে
দি গুছি গল ।

## ৯ অধ্যায় ।

পাছে তেওঁ যাওঁতে যাওঁতে ওপজাৰে কণা মানুহ এটাক দেখিলে । ২ তাতে
শিষ্যবিলাকে তেওঁত সুধিলে, হে গুৰু, এই মানুহ কণা হৈ উপজিবলৈ ই
পাপ কৰিলে নে, তাৰ মাক বাপেকে পাপ কৰিলে? ৩ তাতে য়িশুএ উত্তৰ
দি কলে, ই পাপ কৰিলে, নাইবা মাক বাপেকে কৰিলে, এনে নহয়;
কিন্তু ইয়াৰ পৰা ঈশ্বৰৰ কৰম প্ৰকাশ হবলৈহে হৈছে । ৪ দিন থাকোঁতেই
মোক পঁচা জনৰ কৰম মই কৰিবলৈ উচিত; যি কালত কোনেও কৰম
কৰিব নোৱাৰে, এনে ৰাতি আহিছে । ৫ যেতে দিন জগতত আছোঁ,
তেতে দিন মই জগতৰ পহৰ । ৬ এই কথা বুলি মাটীত থুই পেলাই
তাৰে বোকা কৰি, পাছে সেই বোকাৰে কণাৰ চকুত লিপি তাক এই
আজ্ঞা দিলে, ৭ চিলোহ অৰ্থাত পঁচা, এনে নামেৰে পুখুৰিলৈ গৈ ধোৱা ।
তাতে সি গৈ ধুলে, পাছে চকুএ দেখা হৈ উলটি আহিল ।

৮ তাৰ পাছে ওচৰৰ মানুহবিলাকে আৰু যিবোৰে আগেএ তাক কণা দেখি-
ছিলে, সিবিলাকে কলে, যিটোএ বাটত বহি মাগিছিলে, সেইটো এই
নহয় নে? ৯ কোনোএ বুলিলে, সেয়ে হয়; আন কোনোএ বুলিলে, সি
তাৰ নিচিনাই হয়; কিন্তু সি আপুনি কলে, মই সেয়ে হওঁ । ১০ এই
হেতুকে সিহঁতে সুধিলে, কেনেকৈ তোমাৰ চকুএ দেখা হল? ১১ তাতে
সি সমিধান দি কলে, য়ীশু নামেৰে এজনে মোৰ চকুত বোকা লিপি কলে,
চিলোহ পুখুৰিলৈ গৈ ধোৱা; তাতে মই গৈ ধুলত চকুএ দেখা হলোঁ ।
১২ তেতিয়া সিবিলাকে তাত সুধিলে, সেই জন কত আছে? সি কলে, তাক
মই নেজানোঁ ।

১৩ পাছে সেই আগৰ কণাটক ফিৰুচিবিলাকৰ ওচৰলৈ আনিলে । ১৪ যি
দিনা য়ীশুএ বোকা কৰি তাৰ চকুএ দেখা কৰিলে, সেই দিনা বিশ্রাম
বাৰ । ১৫ এই হেতুকে ফিৰুচিবিলাকে তাত আকও সুধিলে, তুমি কেনেকৈ
দেখা হলা? তাতে সি কলে, তেওঁ মোৰ চকুত বোকা লিপিলে, পাছে
মই ধুই দেখা হৈছোঁ । ১৬ এই হেতুকে ফিৰুচিৰ কেতবিলাকে বুলিলে,
সেই জন ঈশ্বৰৰ পৰা নহয়, কিয়নো সি বিশ্রাম বাৰকে নেমানে । আন
কোনোএ কলে, পাপী মানুহে কেনেকৈ এনে আশ্চৰিত কৰম কৰিব
পাৰে? এই দৰে আকও সিহঁতৰ ইবোৰ সিবোৰ দুফাল হল । ১৭ পাছে
সিহঁতে আকও কণাত সুধিলে, তেওঁ তোমাৰ চকুএ দেখা কৰাত তেওঁৰ
কথাত তুমি কি বোলা? সি কলে, তেওঁ ভবিষ্যত বক্তা । ১৮ সি যে ওপ-
জাৰে কণা হৈ দেখা পালে, এই কথা য়িহুদিবিলাকে কণাৰ মাক বাপে-
কক মাতি নানিলে মানে নপতিয়ালে । ১৯ তাতে সিবিলাকে সিহঁতত সুধিলে,
তোমোলাকৰ পুত্র যে ওপজাৰে কণা বোলা, সি এয়ে হয় নে? তেন্তে এতিয়া
কেনেকৈ দেখা হল? ২০ তাতে মাক বাপেকে সিবিলাকত কলে, এয়ে আ-
মাৰ পুত্র হয়, আৰু ওপজাৰে কণা, তাক আমি জানোঁ; ২১ কিন্তু এতিয়া
কেনেকৈ দেখা হল, তাক আমি নেজানোঁ, আৰু কোনে তাৰ চকুএ দেখা
কৰিলে. তাকো নেজানোঁ; সি বয়সীয়া, তাত সোধা; আপোনাৰ কথা
আপুনিএ কব । ২২ য়িহুদিবিলাকৰ ভয়ত তাৰ মাক বাপেকে এই কথা
কলে; কিয়নো কোনো মানুহে যদি য়ীশুক খ্রীষ্ট বুলি সৈ কাঢ়ে, তেন্তে তাক
নাম ঘৰৰ পৰা বাহিৰ কৰা যাব, য়িহুদিবিলাকে এই আলচ থিৰ কৰি-
ছিলে । ২৩ এই কাৰণে তাৰ মাক বাপেকে কলে, সি বয়সীয়া, তাত সোধা ।
২৪ তেতিয়া সিবিলাকে আকও সেই আগৰ কণাক মাতি কলে, ঈশ্বৰকহে
স্তুতি কৰা; এই মানুহ যে পাপী, তাক আমি জানো । ২৫ তাতে সি
উত্তৰ কৰিলে, তেওঁ পাপী হয় নে নহয়, তাক মই নেজানোঁ; আগেয়ে
কণা আছিলোঁ, এতিয়া দেখিছোঁ, ইয়াকে জানোঁ । ২৬ সিহঁতে আকও
সুধিলে, তেওঁ তোমাক কি কৰিলে? কেনেকৈ চকুএ দেখা কৰিলে? ২৭ তাতে

সি উত্তৰ দিলে, তাক এবাৰ কলোঁ, কিন্তু তোমোলোকে নুশুনিলা; তেন্তে
কি কাৰণে আকও শুনিব খোজা? তোমোলোকো তেওঁৰ শিষ্য হবলৈ ইচ্ছা
কৰা নে? ২৮ তেতিয়া সিহঁতে তাক ধিকাৰ কৰি কলে, তইহে তাৰ শিষ্য,
আমি মোচাৰ শিষ্য । ২৯ ঈশ্বৰে মোচাত কথা কলে, তাক আমি জানোঁ;
কিন্তু ই কব মানুহ, তাক নেজানোঁ । ৩০ সেই মানুহে সমিধান দি কলে,
তেওঁ মোৰ চকুএ দেখা কৰিলে, তথাপি তেওঁ কব মানুহ, তাক তোমো-
লাকে নেজানা, এই বৰ আশ্চৰিত কথা । ৩১ ঈশ্বৰে পাপীৰ কথা নুশুনে,
কিন্তু যি জনে তেওঁত ভক্তি কৰি তেওঁৰ ইষ্ট কৰম কৰে, সেই জনৰহে
কথা শুনে, ইয়াক আমি জানোঁ । ৩২ কোনো মানুহে ওপজাৰে কণাক
চকু দিছে, জগত হোৱাৰে পৰা এনে কথা কেতিয়াও কেৰে শুনা নাই ।
৩৩ এই মানুহ ঈশ্বৰৰ পৰা নোহোৱা হলে, তেওঁ একো কৰম কৰিব নোৱা-
ৰিলেহেঁতেন । ৩৪ সিহঁতে উত্তৰ কৰি কলে, সম্পূৰ্ণ পাপত জনম পাই, তই
আমাক শিকা নে? তাতে সিহঁতে তাক বাহিৰ কৰিলে ।

৩৫ সিবিলাকে তাক বাহিৰ কৰিলে, য়ীশুএ এই কথা শুনি, পাছে তাক
দেখা পাই সুধিলে, তুমি ঈশ্বৰৰ পুত্ৰত বিশ্বাস কৰিছা নে? ৩৬ সি সমি-
ধান দি কলে, হে প্ৰভু, মই যেন তেওঁত বিশ্বাস কৰিম, তেৱেঁই নো
কোন? ৩৭ তাতে য়ীশুএ কলে, তুমি তেওঁক দেখা পালা, আৰু তুমিএ
সৈতে যি জনে কথা কৈছে, সেয়ে তেওঁ । ৩৮ তেতিয়া হে প্ৰভু, বিশ্বাস
কৰিছোঁ, ইয়াকে বুলি সি তেওঁক সেৱা কৰিলে । ৩৯ পাছে য়ীশুএ কলে,
কণাই যেন চকু পাই, আৰু চকুএ দেখাবিলাক যেন কণা হয়, এই কাৰণে
দণ্ডৰ নিমিত্তে মই জগতলৈ আহিছোঁ । ৪০ ইয়াকে শুনি ওচৰত থকা
ফিৰুচি কেতবোৰে কলে, আমিও কণা নে? ৪১ য়ীশুএ সিহঁতত কলে, কণা
হোৱা হলে, তোমোলাকৰ পাপ নেথাকিলহেঁতেন; কিন্তু তোমোলাকে
বোলা, আমি দেখিছোঁ, এই নিমিত্তে তোমোলাকৰ পাপ থাকিল ।

## ১০ অধ্যায় ।

মই তোমোলাকত অতি স্বৰূপকৈ কৈছোঁ, যি জনে দুৱাৰে দি নোসোমাই,
আন কোনো বাটে মেৰৰ গৰাললৈ উঠি সোমাই, সি চোৰ আৰু ডকাইত ।
২ যি জনে দুৱাৰে দি সোমাই, সি মেৰৰ ৰখীয়া । ৩ দুৱৰীএ তালৈ দুৱাৰ
মেলি দিএ, আৰু মেৰবিলাকেও তাৰ মাত শুনে; সিও আপোনাৰ মেৰক
সুকিয়া সুকিয়া নামেৰে মাতি বাহিৰলৈ লৈ যাই । ৪ যেতিয়া আপোনাৰ
মেৰক বাহিৰ কৰে, সি আগতে যাই, আৰু মেৰবোৰে তাৰ পাচে পাচে
চলে, কিয়নো তাৰ মাত বুঝি পাই ৫ কিন্তু লোকৰ পাচত নেযাই, তাৰ
পৰা পলাইহে; কিয়নো লোকৰ মাত নুবুঝে ।

৬ এই পটন্তৰ কথা য়ীশুএ সিহঁতত কলে, কিন্তু তেওঁ কোৱা কথাৰ
অৰ্থ সিহঁতে নুবুঝিলে । ৭ এই হেতুকে য়ীশুএ আকও কলে, মই তোমো-
লাকত অতি স্বৰূপকৈ কৈছোঁ, মেৰ সোমোৱা দুৱাৰ ময়েই । ৮ যিবোৰে
মোৰ আগেএ আহিল, সেইবোৰ চোৰ আৰু ডকাইত, কিন্তু মেৰবিলাকে সিহঁ-
তৰ কথা নুশুনিলে । ৯ ময়েই দুৱাৰ; ময়েই দি যি কোনোএ সোমাই,
সি ৰক্ষা পাব, আৰু ভিতৰলৈ বাহিৰলৈ অহা যোৱা কৰি চাৰ পাব ।
১০ যিটো চোৰ, সি কেৱল চুৰ আৰু বধ বিনাশ কৰিবলৈহে আহে;
কিন্তু সিবিলাকে পৰম আয়ুস আৰু তাক অধিককৈ যেন পাই, এই নিমিত্তে
মই আহিলোঁ । ১১ ময়েই মেৰৰ সজ ৰখীয়া; সজ ৰখীয়াই মেৰৰ নিমিত্তে
আপোনাৰ প্ৰাণকো দিএ । ১২ কিন্তু যি জন ৰখীয়া নহয়, অৰ্থাত যাৰ
আপোনাৰ মেৰ নহয়, এনে বেচ খোৱাই ৰাঙ্গ কুকুৰ আহিবৰ দেখি,
মেৰৰ ঝাক এৰি পলাই যাই; তাতে ৰাঙ্গ কুকুৰে যাকক ধৰি মেৰবো-
ৰক গোট গোট কৰে । ১৩ বেচ খোৱা যে পলাই, তাৰ হেতু এই, সি
বেচ খোৱা হৈ মেৰলৈ একো চিন্তা নকৰে । ১৪ ময়েই মেৰৰ সজ ৰখীয়া?
১৫ পিতৃএ মোক যেনেকৈ জানে, আৰু ময়ো যেনেকৈ পিতৃক জানোঁ, তে-
নেকৈ মই আপোনাৰ মেৰবিলাককো জানোঁ, মেৰবিলাকেও মোক জানে;
আৰু মেৰৰ নিমিত্তে মোৰ প্ৰাণকো দিওঁ । ১৬ আৰু এই গৰালৰ নোহোৱা
মোৰ আৰু মেৰ আছে; মই সেইবোৰকো আনিব লাগে, আৰু সিবিলা-
কে মোৰ মাত শুনিব; তাতে একে গৰাল, একেটা ৰখীয়া হব । ১৭ আৰু
মই প্ৰাণ এৰিও পুনৰবাৰ তাক লম, এই হেতুকে মোৰ পিতৃএ মোক
প্ৰেম কৰে । ১৮ কোনোএ মোৰ প্ৰাণ কাঢ়ি নিএ, এনে নহয়; মই আপু-
নিএই তাক দিম । তাক দিবলৈ আৰু পুনৰ বাৰ লবলৈকো মোৰ শক্তি
আছে; এই আজ্ঞা মোৰ পিতৃৰ পৰা পালোঁ ।

১৯ তেওঁৰ এই কথাৰ নিমিত্তে য়িহুদিবিলাক আকও দুভাগ হল;
২০ কেতবোৰে কলে, ই ভূতে পোৱা আৰু বলিয়া; ইয়াৰ কথা কিয় শুনা;
২১ আনবিলাকে বুলিলে, এনে কথা ভূতে পোৱা জনৰ নহয়; ভূতে
কণাক চকুএ দেখা কৰিব পাৰে নে?

২২ পাছে ঝাৰকালি হলত য়িৰুছালমত মন্দিৰ উচৰগ কৰাৰ পৰ্ব্ব হৈ-
ছিল । ২৩ তাতে য়ীশুএ মন্দিৰৰ চিলোমোনৰ পিৰালিত অহা যোৱা
কৰিছিলে । ২৪ এনে কালত য়িহুদিবিলাকে তেওঁক বেৰি ধৰি কলে,
আৰু কেতে দিন তুমি আমাৰ সংশয় কৰাবা? যদি খ্ৰীষ্ট হোৱা, তাক
পোনে পোনে কোৱা । ২৫ তেতিয়া য়ীশুএ উত্তৰ কৰিলে, মই কলোঁ'
কিন্তু তোমোলাকে নপতিয়ালা; মোৰ পিতৃৰ নামেৰে যি যি কৰম কৰি-
ছোঁ, সেই কৰমেই মোৰ অৰ্থে সাক্ষী আছে । ২৬ কিন্তু তোমোলাক
মোৰ মেৰ নোহোৱা, এই হেতুকে বিশ্বাস নকৰা । ২৭ মই আগেয়ে

কলোঁ, মোৰ মেৰবিলাকে মোৰ মাত শুনে, মযো সিবিলাকক জানোঁ, আৰু
সিবিলাকে মোৰ পাচত আহে । ২৮ মই সিবিলাকক অনন্ত আয়ুস দিওঁ ;
তাতে সিবিলাক কেতিয়াও নষ্ট নহয়, আৰু কোনেও মোৰ হাতৰ পৰা সি-
বিলাকক কাহি নিব নোৱাৰে । ২৯ মোৰ যি জন পিতৃএ সিবিলাকক মোলৈ
দিলে, তেওঁ সকলোতকৈ বৰ; তেওঁৰ হাতৰ পৰা কোনেও কাহি নিব
নোৱাৰে । ৩০ মযে পিতৃএ একে জন । ৩১ তেতিয়া য়িহুদিবিলাকে তেওঁক
মাৰিবলৈ শিল তুলি ললে । ৩২ তাতে য়ীশুএ কলে, মোৰ পিতৃৰ পৰা
অনেক অনেক ভাল কৰম তোমোলাকৰ আগতে দেখাইছোঁ; এইবিলাকৰ
কোন কৰমৰ নিমিত্তে মোক শিল মাৰা? ৩৩ য়িহুদিবিলাকে তেওঁক উত্তৰ
কৰিলে, ভাল কৰমৰ নিমিত্তে নহয়, কিন্তু তুমি মানুহ হৈয়ো আপোনাকে
ঈশ্বৰ বুলি ঈশ্বৰক নিন্দা কৰিছা, এই কাৰণে শিল মাৰোঁ । ৩৪ তেতিয়া
য়ীশুএ সমিধান দি কলে, মই কলোঁ, তোমোলাকেই ঈশ্বৰবিলাক, এই
কথা তোমোলাকৰ শাস্ত্ৰত লিখা নাই নে? ৩৫ এই হেতুকে যিবিলাকলৈ
ঈশ্বৰৰ কথা কোৱা গৈছিল, সেইবিলাকক যদি ঈশ্বৰ বোলা যাই, আৰু
ধৰম শাস্ত্ৰৰ কথা ভাঙ্গিব নোৱাৰে, ৩৬ তেন্তে মই ঈশ্বৰৰ পুত্ৰ, এনে কথা
কোৱাত তোমোলাকে পিতৃএ অভিষেক কৰি জগতলৈ পঠা জনক কেনে-
কৈ ঈশ্বৰক নিন্দা কৰা বোলাইক? ৩৭ যদি আপোনাৰ পিতৃৰ কৰম নকৰোঁ,
তেন্তে মোত নপতিয়াবা; ৩৮ কিন্তু যদি কৰোঁ, তেন্তে মোত নপতিয়ালেও
কাৰ্য্যতে প্ৰতিতি কৰা; তাতে পিতৃ যে মোত আছে, আৰু মই যে পিতৃত
আছোঁ, ইয়াকে জানি বিশ্বাস কৰিবা ।
৩৯ তেতিয়া সিহঁতে আকও তেওঁক ধৰিবলৈ উপায় কৰিলে; কিন্তু
তেওঁ সিহঁতৰ হাতৰ পৰা পলাই, ৪০ আকও য়ৰ্দান নদীৰ সি পাৰত যি
ঠাইত য়োহানে প্ৰথমতে বুৰ দিয়াইছিল, সেই ঠাইলৈ গৈ তাতে থাকিল ।
৪১ আৰু অনেকে তেওঁৰ ওচৰলৈ আহি কলে, য়োহানে একো আশ্চ-
ৰিত কৰম কৰা নাই; কিন্তু এই জনৰ অৰ্থে য়োহানে যি যি কথা কৈ-
ছিলে, যেই সকলো সত্য : ৪২ আৰু সেই ঠাইতে অনেক লোকে তেওঁত
বিশ্বাস কৰিলে ।

## ১১ অধ্যায় ।

পাছে মাৰিয়া আৰু তাইৰ বায়েক মাৰ্থাই যি বৈথনিয়া গাঁৱত থাকিল, সেই
গাঁৱৰ লাজাৰ নামেৰে এজন মানুহ নৰিয়া পৰি আছিল । ২ যি মাৰিয়াই
প্ৰভুক গন্ধ তেল ঘঁহি আপোনাৰ চুলিৰে তেওঁৰ চৰণ মচিলে, তাইৰে
ভায়েক সেই নৰিয়া পৰা লাজাৰ । ৩ পাছে বায়েক ভনীএকে প্ৰভুৰ ঠাই-
লৈ কৈ পঠালে, হে প্ৰভু, দেখা, তুমি যাক প্ৰীতি কৰা, সেয়ে নৰিয়া পৰি

আছে । ৪ য়ীশুএ এই কথা শুনি কলে, এই ৰোগ মৃত্যুলৈ নহয়, কিন্তু
ঈশ্বৰৰ পুত্ৰৰ মহিমা প্ৰকাশ হবৰ নিমিত্তে ঈশ্বৰৰ কীৰ্ত্তিলৈহে হৈছে ।
৫ য়ীশুএ মাৰ্থা আৰু তাইৰ ভনীএক আৰু লাজাৰক প্ৰীতি কৰিছিল; ৬ কিন্তু
লাজাৰ নৰিয়া হোৱাৰ কথা শুনি, তেওঁ যি ঠাইত আছিল, তাতে আৰু
দুদিন থাকিল ।

৭ পাছে তেওঁ শিষ্যবিলাকত কলে, আমি আকও য়িহুদা দেশলৈ যাওঁ-
ইঁক । ৮ তাতে শিষ্যবিলাকে কলে, হে গুৰু, য়িহুদিবিলাকে তোমাক শিল
মাৰিবলৈ উপায় কৰাৰ অলপ দিন হৈছে; আকও তালৈকে যোৱা নে?
৯ য়ীশুএ উত্তৰ কৰিলে, এক দিনতে বাৰে ঘৰি নহয় নে? দিনত অহা যোৱা
কৰিলে কোনেও ঝুটি নেখাই, কিয়নো সি জগতৰ পহৰ পাই; ১০ ৰাতি
অহা যোৱা কৰিলে ঝুটি খাই, কিয়নো তাত পহৰেই নাই । ১১ ইয়াকে
বুলি পাছে তেওঁ সিবিলাকত কলে, আমাৰ মিত্ৰিৰ লাজাৰ টোপনিতে আছে;
কিন্তু তাক টোপনিৰ পৰা জগাবলৈ মই যাওঁ । ১২ য়ীশুএ এই কথা তাৰ
মৃত্যুৰ অৰ্থে কলে, কিন্তু টোপনিয়াই জিৰোৱাৰ অৰ্থে কলে বুলি বুঝি,
১৩ শিষ্যবিলাকে বুলিলে, হে প্ৰভু, সি যদি টোপনিতে আছে, তেন্তে ভা-
লেই হব । ১৪ তেতিয়া য়ীশুএ পোনে পোনে সিবিলাকত কলে, লাজাৰ
মৰি আছে । ১৫ কিন্তু তোমোলাকে যেন বিশ্বাস কৰা, এই কাৰণে মই
তাতে নাইকিয়া দেখি, তোমোলাকৰ নিমিত্তে মোৰ আনন্দ হল । তথাপি
এতিয়া তাৰ ওচৰলৈ যাওঁইক । ১৬ তেতিয়া থোমা, যাক দিদুম বোলে, সেয়ে
লগৰ শিষ্যবিলাকত কলে, বলা, আমিও তেওঁৰ লগত মৰিবলৈ যাওঁ ।

১৭ পাছে য়ীশুএ গৈ সেই ঠাই পালত, লাজাৰক মৈদামত থবৰ চাৰি দিন
হল, এই কথা শুনিলে । ১৮ বৈথনিয়া য়িৰুছালমৰ ওচৰতে, দুড়াঁৰ মান বে-
লিৰহে আঁতৰ; ১৯ তাতে অনেক য়িহুদিবিলাকে ভায়েকৰ অৰ্থে মাৰ্থা
আৰু মাৰিয়াৰ শোক শান্ত কৰিবলৈ সিবিলাকৰ ওচৰলৈ আহিল । ২০ পাছে
মাৰ্থাই য়ীশু আহিবৰ কথা শুনিএই গৈ, তেৰেঁ সৈতে দেখা দেখি হল; কিন্তু
মাৰিয়াই ঘৰতে বহি আছিল । ২১ তেতিয়া মাৰ্থাই য়ীশুত কলে, হে প্ৰভু,
আপুনি ইয়াত থকা হলে, মোৰ ভাই নমৰিলহেঁতেন; ২২ কিন্তু এতিয়াও
ঈশ্বৰৰ আগত তুমি যিহকে প্ৰাৰ্থনা কৰিবা, ঈশ্বৰে তোমাক তাকে দিব,
ইয়াকে জানোঁ । ২৩ য়ীশুএ তাইত কলে, তোমাৰ ভায়া উঠিব । ২৪ তাতে
মাৰ্থাই কলে, সি শেষৰ দিনা উঠাৰ কালত উঠিব, মই তাক জানোঁ । ২৫ তে-
তিয়া য়ীশুএ কলে, ময়েই উঠানো জীৱনো; যি কোনোএ মোত বিশ্বাস
কৰে, সি মৰা হলেও জীব; ২৬ আৰু যি কোনোএ জীয়াই থাকি মোত
বিশ্বাস কৰে, সি কেতিয়াও নমৰে, এই কথাতে বিশ্বাস কৰিছা নে? ২৭ তাই
কলে, হে প্ৰভু, হয়; জগতত যি জন জনমিব লগা আছিল, আপুনি ঈশ্ব-
ৰৰ সেই পুত্ৰ খ্ৰীষ্ট, ইয়াক বিশ্বাস কৰিছোঁ ২৮ এই কথা বুলি তাই গৈ

আপোনাৰ ভনী মাৰিয়াক গুপুতে মাতি কলে, গুৰু আহিল, আৰু তো-
মাক মাতিছে । ২৯ এই কথা শুনিএই তাই বেগাই উঠি তেওঁৰ ওচৰলৈ
আহিল । ৩০ য়ীশুএ তেতিয়া গাঁৱৰ মাঝত নোসোমাই, যি ঠাইত মাৰ্থাই
তেওঁক দেখা পালে, সেই ঠাইতে আছিল । ৩১ আৰু যি য়িহুদিবিলাকে
মাৰিয়াই সৈতে ঘৰত থাকি তাইক সান্ত্বনা কৰিছিল, সিবিলাকে তাইক
বেগাই উঠি বাহিৰলৈ যাবৰ দেখি কলে, তাই মৈদামৰ ওচৰত কান্দিবলৈ
গৈছে; এই বুলি সিবিলাকে ওলাই তাইৰ পাচত গল । ৩২ পাছে যি ঠা-
ইত য়ীশু আছিল, মাৰিয়াই সেই ঠাই পাই, তেওঁক দেখি চৰণত পৰি
বুলিলে, হে প্ৰভু, আপুনি ইয়াত থকা হলে, মোৰ ভাই নমৰিলহেঁতেন ।
৩৩ য়ীশুএ তাইক আৰু তাইৰ লগত অহা য়িহুদিবিলাককো কান্দিবৰ দেখি,
মনেৰে শোক কৰি ব্যাকুল হৈ কলে, তাক কত থৈছা? ৩৪ সিহঁতে
কলে, হে প্ৰভু, আহি চোৱা । ৩৫ তাতে য়ীশুএ ক্ৰন্দন কৰিলে । ৩৬ তে-
তিয়া য়িহুদিবিলাকে বুলিলে, এওঁ তাক কেনে প্ৰীতি কৰিছিল! ৩৭ আৰু
সিহঁতৰ কোনোবোৰে বুলিলে, যি জনে কণাক চকু দিলে, তেওঁ এই মানু-
হৰ মৃত্যু নিবাৰণ কৰিব নোৱাৰিলেহেঁতেন নে? ৩৮ তেতিয়া য়ীশুএ আ-
কও মনত ব্যাকুল হৈ মৈদামৰ ওচৰলৈ আহিল । সেই মৈদামেই এটা
গাঁত; আৰু তাৰ মুখতে এচটা শিল আছিল । ৩৯ তেতিয়া য়ীশুএ কলে,
শিল গুছাই দিয়া । তাতে মৰাটৰ ভনীএক মাৰ্থাই কলে, হে প্ৰভু, এতিয়া
তাত দুৰ্গন্ধ হৈছে, কিয়নো মৈদামত থবৰ আজি চাই দিন হল । ৪০ তে-
তিয়া য়ীশুএ কলে, যদি বিশ্বাস কৰা, তেন্তে ঈশ্বৰৰ মহিমা দেখিবলৈ পাবা,
এই কথা মই তোমাত কোৱা নাই নে? ৪১ পাছে মৰাটো থকা মৈদামৰ
পৰা শিল গুছালত য়ীশুএ ওপৰলৈ চাই কলে, হে পিতৃ, মোৰ নিবেদন শুনিছা,
এই কাৰণে তোমাক স্তুতি কৰোঁ; ৪২ আৰু তুমি মোক সদায় শুনি আছা,
তাকো মই জানোঁ; কিন্তু তুমি যে মোক পাঁচিলা, ইয়াত থকা মানুহবিলা-
কে তাক যেন বিশ্বাস কৰে, সেই মিমিত্তে সিবিলাকৰ কাৰণে এই কথা
কলোঁ । ৪৩ ইয়াকে বুলি তেওঁ বৰকৈ ৰিঙ্গিয়াই কলে, হে লাজাৰ, বাহি-
ৰলৈ আঁহা । ৪৪ তাতে সেই মৰা জন হাত ভৰি মৈদামৰ কাপৰেৰে বন্ধা,
আৰু গামোচাৰে মুখ বন্ধা হৈ বাহিৰলৈ আহিল । য়ীশুএ কলে, বান্ধৰ
পৰা মুকলি কৰি ইয়াক এৰি দিয়া । ৪৫ তেতিয়া মাৰিয়াৰ ওচৰলৈ অহা যি
য়িহুদিবিলাকে য়ীশুৰ এই কৰম দেখিলে, সিবিলাকৰ অনেকে বিশ্বাস কৰি-
লে; ৪৬ কিন্তু আন কোনোবোৰে ফিৰুচিবিলাকৰ ওচৰলৈ গৈ, য়ীশুৰ এই
কৰমৰ কথা কলে ।

৪৭ পাছে প্ৰধান পোৰোহিত সকল আৰু ফিৰুচিবিলাকে মেল পাতি
বুলিলে, আমি কি কৰিছোঁ? এই মানুহে অনেক অনেক আশ্চৰিত কৰম
কৰিছে; ৪৮ তাক যদি আমি এনেকৈ এৰোঁ, আটাই মানুহে তাক বিশ্বাস

কৰিব, আৰু ৰুমীয়া লোক আহি আমাৰ এই ঠাই আৰু দেশকো উবাৰ
কৰিব । ৪৯ তেতিয়া সিবিলাকৰ মাঝৰ কায়ফা নামেৰে যি জন সেই বছৰত
বৰ পোৰোহিত হৈ আছিল, তেওঁ সিবিলাকত কলে, তোমোলাকে একো
নুবুঝা; ৫০ এই সকলো ৰাজ্যৰ বিনাশ নহবলৈ সমূহ লোকৰ নিমিত্তে এটা
মৰিলেই আমালৈ ভাল, ইয়াকো বিবেচনা নকৰা । ৫১ তেওঁ এই কথা আ-
পোনাৰ বুদ্ধিএৰে কোৱা নাই, কিন্তু য়ীশুএ সেই দেশৰ মানুহৰ নিমিত্তে প্ৰাণ
এৰিব, ৫২ আৰু অকল সিবিলাকৰ নিমিত্তেই নহয়, কিন্তু ঠায়ে ঠায়ে গোট
গোট হোৱা ঈশ্বৰৰ সন্তানবিলাকক যেন চপাই একে কৰে, এই নিমিত্তেও
প্ৰাণ এৰিব, সেই বছৰত বৰ পোৰোহিত হৈ এই ভবিষ্যত বাক্য কলে ।
৫৩ সেই দিনৰে পৰা তেওঁক বধ কৰিবলৈ সিবিলাকে আলচ কৰিলে ।
৫৪ এই হেতুকে য়ীশুএ য়িহুদিবিলাকৰ মাঝত দেখাকৈ আৰু অহা যোৱা
নকৰি, তাৰ পৰা হাবিৰ ওচৰ দেশৰ ইফ্ৰইম নামেৰে এখন নগৰলৈ গৈ,
আপোনাৰ শিষ্যবিলাকে সৈতে তাতে থাকিল ।

৫৫ পাছে য়িহুদিবিলাকৰ নিস্তাৰ পৰ্ব্ব ওচৰ হলত, সেই পৰ্ব্বৰ আ-
গৈএ আপোনাক শুচি কৰিবলৈ অনেক মানুহ গাঁৱৰ পৰা য়িৰুছালম নগ-
ৰলৈ আহিল । ৫৬ তাতে য়ীশুক বিচাৰি মন্দিৰত থিয় হৈ ইটে সিটে
কলে, তেওঁ এই পৰ্ব্বলৈ নাহে নে, তোমোলাকৰ মনে কি ধৰে ? ৫৭ প্ৰধান
পোৰোহিত আৰু ফিৰুচিবিলাকে তেওঁক ধৰিবৰ নিমিত্তে আজ্ঞা দি-
ছিলে, বোলে, তেওঁ যত আছে, তাক যি কোনোএ জানে, সি দেখাই
দিব ।

## ১২ অধ্যায় ।

পাছে নিস্তাৰ পৰ্ব্বৰ ছ দিনৰ আগৈএ য়ীশুএ যি মৰা লাজাৰক মৃত্যুৰ
পৰা তুলিছিল, তাৰ থকা ঠাই বৈথনিয়া গাঁৱলৈ আহিল । ২ সেই ঠাইতে
সিবিলাকে তেওঁলৈ ৰাতি ভোজ পাতিলত মাৰ্থাই বাৰ্হি দিলে, আৰু লা-
জাৰো তেওঁৰ লগত বহাবিলাকৰ এজন । ৩ তেতিয়া মাৰিয়াই বহু ধনৰ
আদ শেৰ জটামাংসিৰ তেল আনি য়ীশুৰ চৰণত ঘঁহি আপোনাৰ চুলিৰে
মচিলে; তাতে তেলৰ সুগন্ধে ঘৰ গোটেইটো জুৰিলে । ৪ তেতিয়া তেওঁৰ
শিষ্যবিলাকৰ মাঝৰ যি জনে তেওঁক লোকৰ হাতত সোধাই দিব, এনে
ইষ্কৰিওতিয়া য়িহুদা নামেৰে চিমোনৰ পুতেকে কলে, ৫ এই তেল তিনি
শ শিকিলৈ বেচি দুখীয়াবোৰক কিয় দান নকৰিলে? ৬ সি দুখীয়া মানু-
হলৈ চিন্তা কৰিলে, এনে নহয়; কিন্তু আপুনি চোৰ হৈ তাৰ হাতত ধনৰ
জোলোঙ্গা থকাত, তাৰ ভিতৰত যি আছে তাকে নিএ, এই কাৰণেহে সেই
কথা কলে । ৭ তেতিয়া য়ীশুএ কলে, তাইক এৰি দিয়া; মোক মৈদামত

থোৱা দিনৰ নিমিত্তে ইয়াক ৰাখি থলে । ৮ দুখীয়াবোৰ তোমোলাকৰ
লগত সদায় আছে, কিন্তু মই তোমোলাকৰ লগত সদায় নেথাকোঁ ।

৯ পাছে য়ীশুএ সেই ঠাইতে আছে, এই কথা জানি য়িহুদিবিলাকৰ অনেক
মানুহে অকল তেওঁৰ নিমিত্তে নহয়, তেওঁ যাক মৈদামৰ পৰা তুলিছিল,
সেই লাজাৰকো দেখিবলৈ তালৈ আহিল । ১০ কিন্তু প্ৰধান পোৰোহিত-
বোৰে লাজাৰকো মাৰিবলৈ আলছিলে; ১১ কিয়নো তাৰ দ্বাৰাই অনেক
য়িহুদিবিলাকে গৈ য়ীশুত বিশ্বাস কৰিলে ।

১২ পাছ দিনা পৰ্ব্বলৈ অহা বহু মানুহে য়িৰুছালমলৈ য়ীশু আহিছে বুলি
শুনি, ১৩ তালপাত ঠাল লৈ তেওঁক আগ বাঢ়িবলৈ বাহিৰলৈ আহি,
বিঙ্গিয়া বিঙ্গিকৈ কলে, জয় জয় হওক, ইস্ৰাএলৰ যি ৰজা প্ৰভুৰ নামেৰে
আহিছে, তেৱেঁই ধন্য । ১৪ তেতিয়া হে চিওনৰ জীএক, ভয় নকৰিবা;
দেখা, তোমাৰ ৰজা গাধৰ পোৱালিত উঠি আহিছে; ১৫ শাস্ত্ৰত এনেকৈ
লিখাৰ দৰে য়ীশুএ এটা ডেকা গাধ পাই তাৰ ওপৰত বহিল । ১৬ এই
কথাৰ অৰ্থ শিষ্যবিলাকে প্ৰথমতে নুবুঝিলে; কিন্তু যেতিয়া য়ীশুএ মহিমা
পোৱা হল, তেতিয়া এনে কথা যে তেওঁৰ অৰ্থে লিখা আছিল, আৰু সিবি-
লাকে যে তেওঁলৈ এনে কৰম কৰিছিলে, এই কথা সিবিলাকৰ মনত পৰিল ।
১৭ আৰু তেওঁ লাজাৰক মৈদামৰ পৰা বাহিৰলৈ মাতি মৃত্যুৰ পৰা তো-
লাৰ সময়ত যিবোৰ মানুহ তেওঁৰ ওচৰত আছিলে, সিবিলাকে সেই কথাৰ
প্ৰমাণ দিলে । ১৮ তেওঁ এনে আশ্চৰিত কৰম কৰিলে, তাকে শুনি লোকবি-
লাকে তেওঁক দেখা পাবলৈ গল । ১৯ তাতে ফিৰূচিবিলাকে ইটে সিটে
কোৱাকুই কৰিলে, তোমোলাকৰ শ্ৰম একো নফলিয়াই, ইয়াক বুঝা নাই
নে? দেখা, সকলো জগত তেওঁৰ পাচত গল ।

২০ পাছে ভজিবৰ নিমিত্তে পৰ্ব্বলৈ অহাবিলাকৰ মাঝত কেতবোৰ গ্ৰিক
মানুহ আছিল । ২১ সিবিলাকে গালীল দেশৰ বৈতচৈদাত থকা ফিলি-
পৰ ওচৰলৈ আহি কলে, হে দেও, আমি য়ীশুক দেখিবলৈ ইচ্ছা কৰোঁ ।
২২ তেতিয়া ফিলিপে গৈ আন্দ্ৰিয়াত কলে; পাছে আন্দ্ৰিয়াই আৰু ফি-
লিপে য়ীশুত জনালে । ২৩ তাতে য়ীশুএ সমিধান দি কলে, মানুহৰ পুত্ৰই
মহিমা পাবৰ কাল আহিল । ২৪ মই তোমোলাকত অতি স্বৰূপকৈ কওঁ,
ধানৰ গুটি এটি যদি মাটীত পৰি নমৰে, সি অকলেহে থাকে; কিন্তু যদি
মৰে, তেন্তে অনেক গুটি ধৰে । ২৫ যি কোনোএ আপোনাৰ প্ৰাণক প্ৰিয়
বুলি মানে, সি তাক হেৰুৱাব; আৰু যি কোনোএ এই জগতত আপোনাৰ
প্ৰাণক অপ্ৰিয় বুলি মানে, সি অনন্ত আয়ুষলৈকে তাক ৰক্ষা কৰিব ।
২৬ কোনোএ যদি মোৰ সেৱা কৰিব খোজে, সি মোৰ পাচত আহোক;
তাতে মই যি ঠাইত থাকিম, মোৰ সেৱকো সেই ঠাইতে থাকিব । আৰু
যি জনে মোৰ সেৱা কৰে, মোৰ পিতৃএও তাক মৰ্য্যাদা কৰিব ।

২৭ এতিয়া মোৰ প্ৰাণ ব্যাকুল হৈছে, আৰু মই কি কম? হে পিতৃ,
এই কালৰ পৰা মোক ৰক্ষা কৰা, ইয়াকে কম নে? কিন্তু এই কাৰণেহে
মই এই কাললৈ আহিলোঁ। ২৮ হে পিতৃ, আপোনাৰ নামৰ মহিমা প্ৰকাশ
কৰা। তাতে মই প্ৰকাশ কৰিলো, আকও প্ৰকাশ কৰিম, এনে বুলি তেওঁলৈ
আকাশী বাণী আহিল। ২৯ তাকে শুনি ওচৰত থকা মানুহবিলাকৰ কো-
নোএ বুলিলে, মেঘে গাজিলে; আন কোনোএ বুলিলে, স্বৰ্গৰ দূতে এওঁত
কথা কলে। ৩০ তাতে য়ীশুএ সমিধান দি কলে, মোৰ নিমিত্তে এই শবদ
হোৱা নাই, তোমোলাকৰ নিমিত্তেহে হল। ৩১ এতিয়া এই জগতৰ সোধ
হৈছে; এতিয়া এই জগতৰ অধিকাৰক বাহিৰ কৰা হব। ৩২ আৰু মই
যদি পৃথিবীৰ পৰা তোলা হওঁ, তেন্তে আটাই মানুহকে মোৰ ওচৰলৈ
আকৰ্ষণ কৰি নিম। ৩৩ তেওঁ কেনে মৰণেৰে মৰিব, তাক বুঝাবৰ নিমিত্তে
এই কথা কলে। ৩৪ তেতিয়া মানুহবিলাকে উত্তৰ কৰিলে, আমি বিধান
শাস্ত্ৰত শুনিছোঁ, খ্ৰীষ্ট সদায় থাকে; তেন্তে মানুহৰ পুত্ৰক তোলা হব, এনে
কথা কেনেকৈ বুলিছা? এই মানুহৰ পুত্ৰ কোন? ৩৫ তেতিয়া য়ীশুএ কলে,
তোমোলাকৰ লগত আৰু অলপ দিনহে পহৰ আছে; তোমোলাকৰ ওপ-
ৰত এন্ধাৰ যেন নপৰে, এই নিমিত্তে যেতিয়ালৈকে তোমোলাকৰ লগত
পহৰ থাকে, তেতিয়ালৈকে অহা যোৱা কৰাহঁক। যি জনে এন্ধাৰত ফুৰে,
সি কলৈ যাই, তাক নেজানে। ৩৬ এই হেতুকে যেতে দিনলৈ তোমোলাকৰ
ওচৰত পহৰ থাকে, তেতে দিনলৈকে তোমোলাক পহৰৰ সন্তান হবলৈ
পহৰতে বিশ্বাস কৰা। এই কথা কৈ য়ীশুএ গুচি গৈ, সিহঁতৰ পৰা আ-
পোনাক লুকালে। ৩৭ তেও সিহঁতৰ আগতে এইমান আশ্চৰিত কৰম
কৰিলতো, তেও সিহঁতে তেওঁত বিশ্বাস নকৰিলে। ৩৮ তাতে য়িছয়া
ভবিষ্যত বক্তাই যি কথা কৈছিল, হে প্ৰভু, আমি কোৱা বাত্ৰা কোনে
বিশ্বাস কৰিছে? আৰু প্ৰভুৰ হাত কাৰ আগত প্ৰকাশ হল? সেই কথা
তেতিয়া পূৰ হল। ৩৯ আৰু সিহঁতে যে বিশ্বাস কৰিব নোৱাৰিলে, সেই
কথাতে য়িছয়াই আকও কৈছিলে, ৪০ সিহঁতে যেন চকুএ নেদেখে, চিত্তেৰে
যেন নুবুঝে, আৰু মন পালটাত মই সিহঁতক যেন স্বস্থ নকৰোঁ, এই নি-
মিত্তে তেওঁ সিহঁতৰ চকু কণা কৰি চিত্তো টান কৰিলে। ৪১ য়িছয়াই যেতি-
য়া তেওঁৰ মহিমা দেখি তেওঁৰ অৰ্থে কথা কলে, তেতিয়া এনে ভবিষ্যত
বাক্য কৈ বুঝালে। ৪২ তথাপি অধিকাৰবিলাকৰ মাঝৰো অনেকে তেওঁত
বিশ্বাস কৰিলে; কিন্তু পাছে সিবিলাকক নাম ঘৰৰ পৰা জানোঁ খেদে,
এই ভয়েৰে ফিৰুচিবিলাকৰ নিমিত্তে সিবিলাকে তেওঁক সৈ নকৰিলে;
৪৩ কিয়নো ঈশ্বৰৰ প্ৰশংসাতকৈ সিবিলাকে মানুহৰ প্ৰশংসা ভাল মানিলে।
৪৪ তেতিয়া য়ীশুএ ৰিঙ্গিয়াই কলে, যি কোনোএ মোত বিশ্বাস কৰে, সি
অকল মোতেই বিশ্বাস কৰা নহয়, মোক পঁঠা জনতেহে বিশ্বাস কৰে।

৪৫ আৰু যি কোনোএ মোক দেখে, সি মোক পঁচা জনকেই দেখে।
৪৬ যি কোনোএ মোত বিশ্বাস কৰে, সি এন্ধাৰত যেন নেথাকে, এই নি-
মিত্তে মই জগতলৈ পহৰ হৈ আহিছো। ৪৭ মোৰ কথা শুনি যদি কো-
নোএ বিশ্বাস নকৰে, তেও মই তাক দুষী নকৰোঁ; কিয়নো জগতক দুষী
কৰিবলৈ অহা নাই, জগতৰ লোকক পৰিত্ৰাণ কৰিবলৈহে আহিছোঁ। ৪৮ যি
কোনোএ মোক আদৰ নকৰে, আৰু মোৰ কথাও নলয়, তাক দুষী কৰোঁ-
তা আন আছে; মই যি কথা কৈছোঁ, সেই কথাই শেষৰ দিনা তাক দুষী
কৰিব। ৪৯ কিয়নো মই আপোনাৰ পৰা একো নকওঁ, মই যি যি কওঁ,
যি যি উপদেশ দিওঁ, মোক পঁচা পিতৃএ তাকে আজ্ঞা কৰিলে। ৫০ আৰু
তেওৰ আজ্ঞা যে অনন্ত আয়ুষ, তাকে মই জানোঁ; এই হেতুকে মই যি
কৈছোঁ, তাক পিতৃএ যেনেকৈ আজ্ঞা কৰিলে, তেনেকৈ কওঁ।

## ১৩ অধ্যায়।

এই জগতৰ পৰা পিতৃৰ তলৈ আপোনাৰ যোৱা কাল ওচৰ হল, য়ীশুএ
নিস্তাৰ পৰ্ব্বৰ আগেএ ইয়াকে জানি, জগতত থকা আপোনাৰ যি লোক-
বিলাকক প্ৰীতি কৰিছিল, সেইবিলাকক শেষলৈকো প্ৰীতি কৰিলে। ২ আৰু
পিতৃএ যে তেওঁৰ হাতত সকলোকে সোধাই দিলে, আৰু আপুনি যে ঈশ্ব-
ৰৰ পৰা আহিছিল, আৰু ঈশ্বৰৰ ওচৰলৈ যাব, এই সকলোকে জানি,
৩ ৰাতিতে ভোজন কৰি এঁটালত, যি সময়ত তেওঁক লোকৰ হাতত সোধাই
দিবলৈ চিমোনৰ পুতেক ইষ্কৰিওতিয়া য়িহুদাৰ মনত ছয়তানে কুবুদ্ধি সুমাই
দিলে, ৪ সেই সময়ত য়ীশুএ ভোজনৰ পৰা উঠি, গাৰ কাপৰ সোলোকাই
থৈ, এখন গামোচা কঁকালত বান্ধিলে। ৫ পাছে এটা চৰিয়াত পানী বাকি
শিষ্যবিলাকৰ ভৰি ধুয়াই, কঁকালত বন্ধা গামোচাৰে মচিব ধৰিলে। ৬ তাতে
চিমোন পিতৰৰ ওচৰলৈ আহিলত সি কলে, হে প্ৰভু, আপুনি মোৰ ভৰি
ধুয়াব নে? ৭ য়ীশুএ উত্তৰ কৰিলে, মই যি কৰিছোঁ, তাক এতিয়া নেজানা,
কিন্তু পাছে জানিবা। ৮ তাতে পিতৰে তেওঁত কলে, আপুনি মোৰ ভৰি
কেতিয়াও নুধুয়াব। য়ীশুএ উত্তৰ কৰিলে, যদি তোমাক নুধুয়াও, তেন্তে
মোৰে সৈতে তোমাৰ একো ভাগ নাই। ৯ তেতিয়া চিমোন পিতৰে তেওঁক
বুলিলে, হে প্ৰভু, মোৰ অকল ভৰি নহয়, হাতো মূৰু ধুউয়া ১০ তাতে য়ীশুএ
কলে, যি জনৰ গা ধুউয়া হল, তাৰ গোটেই গা নিৰ্ম্মল হোৱাত ভৰিৰ বা-
হিৰে আন ধুব লগা নাই। তোমোলাক নিৰ্ম্মল হলা হয়, কিন্তু আটাই-
বোৰ নহয়। ১১ যি জনে তেওঁক লোকৰ হাতত সোধাই দিব, তাক তেওঁ
জানিলে; এই হেতুকে তোমোলাক আটাই নিৰ্ম্মল নোহোৱা, এই কথা কলে।
১২ তেওঁ এই ৰূপে সিবিলাকৰ ভৰি ধুয়াই, পাছে কাপৰ লৈ আকও

বহি সিবিলাকত কলে, মই তোমোলাকক কি কৰিলোঁ, তাক জানা নে?
১৩ তোমোলাকে মোক গুৰু আৰু প্ৰভু বোলা; তাকে ভাল বুলিছা, কিয়-
নো মই তেনেই হওঁ। ১৪ যদি মই প্ৰভু আৰু গুৰু হৈয়ো তোমোলাকৰ
ভৰি ধুয়ালোঁ, তেন্তে তোমোলাকেও ইটে সিটে ভৰি ধুয়াবলৈ উচিত। ১৫ মই
তোমোলাকক যি দৰে কৰিলোঁ, তোমোলাকেও যেন সেই দৰে কৰা, এই
নিমিত্তে তোমোলাকক আহি দেখালোঁ। ১৬ মই তোমোলাকত অতি স্বৰূপ-
কৈ কওঁ, গৰাকীতকৈ বন্দী ডাঙৰ নহয়, আৰু পঁচা জনতকৈ পাঁচনি ডাঙৰ
নহয়। ১৭ এইবিলাক জানি যদি তেনে কৰা, তেন্তে তোমোলাক সুখীয়া হবা।
১৮ তোমোলাক সকলৰে অৰ্থে এই কথা কৈছোঁ, এনে নহয়; যিবিলাক
মোৰ মনোনীত সেইবিলাকক জানোঁ; কিন্তু যি জনে ময়ে সৈতে পিঠা খায়,
সেই জনে মোৰ বিৰোদ্ধে গোৰোৱা দাঙ্গিছে, এই যি ধৰম পুথিৰ বচন,
তাক সিদ্ধি কৰা হব। ১৯ মই সেই জন, ইয়াকে যেন তোমোলাকে বিশ্বাস
কৰা, এইবিলাক ঘটিবৰ আগেএ মই এতিয়াও তোমোলাকত কৈছোঁ। ২০ মই
তোমোলাকত অতি স্বৰূপকৈ কওঁ, যি কোনোএ মোৰ পাঁচনিক গ্ৰহণ কৰে,
সি মোকেই গ্ৰহণ কৰে; আৰু যি কোনোএ মোক গ্ৰহণ কৰে, সি মোক
পঁচা জনকেই গ্ৰহণ কৰে।

২১ এই কথা কৈ য়ীশুএ মনত অসন্তোষ কৰি প্ৰমাণ দি কলে, মই তো-
মোলাকত অতি স্বৰূপকৈ কওঁ, তোমোলাকৰ এটাই মোক লোকৰ হাতত
সোধাই দিব। ২২ তেওঁ কাৰ অৰ্থে এই কথা কলে, তাতে সংশয় হৈ
শিষ্যবিলাকে ইটে সিটে মুখলৈ চোৱাচুই কৰিলে। ২৩ সেই কালত য়ীশুএ
যাক প্ৰীতি কৰিলে, এনে এক শিষ্য তেওঁৰ বুকত আউজি আছিল। ২৪ তাতে
তেওঁ কাৰ অৰ্থে এই কথা কৈছে, তাক সুধিবলৈ চিমোন পিতৰে সেই
শিষ্যক সঙ্কেত কৰিলে। ২৫ তেতিয়া সি য়ীশুৰ বুকত আউজি সুধিলে, হে
প্ৰভু, সেই মানুহ কোন? ২৬ তাতে য়ীশুএ উত্তৰ কৰিলে, এই পিঠা ডোখৰ জুবু-
ৰিয়াই যাকে দিম, সেই মানুহ সেয়েই। পাছে তেওঁ পিঠা ডোখৰ জুবু-
ৰিয়াই চিমোনৰ পুতেক ইষ্কৰিওতিয়া য়িহুদাক দিলে। ২৭ সেই ডোখৰ
তাক দিলত ছয়তানে তাৰ ভিতৰ সোমাল। তেতিয়া য়ীশুএ তাত কলে, তুমি
যিহকে কৰিবা, তাকে বেগতে কৰা। ২৮ কিন্তু তেওঁ কি আশয়েৰে এই কথা
কলে, তাক বহি থকাবিলাকৰ কোনেও নুবুজিলে। ২৯ য়িহুদাৰ লগত ধনৰ
জোলোঙ্গা থকাৰ কাৰণে, পৰ্ব্বলৈ যি যি লাগে তাকে কিনিবলৈ, নাইবা
দুখীয়াবোৰক কিবা দিবলৈ, য়ীশুএ তাত এই কথা কলে, কেতবিলাকে ইয়া-
কে ভাবিলে। ৩০ তেতিয়া সি পিঠা ডোখৰ পালত বেগাই বাহিৰলৈ গল।
সেই কালত ৰাতি আছিল।

৩১ য়িহুদা বাহিৰলৈ গলত য়ীশুএ কলে, এতিয়া মানুহৰ পুত্ৰৰ মহিমা
প্ৰকাশ হৈছে; তেওঁৰ দ্বাৰাই ঈশ্বৰৰো মহিমা প্ৰকাশিত আছে। ৩২ যদি

তেওঁৰ দ্বাৰাই ঈশ্বৰৰ মহিমা প্ৰকাশ পাই, তেন্তে ঈশ্বৰে আপোনাৰ দ্বাৰাই
তেওঁৰ মহিমা প্ৰকাশ কৰিব, পলম নকৰিও কৰিব। ৩৩ হে লৰাটিহঁত,
তোমোলাকৰ লগত মই আৰু অলপ কালহে থাকিম। ইয়াৰ পাছে মোক
বিচাৰিবা, কিন্তু মই যি ঠাইলৈ যাম, তোমোলাকে তালৈ যাব নোৱাৰিবা,
এই কথা য়িহুদিবিলাকত যেনেকৈ কৈছিলোঁ, তেনেকৈ এতিয়া তোমোলাক-
তো কৈছোঁ। ৩৪ মই তোমোলাকক নতুন আজ্ঞা দিওঁ, তোমোলাকে ইটে
সিটে প্ৰীতি কৰা; মই তোমোলাকক যেনেকৈ প্ৰীতি কৰিলোঁ, তোমো-
লাকেও ইটে সিটে তেনেকৈ প্ৰীতি কৰা। ৩৫ যদি ইটে সিটে প্ৰীতি
কৰা, তেন্তে ইয়াৰেই তোমোলাক যে মোৰ শিষ্য, তাক সকলোএ জানিব।
৩৬ তেতিয়া চিমোন পিতৰে সুধিলে, হে প্ৰভু, আপুনি কলৈ যাব? তাতে
য়ীশুএ উত্তৰ কৰিলে, মই যি ঠাইলৈ যাম, এতিয়া সেই ঠাইলৈ মোৰ পাচত
আহিব নোৱাৰা, কিন্তু পাছে আহিবা। ৩৭ তেতিয়া পিতৰে কলে, হে প্ৰভু,
এতিয়া নো কি কাৰণে তোমাৰ পাচত যাব নোৱাৰোঁ? তোমাৰ নিমিত্তে
প্ৰাণকো দিম। ৩৮ তাতে য়ীশুএ উত্তৰ কৰিলে, মোৰ নিমিত্তে তুমি আপো-
নাৰ প্ৰাণ দিবা নে? মই তোমাত অতি স্বৰূপকৈ কৈছোঁ, তুমি মোক তিনি
বাৰ আসৈ নকৰা মানে, কুকুৰাই ডাক নিদিব।

## ১৪ অধ্যায়।

১ তোমোলাকে মনত দুঃখ নকৰিবা; ঈশ্বৰত বিশ্বাস কৰা, আৰু মোতো বিশ্বাস
কৰা। ২ মোৰ পিতৃৰ ঘৰত অনেক থকা ঠাই আছে; নোহোৱা হলে তো-
মোলাকত কলোঁহেঁতেন। মই তোমোলাকলৈ ঠাই যুগুত কৰিবলৈ যাওঁ।
৩ আৰু মই গৈ তোমোলাকলৈ যদি ঠাই যুগুত কৰোঁ, তেন্তে আকও আহি
মোৰ ওচৰলৈ তোমোলাকক লৈ যাম; তাতে মই যি ঠাইত থাকোঁ, তো-
মোলাকো সেই ঠাইতে থাকিবাগৈ। ৪ মই যি ঠাইলৈ যাম, তোমোলাকে
তাক জানা, তাৰ বাটো জানা। ৫ তেতিয়া থোমাই কলে, হে প্ৰভু, তুমি
কলৈ যাবা, তাক আমি নেজানোঁ, তেন্তে বাট কেনেকৈ জানিব পাৰিম?
৬ য়ীশুএ কলে, ময়েই বাট, সত্যো, জীৱনো; ময়েদি নগলে পিতৃৰ ওচ-
ৰলৈ কোনো নেযায়। ৭ তোমোলাকে মোক জনা হলে, তেন্তে মোৰ পিতৃ-
কো জানিলাহেঁতেন; আৰু এতিয়াৰ পৰা তেওঁক জানিছাও দেখিছাও।
৮ তেতিয়া ফিলিপে কলে, হে প্ৰভু, পিতৃক আমাক দেখুওৱা, তেহে
আমাৰ ইচ্ছা সম্পূৰ্ণ হব। ৯ য়ীশুএ উত্তৰ কৰিলে, হে ফিলিপ, তোমোলা-
কৰ লগত এতে দিন থকাতো তুমি মোক নিচিনিলা নে? যি জনে মোক
দেখে, সি মোৰ পিতৃকেই দেখে; তেন্তে পিতৃক দেখুওৱা, এই কথা কে-
নেকৈ বুলিছা? ১০ মই পিতৃতে আছোঁ, আৰু পিতৃও মোত আছে, ইয়াক

তুমি বিশ্বাস নকৰা নে? মই যি যি কথা তোমোলাকত কওঁ, সেইবোৰক
আপোনাৰ পৰা নকওঁ; যি জনে মোত থাকে, সেই পিতৃএহে কৰমবি-
লাক কৰে। ১১ মই যে পিতৃত্ আছোঁ, আৰু পিতৃ যে মোত আছে, মোৰ
এই কথাতে বিশ্বাস কৰা; নাইবা কৰমৰ নিমিত্তেই বিশ্বাস কৰা। ১২ মই
তোমোলাকত অতি স্বৰূপকৈ কৈছোঁ, যি জনে মোত বিশ্বাস কৰে, সি মোৰ
দৰেই কৰম কৰিব, আৰু তাত্কৈয়ো বৰ কৰম কৰিব; কিয়নো মই পিতৃৰ
ওচৰলৈ যাওঁ। ১৩ আৰু পুত্ৰৰ দ্বাৰাই যেন পিতৃৰ মহিমা প্ৰকাশ হয়, এই
নিমিত্তে মোৰ নামেৰে যিহকে খুজিবা, মই তাকে সিদ্ধি কৰিম। ১৪ তো-
মোলাকে মোৰ নামেৰে যি কোনো প্ৰাৰ্থনা কৰিবা, তাকে মই সিদ্ধি
কৰিম।

১৫ তোমোলাকে যদি মোত প্ৰীতি কৰা, তেন্তে মোৰ আজ্ঞা পালন কৰা।
১৬ আৰু মই পিতৃৰ আগত প্ৰাৰ্থনা কৰিম, তাতে তোমোলাকে সৈতে
সদায় থাকিবলৈ তেওঁ আন এজন সান্তনা কৰোতা, অৰ্থাত সত্য আত্মাক
তোমোলাকলৈ পাঁচি দিব। ১৭ জগতৰ লোকে তেওঁক গ্ৰুহণ কৰিব নোৱা-
ৰে, কিয়নো সিবিলাকে তেওঁক নেদেখে, আৰু নেজানেও; কিন্তু তোমো-
লাকে তেওঁক জানা, কিয়নো তেওঁ তোমোলাকে সৈতে নিবাস কৰিব,
আৰু তোমোলাকৰ হৃদয়তো থাকিব। ১৮ মই তোমোলাকক অনাথকৈ এৰি
নেযাওঁ; আকও তোমোলাকৰ ওচৰলৈ আহিম। ১৯ আৰু অলপ দি-
নৰ পাছত জগতৰ লোকে মোক আকও দেখিবলৈ নেপাই, কিন্তু তো-
মোলাকেহে দেখা পাবা; মই আপুনি জীও, এই নিমিত্তে তোমোলাকো
জীয়াই থাকিবা। ২০ আৰু মই পিতৃত আছোঁ, তোমোলাকো মোত আছা,
আৰু ময়ো তোমোলাকত আছোঁ, তাক সেই কালত জানিবা। ২১ যি
জনে মোৰ আজ্ঞা পাই পালন কৰে, সেয়ে মোত প্ৰীতি কৰে; আৰু
যি জনে মোত প্ৰীতি কৰে, সেয়ে মোৰ পিতৃৰ প্ৰেমৰ পাত্ৰ হব; আৰু
ময়ো তাক প্ৰীতি কৰি তাৰ আগত আপোনাক প্ৰকাশ কৰিম। ২২ তে-
তিয়া ইষ্কৰিওতিয়া নহয়, আন য়িহুদাই তেওঁত কলে, হে প্ৰভু, আপু-
নি জগতৰ লোকৰ আগত প্ৰকাশ নহৈ আমাৰ আগত কেনেকৈ আপো-
নাক প্ৰকাশ কৰিবা? ২৩ তাতে য়ীশুএ উত্তৰ কৰিলে, যি কোনোএ মোত
প্ৰীতি কৰে, সি মোৰ আজ্ঞাকো পালন কৰিব; মোৰ পিতৃএও তাক
প্ৰেম কৰিব, আৰু আমি তাৰ ওচৰলৈ আহি তাৰে সৈতে নিবাস কৰিম।
২৪ যি কোনোএ মোত প্ৰীতি নকৰে, সি মোৰ কথাও পালন নকৰে; আৰু
এই যি কথা তোমোলাকে শুনিবলৈ পাইছা, সি অকল মোৰ নহয়, মোক
পঁচা যি পিতৃ তেওঁৰেই কথা।

২৫ এতিয়া তোমোলাকৰ লগত থাকি এই সকলো কথা কলোঁ; ২৬ কিন্তু
পিতৃএ মোৰ নামেৰে যি জনক পাঁচিব, সেই সান্তনা কৰোঁতা অৰ্থাত পবিত্ৰ

আত্মাই সকলো কথা শিকাই দি মই কোৱা আটাইকে তোমোলাকক
সোঁৱৰাব । ২৭ মই তোমোলাকলৈ কুশল এৰি যাওঁ, মোৰ কুশল তোমো-
লাকক দিওঁ ; জগতৰ লোকে যেনেকৈ দিএ, মই তেনেকৈ নিদিওঁ । তো-
মোলাকৰ মনত দুঃখ নেপাওক, আৰু ভয়ো নহওক ; ২৮ মই গৈ আকও
তোমোলাকলৈ আহিম, মই কোৱা এই কথা তোমোলাকে শুনি আছা ।
মোত প্ৰীতি কৰা হলে, তেন্তে পিতৃৰ ওচৰলৈ যাওঁ, মোৰ এই কথাতে তো-
মোলাকৰ আনন্দ হলহেঁতেন ; কিয়নো মোৰ পিতৃ মোতকৈ বৰ । ২৯ আৰু
এইবিলাক হবৰ কালত তোমোলাকে যেন বিশ্বাস কৰা, এই নিমিত্তে ঘটি-
বৰ আগেএ মই তোমোলাকত কলোঁ । ৩০ ইয়াৰ পাছলৈ তোমোলাকে
সৈতে মই অনেক কথা নহওঁ ; কিয়নো জগতৰ অধিকাৰ আহিছে আৰু
সি মোত একো নেপাই । ৩১ তাতে মই পিতৃক প্ৰেম কৰোঁ আৰু পিতৃএ
মোক আজ্ঞা দিয়াৰ দৰে কৰম কৰোঁ, ইয়াক জগতৰ লোকে জানিব ।
উঠা, ইয়াৰ পৰা যাওঁহঁক ।

## ১৫ অধ্যায় ।

মই স্বৰূপ পনিয়ালৰ লতা ; মোৰ পিতৃ খেতিয়ক । ২ মোৰ যি যি ডালত
গুটি নধৰে, তাক তেওঁ কাতি পেলাই ; আৰু যি যি ডালত গুটি ধৰে, সেই-
বোৰত আৰু গুটি ধৰিবলৈ নিৰ্মল কৰি আঁওতাই দিএ । ৩ এতিয়া মই
কোৱা কথাৰেই তোমোলাক নিৰ্মল হৈছা । ৪ তোমোলাকে মোত থাকিবা,
ময়ো তোমোলাকত থাকিম । লতা পনিয়ালৰ গাত লাগি নেথাকিলে, তাৰ
ডালবোৰে যেনেকৈ আপোনা আপুনি গুটি ধৰিব নোৱাৰে, তেনেকৈ তো-
মোলাকো মোত নেথাকিলে ফলৱন্ত হব নোৱাৰা । ৫ ময়েই পনিয়ালৰ লতা,
তোমোলাক ডাল ; যি জন মোত থাকে, আৰু ময়ো যাত থাকোঁ, সি বহু ফল-
ৱন্ত হয় ; মোৰ বাহিৰে তোমোলাকে একো কৰিব নোৱাৰা । ৬ যি কো-
নোএ মোত নেথাকে, তাক ডালৰ দৰে বাহিৰলৈ পেলোৱা হৈ শুকাই যাই ;
পাছে মানুহে সেই শুকান ডালবোৰ চপাই জুইত পোৰে । ৭ তোমোলাকে
মোত যদি থাকা, আৰু মোৰ কথাও যদি তোমোলাকত থাকে, তেন্তে যি-
হকে ইচ্ছা কৰি খুজিবা, তোমোলাকক তাকে দিয়া হব ।

৮ তোমোলাক বহু ফলৱন্ত হলে, তাৰে মোৰ পিতৃৰ মহিমা প্ৰকাশ হব ;
তোমোলাকো তাৰেই মোৰ শিষ্য হবা । ৯ পিতৃএ যেনেকৈ মোক প্ৰীতি
কৰে, ময়ো তোমোলাকক তেনেকৈ প্ৰীতি কৰোঁ ; তোমোলাকে মোৰ প্ৰীতিতে
থাকা । ১০ যদি মোৰ আজ্ঞা পালন কৰা, তেন্তে মই যেনেকৈ পিতৃৰ
আজ্ঞা পালন কৰি তেওঁৰ প্ৰেমত থাকোঁ, তোমোলাকো তেনেকৈ মোৰ
প্ৰেমতে থাকিবা । ১১ মই দিয়া আনন্দ তোমোলাকৰ হৃদয়ত যেন থাকে,

আৰু তোমোলাকৰ আনন্দ যেন সম্পূৰ্ণ হয়, এই নিমিত্তে তোমোলাকত এই-
বিলাক কথা কলোঁ। ১২ মই যেনেকৈ তোমোলাকক প্ৰীতি কৰি আছোঁ,
তেনেকৈ তোমোলাকেও ইটে সিটে প্ৰীতি কৰিবা, মোৰ আজ্ঞা এই। ১৩ মি-
ত্ৰবিলাকৰ নিমিত্তে আপোনাৰ প্ৰাণ দিয়ালৈকে যি প্ৰীতি, তাতকৈয়ো
আৰু বৰ প্ৰীতি কাৰো নাই। ১৪ যি যি আজ্ঞা মই দিছোঁ, তাক যদি
পালন কৰা, তেন্তে তোমোলাক মোৰ মিত্ৰ হোৱা। ১৫ এতিয়াৰ পৰা
মই তোমোলাকক বন্দী নোবোলোঁ; কিয়নো প্ৰভুএ যি কৰে, বন্দীএ তাক
নেজানে; কিন্তু মোৰ পিতৃৰ পৰা যি যি শুনিলোঁ, সেই সকলোকে তো-
মোলাকত কলোঁ, এই হেতুকে তোমোলাকক মিত্ৰ বুলিলোঁ। ১৬ তো-
মোলাকে মোক মনোনীত কৰিলা, এনে নহয়, মইহে তোমোলাকক মনো-
নীত কৰিলোঁ; আৰু তোমোলাকে যেন গৈ ফল উপজোৱা, আৰু সেই ফল
যেন সদায় থাকে, এই নিমিত্তে তোমোলাকক নিযোজন কৰিলোঁ; তাতে
মোৰ নামেৰে পিতৃৰ আগত যি যি খুজিবা, তাকে তেওঁ তোমোলা-
কক দিব।

১৭ তোমোলাকে ইটে সিটে প্ৰীতি কৰা, মই এই আজ্ঞা দিছোঁ। ১৮ জগতৰ
লোকে যদি তোমোলাকক ঘিণাই, সিবিলাকে আগেএ মোকেই ঘিণালে,
ইয়াক তোমোলাকে জানা। ১৯ তোমোলাক জগতৰ মানুহ হোৱা হলে,
জগতৰ লোকে আপোনাৰ মানুহক প্ৰীতি কৰিলেহেঁতেন; কিন্তু তোমো-
লাক জগতৰ মানুহ নোহোৱা, মই তোমোলাকক জগতৰ মাজৰ পৰা মনো-
নীত কৰিলোঁ, এই হেতুকে জগতৰ লোকে তোমোলাকক ঘিণাই। ২০ প্ৰভুতকৈ
বন্দী বৰ নহয়, মই আগেএ কোৱা এই কথা সোঁৱৰা। সিহঁতে যদি মো-
কেই দুৰ্গতি কৰিলে, তেন্তে তোমোলাককো দুৰ্গতি কৰিব; মোৰ কথা যদি
পালন কৰিলে, তেন্তে তোমোলাকৰ কথাও পালন কৰিব। ২১ কিন্তু যি
জনে মোক পাঁচিলে, সিহঁতে তেওঁক নেজানে, এই হেতুকে মোৰ নামৰ নি-
মিত্তে তোমোলাকলৈ সেইবোৰ কৰম কৰিব। ২২ মই সিহঁতৰ ওচৰলৈ
আহি উপদেশ নিদিয়া হলে, সিহঁতৰ পাপ নহলহেঁতেন; কিন্তু এতিয়া
পাপ ঢাকিবৰ উপায় নাই। ২৩ যেয়ে মোক ঘিণাই, সেয়ে মোৰ পিতৃকো
ঘিণাই। ২৪ আন কোনো মানুহে যেনে কৰম কেতিয়াও কৰা নাই, তেনে
কৰম মই সিহঁতৰ আগত নকৰা হলে, তেন্তে সিহঁতৰ পাপ নহলহেঁতেন;
কিন্তু এতিয়া দেখিও মোক আৰু মোৰ পিতৃকো ঘিণালে। ২৫ তাতে সিবি-
লাকে অকাৰণতে মোক ঘিণালে, এই যি বচন সিবিলাকৰ শাস্ত্ৰতে লিখা
আছে, সেয়ে সিদ্ধি হল। ২৬ কিন্তু পিতৃৰ পৰা ওলোৱা যি সান্ত্বনা
কৰোঁতা, অৰ্থাত সত্য আত্মাক পিতৃৰ ওচৰৰ পৰা মই তোমোলাকলৈ
পাঁচিম, তেওঁ আহি মোৰ কথাত প্ৰমাণ দিব, ২৭ আৰু তোমোলাকো আ-
দিৰে পৰা মোৰ লগত থকাৰ নিমিত্তে সাক্ষী হবা।

## ১৬ অধ্যায়।

তোমোলাকৰ যেন বিঘিনি নহয়, এই নিমিত্তে তোমোলাকত এইবোৰ কথা
কলোঁ। ২ মানুহবিলাকে নাম ঘৰৰ পৰা তোমোলাকক বাহিৰ কৰিব;
আৰু যি কালত তোমোলাকক বধ কৰা সকলোএ ঈশ্বৰৰ কৰম কৰিলোঁ
বুলি বুঝিব, সেই কাল আহিছে। ৩ সিহঁতে পিতৃক আৰু মোকো নজ-
নাৰ নিমিত্তেই এইবিলাক কৰম আচৰিব। ৪ কিন্তু যেতিয়া সেই কাল
হব, মই তোমোলাকত কৈছিলোঁ, ইয়াকে যেন তোমোলাকে তেতিয়া সুঁৱ-
ৰিবা, মই এইবোৰ কথা কলোঁ। মই তোমোলাকৰ লগত থকাত প্ৰথমতে
এই কথা কোৱা নাই। ৫ এতিয়া মোক পঁচা জনৰ ওচৰলৈ যাওঁ তেও
তুমি কলৈ যাবা বুলি, তোমোলাকৰ কোনেও মোত নোসোধে। ৬ কিন্তু
মই তোমোলাকত এইবোৰ কথা কোৱা হেতুকে তোমোলাকৰ মন দুখেৰে
পূৰ হৈছে। ৭ তথাপি মই তোমোলাকত স্বৰূপ কথা কৈছোঁ, মই যোৱাই
তোমোলাকৰ হিতহে; কিয়নো মই নগলে তোমোলাকলৈ সান্তনা কৰোঁতা
নাহে; কিন্তু মই গলে তোমোলাকলৈ তেওঁক পঁাচিম। ৮ তেওঁ আহি,
পাপ, পুণ্য আৰু দণ্ড, এইবিলাকৰ কথাত জগতৰ লোকৰ জ্ঞান জন্মাব।
৯ সিবিলাকে মোত বিশ্বাস নকৰাৰ কাৰণে পাপৰ কথাত, ১০ তোমোলাকে
পাছে নেদেখা হৈ মই পিতৃৰ ওছৰলৈ যোৱাৰ কাৰণে পুণ্যৰ কথাত,
১১ আৰু এই জগতৰ অধিকাৰে দণ্ডৰ আজ্ঞা পোৱাৰ কাৰণে দণ্ডৰ কথাত
জ্ঞান জন্মাব।

১২ তোমোলাকত কবলৈ মোৰ আৰু অনেক কথা আছে, কিন্তু সেই কথা
এতিয়া সহিব নোৱাৰা। ১৩ তথাপি সেই সত্য আত্মা যেতিয়া আহিব, তে-
তিয়া তেওঁ আটাই সত্য কথাত তোমোলাকক পথ দেখুৱাই নিব; কিয়-
নো তেওঁ আপোনাৰ পৰা একো নকব, কিন্তু যিহকে শুনিব, তাকে কৈ
তোমোলাকক ভবিষ্যত কথা বুঝাব। ১৪ তেওঁ মোৰ মহিমা প্ৰকাশ কৰিব,
কিয়নো তেওঁ মোৰ যি আছে, তাকে লৈ তোমোলাকক দেখাব। ১৫ পিতৃৰ
ষি যি আছে, সেই সকলো মোৰ; এই হেতুকে মই বুলিলোঁ, মোৰ যি
আছে, তেওঁ তাকে লৈ তোমোলাকক দেখাব। ১৬ কিছু কালৰ পাছে
তোমোলাকে মোক দেখিবলৈ নোপোৱা; আৰু তাৰ পৰা কিছু কালৰ
পাছে আকও দেখিবলৈ পাবা; কিয়নো মই পিতৃৰ ওচৰলৈ যাওঁ।
১৭ তেতিয়া শিষ্যবিলাকৰ কোনোৱোৰে ইটে সিটে কোৱাকুই কৰিলে,
কিছু কালৰ পাছে মোক দেখিবলৈ নোপোৱা, আৰু তাৰ পৰা কিছু কা-
লৰ পাছে দেখিবলৈ পাবা, কিয়নো মই পিতৃৰ ওচৰলৈ যাওঁ, এই যি
কথা তেওঁ আমাত কৈছে, তাৰ অৰ্থ কি? ১৮ এই হেতুকে সিবিলাকে
কলে, কিছু কাল যে বুলিছে, ইয়াৰ অৰ্থ কি? তেওঁ যি কৈছে, আমি

তাক নুবুঝোঁ। ১৯ তাতে য়ীশুএ সিবিলাকৰ সুধিবৰ মন জানি সিবিলাকত
কলে, কিছু কালৰ পাছে মোক দেখিবলৈ নোপোৱা, আৰু তাৰ পৰা কিছু
কালৰ পাছে আকও দেখিবলৈ পাবা, এই যি কথা মই কলোঁ, তাৰ অৰ্থ
তোমোলাকে ইটে সিটে বিচাৰিছা নে? ২০ মই তোমোলাকত অতি স্বৰূপকৈ
কওঁ, তোমোলাকে ক্ৰন্দন আৰু শোক কৰিবা, কিন্তু জগতৰ লোকে আনন্দ
কৰিব; তোমোলাকে খেদ কৰিবা, কিন্তু পাছে তোমোলাকৰ খেদ আ-
নন্দ হৈ যাব। ২১ প্ৰসৱৰ কাল হলে তিৰোতাই প্ৰসৱৰ বেদনাত কষ্ট
পাই, কিন্তু লৰা উপজিলেই জগতত মানুহ এটা জন্ম হোৱাৰ আনন্দেৰে
সেই দুঃখ তাইৰ মনত নেথাকে; ২২ সেই দৰে তোমোলাকৰো এতিয়া শোক
হৈছে; কিন্তু মই আকও তোমোলাকক দেখা দিম, তাতে তোমোলাকৰ
মনত আনন্দ হব, আৰু তোমোলাকৰ সেই আনন্দ কোনেও কাৰ্হি নিব
নোৱাৰিব। ২৩ সেই দিনা মোত একো কথা নুসুধিবা। মই তোমোলাকত
অতি স্বৰূপকৈ কওঁ, মোৰ নামেৰে পিতৃৰ আগত যিহকে খুজিবা, তেওঁ
তাকে দিব। ২৪ এতিয়ালৈকে মোৰ নামেৰে তোমোলাকে একো খোজা
নাই; খোজা, তেহে পাবা, আৰু তাতে তোমোলাকৰ আনন্দ সম্পূৰ্ণ
হব।

২৫ এইবোৰ কথা উপমাৰে তোমোলাকত বুঝালোঁ; যি কালত উপমাৰে
আৰু নকৈ প্ৰকাশ ৰূপে পিতৃৰ কথা বুঝাম, এনে কাল আহিছে। ২৬ সেই
দিনাই মোৰ নামেৰে প্ৰাৰ্থনা কৰিবা, আৰু মই তোমোলাকৰ নিমিত্তে
পিতৃক নিবেদন কৰিম, এনেকৈ নোবোলোঁ; ২৭ কিয়নো তোমোলাকে
মোত প্ৰীতি কৰিছা, আৰু মই ঈশ্বৰৰ পৰা আহিছোঁ, ইয়াকে বিশ্বাস কৰি-
ছা, এই কাৰণে পিতৃএই আপুনি তোমোলাকক প্ৰীতি কৰে। ২৮ পিতৃৰ
ওচৰৰ পৰা মই জগতলৈ আহিলোঁ; আৰু জগতক এৰি আকও পিতৃৰ
ওচৰলৈ যাম। ২৯ তেতিয়া শিষ্যবিলাকে বুলিলে, আপুনি এতিয়া উপ-
মাৰে নকৈ প্ৰকাশ ৰূপে কৈছে। ৩০ আপুনি সৰ্ব্বজান আৰু কোনেও আ-
পোনাত সুধিবৰ প্ৰয়োজন নাই, ইয়াক আমি এতিয়া নিশ্চয়কৈ জানোঁ;
এই কাৰণে আপুনি যে ঈশ্বৰৰ পৰা আহিছে, তাতে আমি বিশ্বাস কৰি-
ছোঁ। ৩১ য়ীশুএ উত্তৰ কৰিলে, এতিয়া তোমোলাকে বিশ্বাস কৰিছা নে?
৩২ দেখা, তোমোলাক গোটা গোটা হৈ মোক অকল সৰিয়াকৈ এৰি আ-
পোন আপোন ঠাইলৈ যাবা, এনে কাল আহিছে, এতিয়াও পালেহি।
তথাপি মই অকল সৰিয়া নহওঁ, কিয়নো পিতৃ মোৰ লগতে আছে।
৩৩ তোমোলাকে মোত যেন কুশল পোৱা, এই নিমিত্তে এই সকলো কথা
তোমোলাকত কলোঁ। এই জগতত তোমোলাকৰ দুঃখ হব, কিন্তু নিৰ্ভয়
হোৱা, মই জগতকে জিনিলোঁ।

## ১৭ অধ্যায় ।

য়ীশুএ এইবিলাক কথা কৈ স্বৰ্গলৈ চাই এই প্ৰাৰ্থনা কৰিলে, হে পিতৃ,
কাল আহিল; ২ তুমি আপোনাৰ পুত্ৰৰ হাতত যিবিলাকক সোধাই দিলা,
সেই সকলোকে অনন্ত আয়ুষ দিবলৈ আটাই প্ৰাণীৰ ওপৰত তুমিএ তেওঁক
অধিকাৰ পতাৰ দৰেই সেই পুত্ৰৰ মহিমা প্ৰকাশ কৰা, তাতে তোমাৰ
পুত্ৰই তোমাৰো মহিমা প্ৰকাশ কৰিব। ৩ আৰু একে জনা সত্য ঈশ্বৰ
যি তুমি, আৰু তুমি, পঁচা যি য়ীশু খ্ৰীষ্ট, এই দুইকো জনা, এয়েই অনন্ত
আয়ুষ। ৪ মই এই জগতত তোমাৰ মহিমা প্ৰকাশ কৰিলোঁ; মোক যি
কৰম কৰিবলৈ দিছিলা, তাক সম্পূৰ্ণ কৰিলোঁ। ৫ এই হেতুকে, হে পিতৃ
জগত হোৱাৰ আগেএ তুমিএ সৈতে থকাত মোৰ যি মহিমা আছিল, এতি-
য়াও আপোনাৰ গলত মোক সেই মহিমা পোৱা কৰা।
৬ তুমি এই জগতৰ পৰা যি মানুহক মোক দিলা, মই সেইবিলাকক তো-
মাৰ নাম বুঝালোঁ। যিবিলাক তোমাৰ আছিল, তুমি সিবিলাকক মোক
দিছিলা, আৰু সিবিলাকেও তোমাৰ কথা পালন কৰিলে। ৭ আৰু তুমি
মোক যি যি দিছিলা, সেয়ে যে তোমাৰ পৰা হয়, সিবিলাকে তাক এতিয়া
জানিছে। ৮ মোক যি উপদেশ দিছিলা, ময়ো সিবিলাকক সেই উপদেশ
দিলোঁ, আৰু সিবিলাকে তাক গ্ৰহণ কৰিলে। মই যে তোমাৰ পৰা আ-
হিছোঁ, ইয়াকো সিবিলাকে জানিলে, আৰু তুমি যে মোক পাঁচিলা, তাকো
বিশ্বাস কৰিলে। ৯ সিবিলাকৰ নিমিত্তে মই প্ৰাৰ্থনা কৰিছোঁ; জগতৰ
লোকৰ নিমিত্তে প্ৰাৰ্থনা নকৰোঁ; কিন্তু যিবিলাকক মোক দিলা, সিবি-
লাকৰ নিমিত্তেহে প্ৰাৰ্থনা কৰিছোঁ, কিয়নো সিবিলাক তোমাৰেই। ১০ যি-
বিলাক মোৰ সেইবিলাক তোমাৰে, যিবিলাক তোমাৰ সিবিলাক মোৰে,
আৰু সিবিলাকেৰে মোৰ মহিমা প্ৰকাশ হয়। ১১ এতিয়াৰ পৰা মই এই
জগতত নেথাকোঁ; সিবিলাক হলে থাকিব, কিয়নো মই তোমাৰ ওচৰলৈ যাওঁ।
হে পবিত্ৰ পিতৃ, আমি যেনেকৈ একে হৈ আছোঁ, তেনেকৈ সিবিলাকেও
একে হৈ যেন থাকে, এই নিমিত্তে যিবিলাকক মোক দিলা, সেইবিলাকক
আপোনাৰ নামেৰে ৰক্ষা কৰা। ১২ যেতে দিন এই জগতত সিবিলাকৰ
লগত থাকিলোঁ, তেতে দিন তোমাৰ নামেৰে সিবিলাকক ৰাখিলোঁ। যিবি-
লাকক মোক দিলা, সেইবিলাকক ৰাখিলোঁ; সিবিলাকৰ মাঝত আন
কোনো নেহেৰাল, ধৰম পুথিৰ কথা সিদ্ধি হবলৈ অকল বিনাশৰ পুত্ৰই
হেৰাল। ১৩ কিন্তু এতিয়া মই তোমাৰ ওচৰলৈ যাওঁ, আৰু মোত যেন
সিবিলাকৰ আনন্দ সম্পূৰ্ণ হয়, এই নিমিত্তে জগতত থাকোঁতে এইবিলাক
কথা কৈছোঁ। ১৪ তোমাৰ কথা সিবিলাকক দিলোঁ, আৰু মই যেনেকৈ
জগতৰ নহওঁ, সিবিলাকো তেনেকৈ জগতৰ নোহোৱাত জগতৰ মানুহে

সিবিলাকক ঘিণাই । ১৫ তুমি সিবিলাকক জগতৰ পৰা নিয়া, মই এই
প্ৰাৰ্থনা নকৰোঁ; কিন্তু দোষৰ পৰা ৰক্ষা কৰা, এই প্ৰাৰ্থনাহে কৰোঁ ।
১৬ মই যেনেকৈ জগতৰ নহওঁ, সিবিলাকো তেনেকৈ জগতৰ নহয় । ১৭ তো-
মাৰ সত্যৰ দ্বাৰাই সিবিলাকক পবিত্ৰ কৰা; তোমাৰ বাক্যেই সত্য ।
১৮ তুমি যেনেকৈ মোক জগতলৈ পঁাচিলা, ময়ো তেনেকৈ সিবিলাকক জগ-
তলৈ পঁাচিলোঁ । ১৯ আৰু সিবিলাক যেন সত্যৰ দ্বাৰাই পবিত্ৰ হয়, এই
আশয়েৰে সিবিলাকৰ নিমিত্তে মই আপোনাকে পবিত্ৰ কৰিছোঁ ।

২০ অকল সিবিলাকৰ নিমিত্তে মই প্ৰাৰ্থনা কৰোঁ, এনে নহয়; সিবি-
লাকৰ উপদেশেৰে যিবিলাকে মোত বিশ্বাস কৰিব, সেইবিলাকৰ নিমিত্তেও
প্ৰাৰ্থনা কৰিছোঁ । ২১ হে পিতৃ, সিবিলাক সকলো যেন একে হয়; তুমি
যেনেকৈ মোত, আৰু মই যেনেকৈ তোমাত, সিবিলাকো তেনেকৈ আমাত,
যেন একে হয়; তাতে তুমি যে মোক পঁাচিলা, ইয়াকে জগতৰ লোকে
পতিয়াব । ২২ আৰু আমি যেনেকৈ একে, তেনেকৈ সিবিলাকো যেন
একে হয়; মই সিবিলাকত আৰু তুমি মোত, এই ৰূপে সিবিলাকো যেন
সম্পূৰ্ণকৈ একে হয়; আৰু তুমি যে মোক পঁাচিলা, আৰু তুমি যেনেকৈ
মোক প্ৰীতি কৰিছা, সিবিলাককো তেনেকৈ প্ৰীতি কৰিছা, ২৩ ইয়াকে
জগতৰ লোকে যেন জানে, এই নিমিত্তে তুমি মোক যি মহিমা দিলা, ময়ো
সেই মহিমা সিবিলাকক দিলোঁ । ২৪ হে পিতৃ, জগত সৃজিবৰ আগেএ
মোক প্ৰীতি কৰি যি মহিমা দিলা, মোৰ সেই মহিমা যেন সিবিলাকে
দেখিবলৈ পাই, এই নিমিত্তে যিবিলাক মানুহ তুমি মোক দিলা, সেই-
বিলাক মই থকা ঠাইত মোৰ লগত যেন থাকে, মোৰ এই বাঞ্ছা । ২৫ হে
পৰমাৰ্থিক পিতৃ, জগতৰ লোকে তোমাক নেজানিলে, কিন্তু মই তোমাক
জানো; আৰু তুমি যে মোক পঁাচিলা, তাকো ইবিলাকে জানে । ২৬ আৰু
তুমি মোক যি প্ৰীতিৰে প্ৰেম কৰিছা, সেয়ে যেন সিবিলাকত থাকে, আৰু
ময়ো যেন সিবিলাকত থাকোঁ, এই নিমিত্তে মই তোমাৰ নাম সিবিলাকত
বুঝালোঁ, আৰু পাছেও বুঝাম ।

## ১৮ অধ্যায় ।

এই কথা কৈ য়ীশুএ শিষ্যবিলাকক লগত লৈ কিদ্ৰোণ জানৰ পাৰ হৈ,
যতে এখান বাৰী আছিল, শিষ্যে সৈতে তাতে সোমাল । ২ লোকৰ হাতত
তেওঁক সোধাই দিয়া য়িহূদাও সেই ঠাই চিনিলে, কিয়নো শিষ্য সকলে
সৈতে য়ীশুএ অনেক বাৰ তালৈ অহা যোৱা কৰিছিল । ৩ সেই কালত
য়িহূদাই এযুম সেনাই সৈতে প্ৰধান পোৰোহিত আৰু ফিৰুচিবিলাকৰ পৰা
টেকেলাবোৰক পাই, ফানুচ আৰিয়া অস্ত্ৰ শস্ত্ৰ হাতত লৈ সেই ঠাইলৈ

আছিল । ৪ আপোনালৈ যি যি ঘটিব, য়ীশুএ তাক জানি, আগ হৈ গৈ
সিহঁতত সুধিলে, তোমোলাকে কাক বিচাৰিছা? ৫ সিহঁতে উত্তৰ কৰি-
লে, নাচৰীয়া য়ীশুক বিচাৰিছোঁ । তাতে য়ীশুএ কলে, সেই জন মৱেই ।
তেওঁক লোকৰ হাতত সোধাই দিয়া য়িহুদাও সিহঁতে সৈতে থিয় হৈ
আছিল । ৬ তেতিয়া সেই জন মৱেই, তেওঁৰ এই কথা শুনি সিহঁতে
পাচ হুহকি মাটীত পৰিল । ৭ পাছে তেওঁ সিহঁতত আকও সুধিলে,
তোমোলাকে কাক বিচাৰিছা? সিহঁতে বুলিলে, নাচৰীয়া য়ীশুক বিচা-
ৰিছোঁ । ৮ তাতে য়ীশুএ উত্তৰ কৰিলে, সেই জন মৱেই, এই কথা
তোমোলাকত কলোঁ; এই হেতুকে যদি মোক বিচাৰিছা, তেন্তে ইবিলাকক
যাব দিয়া । ৯ এনে হলত মোক যিবিলাকক দিলা, সিবিলাকৰ এজনো
হেৰোৱা নাই, এই যি কথা তেওঁ কৈছিলে, সেয়ে সিদ্ধি হল । ১০ তে-
তিয়া চিমোন পিতৰৰ এখান তৰোৱাল থকাত তাক ফাকৰ পৰা উলি-
য়াই বৰ পোৰোহিতৰ মালুক নামেৰে বন্দীক ঘা মাৰি তাৰ সোঁ কাণ
খন কাটী পেলালে । ১১ তাতে য়ীশুএ কলে, তৰোৱাল ফাকত সুমাই
থোৱা; মোৰ পিতৃএ মোক পান কৰিবলৈ যি পাত্র দিলে, মই তাতে
নেখাম নে?

১২ তেতিয়া সেনা যূম আৰু সেনাপতি আৰু য়িহুদিবিলাকৰ টেকেলাই
য়ীশুক ধৰি বান্ধি, ১৩ হানান নামেৰে কায়ফাৰ শহুৰেকৰ ওচৰলৈ প্রথম-
তে লৈ গল । ১৪ সেই বছৰত বৰ পোৰোহিত হৈ, মানুহ সমূহৰ নিমিত্তে
এজনৰ মৰণেই ভাল, য়িহুদিবিলাকক এই আলচ দিয়া জন সেই কায়ফা ।

১৫ তেতিয়া চিমোন পিতৰ আৰু আন এজন শিষ্য য়ীশুৰ পাচত গল ।
সেই শিষ্যে বৰ পোৰোহিতেৰে চিনাকি হোৱাত য়ীশুএ সৈতে বৰ পোৰো-
হিতৰ চৰাত সোমাল; ১৬ কিন্তু পিতৰ বাহিৰৰ দুৱাৰত থিয় হৈ থাকিল ।
এই হেতুকে বৰ পোৰোহিতৰ চিনাকি শিষ্যে আকও বাহিৰলৈ গৈ দুৱৰী
জনীত কৈ পিতৰক ভিতৰলৈ আনিলে । ১৭ তেতিয়া সেই দুৱৰী জনীএ পিত-
ৰত কলে, তুমি এই মানুহৰ শিষ্যৰ এজন নোহোৱা নে? তাতে তেওঁ কলে,
মই নহওঁ । ১৮ পাছে সেই ঠাইতে বন্দীইঁতে আৰু টেকেলাবোৰে জাৰৰ
নিমিত্তে এঙ্গাৰৰ জুই জালি, থিয় হৈ জুই পুৱাইছিল; পিতৰেও সিবিলাকৰ
লগত থিয় হৈ পুঁৱাইছিলে ।

১৯ তেতিয়া বৰ পোৰোহিতে য়ীশুত তেওঁৰ শিষ্যবিলাকৰে উপদেশৰে
কথা সুধিলে । ২০ য়ীশুএ উত্তৰ কৰিলে, জগতৰ আগত প্রকাশকৈয়ে কথা
কৈছিলোঁ; যলৈ য়িহুদিবিলাকে দিনে দিনে অহা যোৱা কৰে, সেই মন্দিৰ
আৰু নাম ঘৰতো সদায় শিকাইছিলোঁ; গুপুতে একো কথা কোৱা নাই ।
২১ মোত নো কিয় সোধা? যিবিলাকে মোৰ উপদেশ শুনিলে, সেইবিলা-
কত সোধা; মই যি কথা কৈছিলোঁ, তাকে সিবিলাকে জানে । ২২ এই

ৰূপে উত্তৰ কৰিলত ওচৰত থকা এটা টেকেলাই য়ীশুক চৰ মাৰি কলে,
বৰ পোৰোহিতক এনে উত্তৰ কৰ নে? ২৩ তাতে য়ীশুএ উত্তৰ কৰিলে,
যদি অকথা কৈছোঁ, সেই অকথাৰ প্ৰমাণ দিয়া; কিন্তু যদি ভাল কথা কৈছোঁ,
তেন্তে মোক কিয় মাৰা? ২৪ হানানে বান্ধি থোৱা তেওঁক বৰ পোৰোহিত
কায়ফাৰ ওচৰলৈ পঠাই দিছিলে।

২৫ পাছে চিমোন পিতৰে থিয় হৈ জুই পুয়াওতেই মানুহবোৰে তেওঁত
সুধিলে, তুমি এই জনৰ শিষ্যৰ মাঝৰ এটা নোহোৱা নে? তাতে তেওঁ
আসৈ কৰি, মই নহওঁ বুলি কলে। ২৬ তেতিয়া পিতৰে বৰ পোৰোহি-
তৰ যি বন্দীৰ কাণ কাটিছিলে, তাৰ এটা গিয়াতিএ কলে, বাৰীত থাকোঁ-
তে তেওঁৰ লগত মই তোমাক দেখা নাই নে? ২৭ তাতে পিতৰে আকও
আসৈ কৰিলে, আৰু তেতিয়াই কুকুৰাই ডাক দিলে।

২৮ পাছে ৰাতি পুয়াতে সিবিলাকে কায়ফাৰ ঘৰৰ পৰা সোধৰ চৰালৈ
য়ীশুক লৈ গল। কিন্তু নিস্তাৰ পৰ্ব্বৰ ভোজ খাবৰ আশয়েৰে অশুচি নহব-
লৈ সিবিলাক আপুনি সোধৰ চৰাত নোসোমাল। ২৯ পাছে পিলাতে বা-
হিৰলৈ গৈ সিইঁতত সুধিলে, তোমোলাকে এই মানুহক কি কি বাদ দিছা?
৩০ তেতিয়া সিইঁতে উত্তৰ কৰিলে, সি দুষ্ট কৰম কৰাটো নহলে, আপো-
নাত তাক নোসোধালোঁহেঁতেন। ৩১ তাতে পিলাতে বুলিলে, তোমোলাকে
তাক লৈ আপোনাৰ বিধানৰ মতে সোধ কৰা। য়িহুদিবিলাকে সমিধান
দি কলে, আমি কাকো মাৰিবৰ শক্তি নাই। ৩২ তাতে আপুনি কেনে
মৰণেৰে মৰিব, ইয়াৰ অৰ্থে য়ীশুএ যি কথা কৈছিল, সেয়ে সিদ্ধি হল।
৩৩ তাৰ পাছে পিলাতে আকও সোধৰ চৰালৈ গৈ য়ীশুক মাতি সুধিলে,
তুমি য়িহুদিবিলাকৰ ৰজা হোৱা নে? ৩৪ য়ীশুএ উত্তৰ কৰিলে, তুমি আপু-
নিএই কৈছা নে, নাইবা আন কোনোবাই মোৰ অৰ্থে এই কথা তোমাত
কৈছে? ৩৫ পিলাতে বুলিলে, মই য়িহুদি মানুহ নে? তোমাৰ আপোনাৰ
দেশীবিলাক আৰু প্ৰধান পোৰোহিতবিলাকে মোৰ হাতত তোমাক সোধাই-
ছে; তুমি কি কৰিলা? ৩৬ য়ীশুএ উত্তৰ কৰিলে, মোৰ ৰাজ্য এই জগতৰ
নহয়; মোৰ ৰাজ্য এই জগতৰ হোৱা হলে, তেন্তে য়িহুদিবিলাকৰ হাতত
মই যেন নপৰোঁ, মোৰ সেৱকবিলাকে যুদ্ধ কৰিলেহেঁতেন; কিন্তু মোৰ ৰাজ্য
ইয়াৰ নহয়। ৩৭ তাতে পিলাতে কলে, তেন্তে তুমি ৰজা হোৱা নে? য়ীশুএ
উত্তৰ কৰিলে, মই ৰজা হওঁ, ইয়াকে তুমি স্বৰূপ কৈছা। সত্য কথাত
প্ৰমাণ দিবৰ নিমিত্তে জনম ধৰি এই জগতলৈ আহিলোঁ। সত্যৰ ফলীয়া
সকলোএ মোৰ কথা শুনে। ৩৮ তেতিয়া পিলাতে কলে, সত্য নো কি?
ইয়াকে বুলি আকও বাহিৰলৈ গৈ য়িহুদিবিলাকত কলে, মই এই মানুহত
একো দোষ পোৱা নাই। ৩৯ আৰু নিস্তাৰ পৰ্ব্বত মই যেন এক বন্দীয়া-
ৰক মুকলি কৰিম, তোমোলাকৰ এনে দস্তুৰ আছে; এই হেতুকে তোমো-

লাকলৈ য়িহুদিবিলাকৰ ৰজাক যেন মুকলি কৰি দিম, তোমালাকৰ এই
ইচ্ছা আছে নে? ৪০ তেতিয়া সিহঁত আটাইবিলাকে এটাহ পাৰি কলে,
এই মানুহক নহয়, বৰাবাক। সেই বৰাবা ডকাইত আছিলে।

## ১৯ অধ্যায়।

তেতিয়া পিলাতে য়ীশুক নি কোবোৱালে। ২ পাছে সেনাবিলাকে কাঁই-
টেৰে কিৰীটি সাজি তেওঁৰ মূৰত দি, বেঙ্গেনা বৰণিয়া কাপৰ পিন্ধাই,
৩ হে য়িহুদিবিলাকৰ ৰজা, সেৱা, ইয়াকে বুলি তেওঁক চৰ মাৰিলে। ৪ তে-
তিয়া পিলাতে আকও বাহিৰলৈ গৈ মানুহবিলাকত কলে, দেখা, এওঁত
একো দোষ নেপালোঁ, তাকে তোমোলাকত বুঝাবৰ নিমিত্তে তোমোলাকৰ
আগলৈ বাহিৰ কৰি আনিছোঁ। ৫ এনেতে য়ীশুএ সেই কাঁইটৰ কিৰীটি
আৰু বেঙ্গেনা বৰণিয়া কাপৰেৰে যুগুত হৈ বাহিৰলৈ আহিলত পিলাতে
কলে, এই মানুহক চোৱাহঁক। ৬ তেতিয়া প্ৰধান পোৰোহিত আৰু টেকে-
লাবোৰে তেওঁক দেখি এটাহ পাৰি কলে, পেৰেঙ্গণিত মাৰোক, পেৰেঙ্গ-
ণিত মাৰোক! তাতে পিলাতে কলে, তোমোলাকে আপুনি লৈ পেৰেঙ্গণিত
মাৰাগৈ; মই এওঁত একো দোষ পোৱা নাই। ৭ য়িহুদিবিলাকে উত্তৰ
কৰিলে, আমাৰ যি বিধান আছে, সেই বিধানৰ দৰেই ই মৰিব লগা হয়,
কিয়নো সি আপোনাকে ঈশ্বৰৰ পুত্ৰ কৰি বুলিলে।

৮ পিলাতে এই কথা শুনি আৰু ভয় পাই, ৯ আকও সোধৰ চৰালৈ
আহি য়ীশুত সুধিলে, তুমি নো কৰ? তাতে য়ীশুএ তেওঁক একো উত্তৰ নি-
দিলে। ১০ তেতিয়া পিলাতে কলে, তুমি মোত একো কথা নোকোৱা নে?
তোমাক পেৰেঙ্গণিত মাৰিবলৈ নাইবা মুকলি কৰিবলৈ মোৰ শক্তি আছে,
ইয়াক তুমি নেজানা নে? ১১ য়ীশুএ উত্তৰ কৰিলে, ঈশ্বৰে নিদিয়া হলে,
মোৰ ওপৰত তোমাৰ একো শক্তি নহলহেঁতেন; এই হেতুকে যিটে তো-
মাৰ হাতত মোক সোধালে, তাৰেই অধিক পাপ হল। ১২ তাৰে পৰা
পিলাতে তেওঁক মুকলি কৰিবলৈ উপায় বিচাৰিলে; কিন্তু য়িহুদিবিলাকে
এটাহ পাৰি কলে, যদি এই মানুহক এৰি দিয়া, তেন্তে তুমি কৈচৰৰ হিত
নোহোৱা; যি কোনোএ আপোনাক ৰজা বুলি কয়, সি কৈচৰৰ বিৰোদ্ধ
কথা বোলে।

১৩ এই কথা শুনি পিলাতে য়ীশুক বাহিৰলৈ অনাই, নিস্তাৰ পৰ্ব্বলৈ
যুগুত কৰা দিনৰ দুপৰ মানত ইব্ৰী ভাষাৰে যাক গাবথা বোলে, এনে শিল
পতা নামেৰে থানত সোধৰ আসনত বহি, ১৪ য়িহুদিবিলাকৰ আগত কলে,
তোমোলাকৰ ৰজাক চোৱাহঁক। ১৫ কিন্তু সিহঁতে এটাহ পাৰি বুলিলে,
ইয়াক নিওৱা, নিওৱা, পেৰেঙ্গণিত তুলি মাৰকগৈ। তেতিয়া পিলাতে কলে,

তোমোলাকৰ ৰজাক নো পেৰেঙ্গণিত তুলি মাৰিম নে? প্ৰধান পোৰোহিত-
বিলাকে উত্তৰ কৰিলে, কৈচৰৰ বাহিৰে আমাৰ আন ৰজা নাই। ১৬ তাতে
পিলাতে তেওঁক পেৰেঙ্গণিত তুলি মাৰিবলৈ সিহঁতৰ হাতত সোধাই দিলে।
১৭ তেতিয়া সিহঁতে য়ীশুক ধৰি লৈ গল। পাছে তেওঁ আপোনাৰ পে-
ৰেঙ্গণি ভাৰ বৈ, ইব্ৰী ভাষাৰে যাক গুল্‌গুল্টা বোলে, এনে মূৰৰ লাওখোলা
নামেৰে ঠাই পালেগৈ। ১৮ সেই ঠাইতে সিহঁতে তেওঁক মাঝত, আৰু তেওঁৰ
দুয়ো ফালে আন মানুহ দুটাক পেৰেঙ্গণিত তুলি মাৰিলে। ১৯ আৰু এই
নাচৰীয়া য়ীশু য়িহুদিবিলাকৰ ৰজা, এনে পত্ৰ লিখি, পিলাতে পেৰেঙ্গণিৰ
ওপৰত লগাই দিলে। ২০ এই পত্ৰ ইব্ৰী আৰু গ্ৰীক আৰু ৰুমীয়া ভাষাৰে
লিখি আছিল; আৰু য়ীশুক পেৰেঙ্গণিত মৰা ঠাই নগৰৰ ওচৰ হোৱাত
ভালেমান য়িহুদিবিলাকে তাক পঢ়িলে। ২১ এই হেতুকে য়িহুদিবিলাকৰ
প্ৰধান পোৰোহিতবোৰে পিলাতত এনে নিবেদন কৰিলে, ই য়িহুদিবিলা-
কৰ ৰজা, এই কথা নিলিখি, ই আপোনাকে য়িহুদিবিলাকৰ ৰজা বুলি কলে,
এই দৰে লিখোক। ২২ তাতে পিলাতে উত্তৰ কৰিলে, যি লিখিলোঁ, তাকে
লিখিলোঁ। ২৩ এই ৰূপে সেনাবিলাকে য়ীশুক পেৰেঙ্গণিত তুলি মাৰি,
তেওঁৰ পিন্ধা কাপৰ চাৰি ভাগ কৰি, গাইপতি এভাগ এভাগ ললে, আৰু
তেওঁৰ ছোলাও ললে। সেই ছোলাই সিয়নী নাইকিয়াকৈ ওপৰৰে পৰা
সাৰশেষে বোৱা আছিল; ২৪ এই হেতুকে সিহঁতে বুলিলে, ইয়াক নেফালি,
কোনে পাব, তাৰ অৰ্থে গুটি বুঝাই বঁটা কৰোঁহঁক। তাতে সিহঁতে আ-
পোনাৰ মাঝত মোৰ লোৱা কাপৰ ভাগ বাঁটি ললে, আৰু মোৰ ছোলাৰ
অৰ্থে গুটি বুঝাই বঁটা কৰিলে, এই যি কথা ধৰম পুথিত লিখা আছে, সে-
নাবিলাকে এনে কৰম কৰিলত সেই কথাই সিদ্ধি হল।

২৫ য়ীশুৰ পেৰেঙ্গণীৰ ওচৰতে তেওঁৰ মাক, আৰু মাকৰ ভনীএক কল-
ফাৰ যি তিৰোতা, সেই মাৰিয়া, আৰু মাগ্‌দলিনী মাৰিয়া, এইবিলাক থিয়
হৈ আছিল। ২৬ তাতে য়ীশুএ আপোনাৰ মাকক আৰু তেওঁৰ ওচৰত
প্ৰিয় শিষ্যক থিয় হৈ থকা দেখি মাকত কলে, হে নাৰী, এই তোমাৰ পুত্ৰক
চোৱা; ২৭ আৰু শিষ্যতো কলে, এই তোমাৰ মাতৃক চোৱা। তেতিয়াৰে
পৰা সেই শিষ্যে তেওঁক আপোনাৰ ঘৰলৈ নিলেগৈ।

২৮ তাৰ পাছে সকলো কৰম এতিয়া সম্পূৰ্ণ হল, য়ীশুএ ইয়াকে জানি,
ধৰম পুথিৰ বচন সিদ্ধি হবৰ নিমিত্তে কলে, মোৰ পিয়াহ লাগিছে।
২৯ সেই ঠাইতে টেঙ্গা ৰসেৰে পূৰ হোৱা এটা পাত্ৰ থকাত, সিহঁতে সাগ-
ৰৰ ফেন এসোপা সেই টেঙ্গা ৰসেৰে তিয়াই, এচোপ নলত লগাই তেওঁৰ
মুখত দিলে। ৩০ তেতিয়া তেওঁ ৰস পাই, সকলো সিদ্ধি হল, ইয়াকে বুলি
মূৰ নমাই আপোনাৰ প্ৰাণ চাৰি দিলে।

৩১ সেই দিন পৰ্ব্বলৈ যুগুত কৰিবৰ দিন, এই হেতুকে বিশ্ৰাম বাৰত দেহ

যেন পেৰেঙ্গণিৰ ওপৰত নেথাকে, কিয়নো সেই বিশ্রাম বাৰ বৰ দিন আ-
ছিল, সেই নিমিত্তে সিবিলাকৰ ভৰি ভাঙ্গি শ গুছাবলৈ য়িহুদিবিলাকে পি-
লাতৰ আগত প্রার্থনা কৰিলে। ৩২ তাতে সেনাবোৰ আহি য়ীশুৰ লগত
পেৰেঙ্গণিত মৰা প্রথম আৰু দ্বিতীয়টবো ভৰি ভাঙ্গিলে। ৩৩ পাছে য়ীশুৰ
ওচৰলৈ গৈ তেতিয়াই তেওঁক মৰা যেন দেখি, তেওঁৰ ভৰি নেভাঙ্গিলে;
৩৪ কিন্তু সেনাবিলাকৰ এটাই বৰচাৰে খোঁচ মাৰি তেওঁৰ কোষত বিন্ধি-
লে; তেতিয়াই তাৰ পৰা তেজ আৰু পানী বাহিৰলৈ ওলাল। ৩৫ যি মা-
নুহে ইয়াৰ প্রমাণ দিছে, সি আপুনি দেখিলে, আৰু তাৰ প্রমাণ স্বৰূপ;
তোমোলাকে বিশ্বাস কৰিবৰ নিমিত্তে সি সত্য কথা কয়, তাক সি আপু-
নি জানে। ৩৬ তেওঁৰ এটি হাৰো ভগণ নহব, ধৰম পুথিৰ এই বচন সিদ্ধি
হবলৈ এইবিলাক কথা ঘটিল। ৩৭ আৰু বাৰ আন বচনেও কৈছে, সিহঁ-
তে যি জনক বিন্ধিলে, তেওঁলৈ সিহঁতে চাব।
৩৮ ইয়াৰ পাছে আৰিমথিয়া নগৰৰ য়োচেফ নামেৰে য়ীশুৰ যি এজন
শিষ্য আছিল, কিন্তু য়িহুদিবিলাকৰ ভয়ত প্রৌঢিক নহয়, সেই জনে য়ীশুৰ
মৰা দেহ নিবলৈ পিলাতৰ আগত প্রার্থনা কৰিলে; তাতে পিলাতে
আজ্ঞা দিলে। ৩৯ তেতিয়া তেওঁ গৈ য়ীশুৰ দেহ নিলে; আৰু যি নিক-
দিম আগেয়ে ৰাতিত য়ীশুৰ ওচৰলৈ গৈছিলে, তেৰোঁ আহি গন্ধ ৰসেৰে
মিহলি আৰ্হে কুৰি শেৰ মান আগৰ চন্দন আনিলে। ৪০ এই ৰূপে সি-
বিলাকে য়ীশুৰ দেহ লৈ য়িহুদিবিলাকৰ মৈদামত থোৱা আচাৰৰ দৰে, সেই
সুগন্ধি বস্তুৰে সৈতে কাপৰেৰে মেৰালে। ৪১ আৰু যি ঠাইত তেওঁক পে-
ৰেঙ্গণিত মাৰিলে, তাৰ ওচৰতে এখান বাৰী আছিল; সেই বাৰীতে কোনো
কালে মৰা শ নোথোৱা, এনে ন মৈদামো আছিল। ৪২ সেই দিনা য়িহুদি-
বিলাকৰ পৰ্ব্বলৈ যুগুত কৰা দিন হোৱাত, সেই মৈদাম ওচৰত থকা হেতু-
কে সিবিলাকে তাতে য়ীশুক শুয়াই থলে।

## ২০ অধ্যায়।

পাছে সপ্তাহৰ প্রথম দিনা অতি ৰাতি পুৱা এন্ধাৰ থকাতে মাগ্‌দলিনী
মাৰিয়া মৈদামৰ ওচৰলৈ গৈ, মৈদামৰ মুখৰ পৰা শিল আঁতৰা দেখি,
২ লৰ মাৰি চিমোন পিতৰ আৰু য়ীশুৰ প্রিয় শিষ্যৰ ওচৰলৈ গৈ এই
কথা কলে, মৈদামৰ পৰা প্রভুক তুলি নি, সিবিলাকে কত থৈছে, আমি
তাক নেজানোঁ। ৩ তেনেতে পিতৰ আৰু সেই আন শিষ্যে বাহিৰ ওলাই
মৈদামৰ কোষৰলৈ গল। ৪ সিবিলাক দুয়ো একে লগে লৰ ধৰিলত
আন শিষ্যে পিতৰক পাছ পেলাই, আগৈএ মৈদামৰ ওচৰ পালেগৈ।
৫ তেতিয়া চাপৰি চাই, পৰি থকা কাপৰ দেখিলে, কিন্তু ভিতৰলৈ নোসো-

মাল। ৬ সেই শিষ্যৰ পাছত চিমোন পিতৰ আহি মৈদামত সোমাই,
৭ পৰি থকা কাপৰ আৰু আন ঠাইত সুকীয়াকৈ ঝাঁপি থোৱা মূৰ বন্ধা
গামোচাও দেখিলে। ৮ পাছে মৈদামলৈ আগেএ অহা আন শিষ্যো সো-
মাই তেনে দেখি বিশ্বাস কৰিলে। ৯ কিয়নো মৃত্যুৰ পৰা তেওঁ উঠিব
লগা, ধৰম পুথিৰ এই বচনৰ অৰ্থ সিবিলাকে তেতিয়ালৈকে বুঝা নাই।
১০ পাছে সেই দুজন শিষ্য আপোনাৰ ঘৰলৈ উলটি গল।

১১ কিন্তু মাৰিয়াই মৈদামৰ বাহিৰে থিয় হৈ কান্দি আছিল; আৰু
কান্দি কান্দি তললৈ মূৰ কৰি মৈদামৰ ভিতৰলৈ চাই, ১২ য়ীশুৰ দেহ
শুউয়া ঠাইৰ শিতানত এজন, ভৰি পিথানত এজন, শুকুলা কাপৰেৰে এনে
দুজন স্বৰ্গৰ দূতক বহি থকা দেখিলে। ১৩ পাছে সিবিলাকে তাইক বুলিলে,
হে নাৰী, কিয় কান্দিছা? তাই কলে, লোকে মোৰ প্ৰভুক নি কত থৈছে,
তাক নেজানোঁ। ১৪ ইয়াকে বুলি উলটি চাই, য়ীশুক থিয় হৈ থকা দেখি-
লে; কিন্তু তেৱেঁই য়ীশু, ইয়াক নেজানিলে। ১৫ তেতিয়া য়ীশুএ তাইত
সুধিলে, হে নাৰী, তুমি কিয় কান্দিছা? কাক নো বিচাৰিছা? তাতে তাই
তেওঁক বাৰীচোৱা বুলি জানি কলে, হে দেও, তুমি যদি এই ঠাইৰ পৰা
তেওঁক নিলা, তেন্তে কত থৈছা, তাক কোৱা, মই তাৰ পৰা তেওঁক লৈ
যাম। ১৬ তেতিয়া য়ীশুএ তাইত কলে, অ মাৰিয়া; তাতে তাই উলটি
তেওঁক বুলিলে, হে ৰাবুণি, অৰ্থাত হে গুৰু। ১৭ তেতিয়া য়ীশুএ কলে,
তুমি মোক নধৰিবা; কিয়নো মোৰ পিতৃৰ ওচৰলৈ এতিয়া মই উঠা নাই।
কিন্তু মোৰ ভাইবিলাকৰ ওচৰলৈ গৈ, মোৰ আৰু তোমোলাকৰো যি জন
পিতৃ, আৰু মোৰো তোমোলাকৰো ঈশ্বৰ, তেওঁৰ ওচৰলৈ মই উঠি যাওঁ,
ইয়াকে সিবিলাকত কোৱাগৈ। ১৮ তাতে মাগ্‌দলিনী মাৰিয়াই গৈ, প্ৰভুএ
যে তাইক দেখা দি এনে কথা কৈছিল, তাকে শিষ্যবিলাকত কলে।

১৯ পাছে সপ্তাহৰ সেই প্ৰথম দিনা গধূলী বেলিকা শিষ্যবিলাকে একে
ঠাই হৈ য়িহুদিবিলাকৰ ভয়ত দুৱাৰ মাৰি আছিলে; তেতিয়া য়ীশুএ তালৈ
আহি সিবিলাকৰ মাঝত থিয় হৈ কলে, তোমোলাকৰ কুশল হওক। ২০ ইয়া-
কে বুলি আপোনাৰ হাত আৰু কোষ দেখালে; তাতে সিবিলাকে প্ৰভুক
দেখি আনন্দ কৰিলে। ২১ তেতিয়া য়ীশুএ আকও কলে, তোমোলাকৰ
কুশল হওক; পিতৃএ যেনেকৈ মোক পাচিলে, ময়ো তেনেকৈ তোমোলাকক
পাঁচিছোঁ। ২২ এই কথা কৈ তেঁও সিবিলাকৰ ওপৰত শ্বাস পেলাই কলে,
পবিত্ৰ আত্মা গ্ৰহণ কৰা। ২৩ তোমোলাকে যিবিলাকৰ পাপ ক্ষমা, সেই-
বিলাকৰ পাপ ক্ষমা হব; আৰু যিবিলাকৰ পাপ ৰাখা, সেইবিলাকৰ
পাপ থাকিব।

২৪ য়ীশু অহা কালত বাৰে জনৰ মাঝৰ থোমা নামেৰে যাক দিদুমো
বোলে, এনে শিষ্য এজন সিবিলাকৰ লগত নাইকিছিল; ২৫ এই হেতুকে

আন শিষ্যবিলাকে তেওঁক কলে, আমি প্ৰভুক দেখিলোঁ । কিন্তু সি বুলিলে,
তেওঁৰ হাতত মই গজালৰ চিন নেদেখিলে, আৰু গজালৰ সেই চিনত মোৰ
আঙ্গুলী নুসুমালে, আৰু তেওঁৰ কোষত হাত নিদিলে, নপতিয়াওঁ । ২৬ আঠ
দিনৰ পাছে শিষ্যবিলাকে থোমাই সৈতে একে ঠাই হৈ দুৱাৰ মাৰি ভিত-
ৰত আছিল; এনে সময়তে য়ীশুএ শিষ্যবিলাকৰ মাজত থিয় হৈ কলে,
তোমোলাকৰ কুশল হওক । ২৭ পাছে তেওঁ থোমাত কলে, ইয়াত আঙ্গুলী
দি মোৰ হাত চোৱা, আৰু হাত মেলি মোৰ কোষত দিয়া; আৰু অবিশ্বাসী
নহৈ বিশ্বাসী হোৱা । ২৮ তেতিয়া থোমাই সমিধান দি তেওঁক বুলিলে,
হে মোৰ প্ৰভু, হে মোৰ ঈশ্বৰ! ২৯ তাতে য়ীশুএ কলে, মোক দেখাৰ
কাৰণে তুমি বিশ্বাস কৰিছা; যিবিলাকে নেদেখিও বিশ্বাস কৰে, সেই-
বিলাকেই ধন্য ।

৩০ ইয়াত বাজেও যিবোৰ এই পুথিত লিখা নাই, এনে অনেক অনেক
আশ্চৰিত কৰম য়ীশুএ শিষ্যবিলাকৰ আগত কৰিলে; ৩১ কিন্তু য়ীশু
যে ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট, ইয়াক যেন তোমোলাকে বিশ্বাস কৰা, আৰু বিশ্বাস
কৰি তেওঁৰ নামেৰে পৰম আয়ুষ যেন পোৱা, এই নিমিত্তে এইবিলাক
কথা লিখা হল ।

## ২১ অধ্যায় ।

তাৰ পাছে তিবেৰীয়া সাগৰৰ দাঁতিত য়ীশুএ আকও শিষ্যবিলাকক দেখা
দিলে । ২ তেওঁ আপোনাক দেখুৱাৰ এই ৰূপ; চিমোন পিতৰ, আৰু
যাক দিদুম বোলে, সেই থোমা, আৰু গালীলৰ কানা নগৰত থকা নিথনেল,
আৰু যবিদিৰ পুতেকবিলাক, আৰু আন দুজন শিষ্যো, এইবিলাক একে
ঠাই হলত, ৩ চিমোন পিতৰে সিবিলাকত কলে, মই মাছ মাৰিবলৈ যাওঁ ।
সিবিলাকে বুলিলে, তেন্তে আমিও তোমাৰ লগত যাওঁ । তাতে সিবিলাকে
বাহিৰ ওলাই তেতিয়াই নাৱত উঠিল; কিন্তু সেই ৰাতি একো মাছ নেপালে ।
৪ পাছে ৰাতি পুৱালত য়ীশুএ বামত থিয় হল, কিন্তু তেওঁ যে য়ীশু, ইয়াক
সিবিলাকে নেজানিলে । ৫ তেতিয়া য়ীশুএ সুধিলে, হে লৰাটিহঁত, তোমো-
লাকৰ লগত কিবা খোৱা বস্তু আছে নে? সিবিলাকে সমিধান দি কলে,
নাই । ৬ তেতিয়া তেওঁ কলে, নাৱৰ সোঁ ফালে জাল পেলাই তাতে পাবা ।
এই হেতুকে সিবিলাকে জাল পেলালতে বহু মাছৰ ভৰত সিবিলাকে তাক
টানি আনিবই নোৱাৰিলে । ৭ তাতে য়ীশুৰ প্ৰিয় শিষ্যে পিতৰত কলে,
এৱেঁই প্ৰভু । এঁৱেই প্ৰভু বুলি চিমোন পিতৰে শুনি উদঙ্গ হৈ থকাত
গাত চোলা পিন্ধি জাঁপ মাৰি সাগৰত পৰিল । ৮ আনবিলাক শিষ্যে
মাছে সৈতে জাল টানি টানি সৰু নাৱেৰে তীৰলৈ আহিল, কিয়নো সিবি-

লাক বামৰ পৰা দুশ হাত মানতকৈ অধিক আঁতৰ হোৱা নাই । ৯ পাছে
সিবিলাকে বাম উঠিলত, তাতে আঙ্গঠাৰ জুই আৰু তাৰ ওপৰত মাছ আৰু
পিঠা দেখিলে । ১০ য়ীশুএ সিবিলাকত কলে, এতিয়া যিবোৰ মাছ ধৰি-
লা, তাৰো কেতেটি আনাগৈ । ১১ তাতে চিমোন পিতৰে উলটি গৈ এশ
দুকুৰি তেৰেটা বৰ মাছেৰে ভৰি থকা জাল টানি বামলৈ তুলিলে; এতেক
মাছ লাগিলতো জাল নিছিগিল । ১২ তেতিয়া য়ীশুএ সিবিলাকত কলে,
তোমোলাকে আহি ভোজন কৰা । তাতে তেৱেঁই প্ৰভু, ইয়াকে জানি, তুমি
কোন বুলি সুধিবলৈ শিষ্যবিলাকৰ কাৰো সাহ নহল । ১৩ পাছে য়ীশু
আহি পিঠা আৰু মাছো লৈ সিবিলাকক বাৰ্হি দিলে । ১৪ মৃত্যুৰ পৰা
উঠাৰ পাছে য়ীশুএ শিষ্যবিলাকক তৃতীয় বাৰ দৰ্শন দিয়া এই ।
১৫ এই দৰে খাই এঁটালত য়ীশুএ পিতৰত সুধিলে, হে য়োনাৰ পুতেক
চিমোন, তুমি ইবিলাকতকৈ মোত অধিক প্ৰীতি কৰিছা নে? তেওঁ কলে,
হয় প্ৰভু, আপোনাত প্ৰীতি কৰিছোঁ, তাক আপুনি জানে । তেতিয়া য়ীশুএ
কলে, তেন্তে মোৰ মেৰ পোৱালিটিইতক প্ৰতিপাল কৰা । ১৬ পাছে দ্বিতীয়
বাৰ সুধিলে, হে য়োনাৰ পুতেক চিমোন, তুমি মোত প্ৰীতি কৰিছা নে?
তাতে তেওঁ কলে, হয় প্ৰভু, আপোনাত প্ৰীতি কৰিছোঁ, তাক আপুনি জানে ।
তেতিয়া য়ীশুএ কলে, তেন্তে মোৰ মেৰবিলাকক প্ৰতিপাল কৰা । ১৭ পাছে
তৃতীয় বাৰ সুধিলে, হে য়োনাৰ পুতেক চিমোন, তুমি মোত প্ৰীতি কৰিছা
নে? তেতিয়া তুমি মোত প্ৰীতি কৰিছা নে, তেওঁ এই কথা তিনি বাৰ
সোধাৰ নিমিত্তে পিতৰে অশন্তোষ কৰি কলে, হে প্ৰভু, আপুনি সকলকো
জানে; মই তোমাত প্ৰীতি কৰিছোঁ, আপুনি জানি আছে। তাতে য়ীশুএ কলে,
তেন্তে মোৰ মেৰবিলাকক প্ৰতিপাল কৰা । ১৮ মই তোমাত অতি স্বৰূপকৈ
কওঁ, তোমাৰ ডেকা কালত আপুনি কঁকালত কাপৰ বান্ধি যলৈকে ইচ্ছা
তলৈকে গৈছিলা; কিন্তু ইয়াৰ পাছে বুৰা হলত হাত মেলিবা, আৰু আন
মানুহে তোমাৰ কঁকালত কাপৰ বান্ধি, তোমাৰ যলৈ যাবৰ ইচ্ছা নাই,
তালৈকে তোমাক লৈ যাব । ১৯ তেওঁ যি ৰূপ মৰণেৰে ঈশ্বৰৰ মহিমা
প্ৰকাশ কৰিব, তাকে বুঝাবৰ নিমিত্তে এই কথা কলে । ইয়াকে বুলিলত
য়ীশুএ তেওঁত কলে, মোৰ পাচত আঁহা । ২০ তেতিয়া পিতৰে মুখ ঘুৰালত
যি জনে ৰাতিৰ ভোজত য়ীশুৰ বুকত আউজি, হে প্ৰভু, আপোনাক লোকৰ
হাতত কোনে সোধাই দিব, এই কথা সুধিছিলে, য়ীশুৰ সেই প্ৰিয় শিষ্যক
পাচত আহিবৰ দেখি, ২১ য়ীশত সুধিলে, হে প্ৰভু, এই মানুহৰ নো কি
গতি হব? ২২ তাতে য়ীশুএ কলে, মই আকও নাহোঁ মানলৈকে তেওঁ
যেন জীয়াই থাকে, এই ইচ্ছা যদি কৰোঁ, তাত তোমাৰ কি কাম? তুমি
মোৰ পাচত আঁহা । ২৩ তাতে সেই শিষ্য নমৰিব, এই কথা ভাইবিলাকৰ
মাঝত কোৱাকুই কৰিলে; কিন্তু সি নমৰে, ইয়াকে য়ীশুএ তেওঁত কোৱা

নাই; মই আকও নাহোঁ৷ মানলৈকে তেওঁ যেন জীয়াই থাকে, এই ইচ্ছা
যদি কৰোঁ, তাত তোমাৰ কি কাম? অকল ইয়াকহে কলে।
২৪ যি জনে এইবিলাক কথাত প্ৰমাণ দিছে, আৰু এই সকলোকে লিখি-
ছে, এয়েই সেই শিষ্য; আৰু তাৰ প্ৰমাণ স্বৰূপ, ইয়াক আমি জানোঁ।
২৫ ইয়াত বাঝেও য়ীশুএ আৰু অনেক অনেক কৰ্ম্ম কৰিলে। সেই সকলোকে
এটা এটাকৈ লিখা হলে, যেতেকবোৰ পুথী হয়, তেতেকবোৰ প্ৰিথিবীতো
নধৰে, মই ইয়াক বুঝিছোঁ। [আমেন।]

# পাঁচনিবিলাকে কৰা কৰম ।

## ১ অধ্যায় ।

হে থিয়ফিল, য়ীশুএ আপোনাৰ মনোনীত পাঁচনি-
বিলাকক পবিত্ৰ আত্মাৰে আজ্ঞা দি-
য়াৰ পাছে, যি দিনা তেওঁক ওপৰলৈ নিয়া হৈছিল, ২ সেই দিনলৈকে
যি যি কৰম কৰিলে, আৰু যি উপদেশ দিলে, সেই সকলো কথাৰ পুথী
আগেয়ে লিখিলোঁ । ৩ তেওঁৰ মৃত্যু ভোগৰ পাছে, সেই পাঁচনিবিলাকৰ
আগত অনেক স্বৰূপ প্ৰমাণ দি, আপুনি জীয়াই থকা দেখুৱাই, দুকুৰি
দিনলৈকে সিবিলাকক দৰ্শন দি, ঈশ্বৰৰ ৰাজ্যৰ কথা কলে । ৪ সিবিলাকে
সৈতে একে লগ হৈ তেওঁ এই আজ্ঞা দিলে, বোলে, তোমোলাকে য়িৰু-
ছালম এৰি নেযাবা, কিন্তু পিতৃৰ যি অঙ্গীকাৰ মোৰ মুখৰ পৰা শুনিলা,
তালৈকে বাট চাই থাকা । ৫ পানীতহে য়োহানে বুৰ দিয়ালে, কিন্তু অলপ
দিনৰ পাছত তোমোলাকক পবিত্ৰ আত্মাত বুৰ দিওৱা হব । ৬ পাছে
সিবিলাকে গোট খোৱা হলত তেওঁত সুধিলে, হে প্ৰভু, আপুনি এতিয়া
পুনৰ্ব্বাৰ ইস্ৰাএল লোকৰ হাতত ৰাজ্য দিব নে? ৭ তাতে তেও কলে,
যি কাল যি সময় পিতৃএ আপোনাৰ অধীনকৈ ৰাখিছে, সেইবিলাক জা-
নিবলৈ তোমোলাকে নোপোৱা । ৮ কিন্তু তোমোলাকৰ ওপৰত পবিত্ৰ
আত্মা অহাৰ পাছত তোমোলাকে মাহাত্মা পাবা । আৰু য়িৰুছালমকে আদি
কৰি সকলো য়িহুদা, আৰু চোমিৰোণ দেশত, আৰু পৃথিবীৰ সীমালৈকে
তোমোলাক মোৰ সাক্ষী হবা । ৯ এই কথা কলত সিবিলাকে দেখাতে
তেওঁক ওপৰলৈ নিয়া হল, আৰু সিবিলাকৰ চকুৰ আগৰে পৰা মেঘে
ললে । ১০ তেওঁ ওপৰলৈ যোৱাত সিবিলাকে আকাশলৈ একে ঠৰে চাই
থাকোঁতেই, দেখা, বগা কাপৰ পিন্ধা দুজন লোক সিবিলাকৰ ওচৰতে থিয়
হৈ সিবিলাকত কলে, ১১ হে গালীল দেশৰ মানুহ, তোমোলাকে কিয় আ-
কাশলৈ চাই থিয় হৈ আছা? এই যি য়ীশুক তোমোলাকৰ ওচৰৰ পৰা
স্বৰ্গলৈ নিয়া হল, তোমোলাকে যেনেকৈ তেও স্বৰ্গলৈ যোৱা দেখিলা, সেই
ৰূপে আকও আহিব ।

১২ পাছে সিবিলাকে জল্‌ফাই নামে পৰ্ব্বতৰ পৰা বিশ্ৰাম দিনত যোৱা

বাট মান দূৰৈ যি য়িৰুছালম নগৰ, তালৈ উভতি আহিল । ১৩ পাছে সি-
বিলাকে নগৰ সোমাই, পিতৰ, য়াকোব, য়োহান, আন্দ্ৰিয়া, ফিলিপ, থোমা,
বাৰ্থলমাই, মাথি, হলফইৰ পুতেক য়াকোব, চিমোন জিলোত, আৰু য়াকো-
বৰ ভায়েক য়িহুদা, এই সকল যি ঠাইত থাকিছিল, সেই ওপৰৰ খোটলি-
লৈ গল । ১৪ সিবিলাক আৰু তিৰোতাবোৰ, য়ীশুৰ মাক মাৰিয়াম, আৰু
তেওঁৰ ভায়েকবিলাক,এই সকলো একে মন হৈ মিনতি প্ৰাৰ্থনা কৰি থাকিল ।
১৫ সেই কালত তাতে থকা শিষ্যৰ নাম মুঠে এশ একুৰি মান হোৱাত,
সিবিলাকৰ মাজত পিতৰে উঠি কলে, ১৬ হে ভাই সকল, য়ীশুক ধৰাবোৰক
বাট দেখুউৱা যি য়িহুদা, তাৰ অৰ্থে পবিত্ৰ আত্মাই দাবিদৰ মুখে যি
কথা আগেএ কোৱাইছিল, সেই কথা সম্পূৰ্ণ হব লগা আছিল । ১৭ সেই
মানুহ আমাৰ মাজত লেখা হৈ, এই সেৱাৰ ভাগ পালে । ১৮ সি দুষ্কৰমৰ
বেচৰ ধনেৰে মাটী এডোখৰ কিনিলে, পাছে তললৈ মুকৈ পৰি তাৰ পেট
ফাটি নাৰী ভুঁৰু সকলো ওলাল । ১৯ এই কথা য়িৰুছালমত থকা আটাই
মানুহে জানিলে, আৰু আপোন ভাষাতে সেই মাটীৰ নাম হাকল্‌দামা,
অৰ্থাত তেজৰ মাটী বোলে । ২০ আৰু গীতৰ পুথিত লিখা আছে, তাৰ
থকা ঠাই নিৰ্জ্জন হওক, তাত কোনো মানুহ নেথাকোক; আৰু আন
মানুহে তাৰ বিষয় লওক । ২১ এই নিমিত্তে য়োহানে বুৰ দিওৱাৰে পৰা
যি দিনা আমাৰ পৰা প্ৰভু য়ীশুক স্বৰ্গলৈ নিয়া হৈছিল, তেতিয়ালৈকে যেতে
দিন তেওঁ আমাৰ মাজত অহা যোৱা কৰিলে, তেতে দিন যি যি মানুহ
আমাৰ লগত আছিল, ২২ সেই মানুহৰ মাজৰ এজনক আমাৰে সৈতে
তেওঁৰ উঠানৰ সাক্ষী হবলৈ নিযোজন কৰিব লগা উচিত । ২৩ তেতিয়া
জুস্ত নামেৰে খ্যাতি হোৱা যি জনক বাৰ্চ্ছাবাও বোলে, সেই য়োচেফ
আৰু মাথিয়া, এই দুজনক আতৰাই থৈ প্ৰাৰ্থনা কৰি কলে, ২৪ হে সকলোৰে
অন্তৰ্যামী প্ৰভু, য়িহুদাই আপোনাৰ ঠাইলৈ যাবলৈ দোষ কৰি, এই যি
সেৱা আৰু পাচনিৰ বাবৰ পৰা গুছিল, ২৫ সেই বাবৰ ভাগ পাবলৈ এই
দুজনৰ মাজৰ তুমি কোন জনক মনোনীত কৰিছা, তাক আমাক দেখাই
দিয়া । ২৬ পাছে সিবিলাকে গুটি বুঝুয়া বুঝি কৰাত, মাথিয়াৰ নামত
গুটি পৰিল; তাতে তেওঁক আঘেৰে জন পাঁচনিৰ মাজত লেখা হল ।

## ২ অধ্যায় ।

পঞ্চাশ দিনৰ মুৰৰ পৰ্ব্ব পূৰ হলত, সিবিলাক সকলো একে মনেৰে এঠা-
ইত গোট খাই আছিল । ২ সেই কালত অতিশয় বেগে যোৱা বৰ বতা-
হৰ নিচিনা এটা শবদ আকাশৰ পৰা অকস্মিতে আহি, যি ঘৰত সিবি-
লাক বহি আছিল, সেই গোটেই ঘৰ জুৰিলে । ৩ তেতিয়া সিবিলাকৰ

আগত জুইৰ নিচিনা জিবা ওলাই বেলেগ বেলেগ হৈ প্ৰতি জনৰ ওপৰত
ৰৈ থাকিল । ৪ তাতে সিবিলাক সকলো পবিত্ৰ আত্মাৰে পূৰ হৈ, আত্মাই
কবলৈ দিয়াৰ দৰে আন আন ভাষাৰে কথা কবলৈ ধৰিলে । ৫ সেই কা-
লত আকাশৰ তলত থকা সকলো দেশৰ পৰা অহা ধৰমী য়িহুদি লোক-
বিলাক য়িৰুছালমত প্ৰবাস কৰি আছিল । ৬ সেই কথা কোৱাকুই কৰি-
লত, সমূহ লোকে গোট খাই, প্ৰতি জনে আপোন আপোন ভাষাৰে সিবি-
লাকক কথা কবৰ শুনি বিচূৰ্ত্তি হল; ৭ আৰু সকলোএ আশ্চৰিত বিস্ময়
মানি, ইটে সিটে কলে, দেখা, যিবিলাকে কথা কৈছে, এই সকলোবোৰ
গালীলৰ মানুহ নহয় নে? ৮ তেনে হলে আমি প্ৰতি জনে আপোন আ-
পোন জন্ম দেশৰ ভাষাৰে ইবিলাকৰ কথা শুনিছোঁ, এই নো কেনেকুয়া?
৯ পাৰ্থিয়া, মাদিয়া, এলাম, মেচপতামিয়া, য়িহুদা, কাপদকিয়া, পন্ত,
আচিয়া, ১০ ফিৰুগিয়া, পামফুলিয়া, মিচৰ, এই সকলো দেশৰ মানুহ,
আৰু কুৰীণীৰ ওচৰৰ লুবিয়াৰ সীমাত থকাবিলাক, ৰোম নগৰৰ পৰা
অহা য়িহুদিবিলাক, আৰু য়িহুদি ধৰম লোৱা বিদেশী লোক, ১১ ক্ৰীতী
আৰু আৰব দেশৰ মানুহ যি আমি, আমাৰ আপোন আপোন মাতেৰে
ইবিলাকে ঈশ্বৰৰ মহত কৰমৰ কথা কবৰ শুনি আছোঁ । ১২ এই ৰূপে
সকলোএ বিস্ময় মানি, সংশয় মনেৰে আক তাক বুলিলে, ইয়াৰ কি অৰ্থ?
১৩ আন আন কোনোএ বিগতি কৰি কলে, এইবোৰ মানুহ ন লতা পনি-
য়ালৰ ৰসেৰে মতলিয়া হৈছে ।

১৪ তেতিয়া পিতৰে আঘেৰে জনে সৈতে থিয় হৈ ৰৰকৈ মাত লগাই
সিবিলাকত কলে, হে য়িহুদিবিলাক, হে য়িৰুছালমত থকা মানুহ সকল,
তোমোলাকে মোৰ কথা শুনি ইয়াক বুঝা । ১৫ তোমোলাকে যেনে ভা-
বিছা, ইবিলাক তেনে মতলিয়া নহয়, কিয়নো এতিয়া এপৰ বেলি মাথোন
হৈছে । ১৬ কিন্তু য়োএল ভবিষ্যত বক্তাই যি কথা কৈছিল, তাক ইয়াৰ
অৰ্থে কলে, বোলে, ঈশ্বৰে কৈছে, শেষৰ দিনা সকলো মানুহৰ ওপৰত
মোৰ আত্মা বাকি দিম । ১৭ তাতে তোমোলাকৰ পোঁৱা জিঁয়াবিলাকে
ভবিষ্যত বাক্য কব, তোমোলাকৰ ডেকা মানুহে দৰ্শন পাব, তোমোলাকৰ
বুৰা লোকে সপোন দেখিব । ১৮ আৰু সেই কালত মই আপোনাৰ বন্দী
বেটীৰ ওপৰত মোৰ আত্মা বাকিম, তাতে সিবিলাকে ভবিষ্যত কথা কব ।
১৯ আৰু ওপৰৰ আকাশত আশ্চৰিত কৰম, তলৰ পৃথিবীতো তেজ, জুই,
আৰু ধূঁয়াৰে মেঘ, এনেবিলাক চিন দেখুৱাম । ২০ আৰু প্ৰভুৰ বৰ আৰু
ভয়ঙ্কৰ দিন নৌ হওঁতেই সূৰ্য্য এন্ধাৰ, চন্দ্ৰ তেজ হৈ যাব । ২১ কিন্তু যি
কোনোএ প্ৰভুৰ নামত প্ৰাৰ্থনা কৰে, সি পৰিত্ৰাণ পাব । ২২ হে ইস্ৰাএলৰ
মানুহবিলাক, এই কথা শুনা; নাচৰীয়া য়ীশু যে ঈশ্বৰৰ মনোনীত জন
হয়, ইয়াৰ প্ৰমাণে ঈশ্বৰে তেওঁৰ হতুয়াই আশ্চৰিত আৰু অদ্ভুত কৰম

আৰু চিন তোমোলাকৰ আগত দেখালে, ইয়াকে তোমোলাকেও জানি আছা।
২৩ সেই য়ীশুক ঈশ্বৰৰ নিশ্চয় আলচ আৰু পূৰ্ব্বৰ জ্ঞানেৰে দিয়া হলত,
তোমোলাকে ধৰি দুষ্টৰ হাতৰ দ্বাৰাই পেৰেঙ্গণিত তুলি মাৰিলা। ২৪ কিন্তু
ঈশ্বৰে তেওঁক মৃত্যুৰ যাতনাৰ পৰা মুকুত কৰি জীয়ালে, কিয়নো তেওঁ
মৃত্যুৰ বন্ধনত থকা অসাধ্য। ২৫ তেওঁৰ অৰ্থে দাৱিদে কৈছিলে, বোলে,
মই সদাই প্ৰভুক আপোনাৰ মুখৰ আগত ৰাখোঁ; মই নৰলিবলৈ মোৰ
সোঁ ফালে তেওঁ থাকে; ২৬ এই হেতুকে মোৰ মন আনন্দিত হৈছে, মোৰ
জিবাই ৰঙ্গ কৰিছে, আৰু মোৰ শৰীলো আশা কৰি থব; ২৭ কিয়নো
তুমি পৰলোকত মোৰ আত্মাক নেৰিবা, আৰু আপোনাৰ ধৰমী জনক ক্ষয়
হবলৈ নিদিবা; ২৮ তুমি মোক জীৱনৰ পথ দেখাবা, আৰু আপোনাৰ
সন্মুখে যি আনন্দ, তাৰে মোক পূৰ কৰিবা। ২৯ হে ভাইবিলাক, উপৰি
পুৰুষ দাৱিদৰ কথা মোক প্ৰকাশ ৰূপে কবলৈ দিয়া। প্ৰাণ এৰিলত তেওঁক
মৈদামত থোৱা হল, সেই মৈদাম এতিয়ালৈকে আমাৰ ইয়াত আছে।
৩০ কিন্তু তেওঁৰ বঙ্গহৰ পৰা খ্ৰীষ্টক [মানুহৰ ভাৱেৰে জন্ম দিয়াই] তেওঁৰ
সিংহাসনত তুলি বহুৱাবলৈ প্ৰভুএ শপত কৰি তেওঁৰ আগত অঙ্গীকাৰ
কৰিছিল, ইয়াকে দাৱিদ ভবিষ্যত বক্তা হৈ জানিলে। ৩১ ইয়াক আগেএ
বুঝি, তেওঁৰ আত্মাক পৰলোকত নেৰিব, আৰু তেওঁৰ শৰীল ক্ষয় নহব,
তেওঁ খ্ৰীষ্টৰ উঠানৰ অৰ্থে এই কথা কলে। ৩২ সেই য়ীশুকে ঈশ্বৰে মৈদামৰ
পৰা তুলিলে, তাৰ সাক্ষী আমি সকলো আছোঁ। ৩৩ তেওঁ ঈশ্বৰৰ সোঁ
হাতে ঐশ্বৰ্য্য পোৱা হৈ, পবিত্ৰ আত্মাৰ অৰ্থে পিতৃএ যি অঙ্গীকাৰ কৰিলে
তাক পাই, তোমোলাকে যিহকে দেখি শুনি আছা, তাকে তেওঁ বাকি
দিলে। ৩৪ দাৱিদ হলে স্বৰ্গত উঠা নাই, কিন্তু তেওঁ আপুনি এই কথা কলে,
প্ৰভুএ মোৰ প্ৰভুক বুলিলে, ৩৫ যেতিয়ালৈকে তোমাৰ শত্ৰুবিলাকক তোমাৰ
ভৰিৰ পিৰা নকৰোঁ, তেতিয়ালৈকে মোৰ সোঁ ফালে থাকা। ৩৬ এই হেতুকে
যি য়ীশুকে তোমোলাকে পেৰেঙ্গণিত তুলি মাৰিলা, তেওঁক ঈশ্বৰে প্ৰভু
আৰু খ্ৰীষ্ট পাতিলে, ইস্ৰাএলৰ সকলো মানুহে ইয়াক নিশ্চয় কৰি জানোক।
৩৭ এই কথা শুনি সিবিলাকৰ হৃদয় বিন্ধাত, পিতৰ আৰু আন পাঁচনি-
বিলাকত কলে, হে ভাই সকল, আমি কি কৰিম? ৩৮ তাতে পিতৰে সিবি-
লাকত কলে, তোমোলাকে গাই পতি আপোন আপোন মন পালটোৱা,
আৰু পাপ খেমিবৰ কাৰণে য়ীশু খ্ৰীষ্টৰ নামেৰে বুৰ দিওৱা হোৱা, তেহে
তোমোলাকে পবিত্ৰ আত্মা দান পাবা। ৩৯ কিয়নো তোমোলাকলৈ আৰু
তোমোলাকৰ সন্তানলৈ আৰু দূৰৈত থকা যি যি মানুহক আমাৰ প্ৰভু পৰম
ঈশ্বৰে নিমন্ত্ৰণ কৰিব, সেইবিলাকলৈকো এই অঙ্গীকাৰ আছে। ৪০ ইয়াত
বাঝেও তেওঁ ভালেমান কথাৰে সৈতে প্ৰমাণ আৰু উপদেশ দি কলে, এই
অপথে যোৱা মানুহবোৰৰ পৰা তোমোলাকে আপোনাক ৰক্ষা কৰা।

৪১ তাতে যি যি মানুহে আনন্দ মনেৰে এই কথা গ্ৰহণ কৰিলে, সিবি-
লাকক বুৰ দিওৱা হল। সেই দিনাই তিনি হেজাৰ মান মানুহ সিবিলাকৰ
লগ লৈ, ৪২ পাঁচনিবিলাকৰ উপদেশত, ইটৰ সিটৰ প্ৰীতিতে, আৰু পিঠা
ভঙ্গাত, প্ৰাৰ্থনা কৰাতে মন থিৰ কৰি থাকিল। ৪৩ আৰু পাঁচনিবিলাকে
অনেক অনেক আশ্চৰিত কৰম আৰু চিন দেখুৱালত, সকলো মানুহৰ ভয়
লাগিল। ৪৪ আৰু বিশ্বাস কৰাবিলাকে একে লগে থাকি, আপোনাৰ
সম্পত্তি সমানে ৰাখি ভোগ কৰিলে। ৪৫ আৰু আপোনাৰ ঘৰ বাৰী বস্তু
বেচি, যাক যেনেকৈ লাগিল, সেই দৰে আটাই মানুহক বাটি দিলে।
৪৬ তাতে সকলোএ একে মন হৈ নিতৌ নিতৌ মন্দিৰলৈ গৈ থাকিল, আৰু
ঘৰে ঘৰে পিঠা ভাঙ্গি, ঈশ্বৰক স্তুতি কৰি, সকলৰো আদৰ পাই আনন্দ
আৰু একে চিত্তেৰে খোৱা বোৱা কৰিলে। ৪৭ আৰু প্ৰভুএ দিনে দিনে
উদ্ধাৰ পোৱা মানুহবিলাকক মণ্ডলীত লগ লগাই থলে।

---

## ৩ অধ্যায়।

তাৰ পাছে পিতৰ আৰু য়োহানে তিনিপৰীয়া প্ৰাৰ্থনা কৰিবৰ বেলিত
একে লগে মন্দিৰলৈ গল। ২ তাতে মন্দিৰত সোমোৱাবিলাকত মাগি-
বৰ নিমিত্তে যি জনক মন্দিৰৰ সুন্দৰ নামেৰে দুৱাৰ মুখত নিতৌ থয়নি,
এনে ওপজাৰে খোৰা মানুহ এটাক সেই কালত বৈ আনিলে। ৩ সেই
মানুহে পিতৰ আৰু য়োহানক মন্দিৰত সোমাবলৈ ধৰা দেখি, সিবিলাকত
ভিক্ষা মাগিলে। ৪ তেতিয়া পিতৰে য়োহানে সৈতে তালৈ একে ঠৰে চাই
বুলিলে, আমালৈ চোৱা। ৫ তাতে সি কিছু পাবৰ আশা কৰি সিবিলাকলৈ
চাই থাকিল। ৬ তেতিয়া পিতৰে কলে, মোৰ লগত ৰূপ সোণ একো নাই,
কিন্তু যি আছে তাকে তোমাক দিওঁ; নাচৰীয়া য়ীশু খ্ৰীষ্টৰ নামেৰে উঠি
ফুৰা। ৭ এনেতে তেওঁ তাৰ সোঁ হাতত ধৰি তাক তুলিলত, তেতিয়াই তাৰ
ভৰিএ গাঁঠিএ সৈতে বল পালে। ৮ তাতে সি লাফ মাৰি থিয় হৈ খোজ
কাৰ্হি ফুৰিলে, আৰু বাট বুলি ডেও মাৰি মাৰি ঈশ্বৰক স্তুতি কৰি, সিবি-
লাকে সৈতে মন্দিৰত সোমালগৈ। ৯ সকলো মানুহে তাক খোজ কাৰ্হিবৰ
আৰু ঈশ্বৰক স্তুতি কৰিবৰ দেখি, ১০ যিটোএ মন্দিৰৰ সুন্দৰ দুৱাৰত
বহি মাগিছিলে, সি এই জন বুলি জানি, তাৰ যি ঘটিল, তাতে বৰ বিচুৰ্ত্তি
বিস্ময় মানিলে।

১১ সেই স্বস্থ হোৱা খোৰায়ে পিতৰ আৰু য়োহানক ধৰি থকাত সকলো
লোকে বিস্ময় মানি, যাক চিলোমোনৰ পিৰালি বোলে, তালৈকে সিবি-
লাকৰ ওচৰলৈ লৰি আহিল। ১২ তাকে দেখি পিতৰে মানুহবিলাকক
বুলিলে, হে ইস্ৰাএলৰ লোকবিলাক, তোমোলাকে কিয় ইয়াত বিস্ময় মানিছা?

আৰু আমি আপোনাৰ শক্তিএৰে বা ধৰ্ম্মেৰে এই খোৰা মানুহক খোজ
কৰ্ষালোঁ, ইয়াক ভাবি আমালৈ কিয় একে ঠৰে চাই আছাইক? ১৩ নি
য়ীশুক তোমোলাকে লোকৰ হাতত সোধাই দিছিলা, আৰু পিলাতে মেলিব
খুজিলতো তেওঁৰ আগত আসৈ কৰিলা, আব্ৰাহাম, ইচাক, আৰু য়াকোবৰ
ঈশ্বৰ, আমাৰ ওপৰ পিতৃবিলাকৰ ঈশ্বৰে আপোনাৰ সেই পুত্ৰ য়ীশুৰ
মহিমা প্ৰকাশ কৰিলে । ১৪ কিন্তু তোমোলাকে সেই পবিত্ৰ আৰু ধৰমী
জনক আসৈ কৰি, বধ কৰা এটাকহে তোমোলাকক যেন দিব, এনে ইচ্ছা
কৰিলে। ১৫ আৰু সেই জীৱনৰ অধিকাৰকে বধ কৰিলাইক; কিন্তু ঈশ্বৰে
মৈদামৰ পৰা তেওঁক তুলিলে, তাৰ সাক্ষী আমি আছোঁ। ১৬ এই যি মানুহক
তোমোলাকে দেখি চিনি আছা, সি তেওঁক বিশ্বাস কৰি তেওঁৰ নামেৰে
এই শক্তি পালে; তেওঁত তাৰ যি বিশ্বাস, সেয়েহে,তোমোলাক আটাইৰে
আগত সম্পূৰ্ণ ৰূপে তাক স্বস্থ কৰিলে । ১৭ হে !ভাই সকল, তোমোলাক
আৰু তোমোলাকৰ অধিকাৰবিলাকে নুবুঝিএই সেই কৰম কৰিলা, মই
ইয়াক জানিছোঁ। ১৮ কিন্তু খ্ৰীষ্টে দুঃখ ভোগ কৰিব ইয়াকে বুলি, ভবিষ্যত
বক্তা সকলৰ মুখে ঈশ্বৰে যি কথা আগেএ কোৱাইছিল, তেওঁ এই ৰূপে
তাক সিদ্ধি কৰিলে । ১৯ এই হেতুকে তোমোলাকৰ পাপ গুছিবৰ নিমিত্তে
খেদ কৰি মন পালটোৱা, তাতে ঈশ্বৰৰ পৰা সান্তনা পাবৰ কাল হব;
২০ আৰু আগৰে পৰা তোমোলাকৰ নিমিত্তে নিযোজন কৰা যি য়ীশু খ্ৰীষ্ট,
তেওঁক পঠাই দিব । ২১ কিন্তু জগত হোৱাৰে পৰা ঈশ্বৰে আপোনাৰ
ধৰমী ভবিষ্যত বক্তা সকলৰ মুখে যেনেকৈ কৈছিলে, তেনেকৈ সকলো কথা
সিদ্ধি হবৰ কাললৈকে তেওঁক স্বৰ্গে গ্ৰহণ কৰিব লগিয়া আছে । ২২ তো-
মোলাকৰ প্ৰভু পৰম ঈশ্বৰে তোমোলাকৰ ভাইবিলাকৰ মাঝত মোৰ নিচিনা
এজন ভবিষ্যত বক্তা জন্মাব, তেওঁ তোমোলাকত যি যি কথা কব, সেই
সকলো কথা তোমোলাকে শুনিবা; ২৩ আৰু যি কোনো প্ৰাণীএ সেই ভবিষ্যত
বক্তাৰ কথা নুশুনে, তাক আপোন লোকৰ মাঝৰ পৰা উচ্ছন্ন কৰা হব,
এই কথা মোচাই ওপৰ পিতৃবিলাকত কৈছিলে । ২৪ আৰু তাত বাঝেও
চিমূএল আদি কৰি তাৰ পাছে যি যি ভবিষ্যত বক্তাই ভবিষ্যত বাক্য
কৈছিল, সেই সকলোএ এই কালৰ কথা কৈ গৈছে । ২৫ তোমোলাকো
সেই ভবিষ্যত বক্তাবিলাকৰ সন্তান, আৰু তোমাৰ বঙ্গহৰ দ্বাৰাই পৃথি-
বীৰ সকলো দেশৰ মানুহে আশীৰ্ব্বাদ পাব, আব্ৰাহামক এই কথা বুলি
ঈশ্বৰে আমাৰ ওপৰ পিতৃবিলাকে সৈতে যি নিয়ম কৰিলে, তোমোলাক
সেই নিয়মৰ ভাগী হৈছা। ২৬ ঈশ্বৰে আপোনাৰ পুত্ৰ য়ীশুক তুলি, তোমোলা-
কৰ প্ৰতি জনক আপোনাৰ পাপৰ পৰা ওভোতাই আশীৰ্ব্বাদ দিবলৈ
প্ৰথমতে তোমোলাকৰ ওচৰলৈ তেওঁক পঠালে ।

## ৪ অধ্যায় ।

যি সময়ত পিতৰ আৰু য়োহানে মানুহবোৰত কথা কৈছিলে, সেই সময়ত
সিবিলাকৰ উপদেশ দিয়া আৰু য়ীশুৰ দ্বাৰাই মৰাবিলাক উঠিবৰ কথা
শিকোৱা দেখি, ২ পোৰোহিতবিলাক, মন্দিৰৰ সেনাপতি আৰু চিদুকি-
বোৰে অসন্তোষ পাই, সিবিলাকৰ ওচৰলৈ আহি হাতেৰে ধৰিলে? । ৩ তে-
তিয়া সন্ধ্যা হোৱাত পাছ দিনলৈকে বন্দী কৰি ৰাখিলে । ৪ তথাপি সিবি-
লাকৰ কথা শুনা অনেক অনেক মানুহে বিশ্বাস কৰিলে; সেই মানুহ লে-
খত পাঁচ হেজাৰ মান হৈছিল । ৫ পাছ দিনা সিবিলাকৰ অধিকাৰবোৰ,
বৃদ্ধ লোক, অধ্যাপক, ৬ আৰু হানান নামেৰে বৰ পোৰোহিত, কায়ফা,
য়োহান, চিকন্দৰ, আৰু বৰ পোৰোহিতৰ জ্ঞাতি সকলোএ গোট খাই,
৭ সিবিলাকক মাঝত থিয় কৰি থৈ সুধিলে, তোমোলাকে কি শক্তিএৰে
বা কি নামেৰে এই কৰ্ম কৰিছা? ৮ তেতিয়া পিতৰে পবিত্ৰ আত্মাৰে
পৰিপূৰ্ণ হৈ উত্তৰ কৰিলে, হে মানুহবিলাকৰ অধিকাৰ সকল, হে ইস্ৰাএলৰ
বৃদ্ধ লোক, ৯ এই নিৰ্ব্বলী মানুহক যি ভাল কৰ্ম কৰা গৈছে, সি কেনেকৈ
ভাল হল, তাকে যদি আমাত আজি সুধিছা, ১০ তেন্তে তোমোলাক সক-
লোএ ইস্ৰাএলৰ আটাই মানুহবিলাকে সৈতে ইয়াক জানাইঁক; যি নাচৰীয়া
য়ীশু খ্ৰীষ্টক তোমোলাকে পেৰেঙ্গনিত তুলি মাৰিলা, আৰু যি জনক ঈশ্বৰে
মৈদামৰ পৰা তুলিলে, তেওঁৰ নামেৰে এই মানুহ স্বস্থ হৈ তোমোলাকৰ
আগতে থিয় হৈ আছে । ১১ তোমোলাক শিলাকুঁটিবোৰে যি শিল অৱ-
হেলা কৰিলা, সি চুকৰ প্ৰধান শিল হল, সেয়ে এই । ১২ তেওঁত বাহিৰে
আন কাৰো পৰা পৰিত্ৰাণ নহয়, কিয়নো স্বৰ্গৰ তলত মানুহৰ মাঝত যাৰে
আমি উদ্ধাৰ পাম, এনে আন কোনো নাম দিয়া নাই ।
১৩ তেতিয়া পিতৰ আৰু য়োহানৰ এনে সাহ দেখি, আৰু সিবিলাকক
অপণ্ডিত সামান্য মানুহ যেন বুঝি বিস্ময় মানিলে, আৰু সিবিলাক য়ীশুৰ
লগত আছিল বুলি জানিলে । ১৪ আৰু সেই স্বস্থ কৰা মানুহক সিবিলা-
কৰ মাঝতে থিয় হৈ থাকিবৰ দেখি, সিবিলাকে একো বিৰোদ্ধ কথা কব
নোৱাৰিলে । ১৫ পাছে সিবিলাকক মেলৰ পৰা আঁতৰ হৈ যাবলৈ আজ্ঞা
কৰিলত, আপোনাৰ মাঝত ইটে সিটে আলচ কৰি বুলিলে, ১৬ সেই
মানুহবোৰক আমি কি কৰিম? সিবিলাকে এটা প্ৰখ্যাত আশ্চৰিত কৰ্ম
কৰিলে, তাকে য়িৰুছালমত থকা সকলোএ নিশ্চয়কৈ জানে, আৰু আ-
মিও তাক আসৈ কৰিব নোৱাৰোঁ । ১৭ কিন্তু মানুহৰ মাঝত এয়ে যেন
ব্যাপী নেযাই, এই নিমিত্তে সিবিলাকক ভয় লগাই, সেই নামেৰে কোনো
মানুহত কথা নকবলৈ শকত আজ্ঞা দিওঁ । ১৮ তেতিয়া সিবিলাকক মাতি
আনি, য়ীশুৰ নামেৰে পাছলৈ কোনো ৰূপে কথা কবলৈ, উপদেশ দিবলৈ-

কো হাঁক দিলে । ১৯ তাতে পিতৰে আৰু য়োহানে উত্তৰ কৰিলে, ঈশ্বৰৰ
আজ্ঞাতকৈ তোমালোকৰ আজ্ঞা বৰকৈ মানিবলৈ ঈশ্বৰৰ আগত উচিত হয়
নে নহয়, ইয়াকে তোমোলোকে বুঝি চোৱা । ২০ কিয়নো আমি সিহকে
দেখিছোঁ শুনিছোঁ, তাকে নকৈ থাকিব নোৱাৰোঁ । ২১ আৰু যি কৰা হল,
তাকে দেখি, সকলো লোকে ঈশ্বৰক স্তুতি কৰিলে; সেই নিমিত্তে মানুহ-
বিলাকৰ কাৰণে সিবিলাকক শাস্তি কৰিবলৈ, একো উপায় নোপোৱাত,
আৰুও ভয় দেখাই এৰি দিলে । ২২ যি মানুহক এই স্বস্থ কৰা আশ্চৰিত
কৰম কৰিলে, সেই মানুহৰ বয়স দুকুৰিতকৈ অধিক হৈছিল ।

২৩ সিবিলাকক পাঁচি দিলত, আপোনাৰ লগৰ শিষ্যৰ ওচৰলৈ গৈ,
প্ৰধান পোৰোহিতবিলাক আৰু বৃদ্ধ লোকে সিবিলাকত যি যি কথা কৈ-
ছিল, সেই আটাইকে কলেগৈ । ২৪ তাকে শুনি সকলোএ একে মন হৈ
ঈশ্বৰলৈ মাত তুলি এই প্ৰাৰ্থনা কৰিলে, হে প্ৰভু, স্বৰ্গ, পৃথিবী, সাগৰ,
আৰু এইবিলাকৰ মাঝত যি যি আছে, সেই সকলোকে সৃজন কৰা ঈশ্বৰ
তুমি । ২৫ তুমি আপোনাৰ সেৱক দাউদৰ মুখে এই কথা কোৱাইছিলা,
বিদেশী লোকে কিয় খঙ্গ ৰাগ কৰে, মানুহবোৰে কিয় অনৰ্থক কথা ভাবে?
২৬ প্ৰভু আৰু তেওঁৰ খ্ৰীষ্টৰ অহিতে পৃথিবীৰ ৰজাবিলাক উঠে, অধি-
কাৰবিলাকে গোট খাই কিয়? ২৭ তোমাৰ হাতেৰে আৰু আলচেৰে যি
যি আগেএ থিৰ কৰা গৈছিল, ২৮ স্বৰূপেই তাক সিদ্ধি কৰিবৰ নিমিত্তে,
যি জনক তুমি অভিষেক কৰিলা, তোমাৰ সেই পবিত্ৰ পুত্ৰ য়ীশুৰ বিৰোদ্ধে
এই নগৰত হেৰোদে আৰু পন্তিয় পিলাতে বিদেশী লোক আৰু ইস্ৰাএলৰ
মানুহবিলাকে সৈতে মেল কৰা হল । ২৯ হে প্ৰভু, এতিয়া সিবিলাকৰ ডাবি
শুনা, আৰু স্বস্থ কৰিবলৈ আপোনাৰ বাহু বল দেখাই, তোমাৰ সেৱকবিলা-
কক ভয় নোহোৱাকৈ তোমাৰ কথা কবলৈ, ৩০ আৰু তোমাৰ পবিত্ৰ পুত্ৰ
য়ীশুৰ নামেৰে চিন আৰু বিস্ময় কৰম কৰিবলৈকো দিয়া । ৩১ এনেকৈ
প্ৰাৰ্থনা কৰিলত যি ঠাইত সিবিলাকে গোট খাই আছিল, সেই ঠাই কঁপি-
বলৈ ধৰিলে, আৰু সকলোএ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ ঈশ্বৰৰ কথা
সাহেৰে কলে ।

৩২ আৰু বিশ্বাস কৰা মানুহ সকলো একে চিত্ত একে মন হৈ থাকিল ।
সিবিলাকৰ কোনেও আপোনাৰ ধন বস্তু আমাৰ বুলি নকলে, কিন্তু সিবি-
লাকৰ আটাই বস্তু সকলোএ সমানে ৰাখিলে । ৩৩ আৰু পাঁচনিবিলাকে
বৰ মহাত্মাৰে প্ৰভু য়ীশুৰ উঠানৰ প্ৰমাণ দিলে, আৰু সকলোৰে ওপৰত
বৰ অনুগ্ৰহ হল । ৩৪ আৰু সিবিলাকৰ মাঝত কোনো দুখীয়া নহল, কি-
য়নো যিযিবিলাক ঘৰৰ বা মাটীৰ গৰাকী আছিলে, সিবিলাকে তাক বেচি
ধন আনি পাঁচনিবিলাকৰ চৰণত থলেহি; ৩৫ পাছে যাক যেনেকৈ লাগিল,
সকলোকে তেনেকৈ বাটি দিলে । ৩৬ আৰু লেবি বঙ্গহৰ য়োচি নামেৰে

যাক পাঁচনিবিলাকে বর্ণাবা অর্থাত সান্তনাৰ পুতেক বুলি মাতে, কুপ্র উপদ্বীপৰ
এনে এজন মাটীৰ গৰাকী আছিল। ৩৭ তেওঁ সেই মাটী বেচি ধন আনি
পাঁচনিবিলাকৰ চৰণত থলে।

## ৫ অধ্যায়।

তেতিয়া হনানিয়া নামেৰে এক মানুহে আপোনাৰ তিৰোতা চাফীৰাই সৈতে
এডোখৰ মাটী বেচি, ২ তিৰোতাও জনাকৈ তাৰ ধন এভাগ লুকাই ৰাখি,
এভাগ আনি পাঁচনিবিলাকৰ চৰণত দিলেহি। ৩ তাতে পিতৰে কলে, হে
হনানিয়া, মাটীৰ ধন কেতখনি লুকাই ৰাখি, পবিত্র আত্মাৰ আগত মিছা
কথা কবলৈ ছয়তানে কিয় তোমাৰ মন পূৰ কৰিছে? ৪ সেই মাটী যেতিয়া
তোমাৰ হাতত আছিল, তেতিয়া তোমাৰ সুকীয়া নাছিল নে? আৰু বেচাৰ
পাছত তাৰ ধনৰ গৰাকী তুমি নোহোৱা নে? তেন্তে তোমাৰ মনত এনে
কুকথা কিয় ভাবিছা? তুমি মানুহৰ আগতে মিছা কথা কলা, এনে নহয়,
ঈশ্বৰৰ আগতো কলা। ৫ এই কথা শুনি হনানিয়াই মাটীত পৰি প্রাণ এৰি-
লে। আৰু যি যি মানুহে এইবোৰ কথা শুনিলে, সেই সকলোৰে বৰ ভয়
লাগিল। ৬ পাছে ডেকা মানুহবোৰে উঠি, তাক কাপৰেৰে মেৰাই বাহিৰ-
লৈ লৈ গৈ, মৈদাম কৰি পুতিলে। ৭ এপৰ মান বেলিৰ পাছত, কি হৈ-
ছিলে তাক নেজানি, তাৰ তিৰোতাও সেই ঠাইলৈ সোমাল। ৮ তাতে পি-
তৰে তাইত সুধিলে, তোমোলাকে ইমান ৰূপতে মাটী বেচিলা নে, তাক মোত
কোৱা। তেতিয়া তাই কলে, এইমান ৰূপতে বেচা হয়। ৯ তাতে পিতৰে
তাইক বুলিলে, প্রভুৰ আত্মাক পৰীক্ষা কৰিবলৈ তোমোলাকে কেনেকৈ
আলচ কৰি আছা? দেখা, যিবিলাকে তোমাৰ স্বামীক মৈদামত থৈ আহি-
ছে, সিবিলাকৰ ভৰিএ দুৱাৰৰ ওচৰহে পাইছেহি, তোমাকো বাহিৰলৈ লৈ
যাব। ১০ তেতিয়াই তেওঁৰ চৰণত পৰি তাই প্রাণ এৰিলে। পাছে ডে-
কাবোৰে ভিতৰলৈ আহি, তাইকো মৰা দেখি বাহিৰলৈ নি তাইৰ পৈএ-
কৰ কোষৰতে মৈদাম কৰি পুতিলে। ১১ তাতে মণ্ডলীৰ লোক, আৰু যি-
বিলাকে এই কথা শুনিলে, সেই সকলোৰে বৰ ভয় লাগিল।

১২ পাছে পাঁচনিবিলাকৰ হতুয়াই মানুহৰ মাঝত অনেক চিন আৰু
আশ্চৰিত কৰম কৰা গল। তেতিয়া শিষ্য সকলোএ একে মন হৈ চিলো-
মোনৰ পিৰালিত একে লগে আছিল। ১৩ সিবিলাকৰ মাঝত সোমাবলৈ
আন মানুহৰ কাৰো সাহ নহল, কিন্তু সকলো লোকে সিবিলাকক আদৰ
কৰিলে। ১৪ তাতে মুনিহ তিৰোতা অনেক অনেক মানুহে বিশ্বাস কৰি,
প্রভুত শৰণ লৈ লগ ললে। ১৫ আৰু পিতৰৰ অহা যোৱাত কোনো ৰূপে
তেওঁৰ ছাঁ সিবিলাকৰ কোনোটৰ গাত পৰিব, এই আশয়েৰে মানুহবিলাকে

নৰিয়াবোৰক দোলাতে খাটতে তুলি বাটে বাটে থলেনি। ১৬ আৰু চা-
ৰিও ফালে থকা নগৰৰ পৰা বহু মানুহে নৰিয়াবোৰ আৰু অশুচি ভূতে
ধৰাবোৰকো লগত লৈ য়িৰুছালমলৈ আহিলত, সেই সকলোকে সুস্থ কৰা
হল।

১৭ পাছে বৰ পোৰোহিত আৰু তেওঁৰ লগৰ চিদুকিৰ পথৰ মানুহ সক-
লো বৰ খঙ্গেৰে উঠি, ১৮ পাঁচনিবিলাকক ধৰি সামান্য লোকৰ বন্দীশা-
লত থলে। ১৯ কিন্তু ৰাতি হলত প্ৰভুৰ দূতে বন্দীশালৰ দুৱাৰ মেলি সি-
বিলাকক বাহিৰলৈ আনি কলে, ২০ তোমোলাকে গৈ মন্দিৰত থিয় হৈ,
এই পৰম আয়ুষৰ সকলো কথা মানুহবিলাকৰ আগত কোৱাগৈ। ২১ ইয়া-
কে শুনি সিবিলাকে ৰাতি পুয়াতে মন্দিৰত সোমাই উপদেশ দি আছিল।
তেতিয়া বৰ পোৰোহিতে লগৰ মানুহে সৈতে আহি, মেলুৱাইবিলাকক আৰু
ইস্ৰাএল বঙ্গহৰ সকলো বৃদ্ধ লোকক মাতি আনি, বন্দীশালৰ পৰা সিবি-
লাকক আনিবলৈ পঠালে। ২২ তাতে টেকেলা গৈ বন্দীশালত সিবিলাকক
নেপাই, উভতি আহি বাৰ্ত্তা দিলে, ২৩ বোলে, আমি বন্দীশালৰ দুৱাৰ একো
বিঘিনি নোহোৱাকৈ বন্ধা, আৰু ৰখীয়াবিলাককো দুৱাৰ মুখত থিয় হৈ
থকা স্বৰূপে দেখিলোঁ, কিন্তু দুৱাৰ মেলি ভিতৰত কাকো নেপালোঁ। ২৪ এই
কথা শুনি বৰ পোৰোহিত আৰু মন্দিৰৰ সেনাপতি আৰু প্ৰধান পোৰো-
হিতবিলাকে ইয়াৰ পৰা বা আৰু কি হয়, ইয়াকে ভাবি সংশয় কৰোঁতেই,
২৫ আন এজনে আহি এই বাৰ্ত্তা কলে, দেখা, তোমোলাকে যিবোৰ মানু-
হক বন্দীশালত থৈছিলা, সেইবিলাকে মন্দিৰত থিয় হৈ লোকবিলাকক উপ-
দেশ দিছে। ২৬ তেতিয়া মন্দিৰৰ সেনাপতিএ টেকেলাবোৰক লগত লৈ
তালৈ গৈ, মানুহবিলাকে কি জানি আমাক শিল পেলাই মাৰে, এই ভয়েৰে
সিবিলাকক জোঁটা পুটি নকৰাকৈ আনিলে। ২৭ পাছে মেলৰ আগত সি-
বিলাকক আনি থলত, বৰ পোৰোহিতে সিবিলাকত সুধিলে, ২৮ এই না-
মেৰে উপদেশ নিদিবলৈ আমি তোমোলাকক শকত আজ্ঞা নিদিছিলোঁ?
তেও দেখা, তোমোলাকৰ সেই উপদেশেৰে য়িৰুছালম পূৰ কৰি, সেই মা-
নুহৰ তেজ উলিওৱাৰ দোষ আমাৰ ওপৰত দিবলৈহে মন কৰিছাহঁক।
২৯ তাতে পিতৰ আৰু আন পাচনিবিলাকে উত্তৰ কৰিলে, মানুহতকৈ
আমি ঈশ্বৰৰ আজ্ঞা মনা উচিত। ৩০ যি য়ীশূক তোমোলাকে কাঠত বান্ধি
মাৰিলা, তেওঁক আমাৰ ওপৰ পিতৃবিলাকৰ ঈশ্বৰে তুলি, ৩১ ইস্ৰাএলৰ
বঙ্গহবিলাকৰ মন পালটোৱাবলৈ আৰু পাপ ক্ষমা কৰিবলৈ ৰজা আৰু
ত্ৰাণ কৰ্ত্তা পাতি, আপোনাৰ সোঁ হাতে তেওঁৰ ঐশ্বৰ্য্য কৰালে। ৩২ তেওঁৰ
নিমিত্তে এই কথাৰ আমি সাক্ষী আছোঁ, আৰু ঈশ্বৰৰ আজ্ঞা মনাবিলাকক
যি পবিত্ৰ আত্মা দিছে, তেৱেঁা সাক্ষী হৈছে।

৩৩ এই কথা শুনি সিহঁতৰ হৃদয় বিদৰা হলত, সিবিলাকক বধ কৰিবলৈ

আলচ কৰিলে । ৩৪ তেতিয়া সকলো মানুহৰ মাজত যশস্যা পোৱা গমি-
লিএল নামেৰে বিধানৰ অধ্যাপক এজন ফিৰুচিএ মেলুৱাইৰ মাজত উঠি,
পাঁচনিবিলাকক এখন্তক মান আঁতৰ হবলৈ আজ্ঞা দি কলে, ৩৫ হে ইস্রা-
এল লোকবিলাক, তোমোলাকে এই মানুহক যি কৰিবলৈ মন কৰিছা, তাতে
সাৱধান হোৱা । ৩৬ কিয়নো ইয়াৰ আগেএ থুদা নামেৰে এজন ওলাই,
আপোনাক কোনো বৰ এজন বোলাত, চাৰি শ মান মানুহে তাৰ মতত
চলি লগ লৈছিল; পাছে সি মৰিলত তাৰ আজ্ঞা মনা সকলোবোৰ গোট
গোট হৈ অকৰ্ম্মা হল । ৩৭ সেই মানুহৰ পাছে পিয়ল কৰা কালত গালী-
লৰ য়িহুদা নামেৰে এজন ওলাই, ভালেমান মানুহক আপোনাৰ ফাললৈ
ভুলাই নিলে; সিও নষ্ট হলত যিবোৰে তাৰ কথা মানিছিল, সেই আটাই-
বোৰ ঠাই ঠাই হৈ গল । ৩৮ এতিয়াও তোমোলাকত কৈছোঁ, এই মানুহবি-
লাকক একো নকৰি সহন কৰি থাকা; কিয়নো এই আলচ আৰু কৰম
যদি মানুহৰ পৰা হয়, তেন্তে বিফল হৈ যাব; ৩৯ কিন্তু যদি ঈশ্বৰৰ পৰা
হয়, তেন্তে তোমোলাকে তাক ওভোতাব নোৱাৰিবা, আৰু তোমোলাকে
জানোঁ ঈশ্বৰলৈয়ো বিৰোদ্ধ কৰা হোৱা । ৪০ তাতে সিবিলাকে তেওঁৰ আ-
লচ লৈ, পাঁচনিবিলাকক মাতি আনি কোবাই, য়ীশুৰ নামেৰে কোনো কথা
কবলৈ হাক দি সিবিলাকক পঠাই দিলে । ৪১ কিন্তু তেওঁৰ নিমিত্তে লাজ
পাবৰ যোগ্য বুলি সিবিলাকক লেখা হোৱাত আনন্দ হৈ, মেলুৱাইবিলাকৰ
আগৰ পৰা গুচি গল । ৪২ পাছে নিতৌ নিতৌ মন্দিৰত আৰু সকলো
ঘৰত সিবিলাকে উপদেশ দিবলৈ আৰু য়ীশু খ্রীষ্টৰ কথা কীৰ্ত্তন কৰিবলৈ
নেৰিলে ।

## ৬ অধ্যায় ।

সেই কালত শিষ্যবোৰ সৰহ হলত, দিনে দিনে দান দিয়াত বিদেশী য়িহু-
দিবিলাকৰ বাঁৰীক হেলা কৰাৰ কাৰণে ইব্রী লোকেৰে সৈতে সিবিলাকৰ
বিবাদ লাগিল । ২ তেতিয়া বাৰে জন পাঁচনিএ সকলো শিষ্যক মাতি
আনি কলে, ঈশ্বৰৰ কথা এৰি ভোজনৰ কৰ্ম্ম কৰা আমাৰ উচিত নহয় ।
৩ এই কাৰণে, হে ভাই সকল, আমি যিবিলাকক এই কৰ্ম্মৰ ভাৰ দিব
পাৰোঁ, এনে সুখ্যাতি আৰু পবিত্র আত্মাৰে জ্ঞানেৰে পূৰ হোৱা সাত
জনক তোমোলাকৰ মাজৰ পৰা বাচি লোৱা; ৪ কিন্তু আমি প্রাৰ্থনা আৰু
কথা কীৰ্ত্তনত লাগি থাকিম ।
৫ এই কথাতে সকলো মানুহবিলাক সন্তোষ হৈ, বিশ্বাসেৰে আৰু পবিত্র
আত্মাৰে পূৰ হোৱা এনে স্তিফান নামেৰে এজন, আৰু ফিলিপ, প্রখৰ,
নিকানৰ, তিমোন, পাৰ্ম্মেনা, আৰু য়িহুদি ধৰ্ম্ম লোৱা আন্তিয়খিয়াৰ নি-

কলা, ৬ এই সাত জনক মনোনীত কৰি পাঁচনিবিলাকৰ আগলৈ আনি-
লত, প্ৰাৰ্থনা কৰি সিবিলাকৰ ওপৰত হাত দিলে । ৭ পাছে ঈশ্বৰৰ কথা
ব্যাপী গল, আৰু য়িৰুছালমত শিষ্যবিলাকৰ লেখ বৰকৈ বাঢ়িল । পোৰো-
হিতবিলাকৰ মাজতো অনেক লোকে খ্ৰীষ্টৰ ধৰ্ম্মত শৰণ ললে ।
৮ স্তিফান অনুগ্ৰহ আৰু মহিমাৰে পূৰ হৈ, মানুহৰ মাজত বৰ অদ্ভুত
আৰু আশ্চৰিত কৰম কৰিলে । ৯ তাতে লিবৰ্ত্তীন নামেৰে নাম ঘৰৰ
জন চাৰেক, কুৰীণীয়া আৰু চিকন্দৰীয়া মানুহ, কিলিকি আৰু আচিয়া দে-
শৰ কেতবিলাক, সিহঁতে উঠি স্তিফানে সৈতে বাদ বিচাৰ কৰিলে । ১০ কিন্তু
তেওঁ জ্ঞান আৰু পবিত্ৰ আত্মাৰে যি কথা কলে, তাক সিবিলাকে ঘটাব
নোৱাৰিলে । ১১ পাছে কেতবোৰ মানুহক লোভ দেখুয়ালত, সিহঁতে এই
কথা কলে, আমি এওঁক মোচাৰ আৰু ঈশ্বৰৰ অহিতে নিন্দা কথা কবৰ
শুনিলোঁ । ১২ পাছে মানুহবিলাক, বৃদ্ধ লোক, আৰু অধ্যাপকবোৰক
উচটাই স্তিফানৰ ওচৰলৈ আহি তেওঁক ধৰি প্ৰধান মেললৈ আনিলে ।
১৩ পাছে কেতবোৰ মিছা সাক্ষী অনাত, সিহঁতে কলে, এই মানুহে পবিত্ৰ
থান আৰু বিধানৰ অহিতে নিন্দা কথা কবলৈ নেৰে । ১৪ কিয়নো নাচ-
ৰীয়া য়ীশুএ এই থান নষ্ট কৰিব, আৰু মোচাই দিয়া আমাৰ ৰীতিও সলনি
কৰিব, তাৰ এনে কথা শুনিলোঁ । ১৫ তেতিয়া মেলত বহা সকলো মানুহে
তেওঁলৈ একে ঠৰে চাই, তেওঁৰ মুখ স্বৰ্গৰ দূতৰ নিচিনা দেখিলে ।

## ৭ অধ্যায় ।

তেতিয়া বৰ পোৰোহিতে সুধিলে, এই কথা হয় নে? ২ তাতে স্তিফানে
কলে, হে ভাইবিলাক, হে পিতৃ সকল, মন দি শুনা । আমাৰ উপৰি
পুৰুষ আব্ৰাহামে হাৰাণ নগৰত থকাৰ আগেএ, যি কালত মেচপতামিয়া
দেশত আছিলে, সেই কালত জোতির্ম্ময় ঈশ্বৰে দেখা দি তেওঁত কলে, ৩ তুমি
আপোন দেশ আপোন পৰীয়ালক এৰি, যি দেশ মই তোমাক দেখুৱাম,
সেই দেশলৈ যোৱা । ৪ তাতে তেওঁ কাচদি দেশ এৰি হাৰাণত থাকিল ।
পাছে তেওঁৰ পিতৃ মৰিলত তাৰ পৰা গৈ, তোমোলাক এতিয়া থকা দেশলৈ
আহিল । ৫ কিন্তু ঈশ্বৰে তেওঁক মাটীৰ অধিকাৰ হবলৈ তাত এভৰি মানো
নিদিলে, আৰু সেই কালত তেওঁৰ লৰা নাইকিছিল, তথাপি তোমাক আৰু
তোমাৰ পাছৰ সন্তানবিলাকক এই দেশৰ অধিকাৰ হবলৈ দিম বুলি, ঈশ্বৰে
অঙ্গীকাৰ কৰিলে । ৬ আৰু ঈশ্বৰে আকও এই ৰূপে তেওঁত কলে, তো-
মাৰ সন্তানবিলাক লোকৰ দেশত থাকিব, আৰু সেই দেশৰ মানুহে চাৰি
শ বছৰলৈকে সিবিলাকক বন্দী কৰি ৰাখি, কুচিত অৱস্থা কৰিব । ৭ আৰু
ঈশ্বৰে ইয়াকে কলে, যি দেশৰ মানুহবোৰে সিবিলাকক বন্দী কৰি ৰাখিব,

সেই দেশৰ মানুহক মই দণ্ড কৰিম, তাৰ পাছে সিবিলাক বাঝলৈ আহি
এই ঠাইতে মোক সেৱা কৰিব। ৮ পাছে ঈশ্বৰে তেওঁক চৰ্ম্মছেদনৰ নিয়ম
দিলে। এই কাৰণে তেওঁ ইচাকক ওপজালত, আঠ দিনৰ দিনা তাৰ চৰ্ম্ম-
ছেদন কৰিলে। সেই ইচাকে য়াকোবক জন্মালে, আৰু য়াকোবে আমাৰ
উপৰি পুৰুষ বাৰে জনক জন্মালে। ৯ পাছে সেই উপৰি পুৰুষবিলাকে
অসূয়া মনেৰে মিচৰ দেশলৈ য়োচেফক বেচিলে, কিন্তু ঈশ্বৰে তেওঁৰ সহায়
হৈ, ১০ সকলো দুঃখৰ পৰা উদ্ধাৰ কৰি তেওঁক বুদ্ধি দি, মিচৰ দেশৰ
ৰজা ফাৰৌৰ অনুগ্ৰহ পোৱা কৰিলে। তাতে ৰজাই তেওঁক মিচৰ আৰু
আপোনাৰ সকলো ঘৰৰ অধিকাৰ পাতিলে। ১১ তেতিয়া গোটেই মিচৰ
আৰু কিনান দেশত আঁকাল আৰু বৰ দুঃখ হোৱাত, আমাৰ ওপৰ পিতৃ-
বিলাকে জীবিকা নেপালে। ১২ কিন্তু মিচৰ দেশত ধান চাউল আছে
বুলি, য়াকোবে বাৰ্ত্তা পাই, প্ৰথমতে আমাৰ পিতৃবিলাকক তালৈকে পঠা-
লে। ১৩ পাছৰ বাৰ যোৱাত য়োচেফ আপোনাৰ ভাই ককাইবিলাকে
সৈতে চিনাকি হল, আৰু য়োচেফৰ পৰীয়ালক ফাৰৌৰ আগত চিনোৱা
গল। ১৪ পাছে য়োচেফে পঠাই আপোনাৰ পিতৃ য়াকোবক আৰু তিনি
কুৰি পোন্ধৰে জন পৰীয়াল সকলোকে তেওঁৰ ওচৰলৈ মাতিলে। ১৫ তাতে
য়াকোবে মিচৰ দেশলৈ গৈ, আপুনি আৰু আমাৰ পিতৃবিলাক সেই ঠাইতে
মৰিল। ১৬ পাছে সিবিলাকক চিখেমলৈ নিয়া হলত, যি মৈদাম আব্ৰা-
হামে ধন দি (কিনিলে, আৰু যি মাটি) চিখেমৰ বাপেক হমোৰৰ পুতেকহঁতৰ
পৰা কিণা হৈছিল, তাৰ মাঝত সিবিলাকক শুয়াই থলে। ১৭ পাছে আব্ৰা-
হামৰ আগত ঈশ্বৰে শপত কৰি যি অঙ্গীকাৰ কৰিছিল, সেই অঙ্গীকাৰ
পূৰ হবৰ কাল ওচৰ হলত, ইস্ৰাএল মানুহবিলাক মিচৰ দেশত বাৰ্হি বাৰ্হি
বিস্তৰ হল। ১৮ শেষে য়োচেফক নিচিনা এজন ৰজা ওলাই, আমাৰ জ্ঞাতি-
বোৰক কুমন্ত্ৰণা কৰিলে, ১৯ আৰু আমাৰ ওপৰ পিতৃবিলাকক আপো-
নাৰ নকৈ ওপজা লৰা নিজীবলৈ বাহিৰত পেলাই যেন থয়, এই নিমিত্তে
সিবিলাকক অতি দুঃখ দিলে। ২০ সেই কালত মোচা উপজি অতি সুন্দৰ
হৈ, আপোনাৰ বাপেকৰ ঘৰত তিনি মাহলৈকে প্ৰতিপাল কৰা হৈছিল।
২১ পাছে বাহিৰলৈ পেলাই থলত, ফাৰৌৰ জিএকে তেওঁক তুলি লৈ
তোলনিয়া পো বুলি প্ৰতিপাল কৰিলে। ২২ তাতে মোচা মিচৰীয়াবিলাকৰ
সকলো বিদ্যাত পাৰ্গত হৈ কথাতো কৰ্ম্মতো নিপুন হল। ২৩ পাছে দুকুৰি
বছৰ পূৰ হলত, আপোন ভাই ইস্ৰাএলৰ সন্ততিবিলাকক চাবলৈ মন কৰিলে।
২৪ তাতে সিবিলাকৰ এটাক অন্যাইকৈ দুঃখ দিয়া দেখি, দুঃখ পোৱাটৰ
ফলীয়া হৈ তাৰ উপকাৰ কৰি মিচৰীয়াটক মাৰিলে। ২৫ তেওঁৰ হতুৱাই
ঈশ্বৰে সিবিলাকক উদ্ধাৰ কৰিব, তেওঁৰ ভাইবিলাকে ইয়াকে বুঝিব বুলি
ভাবিলে, কিন্তু সিবিলাকে নুবুঝিলে। ২৬ তাৰ পাছ দিনা সিবিলাকৰ

দুটাৰ দন্দ লাগিলত, তেওঁ ওচৰলৈ গৈ, সিবিলাকক মিলাবলৈ মন কৰি
কলে, হে মানুহবিলাক, তোমোলাক ভাই ককাই হৈ, ইটে সিটে কিয় অন্যাই
কৰা? ২৭ তাতে যিটোএ আপোনাৰ চুবুৰিয়াক অন্যাই কৰিছিল, সি
তেওঁক আঁতৰ কৰি কলে, আমাৰ ওপৰত অধিকাৰ আৰু সোধাৰু
তোমাক কোনে পাতিলে? ২৮ কালি যেনেকৈ মিচৰীয়াটক মাৰিলা, তে-
নেকৈ মোকো মাৰিবা নে? ২৯ তেতিয়া মোচাই এই কথা শুনি পলাই গৈ,
মিদিয়ান দেশত আলহি হৈ থাকিল; সেই ঠাইতে তেওঁ দুই পুতেকক
জন্মালে। ৩০ পাছে দুকুৰি বছৰ গলত চিনই পৰ্ব্বতৰ ওচৰৰ হাবিত জ্বলি
থকা এটা ঝোপাৰ জুইৰ মাঝত থাকি ঈশ্বৰৰ দূতে তেওঁক দেখা দিলে।
৩১ মোচাই দেখি সেই দৰ্শনত বিস্ময় মানি, চাবৰ নিমিত্তে ওচৰলৈ গল।
৩২ সেই সময়ত, মই তোমাৰ পিতৃবিলাকৰ ঈশ্বৰ, আব্ৰাহামৰ ঈশ্বৰ, ইচাকৰ
ঈশ্বৰ, য়াকোবৰ ঈশ্বৰ, তেওঁলৈ প্ৰভুৰ এনে আকাশী বাণী হলত মোচাই
কঁপিব ধৰি আৰু চাবলৈ সাহ নহল। ৩৩ পাছে প্ৰভুএ তেওঁত কলে,
তোমাৰ ভৰিৰ পৰা পইজাৰ গুচুৱা, কিয়নো যি ঠাইত তুমি থিয় হৈ আছা,
সেয়ে পবিত্ৰ ভূমি। ৩৪ মিচৰ দেশত থকা মোৰ মানুহবোৰৰ দুঃখ মই
নিশ্চয়কৈ দেখিলোঁ, আৰু সিহঁতৰ খেদ কথা শুনি সিহঁতক উদ্ধাৰ কৰিবলৈ
নামি আহিলোঁ। এতিয়া আঁহা, মিচৰ দেশলৈ তোমাক পঠাওঁ। ৩৫ সিবি-
লাকে অৱহেলা কৰি, তোমাক অধিকাৰ আৰু সোধাৰু কোনে পাতিলে,
যি মোচাৰ আগত এই কথা কৈছিলে, তেওঁকে ঈশ্বৰে ঝোপাৰ মাঝৰ
পৰা দেখা দিয়া দূতৰ হতুৱাই অধিকাৰ আৰু উদ্ধাৰ কৰোঁতা পাতি পঠা-
লে। ৩৬ তাতে মিচৰ দেশ, চুফ সাগৰ, আৰু অৰণ্যৰ মাঝত দুকুৰি বছৰ-
লৈকে অদ্ভুত কৰম আৰু চিন দেখাই, সিবিলাকক বাহিৰলৈ আনিলে।
৩৭ আৰু প্ৰভু পৰম ঈশ্বৰে তোমোলাকৰ ভাইবিলাকৰ মাঝতে মোৰ নিচি-
না এজন ভবিষ্যত বক্তা তোমোলাকলৈ জন্মাব, তেওঁৰ কথাকে তোমোলাকে
মানিবা, যি জনে ইস্ৰাএলৰ সন্তানবিলাকত এই কথা কৈছিল, সেয়ে এই
মোচাই। ৩৮ যি জনে অৰণ্যৰ ভিতৰে মণ্ডলীৰ মাঝত থাকি চিনই পৰ্ব্ব-
তত আপোনালৈ কথা কোৱা দূতৰ আৰু আমাৰ ওপৰ পিতৃবিলাকৰ
লগত আছিল, আৰু আমাক দিবৰ নিমিত্তে জীৱন দিওঁতা ঈশ্বৰৰ বাক্য
পাইছিলে, তেৱেঁই এই। ৩৯ তেওঁক আমাৰ ওপৰ পিতৃবিলাকে মান নকৰি,
আপোনাৰ ওচৰৰ পৰা আঁতৰাই, মিচৰ দেশলৈ উভতি যাবলৈ মনত ইচ্ছা
কৰি হাৰোণত কলে, ৪০ আমাৰ আগত যাবৰ নিমিত্তে আমাক দেৱতা-
বোৰ সাজি দিয়া; কিয়নো এই যি মোচাই আমাক মিচৰ দেশৰ পৰা
বাহিৰ কৰি আনিলে, তেওঁৰ কি হল, তাক আমি নেজানোঁ। ৪১ তেতিয়া
সিবিলাকে এটা দামুৰিৰ মূৰ্ত্তি সাজি, সেই মূৰ্ত্তিৰ আগত পূজা বলি দি,
আপোনাৰ হাতেৰে কৰা বস্তুতে ৰঙ্গ কৰিব ধৰিলে। ৪২ তাতে ঈশ্বৰে

সিবিলাকলৈ বিমুখ হৈ, আকাশত থকা গ্ৰহ তৰাবিলাকক পূজা কৰিবলৈ
সিবিলাকক এৰি দিলে; সেই কথাৰ অৰ্থে ভবিষ্যত বক্তাৰ পুথিত এনে-
কৈ লিখা আছে, হেৰা ইস্ৰাএল বঙ্গহৰ মানুহ, তোমোলাকে দুকুৰি বছ-
ৰলৈকে অৰণ্যত থাকি, যিবোৰ বলি হোম কৰিলা, সেইবোৰ মোক দিছি-
লা নে? ৪৩ মোলোকৰ কাপৰৰ ঘৰ আৰু তোমোলাকৰ দেৱতা ৰেম্ফানৰ
তৰা, এইবোৰ মূৰ্ত্তিকহে তুলি নি পূজা কৰিলাহঁক; এই হেতুকে মই
তোমোলাকক বাবেলৰ ফাললৈ লৈ যাম। ৪৪ আৰু যি আৰ্হি দেখিলা, সেই
ৰূপে তাম্বু ঘৰ সজা, যি সাক্ষী হোৱা তাম্বুৰ অৰ্থে ঈশ্বৰে এই কথা মো-
চাত কৈছিলে, সেই ঘৰ আমাৰ ওপৰ পিতৃবিলাকৰ লগত অৰণ্যত আ-
ছিল। ৪৫ পাছে সিবিলাকৰ বঙ্গহত ওপজা আমাৰ উপৰি পুৰুষবিলাকে
য়িহোশূয়াই সৈতে তাক লৈ গৈ, যিবোৰক দায়ূদৰ দিনলৈকে আমাৰ
পিতৃবিলাকৰ আগৰ পৰা ঈশ্বৰে খেদাইছিলে, সেই বিদেশী লোকৰ
থকা ঠাইলৈ আনিলে। ৪৬ পাছে দায়ূদে প্ৰভুৰ অনুগ্ৰহ পাই, য়াকো-
বৰ ঈশ্বৰ থাকিবৰ নিমিত্তে ঠাই পাবলৈ ইচ্ছা কৰিলে; ৪৭ আৰু চিলো-
মোনে তেওঁলৈ এটা ঘৰ সাজিলে। ৪৮ কিন্তু সৰ্ব্বোপৰি যি জন, তেওঁ
হাতেৰে সজা মন্দিৰত থাকে, এনে নহয়; ইয়াৰ অৰ্থে ভবিষ্যত বক্তাই
বোলে, ৪৯ প্ৰভুএ কৈছে, স্বৰ্গ মোৰ সিংহাসন, আৰু পথিবী মোৰ
ভৰিৰ পিৰা; মোলৈ কি ঘৰ সাজিবা, মোৰ জিৰোৱা ঠায়েই বা কতা?
৫০ এই সকলোবোৰ মোৰ হাতে কৰা নহয় নে?

৫১ হেৰা আজ্ঞা নমনাবিলাক, চিত্তেৰে কাণেৰে চৰ্ম্মছেদন নোহোৱা লোক,
তোমোলাকে সদায় পবিত্ৰ আত্মাৰ বিৰোদ্ধ কৰা; তোমোলাকৰ উপৰি
পুৰুষবিলাক যেনে, তোমোলাকো তেনে। ৫২ তোমোলাকৰ উপৰি পুৰুষে
ভবিষ্যত বক্তাবিলাকৰ কাক নো তাৰণা নকৰি আছিল? যিবিলাকে ধৰ্ম্মৱন্ত
জন আহিবৰ কথা আগেএ কৈছিলে, সিবিলাকক মাৰিলে। সেই ধৰ্ম্মৱন্ত
জনকো তোমোলাকে এতিয়া লোকৰ হাতত দি বধ কৰিলা। ৫৩ আৰু স্বৰ্গৰ
দূতবিলাকৰ দ্বাৰাই বিধান পালতো, তাক তোমোলাকে পালন নকৰিলা।

৫৪ এই কথা শুনি সিহঁতে হৃদয়ত খেদ পাই তেওঁলৈ দাঁত কৰচিলে।
৫৫ কিন্তু তেওঁ পবিত্ৰ আত্মাৰে পূৰ হৈ, স্বৰ্গৰ ফাললৈ একে ঠৰে চাই,
ঈশ্বৰৰ জ্যোতিকে আৰু ঈশ্বৰৰ সোঁ ফালে থিয় হৈ থকা য়ীশুকে দেখি কলে,
৫৬ দেখা, স্বৰ্গৰ দুৱাৰ মুকলি হোৱা, আৰু মানুহৰ পুত্ৰক ঈশ্বৰৰ সোঁ ফালে
থিয় হৈ থকা দেখিছোঁ। ৫৭ তেতিয়া সিহঁতে ৰৰকৈ এটাহ পাৰি কাণত
সোপা দি, সকলোএ একে চিত্তে বেগাই গৈ তেওঁৰ ওপৰত পৰি ধৰিলে।
৫৮ পাছে নগৰৰ বাহিৰলৈ উলিয়াই তেওঁক শিল পেলাই মাৰিলে। সাক্ষী-
বোৰে চৌল নামেৰে এটা ডেকা মানুহৰ ভৰিৰ কোষত আপোনাৰ কাপৰ
থলে। ৫৯ আৰু স্তিফানক শিল পেলাই মাৰোঁতে তেওঁ প্ৰাৰ্থনা কৰি কলে,

হে প্ৰভু য়ীশু, মোৰ জীৱক গ্ৰহণ কৰা । ৬০ পাছে আঁঠু পাৰি ৰিঙ্গিয়াই
কলে, হে প্ৰভু, এই দোষৰ দণ্ড সিবিলাকলৈ নেলেখিবা । ইয়াকে বুলি
তেওঁ মৃত্যু হল । আৰু তেওঁক মৰাত চৌলৰো সন্মত আছিল ।

## ৮ অধ্যায় ।

আৰু সেই কালত য়িৰুছালমত থকা মণ্ডলীৰ অহিতে বৰ তাৰণা হোৱাত,
পাঁচনিবিলাকৰ বাহিৰে সকলো শিষ্য য়িহুদা আৰু চোমিৰোণ দেশৰ ঠায়ে
ঠায়ে গোট গোট হৈ গল । ২ ধৰমী লোকবিলাকে স্তিফানক মৈদামত নি
থৈ, তেওঁলৈ বহু ক্ৰন্দন কৰিলে । ৩ কিন্তু চৌলে ঘৰে ঘৰে ফুৰি মুনিহ
তিৰোতাক বলেৰে ধৰি আনি বন্দীশালত থৈ মণ্ডলীৰ উত্পাত কৰিলে ।
৪ কিন্তু যিবিলাক গোট গোট হল, সিবিলাকে সকলো ঠাইতে ফুৰি শুভ
বাৰ্ত্তা কীৰ্ত্তন কৰিলে । ৫ তেতিয়া ফিলিপে চোমিৰোণ নগৰলৈ গৈ খ্ৰীষ্টৰ
কথা কবলৈ ধৰিলে । ৬ তাতে তেওঁ যি আশ্চৰিত কৰ্ম্ম কৰিলে, সেই
কৰ্ম্ম দেখি শুনি, মানুহবিলাকে একে মন হৈ ফিলিপৰ কথা মানিলে ।
৭ কিয়নো অশুচি ভূতে পোৱা অনেক মানুহৰ পৰা ভূতবোৰ এটাহ পাৰি
ওলায় গল, আৰু বহু জঠৰ ৰুগীয়া আৰু খোৰাবিলাকক স্বস্থ কৰা হল ।
৮ তাতে সেই নগৰত বৰ আনন্দ পালে ।

৯ কিন্তু ইয়াৰ আগেএ সেই নগৰত চিমোন নামেৰে এটা মানুহে মায়া
কৰ্ম্ম কৰি আপোনাকে বৰ এজন বুলি চোমিৰোণৰ মানুহক মোহ লগাই-
ছিলে । ১০ এই মানুহত ঈশ্বৰৰ বৰ মহিমা আছে বুলি, বৰ সৰু আটাই
মানুহে তাক মান্য কৰিলে । ১১ সি ভালে দিনৰে পৰা মায়া কৰি সিবি-
লাকক মোহাৰ কাৰণে তাক মানিলে । ১২ কিন্তু ফিলিপে ঈশ্বৰৰ ৰাজ্য
আৰু য়ীশু খ্ৰীষ্টৰ নামৰ কথাবিলাক কীৰ্ত্তন কৰাত, সিবিলাকে বিশ্বাস
কৰিলত মুনিহকো তিৰোতাকো বুৰ দিওৱা হল । ১৩ তেতিয়া সেই চিমো-
নে আপুনিও বিশ্বাস কৰি বুৰ দিওৱা হলত ফিলিপৰ লগত থাকি. যি চিন
আৰু আশ্চৰিত কৰম কৰা গল, সেইবিলাক দেখি বিস্ময় মানিলে ।

১৪ এই ৰূপে চোমিৰোণৰ মানুহবিলাকে ঈশ্বৰৰ কথা গ্ৰহণ কৰিলে,
ইয়াকে শুনি য়িৰুছালমত থকা পাঁচনিবিলাকে পিতৰ আৰু য়োহানক সি-
বিলাকৰ তলৈ পঠিয়ালে । ১৫ সিবিলাকে তালৈ আহি সেই মানুহবিলাকে
যেন পবিত্ৰ আত্মা পাই, ইয়াকে প্ৰাৰ্থনা কৰিলে । ১৬ কিয়নো তেতিয়া-
লৈকে সিবিলাকৰ কাৰো ওপৰত পবিত্ৰ আত্মা নপৰিল, কিন্তু প্ৰভু য়ীশুৰ
নামতে সিবিলাকক বুৰ দিওৱা মাথোন হল । ১৭ পাঁচনিবিলাকে সিবিলা-
কৰ গাত হাত দিলতে পবিত্ৰ আত্মা পালে । ১৮ এই ৰূপে পাঁচনিএ হাত
দিয়াত মানুহে পবিত্ৰ আত্মা পাবৰ দেখি, চিমোনে সিবিলাকৰ আগত

ৰূপ আনি দি কলে, ১৯ মই যাৰ গাতে হাত দিঁও, সেয়ে যেন পবিত্ৰ
আত্মা পাই, এই মাহাত্মা মোক দিয়া। ২০ কিন্তু পিতৰে তাতে উত্তৰ কৰি-
লে, তোমাৰ লগতে তোমাৰ ৰূপ নষ্ট হওক; কিয়নো ৰূপেৰে ঈশ্বৰৰ দান
কিনিব পাৰে বুলি ভাবিলা। ২১ এই বিষয়ৰ তুমি ভাগ অংশী নোহোৱা,
কিয়নো ঈশ্বৰৰ আগত তোমাৰ চিত্ত শুদ্ধ নহয়। ২২ এই হেতুকে তোমাৰ
এই পাপৰ কাৰণে খেদ কৰি, কোনো মতে ঈশ্বৰে তোমাৰ মনৰ কুভাবনা
ক্ষমেই কি কিএ, এই নিমিত্তে তেওঁৰ আগত প্ৰাৰ্থনা কৰা। ২৩ কিয়নো
তুমি তিতা পিত্তত আৰু পাপৰ জৰীৰ বন্ধনত আছা, তাক মই বুঝিছো।
২৪ তেতিয়া চিমোনে সমিধান দি কলে, তোমোলাকে বোলা এই কোনো
কথা মোত যেন নঘটে, ইয়াকে তোমোলাকে মোৰ নিমিত্তে প্ৰভুৰ আগত
প্ৰাৰ্থনা কৰা। ২৫ এই ৰূপে সিবিলাকে প্ৰমাণ দি প্ৰভুৰ কথা কীৰ্ত্তণ কৰি,
চোমিৰোণিবিলাকৰ অনেক গাঁৱত শুভবাত্ৰা কৈ কৈ য়িৰুছালমলৈ উভতি
গল।

২৬ পাছে ঈশ্বৰৰ দূতে ফিলিপত কলে, তুমি উঠি দক্ষিণ ফাললৈ য়িৰু-
ছালমৰ পৰা হাবিএ দি যি বাটে গাজা নগৰলৈ যাই, সেই বাটে যোৱা।
২৭ তাতে তেওঁ উঠি গলত দেখা, কুচ দেশৰ কান্দাকি নামেৰে কুঁৱৰীৰ
সকলো বস্তুৰ ভঁৰালি, এনে কুচ দেশৰ বৰ বিষয়া যি এজন নপুংসক,
তেওঁ ভজনৰ নিমিত্তে য়িৰুছালমলৈ আহি, ২৮ পাছে উভতি গৈ ৰথত
বহি, য়িছয়া ভবিষ্যত বক্তাৰ পুথী পৰ্হিছিলে। ২৯ এনে সময়তে আত্মাই
ফিলিপত কলে, তুমি এই ৰথৰ কোষৰলৈ গৈ, তাৰে সৈতে মিল হোৱা।
৩০ তাতে ফিলিপে ওচৰলৈ লৰি গৈ, তেওঁ য়িছয়া ভবিষ্যত বক্তাৰ পুথী
পৰ্হা শুনি তেওঁত সুধিলে, তুমি যি পৰ্হিছা, তাৰ অৰ্থ পাইছা নে? ৩১ তেওঁ
বুলিলে, কোনো এজনে মোক বুঝাই নিদিলে, মই কেনেকৈ অৰ্থ পাম?
তাতে ফিলিপ ৰথত উঠি তেৰেঁ সৈতে বহিবলৈ তেওঁ নিবেদন কৰি কলে।
৩২ শাস্ত্ৰৰ যি ঠাইত পৰ্হিছিলে, তাতে এই কথা লিখা আছে, মাৰিবলৈ
অনা মেৰৰ নিচিনাকৈ তেওঁক আনিলে, আৰু নোম কটাটৰ আগত মেৰ
পোৱালি যেনেকৈ নিজম দি থাকে, তেনেকৈ তেওঁ নিস্তব্ধ দি থাকিল।
৩৩ তেওঁৰ দুঃখৰ কালত তেওঁৰ সোধ কাৰ্হি নিলে, আৰু তেওঁৰ বংশাৱলিৰ
কথা কোনে কব? কিয়নো পৃথিবীৰ পৰা তেওঁৰ প্ৰাণ গুছুয়া হল।
৩৪ এই কথা পৰ্হি নপুংসকে ফিলিপত সুধিলে, মিনতি কৰিছোঁ, ভবিষ্যত
বক্তাই এই যি কথা কৈছিলে, আপোনাৰ অৰ্থে কৈছে নে, লোকৰ অৰ্থে
কৈছে? । ৩৫ তাতে ফিলিপে মাত লগাই সেই শাস্ত্ৰকে আদি কৰি তেওঁৰ
আগত য়ীশুৰ কথা কীৰ্ত্তন কৰিলে। ৩৬ এই ৰূপে বাটত যাঁওতে যাঁওতে
এডোখৰ পানীৰ ওচৰ পাই নপুংসকে কলে, দেখা, ইয়াতে পানী আছে;
মোক বুৰ দিয়াবলৈ কি বাধা? ৩৭ [ফিলিপে বুলিলে, যদি সকলো মনেৰে

বিশ্বাস কৰিছা, তেন্তে বাধা নাই । তাতে তেওঁ সমিধান দি কলে, য়ীশু
খ্ৰীষ্ট যে ঈশ্বৰৰ পুত্ৰ, ইয়াক মই বিশ্বাস কৰিছোঁ ।] ³⁸ তেতিয়া তেওঁ
ৰথ ৰাখিবলৈ আজ্ঞা কৰিলত, ফিলিপ আৰু নপুংসক দুয়ো পানীত নামি,
ফিলিপে তেওঁক বুৰ দিয়ালে । ³⁹ পাছে পানীৰ মাজৰ পৰা উঠিলত,
ঈশ্বৰৰ আত্মাই ফিলিপক কাঢ়ি লৈ গল; তাতে নপুংসকে তেওঁক আৰু
দেখিবলৈ নেপালে, তথাপি আনন্দ মনেৰে আপোনাৰ বাটে দি গল ।
⁴⁰ কিন্তু ফিলিপ আচদোদ নগৰত ওলাই, তাৰ পৰা সকলো নগৰে দি
গৈ, শুভ বাত্ৰা কৈ কৈ ফুৰি কৈচৰীয়া পালেগৈ ।

## ৯ অধ্যায় ।

সেই কাললৈকে চৌলে প্ৰভুৰ শিষ্যবিলাকৰ অহিতে দ্ৰোহ আৰু বধৰ কথা
ফোঁপাই বৰ পোৰোহিতৰ আগলৈ গৈ, ² সেই পথৰ যি কোনো মুনিহ
তিৰোতাক পাই সিবিলাকক যেন ধৰি বান্ধি য়িৰুছালমলৈ আনে, এই
আশয়েৰে দামেচক নগৰৰ নাম ঘৰলৈ পত্ৰ খুজিলে । ³ পাছে গৈ দামে-
চক নগৰৰ ওচৰ পোৱাতে অকস্মিতে আকাশৰ পৰা পহৰ ওলাই, তেওঁৰ
চাৰিও ফালে প্ৰকাশ কৰিলত তেওঁ মাটীত পৰিল । ⁴ হে চৌল, হে চৌল,
মোক কিয় তাৰণা কৰিছা? আপোনালৈ কোৱা এনে আকাশী বাণী শুনি
তেওঁ সুধিলে, ⁵ হে প্ৰভু, আপুনি কোন? তেতিয়া প্ৰভুএ কলে, যি য়ীশুক
তুমি তাৰণা কৰি আছা, তেওঁএই মই । ⁶ কিন্তু উঠা, নগৰলৈ যোৱা;
তেতিয়া তুমি যিহকে কৰিব লাগিব, তাকে তোমাত কোৱা যাব । ⁷ তেওঁৰ
লগত যোৱা মানুহবোৰে কাকো নেদেখি, শবদ মাথোন শুনি ঠৰ হৈ থা-
কিল । ⁸ পাছে চৌলে মাটীৰ পৰা উঠি চকু মেলি কাকো নেদেখিলে ।
তাতে লোকে তেওঁৰ হাতত ধৰি দামেচকলৈ আনিলত, ⁹ তেওঁ তিন দিন-
লৈকে নেদেখা হৈ, নোখোৱা নোবোৱাকৈ থাকিল ।

¹⁰ সেই কালত দামেচকত থকা হনানিয়া নামেৰে এজন শিষ্যক প্ৰভুএ
দৰ্শন দি কলে, হে হনানিয়া । তেওঁ বুলিলে, হে প্ৰভু, দেখা, মই আছোঁ ।
¹¹ তেতিয়া প্ৰভুএ তেওঁত কলে, তুমি উঠি পোন নামেৰে বোলাটো আ-
লিএ গৈ য়িহুদাৰ ঘৰত তাৰ্চ নগৰৰ চৌল নামে এজনৰ বাৰ্ত্তা সোধাগৈ;
দেখা, সি প্ৰাৰ্থনা কৰি আছে, ¹² আৰু হনানিয়া নামেৰে এজন তাৰ ওচ-
ৰলৈ আহি দৃষ্টি পাবৰ নিমিত্তে তাৰ গাত হাত দিয়া, এনে দৰ্শন পালে ।
¹³ তাতে হনানিয়াই উত্তৰ কৰিলে, হে প্ৰভু, সেই মানুহে য়িৰুছালমত তো-
মাৰ পবিত্ৰ লোকক যিমান হিংসা কৰিলে, ¹⁴ আৰু এখেতো তোমাৰ
নামত প্ৰাৰ্থনা কৰা সকলোকে বান্ধিবৰ নিমিত্তে সি প্ৰধান পোৰোহিত-
বিলাকৰ পৰা শক্তি পালে, এই কথা মই অনেকৰ মুখৰ পৰা শুনিলোঁ ।

১৫ কিন্তু প্রভুএ তেওঁত কলে, তুমি বাট বুলি যোৱা, কিয়নো বিদেশী লোক
আৰু ৰজাবিলাক আৰু ইস্রাএলৰ সন্ততিবিলাকৰ আগত মোৰ নাম প্রচাৰ
কৰিবলৈ সেই জন মোৰ মনোনীত পাত্র হয়। ১৬ আৰু সি মোৰ নামৰ
নিমিত্তে কিমান বৰ দুঃখ পাবগৈ, ইয়াকে তাক দেখাই দিম। ১৭ তাতে
হনানিয়া গৈ ঘৰত সোমাই তেওঁৰ গাত হাত দি বুলিলে, হে ভাই চৌল,
তুমি যেন দেখা পোৱা, আৰু পবিত্র আত্মাৰে পূৰ হোৱা, এই নিমিত্তে
তুমি অহা কালত যি প্রভু য়ীশুএ তোমাক দেখা দিলে, তেৱেঁ মোক তো-
মাৰ ওচৰলৈ পঠালে। ১৮ ইয়াকে কোৱাতেই তেওঁৰ চকুৰ পৰা বাকলিৰ
নিচিনা কেতখনি ওলাই পৰিলত, তেতিয়াই তেওঁ চকুএ দেখা হৈ উঠি বুৰ
দিওৱা হল। পাছে খাই বৈ শক্তিমন্ত হল।
১৯ পাছে চৌল শিষ্যবিলাকে সৈতে দামেচকত দিন চাৰেক থাকি,
২০ পলম নকৰি য়ীশু যে ঈশ্বৰৰ পুত্র হয়, এই কথা নাম ঘৰবিলাকত কীর্ত্তন
কৰিলে। ২১ তাতে সকলো শুনাবিলাকে বিস্ময় মানি কলে, বোলে, যি
জনে য়িৰুছালমত এই নামেৰে প্রার্থনা কৰাবিলাকক নাশ কৰিছিলে, আৰু
তেনে মানুহক বান্ধি প্রধান পোৰোহিতৰ আগলৈ নিবৰ আশয়েৰে এই
ঠাইলৈকো আহিছিল, সেই জন এওঁ নহয় নে? ২২ কিন্তু চৌলে ক্রমেৰে
উৎসাহ পাই, এই য়ীশু যে খ্রীষ্ট হয়, ইয়াৰ প্রমাণ দি দামেচকত থকা য়িহু-
দিবিলাকক ঘটালে। ২৩ পাছে অধিক দিন হলত য়িহুদিবিলাকে তেওঁক মাৰি-
বলৈ আলচ কৰিলে, ২৪ কিন্তু চৌলে সিহঁতৰ এই আলচ বুঝ পালে; আৰু
সিহঁতে তেওঁক মাৰিবলৈ দিনে ৰাতিএ দুৱাৰবোৰত খাপ দি থাকিল।
২৫ তাতে শিষ্যবিলাকে ৰাতিএই তেওঁক লৈ পাচিত ভৰাই, গৰ পাৰ কৰি
নমাই দিলে।
২৬ পাছে চৌলে য়িৰুছালমলৈ গৈ শিষ্যবিলাকৰ লগত মিলি থাকিবলৈ
মন কৰাত, সকলোএ তেওঁলৈ ভয় কৰিলে, আৰু তেওঁ যে শিষ্য হয়, তাকো
নপতিয়ালে। ২৭ এই কাৰণে বর্ণবাই তেওঁক লৈ পাঁচনিবিলাকৰ আগলৈ
আনি, বাটত তেওঁ প্রভুক দেখা পোৱাত প্রভুএ যেনেকৈ তেওঁৰ আগত
কথা কলে, আৰু যেনে সাহেৰে দামেচকত য়ীশুৰ নামত কীর্ত্তন কৰিছিলে,
সেই আটাই কথা সিবিলাকত জনালে। ২৮ আৰু চৌলে সিবিলাকৰ লগত
য়িৰুছালমতে অহা যোৱা কৰি, ২৯ য়ীশুৰ নামত নির্ভয়ে কথা কলে।
তাতে বিদেশী য়িহুদিবিলাকে সৈতে বিবাদ হলত, সিহঁতে তেওঁক মাৰিবলৈ
উপায় কৰিলে। ৩০ ভায়েকবিলাকে তাকে জানি তেওঁক কৈচৰীয়ালৈ নি
তার্চ নগৰলৈ পঠাই দিলে। ৩১ এনে হলত য়িহুদা, গালীল, আৰু চোমি-
ৰোণ দেশৰ মণ্ডলীৰ লোকে জিৰণী পাই, ধৰমত থিৰ হৈ প্রভুৰ ভয়ত
আৰু পবিত্র আত্মাই দিয়া সান্তনাত দিন নিয়াই, লেখত বাঢ়ি গল।
৩২ তাৰ পাছে পিতৰে ঠায়ে ঠায়ে ফুৰি লোদ নগৰত থকা পবিত্র লো-

কৰ ওচৰলৈকো গলত, ৩৩ সেই ঠাইতে জ্বৰ ৰোগ হৈ আঠ বছৰ শয্যাত
পৰি থকা ঐনেয়া নামেৰে এটা মানুহক দেখিলে। ৩৪ পিতৰে তাত কলে,
হে ঐনেয়া, য়ীশু খ্রীষ্টে তোমাক ভাল কৰিছে; তুমি উঠি আপোনাৰ শয্যা
আঁতোৰা; এনে বোলাত তেতিয়াই সি উঠিল। ৩৫ পাছে লোদ আৰু হা-
ৰোণত থকা সকলে প্ৰভুলৈ পালটিল ।

৩৬ য়াফো নগৰত থকা আপুনি কৰা দান আদি সজ কৰমত নিপুন,
এনে যি টাবিথা নামেৰে শিষ্য এজনী, যাক ভাষাত দৰ্কা (অৰ্থাৎ হৰিণী)
বুলি মাতে, ৩৭ সেই কালত তাই নৰিয়া পৰি মৰিলত, লোকে ধুৱাই
ওপৰ খোটালিত শুৱাই থলে। ৩৮ য়াফোৰ ওচৰত যি লোদ নগৰ, তাতে
পিতৰ আছে বুলি শুনি, শিষ্যবিলাকে দুটা মানুহ পঠাই, তেওঁ পলম নকৰি
আহিবলৈ মিনতি কৰিলে। ৩৯ তেতিয়া পিতৰে উঠি সিবিলাকৰ লগত
গৈ ঘৰ পালত, তেওঁক সেই ওপৰ খোঁটালিলৈ নিলে। তাতে আটাই
বাঁৰীবিলাকে তেওঁৰ ওচৰত থিয় হৈ, সিবিলাকৰ লগত থাকোঁতেই দৰ্কাই
কৰা ছোলা ৰিহা কাপৰ দেখুৱাই কান্দি কান্দি থাকিল। ৪০ কিন্তু পি-
তৰে সিবিলাক আটাইকে বাহিৰ কৰি আঁঠু পাৰি প্ৰাৰ্থনা কৰিলে;
পাছে মৰা শৰ ফাললৈ ঘুৰি চাই কলে, হে টাবিথা, উঠা। তেতিয়া তাই
চকু মেলি পিতৰক দেখি বহিল; ৪১ তাতে তেওঁ তাইৰ হাতত ধৰি তুলিলে।
পাছে পবিত্ৰ লোক আৰু বাঁৰীবোৰক মাতি, সিবিলাকৰ আগতে জীয়া
হোৱা তাইক দিলে। ৪২ এই কথা য়াফোৰ সকলো খানত জনা হলত,
অনেক মানুহে প্ৰভুত বিশ্বাস কৰিলে। ৪৩ তাৰ পাছে পিতৰ য়াফো নগ-
ৰত চিমোন নামেৰে এক মুচিয়াৰৰ ঘৰত ভালে দিন থাকিল।

## ১০ অধ্যায় ।

কৈচৰীয়া নগৰত ইতালিয়া নামে ৰণুয়া হুজৰ কৰ্ণিলীয় নামেৰে এজন সই-
কিয়া আছিল। ২ তেওঁ ধৰ্ম্মৱন্ত হৈ আপোনাৰ ঘৰৰ সকলোএ সৈতে ঈশ্ব-
ৰলৈ ভয় কৰিলে, আৰু মানুহবিলাকক ভালেমান দান দি ঈশ্বৰৰ আগত
সদায় প্ৰাৰ্থনা কৰি থাকিল। ৩ এদিন তিনি পৰীয়া মান বেলিত তেওঁ
নিশ্চয় ৰূপে দৰ্শনত এনে দেখিলে, ঈশ্বৰৰ দূত এজন তেওঁৰ ওচৰলৈ আহি
কলে, হে কৰ্ণিলীয়। ৪ তাতে তেওঁক দেখি ভয় হৈ বুলিলে, হে প্ৰভু কি?
তেতিয়া দূতে তেওঁত কলে, তোমাৰ প্ৰাৰ্থনা আৰু দান ঈশ্বৰে সুঁৱৰিবৰ নি-
মিত্তে তেওঁৰ আগলৈ উঠি আছে। ৫ এতিয়া য়াফো নগৰলৈ মানুহ পঠাই,
৬ সাগৰৰ তীৰত চিমোন নামেৰে এক মুচিয়াৰৰ ঘৰত আলহি হৈ থকা
চিমোন, যাৰ প্ৰখ্যাত নাম পিতৰ, তেওঁক মতোৱা। ৭ কৰ্ণিলীয়ত কথা
কোৱা দূত গলত, তেওঁ আপোনাৰ ঘৰৰ দুটা বন্দী আৰু তেওঁৰ আল ধৰা

বণুৱাৰ মাঝৰ ধৰমী এজনক মাতি আনি, ৮ এই সকলো কথা কৈ সিবিলা-
কক য়াফোলৈ পঠালে ।
৯ পাছ দিনা সিইঁতে গৈ নগৰৰ ওচৰ পাওঁতেই, পিতৰে দুপৰ মানত
প্ৰাৰ্থনা কৰিবলৈ চালিৰ ওপৰত উঠি আছিল । ১০ এনেতে তেওঁৰ ভোক
লাগিলত খাবলৈ ইচ্ছা কৰিলে; কিন্তু মানুহে ভাত যুগুত কৰোঁতে তেওঁ
মূৰ্চ্ছিত হৈ পৰিল । ১১ তাতে স্বৰ্গৰ দুৱাৰ মুকলি হৈ, বৰ কাপৰৰ নিচি-
না চাৰি চুকত জোৰা এখন পাত্ৰ তেওঁলৈ নামি পৃথিবীত পৰিবৰ দেখি-
লে । ১২ তাৰ মাঝতে পৃথিবীৰ সকলো বিধ ঘৰচীয়া পহু, বনৰীয়া পহু,
বগাই ফুৰা জন্তু, আৰু আকাশৰ চৰাই আছিল । ১৩ পাছে হে পিতৰ,
উঠি মাৰি খোৱা, তেওঁলৈ এনে আকাশী বাণী হল । ১৪ তাতে পিতৰে
উত্তৰ কৰিলে, হে প্ৰভু, এনে নহয়, কিয়নো মই একো বৰ্জিত বা অশুচি বস্তু
কেতিয়াও খোৱা নাই । ১৫ তাতে পুনৰবাৰ তেওঁত আকাশী বাণী কলে,
ঈশ্বৰে যিহকে শুচি কৰিলে, তাক বৰ্জিত নুবুলিবা । ১৬ এই ৰূপে তিনি
বাৰ হলত সেই পাত্ৰ আকও স্বৰ্গলৈ তুলি নিয়া হল ।
১৭ যি দৰ্শন পালে তাৰ কি অৰ্থ, ইয়াকে পিতৰে মনত সংশয় কৰি
থাকোঁতেই দেখা, কৰ্ণিলীয়ই পঁচা মানুহবিলাকে সুধি সুধি চিমোনৰ ঘৰ
পাই, ১৮ দুৱাৰ মুখত থিয় হৈ মাত লগাই সুধিলে, যাৰ প্ৰখ্যাত নাম পি-
তৰ, সেই চিমোন ইয়াত আছে নে? ১৯ আৰু পিতৰে সেই দৰ্শনৰ কথা
ভাবি থাকোঁতেই আত্মাই তেওঁত কলে, দেখা, তিনি জন মানুহে তোমাক
বিচাৰিছেহি; ২০ তুমি উঠি নামি, একো সংশয় নকৰি সিবিলাকে সৈতে
যোৱা, কিয়নো মইহে সিবিলাকক পাঁচিলোঁ । ২১ তেতিয়া পিতৰে নামি
সেই মানুহবিলাকত কলে, তোমোলাকে যাক বিচাৰিছা, সেয়ে মই, দেখা;
তোমোলাক কি নিমিত্তে আহিলা? ২২ তাতে সিবিলাকে কলে, কৰ্ণিলীয়
নামে ধৰ্ম্মৱন্ত আৰু ঈশ্বৰক ভয় কৰোঁতা, আৰু য়িহুদা দেশৰ সকলো মানু-
হৰ আগত যশস্যা পোৱা, এনে এজন সইকিয়াই তোমাক আপোন ঘৰলৈ
মাতি আনি, তোমাৰ পৰা কথা শুনিবলৈ ধৰ্ম্ম দূতৰ মুখে আদেশ পালে ।
২৩ তেতিয়া পিতৰে সিবিলাকক ভিতৰলৈ মাতি নি, আলহি ৰূপে ৰাখি-
লে । পাছ দিনা তেওঁ সিবিলাকে সৈতে যোৱাত য়াফোত থকা ভায়েক গোটা-
চাৰেকো তেওঁৰ লগত গল ।
২৪ তাৰ পাছ দিনা সিবিলাকে কৈচৰীয়াত সোমাবৰ বেলিত কৰ্ণিলীয়ই
আপোনাৰ গ্যাতি ইষ্ট মিতিৰক মাতি আনি একে ঠাই কৰি, সিবিলাক-
লৈ বাট চাই আছিলে । ২৫ পাছে পিতৰে ঘৰ সোমাবলৈ ধৰাত কৰ্ণিলীয়ই
তেৰেঁ সৈতে দেখা দেখি হৈ তেওঁৰ চৰণত পৰি সেৱা কৰিলে । ২৬ তে-
তিয়া পিতৰে তেওঁক তুলি কলে, উঠা, ময়ো মানুহহে । ২৭ পাছে তেৰেঁ
সৈতে কথা হৈ ঘৰত সোমাই গৈ, বহু মানুহক দেখি সিবিলাকত কলে,

২৮ বিদেশী লোকে সৈতে লগ লোৱা, নাইবা তাৰ ঘৰলৈকে যোৱা, য়িহু-
দি মানুহলৈ নিষেধ আছে, ইয়াক তোমোলাকে জানা, কিন্তু কোনো মানু-
হক বৰ্জিত বা অশুচি নুবুলিবলৈ ঈশ্বৰে মোক দেখালে । ২৯ এই নিমিত্তে
মোক মাতিলতে একো সংশয় নকৰি তোমোলাকৰ ওচৰলৈ আহিলোঁ; এতে-
কে সুধিছোঁ, তোমোলাকে মোক কিহলৈ মাতিলা? ৩০ তেতিয়া কৰ্ণিলীয়ই
বুলিলে, আগৰ চাৰি দিনৰ দিনা এতে বেলিলৈ লঘোনে আছিলোঁ; তাতে
তিনি পৰীয়া হলত ঘৰত প্ৰাৰ্থনা কৰোঁতেই দেখা, বগা কাপৰ পিন্ধা
এজনে মোৰ আগতে থিয় হৈ এই কথা কলে, ৩১ হে কৰ্ণিলীয়, তোমাৰ
প্ৰাৰ্থনা শুনা গৈছে, আৰু তোমাৰ দানো ঈশ্বৰৰ মনত পৰিছে । ৩২ এই
হেতুকে য়াফোলৈ মানুহ পঠাই সাগৰৰ দাঁতিত চিমোন নামেৰে এক মুচিয়া-
ৰৰ ঘৰত আলহি হৈ থকা চিমোন, যাৰ প্ৰখ্যাত নাম পিতৰ, তেওঁক মতাই
আনা; তেওঁ আহি তোমাত কথা কব । ৩৩ এই নিমিত্তে তেতিয়াই তোমা-
লৈ মানুহ পঠালোঁ; তুমি যে আহিছা ভাল কৰিছা; এয়েৰেই ঈশ্বৰে যি
যি কথাৰ আজ্ঞা তোমাক দিছে, তাক শুনিবলৈ আমি সকলো ঈশ্বৰৰ আ-
গত গোট খাই আছোঁ ।

৩৪ তেতিয়া পিতৰে মাত লগাই কলে, ঈশ্বৰে মানুহৰ মুখ ৰখা নহয়,
৩৫ কিন্তু যি কোনো দেশৰ মানুহ হওক, তেওঁক ভয় কৰি পুণ্য কৰম কৰে,
এনে মানুহক ঈশ্বৰে গ্ৰহণ কৰে, ইয়াৰ নিশ্চয় বুঝ পালোঁ । ৩৬ য়োহানে
বুৰ দিওৱাৰ কথা কীৰ্ত্তন কৰাৰ পাছত গালীলৰ পৰা গোটেই য়িহুদা
দেশ খনতে সকলোকে প্ৰভু য়ীশু খ্ৰীষ্টৰ দ্বাৰাই, ৩৭ ঈশ্বৰে ইস্ৰাএলৰ বংশ-
হৰ আগত যি কুশলৰ কথা কীৰ্ত্তন কৰোৱাই পঠালে, তাকে তোমোলাকে
জানি আছা । ৩৮ সেই কথা এই, ঈশ্বৰে নাচৰীয়া য়ীশু খ্ৰীষ্টক পবিত্ৰ
আত্মা আৰু মহিমাৰে অভিষেক কৰিলত, তেওঁ ঠায়ে ঠায়ে ফুৰি সজ কৰ্ম্ম
কৰি, ছয়তানৰ পৰা দুঃখ পোৱা সকলোকে ভাল কৰিলে; কিয়নো ঈশ্বৰ
তেওঁৰ সহায় আছিল । ৩৯ আৰু য়িহুদা দেশ আৰু য়িৰুছালমত তেওঁ যি
যি কৰ্ম্ম কৰিছিল, সেই সকলো কৰ্ম্ম সাক্ষী আমি আছোঁ । ৪০ তেওঁক
মানুহবিলাকে কাঠত তুলি আৰি বধ কৰিলে? কিন্তু তিন দিনৰ দিনা ঈশ্বৰে
তেওঁক তুলি প্ৰকাশ ৰূপে দেখুয়ালে । ৪১ আটাই মানুহৰ আগত নহয়,
কিন্তু মৰণৰ পৰা উঠিবৰ পাছে তেৱেঁ সৈতে ভোজন পান কৰা ঈশ্বৰৰ
মনোনীত সাক্ষী যি আমি, আমাৰ আগতহে দেখুয়ালে । ৪২ আৰু জীয়া
মৰা দুইৰো সোধ কৰিবলৈ ঈশ্বৰে যি জনক নিযোজন কৰিলে, তেৱেঁই
সেই জন, এই কথা মানুহত কবলৈ আৰু প্ৰমাণ দিবলৈ তেওঁ আমাক আজ্ঞা
কৰিলে । ৪৩ আৰু তেওঁত যি মানুহে বিশ্বাস কৰে, সেই মানুহে তেওঁৰ
নামেৰে পাপৰ পৰা মুক্তি পাব, এই কথাতে সকলো ভবিষ্যত বক্তা তেওঁ-
লৈ সাক্ষী হৈছে ।

৪৪ পিতৰে এই কথা কওঁতেই সকলো শুনাবিলাকৰ ওপৰত পবিত্র আত্মা
পৰিল । ৪৫ তাতে পিতৰৰ লগৰ অহা চৰ্ম্মচ্ছেদন হোৱা বিশ্বাসী মানুহবি-
লাকে বিদেশী লোকৰ ওপৰতো পবিত্র আত্মা বাকি দিয়া দেখি বিস্ময় মা-
নিলে; ৪৬ কিয়নো সিবিলাকক অনেক দেশৰ ভাষাৰে কথা কৈ ঈশ্বৰক
স্তুতি কৰিবৰ শুনিলে । ৪৭ তেতিয়া পিতৰে মাত লগাই কলে, আমাৰ নি-
চিনাকৈ পবিত্র আত্মা পোৱা এইবিলাকক বুৰ দিয়াবলৈ কোনোবাই জলক
নিষেধ কৰিব পাৰে নে? ৪৮ তাতে সিবিলাকক প্রভুৰ নামেৰে বুৰ দিওৱা
হবলৈ তেওঁ আজ্ঞা দিলে । পাছে সিবিলাকে সৈতে কিছুমান দিন থাকিব-
লৈ তেওঁক মিনতি কৰিলে ।

## ১১ অধ্যায় ।

বিদেশী লোকেও ঈশ্বৰৰ বাক্য গ্রহণ কৰিছিলে, ইয়াকে য়িহুদা দেশত থকা
পাঁচনি আৰু ভায়েকবিলাকে শুনিলে । ২ তাতে পিতৰে য়িৰুছালমলৈ গলত
চৰ্ম্মচ্ছেদন হোৱা লোকবিলাকে তেওঁৰে সৈতে বিবাদ কৰি কলে, ৩ তুমি
চৰ্ম্মচ্ছেদন নোহোৱা মানুহৰ ঘৰলৈ গৈ সিহঁতে সৈতে একে লগে খোৱা
বোৱা কৰিলা । ৪ তেতিয়া পিতৰে আদিৰে পৰা সেই কথা বিশেষকৈ
সিবিলাকৰ আগত কলে, ৫ বোলে, য়াফো নগৰত প্রার্থনা কৰি থাকোঁ-
তেই মূৰ্চ্ছিত হৈ এনে দর্শন দেখিলোঁ, চাৰি চুকত বন্ধা বৰ কাপৰৰ নি-
চিনা এটা পাত্র স্বৰ্গৰ পৰা নামি মোৰ ওচৰলৈকে আহিল । ৬ তালৈ একে
ঠৰে চাই বিবেচনা কৰি, তাতে ঘৰচোয়া পশু, বনৰীয়া পশু, বগাই ফুৰা জন্তু,
আকাশৰ চৰাই, এই সকলোকে দেখিলোঁ । ৭ তেতিয়া হে পিতৰ, উঠি
মাৰি খোৱা, এই কথা কোৱা এটা শবদ শুনিলোঁ । ৮ তাতে মই উত্তৰ
কৰিলোঁ, হে প্রভু, এনে নহয়, কিয়নো কোনো বৰ্জিত বা অশুচি বস্তু মোৰ
মুখত কেতিয়াও সোমোৱা নাই । ৯ কিন্তু মোত আকাশী বাণী আৰু বাৰ
কলে, ঈশ্বৰে যিহকে শুচি কৰিলে, তাক বৰ্জিত নুবুলিবা । ১০ তিনি বাৰ
এনে হলত, সেই সকলোকে আকও স্বগলৈ টানি নিয়া হল । ১১ তেতিয়া
দেখা, কৈচৰীয়া নগৰৰ পৰা পঁচা তিনি জন মানুহে মই যি ঘৰত আছি-
লোঁ, সেই ঘৰতে মোৰ ওচৰ পালেগৈ । ১২ তাতে একো সংশয় নকৰাকৈ
সিহঁতে সৈতে যাবলৈ আত্মাই মোক আজ্ঞা কৰিলে । পাছে ময়ে সৈতে
এই ছয় জন ভাই গৈ, আমি সেই মানুহৰ ঘৰত সোমালত তেওঁ আমাক
জনালে, ১৩ বোলে, এজন দূতে মোৰ ঘৰত দেখা দি থিয় হৈ মোক এই
আজ্ঞা কৰিলে, য়াফো নগৰলৈ মানুহ পঠাই, পিতৰ নামেৰে প্রখ্যাত হোৱা
চিমোনক মতোৱা; ১৪ তাতে তোমাৰ আৰু তোমাৰ ঘৰৰ সকলোএ যি-
হেৰে পৰিত্রাণ পাব, এনে কথা তেওঁ তোমাত কব । ১৫ পাছে মই কথা

কৰলৈ ধৰোঁতেই, আদিতে আমাৰ ওপৰত যেনেকৈ পবিত্ৰ আত্মা পৰিছি-
লে, তেনেকৈ সিবিলাকৰ ওপৰতো পৰিল। ১৬ তাতে য়োহানে পানীত বুৰ
দিয়ালে হয়, কিন্তু তোমোলাকে পবিত্ৰ আত্মাত বুৰ দিওৱা হবা, এই যি
কথা প্ৰভুএ কৈছিলে, সেই কথা তেতিয়া মোৰ মনত পৰিল। ১৭ এতেকে
প্ৰভু য়ীশু খ্ৰীষ্টত বিশ্বাস কৰা যি আমি, আমাক ঈশ্বৰে যি দান কৰিলে,
তাকে তেওঁ সিবিলাককো দিয়াত ঈশ্বৰক নিবাৰণ কৰিবলৈ মই কোন?
১৮ এই কথা শুনিলত সিবিলাকে নিজম দি ঈশ্বৰক স্তুতি কৰি কলে, তেনে
হলে পৰম আয়ুষ পাবৰ নিমিত্তে ঈশ্বৰে বিদেশী লোককো মনৰ পালটন
দিলে।

১৯ সেই কালত স্তিফানৰ কথাত ওলোৱা তাৰণাৰ নিমিত্তে যিবিলাক গোট
গোট হৈছিল, সেইবিলাকে ফৈনীকিয়া আৰু কুপ্ৰ আৰু আন্তিয়খিয়ালৈকে
ফুৰি, কেৱল য়িহুদি লোকত বাঝে কাৰো আগত ঈশ্বৰৰ কথা নকলে।
২০ কিন্তু সিবিলাকৰ মাঝত কুপ্ৰ আৰু কুৰীণীৰ জন চাৰেক আন্তিয়খিয়া-
লৈ আহি বিদেশী য়িহুদিবিলাকৰ আগত প্ৰভু য়ীশুৰ কথা কীৰ্ত্তন কৰি-
লে। ২১ আৰু প্ৰভুৰ হাত সিবিলাকৰ সহায় হোৱাত ভালেমান মানুহে
বিশ্বাস কৰি প্ৰভুলৈ পালটিল।

২২ এই কথাৰ বাৰ্ত্তা য়িৰুছালমৰ মণ্ডলী লোকবিলাকৰ কাণত পৰিলগৈ;
তাতে সিবিলাকে আন্তিয়খিয়ালৈকে যাবলৈ বৰ্ণাবাক পঠিলে। ২৩ তেওঁ
সেই নগৰ পাই ঈশ্বৰৰ অনুগ্ৰহ দেখি আনন্দ হল, আৰু তেওঁ আপুনি
সাধু আৰু বিশ্বাসেৰে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ, মনৰ নিশ্চয়েৰে প্ৰভুত
আসক্তি হৈ থাকিবলৈ সকলোকে উপদেশ দিলে। ২৪ তাতে প্ৰভুৰ ফাললৈ
অনেক শিষ্য বৰ্ঢ়োৱা হল। ২৫ পাছে চৌলক বিচাৰিবলৈ বৰ্ণাবাই তাৰ্চ
নগৰলৈ গল, আৰু তেওঁক পাই আন্তিয়খিয়ালৈ আনিলে। ২৬ তাতে সি-
বিলাকে মণ্ডলীৰ লগত এবছৰলৈকে থাকি বহু মানুহক উপদেশ দিলে।
আৰু আন্তিয়খিয়া নগৰতেই প্ৰথমতে শিষ্যবিলাকক খ্ৰীষ্টীয়ান নামেৰে
বোলা হল।

২৭ সেই কালত ভবিষ্যত বক্তাবিলাক য়িৰুছালমৰ পৰা আন্তিয়খিয়ালৈ
আহি, ২৮ সিবিলাকৰ মাঝৰ আগাব নামেৰে এজনে উঠি, আত্মাই শি-
কোৱাত আটাই দেশৰ বৰ আঁকাল হব বুলি জনালে। ক্লৌদিয় কৈচৰৰ
কালত সেই কথা ঘটিল। ২৯ তাতে শিষ্যবিলাকে গাই গাই শক্তিৰ দৰে
য়িহুদা দেশত থকা ভায়েকবিলাকৰ প্ৰতিপালনৰ নিমিত্তে দান পঠাবলৈ
ঠাৱৰ কৰি, ৩০ বৰ্ণাবা আৰু চৌলৰ হাতত বৃদ্ধ লোকৰ তলৈ পঠাই দিলে।

## ১২ অধ্যায় ।

সেই কালত হেৰোদ ৰজাই মণ্ডলীৰ কেতবোৰ মানুহক দুঃখ দিবলৈ ধৰিলে;
২ আৰু য়োহানৰ ভায়েক য়াকোবক তৰোৱালেৰে বধিলে । ৩ তাতে য়িহু-
দিবিলাক সন্তোষ হোৱা দেখি, পিতৰকো ধৰিবলৈ উপায় কৰিলে । সেই
কালত ফেনি নোহোৱা পিঠা খাবৰ দিন হল । ৪ তেতিয়া তেওঁ পিতৰক
ধৰাই বন্দীশালত থলে; আৰু নিস্তাৰ পৰ্ব্ব গলে মানুহৰ আগত বাহিৰে
আনিবলৈ মন কৰি, চাইটিয়াকৈ চাৰি যুম ৰখীয়া চিপাহিৰ হাতত তেওঁক
ৰাখিবলৈ সোধাই দিলে । ৫ এই ৰূপে পিতৰক বন্দীশালত ৰাখিলে; কিন্তু
তেওঁৰ নিমিত্তে মণ্ডলীৰ লোকে খতি নোহোৱাকৈ ঈশ্বৰৰ আগত প্ৰাৰ্থনা
কৰি আছিল । ৬ পাছে হেৰোদে তেওঁক বাহিৰলৈ আনিব খোজা কা-
লত, সেই ৰাতি পিতৰ দুই চিপাহিৰ মাঝত দুডাল শিকলিৰে বন্ধা হৈ টোপ-
নিত আছিলে, আৰু পৰীয়াইঁতো দুৱাৰৰ মুখত বন্দীশাল ৰাখি আছিল ।
৭ সেই সময়ত দেখা, ঈশ্বৰৰ দূতে দেখা দিলত বন্দীশালত পহৰ হল ।
তেতিয়া তেওঁ পিতৰৰ কোষত চাপৰ মাৰি জগাই কলে, খৰকৈ উঠা; তাতে
তেওঁৰ হাতৰ পৰা শিকলি খহি পৰিল । ৮ পাছে দূতে তেওঁত কলে,
কঁকাল বান্ধি ভৰিত ফানটি পিন্ধা । তাকে কৰিলত দূতে তেওঁক বুলিলে,
তোমাৰ কাপৰো গাত লৈ মোৰ পাছত আঁহা । ৯ তাতে পিতৰে তেওঁৰ
পাছত গৈ বাহিৰ ওলাল; কিন্তু দূতৰ হতুৱাই যিহকে কৰা গৈছে, সেয়ে
সঁচা, এনে নুবুঝি সমাজিক দেখা যেন মানিলে । ১০ এই ৰূপে প্ৰথম আৰু
দ্বিতীয় পৰীয়া এৰাই, নগৰলৈ অহা যোৱা কৰাযি লোৰ দুৱাৰ, তাৰ ওচৰ
পোৱাতে সেই দুৱাৰ সিবিলাকলৈ আপুনি মুকলি হৈ গল । তাতে সি-
বিলাক তাৰ পৰা বাহিৰ হৈ এটা বাটৰ মুৰলৈকে গলত, অকস্মিতে
দূতে তেওঁক এৰিলে । ১১ তেতিয়া পিতৰে চেতন পাই বুলিলে, প্ৰভুএ
আপোনাৰ দূতক পঁাচি হেৰোদৰ হাতৰ পৰা আৰু য়িহুদি মানুহবিলাকৰ
আটাই বাঞ্চাৰ পৰা মোক উদ্ধাৰ কৰিলে, ইয়াক মই এতিয়া নিশ্চয়
জানিছোঁ ।

১২ পাছে তেওঁ বিবেচনা কৰি মাৰ্ক নামে প্ৰখ্যাত যি য়োহান, তেওঁৰ
মাক মাৰিয়াৰ ঘৰলৈ গল; তাতে অনেক মানুহ গোট খাই প্ৰাৰ্থনা কৰি
আছিল । ১৩ পিতৰে বাহিৰৰ দুৱাৰত চাপৰ মাৰিলত ৰদা নামেৰে ছো-
ৱালী এজনীএ চাবলৈ গল । ১৪ তাতে পিতৰৰ মাত বুঝি, ৰঙ্গ হোৱাৰ
নিমিত্তে দুৱাৰ নেমেলি ভিতৰলৈ লৰি গৈ, পিতৰ দুৱাৰতে থিয় হৈ আছে
বুলি কলেগৈ; ১৫ তাতে সিবিলাকে বুলিলে, তই বলিয়া হৈছ । কিন্তু তাই
দৃঢ়কৈ কলে, সঁচা, এনে হয় । তাতে সিবিলাকে কলে, তেনে হলে সি তেওঁৰ
দূত । ১৬ কিন্তু পিতৰে দুৱাৰত চপৰিয়াই থকাতে, সিবিলাকে দুৱাৰ মে-

লি পিতৰক দেখি বিস্ময় হল । ১৭ তেতিয়া তেওঁ সিবিলাকক নিজম দি
থাকিবলৈ হাতেৰে টাৰ্ঝাব কৰি, প্ৰভুএ যেনেকৈ তেওঁক বন্দীশালৰ পৰা
উদ্ধাৰ কৰি আনিলে, তাৰ কথা সিবিলাকত কলে; আৰু তোমোলাকে গৈ
য়াকোব আৰু ভাইবিলাকত এই কথা কৱা, ইয়াকে বুলি আন ঠাইলৈ গুছি
গল । ১৮ তাৰ পাছে ৰাতি পুৱালত পিতৰ কলৈ গল, এই বুলি চিপা-
হিৰ মাঝত বৰ হুৰা মুৰা লাগিল । ১৯ তেতিয়া হেৰোদে তেওঁক বিচাৰি
নেপাই, পৰীয়াবোৰক সোধ পোচ কৰি সিহঁতক বধিবলৈ আজ্ঞা কৰিলে ।
পাছে য়িহুদা দেশৰ পৰা গৈ কৈচৰীয়া নগৰ পাই তাতে থাকিল ।
২০ চোৰ আৰু চিদোনৰ মানুহলৈ হেৰোদৰ অতি খঙ্গ হৈ আছিলে,
কিন্তু সিহঁতে এক্কে আলচেৰে তেওঁৰ আগলৈ গৈ, বিলাস্ত নামেৰে ৰজাৰ
ভিতৰুয়াল ফুকনক সহায় লৈ মিল হবলৈ নিবেদন কৰিলে, কিয়নো ৰজাৰ
দেশৰ পৰা সিহঁতৰ দেশ প্ৰতিপালন হয় । ২১ পাছে ঠাৰৰ কৰা দিনত
হেৰোদে ৰাজ অলঙ্কাৰ পিন্ধি সিংহাসনত বহি, সিহঁতৰ আগত এক
প্ৰসঙ্গৰ কথা কলে । ২২ তাতে মানুহবোৰে ৰিঙ্গিয়াই কলে, এয়ে মানুহৰ
মাত নহয়, ঈশ্বৰৰ মাত । ২৩ তেতিয়া তেওঁ ঈশ্বৰক সন্মান নকৰাত প্ৰভুৰ
দূতে তেওঁক অকস্মিতে মাৰিলে, আৰু তেওঁ পোকে খোৱাতে মৰিল ।
২৪ কিন্তু ঈশ্বৰৰ কথা দেশতে ব্যাপী বাঢ়ি গল । ২৫ পাছে বৰ্ণাবা আৰু
চৌলে যি কৰ্ম্মৰ ভাৰ পাইছিলে, তাক সম্পূৰ্ণ কৰিলত মাৰ্ক নামেৰে প্ৰখ্যাত
যি য়োহান, তেওঁকে লগত লৈ য়িৰুছালমৰ পৰা উলটি গল ।

## ১৩ অধ্যায় ।

পাছে বৰ্ণাবা আৰু চিমোন, যাক নিগৰ বোলে, আৰু কুৰীণীৰ লুকীয়,
আৰু হেৰোদ ৰজাৰ লগত প্ৰতিপাল হৈছিল যি মীনহেম, আৰু চৌলকে
আদি কৰি উপদেশক আৰু ভবিষ্যত বক্তা কেতবিলাক আন্তিয়খিয়া নগৰত
থকা মণ্ডলীত আছিল । ২ আৰু যি কালত সিবিলাকে লঘোন আৰু ঈশ্বৰৰ
সেৱা কৰিছিল, সেই কালতে পবিত্ৰ আত্মাই কলে, যি কৰ্ম্মত মই বৰ্ণাবা
আৰু চৌলক নিযোজন কৰিছোঁ, মোলৈ সেই কৰ্ম্ম কৰিবলৈ সিবিলাকক
পৃথক কৰি দিয়া । ৩ তাতে সিবিলাকে লঘোন আৰু প্ৰাৰ্থনা কৰি সেই-
বিলাকৰ গাত হাত দি বিদায় দিলে । ৪ এই ৰূপে পবিত্ৰ আত্মাই সিবি-
লাকক পাঁচিলত চেলুকিয়া দেশলৈ গৈ, পাছে জাহাজেৰে কুপ্ৰ মাজুলীলৈ
গল । ৫ আৰু ছালামী নগৰ পাই, তাতে য়িহুদিবিলাকৰ নাম ঘৰলৈ গৈ
ঈশ্বৰৰ কথা কীৰ্ত্তন কৰিলে; য়োহানো সিবিলাকৰ পৰিচাৰক হৈ আছি-
লে । ৬ এই ৰূপে সিবিলাকে সেই মাজুলীৰ পাফ নগৰলৈকে সকলো খানে
ফুৰি, বুদ্ধিমন্ত স্বৰ্গীয় পৌল নামেৰে সেই দেশৰ অধিকাৰে সৈতে ভাঁৰি কো-

ৰা ভবিষ্যত বক্তা হৈ বৰিচু নামেৰে যি এটা য়িহুদি মায়াপী মানুহ আছিল,
তাক দেখা পালে। ৭ সেই অধিকাৰে ঈশ্বৰৰ কথা শুনিবলৈ ইচ্ছা কৰি
চৌল আৰু বৰ্ণবাক মাতিলে। ৮ কিন্তু এলুমা, ভাষাকৈ ভাঙ্গিলে যাৰ অৰ্থ
মায়াপী হয়, সেয়ে অধিকাৰক বিশ্বাসৰ পৰা ওলটাবৰ আশয়েৰে সিবি-
লাকক বিঘিনি কৰিলে। ৯ তেতিয়া চৌল, যাক পৌলো বোলে, পবিত্ৰ
আত্মাৰে পৰিপূৰ্ণ হৈ সেই মায়াপীলৈ একে ঠৰে চাই কলে, ১০ হেৰৈ
ছয়তানৰ পুতেক, সকলো ধৰ্ম্মৰ শত্ৰু! কপটতে দুষ্ট কৰ্ম্মতে পূৰ হৈ,
প্ৰভুৰ স্বৰূপ ধৰ্ম্ম পথক লুটিয়াবলৈ নেৰ নে? ১১ আৰু চাবি, এতিয়া
প্ৰভুৰ হাতে তোক ধৰি আছে; আৰু তই কেতখনি দিন কণা হৈ থাকি,
বেলিকো নেদেখিবি। তেতিয়াই চকু মলিন হৈ তাৰ ওপৰত এন্ধাৰ পৰিল;
তাতে সি হাতত ধৰিবলৈ মানুহ বিচাৰি ফুৰিলে। ১২ এনে ঘটিবৰ দেখি
সেই অধিকাৰে প্ৰভুৰ উপদেশতে বিস্ময় মানি বিশ্বাস কৰিলে।
১৩ পাছে পৌল আৰু তেওঁৰ লগৰবিলাকে পাফ নগৰৰ পৰা জাহাজ
মেলি পামফুলিয়া দেশৰ পৰ্গা নগৰলৈ আহিল; কিন্তু য়োহানে সিবিলা-
কক এৰি য়িৰুছালমলৈ উভতি গল। ১৪ পাছে সিবিলাকে পৰ্গাৰ পৰা
গৈ পিচিদিয়া দেশৰ আন্তিয়খিয়া নগৰ পালত বিশ্ৰাম বাৰে নাম ঘৰ
সোমাই বহিল। ১৫ তাতে বিধান আৰু ভবিষ্যত বাক্য পৰ্হিলত, পাছে
নাম ঘৰৰ গৰাকীবিলাকে সিবিলাকৰ ওচৰলৈ মানুহ পঠাই এই কথা কো-
ৱালে, হে ভাইবিলাক, মানুহলৈ তোমালাকৰ কিবা উপদেশ কথা যদি
আছে, তাক কোৱা। ১৬ তেতিয়া পৌলে উঠি হাতেৰে টাৰ্বাৰ কৰি কলে,
হে ইস্ৰাএলৰ মানুহবিলাক, হে ঈশ্বৰলৈ ভয় কৰা সকল, মন দি শুনা।
১৭ এই ইস্ৰাএল লোকৰ ঈশ্বৰে আমাৰ ওপৰ পিতৃবিলাকক মনোনীত
কৰিলে, আৰু মিচৰ দেশত আলহি হৈ থকা কালত ঐশ্বৰ্য্য দি, তাৰ পৰা
আপোন বাহু বলেৰে সিবিলাকক বাহিৰলৈ আনিলে। ১৮ পাছে দুকুৰি
মান বছৰলৈকে অৰণ্যৰ মাঝত সিবিলাকক পোষণ পালন কৰি, ১৯ কি-
নান দেশৰ মাঝৰ সাত খান ৰাজ্য বিনাশ কৰিলত, গুটি বুঝুৱাই বঁটাই
সেইবোৰ দেশ সিবিলাকক দিলে। ২০ তাৰ পাছে চিমুএল ভবিষ্যত বক্তাৰ
দিনলৈকে চাৰি শ আৰ্হৈ কুৰি বছৰ মানত সিবিলাকৰ ওপৰত সোধাৰু
দি থলে। ২১ তাৰ পাছে সিবিলাকে ৰজা খুজিলত, ঈশ্বৰে বেনিয়ামিনৰ
বঙ্গহৰ কিষ্যৰ পুতেক চৌলকে দুকুৰি বছৰলৈ সিবিলাকৰ ওপৰত ৰজা
পাতিলে। ২২ পাছে তেওঁক গুছাই সিবিলাকৰ ৰজা হবলৈ দাৱিদক উৎপন্ন
কৰিলে। তেওঁৰ অৰ্থে এই প্ৰমাণ দিছিলে, মোৰ সকলো ইচ্ছা যি জনে
পূৰ কৰিব, এনে মোৰ মনৰ দৰে য়িছইৰ পুত্ৰ দাৱিদক পালোঁ। ২৩ ঈশ্বৰে
আপোনাৰ অঙ্গীকাৰৰ দৰেই সেই জনৰ বঙ্গহতে ইস্ৰাএল লোকলৈ ত্ৰাণ
কৰ্ত্তা য়ীশুক জন্মালে। ২৪ তেওঁ অহাৰ আগেএ য়োহানে ইস্ৰাএলৰ সকলো

মানুহৰ আগত মন পালটনৰ বুৰ দিওৱাৰ কথা কীৰ্ত্তন কৰিলে। ২৫ য়োহা-
নে যি কৰ্ম্মৰ ভাৰ পাইছিল, তাক পূৰ কৰোঁতেই এই কথা কলে, তো-
মোলাকে মোক কোন বুলি ভাবিছাহঁক? মই সেই জন নহঁও; কিন্তু দেখা,
যি জনৰ চৰণৰ পইজাৰৰ বান্ধ মেলিবৰো মই যোগ্য নহঁও, এনে এজন
মোৰ পাছত আহিছে।
২৬ হে আব্ৰাহামৰ বঙ্গহৰ ভাইবিলাক, তোমোলাকলৈ আৰু তোমোলাকৰ
মাঝত যিবিলাকে ঈশ্বৰক ভয় কৰে, সেইবিলাকলৈকো এই পৰিত্ৰাণৰ কথা
পঁচা হৈছে। ২৭ য়িৰুছালমত থকাবোৰ আৰু সিহঁতৰ অধিকাৰবিলাকে
তেওঁক নেজানি, আৰু প্ৰতি বিশ্ৰাম বাৰত পৰ্হা ভবিষ্যত বক্তাবিলাকৰ যি
বচন, তাকো নুবুঝি, তেওঁক দুষী কৰি সেই বচন পূৰ কৰিলে। ২৮ আৰু
প্ৰাণ মাৰিবৰ একো কাৰণ নেপালতো, পিলাতৰ আগত তেওঁক বধিবলৈ
প্ৰাৰ্থনা কৰিলে। ২৯ আৰু তেওঁৰ অৰ্থে যি যি কথা লিখা আছিল, সেই
সকলো কথা পূৰ কৰি, তেওঁক পেৰেঙ্গণিৰ পৰা নমাই মৈদামত শুৱাই
থলে। ৩০ কিন্তু ঈশ্বৰে মৃত্যুৰ পৰা তেওঁক তুলিলে। ৩১ আৰু গালীলৰ
পৰা তেওঁৰ লগত য়িৰুছালমলৈ যিবোৰ মানুহ আহিছিলে, সেইবিলাকক
তেওঁ অনেক দিনলৈ দেখা দিলে; তেওঁৰ অৰ্থে সিবিলাকেই মানুহৰ আ-
গত সাক্ষী আছে। ৩২ আমাৰ ওপৰ পিতৃবিলাকৰ আগত ঈশ্বৰে যি
অঙ্গীকাৰ কৰিলে, আৰু দ্বিতীয় গীতত লিখা আছে, বোলে, তুমি মোৰ
পুত্ৰ, আজি মই তোমাক জন্মালোঁ, ৩৩ সিবিলাকৰ সন্তান আমাৰ আগত
সেই অঙ্গীকাৰ য়ীশুক তুলি সম্পূৰ্ণ কৰিলে; এই শুভবাত্ৰা তোমোলাকত
জনাইছোঁ। ৩৪ প্ৰভুএ তেওঁক মত্যুৰ পৰা তোলাত তেওঁৰ শৰীল যে কে-
তিয়াও ক্ষয় নহব, এই অৰ্থে তেওঁ আপুনি কৈছিলে, দায়ূদলৈ থিৰ কৰা
যি বৰ, তাকে মই তোমোলাকক দিম। ৩৫ তাত বাঝেও আন গীতত কৈছে,
তুমি আপোনাৰ ধৰমী জনক ক্ষয় পাবলৈ নিদিবা। ৩৬ দায়ূদ হলে আ-
পোনাৰ আয়ুষতে ঈশ্বৰৰ ইচ্ছাৰ দৰে কৰ্ম্ম কৰিলত মৃত্যু হৈ, আপোনাৰ
ওপৰ পিতৃবিলাকৰ লগ লৈ ক্ষয় পালে। ৩৭ কিন্তু যি জনক ঈশ্বৰে মৃত্যুৰ
পৰা তুলিলে, তেওঁ ক্ষয় পোৱা নাই। ৩৮ এই কাৰণে, হে ভাইবিলাক,
সেই জনৰ পৰাই পাপৰ ক্ষমা হয়, ইয়াকে তোমোলাকলৈ কীৰ্ত্তন কৰা
আছে, ৩৯ আৰু মোচাৰ বিধানৰ দ্বাৰাই যি যি দোষৰ পৰা তোমোলাকে
মুকুত হব নোৱাৰা, সেই আটাই দোষৰ পৰা তেওঁত বিশ্বাস কৰা সকলো
মুকুত হব, এই কথা তোমোলাকত বুদুয়া হওক। ৪০ হে নিন্দা কৰাবিলাক,
তোমোলাকে দেখা, আৰু বিস্ময় মানি নষ্ট হোৱা; কিয়নো যি কৰ্ম্ম
কোনো মানুহে তোমোলাকত বুঝালেও তাক নপতিয়াবা, এনে কৰ্ম্ম তো-
মোলাকৰ কালত মই কৰিম; ৪১ এই যি কথা ভবিষ্যত বক্তাবিলাকৰ
পুথিত লিখা আছে, সাৱধান হোৱা, সেয়ে যেন তোমোলাকত নঘটে।

৪২ পাছে সিবিলাকে বাহিৰলৈ যাওঁতেই আপোনালৈ পাছৰ বিশ্ৰাম
বাৰতো যেন এই কথা কোৱা হয়, মানুহবিলাকে ইয়াকে নিবেদন কৰিলে।
৪৩ সভা ভগা হলত অনেক য়িহুদি মানুহ আৰু য়িহুদি ধৰ্ম্ম লোৱাবি-
লাকে পৌল আৰু বৰ্ণাবাৰ পাছত গল; তাতে সিবিলাকে সিহঁতে সৈতে
কথোপকথন কৰি, ঈশ্বৰৰ অনুগ্ৰহতে থিৰ হৈ থাকিবলৈ সিহঁতক সুম-
তি দিলে ।
৪৪ পাছৰ বিশ্ৰাম বাৰ হলত নগৰৰ প্ৰায়ে সকলো মানুহ ঈশ্বৰৰ কথা শুনি-
বলৈ একে ঠাই হল । ৪৫ কিন্তু য়িহুদিবিলাকে সমূহ মানুহক দেখি, অসূয়াৰে
পূৰ হৈ নুই আৰু নিন্দা কৰি, পৌলে কোৱা কথাৰ বিৰোদ্ধে কলে ।
৪৬ তাতে পৌল আৰু বৰ্ণাবাই সাহ কৰি কলে, প্ৰথমতে তোমোলাকৰ
আগত ঈশ্বৰৰ কথা কবলৈ উচিত আছিল, কিন্তু তোমোলাকে তাক দূৰ
কৰি আপোনাক অনন্ত আয়ুষৰ অযোগ্য দেখালত, আমি বিদেশী লোকৰ
ওচৰলৈ যাওঁ । ৪৭ কিয়নো প্ৰভুএ আমাক এনে আজ্ঞা কৰিলে, জগতৰ
সীমালৈকে পৰিত্ৰাণ হবৰ নিমিত্তে তোমাক বিদেশী লোকলৈ পহৰ দি
থলোঁ । ৪৮ তেতিয়া এই কথা শুনি বিদেশী মানুহে আনন্দ পাই প্ৰভুৰ
কথাতে স্তুতি কৰিলে; আৰু যিবিলাকক অনন্ত আয়ুষ পাবলৈ নিযোজন
কৰা হৈছিল, সিবিলাকে বিশ্বাস কৰিলে । ৪৯ এই ৰূপে প্ৰভুৰ কথা
গোটেই খন দেশত ব্যাপী গল । ৫০ কিন্তু য়িহুদিবিলাকে ভজন কৰা
কেতবলিাক উত্তম তিৰোতা আৰু নগৰৰ প্ৰধান লোকক কুমতি দি, পৌল
আৰু বৰ্ণাবাক তাৰণা কৰি আপোনাৰ সীমাৰ পৰা খেদাই দিলে। ৫১ তা-
তে সিবিলাকে আপোনাৰ ভৰিৰ ধূলী সিহঁতৰ অহিতে ঝোকাৰি পেলাই,
ইকনীয় নগৰলৈ গল । ৫২ আৰু শিষ্যবিলাকে আনন্দেৰে পবিত্ৰ আত্মাৰে
পৰিপূৰ্ণ হল ।

## ১৪ অধ্যায় ।

ইকনীয় নগৰ পাই সিবিলাক দুয়ো য়িহুদিৰ নাম ঘৰলৈ একে লগে গৈ,
অনেক য়িহুদি আৰু গ্ৰীক মানুহে যি ৰূপ কথাত বিশ্বাস কৰে, সেই ৰূপ
কথা কলে । ২ কিন্তু বিশ্বাস নকৰা য়িহুদিবিলাকে আন দেশৰ মানুহক
কুমতি দি ভায়েকবিলাকৰ অহিতে সিবিলাকৰ দুষ্ট মন কৰালে । ৩ এই
হেতুকে আপোনাৰ অনুগ্ৰহৰ প্ৰমাণ দি সিবিলাকৰ হাতেৰে চিন আৰু
আশ্চৰিত কৰ্ম্ম কৰাই দেখাওঁতা যি প্ৰভু, তেওঁৰ কথা সাহ কৰি কৈ ভালে
দিন সেই ঠাইতে থাকিল । ৪ তাতে নগৰৰ মানুহ দুভাগ হৈ কেতবোৰ
য়িহুদিৰ ফলিয়া, কেতবোৰ পাঁচনিৰ ফলিয়া হল । ৫ পাছে বিদেশী আৰু
য়িহুদি মানুহবোৰে আপোনাৰ অধিকাৰবিলাকে সৈতে সিবিলাকক শিল

পেলাই মাৰিবলৈ আলচ কৰিলে। ৬ সিবিলাকে তাৰে বুঝ পাই, লুকৌ-
নিয়া দেশৰ লুস্ত্ৰা আৰু দৰ্ব্বী নগৰ, আৰু তাৰ ওচৰৰ ঠাইলৈকো পলাই
গৈ, ৭ তাতে শুভবাত্ৰা কীৰ্ত্তন কৰিলে।

৮ লুস্ত্ৰা নগৰতে ভৰিত বল নাইকিয়া ওপজাৰে খোৰা, কোনো কালে
খোজ নকৰ্হা, এনে মানুহ এটাই বহি পৌলৰ কথা শুনাত, ৯ তালৈ তেওঁ
একে ঠৰে চাই, ভাল হবলৈ তাৰ বিশ্বাস আছে যেন বুঝি, ১০ বৰ মাতে-
ৰে কলে, ভৰিত ভৰ দি পোন হৈ উঠা। তাতে সি লাফ দি উঠি অহা
যোৱা কৰিলে। ১১ তেতিয়া মানুহবিলাকে পৌলৰ এই কৰ্ম্ম দেখি লুকৌ-
নিয়া ভাষাৰে বৰকৈ মাত লগাই কলে, দেৱতাই মানুহৰ ৰূপ ধৰি আমাৰ
ওচৰলৈ নামি আহিল। ১২ আৰু সিবিলাকে বৰ্ণাবাৰ নাম জুপিতৰ থলে,
আৰু পৌল প্ৰধান কথকি দেখি তেওঁৰ নাম মৰ্কুৰি থলে। ১৩ পাছে
নগৰৰ সম্মুখত থকা জুপিতৰৰ পোৰোহিতে বলদ গৰু আৰু ফুলৰ মলা
দুৱাৰৰ ওচৰলৈ আনি মানুহবিলাকে সৈতে সিবিলাকলৈ উচৰ্গি দিবলৈ মন
কৰিলে। ১৪ কিন্তু বৰ্ণাবা আৰু পৌল পাঁচনিএ এই কথা শুনি, আপো-
নাৰ কাপৰ ফালি সমূহৰ মাঝলৈ লৰি গৈ ৰিঙ্গিয়াই কলে, ১৫ হে মা-
নুহবিলাক, এনে কৰ্ম্ম কিয় কৰা? আমিও তোমোলাকৰ নিচিনা সুখ
দুঃখৰ ভাগী মানুহহে। যি জনে স্বৰ্গ, পৃথিবী, সাগৰ, আৰু তাৰ মাঝত
থকা সকলোকে সুজিলে, ১৬ আৰু আগৰ কালৰ আটাই দেশৰ মানুহ-
বিলাকক আপোন আপোন পথত চলিবলৈ এৰি দিলে, ১৭ তথাপি তো-
মোলাকৰ হিত কৰি আকাশৰ পৰা বৰষুণ দি শহ হোৱা বতৰ কৰি, খোৱা
বস্তু আৰু আনন্দেৰে তোমোলাকৰ মন তৃপ্তি কৰাই, আপোনাৰ প্ৰমাণ নিদি
নেথাকিল, এনে যি অমৰ ঈশ্বৰ, তোমোলাকে এই মিছা কৰ্ম্ম এৰি তেওঁ-
লৈ যেন মন পালটোৱা, এই নিমিত্তে আমি তোমোলাকত শুভবাত্ৰা কৈ
দিছোঁ। ১৮ এনেকুয়া কথা কলতো সিবিলাকলৈ উচৰ্গা নকৰিবলৈ মানুহক
শ্ৰমেৰেহে নিবাৰণ কৰিব পাৰিলে।

১৯ পাছে আন্তিয়খিয়া আৰু ইকনীয় নগৰৰ পৰা জন চাৰেক য়িহুদি
তালৈ আহি, মানুহবিলাকক অনুমতি দি পৌলক শিলেৰে মাৰিলে।
তাতে তেওঁক মৰিল বুলি জানি, নগৰৰ বাহিৰলৈ টানি নিলে। ২০ কিন্তু
শিষ্যবিলাকে তেওঁৰ চাৰিও ফালে থিয় হৈ থকাত, তেওঁ উঠি নগৰৰ মা-
ঝত সোমাল; আৰু পাছ দিনা বৰ্ণাবাই সৈতে দৰ্ব্বী নগৰলৈ গল।
২১ সেই নগৰতে শুভবাত্ৰা কীৰ্ত্তন কৰি অনেক মানুহক শিষ্য কৰাই,
পাছে লুস্ত্ৰা আৰু ইকনীয় আৰু আন্তিয়খিয়ালৈ উলটি গল। ২২ আৰু
আমি বহু দুঃখেৰে ঈশ্বৰৰ ৰাজ্যত সোমাব লাগিব, এই বুলি বিশ্বাসৰ পথত
থাকিবলৈ উপদেশ দি শিষ্যবিলাকৰ মন থিৰ কৰিলে। ২৩ আৰু প্ৰতি
মণ্ডলীতে বৃদ্ধ লোকক নিযোজন কৰি থৈ, প্ৰাৰ্থনা আৰু লঘোন কৰি যি

প্ৰভুত সিবিলাকে বিশ্বাস কৰিছিল, তেওঁত সিবিলাকক সমৰ্পণ কৰি দিলে।
২৪ পাছে পিচিদিয়া দেশৰ মাজেদি পাম্ফুলিয়া দেশলৈ গৈ, ২৫ পৰ্গা
নগৰত কথা কীৰ্ত্তন কৰিলত আতালিয়া নগৰলৈ গল। ২৬ পাছে তাৰ
পৰা জাহাজ মেলি, সিবিলাকে যি কৰ্ম্ম পূৰ কৰিলে, সেই কৰ্ম্মৰ নিমি-
ত্তে যি নগৰত সিবিলাকক ঈশ্বৰৰ অনুগ্ৰহত নিবেদন কৰি দিয়া হৈছিল,
সেই আন্তিয়খিয়া নগৰলৈ গল। ২৭ তাক পাই মণ্ডলী লোকক চপাই,
ঈশ্বৰে সিবিলাকলৈ যি যি কৰ্ম্ম কৰিলে, আৰু যেনেকৈ তেওঁ বিদেশী মা-
নুহক বিশ্বাসৰ দুৱাৰ মেলি দিলে, এই সকলো কথা কলেহি। ২৮ পাছে
শিষ্যবিলাকৰ লগত সিবিলাক ভালে দিনলৈকে তাতে থাকিল।

## ১৫ অধ্যায়।

পাছে য়িহুদা দেশৰ পৰা জন চাৰেক আহি ভায়েকবিলাকক এই ৰূপে
শিক্ষা দিলে, মোচাৰ বিধানৰ দৰে যদি তোমোলাকৰ চৰ্ম্মছেদন নহয়,
তোমোলাকে পৰিত্ৰাণ পাব নোৱাৰিবা। ২ তাতে পৌল আৰু বৰ্ণাবাই
সিহঁতে সৈতে অনেক বাদ বিচাৰ আৰু বিবেচনা কৰিলত, সেই কথাৰ
নিমিত্তে য়িৰুছালমত থকা পাঁচনি আৰু বৃদ্ধ লোকৰ ওচৰলৈ পৌল, বৰ্ণাবা,
আৰু আন কেতবোৰকো পঠাবলৈ ঠাৱৰ কৰিলে। ৩ তাতে মণ্ডলী লোকে
উপকাৰ কৰি পঠালত, সিবিলাকে ফৈনিকিয়া আৰু চোমিৰোণ দেশেদি
গৈ, বিদেশী লোকৰ মন পালটনৰ বাৰ্ত্তা কৈ ভায়েকবিলাকৰ বৰ আনন্দ
জন্মালে। ৪ পাছে য়িৰুছালম পালত মণ্ডলীৰ লোকে পাঁচনি আৰু বৃদ্ধ-
বিলাকে সৈতে সিবিলাকক গ্ৰহণ কৰিলে। তাতে আপোনাবিলাকলৈ
ঈশ্বৰে যি কৰ্ম্ম কৰিলে, তাৰ কথা সিবিলাকৰ আগত কলে। ৫ কিন্তু বি-
শ্বাস কৰা ফিৰুচি মতৰ কেতবোৰে উঠি কলে, বিদেশী লোকৰ চৰ্ম্মছেদন
কৰা, আৰু মোচাৰ বিধান পালন কৰিবলৈ আজ্ঞা দিয়া উচিত।
৬ তাতে পাঁচনি আৰু বৃদ্ধ লোকে এই কথাৰ বিবেচনা কৰিবলৈ একে
ঠাইতে গোট খাই, অনেক বাদ বিচাৰ হলত পিতৰে উঠি কলে, ৭ হে
ভাইবিলাক, বিদেশী লোকে যেন মোৰ মুখৰ পৰা শুভবাৰ্ত্তা শুনি বিশ্বাস
কৰে, সেই নিমিত্তে ইয়াৰ ভালে দিনৰ আগেএ ঈশ্বৰে মোক মনোনীত
কৰিলে, ইয়াকে তোমোলাকে জানি আছা। ৮ আৰু অন্তৰ্য্যামী ঈশ্বৰে
যেনেকৈ আমাক, তেনেকৈ সিবিলাককো পবিত্ৰ আত্মা দি সিবিলাকলৈ
আপুনি প্ৰমাণ দিলে। ৯ আৰু আমাৰে সিবিলাকৰে মাজত একো
বিশেষ নথৈ, বিশ্বাসেৰে সিবিলাকৰ মন শুচি কৰিলে। ১০ এই হেতুকে
আমাৰ পিতৃবিলাক আৰু আমিও যি যুৱলিৰ ভাৰ সহিব নোৱাৰিলোঁ,
তাকে এতিয়াই শিষ্যবিলাকৰ কানত দি কিয় ঈশ্বৰৰ পৰীক্ষা কৰা?

১১ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহতে আমি পৰিত্ৰাণ পাবলৈ আশা কৰিছোঁ,
সিবিলাকেও সেই দৰে আশা কৰে ।

১২ তেতিয়া বৰ্ণাবা আৰু পৌলৰ হতুৱাই বিদেশী লোকৰ মাঝত ঈশ্বৰে
যি আশ্চৰ্য্যত আৰু বিস্ময় কৰ্ম্ম কৰাইছিল, সেই সকলোকে সিবিলাকে
আপুনি কওঁতে সমূহৰ সকলোএ নিজম দি শুনিলে । ১৩ সিবিলাকে কথা
কৈ এঁটালত য়াকোবে মাত লগাই কলে, হে ভাইবিলাক, মোৰ কথা মন
দি শুনা; ১৪ ঈশ্বৰে আপোনাৰ নামৰ নিমিত্তে বিদেশী লোকৰ মাঝৰ
পৰা এযুম মানুহক গ্ৰহণ কৰিবলৈ প্ৰথমতে যেনেকৈ সিবিলাকলৈ কৃপা
কৰি চালে, তাকে চিমোনে কলে । ১৫ ভবিষ্যত বক্তাবিলাকৰ কথাও তাৰে
সৈতে মিলে, যেনেকৈ লিখা আছে, ১৬ সকলো কৰম সিদ্ধি কৰোঁতা প্ৰভুএ
কৈছে, অৱশেষ মানুহ আৰু যি বিদেশী লোক মোৰ নামেৰে খ্যাতি হয়,
সেই সকলোএ যেন প্ৰভুক বিচাৰে, ১৭ এই নিমিত্তে মই উভতি আহি
দাৱিদৰ পৰি থকা ঘৰ আকও সাজিম, আৰু তাৰ নাশ হোৱাবোৰক তুলি
তাক পুনৰ্ব্বাৰ থিয় কৰিম । ১৮ সৃজনৰ আদিৰে পৰা ঈশ্বৰে আপো-
নাৰ সকলো কৰ্ম্ম জানি আছে । ১৯ এই হেতুকে মোৰ কথা এই, বি-
দেশী লোকৰ মাঝত যিবিলাকে ঈশ্বৰলৈ মন পালটাইছে, সিবিলাকক আৰু
ভাৰ নিদিয়াকৈ, ২০ দেৱতাবোৰৰ অশুচি প্ৰসাদ খোৱা, আৰু বেশ্যালি
কৰ্ম্ম, আৰু টেটু চেপা দি মৰা জন্তু, আৰু তেজ খোৱা, এইবোৰক এৰি-
বলৈ আমি লিখো । ২১ কিয়নো আগৰে পৰা মোচাৰ বিধান কীৰ্ত্তন
কৰা মানুহবিলাক সকলো নগৰত আছে, আৰু বিশ্ৰাম বাৰে বাৰে নাম
ঘৰত তাক পৰ্হে ।

২২ তেতিয়া পাঁচনি আৰু বৃদ্ধ লোকে গোটেই মণ্ডলীএ সৈতে আপো-
নাৰ মাঝৰ পৰা য়িহুদা, যাৰ উপনাম বৰ্ছ্চাবা, আৰু চিলা, ভায়েকবি-
লাকৰ মাঝৰ এই দুই প্ৰধান মানুহক মনোনীত কৰি, পৌল আৰু বৰ্ণা-
বাই সৈতে আন্তিয়খিয়ালৈ পাঁচিবলৈ উচিত জানি, সিবিলাকৰ হাতত এই
পত্ৰ লিখি পঠালে । ২৩ আন্তিয়খিয়া, চুৰীয়া, আৰু কিলিকিয়াত থকা
বিদেশী ভায়েকবিলাকলৈ পাঁচনি, বৃদ্ধ লোক, আৰু ভাই সকলৰ নমস্কাৰ ।
২৪ আমাৰ আজ্ঞা নোপোৱা কোনো মানুহবিলাকে আমাৰ মাঝৰ পৰা
গৈ, তোমোলাকক চৰ্ম্মছেদন আৰু মোচাৰ বিধান পালন কৰিবলৈ শি-
কাই দি, কথাৰে সংশয় লগাই তোমোলাকৰ মন অথিৰ কৰিছে, ইয়াক
আমি শুনিলোঁ । ২৫ এই নিমিত্তে আমি একে আলচেৰে গোট খোৱা হৈ,
২৬ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ নামৰ নিমিত্তে আপোনাৰ প্ৰাণৰ শঙ্কা-
কো এৰি দিয়া, এনে যি আমাৰ ইষ্ট বৰ্ণাবা আৰু পৌল, সিবিলাকৰ
লগত মনোনীত মানুহক তোমোলাকৰ ওচৰলৈ পাচিবলৈ উচিত জানিলোঁ ।
২৭ এই হেতুকে য়িহুদা আৰু চিলাক পঠাইছোঁ, সিবিলাকৰ মুখেই এই

সকলো কথা বুঝিবা। ২৮ দেৱতাৰ প্ৰসাদ, আৰু তেজ, টেট্টু চেপা দি মৰা
জন্তু খোৱা, আৰু বেশ্যালি কৰ্ম্ম, এইবিলাক এৰিব লগিয়া নিষেধ কৰ্ম্মত
বাঝে তোমোলাকৰ ওপৰত আন একো ভাৰ নিদিবলৈ পবিত্ৰ আত্মাই
আৰু আমিও উচিত জানিলোঁ। ২৯ সেইবিলাকৰ পৰা আপোনাক ৰাখি-
লে তোমোলাকে ভাল কৰ্ম্ম কৰা হবা। তোমোলাকৰ কুশল হওক।
৩০ তাৰ পাছে সিবিলাকে বিদায় হৈ আন্তিয়খিয়া নগৰলৈ গৈ, মা-
নুহবোৰক চপাই পত্ৰ দিলে; ৩১ তাক পৰ্হি সান্তনা পোৱাত সিবিলাকৰ
আনন্দ হল। ৩২ য়িহুদা আৰু চিলাই আপুনি ভবিষ্যত বক্তা হৈ ভা-
লেমান কথাৰে উপদেশ দি ভায়েকবিলাকক থিৰ কৰিলে। ৩৩ এই ৰূপে
কেতে দিন থাকি, পাছে ভায়েকবিলাকৰ পৰা পাঁচনিবিলাকৰ ওচৰলৈ
কুশলে উলটি যাবলৈ বিদায় হল। ৩৪ কিন্তু চিলাই তাতে থাকিবলৈ মন
কৰিলে। ৩৫ পৌলো, বৰ্ণাবাও, আন ভালেমানে সৈতে উপদেশ দি ঈশ্ব-
ৰৰ কথা কীৰ্ত্তন কৰি আন্তিয়খিয়াতে থাকিল।
৩৬ কিছু দিনৰ পাছে পৌলে বৰ্ণাবাত কলে, যি যি নগৰত আমি ঈশ্বৰৰ
কথা কীৰ্ত্তন কৰিছিলোঁ, সেই সেই নগৰলৈ আকও গৈ, ভাইবিলাক কে-
নেকৈ আছে, তাকে দেখা দেখি হৈ চাওঁগৈ। ৩৭ তাতে যাৰ প্ৰখ্যাত
নাম মাৰ্ক, সেই য়োহানক লগত লবলৈ বৰ্ণাবাৰ মন আছিল। ৩৮ কিন্তু
তেওঁ পাম্ফুলিয়াত সিবিলাকক এৰি একে লগে কৰ্ম্মলৈ নোযোৱা হে-
তুকে, পৌলে তেওঁক লগ লোৱা অযোগ্য মানিলে। ৩৯ তাতে সিবি-
লাকৰ বৰ বিবাদ হলত ই জনে সি জনে বেলেগ হৈ, বৰ্ণাবাই মাৰ্কক লৈ
কুপ্ৰলৈ জাহাজেৰে গল। ৪০ আৰু পৌলে চিলাক মনোনীত কৰিলে,
পাছে ভায়েকবিলাকে তেওঁক ঈশ্বৰৰ অনুগ্ৰহত সমৰ্পণ কৰিলত বিদায় লৈ,
৪১ চুৰিয়া আৰু কিলিকিয়া দেশে দি মণ্ডলীবিলাকক থিৰ কৰি কৰি
গল।

## ১৬ অধ্যায়।

তাৰ পাছে পৌলে দৰ্ব্বী আৰু লুস্ত্ৰা নগৰ পাই, তাতে দেখা, বিশ্বাস কৰা
এজনী য়িহুদি তিৰোতাৰ পুতেক, যাৰ বাপেক গ্ৰীক মানুহ, এনে তিমথি
নামেৰে এজন শিষ্য আছিল; ২ তেৱেঁ লুস্ত্ৰা আৰু ইকনীয়া নগৰৰ ভায়েক-
বিলাকৰ মাঝত সুযশস্যা পোৱা হৈছিল। ৩ পৌলে তেওঁক লগত লৈ যাব-
লৈ মন কৰি, সেই দেশত থকা য়িহুদিবিলাকৰ কাৰণে তেওঁৰ চৰ্ম্মছেদন
কৰিলে, কিয়নো তেওঁৰ বাপেক গ্ৰীক বুলি সকলোএ জানিলে। ৪ পাছে
সিবিলাকে নগৰবোৰত ফুৰি ফুৰি য়িৰুছালমত থকা পাঁচনি আৰু বৃদ্ধ
লোকে নিশ্চয় কৰা যি আজ্ঞা, সেইবোৰকে পালিবৰ নিমিত্তে মানুহবিলা-

কক দিলে । ৫ তাতে মণ্ডলীৰ লোকে বিশ্বাসেৰে থিৰ হৈ, দিনে দিনে
লেখত বাৰ্হি গল ।
৬ সিবিলাকে ফিৰুগিয়া আৰু গলাতিয়া দেশে দি গলত, পাছে পবিত্ৰ
আত্মাই সিবিলাকক আচিয়া দেশত কথা কীৰ্ত্তন কৰিবলৈ নিষেধ কৰিলে ।
৭ আৰু মুচিয়া দেশ পাই বিথুনিয়ালৈ যাবলৈ ধৰাত, য়ীশুৰ আত্মাই সি-
বিলাকক যাব নিদিলে । ৮ পাছে মুচিয়া দেশ এৰি ত্ৰোৱা নগৰলৈ আ-
হিল । ৯ তাতে পৌলে ৰাতি এই দৰ্শন পালে, এটা মাকেদনিয়া মানুহ
থিয় হৈ বিনয় কৰি তেওঁত কলে, মাকেদনীয়া দেশলৈ পাৰ হৈ আহি
আমাক উপকাৰ কৰা । ১০ তেওঁ এই দৰ্শন পোৱাত, প্ৰভুএ সেই দেশৰ
মানুহৰ আগত শুভ বাত্ৰা কীৰ্ত্তন কৰিবলৈ আমাক মাতিছে, ইয়াকে নিশ্চয়
বুঝি, আমি তেতিয়াই মাকেদনীয়ালৈ যাবলৈ উপায় কৰিলোঁ । ১১ পাছে
ত্ৰোৱাৰ পৰা জাহাজ মেলি পোন বাটে চামথ্ৰাকিলৈ গৈ, পাছ দিনা নিয়া-
পলি নগৰ পালোঁগৈ । ১২ তাৰ পৰা গৈ ৰকৈ নিবাস কৰা যি ফিলিপি
নামেৰে মাকেদনীয়াৰ এভাগৰ প্ৰধান নগৰ, তাকে পাই কেতখনি দিন
সেই ঠাইতে থাকিলোঁ । ১৩ আৰু বিশ্ৰাম বাৰে নগৰৰ পৰা গৈ নৈৰ কো-
ষত যি ঠাইত প্ৰাৰ্থনা কৰা সহজ আছিল, তাতে বহি গোট খোৱা তিৰো-
তাবিলাকৰ আগত কীৰ্ত্তন কৰিলোঁ । ১৪ তাতে থুয়াতিৰা নগৰৰ বেঙ্গেনা
বৰণীয়া কাপৰ বেহেৰুয়া লুদিয়া নামেৰে ঈশ্বৰক সেৱা কৰা এজনী তিৰো-
তাই শুনিলে; পৌলে কোৱা কথা মানিবলৈ ঈশ্বৰে তাইৰ মন মুকলি কৰি-
লে । ১৫ পাছে সেই তিৰোতাই আপোন ঘৰৰ মানুহে সৈতে বুৰ দিওৱা
হৈ বিনয় কৰি কলে, তোমোলাকৰ মনে যদি মই প্ৰভুত বিশ্বাস কৰা
হৈছোঁ, তেন্তে মোৰ ঘৰলৈ আহি থাকাহি, এই ৰূপে তাই যতন কৰি আ-
মাক ৰাখিলে । ১৬ পাছে আমি প্ৰাৰ্থনা ঘৰলৈ যাওঁতে, যি মঙ্গল চাই
আপোনাৰ গৰাকীবোৰক বহু ধন আৰ্জি দিছিল, এনে গণনা কৰা ভূতে
পোৱা এজনী ছোৱালি আহি আমাৰে সৈতে দেখা দেখি হল । ১৭ তাই
পৌল আৰু আমাৰ পাছে পাছে আহি ৰিঙ্গিয়াই এই কথা কলে, এই
মানুহবিলাক সৰ্ব্বোপৰি ঈশ্বৰৰ সেৱক হৈ আমাৰ আগত পৰিত্ৰাণৰ পথ
দেখাইছে । ১৮ সেই ছোৱালিএ ভালেমান দিনলৈ এই ৰূপে কৰিলত,
পৌলে অসন্তোষ পাই ঘূৰি সেই ভূতত কলে, য়ীশু খ্ৰীষ্টৰ নামেৰে তোক
আজ্ঞা দিছোঁ, তাইৰ পৰা বাহিৰলৈ ওলা । ১৯ তাতে সেই ডাঁৰতে ভূত
তাইৰ পৰা বাহিৰ হল । তেতিয়া আপোনাৰ লাভৰ আশা গুছিল দেখি,
তাইৰ গৰাকীহঁতে পৌল আৰু চিলাক ধৰি সোধৰ থানৰ গৰাকীবোৰৰ
ওচৰলৈ টানি আনিলে; ২০ পাছে অধিকাৰবিলাকৰ আগলৈ নি কলে,
আমি ৰূমীয়া মানুহে যি নীতি লব বা আচৰিব নেপাওঁ, ইহঁত য়িহুদি মা-
নুহ হৈ তাকে শিকাই, ২১ আমাৰ নগৰত অতিশয় কন্দল লগাইছে ।

২২ তেতিয়া মানুহ সমূহে সিবিলাকৰ অহিতে উঠিল, আৰু অধিকাৰবোৰে
সিবিলাকৰ কাপৰ বখলিয়াই চাবুকেৰে কোবাবলৈ আজ্ঞা কৰিলে। ২৩ তা-
তে সিবিলাকক ভালেমান কোব মাৰিলত পাছে বন্দীশালত পেলাই, সাৱ-
ধান কৰি ৰাখিবলৈ বন্দীশালৰ ৰখীয়াক আজ্ঞা দিলে। ২৪ সি এনে
আজ্ঞা পাই সিবিলাকক ভিতৰ বন্দীশাললৈ গঁতিয়াই নি কুন্দাত ভৰি সুমাই
ৰাখিলে। ২৫ পাছে মানিশা ৰাতি পৌল আৰু চিলাই ঈশ্বৰলৈ প্ৰাৰ্থনা
কৰি গীত গালে, তাতে বন্দীয়াৰবোৰে সিবিলাকৰ মাত শুনিলে। ২৬ পাছে
অকস্মিতে যিহেৰে বন্দীশালৰ মূলবিলাকো লৰিল, এনে বৰ ভূইকঁপ গল;
তেতিয়াই আটাই দুৱাৰ মুকলি হল, আৰু সকলোৰে বান্ধ সুলকিল। ২৭ তা-
তে বন্দীশালৰ ৰখীয়াই টোপনিৰ পৰা সাৰ পাই বন্দীশালৰ দুৱাৰ মুক-
লি দেখি, বন্দীয়াৰবোৰ পলাল বুলি ভাবি, তৰোৱাল উলিয়াই আপোন
ঘাতী হবলৈ মন কৰিলে। ২৮ কিন্তু পৌলে ৰিঙ্গিয়াই কলে, আমি আ-
টাইবোৰ ইয়াতে আছোঁ; তুমি আপোনাক একো হিংসা নকৰিবা। ২৯ তে-
তিয়া চাকি খুজি ভিতৰলৈ লৰি আহি, কঁপি কঁপি পৌল আৰু চিলাৰ
ভৰিত পৰিল। ৩০ পাছে সিবিলাকক বাহিৰলৈ আনি সুধিলে, হে আতা-
বিলাক, পৰিত্ৰাণ পাবলৈ মই কি কৰিম? ৩১ সিবিলাকে বুলিলে, প্ৰভু
য়ীশু খ্ৰীষ্টত বিশ্বাস কৰা, তেহে তুমি আৰু তোমাৰ ঘৰৰবিলাকো তৰিব।
৩২ পাছে তাত আৰু তাৰ ঘৰৰ সকলোতে সিবিলাকে প্ৰভুৰ কথা কলে।
৩৩ তাতে সি ৰাতিৰ সেই ডাঁৰতে সিবিলাকক লৈ কোবৰ ঘা ধুয়ালে। তে-
তিয়াই তাক আৰু তাৰ ঘৰৰ সকলোকে বুৰ দিওৱা হল। ৩৪ পাছে সি
আপোনাৰ ঘৰলৈ আনি সিবিলাকৰ আগত খোৱা বস্তু দি, ঘৰৰ সকলোএ
সৈতে ঈশ্বৰত বিশ্বাস কৰি আনন্দিত হল।

৩৫ পাছে দিন হলত অধিকাৰবিলাকে টেকেলাবোৰক পঠাই দি কলে,
এই মানুহবোৰক এৰি দে। ৩৬ তাতে বন্দীশালৰ ৰখীয়াই পৌলক সেই
কথা কৈ বুলিলে, তোমোলাকক এৰি দিবলৈ অধিকাৰবিলাকে মানুহ
পঠাইছে, এই নিমিত্তে তোমোলাকে এতিয়া বাহিৰ হৈ কুশলে যোৱা।
৩৭ কিন্তু পৌলে সিহঁতত কলে, ৰুমীয়া মানুহ যি আমি, আমাৰ কোনো
দোষ বিচাৰ নকৰি, আটাইৰে আগত আমাক চাবুকেৰে কোবাই বন্দীশা-
লত থলে, এতিয়া মনে মনে উলিয়াই পাঁছে নে? এনে নহয়, সিবিলাকে
আপুনি আহি আমাক উলিয়াই দিওক। ৩৮ তেতিয়া টেকেলাবোৰে অধি-
কাৰবিলাকত এই কথা কলত সিবিলাক যে ৰুমীয়া মানুহ, ইয়াকে শুনি ভয়
পালে; ৩৯ পাছে আহি সিবিলাকক মিনতি কৰি বাহিৰ উলিয়াই, নগৰৰ
পৰা যাবলৈ প্ৰাৰ্থনা কৰিলে। ৪০ তাতে সিবিলাকে বন্দীশালৰ পৰা বাহিৰ
হৈ লুদিয়াৰ ঘৰত সোমালগৈ; আৰু ভায়েকবিলাকক দেখি, সিবিলাকক
সান্তনা কৰি তাৰ পৰা গল।

## ১৭ অধ্যায়।

পাছে সিবিলাকে আম্ফিপলি আৰু আপলোনিয়া নগৰেদি গৈ, যতে
য়িহুদিবিলাকৰ নাম ঘৰ আছিল, সেই থেচেলনীকী নগৰ পাই, ২ পৌলে
আপোনাৰ আচাৰৰ দৰে সিবিলাকৰ ওচৰলৈ গৈ, তিনি বিশ্ৰাম বাৰত সি-
বিলাকে সৈতে ধৰ্ম্ম পুথিৰ কথা বিবেচনা কৰি, ৩ খ্ৰীষ্টে দুঃখ ভোগ কৰিবলৈ
আৰু মৃত্যুৰ পৰা উঠিবলৈ প্ৰয়োজন আছে, আৰু তোমোলাকৰ আগত
যি য়ীশুৰ কথা কীৰ্ত্তন কৰিছোঁ, তেওঁ যে খ্ৰীষ্ট হয়, এই সকলো কথা
প্ৰকাশ কৰি প্ৰমাণ দিলে। ৪ তাতে সিবিলাকৰ মাঝৰ কেতবিলাক, আৰু
ভালেমান ভকতীয়া গ্ৰীক মানুহ, আৰু অনেক প্ৰধান তিৰোতাই বিশ্বাস
কৰি পৌল আৰু চিলাৰ লগত থাকিল। ৫ কিন্তু য়িহুদিবিলাকে হাটৰ
কেতবোৰ দুষ্ট মানুহ লগত লৈ, সমূহক চপাই নগৰৰ মাঝত হুৰা মূৰা
লগাই য়াচোনৰ ঘৰ বেৰি, পাঁচনিবিলাকক সমূহৰ আগলৈ ধৰি আনিবলৈ
ইচ্ছা কৰিলে। ৬ কিন্তু সিবিলাকক নেপাই, য়াচোন আৰু জন চাৰেক
ভায়েকক নগৰৰ অধিকাৰবিলাকৰ ওচৰলৈ টানি নি ৰিঙ্গিয়াই কলে, এই
যি মানুহবোৰে জগতক লুটিয়াই পেলাইছে, সেইবোৰ ইয়ালৈকো আহিল;
৭ আৰু এই য়াচোনে সিহঁতক আলহিকৈ ৰাখিছে; আৰু য়িশু নামে আন
এজন ৰজা আছে বুলি, সিহঁত সকলোএ কৈচৰৰ আজ্ঞাৰ বিৰোদ্ধ কৰ্ম্ম
কৰে। ৮ সিহঁতৰ এই কথা শুনি মানুহ সমূহৰ আৰু নগৰৰ অধিকাৰ-
বিলাকৰো উগুল থুগুল লাগিল। ৯ তাতে য়াচোন আৰু আনবিলাকেকো
লগা কৰি এৰি দিলে।

১০ পাছে ভায়েকবিলাকে ৰাতিএই পৌল আৰু চিলাক বেৰয়া নগৰলৈ
বেগতে পঠাই দিলে। সিবিলাকে সেই নগৰ পাই য়িহুদিইঁতৰ নাম ঘৰলৈ
গল। ১১ সেই ঠাইৰ লোকবিলাকৰ থেচলনিকিৰ মানুহতকৈ সুমতি আছিল,
কিয়নো সিবিলাকে মনৰ ইচ্ছাৰে কথা গ্ৰহণ কৰি, এয়ে হয় কি নহয়,
তাকে জানিবলৈ ধৰ্ম্ম পুথিত নিতৌ নিতৌ বিচাৰিছিল। ১২ এয়েৰেই
সিবিলাকৰ মাঝৰ বহু মানুহ আৰু অনেক উত্তম গ্ৰীক তিৰোতা মুনিহেও
বিশ্বাস কৰিলে। ১৩ কিন্তু বেৰয়া নগৰত পৌলৰ মুখে ঈশ্বৰৰ কথা কীৰ্ত্তন
হৈছে, ইয়াকে থেচলনীকীৰ য়িহুদিইঁতে জানি তালৈকো আহি মানুহবিলাকক
কুমতি দিলে। ১৪ তেতিয়াই ভায়েকবিলাকে পৌলক সাগৰৰ ফাললৈ
পঠাই দিলে, কিন্তু চিলা আৰু তিমথি সেই ঠাইতে থাকিল। ১৫ পাছে
পৌলক লৈ যোৱাবিলাকে তেওঁক আথিনী নগৰ পোৱালত, চিলা আৰু
তিমথি তেওঁৰ ওচৰলৈ বেগাই আহিবৰ নিমিত্তে পৌলৰ আজ্ঞা পাই, সি-
বিলাক উভতি গল।

১৬ পাছে পৌলে আথিনী নগৰত সিবিলাকলৈ বাট চাই থাকোঁতেই সেই

নগৰ মূৰ্ত্তীৰে ভৰি থকা দেখি তেওঁৰ মনত বিষাদ লাগিল। ১৭ এই হে-
তুকে তেওঁ নাম ঘৰত য়িহুদি মানুহ আৰু ভকতবিলাকে সৈতে আৰু হাটত
যাক যাক দেখা পালে, সিবিলাকে সৈতেও নিতৌ নিতৌ বাদ বিচাৰ কৰি-
লে। ১৮ তাতে এপিকুৰি আৰু স্তয়িকি মতেৰে চলা জন চাৰেক জ্ঞানীএ
তেওঁৰে সৈতে বাদ কৰিলে; আৰু কোনো কোনোএ কলে, ই বক বকাই
কি কব খোজে? আন কোনোএ বুলিলে, এওঁ কোনো বিদেশী দেৱতা
প্ৰখ্যাত কৰোঁতা যেন বুঝিছোঁ; কিয়নো তেওঁ সিবিলাকৰ আগত য়ীশুৰ
আৰু মৃত্যুৰ পৰা উঠানৰ কথা কীৰ্ত্তন কৰিছিলে। ১৯ পাছে সিহঁতে
তেওঁক ধৰি আৰিয়পাগ থানলৈ আনি কলে, এই যি নতুন মত তুমি প্ৰখ্যাত
কৰিছা, সেয়ে কেনে, আমাক বুঝুৱা; ২০ কিয়নো এই যি আশ্চৰিত কথা
আমাৰ কাণত শুনাইছা, ইয়াৰ কি অৰ্থ, তাকে আমি জানিব খোজোঁ।
২১ সেই আথিনীৰ সকলো মানুহে আৰু তাত থকা আলহিবোৰেও কোনো
কোনো ন কথা কোৱা আৰু শুনাত বাঝে আন একো কৰ্ম্ম নকৰি দিন
নিয়াই।

২২ পাছে পৌলে আৰিয়পাগৰ মাঝত থিয় হৈ এই কথা কলে, হে আ-
থিনী মানুহবিলাক, তোমোলাকে সকলো ভাৱে দেও পূজাতে অতিশয় ৰতি
কৰা, ইয়াক মই দেখিছোঁ। ২৩ কিয়নো মই ফুৰোঁতে তোমোলাকৰ সেৱা
কৰা সকলোকে দেখি, অবিদিত ঈশ্বৰলৈ, এনে লিখাৰে এটা হোমৰ ভেঁটি
পালোঁ। এই হেতুকে তোমোলাকে নেজানি যি জনক সেৱা কৰিছা, তেওঁৰ
কথা তোমোলাকৰ আগত কওঁ। ২৪ জগত আৰু তাত থকা সকলো বস্তুকে
সুজোঁতা যি ঈশ্বৰ, তেওঁ স্বৰ্গ আৰু পৃথিবীৰ অধিকাৰ হৈ হাতেৰে সজা
মন্দিৰত নিবাস নকৰে। ২৫ আৰু সকলোকে জীৱন, নিশ্বাস, আৰু আটাই
বস্তু দিএ, এই হেতুকে তেওঁৰ কোনো বস্তুৰ প্ৰয়োজন হোৱাত মানুহৰ হা-
তেৰে সুশ্ৰূষা পাই, এনে নহয়। ২৬ আৰু পৃথিবী গোটেই খনৰ ওপৰত
থাকিবলৈ একে তেজেৰে সকলো জাতৰ মানুহক সুজি, সিবিলাকে প্ৰভুক
কোনো মতে খপিয়াই পাই কি চাই, এই নিমিত্তে তেওঁক বিচাৰিবলৈ সি-
বিলাকৰ নিযোজন কৰা কাল আৰু বসতিৰ সীমা ঠাৱৰ কৰিলে। ২৭ কিন্তু
তেওঁ আমাৰ কাৰো পৰা দূৰ নহয়, কিয়নো আমি তেওঁতে জীছোঁ, লৰি-
ছোঁ, আছোঁ। ২৮ আৰু তোমোলাকৰ মাঝৰো কোনো কবিএ কৈছে,
আমিও তেওঁৰ বঙ্গহ। ২৯ এই হেতুকে যদি আমি ঈশ্বৰৰ বঙ্গহ হওঁ,
তেন্তে মানুহৰ বিদ্যা আৰু বুদ্ধিৰে কটা সোণৰ, ৰূপৰ, শিলৰ যি মূৰ্ত্তি,
ঈশ্বৰ তাৰ নিচিনা বুলি আমি ভাবিব লগিয়া নহয়। ৩০ আগৰ সেই অজ্ঞান
কাল ঈশ্বৰে সহিলে, কিন্তু এতিয়া সকলো ঠাইতে আটাই মানুহক মন পাল-
টাবলৈ আজ্ঞা কৰিছে। ৩১ কিয়নো তেওঁ যি দিনা আপুনি নিযোজন কৰা
মানুহৰ দ্বাৰাই পৃথিবীৰ আটাই মানুহক ধৰ্ম্ম ৰূপে সোধ কৰিব, এনে

এটা দিন নিশ্চয় কৰি থৈছে; আৰু তেওঁক মৃত্যুৰ পৰা তুলি, সকলোৰে
আগত ইয়াৰ প্ৰমাণ দিলে। ৩২ মৃত্যুৰ পৰা তোলাৰ কথা শুনিলত কো-
নো কোনোএ বিগতি কৰিলে, আন কোনোবোৰে বুলিলে, তোমাৰ এই কথা
আন খোনলৈ শুনিম। ৩৩ তাতে পৌল সিবিলাকৰ মাঝৰ পৰা গল।
৩৪ তথাপি কেতবিলাক মানুহে তেওঁৰে সৈতে মিল হৈ বিশ্বাস কৰিলে।
সিবিলাকৰ মাঝত আৰিয়পাগৰ দিয়নুচি, আৰু দামাৰী নামেৰে এজনী
তিৰোতা, আৰু আন কেতবোৰো আছিল।

---

## ১৮ অধ্যায়।

ইয়াৰ পাছত পৌলে আথিনীৰ পৰা গৈ কৰিন্ত নগৰ পালে। ২ সেই কা-
লত ক্লৌদিয়ই য়িহুদি সকলোকে ৰোম নগৰ এৰি যাবলৈ আজ্ঞা কৰাত,
যি জনে আপোনাৰ তিৰোতা প্ৰিস্কিলাই সৈতে অলপ দিনৰ আগেএ ইতা-
লি দেশৰ পৰা আহিছিল, পন্ত দেশত জন্মা আকুলা নামেৰে এনে এজন
য়িহুদি মানুহক দেখা পাই, পৌলে সিবিলাকৰ ওচৰলৈ গল। ৩ সিবি-
লাক তাম্বু ঘৰ সজীয়া মানুহ, পৌলৰো সেই সুকীয়া বিদ্যা দেখি, তেওঁ
সিবিলাকে সৈতে থাকি বন কৰিলে। ৪ আৰু বিশ্ৰাম বাৰে বাৰে নাম
ঘৰলৈ গৈ বাদ বিচাৰ কৰি, য়িহুদি আৰু গ্ৰীকবিলাকক বিশ্বাস কৰালে।
৫ পাছে চিলা আৰু তিমথিএ মাকেদনীয়া দেশৰ পৰা আহিলত, পৌলে
শ্ৰমেৰে কথাত মন দি, য়ীশু যে খ্ৰীষ্ট হয়, ইয়াকে য়িহুদিবিলাকৰ আগত
প্ৰমাণ দিলে। ৬ কিন্তু সিবিলাকে তেওঁৰ বিৰোদ্ধ হৈ নিন্দা কৰিলত, পৌ-
লে আপোনাৰ কাপৰ ঝোকাৰি সিবিলাকত কলে, তোমোলাক নষ্ট হোৱাৰ
দোষ তোমোলাকৰ মূৰতে থাকোক, মই নিৰ্দুষী; এতিয়াৰ পৰা বিদেশী
লোকৰ ওচৰলৈ যাওঁ। ৭ পাছে তেওঁ তাৰ পৰা গৈ নাম ঘৰৰ ওচৰত থকা
জুস্ত নামেৰে ঈশ্বৰক সেৱা কৰা এজনৰ ঘৰত সোমালগৈ; ৮ আৰু নাম
ঘৰৰ প্ৰধান গৰাকী ক্ৰিস্পে আপোনাৰ ঘৰৰ সকলো মানুহে সৈতে প্ৰভুত
বিশ্বাস কৰিলে। আৰু কৰিন্ত নগৰৰ অনেক মানুহে শুনি বিশ্বাস কৰি
বুৰ দিওৱা হল। ৯ পাছে প্ৰভুএ ৰাতি পৌলক দৰ্শন দি কলে, তুমি ভয়
নকৰিবা, নিজম দি নেথাকি কথা কোৱা; ১০ মই তোমাৰ লগতে আছোঁ,
আৰু কুকৰ্ম্ম কৰিবলৈ তোমাক কেৱে নধৰে; কিয়নো এই নগৰত মোৰ
অনেক মানুহ আছে। ১১ পাছে পৌলে তাতে ডেৰ বছৰ থাকি সিবিলা-
কক ঈশ্বৰৰ কথা শিকাই দিলে।

১২ গালিও আখায়া দেশৰ অধিকাৰ হলত, য়িহুদিবিলাকে একে আল-
চেৰে আহি পৌলক ধৰি সোধৰ আসনৰ আগলৈ নি কলে, ১৩ এইটোএ
বিধানৰ বিৰোদ্ধ ৰূপে ঈশ্বৰক ভজিবলৈ মানুহবিলাকক প্ৰবৰ্ত্তাইছে। ১৪ তা-

তে পৌলে উত্তৰ কৰিবলৈ ধৰিলত গালিওএ য়িহুদিবিলাকত কলে, এয়ে
অন্যাই বা দুষ্ট কৰ্ম্মৰ গোচৰ হোৱা হলে, মই তোমোলাকৰ কথা সহিবলৈ
উচিত হলহেঁতেন; ১৫ কিন্তু যদি কেৱল কথা, নাম, বা তোমোলাকৰ বিধা-
নৰ বিচাৰহে হয়, তোমোলাকে আপুনিএই তাক চাবা, মই এনে গোচৰ
নোসোধোঁ। ১৬ তাতে তেওঁ সিবিলাকক সোধৰ আসনৰ পৰা খেদাই
দিলে। ১৭ আৰু গ্ৰীক সকলে নাম ঘৰৰ প্ৰধান গৰাকী চোস্থেনিক ধৰি
সোধৰ আসনৰ আগতেই কোবোৱালে। তথাপি গালিওএ এইবিলাক
কথাত একোলৈকে মন নিদিলে।

১৮ পাছে পৌলে সেই ঠাইতে আৰু ভালে দিন থাকি ভায়েকবিলাকত
বিদায় লৈ, কোনো সঙ্কলপ কৰাৰ কাৰণে কেংক্ৰিয়া নগৰত মূৰ খুৰাই,
প্ৰিস্কিলা আৰু আকুলাই সৈতে জাহাজেৰে চুৰিয়া দেশলৈ গল। ১৯ পাছে
এফেচ নগৰ পাই সিবিলাকক তাতে এৰি থৈ, আপুনি নাম ঘৰত সোমাই
য়িহুদিবিলাকে সৈতে বাদ বিচাৰ কৰিলে। ২০ তাতে সিবিলাকৰ লগত
আৰু কিছু দিন থাকিবলৈ তেওঁত নিবেদন কৰিলে, কিন্তু তেওঁ অমান্তি হৈ
বিদায় কৰি কলে, ২১ এতিয়া যি পৰ্ব্ব হবহি, তাক য়িৰুছালমত পালন
কৰিবলৈ মই অৱশ্যে যাব লগা; কিন্তু ঈশ্বৰৰ ইচ্ছা হলে, তোমোলাকৰ
ওচৰলৈ উলটি আহিম। ২২ এফেচৰ পৰা জাহাজ মেলি কৈচৰিয়া পাই,
পাছে য়িৰুছালমলৈ গৈ মণ্ডলীত নমস্কাৰ কৰি তাৰ পৰা আন্তিয়খিয়ালৈ
গল।

২৩ তাতে দিনা চাৰেক থাকি সেই নগৰৰ পৰা গৈ গলাতিয়া আৰু ফিৰু-
গিয়া দেশ খনতে ক্ৰমেৰে ফুৰি ফুৰি সকলো শিষ্যক থিৰ কৰিলে। ২৪ সেই
কালত চিকন্দৰিয়া নগৰত ওপজা আপলো নামেৰে শাস্ত্ৰ জনা কথকি এজন
য়িহুদি মানুহ এফেচ নগৰলৈ আহিল। ২৫ তেওঁ প্ৰভুৰ পথত শিক্ষা পোৱা
হৈ মনেৰে উৎসাহ কৰি, য়োহানৰ বুৰ দিওৱাকে মাথোন জানি, যতন কৰি
প্ৰভুৰ কথা কৈ উপদেশ দিলে। ২৬ পাছে তেওঁ নাম ঘৰত সাহেৰে কথা
কবলৈ ধৰাত আকুলা আৰু প্ৰিস্কিলাই তেওঁৰ কথা শুনি আপোনাৰ ওচৰ-
লৈ আনি ঈশ্বৰৰ পথ সম্পূৰ্ণ ৰূপে তেওঁক বুজাই দিলে। ২৭ পাছে তেওঁ
আখায়া দেশলৈ যাবৰ মন কৰাত শিষ্যবিলাকে তেওঁক যেন গ্ৰহণ কৰে,
ভায়েকবিলাকে এই কথা লিখি পঠালে। আপলোএ সেই ঠাই পালত যি-
বিলাকে অনুগ্ৰহ পাই বিশ্বাস কৰিছিল, সিবিলাকক ভালেমান উপকাৰ কৰি-
লে। ২৮ আৰু য়িহুদিবিলাকে সৈতে বৰকৈ বাদ বিচাৰ কৰি, য়ীশু যে
খ্ৰীষ্ট হয়, ইয়াকে শাস্ত্ৰৰ প্ৰমাণ দি প্ৰকাশ কৰিলে।

## ১৯ অধ্যায় ।

আপোলো কৰিন্থ নগৰত থকা সময়ত পৌলে ওপৰ দেশে দি গৈ এফেচ
নগৰ পালে । ২ তাতে কেতবোৰ শিষ্যক পাই সিবিলাকত সুধিলে, তো-
মোলাকে বিশ্বাস কৰিলত পবিত্ৰ আত্মা পালা নে? সিবিলাকে কলে, পবিত্ৰ
আত্মা যে আছে, তাক আমি শুনাই নাই । ৩ তেওঁ সিবিলাকত কলে, তেনে
হলে তোমোলাকে কিহলৈ বুৰ দিওৱা হলা? সিবিলাকে কলে, য়োহানৰ
বুৰলৈ বুৰ দিওৱা হলোঁ । ৪ তাতে পৌলে বুলিলে, আপোনাৰ পাছত যি
জন আহিব, তেওঁত অৰ্থাৎ য়ীশু খ্ৰীষ্টত বিশ্বাস কৰিবলৈ য়োহানে উপদেশ
দি, মন পালটনৰ বুৰেৰে মানুহবিলাকক বুৰ দিয়ালে । ৫ এই কথা শুনি
সিবিলাকে প্ৰভু য়ীশুৰ নামেৰে বুৰ দিওৱা হল । ৬ পাছে পৌলে সিবি-
লাকৰ গাত হাত দিলত সিবিলাকৰ ওপৰত পবিত্ৰ আত্মা পৰিল; তাতে
সিবিলাকে অনেক দেশৰ ভাষা আৰু ভবিষ্যত বাক্য কলে, । ৭ সিবিলাক
মুঠে বাৰে জনমান আছিল । ৮ পাছে পৌলে নাম ঘৰত সোমাই বাদ
বিচাৰ কৰি, ঈশ্বৰৰ ৰাজ্যৰ কথা মানুহবিলাকক প্ৰবৰ্ত্তাই, তিনি মাহমান
সাহ দি কৈ আছিলে । ৯ কিন্তু কেতবোৰ মানুহৰ মন কঠিন হৈ যোৱাত
বিশ্বাস নকৰি লোকবিলাকৰ আগতে এই পথক নিন্দা কৰিলত, পৌলে সি-
হঁতৰ ওচৰৰ পৰা গৈ শিষ্যবিলাকক বেলেগ কৰি তুৰাণ নামেৰে এজনৰ
পঢ়াশালীত নিতৌ বাদ বিচাৰ কৰিলে । ১০ এই ৰূপে দুবছৰলৈকে কৰিলত
আচিয়া দেশত থকা সকলো য়িহুদিবিলাকে আৰু গ্ৰীক মানুহেও প্ৰভু য়ীশুৰ
কথা শুনিবলৈ পালে । ১১ আৰু ঈশ্বৰে পৌলৰ হতুৱাই এনে বিস্ময় কৰ্ম্ম
কৰালে, ১২ তেওঁৰ গাৰ পৰা গামোচা বা কাপৰ নৰিয়া মানুহৰ ওচৰলৈ
আনিলত সিবিলাক ৰোগৰ পৰা মুকুত হল, আৰু অশুচি ভূতো সিবিলাকৰ
পৰা বাহিৰ ওলাল ।

১৩ পাছে দেশ ফুৰা কেতবোৰ য়িহুদি ভূতৰ বেজে ভূতে পোৱা মানুহৰ
আগত প্ৰভু য়ীশুৰ নাম জপ কৰিবলৈ ধৰি বুলিলে, যি জনৰ কথা পৌলে
কীৰ্ত্তন কৰিছে, সেই য়ীশুৰ নাম লৈ তোমোলাকক আজ্ঞা দিছোঁ ।
১৪ স্কেৱা নামেৰে এজন য়িহুদি প্ৰধান পোৰোহিতৰ সাত পুতেকে এই ৰূপে
কৰিলত, ১৫ অশুচি ভূতে উত্তৰ কৰিলে, য়ীশুক জানোঁ, পৌলকো চিনোঁ,
কিন্তু তহঁত কোন? ১৬ ইয়াকে বুলি সেই অশুচি ভূতে পোৱা মানুহটে
সিবিলাকৰ ওপৰত ঝাপ মাৰি বলেৰে ঘটাই জিকিল । তাতে সিবিলাকে
নাঙ্গটা আৰু থেতেলা হৈ সেই ঘৰৰ পৰা পলাল । ১৭ পাছে এফেচত
থকা য়িহুদি আৰু গ্ৰীক মানুহবিলাকে এই কথা শুনি সকলোএ ভয় পালে;
আৰু প্ৰভু য়ীশুৰ নামৰ যশস্যা বাৰ্হি গল । ১৮ আৰু যি অনেক মানুহে
বিশ্বাস কৰিলে, সিবিলাক আহি আপুনি কৰা কৰ্ম্ম দেখুঁৱাই গাত ললে ।

১৯ আৰু মায়া কৰ্ম্ম কৰা ভালেমান মানুহে আপোনাৰ পুথী গোটাই আনি
আটাইৰে আগত পুৰি পেলালে। সেই পুথিৰ মূল্য গণিলত আৰ্হে কুৰি
হেজাৰ ৰূপ হল। ২০ এনে মহিমাৰে প্ৰভুৰ কথা বাৰ্হি জয় হল।
২১ এইবিলাক কৰ্ম্ম পূৰ হলত পৌলে মাকেদনিয়া আৰু আখায়া দেশে
দি য়িৰুছালমলৈ যাবৰ মন কৰি কলে, তালৈ যোৱাৰ পাছে মই ৰোম
নগৰকো দেখিব লাগিব। ২২ তেতিয়া আপোনাৰ পৰিচাৰকৰ মাঝৰ
তিমথি আৰু এৰাস্ত, এই দুইকো মাকেদনিয়া দেশলৈ পঁাচি, আপুনি আ-
চিয়া দেশত কিছু দিন থাকিল। ২৩ সেই কালত এই পথৰ কথাত বৰ
হুৰামুৰা লাগিল। ২৪ কিয়নো আৰ্ত্তেমী দেবীৰ ৰূপৰ সৰু দল সাজি
কাৰিকৰবিলাকৰ বৰ লাভ জন্মোৱা, এনে দিমিত্ৰি নামেৰে এটা সোণাৰিএ
সিবিলাকক আৰু একে কাম কৰাবোৰকো মাতি আনি কলে, ২৫ হে মা-
নুহবিলাক, এই কৰ্ম্মেৰে আমাৰ জীবিকা হয়, ইয়াক তোমোলাকে জানা।
২৬ কিন্তু যিবোৰক হাতেৰে সাজে, সেইবোৰ ঈশ্বৰ নহয়, এই পৌলে এনে
কথা কৈ, অকল এফেচত নহয়, প্ৰায় সকলো আচিয়া দেশত প্ৰবৰ্ত্তাই ভা-
লেমান মানুহক অপথে নিলে, ইয়াক তোমোলাকে দেখি শুনি আছা।
২৭ তাতে অকল আমাৰ কৰ্ম্মত হেলা হৈছে, এনে নহয়, আচিয়া দেশ খনকে
আদি কৰি আটাই জগতৰ মানুহে পূজা কৰা যি আৰ্ত্তেমী মহা দেবী, তেওঁৰ
মন্দিৰক হেলা কৰা আৰু তেওঁৰ ঐশ্বৰ্য্যৰো নাশ হোৱাৰ আশঙ্কা আছে।
২৮ এই কথা শুনি সিবিলাকে খঙ্গেৰে পূৰ হৈ ৰিঙ্গিয়াই কলে, এফেচী-
বিলাকৰ আৰ্ত্তেমী মহা দেবী হয়। ২৯ তাতে গোটেই নগৰত খেলিমেলি
লাগিলত, সিবিলাকে গাই আৰু আৰিষ্টাৰ্খ, পৌলৰ লগত ফুৰা মাকেদনী-
য়াৰ এই দুই মানুহক ধৰি নি, একে মনেৰে, ৰঙ্গ ঘৰলৈ লৰি গল।
৩০ তাতে পৌলে মানুহৰ মাঝলৈ যাব খুজিলে, কিন্তু শিষ্যবিলাকে তেওঁক
যাব নিদিলে। ৩১ আৰু আচিয়াৰ অধিকাৰ জন চাৰেকে পৌলৰ মিতিৰ
হৈ তেওঁৰ ওচৰলৈ মানুহ পঠাই, ৰঙ্গ ঘৰলৈ নেযাবা বুলি মিনতি কৰিলে।
৩২ সভাত খেলি মেলি হোৱাত, কোনোবোৰে এই কথা, কোনোবোৰে
আন কথা ৰিঙ্গিয়াই কলে, আৰু কি কাৰণে একে ঠাই হল, তাক সৰহ
ভাগে নেজানিলে। ৩৩ পাছে য়িহুদি লোকে চিকন্দৰক আগকৈ পঠালত,
মানুহবিলাকে তেওঁক সমূহৰ মাঝৰ পৰা বাহিৰ কৰি দিলে। তাতে চিকন্দৰে
হাত টাৰ্বাৰ কৰি উত্তৰ কৰিব খুজিলে। ৩৪ কিন্তু তেওঁ যে য়িহুদি মানুহ
ইয়াকে বুঝি, এফেচীবিলাকৰ আৰ্ত্তেমী মহা দেবী হয়, এই কথা বুলি দুই
ঘৰি মানলৈ আটাইবোৰৰ একে মাতেৰে এৰাও উঠিল। ৩৫ পাছে নগৰৰ
অধিকাৰে সমূহক থিৰ কৰি কলে, হে এফেচী মানুহবিলাক, আৰ্ত্তেমী মহা
দেবী, আৰু জুপিতৰৰ পৰা যি মূৰ্ত্তি পৰিল, তেওঁৰ পূজা এফেচ নগৰৰ
সকলোএ কৰে, ইয়াক নজনা মানুহ কোন আছে? ৩৬ এইবিলাকৰ বিৰে দ্ধে

কোনেও কথা কব নোৱাৰে দেখি, তোমোলাকে থিৰ হৈ, নিবিচৰাকৈ
একো কৰ্ম্ম কৰিব লগিয়া নহয়; ৩৭ কিয়নো এই যি মানুহবোৰক তো-
মোলাকে ইয়ালৈ আনিছা, সিবিলাক মন্দিৰৰ চোৰ, বা তোমোলাকৰ দে-
বীকে নিন্দা কৰাবোৰ, এনে নহয় । ৩৮ এতেকে কোনো মানুহৰ ওপৰত
দিমিত্রিৰ আৰু তাৰ লগৰ কাৰিকৰবিলাকৰ যদি কোনো কথা থাকে,
তেন্তে মেল পাতি আছে, মুক্তিয়াৰো আছে, সিবিলাকে উত্তৰ প্ৰত্যুত্তৰ
কৰোক । ৩৯ কিন্তু আন কোনো কথাৰ যদি সোধ আছে, আজ্ঞাৰ দৰে
পতা মেলত তাৰ সিদ্ধি হব । ৪০ কিয়নো এই সমূহ গোট খোৱাৰ উত্তৰ
যে কৰিব পাৰোঁ, এনে কোনো কাৰণ নোহোৱাত, আজিৰ হুৰা মুৰাৰ
নিমিত্তে আমাকে সোধ কৰিবৰ শঙ্কা আছে । ৪১ ইয়াকে বুলি তেওঁ সমূহক
বিদায় দিলে ।

## ২০ অধ্যায় ।

সেই হুৰা মুৰা গুছিলত পৌলে শিষ্যবিলাকক মাতি আশ্বাস কৰি আপুনি
মাকেদনিয়া দেশলৈ যাবলৈ ধৰিলে । ২ পাছে সেই ঠায়ে দি ফুৰি শিষ্য-
বিলাকক অনেক উপদেশ দি গ্ৰীক দেশ পালেগৈ । ৩ তাতে তিনি মাহ
থাকি চুৰিয়া দেশলৈ যাবৰ উপায় কৰিলে, কিন্তু য়িহুদিইঁতে তেওঁক মাৰি-
বলৈ খাপ দি থকাত তেওঁ আকও মাকেদনিয়াই দি উভতি যাবৰ মন
কৰিলে । ৪ তেতিয়া বেৰয়া নগৰৰ পূৰ্হৰ পুতেক চোপাত্ৰ, আৰু থেচলনীকীৰ
আৰিষ্টাৰ্খ, আৰু চেকুণ্ড, দৰ্ব্বী নগৰৰ গাই আৰু তিমথি, আচিয়া দেশৰ
তুখিক আৰু ত্ৰফিম, এই সকলো তেওঁৰ লগত আচিয়া দেশলৈ গল ।
৫ সিবিলাক আগ হৈ ত্ৰোৱা নগৰত আমালৈ বাট চাই থাকিল । ৬ পাছে
ফেনি নোহোৱা পিঠা খাবৰ দিন গলত আমি ফিলিপি নগৰৰ পৰা জা-
হাজেৰে গৈ, পাঁচ দিনে ত্ৰোৱা নগৰত সিবিলাকক পাই তাতে সাত দিন
থাকিলোঁ । ৭ সপ্তাহৰ প্ৰথম দিনত শিষ্যবিলাকে পিঠা ভাঙ্গিবলৈ গোট
খোৱাত পৌলে পাছ দিনা যাবৰ আশয়েৰে সিবিলাকক উপদেশ দি ৰা-
তিৰ মানিশালৈকে কথা কৈ আছিল । ৮ আৰু ওপৰৰ যি খোঁটালিত
সিবিলাকে গোট খাইছিলে, তাতে অনেক চাকি আছিল । ৯ পাছে উতুখ
নামেৰে এটা ডেকাই খিলিকি দুৱাৰত বহি বৰ টোপনি আহিল; আৰু
পৌলে ভালেমান বেলিলৈকে কীৰ্ত্তন কৰোঁতে, ভৰ ঘুমটিএ ধৰাত সি তিনি
খাপৰ ওপৰৰ পৰা তললৈ পৰিলত, মৰাকে ধৰি তুলিলে । ১০ পাছে
পৌলে নামি গৈ, তাৰ গাত পৰি আঁকোৱাল মাৰি কৈ কলে, তোমোলা-
কে শোক নকৰিবা, ইয়াৰ প্ৰাণ গাতে আছে । ১১ পাছে তেওঁ আকও
ওপৰলৈ গৈ পিঠা ভাঙ্গি খায়, বহু বেলি ৰাতি পুৱালৈকে কথা বাত্ৰা কৈ

গলগৈ। ১২ আৰু সিবিলাকে সেই জীওৱা ডেকাক আনি বৰ সন্তোষ
পালে।
১৩ পাছে আমি আগ হৈ আচ নগৰত পৌলক তুলি লবৰ আশয়েৰে
জাহাজ মেলি সেই ঠাইলৈ গলোঁগৈ; কিয়নো তেওঁ খোজ কাঢ়ি যাবৰ মন
হোৱাত সেই ৰূপে ঠাৱৰ কৰিছিল। ১৪ আচ নগৰত আমি তেওঁক পাই
তুলি লৈ, মিতুলিনি মাজুলীলৈ আহিলোঁ। ১৫ তাৰ পৰা জাহাজ মেলি
পাছ দিনা খিয় মাজুলীৰ সন্মুখ হলোঁ, আৰু তাৰ পৰা এদিনে চাম মাজু-
লীলৈ গৈ ত্ৰোগুলিয়তে থাকি পাছ দিনা মিলিত নগৰ পালো। ১৬ পৌলে
আচিয়া দেশত দিন নিনিয়াই এফেচ নগৰ এৰি যাবলৈ নিশ্চয় কৰিলে,
কিয়নো তেওঁ যদি পাৰে, পঞ্চাশ দিনৰ মুৰৰ পৰ্ব্বলৈ য়িৰুছালম পাবলৈ
যতন কৰিলে।
১৭ পাছে পৌলে মিলিতৰ পৰা এফেচলৈ মানুহ পঠাই মণ্ডলীৰ বৃদ্ধ
লোকক মতাই অনালে। ১৮ সিবিলাকে তেওঁৰ ওচৰ পালত তেওঁ এই কথা
কলে, মই আচিয়ালৈ অহাৰ প্ৰথম দিনৰে পৰা তোমোলাকৰ লগত থাকি,
১৯ নিশ্চয় নম্ৰ মন আৰু চকুৰ লোএৰে, আৰু য়িহুদিবিলাকে খাপ দিয়াৰ
নিমিত্তে অনেক পৰীক্ষা পোৱাতো যেনেকৈ প্ৰভুৰ সেৱা কৰিলোঁ, তাক
তোমোলাকে জানা। ২০ আৰু তোমোলাকত কোনো হিত কথা লুকাই
নেৰাখিলোঁ, কিন্তু প্ৰকাশ ৰূপেৰে তাকে কীৰ্ত্তন কৰি ঘৰে ঘৰে উপদেশ
দি, ২১ ঈশ্বৰলৈ মন পালটোৱা আৰু প্ৰভু য়ীশু খ্ৰীষ্টত বিশ্বাস কৰাৰ
প্ৰয়োজনৰ প্ৰমাণ দি আছিলোঁ। ২২ আৰু দেখা, মই এতিয়া আত্মাই
নিয়াত য়িৰুছালমলৈ গৈছোঁ; তাত মোৰ কি ঘটিব নেজানোঁ, ২৩ তথাপি
মই বন্ধন আৰু দুখ পোৱাহে হব, ইয়াকে পবিত্ৰ আত্মাই নগৰে নগৰে
প্ৰমাণ দি আছে। ২৪ কিন্তু মই ইয়াক একো যেন নেমানোঁ, আৰু ঈশ্বৰৰ
অনুগ্ৰহৰ শুভবাত্ৰা প্ৰমাণ দিবলৈ প্ৰভু য়ীশুৰ পৰা যি সেৱাৰ ভাৰ পালো
সেই সেৱা সিদ্ধি হবলৈ আৰু আনন্দেৰে আপোন কৰ্ম্ম পূৰ কৰিবলৈ
মোৰ প্ৰাণকো প্ৰিয় বুলি নেমানোঁ। ২৫ আৰু এতিয়া দেখা, যিবিলাকৰ
মাঝত মই ঈশ্বৰৰ ৰাজ্যৰ কীৰ্ত্তন কৰি ফুৰিলোঁ, সেই তোমোলাকে আকও
মোৰ মুখ দেখিবলৈ নোপোৱা, ইয়াকো মই জানোঁ। ২৬ এই হেতুকে
সকলৰো প্ৰাণৰ পৰা মই নিৰ্দুষী, ইয়াৰ সাক্ষী তোমোলাকক আজি লৈছোঁ;
২৭ কিয়নো তোমোলাকক ঈশ্বৰৰ আটাই উপদেশ দিবলৈ মই এঁৰা নাই।
২৮ এয়েৰেই তোমোলাকে আপোনালৈ আৰু পবিত্ৰ আত্মাই যি ঝাকৰ
ওপৰত তোমোলাকক ৰক্ষক পাতিলে, সেই সকলো ঝাকলৈকো সাৱধান
হৈ, ঈশ্বৰে আপোনাৰ তেজেৰে যি মণ্ডলীক কিনিলে, তাক প্ৰতিপাল কৰা।
২৯ কিয়নো মই যোৱাৰ পাছে দুৰ্জন ৰাঙ্গ কুকুৰবোৰে ঝাকক একো দায়া
নকৰি তোমোলাকৰ মাঝত সোমাব; ৩০ আৰু তোমোলাকৰো মানুহ ওলাই

শিষ্যবিলাকক আপোনাৰ ফালে শৰণ লোৱাই নিবলৈ অপথৰ উপদেশ
দিব, ইয়াকে মই জানোঁ। ৩১ এতেকে তোমোলাকে পৰ দি থাকা, আৰু
মই যে চকুৰ লোএৰে তিনি বছৰলৈ দিনে ৰাতিএ প্ৰতি জনক সাৱধান
কৰাবলৈ এৰাই নাই, তাকো সোঁৱৰা। ৩২ এতিয়া হে ভাইবিলাক, তো-
মোলাকক থিৰ ৰূপে সাজিব পৰা, আৰু পবিত্ৰ কৰাবিলাকৰ মাজত ভাগ
দিব পৰা যি ঈশ্বৰ, তেওঁলৈ আৰু তেওঁৰ অনুগ্ৰহৰ বাক্যলৈ তোমোলাকক
নিবেদন কৰি দিছোঁ। ৩৩ কাৰো ৰূপ, বা সোণ, বা কাপৰত মই লোভ
কৰা নাই; ৩৪ কিন্তু মোৰ আৰু লগৰ মানুহৰ প্ৰয়োজনলৈ মোৰ এই
হাতে উপায় কৰিলে, ইয়াক তোমোলাকে জানা। ৩৫ এই ৰূপে তোমো-
লাকে দুখিয়াবিলাকৰ উপকাৰলৈ শ্ৰম কৰা উচিত, আৰু লোৱাতকৈ দিয়া
ভাল, এই যি কথা প্ৰভু য়ীশুএ কৈছিলে, তাক সুঁৱৰিব লগা, এই সকলো
কথা মই তোমোলাকৰ আগত আৰ্হি দেখালোঁ। ৩৬ এই কথা কৈ তেওঁ
আঁঠু পাৰি সকলোএ সৈতে প্ৰাৰ্থনা কৰিলে। ৩৭ তাতে সিবিলাকে কান্দি
কান্দি পৌলৰ ডিঙ্গিত ধৰি চুমা দি, ৩৮ মোৰ মুখ আকও দেখিবলৈ
নোপোৱা, এই যি কথা তেওঁ কলে, তাৰ কাৰণে অধিক খেদ কৰি তেওঁক
জাহাজলৈ আগ বঢ়াই থলে।

## ২১ অধ্যায়।

আমি সিবিলাকৰ পৰা বিদায় হৈ, পাল তৰি পোন বাটেদি কো মাজু-
লীলৈ আহি, পাছ দিনা ৰদ মাজুলী পালোঁ; ২ আৰু তাৰ পৰা পাতা-
ৰালৈ গৈ, তাতে ফৈনিকীয়ালৈ যোৱা এখান জাহাজ পাই, তাতে উঠি
পাল তৰি গলোঁ। ৩ পাছে কুপ্ৰ মাজুলী দেখি তাক বাঁও হাতে এৰি
চুৰিয়া দেশলৈ গৈ চোৰ নগৰত ৰলোঁ, কিয়নো তাতে জাহাজৰ ভৰা তুলিব
লগা হৈছিল। ৪ তাতে শিষ্যবিলাকক দেখা পাই আমি সাত দিন থাকি-
লত, য়িৰুছালমলৈ যেন নেযাই, সিবিলাকে আত্মাৰ দ্বাৰাই পৌলত এই কথা
কলে। ৫ সেই সাত দিন গলত আমি তাৰ পৰা ওলাই যাওঁতে সিবিলাক
সকলোএ লৰা তিৰোতাই সৈতে নগৰৰ বাহিৰলৈকে আমাক আগ বঢ়ালত,
সাগৰৰ তীৰত আঁঠু পাৰি প্ৰৰ্থনা কৰিলোঁ। ৬ পাছে ইটে সিটে আশ্বাস
কৰিলত আমি জাহাজত উঠিলোঁ, সিবিলাকো আপোন আপোন ঘৰলৈ
উভতি গল।

৭ পাছে আমি চোৰ নগৰৰ পৰা গৈ তলমাই নগৰ পোৱাত সাগৰৰ বাটৰ
অন্ত পৰিল। সেই ঠাইতে ভাইবিলাকক নমস্কাৰ কৰি এদিন সিবিলাকৰ
লগত থাকিলোঁ। ৮ পাছ দিনা আমি গৈ কৈচৰীয়া নগৰ পাই, সাত জন
সেৱকৰ মাজৰ শুভ বাত্ৰা কীৰ্ত্তন কৰা যি ফিলিপ, তেওঁৰ ঘৰত সোমাই

থাকিলোঁ। ৯ সেই জনৰ বিয়া নোহোৱা চাৰি জণী জিএক ভবিষ্যত বক্তা
আছিল। ১০ সেই ঠাইতে আমি ভ লে দিন থাকিলত য়িহুদা দেশৰ পৰা
আগাব নামেৰে এটা ভবিষ্যত বক্তা আহিল। ১১ তেওঁ আমাৰ ওচৰ পাই,
পৌলৰ টঙ্গালি লৈ আপোনাৰ হাত ভৰি বান্ধি কলে, পবিত্ৰ আত্মাই
এই কথা কৈছে, যাৰে এই টঙ্গালি, সেই মানুহক য়িৰুছালমত য়িহুদি-
বিলাকে এই ৰূপে বান্ধি বিদেশী লোকৰ হাতত সোধাই দিব। ১২ এই
কথা শুনি আমি আৰু সেই নগৰৰ মানুহেও য়িৰুছালমলৈ নেযাবলৈ পৌ-
লক মিনতি কৰিলোঁ। ১৩ তাতে তেওঁ উত্তৰ কৰিলে, তোমালোকে কান্দি
কান্দি মোৰ হৃদয় বিদাৰি কি কৰিছা? প্ৰভু য়ীশুৰ নামৰ কাৰণে য়িৰু-
ছালমত কেৱল বান্ধ লবলৈ নহয়. মৰিবলৈকো যুগুত হৈ আছোঁ। ১৪ তেওঁ
আমাৰ কথা নোলোৱাত, প্ৰভুৰ যেই ইচ্ছা সেয়ে হওক. ইয়াকে বুলি আমি
নিজম দি থাকিলোঁ। ১৫ তাৰ পাছে আমাৰ সমল গোটাই লৈ য়িৰুছালমলৈ
গলোঁ; ১৬ আৰু কৈচৰীয়া নগৰৰ পৰা জন চাৰেক শিষ্য আমাৰ লগত
আহি নাচোন নামেৰে কুপ্ৰ দেশী যি বুৰা শিষ্যেৰে সৈতে আমি আলহি
থাকিব লগা, তেওঁৰ ওচৰলৈকে আমাক নিলেগৈ।

১৭ আমি য়িৰুছালম পালত ভাইবিলাকে আনন্দেৰে আমাক গ্ৰহণ কৰি-
লে। ১৮ পাছ দিনা সকলো বৃদ্ধ লোক যতে একে ঠাই হল, পৌলে আমিএ
সৈতে য়াকোবৰ ওচৰলৈ তালৈকে গল; ১৯ আৰু সিবিলাকক নমস্কাৰ কৰি
বিদেশী লোকৰ মাঝত তেওঁৰ কীৰ্ত্তনেৰে ঈশ্বৰে যি যি কৰ্ম্ম কৰিলে, তাৰ
কথা সিবিলাকৰ আগত ক্ৰমেৰে কলে। ২০ তাকে শুনি সিবিলাকে প্ৰভুক
প্ৰশংসা কৰি এই কথা কলে, হে ভাই, য়িহুদিবিলাকৰ মাঝত কতক হে-
জাৰ মানুহে বিশ্বাস কৰি আছে, আৰু সকলোএ বিধানতে উৎসাহী হৈছে.
ইয়াকে তুমি দেখিছা। ২১ কিন্তু লৰা চৰ্ম্মছেদন কৰাকে আদি কৰি আ-
চাৰৰ দৰে প্ৰবৰ্ত্তিবলৈ তুমি যে নিষেধ কৰি, বিদেশী লোকৰ মাঝত থকা
য়িহুদি লোকক মোচাৰ ধৰ্ম্ম এৰিবলৈ শিকাইছা. তোমাৰ অৰ্থে এই কথা
সিবিলাকে শুনিলে। ২২ এতেকে কি কৰা যাব? কিয়নো তুমি অহাৰ
বাত্ৰা পাই মানুহবিলাকে অৱশ্যে গোট খাই আহিব। ২৩ এই হেতুকে
আমি যি কওঁ, তুমি তাক কৰা। ২৪ সঙ্কলপ কৰা আমাৰ যি চাইটা মা-
নুহ আছে, সিবিলাকক লৈ একে লগে আপোনাক শুচি কৰা, আৰু মূৰ
খুৰাবলৈ সিবিলাকৰ যি হানি হয়, তাক তুমি দিয়া। তাতে তোমাৰ অৰ্থে
যি যি অপকথা শুনিলে, তাৰ একো নহয়, কিন্তু তুমি আপুনি প্ৰবৰ্ত্তনেৰে
বিধান ৰাখি আছা, ইয়াকে সকলোএ জানিব। ২৫ কিন্তু বিদেশী বিশ্বাসী
লোকৰ অৰ্থে হলে, সিবিলাকে এনে একো কথা নেমানি, কেৱল দেৱতাৰ
প্ৰসাদ, আৰু তেজ, ডিঙ্গিত চেপা দি মৰা জন্তু খোৱা, আৰু বেশ্যালী
কৰ্ম্মৰ পৰা আপোনাক ৰাখিবলৈ, ইয়াক নিশ্চয় কৰি আমি পত্ৰ লিখি

পঠালোঁ । ২৬ তাতে পৌলে সেই মানুহবিলাকক লৈ, পাছ দিনা সিবিলাকে
সৈতে আপোনাক শুচি কৰি মন্দিৰত সোমাই, গাইপতি সিবিলাকৰ নি-
মিত্তে উচৰ্গ কৰিবলৈ শুচি কৰাৰ সময় পূৰ হবৰ দিন কৈ দেখালে ।
২৭ কিন্তু সেই সাত দিন প্ৰায়ে পূৰ হলত, আচিয়া দেশত থকা য়িহুদি-
বিলাকে তেওঁক মন্দিৰত দেখি সমূহ সকলোকে কুমতি দি তেওঁক ধৰি
ৰিঙ্গিয়াই কলে, ২৮ হে ইস্ৰাএলৰ মানুহ সকল, সহায় হোৱা; যি মানুহে
এই লোকবিলাক, বিধান, আৰু এই থানৰ বিৰোদ্ধ কথা আটাই ঠাইতে
সকলো লোকক শিকাইছে, সেয়ে এই । তাত বাঝেও সি গ্ৰীক মানুহক
মন্দিৰলৈ আনি এই পবিত্ৰ থানকে অশুচি কৰিলে । ২৯ কিয়নো সিহঁতে
নগৰৰ মাঝত ত্ৰফিম নামেৰে এটা এফেচী মানুহক পৌলৰ লগত দেখি,
পৌলে তাক মন্দিৰৰ ভিতৰলৈ আনিছিলে বুলি ভাবিলে । ৩০ এই হেতু-
কে নগৰ গোটেই খনত হুৰা মুৰা হোৱাত মানুহবোৰে একে লগে লৰি
আহি, পৌলক ধৰি মন্দিৰৰ পৰা বাহিৰলৈ টানি আনিলে, আৰু তে-
তিয়াই দুৱাৰবোৰ মাৰিলে । ৩১ পাছে সিহঁতে তেওঁক মাৰিবলৈ যতন
কৰোঁতেই য়িৰুছালম গোটেই খনত খেলিমেলি লাগিছে, এই বাত্ৰা হুজৰ
হাজৰকিয়াই শুনি, ৩২ তেতিয়াই সেনাই সৈতে সয়কিয়াবিলাকক লগত লৈ
সিহঁতৰ ওচৰলৈ বেগাই গল । তাতে সিহঁতে হাজৰকিয়া আৰু সেনাবোৰক
দেখি, পৌলক মাৰকিল কৰিবলৈ এৰিলে । ৩৩ পাছে হাজৰকিয়া ওচৰ-
লৈ আহি তেওঁক ধৰি, দুডাল শিকলিৰে বান্ধিবলৈ আজ্ঞা কৰিলে; পাছে
সুধিলে, এইটো কোন, আৰু কি নো কৰিলে? ৩৪ তাতে সমূহৰ কোনো
কোনোএ ই কথা কোনো কোনোএ আন কথা ৰিঙ্গিয়া ৰিঙ্গিকৈ কোৱাত,
হুৰামুৰাৰ কাৰণে তেওঁ তাৰ একো নিশ্চয় নেপাই, পৌলক ঘৰ কাৰেঙ্গৰ
ভিতৰলৈ নিবলৈ আজ্ঞা কৰিলে । ৩৫ পাছে জখলাত উঠাত মানুহবিলাকৰ
ঠেলা ঠেলিৰ নিমিত্তে সেনাবোৰে পৌলক তুলি নিছিল । ৩৬ তাতে
মানুহবোৰে পাছত গৈ ৰিঙ্গিয়াই ৰিঙ্গিয়াই কলে, তাক নিয়কগৈ ।
৩৭ পাছে পৌলক ঘৰ কাৰেঙ্গৰ ভিতৰলৈ আনিবলৈ ধৰাত তেওঁ হাজৰ-
কিয়াত কলে, আপোনাৰ আগত মই কিছু কথা কবলৈ পাম নে? তাতে
হাজৰকিয়াই সুধিলে, তুমি গ্ৰীক কথা কব পাৰা নে? ৩৮ মিছৰ দেশৰ যি-
টো মানুহে ইয়াৰ আগেয়ে এৰাও কৰি, বধ কৰা চাৰি হেজাৰ মানুহক
লগত লৈ হাবিলৈ গৈছিল, সেইটো তুমি নোহোৱা নে? ৩৯ তেতিয়া পৌলে
কলে, মই কিলিকিয়া দেশৰ তাৰ্ছ নগৰৰ য়িহুদি মানুহ, সামান্য নগৰৰ
মানুহ নহওঁ । এই হেতুকে বিনয় কৰিছোঁ, মানুহবিলাকৰ আগত মোক
কথা কবলৈ দিয়া । ৪০ তেওঁ অনুমতি দিলত, পৌলে জখলাৰ ওপৰত থিয়
হৈ হাত টাৰ্বাৰ কৰাত সকলোএ নিজম দি থাকিল ।

## ২২ অধ্যায় ।

তেতিয়া পৌলে ইব্রী ভাষাৰে মাত লগাই কলে, হে ভাই আৰু পিতৃবি-
লাক, এতিয়া তোমোলাকৰ আগত মই যি নিবেদন কৰোঁ, তাক মন দি শুনা ।
২ তেতিয়া তেওঁ ইব্রী ভাষাৰে কথা কবৰ শুনি সিবিলাকে অতি নিজম
দিলত, তেওঁ কলে, ৩ মই স্বৰূপ য়িহুদি মানুহ; কিলিকিয়া দেশৰ তাৰ্চ্ছ
নগৰত মোৰ ওপজা ঠাই, কিন্তু এই নগৰত পোষণ পালন হৈ গমিলিএলৰ
চৰণত ওপৰ পিতৃবিলাকৰ বিধানৰ পূৰ মতেৰে শিক্ষা পালোঁ, আৰু এতিয়া
তোমোলাকে যেনে ৰূপ হৈছা, ময়ো সেই ৰূপে ঈশ্বৰলৈ উৎসাহী হৈ আ-
ছিলোঁ । ৪ আৰু এই পথলৈ হিংসা কৰি মুনিহ তিৰোতাকো বান্ধি বন্দী-
শালত থৈ, সিহঁতক মৰণলৈকে তাৰণা কৰিলোঁ । ৫ বৰ পোৰোহিত আৰু
বৃদ্ধ লোকৰ সমূহো মোৰ এই কথাৰ সাক্ষী হৈছে । সেইবিলাকৰে পৰা
দামেচক নগৰৰ ভাইবিলাকলৈ আজ্ঞা পত্র লৈ, যিবোৰ সেই ঠাইতে বন্দী
হৈ আছিলে, সিহঁতক দণ্ড কৰিবৰ নিমিত্তে য়িৰুছালমলৈ আনিবলৈ গৈ-
ছিলোঁ । ৬ কিন্তু বাটত গৈ গৈ দামেচকৰ ওচৰ পালত, দুপৰমান বে-
লিত অকস্মিতে আকাশৰ পৰা বৰ পহৰ মোৰ চাৰিও ফালে প্রকাশ
হল । ৭ তাতে মই মাটীত পৰিলত, হে চৌল, হে চৌল, মোক কিয় তা-
ৰণা কৰিছা? মোলৈ এনে এক বাণী হোৱা শুনিলোঁ । ৮ তাতে মই সমি-
ধান দিলোঁ, হে প্রভু, আপুনি কোন? তেওঁ কলে, তুমি যি জনক তাৰণা
কৰিছা, সেই নাচৰীয়া য়ীশু মই । ৯ আৰু মোৰ লগৰ মানুহেও পহৰ
দেখি ভয় হল, কিন্তু মোলৈ কোৱা জনৰ কথাৰ বুঝ নেপালে । ১০ পাছে
মই সুধিলোঁ, হে প্রভু, মই কি কাৰম? তাতে প্রভুএ মোত কলে, উঠি
দামেচক নগৰত সোমোৱা আৰু তুমি কৰিব লগা যি যি নিযোজন আছে,
সেই আটাই কথা তাতে তোমাত কোৱা যাব ১১ সেই পহৰৰ মহিমাৰ
কাৰণে মই নেদেখা হোৱাত, লগৰ মানুহৰ হাতত ধৰি দামেচকৰ ভিত-
ৰলৈ আহিলোঁ । ১২ পাছে সেই নগৰত থকা সকলো য়িহুদিৰ মাঝত
যশস্যা হোৱা, এনে বিধানৰ মতৰ হনানিয়া নামেৰে এজন ভকত আহি,
১৩ মোৰ আগত থিয় হৈ কলে, হে ভাই চৌল, চকুএ দেখা হোৱা ।
সেই ডাঁৰতে মই তেওঁলৈ চাই দেখা পালোঁ । ১৪ পাছে তেওঁ মোত কলে, তুমি
যেন ঈশ্বৰৰ আশয় জানা, আৰু ধৰ্ম্মী জনক দেখা পাই তেওঁৰ মুখৰ কথা
শুনা, এই নিমিত্তে আমাৰ ওপৰ পিতৃবিলাকৰ ঈশ্বৰে তোমাক মনোনীত
কৰি থলে । ১৫ কিয়নো যি যি দেখিলা শুনিলা, আটাই মানুহৰ আগত
তেওঁলৈ তাৰ সাক্ষী হবা । ১৬ আৰু এতিয়া কিয় পলম কৰিছা? উঠা, আৰু
প্রভুৰ নামত প্রার্থনা কৰি বুৰ দিওৱা হৈ আপোনাৰ পাপ ধুই পে-
লোৱা । ১৭ তাৰ পাছে য়িৰুছালমলৈ উভতি গলত মন্দিৰৰ ভিতৰত প্রার্থ-

না কুৰোঁতে মূৰ্চ্ছিত হলোঁ। ১৮ তাতে মোক প্ৰভুএ দেখা দি কলে, তুমি
বেগতে যিৰুচালেমৰ পৰা যোৱা, কিয়নো সিবিলাকে মোৰ অৰ্থে তোমাৰ
প্ৰমাণ নলব। ১৯ তেতিয়া মই কলোঁ, হে প্ৰভু, মই যে তোমাৰ বিশ্বাসী
মানুহক বন্দীশালত থৈ, আৰু সকলো নাম ঘৰত কোবাই আছিলোঁ;
২০ আৰু তোমাৰ সাক্ষী স্তিফানৰ তেজ উলিওৱাৰ কালত মই আপুনি ওচ
ৰত থিয় হৈ মাৰিবলৈ সন্মতি দি তেওঁক মৰাবিলাকৰ কাপৰ ৰাখিছিলো-
ইয়াক সিবিলাকে জানি আছে। ২১ তাতে তেওঁ কলে, যোৱা, তোমাক,
দূৰৈলৈ বিদেশী লোকৰ কোষৰলৈ পঁাচিম।

২২ এই খিনিলৈকে পৌলৰ কথা শুনি সিহঁতে ৰিঙ্গ মাৰি কলে, এনে
মানুহক ভূলোকৰ পৰা দূৰ কৰা, ই জীয়াই থাকিবই নেপাই। ২৩ ইয়াকে
বুলি সিহঁতে আপোনাৰ কাপৰ পেলাই ওপৰলৈ ধূলী সিঁচিলত, ২৪ হাজৰ-
কিয়াই পৌলক ঘৰ কাৰেঙ্গৰ ভিতৰলৈ নিবলৈ আজ্ঞা কৰিলে, আৰু তেওঁৰ
অহিতে মানুহবিলাকে কিহৰ নিমিত্তে এনে ৰাও কৰিছে, ইয়াকে বুঝিব-
লৈ তেওঁক চাবুকেৰে মাৰি সুধিব দিলে। ২৫ পাছে তেওঁক ৰৰটিৰে বান্ধি-
বলৈ ধৰোতে পৌলে আগত থকা শইকিয়াত কলে, দোষ নপৰাকৈ ৰুমিয়া
মানুহক তুমি মাৰিব পোৱা নে? ২৬ শইকিয়াই এই কথা শুনি হাজৰকিয়াৰ
কোষৰলৈ গৈ কলে, তুমি যি কৰিব খোজা, তালৈ সাৱধান হোৱা, কিয়-
নো সি ৰুমিয়া মানুহ। ২৭ তেতিয়া হাজৰকিয়াই আহি তেওঁত সুধিলে’
তুমি ৰুমীয়া মানুহ হোৱা নে, মোত কোৱা। তেওঁ কলে, হওঁ। ২৮ হাজৰ-
কিয়াই সমিধান দি কলে, মই ভালেমান ধন ভৰিহে এই বিষয় পালোঁ।
পৌলে বুলিলে, মই উপজিএই পালোঁ। ২৯ এই হেতুকে যিবিলাকে তেওঁক
সোধ পোচ কৰিবলৈ ধৰিছিল, সিবিলাকে তেতিয়াই তেওঁৰ ওচৰৰ পৰা
গুছি গল; আৰু হাজৰকিয়াই তেওঁক ৰুমিয়া মানুহ বুলি জানি, আপুনি
যে তেওঁক বান্ধিছিল, তাৰ কাৰণে ভয় কৰিলে। ৩০ পাছ দিনা যিহুদিবি-
লাকে পৌলক কি অপবাদ দিছিলে, তাৰ নিশ্চয় জানিবৰ মনেৰে হাজৰ-
কিয়াই তেওঁৰ বান্ধ মেলি প্ৰধান পোৰোহিতবিলাক আৰু ধৰ্ম্ম মেলৰ সক-
লোকে আহিবলৈ আজ্ঞা কৰি, পৌলক নমাই আনি সিবিলাকৰ আগত
থলে।

## ২৩ অধ্যায়।

পাছে পৌলে মেললৈ একে ঠৰে চাই কলে, হে ভাই সকল, আজিলৈকে
নিশ্চয় অকুটিল মনেৰে ঈশ্বৰৰ আগত আচাৰ প্ৰবৰ্ত্তি আছোঁ। ২ তাতে
হনানিয়া নামেৰে বৰ পোৰোহিতে ওচৰৰ মানুহক তেওঁৰ মুখত চৰ মাৰিবলৈ
আজ্ঞা কৰিলে। ৩ তেতিয়া পৌলে তেওঁত কলে, হে বগাকৈ লিপা গৰ,

ঈশ্বৰে তোমাকহে মাৰিব; কিয়নো বিধানৰ দৰে মোৰ সোধ কৰিবলৈ
বহি, সেই বিধানৰ বিৰোদ্ধে মোক মাৰিবলৈ আজ্ঞা দিছা নে? ⁴ তাতে
ওচৰৰ মানুহে কলে, তুমি ঈশ্বৰৰ বৰ পোৰোহিতক নিন্দা কৰিছা নে?
⁵ পৌলে উত্তৰ কৰিলে, হে ভাইবিলাক, এওঁ যে বৰ পোৰোহিত, তাক
মই বুঝা নাই; কিয়নো তুমি আপোন মানুহৰ অধিকাৰলৈ কুবাক্য নুবু-
লিবা, এনে লিখা আছে। ⁶ পাছে পৌলে সিহঁতৰ এভাগ ফিৰুচি এভাগ
চিদুকি দেখি মেলৰ মাঝত ৰিঙ্গিয়াই কলে, হে ভাই সকল, মই ফিৰুচি
মানুহ, আৰু ফিৰুচিৰ পুতেক; মৰাবিলাক উঠিবৰ আশাৰ নিমিত্তে মই
সোধত পৰিলোঁ। ⁷ এনে কথা কোৱাত ফিৰুচি আৰু চিদুকি মানুহৰ
মাঝত দন্দ লাগিলত সমূহ দুফাল হল। ⁸ কিয়নো চিদুকি মানুহে মৰাবি-
লাকৰ উঠান, আৰু স্বৰ্গৰ দূত, আৰু আত্মা, এইবিলাক নাই বুলি কয়,
কিন্তু ফিৰুচি লোকে সকলোকে সৈ কাৰ্হে। ⁹ তাতে বৰ এৰাও হলত
ফিৰুচিৰ ফলীয়া অধ্যাপকবিলাকে উঠি বিবাদ কৰি কলে, আমি এইটো
মানুহৰ একো দোষ নেপাওঁ; যদি কোনো আত্মা নাইবা দূতে তেওঁত কথা
কোৱা হয়, তেন্তে আমি ঈশ্বৰৰ বিৰোদ্ধে ৰণ নকৰোঁহঁক। ¹⁰ তাতে অতি-
শয় দন্দ হলত, সিহঁতে পৌলক ডোখৰ ডোখৰ কৰিব যেন ভাবি, হাজৰ-
কিয়াই তালৈকে যাবলৈ আৰু সমূহৰ মাঝৰ পৰা পৌলক কাৰ্হি আনি ঘৰ
কাৰেঙ্গৰ ভিতৰত থবলৈ সেনাবোৰক আজ্ঞা কৰিলে।
¹¹ পাছে সেই ৰাতি প্ৰভুএ তেওঁৰ ওচৰত থিয় হৈ কলে, হে পৌল,
নিৰ্ভয় হোৱা, কিয়নো য়িৰুছালমত যেনেকৈ মোৰ অৰ্থে প্ৰমাণ দিছিলা,
ৰোম নগৰতো সেই ৰূপে প্ৰমাণ দিব লাগিব। ¹² পাছে দিন হলত কেত-
বোৰ য়িহুদি লোকে এক আলচ হৈ, পৌলক নেমাৰোঁ মানে আমি
খোৱা বোৱা নকৰোঁ, এই শপতেৰে আপোনাকে বান্ধিলে। ¹³ সেই
শপত কৰা মানুহ দুকুৰিতকৈ অধিক। ¹⁴ পাছে সিহঁতে প্ৰধান পোৰোহিত
আৰু বৃদ্ধ লোকৰ কোষৰলৈ গৈ কলে, আমি পৌলক নেমাৰোঁ মানে একো
নেখাওঁ, এনে দৃঢ় অঙ্গীকাৰেৰে শপত কৰি আপোনাক বান্ধিলোঁ; ¹⁵ এই
হেতুকে এতিয়া তোমোলাকে মেলে সৈতে তাৰ কোনো বিশেষ সোধ কৰি-
বৰ ছলেৰে কাইলৈ তোমোলাকৰ ওচৰলৈ তাক আনিবলৈ হাজৰকিয়াৰ আ-
গত জনাবা, তাতে সি তোমোলাকৰ ওচৰ পোৱাৰ আগেএ আমি তাক মা-
ৰিবলৈ সাষ্টম হৈ আছোঁ। ¹⁶ তেতিয়া পৌলৰ ভাগিনিএকে সিহঁতৰ
এই খাপ দিয়া শুনি, ঘৰ কাৰেঙ্গত সোমাই পৌলত কলেহি। ¹⁷ তে-
তিয়া পৌলে এটা শইকিয়াক মাতি কলে, হাজৰকিয়াৰ আগত এই ডেকা মা-
নুহৰ কিবা নিবেদন কৰিবলৈ আছে, এই নিমিত্তে তেওঁৰ আগলৈ ইয়াক
লৈ যোৱা। ¹⁸ তাতে সি তাক লগত লৈ হাজৰকিয়াৰ কোষৰলৈ গৈ
কলে, আপোনাৰ আগত এই ডেকা মানুহৰ কিবা কথা কবলৈ আছে,

এই নিমিত্তে বন্দীয়াৰ পৌলে মোক মাতি আপোনাৰ ওচৰলৈ ইয়াক
আনিবলৈ প্ৰাৰ্থনা কৰিলে। ১৯ তেতিয়া হাজৰকিয়াই তাৰ হাতত ধৰি
নিৰ্জ্জান ঠাইলৈ নি সুধিলে, মোত কবলৈ তোমাৰ কি কথা আছে? ২০ সি
বুলিলে, য়িহুদিবিলাকে পৌলৰ কোনো বিশেষ সোধ কৰিবৰ ছলেৰে তেওঁক
কাইলৈ মেললৈ আনিবলৈ আপোনাৰ আগত নিবেদন কৰিবলৈ আলচিছে;
২১ কিন্তু তুমি সিইঁতৰ কথা নলবা, কিয়নো সিইঁতৰ দুকুৰিতকৈ অধিক
মানুহে পৌলক নেমাৰে মানে খোৱা বোৱা নকৰিবলৈ শপত কৰি আপো-
নাক বান্ধি, তেওঁলৈ খাপ দি সাষ্টম হৈ থাকি, এতিয়া অকল তোমাৰ
অনুমতি পাবলৈহে বাট চাই আছে। ২২ তেতিয়া হাজৰকিয়াই সেই ডেকাক
পঠাই দি কলে, এই কথা তুমি মোত কোৱা বুলি কাতো নকবা। ২৩ পাছে
হাজৰকিয়াই দুটা শইকিয়া মাতি এই আজ্ঞা কৰিলে, তোমোলাকে এপৰ
ৰাতি হোৱাত কৈছৰীয়া নগৰলৈ যাবলৈ দুশ সেনা, আৰু ঘোঁৰাৰ চিপা-
হি আচাৰি কুৰি, আৰু বৰচা ধৰা দুশ মানুহ যুগুত কৰা; ২৪ আৰু
পৌলক তুলি ফিলিক অধিকাৰৰ ওচৰলৈ বিঘিনি নোহোৱাকৈ নিবৰ নি-
মিত্তে বাহনকো উপায় কৰা। ২৫ পাছে এই ৰূপে পত্ৰ লিখি দিলে,
২৬ মহা মহিম শ্ৰীযুত ফিলিক অধিকাৰলৈ ক্লৌদিয় লুচিয়াৰ নমস্কাৰ।
২৭ য়িহুদি লোকে এই মানুহক ধৰি আপুনি মাৰিবলৈ উপায় কৰাত মই
হুজে সৈতে গৈ, সি ৰুমীয়া মানুহ হেন বুঝ পাই, তাক ৰাখি আনিলোঁ।
২৮ পাছে কি নিমিত্তে সিইঁতে তাক অপবাদ দিছে, ইয়াক জানিবৰ মন
কৰি সিইঁতৰ মেলৰ আগলৈ আনিলোঁ। ২৯ তাতে প্ৰাণ মৰাৰ বা লোৱা
দিয়াৰ যোগ্য কোনো বাদ তেওঁক দিয়া নাই, কেৱল সিইঁতৰ বিধান বিচা-
ৰৰ কোনো কথাত দোষ ধৰা যেন জানিলোঁ। ৩০ কিন্তু য়িহুদিবিলাকে
তালৈ খাপ দি আছে, ইয়াৰে বুঝ পাই তোমাৰ ওচৰলৈ তাক পঁাচি, তাৰ
গুচৰীয়াবিলাককো তোমাৰ আগত তাৰ কথা কবলৈ আজ্ঞা কৰিলোঁ।
তোমাৰ মঙ্গল হওক।

৩১ পাছে সেনাবিলাকে আজ্ঞাৰ দৰে ৰাতিতে পৌলক লৈ আন্তিপাত্ৰি
নগৰলৈ আনিলে। ৩২ পাছ দিনা তেওঁৰ লগত যাবলৈ ঘোঁৰাৰ চিপাহিক
এৰি দি সিইঁতে ঘৰ কাৰেঙলৈ উভতি গল। ৩৩ পাছে ঘোঁৰাৰ চিপাহি-
বিলাকে কৈছৰীয়া নগৰ পাই অধিকাৰৰ হাতত পত্ৰ দি তেওঁৰ আগত
পৌলকো দেখাই থলে। ৩৪ তেতিয়া অধিকাৰে সেই পত্ৰ পৰ্হি সুধিলে,
ই কোন থলৰ মানুহ? পাছে কিলিকীয়াৰ মানুহ বুলি জানিলত তেওঁ
কলে, ৩৫ তোমাৰ গুচৰীয়াবোৰো আহিলেহে তোমাৰ কথা শুনিম। আৰু
তেওঁক হেৰোদ ৰজাৰ কাৰেঙ্গত ৰাখিবলৈ আজ্ঞা কৰিলে।

## ২৪ অধ্যায়।

পাঁচ দিনৰ মুৰত বৰ পোৰোহিত হনানিয়াই অধিকাৰৰ আগত পৌলৰ
বিৰোদ্ধে কথা কবলৈ তর্তুল নামেৰে এজন কথকি আৰু বৃদ্ধবিলাকক লগত
লৈ আহিল। ২ তাতে পৌলক মাতি আনিলত তর্তুলে তেওঁক অপবাদ
দি কব ধৰিলে, হে মহা মহিম ফিলিক, আপোনাৰ নিমিত্তে আমি অতি
সান্তনা পাই আছোঁ, আৰু আপোনাৰ সজ পালনেৰে এই দেশৰ অনেক
মঙ্গল ঘটি আছে, ৩ আমি তোমাৰ এই উপকাৰ জানি সকলো খনতে
সদায় আপোনাৰ গুণ গাই থাকোঁ। ৪ কিন্তু আপোনাক আৰু পলম যেন
নকৰাওঁ, আপুনি অনুগ্ৰহ কৰি আমাৰ অলপ কথা শুনোক, ইয়াকে নি-
বেদন কৰিছোঁ। ৫ এই মানুহটো বৰ দুষ্ট, নাচৰীয়া কুমতৰ প্ৰধান লোক
হৈ আটাই জগতত থকা য়িহুদি সকলোকে ৰাজ দ্ৰোহলৈ অনুমতি দি,
৬ মন্দিৰ অশুচি কৰিবলৈ ধৰা তাক পাই, আমি আপোনাৰ বিধানৰ
মতে সোধ কৰিবলৈ মন আছিল। ৭ কিন্তু লুচিয়া হাজৰকিয়া আহি বৰ
বলেৰে আমাৰ হাতৰ পৰা কাঢ়ি লৈ, ৮ তাৰ গুচৰীয়াবিলাকক আপো-
নাৰ ওচৰলৈ আহিবলৈ আজ্ঞা কৰিলে। তাক আপুনি সোধ পোচ কৰি-
লে, আমি যিহৰ অৰ্থে তাক অপৰাধী কৰিছোঁ, সেই সকলোকে আপুনি
বুজিব। ৯ তাতে য়িহুদিবিলাকেও একে আলচেৰে তেওঁক দোষ পেলাই,
এই কথা হয় বুলি কলে।

১০ পাছে অধিকাৰে পৌলক কবলৈ ইঙ্গিত কৰিলত, তেওঁ উত্তৰ দি কলে,
আপুনি এই দেশৰ সোধৰ অধিকাৰ অনেক বছৰৰ পৰা হৈছে, ইয়াকে
জানি আনন্দ মনেৰে মোৰ কথাত উত্তৰ কৰোঁ। ১১ মই ভজিবলৈ য়িৰু-
চালমলৈ যাবৰ আজি বাৰে দিন মাথোন হল, ইয়াকে আপুনি জানিব
পাৰে। ১২ আৰু সিহঁতে মোক মন্দিৰত কাৰেও সৈতে বাদ বিচাৰ কৰি-
বৰ, নাইবা নাম ঘৰত বা নগৰতেই মানুহবিলাকক কুমতি দিবৰ দেখিলে,
এনে নহয়; ১৩ আৰু এতিয়া যি যি অপবাদ মোক দিছে, তাৰ একো প্ৰমাণ
দিব নোৱাৰে। ১৪ কিন্তু তোমাৰ আগত মই ইয়াকে সৈ কাঢ়োঁ, বিধান
আৰু ভবিষ্যত বাক্যত যি যি লিখা আছে সেই সকলতো বিশ্বাস কৰি, যি
পথক সিবিলাকে কুমত বোলে, সেই পথৰ দৰে মই ওপৰ পিতৃবিলাকৰ
ঈশ্বৰক সেৱা কৰোঁ; ১৫ আৰু ধৰমী অধৰমী এই দুবিধ মৰাবিলাকৰ
উঠান হব, এই যি কথা সিহঁতে আপুনি সৈ কাঢ়ে, মই ঈশ্বৰত তাকেহে
আশা কৰোঁ। ১৬ এই কথাতে ঈশ্বৰ আৰু মানুহৰ আগত যেন মনেৰে
নির্দুষী হওঁ, এই নিমিত্তে সদায় যতন হৈ আছোঁ। ১৭ আৰু অনেক বছ-
ৰৰ মুৰত মই আপোনাৰ দেশৰ মানুহলৈ দান আনিবলৈ আৰু উচৰগ
কৰিবলৈ আহিলোঁ। ১৮ তাতে মানুহৰ যুমতো নহয়, হুৰামুৰাতো নহয়,

আপোনাক শুচি কৰোঁতে আচিয়া দেশৰ কেতবোৰ য়িহুদি মানুহে মন্দি-
ৰৰ মাঝত মোক পালে । ১৯ সিহঁতে মোৰ অহিতে যদি কোনো কথা
কবলৈ আছে, তেন্তে তোমাৰ ওচৰলৈ আহি আপুনি প্ৰমাণ দিব পাই;
২০ নতুবা প্ৰধান মেলৰ মানুহৰ আগত থাকোঁতে, মৰাবিলাকৰ উঠানৰ
নিমিত্তে মই আজি তোমোলাকৰ সোধত পৰিলোঁ, সিহঁতৰ মাঝত থিয়
হৈ এই যি এটি কথা মই ৰিঙ্গিয়াই কলোঁ, ২১ তাত বাঝে মোৰ গাত
আৰু কি দোষ পালে, এই মানুহবিলাকে আপুনি কওক ।

২২ এই কথা শুনিলত ফিলিকে আগতকৈ সেই পথৰ বিশেষ বুঝ পাই,
সিহঁতক আন দিনলৈ ৰাখি থৈ বুলিলে, লুচিয়া হাজৰকিয়া আহিলে
তোমোলাকৰ গোচৰ নিশ্চয় কৰিম । ২৩ পাছে বন্ধন নোহোৱাকৈ পৌ-
লক ৰাখি, মিতিৰক তেওঁৰ আল ধৰিবলৈ বা ওচৰলৈ আহিবলৈ হাক
যেন নিদিব, শইকিয়াক এনে আজ্ঞা কৰিলে ।

২৪ দিন চাৰেকৰ পাছে ফিলিক আৰু য়িহুদা দেশী দ্ৰুচীলা নামেৰে আ-
পোনাৰ ভাৰ্য্যা দুয়ো আহি পৌলক মাতি আনি, তেওঁৰ মুখৰ পৰা খ্ৰীষ্টৰ
ধৰ্ম্মৰ কথা শুনিলে । ২৫ যেতিয়া তেওঁ ন্যায়, ইন্দ্ৰিয় দমন, আৰু ভবি-
ষ্যত সোধ, এইবিলাকৰ কথা কলত ফিলিকে কঁপিব ধৰি সমিধান দিলে,
এতিয়া হলে যোৱা, মই আজৰি পালে পাছে তোমাক মতাই আনিম ।
২৬ আৰু পৌলে আপোনাক মেলিবৰ নিমিত্তে মোক ধন দিব, এই
আশা কৰি ঘনে ঘনে তেওঁক মতাই আনি কথোপকথন কৰিলে । ২৭ কিন্তু
দুইবছৰৰ পাছত পৰ্কিয় ফিষ্টে ফিলিকৰ বিষয় পালত, ফিলিকে য়িহুদি-
বিলাকক সন্তোষ কৰিবলৈ ইচ্ছা কৰি পৌলক বন্দীয়াৰতে থৈ গল ।

## ২৫ অধ্যায় ।

ফিষ্ট সেই ৰাজ্যলৈ আহি তিন দিনৰ পাছত কৈচৰীয়াৰ পৰা য়িৰুছালমলৈ
গল । ২ তাতে বৰ পোৰোহিত আৰু য়িহুদিবিলাকৰ প্ৰধান মানুহে তেওঁৰ
আগত পৌলক অপবাদ দিলে; ৩ আৰু বাটতে খাপ দি পৌলক মাৰি-
বৰ আশয়েৰে ফিষ্টে যেন তেওঁৰ অহিতে সিবিলাকক অনুগ্ৰহ কৰি তেওঁক
য়িৰুছালমলৈ অনাব, ইয়াকে প্ৰাৰ্থনা কৰি কলে । ৪ কিন্তু ফিষ্টে উত্তৰ
দি বুলিলে, পৌলক কৈচৰীয়াত ৰাখিব, আৰু অলপ দিনৰ পাছতে মই
আপুনি তালৈকে যাম । ৫ তাতে যদি সেই মানুহৰ কোনো জগৰ জাতি
আছে, তোমোলাকৰ মাঝৰ যি কেই জনে পাৰে, মযে সৈতে গৈ তাৰ
হাদৰ পদ প্ৰমাণ দিওক । ৬ পাছে সিবিলাকৰ লগত আঠ দহ দিনতকৈ
অধিক নেথাকি তেওঁ কৈচৰীয়ালৈ গৈ, পাছ দিনা সোধৰ আসনত বহি-
এই পৌলক আনিবলৈ আজ্ঞা কৰিলে । ৭ পাছে পৌল আহিলত য়িৰু-

ছালমৰ পৰা অহা য়িহুদিবিলাকে তেওঁৰ চাৰিও ফালে থিয় হৈ তেওঁক
অনেক অনেক বৰ বাদ দিলে; কিন্তু তাৰ একো প্ৰমাণ দেখাব নোৱা-
ৰিলে। ৮ তাতে পৌলে আপোনাৰ অৰ্থে উত্তৰ কৰি কলে, য়িহুদিবিলা-
কৰ বিধানৰ, বা মন্দিৰৰ, বা কৈচৰৰ বিৰোদ্ধেই মই একো দোষ কৰা
নাই। ৯ কিন্তু ফিষ্টে য়িহুদিবিলাকক সন্তোষ কৰাহৰ মনেৰে সন্নিধান
দি পৌলত কলে, তুমি য়িৰুছালমলৈ গৈ তাতে মোৰ আগত সোধ পোচ
কৰাবলৈ ইচ্ছা আছে নে? ১০ তাতে পৌলে বুলিলে, যতে মোৰ সোধ
কৰিবলৈ উচিত, কৈচৰৰ এনে সোধৰ আসনৰ আগতে মই আছোঁ।
য়িহুদিবিলাকক মই একো দোষ কৰা নাই, ইয়াক আপুনি ভালকৈ জানি
আছে। ১১ মই কোনো অপৰাধ বা মৰাৰ যোগ্য কৰ্ম্ম যদি কৰা হয়,
তেন্তে মৰিবলৈকো অমান্তি নহওঁ। কিন্তু সিবিলাকে মোক যিবোৰ অপ-
বাদ দিছে, সেয়ে যদি স্বৰূপ নহয়, তেন্তে সিহঁতৰ হাতত মোক সোধাই
দিবলৈ কাৰো শক্তি নাই। কৈচৰৰ আগত সোধ হবলৈ নিবেদন কৰোঁ।
১২ তেতিয়া ফিষ্টে মন্ত্ৰীবিলাকে সৈতে আলচ কৰি পৌলত কলে, কৈচৰৰ
আগত তোমাৰ সোধ হবলৈ নিবেদন কৰিছা নে? তেন্তে কৈচৰৰ আগলৈ
যাবা।

১৩ দিন চাৰেকৰ পাছত আগ্ৰিপা ৰজা আৰু বৰ্ণিকিএ ফিষ্টে সৈতে দেখা
দেখি হবলৈ কৈচৰীয়া নগৰলৈ আহিল। ১৪ সিবিলাকে তাতে অনেক
দিন থাকিলত ফিষ্টে ৰজাৰ আগত পৌলৰ কথা জনালে, বোলে, ফিলিকে
বন্দীকৈ থৈ যোৱা এটা মানুহ ইয়াত আছে। ১৫ যেতিয়া মই য়িৰুছালমত
আছিলোঁ, তেতিয়া প্ৰধান পোৰোহিতবিলাক আৰু য়িহুদি বৃদ্ধ লোকে
তাক বাদ দি, তাৰ অহিতে দণ্ডৰ আজ্ঞা দিয়াব খুজিলে। ১৬ তাতে মই
উত্তৰ কৰিলোঁ, বন্দীয়াৰটে গুচৰীয়াই সৈতে হাদুৰা হাদূৰি কৰি আপো-
নাক দিয়া যি বাদ, তাৰ উত্তৰ কৰিবলৈ নোপোৱাকৈ কোনো মানুহৰ
প্ৰাণ মাৰিবৰ নিমিত্তে সোধাই দিয়া, ৰূমীয়া লোকৰ এনে দস্তুৰ নহয়।
১৭ এই হেতুকে সিবিলাকে ইয়ালৈ আহিলত, পলম নকৰাকৈ পাছ দিনাই
সোধৰ আসনত বহি সেই মানুহক আনিবলৈ আজ্ঞা কৰিলোঁ। ১৮ পাছে
বাদ দিয়াবোৰে তাৰ অহিতে উঠি, মই যি বাদ বুলি ভাবিছিলোঁ, এনে
একো বাদ নিদি, ১৯ সিহঁতৰ আপোনাৰ প্ৰবৰ্ত্তনিৰ অৰ্থেৰে, আৰু পৌলে
যাকে জীয়াই আছে বুলিছিল, এনেকুয়া য়ীশু নামেৰে এজন মৃত্যু হোৱা
মানুহৰ অৰ্থেৰে কেতবোৰ বিচাৰৰ কথা তাৰ অহিতে কবলৈ ধৰিলে।
২০ তাতে মই এনেকুয়া বিচাৰৰ কথাত সংশয় লাগি কলোঁ, তুমি য়িৰুছা-
লমলৈ গৈ এই কথাবোৰৰ সোধ কৰাবাগৈ নে? ২১ তেতিয়া পৌলে মহা
ৰজাৰ আগত সোধ হবৰ নিমিত্তে আপোনাক ৰাখিবলৈ প্ৰাৰ্থনা কৰিলত,
মই কৈচৰলৈ নেপাঁচোঁমানে তাক ৰাখিবলৈ আজ্ঞা কৰিলোঁ। ২২ তেতি-

য়া আগ্রিপাই ফিষ্টত কলে, মোৰো সেই মানুহৰ কথা শুনিবৰ মন আছে ।
তাতে ফিষ্টে কলে, কাইলৈ তুমি তাৰ কথা শুনিবলৈ পাবা ।
২৩ পাছ দিনা আগ্রিপা আৰু বর্ণিকিএ বৰ প্ৰতাপেৰে আহি হাজৰকিয়া-
বোৰ আৰু নগৰৰ প্ৰধান মানুহবিলাকে সৈতে সোধ কৰা ঠাইতে সোমালত-
হি, ফিষ্টৰ আজ্ঞাৰে পৌলক আনিলে । ২৪ তেতিয়া ফিষ্টে কলে, হে আগ্রি-
পা ৰজা, হে আগত থকা লোক সকল, য়িৰুছালমত আৰু ইয়াতো য়িহুদি-
বিলাকে যি মানুহৰ অর্থে মোৰ আগত নিবেদন কৰি এটাহ পাৰি কৈ-
ছিলে, ই আৰু জীয়াই থকা উচিত নহয়, সেই মানুহক তোমোলাকে দে-
খিছা । ২৫ কিন্তু ই প্ৰাণ মৰাৰ যোগ্য একো দোষ কৰা নাই, মই ইয়াকে
জানিলোঁ; তথাপি সি আপুনি মহা ৰজাৰ আগত সোধ কৰাবলৈ প্ৰাৰ্থনা
কৰিলত, তেওঁৰ ওচৰলৈ তাক পঠিয়াবলৈ নিশ্চয় কৰিলোঁ; ২৬ কিন্তু আ-
মাৰ প্ৰভুৰ তলৈ লিখিবলৈ তাৰ কথাৰ একো নিশ্চয় নেপালোঁ । তাৰ
বিচাৰ কৰিলে পাছে যেন মই লিখি পঠাবলৈ কিছু উয়াদিহ পাওঁ, এই
নিমিত্তে তোমোলাকৰ আগলৈ, আৰু হে আগ্রিপা ৰজা, বিশেষকৈ তোমাৰ
আগলৈকো ইয়াক আনিলোঁ । ২৭ কিয়নো কোনো বন্দীয়াৰক যি যি
বাদ দিয়া হয়, সেইবোৰ নিলিখাকৈ তাক পঠিয়াবলৈ মোৰ মনে অনুচিত
যেন দেখো ।

## ২৬ অধ্যায় ।

তেতিয়া আগ্রিপাই পৌলত কলে, তোমাক আপোনাৰ কথা কবলৈ অনু-
মতি দিয়া হৈছে । ২ তাতে পৌলে হাত মেলি আপোনাৰ কাৰণে উত্তৰ
কৰিলে, হে আগ্রিপা ৰজা, যিহৰ নিমিত্তে য়িহুদিবিলাকে মোক অপবাদ
দিছে, তাৰ সকলো কথা আপোনাৰ আগত জনাবলৈ পাই, মোৰ সুভাগ্য
যেন মানিছোঁ । ৩ কিয়নো য়িহুদিবিলাকৰ মাজত যিবিলাক ৰীতি আৰু
বিচাৰ আছে, সেই সকলোতে আপুনি নিপুন আছে, এই নিমিত্তে বিনয়
কৰিছোঁ, আপুনি সহনীয় ৰূপে মোৰ নিবেদন শুনোক । ৪ য়িৰুছালমত
থাকি মই আপোন দেশৰ মানুহৰ মাজত ডেকা কালৰে পৰা যি ৰূপ আ-
চাৰেৰে প্ৰবৰ্ত্তি আছিলোঁ, তাক য়িহুদি সকলোএ ভু পাই । ৫ সিবিলাকে
আদিৰে পৰা মোক জানি, আমাৰ ধৰ্ম্মৰ যি অতি কঠিন মত, সেই মতৰ
দৰে মই যে ফিৰুচি হৈ জীয়াই আছিলোঁ, ইয়াৰ প্ৰমাণ দিবৰ মন হলে দিব
পাৰে । ৬ ঈশ্বৰে আমাৰ ওপৰ পিতৃবিলাকৰ আগত যি অঙ্গীকাৰ কৰি-
লে, তাৰ আশাৰ কাৰণে মই এতিয়া সোধত থিয় হৈ আছোঁ । ৭ সেই
অঙ্গীকাৰৰ ফল পাবৰ নিমিত্তে আমাৰ বাৰে ফৈদে ৰাতিএ দিনে অতি
যতনকৈ ঈশ্বৰক সেৱা কৰি যি আশা কৰিছে, সেই আশাৰ কাৰণে, হে

আগ্রিপা ৰজা, মই য়িহুদিবিলাকৰ পৰা অপবাদ পালোঁ। ৮ ঈশ্বৰে মৰা-
বিলাকক তুলিব, এয়ে তোমোলাকৰ বিবেচনাত কিয় অসম্ভব যেন বুঝা যাব?
৯ নাচৰীয়া য়ীশুৰ নামৰ বিৰোদ্ধে অনেক কৰ্ম্ম কৰিব লগিয়া, ইয়াক মই
আপুনি স্বৰূপ যেন বুঝিলোঁ। ১০ য়িৰুছালমত সেই বিৰোদ্ধ কৰ্ম্ম কৰি
প্ৰধান পোৰোহিতৰ পৰা শক্তি পাই অনেক সাধু লোকক বন্দীশালত
থলোঁ; আৰু সিবিলাকক মৰাৰ সময়ত সিবিলাকৰ বিৰোদ্ধে সম্মত দিলোঁ।
১১ আৰু বাৰে বাৰে সকলো নাম ঘৰত সিবিলাকক শাস্তি কৰি বলেৰে
নিন্দা কৰালোঁ। আৰু সিবিলাকলৈ অতিশয় খঙ্গ হৈ আন দেশৰ নগৰ-
লৈকে তাৰণা কৰি খেদালোঁ। ১২ এই ৰূপে প্ৰধান পোৰোহিতৰ পৰা
শক্তি আৰু আজ্ঞা পত্ৰ পাই দামেচক নগৰলৈ গলোঁ। ১৩ তাতে হে মহা
ৰাজ, বাটৰ মাঝত দুপৰৰ সময়ত বেলিৰ প্ৰকাশতকৈয়ো বৰ এক পহৰ
আকাশৰ পৰা মোৰ আৰু লগত যোৱা মানুহৰ চাৰিও ফালে প্ৰকাশ
হোৱা দেখিলোঁ। ১৪ তেতিয়া আমি আটাই মাটীত পৰিলত, হে চৌল,
হে চৌল, মোক কিয় তাৰণা কৰিছা? কাঁইটত ভৰি মৰা তোমালৈ টান,
এই বুলি ইব্ৰী ভাষাৰে কোৱা এক শবদ শুনিলোঁ। ১৫ তাতে মই সুধিলোঁ,
হে প্ৰভু, আপুনি কোন? তেতিয়া তেওঁ কলে, যি য়ীশুকে তুমি তাৰণা কৰি-
ছা, তেৱেঁই মই। ১৬ কিন্তু উঠি ভৰিৰে থিয় হোৱা; তুমি যি যি দে-
খিলা, আৰু পাছে এই মানুহৰ আৰু বিদেশী লোকৰ হাতৰ পৰা তোমাক
উদ্ধাৰ কৰি মই যি যি তোমাক দেখুৱাম, সেই আটাইৰে নিমিত্তে তোমাক
সেৱক আৰু সাক্ষী হবলৈ মই দৰ্শন দিলোঁ। ১৭ বিদেশী লোকে যেন পা-
পৰ পৰা ক্ষমা পাই, আৰু মোত বিশ্বাসেৰে পবিত্ৰ কৰাবিলাকৰ মাঝত
যেন ভাগ পাই, ১৮ এই কাৰণে সিবিলাকৰ চকু মেলিবৰ নিমিত্তে আৰু
এন্ধাৰৰ পৰা পহৰলৈ, ছয়তানৰ অধীনৰ পৰা ঈশ্বৰলৈ সিবিলাকক পাল-
টাবৰ নিমিত্তে এতিয়া সিবিলাকৰ ওচৰলৈ মই তোমাক পঠাওঁ। ১৯ এনে
স্বৰ্গৰ আদেশ পোৱাত, হে আগ্রিপা ৰজা, তাক অমান্য নকৰি, ২০ প্ৰথ-
মতে দামেচক আৰু য়িৰুছালমত থকাবিলাকৰ আগত, পাছে য়িহুদা গো-
টেই খনত আৰু বিদেশী লোকৰ আগতো, সিবিলাকে যেন মন পাল-
টাই ঈশ্বৰলৈ সন্মুখ হৈ মন পালটনৰ যোগ্য কৰ্ম্ম কৰে, এই নিমিত্তে উপ-
দেশ দিলোঁ। ২১ তাৰ কাৰণে য়িহুদিবিলাকে মন্দিৰত মোক ধৰি মাৰিব-
লৈ উপায় কৰিছিল। ২২ তথাপি ঈশ্বৰৰ উপকাৰ পাই আজিলৈকে জীয়াই
আছোঁ; ২৩ আৰু খ্ৰীষ্টে দুঃখ ভোগ কৰি সকলো মৰাবিলাকৰ আগ হৈ
মৃত্যুৰ পৰা উঠি, দেশৰবিলাকক আৰু বিদেশী লোককো পহৰ দেখুৱাব,
এই যি সকলো কথা ভবিষ্যত বক্তাবিলাকে আৰু মোচাই ঘটিব বুলি কলে,
তাৰ বাহিৰে আন একো কথা নকৈ, সৰু বৰ সকলো মানুহক প্ৰমাণ দি
আছোঁ।

২৪ তেওঁ আপোনাৰ কাৰণে এই কথা কলত, ফিস্টে ৰবকৈ মাত লগাই
কলে, হে পৌল, তুমি বলিয়া হৈছা, সৰহ বিদ্যাই তোমাক বাতুল কৰি-
ছে। ২৫ তাতে তেওঁ কলে, হে মহা মহিম ফিস্ট, মই বলিয়া নহওঁ, কিন্তু
সত্য আৰু জ্ঞান মনৰ কথাহে কৈছোঁ। ২৬ এই সকলোকে ৰজাও জানি-
ছে, তাতেহে মই তেওঁৰ আগত সাহ পাই কৈছোঁ; এই বিষয়ৰ একো
তেওঁ নজনাকৈ নেথাকে, ইয়াক মোৰ নিশ্চয় মনে ধৰিছে, কিয়নো এই-
বিলাক কথা গুপুতে কৰা নহয়। ২৭ হে আগ্রিপা ৰজা, আপুনি ভবিষ্যত
বক্তাবিলাকৰ কথা প্রতিতি কৰে নে? আপুনি প্রতিতি কৰে, তাক মই
জানোঁ। ২৮ তেতিয়া আগ্রিপাই পৌলত কলে, ময়ো খ্রীষ্টীয়ান হবলৈ তুমি
প্রায়ে মোৰ বিশ্বাস কৰালা। ২৯ তাতে পৌলে কলে, অকল আপুনিএই
নহয়, যিবিলাকে আজি মোৰ কথা শুনিছে, সেই আটাইবিলাকে প্রায়ে
নহয়, এই শিকলিত বাঝে সকলো ভাৱে যেন মোৰ নিচিনা হয়, ঈশ্বৰ-
লৈ এই প্রার্থনা কৰিছোঁ। ৩০ [তেওঁ এনে কথা কলত] ৰজা আৰু অধি-
কাৰ আৰু বর্ণিকিএ মেলত বহা লোকবিলাকে সৈতে উঠি, ৩১ আঁতৰ হৈ
গৈ ইটে সিটে আলচ কৰি কলে, এই মানুহে বন্ধন বা প্রাণ মৰাৰ যোগ্য
একো কর্ম্ম কৰা নাই। ৩২ তাতে আগ্রিপাই ফিস্টত কলে, এই মানুহে
কৈচৰৰ আগত সোধ হবলৈ প্রার্থনা নকৰা হলে, মুকলি হব পাৰিলে-
হেঁতেন।

## ২৭ অধ্যায়।

পাছে ইতালি দেশলৈ আমি পানীএ দি যাবলৈ নিশ্চয় কৰিলত, সিবিলাকে
মহা ৰজাৰ সেনাৰ হুজৰ যুলিয় নামেৰে এক শইকিয়াৰ হাতত পৌল আৰু
আন কেতবোৰ বন্দীয়াৰক গতাই দিলে। ২ পাছে আদ্রামুত্তীয়ৰ এখান
জাহাজত উঠি আচিয়া দেশৰ দাঁতিএ যাবৰ মনেৰে জাহাজ মেলিলোঁ, আৰু
থেচলনীকী নগৰত থকা আৰিষ্টার্খ নামেৰে মাকেদনীয়াৰ এজন মানুহ
আমাৰ লগত আছিল। ৩ পাছ দিনা আমি চিদোন নগৰত জাহাজ
লগালত, যুলিয়ই পৌলক অনুগ্রহ কৰি ভাই বন্ধু চাই আপোনাক জিৰা-
বলৈ পাঁচি দিলে। ৪ তাৰ পৰা জাহাজ মেলি বতাহ সন্মুখ হোৱাত কুপ্র
মাজুলীৰ কোষেদি গৈ ৫ কিলিকিয়া আৰু পাম্ফুলিয়াৰ সাগৰ পাৰ হৈ
লুকিয়া দেশৰ মুৰা নগৰ পালোঁগৈ। ৬ সেই ঠাইতে ইতালি দেশলৈ যোৱা
চিকন্দৰিয়া নগৰৰ এখান জাহাজ পাই, শইকিয়াই আমাক সেই জাহাজত
তুলি দিলে।

৭ পাছে বহু দিন লাহে লাহে গৈ শ্রমেৰে নিদৰ সন্মুখ হৈ বতাহ
উভতি বলোৱাত ক্রীতী মাজুলীৰ কোষেদি গৈ ছাল্‌মোনীৰ সন্মুখ পালোঁ;

৮ তাতে শ্ৰমেৰে মাজুলীৰ পাৰ হৈ লাচায়া নগৰৰ ওচৰৰ সুন্দৰ ঘুলি
নামে এঠাই পালোঁগৈ। ৯ ভালে দিনৰ পাছে ব্ৰতৰ সময় গলত পা-
নীএদি যাবলৈ শঙ্কা হোৱাত, পৌলে মিনতি কৰি কলে, ১০ হে মা-
নুহবিলাক, এই যাত্ৰাত আমাৰ আপদ আৰু অনেক হানি হব, সি
অকল বস্তু আৰু জাহাজৰ, এনে নহয়, কিন্তু আমাৰ প্ৰাণো সঙ্কটত পৰিব,
ইয়াক মই জানোঁ। ১১ কিন্তু শইকিয়াই পৌলে কোৱা কথাতকৈয়ো
জাহাজৰ গুৰিয়াল আৰু অধিকাৰৰ কথা বৰকৈ পতিয়ালে। ১২ আৰু
সেই ঘুলিত জাৰ কালি থাকিবলৈ ভাল নোহোৱাত, দক্ষিণ পশ্চিম-
ৰে আৰু উত্তৰ পশ্চিমৰে চুকলৈ মুকৈ থকা ক্ৰীতিৰ ফৈনিক ঘুলি যদি
কোনো ৰূপে পাব পাৰে, তাতে জাৰৰ কাল থাকিবৰ আশয়েৰে অধিক-
বোৰে জাহাজ মেলি তালৈকে যাবলৈ আলচ কৰিলে। ১৩ পাছে দক্ষিণৰ
বতাহ অলপ অলপ বলোৱা দেখি আপোনাৰ ইচ্ছা সিদ্ধি হয় যেন
বুঝি, জাহাজ মেলি ক্ৰীতিৰ দাঁতিএ দাঁতিএ গল। ১৪ কিন্তু অলপ কালৰ
পাছতে উৰক্লুদোন নামেৰে বৰ ধুমুহা আহি জাহাজৰ আগ ফালেদি
লাগিলহি। ১৫ পাছে তাৰ সন্মুখলৈ জাহাজ পোনাব নোৱাৰিলত, বতাহে
নিবলৈ এৰি দিলোঁ; ১৬ পাছে ক্লৌদা নামেৰে এখন মাজুলীৰ গৰাৰ কোষে-
দি গৈ, বৰ শ্ৰমেৰে সৰু নাও খন ৰাখিলোঁ। ১৭ তাক তুলিলত জা-
হাজত বাৰ কাঠ দি লেজুৰে তলে দি মেৰাই বান্ধিলে; পাছে বালি
চটত জাহাজ লাগে বুলি ভয়ত পাল পেলাই দি বতাহৰ ঢালত উটি
উটি গল। ১৮ আৰু ধুমুহাত জাহাজে বৰকৈ ঢলঙ্গ পলঙ্গ কৰিলত
পাছ দিনা কেতবোৰ ভৰা তুলি পেলালে। ১৯ তিন দিনৰ দিনা আমি
আপোন হাতে জাহাজৰ সঁজুলিবিলাক পেলাই দিলোঁ। ২০ আৰু বহু
দিনলৈকে বেলি তৰা নোলোৱাকৈ থাকি আমাৰ ওপৰত বৰ ঢেলা
ডাৱৰ হলত আমাৰ প্ৰাণ ৰক্ষা পৰিবৰ সকলো আশা গুছিল।

২১ অনেক দিন লঘোনে থাকিলত পাছে সকলোৰে আগত পৌলে
থিয় হৈ কলে, হে মানুহবিলাক, মোৰ কথা শুনি তোমোলাকে ক্ৰীতিৰ
পৰা জাহাজ মেলিব নলগা উচিত আছিল। তাকে কৰা হলে তো-
মোলাকে এই সকল আপদ আৰু হানি নেপালাহেঁতেন। ২২ কিন্তু
এতিয়া তোমোলাকক মিনতি কৰিছোঁ, সাহ কৰা, তোমোলাকৰ এটি প্ৰা-
ণীৰো হানি নহয়, কেৱল জাহাজৰহে হানি হব। ২৩ কিয়নো যি
ঈশ্বৰৰ মানুহ মই, আৰু যি জনক সেৱা কৰোঁ, তেওঁৰ দূতে কালি ৰাতি
মোৰ ওচৰত থিয় হৈ কলে, ২৪ হে পৌল, ভয় নকৰিবা; কৈচৰৰ আ-
গত তুমি থিয় হব লাগিব; আৰু দেখা, তোমাৰ লগত যোৱা সকলো
মানুহক ঈশ্বৰে তোমাক দিলে। ২৫ এই কাৰণে, হে মানুহবিলাক, তো-
মোলাকে সাহ কৰা, কিয়নো যেনেকৈ মোত কলে, তেনেকৈ অবশ্যে ঘটিব,

ঈশ্বৰত মোৰ এনে বিশ্বাস আছে । ২৬ কিন্তু কোনো মাজুলীৰ ওপৰত
আমি পৰিব লাগিব । ২৭ পাছে এই ৰূপে আদ্রিয়া সমুদ্রত জাহাজ
ঢলঙ্গ পলঙ্গ কৰি ইফাল সিফাল হৈ যাওঁতেই চৈধ্য দিনৰ দিনা দুপৰ
মান ৰাতিত কোনোবা বামৰ ওচৰ চাপিছে বুলি, জাহাজৰ মানুহে ভা-
বিলে । ২৮ তাতে সিহঁতে পানী জুখিলত একুৰি বেওঁ পালে । আৰু
এফেৰিমান গৈ আকও জুখি পোন্ধেৰে বেওঁ পালত, ২৯ শিলত লগা
ভয়েৰে জাহাজৰ পাছ ফালে চাইটা লঙ্গৰ পেলাই দিন হবলৈ চিন্তি
থাকিল । ৩০ কিন্তু জাহাজৰ মানুহবিলাকে জাহাজৰ আগ ফালে লঙ্গৰ
পেলাবৰ ছলেৰে সাগৰত নাও নমাই পলাবলৈ উপায় কৰাত, ৩১ পৌলে
শইকিয়া আৰু সেনাবোৰত কলে, এই মানুহবোৰ জাহাজত নেথাকিলে
তোমোলাকৰ ৰক্ষা হব নোৱাৰে । ৩২ তেতিয়া সেনাবোৰে লেজু কাটী
নাও পানীত পেলাই দিলে । ৩৩ পাছে ৰাতি পুৱাবৰ সময়ত পৌলে
সকলোকে ভোজন কৰিবলৈ মিনতি কৰি কলে, আজি চৈধ্য দিনৰে পৰা
তোমোলাকে বাট চাই নোখোৱা নোবোৱাকৈ লঘোনে আছা । ৩৪ এই
হেতুকে মিনতি কৰিছোঁ, তোমোলাকে কিছু আহাৰ লোৱা, তাতে তোমো-
লাকৰ মঙ্গল হব । কিয়নো তোমোলাকৰ মূৰৰ এডালি চুলিৰো হানি
নহব । ৩৫ ইয়াকে বুলি তেওঁ পিঠা লৈ সকলোৰে আগত ঈশ্বৰক স্তুতি
কৰি পিঠা ভাঙ্গি ভোজন কৰিবলৈ ধৰিলে । ৩৬ তেতিয়া সকলোএ থিৰ
হৈ সিবিলাকেও ভোজন কৰিলে । ৩৭ জাহাজত আমি মুঠে দুশ তিনি
কুৰি যোলেটা মানুহ আছিলোঁ । ৩৮ সিবিলাক সকলোএ খাই তৃপ্তি
পালত, জাহাজৰ পৰা ঘেঁহু ধান সাগৰত পেলাই ভৰা লঘু কৰিলে ।
৩৯ পাছে দিন হলত সেই কোন দেশ, তাক চিনি নেপালে; কিন্তু সমান
গৰাৰে এটা ঘুলি দেখি, সিবিলাকে যদি পাৰে তাৰ ভিতৰলৈ জাহাজ সুমুৱা-
বলৈ ইচ্ছা কৰি, ৪০ লঙ্গৰবোৰ সোলোকাই সাগৰত এৰি দিলে । পাছে
হালিৰ বান্ধ মেলি বতাহত পাল তৰি দাঁতিলৈ যোৱাত, ৪১ দুই ধাৰৰ মাঝত
থকা এটা চটত পৰি জাহাজ লাগিল; তাতে আগ ডোখৰ নৰলাকৈ লগাত,
পাছ ডোখৰ ঢৌৰ আস্ফালত ভাগি ভাগি গল ।

৪২ তাতে বন্দীয়াৰৰ কোনোটো সাঁতৰি পলাই, এই ভয়েৰে সেনাবোৰে
সিবিলাকক বধ কৰিবলৈ আলচ কৰিলে । ৪৩ কিন্তু শইকিয়াই পৌলক
ৰাখিবৰ ইচ্ছাৰে সিহঁতৰ আলচ নিবাৰণ কৰি এই আজ্ঞা দিলে, যিবোৰে
সাঁতৰিব জানে, সেইবোৰে আগৈএ ঝাপ মাৰি পৰি সাঁতৰি বামলৈ যাওক;
৪৪ অৱশেষবোৰে কাঠ আৰু জাহাজৰ যেয়ে যি পাই, তাতে ধৰি যাওক ।
এই ৰূপে সকলোএ বাম পাই ৰক্ষা পৰিল ।

## ২৮ অধ্যায় ।

সিবিলাকে এই ৰূপে ৰক্ষা পালত সেই মাজুলীৰ নাম মেলিতা বুলি জা-
নিলে । ২ পাছে তাত থকা মূৰ্খবিলাকে আমাক অনেক অনুগ্ৰহ কৰি
দেখুৱাই, তেতিয়াৰ বৰষুণ আৰু জাৰৰ নিমিত্তে জুই জালি আমাক সক-
লোকে আলহিকৈ ৰাখিলে । ৩ পাছে পৌলে এমুঠা কাঠ গোটাই জুইলৈ
পেলাই দিলত, জুইৰ তাপত এটা কলা সাপ ওলাই তেওঁৰ হাতত কামুৰি
ধৰিলে । ৪ মূৰ্খবিলাকে তেওঁৰ হাতত সাপক ওলমি থাকিবৰ দেখি ইটে
সিটে কোৱাকুই কৰিলে, বোলে, এইটো স্বৰূপে মানুহ বধী হয়; সাগৰৰ
পৰা ৰক্ষা পালতো প্ৰতিফল দিওঁতাই ইয়াক জীব নিদিএ । ৫ কিন্তু তেওঁ
হাত ঝোকাৰ মাৰি সাপক জুইত পেলাই দিলত তেওঁৰ একো দুঃখ নহল ।
৬ তথাপি বিষৰ জালত তেওঁৰ গা উখহিব, নাইবা, অকস্মিতে পৰি মৰি-
বই, ইয়াকে ভাবি মানুহবিলাকে তাকে দেখিবলৈ বাট চালে; কিন্তু অনেক
বেলিলৈকে চাই থাকি পাছে তেওঁৰ একো আপদ ঘটিবৰ নেদেখি, সিহঁতে
মন ওলটাই বুলিলে, এওঁ দেৱতা ।

৭ সেই ঠাইৰ ওচৰত পব্লীয় নামেৰে মাজুলীৰ অধিকাৰৰ মাটী আছিল ।
তেৱেঁই আমাক আপোনাৰ ঘৰলৈ নি অনুগ্ৰহ কৰি তিন দিন আলহি
পুহিলে । ৮ তেতিয়া সেই পব্লীয়ৰ বাপেকে জৰ আৰু তেজৰ অতিসাৰ
হৈ পৰি থকাত পৌলে তালৈ সোমাই প্ৰাৰ্থনা কৰি তেওঁৰ গাত হাত দি
ভাল কৰিলে । ৯ এনে হলত সেই মাজুলীত থকা আন ৰুগীয়া মানুহো আ-
হিলত স্বস্থ কৰা হল । ১০ তাতে সিবিলাকে আমাক অনেক অনেক আ-
দৰ কৰিলে, আৰু যাবৰ সময়তো আমাক যি যি লগা বস্তু, তাকো আনি
দিলেহি । ১১ তিনি মাহৰ পাছত চিকন্দৰিয়া নগৰৰ দিয়স্কুৰী যঁজাৰ চিন
থকা যি খন জাহাজ সেই মাজুলীত জাৰ কালি আছিলে, ১২ তাতে আমি
উঠি গৈ চুৰাকুচ নগৰ পাই, তাতে তিন দিন থাকিলোঁহঁক । ১৩ তাৰ
পৰা ঘুৰিপকি গৈ ৰীগিয় নগৰ পাই, এদিনৰ পাছে দক্ষিণৰ পৰা বতাহ
হোৱাত পাছ দিনা পুতিয়লী নগৰ পালোঁগৈ । ১৪ তাতে ভাইবিলাকক
পালত সিবিলাকে আমাক সাত দিন থাকিবলৈ বিনয় কৰিলে । ১৫ এই
ৰূপে ৰোমৰ ফাললৈ যোৱাত তাত থকা ভাইবিলাকে আমি অহা শুনি আ-
পিয়ফৰ আৰু আলহি পোহা তিনি ঘৰলৈকে আমাক আগ বাৰ্হিবলৈ
আহিল । সিবিলাকে সৈতে দেখা দেখি হোৱাত পৌলে ঈশ্বৰক স্তুতি
কৰি সাহ পালে ।

১৬ পাছে আমি ৰোম নগৰলৈ গলত শইকিয়াই বন্দীয়াৰবোৰক হুজৰ
অধিকাৰত সোধাই দিলে; কিন্তু পৌলে আপোনাক ৰখা সেনাই সৈতে
সুকীয়াকৈ থাকিবলৈ অনুমতি পালে । ১৭ পাছে তিন দিনৰ মূৰত পৌলে

য়িহুদিবিলাকৰ প্ৰধান মানুহক মতাত সিবিলাকে একে ঠাই হলত, তেওঁ
কলে, হে ভাই সকল, মই আপোন মানুহবিলাকৰ নাইবা উপৰি পুৰুষৰ
ৰীতিৰ বিৰোদ্ধে একো কৰম কৰা নাই; তথাপি য়িৰুছালেমৰ পৰা মই
বন্দীয়াব হৈ ৰুমীয়া লোকৰ হাতত সোধাই দিয়া হৈছিলোঁ। ১৮ সিবিলা-
কে বিচাৰ কৰি প্ৰাণ মাৰিব লগিয়া একো দোষ মোত নেপাই, মুকলি
কৰিবলৈ ধৰিছিল; ১৯ কিন্তু য়িহুদিবিলাকে বাধা কৰাতে কৈচৰৰ আগত
মোৰ সোধ হবলৈ প্ৰাৰ্থনা কৰিব লগিয়া হলোঁ। সেই প্ৰাৰ্থনা কৰিলেও
মোৰ আপোনাৰ দেশৰ মানুহক কোনো বাদ দিবলৈ আছে, এনে নহয়।
২০ এই কাৰণে তোমোলাকে সৈতে দেখা দেখি কথা বাৰ্ত্তা হবলৈ তোমো-
লাকক মাতিলোঁ, কিয়নো ইশ্ৰাএল বঙ্গহৰ আশাৰ নিমিত্তেহে মই এই শি-
কলিত বন্দী হলোঁ। ২১ তেতিয়া সিবিলাকে তেওঁত কলে, য়িহুদা দেশৰ
পৰা আমি তোমাৰ অৰ্থে একো লিখা পত্ৰকে পোৱা নাই, আৰু তাৰ
পৰা যি ভাইবিলাক আহিছে, সিবিলাকেও তোমাৰ অপবাদৰ একো কথা
বাৰ্ত্তা কোৱা নাই। ২২ কিন্তু তোমাৰ যি ভাবনা, তাকে আমি তোমাৰ
মুখে শুনিবলৈ ইচ্ছা কৰিছোঁ; কিয়নো এই মত হলে সকলো ঠাইতে
নিন্দিত হৈছে, ইয়াকে আমি জানোঁ। ২৩ পাছে সিবিলাকে তেওঁলৈ এটা
দিন নিশ্চয় কৰিলত, সেই দিনা অনেক মানুহে পৌলৰ ঘৰলৈ আহিল.
তাতে তেওঁ ৰাতি পুয়াৰে পৰা সন্ধিয়ালৈকে মোচাৰ বিধান আৰু ভবিষ্যত
বক্তাৰ পুথিৰ পৰা য়ীশুৰ কথা উলিয়াই ঈশ্বৰৰ ৰাজ্যৰ প্ৰমাণ দি সিবিলা-
কক উপদেশ দিলে। ২৪ তেওঁৰ কথা কেতবোৰে পতিয়ালে, কেতবোৰে নপ-
তিয়ালে; ২৫ তাতে ইটৰ সিটৰ একে কথা নোহোৱাত সিবিলাকে যাবলৈ
ধৰিলত, পৌলে এই কথাটি কলে, পবিত্ৰ আত্মাই য়িছয়া ভবিষ্যত বক্তাৰ
মুখেৰে আমাৰ পিতৃ পুৰুষবিলাকক ভালকৈ কলে, ২৬ এই মানুহবোৰৰ
কোষৰলৈ গৈ কোৱাগৈ, তোমোলাকে শুনোঁতে শুনিবা, কিন্তু নুবুজিবা;
দেখোঁতে দেখিবা, কিন্তু নেজানিবা; ২৭ কিয়নো এই মানুহে যেন চকুএৰে
নেদেখে, কাণেৰে নুশুনে, চিত্তেৰেও নুবুঝে, আৰু মন পালটাত মই সিহঁ-
তক যেন স্বস্থ নকৰোঁ, এই নিমিত্তে সিহঁতৰ চিত্ত ভোতোহা, আৰু শুনিবলৈ
কাণো গধুৰ, আৰু আপোনাৰ চকু মুদি আছে। ২৮ এই নিমিত্তে ঈশ্বৰৰ
পৰিত্ৰাণৰ কথা বিদেশী লোকবিলাকলৈ পঠিওৱা হৈছে, আৰু সিবিলাকে
তাক মানিব, ইয়াক তোমোলাকে বুঝিবা। ২৯ এই কথা কলত পাছে
য়িহুদিবিলাকে আপোনাৰ মাঝত ইটে সিটে অনেক বাদ বিচাৰ কৰি গুছি
গল। ৩০ এই ৰূপে পৌলে দুবছৰলৈকে আপুনি ভেৰণ দি লোৱা ঘৰত
থাকি, যি যি মানুহ তেওঁৰ কোষৰলৈ আহে, সকলোকে গ্ৰহণ কৰি, ৩১ একো
বিঘিনি নাইকিয়াকৈ অতি সাহেৰে ঈশ্বৰৰ ৰাজ্যৰ কথা কীৰ্ত্তন কৰি,
প্ৰভু য়ীশু খ্ৰীষ্টৰ কথাত উপদেশ দি আছিল।

# ৰূমীয়াবিলাকলৈ পৌলে লিখা পত্ৰ।

## ১ অধ্যায়।

দেহৰ সমন্ধেৰে দায়ুদৰ বংশত জন্মা, আৰু পবিত্ৰ আত্মাৰ
সমন্ধেৰে মৰণৰ পৰা মহিমাৰে উঠাৰ দ্বাৰাই ঈশ্বৰৰ পুত্ৰ
যেন প্ৰকাশ হোৱা, ২ তেওঁৰ এনে পুত্ৰ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ যি শুভ
বাৰ্ত্তাৰ অৰ্থে ভৱিষ্যত বক্তাবিলাকৰ দ্বাৰাই ধৰম পুথিত অঙ্গীকাৰ কৰি-
ছিল, ৩ সেই শুভ বাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ পৃথক কৰা আমন্ত্ৰিত পাঁচনি
য়ীশু খ্ৰীষ্টৰ সেৱক যি পৌল, ৪ সেয়ে ৰোম নগৰত থকা ঈশ্বৰৰ প্ৰিয়
আৰু আমন্ত্ৰণ হোৱা পবিত্ৰ লোক সকলৈ পত্ৰ লিখিছে। ৫ সেই খ্ৰীষ্টৰ
নামত সকলো বিদেশী লোকে যেন বিশ্বাসৰ বশ হয়, এই নিমিত্তে আমি
তেওঁৰ পৰা অনুগ্ৰহ আৰু পাঁচনি বাব পালোঁ; ৬ সেই বিদেশী লোকৰ
মাঝত থকা য়ীশু খ্ৰীষ্টে আমন্ত্ৰণ কৰা যি তোমোলাক, ৭ তোমোলাকলৈ
আমাৰ পিতৃ ঈশ্বৰৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু কুশল হওক।
৮ প্ৰথমতে গোটেই জগতত তোমোলাকৰ বিশ্বাস প্ৰকাশ হোৱাত মই তো-
মোলাক সকলোৰে নিমিত্তে য়ীশু খ্ৰীষ্টৰ দ্বাৰাই মোৰ ঈশ্বৰক স্তুতি কৰি
আছোঁ। ৯ আৰু ঈশ্বৰৰ অনুগ্ৰহেৰে কোনো ৰূপে এতিয়া শেষত তো-
মোলাকৰ ওচৰলৈ যাবলৈ যেন শুভ যাত্ৰা পাওঁ, এই নিমিত্তে সদায় তো-
মোলাকক সুঁৱৰি মই নিতৌ প্ৰাৰ্থনাৰ কালত নিবেদন কৰিছোঁ; ১০ এই
কথাতে মই যি ঈশ্বৰৰ পুত্ৰৰ শুভ বাৰ্ত্তাৰ কীৰ্ত্তনত মন দি সেৱা কৰোঁ,
সেই ঈশ্বৰ মোৰ সাক্ষী। ১১ কিয়নো তোমোলাকক থিৰ কৰিবলৈ কোনো
পৰমাৰ্থিক দান যেন কৰিম, ১২ অৰ্থাৎ তোমোলাকৰে মোৰে বিশ্বাসত
মই আৰু তোমোলাকেৰে যেন সান্ত্বনা পাম, এই নিমিত্তে তোমোলাকে সৈতে
দেখা দেখি হবলৈ মোৰ বাঞ্ছা। ১৩ হে ভাইবিলাক, আন আন বিদেশী
লোকৰ মাঝত যেনে, তোমোলাকৰ মাঝতো তেনেকৈ মই যেন শ্ৰমৰ ফল
পাম, এই আশয়েৰে বাৰে বাৰে তোমোলাকৰ ওচৰলৈ যাবলৈ মন কৰি-
ছিলোঁ, কিন্তু এতিয়ালৈকে যোৱাৰ বাধা হৈ আছে, ইয়াক তোমোলাকে
নেজানি থকা মোৰ ইচ্ছা নাই। ১৪ গ্ৰীক বা মেলেচ, জ্ঞানী বা অজ্ঞানী,
মই সকলোৰে ধৰুৱা হৈ আছোঁ; ১৫ এই হেতুকে ৰোম নগৰত থকা

তোমোলাকৰ আগতো যিমান পাৰোঁ, শুভ বাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ সাষ্টমেৰে
আছোঁ। ১৬ খ্ৰীষ্টৰ শুভ বাৰ্ত্তাত মই লাজ পোৱা নহওঁ; কিয়নো যিহুদি
আদি কৰি গ্ৰীকবিলাকলৈকে যিবিলাকে বিশ্বাস কৰে, সিবিলাক সকলোৰে
পৰিত্ৰাণৰ নিমিত্তে সেয়ে ঈশ্বৰৰ শক্তি হয়। ১৭ কিয়নো বিশ্বাসৰ দ্বাৰাই
ঈশ্বৰে দিয়া পুণ্য বিশ্বাসৰ নিমিত্তে সেই শুভ বাৰ্ত্তাত প্ৰকাশ হৈছে। এই
কথাত এনে বচনো লিখা আছে, পুণ্যৱন্ত জন বিশ্বাসৰ দ্বাৰাই জীব।
১৮ যিবিলাক মানুহে অধৰ্ম্ম কৰ্ম্মেৰে সত্যক বাধা কৰে, সেইবিলাকৰ
আটাই অকৰ্ম্মৰ অধৰ্ম্মৰ অহিতে স্বৰ্গৰ পৰা ঈশ্বৰৰ ক্ৰোধ প্ৰকাশিত
আছে। ১৯ কিয়নো ঈশ্বৰৰ জানিব লগা কথাবিলাক ঈশ্বৰে আপুনি বি-
দিত কৰাত সিহঁতৰ আগত প্ৰকাশ হল; ২০ অৰ্থাৎ অনন্ত মহিমা আৰু
ঈশ্বৰ হোৱা, তেওঁৰ এনে যি নিৰাকাৰ গুণ, সেইবিলাক সৃষ্টিৰ আদিৰে
পৰা সৃজন কৰ্ম্মৰে সজ ৰূপে জনা আছে; এই হেতুকে সিহঁতৰ উত্তৰ দি-
বৰ সন্ধি নাই। ২১ আৰু সিহঁতে ঈশ্বৰক জানিও ঈশ্বৰৰ দৰে তেওঁক আ-
দৰ নকৰিলে, তেওঁৰ উপকাৰো নেমানিলে; কিন্তু আপোনাৰ বিবেচনাৰে
ব্যৰ্থ হৈ সিহঁতৰ নিৰ্বুদ্ধি মন এন্ধাৰময় হল। ২২ সিহঁতে আপোনাকে জ্ঞানী,
বুলি মানি অজ্ঞানী হল, ২৩ আৰু বিনাশী মানুহ, চৰাই, চাৰি ভৰিয়া জন্তু,
উৰগ আদিৰ আকাৰ মূৰ্ত্তিৰে অবিনাশী ঈশ্বৰৰ মহিমা সলনি কৰিলে।
২৪ এই হেতুকে সিহঁতে আপোনাৰ শৰীলক ইটে সিটে অমৰ্য্যাদা কৰিবৰ
নিমিত্তে ঈশ্বৰে সিহঁতক মনৰ কুচিত অভিলাষত দুষ্ট কৰ্ম্ম কৰিবলৈ এৰি
দিলে। ২৫ সিহঁতে সত্য ঈশ্বৰক মিছাৰে সলনি কৰি সৃষ্টি কৰোঁতাক তে-
জি সৃজাটক সেৱা অৰ্চ্চা কৰিলে; সেই সৃষ্টি কৰোঁতা সৰ্ব্বদায় ধন্য, আ-
মেন। ২৬ এই কাৰণে ঈশ্বৰে সিহঁতক দুৰ্যশৰ অভিলাষলৈ এৰি দিলত,
সিহঁতৰ তিৰী লোকেও আপোনাৰ স্বভাৱৰ নীতি এৰি স্বভাৱৰ অহিতে দুষ্ট
আচাৰ কৰিলে; ২৭ সেই ৰূপে মুনিহবোৰেও তিৰীৰ স্বভাও সঙ্গ এৰি,
ইটে সিটে কাম অগ্নিএৰে দগ্ধ হৈ পুৰুষে পুৰুষে সৈতে লাজৰ কৰ্ম্ম কৰি
আপোনাতে আপোনাৰ ভ্ৰমৰ উচিত ফল পালে। ২৮ সিহঁতে আপোনাৰ
জ্ঞানত ঈশ্বৰক ৰাখিবলৈ ইচ্ছা নকৰাত ঈশ্বৰে সিহঁতকো অনুচিত কৰ্ম্ম
কৰিবৰ নিমিত্তে কুমনলৈ এৰি দিলে। ২৯ তাতে সিহঁতে সকলো অন্যায়
ব্যভিচাৰ, হিংসা, লোভ, দুৰ্জ্জন, অসূয়া, বধ, দন্দ, ভাণ্ডনা, কুমতি আদিৰে
পূৰ হৈ, ৩০ কাণত কোৱা, আৰু মিছা বাদ দিয়া, ঈশ্বৰক ঘিণোৱা, নিন্দক,
গৰ্ব্বী, অহঙ্কাৰী, কুকৰ্ম্ম জন্মোৱা, পিতৃ মাতৃক নমনা, ৩১ অবিবেচনা,
নিয়ম ভঙ্গা, চেনেহ ৰহিত, ক্ষমা নকৰা, নিৰ্দয়া হৈ আছে। ৩২ আৰু যি-
বিলাকে এনে কৰ্ম্ম কৰে, সেইবিলাকেই মৰণৰ যোগ্য, ঈশ্বৰৰ এই আজ্ঞা
জানিও সিহঁতে অকল আপুনিএ এই সকল কৰ্ম্ম কৰে, এনে নহয়, এই
ৰূপ কৰ্ম্ম কৰাবিলাকতো সিহঁত তুষ্ট হৈ থাকে।

## ২ অধ্যায় ।

এই হেতুকে হে লোকক দোষ দিয়া মানুহ, তুমি যেই কি নোহোৱা, তো-
মাৰো উত্তৰ দিবৰ সন্ধি নাই; কিয়নো লোকক দোষ দিয়া যি তুমি, তুমি
আপুনিও একে কৰ্ম্ম কৰাত, লোকক যি কথাত দোষ দিছা, সেই কথাৰে
আপোনাকহে দুষী কৰিছা । ২ আৰু এই ৰূপ কৰ্ম্ম কৰাবিলাকৰ বিৰোদ্ধে
ঈশ্বৰে যি সোধ কৰে সেয়ে স্বৰূপ, ইয়াক আমি জানোঁ । ৩ এতেকে হে
এনে কৰ্ম্ম কৰাবিলাকক দোষ দিয়া মানুহ, তুমি আপুনিও একে কৰ্ম্ম
কৰি ঈশ্বৰৰ দণ্ডৰ পৰা সাৰিম বুলি ভাবিছা নে? ৪ নাইবা ঈশ্বৰৰ অনু-
গ্ৰহে মন পালটাবলৈ তোমাক উদগাইছে, তাক নুবুঝি তুমি তেওঁৰ অধিক
অনুগ্ৰহ, আৰু ক্ষমা, আৰু সহনক হেলা কৰিছা নে? ৫ আৰু তোমাৰ কঠিন
খেদ নোহোৱা মনৰ দৰে ঈশ্বৰৰ স্বৰূপ সোধ বিদিত হোৱা ক্ৰোধৰ দিন-
লৈকে আপোনালৈ খঙ্গ সাঁচিছা নে? ৬ তেওঁ মানুহক গাইপতি আপোন
আপোন কৰ্ম্মৰ দৰে প্ৰতিফল দিব; ৭ যিবিলাকে ধৈৰ্য্যেৰে সজ কৰ্ম্ম কৰি
বিভুতি, মৰ্য্যতা, আৰু অমৰণক বিচাৰে, সিবিলাকক অনন্ত আয়ুষ দিব;
৮ আৰু যিবিলাকে বিবাদী হৈ সত্য ধৰ্ম্মক নেমানি অধৰ্ম্মক মানে, সেই-
বিলাকৰ ওপৰত কোপ আৰু ক্ৰোধ; ৯ প্ৰথমতে য়িহুদিবিলাক, পাছে গ্ৰীক-
বিলাক, কুকৰ্ম্ম কৰা সকলো প্ৰাণীৰ ওপৰত দুঃখ আৰু যাতনা হব; ১০ কিন্তু
য়িহুদি আদি গ্ৰীকলৈকে যিবিলাকে সুকৰ্ম্ম কৰে, সেই সকললৈ কীৰ্ত্তি মৰ্য্যতা,
আৰু সান্তনা হব । ১১ কিয়নো ঈশ্বৰৰ সোধত মুখ ৰখা নহয় । ১২ যি
দিনা মই কীৰ্ত্তন কৰা শুভ বাৰ্ত্তাৰ দৰে ঈশ্বৰে য়ীশু খ্ৰীষ্টৰ দ্বাৰাই মানুহ-
বিলাকৰ মনৰ গুপুত কথাৰ সোধ কৰিব, সেই দিনা যিবিলাকে বিধান নে-
পাই পাপ কৰে, সিবিলাক বিধান নোহোৱাকৈ বিনাশ হব; আৰু যিবি-
লাকে বিধান পায়ো পাপ কৰে, বিধানৰ দৰেহে সিবিলাকৰ সোধ হব ।
১৩ বিধান শুনাবিলাক ঈশ্বৰৰ আগত পুণ্যৱন্ত, এনে নহয়; বিধান আচৰা-
বিলাককহে পুণ্যৱন্ত বোলা যাব । ১৪ কিয়নো বিদেশী লোকে বিধান নো-
পোৱাকৈ যদি স্বভাৱেৰে বিধানৰ কথা আচৰে, তেন্তে বিধান নোপোৱাতো
আপোনাৰ বিধান আপুনিএই হয় । ১৫ সিবিলাকৰ দোষাদোষ জ্ঞানেই
সাক্ষী হোৱাত আপোনাৰ বিবেচনাৰ অনুক্ৰমে দুষী নিৰ্দুষী কৰা হৈ
১৬ মনত লিখা বিধানৰ কথাৰ প্ৰমাণ আপুনিএই দিএ ।

১৭ তুমি য়িহুদি বোলা হোৱা আৰু বিধানত ভাৰসা কৰি আছা, আ-
পোনাৰ প্ৰশংসা ঈশ্বৰত কৰিছা, ১৮ আৰু শাস্ত্ৰত জ্ঞানী হৈ তেওঁৰ সম্মত
জনা হৈছা, সুকীয়া কথা পৃথককৈ চিনিছা; আৰু বিধানত সত্য জ্ঞানৰ ৰূপ
তোমাৰ হোৱাত, ১৯ তুমি আপুনি কণাৰ বাট দেখুউৱা, এন্ধাৰত থকাবি-
লাকলৈ প্ৰদীপ, ২০ অজ্ঞানীক জ্ঞান দিওঁতা, লৰাবিলাকক শিকাওঁতা হৈছা,

ইয়াকে মনেৰে বুঝিছা; ২১ তেন্তে হে লোকক শিকোৱা, আপুনি আপো-
নাক নিশিকোৱা নে? ২২ চুৰ নকৰিবলৈ উপদেশ দিও তুমি আপুনি চুৰ
কৰা নে? পৰ তিৰী গমন কৰিবলৈয়ো নিষেধ কৰি আপুনি পৰ তিৰী
গমন কৰা নে? তুমি মূৰ্ত্তিবোৰক ঘিণাই পবিত্ৰ বস্তুক ডকা দি নিয়া নে?
২৩ বিধানতে আপোনাক প্ৰশংসা কৰিও তুমি বিধানক উলংঘা কৰি ঈশ্ব-
ৰক অমৰ্য্যতা কৰা নে? ২৪ কিয়নো যেনেকৈ লিখা আছে, তেনেকৈ বি-
দেশী লোকৰ মাঝত তোমোলাকৰ দ্বাৰাই ঈশ্বৰৰ নামৰ নিন্দা হৈছে ।

২৫ যদি বিধানক পালন কৰা, তেন্তে তোমাৰ চৰ্ম্মছেদনৰ লাভ হয়; কিন্তু
যদি বিধানক উলংঘা কৰা, তেন্তে তোমাৰ চৰ্ম্মছেদন অচৰ্ম্মছেদন হল ।
২৬ এই হেতুকে যদি চৰ্ম্মছেদন নোহোৱা জনে বিধানৰ কৰ্ম্ম কৰে, তেন্তে
তাৰ অচৰ্ম্মছেদনকো চৰ্ম্মছেদন বুলি নিলিখিব নে? ২৭ আৰু শাস্ত্ৰৰে চৰ্ম্ম-
ছেদনৰে অধীন হৈয়ো বিধান উলংঘা কৰা যি তুমি, তোমাক স্বভাৱৰ অচৰ্ম্ম-
ছেদন হৈ বিধান আচৰা লোকে নুদূষিব নে? ২৮ কিয়নো বাহিৰে যি য়িহু-
দি, সি য়িহুদি নহয়; আৰু বাহিৰত অঙ্গৰ যি চৰ্ম্মছেদন, সিও চৰ্ম্মছে-
দন নহয়; ২৯ কিন্তু যি জন হৃদয়ত য়িহুদি, সি য়িহুদি হয়; আৰু অকল
লিখা বিধানৰ দৰে নোহোৱাকৈ মন চিত্তৰ যি চৰ্ম্মছেদন, যাৰ প্ৰশংসা
মানুহৰ পৰা নহয়, ঈশ্বৰৰ পৰা হয়, সেয়েহে চৰ্ম্মছেদন ।

## ৩ অধ্যায় ।

তেনে হলে য়িহুদি হোৱাৰ কি লাভ? আৰু চৰ্ম্মছেদনত বা কি উপকাৰ?
২ সকলো পোনে অনেক লাভ আছে; বিশেষকৈ ঈশ্বৰৰ বাক্য সিবিলাক-
লৈ দি আছিল । ৩ কোনো কোনোএ বিশ্বাস নকৰিলে, সিবিলাকৰ অবিশ্বা-
সেৰে ঈশ্বৰৰ বিশ্বাস বিফল হব নে? ৪ কোনো মতেও নহয়; সকলো মা-
নুহ মিছা হলেও ঈশ্বৰক সত্য বুলি মনা হওক । এনে লিখাও আছে, তুমি
আপোনাৰ কথাত নিদূৰ্ষী, আৰু সোধতো জয় হবা । ৫ আমাৰ অন্যায়ে-
ৰে যদি ঈশ্বৰৰ ন্যায় প্ৰকাশ হয়, তেন্তে আমি কি বুলিম? ঈশ্বৰে বিহিত
দণ্ড কৰাত তেওঁ অন্যায় নে? লোকৰ দৰে কৈছোঁ । ৬ তেনে কোনো
মতে নহয়; হোৱা হলে, ঈশ্বৰে কেনেকৈ জগতৰ সোধ কৰিব? ৭ তাত বাঝেও
মোৰ মিছাৰে যদি ঈশ্বৰৰ সত্যই তেওঁৰ মহিমা অধিককৈ বহা কৰিলে,
তেন্তে অপৰাধীৰ নিচিনা মই কিয় দণ্ড পোৱা হম? ৮ তেনে হলে ভাল
হবৰ নিমিত্তে অধৰ্ম্ম কৰোঁহঁক, আমিও এই যি কথা কৈছোঁ বুলি কোনো-
বোৰে আমাক নিন্দা কৰি কয়, আমি তেনে কথা কম নে? এনে কথা
কোৱাবিলাক দণ্ডৰহে যোগ্য হয় ।

৯ তেনে হলে কি? আমি আনতকৈ উত্তম নে? কোনো ৰূপে নহওঁ;

কিয়নো য়িহুদি বা গ্ৰীকেই হওক, সকলো যে পাপৰ অধীন হয়, সেই
দোষৰ প্ৰমাণ আগেএ দিছোঁ । ১০ এনে লিখাও আছে, নিৰ্দ্দোষী কোনো
নহয়, এজনো নাই; ১১ জ্ঞানী বা ঈশ্বৰক বিচৰা কেওঁ নহয় । ১২ সকলো
কুপথে যোৱা, আৰু অকাৰ্য্য কৰা হল; ভাল কৰ্ম্ম কৰা কোনো নহয়, এজ-
নো নাই । ১৩ সিহঁতৰ ডিঙ্গিৰ নলি মুকলি হোৱা মৈদামৰ নিচিনা, সিহঁ-
তৰ জিবাৰে ভাণ্ডনা কৰে; সিহঁতৰ ওঁঠত কাল সাপৰ বিষ থাকে, ১৪ মুখো
শাও আৰু কটু বাক্যেৰে পূৰ হয়; ১৫ সিহঁতৰ ভৰি তেজ উলিয়াবলৈ
বেগাই যাই; ১৬ খোজতো বিনাশ অমঙ্গল হয়, ১৭ আৰু সিহঁতে কুশলৰ
বাট নেজানে; ১৮ সিহঁতৰ চকুৰ আগতো ঈশ্বৰলৈ ভয় নেথাকে । ১৯ বি-
ধানত যি লিখা আছে, তাক বিধানৰ বশ মানুহলৈহে লিখিছে, ইয়াক
আমি জানোঁ; এনেতে সকলো মুখ মৰি ঈশ্বৰৰ আগত আটাই জগতৰ
লোক অপৰাধী হব । ২০ এয়েৰেই বিধান পালনেৰে কোনো প্ৰাণী ঈশ্ব-
ৰৰ আগত পুণ্যৱন্ত লিখা হব নোৱাৰিব; কিয়নো বিধানেৰে পাপকহে
জনা হয় ।

২১ কিন্তু এতিয়া বিধানৰ কৰ্ম্ম নোহোৱাকৈ বিধান আৰু ভবিষ্যত বক্তা-
বিলাকৰ বচনেৰে প্ৰমাণ হোৱা ঈশ্বৰে দিয়া যি পুণ্য, ২২ অৰ্থাৎ য়ীশু খ্ৰীষ্টত
বিশ্বাসৰ দ্বাৰাই সকলোৰে নিমিত্তে, আৰু বিশ্বাস কৰা সকললৈকে দিয়া যি
ঈশ্বৰৰ পুণ্য, সেয়ে প্ৰকাশ হৈ আছে । ২৩ সিবিলাকৰ মাঝত একো ভেদ
নাই; কিয়নো পাপ কৰি সকলো ঈশ্বৰৰ মহিমাৰ পাত্ৰ নহল । ২৪ সিবি-
লাক য়ীশু খ্ৰীষ্টৰ যি মুক্তি, সেই মুক্তিৰ দ্বাৰাই ঈশ্বৰৰ অনুগ্ৰহেৰে বিনা-
মূল্যে পুণ্যৱন্ত লিখা হৈ আছে । ২৫ ঈশ্বৰে সহি থাকোঁতে আগেয়ে কৰা
পাপ ক্ষমা কৰাত আপোনাৰ পৰমাৰ্থ প্ৰকাশ কৰিবৰ নিমিত্তে, ২৬ আৰু
এই কালতো য়ীশুত বিশ্বাস কৰাক পুণ্যৱন্ত লিখাত পৰমাৰ্থিক হৈ আপো-
নাৰ পৰমাৰ্থ প্ৰকাশ কৰিবৰ নিমিত্তে য়ীশুৰ তেজত বিশ্বাসৰ দ্বাৰাই যি
প্ৰায়শ্চিত্ত, ঈশ্বৰে তেওঁক সেই প্ৰায়শ্চিত্ত নিযোজন কৰি থলে । ২৭ তেনে
হলে অহঙ্কাৰ কৰিবলৈ ঠাই কত? তাক গুচুয়া হল । কোন বিধানেৰে
গুচুয়া হল? কৰ্ম্মৰ বিধানেৰে নে? নহয়, বিশ্বাসৰ বিধানেৰে । ২৮ এই
হেতুকে বিধানৰ কৰ্ম্মৰ বিনে বিশ্বাসেৰে মানুহ যে পুণ্যৱন্ত লিখা হয়,
আমি ইয়াকে নিশ্চয় কৰিছোঁ । ২৯ তেওঁ অকল য়িহুদিবিলাকৰ ঈশ্বৰ
নে? বিদেশী লোকৰো নহয় নে? অৱশ্যে বিদেশী লোকৰো হয়; ৩০ কি-
য়নো একে জন ঈশ্বৰে বিশ্বাসেৰে চৰ্ম্মছেদন হোৱাবিলাকক, আৰু বিশ্বাসৰ
দ্বাৰাই চৰ্ম্মছেদন নোহোৱাবিলাককো পুণ্যৱন্ত বুলি লিখে । ৩১ এতেকে
আমি বিশ্বাসৰ দ্বাৰাই বিধান গুছাইছোঁ নে? কোনো মতেও নহয়; বিধান
থিৰহে কৰিছোঁ ।

## ৪ অধ্যায় ।

তেন্তে আমাৰ ওপৰ পিতৃ আব্ৰাহামে শৰীলৰ কৰ্ম্মেৰে কি কি পালে,
তাত আমি কি কম? ২ তেওঁ আপোনাৰ কৰ্ম্মৰ দ্বাৰাই পুণ্যৱন্ত লিখা
হোৱা হলে, তেওঁৰ প্ৰশংসাৰ কাৰণ থাকিলহেঁতেন; কিন্তু ঈশ্বৰৰ আগত
নহয় । ৩ তেওঁৰ কথাত শাস্ত্ৰে কি কৈছে? আব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰাত
সেই বিশ্বাস তেওঁলৈ পুণ্যৰ অৰ্থে গণা হল । ৪ কৰ্ম্ম কৰা মানুহৰ যি বেচ,
তাক অনুগ্ৰহৰ ফল নোবোলে, তাক ধাৰহে বোলা হয়; ৫ কিন্তু যি জনে
পাপীক পুণ্যৱন্ত বুলি লিখে, তেওঁত বিশ্বাস কৰি কৰ্ম্ম নকৰা মানুহলৈ
তাৰ সেই বিশ্বাস পুণ্যৰ অৰ্থে গণা হয় । ৬ আৰু কৰ্ম্ম নোহোৱাকৈ ঈশ্বৰে
যি মানুহক পুণ্যৱন্ত বুলি লিখে, সেই মানুহে আশীৰ্ব্বাদ পোৱাৰ কথা
দায়ূদেও কৈছে, ৭ বোলে, যিবিলাকৰ পাপ ক্ষমা, আৰু অপৰাধ লুকুৱা
হল, সেইবিলাক সুখৱন্ত; ৮ যি মানুহলৈ প্ৰভুএ পাপ নিলিখে, সেয়ে
সুখৱন্ত ।
৯ সেই আশীৰ্ব্বাদ অকল চৰ্ম্মছেদন হোৱাবিলাকলৈ হয় নে, নাইবা
চৰ্ম্মছেদন নোহোৱাবিলাকলৈকো হয়? কিয়নো আব্ৰাহামলৈ বিশ্বাস পুণ্যৰ
অৰ্থে গণা হল, তাক আমি বোলোঁ । ১০ কেনেকৈ গণা হল? চৰ্ম্মছেদন
হোৱাতে নে, নাইবা অচৰ্ম্মছেদনতে গণা হল? চৰ্ম্মছেদন হোৱাত নহয়,
কিন্তু অচৰ্ম্মছেদনতে গণা হৈছিল । ১১ আৰু চৰ্ম্মছেদন নকৰা হৈয়ো,
বিশ্বাস কৰা সকলোৰে তেওঁ যেন পিতৃ হয়, আৰু সিবিলাকলৈয়ো যেন
পুণ্য লিখা হয়; আৰু অকল চৰ্ম্মছেদন হোৱাবিলাকৰ নহয়, কিন্তু আমাৰ
ওপৰ পিতৃ আব্ৰাহামৰ চৰ্ম্মছেদন হোৱাৰ আগেএ যেনে বিশ্বাস আছিল,
তেনে বিশ্বাস কৰি তেওঁৰ খোজত যোৱাবিলাকৰো তেওঁ যেন পিতৃ হয়;
১২ এই নিমিত্তে চৰ্ম্মছেদন হোৱাৰ আগেএ তেওঁ বিশ্বাস কৰাত সেই
বিশ্বাসৰ দ্বাৰাই তেওঁৰ যি পুণ্য হল, তাৰ প্ৰমাণ হবলৈ চৰ্ম্মছেদনৰ চিন
পালে । ১৩ আৰু তেওঁ যেন জগতৰ অধিকাৰ হব, এই যি প্ৰতিজ্ঞা আব্ৰা-
হাম আৰু তেওঁৰ বঙ্গহলৈ কৰা গৈছিল, সেয়ে বিধানৰ দ্বাৰাই নহয়; বিশ্বা-
সৰ যি পুণ্য, তাৰ দ্বাৰাইহে হৈছিল । ১৪ কিয়নো বিধান আচৰাবিলাক
যদি অধিকাৰ হয়, তেন্তে বিশ্বাস অকাৰণ, আৰু সেই প্ৰতিজ্ঞাও বিফল
হয় । ১৫ বিধানে ক্ৰোধকহে জন্মাই: কিয়নো যত বিধান নাই, তাত
আজ্ঞা ছন কৰাও নাই । ১৬ এই হেতুকে অকল বিধান আচৰাবিলাকলৈ
এনে নহয়, কিন্তু আব্ৰাহামৰ দৰে বিশ্বাস কৰাবিলাকলৈকো অৰ্থাৎ তেওঁৰ
সকলো বঙ্গহলৈ প্ৰতিজ্ঞা যেন থিৰ হয়, এই নিমিত্তে সেই প্ৰতিজ্ঞা অনু-
গ্ৰহৰ দ্বাৰাই হবলৈ বিশ্বাসেৰে হয় । ১৭ যেনেকৈ লিখা আছে, অনেক
দেশী লোকৰ আদি পিতৃ তোমাক মই পাতিলোঁ, সেই ৰূপে যি জনে

মৰাক জীয়াই, আৰু নাইকিয়াকে থকা কৰে, এনে যি ঈশ্বৰত আব্রা-
হামে বিশ্বাস কৰিলে, তেওঁৰ আগত সেই আব্রাহাম আমাৰ সকলোৰে
পিতৃ । ১৮ তোমাৰ এনে বঙ্গহ হব, এই ৰূপে কোৱা কথাৰ দৰে আব্রা-
হাম অনেক দেশী লোকৰ আদি পিতৃ যেন হয়, তেওঁ এই প্রতিজ্ঞাত
আশা নোহোৱাতো আশা কৰি বিশ্বাস কৰিলে । ১৯ আৰু বিশ্বাসেৰে
নির্বলী নহৈ, এশ মান বছৰ বয়সীয়া, আপোনাৰ শৰীল মৰা যেন, আৰু
চিৰোতা চাৰাৰ গর্ভশক্তি হীন হোৱাকো নেমানিলে । ২০ আৰু অবিশ্বাসেৰে
ঈশ্বৰৰ প্রতিজ্ঞাত সংশয় নকৰিলে; ২১ কিন্তু ঈশ্বৰে যি প্রতিজ্ঞা কৰিছিল,
তাক তেওঁ সিদ্ধি কৰিব পাৰে, ইয়াকে নিশ্চয় মানি বিশ্বাসত সমর্থ হৈ
ঈশ্বৰৰ মহিমা প্রকাশ কৰিলে । ২২ এই নিমিত্তে সেই বিশ্বাস তেওঁলৈ
পুণ্যৰ অর্থে গণা হল । ২৩ তেওঁলৈ যে গণা হল, এয়ে অকল তেওঁৰ নি-
মিত্তে লিখা, এনে নহয়, আমাৰ নিমিত্তেও লিখা হৈছে; ২৪ কিয়নো যি
জনক আমাৰ পাপৰ কাৰণে সোধাই দিয়া হল, আৰু আমি পুণ্যৱন্ত
হবলৈ উঠা হল, ২৫ এনে যি আমাৰ প্রভু য়ীশু, তেওঁক তোলা জন ঈশ্ব-
ৰত বিশ্বাস কৰা যি আমি, আমালৈকো সেই বিশ্বাস পুণ্যৰ অর্থে গণা
হব ।

## ৫ অধ্যায় ।

এই হেতুকে আমি বিশ্বাসেৰে পুণ্যৱন্ত লিখা হৈ আমাৰ প্রভু য়ীশু খ্রীষ্টৰ
দ্বাৰাই ঈশ্বৰে সৈতে মিল হৈ আছোঁ । ২ আৰু যি অনুগ্রহত থিৰে আছোঁ,
বিশ্বাসেৰে তেওঁৰ দ্বাৰাই সেই অনুগ্রহত আশ্রয় পাই, ঈশ্বৰৰ মহিমা পাবৰ
আশাৰে আনন্দ কৰিছোঁ । ৩ অকল সেয়ে নহয়, ক্লেশ ভোগতো আনন্দ
কৰিছোঁ; কিয়নো ক্লেশৰ পৰা সহন, ৪ সহনৰ পৰা প্রমাণ, প্রমা-
ণৰ পৰা আশা জন্মে, ইয়াক আমি জানোঁ । ৫ আৰু সেই আশাৰে লা-
জত নপৰে, কিয়নো আমালৈ দিয়া যি পবিত্র আত্মা, তেওঁৰ দ্বাৰাই আ-
মাৰ মনত ঈশ্বৰৰ প্রেম বাকি দিয়া হৈছে । ৬ আমি নিৰূপায় হোৱাতো
খ্রীষ্টে যোগ্য কালত পাপীবিলাকৰ নিমিত্তে আপোনাৰ প্রাণ দিলে ।
৭ ধর্ম্মৱন্তৰ নিমিত্তে প্রায়ে কোনো জনে প্রাণ নিদিএ; ধর্ম্মৱন্ত হলে তাৰ
নিমিত্তে মৰিবলৈয়ো কিজানি কোনো জনৰ সাহ থাকিব পাৰে । ৮ কিন্তু
আমি পাপী হোৱাতো খ্রীষ্টে আমাৰ নিমিত্তে আপোনাৰ প্রাণ দিলে,
তাতেই ঈশ্বৰে আমালৈ আপোনাৰ প্রেম প্রকাশ কৰিলে । ৯ এই হেতুকে
তেওঁৰ তেজৰ আশ্রয়েৰে পুণ্যৱন্ত লিখা হৈ, তাতকৈয়ো আমি তেওঁৰ দ্বাৰাই
ক্রোধৰ পৰা পৰিত্রাণ পাম । ১০ শত্রু হলতো ঈশ্বৰৰ পুত্রৰ মৰণেৰে যদি
আমি ঈশ্বৰে সৈতে মিলন পালোঁ, তেন্তে মিল হোৱাৰ পাছে তেওঁৰ জীৱ-

নেৰে তাতকৈয়ো পৰিত্ৰাণ পাম। ১১ অকল এয়ে নহয়, যি জনৰ পৰা
ঈশ্বৰে সৈতে মিলন পালোঁ, আমাৰ সেই প্ৰভু য়ীশু খ্ৰীষ্টৰ দ্বাৰাই এতিয়াও
ঈশ্বৰত আনন্দ কৰি আছোঁ।
১২ এজন মানুহৰ দ্বাৰাই পাপ, আৰু পাপৰ দ্বাৰাই মৰণ জগতত যেনে-
কৈ সোমাল, সেই ৰূপে সকলো মানুহে পাপ কৰাত মৰণৰ অধীন হল।
১৩ কিয়নো বিধান দিয়া কাললৈকে জগতত পাপ আছিলে; কিন্তু যত
বিধান নাই, তাত [পাপকো লিখা নেযাই। ১৪ তথাপি আদমে আজ্ঞা
ছন কৰাৰ দৰে পাপ নকৰা যিবিলাক, আদমৰ পৰা মোচালৈকে সেইবি-
লাকৰ ওপৰতো মৰণ অধিকাৰ হৈ থাকিল। যি জন আগলৈ আহিব
লগা হৈছিল, তেওঁৰ উপমা সেই আদম। ১৫ কিন্তু অপৰাধৰ যেনে ভাও,
অনুগ্ৰহৰ দান তেনে নহয়; কিয়নো এজনৰ অপৰাধৰ দ্বাৰাই যদিস্যাত
অনেকৰ মৰণ হল, তথাপিও ঈশ্বৰৰ অনুগ্ৰহ আৰু অনুগ্ৰহৰ দান, এই
দুয়ো একে জনৰ দ্বাৰাই, অৰ্থাৎ য়ীশু খ্ৰীষ্টৰ দ্বাৰাই তাতকৈয়ো অনেকলৈ
বৰ্হাই দিয়া হল। ১৬ আৰু এজনে পাপ কৰাত যেনে হল, অনুগ্ৰহৰ দান
তেনে নহয়; কিয়নো এজনৰ অপৰাধৰ দ্বৰাই দণ্ড কৰিবৰ নিমিত্তে আজ্ঞা
আছিল; কিন্তু পুণ্য পাবৰ নিমিত্তে অনেক অপৰাধ খণ্ডিবলৈ অনুগ্ৰহৰ
দান হল। ১৭ আৰু এজনে পাপ কৰাত এজনৰ দ্বাৰাই যদি মৰণ অধি-
কাৰ হল, তেন্তে যিবিলাকে অধিক অনুগ্ৰহ আৰু পুণ্যৰ দান পাই, সিবি-
লাকে তাতকৈয়ো একে জনৰ দ্বাৰাই অৰ্থাৎ য়ীশু খ্ৰীষ্টৰ দ্বাৰাই পৰম
আয়ুষত অধিকাৰ হব। ১৮ এয়েৰেই এজনৰ অপৰাধৰ দ্বাৰাই দণ্ডৰ
নিমিত্তে যেনেকৈ সকলোৰে ওপৰত আজ্ঞা হল, তেনেকৈ একে জনৰ পুণ্যৰ
দ্বাৰাই পৰম আয়ুষ পাবৰ নিমিত্তে সকলোৰে ওপৰত অনুগ্ৰহৰ দান হল।
১৯ কিয়নো এজনে আজ্ঞা ছন কৰাত যেনেকৈ অনেক অপৰাধী হল, তেনেকৈ
একে জনে আজ্ঞা পালন কৰাত অনেককো পুণ্যৱন্ত লিখা হব। ২০ অপৰাধ
অধিক হবলৈ বিধান দিয়া হল; কিন্তু যি ঠাইত পাপ অধিক, সেই ঠাই-
তে অনুগ্ৰহ তাতকৈয়ো অধিক হল। ২১ তাৰে মৃত্যু ভোগলৈকে যেনেকৈ
পাপ অধিকাৰ হল, সেই ৰূপে আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পুণ্যৰ দ্বাৰাই
অনন্ত আয়ুষলৈকে অনুগ্ৰহ অধিকাৰ হব।

## ৬ অধ্যায়।

তেনে হলে আমি কি বুলিম? অনুগ্ৰহ অধিক হবলৈ পাপ কৰি থাকিম
নে? ২ এনে কোনো মতেও নহয়। পাপৰ সম্বন্ধত মৰা যি আমি, আমি
তাত আৰু কেনেকৈ জীয়াই থাকিম? ৩ আমি যেতেক মানুহ য়ীশু খ্ৰীষ্টলৈ
বুৰ দিওৱা হৈছোঁ, আমি তেওঁৰ মৰণতহে বুৰ দিওৱা হৈছোঁ, ইয়াক তো-

মোলাকে নেজানা নে? ৪ এয়েৰেই পিতৃৰ মহিমাৰ দ্বাৰাই মৰণৰ পৰা
যেনেকৈ খ্রীষ্ট উঠিল, তেনেকৈ আমিও যেন নতুন জীৱনেৰে আচৰোঁ, এই
নিমিত্তে তেওঁৰ মৰণত বুৰ দিওৱাৰ দ্বাৰাই তেওঁ সৈতে মৈদামত শুয়াই
থোৱা হৈছোঁ । ৫ আৰু তেওঁৰ মৰণৰ তুল্যেৰে আমি যদি তেওঁৰ সঙ্গী
হওঁ, তেন্তে উঠানতো তেওঁৰ সঙ্গী হম । ৬ আমি যেন আৰু পাপৰ সেৱা
নকৰোঁ, এই নিমিত্তে আমাৰ পাপৰ শৰীল বিনাশ হবলৈ আমাৰ পুৰণি
স্বভাও তেওঁ সৈতে পেৰেঙ্গণীত মৰা হল, ইয়াক আমি জানোঁ । ৭ মৰা যি
জন, সেই জন পাপৰ পৰা মুকুত হয় । ৮ এই হেতুকে আমি যদি খ্রীষ্টে
সৈতে মৰা হওঁ, তেন্তে তেওঁ সৈতে আমি যে জীয়াই থাকিম, ইয়াতে
বিশ্বাস কৰোঁ । ৯ কিয়নো খ্রীষ্টে মৰণৰ পৰা উঠা হৈ আকও নমৰে;
তেওঁৰ ওপৰত মৰণ অধিকাৰ আৰু নহয়, ইয়াকে আমি জানোঁ । ১০ তেওঁ
যে মৰিল, পাপ খণ্ডিবলৈ এবেলি মৰিল, কিন্তু তেওঁ যে জীএ, ঈশ্বৰলৈহে
জীএ । ১১ সেই দৰেই তোমোলাকো আপোনাকে পাপৰ সমন্ধত মৰা,
আৰু [আমাৰ প্ৰভু] য়ীশু খ্রীষ্টৰ দ্বাৰাই ঈশ্বৰলৈ জীয়াই থকা বুলি
মানা । ১২ এয়েৰেই পাপৰ অভিলাষ পূৰ কৰিবলৈ তোমোলাকৰ এই
বিনাশী দেহত পাপক অধিকাৰ হবলৈ নিদিবা । ১৩ আৰু আপোনাৰ
অঙ্গকো অধৰ্ম্মৰ অস্ত্ৰ কৰি পাপ কৰ্ম্মলৈ নিদিবা; কিন্তু মৰাৰ পৰা
উঠাবিলাকৰ নিচিনা আপোনাকে ঈশ্বৰত সোধাই দিয়া, আৰু ঈশ্বৰৰ ধৰ্ম্মৰ
অস্ত্ৰৰ নিচিনা আপোনাৰ অঙ্গকো সোধাই দিয়া । ১৪ তোমোলাকৰ ওপ-
ৰত পাপ অধিকাৰ হৈ নেথাকিব; কিয়নো তোমোলাক বিধানৰ অধীন
নহৈ অনুগ্ৰহৰ অধীন হৈছা ।

১৫ তেন্তে কি? আমি বিধানৰ অধীন নহৈ অনুগ্ৰহৰ অধীন হোৱাৰ
নিমিত্তে পাপ কৰি থাকিম নে? ১৬ এনে কোনো মতেও নহয় । মৰণৰ
নিমিত্তে পাপৰ, নাইবা পুণ্যৰ নিমিত্তে আজ্ঞা পালনৰ, এই দুইৰো যি
কোনোৰ আচৰণত আপোনাক সোধাই দিয়া, তোমোলাক সেই আচৰা-
টৰ বন্দী হোৱা, ইয়াক তোমোলাকে নেজানা নে? ১৭ আগেয়ে তো-
মোলাক পাপৰ বন্দী আছিলা, কিন্তু তোমোলাকক যি উপদেশৰ দৰ
শিকাই দিয়া গল, তাক মনেৰে আচৰি আছা, এই নিমিত্তে ঈশ্বৰৰ গুণ
কীৰ্ত্তন হওক । ১৮ এই ৰূপে তোমোলাক পাপৰ পৰা মুকুত হৈ ধৰ্ম্মৰ
বন্দী হৈছা । ১৯ তোমোলাকৰ শৰীল দুৰ্ব্বলৰ নিমিত্তে মানুহৰ দৰে এই
কথা কৈছোঁ । আগেয়ে তোমোলাকে অধৰ্ম্ম কৰিবলৈ যেনেকৈ আপো-
নাৰ অঙ্গবোৰক অশুচি আৰু পাপ কৰ্ম্মলৈ বন্দীকৈ সোধাইছিলা, তেনে-
কৈ এতিয়া পবিত্ৰ হবলৈ আপোনাৰ অঙ্গবোৰক ধৰ্ম্মলৈ বন্দীকৈ সোধাই
দিয়া । ২০ যি কালত তোমোলাক পাপৰ বন্দী হৈছিলা, তেতিয়া ধৰ্ম্মৰ
অনধীন হৈ আছিলা ।

২১ তেন্তে যি কৰ্ম্মত এতিয়া তোমোলাকে লাজ পাইছা, তেতিয়া সেই
কৰ্ম্মত তোমোলাকৰ কি লাভ আছিলে? কিয়নো এনে কৰ্ম্মৰ ফল মৰণহে।
২২ কিন্তু এতিয়া তোমোলাক পাপৰ পৰা মুকুত হৈ ঈশ্বৰৰ বন্দী হোৱাত
তোমোলাক পবিত্ৰ হোৱা ফল পালা; শেষতো অনন্ত আয়ুষ পাবা।
২৩ কিয়নো পাপৰ বেচ মৰণ; কিন্তু ঈশ্বৰৰ যি দান, সেয়ে আমাৰ প্ৰভু
য়ীশু খ্ৰীষ্টৰ দ্বাৰাই অনন্ত আয়ুষ।

## ৭ অধ্যায়।

হে ভাইবিলাক, মই বিধান জনাবিলাকত কৈছোঁ, মানুহ যেতে দিন জীয়াই
থাকে, তেতে দিনলৈকে বিধান তাৰ ওপৰত অধিকাৰ হয়, ইয়াক তো-
মোলাকে নেজানা নে? ২ স্বামী যিমান দিন জীয়াই থাকে, সেইমান দিনলৈ
বিয়া কৰোৱা তিৰোতা স্বামীএ সৈতে বিধানেৰে বন্ধা হৈ থাকে; কিন্তু
যদি স্বামী মৰে, তেন্তে সেই তিৰোতা স্বামীৰ বিধানৰ পৰা মুকুত হয়।
৩ এয়েৰেই স্বামী জীয়াই থাকিলে যদি সেই তিৰোতাই আন পুৰুষেৰে
বিয়া হয়, তেতিয়া তাইক ব্যভিচাৰিণী বোলা যাই; কিন্তু স্বামী মৰিলে,
তাই সেই বিধানৰ পৰা মুক্ত হৈ আন পুৰুষেৰে বিয়া হলেও ব্যভিচা-
ৰিণী নহয়। ৪ এই ৰূপেও হে মোৰ ভাইবিলাক, তোমোলাক আন এজন,
অৰ্থাৎ মৰণৰ পৰা উঠা যি জন, তেওঁৰে সৈতে বিয়া হৈ আমি যেন ঈশ্বৰলৈ
ফলৱন্ত হওঁ, এই নিমিত্তে তোমোলাক খ্ৰীষ্টৰ শৰীলৰ দ্বাৰাই বিধানৰ
সমন্ধত মৰা হৈছা। ৫ কিয়নো আমি শৰীলৰ আচাৰ কৰা কালত মৰণলৈ
ফল জন্মাবৰ নিমিত্তে বিধানৰ দ্বাৰাই পাপৰ যি অভিলাষ, সেইবিলাক
আমাৰ অঙ্গত প্ৰবৰ্ত্তি আছিলে। ৬ কিন্তু যি বিধানৰ অধীন হৈ আছিলোঁ,
তালৈ এতিয়া মৰা হৈ আমি যেন পুৰণি কথাৰে নচলি, নতুন মনেৰে
ঈশ্বৰৰ সেৱা কৰোঁ, এই নিমিত্তে বিধানৰ অধীনৰ পৰা মুক্ত হৈছোঁ।
৭ তেন্তে আমি কি বুলিম? বিধানে পাপ জন্মোৱা হয় নে? এনে কোনো
মতেও নহয়; বিধান নোহোৱা হলে, মই পাপ নেজানিলোঁহেঁতেন; কিয়-
নো লোভ নকৰিবা, বিধানে ইয়াক নোকোৱা হলে, লোভত যি পাপ
হয়, তাক নেজানিলোঁহেঁতেন; ৮ কিন্তু পাপে বিধানৰ দ্বাৰাই ছল পাই,
মোৰ হৃদয়ত সকলো ৰূপে কুচিত অভিলাষ জন্মালে। কিয়নো বিধান
নোহোৱাত পাপ মৰা হৈ আছিলে। ৯ আগেয়ে বিধান নোহোৱাত মই
জীয়াই আছিলোঁ; কিন্তু পাছে আজ্ঞা অহাত পাপ জীলে, মই মৰিলোঁ।
১০ আৰু যি আজ্ঞা জীৱনৰ নিমিত্তে হয়, সেয়ে মৰণৰ নিমিত্তেহে হোৱা
মই জানিলোঁ। ১১ কিয়নো আজ্ঞাৰ দ্বাৰাই পাপে ছল পাই মোক ভুলাই,
তাৰেই মোক বধিলে; ১২ এই হেতুকে বিধান পবিত্ৰ, আজ্ঞাও পবিত্ৰ, আৰু

পৰমাৰ্থিক, ভাল হয় । ১৩ তেন্তে যি ভাল, সেয়ে মোলৈ মৰণ জন্মোৱা
হয় নে? এনে কোনো মতেও নহয়; কিন্তু পাপে যেন আপোনাৰ স্বভাও
দেখাই, আৰু আজ্ঞাৰ দ্বাৰাই পাপ যেন অতি পাপী হয়, এই নিমিত্তে
যি আজ্ঞা ভাল, তাৰ দ্বাৰাই পাপেহে মোৰ মৰণ জন্মালে ।
১৪ বিধান যে পৰমাৰ্থিক, তাক আমি জানোঁ; কিন্তু মই সংসাৰিক, আৰু
পাপৰ অধীনলৈ বিক্ৰি হৈ আছোঁ । ১৫ কিয়নো যি কৰ্ম্ম কৰোঁ, তাত মই
সন্তোষ নহওঁ; যি কৰিবৰ মন আছে, তাক নকৰোঁ, কিন্তু যিহকে ঘিণাওঁ,
তাকে কৰোঁ । ১৬ এই ৰূপে মোৰ যি কৰিবৰ মন নাই, তাকে যদি কৰোঁ,
তেন্তে বিধান যে উত্তম, ইয়াক সৈ কাঢ়োঁ । ১৭ এই হেতুকে মই আপুনি
এই কৰ্ম্ম কৰা, এনে নহওঁ; কিন্তু মোৰ শৰীলত থকা যি পাপ, সেয়েহে
কৰে । ১৮ কিয়নো মোত অৰ্থাৎ মোৰ শৰীলত একো ভাল কথা নেথাকে,
ইয়াক মই জানোঁ; ইচ্ছা কৰিবলৈ সমৰ্থ হয়, কিন্তু সজ কৰ্ম্ম কৰিবলৈ নে-
পাওঁ । ১৯ কিয়নো যি সজ কৰ্ম্ম কৰিবলৈ ইচ্ছা হয়, তাক নকৰোঁ, কিন্তু
যি কুকৰ্ম্ম কৰিবলৈ মোৰ ইচ্ছা নাই, তাকেই কৰোঁ । ২০ এই ৰূপে মোৰ
যি কৰিবৰ মন নাই, তাকে যদি কৰোঁ, তেন্তে মই আপুনি তাক কৰা, এনে
নহয়, কিন্তু মোৰ শৰীলত থকা যি পাপ, সেয়েহে কৰে । ২১ এয়েৰেই
মোৰ যেতিয়া সজ কৰ্ম্ম কৰিবৰ ইচ্ছা হয়, তেতিয়া কুকৰ্ম্মেহে মোৰ লগ
লয়, মোৰ এনে এক স্বভাও পাইছোঁ । ২২ মই নতুন স্বভাৱেৰে ঈশ্বৰৰ
বিধানত সন্তোষে আছোঁ, ২৩ কিন্তু হৃদয়ৰ বিধানৰ বিৰোদ্ধে যুদ্ধ কৰি
মোক অঙ্গবোৰত থকা পাপৰ বিধানৰ অধীন কৰা, এনে আন এক স্বভাও
মোৰ অঙ্গতে দেখোঁ । ২৪ অস অস, দুৰ্ভগীয়া মানুহ যি মই, মোক এই
মৰণ দেহৰ পৰা কোনে উদ্ধাৰ কৰিব? ২৫ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ
দ্বাৰাই (উদ্ধাৰ কৰা) ঈশ্বৰক স্তুতি কৰোঁ । এয়েৰেই মই আপুনি মনেৰে
ঈশ্বৰৰ বিধান আচৰোঁ, কিন্তু শৰীলেৰে পাপৰ বিধান আচৰোঁ ।

## ৮ অধ্যায় ।

এই হেতুকে যিবিলাকে য়ীশু খ্ৰীষ্টত আশ্ৰয় লৈ সংসাৰিক আচাৰৰ দৰে
[নপ্ৰবৰ্ত্তি আত্মাৰ আচাৰৰ দৰে] প্ৰবৰ্ত্তে, সেইবিলাক দণ্ডৰ পাত্ৰ নহয় ।
২ য়ীশু খ্ৰীষ্টৰ আশ্ৰয়ত জীৱন দিওঁতা যি আত্মাৰ বিধান, সেয়ে মোক
পাপৰ আৰু মৰণৰ বিধানৰ পৰা মুক্ত কৰিলে । ৩ কিয়নো শৰীলৰ
কাৰণে বিধান দুৰ্ব্বলী হৈ যি কৰ্ম্ম কৰিব নোৱাৰিলে, (তাকে কৰিবলৈ)
ঈশ্বৰে আপোনাৰ পুত্ৰক পাপী শৰীলৰ মূৰ্ত্তিৰে পঁাচিলে, আৰু পাপৰ
প্ৰায়শ্চিত্তৰ নিমিত্তে তেওঁৰ শৰীলত পাপৰ দণ্ড কৰিলে । ৪ তাতে সং-
সাৰিক আচাৰৰ দৰে নপ্ৰবৰ্ত্তি, আত্মাৰ আচাৰৰ দৰে প্ৰবৰ্ত্তা যি আমি,

আমাৰ দ্বাৰাই বিধানৰ ধৰ্ম্ম পূৰ হয়। ৫ যিবিলাক সংসাৰিক, যিবি-
লাকে সংসাৰিক কথা চিন্তে; কিন্তু আত্মাৰ যিবিলাক, সেইবিলাকে
আত্মাৰ কথা চিন্তে। ৬ সংসাৰিক চিন্তা মৰণ; আত্মাৰ চিন্তন পৰম
আয়ুষ আৰু কুশল। ৭ কিয়নো সংসাৰিক চিন্তা ঈশ্বৰৰ শত্ৰু; ঈশ্বৰৰ
বিধানৰ অধীন নহয়, আৰু হবও নোৱাৰে। ৮ এয়েৰেই যি কোনো-
বিলাক সংসাৰিক, সেইবিলাকে ঈশ্বৰক সন্তোষ কৰিব নোৱাৰে। ৯ কিন্তু
ঈশ্বৰৰ আত্মা যদি তোমোলাকৰ হৃদয়ত থাকে, তেন্তে তোমোলাক সং-
সাৰিক নোহোৱা, আত্মাৰ অধীনহে হোৱা। আৰু যি কোনোএ খ্ৰীষ্টৰ
আত্মা নেপালে, সি খ্ৰীষ্টৰ নহয়। ১০ যদি খ্ৰীষ্ট তোমোলাকত থাকে,
তেন্তে পাপৰ দ্বাৰাই শৰীল মৰণৰ অধীন হল; কিন্তু পুণ্যৰ দ্বাৰাই
আত্মা জীএ। ১১ আৰু যি ঈশ্বৰে য়ীশুক মৰাৰ পৰা তুলিলে, তেওঁৰ
আত্মা যদি তোমোলাকত থাকে, তেন্তে খ্ৰীষ্টক মৰাৰ পৰা তোলা জনে
তোমোলাকৰ হৃদয়ত থকা তেওঁৰ আত্মাৰ দ্বাৰাই তোমোলাকৰ বিনাশী
দেহকো আকও জীয়াব।

১২ এয়েৰেই হে ভাইবিলাক, আমি শৰীলৰ আচাৰৰ দৰে প্ৰবৰ্ত্তিব-
লৈ শৰীলৰ অধীন হৈছোঁ, এনে নহয়। ১৩ তোমোলাকে যদি শৰীলৰ
আচাৰৰ দৰে প্ৰবৰ্ত্তা, তেন্তে তোমোলাক মৰিবা; কিন্তু আত্মাৰ দ্বাৰাই
যদি শৰীলৰ কৰ্ম্ম বিনাশ কৰা, তেন্তে জীবা। ১৪ কিয়নো যিমান লোক
ঈশ্বৰৰ আত্মাৰে আকৰ্ষণ হয়, সেইবিলাক ঈশ্বৰৰ সন্তান হয়। ১৫ তো-
মোলাকে আৰু ভয়েৰে থাকিবৰ নিমিত্তে বন্দীৰ স্বভাও পোৱা নহয়; কিন্তু
যি স্বভাৱেৰে তোমোলাকে ঈশ্বৰক হে আবা পিতৃ বোলা, এনে তোলনিয়া
পুত্ৰৰ স্বভাও পালা। ১৬ আমি যে ঈশ্বৰৰ সন্তান হওঁ, এই কথাত
পবিত্ৰ আত্মাই আপুনি আমাৰ আত্মাই সৈতে প্ৰমাণ দিছে। ১৭ আৰু
যদি সন্তান হওঁ, তেন্তে পুত্ৰাধিকাৰো হম, অৰ্থাৎ ঈশ্বৰে দিয়া সুখৰ অধি-
কাৰ, আৰু খ্ৰীষ্টৰ লগৰ অধিকাৰ হম। তেৱেঁ সৈতে যদি দুখৰ ভাগী
হওঁ, তেন্তে তেওঁৰ প্ৰভাৱৰো ভাগী হম।

১৮ আমালৈ যি প্ৰভাও প্ৰকাশ হব, তাৰে সৈতে আমাৰ এতিয়াৰ
কালৰ দুখক তুল্য কৰিবলৈ একো যোগ্য নহয়, এনে বুজোঁ। ১৯ কিয়-
নো ঈশ্বৰৰ সন্তানবিলাক প্ৰকাশ হবৰ দিনলৈ প্ৰাণীবিলাকৰ অতি আশাই
বাট চাই আছে। ২০ আৰু প্ৰাণীবিলাকক আপোনাৰ ইচ্ছাৰে অনিত্যৰ
অধীন কৰা নহল, কিন্তু বিনাশৰ অধীনৰ পৰা ঈশ্বৰৰ সন্তানবিলাকৰ
প্ৰভাৱৰ মুক্তিলৈ মোচন কৰা হব, ২১ এই আশাতে যি জনে সিবিলাকক
অধীন কৰিলে, তেওঁৰ দ্বাৰাইহে অনিত্যৰ অধীন কৰা হল। ২২ আৰু
এতিয়ালৈকে সকলো প্ৰাণীএ প্ৰসৱৰ দৰে বেদনাৰ দুঃখ পাই একে লগে
কেঁকাই আছে, ইয়াক আমি জানোঁ। ২৩ অকল সিবিলাকেই নহয়,

আত্মাৰ প্ৰথম ফল পোৱা যি আমি, আমিও তোলনিয়া পুত্ৰৰ বাব
অৰ্থাৎ মৰণৰ পৰা শৰীলৰ মুক্তিলৈ বাট চাই, আপোনাৰ মনত কেঁকাই
আছোঁ। ২৪ আমি আশাৰেহে পৰিত্ৰাণ পাইছোঁ। দেখা পোৱাত যি
আশা, সেয়ে আশাও নহয়; মানুহে যিহকে দেখে, তালৈ আৰু কিয় আশা
কৰে? ২৫ কিন্তু যিহকে দেখা নাই, তালৈ যদি আশা কৰোঁ, তেন্তে ধৌৰ্য্যে-
ৰে তাক পাবলৈ বাট চাই থাকোঁ। ২৬ এই ৰূপে আত্মায়ো আমাৰ দুৰ্ব্ব-
লত উপকাৰ কৰে; আৰু কিহৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ আমাৰ উচিত,
আমি তাক নজনাত আত্মাই আপুনি আমাৰ নিমিত্তে অনিৰ্ব্বচনীয় কেঁক-
নিৰে প্ৰাৰ্থনা কৰাই। ২৭ আৰু আত্মাই ঈশ্বৰৰ ইচ্ছাৰ দৰে পবিত্ৰ লো-
কৰ নিমিত্তে প্ৰাৰ্থনা কৰোৱাত অন্তৰ্য্যামী ঈশ্বৰে তেওঁৰ আশয় জানে।
২৮ আৰু আপোনাৰ নিয়মৰ দৰে ঈশ্বৰে আমন্ত্ৰণ কৰা হৈ যিবিলাকে তেওঁত
প্ৰেম কৰে, সিবিলাকৰ লাভৰ সিদ্ধি কৰিবলৈ সকলো কাৰ্য্য মিলি ঘটে,
ইয়াকে আমি জানোঁ। ২৯ কিয়নো ঈশ্বৰৰ পুত্ৰ যেন অনেক ভায়েকৰ মা-
ঝত প্ৰথম জন্মা হয়, এই নিমিত্তে তেওঁ যিবিলাকক আগৰ জ্ঞানেৰে জানি-
লে, সিবিলাকক আপোনাৰ সেই পুত্ৰৰ নিচিনা একে ৰূপ নিযোজন কৰি-
লে। ৩০ আৰু যিবিলাকক নিযোজন কৰিলে, সেইবিলাকক তেওঁ আমন্ত্ৰণ
কৰিলে; আৰু যিবিলাকক আমন্ত্ৰণ কৰিলে, সেইবিলাকক পুণ্যৱন্ত লিখিলে;
আৰু যিবিলাকক পুণ্যৱন্ত লিখিলে, সেইবিলাকক ঐশ্বৰ্য্য পোৱাও কৰিলে।
৩১ তেন্তে এইবিলাক কথাত আমি কি বুলিম? যদি ঈশ্বৰ আমাৰ হিত
হয়, তেন্তে আমাৰ অহিত কোন হব পাৰে? ৩২ যি জনে আপোনাৰ
পুত্ৰকো নেৰাখি, আমাৰ আটাইৰে নিমিত্তে তেওঁক সোধাই দিলে, সেই
জনে আমাক অনুগ্ৰহ কৰি তেওঁৰ সৈতে আন সকলকো নিদিব নে?
৩৩ ঈশ্বৰে মনোনীত কৰাবিলাকক কোনে দোষ দিব? ঈশ্বৰেহে পুণ্যৱন্ত
লিখে। ৩৪ সিবিলাকৰ দণ্ডৰ আজ্ঞা নো কোনে দিব? খ্ৰীষ্টেহে প্ৰাণ
এৰিলে; অকল সেয়ে নহয়, আকও জীয়াই উঠি, ঈশ্বৰৰ সোঁ ফালে থা-
কি এতিয়ালৈকে আমাৰ অৰ্থে প্ৰাৰ্থনা কৰি আছে। ৩৫ খ্ৰীষ্টৰ প্ৰে-
মৰ পৰা কোনে আমাক বিযোগ কৰিব পাৰে? ক্লেশ বা শোক, তা-
ৰণা বা এঁকাল, বিবস্ত্ৰ বা আপদ, বা তৰোৱাল, এইবিলাকে পাৰে নে?
৩৬ এনে লিখাও আছে, আমি তোমাৰ নিমিত্তে ওৰে দিনটো মৰণৰ মুখত
আছোঁ; মৰণৰ মেৰৰ নিচিনা লেখত পৰি আছোঁ। ৩৭ তথাপি আমাক
প্ৰেম কৰা জনৰ দ্বাৰাই এই সকলো কাৰ্য্যত আমি জয়তকৈয়ো জয়যুক্ত
হম; ৩৮ কিয়নো আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ নিমিত্তে ঈশ্বৰে আমাক যি
প্ৰেম কৰে, তাৰ পৰা মৰণ বা জীৱন, স্বৰ্গৰ দূত বা প্ৰধান ভূত, বৰ্ত্তমান বা
ভৱিষ্যত কাৰ্য্য, বা শক্তিমন্ত লোক, ৩৯ ওপৰ বা তল, বা আন কোনো সৃজা
বস্তুএই আমাক বিযোগ কৰিব নোৱাৰে, মোৰ এনে থিৰ বিশ্বাস আছে।

## ৯ অধ্যায়।

পবিত্ৰ আত্মাই মৈতে মনেই মোৰ সাক্ষী হোৱাতে মই খ্ৰীষ্টৰ আগত স্বৰূপ
কৈছোঁ, মিছা নকওঁ, ২ মোৰ হৃদয় অতি দুঃখ আৰু সদায় খেদ পোৱা
হৈছোঁ; ৩ কিয়নো মোৰ ভাইবিলাক, অৰ্থাৎ দেহৰ সমন্ধে জ্ঞাতিবিলা-
কৰ নিমিত্তে আপুনি খ্ৰীষ্টৰ পৰা শাও পাবলৈকো ইচ্ছা কৰিলোঁহেঁ-
তেন। ৪ সিবিলাক ইস্ৰাএলৰ বঙ্গহ হোৱাত তোলনিয়া পুত্ৰৰ সমন্ধ, আৰু
ঐশ্বৰ্য্য, নিয়মবিলাক, বিধান দিয়া, ভজন কৰা, আৰু প্ৰতিজ্ঞা, এইবিলা-
কৰ অধিকাৰ হৈ আছে। ৫ ওপৰ পিতৃ সকল সিবিলাকৰেই, আৰু
শৰীলৰ সমন্ধে সিবিলাকৰ পৰাও খ্ৰীষ্টৰ জন্ম হল; তেওঁ সকলোৰে
ওপৰ ঈশ্বৰ, সৰ্ব্বদায় ধন্য। আমেন।

৬ ঈশ্বৰৰ বাক্য যে বিফল হৈছে, এনে নহয়; কিয়নো যিবিলাক ইস্ৰা-
এলৰ বঙ্গহত জন্মিছে, সেই সকলো স্বৰূপ ইস্ৰাএলী নহয়; ৭ আৰু আব্ৰা-
হামৰ বঙ্গহত জন্মিলেও সিবিলাক আটাইবোৰ তেওঁৰ সন্তান নহয়; কিন্তু
তোমাৰ বঙ্গহ ইচাকৰ নামেৰেহে বোলা হব, ৮ অৰ্থাৎ দেহৰ পৰা হোৱা
যি সন্তান, সেইবিলাক ঈশ্বৰৰ সন্তান নহয়; কিন্তু প্ৰতিজ্ঞাত জন্মা যি
সন্তান, সেইবিলাককহে বঙ্গহ লিখা যাব। ৯ সেই প্ৰতিজ্ঞাৰ বাক্য এই,
সেই কাল পূৰ হলে মই আহিম, তাতে চাৰাই পুত্ৰ ওপজাব। ১০ তাত
বাঝেও ৰিবকাই এজন স্বামীৰ পৰা, অৰ্থাৎ আমাৰ ওপৰ পিতৃ ইচা-
কৰ পৰা গৰ্ভৱতী হলত, ১১ সন্তান নৌ ওপজোঁতে, ভাল বেয়া কোনো
কৰ্ম্ম কৰাৰ আগেয়ে, ঈশ্বৰে মনোনীত কৰাৰ দৰে যি নিয়ম, সেয়ে
কৰ্ম্মেৰে থিৰ নহৈ আমন্ত্ৰণ কৰা জনৰ ইচ্ছাৰে যেন থিৰ হয়, ১২ এই নি-
মিত্তে সেই ৰিবকাত কোৱা গৈছিল, বৰটে সৰুটৰ আল পৈচান ধৰিব।
১৩ এই কথাত এনে লিখাও আছে, মই য়াকোবক প্ৰিয় কৰি মানি এচৌক
অপ্ৰিয় বুলি মানিলোঁ।

১৪ তেনে হলে আমি কি বুলিম? ঈশ্বৰ অন্যায় কৰা হয় নে? কোনো
মতেও নহয়; ১৫ কিয়নো তেওঁ আপুনিএ মোচাত কৈছিল, যাকে কৃপা
কৰিবলৈ মোৰ ইচ্ছা হয়, তাকে কৃপা কৰোঁ; আৰু যাকে দায়া কৰিব-
লৈ ইচ্ছা হয়, তাকেই দায়া কৰোঁ। ১৬ এই হেতুকে ইচ্ছা কৰা বা শ্ৰম কৰা
মানুহৰ পৰা সাধনা নহয়, দায়া কৰা ঈশ্বৰৰ পৰাহে হয়। ১৭ ফাৰৌৰ
কথাতো শাস্ত্ৰে এনেকৈ কৈছে, তোমাৰ দ্বাৰাই মোৰ মহিমা যেন প্ৰকাশ
কৰিম, আৰু সকলো জগতৰ লোকৰ মাঝত মোৰ নাম যেন খ্যাতি
হয়, এই নিমিত্তেহে মই তোমাক তুলিলোঁ। ১৮ এয়েৰেই যালৈকে তেওঁৰ
ইচ্ছা, তাক কৃপা কৰে; আৰু যালৈ ইচ্ছা, তাক কঠিন কৰে।

১৯ তেন্তে তেওঁ মানুহক কিয় দোষ ধৰে, তেওঁৰ ইচ্ছা কোনে বাধা

কৰিলে, তুমি এনে কথা মোক বুলিছা নে? ২০ কিন্তু হে ঈশ্বৰক উত্তৰ
কৰা মানুহ যি তুমি, তুমি কোন? সৃজা বস্তুএ, মোক নো এই ৰূপে সৃজি-
লা কিয়, সৃজোঁতাক এনেকৈ বুলিব পাৰে নে? ২১ একে ডোখৰ মাটী-
ৰে যশলৈ এটা, দুৰ্যশলৈ এটা, এনে দুই পাত্ৰ সাজিবলৈ মাটীৰ ওপৰত
কুমাৰৰ শক্তি নাই নে? ২২ ঈশ্বৰে আপোনাৰ ক্ৰোদ্ধ দেখুৱাবলৈ আৰু
মহিমা প্ৰকাশ কৰিবলৈ ইচ্ছা হৈ যদি বিনাশৰ নিমিত্তে যুগুত হোৱা ক্ৰোদ্ধৰ
পাত্ৰবিলাকক বহু কাল ধৈৰ্য্যেৰে সহন কৰে; ২৩ আৰু যিবিলাকক
বিভৱৰ নিমিত্তে তেওঁ আগেয়ে নিযোজন কৰিলে, এনে অনুগ্ৰহৰ পাত্ৰ-
বিলাকলৈ, ২৪ অৰ্থাৎ অকল য়িহুদিবিলাকৰ মাঝৰ পৰা নহয়, বিদেশী
লোকৰ মাঝৰ পৰাও তেওঁ আমন্ত্ৰণ কৰা যি আমি, আমালৈয়ো যদি আ-
পোনাৰ অধিক মহিমা প্ৰকাশ কৰিবলৈ ইচ্ছা কৰে, তেন্তে কি? ২৫ বি-
দেশীবিলাকৰ কথাত হোচেয়াৰ পুথিত এনে লিখা আছে, যিবিলাক আ-
গেয়ে মোৰ লোক নাছিল, সেইবিলাকক মোৰ লোক বুলি মাতিম; আৰু
যি জনী অপ্ৰিয় আছিলে, সেই জনীক প্ৰিয় বুলি মাতিম । ২৬ আৰু
তোমোলাক মোৰ লোক নোহোৱা, এই কথা যি ঠাইত কোৱা গৈছিল,
সেই ঠাইতে সিবিলাকক অমৰ ঈশ্বৰৰ সন্তান বোলা যাব । ২৭ ইস্ৰাএল
লোকৰ অৰ্থে য়িছয়াও এনে কীৰ্ত্তন কৰিলে, যদি ইস্ৰাএলৰ বঙ্গহ লেখত
সাগৰৰ বালিৰ সমান হয়, তেও অৱশেষ অলপ মানুহহে পৰিত্ৰাণ পাব;
২৮ কিয়নো প্ৰভুএ আপোনাৰ পৰমাৰ্থ কৰ্ম্ম নিযোজন কৰি এঁটাব; আ-
পোনাৰ নিযোজন কৰা কৰ্ম্ম দেশতে সিদ্ধি কৰিব । ২৯ য়িছয়াই আ-
গেয়ে কৈছিল, সৈন্যৰ অধিকাৰ প্ৰভুএ আমালৈ বঙ্গহৰ সঁচ নৰখা হলে,
আমি চিদোমৰ নিচিনা হলোঁহেঁতেন, আমোৰাৰ নিচিনা আমাৰ দশা হল-
হেঁতেন ।

৩০ তেনে হলে আমি কি বুলিম? বিদেশী লোকবিলাকে পুণ্যলৈ কাৰ্বাৰ
নকৰি বিশ্বাসৰ দ্বাৰাই যি পুণ্য, সেই পুণ্যক পালে; ৩১ কিন্তু ইস্ৰাএল
লোকে পুণ্যৰ বিধানলৈ কাৰ্বাৰ কৰিও সেই পুণ্যৰ বিধান পোৱা নাই ।
৩২ কি কাৰণে নেপালে? বিশ্বাসৰ দ্বাৰাই নহয়, বিধানৰ কৰ্ম্মৰ দ্বাৰাইহে
কাৰ্বাৰ কৰিলে, এই হেতুকে নেপালে । ৩৩ যি কথা লিখা আছে, দেখা,
মই চিওনত জুঁটি খোৱা শিল, বিঘিনি কৰা শিল থম, আৰু যি জনে
তেওঁত বিশ্বাস কৰে, সি কেতিয়াও লাজত নপৰে, সেই কথাৰ দৰে সিবি-
লাকে সেই শিলতে জুঁটি খালে ।

## ১০ অধ্যায় ।

হে ভাইবিলাক, ইস্ৰাএল লোকে যেন পৰিত্ৰাণ পাই, সিবিলাকৰ নিমিত্তে
মোৰ মনৰ বাঞ্চা আৰু ঈশ্বৰৰ আগতো প্ৰাৰ্থনা এই । ২ ঈশ্বৰৰ সেৱালৈ
সিবিলাকৰ উৎসাহ আছে, সিবিলাকলৈ মই ইয়াৰ সাক্ষী হৈছোঁ; কিন্তু
সেই উৎসাহ জ্ঞানেৰে নহয় । ৩ কিয়নো ঈশ্বৰে দিয়া যি পুণ্য, তাক
নেজানি, সিবিলাকে আপোনাৰ পুণ্য সিদ্ধি কৰিবলৈ কাৰ্য্যৰ কৰি, আ-
পোনাক ঈশ্বৰে দিয়া পুণ্যৰ বশ নকৰিলে । ৪ বিশ্বাস কৰা সকলো পুণ্যৱন্ত
হবৰ নিমিত্তে খ্ৰীষ্টেই বিধানৰ সিদ্ধি হল; ৫ বিধানৰ দ্বাৰাই যি পুণ্য,
মোচাই তাৰ অৰ্থে লিখিলে, যি জনে এইবিলাক কৰ্ম্ম কৰে, সি তাৰেই
জীব । ৬ কিন্তু বিশ্বাসৰ দ্বাৰাই যি পুণ্য, সেয়ে এনে কথা কৈছে, তুমি
মনেৰে ইয়াক নুবুলিবা, স্বৰ্গলৈ কোন উঠিব, অৰ্থাৎ খ্ৰীষ্টক নমাই আনি-
বলৈ কোন উঠিব ? ৭ বা তলৰ ঠাইলৈ কোন নামিব ? অৰ্থাৎ মৰণৰ পৰা
খ্ৰীষ্টক তুলিবলৈ কোনে নামিব? ৮ তেন্তে কি কৈছে? তোমাৰ ওচৰতে
বাক্য আছে, মুখতো চিত্ততো আছে, অৰ্থাৎ বিশ্বাসৰ যি বাক্য আমি
কীৰ্ত্তন কৰোঁ, সেই বাক্য তোমাৰ ওচৰতে আছে । ৯ সেই বাক্য এই,
তুমি যদি মুখেৰে প্ৰভু য়ীশুক সৈ কাৰ্হা, আৰু ঈশ্বৰে যে তেওঁক মৰণৰ
পৰা তুলিলে, চিত্তেৰে তাত যদি বিশ্বাস কৰা, তেন্তে পৰিত্ৰাণ পাবা ।
১০ কিয়নো পুণ্যৰ নিমিত্তে মানুহে চিত্তেৰে বিশ্বাস কৰে, আৰু পৰিত্ৰাণৰ
নিমিত্তে মুখেৰে সৈ কাৰ্হে । ১১ শাস্ত্ৰতো লিখা আছে, যি কোনোএ
তেওঁত বিশ্বাস কৰে, সি কেতিয়াও লাজত নপৰে । ১২ য়িহুদিবিলাক
আৰু গ্ৰীকবিলাকৰ মাঝত একো বিশেষ নাই; সকলোৰে ওপৰ যি একে
জনা প্ৰভু, তেওঁক প্ৰাৰ্থনা কৰা সকললৈ অতি দায়ালু হৈছে । ১৩ কিয়নো
যি কোনোএ প্ৰভুৰ নামত প্ৰাৰ্থনা কৰে, সেয়ে পৰিত্ৰাণ পাব ।

১৪ কিন্তু যি জনত সিবিলাকে বিশ্বাস নকৰিলে, সেই জনক কেনেকৈ
প্ৰাৰ্থনা কৰিব? আৰু যি জনৰ কথা শুনা নাই, তেওঁত কেনেকৈ নো বিশ্বাস
কৰিব? আৰু কীৰ্ত্তন কৰোঁতা নহলে, সিবিলাকে কেনেকৈ শুনিব? ১৫ আৰু
পঁচা নহলেই মানুহে কেনেকৈ কীৰ্ত্তন কৰিব? এই কথাত লিখাও আছে,
যিবিলাকে কুশলৰ শুভবাৰ্ত্তা আনে, আৰু সুমঙ্গলৰ কথা কীৰ্ত্তন কৰে, সি-
বিলাকৰ ভৰি কেনে সুন্দৰ! ১৬ তথাপি সকলোএ শুভবাৰ্ত্তা মনা নাই; এনে
অৰ্থাৎ য়িছয়াও কৈছে, হে প্ৰভু, আমাৰ কথাত কোনে বিশ্বাস কৰিলে?
১৭ এয়েৰেই শ্ৰৱণৰ দ্বাৰাইহে বিশ্বাস, আৰু ঈশ্বৰৰ বাক্যৰ দ্বাৰাই শ্ৰৱণ হয় ।
১৮ কিন্তু মই বোলোঁ, সিবিলাকে শুনা নাই নে? অৱশ্যে শুনিলে; সিবি-
লাকৰ শব্দ গোটেই খন পৃথিবীলৈ আৰু সিবিলাকৰ কথা জগতৰ অন্ত-
লৈকে ব্যাপী গল । ১৯ আকও বোলোঁ, ইস্ৰাএল লোকে এই কথা জনা

নাই নে? প্ৰথমতে মোচাই কৈছে, যাক দেশ নোবোলে, এনে লোকৰ
দ্বাৰাই তোমোলাকৰ অসূয়া জন্মাম, আৰু অজ্ঞানী লোকৰ দ্বাৰাই তোমো-
লাকৰ খঙ্গ তোলাম। ২০ আৰু যিছয়াও অতি সাহেৰে কৈছে, যিবিলাকে
মোলৈ কাৰ্বাৰ নকৰিলে, সিবিলাকে মোক পালে; আৰু যিবিলাকে মোৰ
কথা নুসুধিলে, সিবিলাকৰ আগত মই প্ৰকাশ হলোঁ। ২১ কিন্তু ইস্ৰাএল
লোকৰ অৰ্থে তেওঁ কৈছে, আজ্ঞা নেমানি বাদ কৰা মানুহৰ আগত মই
ওৰে দিনটো হাত মেলি আছোঁ।

## ১১ অধ্যায়।

তেন্তে মই বোলোঁ, ঈশ্বৰে আপোনাৰ লোকবিলাকক ত্যাগ কৰিলে নে?
এনে কোনো মতেও নহয়। আব্ৰাহামৰ বঙ্গহৰ বেনিয়ামীনৰ ফৈদত জন্মা
ময়ো এজন ইস্ৰাএলী মানুহ হওঁ। ২ ঈশ্বৰে পূৰ্ব্বৰ জ্ঞানেৰে নিশ্চয়
কৰা আপোনাৰ লোকবিলাকক ত্যাগ কৰা নাই। ৩ হে প্ৰভু, মানুহ-
বিলাকে তোমাৰ ভবিষ্যত বক্তাবিলাকক বধ কৰি তোমাৰ হোমৰ বেঁটি
খানি পেলালে; অকল ময়েহে আছোঁ, মোৰো প্ৰাণ মাৰিবলৈ উপায়
কৰিছে, এই কথা ইস্ৰাএল লোকৰ অহিতে ঈশ্বৰৰ আগত এলিয়াই নিবে-
দন কৰিছিলে, এই কথা এলিয়াৰ বিবৰণত শাস্ত্ৰে কৈছে, ইয়াক তোমো-
লাকে নেজানা নে? ৪ কিন্তু তেওঁলৈ ঈশ্বৰৰ কেনে উত্তৰ হল? বেল দেৱ-
তাৰ আগত আঁঠু নপৰাকৈ থকা, এনে সাত হেজাৰ অৱশেষ মানুহ মই
আপোনালৈ ৰাখিলোঁ। ৫ এই ৰূপে বৰ্ত্তমান কালতো অনুগ্ৰহেৰে মনো-
নীত কৰা অৱশেষ মানুহ আছে। ৬ আৰু যদি অনুগ্ৰহেৰে হয়, তেন্তে কৰ্ম্মে-
ৰে নহয়; নাইবা অনুগ্ৰহেই অনুগ্ৰহ নহয়। [কিন্তু যদি কৰ্ম্মেৰে হয়,
তেন্তে অনুগ্ৰহেৰে নহয়; নতুবা কৰ্ম্মেই কৰ্ম্ম নহয়।]
৭ তেনে হলে কি? ইস্ৰাএল লোকে যিহক বিচাৰিলে, তাক নাই পোৱা;
কিন্তু মনোনীত লোকে তাক পালে; আন সকলোবোৰ কণা হল। ৮ এনে
লিখাও আছে, নেদেখা চকু, নুশুনা কাণ দি আজিলৈকে ঈশ্বৰে সিহঁতৰ
ঘুমটি স্বভাও লগাই দিলে। ৯ দাবিদেও কৈছে, সিহঁতৰ ভোজনৰ মেজ
সিহঁতলৈ ফান্দ, কুন্দা, আৰু বিঘিনি কৰোঁতা, উচিত ফল দিওঁতা হওক;
১০ আৰু সিহঁতে যেন দেখিবলৈ নেপাই, এই নিমিত্তে সিহঁতৰ চকু এন্ধাৰ
হওক, সিহঁতৰ পিঠিও সদায় কুঁজা হওক।
১১ তেন্তে বোলোঁ, সিবিলাকে নিশ্চয়ে পৰিবৰ নিমিত্তে জুঁটি খালে নে?
কোনো মতেও নহয়; কিন্তু সিবিলাকক উদগাবৰ নিমিত্তে সিবিলাকৰ খলন-
নৰ দ্বাৰাই বিদেশী লোকে পৰিত্ৰাণ পাইছে। ১২ সিবিলাকৰ খলনেই
যদি জগতৰ লাভ, আৰু সিবিলাকৰ হানিও যদি বিদেশী লোকৰ লাভ

হয়, তেন্তে সিবিলাকৰ পৰিপূৰ্ণেৰে তাতকৈয়ো কিমান লাভ হব? ১৩ বিদেশী
লোক যি তোমোলাক তোমোলাকৰ আগত মই এই কথা কৈছোঁ; কোনো
মতে মোৰ আপোন জাতিবিলাকক উদগাই সিবিলাকৰ কেতবোৰক যেন
পৰিত্ৰাণ কৰাওঁ. ১৪ এই নিমিত্তে মই তোমোলাকলৈ পাঁচনি হৈ আপো-
নাৰ সেই বাৰ প্ৰশংসা কৰিছোঁ । ১৫ ইস্ৰাএল লোকক ত্যাগ কৰাই যদি
ঈশ্বৰে সৈতে জগতৰ মিলনৰ কাৰণ হয়, তেন্তে সিবিলাকক গ্ৰহণ কৰাই
মৰণৰ পৰা জীৱনৰ নিচিনা নহব নে? ১৬ আৰু যদি প্ৰথম লগা ফল
পবিত্ৰ হয়, তেন্তে সকলো ফল পবিত্ৰ হব; যদি শিপাই পবিত্ৰ হয়, ডাল-
বোৰো তেনে হব । ১৭ আৰু কেতবোৰ ডাল ছিগি যোৰাত বনৰ জলফাই
গছৰ ডাল যি তুমি, তুমি সেই ডালৰ ঠাইত যোৰোৱা হৈ ডালবোৰে সৈতে
যদি জল্ফাইৰ শিপা আৰু ৰসৰ ভাগী হোৱা ১৮ তেন্তে সেই ছিগা ডাল-
বোৰৰ বিৰোদ্ধে অহঙ্কাৰ নকৰিবা । কিন্তু যদি কৰা, তেও তুমি শিপাক
পালন নকৰা, শিপাইহে তোমাক পালন কৰে । ১৯ আৰু তুমি এনেকৈ
বুলিবা, মোক যোৰাবলৈহে সেইবোৰ ডাল ছিগি গৈছিল । ২০ বাৰু,
অবিশ্বাসৰ নিমিত্তে ছিগি আছে, আৰু তুমি বিশ্বাসেৰেহে থিৰ হৈ আছা ।
অহঙ্কাৰ নকৰিবা, ভয়েৰে থাকা; ২১ কিয়নো যদি ঈশ্বৰে নিজা ডাল-
বোৰ নেৰাখিলে, কিজানি তোমাকো নেৰাখে । ২২ এয়েৰেই ঈশ্বৰৰ
অনুগ্ৰহ নিগ্ৰহ, এই দুইকো দেখা; যিবিলাক পৰিল, সেইবিলাকলৈ তেওঁৰ
নিগ্ৰহ; কিন্তু যদি তুমি তেওঁৰ অনুগ্ৰহত থাকা, তোমালৈ তেওঁৰ অনুগ্ৰহ
হব; যদি নেথাকা, তুমিও কটা যাবা । ২৩ সিবিলাকো যদি অবিশ্বাসত
নেথাকে, আকও যোৰা দিয়া হব; কিয়নো ঈশ্বৰৰ আকও যোৰা দিবৰ
শক্তি আছে । ২৪ স্বভাৱতে বনৰ জল্ফাই গছৰ ডাল যি তুমি, তুমি যদি
তাৰ পৰা কটা হৈ, স্বভাৱৰ অহিতে উত্তম জল্ফাই গছত যোৰা দিয়া হলা,
তেন্তে স্বভাৱতে সেই গছৰ যি ডাল, সেইবিলাক তাতকৈয়ো আপোন গছত
আকও যোৰা দিয়া নহব নে?

২৫ হে ভাইবিলাক, তোমোলাক মনেৰে যেন আপোনা আপুনি জ্ঞানী
নোহোৱা, এই নিমিত্তে যেতিয়ালৈকে বিদেশী লোকৰ গ্ৰহণ পৰিপূৰ্ণ নহয়,
তেতিয়ালৈকে ভাগৰ ক্ৰমে ইস্ৰাএল লোকৰ ওপৰত এন্ধাৰ পৰিল, এই গোপ-
নীয় কথা তোমোলাকে নেজানি থকা মোৰ ইচ্ছা নাই । ২৬ তাৰ পাছে ইস্ৰা-
এল লোক সকলোএ পৰিত্ৰাণ পাব; এই কথাত লিখাও আছে, চিওনৰ
পৰা উদ্ধাৰ কৰোঁতা এজন আহি য়াকোবৰ বঙ্গহৰ পৰা অধৰ্ম্ম দূৰ কৰিব;
২৭ আৰু যেতিয়া মই সিবিলাকৰ পাপ গুছাম, তেতিয়া সিবিলাকে সৈতে
মোৰ এই নিয়ম হব । ২৮ শুভ বাৰ্ত্তাৰ কথাত তোমোলাকৰ নিমিত্তে সি-
বিলাক শত্ৰু হৈছে; কিন্তু মনোনীত কৰা কথাত পিতৃবিলাকৰ নিমিত্তে প্ৰিয়
হৈছে । ২৯ কিয়নো ঈশ্বৰৰ যি দান, আৰু আমন্ত্ৰণ কৰা, এইবিলাকলৈ

তেওঁ মন নেপালটাই । ৩০ তোমোলাকে আগেয়ে অবিশ্বাসী হলতো এতিয়া
সিবিলাকৰ অবিশ্বাসৰ দ্বাৰাই যেনেকৈ দায়া পালা, ৩১ তেনেকৈ সিবিলাক
এতিয়া অবিশ্বাসী হলেও, পাছে তোমোলাকলৈ যি দায়া, তাৰ দ্বাৰাই সি-
বিলাকেও দায়া পাব । ৩২ কিয়নো ঈশ্বৰে সকলোকে যেন দায়া কৰে, এই
নিমিত্তে অবিশ্বাসৰ অধীনকৈ আটাইকে লিখিলে। ৩৩ ঈশ্বৰৰ অনুগ্ৰহ দান,
আৰু জ্ঞান, আৰু বুদ্ধি কেনে অধিক! তেওঁৰ আজ্ঞা কেনে অপ্ৰাপ্তি, আৰু
তেওঁৰ পথ জ্ঞানৰ কেনে অগমন! ৩৪ প্ৰভুৰ আশয় কোনে জানিলে? তেওঁৰ
মন্ত্ৰীএই বা কোন হৈছিল? ৩৫ আৰু তেওঁক উপকাৰ কৰাত আকও তেওঁৰ
পৰা উপকাৰ পাব, এনে কোন আছে? ৩৬ কিয়নো সকলো বস্তু তেওঁৰ
পৰা, তেওঁৰ দ্বাৰাই, তেওঁৰ নিমিত্তেও হৈছে; তেওঁৰ মহিমা সদাই প্ৰকাশ
হওক । আমেন ।

## ১২ অধ্যায় ।

হে ভাইবিলাক, ঈশ্বৰৰ দায়াৰে তোমোলাকত মই এই মিনতি কৰিছোঁ, তো-
মোলাকে আপোন আপোন শৰীলক জীয়া, পবিত্ৰ, আৰু ঈশ্বৰ তুষ্ট হোৱা
বলি ৰূপে উচৰ্গ কৰা, কিয়নো এয়েই তোমোলাকৰ উচিত সেৱা । ২ আৰু
তোমোলাক সংসাৰিক ৰূপে নহৈ, নতুন মন কৰাৰ দ্বাৰাই আন স্বভাৱেৰে
হোৱা; তাতে উত্তম, আৰু তুষ্ট হোৱা, আৰু পৰিপূৰ্ণ, ঈশ্বৰৰ এনে সন্মত
কৰ্ম্ম কি, তাক প্ৰমাণ কৰি জানিবা । ৩ কোনোএ অনুচিত ৰূপে আপো-
নাক বৰ বুলি নেমানি, ঈশ্বৰে যাক যি পৰিমাণেৰে বিশ্বাস দিলে, সি তাৰ
উচিত ৰূপে আপোনাক মানোক, মোক দিয়া অনুগ্ৰহেৰে তোমোলাকৰ প্ৰতি
জনকে এই আজ্ঞা দিছোঁ । ৪ কিয়নো আমাৰ একে দেহতে যেনেকৈ অনেক
অঙ্গ আছে, কিন্তু সকলোৰে একে কৰ্ম্ম নহয়, ৫ তেনেকৈ আমিও অনেক
হৈ খ্ৰীষ্টত একে দেহ হওঁ, আৰু ইটে সিটে সকলো লগৰ অঙ্গ হৈ আছোঁ ।
৬ এই হেতুকে আমাক দিয়া অনুগ্ৰহৰ দৰে আমি পৃথক পৃথক দান পোৱা
হৈ, আমাৰ কোনোৱ যদি ভবিষ্যত বাক্য হয়, সি তাক বিশ্বাসৰ পৰিমাণে-
ৰে কওক; ৭ কোনো যদি সেৱাৰ ভাৰ পোৱা হয়, সি সেৱা কৰোক; যি
কোনো অধ্যাপক হয়, সি শিকাওক; ৮ যি জন উপদেশক হয়, সি উপ-
দেশ দিওক; যি জন দান দিওঁতা হয়, সি অকপটেৰে দান বিলই দিওক;
যি জনে অধিকাৰ কৰে, সি যত্নেৰে অধিকাৰ কৰোক; যি জনে দায়া
কৰে, সি তুষ্ট মনেৰে তাক কৰোক ।

৯ তোমোলাকৰ প্ৰেম অকপট হওক । কুকৰ্ম্ম ঘিণাই সুকৰ্ম্মত ৰতি
হোৱা । ১০ ভাইবিলাকৰ প্ৰীতিৰে ইটে সিটে চেনেহা চেনেহি কৰা, আৰু
আদৰেৰে ইজনে সিজনক আপোনাতকৈ বৰ বুলি মানা । ১১ কাৰ্য্যত এলাহ

নকৰি আত্মাত উৎসাহ হৈ প্ৰভুৰ সেৱা কৰা; ১২ আশাত আনন্দ হোৱা,
দুখত সহনীয় হোৱা, আৰু প্ৰাৰ্থনাত সদায় প্ৰবৃত্ত হৈ থাকা। ১৩ পবিত্ৰ-
বিলাকৰ দৰিদ্ৰত উপকাৰ কৰি, আলহি প্ৰতিপালনত ৰত হোৱা। ১৪ যি-
বিলাকে তোমোলাকক তাৰণা কৰে, সেইবিলাকক আশীৰ্ব্বাদ কৰা; শাও
নিদিও আশীৰ্ব্বাদ কৰি থাকা। ১৫ যিবিলাকে আনন্দ কৰে, সিবিলাকে
সৈতে আনন্দ কৰা; যিবিলাকে কান্দে, সিবিলাকে সৈতে ক্ৰন্দন কৰা।
১৬ তোমোলাকৰ ইটৰ সিটৰ মনৰ ভাবনা একে হওক। বৰ বিষয় নিচিন্তি
সামান্য লোকে সৈতে প্ৰবৰ্ত্তিবা; আৰু মনেৰে আপোনা আপুনি জ্ঞানী
নহবা। ১৭ অপকাৰৰ সলনি কাকো অপকাৰ নকৰিবা। সকলো মানুহে
দেখাতে যি কৰ্ম্ম উত্তম, তালৈ কাৰ্বাৰ কৰিবা। ১৮ যদি হব পাৰে, তো-
মোলাকৰ সাধনাৰ দৰে সকলোএ সৈতে কুশলে কাল নিয়াবা। ১৯ হে অতি
প্ৰিয় সকল, আপোনাৰ নিমিত্তে দুষ্কৰ্ম্মৰ প্ৰতিফল কাকো নিদিবা; কিন্তু
ক্ৰোধলৈ ঠাই থবা; কিয়নো এনে লিখা আছে, প্ৰভুএ কৈছে, উচিত দণ্ড
দিবৰ মই অধিকাৰ, প্ৰতিফল ময়েই দিম। ২০ এই হেতুকে যদি তোমাৰ
শত্ৰুৰ ভোক লাগে, তাক ভোজন কৰোৱা; যদি তাৰ পিয়াহ লাগে, জল
পান কৰোৱা; তেনে কৰিলে তাৰ মূৰত জ্বলি থকা আঙ্গঠা চপাই দিবা।
২১ কুকৰ্ম্মত পৰাজয় নহৈ সুকৰ্ম্মেৰে কুকৰ্ম্মক জয় কৰা।

## ১৩ অধ্যায়।

সকলে প্ৰাণী প্ৰধান শক্তিমন্তবিলাকৰ বশ হওক; কিয়নো ঈশ্বৰৰ পৰা
নহলে কোনো শক্তি নাই। যিবিলাক শক্তিমন্ত আছে, সিবিলাকক ঈশ্বৰে
নিযোজন কৰি থোৱা হৈছে। ২ এই হেতুকে যি কোনোএ শক্তিমন্তক বি-
ৰোধ কৰে, সি ঈশ্বৰৰ আজ্ঞাৰ বিৰোধ কৰা হয়; আৰু যিবিলাকে বি-
ৰোধ কৰে, সিবিলাকে আপোনালৈ উচিত দণ্ড পাব। ৩ অধিকাৰবিলাক
সুকৰ্ম্ম কৰালৈ নহয়, কুকৰ্ম্ম কৰালৈহে ভয় দিওঁতা হয়। তুমি শক্তিমন্ত-
লৈ নিভয় হৈ থাকিব খোজা নে? তেন্তে সুকৰ্ম্ম কৰা, তাৰ পৰা যশ পাবা;
৪ কিয়নে তোমাৰ শুভৰ নিমিত্তেই তেওঁ ঈশ্বৰৰ পৰিচাৰক হৈছে। কিন্তু তুমি
যদি কুকৰ্ম কৰা, তেন্তে ভয় কৰিবা; কিয়নো তেওঁ তৰোৱাল অনৰ্থকৈ
ধৰিছে, এনে নহয়; কুকৰ্ম্ম কৰাবিলাকলৈ ক্ৰোধৰ নিমিত্তে তেওঁ প্ৰতিফল
দিওঁতা ঈশ্বৰৰ পৰিচাৰক হৈছে। ৫ এই হেতুকে অকল দণ্ডৰ ভয়ত নহয়,
দোষাদোষ জ্ঞানৰ নিমিত্তেও তোমোলাক তেওঁৰ বশ হোৱা উচিত। ৬ এই
কাৰণে অধিকাৰবিলাকলৈ তোমোলাকে ৰাজ কৰকো দিয়া; কিয়নো সিবি-
লাক ঈশ্বৰৰ পৰিচাৰক হৈ এই কৰ্ম্মত প্ৰবৰ্ত্তি থাকে। ৭ এই হেতুকে যাকে
যি দিব লগে, তাকে সেই বস্তু দিয়া; যি কৰ পাই, তাক কৰ দিয়া; যি

হাটৰ দান পাই, তাক দান দিয়া; যালৈ ভয় কৰিব লগা, তালৈ ভয় কৰা;
যি জনক, আদৰ কৰিব লগা সেই জনক আদৰ কৰা।
৮ তোমোলোক ই জনে সি জনে প্ৰীতিৰ বাঝে আন একোৰো ধৰুৱা কো-
নো জনৰ নহবা, কিয়নো যি জনে লোকক প্ৰীতি কৰে, সি বিধানকে পূৰ
কৰিলে। ৯ পৰতিৰী গমন নকৰিবা, বধ নকৰিবা, চুৰ নকৰিবা, [মিছা
সাক্ষী নহবা,] লোভো নকৰিবা. এইবিলাকক আদি কৰি যদি কোনো আন
আজ্ঞাও আছে, তেন্তে ওচৰ চুবুৰিয়াক আপোনাৰ নিচিনাকৈ প্ৰীতি কৰা,
এইটি কথাতে তাকো পোৱা যাই। ১০ প্ৰীতিএ ওচৰ চুবুৰিয়াৰ একো
বিষম নকৰে; এই হেতুকে প্ৰীতিৰে বিধানৰ কৰ্ম্ম পূৰ কৰা হয়।
১১ তাত বাঝে আমি বিশ্বাস কৰা কালতকৈ পৰিত্ৰাণৰ কাল এতিয়া ওচৰ
হোৱাত আমি টোপনিৰ পৰা সাৰ পাবলৈ অতিশয় কাল হল, ইয়াকে
আমি জানোঁ। ১২ ৰাতিৰ শেষ হৈছে; পহৰ হবৰ কাল ওচৰ হল; এই
হেতুকে আঁহা, ৰাতিৰ কৰ্ম্ম আটাইকে এৰি পহৰৰ সাজ পিন্ধোহঁক;
১৩ ৰতিৰস আৰু উন্মত্ত, বেশ্যা আৰু কামভাও, বিৰোধ আৰু অসূয়া,
এইবিলাক নাচৰি, দিনৰ যোগ্য শুদ্ধ কৰ্ম্ম আচৰোঁহঁক। ১৪ তোমো-
লাকে শৰীলৰ অভিলাষলৈ উপায় নকৰি, প্ৰভু যীশু খ্ৰীষ্টৰ স্বভাৱক লৈ
পিন্ধা।

## ১৪ অধ্যায়।

যি জন বিশ্বাসত দুৰ্ব্বলী, তাক তোমোলোকে গ্ৰহণ কৰা; কিন্তু সংশয়ৰ বাদ
বিচাৰ কৰিবলৈ, এনে নহয়। ২ সকলো বস্তু খাবলৈ বাধা নাই, কোনো
জনৰ এনে বিশ্বাস আছে; আন কোনো জন দুৰ্ব্বলী হৈ শাককেহে খাই।
৩ যি জনে খাই, সি নোখোৱা জনক হেলা নকৰোক; যি জনে নেখাই,
সি খোৱা জনকো দুষী নকৰোক, কিয়নো ঈশ্বৰে তাক গ্ৰহণ কৰিলে।
৪ তুমি যে লোকৰ বন্দীক দুষী কৰা, তুমি কোন? আপোনাৰ গৰাকীৰ
সোধত সি আপনি দুষী বা নিৰ্দুষী হব; হয়, নিৰ্দুষীহে হব, কিয়নো
ঈশ্বৰে তাক নিৰ্দুষী কৰিব পাৰে। ৫ কোনো জনে এক দিনক আন দিনত-
কৈ প্ৰধান বুলি মানে; আন কোনোএ সকলো দিনকে সমান কৰি মানে।
প্ৰতি জনে আপোনাৰ মনত বিবেচনা কৰি থিৰ হওক। ৬ যি জনে দিন-
লৈ মন কৰে, সি প্ৰভুক মানি তালৈ মন কৰে; আৰু যি জনে দিনলৈ
মন নকৰে, সিওঁ প্ৰভুক মানি তালৈ মন নকৰে। যি জনে খাই, সি ঈশ্ব-
ৰৰ গুণ লোৱাত প্ৰভুক মান কৰি খাই; আৰু যি জনে নেখাই, সিও ঈশ্ব-
ৰৰ গুণ লৈ প্ৰভুক মান কৰি নেখাই। ৭ আমাৰ কোনো আপোনাৰ নি-
মিত্তে নিজীএ; আপোনাৰ নিমিত্তে কোনো নমৰেও; ৮ যদি আমি জীওঁ,

প্ৰভুৰ নিমিত্তে জীওঁ; যদি মৰোঁ, প্ৰভুৰ নিমিত্তেই মৰোঁ। এই হেতুকে জীওঁ
বা মৰোঁ, আমি প্ৰভুৰ হৈ আছোঁ। ৯ কিয়নো জীয়া লোক মৰা লোক
দুইৰো তেওঁ যেন প্ৰভু হয়, এই নিমিত্তেহে খ্ৰীষ্ট মৰিল, [উঠিল,] আৰু
জীলে। ১০ কিন্তু তুমি আপোনাৰ ভায়াক কিয় দুষী কৰা? আপোনাৰ
ভায়াক নো কিয় হেয় কৰা? খ্ৰীষ্টৰ সোধৰ সিংহাসনৰ আগত আমি
সকলো থিয় হব লাগিব। ১১ এই কথাত এনে লিখা আছে, প্ৰভুএ কৈছে,
মই যদি জীছোঁ, সকলোৰে আঁঠু মোৰ আগত পাৰিব, আৰু সকলোৰে
জিবাই ঈশ্বৰত সৈ কাঢ়িব। ১২ এয়েৰেই ঈশ্বৰৰ আগত আমাৰ প্ৰতি
জনে আপোন কৰ্ম্মৰ কথা কব লাগিব।

১৩ এই হেতুকে আমি এতিয়াৰ পৰা ইটে সিটে দোষা দুষী নকৰি,
কোনোএ আপোনাৰ ভায়েকৰ বাটত জুঁটি খোৱা মুহা বা বিঘিনি যেন
নথয়, ইয়াকে নিশ্চয় কৰোঁহঁক। ১৪ স্বভাৱতে কোনো বস্তু অশুচি নহয়, ইয়াক
মই বুজোঁ, আৰু প্ৰভু যীশুৰ দ্বাৰায়ো নিশ্চয়কৈ জানোঁ; কিন্তু যি জনে
কোনো বস্তুক অশুচি মানে, তালৈ সেই বস্তু অশুচি হৈছে। ১৫ এই হে-
তুকে তোমাৰ খোৱা বস্তুৰে যদি ভায়াই অসন্তোষ পাই, তেন্তে তুমি প্ৰীতি
ভাৱে আচৰা নহয়; যি জনৰ নিমিত্তে খ্ৰীষ্টে প্ৰাণ এৰিলে, তোমাৰ খোৱা
বস্তুৰ দ্বাৰাই তাক নষ্ট নকৰিবা। ১৬ এয়েৰেই তোমালোকৰ সজ কৰ্ম্ম
নিন্দিত নহওক। ১৭ ভোজন বা পান কৰা বস্তুত ঈশ্বৰৰ ৰাজ্য নহয়; কিন্তু
পুণ্য, কুশল, আৰু পবিত্ৰ আত্মাৰ আনন্দ, এইবিলাকত ঈশ্বৰৰ ৰাজ্য হয়।
১৮ এনে আচৰণেৰে যি জনে খ্ৰীষ্টৰ সেৱা কৰে, সেই জন ঈশ্বৰৰ আগত
মনোনীত হয়, মানুহৰ আগতো আদৰ পাই। ১৯ এই হেতুকে যিহেৰে
আটাইৰে কুশল হয়, আৰু ইটৰ সিটৰ যিহেৰে হিত থাকে, এনে কৰ্ম্মত
প্ৰবৰ্ত্তোহঁক। ২০ খোৱা বস্তুৰ নিমিত্তে ঈশ্বৰৰ কৰ্ম্ম নাশ নকৰিবা। সক-
লো বস্তু শুচি হয়; তথাপি যি মানুহে বিঘিনি কৰাকৈ তাক খাই, সি
তালৈ অহিত হয়। ২১ মঙ্গহ খোৱা বা লতা পনিয়ালৰ ৰস পান কৰাকে
আদি কৰি যিহেৰে তোমাৰ ভায়াই জুঁটি খাই বা বিঘিনি পাই, নতুবা
নিৰ্ব্বলী হয়, এনে কৰ্ম্ম কৰা ভাল নহয়। ২২ যদি তোমাৰ বিশ্বাস আছে,
তেন্তে আপোনাৰ মনত ঈশ্বৰৰ আগত তাক ৰাখা। যি জনে আপোনাৰ
প্ৰবৰ্ত্তনত আপোনাক দুষী নকৰে, সি সুখী। ২৩ কিন্তু যি কোনোএ সং-
শয় কৰি খাই, সি বিশ্বাসেৰে নোখোৱাত দণ্ডৰ ভাগী হয়; কিয়নো যেয়ে
বিশ্বাসৰ পৰা নহয়, সেয়ে পাপ জন্মোৱা হয়।

## ১৫ অধ্যায়।

এই হেতুকে বিশ্বাসত বলৱন্ত আমি আপোনাৰ সন্তোষলৈ কাৰ্বাৰ নকৰি নিৰ্ব্ব-
লী লোকৰ দুৰ্ব্বল সহিবলৈ উচিত। ২ আমাৰ প্ৰতি জনে আপোনাৰ চুবুৰিয়াৰ
হিতৰ নিমিত্তে তাৰ সন্তোষ কৰোক। ৩ কিয়নো খ্ৰীষ্টে আপুনি আপোনাৰ
সন্তোষ নকৰিলে; কিন্তু তোমাক নিন্দা কৰাবিলাকৰ নিন্দাও মোৰ ওপ-
ৰত পৰিল, এই কথা যেনেকৈ লিখা আছে, সেই ৰূপে হল। ৪ আৰু আমি
ধৈৰ্য্যেৰে আৰু শাস্ত্ৰৰ সান্তনাৰে যেন আশা পাওঁ, এই নিমিত্তে আগেয়ে
যি সকল কথা লিখা আছিল, সেই কথা শিকিবৰ কাৰণেই লিখিত হৈছিল।
৫ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰৰ গুণ কীৰ্ত্তন একে চিত্তেৰে একে
মুখেৰে কৰিবৰ নিমিত্তে, ৬ তোমোলাক ইজনে সিজনে সৈতে মনেৰে যেন
একে হোৱা, ধৈৰ্য্য আৰু সান্তনা দিয়া ঈশ্বৰে তোমোলাকলৈ এনে কৰোক।
৭ আৰু ঈশ্বৰৰ মহিমা প্ৰকাশ হবলৈ খ্ৰীষ্টে যেনেকৈ তোমোলাকক গ্ৰহণ
কৰিলে, তেনেকৈ তোমোলাকেও ইটে সিটে গ্ৰহণ কৰা।
৮ ওপৰ পিতৃবিলাকলৈ যি যি প্ৰতিজ্ঞা হৈছিল, সেই প্ৰতিজ্ঞা থিৰ্ কৰি-
বলৈ য়ীশু খ্ৰীষ্টে চৰ্ম্মছেদন লোকলৈ সেৱক হল, আৰু বিদেশী লোকেও
ঈশ্বৰৰ দায়াৰ নিমিত্তে তেওঁৰ গুণ কীৰ্ত্তন কৰিব, মই ইয়াকে বোলোঁ।
৯ এই কথাত এনে লিখাও আছে, সেই নিমিত্তে মই বিদেশী লোকৰ
মাঝত তোমাৰ গুণ কীৰ্ত্তন কৰিম, আৰু তোমাৰ নামেৰে গীতো গাম।
১০ আকও লিখিছে, হে বিদেশী লোকবিলাক, তেওঁৰ লোকে সৈতে তো-
মোলাকে আনন্দ কৰা। ১১ আৰু বাৰ লিখা আছে, হে সকলো বিদেশী
লোক, তোমোলাকে প্ৰভুক স্তুতি কৰা; হে লোক সকল, তেওঁৰ যশস্যা
কীৰ্ত্তন কৰা। ১২ পুনৰ বাৰ য়িছয়াও কৈছে, য়িছইৰ বংশত এটা সিহ-
ৰি ওলাব, আৰু বিদেশী লোকৰ ওপৰত অধিকাৰ হবলৈ এজন উঠিব;
তেওঁত বিদেশী লোকেও আশা কৰিব। ১৩ এয়েৰেই তোমোলাক পবিত্ৰ
আত্মাৰ মহিমাত আশাৰে যেন পূৰ হোৱা, এই নিমিত্তে আশা দিয়া ঈশ্ব-
ৰে বিশ্বাসৰ দ্বাৰাই তোমোলাকক আনন্দেৰে কুশলেৰে পৰিপূৰ্ণ কৰোক।
১৪ হে ভাইবিলাক, তোমোলাক যে সজ স্বভাৱেৰে যুগুত আৰু সকলো
জ্ঞানেৰে পূৰ হৈ ই জনে সি জনে উপদেশ দিবলৈকো শক্তিমন্ত হোৱা ইয়া-
কে মই আপুনি নিশ্চয় কৰি জানিছোঁ। ১৫ তথাপি হে ভাইবিলাক, বি-
দেশী লোকক পবিত্ৰ আত্মাৰ দ্বাৰাই পবিত্ৰ কৰা হলত সিবিলাক উচৰ্গৰ
বস্তুৰ নিচিনা গ্ৰহণীয় যেন হয়, ১৬ এই নিমিত্তে মই বিদেশী লোকলৈ য়ীশু
খ্ৰীষ্টৰ সেৱক হৈ, ঈশ্বৰৰ শুভ বাৰ্ত্তাৰ যজন কৰ্ম্ম কৰিবলৈ ঈশ্বৰে মোক
যি অনুগ্ৰহ কৰিলে, তোমোলাকক সোঁৱৰাবৰ আশয়েৰে সেই অনুগ্ৰহৰ কা-
ৰণে কেতবিলাক কথা সাহ কৰি লিখিছোঁ। ১৭ এয়েৰেই ঈশ্বৰৰ কথাত

য়ীশু খ্ৰীষ্টৰ দ্বাৰাই প্ৰশংসা কৰিবলৈ মোৰ কাৰণ আছে। ১৮ কিয়নো
বাক্য আৰু ক্ৰিয়াত আশ্চৰিত চিন আৰু বিস্ময় কৰ্ম্মেৰে, আৰু পবিত্ৰ
আত্মাৰ মহিমাৰে বিদেশী লোকক আজ্ঞা মনাবলৈ মোৰ হতুৱাই খ্ৰীষ্টে
যি সকল কৰ্ম্ম সিদ্ধি কৰিলে, তাত বাজে আন একো কৰ্ম্মৰ কথা কব-
লৈ মই সাহ নকৰোঁ। ১৯ সেই কৰ্ম্মতে য়িৰূছালমৰ পৰা ইলুৰিকলৈকে
সকলতো খ্ৰীষ্টৰ শুভ বাৰ্ত্তাৰ সম্পূৰ্ণ কীৰ্ত্তন কৰিলোঁ। ২০ আৰু আন
মানুহৰ আৰম্ভণৰ মূলৰ ওপৰত যেন নেসাজিম, এই নিমিত্তে যি যি ঠাইত
খ্ৰীষ্টৰ নাম প্ৰচাৰ কৰা নাই, সেই ঠাইত শুভ বাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ মই
যত্ন কৰিলোঁ। ২১ এই ৰূপে লিখাও আছে, যিবিলাকৰ আগত তেওঁৰ
কথা কীৰ্ত্তন হোৱা নাই, সেইবিলাকেই দেখিবলৈ পাব; আৰু যিবিলাকে
শুনা নাই, সেইবিলাকে বুঝিব।

২২ এই নিমিত্তে মই তোমোলাকৰ ওচৰলৈ যোৱাৰ বিৰোদ্ধে অনেক বাধা
পালোঁ; ২৩ কিন্তু এতিয়া এই ফালৰ আৰু ঠাই নাইকিয়াত, আৰু তো-
মোলাকৰ ওচৰলৈ যাবলৈ অনেক বছৰৰ পৰা মোৰ বৰ ইচ্ছা হোৱাত,
২৪ মই ইস্পানিয়া দেশলৈ যোৱা কালত তোমোলাকেৰে বাটত দেখা দেখি
হৈ তোমোলাকে সৈতে আলাপত কিছু তৃপ্তি পাই, পাছে তোমোলাকৰ
দ্বাৰাই তলৈ আগ বঢ়াই যোৱা যেন হম, মই এনে আশা কৰিছোঁ।
২৫ কিন্তু এতিয়া পবিত্ৰ লোকক সুশ্ৰষা কৰিবলৈ য়িৰূছালমলৈ যাওঁ।
২৬ কিয়নো মাকেদনিয়া আৰু আখায়া দেশৰবিলাকে য়িৰূছালমত থকা
দৰিদ্ৰ পবিত্ৰবিলাকৰ উপকাৰলৈ দান কৰিবলৈ ইচ্ছা কৰিলে। ২৭ ইচ্ছা
কৰিলে হয়, সিবিলাকৰ ধৰুৱাও হৈ আছে; কিয়নো বিদেশী লোকে
সিবিলাকৰ পৰমাৰ্থ বস্তু যদি পাইছিলে, তেন্তে সিবিলাকক সংসাৰিক
বস্তু দিও উপকাৰ কৰা বিদেশী লোকৰ উচিত। ২৮ এই হেতুকে মই
সিবিলাকলৈ সেই দানৰ ফলত মোহৰ মাৰি এই কৰ্ম্ম পূৰ কৰিলে, পাছে
তোমোলাকৰ ওচৰেদি ইস্পানিয়া দেশলৈ যাম। ২৯ আৰু যেতিয়া গৈ
তোমোলাকক পাম, তেতিয়া খ্ৰীষ্টৰ শুভ বাৰ্ত্তাৰ পৰিপূৰ্ণ আশীৰ্বাদেৰে
যেন যাম, ইয়াকে মই জানোঁ।

৩০ হে ভাইবিলাক, য়িহুদা দেশৰ অবিশ্বাসী লোকৰ হাতৰ পৰা যেন ৰক্ষা
পাম, আৰু য়িৰূছালমলৈ মোৰ যি সেৱাৰ ভাৰ, সেয়ে পবিত্ৰ লোকবিলাকৰ
আগত যেন গ্ৰহণীয় হয়, ৩১ আৰু ঈশ্বৰৰ ইচ্ছাৰে তোমোলাকৰ ওচৰলৈ
আনন্দে গৈ তোমোলাকে সৈতে মই যেন প্ৰাণ জুৰাম, এই কথাৰ নিমিত্তে
তোমোলাকে মোৰ অৰ্থে একে চিত্তেৰে ঈশ্বৰৰ আগত প্ৰাৰ্থনালৈ যুগুত
হোৱা, ৩২ প্ৰভু য়ীশু খ্ৰীষ্টৰ নামেৰে আৰু পবিত্ৰ আত্মাৰ প্ৰেমেৰে তো-
মোলাকক এই মিনতি কৰিছোঁ। ৩৩ কুশল দিওঁতা ঈশ্বৰ তোমোলাকৰ
লগত থাকোক। আমেন।

## ১৬ অধ্যায়।

কেংক্রিয়া নগৰৰ মণ্ডলীৰ সেৱকিনী ফৈবী নামেৰে আমাৰ ভনীক তো-
মোলাকে প্ৰভুৰ শৰণীয়া জানি যেন গ্ৰহণ কৰিবা, ২ আৰু যি কৰ্ম্মত
তেওঁৰ প্ৰয়োজন হয়, সেই কৰ্ম্মত তোমোলাকে যেন উপকাৰ কৰিবা, এই
নিমিত্তে মই তেওঁৰ অৰ্থে তোমোলাকলৈ নিবেদন কৰিছোঁ; কিয়নো তেওঁ
অনেক লোকক আৰু মোকো উপকাৰ কৰিলে। ৩ য়ীশু খ্ৰীষ্টৰ সেৱাত মোৰ
লগৰ সহায় হোৱা, আৰু মোৰ প্ৰাণৰ নিমিত্তে আপোনাৰ ডিঙ্গি পাতি
দিয়া, এনে যি প্ৰিস্কিলা আৰু আকুলা, সিবিলাকক মোৰ নমস্কাৰ জনাবা।
৪ সিবিলাকৰ গুণ অকল মই কওঁ, এনে নহয়, বিদেশীৰ আটাই মণ্ডলীৰ
লোকেও কয়। ৫ আৰু সিবিলাকৰ ঘৰত থকা মণ্ডলী লোককো নমস্কাৰ
জনাবা। আচিয়া দেশৰ প্ৰথমে হোৱা খ্ৰীষ্টৰ যি শিষ্য, এনে মোৰ প্ৰিয়
এপৈনেতক নমস্কাৰ জনাবা। ৬ আমালৈ বহু শ্ৰম কৰা মাৰীয়ামক নমস্কাৰ
জনাবা। ৭ পাঁচনিবিলাকৰ মাজত যশস্যা পোৱা, আৰু মোতকৈ আগেএ
খ্ৰীষ্টত আশ্ৰয় কৰা, এনে মোৰ জ্ঞাতি আৰু লগৰ বন্দীয়াৰ যি আন্দ্ৰনিক
আৰু জুনিয়া, সিবিলাকতো মোৰ নমস্কাৰ জনাবা। ৮ প্ৰভুৰ শিষ্য মোৰ
প্ৰিয় আম্প্লিয়াত নমস্কাৰ কৰা। ৯ খ্ৰীষ্টৰ সেৱাত আমাৰ লগৰ সহায়
উৰ্ব্বান আৰু মোৰ প্ৰিয় স্তাখুত নমস্কাৰ জনাবা। ১০ খ্ৰীষ্টৰ স্বৰূপ ভকত
আপেলিত মোৰ নমস্কাৰ জনাবা; আৰিস্তবূলৰ পৰীয়ালতো নমস্কাৰ কৰা।
১১ মোৰ জ্ঞাতি হেৰোদিয়োনত নমস্কাৰ কৰা। নাৰ্কিচৰ পৰীয়ালৰ মাজৰ
যিবিলাক প্ৰভুৰ আশ্ৰয়ত আছে, সিবিলাকতো নমস্কাৰ জনাবা। ১২ প্ৰভুৰ
সেৱাত শ্ৰম কৰা ত্ৰুফেনা আৰু ত্ৰুফোচাক নমস্কাৰ জনাবা। প্ৰভুৰ সেৱাত
অতি শ্ৰম কৰা প্ৰিয় পৰ্চিকো নমস্কাৰ জনাবা। ১৩ প্ৰভুৰ মনোনীত ৰুফত,
আৰু তেওঁৰো মোৰো আইত নমস্কাৰ কৰা। ১৪ আৰু আচুন্‌ক্ৰিত, ফিলে-
গোন, হৰ্মা, পাত্ৰবা, হৰ্মি, আৰু এইবিলাকৰ লগৰ ভাইবিলাকতো মোৰ
নমস্কাৰ কৰা। ১৫ আৰু ফিললগ, জুলিয়া, নিৰু আৰু তেওঁৰ ভনীয়েক,
আৰু ওলুম্পা, আৰু ইবিলাকৰ লগত থকা পবিত্ৰ লোক সকলতো নমস্কাৰ
জনাবা। ১৬ তোমোলাকে ইটে সিটে পবিত্ৰ চুমাৰে নমস্কাৰ কৰিবা।
খ্ৰীষ্টৰ মণ্ডলীবিলাকে তোমোলাকত নমস্কাৰ জনাইছে।

১৭ হে ভাইবিলাক, তোমোলাকে যি যি উপদেশ শিক্ষা পালা, তাৰ
বিৰোদ্ধে যিবিলাকে অমিল আৰু বিঘিনি কৰাই, সেইবিলাকক সাৱধানে
চাই সিহঁতে সৈতে যেন ব্যৱহাৰ নকৰা, মই এই মিনতি কৰিছোঁ। ১৮ কি-
য়নো এনে মানুহবিলাকে আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ সেৱা নকৰি আপোনাৰ
পেটৰ অভিলাষৰ সেৱা কৰে; আৰু উত্তম কথা সুন্দৰ বাক্যেৰে অকুটিল
লোকৰ মন ভুলাই। ১৯ কিন্তু তোমোলাকে আজ্ঞা মনাৰ কথা সকলো

মানুহৰ মাজত ব্যাপী গল; এই হেতুকে মই তোমোলোকৰ কথাত আনন্দ
কৰোঁ; তথাপি তোমোলোকে সুকৰ্ম্ম জনা হৈ কুকৰ্ম্ম নজনা হেন তোমা.
মোৰ বাঞ্চা এই। ২০ কুশল দিওঁতা ঈশ্বৰে পলম নোহোৱাকৈ তোমো-
লোকৰ ভৰিৰ তলত ছয়তানক মৰ্দ্দন কৰিব। আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ তো-
মোলাকলৈ অনুগ্ৰহ হওক।
২১ মোৰ লগৰ সহায় তিমথি, আৰু লুকি, যাচোন আৰু মোৰ জ্ঞাতি
চোচিপাত্ৰৰ, এইবিলাকে তোমোলাকলৈ নমস্কাৰ জনাইছে। ২২ আৰু এই
পত্ৰ লিখা তৰ্ত্তিয় নামেৰে মযো প্ৰভুৰ নামত তোমোলাকক নমস্কাৰ কৰি-
ছোঁ। ২৩ মোকো মণ্ডলীৰ সকলকো আলহি পোহা গায়ো তোমোলাকক
নমস্কাৰ কৰিছে। আৰু এই নগৰৰ গৰাকী এৰাস্ত, আৰু কুয়াৰ্ত্ত নামেৰে
এজন ভাই, সিবিলাকেও তোমোলাকক নমস্কাৰ কৰিছে। ২৪ আমাৰ
প্ৰভু য়ীশু খ্ৰীষ্টৰ তোমোলাক সকলৈলে অনুগ্ৰহ হওক। [আমেন।]
২৫ আদি কালৰে পৰা যি কথা গুপুত আছিল, কিন্তু অনাদি ঈশ্বৰৰ
আজ্ঞাৰ দৰে ভবিষ্যত বক্তাবিলাকৰ শাস্ত্ৰৰ দ্বাৰাই এতিয়া প্ৰকাশ হৈ,
খ্ৰীষ্টত বিশ্বাস মনাবৰ নিমিত্তে সকলো দেশৰ মানুহলৈ প্ৰখ্যাত হৈছে.
২৬ সেই প্ৰকাশ কৰা গুপুত কথাৰ দ্বাৰাই, অৰ্থাৎ মোৰ শুভ বাৰ্ত্তা আৰু
য়ীশু খ্ৰীষ্টৰ কীৰ্ত্তনৰ দ্বাৰাই যি জনে তোমোলাকক থিৰ কৰিবলৈ সমৰ্থ,
২৭ এনে যি অকল সৰ্ব্বজ্ঞানী ঈশ্বৰ, য়ীশু খ্ৰীষ্টৰ দ্বাৰাই তেওঁৰ মহিমা
সদাই প্ৰকাশ হওক। আমেন।

# কৰিন্থীবিলাকলৈ পৌলে লিখা প্ৰথম পত্ৰ ।

## ১ অধ্যায় ।

যীশু খ্ৰীষ্টৰ দ্বাৰাই শুচি হোৱা আৰু আমন্ত্ৰণ কৰা কৰিন্থ নগ-
ৰত থকা ঈশ্বৰৰ মণ্ডলীৰ পবিত্ৰ লোক, আৰু আন আন
ঠাইতো যি সকলোএ সিবিলাকৰো আমাৰো প্ৰভু যীশু খ্ৰীষ্টৰ নামত
প্ৰাৰ্থনা কৰে, ২ সিবিলাকলৈ ঈশ্বৰৰ ইচ্ছাৰে যীশু খ্ৰীষ্টৰ আমন্ত্ৰিত
পাঁচনি পৌল আৰু চোস্থেনি নামেৰে এক ভায়েক, এই দুজনে পত্ৰ লি-
খিছে । ৩ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীশু খ্ৰীষ্টৰ পৰা তোমো-
লাকলৈ অনুগ্ৰহ আৰু কুশল হওক ।

৪ তোমোলাকৰ মাজত খ্ৰীষ্টৰ প্ৰমাণ যেনেকৈ থিৰ কৰা হৈছিল,
তেনেকৈ তেওঁৰ দ্বাৰাই তোমোলাকো সকলো বাক্য আৰু জ্ঞান আদি
কৰি আটাই গুণেৰে পৰিপূৰ্ণ হৈছা, ৫ ঈশ্বৰৰ এই যি অনুগ্ৰহ যীশু
খ্ৰীষ্টৰ দ্বাৰাই তোমোলাকক দিয়া হৈছে, ৬ তাৰ নিমিত্তে তোমোলাকৰ
অৰ্থে মোৰ ঈশ্বৰক সদাই স্তুতি কৰি আছোঁ । ৭ এই হেতুকে তোমো-
লাকে কোনো ধৰ্ম্ম দানৰ হীন নহৈ, আমাৰ প্ৰভু যীশু খ্ৰীষ্টৰ পুনৰ
অহালৈ বাট চাই আছা । ৮ আৰু আমাৰ প্ৰভু যীশু খ্ৰীষ্টৰ দিনত
তোমোলাক নিৰ্দ্দোষী হবলৈ তেওঁ শেষলৈকে তোমোলাকক থিৰ কৰি ৰা-
খিব । ৯ কিয়নো যি ঈশ্বৰে আপোন পুত্ৰ আমাৰ প্ৰভু যীশু খ্ৰীষ্টৰ ভাগী
হবলৈ তোমোলাকক আমন্ত্ৰণ কৰিলে, তেওঁ বিশ্বাসী ।

১০ হে ভাইবিলাক, তোমোলাকৰ ইটে সিটে যেন একে কথা কোৱা,
আৰু তোমোলাকৰ মাজত একো ভিন ভাও নোহোৱাকৈ একে মন একে
আলচেৰে যেন নিশ্চয়কৈ থাকা, এই নিমিত্তে আমাৰ প্ৰভু যীশু খ্ৰীষ্টৰ
নামেৰে তোমোলাকক মিনতি কৰিছোঁ । ১১ কিয়নো হে মোৰ ভাই-
বিলাক, তোমোলাকৰ মাজত দন্দ বান্দ যে আছে, এই কথা খলৈৰ পৰীয়ালৰ
মুখৰ পৰা শুনিলোঁ । ১২ মই ইয়াকে কওঁ, তোমোলাকৰ কোনোএ
বোলে, মই পৌলৰ শিষ্য আন কোনোএ বোলে, মই আপলোৰ, কোনো কো-
নোএ বোলে মই কৈফাৰ, আন কোনোএ বোলে, মই খ্ৰীষ্টৰ । ১৩ খ্ৰীষ্ট

ভাগ ভাগ হৈ আছে নে? বা পৌল তোমালোকৰ নিমিত্তে পেৰেঙ্গণিত
মৰিল নে? নাইবা পৌলৰ নামেৰে তোমালোক বুৰ দিওৱা হৈছিলা নে?
১৪ মই ক্ৰিস্প আৰু গাই, এই দুইত বাঝে তোমালোকৰ মাঝত আন
কাকো বুৰ দিওৱা নাই, এই নিমিত্তে ঈশ্বৰক স্তুতি কৰিছোঁ; ১৫ ইয়া-
তে মই আপোনাৰ নামেৰে বুৰ দিয়াইছোঁ, এই কথা কোনেও বুলিব
নোৱাৰে। ১৬ আৰু স্তিফানৰ পৰীয়ালকো বুৰ দিয়ালোঁ, তাত বাঝে
আন কোনোক যে বুৰ দিয়ালোঁ, এই কথা মনত নপৰে।

১৭ আৰু খ্ৰীষ্টে মোক বুৰ দিয়াবলৈ নেপঁাচি, শুভ বাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ
পঁাচিলে, কিন্তু বাক্চতুৰেৰে কীৰ্ত্তন কৰিবলৈ পঁচা নাই, যেন খ্ৰীষ্টৰ পে-
ৰেঙ্গণী বিফল নহয়। ১৮ কিয়নো সেই পেৰেঙ্গণিৰ কথা বিনাশৰ পাত্ৰ-
বিলাকলৈ অজ্ঞান, কিন্তু পৰিত্ৰাণৰ পাত্ৰ যি আমি, আমালৈ ঈশ্বৰৰ শক্তি
হয়। ১৯ এনে লিখাও আছে, মই জ্ঞানীবিলাকৰ জ্ঞান নষ্ট কৰিম, আৰু
বুদ্ধিয়কৰ বুদ্ধি বিফল কৰিম। ২০ জ্ঞানী কত? পণ্ডিত বা কত? এই জগ-
তৰ বাদ বিচাৰ কৰোঁতা কত? জগতৰ জ্ঞানক ঈশ্বৰে অজ্ঞান কৰা নাই নে?
২১ ঈশ্বৰৰ বিবেচনাত জগতৰ লোকে আপোনাৰ জ্ঞানেৰে ঈশ্বৰক নজনাত,
শুভ বাৰ্ত্তাৰ অজ্ঞান কীৰ্ত্তনৰ দ্বাৰাই বিশ্বাসীবিলাকক পৰিত্ৰাণ কৰিবলৈ
ঈশ্বৰৰ সম্মত আছিল। ২২ য়িহুদিবিলাকে চিন খোজে, আৰু গ্ৰীকবিলাকে
বিদ্যা বিচাৰে; ২৩ কিন্তু যি খ্ৰীষ্ট য়িহুদিবিলাকলৈ বিঘিনি, গ্ৰীকবিলাক-
লৈ অজ্ঞান হলেও, ২৪ য়িহুদি হওক, বা গ্ৰীক হওক, আমন্ত্ৰণ হোৱাবিলা-
কলৈ ঈশ্বৰৰ শক্তি আৰু ঈশ্বৰৰ জ্ঞান হৈছে, সেই পেৰেঙ্গণিত মৰা খ্ৰীষ্টক
আমি কীৰ্ত্তন কৰোঁ। ২৫ ঈশ্বৰৰ অজ্ঞানেই মানুহতকৈ জ্ঞানৱন্ত, আৰু ঈশ্-
বৰৰ দুৰ্ব্বলেই মানুহতকৈ বলী।

২৬ হে ভাইবিলাক, তোমালোকে আপোনাৰ আমন্ত্ৰণক দেখিছা; সংসা-
ৰিক মতৰ জ্ঞানী, শক্তিমন্ত, ভদ্ৰ লোক, এইবিলাকৰ মাঝত আমন্ত্ৰণ
হোৱা অনেক নাই। ২৭ কিন্তু ঈশ্বৰে জ্ঞানৱন্তক লাজ দিবৰ নিমিত্তে
জগতৰ অজ্ঞানীক মনোনীত কৰিলে; বলৱন্ত লোককো লাজ দিবৰ নি-
মিত্তে জগতৰ নিৰ্ব্বলীক মনোনীত কৰিলে; ২৮ আৰু কোনো প্ৰাণীএ
ঈশ্বৰৰ আগত আপোনাক যেন প্ৰশংসা নকৰে, ২৯ এই নিমিত্তে ঈশ্বৰে
বৰ্ত্তমানবিলাকক নাশ কৰিবলৈ জগতৰ হীন লোকক, হেলা হোৱাবৰক,
আৰু নোহোৱাবিলাককো মনোনীত কৰিলে। ৩০ কিন্তু যি জন আমাৰ
নিমিত্তে ঈশ্বৰৰ দ্বাৰাই জ্ঞান আৰু পুণ্য, পবিত্ৰ ভাও আৰু মুক্তি হৈছে,
ঈশ্বৰৰ অনুগ্ৰহেৰে তোমালোক সেই য়ীশু খ্ৰীষ্টত আছা। ৩১ এই
হেতুকে যেনেকৈ লিখা আছে, সেই ৰূপে যি জনে প্ৰশংসা কৰে, সি
প্ৰভুৰ কথাত প্ৰশংসা কৰোক।

## ২ অধ্যায় ।

হে ভাইবিলাক, যেতিয়া তোমোলাকৰ ওচৰলৈ গলোঁ, তেতিয়া ঈশ্বৰে দিয়া
প্ৰমাণ কীৰ্ত্তন কৰি চতুৰালি বা বিদ্যাৰে নিপুন হৈ মই যোৱা নাই ।
২ কিয়নো য়ীশু খ্ৰীষ্টৰ আৰু তেওঁ পেৰেঙ্গণিত মৰাৰ কথাত বাঝে তো-
মোলাকৰ মাঝত আন একো কথা নেজানিবলৈ মনেৰে থিৰ কৰিলোঁ ।
৩ আৰু তোমোলাকৰ মাঝত নিৰ্ব্বল, ভয়, আৰু কম্পনেৰে আছিলো ।
৪ আৰু তোমোলাকৰ বিশ্বাস মানুহৰ জ্ঞানত নেথাকি ঈশ্বৰৰ মহিমাত যেন
থাকে, ৫ এই নিমিত্তে মোৰ কথা আৰু কীৰ্ত্তন [সংসাৰিক] বিদ্যাৰ মন
মোহা কথাৰে নহৈ, পবিত্ৰ আত্মাৰ প্ৰমাণ আৰু মহিমাৰেহে হৈছিল ।
৬ যিবিলাক পৰিপূৰ্ণ, সিবিলাকৰ মাঝত আমি কোৱা কথা জ্ঞান হয়;
তথাপি সেয়ে এই জগতৰ জ্ঞান, নাইবা জগতৰ নিবাসী অধিকাৰবিলাকৰ
জ্ঞান, এনে নহয়; ৭ কিন্তু জগত সৃজাৰ আগেয়ে ঈশ্বৰে যি গুপুত জ্ঞান
আমাৰ বিভৱলৈ নিযোজন কৰিলে, সেই ঈশ্বৰৰ গোপনীয় কথা আমি
তোমোলাকত কৈছোঁ । ৮ সেই গোপনীয় কথা এই জগতৰ অধিকাৰবিলা-
কৰ কোনেও নেজানিলে, সিবিলাকে জনা হলে মহিমাযুক্ত প্ৰভুক পেৰেঙ্গ-
ণিত বধ নকৰিলেহেঁতেন । ৯ এই কথাতো লিখা আছে, যিবিলাকে ঈশ্ব-
ৰত প্ৰেম কৰে, তেওঁ সিবিলাকৰ নিমিত্তে যি যি যুগুত কৰিছে, তাক চকুএ
দেখা নাই, কাণে শুনা নাই, মানুহৰ মনতো নোসোমাল । ১০ কিন্তু ঈশ্বৰে
আপোনাৰ আত্মাৰে তাক আমাৰ আগত প্ৰকাশ কৰিছে; কিয়নো
আত্মাই সকলোকে বিচাৰি ঈশ্বৰৰ অগাধ কথাকো বিচাৰ কৰি জানে ।
১১ মানুহৰ মনৰ কথা মানুহত থকা আপোনাৰ আত্মাত বাঝে কোনে
জানে? সেই দৰে ঈশ্বৰৰ কথাও ঈশ্বৰৰ আত্মাত বাঝে আন কেৱেঁ নে-
জানে । ১২ ঈশ্বৰে অনুগ্ৰহ কৰি আমাক যি উপদেশ দিলে, তাক জানি-
বলৈ আমি সংসাৰিক আত্মা নেপাই, ঈশ্বৰৰ পৰা অহা আত্মাক পালোঁ ।
১৩ তাতে মানুহৰ জ্ঞানে শিকোৱা বাক্যেৰে আমি সেই উপদেশ নকৈ,
পৰমাৰ্থিক কথাৰে সৈতে পৰমাৰ্থিক কথা বিবেচনা কৰি, [পবিত্ৰ] আত্মাই
শিকোৱা বাক্যেৰে তাকে কওঁ । ১৪ কিন্তু সংসাৰিক মানুহে ঈশ্বৰৰ আত্মাৰ
কথা অজ্ঞান বুলি গ্ৰহণ নকৰে, আৰু সেই কথাৰ তত্ত্বও বুঝিব নোৱাৰে,
কিয়নো পৰমাৰ্থিক ৰূপেৰেহে তাক বুঝা যাই । ১৫ যি জন পৰমাৰ্থিক,
সেই জনে আটাইকে জানে, কিন্তু তেওঁক কোনেও নেজানে । ১৬ কিয়নো
তেওঁক উপদেশ দিবলৈ ঈশ্বৰৰ মন জনা কোন আছে? কিন্তু আমি খ্ৰীষ্টৰ
মন পোৱা হৈছোঁ ।

## ৩ অধ্যায়।

হে ভাই সকল, পৰমাৰ্থিক লোকত কোৱাৰ দৰে মই তোমোলাকত কব
নোৱাৰিবি, সংসাৰিক আৰু খ্ৰীষ্টৰ ধৰ্ম্মৰ লৰাবোৰত কোৱাৰ দৰেহে কব
পাৰিলোঁ। ২ তোমোলাকক গাখীৰ খুৱাই, টান বস্তু নুখুৱালোঁ; কিয়-
নো আগেয়ে নোৱাৰিলা; সংসাৰিক হৈ থকাত এতিয়াও নোৱাৰা। ৩ কি-
য়নো তোমোলাকৰ মাঝত অসূয়া, দন্দ, আৰু বিবাদ থকাত তোমোলাক
সংসাৰিক নোহোৱা নে? মানুহৰ দৰে আচাৰ নকৰা নে? ৪ কোনোএ
বোলে, মই পৌলৰ শিষ্য; কোনোএ বোলে, মই আপলোৰ শিষ্য; তেন্তে
তোমোলাক সংসাৰিক নোহোৱা নে? ৫ পৌল কোন? আপলো বা কোন?
প্ৰভুএ যেনেকৈ সকলোকে আপোন আপোন ফল বৰ্হাই দিলে, সিবিলাক
সেই ৰূপে তোমোলাকৰ বিশ্বাস জন্মোৱা সেৱক মাথোন হয়। ৬ মই ৰুলোঁ,
আপলোএ পানী দিলে, কিন্তু ঈশ্বৰেহে তাক বৰ্হালে। ৭ এই হেতুকে
ৰোৱা আৰু পানী দিয়া দুয়ো জন একো নহয়; বৃদ্ধি কৰা জন ঈশ্বৰহে।
৮ ৰোৱা আৰু পানী দিয়া দুয়ো একে; আৰু সকলোএ আপুনি কৰা
কৰ্ম্মৰ দৰে আপোন আপোন ফল পাব। ৯ কিয়নো আমি ঈশ্বৰে সৈতে
কৰ্ম্ম কৰোঁতা হৈছোঁ; তোমোলাক ঈশ্বৰৰ খেতি, ঈশ্বৰৰ সজা ঘৰ হৈছা।
১০ মই যেনেকৈ ঈশ্বৰৰ অনুগ্ৰহ পাইছোঁ, তেনেকৈ নিপুন ঘৰ সজিয়াৰ
দৰে ভেঁটিৰ মূল পাতিলোঁ; তাৰ ওপৰত আনে সাজে; কিন্তু যি ৰূপে
সাজে, তালৈ প্ৰতি জনে সাৱধান হওক। ১১ কিয়নো যি মূল পতা হৈছে,
সেই য়ীশু খ্ৰীষ্টৰ বাহিৰে আন কোনো মূল কেৱে পাতিব নোৱাৰে।
১২ এই মূলৰ ওপৰত কোনো মানুহে সোণ, ৰূপ, ৰত্ন, নাইবা কাঠ, খেৰ,
নৰা, যি যি বস্তুৰে সাজে, প্ৰতি জন মানুহৰ সেই কৰ্ম্ম প্ৰকাশ হব।
১৩ কিয়নো সোধৰ দিনা অগ্নিয়েৰে প্ৰকাশ হৈ তাক প্ৰেৌটিক কৰিব,
আৰু প্ৰতি জনৰ যি কৰ্ম্ম, সি কেনে, তাক অগ্নিএই পৰীক্ষা কৰিব।
১৪ তাৰ ওপৰত সজা যি মানুহৰ কৰ্ম্ম ৰয়, সি কৰ্ম্মৰ ফল পাব; ১৫ আৰু
যি মানুহৰ সজা কৰ্ম্ম পোৰে, তাৰ হানি হব; তথাপি সি আপুনি অগ্নিৰ
পৰা ৰক্ষা পোৱাৰ দৰেই ৰক্ষা পাব।

১৬ তোমোলাক ঈশ্বৰৰ মন্দিৰ, আৰু ঈশ্বৰৰ আত্মা তোমোলাকৰ হৃদয়ত
থাকে, ইয়াক নেজানা নে? ১৭ ঈশ্বৰৰ মন্দিৰ যি কোনোএ অশুচি কৰে,
ঈশ্বৰে তাকো নষ্ট কৰিব; কিয়নো ঈশ্বৰৰ মন্দিৰ পবিত্ৰ, সেই মন্দিৰ তো-
মোলাকেই হৈছা। ১৮ কোনো মানুহে আপোনাক নুভুলাওক। তোমো-
লাকৰ মাঝত কোনোএ যদি সংসাৰিক কথাত আপোনাক জ্ঞানী মানে,
সি জ্ঞানী হবৰ নিমিত্তে আপোনাক অজ্ঞানী বুলি মানোক। ১৯ কিয়-
নো এই সংসাৰৰ যি জ্ঞান, ঈশ্বৰৰ আগত সেয়ে অজ্ঞান। এই কথাত

লিখাও আছে, তেওঁ জ্ঞানী লোকক সিবিলাকৰ মায়া জালেৰেই ধৰে ।
২০ আকও লিখা আছে, জ্ঞানী লোকৰ যি ভাবনা, সেয়ে অনৰ্থক বুলি
ঈশ্বৰে জানে । ২১ এই হেতুকে কোনোএ মানুহক প্ৰশংসা নকৰোক, কিয়-
নো সকলোএই তোমোলাকৰ; ২২ পৌল, আপলো, কৈফা, বা জগত,
জীৱন বা মৰণ, বৰ্ত্তমান বা ভবিষ্যত, সকলোবোৰ তোমোলাকৰে, ২৩ তো-
মোলাকো খ্ৰীষ্টৰ, খ্ৰীষ্টো ঈশ্বৰৰ ।

## ৪ অধ্যায় ।

লোকে আমাক খ্ৰীষ্টৰ সেৱক আৰু ঈশ্বৰৰ গোপনীয় কথাৰ ভঁৰালী বুলি
জানোক । ২ আৰু ভঁৰালী যেন বিশ্বাসী হয়, তাৰ এই উচিত কৰ্ম্ম ।
৩ কিন্তু তোমোলাকৰ বা কোনো লোকৰ সোধেৰে মই যে সোধোৱা হওঁ,
ইয়াক অতি সৰু বুলি মানোঁ;ময়ো আপুনি আপোনাৰ সোধ নকৰোঁ ।
৪ মই মনেৰে দোষ নেজানোঁ, তেও তাৰেই নিৰ্দুষী নহওঁ; কিন্তু যি জনে মোৰ
সোধ কৰে, সেই জন প্ৰভু । ৫ এই হেতুকে এন্ধাৰত থকা গুপুত কথা যি
জনে প্ৰকাশ কৰি মনৰ আলচকো দেখাব, এনে যি প্ৰভু, তেওঁ অহা সম-
য়ৰ আগেএ একো সোধ নকৰিবা; সেই কালত ঈশ্বৰৰ পৰাহে প্ৰতি মানু-
হে প্ৰশংসা পাব ।

৬ হে ভাইবিলাক, তোমোলাকে বিধিতকৈ বৰ্হা ৰূপে কাকো যেন ডাঙৰ
কৰি নেমানা, আৰু এজনৰ ফলীয়া হৈ এজনৰ বিৰোদ্ধেৰে তোমোলাকৰ
কোনেও অহঙ্কাৰী যেন নহয়, ইয়াকে আমাৰ পৰা যেন শিকা, এই নিমিত্তে
তোমোলাকৰ হিতলৈ মই আপোনাৰ আৰু আপলোৰো নামেৰে সলনি
কৰি এই কথা কলোঁ । ৭ আনৰ পৰা তোমাক কোনে বেলেগ কৰিছে?
আনৰ পৰা পোৱা নাই, এনে বস্তু বা তোমাৰ কি আছে? যদি লোকৰ
পৰা হয়, তেন্তে লোকৰ পৰা নোপোৱাৰ দৰে আপোনাৰ প্ৰশংসা কৰি-
ছা কিয়? ৮ তোমোলাক পৰিপূৰ্ণ হোৱা, ধনৱন্ত হোৱা, আমাত বিনে
ৰজাৰ দৰে অধিকাৰ কৰিছা । তোমোলাক যেন অধিকাৰ হোৱা, এই
মোৰ বাঞ্চা; তাতে আমিও তোমোলাকৰ ভাগী অধিকাৰ হলোঁহেঁতেন ।
৯ মই এনে বুঝিছোঁ, পাঁচনি যি আমি, আমাক ঈশ্বৰে মৰণলৈ নিযোজন
কৰাৰ নিচিনাকৈ শেষত দেখালে; জগতৰ আগত, অৰ্থাৎ স্বৰ্গৰ দূতৰো
মানুহৰো আগত আমি কৌতুকৰ পাত্ৰ হৈছোঁ । ১০ খ্ৰীষ্টৰ নিমিত্তে আমি
অজ্ঞানী, তোমোলাক হলে খ্ৰীষ্টত জ্ঞানী; আমি দুৰ্ব্বলী, তোমোলাক বলী;
তোমোলাক মান্যৱন্ত, আমি অমান্য । ১১ আমি আজিলৈকে ভোক আৰু
পিয়াহ লাগি, বিবস্ত্ৰ আৰু মাৰ কিল খোৱা হৈ, নিবাস নাইকিয়াকৈ
আপোনাৰ হাতেৰে শ্ৰম কৰি আছোঁ । ১২ আৰু নিন্দিত হৈ আশীৰ্ব্বাদ

কৰোঁ; তাৰণা পোৱাত সহন কৰোঁ; ইতিকিঙ্গ কৰা হৈ মিনতি কৰোঁ;
১৩ জগতৰ মল আৰু আটাই বস্তুৰ মামৰৰ নিচিনা আজিলৈকে গণ্য
হৈছোঁ ।
১৪ তোমোলাকক লাজ দিবলৈ এইবিলাক কথা লিখিছোঁ, এনে নহয়;
কিন্তু মোৰ প্ৰিয় পুত্ৰৰ নিচিনা তোমোলাকক বুদ্ধি দিছোঁ। ১৫ খ্ৰীষ্টৰ
ধৰ্ম্মত তোমোলাকৰ যদি দহ হেজাৰ উপদেশক হয়, তেও তোমোলাকৰ
পিতৃ অনেক নাই । মই শুভ বাৰ্ত্তাৰ দ্বাৰাই য়ীশু খ্ৰীষ্টৰ ধৰ্ম্মত তোমো-
লাকক জন্মালোঁ; ১৬ এই হেতুকে তোমোলাকক মিনতি কৰিছোঁ, মোৰ
আচৰণত তোমোলাক প্ৰবৰ্ত্তী হোৱা । ১৭ এই আশয়েৰে প্ৰভুত বিশ্বাসী
মোৰ প্ৰিয় পুত্ৰ যি তিমথি, তেওঁক তোমোলাকৰ ওচৰলৈ পঠাইছোঁ;
খ্ৰীষ্টৰ ধৰ্ম্মত মোৰ যি আচাৰ আৰু সকলো মণ্ডলীত আটাই ঠাইতে যে-
নেকৈ উপদেশ দিছোঁ, তেওঁ তোমোলাকক তাকে সোঁৱৰাব।
১৮ মই তোমোলাকৰ ওচৰলৈ নেযাওঁ, ইয়াকে বুঝি তোমোলাকৰ কো-
নোবিলাকে অহঙ্কাৰ কৰিছে । ১৯ কিন্তু যদি প্ৰভুৰ ইচ্ছা হয়, তোমোলা-
কৰ ওচৰলৈ সোনকালে যাম; তাতে সেই অহঙ্কাৰী লোকবিলাকৰ কথা
কোৱা নেজানি, সিবিলাকৰ শক্তি জানিম। ২০ কিয়নো ঈশ্বৰৰ ৰাজ্য কথাত
নহয়, শক্তিতহে হয় । ২১ মই তোমোলাকৰ ওচৰলৈ এডাল উঁৰ লৈ যাম
নে, নাইবা প্ৰেম আৰু নম্ৰ মনেৰে যাম? তোমোলাকৰ কেনে ইচ্ছা?

## ৫ অধ্যায় ।

মানুহে আপোনাৰ বাপেকৰ ঘৈনীএকক গমন কৰে, এই যি ব্যভিচাৰ
কথা দেওপূজকৰ মাঝতো শুনা নাই, এনে ব্যভিচাৰ তোমোলাকৰ মাঝতে
আছে, এই কথা সকলো পোনে খ্যাতি হৈছে । ২ আৰু তোমোলাকে
খেদ কৰি সেই কৰ্ম্ম কৰাটক তোমোলাকৰ মাঝৰ পৰা বাহিৰ নকৰি গৰ্ব্ব
কৰিছা নে? ৩ সেই কৰ্ম্ম যি কৰিছে, তাৰ কথাত মই শৰীলেৰে আঁতৰ
হৈয়ো আত্মাৰে ওচৰ হৈ, লগত থকাৰ দৰে এই নিশ্চয় কৰিলোঁ; ৪ তো-
মোলাকে আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ নামেৰে মোৰ আত্মাই সৈতে একে ঠাই
হৈ, ৫ প্ৰভু য়ীশুৰ সোধৰ দিনা সেই মানুহৰ আত্মাই যেন পৰিত্ৰাণ পাই,
এই নিমিত্তে তাৰ শৰীল নাশ হবলৈ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ মহিমাৰে
তাক ছয়তানৰ হাতত সোধাই দিয়া । ৬ তোমোলাকে এনে গৰ্ব্ব কৰা ভাল
নহয়; অলপ খমীৰেৰেই গোটেইটো পিঠা ফেনি হৈ যাই, ইয়াক তোমো-
লাকে নেজানা নে? ৭ এই হেতুকে তোমোলাক অখমীৰ হোৱাৰ দৰে
নতুন পিঠা এটা যেন হোৱা, এই নিমিত্তে পুৰণি খমীৰ দূৰ কৰা। ৮ আৰু
নিস্তাৰ পৰ্ব্বৰ মেৰ যি খ্ৰীষ্ট, তেওঁ আমাৰ বলি কৰা হৈ আছে; এই হে-

তুকে পুৰণি খমীৰেৰে, অর্থাৎ দুর্ম্মতি আৰু হিংসাৰ খমীৰেৰে পৰ্ব্ব নকৰি, আমি খমীৰ নোহোৱা অকপট আৰু সত্যৰ পিঠাৰে পৰ্ব্ব কৰোঁহঁক।

৯ তোমোলাকে ব্যভিচাৰ লোকে সৈতে প্রবর্ত্তন নকৰিবা, এই কথা তোমোলাকলৈ পত্রত লিখিলোঁ; ১০ কিন্তু ব্যভিচাৰী, লুভীয়া, ছলবাদী, দেওপূজক, এনে সংসাৰিক লোকে সৈতে কোনো ৰূপে প্রবর্ত্তন কৰিবলৈ নিষেধ কৰিছোঁ, এনে নহয়; সেই দৰে হলে তোমোলাক সংসাৰৰ বাহিৰ হব লগা হয়। ১১ কিন্তু কোনো মানুহ যদি ভায়েকৰ নামেৰে জনা হৈ, ব্যভিচাৰী, লুভীয়া, দেওপূজক বা নিন্দক, মতলীয়া বা ছলবাদী হয়, তেন্তে এনে মানুহে সৈতে প্রবর্ত্তন আহাৰো নকৰিবা, ইয়াক মাথোন লিখিলোঁ। ১২ বাহিৰ হোৱা যিবিলাক, সিবিলাকৰ সোধ কৰিবলৈ মোৰ কি কাৰণ? তোমোলাকে মণ্ডলী লোকৰ সোধ কৰা নহয় নে? ১৩ কিন্তু বাহিৰ লোকৰ সোধ ঈশ্বৰে কৰে। এই হেতুকে তোমোলাকৰ মাঝৰ পৰা সেই পাপী মানুহক দূৰ কৰিবা।

## ৬ অধ্যায়।

তোমোলাকৰ এজনৰ আন এজনে সৈতে বিবাদ লাগিলে, পবিত্র লোকৰ আগত গোচৰ নকৰি অধৰ্ম্মী মানুহৰ আগত গোচৰ কৰিবলৈ সাহ আছে নে? ২ পবিত্র লোকে জগতৰে সোধ কৰিব, ইয়াক তোমোলাকে নেজানা নে? আৰু তোমোলাক জগতৰ সোধ কৰা যদি হোৱা, তেন্তে অতি অলপ কথাৰ সোধ কৰিবলৈ যোগ্য নোহোৱা নে? ৩ আৰু আমি দূতবিলাকৰো সোধ কৰিম, তাক নেজানা নে? তেন্তে এই সংসাৰিকৰ কথা সোধ নকৰিম নে? ৪ এই হেতুকে তোমোলাকৰ মাঝত সংসাৰিক কথাৰ কোনো গোচৰ হলে, তাৰ সোধ কৰিবলৈ মণ্ডলীৰ মাঝৰ যশস্যা নোহোৱাবিলাকেকো নিযোজন কৰিবা। ৫ মই তোমোলাকৰ লাজৰ নিমিত্তে এই কথা কৈছোঁ; আপোনাৰ ভায়েকৰ বিবাদ সোধ কৰিব পৰা, এনে বুদ্ধিমন্ত মানুহ তোমোলাকৰ মাঝত এটাও নাই নে? ৬ কিন্তু ভায়েকে ভায়েকৰ ওপৰত সোধ কৰাই, অবিশ্বাসীবিলাকৰ আগতো কৰাই। ৭ তোমোলাকে ইটে সিটে গোচৰা গুচৰি কৰি থকাত তোমোলাকৰ নিশ্চয়ে দোষ। তাক নকৰি তোমোলাকে অন্যায় কিয় নসহা? আপোনাৰো হানি হবলৈ কিয় নি দিয়া? ৮ কিন্তু তাক নকৰি তোমোলাকে আপুনি ভাইবিলাকৰ অন্যায় আৰু হানি কৰিছা।

৯ অধৰ্ম্মীবিলাক ঈশ্বৰৰ ৰাজ্যৰ ভাগী নহব, ইয়াক তোমোলাকে নেজানা নে? এই কথাত তোমোলাক ভুল নহবা; ব্যভিচাৰ, বা দেওপূজক, বা পৰতিৰী গমন কৰা, তিৰোতাৰ দৰে ব্যবহাৰ কৰা, পুংমৈথুনী,

১০ চোৰ বা লুভীয়া, মতলীয়া বা নিন্দক, বা ছলবাদী, এইবিলাক ঈশ্বৰৰ
ৰাজ্যৰ ভাগী নহয়। ১১ তোমোলাকৰ মাজৰো কেতবোৰ এনে আছিল;
কিন্তু এতিয়া আমাৰ প্ৰভু যীশুৰ নামেৰে আৰু ঈশ্বৰৰ আত্মাৰে তোমো-
লাক ধুউৱা হৈ পবিত্ৰ আৰু পুণ্যৱন্ত কৰা হৈছা।
১২ মোলৈ সকলো বস্তু অবাধা, কিন্তু সকলো হিতৰ নহয়; মোলৈ সক-
লো অবাধা হলেও কোনো বস্তুৰ অধীন হৈ নেথাকোঁ। ১৩ পেটৰ নিমিত্তে
আহাৰ; আহাৰৰ নিমিত্তেও পেট; তথাপি ঈশ্বৰে দুইকো বিনাশ কৰিব।
কিন্তু শৰীল ব্যভিচাৰৰ নিমিত্তে নহয়, প্ৰভুৰ নিমিত্তেহে হৈছে; আৰু প্ৰভুও
শৰীলৰ নিমিত্তে হৈছে। ১৪ আৰু ঈশ্বৰে মৈদামৰ পৰা যেনেকৈ প্ৰভুক
তুলিলে, তেনেকৈ আপোনাৰ শক্তিৰে আমাকো তুলিব। ১৫ তোমোলাকৰ
দেহ খ্ৰীষ্টৰ অঙ্গ, ইয়াকে তোমোলাকে নেজানা নে? তেনে হলে, খ্ৰীষ্টৰ
অঙ্গবোৰ লৈ বেশ্যাৰ অঙ্গ কৰিম নে! এনে কেতিয়াও নহওক। ১৬ বেশ্যাই
সৈতে যি মানুহ সংযোগ হৈছে, তায়ে সৈতে একে দেহ হয়, ইয়াক তো-
মোলাকে নেজানা নে? কিয়নো ঈশ্বৰে কৈছে, সিহঁত দুয়ো একে দেহ
হব। ১৭ কিন্তু যি জনে প্ৰভুৰে সংযোগ হয়, সি প্ৰভুএ সৈতে একে আত্মা
হয়। ১৮ বেশ্যালী কৰ্ম্মৰ পৰা আঁতৰি থাকা। মানুহে যি যি পাপ কৰে,
সেইবোৰ তাৰ শৰীলৰ বাহিৰে আছে; কিন্তু যি কোনোএ বেশ্যালী
কৰ্ম্ম কৰে, সি আপোনাৰ শৰীলৰ বিৰোদ্ধে পাপ কৰে। ১৯ তোমোলাকৰ
হৃদয়ত থকা যি আত্মা ঈশ্বৰৰ পৰা পালা, তোমোলাকৰ শৰীল তেওঁৰ
মন্দিৰ, আৰু তোমোলাক আপোনাৰ নোহোৱা, ইয়াক তোমোলাকে নে-
জানা নে? ২০ কিয়নো তোমোলাক মূল্যেৰে কিনা হৈ আছা; এই হেতু-
কে [ঈশ্বৰৰ হোৱা] তোমোলাকৰ শৰীলেৰে [আত্মাৰেও] ঈশ্বৰৰ মহিমা
প্ৰকাশ কৰা।

## ৭ অধ্যায়।

আৰু তোমোলাকে মোলৈ যি যি কথা লিখিছিলা, সেই কথাৰ উত্তৰ এই,
পুৰুষে তিৰোতাক পৰ্শ নকৰাই ভাল; ২ কিন্তু ব্যভিচাৰ নহবলৈ প্ৰতি জন
পুৰুষৰ আপোনাৰ এজনী তিৰোতা হওক; আৰু প্ৰতি জনী তিৰোতাৰো
আপোনাৰ এজন স্বামী হওক। ৩ পৈয়েকে তিৰোতাক আৰু তিৰোতাই
পৈয়েকক উচিত ব্যৱহাৰ কৰোক। ৪ তিৰোতা আপোনাৰ শৰীলৰ অধি-
কাৰ নহয়, কিন্তু পৈয়েকেই অধিকাৰ; সেই ৰূপে পৈয়েকো আপোনাৰ
শৰীলৰ অধিকাৰ নহয়, তিৰোতাহে অধিকাৰ হয়। ৫ [লঘোন আৰু]
প্ৰাৰ্থনাত মন দিবৰ নিমিত্তে দুয়ো একে আলচেৰে কিছু কাল পৃথক হৈ
থকাৰ বাঝে ইজনে সিজনৰ পৰা আপোনাক বঞ্চনা নকৰিবা; পাছে

ইন্দ্ৰিয়ৰ ধৈৰ্য্য নোহোৱাৰ কাৰণে ছয়তানে যেন তোমোলাকক পৰীক্ষাত
নেপেলাই, এই নিমিত্তে আকও আহি একে লগ হোৱা। ৬ এই কথা
আজ্ঞাৰ দৰে কৈছোঁ, এনে নহয়, অনুমতি মাথোন দিছোঁ। ৭ কিয়নো
আটাই মানুহ যেন মোৰ নিচিনা হয়, মোৰ এনে ইচ্ছা। কিন্তু সকলো মা-
নুহে. কোনোএ এক ৰূপে, কোনোএ আন ৰূপে, আপোনালৈ দিয়া দান
ঈশ্বৰৰ পৰা পাইছে।

৮ তিৰোতা নাইকিয়া মুনিহ আৰু বাঁৰীবিলাকলৈ মই এই কথা কৈছোঁ,
সিবিলাকে মোৰ নিচিনাকৈ যদি থাকে, তেন্তে ভাল; ৯ কিন্তু যদি ইন্দ্ৰিয়
দমন কৰিব নোৱাৰে, তেন্তে বিয়া কৰোক; কিয়নো কাম অগ্নিএ দহাত-
কৈ বিয়া কৰোৱাই ভাল। ১০ আৰু বিয়া হোৱাবিলাকলৈ আজ্ঞা কৰিছোঁ,
কিন্তু অকল মযে কৰোঁ, এনে নহয়, প্ৰভুএ আজ্ঞা কৰিছে, আপোনাৰ
পৈয়েকক তিৰোতাই নেৰোক। ১১ কিন্তু যদি এৰে, তেও আবিঐ হৈ থা-
কোক, নাইবা পৈয়েকে সৈতে আকও মিল হওক; সেই ৰূপে পৈয়েকেও
তিৰোতাক ত্যাগ নকৰোক।

১২ আৰু আনবিলাক মানুহলৈ প্ৰভুএ নকয়, মইহে কৈছোঁ, কোনো ভায়ে-
কৰ তিৰোতা অবিশ্বাসী হৈয়ো যদি পৈয়েকে সৈতে থাকিবলৈ ইচ্ছা কৰে,
তেন্তে সি তাইক ত্যাগ নকৰিব; ১৩ আৰু কোনো তিৰোতাৰ পৈয়েক
অবিশ্বাসী হৈয়ো যদি সেই তিৰোতাই সৈতে থাকিবলৈ ইচ্ছা কৰে, তেন্তে
তাই পৈয়েকক নেৰিব। ১৪ কিয়নো অবিশ্বাসী পৈয়েক বিশ্বাসী তিৰোতা-
লৈ শুচি কৰা হয়; আৰু অবিশ্বাসী তিৰোতাও বিশ্বাসী পৈয়েকলৈ শুচি হয়;
এনে নোহোৱা হলে তোমোলাকৰ লৰা লুৰিও অশুচি হলহেঁতেন; কিন্তু
এতিয়া শুচি হয়। ১৫ তথাপি অবিশ্বাসী জনে যদি এৰি যাই, তেন্তে যাওক;
এনে কথাত ভাই বা ভনীৰ বন্ধন নহয়; কিন্তু ঈশ্বৰে আমাক নিৰ্ব্বিৰোধে
থাকিবলৈ আমন্ত্ৰণ কৰিলে। ১৬ হে তিৰী, তুমি আপোনাৰ পৈয়াৰ
পৰিত্ৰাণ কৰাব নোৱাৰিবা, ইয়াক কেনেকৈ জানা? হে পুৰুষ, তুমি আ-
পোনাৰ তিৰোতাৰ পৰিত্ৰাণ কৰাব নোৱাৰিবা, ইয়াক নো কেনেকৈ
জানা?

১৭ ঈশ্বৰে প্ৰতি জনক যেনেকৈ ভাগ কৰি দান দিছে, আৰু যেনে অৱস্থা
থকাত প্ৰভুএ আমন্ত্ৰণ কৰিলে, সি তেনেকৈ আচৰণ কৰোক; এই দৰে
সকলো মণ্ডলীত মই নিৰ্ব্বন্ধ কৰিছোঁ। ১৮ চৰ্ম্মছেদন হোৱাত কোনো মানুহ
যদি আমন্ত্ৰণ কৰা হয়, তেন্তে সি অচৰ্ম্মছেদন কৰা নহওক; চৰ্ম্মছেদন নো-
হোৱাত কোনো যদি আমন্ত্ৰণ কৰা হয়, সি চৰ্ম্মছেদন কৰা নহওক। ১৯ চৰ্ম্ম-
ছেদন কৰাই একো নহয়, আৰু অচৰ্ম্মছেদনো একো নহয়; কিন্তু ঈশ্বৰৰ
আজ্ঞা পালন কৰাহে সাৰ। ২০ এই হেতুকে যি জনক যি বিষয়ত থাকোঁ-
তে আমন্ত্ৰণ কৰা হয়, সি সেই বিষয়তে থাকোক। ২১ তুমি বন্দী হোৱাত

যদি আমন্ত্ৰণ কৰা হৈছা, তাত একো চিন্তা নকৰিবা; কিন্তু যদি মুক্ত হব
পাৰা, তাতকৈ মুক্ত হোৱা। ২২ কিয়নো যি জন বন্দী হোৱাত প্ৰভুএ
আমন্ত্ৰণ কৰা হয়, সি প্ৰভুৰ মুক্ত জন; আৰু যি জন মুক্ত হোৱাত আমন্ত্ৰণ
কৰা হয়, সিও খ্ৰীষ্টৰ বন্দী। ২৩ তোমোলাক মূল্যেৰে কিনা হৈছা; এই
হেতুকে মানুহৰ বন্দী নহবা। ২৪ হে ভাইবিলাক, তোমোলাক প্ৰতি জন
যি বিষয়ত থাকোঁতে আমন্ত্ৰণ কৰা হলা, ঈশ্বৰৰ আগত সেই বিষয়তে থাকা।
২৫ আৰু আবিঐ মানুহৰ কথাত প্ৰভুৰ আজ্ঞা পোৱা নাই; কিন্তু বিশ্বা-
সী হবলৈ প্ৰভুৰ অনুগ্ৰহ পোৱা হৈ মই এই বুদ্ধি দিছোঁ। ২৬ এতিয়া
হোৱা দুঃখৰ নিমিত্তে মানুহ এনেই থকা ভাল, মই ইয়াকে বুজোঁ। ২৭ তুমি
তিৰোতা লৈ যদি বন্ধন হোৱা, তেন্তে মুক্ত হবলৈ উপায় নকৰিবা। যদি
তিৰোতাৰ পৰা মুক্ত হোৱা, তেন্তে তিৰোতা লবলৈ উপাই নকৰিবা।
২৮ কিন্তু বিয়া কৰিলেও তোমাৰ পাপ নহয়, আৰু কন্যাই বিয়া সোমা-
লেও তাতে তাইৰো পাপ নহয়। তথাপি সিবিলাকে শৰীলত দুঃখ পাব;
কিন্তু তোমোলাকত তাক কবলৈ এৰিছোঁ। ২৯ হে ভাইবিলাক, মই ইয়াকে
কৈছোঁ, অৱশেষ কাল অতি অলপ আছে; এই হেতুকে তিৰোতা থকাবি-
লাক তিৰোতা নাইকিয়াৰ নিচিনা, ৩০ আৰু যিবিলাকে কান্দে, সিবিলাক
নকন্দাৰ নিচিনা, আনন্দ কৰাবিলাক আনন্দ নকৰাৰ নিচিনা, আৰু যিবি-
লাকে কিনে, সিবিলাক সম্পত্তি নাইকিয়াৰ নিচিনা হব লগা; ৩১ আৰু
যিবিলাকে এই সংসাৰৰ বস্তুক প্ৰৱৰ্ত্তন কৰে, সিবিলাকে কুপ্ৰবৰ্ত্তন নক-
ৰাৰ দৰে আচৰিব লগা হয়; কিয়নো এই জগতৰ আকাৰ লোপ হৈ
যাই। ৩২ কিন্তু তোমোলাকে চিন্তা নকৰাকৈ যেন থাকা, মোৰ এই ইচ্ছা।
বিয়া নোহোৱা জনে প্ৰভুক কেনেকৈ সন্তোষ কৰিব, ইয়াৰ নিমিত্তে প্ৰভুৰ
কথা চিন্তি থাকে; ৩৩ কিন্তু বিয়া হোৱা জনে আপোনাৰ তিৰোতাক
কেনেকৈ সন্তোষ কৰিব, তাৰ নিমিত্তে সংসাৰৰ কথা চিন্তে। ৩৪ বিয়া
কৰোৱা তিৰোতা আৰু কন্যাৰ মাঝতো ভেদ আছে। শৰীল আৰু মনো
যেন পবিত্ৰ হয়, এই নিমিত্তে বিয়া নোহোৱা তিৰোতাই প্ৰভুৰ কথা চিন্তি
থাকে; কিন্তু বিয়া হোৱা জনীএ পৈয়েকক কেনেকৈ সন্তোষ কৰিব, ইয়াৰ
নিমিত্তে সংসাৰৰ কথা চিন্তে। ৩৫ তোমোলাকক ফান্দত পেলাবলৈ এই
কথা কৈছোঁ, এনে নহয়; কিন্তু ভাল কাৰ্য্যৰ নিমিত্তে, আৰু তোমোলাক
থিৰ মনেৰে ঈশ্বৰৰ সেৱাত যেন থাকা, এই নিমিত্তেহে কৈছোঁ।
৩৬ কোনো মানুহৰ কন্যাৰ ডেকা কাল চৰি যোৱাত বিয়া কৰিবলৈ
যদি প্ৰয়োজন হয়, আৰু সি তাইলৈ অযোগ্য কৰ্ম্ম কৰা যদি জানে, তেন্তে
ইচ্ছাৰ দৰে কৰিলে পাপ নাই; সিবিলাকে বিয়া কৰোক। ৩৭ কিন্তু যি
জনে মনেৰে থিৰ হৈ আপোনাৰ অভিলাষ বশ কৰি বিয়া কৰাৰ প্ৰয়ো-
জন নাই, আৰু আপোনাৰ কন্যাক আবিঐয়ে ৰাখিবলৈ মন নিশ্চয় কৰিলে,

সি ভাল কৰ্ম্ম কৰা হয় । ৩৮ এই হেতুকে যি জনে বিয়া দিএ, সিও ভাল
কৰে; কিন্তু বিয়া নিদিয়া জনে তাতকৈয়ো ভাল কৰে ।
৩৯ পৈএক যিমান দিন জীয়াই থাকে, সেই মান দিনলৈ তিৰোতা বিয়াৰ
নীতিৰে বন্ধ হৈ থাকে; কিন্তু পৈএক মৰিলে, তাই মুকলি হৈ কেৱল
প্ৰভুত (বিশ্বাসী) যি জনলৈ ইচ্ছা হয়, সেই জনে সৈতে বিয়া হব পাৰে ।
৪০ কিন্তু এনেই থাকিলে মোৰ বিবেচনাত তাই অতি সুখীয়া হব; আৰু
মই ঈশ্বৰৰ আত্মাকো পোৱা হৈছোঁ, ইয়াকে বুঝিছোঁ ।

## ৮ অধ্যায় ।

দেৱতাৰ প্ৰসাদৰ কথাত আমাৰ আটাইৰে জ্ঞান আছে, ইয়াক আমি জানোঁ ।
জ্ঞানে অহঙ্কাৰ কৰাই, কিন্তু প্ৰেমেই ধৰ্ম্মত থিৰ কৰে । ২ মই কিছু
জানোঁ বুলি, কোনোএ যদি ভাবে, তেন্তে সি জানিব লগা ৰূপে একো
নেজানে । ৩ কিন্তু যি কোনোএ ঈশ্বৰক প্ৰেম কৰে, ঈশ্বৰে তেওঁক জানি-
বলৈ তাক দিছে । ৪ দেৱতাৰ প্ৰসাদ খোৱাৰ কথা হলে, জগত খনতে
দেৱতা একো নহয়, আৰু এক ঈশ্বৰৰ বাহিৰে আন ঈশ্বৰ নাই, ইয়াক
আমি জানোঁ । ৫ আকাশতো পৃথিবীতো ঈশ্বৰৰ নামেৰে অনেক বোলা
আছে; কিন্তু অনেক ঈশ্বৰ আৰু অনেক প্ৰভু হলেও, ৬ তথাপি যি জনৰ
পৰা সকলো বস্তু হয়, আৰু যি জনৰ নিমিত্তে আমি হৈ আছোঁ, আ-
মালৈ এনে একে জন পিতৃ ঈশ্বৰহে আছে; আৰু যি জনৰ দ্বাৰাই সক-
লো বস্তু আৰু আমিও হৈ আছোঁ, অকল এনে এক প্ৰভু য়ীশু খ্ৰীষ্ট
আছে । ৭ কিন্তু সকলোৰে এনে জ্ঞান নাই; কিয়নো এতিয়ালৈকে কোনো
লোকে দেৱতাক মানি দেৱতাৰ প্ৰসাদ বুলি খাই; তাতে সিবিলাকৰ মন
দুৰ্ব্বলী হৈ অশুচি কৰা হয় ।
৮ খোৱা বস্তুএ ঈশ্বৰৰ আগত আমাক অনুগ্ৰহৰ ভাগী কৰা নহয়; আৰু
খালেও আমি তাৰ পৰা উত্তম নহওঁ; নেখালেও অধম নহওঁ । ৯ তথাপি
তোমোলাকৰ এই শক্তি যেন দুৰ্ব্বলী লোকৰ বিঘিনিৰ কাৰণ নহয়, এই
নিমিত্তে সাৱধান হোৱা । ১০ কিয়নো জ্ঞানৱন্ত যি তুমি, তোমাক কোনোএ
যদি দেৱালয়ত খাবলৈ বহা দেখে, তেন্তে সেই জ্ঞানেৰে দুৰ্ব্বলী জনৰ মনেই
সেই দেৱতাৰ প্ৰসাদ খাবলৈ সাহ নকৰিব নে? ১১ তাতে যাৰ নিমিত্তে
খ্ৰীষ্টই প্ৰাণ এৰিলে, সেই দুৰ্ব্বলী ভায়া তোমাৰ জ্ঞানৰ দ্বাৰাই নষ্ট হব নে?
১২ ভাইবিলাকৰ বিৰোদ্ধে এনে পাপ কৰি সিবিলাকৰ দুৰ্ব্বল মন বিঘাত
কৰিলে, তোমোলাকে খ্ৰীষ্টৰ বিৰোদ্ধে পাপ কৰা হয় । ১৩ এই হেতুকে
মঙ্গহ খোৱাই যদি মোৰ ভাইৰ বিঘিনি কৰে, তেন্তে ভাইৰ বিঘিনি যেন
নকৰোঁ, এই নিমিত্তে জগতৰ অন্তলৈকে কেতিয়াও মঙ্গহ নেখাওঁ ।

## ৯ অধ্যায়।

মই পাঁচনি নহওঁ নে? মই মুকলি নহওঁ নে? আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টক
মই দেখা নাই নে? আৰু তোমোলাকো মই প্ৰভুত কৰা কৰ্ম্মৰ ফল নো-
হোৱা নে? ২ অন্য লোকলৈ পাঁচনি নহলেও তোমোলাকলৈ পাঁচনি
হৈছোঁ; কিয়নো প্ৰভুত আশ্ৰয় লোৱা তোমোলাকেই মোৰ পাঁচনি বাবৰ
প্ৰমাণ হৈছা। ৩ যিবিলাকে মোৰ সোধ পোচ কৰে, সেইবিলাকলৈ
মোৰ এই উত্তৰ। ৪ আমাৰ খোৱা পিয়া কৰিবৰ শক্তি নাই নে? ৫ আন
আন পাঁচনি, প্ৰভুৰ ভায়েকবিলাক, আৰু কৈফা, ইবিলাকৰ নিচিনাকৈ
ধৰ্ম্মৰ ভনী হোৱা তিৰোতাক লগত লৈ ফুৰিবৰ শক্তি নাই নে? ৬ নাইবা
মই আৰু বৰ্ণাবা, অকল আমি দুইৰো বন কৰা এৰিবলৈ শক্তি নাই নে?
৭ আপোনাৰ ধন ভাঙ্গি ৰণ কৰিবলৈ নো কোন যাই? লতা পনিয়ালৰ
খেতি কৰি তাৰ গুটি নোখোৱা কোন আছে? পছুৰ ঝাক প্ৰতিপাল কৰি
তাৰ গাখীৰ নোখোৱাও কোন আছে? ৮ মই অকল মানুহৰ দৰে এই কথা
কৈছোঁ নে? শাস্ত্ৰেও এই দৰে নকয় নে? ৯ মোচাৰ বিধানত লিখা আছে,
তোমোলাকে মৰণা মৰা বলধৰ মুখ বন্ধন নকৰিবা। ঈশ্বৰে অকল বলধৰ
হিত চিন্তা কৰে নে? ১০ বিশেষ ৰূপে আমাৰ নিমিত্তে এই কথা নকয়
নে? যি জনে মাটী চহাই, সি আশাৰে যেন চাহ কৰে, আৰু যি জনে মৰণা
মাৰে, সিও আপুনি বাঞ্ছা কৰা শহ পাবৰ আশাৰে যেন মাৰে, এই অৰ্থেই
আমাৰ নিমিত্তে এই কথা লিখা আছে। ১১ আমি যদি তোমোলাকৰ
নিমিত্তে পৰমাৰ্থ কঠিয়া সিঁছিলোঁ, তেন্তে আমি তোমোলাকৰ সংসাৰিক শহৰ
ভাগ লোৱাই আশ্চৰিত হয় নে? ১২ যদি তোমোলাকৰ ওপৰত আন মানু-
হৰ এনে শক্তি হয়, আমাৰ তাতকৈয়ো অধিক নহয় নে? তথাপি আমি
সেই শক্তিএৰে ব্যৱহাৰ নকৰিলোঁ, কিন্তু খ্ৰীষ্টৰ শুভবাৰ্ত্তা যেন বাধা নকৰোঁ,
এই মনেৰে আমি সকলোকে সহিছোঁ। ১৩ যিবিলাকে পবিত্ৰ বস্তুৰ কৰ্ম্ম
কৰে, সিবিলাকে মন্দিৰৰ পৰা জীবিকা পাই, আৰু যিবিলাকে হোমৰ ভেঁ-
টিৰ সেৱা কৰে, সিবিলাক সেই হোমৰ ভেঁটিৰ ভাগী হয়, তোমোলাকে ইয়াক
নেজানা নে? ১৪ সেই ৰূপেও যিবিলাকে শুভবাৰ্ত্তা কীৰ্ত্তন কৰে, সেই
শুভবাৰ্ত্তাৰ পৰা সিবিলাকৰ জীবিকা যেন হয়, ঈশ্বৰে ইয়াকে নিযোজন
কৰিলে।

১৫ কিন্তু মই এনে শক্তিয়েৰে একো ব্যৱহাৰ কৰা নাই; আৰু মোলৈ
সেই ৰূপে যেন কৰিব, এই মনেৰে মই এইবিলাক কথা লিখা নাই; কিয়-
নো কোনো মানুহে মোৰ এই যশস্যা কথা গুচুৱাতকৈ মৰণেই ভাল। ১৬ মই
শুভবাৰ্ত্তা কীৰ্ত্তন কৰিলেও তাত মোৰ যশস্যাৰ কাৰণ নাই। কিয়নো মোৰ
ওপৰত এই ভাৰ দিয়া হৈছে, আৰু শুভবাৰ্ত্তা কীৰ্ত্তন নকৰিলে মোৰ সন্তাপ

হব । ১৭ মই যদি আপোন ইচ্ছাৰে এই কৰ্ম্ম কৰোঁ, তেন্তে মোৰ কৰ্ম্মৰ
ফল আছে; কিন্তু আপোনাৰ ইচ্ছাৰ বাহিৰে যদি কৰোঁ, তেন্তে শুভবাৰ্ত্তাৰ
কীৰ্ত্তনৰ ভাৰ মোৰ ওপৰত থোৱা হৈছে । ১৮ তেনে হলে মোৰ কৰ্ম্মৰ
ফল কি? শুভবাৰ্ত্তা কীৰ্ত্তন কৰোঁতে সেই শুভবাৰ্ত্তাত মোৰ যি শক্তি তাৰে
কুব্যৱহাৰ নকৰি খ্ৰীষ্টৰ শুভবাৰ্ত্তা বিনামূল্যে যেন কৰোঁ, মোৰ কৰ্ম্মৰ ফল
এই ।

১৯ মই আটাই মানুহৰ পৰা মুক্ত হলেও, অনেক লোকক পাবৰ নি-
মিত্তে সকলোলৈকে আপোনাক বন্দী কৰিলোঁ । ২০ য়িহুদিবিলাকক পাব-
লৈ সিবিলাকলৈ য়িহুদিৰ নিচিনা হলোঁ; [আপুনি বিধানৰ অধীন নহৈ]
বিধানৰ অধীন হোৱাবিলাকক পাবৰ নিমিত্তে সিবিলাকলৈ বিধান অধীন
হোৱাৰ নিচিনা হলোঁ; ২১ ঈশ্বৰলৈ বিধান হীন নহৈ খ্ৰীষ্টৰ বিধানৰ অধীন
হোৱাতো বিধান নাইকিয়াবিলাকক পাবৰ নিমিত্তে সিবিলাকলৈ বিধান
নাইকিয়াৰ নিচিনাই হলোঁ । ২২ দুৰ্ব্বলী লোকক পাবলৈ সিবিলাকলৈ দুৰ্ব্ব-
লী ৰূপ হলোঁ; কোনো লোকক যেন পৰিত্ৰাণ কৰাওঁ, এই আশয়েৰে আ-
টাইলৈকে আটাইৰে ৰূপ হলোঁ । ২৩ সিবিলাকে সৈতে শুভবাৰ্ত্তাৰ ফল-
ভাগী যেন হওঁ, এই নিমিত্তে শুভবাৰ্ত্তাৰ কাৰণে মই এই সকলোকে কৰোঁ ।
২৪ যিবিলাকে ৰঙ্গ শালত লৰ মাৰে, সেই আটাইবিলাকে লৰ মাৰিলেও
অকল এজনেহে বঁটা পাই, ইয়াক তোমোলাকে নেজানা নে? তোমোলাকেও
যেন পোৱা, সেই ৰূপেই লৰিবা । ২৫ আৰু যি যি লোকে মাল যুদ্ধ কৰে,
সিবিলাকে সকলো ভাৱে ইন্দ্ৰিয় দমন কৰে । সিহঁতে বিনাশী কিৰীটী পাব-
লৈ তাকে কৰে; আমি হলে অবিনাশী কিৰীটী পাবলৈহে তাক কৰোঁ ।
২৬ এই হেতুকে মই লৰ মাৰোঁ, কিন্তু সংশয়েৰে নহয়; যুদ্ধো কৰোঁ, কিন্তু
বায়ুএ সৈতে যুঝ কৰাৰ নিচিনা নকৰোঁ; ২৭ লোকক উপদেশ দি শেষত
আপুনি অগ্ৰাহ্য যেন নহওঁ, এই নিমিত্তে মই শৰীলক দমি বশ কৰি
ৰাখিছোঁ ।

## ১০ অধ্যায় ।

হে ভাইবিলাক, আমাৰ ওপৰ পুৰুষ সকলে মেঘৰ তলত থাকি সাগ-
ৰৰ মাজেদি গল, ২ আৰু আটাইকে মেঘ আৰু সাগৰতে মোচালৈ বুৰ
দিওৱা হল, ৩ আৰু আটাইএ একে পৰমাৰ্থিক আহাৰ ভোজন কৰি-
লে, আৰু একে পৰমাৰ্থিক জল পান কৰিলে, তোমোলাকে এইবিলাক
কথা নেজানি থকা মোৰ ইচ্ছা নাই । ৪ পৰমাৰ্থিক শিলৰ পৰা ওলাই
সিবিলাকৰ পাছে পাছে বৈ যোৱা যি জল, তাক পান কৰিলে; সেই শিলেই
খ্ৰীষ্ট । ৫ তথাপি সিবিলাকৰ অনেকলৈ ঈশ্বৰ সন্তোষ নোহোৱাত সি-

বিলাক অৰণ্যৰ মাঝত বিনাশ হল। ৬ সিহঁতে যেনেকৈ কামনা কৰিছি-
লে, আমিও যেন তেনেকৈ কুচিত কথাৰ কামনা নকৰোঁ, এই নিমিত্তে
সিহঁতৰ সেই ঘটনাই আমালৈ আৰ্হি হল। ৭ আৰু সিবিলাকৰ মাঝত
কেতবোৰ যেনেকৈ দেওপূজক হৈছিল, তোমোলাক তেনে নহবা; সেই
কথাত এনে লিখা আছে, মানুহবিলাকে ভোজন পান কৰিবলৈ বহিল,
পাছে ধেমালি কৰিবলৈ উঠিল। ৮ আৰু সিবিলাকৰ কেতবোৰে যে-
নেকৈ ব্যভিচাৰ কৰ্ম্ম কৰি একে দিনাই একুৰি তিনি হেজাৰ মানুহ
মৰিল, তেনেকৈ আমি ব্যভিচাৰ কৰ্ম্ম নকৰোঁহঁক। ৯ আৰু যেনেকৈ
সিহঁতৰ কেতবিলাকে পৰীক্ষা কৰি সাপে খোৱাত মৰিল, তেনেকৈ আমি
খ্রীষ্টৰ পৰীক্ষা নকৰোঁহঁক। ১০ আৰু সিহঁতৰ কেতবোৰ যেনেকৈ গৰি-
হণা কৰি সংহাৰ কৰোঁতাৰ দ্বাৰাই বিনাশ হল, আমি তেনেকৈ গৰি
হণা নকৰোঁহঁক। ১১ সিহঁতলৈ আৰ্হি হবৰ নিমিত্তে এইবিলাক কথা ঘটিল,
আৰু জগতৰ শেষত হোৱা যি আমি, আমাক শিকাবৰ নিমিত্তে লিখা
আছে। ১২ এই হেতুকে যি কোনোএ আপোনাক থিৰ হৈ থকা বুলি
মানে, সি যেন নপৰে, এই ভয়েৰে সাৱধান কৰোক। ১৩ যি পৰীক্ষা
মানুহবিলাকত চলে, তাত বাহিৰে তোমোলাকলৈ আন পৰীক্ষা ঘটা নাই।
আৰু বিশ্বাসী যি ঈশ্বৰ, তেওঁ তোমোলাকৰ শক্তিতকৈ অতি পৰীক্ষাত
পৰিবলৈ নিদিব; কিন্তু তোমোলাকে যেন সহিব পাৰিবা, এই নিমিত্তে
পৰীক্ষাই সৈতে তোমোলাকৰ ৰক্ষাৰ উপায় যুগুত কৰিব।

১৪ এই হেতুকে, মোৰ প্রিয়বিলাক, দেওপূজাৰ পৰা আঁতৰি থাকা।
১৫ মই জ্ঞানৱন্তত কোৱা দি তোমোলাকত কৈছোঁ, তোমোলাকে আপু-
নি মোৰ কথা বিবেচনা কৰা। ১৬ আমি যি আশীৰ্ব্বাদৰ পাত্রত আ-
শীৰ্ব্বাদ কৰোঁ, তাতে খ্রীষ্টৰ তেজৰ ভাগী হোৱা নহয় নে? আৰু যি
পিঠা ভাঙ্গিছোঁ, তাতে খ্রীষ্টৰ শৰীলৰ ভাগী হোৱা নহয় নে? ১৭ যেনে-
কৈ একে পিঠা হয়, তেনেকৈ আমি অনেক হৈয়ো একে দেহ হৈছোঁ;
কিয়নো আমি সকলো সেই একে পিঠাৰ ভাগী হৈছোঁ। ১৮ বঙ্গহেৰে
হোৱা ইস্রায়েল লোকক চোৱা; যিবিলাকে উচৰ্গা বলি খাই, সিবিলাক
হোমৰ ভেঁটিৰ ভাগী নহয় নে? ১৯ তেন্তে মই কি কৈছোঁ? দেৱতাই স্বৰূপ,
বা দেৱতাৰ আগত বলি দিয়াই স্বৰূপ, এনেকৈ কৈছোঁ নে? ২০ (তেনে
নহয়,) কিন্তু বিদেশী লোকবিলাকে যি উচৰ্গা কৰে, তাক ঈশ্বৰলৈ নকৰি
ভূত দেৱতালৈকেহে কৰে; আৰু তোমোলাক ভূত দেৱতাৰ ভাগী হোৱা,
মোৰ এই ইচ্ছা নহয়। ২১ তোমোলাকে প্রভুৰ পাত্র আৰু ভূত দেৱ-
তাৰ পাত্র, এই দুইকো পান কৰিব নোৱাৰা; প্রভুৰ মেজ আৰু ভূত দেৱ-
তাৰ মেজ, এই দুইৰো ভাগী হব নোৱাৰা। ২২ আমি ঈশ্বৰৰ খঙ্গ তোলাম
নে? ঈশ্বৰতকৈ আমি বলৱন্ত হৈছোঁ নে?

২৩ মোলৈ সকলো বস্তু অবাধা, কিন্তু সকলো হিতলৈ নহয়; মোলৈ সক-
লো বস্তু অবাধা হৈয়ো সকলোএ লোকক ধৰ্ম্মত থিৰ নকৰে। ২৪ কোনেও
আপোনাৰ কথা চিন্তা নকৰি, প্ৰতি জনে লোকৰ কথা চিন্তা কৰোক।
২৫ যি বস্তু হাটত বেচা হয়, দোষাদোষ জ্ঞানৰ নিমিত্তে একো নুসুধি নুপু-
চি, তাক ভোজন কৰা; ২৬ কিয়নো পৃথিৱী আৰু তাৰ সকলো বস্তু প্ৰভুৰ
হয়। ২৭ আৰু অবিশ্বাসী লোকৰ মাঝত কোনোএ নিমন্ত্ৰণ কৰাত তোমাৰ
যদি যাবৰ ইচ্ছা হয়, তেন্তে দোষাদোষ জ্ঞানৰ নিমিত্তে একো সোধ পোচ
নকৰি, যি বস্তু তোমাৰ আগত থোৱা হৈছে, তাকে ভোজন কৰিবা। ২৮ কিন্তু
এই বস্তু দেৱতাৰ প্ৰসাদ, ইয়াক কোনোএ যদি তোমাত কয়, তেন্তে যি জনে
তোমাক বুঝাই, তাৰ নিমিত্তে আৰু দোষাদোষ জ্ঞানৰ নিমিত্তে তাক ভো-
জন নকৰিবা। ২৯ দোষাদোষ জ্ঞান বুলি, তোমাৰ কোৱা নাই, লোকৰহে
কৈছোঁ; মোৰ শক্তি লোকৰ দোষাদোষ জ্ঞানৰ কিয় অধীন হব? ৩০ মই
যদি অনুগ্ৰহ পাই ভোজন কৰোঁ, তেন্তে যি বস্তুৰ নিমিত্তে স্তুতি কৰোঁ,
তাক ভোজন কৰাত লোকে মোক কিয় দোষ দিব? ৩১ এই হেতুকে তো-
মোলাকে ভোজন পান আদি যি কৰ্ম্ম কৰা, সকলোকে ঈশ্বৰৰ নিমিত্তে
কৰিবা। ৩২ অনেক লোকে যেন পৰিত্ৰাণ পাই, এই নিমিত্তে মই যেনে-
কৈ আপোনাৰ হিত নিচিন্তি সিবিলাকৰ হিত চিন্তি সকলোকে সন্তোষ
কৰো, ৩৩ তেনেকৈ তোমোলাকেও য়িহুদিবিলাক, বিদেশী মানুহ, বা ঈশ্ব-
ৰৰ মণ্ডলীৰ লোক, কাকো বিঘিনি নকৰিবা। ৩৪ আৰু মই যেনেকৈ
খ্ৰীষ্টৰ পাছে যোৱা হৈছোঁ, সেই ৰূপে তোমোলাকো মোৰ পাছে যোৱা হবা।

## ১১ অধ্যায়।

হে ভাইবিলাক, তোমোলাকে সকলো কথাত মোলৈ মন কৰি, মই দিয়া বি-
ধান পালন কৰি থাকা, এই নিমিত্তে তোমোলাকক প্ৰশংসা কৰিছোঁ।
২ খ্ৰীষ্ট যেনেকৈ পুৰুষৰ মূৰ, তেনেকৈ তিৰোতাৰ মূৰ পুৰুষ; ৩ আৰু
খ্ৰীষ্টৰ মূৰ ঈশ্বৰ, ইয়াকে তোমোলাকে যেন জানা, এই মোৰ ইচ্ছা।
৪ যি কোনো পুৰুষে মূৰ ঢকা হৈ প্ৰাৰ্থনা কৰে, বা উপদেশ দিএ, সি
আপোনাৰ মূৰ অমৰ্য্যাতা কৰে। ৫ কিন্তু যি কোনো তিৰোতা মানুহে
উদঙ্গ মূৰে প্ৰাৰ্থনা কৰে, বা উপদেশ দিএ, সেই তিৰোতাই আপোনাৰ
মূৰ অমৰ্য্যাতা কৰে; কিয়নো তাইৰ মূৰ খুৰুৱাৰ নিচিনা হয়। ৬ তি-
ৰোতা যদি আবৰণ নহয়, তেন্তে চুলিও কটা যাওক; কিন্তু চুলি কটা বা
মূৰ খুৰুৱা যদি লাজ হয়, তেন্তে তাইৰ মূৰ ঢকা হওক। ৭ পুৰুষ হলে
ঈশ্বৰৰ প্ৰতিমূৰ্ত্তি আৰু প্ৰতাপ হোৱাত মূৰ ঢাকিবলৈ উচিত নহয়; কিন্তু
তিৰোতাই অকল পুৰুষৰ প্ৰতাপ। ৮ কিয়নো পুৰুষ তিৰীৰ পৰা হোৱা

নাই, তিৰীহে পুৰুষৰ পৰা হৈছিল । ৯ আৰু তিৰীৰ প্ৰয়োজনলৈ পুৰুষ
সৃজা হৈছিল, এনে নহয়: কিন্তু পুৰুষৰ প্ৰয়োজনলৈ তিৰীকহে সৃজা হৈ-
ছিল । ১০ এয়েৰেই দূতবিলাকৰ নিমিত্তে তিৰোতাই আপোনাৰ মূৰত
ওৰণি লোৱা উচিত । ১১ তথাপি প্ৰভুৰ বিধিৰে তিৰী নোহোৱাকৈ পুৰুষ
নহয়; সেই ৰূপে পুৰুষ নোহোৱাকৈ তিৰীও নহয়; ১২ কিয়নো যেনে-
কৈ পুৰুষৰ পৰা তিৰী হৈছিল, তেনেকৈ পুৰুষো তিৰীৰ দ্বাৰাই হয়;
কিন্তু সকলো বস্তু ঈশ্বৰৰ পৰাহে হয় । ১৩ তিৰী লোকে উদঙ্গ মূৰে ঈশ্ব-
ৰৰ আগত প্ৰাৰ্থনা কৰিবলৈ উচিত হয় নে, নহয়, তাক তোমোলাকে আ-
পোনাৰ মনত বিবেচনা কৰা । ১৪ পুৰুষৰ দীঘল চুলি হলে, সেয়ে তাৰ
লাজ হয়; ১৫ কিন্তু তিৰীৰ ওৰণিলৈ দীঘল চুলি দিয়া হোৱাত সেয়ে
তাইৰ মৰ্য্যতা, ইয়াকে স্বভাৱৰ জ্ঞানেই তোমোলাকক নিশিকাই নে? ১৬ কিন্তু
যদি কোনোবা বিবাদী হয়, তেন্তে ঈশ্বৰৰ মণ্ডলীবিলাক আৰু আমাৰো
এনে দস্তুৰ নাই ।

১৭ কিন্তু তোমোলাকে হিতৰ নিমিত্তে একে ঠাইতে গোট নেখাই, অহি-
তৰ নিমিত্তে গোট খোৱা, তাকে কৈ মই তোমোলাকক প্ৰশংসা নকৰোঁ ।
১৮ প্ৰথমতে তোমোলাকে যেতিয়া মণ্ডলীত একে লগ হোৱা, তেতিয়া তো-
মোলাকৰ ভিন ভিন হয়, তাক মই শুনিছোঁ, আৰু কিছু কিছু পতিয়াই-
ছোঁ । ১৯ কিয়নো তোমোলাকৰ যি যি গ্ৰহণীয় লোক, সিবিলাক যেন
প্ৰকাশ হয়, এই নিমিত্তে তোমোলাকৰ মাজত বিপথৰ মত হোৱা আৱশ্যক ।
২০ তোমোলাকে যেতিয়া একে ঠাইতে গোট খোৱা, তেতিয়া প্ৰভুৰ ভোজ
খাবলৈ তাকে কৰা, এনে নহয়; ২১ কিয়নো ভোজন কৰাত প্ৰতি জনে
আনৰ আগেএ আপোনাৰ ভোজ খাই; তাতে কোনো জনৰ ভোক থাকে,
কোনো জন পৰিপুষ্ট হয় । ২২ ভোজন পান কৰিবলৈ তোমোলাকৰ আ-
পোন ঘৰ নাই নে? নাইবা ঈশ্বৰৰ মণ্ডলী হেলা কৰি, ঘৰ নাইকিয়াবি-
লাকৰ লাজ কৰোৱা নে? তোমোলাকক কি বুলিম? এই কথাত তোমো-
লাকক প্ৰশংসা কৰিম নে? প্ৰশংসা নকৰোঁ ।

২৩ যি কথা মই প্ৰভুৰ পৰা পাই তোমোলাকক শিকাই দিলোঁ, সেই
কথা এই, প্ৰভু য়ীশুক যি ৰাতি লোকৰ হাতত সোধাই দিয়া হৈছিল, সেই
ৰাতিএই তেওঁ পিঠা লৈ, ২৪ ঈশ্বৰক স্তুতি কৰি তাকে ভাঙ্গি কলে,
[লোৱা, খোৱা,] তোমোলাকৰ নিমিত্তে ভগা যি মোৰ শৰীল, সেয়ে এই;
মোক সুঁৱৰিবলৈ ইয়াক ভোজন কৰা । ২৫ সেই ৰূপে ৰাতি ভোজনৰ পাছে
তেওঁ পান পাত্ৰকো লৈ কলে, মোৰ তেজৰ দ্বাৰাই যি নতুন নিয়ম, এই
পাত্ৰ সেই; তোমোলাকে যেতে বেলি ইয়াক পান কৰা, তেতে বেলি মোক
সুঁৱৰিবৰ নিমিত্তে তাক কৰিবা । ২৬ তোমোলাকে যেতে বেলি এই পিঠা
খোৱা, আৰু এই পাত্ৰৰ পান কৰা, তেতে বেলি প্ৰভু অহা মানলৈকে

তোমোলাকে তেওঁৰ মৰণ প্ৰকাশ কৰি আছা। ২৭ আৰু যি কোনোএ
অযোগ্য ৰূপে এই পিঠা খাই, বা এই পাত্ৰৰ পান কৰে, সি প্ৰভুৰ
শৰীল আৰু তেজৰ দূষী হব। ২৮ এই হেতুকে মানুহে আপুনি আপো-
নাক আগেএ বিচাৰ কৰি, পাছে সেই পিঠা ভোজন কৰোক, আৰু সেই
পাত্ৰৰ পান কৰোক। ২৯ কিয়নো যি কোনোএ অযোগ্য ৰূপে ভোজন
পান কৰে, সি প্ৰভুৰ শৰীল নিচিন্তি ভোজন পান কৰাত আপোনালৈ দণ্ড
জন্মাইছে। ৩০ এই হেতুকে তোমোলাকৰ অনেক লোক দুৰ্ব্বলী আৰু নৰিয়া
হয়, আৰু কেতবিলাক মৰা হল। ৩১ আমি যদি আপুনি আপোনাক সো-
ধৰ বিচাৰ কৰোঁহঁক, তেন্তে আমি দণ্ড পোৱা নহলোঁহেঁতেন; ৩২ কিন্তু
আমাক যেতিয়া সোধ কৰা হয়, তেতিয়া জগতৰ লোকে সৈতে আমি যেন
দণ্ড পোৱা নহম, এই নিমিত্তে আমি প্ৰভুৰ পৰা দুঃখ ভোগ পাইছোঁ।
৩৩ এতেকে হে মোৰ ভাইবিলাক, তোমোলাকে যেতিয়া ভোজন পান কৰি-
বলৈ একে ঠাইলৈ আঁহা, তেতিয়া ইজনে সিজনলৈ বাট চাই থাকিবা; ৩৪ আৰু
তোমোলাকে দণ্ড পাবলৈ একে ঠাইলৈ যেন নাহা, এই নিমিত্তে যি কোনো
মানুহৰ ভোক লাগে, সি আপোনাৰ ঘৰত খাওক। তাত বাঝে যিবিলাক
কথা থাকে, মই তোমোলাকৰ ওচৰলৈ যোৱা কালত সেই কথা থিৰ কৰিম।

## ১২ অধ্যায়।

হে ভাইবিলাক, পবিত্ৰ আত্মাৰ দানৰ কথাত তোমোলাকে যেন নজনা হোৱা,
মোৰ এই ইচ্ছা নাই। ২ তোমোলাক বিদেশী লোক হৈ আগেয়ে যেনেকৈ
চলাই নিয়া হৈছিলা, তেনেকৈ অবাক মূৰ্ত্তিৰ সেৱাত আসক্ত হৈ আছিলা,
ইয়াক তোমোলাকে জানা। ৩ এই হেতুকে মই তোমোলাকত এই কথা জনাই-
ছোঁ, যি কোনো মানুহে ঈশ্বৰৰ আত্মাৰে কথা কয়, সি য়ীশুক শাও পোৱা
নোবোলে; আৰু পবিত্ৰ আত্মাৰ দ্বাৰাই নহলে কোনো মানুহে য়ীশুক প্ৰভু
বুলি মাতিব নোৱাৰে। ৪ আত্মাৰ দান অনেক বিধ আছে, কিন্তু একে
আত্মা; ৫ আৰু অনেক বিধ সেৱা আছে, কিন্তু একে প্ৰভু; ৬ অনেক বিধ
কৰ্ম্মো আছে, কিন্তু যি জনে সকলোতে সকলো কৰ্ম্ম সিদ্ধি কৰে, তেওঁ একে
ঈশ্বৰ। ৭ হিতৰ নিমিত্তে প্ৰতি জনকে আত্মাৰ প্ৰকাশ গুণ দিয়া হৈছে।
৮ তাতে আত্মাৰ দ্বাৰাই এজনক বুদ্ধিৰ কথা, একে আত্মাৰ দ্বাৰাই আন
কোনোক বিশ্বাস দিয়া হৈছে। ৯ একে একে আত্মাৰ দ্বাৰাই কোনোক সুস্থ
কৰিবৰ শক্তি, আন কোনোক আশ্চৰিত কৰ্ম্ম কৰিবৰ শক্তি, ১০ আনক
ভবিষ্যত বাক্য কবৰ শক্তি, আন এজনক আত্মাবিলাক জানিবৰ শক্তি, আন
কোনো জনক বিদেশী ভাষা কবৰ শক্তি, আৰু আন জনকে সেই ভাষাৰ
অৰ্থ ভাঙ্গিবৰ শক্তি দিয়া হৈছে। ১১ এই ৰূপে একে আত্মাই প্ৰতি জনকে

আপোনাৰ ইচ্ছাৰ দৰে দান বাঁটি দি, সেই সকলো কৰ্ম্ম সিদ্ধি কৰিছে ।
১২ শৰীৰ এক, কিন্তু তাৰ অনেক অঙ্গ; আৰু সেই শৰীৰৰ অঙ্গ অনেক
হলেও একে শৰীৰ হয়, খ্ৰীষ্টো সেই ৰূপ । ১৩ কিয়নো আমি য়িহুদি বা
বিদেশী লোক, বন্দী বা মুকলি হওঁ, এক আত্মাৰ দ্বাৰাই একে শৰীৰত
বুৰ দিওৱা হৈছোঁ; আৰু এক আত্মাৰ ভাগী হৈছোঁ । ১৪ শৰীৰ এক অঙ্গ
নহয়, অনেক অঙ্গ । ১৫ ভৰিএ যদি বোলে, মই হাত নোহোৱা হেতুকে
শৰীৰৰ অঙ্গ নহওঁ, তেন্তে সি সেই কাৰণে শৰীৰৰ অঙ্গ নোহোৱা হয়
নে? ১৬ আৰু কাণেও যদি বোলে, মই চকু নোহোৱা হেতুকে শৰীৰৰ
অঙ্গো নহওঁ, তেন্তে সি সেই কাৰণে শৰীৰৰ অঙ্গ নোহোৱা হয় নে?
১৭ গোটেই শৰীৰেই চকু হোৱা হলে শ্ৰৱণ কত হলহেঁতেন? গোটেই শৰীৰ
শ্ৰৱণ হোৱা হলে ঘ্ৰাণ পোৱা কত হলহেঁতেন? ১৮ কিন্তু এতিয়া ঈশ্বৰে
যেনেকৈ উচিত দেখিলে, তেনেকৈ শৰীৰৰ মাজত সকলো অঙ্গ থাপন কৰি-
লে । ১৯ নাইবা সকলো অঙ্গ একে অঙ্গ হলে, তেন্তে শৰীৰ কত? ২০ কিন্তু
এতিয়া অনেক অঙ্গ হোৱাতো একে শৰীৰ হয় । ২১ আৰু তোমাত মোৰ
প্ৰয়োজন নাই, চকুএ হাতত ইয়াক কব নোৱাৰে; তোমোলাকত মোৰ প্ৰয়ো-
জন নাই, মূৰে ইয়াক ভৰিত বুলিব নোৱাৰে । ২২ তাত বাঝে শৰীৰৰ যি
যি অঙ্গ দুৰ্ব্বলী, সেই সকল অঙ্গৰো প্ৰয়োজন আছে; ২৩ আৰু আমি
শৰীৰৰ যি যি অঙ্গ অমৰ্য্যতা দেখোঁ, সেই অঙ্গবোৰক অধিক মৰ্য্যতা কৰোঁ;
তাতে সেই অশোভা অঙ্গ অধিক শোভা হৈ যাই । ২৪ কিয়নো যি যি
অঙ্গ আপুনি শোভা, সেইবিলাকক ভূষিত কৰিবৰ প্ৰয়োজন নাই । ২৫ এই,
ৰূপে শৰীৰৰ মাজত যেন ভিন ভাও নহয়, আৰু সকলো অঙ্গ ইটে সি-
টৰ সমান ৰূপে উপকাৰ কৰা যেন হয়, এই নিমিত্তে ঈশ্বৰে অমৰ্য্যতা
অঙ্গবোৰক অধিক মৰ্য্যতা দি, সকলো শৰীৰ একে লগে মিলন কৰিলে ।
২৬ তাতে এক অঙ্গ যদি দুঃখ পোৱা হয়, সকলো অঙ্গ তাৰে সৈতে দুঃখীত
হৈছে; আৰু এক অঙ্গ যদি মৰ্য্যতা পোৱা হয়, সকলো অঙ্গ তাৰে সৈতে
আনন্দ কৰে ।

২৭ তোমোলাক ইটে সিটে অঙ্গ প্ৰত্যঙ্গ হৈ, খ্ৰীষ্টৰ শৰীৰ হোৱা ।
২৮ আৰু প্ৰথমতে পাঁচনি, দ্বিতীয়তে ভবিষ্যত বক্তা, তৃতীয়তে উপদেশক,
তাৰ পাছে আশ্চৰিত কৰ্ম্ম কৰাবিলাক, ৰোগ স্বস্থ কৰোঁতা, উপকাৰ কৰা-
বিলাক, শাসন কৰ্ত্তা, আন ভাষাৰে কথা কোৱা, এই সকলোকে ঈশ্বৰে
আপোনাৰ মণ্ডলীত থাপন কৰিলে । ২৯ সকলোবিলাক পাঁচনি হয় নে?
বা সকলো ভবিষ্যত বক্তা নে? বা সকলোএ আশ্চৰিত কৰ্ম্ম কৰোঁতা হয়
নে? ৩০ সকলোএ ৰুগীয়াক স্বস্থ কৰা হয় নে? সকলোএ আন ভাষাৰে
কয় নে? বা সকলোএ ভাষাৰ অৰ্থ ভাঙ্গে নে? ৩১ উত্তম দান পাবলৈ যত্ন
কৰা; তথাপি তাত্কৈয়ো এক উত্তম পথ দেখুৱাও ।

## ১৩ অধ্যায়।

মানুহৰ বা স্বৰ্গৰ দূতৰ ভাষা কব পাৰিলেও যদি মোৰ প্ৰেম নাই, তেন্তে
মই কেৱল বজোৱা ভেঁৰী বা বাদ্য কৰা তালৰ নিচিনা হৈছোঁ। ২ আৰু
মই যদি ভবিষ্যত বাক্য, আৰু আটাই বিধ গোপনীয় কথা, আৰু সকলো
বিদ্যা জনা হওঁ, আৰু পৰ্ব্বত আঁতৰাব পৰা মোৰ যদি এনে বিশ্বাসো হয়,
তথাপি মোৰ প্ৰেম নহলে মই একো নহওঁ। ৩ আৰু যদি মোৰ সকলো বস্তু
দৰিদ্ৰলৈ বিলাই দিওঁ, আপোন শৰীলকো জুইত পুৰিবলৈ দিওঁ, তথাপি
মোৰ প্ৰেম নেথাকিলে, তাত মোৰ একো লাভ নাই।

৪ প্ৰেমেই অনেক দিন সহনীয়, হিত কৰোঁতা হয়; প্ৰেমে অসূয়া নকৰে;
প্ৰেমে আপোনাৰ প্ৰশংসা নকৰে, অহঙ্কাৰো নকৰে; ৫ কুব্যৱহাৰ নকৰে,
আপোনাৰ লাভ নিবিচাৰে; হঠাতে খঙ্গ নুঠে; দোষৰ কথা নেভাবে;
৬ অধৰ্ম্মত আনন্দ নহৈ সত্যত আনন্দ কৰে; ৭ সকলো কথাতে ক্ষমা
কৰে, সকলোতে বিশ্বাস কৰে, সকলোতে আশা কৰে, সকলোকে সহন
কৰে। ৮ ভবিষ্যত বাক্য হলে, তাৰ লোপ হব, নানা ভাষা হলে সেই-
বোৰ গুছিব, জ্ঞান হলে সিও ঢুকাব, কিন্তু প্ৰেম কেতিয়াও লোপ নহব।
৯ ভাগৰ ক্ৰমেহে আমি জানোঁ, ভাগৰ ক্ৰমে ভবিষ্যত বাক্য কওঁ। ১০ কিন্তু
যেতিয়া সম্পূৰ্ণ জ্ঞান সিদ্ধি হয়, তেতিয়া অপূৰ্ণ আৰু নেথাকিব। ১১ যে-
তিয়া মই লৰা আছিলোঁ, তেতিয়া লৰাৰ নিচিনাকৈ কথা কলোঁ, লৰাৰ
নিচিনাকৈ জানিলোঁ, লৰাৰ দৰে বিবেচনাও কৰিলোঁ; কিন্তু যেতিয়া বয়স
হল, তেতিয়া লৰাৰ সকলো কথা এৰিলোঁ। ১২ এতিয়া আমি আৰ্চ্ছিৰে
চোৱাৰ দৰে অলপকৈ দেখোঁ; কিন্তু তেতিয়া সমুখা সমুখিকৈ দেখিম।
এতিয়া মই ভাগৰ ক্ৰমে জানিছোঁ, কিন্তু তেতিয়া যেনেকৈ জনা হৈছোঁ, সেই
ৰূপে জানিম। ১৩ এতিয়া বিশ্বাস, আশা, প্ৰেম, এই তিনটা থাকে; কিন্তু
এইবিলাকৰ মাঝত প্ৰেমেই প্ৰধান।

## ১৪ অধ্যায়।

প্ৰেমলৈ কাৰ্বাৰ কৰা, আৰু পবিত্ৰ আত্মাৰ দান, বিশেষকৈ উপদেশ দিবৰ
শক্তিলৈ ইচ্ছা কৰা। ২ যি জনে বিদেশী ভাষা কয়, সি মানুহত নকৈ ঈশ্ব-
ৰতহে কয়; কিয়নো আত্মাৰে গোপনীয় কথা কলেও তাক কেৱে নুবুঝে।
৩ কিন্তু যি জনে উপদেশ দিএ, সি মানুহক ধৰ্ম্মত থিৰ কৰা, শিকোৱা,
আৰু সান্ত্বনা কৰাৰ নিমিত্তে কথা কয়। ৪ যি জনে বিদেশী ভাষাৰে কথা
কয়, সি আপোনাক ধৰ্ম্মত বৃদ্ধি কৰে; কিন্তু যি জনে উপদেশ দিএ, সি
মণ্ডলীৰ লোকক বৃদ্ধি কৰাই। ৫ তোমোলাক সকলোএ বিদেশী ভাষাৰে

যেন কব পাৰা, এই মোৰ বাঞ্চা হয়; কিন্তু উপদেশ যেন দিব পাৰা, ইয়ালৈ মোৰ অধিক বাঞ্চা; কিয়নো মণ্ডলী লোকক ধৰ্ম্মত বৃদ্ধি কৰিবৰ নিমিত্তে অৰ্থ নেভাঙ্গিলে, সেই বিদেশী ভাষাৰে কোৱা জনতকৈ উপদেশ দিয়া জন প্ৰধান।

৬ হে ভাইবিলাক, মই তোমোলাকৰ ওচৰলৈ গৈ প্ৰকাশিত বাক্য, বা জ্ঞানৰ কথা, উপদেশ, বা শিক্ষা, এইবিলাকৰ কথা নকৈ, যদি অকল বিদেশী ভাষাৰে কওঁ, তেন্তে তোমোলাকৰ কি লাভ হব? ৭ আৰু শবদ কৰা অপ্ৰাণী বস্তুৰ মাঝত বাঁহী হওক, বা বীণ হওক, স্বৰৰ ভেদ যদি নেৰাখে, তেন্তে বাঁহীৰে বা বীণেৰে যি বোৱা হৈছে, তাক কেনেকৈ বুঝিব পাৰে? ৮ আৰু ভেঁৰীএ যদি উলামুলা শবদ দিএ, তেন্তে যুদ্ধ কৰিবলৈ কোনে আপোনাক সজাব? ৯ সেই ৰূপে তোমোলাকেও যদি বুঝিবলৈ সুগম কথা নোকোৱা, তেন্তে যি কোৱা যাই, তাক লোকে কেনেকৈ বুঝিব? তোমোলাক আকাশত কোৱাৰ নিচিনা হবা। ১০ জগতৰ মাঝত যেতে বিধ ভাষা আছে, সেই আটাইৰে মাঝত এটাও অনৰ্থক নোহোৱা হওক, ১১ তেও মই যদি সেই ভাষাৰ অৰ্থ নুবুঝোঁ, তেন্তে যি জনে কয়, মই সেই জনলৈ ম্লেচ হম, আৰু সিও মোলৈ ম্লেচ হব। ১২ এতেকে তোমোলাকে যদি পবিত্ৰ আত্মাৰ দানলৈ উৎসাহ কৰা, তেন্তে মণ্ডলীক ধৰ্ম্মত বৃদ্ধি কৰিবলৈ অধিক কাৰ্বাৰ কৰা। ১৩ এই হেতুকে যি জনে বিদেশী ভাষাৰে কয়, সি অৰ্থকো যেন ভাঙ্গি দিব পাৰে, এই প্ৰাৰ্থনা কৰোক। ১৪ বিদেশী ভাষাৰে যদি প্ৰাৰ্থনা কৰোঁ, তাৰেই মোৰ আত্মাই প্ৰাৰ্থনা কৰিছে, কিন্তু মই জ্ঞান দিয়া বিফল হয়। ১৫ তেন্তে কি কৰিবলৈ আছে? আত্মাৰে মই প্ৰাৰ্থনা কৰিম; জ্ঞানেৰেও প্ৰাৰ্থনা কৰিম; আত্মাৰে গীত গাম, জ্ঞানেৰেও গীত গাম। ১৬ নতুবা তুমি যেতিয়া আত্মাৰে স্তুতি কৰা, তেতিয়া যিটো নজনা লোকৰ ঠাইত থাকে, সি তোমাৰ কথা নুবুঝি, তুমি স্তুতি কৰাত আমেন কেনেকৈ বুলিব পাৰে? ১৭ তুমি সজ ৰূপে ঈশ্বৰক স্তুতি কৰিছা হয়, কিন্তু তাৰেই লোকৰ ধৰ্ম্ম বৃদ্ধি নহয়। ১৮ মই যে তোমোলাক সকলোতকৈ অনেক ভাষাৰে কওঁ, সেই কাৰণে ঈশ্বৰক স্তুতি কৰিছোঁ; ১৯ তথাপি মণ্ডলীৰ মাঝত আন ভাষাৰে দহ হেজাৰ কথা কোৱাতকৈ, যিহেৰে লোকক শিকাব পাৰোঁ, জ্ঞানেৰে এনে পাচোটা কথাকে কবলৈ মোৰ বাঞ্চা।

২০ হে ভাইবিলাক. তোমোলাক জ্ঞানত লৰাৰ নিচিনা নহবা; হিংসাৰ কথাতে লৰাৰ নিচিনা হোৱা, কিন্তু জ্ঞানতে বয়সীয়া হোৱা। ২১ শাস্ত্ৰত লিখা আছে, প্ৰভুএ কৈছে, বিদেশী ভাষাৰে বিদেশী মুখেৰে মই এই লোকত কথা কম; কিন্তু তাক কৰিলেও সিবিলাকে মোৰ কথা নুশুনিব। ২২ এই হেতুকে অন্য ভাষা কোৱা, সেয়ে বিশ্বাস কৰাবিলাকৰ নিমিত্তে নহয়, অবিশ্বাসীবিলাকৰ নিমিত্তে চিন হয়; কিন্তু উপদেশ দিয়া, সেয়েই অবিশ্বাসীবি-

লাকৰ নিমিত্তে নহয়, বিশ্বাসী লোকৰ নিমিত্তে হয় । ২৩ আৰু মণ্ডলীৰ
সকলো লোক একে ঠাইতে গোট খাই আটাইবিলাকে যদি আন আন
ভাষাৰে কয়, তেন্তে নজনা বা অবিশ্বাসী কোনো লোক আহিলে তোমোলা-
কক বলিয়া নুবুলিব নে? ২৪ কিন্তু সকলোএ যেতিয়া উপদেশ দিএ, তেতিয়া
অবিশ্বাসী বা নজনা কোনোএ তোমোলাকৰ মাঝলৈ আহিলে, সি আটাইৰে
দ্বাৰাই প্ৰমাণ পাইছে, আটাইৰে দ্বাৰাই দুষী কৰা হৈছে, ২৫ আৰু তাৰ
মনৰ গুপুত কথাবিলাক প্ৰকাশ কৰা হোৱাত সি তললৈ মুকৈ পৰি ঈশ্বৰক
সেৱা কৰি, নিশ্চয়ে তোমোলাকৰ মাঝত ঈশ্বৰ আছে, এই কথা বুলিব ।
২৬ তেন্তে হে ভাইবিলাক, কি কৰিবলৈ আছে? যেতিয়া তোমোলাক
গোট খোৱা হয়, তেতিয়া তোমোলাকৰ মাঝত কোনোৰ গীত আছে, কো-
নোৰ উপদেশ, কোনোৰ আন ভাষাৰ কথা, কোনো জনৰ ভবিষ্যত বাক্য,
কোনোৰ অৰ্থ প্ৰকাশ কৰা কথা আছে; ধৰ্ম্মত বৃদ্ধি কৰিবৰ নিমিত্তে সক-
লো কৰ্ম্ম কৰা হওক । ২৭ কোনোএ যদি আন ভাষাৰে কয়, তেন্তে দুই
তিনি জনতকৈ অধিকে নকৈ ক্ৰমে ক্ৰমে বোলোক, আৰু এজনে তাৰ অৰ্থ
বুঝাই দিওক । ২৮ কিন্তু অৰ্থ বুঝাওঁতা যদি কোনো নাই, তেন্তে সি মণ্ড-
লীৰ মাঝত নিজম দি থাকি, ঈশ্বৰৰ আগত আপোনাৰ মনতে কথা কওক ।
২৯ আৰু উপদেশক দুই বা তিনি জনে কথা বোলোক, আৰু আনবিলাকে
বিবেচনা কৰোক । ৩০ কিন্তু ওচৰত বহি থকাবিলাকৰ কোনো জনত যদি
কিবা কথা প্ৰকাশ কৰা হয়, তেন্তে প্ৰথমে কোৱা জনে নিজম দি থাকোক;
৩১ কিয়নো আটাইবিলাকে শিক্ষা আৰু সান্তনা যেন পাই, এই নিমিত্তে
তোমোলাক সকলোএ এজন এজনকৈ উপদেশ দিব পাৰা । ৩২ উপদেশক-
বিলাকৰ আত্মা উপদেশকৰ অধীন হয় । ৩৩ আৰু পবিত্ৰ লোকৰ সকলো
মণ্ডলীৰ মাঝত ঈশ্বৰে উটাপুটি কৰাওঁতা নহৈ কুশল কৰাওঁতা হৈছে ।
৩৪ আৰু তোমোলাকৰ তিৰী লোক মণ্ডলীত নিজম দি থাকোক, কথা
প্ৰচাৰ কৰিবলৈ সিবিলাকলৈ নিষেধ; শাস্ত্ৰে কোৱাৰ দৰে সিবিলাক অধীন
হৈ থাকোক । ৩৫ কিন্তু যদি কিবা সুধিবৰ মন আছে, তেন্তে ঘৰতে আ-
পোনাৰ স্বামীত সোধোক; কিয়নো মণ্ডলীৰ মাঝত তিৰী লোকে কথা কোৱা
অনুচিত । ৩৬ ঈশ্বৰৰ কথা তোমোলাকৰ মাঝৰ পৰা ওলাইছিল নে? নাই-
বা অকল তোমোলাকৰ ওচৰলৈ গৈছিল নে? ৩৭ কোনোএ যদি আপো-
নাক উপদেশক বা পৰমাৰ্থিক বুলি মানে, তেন্তে মই তোমোলাকলৈ যি
কথা লিখিছোঁ, সেইবিলাক ঈশ্বৰৰ আজ্ঞা হয়, সি ইয়াকে সৈ কাৰ্হোক ।
৩৮ কিন্তু কোনো যদি অজ্ঞানী, সি অজ্ঞানী হৈ থাকোক । ৩৯ এই হেতু-
কে হে ভাইবিলাক, উপদেশ দিবলৈ উৎসাহী হবা; আৰু আন ভাষাৰে
কথা কবলৈ নিষেধ নকৰিবা । ৪০ সকলো কৰ্ম্ম শোভা ৰূপে আৰু ক্ৰমে-
ৰে কৰা হওক ।

## ১৫ অধ্যায় ।

হে ভাইবিলাক, যি শুভবাৰ্ত্তা মই তোমোলাকৰ আগত কীৰ্ত্তন কৰিলোঁ,
আৰু যিহকে গ্ৰহণ কৰি তোমোলাক ধৰ্ম্মত থিতি হৈছা, তাকে তোমোলা-
কত জনাইছোঁ । ২ সেই কীৰ্ত্তন কৰা কথা তোমোলাকে যদি ধৰি থাকা,
আৰু তোমোলাকৰ বিশ্বাস যদি বিফল নহয়, তেন্তে তাৰেই তোমোলাকৰ
পৰিত্ৰাণ হয় । ৩ কিয়নো মই যি যি উপদেশ পালোঁ, তাৰে এই প্ৰধান
উপদেশ তোমোলাকক দিলোঁ, খ্ৰীষ্টে আমাৰ পাপৰ নিমিত্তে শাস্ত্ৰত লিখাৰ
দৰে প্ৰাণ এৰিলে, আৰু মৈদামত থোৱা হল; ৪ পাছে শাস্ত্ৰত লিখাৰ দৰে
তিন দিনৰ দিনা আকও জীয়াই উঠি, প্ৰথমতে কৈফাৰ আগত, পাছে দহ
জন শিষ্যৰ আগত দেখা দিলে; ৫ তাৰ পাছে পাঁচশতকৈ অধিক ভাই-
বিলাকৰ আগতো একে সময়ত দৰ্শন দিলে; ৬ সিবিলাকৰ কোনো কোনো
নিদ্ৰিত হল, কিন্তু অধিক খনি এতিয়ালৈকে জীয়াই থাকিছে । ৭ পাছে
আৰু বাৰ য়াকোবত, আৰু তাৰ পাছে সকলো পাঁচনিত তেওঁ দেখা দিলে ।
৮ আটাইৰে শেষত অকালত জন্মাৰ নিচিনা যি মই, মোৰ আগতো দেখা
দিলে । ৯ কিন্তু মই ঈশ্বৰৰ মণ্ডলীৰ লোকক তাৰণা কৰা হেতুকে পাঁচনিবি-
লাকৰ মাঝত অতি সৰু, আৰু পাঁচনিৰ নাম পাবৰো যোগ্য নহওঁ । ১০ তথা-
পি মই যি হৈছোঁ, ঈশ্বৰৰ অনুগ্ৰহেৰেহে হৈছোঁ; আৰু মোক দিয়া তেওঁৰ
যি অনুগ্ৰহ, সি বিফল নহয় । কিয়নো মই সকলো পাঁচনিতকৈ অধিক
শ্ৰম কৰিলোঁ; কিন্তু ময়েই কৰিছিলোঁ, এনে নহয়; মোৰ সহায় হোৱা ঈশ্ব-
ৰৰ যি অনুগ্ৰহ, সেয়ে কৰিছিলে । ১১ এই হেতুকে মোৰ দ্বাৰাই হওক,
বা সিবিলাকৰ দ্বাৰাই হওক, সেই ৰূপে কথা কীৰ্ত্তন কৰা হৈছিল, তো-
মোলাকেও সেই ৰূপে বিশ্বাস কৰিলা ।

১২ খ্ৰীষ্টে মৰণৰ পৰা উঠিল, এই কথা যদি প্ৰচাৰ কৰা হৈছে, তেন্তে
মৃত্যু লোকৰ উঠান নহয়, তোমোলাকৰ মাঝত কোনো কোনোএ এই কথা
কেনেকৈ বোলে? ১৩ যদি মৃত্যু লোকৰ উঠান নহয়, তেন্তে খ্ৰীষ্টও উঠা
নাই; ১৪ আৰু খ্ৰীষ্ট উঠা নহলে, আমাৰ শুভবাৰ্ত্তা কীৰ্ত্তন কৰা অনৰ্থক,
তোমোলাকৰ বিশ্বাসো বিফল হয় । ১৫ তাত বাঝে আমিও ঈশ্বৰৰ কথাত
মিছা সাক্ষী পোৱা হৈছোঁ; কিয়নো তেওঁ খ্ৰীষ্টক তুলিলে, ঈশ্বৰৰ কথাত
এনে প্ৰমাণ দিলোঁ; ১৬ কিন্তু যদি মৰা লোকৰ উঠান নহয়, তেন্তে ঈশ্বৰে
তেওঁকো তোলা নাই । ১৭ আৰু যদি খ্ৰীষ্টক তোলা নাই, তেন্তে তোমোলা-
কৰ বিশ্বাস বিফল, এতিয়ালৈকো তোমোলাক পাপৰ ভাৰতহে আছা ।
১৮ আৰু যিবিলাকে খ্ৰীষ্টৰ আশ্ৰয়ত নিদ্ৰিত হৈ গল, সিবিলাকো বিনাশ
হল । ১৯ খ্ৰীষ্টত আমাৰ যি আশা, সেয়ে যদি অকল ইহকাললৈ হয়,
তেন্তে আমি সকলো মানুহতকৈ দুৰ্ভগীয়া হৈছোঁ ।

২০ কিন্তু এতিয়া খ্রীষ্টে মৰণৰ পৰা উঠি, নিদ্রিত হোৱা লোকৰ প্রথম
জন্মা ফল হৈছে। ২১ মনুষ্যৰ দ্বাৰাই মৰণ যেনেকৈ হৈছিল, তেনেকৈ মনু-
ষ্যৰ দ্বাৰাই মৃত্যু লোকৰ উঠানো হয়। ২২ আদমৰ দ্বাৰাই সকলো যেনে-
কৈ মৰণৰ অধীন হৈ আছে, সেই ৰূপে খ্রীষ্টৰ দ্বাৰাই সকলোকে জীওৱা
হব। ২৩ কিন্তু প্রতি জনে আপোনাৰ ক্রমে উঠে; প্রথম জন্মা ফল খ্রীষ্ট,
পাছে তেওঁ অহা কালত খ্রীষ্টত আশ্রয় কৰা লোক। ২৪ তাৰ পাছে তেওঁ
সকলো অধিকাৰ, সকলো শক্তি, আৰু পৰাক্রম বশ কৰা হৈ, যেতিয়া আ-
পোনাৰ পিতৃ ঈশ্বৰক ৰাজ্য সোধাই দিব, তেতিয়া শেষ হব। ২৫ কিয়নো
যেতিয়ালৈকে খ্রীষ্টে সকলো শত্রু আপোনাৰ চৰণৰ তলত বশ নকৰে, তে-
তিয়ালৈকে তেওঁ ৰাজ্য শাসন কৰিব। ২৬ পাছে শেষৰ শত্রু যি মৃত্যু,
তাকো বিনাশ কৰা হব। ২৭ কিয়নো তেওঁৰ চৰণৰ তলত ঈশ্বৰে সকলো-
কে বশ কৰিলে। সকলোকে তেওঁৰ তলত বশ কৰিলে, এই কথা কোৱাত,
যি জনে সকলোকে তেওঁৰ তলত বশ কৰিলে, সেই জনক সিবিলাকৰ মাঝত
লেখা নহয়, ইয়াকে প্রকাশ ৰূপে বুঝা যাই। ২৮ আৰু সকলোকে তেওঁৰ
অধীন কৰা হলত, তেতিয়া যি জনে সকলোকে পুত্রৰ বশ কৰিলে, পুত্র
আপুনিও তেওঁৰ অধীন হব, তাতে ঈশ্বৰ সকলতো সকলো হব। ২৯ আৰু
যদি মৃত্যু লোকৰ উঠান নাই, তেন্তে যিবিলাক মৃত্যু লোকলৈ বুৰ দিওৱা
হয়, সিবিলাকে কি কৰিব? আৰু মৃত্যু লোকলৈ সিবিলাক কিয় বুৰ দিওৱা
হৈছে? ৩০ আৰু আমিও কিয় ডাঁৰে ডাঁৰে প্রাণৰ সংশয়ত থাকি আছোঁ?
৩১ আমাৰ প্রভু য়ীশু খ্রীষ্টত তোমোলাকৰ নিমিত্তে মোৰ যি আনন্দ, তাৰেও
মই নিশ্চয়ে বোলোঁ, দিনে দিনে মৃত্যুৰ দুঃখ পাওঁ। ৩২ যদি মৃত্যু লোক
নুঠে, তেন্তে মই এফেচ নগৰত মানুহৰ দৰে বনৰীয়া জন্তুএ সৈতে যুদ্ধ কৰাত
মোৰ কি লাভ? আহাঁ, ভোজন পান কৰোঁহঁক, কাইলৈ মৰিম। ৩৩ তো-
মোলাক ভুল নহবা; দুষ্টৰ আলাপে সজ আচাৰ নষ্ট কৰে। ৩৪ ধর্ম্মলৈ
সাৰ পোৱা হৈ পাপ কর্ম্ম নকৰিবা; কিয়নো ঈশ্বৰৰ কথাত তোমোলাকৰ
কোনো কোনোৰ জ্ঞান নাই, এই কথা তোমোলাকৰ লাজলৈ কওঁ।

৩৫ কোনো মানুহে বুলিব, মৃত্যু লোকৰ উঠান কেনে ৰূপে হব? আৰু
সিবিলাক কেনে শৰীলেৰে বা আহিব? ৩৬ হে অজ্ঞানী, তুমি যি কঠিয়া বৈছা,
সি নমৰিলে নগজে; ৩৭ আৰু পাছে যি ডাল গা ওলাব, তাক তুমি বোৱা
নহয়; গোম হওক বা আন কোনো ধানেই হওক, গুটি মাথোন বৈছা;
৩৮ তাতে ঈশ্বৰে আপোনাৰ ইচ্ছাৰে গা দি, গুটিএ পতি আপোন আপোন
গাৰে ভুষিত কৰে। ৩৯ সকলো শৰীল একে ৰূপ শৰীল নহয়; মানুহৰ হওক,
বা পছুৰ, চৰাইৰ, বা মাছৰে হওক, বেলেগ বেলেগ ৰূপ শৰীল আছে।
৪০ আকাশত থকা বস্তু আৰু পৃথিবীতো থকা বস্তু আছে; কিন্তু স্বর্গত থকা
বস্তুৰ এক কান্তি, পৃথিবীত থকা বস্তুৰো আন ৰূপ কান্তি আছে। ৪১ সূর্য্যৰ

এবিধ কান্তি, চন্দ্ৰৰো এবিধ, তৰাবিলাকৰো এবিধ; আৰু তৰাবিলাকৰ মা-
ঝতো এক তৰাতকৈ আন তৰাৰ পৃথক কান্তি হয়। ৪২ সেই ৰূপে মৃত্যু
লোকৰ উঠানো হব। শৰীল বিনাশী হৈ বোৱা হয়, কিন্তু অবিনাশী হৈ
উঠে; ৪৩ অমৰ্য্যতা ৰূপে বোৱা হয়, মৰ্য্যতাৰে উঠে; দুৰ্ব্বলী হৈ বোৱা হয়,
বলৱন্ত হৈ উঠে; ৪৪ সংসাৰিক শৰীল বোৱা হৈছে; কিন্তু স্বৰ্গীয় শৰীল হৈ
উঠে। সংসাৰিক শৰীল আছে; স্বৰ্গীয় শৰীলো আছে; ৪৫ তাতে এই ৰূপ
লিখা আছে, প্ৰথম মানুহ আদমক জীয়া প্ৰাণী কৰা হৈছিল; কিন্তু শেষৰ
আদম জীৱন দিয়া স্বৰ্গীয় আত্মা হৈছে। ৪৬ তথাপি প্ৰথমতে স্বৰ্গীয় জন
নহয়, সংসাৰিক জন প্ৰথম হৈছিল; পাছেহে স্বৰ্গীয় জন। ৪৭ প্ৰথম মানুহ
সংসাৰৰ পৰা সংসাৰিক হৈছিল, দ্বিতীয় মানুহ স্বৰ্গৰ পৰা [প্ৰভু] হয়।
৪৮ সংসাৰিক জন যেনে হৈছিল, সংসাৰীবিলাকো তেনে হৈছে; স্বৰ্গীয় জন
যেনে, স্বৰ্গীয়বিলাকো তেনে হব। ৪৯ আৰু আমি যেনেকৈ সংসাৰিক মানু-
হৰ আকাৰেৰে যুগুত হলোঁ, সেই ৰূপে স্বৰ্গীয় জনৰো আকাৰেৰে যুগুত হম।
৫০ হে ভাইবিলাক, মই ইয়াকে তোমালোকত কৈছোঁ, মঙ্গহ তেজেৰে যুগুত
হোৱা মানুহে ঈশ্বৰৰ ৰাজ্যৰ ভাগী হব নোৱাৰে; বিনাশীটো অবিনা-
শৰ ভাগী হব নোৱাৰে। ৫১ দেখা, মই তোমালোকত এটা গোপনীয় কথা
বুঝাওঁ; আমি সকলোএ মহা নিদ্ৰা পোৱা নহম, কিন্তু যেতিয়া শেষৰ ভেঁৰীৰ
বাদ্য উঠিব, তেতিয়া একে তিলেকত চকুৰ প্ৰচাৰতে আন ৰূপ ধৰা হম।
৫২ কিয়নো ভেঁৰী বাজিব, আৰু মৃত্যু লোকবিলাক অবিনাশী হৈ উঠিব,
আৰু আমি আন ৰূপ ধৰা হম। ৫৩ এই বিনাশী শৰীল অবিনাশেৰে
ভূষিত হব, আৰু এই মৰ্ত্ত্য শৰীল অমৰণেৰে ভূষিত হব। ৫৪ এই হেতু-
কে যেতিয়া এই বিনাশী শৰীল অবিনাশেৰে ভূষিত হয়, আৰু এই মৰ্ত্ত্য
শৰীল যেতিয়া অমৰণেৰে ভূষিত হয়, তেতিয়া এই লিখা বচন সিদ্ধি হব,
যয়ে মৃত্যুক গিলি খোৱা হল। ৫৫ হে মৃত্যু, তোমাৰ হুল কত? হে মৈদাম,
তোমাৰ জয় কত? ৫৬ মৃত্যুৰ হুল পাপ, আৰু পাপৰ বল বিধান; ৫৭ কিন্তু
আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰে আমাক যে জয় কৰাই, তেওঁলৈ
ধন্যবাদ হওক। ৫৮ এই হেতুকে, হে মোৰ প্ৰিয় ভাই সকল, প্ৰভুৰ সেৱা-
তে তোমালোকৰ পৰিশ্ৰম বিফল নহয়, ইয়াকে জানি তোমালোকে থিৰ
আৰু অলৰ হৈ, প্ৰভুৰ কৰ্ম্মত সদাই উৎসাহী হৈ থাকিবা।

## ১৬ অধ্যায়।

গলাতীয়া দেশৰ মণ্ডলীবিলাকক পবিত্ৰ লোকৰ নিমিত্তে দান তোলা তুলি
কৰিবলৈ যেনেকৈ আজ্ঞা দিলোঁ, তেনেকৈ তোমালোকেও কৰিবা। ২ মই
অহা কালত যেন একো তোলা নহয়, এই নিমিত্তে তোমালোকৰ প্ৰতি জনে

আপোনাৰ লাভ পোৱাৰ দৰে ধন সাঁচি, সপ্তাহৰ প্ৰথম দিনা আপোনাৰ
ওচৰত কিছু কিছু ৰাখিবা । ৩ পাছে মই আহিলে যিবিলাকক পঠাবলৈ
তোমোলাকে উচিত দেখা, সিবিলাকক পত্ৰ দি সেই দান নিবৰ নিমিত্তে
যিৰুছালমলৈ পঠাই দিম । ৪ আৰু ময়ো তালৈ যাবলৈ যদি উচিত দেখা
যাই, তেন্তে সিবিলাক মোৰ লগতে যাব । ৫ মই মাকেদনিয়া দেশে দি
যাব লগা হৈছে; সেই দেশে দি যোৱাৰ পাছে তোমোলাকৰ ওচৰলৈ যাম ।
৬ তাতে তোমোলাকৰ লগত কিজানি কিছু দিন পলম কৰিম, বা জাৰ-
কালিৰ শেষলৈকো থাকিম; পাছে যলৈকে যাত্ৰা কৰোঁ, তলৈকে তোমো-
লাকে মোক আগ বঢ়াই থবা । ৭ এতিয়া বাটত যাওঁতে তোমোলাকক
দেখা পাবলৈ মন নকৰো; কিন্তু প্ৰভুএ যদি অনুমতি দিএ, পাছে তোমো-
লাকৰ লগত কিছু দিন থাকিবলৈ মোৰ আশা আছে । ৮ তথাপি পঞ্চাশ
দিনৰ পৰ্ব্বলৈকে মই এফেচ নগৰত থাকিম; ৯ কিয়নো কাৰ্য্য সিদ্ধি কৰাৰ
এখান বৰ দুৱাৰ মোলৈ মুকলি হৈছে; আৰু অনেক বিৰোধ কৰাবিলাকো
আছে ।

১০ তিমথি যদি তোমোলাকৰ ওচৰলৈ আহে, তেওঁ নিৰ্ভয়েৰে তোমোলা-
কৰ লগত যেন থাকে, এই কথালৈ মন কৰা; কিয়নো মই যেনেকৈ, তেৱো
তেনেকৈ প্ৰভুৰ কৰ্ম্মত যত্ন কৰি আছে । ১১ এই হেতুকে কোনেও তেওঁক
অনাদৰ নকৰোক; কিন্তু মোৰ কোষলৈ যেন আহে, তোমোলাকে তেওঁক
কুশলে আগ বঢ়াই দিবা; ভাইবিলাকৰ লগত তেওঁ অহালৈ মই বাট চাই
আছোঁ । ১২ আমাৰ ভাই আপলোৰ কথাত হলে, তোমোলাকৰ ওচৰলৈ
যাবলৈ তেওঁক ভালেমান মিনতি কৰিলোঁ, কিন্তু এতিয়া যাবলৈ তেওঁৰ কো-
নো ৰূপে ইচ্ছা নাই; তথাপি শুভকাল পালে তেওঁ যাব । ১৩ তোমোলা-
কে পৰ দি বিশ্বাসত থিৰ হোৱা; পুৰুষালী গুণেৰে প্ৰবৰ্ত্তি বলৱন্ত হোৱা ।
১৪ আৰু তোমোলাকৰ সকলো কৰ্ম্ম প্ৰেমেৰে কৰা হওক ।

১৫ হে ভাইবিলাক, স্তিফানাৰ পৰীয়াল আখায়া দেশৰ প্ৰথম ফল হয়,
আৰু সিবিলাকে পবিত্ৰ লোকৰ সেৱাত মন দি থাকে, ইয়াক তোমোলাকে
জানা । ১৬ এই হেতুকে তোমোলাকে এনেকুৱা মানুহৰ, আৰু আমাৰ
সহায় হৈ লগত শ্ৰম কৰা সকলোবিলাকৰো বশ হোৱা, মই মিনতি কৰিছোঁ ।
১৭ স্তিফানা আৰু ফৰ্ত্তুনাত আৰু আখাইক ইয়ালৈ অহাত, মোৰ আনন্দ
হৈছে; কিয়নো তোমোলাকৰ যি টুটা আছিল, তাকে সিবিলাকে সম্পূৰ্ণ
কৰিলে । ১৮ সিবিলাকে মোৰ আৰু তোমোলাকৰো মন সন্তোষ কৰিলে;
এই হেতুকে তোমোলাকে এনেকুৱা লোকক সন্মান কৰিবা ।

১৯ আচিয়া দেশৰ মণ্ডলীবিলাকে তোমোলাকক নমস্কাৰ কৰে । আকুলা
আৰু প্ৰিস্কিলা আৰু সিবিলাকৰ ঘৰত থকা মণ্ডলীএ প্ৰভুত আশ্ৰয় লোৱা
তোমোলাকত বহু নমস্কাৰ জনাইছে । ২০ সকলো ভাইবিলাকে তোমোলাকক

নমস্কাৰ কৰিছে। পবিত্ৰ চুমাৰেই তোমোলাক ইজনে সিজনে নমস্কাৰ কৰা।
২১ মই পৌলে আপোন হাতেৰে লিখি নমস্কাৰ জনাইছোঁ। ২২ কোনোএ
যদি প্ৰভু য়ীশু খ্ৰীষ্টক প্ৰেম নকৰে, সেই মানুহ শাও পোৱা হওক; প্ৰভু
আহিছে। ২৩ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমোলাকে সৈতে থা-
কোক। ২৪ য়ীশু খ্ৰীষ্টত আশ্ৰয় কৰা তোমোলাকৰ লগত মোৰ প্ৰেম থা-
কোক। [আমেন।]

# কৰিন্থীবিলাকলৈ পৌলে লিখা দ্বিতীয় পত্ৰ।

## ১ অধ্যায়।

ঈশ্বৰৰ ইচ্ছাৰে য়ীশু খ্ৰীষ্টৰ পাঁচনি পৌল আৰু ভাই তিম-
থি, এই দুয়ো কৰিন্থ নগৰত থকা ঈশ্বৰৰ মণ্ডলীলৈ,
আৰু আখায়া দেশত থকা সকলো পবিত্ৰ লোকলৈকো পত্ৰ লিখিছে।
২ তোমোলাকলৈ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু
কুশল হওক।

৩ দায়া কৰা পিতৃ আৰু সকলো সান্তনা দিয়া যি ঈশ্বৰ, অৰ্থাৎ আমাৰ
প্ৰভু য়ীশু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰ, তেওঁ ধন্য হওক। ৪ আৰু আমি ঈশ্বৰৰ
পৰা যি সান্তনা পোৱা হওঁ, সেই সান্তনাৰে দুঃখত পৰাবিলাককো যেন
শান্ত কৰিব পাৰোঁ, এই নিমিত্তে আমাৰ সকলো দুখত তেওঁ আমাক সান্ত-
না কৰিছে। ৫ যেনেকৈ খ্ৰীষ্টৰ দুঃখ অধিককৈ আমাত ঘটে, তেনেকৈ
খ্ৰীষ্টৰ দ্বাৰাই আমাৰ সান্তনাও অধিক হয়। ৬ এই হেতুকে আমি যদি
দুঃখ পোৱা হওঁ, তোমোলাকেও তেনে দুঃখ সহিবলৈ যেন সমৰ্থ হোৱা,
তোমোলাকৰ সান্তনা আৰু পৰিত্ৰাণৰ নিমিত্তে আমাৰ সেই দুঃখ পোৱা
হয়; নাইবা যদি সান্তনা পাওঁ, সিও তোমোলাকৰ সান্তনা আৰু পৰিত্ৰাণ
হোৱাৰ নিমিত্তে হয়। ৭ আৰু তোমোলাক যেনেকৈ দুঃখৰ ভাগী হৈছা
তেনেকৈ সান্তনাৰো ভাগী হবা, ইয়াকে জানি তোমোলাকৰ অৰ্থে আমাৰ
আশা থিৰ হৈছে। ৮ হে ভাইবিলাক, আচিয়া দেশত জীৱনৰ আশা নথকা-
লৈকে আমাৰ শক্তিৰ বাহিৰে আৰু অপৰিমাণ ৰূপে যি দুঃখৰ ভাৰ আ-
মাৰ ওপৰত পৰিল, তোমোলাকে তাক নেজানি থকা আমাৰ ইচ্ছা নাই।
৯ কিন্তু আমি আপোনাত ভাৰসা নকৰি মৃত্যু লোকক তোলোঁতা ঈশ্ব-
ৰত যেন ভাৰসা কৰোঁ, এই নিমিত্তে আমি আপোনাতে মৃত্যুৰ দণ্ড আজ্ঞা
পোৱা হলোঁ। ১০ এইমান ঘোৰ মৰণৰ পৰা যি জনে আমাক ৰক্ষা

কৰিলে, এতিয়াও কৰিছে, তেওঁ যে ইয়াৰ পৰাও আমাক ৰক্ষা কৰিব,
আমাৰ এনে বিশ্বাস আছে । ১১ কিন্তু অনেকৰ প্ৰাৰ্থনাৰ দ্বাৰাই আ-
মাক দিয়া যি অনুগ্ৰহ, তাৰ কাৰণে অনেক লোকে আমাৰ অৰ্থে যেন
ঈশ্বৰক ধন্যবাদ কৰে, এই নিমিত্তে তোমোলাকে প্ৰাৰ্থনাত সহায় হৈ আ-
মাৰ উপকাৰ কৰা ।

১২ আৰু সংসাৰিক বুদ্ধিয়েৰে নহয়, কিন্তু ঈশ্বৰৰ অনুগ্ৰহেৰে জগতৰ
লোকলৈ, আৰু বিশেষকৈ তোমোলাকলৈ সৰল ৰূপে ঈশ্বৰৰ আগত অক-
পট আচৰণ কৰি আছিলোঁ, এই কথাত আমাৰ দোষাদোষ জ্ঞানেই আ-
মাৰ সাক্ষী আছে, এয়েই আমাৰ আনন্দৰ কাৰণ হয় । ১৩ আৰু যি যি
কথা তোমোলাকে পৰ্হিছা, সৈয়ো কাৰ্হিছা, আৰু শেষলৈকো সৈ কাৰ্হিবা
বুলি মই আশা কৰিছোঁ, সেইবিলাকৰ বাহিৰে আমি আৰু একো কথা
নিলিখোঁ । ১৪ আৰু প্ৰভু য়ীশুৰ দিনা যেনেকৈ তোমোলাক আমাৰ আনন্দ
হবা, তেনেকৈ আমিও তোমোলাকৰ আনন্দ হৈছোঁ, তাকে তোমোলাকে আ-
মাৰ অৰ্থে ভাগৰ ক্ৰমে সৈ কাৰ্হিলা । ১৫ আৰু এনে বিশ্বাস কৰি তোমো-
লাকৰ দ্বিতীয় মঙ্গলৰ নিমিত্তে আগেএ তোমোলাকৰ ওচৰলৈ গৈ, তোমো-
লাকৰ সেই পোনেদিএই মাকেদনিয়া দেশলৈ যাবলৈ, ১৬ আৰু পাছে মাকে-
দনিয়াৰ পৰা তোমোলাকলৈ উভতি আহি য়িহুদাৰ বাটে তোমোলাকৰ
দ্বাৰাই আগ বৰ্হাই থোৱা হবলৈ মন কৰিছিলোঁ । ১৭ এনে মন কৰাত
মই লৰচৰ কৰিলোঁ নে? নাইবা মোৰ কথা হয় হয়, পাছে নহয় নহয়
হবৰ নিমিত্তে মই যি ঠাৱৰ কৰোঁ, তাকে সংসাৰিক মতে ঠাৱৰ কৰিছোঁ
নে? ১৮ কিন্তু ঈশ্বৰ যেনেকৈ বিশ্বাসী, সেই ৰূপে তোমোলাকলৈ আমাৰ
কথা হয় আৰু নহয় নাইকিছিল । ১৯ কিয়নো আমাৰ দ্বাৰাই, অৰ্থাৎ
মোৰ আৰু চিলাৰ আৰু তিমথিৰ দ্বাৰাই তোমোলাকৰ আগত যি জনাক
কীৰ্ত্তন কৰা হৈছিল, ঈশ্বৰৰ সেই পুত্ৰ য়ীশু খ্ৰীষ্টৰ কথাত হয় আৰু নহয়
নাছিল; কিন্তু তেওঁত নিশ্চয়কৈ হয় আছিল । ২০ কিয়নো আমাৰ দ্বাৰাই
ঈশ্বৰৰ মহিমা যেন প্ৰকাশ হয়, এই নিমিত্তে ঈশ্বৰৰ যেতেক প্ৰতিজ্ঞাৰ
কথা হয়, সেই সকলো কথা তেওঁত হয় আৰু সত্য হৈ আছে । ২১ যি
জনাই তোমোলাকক আৰু আমাকো অভিষেক কৰি খ্ৰীষ্টত থিৰ কৰিছে,
তেওঁ ঈশ্বৰ; ২২ তেৰেঁই আমাৰ হৃদয়তো বইনা ৰূপে পবিত্ৰ আত্মা দি আ-
মাক মোহৰ মাৰিলে ।

২৩ তোমোলাকক দায়া কৰিএই মই এতিয়ালৈকে কৰিন্থলৈ যোৱা নাই,
মোৰ প্ৰাণৰ ওপৰত ঈশ্বৰকহে এই কথাৰ সাক্ষী লৈছোঁ । ২৪ আমি তো-
মোলাকৰ বিশ্বাসৰ ওপৰত অধিকাৰ হৈছোঁ, এনে নহয়, কিন্তু তোমো-
লাকৰ আনন্দৰহে সহায় হৈছোঁ; কিয়নো বিশ্বাসৰ দ্বাৰাই তোমোলাক
থিতি হৈছা ।

## ২ অধ্যায় ।

আৰু খেদ কৰাৰৰ নিমিত্তে তোমোলাকৰ ওচৰলৈ আকও নেযাম, ইয়া-
কে মই মনত নিশ্চয় কৰিলোঁ । ২ কিয়নো মই যদি তোমোলাকৰ খেদ
কৰাওঁ, তেন্তে যি জনে মোৰ দ্বাৰাই খেদ পোৱা হয়, তাৰ বাহিৰে কোনে
মোৰ আনন্দ কৰাব পাৰে? ৩ মোৰ আনন্দত তোমোলাক সকলোৰে আ-
নন্দ হয়, তোমোলাকত এই বিশ্বাস কৰি, মই অহা কালত যিবিলাকৰ পৰা
আনন্দ পাব লগা, সিবিলাকৰ পৰা খেদ যেন নেপাওঁ, এই নিমিত্তে তোমো-
লাকলৈ সেই পত্র লিখিছিলোঁ । ৪ তোমোলাকে দুঃখ পাবৰ নিমিত্তে এনে
নহয়, কিন্তু তোমোলাকলৈ মোৰ যি অধিক প্রীতি, তাকে যেন তোমোলা-
কে জানা, এই নিমিত্তে অতি দুঃখ আৰু মনৰ খেদ হৈ অনেক চকুৰ লো-
এৰে তোমোলাকলৈ পত্র লিখিলোঁ । ৫ কিন্তু যদি কোনোএ দুঃখ দিলে,
সি অকল মোক দিলে, এনে নহয়, ভাগৰ ক্রমে তোমোলাক সকলোকে
দুঃখ দিলে; তোমোলাকক অতি দুখী কৰিবৰ মোৰ ইচ্ছা নাই । ৬ এনে
মানুহলৈ অনেক লোকে দিয়া যি দণ্ড, সেয়েই তালৈ আঁটিব । ৭ এতেকে সি
অতি খেদেৰে মগ্ন যেন নহয়, এই নিমিত্তে তাতকৈ তোমোলাকে তাক খেমা
আৰু সান্ত্বনা কৰিব লগা হয় । ৮ এই কাৰণে তোমোলাকত মিনতি কৰি-
ছোঁ, সেই মানুহলৈ তোমোলাকৰ প্রীতি থিৰ কৰিবা । ৯ আৰু সকলো কথাত
তোমোলাকে আজ্ঞা মনা হোৱা নে, নোহোৱা, ইয়াৰ প্রমাণ পাবৰ নিমিত্তে
তোমোলাকলৈ পত্র লিখিলোঁ । ১০ তোমোলাকে যাৰ যি দোষ খেমা কৰা,
তাকময়ো খেমা কৰোঁ; কিয়নো আমি ছয়তানৰ ভাণ্ডনা নজনা নহওঁ,
এতেকে সি জেন আমাৰ ওপৰত ছল নেপাই, এই কাৰণে যাৰ যি দোষ
ক্ষমা কৰোঁ, ১১ খ্রীষ্টৰ প্রতিনিধি হৈ তোমোলাকৰ নিমিত্তেই তাক কৰোঁ ।
১২ আৰু খ্রীষ্টৰ শুভবাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ মই ত্রোৱা নগৰলৈ আহি-
লত, প্রভুত মোলৈ দুৱাৰ মুকলি হোৱাতো, ১৩ মোৰ ভাই তিতক দেখা
নোপোৱাত মোৰ মনত একো সন্তোষ নেপালোঁ; তাতে সিবিলাকক বিদায়
কৰি সেই ঠাইৰ পৰা মাকেদনিয়া দেশলৈ গলোঁ । ১৪ যি জনাই সৰ্ব্বদায়
খ্রীষ্টৰ দ্বাৰাই আমাক জয়যুক্ত কৰিছে, আৰু আমাৰ দ্বাৰাই তেওঁৰ জ্ঞানৰ
সুগন্ধ সকলো ঠাইত প্রকাশ কৰিছে, সেই ঈশ্বৰৰ গুণ কীৰ্ত্তন হওক ।
১৫ কিয়নো পৰিত্রাণ পোৱাবিলাক, পৰিত্রাণ নোপোৱাবিলাক, এই দুইতো
আমি ঈশ্বৰৰ সম্বন্ধে খ্রীষ্টৰ সুগন্ধ হৈছোঁ । ১৬ ইবিলাকলৈ মৃত্যুৰ নিমিত্তে
মৃত্যুৰ গন্ধ হওঁ; সিবিলাকলৈ জীৱনৰ নিমিত্তে জীৱনৰ গন্ধ হওঁ । আৰু
এনে কৰ্ম্ম কৰিবলৈ কাৰ সাধ্য আছে? ১৭ যি অনেক মানুহে ঈশ্বৰৰ
বাক্যত ভাঁজ দিএ, আমি সিহঁতৰ দৰে নহওঁ; কিন্তু আমি ঈশ্বৰে দেখাতে
ঈশ্বৰৰ আজ্ঞাৰ দৰে অকপট মনেৰে খ্রীষ্টৰ কথা প্রচাৰ কৰোঁ ।

## ৩ অধ্যায়।

আমি আপোন প্ৰশংসা কৰিবলৈ আকও আৰম্ভণ কৰিম নে? নাইবা আ-
নৰ নিচিনাকৈ তোমোলাকলৈ বা তোমোলাকৰ পৰা সুখ্যাতি পত্ৰ পাব-
লৈ আমাৰ প্ৰয়োজন আছে নে? আমাৰ মনত লিখা আৰু সকলো
মানুহে জনা পৰ্হা আমাৰ পত্ৰ তোমোলাকেই হৈছা। ৩ সেই পত্ৰ মহি-
ৰে লিখা, এনে নহয়, অমৰ ঈশ্বৰৰ আত্মাৰ দ্বাৰাইহে লিখা হৈছে;
শিলৰ ফলিতো নহয়, কিন্তু মঙ্গহ ৰূপ ফলি যি হৃদয়, তাত লিখা হৈ,
আমাৰ দ্বাৰাই অৰ্জা খ্ৰীষ্টৰ পত্ৰ সকলোৰে আগত প্ৰকাশ কৰা হৈছে।
৪ খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰলৈ আমাৰ এনে বিশ্বাস আছে; ৫ আমি যে আ-
পোনাৰ শক্তিয়েৰে কোনো ভাবনা কৰিব পাৰোঁ, আমি এনে সমৰ্থ নহওঁ,
কিন্তু ঈশ্বৰৰ পৰাহে আমাৰ সমৰ্থ হৈছে। ৬ তেওঁ আমাক শক্তি দি নতুন
নিয়মৰ সেৱক কৰিলে; আখৰেৰে লিখা বিধানৰ সেৱক নহয়, আত্মাৰ
সেৱক কৰিলে; কিয়নো আখৰৰ বিধানে মৃত্যু দণ্ড কৰে; কিন্তু আত্মাই
হলে জীৱন দিএ। ৭ মোচাৰ বদনৰ গুছিব লগা যি কান্তি, সেই কান্তিৰ
নিমিত্তে ইস্রায়েলৰ বঙ্গহৰ লোকে তেওঁৰ মুখ একে ঠৰে যেন চাব নোৱাৰে,
শিলত লিখা আৰু কটা মৃত্যু জন্মোৱা বিধান, তাৰ সেৱা যদি এনে প্ৰভাৱেৰে
যুগুত হৈছিল, ৮ তেন্তে আত্মাৰ যি সেৱা, সি তাত্‌কৈয়ো কেনে অধিক
প্ৰভাৱেৰে যুগুত হব! ৯ দণ্ড আজ্ঞাৰ সেৱা যদি প্ৰভাওযুক্ত হয়, পুণ্য কৰ
সেৱা তাত্‌কৈয়ো অধিক প্ৰভাওযুক্ত হয়। ১০ যিহক প্ৰভাওযুক্ত কৰা হৈছিল,
তাক অধিক প্ৰভাওযুক্ত সেৱাৰে সৈতে তুল্য কৰাত, তাৰ প্ৰভাও নাইকিয়া
হল। ১১ লোপ হোৱাটো যদি প্ৰভাৱেৰে যুগুত হৈছিল, তেন্তে লোপ
নোহোৱাটো তাত্‌কৈ অধিক প্ৰভাৱেৰে যুগুত হয়।

১২ আমাৰ এনে আশা হোৱাত আমি অতি সাহেৰে কথা কৈছোঁ।
১৩ ইস্রায়েল লোকে সেই গুছিব লগা প্ৰভাৱৰ শেষলৈকে সম্পূৰ্ণ ৰূপে যেন
দেখিবলৈ নেপাই, এই নিমিত্তে মোচাই যেনেকৈ আপোনাৰ মুখত ওৰণি
ললে, আমি তেনেকৈ নকৰোঁ। ১৪ কিন্তু সিবিলাকৰ মন এন্ধাৰ হল; কিয়-
নো পুৰণি নিয়মৰ পুথী পৰ্হোঁতে আজিলৈকে সেই ওৰণি নুগুছুৱা হৈ আছে।
১৫ খ্ৰীষ্টৰ দ্বাৰাই তাক গুছুৱা হৈছে; তথাপি এতিয়ালৈকে মোচাৰ পুথী
পৰ্হাত সেই ওৰণিএ সিবিলাকৰ মন ঢাকিছে। ১৬ কিন্তু প্ৰভুলৈ যে-
তিয়া মন পালটাই, তেতিয়া, সেই ওৰণি গুছুৱা হব; ১৭ কিয়নো প্ৰভুএই
আত্মা, আৰু প্ৰভুৰ আত্মা যতে আছে, ততে মুক্তিও হৈছে। ১৮ আৰু
আমি সকলোএ মুকলি মুখেৰে আৰ্ছিত দেখাৰ দৰে প্ৰভুৰ প্ৰভাও দেখা
পাই, প্ৰভুৰ আত্মাৰ দ্বাৰাই প্ৰভাৱৰ পৰা প্ৰভাৱলৈ একে মূৰ্ত্তি হৈ সল-
নি কৰা হৈছোঁ।

## ৪ অধ্যায়।

এয়েৰেই আমি কৃপা পোৱা হৈ এই সেৱকৰ বাব পোৱাত শ্ৰান্ত নহওঁ;
২ কিন্তু লাজৰ গুপুত কথা ত্যাগ কৰি, ভাণ্ডনা নাচৰি আৰু ঈশ্বৰৰ বাক্যত
ভাঁজ নিদি, ঈশ্বৰৰ সাক্ষাতে সত্য কথা প্ৰকাশ কৰি, সকলো মানুহৰ
দোষাদোষ জ্ঞানলৈ আপোনাক নিৰ্দ্দুষী দেখাওঁ। ৩ আমাৰ শুভবাৰ্ত্তা
যদি গুপুত হৈ থাকে, তেন্তে বিনাশৰ পাত্ৰবিলাকলৈহে গুপুত হৈ থাকে,
ঈশ্বৰৰ প্ৰতিমূৰ্ত্তি যি খ্ৰীষ্ট, তেওঁৰ মহিমাযুক্ত শুভবাৰ্ত্তাৰ পহৰ যেন দেখা
নেযাই, ৪ সেই নিমিত্তে এই জগতৰ অধিকাৰে এনে অবিশ্বাসীবিলাকৰ জ্ঞান
চকু এন্ধাৰ কৰিছে। ৫ আমি আপোনাৰ প্ৰসঙ্গৰ কথা কীৰ্ত্তন নকৰোঁ,
কিন্তু য়ীশু খ্ৰীষ্ট যে প্ৰভু, আৰু আমি য়ীশুৰ নিমিত্তে তোমোলাকৰ সেৱক,
এই কথাহে কীৰ্ত্তন কৰোঁ। ৬ কিয়নো যি ঈশ্বৰে এন্ধাৰৰ মাজৰ পৰা
পহৰ প্ৰকাশ হবলৈ আজ্ঞা দিলে, য়ীশু খ্ৰীষ্টৰ মুখত প্ৰকাশ হোৱা
ঈশ্বৰৰ মহিমাৰ জ্ঞান হবৰ নিমিত্তে তেওঁ আমাৰ মনত পহৰ প্ৰকাশ
কৰিলে।

৭ আৰু মহিমাৰ শক্তি আমাৰ পৰা নহৈ, ঈশ্বৰৰ পৰা হোৱা যেন বুঝা
যাই, এই নিমিত্তে মাটীৰ পাত্ৰ যি আমি, আমাৰ মাঝত এই সেৱাৰ
মূল্য পালোঁ। ৮ আমি সকলো পোনে দুঃখ পোৱা হৈয়ো ব্যাকুল নহওঁ;
উপায় নাইকিয়া হৈয়ো নিৰশা নহওঁ; ৯ তাৰণা পায়ো অনাথ নহওঁ;
তললৈ পেলোৱা হলেও বিনাশ নহওঁ। ১০ য়ীশুৰ জীৱন আমাৰ শৰীলত
যেন প্ৰকাশ কৰা যাই, এই নিমিত্তে আমি সদাই শৰীলত [প্ৰভু] য়ীশুৰ
মৃত্যু ভোগ কৰি ফুৰিছোঁ। ১১ কিয়নো আমাৰ মৰ্ত্ত্য দেহত য়ীশুৰ জীৱন
যেন প্ৰকাশ কৰা হয়, এই নিমিত্তে জীয়াই থকা যি আমি, আমাক সদাই
মৰণৰ মুখত দিয়া হৈছোঁ। ১২ এই ৰূপে আমাৰ মাঝত মৃত্যু সিদ্ধি কৰা
হৈছে, কিন্তু তোমোলাকৰ মাঝত জীৱন সিদ্ধি হৈছে।

১৩ মই বিশ্বাস কৰিলোঁ, এই হেতুকে কথা কলোঁ, এনে যি বচন লিখা
আছে, তাৰ দৰে আমিও বিশ্বাস কৰোৱা সেই আত্মা পাই বিশ্বাস কৰা
হেতুকে কথা কৈছোঁ। ১৪ যি জনে প্ৰভু য়ীশুক তুলিলে, তেৱেঁই খ্ৰীষ্টৰ
দ্বাৰাই আমাকো তুলি তোমোলাকে সৈতে আপোনাৰ আগত থিতি কৰিব,
ইয়াক আমি জানোঁ। ১৫ অনেক লোকে গুণ কীৰ্ত্তন কৰাত ঈশ্বৰৰ
অধিক অনুগ্ৰহৰ দ্বাৰাই তেওঁৰ মহিমা যেন বহুল ৰূপে প্ৰকাশ হয়, এই
নিমিত্তে সকলো কাৰ্য্য তোমোলাকৰ হিতলৈ হৈছে। ১৬ এই হেতুকে
আমি শ্ৰান্ত নহওঁ; কিন্তু আমাৰ বাঝৰ পুৰুষ নষ্ট হৈ গলেও, আমাৰ
ভিতৰৰ পুৰুষে দিনে দিনে শক্তি পোৱা হৈছে। ১৭ যি বস্তু দেখা যাই,
সেয়ে অলপ কালৰ; কিন্তু যি বস্তু অদৃশ্য, সেয়ে অনন্ত কালৰ; ১৮ এই

হেতুকে দৃশ্য বস্তলৈ নেচাই অদৃশ্য বস্তলৈ চাই থাকোঁতে, এখন্তক মা-
থোন থকা আমাৰ যি অলপ দুঃখ, সেয়ে তাতকৈ অতি অধিক আৰু
গধুৰ হোৱা অনন্ত সুখ আমালৈ সিদ্ধি কৰিছে ।

## ৫ অধ্যায় ।

তাম্বু ৰূপ আমাৰ এই সংসাৰিক ঘৰ ভগন হলেও, হাতেৰে নসজা ঈশ্বৰে
নির্ম্মাণ কৰা আমাৰ এক অনন্ত ঘৰ স্বৰ্গত আছে, ইয়াক আমি জানোঁ ।
২ এই ঘৰত থাকোঁতে আমাৰ সেই স্বৰ্গৰ ঘৰেৰে যুগুত হবলৈ বৰকৈ ইচ্ছা
কৰি আমি কেঁকাই আছোঁ; ৩ কিয়নো তাৰে যুগুত হলে আমি বিবস্ত্ৰ
নহম । ৪ আমি এই তাম্বুত থাকি, ভাৰৰ ভৰত দুঃখ পাই কেঁকাই
আছোঁ; বিবস্ত্ৰ হবলৈ ইচ্ছা কৰোঁ, এনে নহয়, কিন্তু পৰম জীৱনেৰে মৰ-
ণক যেন গিলি খোৱা হয় এই নিমিত্তে বস্ত্ৰেৰে ভূষিত হবলৈ ইচ্ছা কৰোঁ ।
৫ আৰু এনে গতি পাবলৈ আমাক নিৰূপণ কৰা যি জনা তেওঁ ঈশ্বৰ,
আৰু তেৰেঁ বইনা ৰূপে আপোনাৰ আত্মাও আমাক দিলে ।
৬ এই হেতুকে আমি সদাই সাহিয়াল হৈ আছোঁ, আৰু এই শৰীলত
যিমান দিন নিবাস কৰো, তিমান দিন প্ৰভুৰ পৰা আঁতৰ হৈছোঁ, ইয়াকে
জানি, ৭ দৃষ্টিৰে আচৰণ নকৰি বিশ্বাসেৰে আচৰণ কৰোঁ । ৮ শৰীলৰ
পৰা আঁতৰ হৈ প্ৰভুৰ ওচৰ হবলৈ আমি ইচ্ছা কৰি সাহিয়াল হৈছোঁ ।
৯ এই হেতুকে আঁতৰ হওক বা ওচৰ হওক, তেওঁৰ আগত গ্ৰাহ্য হবৰ নি-
মিত্তে আমি যত্ন কৰি আছোঁ । ১০ কিয়নো আমি কৰা কৰ্ম্ম, ভাল হওক
বা বেয়া হওক, তাৰ দৰে প্ৰতি জনে শৰীলত কৰা কৰ্ম্মৰ ফল পাবৰ নি-
মিত্তে আমি সকলোএ খ্ৰীষ্টৰ সোধ আসনৰ আগত দেখা দিব লাগিব ।
১১ এই হেতুকে প্ৰভুৰ ভয় জানি আমি মানুহক প্ৰবৰ্ত্তাইছোঁ । তাতে আমি
ঈশ্বৰৰ আগত প্ৰকাশ হৈ আছোঁ, তোমোলাকৰ বিবেচনাতো প্ৰকাশিত
আছোঁ, ইয়াক মই বুঝিছোঁ । ১২ তোমোলাকলৈ আমি আকও আপো-
নাৰ প্ৰশংসা কৰিছোঁ, এনে নহয়; কিন্তু যিবিলাকে মনৰ কথা নোহোৱা-
কৈ দৃষ্টিৰ কথাত আপোনাৰ প্ৰশংসা কৰে, সিবিলাকক উত্তৰ দিবৰ নি-
মিত্তে তোমোলাকে আমাৰ অৰ্থে প্ৰশংসা কৰিবলৈ যেন পোৱা, এনে উপায়
দিছোঁ । ১৩ আমি যদি বিজ্ঞান হওঁ, সেয়ে ঈশ্বৰৰ নিমিত্তে; যদি জ্ঞানী
হওঁ, তোমোলাকৰ নিমিত্তেহে হৈছোঁ । ১৪ খ্ৰীষ্টৰ প্ৰেমে আমাক আকৰ্ষণ
কৰিছে; কিয়নো সকলোৰে সলনি এজন যদি মৰিল, তেন্তে সকলো মৰিল,
ইয়াক আমি বুঝোঁ; ১৫ আৰু যিবিলাকে জীৱন পাই, সিবিলাকে আপো-
নাৰ নিমিত্তে যেন নিজীএ, কিন্তু যি জনে সিবিলাকৰ অৰ্থে মৰিও আকও
উঠিল, তেওঁৰ নিমিত্তেহে যেন জীএ, এই কাৰণে তেওঁ সকলোৰে অৰ্থে প্ৰাণ

এৰিলে। ১৬ এই হেতুকে এতিয়াৰ পৰা শৰীলৰ সম্বন্ধে আমি কাকো
নেজানোঁ; আৰু আগেয়ে খ্ৰীষ্টক শৰীলৰ সম্বন্ধে জানিলেও, এতিয়াৰ
পৰা সেই ৰূপে তেওঁকো নেজানোঁ। ১৭ এই হেতুকে কোনোএ যদি খ্ৰীষ্টৰ
আশ্ৰয়ত আছে, সি নতুন সৃষ্টি হয়; তাৰ পুৰণি কথাবোৰ গুছিল; দেখা,
সকলো নতুন হল। ১৮ কিন্তু য়ীশু খ্ৰীষ্টৰ দ্বাৰাই আপোনাৰে সৈতে আ-
মাক মিল কৰি, সেই মিলনৰ কীৰ্ত্তন কৰাৰ ভাৰ আমাক দিলে যি ঈশ্বৰে,
তেওঁৰ পৰা সকলো কথা সিদ্ধি হৈছে। ১৯ সেই মিলনৰ কথা এই, জগতৰ
লোকৰ অপৰাধ নিলিখি, ঈশ্বৰে খ্ৰীষ্টৰ দ্বাৰাই আপোনাৰে সৈতে সি-
বিলাকৰ মিলন কৰিছে; এই মিলনৰ কথা আমাক সোধাই দিলে। ২০ এই
ৰূপে আমি খ্ৰীষ্টৰ অৰ্থে পাঁচনি হৈ, আমাৰ দ্বাৰাই ঈশ্বৰে তোমোলাকক
মিনতি কৰাৰ দৰে আমি খ্ৰীষ্টৰ সলনি ৰূপে তোমোলাক ঈশ্বৰে সৈতে যেন
মিল হোৱা, তোমোলাকত এই প্ৰাৰ্থনা কৰিছোঁ। ২১ কিয়নো আমি খ্ৰীষ্টৰ
দ্বাৰাই যেন ঈশ্বৰৰ পুণ্য হওঁ, এই নিমিত্তে যি জনে কোনো পাপ কৰাই
নাই, ঈশ্বৰে তেওঁকে আমাৰ অৰ্থে পাপ বুলি মানিলে।

## ৬ অধ্যায়।

তোমোলাকে ঈশ্বৰৰ অনুগ্ৰহ বিফল ৰূপে লোৱা নহবা, আমি খ্ৰীষ্টৰ সহায়
হৈ তোমোলাকত এই মিনতি কৰিছো। ২ তেওঁ কৈছে, মই শুভ কালত
তোমাৰ প্ৰাৰ্থনা শুনিলোঁ; পৰিত্ৰাণৰ দিনা তোমাক উপকাৰ কৰিলোঁ।
দেখা, এতিয়া গ্ৰাহ্য কাল, দেখা, এতিয়া পৰিত্ৰাণৰ দিন হৈছে। ৩ এই
সেৱাৰ ভাৰৰ একো দোষ যেন দিয়া নহয়, এই নিমিত্তে আমি কোনো
কথাত বিঘিনি নকৰোঁহঁক; ৪ কিন্তু অনেক প্ৰকাৰ সহন, দুখ, দৰিদ্ৰ,
ক্লেশ, ৫ কোবোৱা, বন্দীশালত থোৱা, হুৰামুৰা, পৰিশ্ৰম, পৰদিয়া, লঘোন,
এইবিলাক ভোগ কৰি, ৬ নিৰ্মল মন, আৰু জ্ঞান, আৰু অতি সহন,
স্নেহ, পবিত্ৰ আত্মা, অকপটীয়া প্ৰেম, ৭ সত্য বাক্য আৰু ঈশ্বৰৰ মহি-
মা, সোঁ আৰু বাওঁ ফালে ধৰ্ম্মৰ অস্ত্ৰ শস্ত্ৰ, ৮ মৰ্য্যতা, আৰু অমৰ্য্যতা, কুযশ,
আৰু সুযশ, এই সকলৰ দ্বাৰাই; ভাঁৰি কোৱাৰ নিচিনা, কিন্তু স্বৰূপ;
৯ অচিনাকিৰ নিচিনা, কিন্তু নিশ্চয় চিনাকি; মৰিব লগাৰ নিচিনা, কিন্তু
জীয়াই থকা; শাস্তি পোৱাৰ নিচিনা, কিন্তু অবিনাশী; ১০ শোক কৰাৰ
নিচিনা, কিন্তু সদাই আনন্দিত; দৰিদ্ৰৰ নিচিনা, কিন্তু অনেকক ধনৱন্ত
কৰোঁতা; একো বস্তু নাইকিয়াৰ নিচিনা, কিন্তু সকলোৰে অধিকাৰ হৈ,
আমি যে ঈশ্বৰৰ সেৱক হৈছোঁ, এই সকলো কথাৰ দ্বাৰাই ইয়াকে প্ৰমাণ
কৰিছোঁ। ১১ হে কৰিন্থীৰ লোকবিলাক, তোমোলাকলৈ আমাৰ মন প্ৰসন্ন
হৈছে; আমাৰ মুখো মুকলি আছে। ১২ আমাৰ প্ৰীতিত তোমোলাক আ-

টকি ধৰা হৈছা, এনে নহয়, কিন্তু আপোনাৰ প্ৰীতিত আটকি ধৰা হৈছা ।
১৩ এই হেতুকে সেই আমাৰ প্ৰীতিৰ প্ৰতিফলৰ নিমিত্তে মই আপোনাৰ
সন্তানবোৰত কোৱাৰ দৰে কৈছোঁ, তোমোলাকৰো মন তেনে মুকলি হওক ।
১৪ অবিশ্বাসীবিলাকৰ লগত অসম যোৰা নেখাবা; কিয়নো অধৰ্ম্মেৰে
সৈতে ধৰ্ম্মৰ কি সমন্ধ আছে? এন্ধাৰে সৈতে পহৰৰ বা কি সমন্ধ?
১৫ বেল দেৱতাই সৈতে খ্ৰীষ্টৰ কি মিলন? অবিশ্বাসীৰ লগত বিশ্বাসীৰ বা
কি ভাগ? ১৬ আৰু দেওবিলাকে সৈতে ঈশ্বৰৰ মন্দিৰৰ কি মিলন আছে?
তোমোলাক অমৰ ঈশ্বৰৰ মন্দিৰ হৈছা; এই কথাতো ঈশ্বৰে কৈছে, মই
সিবিলাকৰ ভিতৰত বশতি কৰি সিবিলাকৰ লগত অহা যোৱা কৰিম; মই
সিবিলাকৰ ঈশ্বৰ হম, আৰু সিবিলাকো মোৰ লোক হব । ১৭ এতেকে প্ৰভুএ
কৈছে, তোমোলাক সিহঁতৰ মাঝৰ পৰা ওলাই আহি পৃথক হোৱা, আৰু
কোনো অশুচিকে নুচবা; ১৮ তাতে সৰ্ব্বশক্তিমান প্ৰভুএ কৈছে, মই তোমো-
লাকক গ্ৰহণ কৰি তোমোলাকৰ পিতৃ হম, তোমোলাকো মোৰ পো জী হবা ।
১৯ এই হেতুকে হে প্ৰিয়বিলাক, ঈশ্বৰৰ এনে প্ৰতিজ্ঞা পোৱা হৈ, আহাঁ,
আমি শৰীলৰ আৰু আত্মাৰো সকলো মলীনৰ পৰা আপোনাক শুচি কৰি
ঈশ্বৰৰ ভয়েৰে পবিত্ৰতা সম্পূৰ্ণ কৰোঁহঁক ।

## ৭ অধ্যায় ।

তোমোলাকে আমাক গ্ৰহণ কৰা; আমি কাকো অন্যায় কৰা নাই, ২ কাৰো
হানি কৰা নাই, কাকো ভাণ্ডনা কৰা নাই । মই দোষ ধৰিবলৈ এই কথা
কৈছোঁ, এনে নহয়, কিয়নো একে লগে মৰিবলৈ আৰু জীবলৈকো, তোমো-
লাক যে আমাৰ মনতে আছা, ৩ এই কথা আগেয়েই কৈছিলোঁ । ৪ তো-
মোলাকলৈ মই অতি সাহেৰে কৈছোঁ; তোমোলাকৰ কথাত মোৰ অতি
প্ৰশংসা আছে; তাতে আমাৰ সকলো দুঃখত মই সান্তনাৰে পূৰ হৈ অতি-
শয় আনন্দিত হৈছোঁ ।
৫ মাকেদনিয়া দেশলৈ আহিলত বাহিৰত বিৰোধ, ভিতৰত ভয়, সকলো
পোনে এনে দুঃখ পোৱাত আমাৰ শৰীলৰ একো জিৰণি নাইকিছিল ।
৬ কিন্তু ব্যাকুল হোৱাবিলাকক সান্তনা কৰা যি ঈশ্বৰ, তেওঁেই তিত অহাৰ
দ্বাৰাই আমাক সান্তনা কৰিলে । ৭ অকল তেওঁৰ অহাৰ দ্বাৰাই নহয়, কিন্তু
তাতকৈয়ো তোমোলাকৰ বৰ ইচ্ছা, আৰু শোক, আৰু মোলৈ মনৰ প্ৰীতি,
ইয়াকে দেখি তিতে যি ৰূপ সান্তনা পাইছিল, তেওঁ আমাক সেই সকলো
কথা কোৱাত মই সেই সান্তনাৰে শান্ত হৈ অধিক আনন্দ পালোঁ । ৮ আৰু
মই পত্ৰ লিখি তোমোলাকৰ খেদ কৰালোঁ, এই নিমিত্তে অসন্তোষ পোৱা
হৈছিলোঁ, কিন্তু এতিয়া আৰু অসন্তোষ নকৰোঁ; কিয়নো সেই পত্ৰই অলপ

কাল মাথোন তোমোলাকৰ খেদ কৰাইছিল, তাক মই বুঝিছোঁ। [৯] তো-
মোলাকে খেদ পোৱাত মই আনন্দ কৰিছোঁ, এনে নহয়, কিন্তু তোমোলাকে
যি খেদ কৰিলা, সেয়ে তোমোলাকৰ মন পালটন কৰালে, এই নিমিত্তে
মোৰ আনন্দ হৈছে; আৰু তোমোলাকে ঈশ্বৰৰ ইচ্ছাৰ দৰে খেদ পোৱা
হৈছিলা; তাতে আমাৰ দ্বাৰাই তোমোলাকৰ একো হানি নাই। [১০] কিয়-
নো ঈশ্বৰৰ ইচ্ছাৰ দৰে যি খেদ, সেয়ে পালটিব নলগা পৰিত্ৰাণলৈ মন পা-
লটন কৰাই; কিন্তু সংসাৰিক যি খেদ, সি মৰণ জন্মাই। [১১] দেখা,
ঈশ্বৰৰ ইচ্ছাৰ দৰে তোমোলাকে সেই কথাত যে খেদ কৰিছিলা, সেই
খেদেই তোমোলাকৰ কেনে সাৱধান, আৰু দোষ মোচন, অসন্তোষ, ভয়,
আৰু অতি বাঞ্চা, উৎসাহ, আৰু দণ্ড দিয়া, এই সকলোকে তোমোলাকৰ
মাঝত কৰালে; এই কথাত তোমোলাক যে নিৰ্দ্দুষী, ইয়াৰ সম্পূৰ্ণ প্ৰমাণ
দিছিলা। [১২] এই হেতুকে মই তোমোলাকলৈ লিখাত, অকল অপকাৰ
কৰা জনৰ নিমিত্তে, বা অপকাৰ পোৱা জনৰ নিমিত্তে লিখিলোঁ, এনে
নহয়; কিন্তু ঈশ্বৰৰ আগত তোমোলাকৰ অৰ্থে আমাৰ যি চিন্তা, সেয়ে
যেন তোমোলাকৰ আগত প্ৰকাশ হয়, এই নিমিত্তেও লিখিলোঁ। [১৩] এই
হেতুকে তোমোলাকৰ সান্ত্বনাত আমিও সান্ত্বনা পালোঁ; আৰু বিশেষকৈ
তিতৰ আত্মা তোমোলাক সকলোৰে দ্বাৰাই শান্ত হোৱাত, তেওঁৰ আনন্দৰ
নিমিত্তে আমিও আনন্দ পালোঁ। [১৪] যদি তেওঁৰ আগত মই তোমোলা-
কৰ অৰ্থে কোনো প্ৰশংসা কৰিলোঁ, তাতো মই লাজ পোৱা নহল; কিন্তু
যেনেকৈ তোমোলাকৰ আগত সকলো কথা সত্য ৰূপে কলোঁ, তেনেকৈ
তিতৰ আগত মই যি প্ৰশংসা কৰিলোঁ, সিও সত্য হোৱা জনা হল। [১৫] আৰু
তোমোলাকে ভয় আৰু কম্পনেৰে যি ৰূপে তেওঁক গ্ৰহণ কৰি তেওঁৰ
কথা মানিলা, তাকে সুঁৱৰি তেওঁৰ চিত্তত তোমোলাকলৈ অতিশয় মৰম
আছে। [১৬] এই হেতুকে মই যে সকলো কথাত তোমোলাকত বিশ্বাস কৰোঁ,
ইয়াত মোৰ আনন্দ আছে।

## ৮ অধ্যায়।

হে ভাইবিলাক, মাকেদনিয়া দেশৰ মণ্ডলী সকললৈ ঈশ্বৰে যেনে অনুগ্ৰহ
দিলে, তাক তোমোলাকত জনাইছোঁ। [২] দুঃখৰ অতি পৰীক্ষা হোৱাতো
সিবিলাক অধিক আনন্দিত আছিল, আৰু অতি দৰিদ্ৰ হৈয়ো মহা দানী
হৈছিল; [৩] কিয়নো মই প্ৰমাণ দিছোঁ, সিবিলাকে আপোনাৰ শক্তিৰ সমান
আৰু শক্তিতকৈয়ো অধিক দান দিবলৈ আপুনি ইচ্ছা কৰি, [৪] সেই দান
আৰু পৱিত্ৰ লোকক সুশ্ৰূষা কৰাৰ ভাগ লবলৈ আমাক অনেক মিনতিৰে
প্ৰাৰ্থনা কৰিলে; [৫] আৰু আমাৰ যেনে আশা আছিল, সেই ৰূপে তাক

নকৰি, প্ৰথমতে প্ৰভুলৈ, পাছে ঈশ্বৰৰ ইচ্ছাৰে আমালৈকো আপোনাক
সোধাই দিলে । ৬ তাতে তিতে যি অনুগ্ৰহৰ কৰ্ম্ম আৰম্ভণ কৰিলে,
তাক তোমোলাকৰ মাঝতো সিদ্ধি কৰিবলৈ আমি তেওঁক বিনয় কৰিলোঁ ।
৭ এই হেতুকে বিশ্বাস, আৰু কথন, জ্ঞান, সম্পূৰ্ণ যত্ন আৰু আমালৈ প্ৰীতি,
এই সকলোৰে যেনেকৈ গুণৱন্ত হৈছা, তেনেকৈ সেই অনুগ্ৰহেৰেও গুণৱন্ত
হোৱা । ৮ এই কথা আজ্ঞা কৰি কৈছোঁ, এনে নহয়, কিন্তু অন্য লোকৰ
যত্ন দেখি আৰু তোমোলাকৰ প্ৰীতি সত্য হোৱাৰ পৰীক্ষা কৰিবলৈহে কৈ-
ছোঁ । ৯ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্ট ধনৱন্ত হোৱাতো তেওঁ দৰিদ্ৰ হোৱাৰ দ্বাৰাই
তোমোলাক যেন ধনৱন্ত হোৱা, এই নিমিত্তে তেওঁ যে দৰিদ্ৰ হল, তেওঁৰ
সেই অনুগ্ৰহ তোমোলাকে জানি আছা । ১০ এই হেতুকে ময় তোমোলা-
কক বুদ্ধি দিছোঁ, তোমোলাকে এই যি কৰ্ম্ম এবছৰৰ পৰা কৰিবলৈ মা-
থোন নহয়, উৎসাহ মনেৰেও কৰিবলৈ ধৰিলা, সেই কৰ্ম্ম তোমোলাকলৈ
উচিত হয় । ১১ এই হেতুকে এতিয়া তাক সিদ্ধি কৰা; আৰু যেনেকৈ
আৰম্ভণ কৰিবলৈ মন হৈছিল, সেই ৰূপে তোমোলাকৰ সম্পত্তিৰ পৰা সেই
কৰ্ম্ম সিদ্ধি কৰা হওক । ১২ কোনো মানুহৰ যদি ইচ্ছা হয়, তেন্তে তাৰ
নোহোৱা সম্পত্তিৰ দৰে নহয়, হোৱা সম্পত্তিৰ দৰে তাক গ্ৰাহ্য কৰা হব ।
১৩ আন মানুহে জিৰণি পাবলৈ তোমোলাক যেন ভাৰী হোৱা, মোৰ এনে
ইচ্ছা নাই; ১৪ কিন্তু যি জনে সৰহ সাঁচিলে, তাৰ অধিক নাই, আৰু
যি জনে অলপ সাঁচিলে, তাৰো একো কমি নাই, ১৫ শাস্ত্ৰত লিখা এনে
বচনৰ দৰে সম্পত্তিৰ সমান ভোগ কৰা হবলৈ, এতিয়াৰ কালত তোমোলাকৰ
অধিক ধনৰ দ্বাৰাই সিবিলাকৰ দৰিদ্ৰত যেন উপকাৰ হয়, আৰু পাছে
সিবিলাকৰ অধিক ধনৰ দ্বাৰাই তোমোলাকৰো দৰিদ্ৰত যেন উপকাৰ হব,
এই মোৰ বাঞ্ছা ।

১৬ তোমোলাকৰ হিতৰ নিমিত্তে তিতৰ মনত এনে চিন্তা জন্মালে যি ঈশ্বৰে,
তেওঁলৈ ধন্যবাদ হওক । ১৭ তিতে মোৰ মিনতি গ্ৰহণ কৰিলে হয়, কিন্তু
তাতকৈয়ো আপুনি বৰ উদ্যোগী হৈ আপোন ইচ্ছাৰে তোমোলাকৰ ওচৰলৈ
গল । ১৮ আৰু শুভবাৰ্ত্তাৰ কৰ্ম্মত যি জন ভায়ে সকলো মণ্ডলীৰ মাঝত
যশস্যা পোৱা হৈছে, ১৯ আৰু তাত বাঝে একে প্ৰভুৰ মহিমা আৰু
তোমোলাকৰ উৎসাহ মন প্ৰকাশ হবলৈ এই দানৰ কৰ্ম্মৰ ভাৰ লোৱা যি
আমি, আমাৰ লগত যাবৰ নিমিত্তেও মণ্ডলী লোকৰ দ্বাৰাই নিযোজন কৰা
হোৱা আমাৰ সেই ভাইক তেওঁৰ লগত পঠাই দিলোঁ । ২০ আৰু আ-
মাৰ হাতেৰে যি অধিক দানৰ কৰ্ম্ম কৰা হৈছে, তাত কোনো মানুহে যেন
আমাক দোষ দিব নোৱাৰে, ২১ এই নিমিত্তে অকল ঈশ্বৰৰ দেখাতে নহয়,
মানুহে দেখাতেও যি যি কৰ্ম্ম বিহিত হয়, তালৈ আমি উপায় কৰিছোঁ ।
২২ আৰু অনেক কৰ্ম্মত যি ভাইক আমি বাৰে বাৰে উদ্যোগী দেখিলোঁ.

আৰু এতিয়া তোমোলাকত বিশ্বাস কৰাত অধিককৈ উদ্যোগী হৈছে, তেওঁকো
সিবিলাকৰ লগত পঠাইছোঁ। ২৩ তিতৰ কথা হলে, তোমোলাকৰ নিমিত্তে
তেওঁ মোৰ লগৰ ভাগী আৰু সহায়; আমাৰ ভাইবিলাকৰ কথা হলে, সিবি-
লাক মণ্ডলীৰ পাচনি আৰু খ্ৰীষ্টৰ মহিমা প্ৰকাশ কৰোৱা হৈছে। ২৪ এই
হেতুকে তোমোলাকে সিবিলাকৰ আৰু মণ্ডলী লোকৰো আগত আপোন
প্ৰীতিৰ আৰু তোমোলাকৰ কথাত আমাৰ প্ৰশংসাৰ প্ৰমাণ দেখুৱাই দিয়া।

## ৯ অধ্যায় ।

পবিত্ৰ লোকক দান দিয়াৰ কথাত মই তোমোলাকলৈ পত্ৰ লিখিবৰ প্ৰয়ো-
জন নাই; ২ কিয়নো তোমোলাকৰ মনৰ উৎসাহ জানি, আখায়া দেশী-
বিলাকে এবছৰৰে পৰা দানৰ কৰ্ম্মত যুগুত হৈছে, মাকেদনিয়া লোকৰ
আগত তোমোলাকৰ অৰ্থে এই কথা প্ৰশংসা কৰোঁ; তাতে তোমোলাকৰ
উৎসাহে অনেকক উদগাইছে। ৩ তথাপি তোমোলাকৰ অৰ্থে আমাৰ
সেই প্ৰশংসাৰ কথা যেন বিফল নহয়, আৰু ময় যেনেকৈ কৈছিলোঁ, তে-
নেকৈ তোমোলাক যেন যুগুত হোৱা, এই নিমিত্তে তোমোলাকৰ ওচৰলৈ ভাই-
বিলাকক পঠালোঁ। ৪ কিয়নো মাকেদনিয়া লোক যদি মোৰে সৈতে গৈ,
পাছে তোমোলাকক অযুগুত পাই, তেন্তে তোমোলাকে যে লাজ পাবা,
তাকে নকওঁ, আমিও সেই দৃঢ় আশাতে লাজ পাম। ৫ এই হেতুকে যি
দানৰ বাৰ্ত্তা আগেয়ে পালা, সেই দান কিৰ্পিণ ৰূপে নহৈ সন্তোষ ৰূপে
যেন যুগুত হয়, এই নিমিত্তে আগ হৈ গৈ তাক সামৰি থবলৈ ভাইবিলাকক
বিনয় কৰি তোমোলাকৰ ওচৰলৈ পঠাবলৈ উচিত দেখিলোঁ। ৬ কিন্তু
ইয়াকে কৈছোঁ, যি জনে অলপকৈ বয়, সি অলপকৈ দাব; আৰু যি জনে
অধিককৈ বয়, সি অধিককৈ দাব। ৭ প্ৰতি জন মানুহে কিৰ্পিণ বা আৱশ্যক
নেদেখি আপোনাৰ মনত যেনেকৈ ঠাৱৰ কৰিলে, তেনেকৈ কৰোক; সন্তো-
ষেৰে দিয়া জনত ঈশ্বৰ তুষ্ট হয়। ৮ শাস্ত্ৰত এনে লিখাও আছে, তেওঁ ধন বি-
লাই দিলে, দৰিদ্ৰবিলাকত দান কৰিলে, তেওঁৰ ধৰ্ম্ম সদাই থাকিব; ৯ তেনে-
কৈ তোমোলাক সকলো সম্পত্তিৰে পূৰ হৈ সকলো উত্তম কৰ্ম্মত যেন যত্ন
কৰা, এই নিমিত্তে ঈশ্বৰে তোমোলাকক অধিক অনুগ্ৰহ কৰিব পাৰে।
১০ যি জনাই সিঁচিবৰ নিমিত্তে কঠিয়া, আৰু ভোজনৰ নিমিত্তে খোৱা বস্তু
দিএ, তেওঁ তোমোলাকে বোৱা কঠিয়া বহুল কৰি, তোমোলাকৰ ধৰ্ম্ম কৰ্ম্মৰ
ফল বঢ়াই দিব; ১১ তাতে তোমোলাকে সকলো কথাত অধিক দান কৰা
কৰ্ম্মত ধনৱন্ত হোৱাত আমাৰ দ্বাৰাই ঈশ্বৰৰ গুণ কীৰ্ত্তন কৰা হব। ১২ কি-
য়নো তোমোলাকৰ এই দানৰ সেৱাই পবিত্ৰ লোকৰ দৰিদ্ৰ গুছাই, অকল
এয়ে নহয়, কিন্তু তাৰ দ্বাৰাই ঈশ্বৰৰ গুণ বহুল ৰূপে কীৰ্ত্তন কৰা গৈছে।

১৩ এয়েৰেই তোমোলাক খ্ৰীষ্টৰ শুভবাৰ্ত্তাত আপুনি বশ হোৱা সৈ কৰ্হাৰ
দ্বাৰাই, সিবিলাকলৈ আৰু আন সকললৈকো তোমোলাকে ভালেমান দান
কৰাৰ দ্বাৰাই সিবিলাকে প্ৰমাণ পাই, ১৪ আৰু তোমোলাকত ঈশ্বৰৰ
যি অধিক অনুগ্ৰহ, তাকে দেখি, তোমোলাকলৈ অতি প্ৰীতি কৰি তো-
মোলাকৰ অৰ্থে প্ৰাৰ্থনাৰে সৈতে ঈশ্বৰৰ গুণ কীৰ্ত্তন কৰে । ১৫ ঈশ্বৰৰ
অনিৰ্ব্বচনীয় দানৰ নিমিত্তে তেওঁৰ ধন্যবাদ হওক ।

## ১০ অধ্যায় ।

সাক্ষাতে নম্ৰ, কিন্তু অসাক্ষাতে সাহিয়াল হোৱা যি ময়, ময় পৌলে
খ্ৰীষ্টৰ নম্ৰ আৰু কোমল স্বভাৱেৰে তোমোলাকক মিনতি কৰিছোঁ । ২ যিবি-
লাকে আমাক সংসাৰিক আচৰণ কৰা বুঝে, সিবিলাকৰ বিৰুদ্ধে যি ৰূপে
সাহিয়াল হবলৈ ময় ঠাৱৰ কৰিছোঁ, সেই ৰূপে সাক্ষাত হলে সাহিয়াল
যেন নহওঁ, এই নিমিত্তে মিনতি কৰিছোঁ । ৩ আমি সংসাৰত আচৰিও
সংসাৰিক আচাৰৰ দৰে যুদ্ধ নকৰোঁ ; ৪ কিয়নো যি অস্ত্ৰ শস্ত্ৰেৰে আমি
যুদ্ধ কৰোঁ, সেইবোৰ সংসাৰিক নহয়, কিন্তু গৰ ভাঙ্গিবলৈকো ঈশ্বৰৰ
আগত বলৱন্ত হৈছে । ৫ তাৰে সৈতে আমি মনৰ ভাববোৰক আৰু ঈশ্বৰৰ
জ্ঞানৰ বিৰোদ্ধে অহঙ্কাৰ কৰা যি যি ওখ বস্তু আছে, সেই সকলোকে
ভাঙ্গি পেলাই খ্ৰীষ্টৰ বশ কৰি বন্দীকৈ ৰাখোঁ ; ৬ আৰু তোমোলাক সম্পূৰ্ণ
ৰূপে আজ্ঞাৰ বশ হলত, যিবিলাকে আজ্ঞা পালন নকৰে, সিবিলাকক
উচিত দণ্ড দিবলৈ যুগুত হৈ আছোঁ ।

৭ তোমোলাকে বাহিৰে দেখাৰ দৰে চাইছা নে? ময় খ্ৰীষ্টৰ হওঁ বুলি
কোনোএ যদি মন থিৰ কৰে, তেন্তে সি যেনেকৈ খ্ৰীষ্টৰ হয়, তেনেকৈ আমিও
যে খ্ৰীষ্টৰ হওঁ, ইয়াকে সি আপুনি পুনৰ বিবেচনা কৰি জানোক । ৮ তো-
মোলাকৰ বিনাশৰ নিমিত্তে নহয়, তোমোলাক ধৰ্ম্মত বৃদ্ধি হবৰ নিমিত্তে
প্ৰভুএ আমাক যি শক্তি দিছে, তাৰ কথাত ময় যদি কিছু প্ৰশংসা কৰোঁ,
তেও তাত ময় লাজ পোৱা নহম । ৯ ময় পত্ৰৰ দ্বাৰাই তোমোলাকক ভয়
লগাইছোঁ, তোমোলাকৰ এনে ভাবনা নহওক । ১০ লোকে বোলে, তাৰ
পত্ৰ অতি ভাৰী আৰু মান্যৱন্ত হয়, কিন্তু সাক্ষাত হলে তাৰ শৰীল দুৰ্ব্বল,
আৰু তাৰ কথা অমান্য । ১১ আমি অসাক্ষাতে পত্ৰৰ দ্বাৰাই কথাত যেনে
হৈছোঁ, সাক্ষাত হলে কৰ্ম্মতো তেনে হম, সেই মানুহে ইয়াকে জানোক ।
১২ যিবিলাকে আপুনি নিজৰ প্ৰশংসা কৰে, আমি হলে এনে মানুহৰ
লগত আপোনাকে লিখিবলৈ বা তুল্য কৰিবলৈ আমাৰ এনে সাহ নাই ;
সিবিলাকে ইজনে সিজনে আপোনাৰ পৰিমাণেৰে আপোনাকে জুখি, আৰু
আপোনাৰ তুল্যেৰে আপোনাকে তুল্য কৰি, জ্ঞানী নহয় । ১৩ কিন্তু আ-

মাৰ পৰিমাণৰ বাহিৰে আন কথাত প্ৰশংসা নকৰি, আমালৈ ঈশ্বৰে দিয়া
যি পৰিমাণৰ জোখ তোমোলাকলৈকো যাই, তাৰ দৰে আপোনাকে নিজে
প্ৰশংসা কৰিম । ১৪ কিয়নো আমি তোমোলাকৰ ওচৰ নোপোৱাৰ দৰে
পৰিমাণৰ উলংঘন নকৰোঁ; কাৰণ খ্ৰীষ্টৰ শুভবাৰ্ত্তা কীৰ্ত্তন কৰোঁতে
আমি তোমোলাকৰ ওচৰ পাইছিলোঁ । ১৫ তাতে আমাৰ পৰিমাণৰ বাহি-
ৰৰ কথা, অৰ্থাৎ আন মানুহৰ শ্ৰমৰ কথাত আমি আপোনাকে প্ৰশংসা
নকৰোঁ; ১৬ কিন্তু তোমোলাকৰ বিশ্বাস বাৰ্হিলে, আমি তোমোলাকৰ দ্বাৰাই
অতিশয় পৰিমাণৰ জোখৰ দৰে বৃদ্ধি হম, আৰু আন মানুহৰ শ্ৰমৰ ফলত
আপোনাকে প্ৰশংসা নকৰি, তোমোলাকৰ সিফালৰ মানুহৰ আগতো শুভ-
বাৰ্ত্তা কীৰ্ত্তন কৰিব পাৰিম, এনে আশা আছে । ১৭ কিন্তু যি জনে প্ৰশংসা
কৰে, সি প্ৰভুতে প্ৰশংসা কৰোক । কিয়নো যি জনে আপোনাক গ্ৰহণীয়
কৰে, সি গ্ৰাহ্য নহয়; কিন্তু যি জনক ঈশ্বৰে গ্ৰহণীয় কৰে, সেয়েহে
গ্ৰাহ্য হয় ।

## ১১ অধ্যায় ।

মোৰ এই অজ্ঞানী কথাত তোমোলাকে যেন কিছু সহন কৰা, এই মোৰ
বাঞ্ছা; স্বৰূপতে এতিয়াও তোমোলাকে তাক সহন কৰি আছা । ২ কিয়-
নো এক স্বামী অৰ্থাৎ খ্ৰীষ্টৰ আগত সোধাই দিবলৈ তোমোলাকক শান্তী
কন্যাৰ নিচিনাকৈ বাগদান কৰাত তোমোলাকলৈ ঈশ্বৰৰ ভাৱে উৎসাহেৰে
চিন্তা হৈ আছোঁ । ৩ কিন্তু সাপৰ ভাণ্ডনাৰে হাৱাক যেনেকৈ ভুলুৱা হৈ-
ছিল, সেই ৰূপে খ্ৰীষ্টৰ অকপটীয়া ধৰ্ম্মৰ পৰা তোমোলাকৰ মন জানো
কোনো ৰূপে ভ্ৰষ্ট হয়, মোৰ এই ভয় আছে । ৪ যি জনৰ কথা আমি
কীৰ্ত্তন কৰা নাই, এনে আন য়ীশুৰ কথা কোনোএ যদি আহি কীৰ্ত্তন
কৰে; বা তোমোলাকে যি আত্মা পোৱা নাই, এনে আত্মাও যদি পোৱা;
নাইবা যি শুভবাৰ্ত্তা তোমোলাকে কেতিয়াও গ্ৰহণ কৰা নাই, এনে শুভবাৰ্ত্তাও
যদিবা পোৱা হয়, সেই মানুহক তোমোলাকে ভাল ৰূপে সহিলাহেঁতেন ।
৫ পাঁচনিবিলাকৰ মাঝত প্ৰধান পাঁচনিতকৈ ময় এফেৰিও সৰু হোৱা নাই,
ইয়াক ময় বুঝিছোঁ । ৬ ময় যদি বাক্যত অপণ্ডিত হওঁ, তেও জ্ঞানত হলে
নহওঁ; কিন্তু সকলো ভাৱে আমি তোমোলাকৰ আগত প্ৰকাশ হৈ আছোঁ ।
৭ তোমোলাক বৰ হবৰ নিমিত্তে ময় আপোনাকে সৰু কৰি, বিনামূল্যে ঈশ্ব-
ৰৰ শুভবাৰ্ত্তা তোমোলাকৰ আগত কীৰ্ত্তন কৰাতে দোষ লাগিছে নে? ৮ তো-
মোলাকক সুশ্ৰূষা কৰিবৰ নিমিত্তে আন মণ্ডলীবিলাকৰ ধন লৈ অপহৰণ
যেন কৰিলোঁ; ৯ আৰু তোমোলাকৰ লগত থাকোঁতে যেতিয়া মোৰ সম্পত্তিৰ
প্ৰয়োজন আছিল, তেতিয়া তোমোলাকৰ কাৰো ওপৰত ভাৰ নিদিলোঁ;

মোৰ যি প্ৰয়োজন, তাক মাকেদনিয়াৰ পৰা অহা ভাইবিলাকে দিলে;
আৰু তোমোলাকক ভাৰ নিদিয়াকৈ ময় সকলো ভাৱে আপোনাকে ৰাখি-
লোঁ, আৰু এই ৰূপে ৰাখিমো। ১০ খ্ৰীষ্টৰ সত্য যদি মোত থাকে, তেন্তে
আখায়া দেশ খনতে মোৰ এই প্ৰশংসা কথা কেৱেঁ বাধা নকৰিব।
১১ কিহৰ নিমিত্তে? তোমোলাকলৈ মোৰ প্ৰেম নোহোৱা হেতুকে হয় নে?
ঈশ্বৰে জানে। ১২ কিন্তু যিবিলাকে ছল বিচাৰে, সিবিলাকৰ ছল যেন
নিবাৰণ কৰিম, এই নিমিত্তে যিহকে কৰিছোঁ, তাকে কৰিম; তাতে সিবি-
লাকে যি কথাত আপোনাকে প্ৰশংসা কৰে, সেই কথাত সিবিলাকক আমাৰ
নিচিনা পোৱা যাব। ১৩ এনেকুৱা লোকে ভাঁৰি কোৱা পাঁচনি আৰু ভাণ্ড-
না কৰাবোৰ হৈ, খ্ৰীষ্টৰ পাঁচনিবিলাকৰ নিচিনা বেশ ধৰে। ১৪ এই
কথা আশ্চৰিত নহয়; কিয়নো ছয়তানে আপুনি দীপ্তিমন্ত দূতৰ ৰূপ ধৰে।
১৫ এতেকে তাৰ সেৱকবোৰেও ধৰ্ম্মৰ সেৱকবিলাকৰ ৰূপ ধৰা বৰ আশ্চ-
ৰিত কথা নহয়; কিন্তু আপোন আপোন কৰ্ম্মৰ দৰে সিহঁতৰ শেষ হব।
১৬ ময় আকও কৈছোঁ, ইয়াতে কোনোএ মোক অজ্ঞানী নেভাবোক;
কিন্তু যদি মোক অজ্ঞানী মানে, তেও অজ্ঞানীৰ নিচিনাকৈ গ্ৰহণ কৰোক,
তাতে মই আপোনাকে কিছু প্ৰশংসা কৰিব পাৰোঁ। ১৭ সাহেৰে আ-
পোনাৰ যি প্ৰশংসা কথা কৈছোঁ, ইয়াক ঈশ্বৰৰ দৰে নহয়, অজ্ঞানৰ
দৰেহে কৈছোঁ। ১৮ অনেকে সংসাৰৰ কথাত প্ৰশংসা কৰা হেতুকে ময়ো
প্ৰশংসা কৰিম। ১৯ তোমোলাক আপুনি জ্ঞানৱন্ত হোৱা দেখি, সন্তোষ
মনেৰেহে অজ্ঞানীবোৰক সহন কৰাহঁক। ২০ কোনোএ যদি তোমোলাকক
বন্দী কৰি ৰাখে, বা তোমোলাকৰ বস্তু লোৱে, বা কাৰ্হি লয়, বা আপো-
নাকে আপুনি বৰ কৰি মানে, বা তোমোলাকৰ গালত চৰ মাৰে, এই সক-
লোকে সহন কৰাহঁক। ২১ আমি দুৰ্ব্বলী যেন হৈছোঁ, এই অপমানৰ
নিমিত্তে ময় ইয়াকে কৈছোঁ; তথাপি যি কোনো কথাত আন মানুহে সা-
হিয়াল হয়, তাতে ময়ো সাহিয়াল, ইয়াক অজ্ঞান ৰূপেৰে কৈছোঁ। ২২ সিবি-
লাক ইব্ৰী লোক হয় নে? ময়ো হওঁ। সিবিলাক ইস্ৰায়েলী হয় নে? ময়ো
হওঁ। সিবিলাক আব্ৰাহামৰ বঙ্গহ হয় নে? ময়ো হওঁ। ২৩ সিবিলাক খ্ৰীষ্টৰ
সেৱক হয় নে? অজ্ঞানৰ দৰে কৈছোঁ, সিবিলাকতকৈয়ো ময় অধিক;
অনেক পৰিশ্ৰমত; অপৰিমাণ ৰূপে কোব খোৱাত; অনেক বাৰ বন্দী-
শালত; অনেক বাৰ প্ৰাণৰ সঙ্কটত পৰাত দুঃখ পোৱা হলোঁ। ২৪ য়িহুদি-
বিলাকৰ হাতেৰে পাঁচ বাৰ এক কম দকুৰিকৈ কোব পালোঁ; ২৫ তিনি
বাৰ আচাৰিবেৰে মৰা হলোঁ; এবাৰ শিলেৰে খুন্দা হলোঁ; তিনি বাৰ জা-
হাজ ভগাৰ দুঃখ পালোঁ; অগাধ জলত এদিন এৰাতি থাকিলোঁ। ২৬ এই
ৰূপে অনেক অনেক বাৰ যাত্ৰা কৰাত, নদীৰ সঙ্কটত, ডকাইতৰ সঙ্কটত,
আপোন দেশী আৰু বিদেশী লোকৰ সঙ্কটত, নগৰৰ সঙ্কটত, হাবিৰ

সঙ্কটত, সাগৰৰ সঙ্কটত, ভাঁৰি কোৰা ভাইবিলাকৰ সঙ্কটত, ২৭ পৰিশ্ৰম
আৰু ক্লেশত, বাৰে বাৰে পহৰ দিয়াত, ভোক আৰু পিয়াহ লগাত, অনেক
বাৰ লঘোনত, জাৰত, উদঙ্গ হোৱাত, ২৮ আৰু তাত বাহিৰে মোৰ ওপ-
ৰত পৰা যি যি নানা কাৰ্য্য, আৰু দিনে প্ৰতি আটাই মণ্ডলীৰ চিন্তাৰ
ভাৰ, এই সকলোতে দুঃখ ভোগ কৰিলোঁ। ২৯ যি জনৰ দুৰ্ব্বল হোৱাত
ময়ো দুৰ্ব্বলী নহওঁ, এনে জন কোন আছে? যি জনৰ বিঘিনি হোৱাত
মই তাপিত নহওঁ, এনে জন বা কোন আছে?। ৩০ মই যদি আপোন
প্ৰশংসা কৰ লগা হৈছে, তেন্তে মোৰ দুৰ্ব্বলৰ কথাত প্ৰশংসা কৰিম।
৩১ ময় যি কথা কৈছোঁ, সেয়ে মিছা নহয়, তাক আমাৰ প্ৰভু যীশু খ্ৰীষ্টৰ
পিতৃ সৰ্ব্বদাই ধন্য ঈশ্বৰে জানে। ৩২ আৰু দামেচক নগৰত আৰিতা
ৰজাৰ তলৰ অধিকাৰে সেনাই সৈন্যে সেই দামেচক নগৰ ৰাখোঁতে
মোক ধৰিবলৈ ইচ্ছা কৰিলে, কিন্তু গৰৰ এক খোলেদি পাচিৰে নমাই
দিয়া হৈ তেওঁৰ হাতৰ পৰা সাৰিলোঁ।

## ১২ অধ্যায়।

ময় আপুনি আপোনাকে প্ৰশংসা কৰিবলৈ উচিত নহয়, তথাপি প্ৰভুএ
দিয়া দৰ্শন আৰু প্ৰকাশ কৰা বাক্যৰ বিবৰণ কৰিম। ২ চৈধ্য বছৰৰ
আগেয়ে খ্ৰীষ্টত আশ্ৰয় লোৱা এজন মানুহক জানিলোঁ; সি শৰীলত আ-
ছিল নে, শৰীলৰ বাহিৰে আছিল, তাক ময় নেজানোঁ, ঈশ্বৰে জানে; এনে
মানুহক তৃতীয় স্বৰ্গলৈ নিয়া হল। ৩ ময় এনে মানুহক জানিলোঁ; শৰী-
লত আছিল নে, শৰীলৰ বাহিৰে আছিল, ময় নেজানোঁ, ঈশ্বৰেহে জানে।
৪ সেই জনক সুখৰ থানলৈ নিয়া হলত তেওঁ অনিৰ্ব্বচনীয় আৰু মানুহে কব
নোপোৱা কথা শুনিলে। ৫ সেই মানুহৰ কথাত মই প্ৰশংসা কৰিম,
কিন্তু দুৰ্ব্বলৰ বাহিৰে মোৰ আন আপোন একো কথাত প্ৰশংসা নকৰোঁ।
৬ কিন্তু যদিও আপোনাক প্ৰশংসা কৰোঁ, তেও অজ্ঞানী নহওঁ, কিয়নো
স্বৰূপকৈ কওঁ; কিন্তু কোনো মানুহে মোক যি ৰূপ দেখিছে, বা মোৰ
কথা যি ৰূপে শুনিছে, সি তাতকৈ মোক ডাঙ্গৰ যেন নেমানে, এই নিমিত্তে
ময় কবলৈ এৰিছোঁ। ৭ আৰু সেই অধিক প্ৰকাশিত বাক্যৰ দ্বাৰাই ময়
অপৰিমাণ ৰূপে অভিমান যেন নকৰোঁ, এই নিমিত্তে মোৰ অপৰিমিত
অভিমান নহবলৈ শৰীৰত এটা কাঁইট, অৰ্থাৎ ছয়তানৰ এক দূত মোক বি-
ঘিনি কৰিবলৈ দিয়া হৈছিল। ৮ এই হেতুকে সেয়ে মোৰ পৰাযেন দূৰ হয়,
এই নিমিত্তে প্ৰভুৰ আগত তিনিবাৰ কাকুতি কৰিলোঁ। ৯ তাতে তেওঁ মোত
কলে, তোমালৈ মোৰ অনুগ্ৰহে যুৰিব; কিয়নো তোমাৰ নিৰ্ব্বলত মোৰ
শক্তি সিদ্ধি হব। এই হেতুকে খ্ৰীষ্টৰ শক্তি যেন মোত নিবাস কৰে, এই

নিমিত্তে আনন্দেৰে মোৰ দুৰ্ব্বলত প্ৰশংসা কৰিম। ১০ আৰু খ্ৰীষ্টৰ নিমিত্তে দুৰ্ব্বল, নিন্দা, দৰিদ্ৰ, তাৰণা, ক্লেশ, এই সকলো কথাত সন্তোষ হৈ প্ৰশংসা কৰিম; কিয়নো যেতিয়া মই আপুনি দুৰ্ব্বলী, তেতিয়া বলৱন্ত হৈছোঁ। ১১ মই [আপোন প্ৰশংসা কৰাত] নিৰ্বুদ্ধি যেন হৈছোঁ, কিন্তু তোমোলাকেহে তাক কৰালা; মই তোমোলাকৰ পৰা প্ৰশংসা পোৱা উচিত আছিল, কিয়নো মই একো নহলেও পাঁচনিবিলাকৰ প্ৰধানতকৈ একেৰিও সৰু নহওঁ। ১২ সকলো প্ৰকাৰ ধৈৰ্য্য, আৰু আশ্চৰিত কৰ্ম্ম, অদ্ভুত লক্ষণ, আৰু পৰাক্ৰমেৰে পাঁচনিৰ চিন তোমোলাকৰ মাঝত প্ৰকাশ কৰা হৈছিল।

১৩ তোমোলাকৰ ওপৰত মোৰ প্ৰতিপালনৰ ভাৰ নিদিলোঁ, ইয়াত বাজে তোমোলাক আন কোন কথাত অন্য মণ্ডলীতকৈ হীন হৈছিলা? সেই মোৰ দোষ খেমা কৰা। ১৪ দেখা, এই তৃতীয় বাৰ তোমোলাকৰ ওচৰলৈ যাবলৈ যুগুত হৈছোঁ; আৰু প্ৰতিপালনৰ ভাৰ তোমোলাকৰ ওপৰত নিদিম; কিয়নো তোমোলাকৰ সম্পত্তিৰ বিচাৰ নকৰি, তোমোলাককহে বিচাৰোঁ; মাক বাপেকৰ নিমিত্তে লৰাই সাঁচিব লগা নহয়, লৰাৰ নিমিত্তেহে মাক বাপেকে সাঁচিব লগা। ১৫ আৰু মই তোমোলাকক অধিক অধিক প্ৰীতি কৰাতো তোমোলাকে যদি মোক অলপ অলপকৈ প্ৰীতি কৰা, তেও তোমোলাকৰ পৰিত্ৰাণৰ নিমিত্তে ভগন কৰিবলৈ আৰু ভগন হবলৈকো মই সন্তোষ হৈ আছোঁ। ১৬ এই কথা হওক, তোমোলাকক ভাৰ নিদিলোঁ; তেও টেঙৰ হৈ কোনো ছলেৰে তোমোলাকক ধৰিলোঁ। ১৭ তোমোলাকৰ ওচৰলৈ যিবিলাকক পঠালোঁ, সিবিলাকৰ কোনোৰ দ্বাৰাই মই কিছু লাভ উলিয়ালোঁ নে? ১৮ তোমোলাকৰ ওচৰলৈ যাবলৈ তিতক মিনতি কৰি তেওঁৰ লগত এজন ভাইক পঠাইছিলোঁ। তিতে তোমোলাকৰ পৰা লাভ উলিয়ালে নে? আমি দুয়ো একে আত্মাৰে একে খোজতে গমন নকৰিলোঁ নে?

১৯ আৰু কওঁ, তোমোলাকৰ আগত আমি দোষৰ উত্তৰ দিছোঁ, ইয়াকে বুঝিছা নে? খ্ৰীষ্টৰ নামেৰে ঈশ্বৰৰ আগত কথা কওঁ; কিন্তু হে প্ৰিয়বিলাক, তোমোলাক ধৰ্ম্মত বৃদ্ধি হবলৈহে সকলোকে কওঁ। ২০ কিয়নো মই যোৱা কালত কিজানি তোমোলাকক মোৰ ইচ্ছাৰ দৰে হোৱা নেদেখিম, আৰু তোমোলাকেও ইচ্ছাৰ দৰে মোক নেদেখিবা, আৰু তোমোলাকৰ মাঝত বাদ বিবাদ, অসূয়া, ক্ৰোধ, দন্দ, ফুচুকিয়া কোৱা, খঙ ৰাগ, হুৰামুৰা, এই সকল হব; ২১ তাতে পুনৰ্ব্বাৰ গলে মোৰ ঈশ্বৰে মোক নম্ৰভূত কৰিব; আৰু যিবিলাকে আগেয়ে পাপ কৰি, পাছে আপুনি কৰা অশুচি আৰু বেশ্যা কৰ্ম্ম আৰু কাম অভিলাষৰ কাৰণে একো খেদ কৰা নাই, এনে অনেক মানুহক দেখি সিবিলাকৰ নিমিত্তে মোৰ মনত শোক হব, ইয়ালৈ মোৰ ভয় আছে।

## ১৩ অধ্যায় ।

এই তৃতীয় বাৰ মই তোমোলাকৰ ওচৰলৈ গৈছোঁ; দুই তিনি সাক্ষীৰ
মুখত সকলো কথা থিৰ হব । ২ আগেয়ে তোমোলাকত কৈছিলোঁ, সাক্ষা-
তে হোৱাৰ দৰে পুনৰ্ব্বাৰো কৈছোঁ, আৰু আগেয়ে পাপ কৰাবিলাকত
আৰু আন সকলতো এতিয়া আঁতৰ হৈয়ো কৈছোঁ, যদি তোমোলাকৰ ওচৰ-
লৈ আকও যাওঁ, তেন্তে আৰু খেমা নকৰোঁ। ৩ কিয়নো খ্ৰীষ্টে যে মোৰ দ্বাৰাই
কথা কয়, ইয়াৰ প্ৰমাণ বিচাৰিছা; তেওঁ তোমোলাকলৈ দুৰ্ব্বলী নহয়, কিন্তু
তোমোলাকৰ মাঝত বলৱন্ত হৈছে। ৪ তেওঁ দুৰ্ব্বলেৰে সৈতে পেৰেঙ্গণিত মৰা
হোৱাতো, এতিয়া ঈশ্বৰৰ শক্তিয়েৰে জীয়াই আছে; আৰু তেওঁত আশ্ৰয়
কৰি আমি দুৰ্ব্বলী হলেও তোমোলাকলৈ ঈশ্বৰৰ যি শক্তি, সেই শক্তিয়েৰে
আমি তেৰেঁ সৈতে জীয়াই থাকিম । ৫ তোমোলাক বিশ্বাসতে আছা নে
নাই, এই কথাত আপোনাৰ পৰীক্ষা কৰি চোৱা । তোমোলাকে আপুনি
আপোনাকে প্ৰমাণ বুঝা । তোমোলাক অগ্ৰাহ্য নহলে, য়ীশু খ্ৰীষ্ট তোমো-
লাকৰ হৃদয়ত থাকে, ইয়াক তোমোলাকে আপুনি নেজানা নে? ৬ কিন্তু
আমি অগ্ৰাহ্য নহওঁ, ইয়াকে তোমোলাকে যেন জানিবা, মই এনে আশা
কৰোঁ । ৭ তোমোলাকে কোনো কুকৰ্ম্ম যেন নকৰা, ঈশ্বৰৰ আগত মই এই
প্ৰাৰ্থনা কৰোঁ; তাতে আমি যেন গ্ৰহণীয় হম, এনে নহয়, কিন্তু আমি
অগ্ৰাহ্যৰ মাঝত গণা হলেও তোমোলাকে যেন সজ কৰ্ম্ম কৰা, এই মোৰ
প্ৰাৰ্থনা । ৮ কিয়নো সত্যৰ ফলীয়া হৈ আমি কৰ্ম্ম কৰিব পাৰোঁ, কিন্তু
সত্যৰ বিৰোদ্ধে একো কৰিব নোৱাৰোঁ । ৯ আমি নিৰ্ব্বলী হলেও তোমো-
লাক যদি বলৱন্ত হোৱা, আমাৰ আনন্দ হয়; তোমোলাক যেন সিদ্ধি হোৱা,
আমাৰ এই বাঞ্চা । ১০ বিনাশ কৰিবৰ নিমিত্তে নহয়, কিন্তু ধৰ্ম্মত থিৰ
কৰিবৰ নিমিত্তে প্ৰভুএ মোক যি শক্তি দিলে, মই যোৱা কালত সেই শক্তিৰ
দৰে কিজানি কঠিন কথা কওঁ, এই নিমিত্তে এতিয়া আঁতৰ হৈ এইবিলাক
কথা লিখিছোঁ ।

১১ হে ভাইবিলাক, শেষতে তোমোলাকৰ মঙ্গল হওক। তোমোলাক ধৰ্ম্মত
সম্পূৰ্ণ হোৱা; সান্তনা যুক্ত হোৱা; একে মন হোৱা; মিল ৰূপ কুশলে থাকা;
তাতে প্ৰেম আৰু কুশলৰ ঈশ্বৰ তোমোলাকৰ লগত থাকিব । ১২ তোমো-
লাকে পবিত্ৰ চুমাৰে ইজনে সিজনে নমস্কাৰ কৰা। ১৩ পবিত্ৰ লোক সকলে
তোমোলাকক নমস্কাৰ কৰে । ১৪ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ, ঈশ্বৰৰ প্ৰেম,
আৰু পবিত্ৰ আত্মাৰ ভাগৰ ভোগ তোমোলাক সকলৈ হওক । [আমেন ।]

# গলাতীয়াবিলাকলৈ পৌলে লিখা পত্ৰ ।

## ১ অধ্যায় ।

**মানুহৰ** পৰা নহয়, মানুহৰ দ্বাৰায়ো নহয়, কিন্তু য়ীশু খ্ৰীষ্ট
আৰু তেওঁক মৰণৰ পৰা তোলা পিতৃ ঈশ্বৰৰ দ্বাৰাই
পঁাচনি যি পৌল, ২ ময় আৰু মোৰ লগত থকা ভাই সকলোএ গলাতী-
য়াৰ মণ্ডলী লোকলৈ পত্ৰ লিখিছোঁ । ৩ পিতৃ ঈশ্বৰ আৰু আমাৰ প্ৰভু
য়ীশু খ্ৰীষ্টৰ পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু কুশল হওক । ৪ তেৱেঁ
আমাৰ পিতৃ ঈশ্বৰৰ ইচ্ছাৰ দৰে আমাক এই বৰ্ত্তমান দুষ্ট সংসাৰৰ পৰা
উদ্ধাৰ কৰিবৰ নিমিত্তে আমাৰ পাপৰ কাৰণে আপোনাৰ প্ৰাণ দিলে ।
৫ সেই পিতৃ ঈশ্বৰৰ মহিমা সদাসৰ্ব্বদায় প্ৰকাশ হওক । আমেন ।
৬ যি জনাই তোমোলাকক খ্ৰীষ্টৰ অনুগ্ৰহলৈ আমন্ত্ৰণ কৰিছিল, তোমো-
লাকে যে এইমান বেগতেই তেওঁক এৰি আন শুভবাৰ্ত্তাত মন দিছা, ইয়াত
ময় আশ্চৰিত মানোঁ । ৭ সি অন্য শুভবাৰ্ত্তাও নহয়; কিন্তু তোমোলাকক
বিঘিনি কৰোঁতা আৰু খ্ৰীষ্টৰ শুভবাৰ্ত্তা ওলটাবলৈ ইচ্ছা কৰা, এনে কেত-
বিলাক আছে । ৮ কিন্তু আমি তোমোলাকৰ আগত যি শুভবাৰ্ত্তা কীৰ্ত্তন
কৰিলোঁ, তাত বাঝে আমি বা স্বৰ্গৰ দূতেও যদি আন শুভবাৰ্ত্তা কীৰ্ত্তন
কৰে, তেন্তে সি শাও পোৱা হওক । ৯ আগেয়ে যেনেকৈ কৈছিলোঁ, তে-
নেকৈ আকও কওঁ, তোমোলাকে যি শুভবাৰ্ত্তা গ্ৰহণ কৰিলা, তাত বাঝে
আন শুভবাৰ্ত্তা কোনোএ তোমোলাকৰ আগত যদি কীৰ্ত্তন কৰে, সি শাও
পোৱা হওক । ১০ ময় মানুহৰ সন্তোষলৈ এই কথা কৈছোঁ নে, নাইবা ঈশ্ব-
ৰৰ সন্তোষলৈ কৈছোঁ? ময় মানুহক তুষ্ট কৰিবলৈ কাৰ্বাৰ কৰিছোঁ নে?
ময় মানুহক তুষ্ট কৰা হোৱা হলে, খ্ৰীষ্টৰ সেৱক নহলোহেঁতেন ।
১১ হে ভাইবিলাক, যি শুভবাৰ্ত্তা মোৰ দ্বাৰাই কীৰ্ত্তন কৰা হৈছিল,
সেয়ে মানুহৰ মতে নহয়, ইয়াক তোমোলাকত বুঝাইছোঁ । ১২ ময় মানুহৰ
পৰা তাক পোৱাও নাই, শিকাও নাই; কিন্তু য়ীশু খ্ৰীষ্টৰ প্ৰকাশিত বাক্যৰ
দ্বাৰাই তাক পাইছিলোঁ । ১৩ ময় আগেয়ে য়িহুদি ধৰ্ম্মত যি ৰূপে আ-
চৰণ কৰিছিলোঁ, অৰ্থাৎ যি ৰূপে ঈশ্বৰৰ মণ্ডলীক অতিশয় তাৰণা দি

তাক নষ্ট কৰি আছিলোঁ, তাক তোমোলাকে শুনিলা। ১৪ আৰু উপৰি
পুৰুষে দিয়া আগৰ কথালৈ অতি উৎসাহী হৈ আপোন দেশী মোৰ অনেক
সমনিয়াবিলাকতকৈ য়িহুদি ধৰ্ম্মত নিপুণ হৈ আছিলোঁ। ১৫ কিন্তু জন্মৰ
আদিৰে পৰা যি ঈশ্বৰে মোক পৃথক কৰি ৰাখিলে, আৰু পাছে আপো-
নাৰ অনুগ্ৰহেৰে মোক আমন্ত্ৰণ কৰিলে, তেওঁৰ পুত্ৰৰ কথা ময় যেন কীৰ্ত্তন
কৰিম, ১৬ এই নিমিত্তে তেওঁ যেতিয়া আপোনাৰ পুত্ৰ মোৰ আগত প্ৰকাশ
কৰিবলৈ সন্তোষ হৈছিল, তেতিয়াই ময় মঙ্গহ তেজ হোৱা মানুহে সৈতে
আলচ নকৰিলোঁ; ১৭ আৰু মোতকৈ আগেয় নিযোজন কৰা য়িৰুছালমত থকা
পাঁচনিবিলাকৰ ওচৰলৈ যোৱা নাই; কিন্তু আৰব দেশলৈ গৈছিলোঁ, পাছে
আকও দামেচক নগৰলৈ আহিলোঁ। ১৮ আৰু তিনি বছৰৰ পাছে পিতৰক
দেখিবলৈ য়িৰুছালমলৈ গৈ তেওঁৰ লগত পোন্ধৰে দিন থাকিলোঁ; ১৯ কিন্তু
প্ৰভুৰ ভায়েক য়াকোবৰ বাহিৰে পাঁচনিবিলাকৰ আৰু কাকো নেদেখিলোঁ।
২০ তোমোলাকলৈ ময় যি কথা লিখিছোঁ, দেখা, সেইবিলাক কথা মিছা
নহয়, ময় ঈশ্বৰৰ আগত তাক কৈছোঁ। ২১ তাৰ পাছে চুৰিয়া আৰু কি-
লিকিয়া দেশলৈ গলোঁ, ২২ আৰু খ্ৰীষ্টত আশ্ৰয় লোৱা য়িহুদা দেশৰ
মণ্ডলী লোকে সৈতে চিনাকি হোৱা নাই; ২৩ কিন্তু যি জনে আগৰ কা-
লত আমাক তাৰণা কৰিছিল, সেই জনেই পূৰ্ব্বে নষ্ট কৰা ধৰ্ম্মৰ কথা
এতিয়া কীৰ্ত্তন কৰিছে, এই কথা মাথোন শুনিলে। ২৪ তাতে সিবিলাকে
মোৰ অৰ্থে ঈশ্বৰক স্তুতি কৰিলে।

## ২ অধ্যায়।

তাৰ পাছে চৈধ্য বছৰৰ মুৰত ময় তিতক লগত লৈ বৰ্ণবাই সৈতে য়িৰু-
ছালমলৈ আকও গলোঁ। ২ কিন্তু প্ৰকাশিত আজ্ঞাৰেহে তালৈ গৈছি-
লোঁ, আৰু যি শুভবাৰ্ত্তা ময় আন দেশী লোকৰ আগত কীৰ্ত্তন কৰোঁ,
তাকে সিবিলাকত জনালোঁ; কিন্তু যি যতন কৰোঁ বা কৰিছিলোঁ, সেয়ে
যেন কোনো ৰূপে বিফল নহয়, এই নিমিত্তে যশস্যা পোৱাবিলাকতহে
গুপুতে জনালোঁ। ৩ আৰু আমাক বশ কৰিবৰ আশয়েৰে য়ীশু খ্ৰীষ্টৰ
দ্বাৰাই আমি পোৱা যি শক্তি, তাকে চোৰাঙ্গকৈ চাবৰ ছলেৰে আমাৰ
মাঝলৈ অনা যি ভাঁৰি কোৱা ভাইবিলাক গুপুত ৰূপে সোমাল, ৪ সেইবি-
লাকৰ নিমিত্তেও আমাৰ লগৰ গ্ৰীক লোক যি তিত, তেওঁক চৰ্ম্মছেদন
কৰোৱা নহল। ৫ কিয়নো শুভবাৰ্ত্তাৰ সত্য ধৰ্ম্ম যেন তোমোলাকৰ লগত
থাকে, এই নিমিত্তে আমি এডাঁৰো সিবিলাকক ঠাই নিদিলোঁ। ৬ আৰু
যিবিলাক মান্যৱন্ত আছিল, সিবিলাক প্ৰধান হওক বা নহওক, তাত মোৰ
একো কাৰ্য্য নাই, ঈশ্বৰে কাকো চাটু নকৰে; সেই মান্যৱন্ত লোকে মোলৈ

একো কথা বৰ্হাই নিদিলে। ৭ কিন্তু চৰ্ম্মছেদন হোৱাবিলাকলৈ শুভবাৰ্ত্তা
কীৰ্ত্তন কৰাৰ ভাৰ যেনেকৈ পিতৰক দিয়া হৈছে, তেনেকৈ চৰ্ম্মছেদন নো-
হোৱাবিলাকলৈ কীৰ্ত্তন কৰাৰ ভাৰ মোকো দিয়া হৈছে, ইয়াকে দেখিলে;
৮ কিয়নো যি জনাই চৰ্ম্মছেদী লোকলৈ পাঁচনি কৰ্ম্ম পিতৰৰ দ্বাৰাই সিদ্ধি
কৰিলে, তেৱেঁই বিদেশী লোকলৈ মোৰো দ্বাৰাই সেই কৰ্ম্ম সিদ্ধি কৰিলে।
৯ পাছে আমি যেন বিদেশী লোকলৈ যাওঁ, আৰু সিবিলাকে যেন চৰ্ম্মছে-
দন হোৱা লোকলৈ যাই, এই নিমিত্তে স্তম্ভৰ দৰে হোৱা য়াকোব, আৰু
কৈফা, আৰু য়োহান, সিবিলাকে মোক দিয়া অনুগ্ৰহ দেখি, মোক আৰু
বৰ্ণাবাক সিবিলাকৰ লগৰ সহায়ৰ ভাগী বুলি সোঁ হাত দিলে। ১০ আৰু
দৰিদ্ৰ লোকক যেন সোঁৱৰোঁ, ইয়াকে মাথোন কলে; ময়ো সেই কথাত
উদ্যোগী আছিলোঁ।

১১ তাৰ পাছে যেতিয়া পিতৰ আন্তিয়খিয়ালৈ আহিল, তেতিয়া তেওঁ
দুষী হোৱাত ময় সন্মুখে তেওঁক দোষ ধৰিলোঁ। ১২ কিয়নো য়াকোবৰ
ওচৰৰ পৰা জনচাৰেক লোক অহাৰ আগেয়ে তেওঁ বিদেশী লোকৰ লগত
খোৱা বোৱা কৰিলে; কিন্তু সিবিলাক আহিলত চৰ্ম্মছেদী লোকলৈ ভয় কৰি
সেই খোৱা বোৱা এৰি পৃথক হৈ থাকিল। ১৩ আৰু আন আন য়িহুদিবি-
লাকেও তেওঁৰে সৈতে এনে ভাণ্ডনাৰে আচৰণ কৰিলে; তাতে বৰ্ণাবাও সিবি-
লাকৰ ভাণ্ডনাৰে ভুলুৱা হল। ১৪ কিন্তু সিবিলাকে যে শুভবাৰ্ত্তাৰ সত্যৰ দৰে
স্বৰূপ মতে আচৰণ কৰা নাই, ইয়াকে দেখি ময় সকলোৰে আগতে পিত-
ৰত কলোঁ, তুমি আপুনি য়িহুদি হৈ, যদি য়িহুদি মতৰ দৰে নাচৰি বি-
দেশী লোকৰ দৰে আচৰণ কৰা, তেন্তে বিদেশী লোকক য়িহুদিবিলাকৰ
মতৰ দৰে কিয় আচৰণ কৰোৱাইছা? ১৫ বিধানৰ কৰ্ম্মেৰে মানুহক পুণ্যৱন্ত
লিখা নহয়, কিন্তু অকল য়ীশু খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাইহে পুণ্যৱন্ত হয়,
ইয়াকে জানি, য়িহুদি বঙ্গহত জন্মা আৰু বিদেশী লোকৰ নিচিনা পাপী
নোহোৱা যি আমি, ১৬ আমিও বিধানৰ কৰ্ম্মেৰে পুণ্যৱন্ত লিখা নহৈ খ্ৰীষ্টত
বিশ্বাসেৰে যেন পুণ্যৱন্ত লিখা হম, এই নিমিত্তে য়ীশু খ্ৰীষ্টত বিশ্বাস কৰি-
লোঁ; কিয়নো বিধানৰ কৰ্ম্মৰ দ্বাৰাই কোনো প্ৰাণী পুণ্যৱন্ত লিখা হব
নোৱাৰে। ১৭ কিন্তু খ্ৰীষ্টৰ দ্বাৰাই আমি পুণ্যৱন্ত লিখা হবলৈ কাৰ্বাৰ
কৰিও যদি আপুনি পাপী হওঁ, তেন্তে খ্ৰীষ্ট পাপৰ সেৱক হয় নে? কোনো
মতেও নহয়। ১৮ আৰু ময় যিহকে ভাঙ্গিলোঁ, তাকে যদি আকও সাজোঁ,
তেন্তে ময় আপোনাকে দুষী কৰিছোঁ। ১৯ ময় ঈশ্বৰৰ সমন্ধলৈ জীবৰ নি-
মিত্তে বিধানৰ দ্বাৰাই বিধানৰ সমন্ধলৈ মৰা হৈছোঁ। ২০ খ্ৰীষ্টে সৈতে
পেৰেঙ্গণিত মৰা হৈছোঁ, তথাপি জীয়াই আছোঁ; ময়হে জীছোঁ, এনে নহয়,
কিন্তু খ্ৰীষ্টেহে মোত জীয়াই আছে। আৰু মোক প্ৰেম কৰি মোৰ নিমিত্তে
আপোনাৰ প্ৰাণ এৰি দিলে যি ঈশ্বৰৰ পুত্ৰ, তেওঁত বিশ্বাস কৰিহে ময়

এতিয়া শৰীলেৰে ভোগ কৰা যি জীৱন, সেই জীৱন ভোগ কৰিছোঁ ।
২১ এতেকে ময় ঈশ্বৰৰ অনুগ্ৰহ বিফল নকৰোঁ; কিয়নো বিধানৰ দ্বাৰাই
যদি পুণ্য হয়, তেন্তে খ্ৰীস্টে অকাৰণতে প্ৰাণ এৰিলে ।

## ৩ অধ্যায় ।

হে নিৰ্বুদ্ধি গলাতীয়া লোক, তোমোলাকৰ চকুৰ আগত য়ীশু খ্ৰীষ্টক পে-
ৰেঙ্গণিত মৰাৰ কথা প্ৰকাশ ৰূপে দেখুউৱা হোৱাতো [তোমোলাকে যে সত্যক
নেমানা,] তোমোলাকৰ মনত নো কোনে এনে মায়া লগাইছে? ২ ময় তোমো-
লাকত এই কথা মাথোন সুধিব খুজিছোঁ, তোমোলাকে যি আত্মা পাইছিলা,
তেওঁক বিধানৰ কৰ্ম্মৰ দ্বাৰাই পাইছিলা নে, নাইবা বিশ্বাসৰ কথা শুনাৰ
দ্বাৰাইহে পাইছিলা? ৩ তোমোলাক এইমান অজ্ঞানী নে? আত্মাৰ ধৰ্ম্মত
আৰম্ভণ কৰি, এতিয়া শৰীলৰ ধৰ্ম্মেৰে সিদ্ধি হৈছা নে? ৪ তেন্তে তোমো-
লাকে অনৰ্থক ৰূপে এইমান দুঃখ ভোগ কৰিলা নে? সি জানোঁ অনৰ্থক ।
৫ তোমোলাকৰ আগত আশ্চৰিত কৰ্ম্ম কৰি, যি জনে তেমোলাকক আত্মা
দান কৰে, সেই জনে বিধানৰ কৰ্ম্মৰ দ্বাৰাই কৰে নে, নাইবা বিশ্বাসেৰে
শুনাৰ দ্বাৰাইহে কৰে? ৬ এই ৰূপে আব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰাত
সেয়ে তেওঁলৈ পুণ্য বুলি গণতি কৰা হৈছিল । ৭ এই হেতুকে যিবিলাক
বিশ্বাসৰ, সিবিলাক আব্ৰাহামৰ সন্তান, ইয়াক নিশ্চয়ে জানিবা । ৮ ঈশ্বৰে
বিদেশী লোকক বিশ্বাসৰ দ্বাৰাই পুণ্যৱন্ত বুলি লিখিব, ইয়াক আগেয়ে
জানি, তোমাৰ দ্বাৰাই সকলো বিদেশী লোকে আশীৰ্ব্বাদ পাব, শাস্ত্ৰে আব্ৰা-
হামত এই শুভবাৰ্ত্তা প্ৰকাশ কৰিলে । ৯ এতেকে যিবিলাক বিশ্বাসৰ হয়,
সিবিলাকে বিশ্বাসী আব্ৰাহামে সৈতে আশীৰ্ব্বাদ পোৱা হৈছে; ১০ কিন্তু
যিবিলাক বিধানৰ কৰ্ম্মৰ অধীন, সেইবিলাক শাও পোৱা হয়; কিয়নো
এনে লিখা আছে, বিধানৰ পুথিত লিখা যি কৰ্ম্ম, সেই সকলো কৰ্ম্ম যি
জনে নিছিদ্ৰ ৰূপে পালন নকৰে, সি শাও পোৱা হয় । ১১ এই হেতুকে
বিধানৰ কৰ্ম্মৰ দ্বাৰাই কোনো মানুহে যে ঈশ্বৰৰ আগত পুণ্যৱন্ত লিখা হব
নোৱাৰে, সেয়ে প্ৰকাশ হৈ আছে; কিয়নো পুণ্যৱন্ত জন বিশ্বাসৰ দ্বাৰাই
জীব । ১২ বিধানে সৈতে বিশ্বাসৰ সমন্ধেই নাই; কিন্তু যি জনে বিধানৰ কৰ্ম্ম
পালন কৰে, সি তাৰ দ্বাৰাইহে জীব । ১৩ আৰু খ্ৰীষ্টৰ দ্বাৰাই আব্ৰাহা-
মৰ আশীৰ্ব্বাদ যেন বিদেশী লোকৰ ওপৰলৈ আহে, আৰু আমি বিশ্বাসৰ
দ্বাৰাই প্ৰতিজ্ঞা হোৱা আত্মা যেন পাওঁ, ১৪ এই নিমিত্তে খ্ৰীষ্টে আমাৰ
কাৰণে আপুনি শাও পোৱা হৈ, বিধানৰ শাপৰ পৰা আমাক মুকুত
কৰিলে; তাতে এনে লিখাও আছে, যি জনক গছত অৰা হয়, সি শাও
পোৱা হয় । ১৫ হে ভাইবিলাক, ময় মানুহৰ মতে কৈছোঁ, কেৱল মানু-

হৰ নিয়ম হলেও, যদি তাক থিৰ কৰা হয়, পাছে কোনেও তাক ভাঙ্গিব
বা বৰ্হাবও নোৱাৰে। ১৬ আব্ৰাহাম আৰু তেওঁৰ বঙ্গহলৈ প্ৰতিজ্ঞাবি-
লাক কোৱা হৈছিল; অনেকলৈ কোৱাৰ দৰে বঙ্গহবিলাক বুলি কোৱা নাই;
এজনলৈ কোৱাৰ দৰে বঙ্গহ বুলিহে কৈছে; সেই বঙ্গহ খ্ৰীষ্ট। ১৭ এই
হেতুকে ময় ইয়াকে কৈছোঁ, যি নিয়ম পূৰ্ব্বে থিৰ কৰা হল, তাৰ পাছে
চাৰি শ ডেৰ কুৰি বছৰৰ মুৰত হোৱা যি বিধান, সি সেই নিয়ম লোপ
কৰি ঈশ্বৰৰ প্ৰতিজ্ঞা বিফল কৰিব নোৱাৰে। ১৮ আশীৰ্ব্বাদ যদি বি-
ধানৰ দ্বাৰাই হয়, তেন্তে প্ৰতিজ্ঞাৰ দ্বাৰাই নহয়; কিন্তু ঈশ্বৰে প্ৰতিজ্ঞাৰ
দ্বাৰাই আব্ৰাহামক তাক দিলে। ১৯ তেন্তে বিধানৰ কি ফল? যি বঙ্গ-
হৰ অৰ্থে প্ৰতিজ্ঞা কৰা হল, তেওঁ অহা কাললৈকে পাপ নিবাৰণৰ নি-
মিত্তে দূতবিলাকৰ দ্বাৰাই এজন সমজুৱাৰ হাতত বিধান থাপন কৰা হৈ-
ছিল। ২০ অকল এজনত সমজুৱাৰ প্ৰয়োজন নাই, কিন্তু ঈশ্বৰ এজনহে।
২১ তেন্তে বিধান ঈশ্বৰৰ প্ৰতিজ্ঞাৰ বিৰোধ হয় নে? কোনো মতেও নহয়।
কিয়নো পৰম আয়ুষ দিব পৰা বিধান দিয়া হোৱা হলে, সেই বিধানৰ দ্বা-
ৰাই পুণ্য পোৱা হলহেঁতেন। ২২ কিন্তু য়ীশু খ্ৰীষ্টত বিশ্বাসৰ দ্বাৰাই যি
প্ৰতিজ্ঞা আছে, তাৰ ফল বিশ্বাস কৰাবিলাকত যেন ঘটে, এই নিমিত্তে
শাস্ত্ৰে সকলোকে পাপৰ অধীনকৈ লিখিছে। ২৩ কিন্তু বিশ্বাস অহাৰ আ-
গেয়ে আমি বিধানৰ অধীন হৈ, পাছে প্ৰকাশ হব লগা সেই বিশ্বাসৰ
দিনলৈকে বন্ধন হৈ আছিলোঁ। ২৪ এই ৰূপে আমি যেন পুণ্যৱন্ত লিখা
হওঁ, সেই নিমিত্তে খ্ৰীষ্টৰ দিনলৈকে বিধানেই আমাৰ ওজা হৈছিল।
২৫ কিন্তু এতিয়া বিশ্বাস আহিলত, আমি আৰু সেই ওজাৰ অধীন হৈ
নেথাকোঁ। ২৬ য়ীশু খ্ৰীষ্টত বিশ্বাস কৰাত তোমোলাক সকলো ঈশ্বৰৰ
সন্তান হৈছা। ২৭ তোমোলাকৰ যি যি মানুহক খ্ৰীষ্টৰ নামেৰে বুৰ দিওৱা
হয়, সেই সকলোএ খ্ৰীষ্টক পিন্ধা হৈ আছে। ২৮ এই কথাত য়িহুদি হোৱা,
বা গ্ৰীক হোৱা, স্বাধীন বা বন্দী, পুৰুষ বা তিৰী হোৱা, এনে নহয়; য়ীশু
খ্ৰীষ্টত তোমোলাক সকলোএ একে হোৱা। ২৯ আৰু তোমোলাক যদি
খ্ৰীষ্টৰ হোৱা, তেন্তে তোমোলাক আব্ৰাহামৰ সন্তান, আৰু প্ৰতিজ্ঞাৰো ভাগী
হৈছা।

## ৪ অধ্যায়।

ময় এই কথা কৈছোঁ, অধিকাৰী পুত্ৰ যেতে দিন বয়সীয়া নহয়, তেতে দিন
সকলোৰে গৰাকী হলেও, ২ পিতৃএ নিশ্চয় কৰা কাললৈকে ওজা আৰু গৰা-
কীৰ অধীনে থকাত, তেওঁত আৰু বন্দীত একো প্ৰভেদ নাই। ৩ তেনেকৈ আ-
মিও লৰা কালত সংসাৰিক শিক্ষাৰ অধীন আছিলোঁ; ৪ কিন্তু পাছে কাল

সম্পূৰ্ণ হলত বিধানৰ অধীন হোৱাবিলাকক মুকুত কৰি আমাক যেন তো-
লনীয়া পো কৰা হয়, ৫ এই নিমিত্তে ঈশ্বৰে আপোনাৰ পুত্ৰক তিৰীৰ
গৰ্ভত জন্মাই, বিধানৰ অধীন কৰি পঠাই দিলে। ৬ তোমোলাক ঈশ্বৰৰ
পুত্ৰ হোৱা হেতুকে যি আত্মাৰ দ্বাৰাই ঈশ্বৰক আব্বা পিতৃ বুলি মাতা,
তেওঁৰ পুত্ৰৰ সেই আত্মাকে তেওঁ তোমোলাকৰ হৃদয়লৈ পঠাই দিলে।
৭ এই হেতুকে এতিয়াৰ পৰা তুমি আৰু বন্দী নহৈ পুত্ৰ হোৱা; আৰু পুত্ৰ
হলে, তেন্তে খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰৰ ভাগীও হৈছা। ৮ পূৰ্ব্বে যেতিয়া ঈশ্বৰক
নেজানিছিলা, তেতিয়া যিবিলাক স্বভাৱেৰে ঈশ্বৰ নহয়, সিবিলাকক সেৱা কৰি
আছিলা; ৯ কিন্তু এতিয়া তোমোলাকে ঈশ্বৰক জানা, আৰু তাতকৈয়ো
ঈশ্বৰেও জনা হৈছা, তেন্তে এই বিফল আৰু হীন হোৱা শিক্ষালৈ উলটি,
আৰু বাৰ তাৰ বশ হবলৈ কেনেকৈ বাঞ্ছা কৰা? ১০ বিশেষ বিশেষ দিন,
আৰু মাহ, তিথি, বছৰ আদি কৰি মানিছা; ১১ তাতে তোমোলাকৰ
নিমিত্তে ময় যি পৰিশ্ৰম কৰিলোঁ, সেয়ে জানোঁ বিফল হয়, তোমোলাকৰ
অৰ্থে মোৰ এই ভয় আছে।

১২ হে ভাইবিলাক, বিনয় কৰি কৈছোঁ, ময় যেনে, তোমোলাকো তেনে
হবা, কিয়নো তোমোলাক যেনে, ময়ো তেনে হৈছোঁ; তোমোলাকে মোৰ
একো হানি কৰা নাই। ১৩ প্ৰথমতে ময় শৰীল নিৰ্ব্বলী হৈ তোমোলাকৰ
আগত শুভবাৰ্ত্তা কীৰ্ত্তন কৰিলোঁ, তাক তোমোলাকে জানিছা। ১৪ আৰু
মোৰ শৰীলত পৰীক্ষাৰ নিমিত্তে যি দুঃখ আছিল, তাকে দেখি তোমো-
লাকে হেলা কৰি মোক অগ্ৰাহ্য নকৰিলা, কিন্তু ঈশ্বৰৰ দূত আৰু য়ীশু
খ্ৰীষ্টৰ নিচিনাকৈ মোক গ্ৰহণ কৰিলা। ১৫ তেতিয়া তোমোলাকৰ কেনে
আনন্দ হৈছিল! কিয়নো তোমোলাকৰ অৰ্থে ময় এই প্ৰমাণ দিব পাৰোঁ,
সাধ্য হোৱা হলে তোমোলাকে মোক আপোন আপোন চকুকো কাঢ়ি
উলিয়াই দিলাহেঁতেন। ১৬ এতিয়া তোমোলাকত সত্য কথা কোৱাত ময়
তোমোলাকৰ শত্ৰু হৈছোঁ নে? ১৭ সেই লোকে তোমোলাকৰ উৎসাহ
কৰাইছে হয়, কিন্তু উত্তম ৰূপে নহয়; কিয়নো তোমোলাকে যেন সিবিলা-
কলৈ উৎসাহী কৰা হোৱা, এনে আশয়েৰে তোমোলাকক বাহিৰ কৰিবলৈ
ইচ্ছা কৰে। ১৮ উত্তমলৈ সদাই উৎসাহ হৈ থকা উচিত; ময় তোমোলাকৰ
লগত থাকোঁতেহে, এনে নহয়, সদাই উচিত। ১৯ হে মোৰ লৰাটিহঁত, যে-
তিয়ালৈকে তোমোলাকৰ হৃদয়ত খ্ৰীষ্টৰ আকাৰ উৎপন্ন নহয়, তেতিয়ালৈকে
তোমোলাকৰ নিমিত্তে আকও প্ৰসৱৰ বেদনা ভোগ কৰিছোঁ। ২০ আৰু
তোমোলাকৰ ওচৰলৈ গৈ আন মাতেৰে কথা কবলৈ ইচ্ছা কৰোঁ; কিয়নো
তোমোলাকৰ কথাত ময় সংশয় কৰি আছোঁ।

২১ বিধানৰ অধীন হব খোজা যি তোমোলাক, তোমোলাকত সুধিছোঁ,
বিধানৰ কথা তোমোলাকে নুশুনা নে? ২২ এনে লিখা আছে, আব্ৰাহামৰ

দুই পুত্র আছিল; বেটীৰ গৰ্ভত ওপজা এজন, স্বতন্ত্র ভাৰ্য্যাৰ গৰ্ভত ওপজা
এজন । ২৩ বেটীৰ যি জন, সি সংসাৰিক ৰূপে জন্মোৱা হৈছিল; কিন্তু
স্বতন্ত্র জনাৰ যি জন, সি প্ৰতিজ্ঞাৰে জন্মিল । ২৪ এইবিলাক কথা পটন্তৰ
হয়; অৰ্থাৎ এই দুই তিৰীএই দুই নিয়ম হৈছে; ইয়াৰ মাঝত চিনয়
পৰ্ব্বতৰ পৰা দিয়া হৈ বন্দী কৰোৱা যি নিয়ম, সেই নিয়মৰ উপমা হাগাৰ;
২৫ কিয়নো সেই হাগাৰৰ অৰ্থ আৰব দেশৰ চিনয় পৰ্ব্বতক বুঝাই, আৰু
আপোনাৰ লৰাইঁতে সৈতে বন্দী হৈ থকা এই কালৰ য়িৰুছালম নগৰকো
বুঝাই । ২৬ কিন্তু আমাৰ [সকলোৰে] মাতৃ যি স্বৰ্গত থকা য়িৰুছালম,
সেয়ে সেই স্বতন্ত্র ভাৰ্য্যা । ২৭ এনে লিখাও আছে, হে লৰা নোপজোৱা
বাঁজী, তুমি আনন্দিত হোৱা; হে প্ৰসও নকৰা তিৰোতা, তুমি এৰাৰেৰে
জয়ধ্বনি কৰা; কিয়নো পতি থকা জনীৰ লৰাতকৈ অনাথ জনীৰ লৰা অধিক
হৈছে । ২৮ হে ভাইবিলাক, ইচাক যি ৰূপে প্ৰতিজ্ঞাৰ সন্তান, সেই ৰূপে
আমিও হৈছোঁ । ২৯ কিন্তু তেতিয়া সংসাৰিক ৰূপে যিটোএ জন্ম পালে,
সি যেনেকৈ আত্মাৰ পৰা জন্ম পোৱাটক তাৰণা কৰিলে, তেনেকৈ এতি-
য়াও কৰা হৈছে । ৩০ কিন্তু শাস্ত্রে কি কৈছে? বেটী আৰু তাইৰ পুতেকক
বাহিৰ কৰা: কিয়নো স্বতন্ত্র ভাৰ্য্যাৰ পুতেকে সৈতে বেটীৰ পুতেক অধি-
কাৰৰ ভাগী নহব । ৩১ এয়েৰেই হে ভাইবিলাক, আমি বেটীৰ সন্তান
নহৈ স্বতন্ত্র ভাৰ্য্যাৰ সন্তান হওঁ ।

## ৫ অধ্যায় ।

এই হেতুকে খ্ৰীষ্টে যি ৰূপ মুক্তিয়েৰে আমাক মুকুত কৰিলে, সেই মুক্তিতে
থিৰ হৈ থাকা, আৰু বন্দী কৰা যুঁৱলিৰে পুনৰ বন্ধন নহবা । ২ দেখা,
ময় পৌলে তোমোলাকত কৈছোঁ, যদি চৰ্ম্মছেদী হোৱা, তেন্তে খ্ৰীষ্টৰ
দ্বাৰাই তোমোলাকৰ একো লাভ নহব । ৩ আৰু চৰ্ম্মছেদনৰ মত লোৱা
সকলোকে আকও প্ৰমাণ দিছোঁ, সিবিলাকে বিধানৰ সকলোকে পালন
কৰিবলৈ ধৰুৱা হৈ আছে । ৪ তোমোলাকৰ মাঝত যি কোনো লোক
বিধানৰ দ্বাৰাই পুণ্যৱন্ত কৰা হৈছে, সি খ্ৰীষ্টৰ অনুগ্ৰহৰ পৰা খহি
পৰাত তাৰে সৈতে খ্ৰীষ্টৰ একো সমন্ধ নাই । ৫ কিয়নো আমি আত্মাৰ
দ্বাৰাই বিশ্বাসৰ পুণ্যৰ আশালৈ বাট চাই আছোঁ । ৬ য়ীশু খ্ৰীষ্টৰ ধৰ্ম্মত
চৰ্ম্মছেদনৰ একো সিদ্ধি নাই, অচৰ্ম্মছেদন হোৱাৰো সিদ্ধি নাই; কিন্তু প্ৰেমে-
ৰে শক্তিমন্ত হোৱা যি বিশ্বাস, তাৰেই সিদ্ধি হয় । ৭ তোমোলাকে সত্য
পথত ভালকৈ লৰিছিলা; কিন্তু তোমোলাকে যে পাছে আৰু সত্য নেমানা,
কোনে তোমোলাকক বাধা কৰিছে? ৮ যি জনাই তোমোলাকক নিমন্ত্রণ
কৰিছে, তেওঁৰ পৰা এনে মতি দিয়া নহয় । ৯ অলপ খমিৰেৰে গোটেই

ডোখৰ পিঠা ফুলুৱা হৈছে। ১০ তোমোলাকে আন একো মন নকৰিবা,
খ্ৰীষ্টৰ দ্বাৰাই তোমোলাকত মোৰ এনে বিশ্বাস আছে; কিন্তু যি জনে
তোমোলাকক অথিৰ কৰে, যি কোনো হওক, সি আপোন কৰ্ম্মৰ প্ৰতি-
ফল পাব। ১১ হে ভাইবিলাক, ময় চৰ্ম্মছেদনৰ বিধি যদি প্ৰচাৰ কৰোঁ,
তেন্তে এই ৰূপ তাৰণা এতিয়া কিয় ভোগ কৰিছোঁ? তাক কৰা হলে পেৰেঙ্গ-
ণিৰ বিঘিনি গুছিলহেঁতেন। ১২ যিবিলাকে তোমোলাকৰ মন অথিৰ
কৰে, সিবিলাকক যেন বাহিৰ কৰা হয়, এই মোৰ বাঞ্ছা। ১৩ হে ভাই-
বিলাক, তোমোলাকে মুক্তি পাবৰ নিমিত্তে আমন্ত্ৰণ কৰা হৈছা; তথাপি
সেই মুক্তিক ছল কৰি ইন্দ্ৰিয়ৰ অভিলাষ পূৰ নকৰিবা, কিন্তু প্ৰীতিৰ
দ্বাৰাই ইজনে সিজনে সুশ্ৰূষা কৰা। ১৪ কিয়নো তোমাৰ চুবুৰিয়াক আ-
পোনাৰ নিচিনাকৈ প্ৰেম কৰা, এই এক আজ্ঞা পালন কৰিলে, সকলো
বিধান পালন কৰা হয়। ১৫ কিন্তু তোমোলাকে যদি ইজনে সিজনে কা-
মোৰা কামুৰি কৰা, তেন্তে ইটে সিটে যেন বিনাশ নোহোৱা তালৈ সাৱ-
ধান হোৱা।

১৬ ময় ইয়াকে কৈছোঁ, তোমোলাকে আত্মাৰ দৰে আচৰণ কৰা, তাতে
সংসাৰিক অভিলাষ সিদ্ধি নকৰিবা। ১৭ সংসাৰিক স্বভাৱে আত্মাৰ বি-
ৰোধ কৰে; আৰু আত্মাই সংসাৰিক স্বভাৱৰ বিৰোধ কৰে; এই দুয়ো
ইটে সিটে বিৰোধ হোৱাত তোমোলাকৰ যি কৰ্ম্মলৈ ইচ্ছা হয়, তাকে কৰিব
নোৱাৰা। ১৮ কিন্তু আত্মাৰ দ্বাৰাই যদি চলাই নিয়া হোৱা, তেন্তে তো-
মোলাক বিধানৰ অধীন নোহোৱা। ১৯ কিন্তু [পৰত্তিৰী হৰণ,] বেশ্যা-
গমন, অশুচি কৰ্ম্ম, কাম অভিলাষ, ২০ মূৰ্ত্তি পূজা, মায়া কৰা, খিয়াল,
বিৰোধ, অসূয়া, খঙ্গ, দন্দ, দ্ৰোহ, বিধৰ্ম্ম আচৰণ, ঈৰ্ষা, বধ, মতলিয়া
হোৱা, লুম্পট কৰা, এই সকলো প্ৰকাশ ৰূপে সংসাৰিক কৰ্ম্ম হয়।
২১ এই সকলোৰে কথাত যেনেকৈ আগেয়ে তোমোলাকত কৈছিলোঁ, তেনে-
কৈ এতিয়াও কৈছোঁ, যিবিলাকে এনে কৰ্ম্ম কৰে, সিবিলাক ঈশ্বৰৰ ৰাজ্যৰ
ভাগী হব নোৱাৰে। ২২ কিন্তু প্ৰেম, আনন্দ, কুশল, সহন, নম্ৰ মন, হিত
চিন্তা, বিশ্বাস, মৃদু ভাও, পৰিমাণ ভোগ, ২৩ এই সকলো আত্মাৰ ফল;
এনে কৰ্ম্মৰ বিৰোধে কোনো বিধান নাই। ২৪ আৰু যিবিলাক খ্ৰীষ্টৰ
হয়, সিবিলাকে কাম অভিলাষেৰে সৈতে ইন্দ্ৰিয়ক পেৰেঙ্গণিত বধ কৰিলে।
২৫ আমি যদি আত্মাত জীয়াই থাকোঁ, তেন্তে আহাঁ, ২৬ অহঙ্কাৰী হৈ ইটে
সিটে খঙ্গ তোলা আৰু অসূয়া নকৰি, আত্মাৰ দৰে আচৰণ কৰোঁহঁক।

## ৬ অধ্যায়।

হে ভাইবিলাক, তোমোলাকৰ কোনো মানুহ যদি দোষত পৰে, তেন্তে পৰ-
মাৰ্থিক যি তোমোলাক, তোমোলাকে নম্র মনেৰে সেই জনক আকও ধৰ্ম্মৰ
পথত থিৰ কৰা; পাছে জানো তোমোলাকো পৰীক্ষাত পৰা, তালৈ সাৱধান
হোৱা। ২ তোমোলাকে ইটে সিটৰ ভাৰ বৈ খ্ৰীষ্টৰ আজ্ঞা সিদ্ধি কৰা।
৩ কোনো মানুহ একো নহৈয়ো যদি আপোনাক বৰ বুলি মানে, সি আ-
পুনিএই আপোনাক ভুল কৰে। ৪ কিন্তু প্ৰতি জনে আপোনাৰ কৰ্ম্মৰ
পৰীক্ষা কৰোক, তেহে সি অন্যৰ পৰা নহয়, আপোনাৰ পৰাহে সলাগৰ
কাৰণ পাব; ৫ কিয়নো প্ৰতি জনে আপোনাৰ ভাৰ বব।
৬ যি জনে বাক্যৰ উপদেশ পোৱা হয়, সি উপদেশ দিয়া জনক আপো-
নাৰ সকলো ভাল বস্তুৰ ভাগ দান কৰোক। ৭ তোমোলাক ভ্ৰম নহবা, ঈশ্ব-
ৰক ভাণ্ডনা কৰা নহয়; মানুহে যিহকে বয়, তাকেহে দাবলৈ পাই। ৮ যি
জনে শৰীলৰ নিমিত্তে বয়, সি শৰীলৰ পৰা বিনাশ দাব; কিন্তু যি জনে
আত্মাৰ নিমিত্তে বয়, সি আত্মাৰ পৰা অনন্ত পৰম আয়ুষ দাব। ৯ আৰু
সজ কৰ্ম্ম কৰোঁতে আমি ভাগৰ নেমানোঁহঁক; কিয়নো শ্ৰান্ত নহলে উচিত
সময়ত শহ দাবলৈ পাম। ১০ এই হেতুকে আহাঁ, শুভক্ষণ পালে সকলো
লোকক, বিশেষকৈ পৰিয়াল স্বৰূপ বিশ্বাসীবিলাকক হিত কৰ্ম্ম কৰোঁহঁক।
১১ ময় আপোন হাতেৰে কেনে ডাঙ্গৰ পত্ৰ লিখিলোঁ, তাক তোমো-
লাকে দেখিছা। ১২ যিমান লোকে সংসাৰৰ মতে সুখ্যাতি ধৰ্ম্ম দেখাব
খোজে, তিমান লোকে তোমোলাকক চৰ্ম্মছেদন কৰিবলৈ আজ্ঞা দিএ। কিন্তু
সিবিলাকে যেন খ্ৰীষ্টৰ পেৰেঙ্গণিৰ অৰ্থে তাৰণা নেপাই, অকল এই নি-
মিত্তেহে তাকে কৰে। ১৩ কিয়নো চৰ্ম্মছেদী হোৱাবিলাকে আপুনিও
বিধান পালন নকৰে, কিন্তু তোমোলাকৰ শৰীলত সিবিলাকে যেন প্ৰশংসা
সা কৰে, এই নিমিত্তে তোমোলাক চৰ্ম্মছেদী হবলৈ সিবিলাকৰ ইচ্ছা।
১৪ কিন্তু আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পেৰেঙ্গণিত বাঝে আন কোনো কথা-
তেই ময় কোনো মতেও প্ৰশংসা কৰা নহওক; কাৰণ সেই পেৰেঙ্গণিৰ দ্বাৰাই
সংসাৰৰ সমন্ধলৈ ময়, মোৰ সমন্ধলৈ সংসাৰো মৰা হৈছে। ১৫ কিয়-
নো য়ীশু খ্ৰীষ্টত চৰ্ম্মছেদনে একো সিদ্ধি নকৰে, অচৰ্ম্মছেদনেও নকৰে;
কিন্তু নতুন সৃষ্টিয়েহে কৰে। ১৬ আৰু যেতেক লোকে এই বিধিৰ দৰে
প্ৰবৰ্ত্তন কৰে, সিবিলাকৰ আৰু ঈশ্বৰৰ ইস্ৰায়েল লোকৰ ওপৰতো কুশল
আৰু অনুগ্ৰহ হওক। ১৭ এতিয়াৰ পৰা কোনো মানুহে মোক বেঝাৰ
নিদিওক; কিয়নো ময় আপোনাৰ শৰীলত প্ৰভু য়ীশুৰ চিন লৈ ফুৰি-
ছোঁ। ১৮ হে ভাইবিলাক, আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমোলাকৰ
আত্মাৰ লগত থাকোক। আমেন।

# এফেচীবিলাকলৈ পৌলে লিখা পত্ৰ ।

## ১ অধ্যায় ।

ঈশ্বৰৰ ইচ্ছাৰে য়ীশু খ্ৰীষ্টৰ পাঁচনি পৌলে এফেচত থকা
পবিত্ৰ আৰু য়ীশু খ্ৰীষ্টত বিশ্বাস কৰা লোকলৈ পত্ৰ
লিখিছে । ২ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ পৰা তোমো-
লাকলৈ অনুগ্ৰহ আৰু কুশল হওক ।

৩ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰ ধন্য; তেওঁ জগত সৃষ্টি কৰাৰ
আগেএ আপোনাৰ আগত প্ৰেমেৰে পবিত্ৰ আৰু নিৰ্দুষী কৰিবৰ নিমিত্তে
৪ আমাক খ্ৰীষ্টত মনোনীত কৰি, তেওঁৰ দ্বাৰাই স্বৰ্গৰ সকলো পৰমাৰ্থিক
আশীৰ্ব্বাদেৰে মঙ্গল পোৱা কৰিলে । ৫ তেৰেঁই আপোনাৰ প্ৰতাপী অনু-
গ্ৰহৰ যশস্যা প্ৰকাশ কৰিবলৈ মনৰ ইচ্ছাৰ দৰে য়ীশু খ্ৰীষ্টৰ দ্বাৰাই আ-
পোনাৰ তোলনিয়া পুত্ৰৰ বাব পাবলৈ আমাক নিযোজন কৰিলে; ৬ আৰু
আপোনাৰ সেই ঐশ্বৰ্য্যৱন্ত অনুগ্ৰহৰ দৰে যি জনাৰ তেজেৰে আমি
মুক্তি অৰ্থাৎ পাপৰ পৰা মোচন পালোঁ, ৭ সেই প্ৰিয় জনাৰ আশ্ৰয়তে
আমাকো প্ৰিয় মানিছে; ৮ আৰু সেই অনুগ্ৰহেৰে আমাক সকলো জ্ঞান
আৰু সুবিবেচনা অপৰিমাণ ৰূপে দান কৰিলে । ৯ আৰু আপোনাৰ
ইচ্ছাৰে তেওঁ যি গোপনীয় কথা মনত থিৰ কৰিছিল, অৰ্থাৎ সম্পূৰ্ণ যুগৰ
নিয়ম, সেই কালত স্বৰ্গত হওক বা পৃথিবীতেই হওক, সকলোকে খ্ৰীষ্টত
গোটাই থব, সেই গোপনীয় কথা আমাক বুজালে । ১০ আৰু আপোনাৰ
ইচ্ছাৰে মন্ত্ৰণা কৰি যি জনাই সকলো কৰ্ম্ম সিদ্ধি কৰিছে, তেওঁ পূৰ্ব্বতে যি
ৰূপ নিযোজন কৰিছিলে, ১১ তাৰ দৰে খ্ৰীষ্টত প্ৰথমতে বিশ্বাস কৰা যি
আমি, আমাৰ দ্বাৰাই যেন তেওঁৰ মহিমা প্ৰকাশ হয়, ১২ এই নিমিত্তে
আমি সেই খ্ৰীষ্টৰ দ্বাৰাই পুত্ৰাধিকাৰৰ বাব পোৱা হৈ আছোঁ । ১৩ আৰু
সত্য বাক্য অৰ্থাৎ পৰিত্ৰাণৰ শুভবাৰ্ত্তা শুনাত তোমোলাকেও তেওঁত বিশ্বাস
কৰিলা; বিশ্বাস কৰাৰ পাছে যি পবিত্ৰ আত্মা দিবৰ অঙ্গীকাৰ হৈছিল,
সেই পবিত্ৰ আত্মা পাই, তোমোলাক চিন দিয়া হলা । ১৪ তেওঁৰ মহিমা
প্ৰকাশ কৰিবৰ নিমিত্তে তেওঁ কিনা লোকবিলাকৰ মুক্তিৰ অৰ্থে আমি
পুত্ৰাধিকাৰ হবলৈ, সেই পবিত্ৰ আত্মাই বইনা হৈ আছে ।

১৫ প্রভু য়ীশুতে তোমোলাকৰ যি বিশ্বাস, আৰু পবিত্র লোক সকলৈকো
যি প্রীতি, ১৬ তাৰ সম্বাদ শুনি সদাই ঈশ্বৰক স্তুতি কৰি তোমোলাকৰ
কথা কৈ এই প্রার্থনা কৰিছোঁ । ১৭ আমাৰ প্রভু য়ীশু খ্রীষ্টৰ মহিমাযুক্ত
পিতৃ ঈশ্বৰে আপোনাকে জানিবলৈ তোমোলাকক জ্ঞান আৰু প্রকাশিত
বাক্য বুঝিবৰ শক্তি দিওক; ১৮ আৰু তোমোলাকৰ জ্ঞান চকু প্রকাশ
হোৱাত তেওঁ আমন্ত্রণ কৰাত কেনে আশা, আৰু পবিত্র লোকৰ নিমিত্তে
তেওঁ যি পুত্রাধিকাৰৰ বাব ৰাখিছে, তাৰ কেনে ঐশ্বর্য্যৱন্ত প্রভাও; ১৯ আৰু
যি সময়ত তেওঁ খ্রীষ্টক মৰণৰ পৰা তুলি সকলো ৰজা আৰু পৰাক্রম,
শক্তিমন্ত আৰু অধিকাৰ আদি ইহলোক আৰু পৰলোকৰ যিমান নাম
প্রখ্যাত হৈছে, ২০ সেই আটাইৰে ওপৰত তেওঁকে অধিকাৰ পাতি স্বর্গত
আপোনাৰ সোঁ হাতে স্থাপন কৰিলে, ২১ আৰু সকলোকে পৰিপূর্ণ কৰা
যি জনা, তেওঁৰ পূৰ হোৱা যি শৰীল, অর্থাৎ তেওঁৰ মণ্ডলী, তাৰ নিমিত্তে
সকলোৰে ওপৰত তেওঁক মুৰ পাতি সকলোকে তেওঁৰ চৰণৰ অধীন কৰি
থলে; ২২ সেই সময়ত যি অধিক পৰাক্রম প্রকাশ কৰিলে, তাৰ দৰে
বিশ্বাস কৰা যি আমি, ২৩ আমালৈকো তেওঁৰ কেনে অতি বৰ পৰাক্রম;
এই সকলো কথা তোমোলাকক জানিবলৈ দিওক ।

২ অধ্যায় ।

আৰু আকাশৰ পৰাক্রমীবোৰৰ ৰজা, অর্থাৎ আজ্ঞা নমনা প্রজাৰ হৃদয়ত
কর্ম্ম কৰা যি আত্মা, ২ তাৰ ইচ্ছাৰ দৰে এই সংসাৰৰ মতে আগৰ কা-
লত আজ্ঞাৰ উলংঘনত আৰু পাপত মৰি থকা যি তোমোলাক, তোমোলা-
কৰ পাপ আত্মাক ঈশ্বৰে জীয়ালে । ৩ সেই আজ্ঞা নমনা লোকৰ লগত আ-
চাৰ ব্যৱহাৰ কৰি আমি সকলোএ আগেয়ে ইন্দ্রিয়ৰ বাঞ্চাৰ বশ হৈ, শৰীল
আৰু মনৰ কামনা সিদ্ধি কৰি স্বভাৱেৰে আনবিলাকৰ নিচিনা দণ্ডৰ পাত্র
হৈছিলোঁ । ৪ কিন্তু এই ৰূপে আমি পাপত মৰা হোৱাতো অতি দায়ালু যি
ঈশ্বৰ, তেওঁ আমালৈ যি অধিক প্রেম কৰিলে, ৫ সেই প্রেমেৰে আমাক খ্রীষ্টৰ
লগত জীয়ালে; অনুগ্রহেৰেই তোমোলাক উদ্ধাৰ হৈছা । ৬ আৰু তেওঁ য়ীশু
খ্রীষ্টৰ দ্বাৰাই কৃপা কৰি আমাক যি অতিশয় ঐশ্বর্য্যৱন্ত অনুগ্রহ কৰিলে,
সেয়ে যেন ভবিষ্যত যুগবিলাকতো প্রকাশ হয়, ৭ এই নিমিত্তে আমাক তুলি
য়ীশু খ্রীষ্টৰ দ্বাৰাই স্বর্গৰ ভাগ পোৱা কৰি, একে ঠাইতে বহুৱাই থলে ।
৮ কিয়নো বিশ্বাসৰ দ্বাৰাই অনুগ্রহেৰেহে তোমোলাকে পৰিত্রাণ পাইছা;
তোমোলাকে যে আপুনি তাক পাইছা, এনে নহয়, ঈশ্বৰেহে দিএ; ৯ কোনো
মানুহে যেন অহঙ্কাৰ নকৰে, এই নিমিত্তে সি কর্ম্মেৰে নহয় । ১০ কিয়নো
আমি তেওঁৰ সৃজা বস্তু, আৰু যি সজ কর্ম্মত আচৰি থাকিবলৈ ঈশ্বৰে আ-

গেয়ে আমালৈ নিযোজন কৰি থলে, সেই সজ কৰ্ম্মৰ নিমিত্তে আমি য়ীশু
খ্ৰীষ্টৰ দ্বাৰাই সৃজা হৈ আছোঁ। ১১ তোমোলাকে আগেয়ে জন্মৰ সমন্ধে
বিদেশী লোক হৈ হাতে কৰা যি চৰ্ম্মছেদন, এনে চৰ্ম্মছেদী লোকৰ লেখত
অচৰ্ম্মছেদী বুলি গণতি হৈছিলা; ১২ সেই কালত খ্ৰীষ্টৰ বাহিৰ হৈ, ইস্ৰা-
য়েল ৰাজ্যৰো ভাগী নহৈ, অঙ্গীকাৰযুক্ত নিয়মবোৰৰ বাজ হোৱাত, আশা
নাইকিয়া আৰু ঈশ্বৰ বিহীন হৈয়ো এই জগতৰ মাঝত আছিলা; এইবিলাক
কথা সুঁৱৰি থাকিবা। ১৩ কিন্তু য়ীশু খ্ৰীষ্টত আশ্ৰয় লোৱা যি তোমোলাক,
তোমোলাক আগেয়ে দূৰ হৈ থকাতো এতিয়া খ্ৰীষ্টৰ তেজৰ দ্বাৰাই ওচৰ
পোৱা হৈছা। ১৪ কিয়নো তেওঁ আমাৰ মিলন কৰোঁতা হোৱাত, য়িহুদি
আৰু বিদেশী এই দুয়ো লোকক মিল কৰাই দুয়োৰে এক নতুন লোক সৃষ্টি
কৰিবৰ নিমিত্তে, আৰু আপুনি পেৰেঙ্গণিত মৰাৰ দ্বাৰাই সেই দুয়ো লো-
কৰ বিৰোধ নাশ কৰি, একে লগে যোগ দি ঈশ্বৰৰ লগত দুইকো মি-
লাবৰ নিমিত্তে, ১৫ আপোনাৰ শৰীলৰ দ্বাৰাই সেই বিৰোধৰ কাৰণ, অৰ্থাৎ
কৰ্ম্ম আচৰোৱা বিধান শাস্ত্ৰৰ যি আজ্ঞা, তাক লোপ কৰি, ১৬ মাজত
থকা ভিন্ন কৰা বাৰ ভাঙ্গি দুইকো একে কৰিলে। ১৭ এই হেতুকে দূৰ
হোৱা যি তোমোলাক, আৰু ওচৰ হোৱা যিবিলাক, সকলোৰে আগত
তেওঁ মিলনৰ কথা কীৰ্ত্তন কৰি আহিল। ১৮ তাতে তেওঁৰ পৰা আমি
দুয়ো লোকে একে আত্মাৰ দ্বাৰাই পিতৃৰ ওচৰলৈ যাবলৈ পথ পোৱা
হৈছোঁ।

১৯ এই হেতুকে তোমোলাক এতিয়াৰ পৰা অন্য জাতি আৰু বিদেশী
লোকো নহৈ, পবিত্ৰ লোকৰ লগত নিবাসী আৰু ঈশ্বৰৰ ঘৰৰ পৰিয়াল
হৈছা; ২০ আৰু যি ঘৰৰ মূল পাঁচনি আৰু ভবিষ্যত বক্তা সকল, আৰু
যাৰ চুকৰ মুক্ষ প্ৰধান শিল য়ীশু খ্ৰীষ্ট, সেই মূলত তোমোলাক গঁথা
হৈছা; ২১ সেই প্ৰধান শিলাতে সকলো শিল সজ মতে যোৰোৱা হৈ প্ৰভুলৈ
এক পবিত্ৰ মন্দিৰ হৈ উঠিছে, ২২ তাতে তোমোলাক আত্মাৰ দ্বাৰাই ঈশ্ব-
ৰে বাস কৰা মন্দিৰৰ নিমিত্তে গঁথা হৈ আছা।

## ৩ অধ্যায়।

এই কাৰণে বিদেশী লোক যি তোমোলাক, তোমোলাকৰ নিমিত্তে ময় পৌলে
য়ীশু খ্ৰীষ্টৰ অৰ্থে বন্দীয়াৰ হৈ আছোঁ। ২ কিয়নো তোমোলাকৰ হিতলৈ
ঈশ্বৰৰ যি অনুগ্ৰহ কিৰ্ত্তন কৰা বাব মোক দিয়া হৈছে, তাক তোমোলাকে
শুনিলা। ৩ যি ৰূপে ঈশ্বৰে প্ৰকাশিত বাক্যেৰে গোপনীয় কথা মোক
বুজালে, তাক আগেয়ে অলপকৈ পত্ৰত লিখিলোঁ; ৪ শুভবাৰ্ত্তাৰ দ্বাৰাই
বিদেশী লোক সমান ভাগী, আৰু এক শৰীলৰ অঙ্গ, আৰু খ্ৰীষ্টৰ সমন্ধেৰে

ঈশ্বৰৰ অঙ্গীকাৰৰ পাত্ৰ হব, ৫ খ্ৰীষ্টৰ এই গোপনীয় কথাত মোৰ যেনে
জ্ঞান আছে, তাক তোমোলাকে সেই পত্ৰ পৰ্হি জানিব পাৰা। ৬ সেই
গোপনীয় কথা এতিয়া আত্মাৰ দ্বাৰাই পৱিত্ৰ পাঁচনি আৰু ভবিষ্যত বক্তাৰ
আগত যেনেকৈ প্ৰকাশ কৰা হৈছে, তেনেকৈ আগৰ কালত মানুহৰ সন্ততি-
বিলাকত প্ৰকাশিত নহল। ৭ ঈশ্বৰে কৰ্ম্ম সিদ্ধি কৰা মহিমাৰে মোক যি
অনুগ্ৰহ দান দিলে, তাৰ দৰে ময় সেই শুভবাৰ্ত্তাৰ সেৱকৰ বাব পালোঁ।
৮ সকলো পৱিত্ৰ লোকৰ মাজত সৰুতকৈ সৰু যি ময়, ময় যেন বিদেশী
লোকৰ আগত জ্ঞানৰ অগম্য খ্ৰীষ্টৰ অনুগ্ৰহ কীৰ্ত্তন কৰোঁ, ৯ আৰু
[য়ীশু খ্ৰীষ্টৰ দ্বাৰাই] সকলো বস্তু সৃষ্টি কৰা ঈশ্বৰৰ মনত জগতৰ আদি-
ৰে পৰা যি গোপনীয় কথা নজনা হৈ আছিল, তাৰ ধৰ্ম্ম সকলৰো আগত
যেন দেখাওঁ, ১০ আৰু যি জনাত বিশ্বাস কৰি আমি দৃঢ় ভক্তিয়েৰে ঈশ্বৰৰ
ওচৰলৈ যাবলৈ সাহ পাইছোঁ, ১১ আমাৰ সেই প্ৰভু য়ীশু খ্ৰীষ্টত আদি
কালৰে পৰা তেওঁ যি নিয়ম থিৰ কৰিলে, ১২ সেই নিয়মৰ কথাত ঈশ্বৰৰ
অধিক জ্ঞান মণ্ডলীৰ দ্বাৰাই স্বৰ্গৰ প্ৰধান আৰু শক্তিমন্ত দূত সকলে যেন
জানে, এই নিমিত্তে সেই অনুগ্ৰহৰ বাব মোক দিয়া হৈছে।

১৩ এই হেতুকে ময় তোমোলাকত এই মিনতি কৰিছোঁ, তোমোলাকৰ
নিমিত্তে মোৰ যি দুঃখ ভোগ, তাক দেখি তোমোলাক বিচূৰ্ত্তি নহবা; কিয়-
নো সেই দুঃখেই তোমোলাকৰ প্ৰশংসাৰ কাৰণ হয়। ১৪ এই নিমিত্তে
স্বৰ্গত আৰু পৃথিবীত থকা গোটেই মণ্ডলীৰ পৰীয়াল যি জনাৰ পৰা নাম
পোৱা হৈছে, ১৫ এনে যি আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পিতৃ, তেওঁৰ আগত
আঁঠু পাৰি এই প্ৰাৰ্থনা কৰিছোঁ, ১৬ তেওঁ আপোনাৰ অধিক মহিমাৰ
দৰে আপোন আত্মাৰ বলেৰে তোমোলাকৰ হৃদয়ত ভক্তি বলৱন্ত কৰোক;
১৭ আৰু বিশ্বাসৰ দ্বাৰাই তোমোলাকৰ হৃদয়ত খ্ৰীষ্টে নিবাস কৰাত, তোমো-
লাক প্ৰেমতে শিপা আৰু মূল ধৰি থিৰ হৈ থাকি, ১৮ জ্ঞানৰ অগম্য
খ্ৰীষ্টৰ প্ৰেম কিমান বহল, কিমান দীঘল, কিমান দ, কিমান ওখ, ১৯ সক-
লো পৱিত্ৰ লোকে সৈতে তাকে জানি ঈশ্বৰৰ সকলো পৰিপূৰ্ণেৰে পূৰ
হবলৈ দিওক।

২০ আমাৰ হৃদয়ত কৰ্ম্ম সিদ্ধি কৰা মহিমাৰ দৰে যি জনাই আমাৰ
প্ৰাৰ্থনা আৰু বিবেচনাতকৈয়ো অতি অধিক দান দিব পাৰে, ২১ য়ীশু
খ্ৰীষ্টৰ দ্বাৰাই সকলো যুগৰ অনন্ত কাললৈকে মণ্ডলীৰ মাজত তেওঁলৈ স্তুতি
বাক্য হওক। আমেন।

## ৪ অধ্যায় ।

ময় প্ৰভুৰ বন্দীএ তোমোলাকক মিনতি কৰিছোঁ, তোমোলাকে সকলো ভাৱে
নম্ৰ আৰু লাৱন্য মন হৈ ধৌৰ্য্যেৰে চেনেহা চেনেহি ৰূপে ইজনে সিজনে
সহন কৰি, ২ যি নিমন্ত্ৰণেৰে তোমোলাক আমন্ত্ৰণ হোৱা, তাৰ যোগ্য ৰূপ
আচৰণেৰে প্ৰবৰ্ত্তা, ৩ আৰু শান্তি ৰূপ বন্ধনেৰে পবিত্ৰ আত্মাৰ মিলন
ভাৱ ৰাখিবলৈ যতন কৰা । ৪ তোমোলাক সকলোএ যেনেকৈ একে আ-
শালৈ একে নিমন্ত্ৰণেৰে আমন্ত্ৰিত হৈছা, তেনেকৈ তোমোলাক সকলোৰে
একে শৰীল, একে আত্মা, ৫ একে প্ৰভু, একে বিশ্বাস, একে বুৰ, ৬ আৰু
সকলোৰে ওপৰ, সকলোৰে অন্তৰত. আৰু আমাৰ সকলোৰে হৃদয়ত থাকোঁ-
তা আটাইৰে পিতৃ একে জনা ঈশ্বৰ আছে । ৭ কিন্তু খ্ৰীষ্টৰ দানৰ পৰি-
মাণৰ দৰে আমাৰ প্ৰতি জনকে অনুগ্ৰহ দিয়া হৈছে । ৮ এই হেতুকে শাস্ত্ৰত
কৈছে, তেওঁ ওপৰলৈ উঠি অনেক বন্দীয়াৰক বন্দী কৰি নিলে, আৰু মানুহ-
বিলাকলৈ দান দিলে । ৯ তেওঁ উঠিল বুলি আগেয়ে পৃথিবীৰ তল ঠাইলৈ
নামিছিল, ইয়াত বাজে তাৰ কি অৰ্থ? ১০ যি জনা নামিছিল, তেৱেঁই সক-
লোৰে পৰিপূৰ্ণ কৰিবৰ নিমিত্তে আটাই স্বৰ্গৰ ওপৰলৈ উঠা জনা হয় ।
১১ আৰু যেতে দিনলৈ একে বিশ্বাসেৰে, আৰু ঈশ্বৰৰ পুত্ৰক জনা একে
জ্ঞানেৰে আমি সকলোএ এক সম্পূৰ্ণ পুৰুষ নহওঁ, অৰ্থাৎ খ্ৰীষ্টৰ সম্পূৰ্ণ
পৰিমাণৰ দৰে পৰিমাণ নেপাওঁ, ১২ তেতে দিনলৈকে পবিত্ৰ লোকক সিদ্ধি
কৰিবৰ নিমিত্তে সেৱকৰ কৰ্ম্ম লবলৈ আৰু খ্ৰীষ্টৰ শৰীল (অৰ্থাৎ মণ্ডলী)
থিৰ কৰিবলৈ, ১৩ কোনোবোৰ পাঁচনি, কোনোবোৰ ভবিষ্যত বক্তা, কো-
নোবোৰ শুভবাৰ্ত্তা কীৰ্ত্তন কৰোঁতা, কোনোবোৰ পালন কৰা, কোনোবোৰ
শিক্ষা দিয়া নিযোজন কৰি থলে; ১৪ তাতে যেন আমি লৰাৰ নিচিনা
আৰু নহৈ, মানুহৰ ভাণ্ডনাৰে আৰু ভ্ৰম কৰা মতৰ বুদ্ধিয়েৰে আৰু সকলো
উপদেশ ৰূপ বতাহেৰে ইফাললৈ সিফাললৈ যেন লৰুৱাই নিয়া নহওঁ;
১৫ কিন্তু যি জনাৰ দ্বাৰাই গোটেই শৰীল উচিত ৰূপে যোৱা খাই আটাই
ভাগৰ সুকীয়া সুকীয়া শক্তিৰ দৰে সকলো অঙ্গৰ উপকাৰেৰে দৃঢ় হৈ
১৬ প্ৰেমতে থিৰ হোৱাত সকলো শৰীল বৃদ্ধি হয়, এনে শৰীলৰ মুৰ যি
খ্ৰীষ্ট, আমি প্ৰেমেৰে সত্য কথা কৈ সকলো ৰূপে তেওঁৰ অঙ্গ হৈ বৃদ্ধি হওঁ ।

১৭ এতেকে ময় প্ৰভুৰ নামেৰে তোমোলাকক এই আজ্ঞা দি মিনতি কৰি-
ছোঁ. অন্য বিদেশী লোকে অজ্ঞান মনেৰে যেনে আচৰণ কৰে, তোমোলা-
কে তেনে আচৰণ নকৰিবা । ১৮ সিবিলাকৰ জ্ঞান এন্ধাৰ হোৱাত মন কণা
হোৱাৰ নিমিত্তে সিহঁতৰ অজ্ঞানৰ দ্বাৰাই ঈশ্বৰৰ আচৰণৰ পৰা দূৰ হৈ,
১৯ আৰু অচেতনো হৈ অতি অভিলাষেৰে সকলো অশুচি কৰ্ম্ম কৰিবলৈ
আপোনাকে এৰি দিলে । ২০ তোমোলাকে হলে এই ৰূপে খ্ৰীষ্টৰ ধৰ্ম্ম

শিকা নাই; ২১ কিন্তু তেওঁৰ কথা শুনি ইন্দ্রিয়ৰ মোহেৰে ভ্রষ্ট হোৱা পুৰ-
ণি স্বভাৱৰ আচাৰ এৰি, ২২ ঈশ্বৰৰ ইচ্ছাৰে সদ কৰ্ম্মত আৰু সত্য ধৰ্ম্মত
সৃজন হোৱা যি নতুন স্বভাও, ২৩ তাকে পাই মনৰ ভাৱেৰে যেন নতুন কৰা
হোৱা, ২৪ য়ীশুৰ সত্যৰ দৰে তেওঁৰ পৰা এই উপদেশ শিক্ষা পোৱা হৈছা।
২৫ এই হেতুকে মিছা কবলৈ এৰি তোমোলাক সকলোএ ওচৰৰ মানুহে
সৈতে সত্য আলাপ কৰা, কিয়নো আমি ইটৰ সিটৰ অঙ্গ প্রত্যঙ্গ হৈ
আছোঁ। ২৬ তোমোলাকে খঙ্গ হলেও পাপ নকৰিবা; ক্রোধ হৈ থকাত
বেলি মাৰ নেযাওক। ২৭ আৰু ছয়তানক ঠাই নিদিবা। ২৮ যি জনে চুৰ
কৰে, সি আৰু চুৰ নকৰোক, কিন্তু দুখীয়াক দিবৰ সমর্থ হবলৈ আপোন
হাতেৰে সজ কৰ্ম্মত শ্রম কৰোক। ২৯ তোমোলাকৰ মুখৰ পৰা কোনো
অবাচ্য কথা নোলাওক, কিন্তু শুনাবিলাকৰ হিতলৈ ধৰ্ম্মত থিৰ কৰা আ-
লাপ হওক; ৩০ আৰু ঈশ্বৰৰ যি পবিত্র আত্মাৰ দ্বাৰাই মুক্তি হোৱা দিন-
লৈকে চিন লগোৱা হৈ আছা, তেওঁৰ অসন্তোষ হোৱা কৰ্ম্ম নকৰিবা।
৩১ সকলো টেঙ্গা মাত, আৰু ক্রোধ, খঙ্গ, দন্দ, নিন্দা, আটাই হিংসাই
সৈতে এই সকলোবোৰ তোমোলাকৰ পৰা দূৰ কৰা হওক; ৩২ আৰু খ্রীষ্টৰ
নিমিত্তে ঈশ্বৰে তোমোলাকক যেনেকৈ খেমা কৰিলে, তোমোলাকেও তেনে
দায়ালু মৰমিয়াল মন হৈ ইজনে সিজনে খেমাৱন্ত হোৱা।

## ৫ অধ্যায়।

এই হেতুকে প্রিয় সন্তানবোৰৰ নিচিনা ঈশ্বৰৰ প্রতিৰূপ হোৱা; ২ আৰু
খ্রীষ্টে যেনেকৈ আমাক প্রেম কৰি সুগন্ধি নৈবেদ্য আৰু বলি হৈ ঈশ্বৰৰ
আগত আমাৰ নিমিত্তে আপোনাকে উচর্গ কৰিলে, তোমোলাকেও তেনেকৈ
প্রেম আচৰণ কৰা। ৩ কিন্তু বেশ্যা আদি সকলো অশুচি কৰ্ম্ম, আৰু লোভ,
এইবিলাক কথাৰ নামো তোমোলাকৰ মাজত উচ্চাৰণ নহওক, পবিত্র লো-
কৰ এই উচিত। ৪ আৰু অভঙ্গ, উন্মত বলকনি, হাঁহি তোলা, এনেকুৱা
অনুচিত কথাও তোমোলাকৰ মাজত নহওক, কিন্তু ঈশ্বৰৰ গুণ কীৰ্ত্তন হওক।
৫ কোনো ব্যভিচাৰী, বা লুম্পট, বা দেওপূজকৰ মাজত গণতি হোৱা কো-
নো লুভীয়া মানুহে খ্রীষ্টৰ অর্থাৎ ঈশ্বৰৰ ৰাজ্যত ভাগ নেপাই, তাক তো-
মোলাকে জানা। ৬ অনর্থক বচনেৰে কোনেও তোমোলাকক নুভুলাওক,
কিয়নো তেনে কুকৰ্ম্মৰ নিমিত্তে আজ্ঞা নমনা লোকৰ ওপৰত ঈশ্বৰৰ
ক্রোধ হয়। ৭ সিবিলাকে সৈতে তোমোলাক ভাগী নহবা। ৮ তোমোলাক
এন্ধাৰ আছিলা, কিন্তু এতিয়া প্রভুতে পহৰ হৈছা; এই হেতুকে পহৰৰ
সন্তানবোৰৰ দৰে আচৰণ কৰা। ৯ সকলো সুকৰ্ম্ম, আৰু ধৰ্ম্ম, আৰু
সত্য, এইবিলাক পহৰৰ ফল। ১০ প্রভুৰ যি গ্রাহ্য কৰ্ম্ম, তাক বিচাৰ

কৰি প্ৰমাণ বুজা । ১১ আৰু এন্ধাৰৰ বিফল কৰ্ম্মৰ ভাগী নহবা, কিন্তু
তাক দুষাবা; ১২ কিয়নো সিবিলাকে গুপুতে যি কৰ্ম্ম কৰে, সেই কৰ্ম্ম
কৰলৈকো লাজ । ১৩ যি কৰ্ম্মৰ দোষ প্ৰকাশ হৈছে, সেই কৰ্ম্ম সকল
পহৰৰ দ্বাৰাইহে প্ৰকাশ কৰা হৈছে; কিয়নো যিহৰ দ্বাৰাই প্ৰকাশ হয়,
সেয়ে পহৰ । ১৪ এই হেতুকে কোৱা হৈছে, হে টোপনিওৱা জন, সাৰ
পোৱা আৰু মৰণৰ পৰা উঠা, তাতে খ্ৰীষ্টে তোমাক পহৰ দিব ।
১৫ অজ্ঞানীৰ নিচিনা নহৈ, জ্ঞানী ৰূপে সাৱধানে আচৰণ কৰি, ১৬ বিষম
কাল দেখি সময়ত সাৰ্থক কৰা । ১৭ এই হেতুকে তোমোলাক বিবুদ্ধি
হৈ নেথাকি, প্ৰভুৰ ইষ্ট কৰ্ম্ম জনা হোৱা । ১৮ আৰু যিহৰ পৰা দুষ্ট আ-
চাৰ হয়, এনে দ্ৰাক্ষাৰসৰ সুৰা খাই মতলীয়া নহবা; কিন্তু আত্মাৰে
পৰিপূৰ্ণ হবা । ১৯ ধৰ্ম্ম গীত, স্তুতি গীত, আৰু পৰমাৰ্থিক গানেৰে ইজ-
নে সিজনলৈ কৈ কৈ প্ৰভুলৈ মন দি সুস্বৰে গান কৰা; ২০ আৰু আমাৰ
প্ৰভু য়ীশু খ্ৰীষ্টৰ নামেৰে সকলো কথাত পিতৃ ঈশ্বৰৰ আগত সদাই গুণ
কীৰ্ত্তন কৰা । ২১ খ্ৰীষ্টলৈ ভয় কৰি ইজনে সিজনৰ বশ হোৱা ।
২২ হে স্ত্ৰী লোক সকল, তোমোলাকে প্ৰভুলৈ যেনেকৈ, সেই ৰূপে আপোন
আপোন স্বামী সকলৰো বশ হোৱা । ২৩ কিয়নো খ্ৰীষ্ট যেনেকৈ মণ্ডলীৰ
মূৰ, আৰু তেওঁ আপুনিএই শৰীলৰ ত্ৰাণ কৰ্ত্তাও হৈছে, তেনেকৈ স্বামীও
ভাৰ্য্যাৰ মূৰ হৈছে । ২৪ এই হেতুকে মণ্ডলী যেনেকৈ খ্ৰীষ্টৰ বশীভূত হয়,
তেনেকৈ সকলো কথাত ভাৰ্য্যাবোৰো আপোন আপোন স্বামীৰ বশ হওক ।
২৫ হে পুৰুষ সকল, খ্ৰীষ্টে যেনেকৈ মণ্ডলীকে প্ৰেম কৰিলে, তোমোলা-
কেও সেই ৰূপে আপোন আপোন ভাৰ্য্যা সকলক প্ৰেম কৰা; ২৬ তেৰেঁ
বাক্য ৰূপ জলৰ ক্ষালনেৰে মণ্ডলীকে শুচি কৰিবৰ নিমিত্তে ২৭ আৰু সাঁচ
সোটোৰা পৰা আদি নোহোৱাকৈ তেজস্বী, পবিত্ৰ, নিৰ্দ্দোষী হোৱা মণ্ডলীক
আপোনাৰ আগত থবৰ নিমিত্তে, এনে মণ্ডলীৰ অৰ্থে আপোনাৰ প্ৰাণকো
দিলে । ২৮ এই ৰূপে আপোন আপোন শৰীলক যেনে প্ৰেম কৰে, ভাৰ্য্যা-
কো স্বামীএ তেনে প্ৰেম কৰা উচিত । যি জনে আপোন ভাৰ্য্যাক প্ৰেম
কৰে, সি আপোনাকেই প্ৰেম কৰে । ২৯ আপোনাৰ শৰীলক কোনোএ কে-
তিয়াও নিঘিণাই; কিন্তু সি তাক পোহন পালনহে কৰে; খ্ৰীষ্টেও মণ্ড-
লীক সেই ৰূপে কৰে । ৩০ আমি তেওঁৰ মঙ্গহ আৰু হাৰৰ ভাগী হৈ তেওঁৰ
শৰীলৰ অঙ্গ হৈছোঁ । ৩১ এই হেতুকে পুৰুষে আপোনাৰ পিতৃ মাতৃক
এৰি আপোনাৰ তিৰোতাৰে যোগ হৈ, সেই দুয়ো একে দেহ হব । ৩২ এই
যি কথা কৈছোঁ, সেয়ে অতি গোপনীয়, কিন্তু খ্ৰীষ্টৰ আৰু মণ্ডলীৰ অৰ্থেহে
তাক কৈছোঁ । ৩৩ তথাপি তোমোলাকৰ প্ৰতি জনে আপোনাকে আপুনি
যি ৰূপে প্ৰেম কৰে, সেই ৰূপে আপোন আপোন ভাৰ্য্যাকো প্ৰেম কৰোক;
আৰু ভাৰ্য্যায়ো স্বামীক সমাদৰ কৰোক ।

## ৬ অধ্যায়।

হে সন্তান সকল, প্ৰভুৰ আজ্ঞাৰ দৰে তোমোলাকে পিতৃ মাতৃৰ আজ্ঞাধীন
হোৱা, কিয়নো তোমোলাকৰ এয়ে উচিত। ২ আপোন পিতৃ মাতৃক
মৰ্য্যতা কৰা, ৩ তেহে তোমাৰ কৈল্যাণ হৈ দেশত দীৰ্ঘায়ু হব, অঙ্গীকাৰ-
যুক্ত প্ৰথম আজ্ঞা এই। ৪ আৰু হে পিত সকল, তোমোলাকে আপোন
সন্তানবোৰৰ খঙ্গ নোতোলাবা; কিন্তু প্ৰভুৰ শিক্ষা আৰু উপদেশতে সি-
বিলাকক প্ৰতিপাল কৰা।

৫ হে বন্দী লোক, খ্ৰীষ্টলৈ যেনেকৈ, তেনেকৈ সংসাৰিক অধিকাৰবিলাক-
লৈকো ভয় কম্পন হৈ তোমোলাক অকপট মনেৰে আজ্ঞাৰ বশ হোৱা।
৬ বন্দী হওক বা স্বতন্ত্ৰ হওক, যি কোনোএ সজ কৰ্ম্ম কৰে, সি প্ৰভুৰ পৰা
সেই কৰ্ম্মৰ ফল পাব, ইয়াকে বুঝি, ৭ মানুহৰ কৰ্ম্ম যেন নেমানি প্ৰভুৰ কৰ্ম্ম
যেন মানি, তুষ্ট মন হৈ মানুহ সন্তোষ হবৰ নিমিত্তে সাক্ষাতে সেৱা নকৰি,
৮ আপোনাক খ্ৰীষ্টৰ বন্দী বুলি মানি ঈশ্বৰৰ ইষ্ট কৰ্ম্ম সন্তোষ মনে সিদ্ধি
কৰা। ৯ আৰু হে অধিকাৰ সকল, যি জনাই মানুহক চাটু নকৰে, স্বৰ্গত
তোমোলাকৰো এনে এক অধিকাৰ আছে, ইয়াকে জানি গৰ্জ্জন এৰি তো-
মোলাকেও সিহঁতলৈ সেই ৰূপ ব্যৱহাৰ কৰা।

১০ হে ভাইবিলাক, শেষতে কৈছোঁ, প্ৰভুত আৰু তেওঁৰ মহিমা শক্তিৰে
বলৱন্ত হোৱা। ১১ ছয়তানৰ ফন্দ নিবাৰণ কৰিবলৈ সমৰ্থ হবৰ নিমিত্তে
ঈশ্বৰৰ সকলো সাজ পিন্ধা। ১২ কিয়নো আমি তেজ আৰু মঙ্গহ থকাৰে
সৈতে মালযুদ্ধ কৰো, এনে নহয়, কিন্তু প্ৰধান আৰু বলৱন্ত ভূত আৰু
[জগতৰ] এন্ধাৰৰ অধিকাৰ, আৰু আকাশত থকা পাপ আত্মা, এই সক-
লোএ সৈতে আমি যুদ্ধ কৰিছোঁ। ১৩ এই হেতুকে তোমোলাকে দুঃখৰ কা-
লত এইবিলাকক নিবাৰণ কৰিবলৈ আৰু সকলোকে সিদ্ধি কৰি থিৰে থা-
কিবলৈকো সমৰ্থ হবলৈ ঈশ্বৰৰ সকলো সাজ লবা। ১৪ সত্যেৰে কঁকাল
বান্ধি, ধৰ্ম্মৰ বুকুবৰি পিন্ধি, ১৫ সান্তনা কৰা শুভবাৰ্ত্তাৰ উপযুক্ত পইজাৰ
ভৰিত দি থিৰ হৈ থাকা। ১৬ বিশেষকৈ যিহেৰে তোমোলাকে পাপ
আত্মাৰ সকলো অগ্নিশৰ নুমাব পাৰিবা, এনে বিশ্বাস ৰূপ বাৰু ধৰা।
১৭ আৰু পৰিত্ৰাণৰ কিৰীটী, আৰু আত্মাৰ তৰোৱাল, অৰ্থাৎ ঈশ্বৰৰ বাক্য
লোৱা। ১৮ আত্মাৰ দ্বাৰাই সকলো ৰূপ নিবেদন আৰু প্ৰাৰ্থনা কৰি পবিত্ৰ
লোক সকলৰ নিমিত্তে সেই প্ৰাৰ্থনাত ধৈৰ্য্যেৰে সদাই চেতন হৈ থাকা।
১৯ আৰু শুভবাৰ্ত্তাৰ নিমিত্তে বন্ধনত পৰা পাঁচনি যি ময়, ময় সেই শুভ-
বাৰ্ত্তাৰ গোপনীয় কথা প্ৰকাশ কৰিবলৈ সাহেৰে যেন কম, ২০ এই নি-
মিত্তে উচিত ৰূপে নিৰ্ভয়ে কবলৈ মোক শক্তি যেন দিয়া হব, মোৰ নিমি-
ত্তেও প্ৰাৰ্থনা কৰা।

২১ মোৰ কাৰ্য্য কথাবিলাক, আৰু ময় যি কৰিছোঁ, তাক যেন জানা,
তুখিক নামেৰে প্ৰভুৰ বিশ্বাসী সেৱক এজন প্ৰিয় ভায়ে তোমোলাকত সক-
লোকে জনাব। ২২ আমাৰ সকলো কথা বাৰ্ত্তা জনাই তোমোলাকৰ মন
সান্তনা কৰিবলৈ তেওঁক তোমোলাকৰ ঠাইলৈ পঠাইছোঁ। ২৩ পিতৃ ঈশ্বৰ
আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ পৰা ভাই সকললৈ কুশল আৰু বিশ্বাসযুক্ত প্ৰেম
হওক। ২৪ যিবিলাকে আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টক অকপটে প্ৰেম কৰে, সেই
সকলোৰে ওপৰত অনুগ্ৰহ হওক। [আমেন।]

# ফিলিপীয়াবিলাকলৈ পৌলে লিখা পত্ৰ।

## ১ অধ্যায়।

য়ীশু খ্ৰীষ্টৰ সেৱক পৌল আৰু তিমথিএ, ফিলিপীত থকা ৰক্ষক
আৰু পৰিচাৰকবিলাকে সৈতে য়ীশু খ্ৰীষ্টত আশ্ৰয় কৰা পবিত্ৰ
লোক সকললৈ পত্ৰ লিখিছে। ২ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু
খ্ৰীষ্টৰ পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু কুশল হওক।

৩ ময় তোমোলাকক যেতিয়া সুঁৱৰোঁ, তেতিয়া ঈশ্বৰক স্তুতি কৰোঁ; ৪ প্ৰথম
দিনৰে পৰা এতিয়ালৈকে তোমোলাক শুভবাৰ্ত্তাৰ ভাগী হোৱা হেতুকে
আনন্দ হৈ, ৫ মোৰ আটাই প্ৰাৰ্থনাতে তোমোলাক সকলোৰে নিমিত্তে ঈশ্ব-
ৰৰ আগত সদাই নিবেদন কৰিছোঁ। ৬ কিয়নো যি জনে তোমোলাকৰ
হৃদয়ত উত্তম কৰ্ম্মৰ আৰম্ভণ কৰিলে, তেৱেঁই তাক য়ীশু খ্ৰীষ্টৰ দিনলৈকে
সিদ্ধি কৰি থাকিব, ইয়াত মোৰ দৃঢ় বিশ্বাস আছে। ৭ আৰু তোমোলাক
সকলোৰে অৰ্থে মোৰ এনে ভাবনা কৰা উচিত; কিয়নো মোৰ বন্ধন, আৰু
উত্তৰ কৰা, আৰু শুভবাৰ্ত্তাৰ প্ৰমাণ দিয়া, এইবিলাক কথাত তোমোলাক
সকলোএ ময় পোৱা অনুগ্ৰহৰ ভাগী হোৱাৰ নিমিত্তে তোমোলাকক মনত
ৰাখি আছোঁ। ৮ আৰু য়ীশু খ্ৰীষ্টৰ প্ৰেমত ময় তোমোলাকক কেনে অতি
প্ৰীতি কৰিছোঁ, সেই কথাত ঈশ্বৰেই মোৰ সাক্ষী হৈছে। ৯ আৰু জ্ঞানেৰে
বিবেচনাৰে তোমোলাকৰ প্ৰেম যেন অধিক অধিককৈ বাঢ়ে, ১০ আৰু
খ্ৰীষ্টৰ দিনলৈকে অকপট আৰু নিৰ্ব্বিঘিনি হৈ, কি কি কথা উত্তম, তাকে
জানি, ১১ য়ীশু খ্ৰীষ্টৰ দ্বাৰাই যিহেৰে ঈশ্বৰৰ মহিমা আৰু প্ৰশংসা প্ৰকাশ
হয়, তেনে সজ কৰ্ম্মৰ ফলেৰে যেন পৰিপূৰ্ণ হোৱা, তোমোলাকৰ নিমিত্তে
এই প্ৰাৰ্থনা কৰিছোঁ।

১২ হে ভাইবিলাক, মোত যি যি কথা ঘটিল, শুভবাৰ্ত্তা বিফল হওক চাৰি,
তাৰ বৃদ্ধি হবলৈহে ঘটিল, ইয়াক তোমোলাকে জানিবলৈ ইচ্ছা কৰোঁ।

১৩ আৰু ময় খ্ৰীষ্টৰ নিমিত্তে বন্ধন হৈছোঁ, এই কথা ৰাজ ঘৰত আৰু আন
সকলো ঠাইতো প্ৰকাশ হৈছে; ১৪ আৰু প্ৰভুৰ আশ্ৰয়ত অনেক ভায়ে
মোৰ বন্ধন দেখি দৃঢ় বিশ্বাস কৰি নিৰ্ভয় ৰূপে বাক্য কীৰ্ত্তন কৰিবলৈ সাহ
পাই। ১৫ কোনো কোনো লোকে অসূয়া আৰু বিৰোধেৰে খ্ৰীষ্টক কীৰ্ত্তন
কৰে, আৰু কোনো কোনোএ শুদ্ধ আশয়েৰে কীৰ্ত্তন কৰে। ১৬ যিবিলা-
কে প্ৰেমেৰে কীৰ্ত্তন কৰে, শুভবাৰ্ত্তাৰ ধৰ্ম্ম থিৰ কৰিবৰ নিমিত্তে ময় নিযুক্ত
হৈছোঁ, ইয়াক জানিএই তাকে কৰে; ১৭ কিন্তু যিবিলাকে সৰল মন নহৈ
বিৰোধেৰে খ্ৰীষ্টক কীৰ্ত্তন কৰে, সিবিলাকে মোৰ বন্ধনৰ ওপৰত আন
ক্লেশ বৰ্হাই দিব খোজে। ১৮ তেন্তে কি? কপটেৰে বা সত্যেৰে হওক,
যি কোনো ভাৱে খ্ৰীষ্টৰ কথা কীৰ্ত্তন কৰা হৈছে, ইয়াতে আনন্দ কৰিছোঁ,
আৰু কৰিম। ১৯ কিয়নো ময় কোনো ৰূপে লাজ পোৱা নহৈ, যেনেকৈ
আগৰে পৰা সকলো সাহেৰে পূৰ হৈ আছোঁ, সেই ৰূপে এতিয়াও জীৱন
হওক বা মৰণ হওক, মোৰ শৰীলত খ্ৰীষ্টৰ মহিমা প্ৰকাশ হব, ২০ মোৰ
এই অপেক্ষা আৰু ভাৰসাৰ দৰে, তোমোলাকৰ প্ৰাৰ্থনা আৰু য়ীশু খ্ৰীষ্টৰ
আত্মাৰ উপকাৰৰ দ্বাৰাই এই সকল কথা মোৰ উদ্ধাৰ হবলৈ ঘটিব, ইয়াকে
ময় জানোঁ। ২১ ময় যদি জীয়াই থাকোঁ, সেয়ে খ্ৰীষ্টৰ নিমিত্তে হয়; মৰি-
লেও মোৰ লাভ হয়। ২২ ময় যদি জীছোঁ, সেই মোৰ পৰিশ্ৰমৰ ফল
থাকে; কিন্তু দুইৰো মাজত কোনটো মনোনীত কৰিম, তাক নেজানোঁ।
২৩ এই দুই কথাৰ সঙ্কটত পৰি আছোঁ; দেহ এৰি খ্ৰীষ্টৰ লগত থকা
অতি ভাল জানি তালৈ মোৰ ইচ্ছা হয়, ২৪ কিন্তু তোমোলাকৰ হিতলৈ দেহ-
তে থকাৰ প্ৰয়োজন আছে; ২৫ ইয়াকে ময় নিশ্চয় জানি, তোমোলাকৰ
বিশ্বাসৰ আনন্দ বৰ্হাবৰ নিমিত্তে ময় জীয়াই থাকি তোমোলাক সকলে সৈতে
দিন নিয়াম, ইয়াক বুজিছোঁ। ২৬ তাতে ময় তোমোলাকৰ ওচৰলৈ আকও
যোৱাত য়ীশু খ্ৰীষ্টত তোমোলাকৰ আনন্দ মোৰ কাৰণে বাৰ্হিব।

২৭ তোমোলাকে খ্ৰীষ্টৰ শুভবাৰ্ত্তাৰ যোগ্য ৰূপ আচৰণ কৰা; তাতে
ময় যদি তোমোলাকক দেখিবলৈ যাওঁ, নাইবা আঁতৰতে থাকোঁ, তোমো-
লাকে যে একে আত্মাতে থিৰ হৈ থাকা, আৰু একে মনেৰে শুভবাৰ্ত্তাৰ
ধৰ্ম্মৰ নিমিত্তে যত্ন কৰি আছা, ময় তোমোলাকৰ এই সম্বাদ শুনিবলৈ
পাম। ২৮ আৰু তোমোলাকৰ শত্ৰুবিলাকৰ নিমিত্তে কোনো ৰূপে ভয়
নকৰিবা; তোমোলাকৰ সেই নিৰ্ভয়ে থকাই সিবিলাকৰ অৰ্থে বিনাশৰ
চিন, কিন্তু তোমোলাকৰ অৰ্থে ঈশ্বৰৰ পৰা পৰিত্ৰাণৰ চিন। ২৯ কিয়নো
তোমোলাকে আগেয়ে মোক যি ৰূপ যুদ্ধ কৰা দেখিলা, এতিয়াও কৰা
শুনিছা, তোমোলাকেও সেই ৰূপে যুদ্ধ কৰি, ৩০ খ্ৰীষ্টৰ কেৱল বিশ্বাস
কৰিবলৈ নহয়, কিন্তু খ্ৰীষ্টৰ নিমিত্তে দুঃখ ভোগ কৰিবলৈকো তোমোলাকক
অনুগ্ৰহ দিয়া হৈছে।

## ২ অধ্যায় ।

এই হেতুকে খ্ৰীষ্টৰ দ্বাৰাই কোনো সান্তনা, প্ৰেমৰ কোনো আনন্দ, আত্মাৰ
কোনো সাধাৰণ ভোগ, কোনো স্নেহ আৰু মৰম থাকে যদি, ২ তেন্তে তো-
মোলাকে একে চিত্ত, একে প্ৰেম, একে আলচ, একে মন হৈ মোৰ আনন্দ
পৰিপূৰ্ণ কৰা । ৩ তোমোলাকে বিৰোধেৰে বা অহঙ্কাৰেৰে একো নকৰি-
বা; কিন্তু নম্ৰ মনেৰে সকলোএ আপোনাতকৈ অন্যক উত্তম বুলি মানি-
বা । ৪ প্ৰতি জনে অকল আপোনাৰ হিতলৈ নেচাই, আন্যৰ হিতলৈকো
চাওক । ৫ য়ীশু খ্ৰীষ্টৰ যি ৰূপ মন, তোমোলাকৰো তেনে মন হওক ।
৬ তেৱেঁই ঈশ্বৰৰ ৰূপ হৈ, ঈশ্বৰে সৈতে সমান হোৱাকে অপহৰণ নোহোৱা
জানিলে; ৭ তথাপি আপোনাকে সৰু কৰি মনুষ্যৰ বেশ ধৰি বন্দীৰ নি-
চিনা হল । ৮ এই দৰে মনুষ্যৰ ৰূপেৰে অৱতাৰ হৈ, তেৱেঁ মৃত্যুৰ অৰ্থাৎ
পেৰেঙ্গণিত হোৱা মৃত্যুৰ অধীনলৈকো আপোনাকে বশ কৰিলে । ৯ এই
হেতুকে স্বৰ্গ আৰু ভুলোকত, ভূমিৰ তলতো যিবিলাক আছে, সকলোএ যেন
খ্ৰীষ্টৰ নামত আঁঠু পাৰে, ১০ আৰু পিতৃ ঈশ্বৰৰ মহিমা প্ৰকাশ হবলৈ
য়ীশু খ্ৰীষ্ট যে প্ৰভু হয়, সকলৰো জিহ্বাই ইয়াকে যেন সৈ কাৰ্হে, ১১ এই
নিমিত্তে ঈশ্বৰে তেওঁক অতি ওখ কৰি থলে, আৰু সকলো নামৰ ওপৰত
প্ৰধান নাম তেওঁক দিলে ।

১২ তেন্তে মোৰ প্ৰিয় সকল, তোমোলাকে যেনেকৈ মোৰ সাক্ষাতে আজ্ঞা
মানিলা, কেৱল এনে নহয়, এতিয়াও মোৰ অসাক্ষাতে অধিক ৰূপে মানিছা,
তেনেকৈ ভয় কম্পনেৰে তোমোলাকে আপোন আপোন পৰিত্ৰাণৰ কৰ্ম্ম
সিদ্ধি কৰা; ১৩ কিয়নো ইচ্ছা কৰিবলৈ আৰু সিদ্ধি কৰিবলৈকো ঈশ্বৰে
আপোন সুআলচেৰে তোমোলাকৰ হৃদয়ত সিদ্ধি কৰোঁতা হৈছে । ১৪ যিবি-
লাকৰ আগত তোমোলাকে জীৱনৰ বাক্য প্ৰচাৰ কৰি জগতৰ মাজত দীপ্তিৰ
নিচিনা প্ৰকাশ হৈছা, ১৫ এনে কপটীয়া আৰু অপথে যোৱা লোকৰ মা-
জত তোমোলাকে যেন নিৰপৰাধী, অকপট, আৰু ঈশ্বৰৰ নিৰ্দ্দুষী পুত্ৰ
হোৱা, এই নিমিত্তে বোল মাত আৰু বিবাদ নোহোৱাকৈ সকলো কৰ্ম্ম
কৰা । ১৬ তাতে মোৰ যত্ন আৰু পৰিশ্ৰম অনৰ্থক নোহোৱাত খ্ৰীষ্টৰ
দিনত প্ৰশংসাৰ কাৰণ হব ।

১৭ তোমোলাকৰ বিশ্বাস আৰু সেৱাই যি যজ্ঞ হয়, তাৰ ওপৰত ময় বলি
ৰূপে যদি উচৰ্গী দিয়া হওঁ, তথাপি তোমোলাক সকলোএ সৈতে হৰ্ষিত হৈ
আনন্দ কৰিম । ১৮ সেই নিমিত্তে তোমোলাকেও মোৰে সৈতে হৰ্ষিত হৈ
আনন্দ কৰা । ১৯ কিন্তু তোমোলাকৰ কথা শুনি ময় যেন সন্তোষ পাম,
এই নিমিত্তে অলপ দিনতে তোমোলাকলৈ তিমথিক পাঁচিবলৈ ময় প্ৰভু
য়ীশুতে ভাৰসা কৰিছোঁ । ২০ তোমোলাকৰ মঙ্গল বিশ্বাসী ৰূপে চিন্তা কৰোঁ-

তা তেওঁৰ নিচিনা মোৰ লগত আন কোনো নাই। ২১ য়ীশু খ্রীষ্টৰ কথাত
মনযোগ নকৰি আটায়ে আপোন আপোন কথাত মনযোগ কৰে। ২২ কিন্তু
পিতৃৰ লগত পুত্রয় যেনেকৈ কৰ্ম্ম কৰে, তেওঁ তেনেকৈ মোৰে সৈতে শুভ-
বাৰ্ত্তাৰ সেৱা কৰি আছে, ইয়াৰ প্রমাণ তোমোলাকে জানি আছা। ২৩ এই
হেতুকে মোৰ কি ঘটনা হব, তাকে জানিলেই অলপ দিনৰ পাছে তোমো-
লাকলৈ তেওঁক পঠাবলৈ ময় আশা কৰিছোঁ। ২৪ কিন্তু ময় আপুনিও অলপ-
তে তোমোলাকৰ ঠাইলৈ যাম, ইয়াকে প্রভুৰ দ্বাৰাই বিশ্বাস কৰিছোঁ।
২৫ আৰু তোমোলাকৰ যি পাঁচনিএ মোৰ দুঃখত উপকাৰ কৰিলে, এনে
মোৰ ভাই আৰু সহায় আৰু লগৰ সেনা যি এপাফ্রদিত, তেওঁকো তোমোলা-
কলৈ পঠাবলৈ প্রয়োজন দেখিলোঁ; ২৬ কিয়নো তেওঁ তোমোলাক সকলোকে
দেখিবলৈ ইচ্ছা কৰিলে, আৰু তোমোলাকে তেওঁ নৰিয়া পৰাৰ বাৰ্ত্তা শুনাৰ
নিমিত্তে তেওঁ বৰ চিন্তা কৰিলে। ২৭ তেওঁ নৰিয়া হৈ মৰণৰ সঙ্কটত পৰি-
ছিল হয়, কিন্তু ঈশ্বৰে তেওঁলৈ কৃপা কৰিলে; অকল তেওঁলৈ নহয়; কিন্তু
মোৰ দুঃখৰ ওপৰত আৰু দুঃখ যেন নঘটে, এই নিমিত্তে মোকো কৃপা কৰি-
লে। ২৮ এই হেতুকে তোমোলাকে তেওঁক দেখি আনন্দ যেন পোৱা, আৰু
মোৰ শোকো যেন তাকৰ হয়, এই নিমিত্তে তেওঁক বেগাই পঠালোঁ।
২৯ এতেকে প্রভুৰ নিমিত্তে আনন্দেৰে তেওঁক গ্রহণ কৰা, আৰু এনে লোকক
মৰ্য্যতা কৰি ৰাখিবা। ৩০ কিয়নো মোলৈ তোমোলাকৰ সুশ্রূষা যি কমি
আছিল, তাক সম্পূর্ণ কৰিবলৈ তেওঁ আপোনাৰ প্রাণকো প্রিয় কৰি নে-
মানি, খ্রীষ্টৰ কাৰ্য্যৰ নিমিত্তে মৰণৰ সঙ্কটত পৰিল।

## ৩ অধ্যায়।

শেষতে কৈছোঁ, হে মোৰ ভাইবিলাক, প্রভুতে আনন্দ কৰা। তোমোলাক-
লৈ বাৰে বাৰে একে কথাকে লিখিবলৈ মোৰ অসন্তোষ হোৱা নহয়, আৰু
তাত বাজে তোমোলাকৰো ৰক্ষা হয়। ২ কুকুৰহঁত, দুৰাচাৰ লোক, আৰু পৰি-
চ্ছেদ হোৱাবিলাকৰ পৰা সাৱধান হোৱা। ৩ আমি আত্মাৰে সৈতে ঈশ্ব-
ৰৰ সেৱা কৰি আৰু য়ীশু খ্রীষ্টত আনন্দ হৈ, শৰীলৰ কথাত একো বিশ্বাস
নকৰা, এনে চৰ্ম্মছেদী হৈছোঁ। ৪ তথাপি ময় শৰীলত বিশ্বাস কৰিব
পাৰিলোঁহেঁতেন; কোনো লোকে শৰীলত বিশ্বাস কৰিবৰ কাৰণ আছে
বুলি যদি ভাবে, তাতকৈয়ো মোৰ অধিক কাৰণ আছে। ৫ কিয়নো ময়
অষ্টম দিনত চৰ্ম্মছেদন পোৱা হৈ ইস্রায়েলৰ বঙ্গহৰ বিনিয়ামীনৰ ফৈদিয়া
আৰু ইব্রী কুলত জন্ম পোৱা ইব্রী, আৰু বিধানৰ কথাত ফিৰুচী, ৬ উৎসাহ
হোৱাৰ কথাত মণ্ডলীক তাৰণা কৰোঁতা, আৰু বিধান আচৰণৰ ধৰ্ম্মত নিৰ্দু-
ষী হৈ আছিলোঁ। ৭ কিন্তু তাতে মোৰ যি যি লাভ হৈছিল, তাক খ্রীষ্টৰ

নিমিত্তে ময় হানি যেন বুজিলোঁ । ৮ আৰু মোৰ প্ৰভু য়ীশু খ্ৰীষ্টক জনা
সৰ্ব্বোত্তম জ্ঞানৰ নিমিত্তে সকলোকে হানি যেনহে দেখোঁ; ৯ আৰু বিধান
পালন কৰাত নিজ পুণ্যেৰে পুণ্যৱন্ত নহৈ, খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই যি
পুণ্য, অৰ্থাৎ বিশ্বাস কৰাত ঈশ্বৰে দিয়া পুণ্য, সেই পুণ্যেৰে পুণ্যৱন্ত হৈ,
তেওঁৰ দ্বাৰাই যেন গ্ৰাহ্য হওঁ, ১০ তাত বাঝে তেওঁক, আৰু তেওঁৰ উঠানৰ
শক্তি, আৰু তেওঁৰ দঃখৰ সঙ্গী ভাগ জানিবলৈ, আৰু তেওঁৰ মৃত্যু ভোগ
কৰি, ১১ মৰা লোকৰ পুনৰ উঠান যেন কোনে মতে পাওঁ, এই নিমিত্তে
তেওঁৰ অৰ্থে সকলৰো হানি পোৱা হৈ সকলোকে বিষ্ঠা হেনহে মানোঁ ।
১২ এতিয়া মোৰ এই আশাৰ সিদ্ধি পালোঁ, বা এতিয়া সম্পূৰ্ণ হৈছোঁ, এনে
নহয়; কিন্তু যিহৰ নিমিত্তে খ্ৰীষ্টৰ দ্বাৰাই মোক ধৰা হৈছে, ময় তাকে ধৰি-
বৰ নিমিত্তে খেদি গৈছোঁ । ১৩ হে ভাইবিলাক, ময় যে তাক ধৰিলোঁ,
এনেকৈ ভাবনা নকৰোঁ; কিন্তু পাছত থকা সকলোকে নিচিন্তি, যি যি
আগত থাকে, তালৈকে যত্ন কৰি, ১৪ য়ীশু খ্ৰীষ্টৰ দ্বাৰাই ওপৰৰ পৰা
ঈশ্বৰৰ যি আমন্ত্ৰণ বঁটা, তাক পাবৰ নিমিত্তে ঘাইলৈ লৰি যাওঁ । ১৫ এই
হেতুকে আমি যিমান লোক সম্পূৰ্ণ হৈছোঁ, আহাঁ, এই ৰূপে ভাবনা কৰোঁ-
হক; আৰু কোনো কথাত তোমোলাকৰ আন মন হয় যদি, ঈশ্বৰে তাকো
তোমোলাকলৈ প্ৰকাশ কৰি দেখাব । ১৬ তথাপি আমি যিমান পালোঁহি,
তাৰ দৰে একে চিত্ত হৈ আচৰণ কৰোঁহঁক ।

১৭ হে ভাইবিলাক, তোমোলাকে মোৰ পথেই চলা, আৰু তোমোলাকৰ
আৰ্হী যি আমি, আমাৰ নিচিনা আচৰণ কৰাবিলাকক বিবেচনা কৰা ।
১৮ কিয়নো অনেকৰ আচৰণৰ কথাত ময় বাৰে বাৰে কলোঁ, এতিয়াও
কান্দিহে কৈছোঁ, সিবিলাক খ্ৰীষ্টৰ পেৰেঙ্গণিৰ শত্ৰু; ১৯ সিহঁতৰ শেষ
গতি সৰ্ব্বনাশ; সিহঁতৰ ঈশ্বৰ হলে আপোন আপোন পেট; সিহঁতে আ-
পুনি কৰা লাজৰ কৰ্ম্মতে প্ৰশংসা কৰে, সিহঁতে সংসাৰিক কথাকেহে
চিন্তি থাকে । ২০ কিন্তু আমি স্বৰ্গৰ প্ৰজা হৈ, ত্ৰাণ কৰ্ত্তা প্ৰভু য়ীশু খ্ৰীষ্ট
স্বৰ্গৰ পৰা অহালৈকে অপেক্ষা কৰি আছোঁ; ২১ তেৱেঁ যি মহাত্মাৰ দ্বাৰাই
সকলোকে আপোনাৰ বশ কৰিব পাৰে, সেই শক্তিয়েৰে আমাৰ অধম
শৰীলক আন ৰূপ কৰি আপোনাৰ জ্যোতিৰ্ম্ময় শৰীলৰ নিচিনা কৰিব ।

## ৪ অধ্যায় ।

হে মোৰ অতি প্ৰিয় আৰু ইষ্ট ভাইবিলাক, মোৰ আনন্দ আৰু কিৰীটী,
মোৰ অতি প্ৰিয় সকল, এই ৰূপে প্ৰভুতে থিৰ হৈ থাকা । ২ হে এৱদিয়া,
হে চুন্তুখি, প্ৰভুত একে মন হোৱা, তোমোলাকত এই মিনতি কৰিছোঁ ।
৩ হে মোৰ স্বৰূপ সহায়, তোমাকো বিনয় কৰি কৈছোঁ, যি যি স্ত্ৰী লোকে

শুভবাৰ্ত্তাৰ কীৰ্ত্তনত মোৰে সৈতে পৰিশ্ৰম কৰিলে, আৰু মোৰ লগত সহাই
কৰা আন আন আৰু কিলিমেন, এই যি যিবিলাকৰ নাম জীৱন পুথিত
লিখা আছে, সেই সকলোকে উপকাৰ কৰা ।
৪ তোমোলাকে প্ৰভুত সদাই আনন্দ কৰা; পুনৰ বাৰো কৈছোঁ, আনন্দ
কৰা । ৫ তোমোলাকৰ নম্ৰ মন সকলো লোকৰ আগত প্ৰকাশ হওক;
প্ৰভু ওচৰ হৈ আছে । ৬ একোলৈ চিন্তা নকৰিবা, কিন্তু সকলোতে গুণ
কীৰ্ত্তন কৰি, নিবেদন আৰু প্ৰাৰ্থনাৰ দ্বাৰাই তোমোলাকৰ যাচ্ঞা ঈশ্ব-
ৰৰ আগত জনাবা । ৭ তাতে সকলো জ্ঞানৰ অগম্য ঈশ্বৰে দিয়া যি সান্ত-
না, সেই সান্তনাই য়ীশু খ্ৰীষ্টত তোমোলাকৰ চিত্ত আৰু মন ৰক্ষা কৰিব ।
৮ শেষতে কৈছোঁ, হে ভাইবিলাক, যি যি কথা সত্য, যি যি উত্তম, আৰু পৰ-
মাৰ্থিক, নিৰ্ম্মল, প্ৰিয়, সুখ্যাতি, আৰু অন্য এনে কোনো ধৰ্ম্ম বা প্ৰশংসনীয়
কথা থাকে যদি, তেন্তে সেইবিলাক কথালৈ চিন্তা কৰিবা । ৯ তোমোলাকে
যি যি কথা শিকি গ্ৰহণ কৰিলা, আৰু মোৰ লগত দেখিলা শুনিলা, সেই সক-
লোকে আচৰণ কৰা; তাতে সান্তনা কৰোঁতা ঈশ্বৰ তোমোলাকৰ লগত থাকিব ।
১০ এতিয়া শেষতে মোৰ কাৰণে তোমোলাকৰ চিন্তা আকও বাৰ্হিছে,
এই নিমিত্তে ময় প্ৰভুতে অতিশয় আনন্দ কৰিলোঁ; আগেয়ে মোৰ কথা
চিন্তিছিলা হয়, কিন্তু তোমোলাকে ছল নোপোৱা হৈ আছিলা । ১১ দৰিদ্ৰৰ
প্ৰয়োজনে ময় এই কথা কৈছোঁ, এনে নহয়; কিয়নো মোৰ যি কোনো
অৱস্থা হওক, তাতে সন্তোষ হৈ থাকিবলৈ শিকিলোঁ । ১২ দুঃখীয়া হবলৈ
আৰু অধিক ঐশ্বৰ্য্য ভোগ কৰিবলৈকো জানো; যি কোনো ঠাইত বা যি
অৱস্থাত হওক, সুভিক্ষ আৰু দুৰ্ভিক্ষ, অধিক ঐশ্বৰ্য্য আৰু দৰিদ্ৰ ভোগ
কৰিবলৈকো ময় শিকিলোঁ । ১৩ মোক শক্তি দিয়া যি [খ্ৰীষ্ট] তেওঁৰ দ্বাৰাই
সকলোকে কৰিব পাৰোঁ । ১৪ তথাপি তোমোলাকে মোৰ দুঃখৰ কালত
যে উপকাৰ কৰিলা, তাতে ভাল কৰিলা । ১৫ হে ফিলিপীয়া ভাইবিলাক,
শুভবাৰ্ত্তা কীৰ্ত্তন কৰাৰ আৰম্ভণত যেতিয়া ময় মাকেদনিয়া দেশ এৰিলোঁ,
তেতিয়া তোমোলাকৰ বাহিৰে কোনো মণ্ডলীৰ লোকে দান দিয়া দান লোৱাৰ
কথাত মোৰে সৈতে একো সম্বন্ধ নকৰিলে, ইয়াকে তোমোলাকে জানিবা ।
১৬ ময় থেচলনীকীত থাকোঁতেও তোমোলাকে এবেলি দুবেলীও মোৰ দৰি-
দ্ৰৰ কাৰণে উপকাৰ পঠাইছিলা । ১৭ ময় দান বিচাৰিছোঁ, এনে নহয়,
কিন্তু তোমোলাকৰ অধিক হিত কৰা ফল বিচাৰিছোঁ । ১৮ এতিয়া মোৰা
সকলো আছে, আৰু অধিকো হৈছে; ঈশ্বৰৰ গ্ৰহণীয় আৰু তুষ্ট হোৱা
সুগন্ধি নৈবেদ্য ৰূপ যি বস্তু তোমোলাকে পঠাইছা, তাকে এপাফ্ৰদিতৰ
হাতে পাই সম্পূৰ্ণ হৈ আছোঁ । ১৯ আৰু মোৰ ঈশ্বৰে আপোনাৰ ঐশ্বৰ্য্যৱন্ত
মহিমাৰ দৰে য়ীশু খ্ৰীষ্টৰ দ্বাৰাই তোমোলাকৰ সকলো প্ৰয়োজন সিদ্ধি
কৰিব । ২০ আমাৰ পিতৃ ঈশ্বৰৰ মহিমা সদাসৰ্ব্বদায় প্ৰকাশ হওক । আমেন ।

২১ প্ৰভু য়ীশু খ্ৰীষ্টৰ সকলো পবিত্ৰ লোকক নমস্কাৰ কৰা। মোৰ লগৰ
ভাইবিলাকে তোমোলাকক নমস্কাৰ কৰি জনাইছে। ২২ পবিত্ৰ লোক সকল
আৰু বিশেষকৈ কৈচৰৰ পৰীয়ালবিলাকে তোমোলাকক নমস্কাৰ কৰিছে।
২৩ [আমাৰ] প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমোলাক সকললৈ হওক। আমেন।

# কলচীয়াবিলাকলৈ পৌলে লিখা পত্ৰ।

## ১ অধ্যায়।

ঈশ্বৰৰ ইচ্ছাৰে য়ীশু খ্ৰীষ্টৰ পাঁচনি পৌল আৰু আমাৰ ভাই
তিমথিএ কলচীত থকা পবিত্ৰ আৰু খ্ৰীষ্টত বিশ্বাসী
ভাইবিলাকলৈ পত্ৰ লিখিছে। ২ আমাৰ পিতৃ ঈশ্বৰ [আৰু প্ৰভু য়ীশু
খ্ৰীষ্টৰ] পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু কুশল হওক।
৩ তোমোলাকৰ নিমিত্তে স্বৰ্গত সাঁচি থোৱা সুখৰ আশাৰ যি কথা তো-
মোলাকে আগেয়ে শুভবাৰ্ত্তাৰ সত্য বাক্যেৰে শুনিলা, ৪ সেই আশাৰ
দ্বাৰাই য়ীশু খ্ৰীষ্টত তোমোলাকৰ যি বিশ্বাস, আৰু পবিত্ৰ লোক সকললৈ
তোমোলাকৰ যি প্ৰেম, ৫ আমি তাক শুনি তোমোলাকৰ নিমিত্তে আ-
মাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰক স্তুতি আৰু সদাই প্ৰাৰ্থনা কৰি আছোঁ।
৬ সেই শুভবাৰ্ত্তা তোমোলাকৰ মাজতো যেনে, তেনেকৈ গোটেই জগতত
প্ৰকাশ হৈছে; আৰু তাকে শুনি তোমোলাকে সত্য ৰূপে ঈশ্বৰৰ অনুগ্ৰহ
পোৱা দিনৰে পৰা তোমোলাকৰ মাজত যেনেকৈ ফল ধৰিছে, তেনেকৈ
গোটেই জগততো ফল ধৰি বাঢ়ি আছে। ৭ আৰু আমাৰ লগৰ প্ৰিয়
বন্দী আৰু তোমোলাকৰ নিমিত্তে খ্ৰীষ্টৰ বিশ্বাসী সেৱক যি এপাফ্ৰা, তেওঁৰ
পৰাও তোমোলাকে এই কথা শিকিলা; ৮ তেৱেঁই তোমোলাকৰ পৰমাৰ্থিক
প্ৰেম আমাকো জনালে। ৯ সেই কথা শুনা দিনৰে পৰা তোমোলাকৰ নি-
মিত্তে নিছিদ্ৰকৈ প্ৰাৰ্থনা কৰোঁ, ১০ আৰু তোমোলাকে যেন সকলো জ্ঞান
আৰু পৰমাৰ্থিক বুদ্ধিএৰে ঈশ্বৰৰ ইচ্ছাৰ সম্পূৰ্ণ জ্ঞানৱন্ত হোৱা, আৰু তেওঁৰ
সেই জ্ঞানত বাঢ়ি সকলো সজ কৰ্ম্মৰ ফলেৰে ফলৱন্ত হৈ প্ৰভুৰ যোগ্য
আৰু সৰ্ব্ব সন্তোষ জনক আচৰণ যেন আচৰা, ১১ আৰু ঈশ্বৰৰ প্ৰভাওযুক্ত
মহিমাৰ দৰে আনন্দে সৈতে সকলোকে সহন কৰিবলৈ আৰু ধৈৰ্য্য ধৰিবলৈ-
কো সকলো বলেৰে যেন বলৱন্ত হোৱা, ইয়াকে বিনয় কৰিছোঁ। ১২ আৰু
পহৰ হোৱা থানত থকা পবিত্ৰ লোকৰ সুখৰ অধিকাৰ বাব পাবলৈ আ-
মাক যোগ্য কৰা যি জনা পিতৃ, তেওঁক স্তুতি কৰিছোঁ। ১৩ তেৱেঁ আ-

মাক এন্ধাৰৰ শক্তিৰ পৰা উদ্ধাৰ কৰি আপোনাৰ প্ৰিয় পুত্ৰৰ ৰাজ্যত
থানান্তৰ কৰি থৈছে; ১৪ [তেওঁৰ তেজৰ দ্বাৰাই] আমি তেওঁত পৰিত্ৰাণ,
অৰ্থাৎ পাপ মোচন পোৱা হৈছোঁ । ১৫ তেওঁ অদৃশ্য ঈশ্বৰৰ প্ৰতিমূৰ্ত্তি,
আৰু সমুদায় সৃষ্টিৰ মাজত আদি পুত্ৰ । ১৬ সিংহাসন বা ৰাজ শাসন, অধি-
পতি বা পৰাক্ৰম, দৃশ্য বা অদৃশ্য হওক, স্বৰ্গতো পৃথিবীতো থকা সকলোকে
তেৱেঁ সৃজিলে; তেওঁৰ দ্বাৰাই আৰু তেওঁৰ নিমিত্তেই সকলো সৃজন কৰা
হৈছে । ১৭ তেওঁ সকলো বস্তুৰ আদি, আৰু সকলকো থিতি কৰ্ত্তা । ১৮ আৰু
সকলো ভাৱে তেওঁ যেন প্ৰধান হয়, এই নিমিত্তে তেওঁ আদি আৰু মৃত্যুৰ
পৰা প্ৰথমে উঠা জনা হৈ, শৰীল অৰ্থাৎ মণ্ডলীৰ মূৰ হৈছে । ১৯ কিয়নো
তেওঁত যেন সকলো সম্পূৰ্ণ গুণ থাকে, আৰু পেৰেঙ্গণিত উলিওৱা তেওঁৰ
তেজৰ দ্বাৰাই মিলন কৰি, ২০ পৃথিবীত থকা হওক বা স্বৰ্গত থকা হওক,
সকলোকে আপোনাৰে সৈতে যেন মিল কৰে, ইয়াকে উচিত দেখা হৈ-
ছিল । ২১ আৰু পূৰ্ব্ব কালে ঈশ্বৰৰ পৰা দূৰ হৈ দুষ্ট কৰ্ম্ম আচৰণ কৰাত
তেওঁৰ শত্ৰু হোৱা যি তোমোলাক, তোমোলাককো আপোনাৰ মঙ্গহৰ শৰীলৰ
মৰণৰ দ্বাৰাই মিল কৰিলে; ২২ তাতে যি শুভবাৰ্ত্তা তোমোলাকে শুনিলা,
আৰু স্বৰ্গৰ তলৰ সকলো প্ৰাণীৰ আগত কীৰ্ত্তন কৰা হৈছে, আৰু ময়
পৌলো যাৰে সেৱক হৈছোঁ, ২৩ সেই শুভবাৰ্ত্তাৰ আশাৰ পৰা লৰোৱা নহৈ,
বিশ্বাসতে মূল ধৰি থিৰ হৈ থাকা যদি, তেৱেঁ তোমোলাকক আপোনাৰ
সাক্ষাতে পবিত্ৰ আৰু নিৰপৰাধী আৰু নিৰ্দুষী কৰি থব ।

২৪ এতিয়া তোমোলাকৰ নিমিত্তে ময় যি দুঃখ ভোগ কৰোঁ, তাতে আনন্দ
কৰিছোঁ, আৰু খ্ৰীষ্টৰ যি অৱশেষ দুঃখ ভোগ থাকিছে, তাকে তেওঁৰ শৰীল
অৰ্থাৎ মণ্ডলীৰ কাৰণে মোৰ দেহতে সম্পূৰ্ণ ভোগ কৰিছোঁ । ২৫ আগৰ
কালত ঈশ্বৰৰ যি বাক্য অৰ্থাৎ যি গোপনীয় কথা পূৰ্ব্ব যুগত পূৰ্ব্ব পুৰুষৰ
পৰা লুকাই আছিল, কিন্তু এতিয়া পবিত্ৰ লোকৰ আগত প্ৰকাশ হৈছে,
২৬ সেই বাক্য সম্পূৰ্ণ ৰূপে প্ৰকাশ কৰিবলৈ তোমোলাকৰ নিমিত্তে মোক
ঈশ্বৰে দিয়া বাবৰ দৰে ময় সেই মণ্ডলীৰ সেৱক হৈছোঁ । ২৭ আৰু বিদেশী
লোকৰ অৰ্থে এই গোপণীয় কথা, অৰ্থাৎ খ্ৰীষ্টে তোমোলাকত থাকি মহি-
মাৰ আশা জন্মাই, সেই কথাৰ যি অধিক মহিমা, তাক পবিত্ৰ লোকত
জনাবলৈ ঈশ্বৰে ইচ্ছা কৰিলে । ২৮ এই হেতুকে প্ৰতি জনকে য়ীশু খ্ৰীষ্টত
সিদ্ধি কৰি তেওঁৰ আগত থবলৈ আমি সকলো মানুহক চেতনা দি আৰু
সকলো ৰূপে জ্ঞানৰ উপদেশকো দি তেওঁৰ কথা কীৰ্ত্তণ কৰোঁ । ২৯ সেই
কথাতে তেওঁৰ যি শক্তিএ বলৱন্ত ৰূপে মোৰ হতুৱাই কৰ্ম্ম কৰাই, সেই
শক্তিৰ দ্বাৰাই ময় অতি যত্নেৰে পৰিশ্ৰম কৰি আছোঁ ।

## ২ অধ্যায়।

তোমোলাক আৰু লাৱদিকিয়াত থকাবিলাক আৰু মোৰ শাৰীৰিক মুখ নে-
দেখা সকলে পিতৃ ঈশ্বৰ আৰু খ্ৰীষ্টৰ গোপনীয় কথা জানিবৰ নিমিত্তে
সকলো সম্পূৰ্ণ জ্ঞানেৰে ধনৱন্ত আৰু প্ৰীতিৰে বন্ধ হৈ মনত সান্ত্বনা যেন পাই,
২ এই নিমিত্তে সিবিলাকৰ কাৰণে মোৰ কেনে যতন, তাক সিবিলাকে
জানিবলৈ মোৰ ইচ্ছা হয়। ৩ সেই গোপনীয় কথাতে সকলো জ্ঞান আৰু
বুদ্ধিৰ ধন লুকাই আছে। ৪ আৰু কোনোএ মোহীত কথাৰ দ্বাৰাই জানো
তোমোলাকক ভুলাই, এই নিমিত্তে ময় ইয়াকে কৈছোঁ। ৫ ময় শৰীলেৰে
তোমোলাকৰ পৰা যদি আতৰ হৈছোঁ, তেও আত্মাৰে তোমোলাকৰ সাক্ষা-
তে হৈ আছোঁ; আৰু তোমোলাকৰ সজ ৰীতি আৰু খ্ৰীষ্টত থিৰ হোৱা
বিশ্বাস দেখি ময় আনন্দ কৰিছোঁ। ৬ তোমোলাকে যেনেকৈ প্ৰভু য়ীশু
খ্ৰীষ্টক গ্ৰহণ কৰিলা, সেই ৰূপে তেওঁত আচৰণ কৰি, ৭ তেওঁক মূল ধৰি
সজা হৈ যি ৰূপ উপদেশ পাইছিলা, সেই ৰূপে বিশ্বাসত থিৰ হৈ
স্তুতি কৰি তাতে বৃদ্ধি হোৱা। ৮ কোনো মানুহে খ্ৰীষ্টৰ পথৰ নোহোৱা
সংসাৰিক শিক্ষাৰ দৰে গুৰু বাক্য প্ৰমাণ দি বিদ্যা আৰু অনৰ্থক কপটৰ
কথাৰ দ্বাৰাই তোমোলাকক যেন নুভুলাই, এই নিমিত্তে সাৱধান হোৱা।
৯ কিয়নো ঈশ্বৰৰ সকলো সম্পূৰ্ণ গুণ শৰীল ৰূপেৰে খ্ৰীষ্টত নিবাস কৰে;
১০ আৰু তেওঁ সকলো ৰাজ্য আৰু পৰাক্ৰমৰ মূৰ; তেওঁতে তোমোলাক
সম্পূৰ্ণ সিদ্ধি হৈছা। ১১ আৰু খ্ৰীষ্টৰ চৰ্ম্মছেদন, অৰ্থাৎ হাতে নকৰা যি
চৰ্ম্মছেদন, তাৰ দ্বাৰাই [পাপ ৰূপ] সংসাৰিক শৰীল ত্যাগ কৰাত তো-
মোলাকে তেওঁত চৰ্ম্মছেদন পোৱা হৈছা। ১২ আৰু বুৰ দিওৱাৰেই তেৰেঁ
সৈতে মৈদামত শুৱাই থোৱা হৈ, মৰণৰ পৰা তেওঁক তোলা ঈশ্বৰৰ মহত
কৰ্ম্মত বিশ্বাসৰ দ্বাৰাই খ্ৰীষ্টে সৈতে উঠি আছা। ১৩ পাপত আৰু শৰী-
লৰ অচৰ্ম্মছেদনত মৰি থকা যি তোমোলাক, তোমোলাকক তেৰেঁ সৈতে
ঈশ্বৰে জীয়ালে, ১৪ আৰু আমাৰ সকলো পাপ খেমা কৰি, হাতে লিখা
যি বিধি শাস্ত্ৰ আমাৰ বিৰোধ হৈ আছিল, তাক আমাৰ মাজৰ পৰা গুছাই
নি তেওঁৰ পেৰেঙ্গণীত লগাই মাৰিলে। ১৫ তাতে প্ৰধান আৰু পৰাক্ৰমী ভূত
সকলক জিনী, সিহঁতৰ ওপৰত জয়ধ্বনিৰে আনন্দ কৰি সিহঁতক প্ৰকাশ
ৰূপে লাজ দি দেখালে।

১৬ এই হেতুকে খোৱা বা পান কৰা বস্তু, উৎসৱ বা আমাবাশ্যা, বা পূৰ্ব্বৰ
বিশ্ৰাম দিনৰ কথাত কোনেও তোমোলাকক দুষী নকৰোক। ১৭ এই সকলো
পাছে হব লগা কথাৰ ছাঁয়া মাথোন; কিন্তু সেই সকলোৰে শৰীল খ্ৰীষ্ট।
১৮ যি মানুহে আপোনাৰ ইচ্ছাৰে নম্ৰ ভাও আৰু দূতবিলাকক সেৱা কৰি
সংসাৰিক মনেৰে অকাৰণত গৰ্ব্বী হৈ নেদেখা কথা বিচাৰ কৰে, ১৯ আৰু

যি জনাৰ পৰাই গোটেই শৰীল গাঁঠি আৰু বন্ধনৰ দ্বাৰাই সংযোগ আৰু প্ৰতিপাল হৈ, ঈশ্বৰে দিয়া বৃদ্ধিৰে বাৰ্হে, এনে শৰীলৰ মূৰ যি খ্ৰীষ্ট, তেওঁক অমান্য কৰে, এনে কোনো লোকে তোমোলাকক ভুলাই ধৰ্ম্মৰ ফল গুছাবলৈ নিদিবা।

২০ তোমোলাক যদি সংসাৰিক শিক্ষাৰ কথাত খ্ৰীষ্টে সৈতে মৰা হৈছা, তেন্তে ভোগ কৰাত মাথোন নষ্ট হোৱা যি যি দ্ৰব্য, ২১ তাক নুচুবা, নেচাকিবা, হাতেৰে নধৰিবা, ২২ মানুহৰ আজ্ঞা আৰু শিক্ষাৰ দৰে এনে যি বিধি, তোমোলাকে সংসাৰিক লোকৰ নিচিনাকৈ কিয় সেই বিধিৰ বশ হোৱা? ২৩ আপোন ইচ্ছাৰে ভজনা আৰু নম্ৰভাও আৰু শৰীলক দুঃখ দিয়া, এইবিলাকৰ দ্বাৰাই সেই বিধি জ্ঞানৰ যেন দেখা হয়; কিন্তু সি শৰীলক একো মৰ্য্যতা নকৰি কেৱল সংসাৰীক কামনা মাথোন সিদ্ধি কৰে।

## ৩ অধ্যায়।

তোমোলাকে যদি খ্ৰীষ্টে সৈতে উঠা হোৱা, তেন্তে ঈশ্বৰৰ সোঁ ফালে খ্ৰীষ্টে বহি থকা যি ওপৰ থান, সেই থানৰ কথা বিচাৰিবা। ২ পৃথিবীৰ কথাত মন আসক্ত নহৈ ওপৰৰ কথাত আসক্ত হোৱা। ৩ কিয়নো তোমোলাক মৰা হৈছা, আৰু খ্ৰীষ্টে সৈতে তোমোলাকৰ জীৱন ঈশ্বৰত লুকুৱা হৈছে। ৪ আমাৰ জীৱন যি খ্ৰীষ্ট, তেওঁ যেতিয়া প্ৰকাশ হৈ আহিব, তেতিয়া তেৱেঁ সৈতে তোমোলাকো মহিমাযুক্ত প্ৰকাশ হবা।

৫ এই হেতুকে বেশ্যালি আদি অশুচি কৰ্ম্ম, কুচিত অভিলাষ, আৰু দেওপূজাৰ নিচিনা যি ধনৰ লোভ, এই সকলো কথাত তোমোলাকে আপোনাৰ সংসাৰিক ইন্দ্ৰিয় অঙ্গবোৰক দমন কৰা। ৬ এইবিলাক কথাৰ কাৰণে আজ্ঞা উলঙ্ঘন কৰা সকলৰ ওপৰত ঈশ্বৰৰ ক্ৰোধ থাকে। ৭ আগেয়ে তোমোলাকেও এই সকল কুকৰ্ম্মত দিন নিয়াই এনে ব্যৱহাৰ আচৰিছিলা। ৮ কিন্তু এতিয়া খঙ্গ, ক্ৰোধ, হিংসা, নিন্দা, মুখৰ পৰা ওলোৱা অবচনীয় বচন, এই সকলোকে দূৰ কৰা। ৯ আৰু তোমোলাকে ইজনে সিজনত মিছা কথা নকবা; কিয়নো তোমোলাকে কৰ্ম্মে সৈতে পুৰণি স্বভাৱ ত্যাগ কৰি, ১০ সৃজন কৰা জনাৰ প্ৰতিমূৰ্ত্তিৰ দৰে জ্ঞানেৰে নতুনকৈ নিৰ্ম্মান হোৱা যি নতুন স্বভাৱ, তাক লৈ পিন্ধি আছা। ১১ সেই নতুন স্বভাৱৰ দ্বাৰাই তোমোলাকৰ মাজত য়িহুদী বা বিদেশী, চৰ্ম্মছেদী বা অচৰ্ম্মছেদী লোক, ম্লেচ বা স্কুথিয়া, বন্দী বা স্বতন্ত্ৰ, এইবিলাকৰ কোনো ভেদ নাই; কিন্তু খ্ৰীষ্ট সকলোতে সকলো হৈছে। ১২ এই হেতুকে ঈশ্বৰৰ মনোনীত লোকৰ নিচিনা পবিত্ৰ আৰু প্ৰিয় হৈ, আন্তৰিক দায়া, অনুগ্ৰহ, নম্ৰ মন, মৃদু ভাও আৰু ধৈৰ্য্য, এই সকলোৰে সৈতে বিভূষিত হোৱা। ১৩ তোমোলাকে সহন

কৰি ইজনে সিজনৰ অপৰাধ খেমা কৰা; কাৰোবাৰে সৈতে যদি দন্দবান্দ
হয়, তেন্তে খ্ৰীষ্টে যেনেকৈ তোমোলাকক খেমা কৰিলে, তোমোলাকেও সেই
ৰূপে কৰা । ১৪ এই সকলতো বাজে বিশেষকৈ সৰ্ব্বসিদ্ধি কৰা প্ৰেম বন্ধনেৰে
বন্ধন হোৱা । ১৫ আৰু খ্ৰীষ্টৰ যি সান্ত্বনাৰ নিমিত্তে তোমোলাকক একে
শৰীলত আমন্ত্ৰণ কৰা হৈছে, সেই সান্ত্বনাই তোমোলাকৰ মনত অধিকাৰ
কৰোক, আৰু তোমোলাকে উপকাৰ জনা হোৱা । ১৬ খ্ৰীষ্টৰ বাক্য
সকলো জ্ঞানেৰে তোমোলাকত সম্পূৰ্ণ ৰূপে থাকোক । ধৰ্ম্ম গীত, স্তুতি
গীত, আৰু পৰমাৰ্থিক গানেৰে ইজনে সিজনে উপদেশ আৰু চেতনা দি
মনৰ ভক্তিয়েৰে ঈশ্বৰলৈ গান কৰা । ১৭ আৰু তোমোলাকে কায়ে বাক্যে
যি যি কৰা, প্ৰভু য়ীশুৰ নামেৰে সকলোকে কৰা, আৰু তেওঁৰ দ্বাৰাই পিতৃ
ঈশ্বৰকো স্তুতি কৰা ।

১৮ হে স্ত্ৰী লোক সকল, তোমোলাকে প্ৰভুৰ যোগ্য ৰূপে আপোন আ-
পোন স্বামীৰ বশ হোৱা । ১৯ হে পুৰুষবিলাক, তোমোলাকে আপোন আ-
পোন ভাৰ্য্যাক প্ৰেম কৰি সিবিলাকলৈ তিতা ব্যবহাৰ নকৰিবা । ২০ হে
সন্তান সকল, তোমোলাকে সকলো কথাত পিতৃ মাতৃৰ আজ্ঞা পালন কৰা;
কিয়নো এয়ে প্ৰভুএ সন্তোষ পোৱা কৰ্ম্ম । ২১ হে পিতৃ সকল, তোমোলা-
কে আপোন সন্তানবোৰৰ খঙ্গ নোতোলাবা, জানোঁ সিহঁতৰ মনৰ আশা
ভঙ্গ হয় । ২২ হে বন্দী লোক, মানুহ সন্তোষ হবৰ নিমিত্তে কেৱল সাক্ষা-
তে নহয়, প্ৰভুলৈ ভয় কৰি অকপট মনেৰে সকলো কথাত সংসাৰিক
অধিকাৰবিলাকৰো আজ্ঞা পালন কৰা । ২৩ আৰু প্ৰভুৰ পৰা পুত্ৰাধিকাৰ
বাবৰ ফল পাবা, ইয়াকে জানি, ২৪ তোমোলাকে যি যি কৰ্ম্ম কৰা, তাক
কেৱল মানুহৰ নিমিত্তে নকৰি প্ৰভুৰ কৰ্ম্ম বুলি ভাবি সন্তোষ মনেৰে কৰা;
কিয়নো তোমোলাকে প্ৰভু খ্ৰীষ্টৰ সেৱাহে কৰিছা । ২৫ কিন্তু যি জনে
অন্যায় কৰে, সি আপোন অন্যায়ৰ ফল পাব; আৰু তাতে চাটু কৰাও
নহয় । ২৬ আৰু হে অধিকাৰ সকল, স্বৰ্গত তোমোলাকৰো এক অধিকাৰ
আছে, ইয়াকে জানি আপোন বন্দীবিলাকক ন্যায়ৱন্ত আৰু শজ ব্যবহাৰ
কৰা ।

## ৪ অধ্যায় ।

তোমোলাকে প্ৰাৰ্থনাত প্ৰবৰ্ত্তি, গুণ কীৰ্ত্তন কৰি তাতে চেতন হৈ থাকি-
বা । ২ আৰু খ্ৰীষ্টৰ যি গোপনীয় কথাৰ কাৰণে ময় বন্ধন হৈ আছোঁ,
৩ তাক প্ৰকাশ কৰিবৰ নিমিত্তে ঈশ্বৰে যেন আমালৈ কীৰ্ত্তন কৰা দুৱাৰ
মুকলি কৰে, ৪ আৰু ময় উচিত ৰূপে যেন তাক প্ৰচাৰ কৰোঁ, তোমো-
লাকে আমাৰ নিমিত্তে এই প্ৰাৰ্থনা কৰা । ৫ আৰু বাহিৰে থকা লো-

কৰ আগত জ্ঞানেৰে আচৰণ কৰি কাল সাৰ্থক কৰা । ৬ তোমোলাকৰ
কথাৰ আলাপ সদাই লবণ ৰূপ অনুগ্ৰহেৰে সোৱাদযুক্ত হওক; তাতে
আটাই মানুহক কি ৰূপে উত্তৰ দিব লগা, তাকে জানিবা ।
৭ তুখিক নামে মোৰ প্ৰিয়তম ভাই আৰু প্ৰভুৰ বিশ্বাসী পৰিছাৰক
আৰু মোৰ লগৰ প্ৰভুৰ দাষো যি জন, তেওঁ মোৰ সকলো অৱস্থা তোমো-
লাকত জনাব । ৮ তোমোলাক কেনে আছা, তাক জানিবলৈ আৰু তো-
মোলাকৰ মন সান্তনা কৰিবলৈকে, ৯ তেওঁক আৰু অনেচিম নামে তো-
মোলাকৰ মাজৰ এজন বিশ্বাসী প্ৰিয় ভাইকো তোমোলাকলৈ পঠাইছোঁ;
সবিলাকে ইয়াৰ সকলো কথা তোমোলাকত জনাব । ১০ যাৰ কথাত
তোমোলাকে আজ্ঞা পালা, বৰ্ণাবাৰ ভাগিন সেই মাৰ্ক যদি তোমোলাকলৈ
যাই, তেওঁক গ্ৰহণ কৰিবা; তেওঁ আৰু মোৰ লগৰ বন্দীয়াৰ আৰিষ্টাৰ্খ
আৰু যুষ্ট নামেৰে প্ৰখ্যাত যি য়ীশু, এই সকল চৰ্ম্মছেদী লোকে তোমো-
লাকক নমস্কাৰ জনাইছে; ১১ কেৱল এইবিলাকেই ঈশ্বৰৰ ৰাজ্যৰ নি-
মিত্তে মোৰ সহায় হৈ মোক সান্তনা কৰোঁতা হৈছে । ১২ তোমোলাকৰ
মাজৰে খ্ৰীষ্টৰ সেৱক যি এপাফ্ৰা, তেওঁ তোমোলাকক নমস্কাৰ কৰিছে;
তোমোলাকে যেন ঈশ্বৰৰ সকলো ইষ্ট কৰ্ম্মত সিদ্ধি আৰু সম্পূৰ্ণ হৈ থিৰে
থাকা, এই নিমিত্তে তেওঁ যত্নেৰে তোমোলাকৰ অৰ্থে সদাই প্ৰাৰ্থনা কৰি
আছে । ১৩ তেৰেঁই তোমোলাকৰ আৰু লাৱদিকিয়া, আৰু হিএৰাপলিত
থকাবিলাকৰো হিতৰ নিমিত্তে অতি যত্ন কৰিছে, তেওঁলৈ ময় এই কথাৰ
সাক্ষী হৈছোঁ । ১৪ লুক নামে প্ৰিয় বেজে আৰু দিমায়ো তোমোলাকক
নমস্কাৰ কৰিছে । ১৫ লাৱদিকিয়াত থকা ভাইবিলাক, আৰু নুম্ফা, আৰু
তেওঁৰ ঘৰত থকা মণ্ডলী লোক, এই সকলোকে নমস্কাৰ জনাবা । ১৬ আৰু
তোমোলাকে যেতিয়া এই পত্ৰ পৰ্হা, তেতিয়া লাৱদিকিয়া মণ্ডলীতো পৰ্হিবলৈ
দিবা; আৰু লাৱদিকিয়ালৈ দিয়া পত্ৰও তোমোলাকে পৰ্হা । ১৭ আৰু
আৰ্খিপত এই কথা কবা, তুমি যি সেৱাৰ বাব পালা, তাক সাৱধান ৰূপে
সিদ্ধি কৰা । ১৮ ময় পৌল আপোন হাতেৰে নমস্কাৰ লিখি জনাইছোঁ ।
তোমোলাকে মোৰ বন্ধন সুঁৱৰি থাকিবা । তোমোলাকৰ ওপৰত অনুগ্ৰহ
হওক । [আমেন ।]

# থেচলনীকীয়ালৈ পৌলে লিখা প্ৰথম পত্ৰ ।

## ১ অধ্যায় ।

পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টত আশ্ৰয় কৰা থেচলনীকী লোকৰ
মণ্ডলীলৈ পৌল আৰু চিলা আৰু তিমথিএ পত্ৰ লিখিছে ।
আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ পৰা তোমোলাকলৈ অনুগ্ৰহ
আৰু কুশল হওক ।
২ হে প্ৰিয় ভাইবিলাক, আমি আপোনাৰ প্ৰাৰ্থনাত তোমোলাকৰ নাম
কাৰ্হি তোমোলাক সকলৰ নিমিত্তে সদাই ঈশ্বৰক স্তুতি কৰোঁ । ৩ তোমো-
লাক ঈশ্বৰে মনোনীত কৰা হৈছা, আমি ইয়াকে জানি, ৪ আমাৰ পিতৃ
ঈশ্বৰৰ সাক্ষাতে প্ৰভু য়ীশু খ্ৰীষ্টত বিশ্বাসেৰে তোমোলাকৰ যি কৰ্ম্ম, আৰু
প্ৰেমেৰে যি পৰিশ্ৰম, আৰু আশাৰে যি ধৌৰ্য্য, তাক নেৰাকৈ সুঁৱৰি আছোঁ;
৫ কিয়নো আমাৰ শুভবাৰ্ত্তা কেৱল কথাৰে প্ৰকাশ নহৈ মহিমা আৰু
পবিত্ৰ আত্মা আৰু অতি সাহেৰে তোমোলাকলৈ প্ৰকাশ হৈ আহিল ।
আমি তোমোলাকৰ মাজত থাকি তোমোলাকৰ নিমিত্তে কেনে লোক আ-
ছিলোঁ, তাক তোমোলাকে জানা; ৬ আৰু তোমোলাকে বহু দুঃখৰ মাজতো
পবিত্ৰ আত্মাই দিয়া আনন্দেৰে বাক্য গ্ৰহণ কৰি আমাৰ আৰু প্ৰভুৰ
পথত যোৱা হৈ, ৭ মাকেদনিয়া আৰু আখায়াত থকা সকলো বিশ্বাসী
লোকলৈ আৰ্হি হৈছিলা । ৮ তাতে মাকেদনিয়া আৰু আখায়া দেশতো
তোমোলাকৰ দ্বাৰাই প্ৰভুৰ বাক্য কীৰ্ত্তন কৰা হৈছে. অকল সেয়ে নহয়,
ঈশ্বৰত তোমোলাকৰ যি বিশ্বাস, সি সকলো ঠাইতে ব্যাপী গৈছে; এতেকে
তোমোলাকৰ কথা কবলৈ আমাৰ একো প্ৰয়োজন নাই । ৯ তোমোলাকলৈ
আমাৰ যোৱা কেনে হৈছিল, আৰু তোমোলাকে অমৰ আৰু সত্য ঈশ্বৰক
সেৱা কৰিবৰ নিমিত্তে, আৰু যি জনাক ঈশ্বৰে মৃত্যুৰ পৰা তুলিলে, অৰ্থাৎ
আগলৈ হব লগা ক্ৰোধৰ পৰা আমাক উদ্ধাৰ কৰা তেওঁৰ পুত্ৰ যি য়ীশু,
তেওঁ স্বৰ্গৰ পৰা অহালৈকে অপেক্ষা কৰিবৰ নিমিত্তে, ১০ কি ৰূপে
প্ৰতিমাৰ পৰা বিমুখ হৈ ঈশ্বৰৰ ফাললৈ চিত্ত ওলটালা, এই সকলো কথা
সিবিলাকে আপুনি প্ৰকাশ কৰে ।

## ২ অধ্যায়।

হে ভাইবিলাক, তোমোলাকলৈ আমাৰ যোৱা ব্যৰ্থ নহয়, ইয়াক তোমো-
লাকে জানা। ২ আৰু আগেয়ে ফিলিপী নগৰত আমি অনেক দুঃখ আৰু
অপমান পোৱাত ঈশ্বৰৰ দ্বাৰাই সাহিয়াল হৈ বহু যত্নেৰে ঈশ্বৰৰ শুভবাৰ্ত্তা
তোমোলাকৰ আগত প্ৰচাৰ কৰিলোঁ, তাকো তোমোলাকে জানা। ৩ ভাণ্ড-
নাৰে বা অশুচি কৰ্ম্মেৰে বা কপটেৰে আমি তোমোলাকক উপদেশ দিয়া
নাই; ৪ কিন্তু ঈশ্বৰে যি ৰূপে শুভবাৰ্ত্তা কীৰ্ত্তন কৰিবৰ নিমিত্তে আমাৰ বিশ্বা-
সত তাক সোধাই দিছিল, সেই ৰূপে মানুহৰ সন্তোষ নকৰি আমাৰ হৃদয়ৰ
পৰীক্ষা কৰোঁতা ঈশ্বৰক সন্তোষ কৰি সেই শুভবাৰ্ত্তা কীৰ্ত্তন কৰোঁ। ৫ আমি
কোনো কালত মিছা প্ৰশংসাৰ কথা কৈ লোভ ঢাকি থৈ চল কৰা নাই,
তাক তোমোলাকে জানা, আৰু ঈশ্বৰো সাক্ষী হৈছে। ৬ আৰু তোমোলা-
কৰ হওক বা লোকৰ হওক, মানুহৰ পৰা আমি যশস্যা নিবিচাৰিলোঁ;
তথাপি আমি খ্ৰীষ্টৰ পাঁচনি হৈ তোমোলাকৰ মাজত গৌৰৱ পাব পাৰি-
লোঁহেঁতেন; ৭ কিন্তু তোমোলাকলৈ নম্ৰ ভাও হৈ, মাকে যেনেকৈ সন্তান-
বোৰক পোহন পালন কৰে, ৮ তেনেকৈ তোমোলাকলৈ অতি মৰমিয়াল
হৈ, অকল ঈশ্বৰৰ শুভবাৰ্ত্তা দিবলৈ নহয়, তোমোলাক আমাৰ প্ৰিয় হোৱাত
আমি আপোন প্ৰাণকো দিবলৈ সন্মত হৈ আছিলোঁ। ৯ হে ভাইবি-
লাক, আমি কেনে শ্ৰম আৰু দুঃখ ভোগ কৰিলোঁ, আৰু তোমোলাকৰ
কাৰো ওপৰত ভাৰ নিদিবলৈ যি ৰূপে ৰাতিএ দিনে পৰিশ্ৰম কৰি তো-
মোলাকৰ আগত ঈশ্বৰৰ শুভবাৰ্ত্তা কীৰ্ত্তন কৰিলোঁ, ইয়াক তোমোলাকে
সুঁৱৰিছা, ১০ আৰু বিশ্বাস কৰা যি তোমোলাক, তোমোলাকৰ মাজত কেনে
পবিত্ৰ আৰু ন্যায়ৱন্ত আৰু নিৰ্দ্দোষী ৰূপে আচৰণ কৰিলোঁ, ইয়াৰে সাক্ষী
তোমোলাক আৰু ঈশ্বৰো হৈছে। ১১ আৰু পিতৃএ সন্তানবোৰক যে-
নেকৈ, তেনেকৈ আমিও তোমোলাকৰ প্ৰতি জনকে উপদেশ আৰু সান্ত্বনা
দিলোঁ, আৰু যি ঈশ্বৰে আপোন ৰাজ্য আৰু প্ৰভাৱলৈ তোমোলাকক
আমন্ত্ৰণ কৰিছে, ১২ তেওঁৰ যোগ্য ৰূপ আচৰণ কৰা, এই আজ্ঞা যে দি-
ছিলোঁ, তাক তোমোলাকে জানা।

১৩ তোমোলাকে যেতিয়া আমাৰ মুখে ঈশ্বৰৰ বাক্য শুনিলা, তেতিয়া মানুহৰ
কথা বুলি গ্ৰহণ নকৰিলা; কিন্তু যেনেকৈ স্বৰূপেই হৈছে, তেনেকৈ বিশ্বাস
কৰি তোমোলাকৰ মাজত সিদ্ধি কৰোঁতা ঈশ্বৰৰ বাক্য হেন জানি, তাক
গ্ৰহণ কৰিলা; এই নিমিত্তে আমি সৰ্ব্বদায় ঈশ্বৰক স্তুতি কৰিছোঁ।
১৪ কিয়নো হে ভাইবিলাক, য়িহুদা দেশত থকা ঈশ্বৰৰ যি মণ্ডলী লোকে
খ্ৰীষ্টৰ আশ্ৰয় ললে, সিবিলাকৰ পথে তোমোলাক যোৱা হৈছা; আৰু
সিবিলাকে যেনেকৈ য়িহুদী লোকৰ পৰা দুঃখ পোৱা হৈছিল, তেনেকৈ

তোমোলাকেও আপোন দেশীবিলাকৰ পৰা দুঃখ পোৱা হৈছা। ১৫ সেই
য়িহুদী লোকে প্ৰভু য়ীশুক আৰু ভবিষ্যত বক্তাবিলাককো বধ কৰিলে,
আমাকো তাড়ণা কৰিলে; আৰু ঈশ্বৰক সন্তোষ নকৰি সকলো মানুহৰ
বিৰোধ আচৰে; ১৬ আৰু বিদেশী লোক পৰিত্ৰাণ হবৰ নিমিত্তে সিবিলা-
কত কথা কবলৈ আমাক নিশেধ কৰি আপোন আপোন পাপ সম্পূৰ্ণ
কৰিছে; কিন্তু সিবিলাকৰ ওপৰলৈ অত্যন্ত ক্ৰোধ আহিছে।
১৭ হে ভাইবিলাক, মনৰ ভাৱে নহয়, শৰীৰৰ ভাৱে আমি তোমোলাকৰ
পৰা আঁতৰ হোৱাত তোমোলাকৰ মুখ দেখিবলৈ অতি ইচ্ছাৰে অনেক
যত্ন কৰিলোঁ। ১৮ তাতে আমি অৰ্থাৎ ময় পৌলে এবেলি, দুবেলিও তো-
মোলাকৰ ঠাইলৈ যাবৰ ইচ্ছা কৰিলোঁ, কিন্তু ছয়তানে আমাক বিঘিনি
কৰিলে। ১৯ আমাৰ আশা আৰু আনন্দ আৰু প্ৰশংসা ৰূপ যি কি-
ৰিটি, প্ৰভু য়ীশু খ্ৰীষ্ট অহা কালত তেওঁৰ সাক্ষাতে তোমোলাকে আমাৰ
সেই কিৰিটি নহবা নে? ২০ তোমোলাকেই আমাৰ যশস্যা আৰু আনন্দ।

## ৩ অধ্যায়।

সেই নিমিত্তে আমি যেতিয়া আৰু পলম কৰি থাকিব নোৱাৰিছিলোঁ, তে-
তিয়া আথিনি নগৰত অকলেই থাকিবলৈ উচিত জানিলোঁ; ২ আৰু বৰ্ত্ত-
মান দুঃখত তোমোলাকৰ কোনোএ যেন ব্যাকুল নহয়, ৩ এই নিমিত্তে
তোমোলাকৰ বিশ্বাসৰ কথাত তোমোলাকক সান্তনা দি থিৰ কৰিবলৈ খ্ৰীষ্টৰ
শুভবাৰ্ত্তা কীৰ্ত্তন কৰাত আমাৰ সহায়, এনে যি ঈশ্বৰৰ সেৱক আৰু আ-
মাৰ ভাই তিমথি, তেওঁক তোমোলাকলৈ পঠাইছিলোঁ। ৪ আমি দুঃখ-
লৈ নিযোজন হৈছোঁ, ইয়াকে তোমোলাকে জানা; আৰু আমাৰ দুঃখ
ভোগ ঘটিব, এই কথা আগেয়ে আমি তোমোলাকৰ লগত থাকোঁতেই কৈ-
ছিলোঁ; আৰু সেই মতেই হৈছিল, তাকো তোমোলাকে জানা; ৫ তথাপি
পৰীক্ষা কৰা জনাই তোমোলাকক পৰীক্ষা কৰিলে কিজানি আমাৰ পৰি-
শ্ৰম বিফল হয়, এই সংশয় কৰি আৰু পলম কৰিব নোৱাৰি, তোমো-
লাকৰ বিশ্বাস জানিবলৈ তিমথিক পঠালোঁ। ৬ এতিয়া তেওঁ তোমোলাকৰ
লগৰ পৰা আহি তোমোলাকৰ বিশ্বাস আৰু প্ৰেমৰ কথা, আৰু আমি যে-
নেকৈ তোমোলাকক দেখিবলৈ ইচ্ছা কৰোঁ, তোমোলাকেও সেই ৰূপে আ-
মাক দেখিবলৈ ইচ্ছা কৰি আমাক ভাল মতে সুঁৱৰি আছা, এই সকলো
শুভবাৰ্ত্তা আনিলে। ৭ এই হেতুকে, হে ভাইবিলাক, আমি তোমোলা-
কৰ বিশ্বাসৰ দ্বাৰাই আমাৰ সকলো দুঃখ ক্লেশত তোমোলাকৰ নিমিত্তে
সান্তনা পালোঁ। ৮ কিয়নো তোমোলাকে এতিয়া প্ৰভুৰ আশ্ৰয়ত থিৰে
থাকিলে আমি জীয়াই থাকোঁ। ৯ আমি ঈশ্বৰৰ আগত তোমোলাকৰ

অর্থে যি যি আনন্দেৰে আনন্দিত হৈছোঁ, তাৰ নিমিত্তে তোমোলাকৰ কথাত
ঈশ্বৰৰ আগত কেনে যোগ্য স্তুতি কৰিব পাৰিম? ১০ তোমোলাকৰ বিশ্বা-
সৰ যি কম্‌তি হৈ আছে, তাক পূৰ কৰিবৰ নিমিত্তে তোমোলাকৰ মুখ
যেন দেখিবলৈ পাওঁ, ৰাতিএ দিনে এই অতিশয় প্ৰাৰ্থনা কৰি আছোঁ। ১১ আ-
মাৰ পিতৃ ঈশ্বৰে আপুনি আৰু আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টে তোমোলাকৰ
ঠাইলৈ আমাক পথ দেখাই দিওক । ১২ আৰু যি কালত আমাৰ প্ৰভু
য়ীশু খ্ৰীষ্ট আপোনাৰ সকলো পবিত্ৰ লোকে সৈতে আহিব, সেই কাল-
লৈকে আমাৰ পিতৃ ঈশ্বৰৰ আগত তেওঁ যেন তোমোলাকৰ মন শুদ্ধসত্ত্ব-
তে নিৰ্দুষী ৰূপে থিৰ কৰে, ১৩ এই নিমিত্তে তোমোলাকলৈ আমাৰ যি
ৰূপ প্ৰেম আছে, সেই ৰূপে ইজনৰ সিজনলৈ আৰু সকলো মানুহলৈকো
প্ৰভুএ তোমোলাকৰ প্ৰেম বৰ্হাই বৰ্হাই বৃদ্ধি কৰোক ।

## ৪ অধ্যায় ।

হে ভাইবিলাক, পুনৰ কৈছোঁ, যি ৰূপ আচৰণ কৰি ঈশ্বৰক সন্তোষ কৰিব
লাগে, এই যি কথা তোমোলাকে আমাৰ পৰা পাইছিলা, তাৰ দৰে আচ-
ৰণ কৰাত তোমোলাকৰ যত্ন অধিক অধিককৈ বাৰ্হি যাওক, প্ৰভু য়ীশুৰ
কাৰণে বিনয় কৰি তোমোলাকক এই উপদেশ দিছোঁ। ২ কিয়নো প্ৰভু
য়ীশুৰ নামেৰে তোমোলাকক কেনে আজ্ঞা দিছিলোঁ, তাক তোমোলাকে
জানা । ৩ তোমোলাকে যেন বেশ্যালী কৰ্ম্মৰ পৰা আঁতৰি থাকা, আৰু
সকলোএ আপোন আপোন শৰীলক পবিত্ৰ আৰু সন্মান কৰি ৰাখা,
৪ আৰু ঈশ্বৰক নজনা বিদেশী লোকৰ নিচিনা ইন্দ্ৰিয়ৰ অভিলাষৰ বশবৰ্ত্তী
নোহোৱা, ৫ আৰু চল কৰি কোনো কথাত আপোনাৰ ভায়াক ভাণ্ডনা
নকৰা, তোমোলাক এই ৰূপে পবিত্ৰ হোৱা ঈশ্বৰৰ ইচ্ছা । ৬ আমি যেনেকৈ
তোমোলাকক আগেএ প্ৰমাণ কৰি উপদেশ দিলোঁ, সেই ৰূপে প্ৰভুএ এনে
কুকৰ্ম্ম কৰা সকলৰ প্ৰতিফল দিব । ৭ অশুচি কৰ্ম্ম কৰিবলৈ ঈশ্বৰে আ-
মাক নিমন্ত্ৰণ নকৰিলে, পবিত্ৰ কৰ্ম্ম কৰিবলৈহে নিমন্ত্ৰণ কৰিলে । ৮ এই হে-
তুকে যি কোনোএ আজ্ঞা অৱহেলা কৰে, সি কেৱল মানুহক হেলা কৰা
নহয়; যি জনাই আপোনাৰ পবিত্ৰ আত্মা আমাক দিলে, সেই ঈশ্বৰকে
অৱহেলা কৰে ।

৯ ভাইবিলাকলৈ প্ৰেম কৰাৰ কথা ময় তোমোলাকলৈ লিখিবৰ প্ৰয়োজন
নাই; ইজনে সিজনে প্ৰেম কৰিবলৈ তোমোলাকে ঈশ্বৰৰ পৰা শিক্ষা পালা;
১০ আৰু সকলো মাকেদনিয়া দেশত থকা ভাইবিলাকক তোমোলাকে
প্ৰেম কৰিছা হয়; তথাপি হে ভাইবিলাক, তোমোলাকে আৰু অধিক
অধিককৈ প্ৰেম কৰা, তোমোলাকত এই মিনতি কৰিছোঁ । ১১ আৰু মণ্ড-

লীৰ বাহিৰ হোৱা লোকলৈকো তোমোলাকে যেন অকুটিল ৰূপে আচৰণ
কৰা, আৰু তোমোলাকৰ যেন কোনো বাঁকি নেথাকে, ১২ এই নিমিত্তে আমি
যেনেকৈ আজ্ঞা দিলোঁ, তেনেকৈ নিৰ্ব্বিৰোধ হৈ আপোনাৰ কাৰ্য্যত মনযোগ
কৰি আপোন আপোন হাতে কাম কৰি থাকা।

১৩ হে ভাইবিলাক, আশা নাইকিয়া লোকৰ নিচিনা তোমোলাকে যেন
শোক নকৰা, এই নিমিত্তে নিদ্ৰাত থকা লোকৰ কথাত তোমোলাক অজ্ঞানী
হোৱা, আমাৰ এই ইচ্ছা নাই। ১৪ য়ীশুএ আপোনাৰ প্ৰাণ এৰি পুনৰ্ব্বাৰ
জীয়াই উঠিল, এয়ে যদি বিশ্বাস কৰা কথা হয়, তেন্তে য়ীশুৰ আশ্ৰয়ত
নিদ্ৰিত হোৱাবিলাককো ঈশ্বৰে তেওঁৰে সৈতে অৱশ্যে আনিব। ১৫ প্ৰভুৰ
বাক্যৰ দ্বাৰাই তোমোলাকত এই কথা কৈছোঁ, প্ৰভু অহাৰ দিনত আমাৰ
যি লোক জীয়াই থাকে, সেইবিলাকে নিদ্ৰাত থকাবিলাকৰ আগেয়ে যোৱা
নহব। ১৬ কিয়নো জয়ধ্বনি আৰু প্ৰধান দূতৰ শবদ আৰু ঈশ্বৰৰ ভেঁৰিৰ
বাদ্যে সৈতে প্ৰভু আপুনি স্বৰগৰ পৰা নামিব; আৰু খ্ৰীষ্টৰ আশ্ৰয়ত মৰা
লোকেই প্ৰথমে উঠিব; ১৭ পাছে অৱশেৰ জীয়াই থকা আমাকো প্ৰভুৰ
সাক্ষাত হবলৈ সিবিলাকে সৈতে আকাশলৈ নিয়া হব; তাতে আমি সদাই
প্ৰভুৰ লগত একে ঠাইতে থাকিম। ১৮ এই কথাৰ দ্বাৰাই তোমোলাকে
ইজনে সিজনক সান্ত্বনা কৰা।

## ৫ অধ্যায়।

হে ভাইবিলাক, কাল বা বিশেষ সময়ৰ কথাময় তোমোলাকলৈ লিখাৰ
একো প্ৰয়োজন নাই। ২ কিয়নো ৰাতি যেনেকৈ চোৰ আহে, তেনেকৈ
প্ৰভুৰ দিন আহিব, ইয়াক তোমোলাকে আপুনি নিশ্চয়ে জানা। ৩ কুশল
আৰু নিৰ্ব্বিঘিনি, এই কথা যি কালত লোকবিলাকে বুলিব, সেই কালতে
অকস্মিতে গৰ্ভিনীৰ প্ৰসৱৰ বেদনাৰ নিচিনা সিবিলাকৰ বিনাশ আহিব,
আৰু সিবিলাকে সাৰিবও নোৱাৰে। ৪ কিন্তু হে ভাইবিলাক, চোৰৰ নিচিনা-
কৈ সেই দিনে তোমোলাকক খেদি ধৰিবলৈ তোমোলাক এন্ধাৰত থকা
নোহোৱা; ৫ তোমোলাক সকলো পহৰ আৰু দিনৰ সন্তান হৈ আছা;
আমি ৰাতি আৰু এন্ধাৰৰ লোক নহওঁ। ৬ এই হেতুকে আহাঁ, আমি আন
মানুহৰ নিচিনাকৈ টোপনীয়াই নেথাকি, পৰ দি চেতনে থাকোঁহঁক।
৭ যিবিলাকে টোপনীয়াই থাকে, সিবিলাকে ৰাতিতে টোপনীয়াই; আৰু
যিবিলাক মতলীয়া হয়, সিবিলাকো ৰাতিতে মতলীয়া হৈছে। ৮ কিন্তু
দিনৰ সন্তান যি আমি, আমি বিশ্বাস আৰু প্ৰেমৰ বুকুৱৰি পিন্ধি আৰু
পৰিত্ৰাণৰ আশা টকয়া ৰূপে মূৰত দি চেতনে থাকোঁহঁক। ৯ কিয়নো
ঈশ্বৰে ক্ৰোধলৈ আমাক নিযোজন কৰা নাই; ১০ কিন্তু যি জনাই আমাৰ

নিমিত্তে প্ৰাণ দিলে, সেই আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ দ্বাৰাই যেন পৰিত্ৰাণ
পোৱা হওঁ, আৰু জাগি থকা বা নিদ্ৰিত হোৱা হলেও তেওঁৰে সৈতে যেন
জীয়াই থাকোঁ, ইয়াৰ নিমিত্তে নিযোজন কৰিলে । ১১ এই হেতুকে তো-
মোলাকে যি ৰূপে কৰিছা, সেই ৰূপে ইজনে সিজনক সান্তনা দি থিৰ
কৰিও থাকা । ১২ হে ভাইবিলাক, প্ৰভুৰ কাৰ্য্যতে তোমোলাকৰ ওপৰত
যিবিলাক ৰক্ষক নিযোজন কৰা হৈ তোমোলাকৰ মাজত পৰিশ্ৰম কৰি
উপদেশ দিএ, সিবিলাকক মান্য কৰা, ১৩ আৰু সিবিলাকৰ কৰ্ম্মৰ নি-
মিত্তে অতি প্ৰীতিৰে সমাদৰ কৰা; আৰু ইজনে সিজনে সৈতে কুশলে থাকা,
তোমোলাকত আমাৰ এই নিবেদন । ১৪ হে ভাইবিলাক, এই মিনতি
কৰিছোঁ, অনিতি লোকক দোষ দেখুউৱা, অল্প সাহসীবিলাকক সান্তনা
দিয়া, দুৰ্ব্বলী লোকক ৰক্ষা কৰা, আৰু সকলোলৈকে সহনীয় হোৱা । ১৫ আৰু
কোনো লোকক অপকাৰৰ সলনি তোমোলাকৰ কোনেও যেন অপকাৰ
নকৰে, ইয়ালৈ সাৱধান হোৱা; আৰু আপোন আপোন লোক আৰু অন্য
লোক সকললৈকো সদাই সজ আচাৰ প্ৰবৰ্ত্তন কৰা । ১৬ সৰ্ব্বকালে আনন্দ
কৰা । ১৭ নিৰন্তৰে প্ৰাৰ্থনা কৰি থাকা । ১৮ সকলো কথাত গুণ কীৰ্ত্তন
কৰা; কিয়নো তোমোলাকৰ অৰ্থে য়ীশু খ্ৰীষ্টত ঈশ্বৰৰ এই ইচ্ছা ।
১৯ পবিত্ৰ আত্মাক নুনুমাবা । ২০ ভবিষ্যত বাক্য হেলা নকৰিবা । ২১ সক-
লো কথাৰ পৰীক্ষা কৰি, যি ভাল তাকে ধৰি ৰাখা । ২২ সকলো বিধ
পাপৰ পৰা আঁতৰ হৈ থাকা । ২৩ আৰু কুশল দিওঁতা ঈশ্বৰে তোমোলা-
কক সম্পূৰ্ণ ৰূপে পবিত্ৰ কৰোক; আৰু আমাৰ প্ৰভু য়ীশু খ্ৰীষ্ট অহা দিন-
লৈকে তোমোলাকৰ আত্মা, প্ৰাণ, শৰীল, সকলোকে নিৰ্দুষী ৰূপে ৰাখোক ।
২৪ যি জনাই তোমোলাকক নিমন্ত্ৰণ কৰিছে, তেওঁ বিশ্বাসী হোৱাত তাকে
কৰিব । ২৫ হে ভাইবিলাক, আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰা । ২৬ পবিত্ৰ
চুমা দি ভাই সকলক নমস্কাৰ কৰা । ২৭ তোমোলাকে এই পত্ৰ সকলো
পবিত্ৰ ভাইবিলাকৰ আগত পাঠ কৰোৱা, প্ৰভুৰ নামেৰে তোমোলাকক
এই আজ্ঞা দিছোঁ । ২৮ তোমোলাক সকললৈ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনু-
গ্ৰহ হওক । [আমেন ।]

# থেচলনীকীয়ালৈ পৌলে লিখা দ্বিতীয় পত্ৰ।

## ১ অধ্যায়।

আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টত আশ্ৰয় কৰা থে-
চলনীকী লোকৰ মণ্ডলীলৈ পৌল আৰু চিলা আৰু
তিমথিএ পত্ৰ লিখিছে। ২ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ
পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু কুশল হওক।
৩ হে ভাইবিলাক, তোমোলাকৰ বিশ্বাস বাৰ্হি বাৰ্হি আছে, আৰু তোমো-
লাক সকলোৰে ইজনৰ সিজনলৈ প্ৰেম বৃদ্ধি হৈছে, এই হেতুকে যেনেকৈ উচিত
আছে, তেনেকৈ আমি সদাই তোমোলাকৰ নিমিত্তে ঈশ্বৰক স্তুতি কৰিব লগা।
৪ আৰু সকলো তাড়না আৰু দুঃখ ভোগতো তোমোলাকৰ ধৈৰ্য্য আৰু বিশ্বাসৰ
অৰ্থে ঈশ্বৰৰ মণ্ডলীবিলাকৰ মাজত তোমোলাকৰ প্ৰশংসাৰ কথা কৈছোঁ।
৫ ঈশ্বৰৰ যি ৰাজ্যৰ নিমিত্তে তোমোলাকে দুঃখ ভোগ কৰি আছা, তোমোলাকে
সেই ৰাজ্যৰ যোগ্য পাত্ৰ যেন গণীত হবা, ঈশ্বৰৰ পৰমাৰ্থিক শোধৰ এটা
প্ৰকাশ হোৱা লক্ষণ সেই (দুঃখ ভোগেই)। ৬ কিয়নো ঈশ্বৰক নজনা লোক
আৰু আমাৰ প্ৰভ য়ীশু খ্ৰীষ্টৰ শুভবাৰ্ত্তা নমনাবিলাকক উচিত দণ্ড কৰিবৰ
নিমিত্তে যি কালত প্ৰভু য়ীশুএ আপোনাৰ বলৱন্ত দূতবিলাকে সৈতে অগ্নিৰ
সিখ্যাৰে স্বৰ্গৰ পৰা প্ৰকাশ হব, ৭ তেতিয়া তোমোলাকক দুঃখ দিয়া যি
মানুহ, সিবিলাকক প্ৰতিফল দণ্ড কৰা; ৮ আৰু দুঃখ পোৱা যি তোমো-
লাক, তোমোলাকক আমাৰে সৈতে বিশ্ৰাম দিয়া, এয়ে ঈশ্বৰৰ পৰমাৰ্থিক
কৰ্ম্ম। ৯ আপোনাৰ পবিত্ৰ লোকৰ দ্বাৰাই সমাদৰ পাবৰ নিমিত্তে, আৰু
আমাৰ সাক্ষীত বিশ্বাস কৰা যি তোমোলাক, তোমোলাক আৰু সকলো বিশ্বাসী
লোকৰ দ্বাৰাই মান্যৱন্ত হবৰ নিমিত্তে, ১০ তেওঁ আহিবৰ সময়ে তেওঁৰ
সন্মুখৰ পৰা আৰু তেজস্বি মহিমাৰ পৰাও অনন্ত যাতনাৰে সিবিলাকৰ দণ্ড
হব। ১১ এই হেতুকে আমাৰ ঈশ্বৰে যেন তোমোলাকৰ এই আমন্ত্ৰণক যোগ্য
মানে, আৰু আপোনাৰ অনুগ্ৰহেৰে সকলো হিত কৰিবৰ যি ইচ্ছা, আৰু
তোমোলাকৰ বিশ্বাসৰ যি কৰ্ম্ম, সেইবিলাকক তেওঁ মহিমাৰে যেন সম্পূৰ্ণ
কৰে, ১২ তাত বাঝে আমাৰ ঈশ্বৰ আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহৰ

দৰে তোমোলাকৰ মাজত আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ নামে যেন মৰ্য্যতা পাই, আৰু তেওঁতে তোমোলাকেও যেন মান্য পোৱা হোৱা, এই নিমিত্তে তোমোলাকৰ অৰ্থে আমি সদাই প্ৰাৰ্থনা কৰি আছোঁ। ৮

## ২ অধ্যায়।

হে ভাইবিলাক, আমাৰ প্ৰভু য়ীশু খ্ৰীষ্ট অহা আৰু তেওঁৰ ওচৰত আমাৰ
গোট খোৱাৰ অৰ্থে তোমোলাকত আমি এই নিবেদন কৰিছোঁ, প্ৰভু অহাৰ
দিন ওচৰ পাইছেহি, ২ এই কথা আত্মাৰ দ্বাৰাই, বা বাক্যৰ দ্বাৰাই, নাইবা
আমি লিখা পত্ৰৰ দৰে কোনো পত্ৰৰ দ্বাৰাই বুজি, তোমোলাকে লগতেই
মন অথিৰ আৰু ব্যাকুল নহবা। ৩ কোনো ৰূপে তোমোলাকক কেৱে ভুলা-
বলৈ নিদিবা; কিয়নো সেই দিনৰ আগেয়ে ধৰ্ম্ম পৰিত্যাগ কৰা হব, ৪ আৰু
যি জনে বিৰোধ কৰি ঈশ্বৰ নামেৰে প্ৰক্ষাত হোৱা আৰু সেৱা পোৱা সকল-
লতোকৈ আপোনাক ওখ কৰি, ঈশ্বৰৰ নিচিনাকৈ ঈশ্বৰৰ মন্দিৰত বহি আ-
পোনাক ঈশ্বৰ বুলি দেখাই, এনে যি পাপ পুৰুষ অৰ্থাৎ বিনাশৰ পাত্ৰ,
সি প্ৰকাশ হৈ আহিব। ৫ তোমোলাকৰ লগত থাকোঁতে ময় এই কথা
তোমোলাকত কৈছিলোঁ, তাক তোমোলাকে সোঁৱৰা নাই নে? ৬ আৰু সেই
পাপ পুৰুষ আপোনাৰ কালত প্ৰকাশ হবৰ নিমিত্তে এতিয়া যেয়ে নিবাৰণ
কৰিছে, তাক তোমোলাকে জানা। ৭ কিয়নো সেই গুপুত হোৱা অধৰ্ম্মে
এতিয়াও কৰ্ম্ম কৰি আছে; কিন্তু যেয়ে নিবাৰণ কৰে, সেয়ে নুগুছে মানে
নিবাৰণ কৰিহে থাকিব। ৮ পাছে যি জনক প্ৰভু য়ীশুএ আপোন মুখৰ
নিশ্বাসৰ দ্বাৰাই বিনাশ কৰিব, আৰু আপুনি অহাৰ কান্তিৰ দ্বাৰাই সং-
হাৰ কৰিব, সেই অধৰ্ম্মী জন প্ৰকাশ হৈ আহিব। ৯ সকলো শক্তি আৰু
আশ্চৰিত কৰ্ম্ম আৰু মিছা চিন আৰু অধৰ্ম্মৰ আটাই কপটেৰে সৈতে
ছয়তানৰ কৰ্ম্মৰ দৰে বিনাশৰ পাত্ৰবিলাকৰ মাজত সেই জনৰ আগমন হব।
১০ কিয়নো সিবিলাকে পৰিত্ৰাণ পাবৰ নিমিত্তে সত্যকে প্ৰীতি ৰূপে নোলো-
ৱা হেতুকে সিবিলাকে যেন মিছাতে বিশ্বাস কৰে, ১১ এই নিমিত্তে ঈশ্বৰে
সিইঁতলৈ ভ্ৰান্তি কৰা মায়া দি পঠাব। ১২ তাতে যিবিলাকে সত্যকে বিশ্বাস
নকৰি অধৰ্ম্মতে সন্তোষ পাই, সেই সকলোবিলাকক দণ্ড আজ্ঞা দিয়া হব।
১৩ কিন্তু হে প্ৰভুলৈ প্ৰিয় হোৱা ভাইবিলাক, তোমোলাকৰ নিমিত্তে আমি
সদাই ঈশ্বৰক স্তুতি কৰা উচিত; কিয়নো আত্মাই তোমোলাকক পবিত্ৰ কৰাৰ
দ্বাৰাই, আৰু সত্য কথাত বিশ্বাস কৰাৰ দ্বাৰায়ো পৰিত্ৰাণৰ নিমিত্তে ঈশ্বৰে
আদিৰে পৰা তোমোলাকক মনোনীত কৰি, ১৪ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ
ঐশ্বৰ্য্য পোৱা হবৰ নিমিত্তে আমাৰ শুভবাৰ্ত্তাৰ দ্বাৰাই তোমোলাকক
নিমন্ত্ৰণ কৰিলে; ১৫ এই হেতুকে, হে ভাইবিলাক, আমাৰ কথা বা পত্ৰৰ

দ্বাৰাই যি সকল উপদেশৰ শিক্ষা তোমোলাকে পালা, সেই উপদেশ ৰাখি
থিৰ হৈ থাকা। ১৬ আৰু আমাৰ প্ৰভু য়ীশু খ্ৰীষ্ট আপুনি, আৰু যি জনাই
আমাক প্ৰেম কৰি আমাক অনন্ত সান্ত্বনা আৰু অনুগ্ৰহেৰে উত্তম আশা
দিলে, ১৭ আমাৰ সেই পিতৃ ঈশ্বৰেও তোমোলাকৰ মনত সান্ত্বনা দি, সক-
লো সজ বাক্য আৰু কৰ্ম্মত তোমোলাকক থিৰ কৰোক।

## ৩ অধ্যায়।

হে ভাইবিলাক, শেষতে কৈছোঁ, ঈশ্বৰৰ বাক্য তোমোলাকৰ মাজত যেনে,
সেই ৰূপে আন ঠায়ে ঠায়ে যেন চলে আৰু মান্য পাই, ২ আৰু অন্যায় দুষ্ট
লোকৰ হাতৰ পৰা আমি যেন ৰক্ষা পাওঁ, আমাৰ নিমিত্তে এই প্ৰাৰ্থনা
কৰা; কিয়নো সকলোৰে বিশ্বাস নাই। ৩ কিন্তু বিশ্বাসী যি প্ৰভু, তেৱেঁই
তোমোলাকক থিৰ কৰি মন্দৰ পৰা ৰাখিব। ৪ আৰু আমি যি যি
কৰ্ম্ম কৰিবলৈ আজ্ঞা দিছোঁ, তোমোলাকে সেই সকলো কৰ্ম্ম কৰিছা আৰু
কৰিবাও, আমি তোমোলাকৰ অৰ্থে প্ৰভুত এনে বিশ্বাস কৰিছোঁ। ৫ ঈশ্ব-
ৰৰ প্ৰেমত আৰু খ্ৰীষ্টৰ ধৌৰ্য্যত প্ৰভুএ তোমোলাকৰ মন সুমাই দেখাওক।
৬ হে ভাইবিলাক, আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ নামে আমি তোমোলাকক
এই আজ্ঞা দিছোঁ, আমাৰ পৰা যি যি বিধি পালা, তাক যদি কোনো
ভাইবিলাকে নাচৰি অনিয়ম ৰূপে আচৰে, সিবিলাক প্ৰতি জনৰে পৰা
পৃথক হৈ থাকা। ৭ কিয়নো যি ৰূপে তোমোলাক আমাৰ পথত যোৱা
উচিত, তাক তোমোলাকে জানা। ৮ তোমোলাকৰ মাজত আমি কুব্যবহাৰ
কৰা নাই, বিনামূল্যে কাৰো আহাৰ ভোজনো কৰা নাই, কিন্তু তোমোলা-
কৰ কাকো কোনো ভাৰ নিদিবলৈ ৰাতিএ দিনে যতন আৰু শ্ৰমেৰে বন
কৰিলোঁ। ৯ সেই কথাৰ ওপৰত আমি অধিকাৰ নোহোৱাত তাকে কৰি-
লোঁ, এনে নহয়; কিন্তু তোমোলাকে আমাৰ পথত যেন চলা, এই নিমিত্তে
তোমোলাকৰ আগত আমি আপোনাকে আৰ্হি দেখাবলৈহে তাকে কৰি-
লোঁ। ১০ তোমোলাকৰ মাজত থাকোঁতেই আমি তোমোলাকক এই আজ্ঞা
দিছিলোঁ, কাম কৰিবলৈ যি কোনোএ ইচ্ছা নকৰে, সি ভোজনো নকৰোক।
১১ কিন্তু তোমোলাকৰ কোনো কোনোএ কুব্যবহাৰ কৰে, আৰু আপোনাৰ
একো কাম নকৰি লোকৰ কামত মন দিএ, ইয়াক আমি শুনিছোঁ। ১২ এনে
মানুহক শান্ত ভাৱে কাম কৰি আপোনাৰ খোৱা বস্তু ভোজন কৰিবলৈ আ-
মাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ নামেৰে আমি বিনয় কৰি আজ্ঞা দিছোঁ। ১৩ হে
ভাইবিলাক, সজ কৰ্ম্ম কৰাত তোমোলাকে ভাগৰ নেমানিবা। ১৪ এই পত্ৰৰ
দ্বাৰাই আমাৰ কথা কোনোএ যদি নুশুনে, তোমোলাকে সেই মানুহক চিনি
ৰাখিবা, আৰু সি লাজ পাবৰ নিমিত্তে তাৰে সৈতে আলাপ ব্যবহাৰো

নকৰিবা। ১৫ তথাপি তাক শত্ৰু বুলি হলে নেমানিবা, কিন্তু ভাই বুলি
চেতনা দিয়া। ১৬ সান্তনা কৰোঁতা প্ৰভুএ আপুনি সকলো ভাৱে সদাই তো-
মোলাকক সান্তনা দিওক। প্ৰভু তোমোলাক সকলোৰে সঙ্গী হওক।
১৭ সকলো পত্ৰত ময় পৌলে যি ৰূপে আপোন হাতে চিন অক্ষৰ
দি লিখোঁ, সেই ৰূপে ইয়াতো আপোন হাতেৰে নমস্কাৰ লিখি জনাই-
ছোঁ। ১৮ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমোলাক সকললৈ হওক।
[আমেন।]

# তিমথিলৈ পৌলে লিখা প্ৰথম পত্ৰ।

## ১ অধ্যায়।

আমাৰ ত্ৰাণ কৰ্ত্তা ঈশ্বৰ আৰু ভাৰসা হোৱা য়ীশু খ্ৰীষ্টৰ
আজ্ঞাৰ দ্বাৰাই য়ীশু খ্ৰীষ্টৰ পাঁচনি যি পৌল, তেৱেঁ
আপোনাৰ স্বৰূপ পুত্ৰ তিমথিলৈ পত্ৰ লিখিছে। ২ আমাৰ পিতৃ ঈশ্বৰ
আৰু প্ৰভু য়ীশু খ্ৰীষ্টৰ পৰা তোমালৈ অনুগ্ৰহ, দায়া আৰু কুশল হওক।
৩ ময় যেতিয়া মাকেদনিয়া দেশলৈ গৈছিলোঁ, তেতিয়া কেতবোৰ লোকে
যেন কোনো নতুন উপদেশ নিদিএ আৰু সাধু কথা অশেষ বংশাৱলিত
যেন মতি নকৰে, এনে আজ্ঞা সিবিলাকক দিবৰ নিমিত্তে এফেচ নগৰত
থাকিবলৈ ময় তোমাক বিনয় কৰিছিলোঁ। ৪ সেই সকলো কথাই বিবাদ
মাথোন জন্মাই, কিন্তু বিশ্বাসৰ দ্বাৰাই ঈশ্বৰৰ যি ধৰ্ম্ম, তাত বিফল হৈ
থাকে। ৫ নিৰ্ম্মল চিত্ত, শুদ্ধ মন, আৰু অকপট বিশ্বাসৰ পৰা যি প্ৰেম,
সেয়েই আজ্ঞাৰ শেষ। ৬ কিন্তু কেতবিলাক মানুহ ইয়াৰ পৰা এফলিয়া
হৈ অনৰ্থক বাদ বিচাৰলৈ উলটি গল; ৭ সিবিলাকে যি কয়, আৰু আপু-
নি নিশ্চয় কৰা কথাৰ বা অৰ্থ কি, তাক নেজানিও বিধানৰ উপদেশক
হবলৈ ইচ্ছা কৰে। ৮ কিন্তু বিধান যদি উচিত ৰূপে মনা হয়, তেন্তে সেয়ে
হিত কৰা হয়, ইয়াক আমি জানোঁ। ৯ আৰু সেই বিধান কোনো ধৰমীৰ
অৰ্থে নহয়, কিন্তু অধৰমী, আজ্ঞা নমনা, দুৰাচাৰী, আৰু পাপী, অপ-
বিত্ৰ আৰু অসাধু, পিতৃ বধি, মাতৃ বধি, আৰু মানুহ মৰা, ১০ বেশ্যালী
কৰোঁতা, পুংমৈথুনী, মানুহ চুৰ কৰা, মিছলীয়া, মিছা শপত খাওঁতা, এই
সকলোৰে অৰ্থে, ১১ আৰু মোৰ হাতত সমৰ্পীত হোৱা সৰ্ব্বানন্দ ঈশ্বৰৰ
মহিমাযুক্ত শুভবাৰ্ত্তাৰ দৰে হিত উপদেশৰ বিপৰীত অন্য যদি আছে,
তাৰো অৰ্থে সেই বিধান থিতি হৈছে, ইয়াকে আমি জানোঁ। ১২ যি

জনাই মোক বিশ্বাসী মানি সেৱাৰ বাবে নিযোজন কৰিলে, মোক এনে শক্তি
দিয়া আমাৰ প্ৰভু য়ীশু খ্ৰীষ্ট, তেওঁক স্তুতি কৰি আছোঁ। ১৩ আগেয়ে
ময়ো নিন্দক, তাড়না কৰোঁতা, আৰু হিংসক আছিলোঁ; কিন্তু অজ্ঞান আৰু
অবিশ্বাসতে সেই কৰ্ম্ম কৰিলোঁ, এই নিমিত্তে ময় দায়া পালোঁ। ১৪ আৰু
য়ীশু খ্ৰীষ্টত যি বিশ্বাস আৰু প্ৰেম, তাৰে সৈতে আমাৰ প্ৰভুৰ অনুগ্ৰহ
মোলৈ অতিশয় অধিক হৈছিল। ১৫ পাপী লোকক পৰিত্ৰাণ কৰিবৰ নি-
মিত্তে য়ীশু খ্ৰীষ্ট জগতত অৱতাৰ হল; এই কথা বিশ্বাসী হয়, আৰু সক-
লোএ গ্ৰাহ্য কৰিবৰ যোগ্য। ১৬ সেই পাপী লোকৰ মাজত ময় প্ৰধান;
কিন্তু যিবিলাকে অনন্ত আয়ুষ পাবৰ নিমিত্তে তেওঁত বিশ্বাস কৰিব, সি-
বিলাকৰ আৰ্হি হবলৈ য়ীশু খ্ৰীষ্টে আপোনাৰ অতি সহন প্ৰথমতে মোত
যেন প্ৰকাশ কৰে, এই নিমিত্তে ময় দায়া পালোঁ। ১৭ অনাদি, অমৰ,
অদৃশ্য ৰজা যি অদ্বিতীয় সৰ্ব্বজ্ঞানী ঈশ্বৰ, তেওঁৰ মৰ্য্যতা আৰু মহিমা সদা-
সৰ্ব্বদায় প্ৰকাশ হওক। আমেন।

১৮ হে পুত্ৰ তিমথি, তুমি বিশ্বাস আৰু শুদ্ধ মন ৰাখি যেন উত্তম
যুদ্ধ কৰা, এই নিমিত্তে তোমাৰ কথাত পূৰ্ব্বে কোৱা যি যি ভৱিষ্যত বাণী, তাৰ
দৰে ময় এই আজ্ঞা দিছোঁ। ১৯ সেই বিশ্বাস আৰু শুদ্ধ মন ত্যাগ
কৰি কোনো কোনোএ বিশ্বাসৰ নৌকা ভঙ্গ কৰিলে; ২০ সিবিলাকৰ মাজত
হুমেনয় আৰু চিকন্দৰ আছে। সিহঁতে নিন্দা নকৰিবলৈ যেন শিকে,
এই নিমিত্তে সিহঁতক ছয়তানৰ হাতত ময় সমৰ্পণ কৰিলোঁ।

## ২ অধ্যায়।

আমি শান্ত ভাৱে আৰু নিৰ্ব্বিৰোধে থাকি ধৰ্ম্মৰ সকলোতে আৰু সজ আচৰ-
ণতো যেন কাল নিয়াম, এতেকে ময় প্ৰথমতে এই উপদেশ দিছোঁ; ২ সক-
লোৰে নিমিত্তে, বিশেষকৈ ৰজা আৰু অধিকাৰবিলাকৰ নিমিত্তে ঈশ্বৰৰ
আগত নিবেদন আৰু প্ৰাৰ্থনা, মিনতি আৰু স্তুতি কৰা হওক। ৩ এই কৰ্ম্ম
আমাৰ ত্ৰাণ কৰ্ত্তা ঈশ্বৰৰ আগত উত্তম আৰু গ্ৰহণীয় হয়; ৪ কিয়নো সকলো
মানুহে পৰিত্ৰাণ হৈ সত্যৰ জ্ঞান পোৱাই, তেওঁৰ ইচ্ছা। ৫ এক ঈশ্বৰ আছে,
আৰু তেওঁৰে মানুহৰে মাজত থকা এজন মধ্যস্থ মানুহ যি য়ীশু খ্ৰীষ্ট,
৬ তেওঁ সকলোৰে মুক্তিৰ মূল্যৰ অৰ্থে আপোনাৰ প্ৰাণ দিলে। ৭ সেই
কথা উচিত কালত প্ৰমাণ দিব লগা হোৱাত, তাৰে ময় প্ৰচাৰক আৰু
পাঁচনি হৈ বিশ্বাস আৰু সত্যৰ সমন্ধে বিদেশী লোকক উপদেশ দিওঁতা
বাবত নিযোজন হৈ আছোঁ, এই কথা মিছা নকৈ সত্য ৰূপে কওঁ।

৮ এই হেতুকে পুৰুষবিলাকে পবিত্ৰ হাত তুলি ক্ৰোধ আৰু বিবাদ নো-
হোৱাকৈ সকলো ঠাইতে প্ৰাৰ্থনা কৰোক, এই মোৰ বাঞ্চা। ৯ সেই ৰূপে

তিৰোবিলাকেও চেলা বটা চুলি, আৰু সোণ, মুকুতা, বহুমূল্য বস্ত্ৰেৰে আ-
পোনাক ভূষিত নকৰি, সুলাজ আৰু সন্মানেৰে সৈতে লজ্জা ৰূপ বস্ত্ৰ পিন্ধি,
১০ ঈশ্বৰক সেৱা কৰা তিৰো লোকৰ এই যি উচিত ভূষণ, এনে উত্তম কৰ্ম্মেৰে
আপোনাকে ভূষিত কৰোক, ইয়ে৷ মোৰ বাঞ্চা । ১১ সকলো ভাৱে বশবৰ্ত্তী
হৈ নিশমৰ ৰূপে শিকোক; ১২ স্বামীক শিক্ষা দিবলৈ বা মুনিহৰ ওপৰত
অধিকাৰ হবলৈ ময় তিৰোতাক অনুমতি নিদিওঁ; কিন্তু নিজম দি থাকিব-
লৈ আজ্ঞা দিওঁ । ১৩ কিয়নো প্ৰথমে আদম, পাছেহে হৱা সৃজন হৈছিল;
১৪ আৰু আদমক ভুল কৰা নহয়, কিন্তু তিৰিক ভুলুৱা হৈ দুষী কৰা হৈ-
ছিল । ১৫ তথাপি তিৰোতাই বিশ্বাস আৰু প্ৰেমে সৈতে পবিত্ৰ কৰ্ম্ম
আৰু নিয়ম আচৰণত সুথিৰে থাকিলে, তাই সন্ততি প্ৰসৱৰ দ্বাৰায় উদ্ধাৰ পাব ।

## ৩ অধ্যায় ।

কোনো মানুহে যদি ৰক্ষকৰ বাব পাবৰ নিমিত্তে ইচ্ছা কৰে, সি এটা উত্তম
কৰ্ম্মলৈ ইচ্ছা কৰা হয়, এই কথাই সঁচা । ২ ৰক্ষক হলে নিৰ্দুষী, কেৱল
এজনি তিৰোতাৰে স্বামী, সতৰ্ক, চেতনা, সদাচাৰী, অতিথি শোধা, শি-
কোৱা কৰ্ম্মত নিপুণ, এনে অৱশ্য হব লগা । ৩ মদপী, বা মাৰকিল
কৰা, [বা কুচিত লাভ বিচৰা] নহৈ, সহনীয়, নিৰ্ব্বিৰোধী, নিলুৰ্ভী,
৪ আৰু সকলো ৰূপে গধুৰ হৈ আপোনাৰ লৰাবিলাকক বশ কৰি ৰাখি
আপোন ঘৰৰ মানুহক উত্তম ভাৱে শাসন কৰা, এনে তাৰ আৱশ্যক ।
৫ কিয়নো যি কোনোএ আপোন ঘৰৰ মানুহকে শাসন কৰিব নেজানে,
সি কেনেকৈ ঈশ্বৰৰ মণ্ডলীক পালন কৰিব পাৰে? ৬ আৰু অহঙ্কাৰেৰে
গৰ্ব্বী হৈ ছয়তানৰ দ্বাৰাই দণ্ড যেন নপৰে, নতুন শিষ্য ৰক্ষক নহওক ।
৭ তাত বাজে অপমানত আৰু ছয়তানৰ ফান্দত যেন নপৰে, এই নিমিত্তে
মণ্ডলীৰ বাহিৰৰ লোকৰ পৰা সুখ্যাতি হবৰ আৱশ্যক । ৮ সেই ৰূপে
পৰিছাৰকবিলাকো দুমুখিয়া, বা মদপী, বা কুচিত লাভ বিচৰা নহৈ, ৯ গধুৰ
আৰু নিৰ্ম্মল মনেৰে ধৰ্ম্মৰ গোপনীয় কথা ৰখা, এনে মানুহ হব
লগা আৱশ্যক । ১০ আৰু সিবিলাক প্ৰথমতে পৰীক্ষা কৰা হৈ নিদুষী
হলেহে পৰিছাৰকৰ বাব পোৱা হওক । ১১ আৰু সিবিলাকৰ তিৰোতাও
সেই ৰূপে গহিণ, নিৰপবাদক, চেতনা, আৰু সকলো কৰ্ম্মত বিশ্বাসী হওক ।
১২ পৰিছাৰকবিলাক কেৱল এক এক তিৰোতাৰ স্বামী হৈ আপোনাৰ
লৰা আৰু ঘৰৰবিলাকক উত্তম ৰূপে শাসন কৰা হওক । ১৩ কিয়নো যি-
বিলাকে পৰিছাৰকৰ বাবত শজ আচৰণ কৰে, সিবিলাকে আপোনালৈ
উত্তম বাব আৰু য়ীশু খ্ৰীষ্টৰ ধৰ্ম্মত অতি সাহ পোৱা হল ।
১৪ ময় কিছু দিনৰ পাছে তোমাৰ ঠাইলৈ যাবলৈ আশা কৰিছোঁ;

১৫ কিন্তু যদি পলম হয়, তেন্তে সত্যৰে স্তম্ভ আৰু মূল ভেঁটি হোৱা যি
ঈশ্বৰৰ ঘৰ, অৰ্থাৎ অমৰ ঈশ্বৰৰ মণ্ডলী, তাত তুমি কেনে আচাৰ ব্যৱ-
হাৰ কৰিব লগা, তুমি তাকে জানিবৰ নিমিত্তে ময় এই কথা তোমালৈ
লিখিছোঁ। আৰু ধৰ্ম্মৰ এইবোৰ অতি নিগূঢ় কথা আছে, ইয়াত কোনো
সংশয় নাই; ১৬ ঈশ্বৰ মানুহৰ ৰূপ শৰীলত প্ৰকাশ আৰু আত্মাতে
নিৰ্দুষী কৰা হৈ, দূতবিলাকৰ আগত দৰ্শন দিয়া, বিদেশী লোকৰ আগত
কীৰ্ত্তন হোৱা, আৰু জগতৰ মাজত বিশ্বাসৰ পাত্ৰ হৈ পৰম ঐশ্বৰ্য্যৰ ওপৰ
ঠাইলৈ গ্ৰাহ্য কৰা হল।

## ৪ অধ্যায়।

পবিত্ৰ আত্মাই এই কথা প্ৰকাশ ৰূপে কৈছে, শেষ কালত কেতেক লোকে
সিহঁতৰ দোষাদোষ জ্ঞান তপত লোএ পুৰি ড়েৱাৰ দৰে উমান নোপোৱা হৈ,
২ কপটেৰে মিছা কথা কৈ, ভুল কৰা আত্মা আৰু ভূতবিলাকৰ শিক্ষা মানি,
ধৰ্ম্মক পৰিত্যাগ কৰিব। ৩ সেই মিছা কোৱা লোকে বিয়া কৰিবলৈ নি-
সেধ কৰিব; বিশ্বাসী আৰু সত্য মনাবিলাকে গুণ কীৰ্ত্তন কৈ গ্ৰাহ্য কৰি-
বৰ নিমিত্তে যি খোৱা দ্ৰব্য সকল ঈশ্বৰে সৃজিলে, তাক ত্যাগ কৰিবলৈ
সিহঁতে আজ্ঞা দিব। ৪ কিন্তু গুণ কীৰ্ত্তনৰ দ্বাৰাই গ্ৰহণ কৰা হলে, ঈশ্ব-
ৰে সৃজা কোনো বস্তু অগ্ৰাহ্য নহয়, সকলো উত্তম; ৫ কিয়নো ঈশ্বৰৰ বাক্য
আৰু প্ৰাৰ্থনাৰ দ্বাৰাই সকলোকে পবিত্ৰ কৰা হয়। ৬ এই হেতুকে তুমি
এই সকলো কথা ভাইবিলাকক বুজালে, তুমি বিশ্বাস আৰু হিত উপদেশৰ যি
কথা পালা, তাৰ দ্বাৰাই প্ৰতিপালন হৈ তুমি য়ীশু খ্ৰীষ্টৰ উত্তম সেৱক হবা।
৭ কিন্তু তুমি অপবিত্ৰ আৰু বুঢ়ীৰ অনৰ্থক উপকথাৰ পৰা আঁতৰ হৈ
ধৰ্ম্ম সেৱাৰ কথাত যত্ন কৰা; ৮ কিয়নো শৰীলৰ যি যত্ন তাৰ ফল
অলপহে, কিন্তু ধৰ্ম্মৰ সেৱা ইহকালৰ পৰকালৰো প্ৰতিজ্ঞাযুক্ত হৈ সক-
লো কথাত ফলৱন্ত হৈছে। ৯ এই কথা বিশ্বাসী আৰু সকলোএ গ্ৰহণ
কৰিবৰ যোগ্য; ১০ এই নিমিত্তে আমিও সকলো মানুহ আৰু বিশেষকৈ
বিশ্বাসীবিলাকক ৰক্ষা কৰোঁতা যি অমৰ ঈশ্বৰ, তেওঁত আশা কৰি পৰিশ্ৰম
কৰিছোঁ, আৰু নিন্দাও পাইছোঁ। ১১ তুমি এই কথাবিলাক উপদেশ দি
দি শিকোৱা। ১২ আৰু তুমি যুবা হোৱাত কোনোএ যেন হেলা নকৰে,
এই নিমিত্তে আলাপ, আচাৰ, প্ৰীতি, [স্বভাব,] বিশ্বাস, আৰু শুচি হোৱা,
এই সকলো কথাত তুমি বিশ্বাসী লোকলৈ আৰ্হি দেখাওঁতা হবা। ১৩ ময়
নাহোঁ মানে পাঠ পৰ্হা, উপদেশ আৰু শিক্ষা দিয়া, এই সকলো কৰ্ম্মত মন-
যোগী হোৱা। ১৪ ভবিষ্যত বাক্যৰ দ্বাৰাই বৃদ্ধ লোকবিলাকে হাত দিয়াত
তুমি যি দান পালা, তাক অচিন্তা নকৰিবা। ১৫ আৰু সকলোৰে আগত

তোমাৰ বৃদ্ধি যেন প্ৰকাশ হয়, এই কথাবোৰত চিন্তা কৰি, তাত সকলো
ভাৱে একে মনেৰে যত্ন কৰা । ১৬ আপোনাৰ কথাত আৰু উপদেশৰ
কথাতো সাৱধাণ হৈ থাকিবা; তাতে আপোনাৰ আৰু শুনাবিলাকৰো
পৰিত্ৰাণ কৰাবা ।

## ৫ অধ্যায় ।

বৃদ্ধ লোকক নহকিয়াবা, কিন্তু পিতৃৰ নিচিনাকৈ তেওঁক মিনতি কৰা । ২ ডেকা
লোকক ভাইবিলাকৰ নিচিনা, বুঢ়ী তিৰোতাবিলাকক মাতৃৰ নিচিনা, আৰু
সকলো ভাৱে শুদ্ধ ব্যৱহাৰেৰে যুৱতীবিলাকক ভনীৰ নিচিনা মানিবা ।
৩ আৰু নিশ্চয়ে বিধৱা হোৱাবিলাকক প্ৰতিপালন কৰা । ৪ কোনো বিধৱাৰ
লৰা বা অন্য সন্তান থাকিলে, সিহঁতে প্ৰথমতে আপোনাৰ ঘৰৰ সুশ্ৰূসা
কৰিবলৈ আৰু আপোন পিতৃ মাতৃক পুনৰ উপকাৰ কৰিবলৈ শিকোক,
কিয়নো ঈশ্বৰৰ আগত এনে কৰ্ম্ম গ্ৰহণীয় হয় । ৫ যি তিৰোতা নিশ্চয় বিধৱা
আৰু অনাথা হয়, সেই জনীএ ঈশ্বৰৰ আশ্ৰয়ত থাকি ৰাতিএ দিনে নিবে-
দন আৰু প্ৰাৰ্থনা কৰি কাল নিয়াই । ৬ কিন্তু যি জনীএ সুখ ভোগত থাকে,
সেই জনীএ জীয়াই থকা কালতো মৃত্যু হয় । ৭ সিবিলাক নিৰ্দুষী হবলৈ
এইবিলাক কথা আজ্ঞা কৰি দিয়া । ৮ কোনোএ যদি আপোনাৰ লোক-
বিলাকৰ আৰু বিশেষকৈ আপোনাৰ ঘৰৰ পৰীয়ালবিলাকৰ প্ৰতিপালনৰ
নিমিত্তে উপায় নকৰে, সি ধৰ্ম্মকে ত্যাগ কৰা হয়, আৰু অবিশ্বাসী লোকত্
কৈয়ো অধম । ৯ স্বামী এজনৰহে তিনি কুৰি বছৰতকৈ কম নোহোৱা বয়ষীয়া
তিৰোতা ভাল কৰ্ম্মেৰে সুখ্যাতি হৈ, ১০ লৰাক পোহন কৰা, আলহি শোধা,
পবিত্ৰবিলাকৰ ভৰি ধুউৱা, দুঃখিয়া লোকক উপকাৰ কৰা, এইবিলাককে
আদি কৰি শজ কৰ্ম্মত প্ৰবৰ্ত্তি থকা হোৱা হলে, বিধৱাৰ মাজত গ্ৰহণ কৰা
হওক । ১১ কিন্তু যুৱতী বাঁৰীইঁতক গ্ৰহণ নকৰিবা, কিয়নো সিবিলাকে
খ্ৰীষ্টৰ বিৰোধে ৰতি মতি কৰিবলৈ ধৰাত পুনৰ্ব্বাৰ বিয়া হবলৈ ইচ্ছা কৰে;
১২ এই ৰূপে আপোনাৰ প্ৰথম বিশ্বাস ত্যাগ কৰি দণ্ডৰ পাত্ৰ হব ।
১৩ আৰু সিবিলাকে ঘৰে ঘৰে ফুৰি সৰপা হয়গৈ, কেৱল এয়ে নহয়, বহু-
ভাষী আৰু লোকৰ বন চোৱা হৈ অনুচিত কথা কবলৈ শিকে । ১৪ এই
হেতুকে যুৱতী বিধৱা আকও বিয়া হৈ সন্তান ওপজাই, ঘৰৰ কাম যেন
চলাই, আৰু শত্ৰুবিলাকে নিন্দা কৰিবৰ কোনো কাৰণ যেন নিদিএ, এই
মোৰ ইচ্ছা । ১৫ কিয়নো এতিয়াও কোনো কোনোএ ছয়তানৰ পথে উলটি
গল । ১৬ কোনো বিশ্বাসী মুনিহৰ বা তিৰোতাৰ বিধৱা যদি থাকে, তেন্তে
মণ্ডলীৰ ওপৰত ভাৰ নিদি সিবিলাকে সেই বিধৱাক উপকাৰ কৰোক;
তাতে মণ্ডলীএ নিচই বিধৱাকহে উপকাৰ কৰিব পাৰিব ।

১৭ যি বৃদ্ধ লোকে উত্তম ৰূপে শাসন করে, বিশেষকৈ যিবিলাকে বাক্য কীর্ত্তন আৰু উপদেশতে পৰিশ্ৰম করে, সিবিলাকে দুগুণ মৰ্য্যতা পাবৰ যোগ্য গণা হওক। ১৮ কিয়নো শাস্ত্ৰে কৈছে, মৰণা মৰা গৰুৰ মুখ তুমি বন্ধন নকৰিবা; আৰু বনুৱাই আপোনাৰ বেচৰ যোগ্য হয়। ১৯ দুই তিনি শাক্ষি নহলে বৃদ্ধ লোকৰ বিৰোধে অপবাদ কথা গ্ৰহণ নকৰিবা। ২০ আন মানুহে যেন ভয় কৰে, এই কাৰণে পাপ কৰা লোকক সকলোৰে আগত হকিয়াবা। ২১ ঈশ্বৰ আৰু য়ীশু খ্ৰীষ্ট, আৰু মনোনীত দূতবিলাকৰ আগত ময় তোমাক এই আজ্ঞা দিছোঁ, চাটু নকৰি আৰু কাৰো ফলিয়া নহৈ এই সকলো কথা পালন কৰা।

২২ কাৰো ওপৰত হঠাতে হাত নিদিবা; আৰু আন মানুহৰ পাপৰ ভাগী নহবা। আপোনাকে শুচি কৰি ৰাখা। ২৩ তোমাৰ উদৰৰ পিড়া আৰু ঘনে ঘনে দুৰ্ব্বল হোৱাৰ নিমিত্তে অকল পানী আৰু নেখাই, কিছু কিছু দ্ৰাক্ষাৰস পান কৰা। ২৪ কোনো কোনো মানুহৰ পাপ সিবিলাকৰ আগেয়ে শোধলৈ যোৱা হৈ প্ৰকাশ হৈছে; আৰু কোনো কোনোৰ পাপ পাছে যোৱা হয়। ২৫ কোনো কোনোৰ সদ কৰ্ম্মো সেই ৰূপে আগেয়ে প্ৰকাশ হয়; আৰু যিবিলাক অন্য ৰূপ হয়, সিও গুপুত হৈ থাকিব নোৱাৰে।

## ৬ অধ্যায় ।

ঈশ্বৰৰ নাম আৰু উপদেশৰ যেন নিন্দা নহয়, এই নিমিত্তে জুঁৱলীৰ অধীন হোৱা যি যি বন্দী লোক সিবিলাকে আপোন আপোন গৰাকীক সকলো সমাদৰৰ যোগ্য মানোক। ২ আৰু বিশ্বাসী গৰাকীবিলাকৰ অধীন হোৱা বন্দীবোৰ ভাই হোৱা হেতুকে সিবিলাকক হেলা নকৰোক; কিন্তু সিবিলাক বিশ্বাসী আৰু প্ৰিয় হৈ কৰ্ম্মৰ ফলৰ ভাগী হোৱাত সিবিলাকক অধীক সেৱা কৰোক, এই ৰূপে শিক্ষা আৰু উপদেশ দিয়া। ৩ যি জনে অন্য ৰূপে শিকাই, আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ হিত কথা আৰু ঈশ্বৰৰ ধৰ্ম্মৰ যোগ্য উপদেশত মান্তি নহয়, ৪ সি একো নেজানি অহঙ্কাৰী হৈ, অসূয়া, দণ্ড, নিন্দা, কুভাবনা, দুষ্ট মন আৰু সত্য হীন হোৱা যি লোকে ঈশ্বৰৰ সেৱা লাভৰ কৰ্ম্ম বুলি জানে, সিহঁতৰ বিবাদ, ৫ এই সকলোকে জন্মোৱা যি বিচাৰ আৰু বাক্যৰ যুদ্ধ, সেইবিলাকত মতি হয়; এনে মানুহৰ পৰা পৃথক হোৱা। ৬ কিন্তু সন্তোষ মনেৰে সৈতে ঈশ্বৰৰ যি সেৱা, তাতে অতি লাভ। ৭ আমি এই জগতলৈ কোনো বস্তু অনা নাই, আৰু ইয়াৰ পৰা একো নিবও নোৱাৰোঁ, এয়ে নিশ্চয়। ৮ এই হেতুকে আমাৰ আহাৰ আৰু পিন্ধা বস্ত্ৰ হলে, তাৰেই আমি সন্তোষ হৈ থাকোঁহঁক। ৯ যিবিলাক ধনৱন্ত হবলৈ ইচ্ছা কৰে, সিবিলাকে পৰীক্ষা আৰু ফান্দত পৰে, আৰু মানুহক বিনাশ আৰু

নৰকত মগ্ন কৰা অনেক অজ্ঞান আৰু অহিত অভিলাষতো পৰে। ১০ ধনৰ
লোভেই সকলো মন্দৰ মূল; তালৈ লোভ কৰি কোনো কোনো লোকে
বিশ্বাসৰ পৰা ভ্ৰষ্ট হৈ আপুনিএ আপোনাকে অনেক দুঃখেৰে খুঁচিছে।
১১ কিন্তু হে ঈশ্বৰৰ মানুহ, তুমি এই সকলোৰে পৰা পলাই, ধৰ্ম্ম আৰু
ভক্তি, বিশ্বাস, প্ৰেম, ধৈৰ্য্য, নম্ৰভাও, এইবিলাকৰ পাছে পাছে যোৱা।
১২ বিশ্বাসৰ উত্তম যুদ্ধত যুদ্ধ কৰা, অনন্ত পৰম আয়ুষো ধাৰণ কৰা। কিয়-
নো তালৈ তুমি আমন্ত্ৰীত হৈ আছা, আৰু তাৰ কথাত অনেক সাক্ষীৰ আ-
গত তুমি উত্তম প্ৰমাণ দিছা। ১৩ সকলোৰে জীৱন দিওঁতা ঈশ্বৰৰ সাক্ষা-
তে, আৰু পন্তীয় পিলাতৰ আগত উত্তম প্ৰমাণ দিয়া যি য়ীশু খ্ৰীষ্ট, তেওঁৰ
সাক্ষাতেও ময় তোমাক আদেশ কৰিছোঁ, ১৪ যি জনা অকলেই অমৰ, অগণ্য
পহৰত নিবাসী, যি জনাক কোনো মানুহে দেখা নাই, দেখিবও নোৱাৰে,
ৰজাৰো ৰজা, প্ৰভুৰো প্ৰভু, এনে যি ধন্য আৰু অদ্বিতীয় অধিপতি, ১৫ তেওঁ
আপোনাৰ যি কালত খ্ৰীষ্টৰ আগমন প্ৰকাশ কৰিব, সেই কাললৈকে তুমি
নিৰ্ম্মল আৰু নিৰ্দুষী ৰূপে আজ্ঞা পালন কৰা। ১৬ তেওঁৰ মহিমা আৰু
অনন্ত পৰাক্ৰম প্ৰকাশ হওক। আমেন।

১৭ যিবিলাকে সংসাৰিক সম্পত্তিৰে ধনৱন্ত সিবিলাক যেন গৰ্ব্বী নহয়,
আৰু অনিশ্চয় ধনতে বিশ্বাস নকৰে, কিন্তু ভোগ কৰিবলৈ আমাক সকলো
বস্তু অধিককৈ দিয়া যি অমৰ ঈশ্বৰ, তেওঁত যেন বিশ্বাস কৰে, সিবিলাকক
এই আজ্ঞা দিয়া। ১৮ আৰু লোকৰ হিত কৰি সুকৰ্ম্ম ৰূপ ধনেৰে ধনৱন্ত
হৈ, আৰু বিলাই দিবলৈকো সাষ্টম আৰু দান কৰিবলৈ ইচ্ছাৱন্ত হৈ,
১৯ পৰকালত স্বৰূপ পৰম আয়ুষ ধাৰণ কৰিবৰ নিমিত্তে উত্তম মূল ধন
সাঁচোক।

২০ হে তিমথি, অপবিত্ৰ আৰু নিৰৰ্থক উপকথা আৰু ভাঁৰি কোৱা বিদ্যাৰ
বিৰোধ কথাৰ পৰা আঁতৰি, তোমাত সোধাই দিয়া উপদেশ ৰক্ষা কৰা।
২১ সেই বিদ্যাৰ কথাত মতি হৈ কোনো কোনো লোক বিশ্বাসৰ পৰা ভ্ৰষ্ট
হল। অনুগ্ৰহ তোমাৰ সঙ্গী হওক। [আমেন।]

# তিমথিলৈ পৌলে লিখা দ্বিতীয় পত্ৰ।

## ১ অধ্যায়।

য়ীশু খ্ৰীষ্টৰ দ্বাৰাই দিয়া পৰম আয়ুষৰ প্ৰতিজ্ঞাৰ দৰে ঈশ্বৰৰ
ইচ্ছাৰে য়ীশু খ্ৰীষ্টৰ পাঁচনি পৌলে আপোনাৰ প্ৰিয় পুত্ৰ
তিমথিলৈ পত্ৰ লিখিছে। ২ পিতৃ ঈশ্বৰ আৰু আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ
পৰা তোমালৈ অনুগ্ৰহ, দায়া আৰু কুশল হওক।
৩ ময় দিনে ৰাতিএ সৰ্ব্বদায় প্ৰাৰ্থনাত তোমাক সুঁৱৰি থকাৰ নিমিত্তে
পূৰ্ব্ব পুৰুষৰ মতৰ দৰে যি ঈশ্বৰক নিৰ্ম্মল মনেৰে সেৱা কৰোঁ, তেওঁক স্তুতি
কৰি আছোঁ। ৪ আৰু যি বিশ্বাস প্ৰথমতে তোমাৰ বুঢ়ী মাৰা লোইত আৰু
মাতৃ উনিকীত আছিল, আৰু তোমাতো আছে বুলি নিঃসংশয়ে জানোঁ, ৫ তো-
মাৰ সেই অকপট বিশ্বাসলৈ যেতিয়া মন কৰোঁ, তেতিয়া তোমাৰ চকুৰ লো
সুঁৱৰি আনন্দেৰে পূৰ হবৰ নিমিত্তে তোমাক দেখিবলৈ বৰ ইচ্ছা কৰোঁ।
৬ এই হেতুকে মোৰ হাত দিয়াত ঈশ্বৰৰ যি দান তোমাত আছে, তাক
উদগাবলৈ ময় তোমাক সোঁৱৰাইছোঁ। ৭ কিয়নো ঈশ্বৰে আমাক ভয় কৰা
আত্মাক দিয়া নাই, কিন্তু শক্তি আৰু প্ৰেম আৰু শুদ্ধ বিবেচনাৰ আত্মা
দিলে। ৮ এই হেতুকে আমাৰ প্ৰভুৰ কথাৰ সাক্ষী হোআত, আৰু তেওঁৰ
অৰ্থে বন্দীয়াৰ হোৱা মোতো তুমি লাজ পোৱা নহৈ, ঈশ্বৰে দিয়া শক্তিৰ
দৰে শুভবাৰ্ত্তাৰ নিমিত্তে যি দুঃখ, তাৰ ভাগী হোৱা। ৯ তেওঁ আমাক
পৰিত্ৰাণ কৰি পবিত্ৰ আমন্ত্ৰণেৰে নিমন্ত্ৰণ কৰিলে; আমাৰ কৰ্ম্মৰ নিমিত্তে
নহয়, জগত সৃষ্টিৰ পূৰ্ব্বে য়ীশু খ্ৰীষ্টত আমাক দিয়া যি আপোনাৰ নি-
যোজন কৰা অনুগ্ৰহ, তাৰেহে আমাক নিমন্ত্ৰণ কৰিলে। ১০ আমাৰ যি
ত্ৰাণ কৰ্ত্তা য়ীশু খ্ৰীষ্টে মৃত্যুক নষ্ট কৰি শুভবাৰ্ত্তাৰ দ্বাৰাই পৰম আয়ুষ
আৰু অমৰণক প্ৰকাশ কৰিলে, তেওঁ অৱতাৰ হোৱাৰ দ্বাৰাই এতিয়া সেই
অনুগ্ৰহ প্ৰকাশ কৰা হৈছে। ১১ আৰু ময় বিদেশী লোকলৈ সেই শুভ-
বাৰ্ত্তাৰ কীৰ্ত্তন কৰোঁতা, আৰু পাঁচনি, আৰু উপদেশক নিযোজীত হৈ
আছোঁ। ১২ এই কাৰণে ময় সেই সকলো দুঃখ ভোগ কৰিছোঁ; তথাপি
লাজ পোৱা নহওঁ, কিয়নো ময় যি জনাত বিশ্বাস কৰিছোঁ, তেওঁক জানোঁ;
আৰু তেওঁৰ হাতত ময় যিহকে শোধাই দিছোঁ, তেওঁ তাকে শোধৰ দিনলৈ-
কে ৰাখিবৰ শক্তি আছে, ইয়াকে ময় নিশ্চয় প্ৰতিতি কৰিছোঁ।

১৩ মোৰ পৰা যি ৰূপে সজ বাক্য শুনিলা, য়ীশু খ্ৰীষ্টত বিশ্বাস আৰু
প্ৰীতিৰে তাক ধাৰণ কৰি থাকা । ১৪ যি উত্তম দান তোমাক শোধাই দিয়া
হৈছে, তাক আমাৰ হৃদয়ত থকা পবিত্ৰ আত্মাৰ দ্বাৰাই ৰক্ষা কৰিবা ।
১৫ ফুগিল আৰু হৰ্মগিণি আদি কৰি আচিয়াত থকা সকলোএ মোৰ পৰা
উলটি গল, ইয়াক তুমি জানিছা । ১৬ কিন্তু অনিচিফৰৰ পৰিয়ালক প্ৰভুএ
অনুগ্ৰহ কৰোক; কিয়নো সি মোক বাৰে বাৰে উপকাৰ কৰিলে, আৰু
মোৰ সিকলিত লাজ নেপাইছিল । ১৭ ৰোম নগৰত থাকোতে তেওঁ যত্নেৰে
মোক বিচাৰি পাইছিল । ১৮ শোধৰ দিনত প্ৰভুৰ পৰা তেওঁ কৃপা যেন
পাই, প্ৰভুএ তেওঁক এই দান কৰোক । আৰু এফেচতো থাকোঁতে তেওঁ
কিমান কথাত মোক সুশ্ৰূসা কৰিলে, তাক তুমি ভালকৈ জানিয়ে আছা ।

## ২ অধ্যায় ।

এতেকে হে মোৰ পুত্ৰ, য়ীশু খ্ৰীষ্টৰ দ্বাৰাই যি অনুগ্ৰহ, তাৰে তুমি বলৱন্ত
হোৱা । ২ আৰু অনেক সাক্ষীৰ মাজত মোৰ যি যি উপদেশ শুনিলা,
তাকে অন্য লোকক শিকাবলৈ নিপুণ হোৱা বিশ্বাসী মানুহবিলাকক শো-
ধাই দিয়া । ৩ য়ীশু খ্ৰীষ্টৰ এজন উত্তম ৰণুৱাৰ নিচিনা তুমি দুঃখ সহন
কৰা । ৪ যি জনে ৰণুৱা হবলৈ কোনো লোকক নিযোজন কৰিছে, তেওঁক
সন্তোষ কৰিবৰ নিমিত্তে সেই ৰণুৱাই সংসাৰিক কাৰ্য্যৰ ঝঞ্জালত বন্ধন
নহয়; ৫ আৰু যি কোনোএ মাল যুদ্ধ কৰে, সি যদি নিয়মৰ দৰে যুদ্ধ নকৰে,
তেন্তে কিৰিটি পোৱা হব নোৱাৰে । ৬ যি খেতিয়কে শ্ৰম কৰে, সেয়ে
প্ৰথমতে ফল ভোগ কৰা উচিত । ৭ ময় যিহকে কওঁ, তাকে মনত বিবেচনা
কৰা; আৰু সকলো কথাত প্ৰভুএ তোমাক বুদ্ধি দিওক । ৮ মোৰ শুভ-
বাৰ্ত্তাৰ দৰে দায়ূদৰ বঙ্গহৰ য়ীশু খ্ৰীষ্ট যে মৰণৰ পৰা উঠা হৈছে, ইয়াকে
মনত সোঁৱৰা । ৯ সেই শুভবাৰ্ত্তাৰ নিমিত্তে ময় দুস্কৰ্ম্মীৰ দৰে বন্ধনলৈকে
দুঃখ ভোগ কৰিছোঁ; তথাপি ঈশ্বৰৰ বাক্য হলে বন্ধন নহয় । ১০ য়ীশু
খ্ৰীষ্টৰ দ্বাৰাই অনন্ত বিভৱযুক্ত যি পৰিত্ৰাণ, তাক মনোনীত লোকবিলাকে
পাবৰ নিমিত্তে সিবিলাকৰ কাৰণে ময় সকলোকে সহি আছোঁ । ১১ এই
কথা সত্য; আমি যদি তেৱেঁ সৈতে মৰোঁ, তেন্তে তেৱেঁ সৈতেই জীৱন
ভোগো কৰিম; ১২ তেৱেঁ সৈতে যদি দুঃখ ভোগ কৰোঁ, তেন্তে তেৱেঁ সৈতে
ৰাজ ভোগো কৰিম; আমি তেওঁক যদি আসৈ কৰোঁ, তেওঁ আমাকো
আসৈ কৰিব । ১৩ আমি যদি তেওঁত বিশ্বাস নকৰোঁ, তথাপি তেওঁ বিশ্বাসী
হৈ আছে; তেওঁ আপুনি আপোনাকে আসৈ কৰিব নোৱাৰে ।
১৪ তুমি এই সকলো কথা সোঁৱৰাই অকাৰ্য্য আৰু শুনাবিলাকক ভ্ৰষ্ট
কৰা কথাৰ যুদ্ধ নকৰিবলৈ, প্ৰভুৰ সাক্ষাতে সিহঁতক আজ্ঞা দিয়া । ১৫ ঈশ্বৰৰ

আগত গ্রহণীয় আৰু লাজৰ যোগ্য নোহোৱা কৰ্ম্ম কৰোঁতা, আৰু সত্য ধৰ্ম্মৰ বাক্য ঠিক ৰূপে শিকাবলৈ নিপুণ, এনে আপোনাক দেখাবলৈ যত্ন কৰা । ১৬ কিন্তু অপবিত্ৰ অনৰ্থক বাগ্‌ডম্বৰৰ পৰা পৃথক হোৱা; কিয়নো সিবিলাক অধিক অধৰ্ম্মলৈ বাৰ্হিব । ১৭ আৰু সিহঁতৰ কথা গেলা ঘাৰ দৰে ক্ষয় কৰিব । সিহঁতৰ মাজৰ হুমিনি আৰু ফিলিত হৈছে; ১৮ মৃত্যুৰ উঠান গল বুলি সিহঁতে ধৰ্ম্মৰ কথাত ভুল হৈ, কোনো কোনো মানুহৰ বিশ্বাস লুটিয়াইছে । ১৯ তথাপি ঈশ্বৰৰ মূল থিৰ হৈয়ে আছে; তাৰ ওপ-ৰত ইয়াকে মোহৰ মৰা আছে, প্ৰভুএ আপোনাৰ লোকক জানে; আৰু যি কোনোএ প্ৰভুৰ নাম কাৰ্হে, সেয়ে অধৰ্ম্মৰ পৰা আঁতৰ হওক । ২০ কিন্তু প্ৰধান ঘৰত কেৱল সোণ ৰূপৰ পাত্ৰেই থাকে, এনে নহয়, কাঠৰ আৰু মাটীৰ পাত্ৰো থাকে; কেতবিলাক মৰ্য্যতাৰ কেতবিলাক অমৰ্য্যতাৰ পাত্ৰ হৈছে । ২১ এয়েৰেই কোনোএ যদি এইবিলাক অধৰ্ম্মৰ পৰা আপোনাক শুচি কৰি ৰাখে, তেন্তে সি পবিত্ৰ, আৰু অধিকাৰৰ কাৰ্য্যৰ যোগ্য, আৰু সকলো সজ কৰ্ম্মলৈ যুগুত হৈ মৰ্য্যতাৰ পাত্ৰ হব । ২২ তুমি যৌৱন কালৰ অভিলাষৰ পৰা পলাই, ধৰ্ম্ম, বিশ্বাস, প্ৰীতি, আৰু শুদ্ধ মনেৰে প্ৰভুলৈ প্ৰাৰ্থনা কৰাবিলাকে সৈতে নিৰ্বিৰোধ, এই সকলোবিলাকৰ পাছে পাছে যোৱা । ২৩ কিন্তু অজ্ঞান আৰু নিৰ্বুদ্ধি প্ৰশ্নবিলাকে বাগযুদ্ধ মাথোন জন্মাই, ইয়াকে জানি এনে প্ৰশ্নবোৰৰ পৰা আঁতৰ হৈ থাকা । ২৪ কিয়-নো ঈশ্বৰৰ সেৱকে বাক্যৰ যুদ্ধ কৰা উচিত নহয়; কিন্তু সকলো মানুহলৈ নম্ৰ, শিকাবলৈ নিপুণ, অপকাৰত সহনীয় হৈ, ২৫ বিৰোধ কৰাবিলাকক মৃদু ভাৱে শিক্ষা দিয়া উচিত; তাতে কিজানি এই ৰূপে সত্য কথা সৈ কাৰ্হি-বলৈ ঈশ্বৰে সিবিলাকৰ মন পালটন দান কৰিব; ২৬ তাতে চয়তানৰ ইচ্ছাৰ দৰে মোহ জালত বন্ধন হোৱা সেই লোকবিলাকে চেতন পাই, তাৰ সেই জালৰ পৰা উদ্ধাৰ পাব ।

## ৩ অধ্যায় ।

শেষ কালত অতি দুৰ্ঘটনাৰ সময় আহিব, ইয়াকে জানা । ২ কিয়নো সেই কালত মানুহ আপোনাকহে প্ৰীতি কৰোঁতা, লুভীয়া, আপোনাক প্ৰশংসা কৰোঁতা, গৰ্ব্ব কথা কওঁতা, অহঙ্কাৰী, নিন্দক, পিতৃ মাতৃক নমনা, উপকাৰ নজনা, অপবিত্ৰ, ৩ নিষ্ঠুৰ, নিয়ম ভঙ্গা, মিছা বাদ দিয়া, ইন্দ্ৰিয়ক নদমা, ৰাগীয়াল, সাধুক ঘিনাওঁতা, ৪ বিশ্বাস ঘাতক, গোঙ্গোৰা, গঁফাল, ঈশ্বৰত-কৈ সুখৰ অভিলাষী, ৫ ধৰ্ম্মৰ বেশ ধৰি তাৰ শক্তিকে আসৈ কৰোঁতা হব; এনেবিলাক লোকৰ পৰা তুমি আঁতৰি যোৱা । ৬ সেইবোৰে পা-পৰ ভাৰত থকা আৰু অনেক ৰূপ অভিলাষেৰে চলাই নিয়া যি নিৰ্বুদ্ধি

ত্তিৰী লোকে সদাই শিকিলেও সত্য জ্ঞান কেতিয়াও পাব নোৱাৰে, ৭ সিহঁ-
তৰ ঘৰত চলেৰে সোমাই সিহঁতক বন্দী কৰি ভুলাই নিএ, সেইবোৰ এনে
মানুহ । ৮ যেনেকৈ য়ান্নি আৰু য়াম্বিএ মোচাৰ অহিতে বিৰোধ আ-
চৰিলে, তেনেকৈ দুষ্ট মন আৰু ধৰ্ম্ম ভ্ৰুষ্ট কৰা এই লোকেও সত্য ধৰ্ম্মৰ
বিপৰীত আচৰে । ৯ কিন্তু সিহঁতে আৰু আগ বাৰ্হি নেযাব; কিয়নো
সেই য়ান্নি আৰু য়ামম্ব্রিৰ অজ্ঞান সকলোৰে আগত যেনেকৈ প্ৰকাশ হৈ-
ছিল, তেনেকৈ ইহঁতৰো প্ৰকাশ হব ।

১০ মোৰ যি উপদেশ, আৰু আচাৰ, আলচ, বিশ্বাস, সহন, প্ৰেম,
ধৈৰ্য্য, তাড়না, ক্লেশ ভোগ, ১১ আৰু আন্তিয়খিয়া, ইকনিয়া লুস্ত্রা, এই-
বোৰ নগৰত মোৰ যি ঘটিল, আৰু যি প্ৰকাৰ তাড়না পালোঁ, তুমি সেই
সকলোকে জানি আছা । কিন্তু সেই সকলো দুঃখৰ পৰা প্ৰভুএ মোক ৰক্ষা
কৰিলে । ১২ আৰু যি যি লোকে য়ীশু খ্ৰীষ্টত আশ্ৰয় লৈ ধৰ্ম্ম কৰ্ম্মেৰে
দিন নিয়াবৰ ইচ্ছা হয়, সেই জকলোএ তাড়নাৰ দুঃখ ভোগ কৰিব ।
১৩ কিন্তু পাপিষ্ঠ আৰু ভাণ্ডনা কৰা লোকে ভুল কৰাই, আৰু আপু-
নিও ভুল হৈ, অধিক অধিককৈ ক্ৰমে দুষ্টতা বৃদ্ধি হৈ যাব । ১৪ তুমি কোন
মানুহৰ পৰা শিকিলা, ইয়াকে জানি, তুমি শিক্ষা পোৱা আৰু নিশ্চয়
ৰূপে জনা কথাত থিৰ হৈ থাকা । ১৫ কিয়নো য়ীশু খ্ৰীষ্টত বিশ্বাস কৰাৰ
দ্বাৰাই পৰিত্ৰাণৰ নিমিত্তে তোমাক জ্ঞান দিবৰ সমৰ্থ যি পবিত্ৰ শাস্ত্ৰ, তাক
তুমি লৰা কালৰে পৰা জানি আছা । ১৬ সেই সকলো শাস্ত্ৰ ঈশ্বৰে নিশ্বসিত
ভাৱে শিকোৱাৰ দ্বাৰাই দিয়া হৈ, ঈশ্বৰৰ সেৱক সম্পুৰ্ণ আৰু সকলো উত্তম
কৰ্ম্মলৈ শজ ৰূপে যুগুত হবৰ নিমিত্তে, ১৭ উপদেশ, দোষৰ প্ৰমাণ, শুদ্ধ
কৰ্ম্ম, আৰু ধৰ্ম্ম শিকনী, এইবিলাক কথাত উপকাৰী হয় ।

## ৪ অধ্যায় ।

ঈশ্বৰৰ আগত, আৰু যি য়ীশু খ্ৰীষ্টে পুনৰ্ব্বাৰ আহি আপোনাৰ ৰাজ্য পোৱা
কালত জীয়া আৰু মৰা লোকৰ শোধ কৰিব, সেই [প্ৰভু] য়ীশু খ্ৰীষ্টৰ আ-
গতো, ময় তোমাক এই দৃঢ় আজ্ঞা দিছোঁ; ২ তুমি বাক্য কীৰ্ত্তন কৰা, তা-
তে সময়ত আৰু অসময়তো উৎসাহী হোৱা; সকলো ৰূপ সহন আৰু উপ-
দেশেৰে দুষী কৰা, ডবিওৱা আৰু বিনয় কৰা । ৩ কিয়নো যি কালত লো-
কে শজ উপদেশ নসহি খজুউৱা কাণেৰে আপোনাৰ অভিলাষৰ দৰে শিক্ষক
অধিককৈ সাঁচিব, ৪ আৰু সত্যৰ পৰা কাণ ঘুৰাই উপকথালৈ মন দিব,
এনে কাল আহিব । ৫ কিন্তু সকলো কথাত চেতন হৈ থাকা, দুঃখ সহন
কৰা, শুভবাৰ্ত্তাৰ প্ৰচাৰকৰ কাৰ্য্য কৰি আপোনাৰ সেৱা কৰ্ম্ম সম্পূৰ্ণ কৰা ।
৬ এতিয়া মোৰ প্ৰাণৰ বিযোগ কাল ওচৰ পালেহি, আৰু প্ৰাণ উচৰগ

কৰিবলৈ যুগুত হৈ আছোঁ। ৭ ময় উত্তম যুদ্ধ কৰিলোঁ, মোৰ যাত্ৰা কৰি
এঁটালোঁ, বিশ্বাস ৰাখিলোঁ; ৮ এতিয়াৰ পৰা মোৰ নিমিত্তে পুণ্যৰ কিৰিটি
ৰাখি থোৱা হৈছে, শোধৰ দিনত পুণ্যৱন্ত বিচাৰ কৰ্ত্তা প্ৰভুএ তাক মোক
দিব, কেৱল মোকে নহয়, যিমান লোকে তেওঁ অহালৈকে বাট চাই আছে,
সেই সকলোকে দিব।

৯ মোৰ ইয়ালৈ সোণকালে আহিবলৈ যত্ন কৰা; ১০ কিয়নো দীমাই
এই বৰ্ত্তমান সংসাৰ প্ৰীতি কৰি মোক এৰি থেচলনীকালৈ গল; ক্ৰিস্কিএ
গলাতীয়ালৈ, আৰু তীত দাল্মাতিয়ালৈ গৈছে। ১১ অকল লুকহে মোৰ
লগত আছে। তোমাৰ লগত মাৰ্কক আনিবা, কিয়নো মোৰ সেৱাৰ কৰ্ম্মত
তেওঁ মোৰ উপকাৰী। ১২ তুখিকক এফেচলৈ পাঁচিলোঁ। ১৩ ত্ৰোৱা নগ-
ৰত ময় যি বৰ চোলা কাৰ্পৰ হাতত এৰিলোঁ, তুমি আহোঁতে তাক আৰু
পুথিবোৰ, বিশেষকৈ চালৰ পুথি তোমাৰ লগত লৈ আহিবা।

১৪ চিকন্দৰ কঁহাৰে মোক অনেক অহিত কৰিলে; প্ৰভুএ তাৰ কৰ্ম্মৰ
উচিত ফল দিব। ১৫ তালৈ তুমিও সাৱধান হোৱা; কিয়নো সি আমাৰ
কথাত অতি বিৰোধ কৰিলে। ১৬ ময় প্ৰথমতে উত্তৰ দিয়া কালত কোনো
মোৰ ফালে নেথাকিল, সকলোএ এৰিলে; সিবিলাকৰ অহিতে সেই কৰ্ম্ম
লিখা নহওক। ১৭ কিন্তু মোৰ দ্বাৰাই শুভবাৰ্ত্তাৰ কীৰ্ত্তন সম্পুৰ্ণ ৰূপে
যেন প্ৰকাশ হয়, আৰু সকলো বিদেশী লোকে যেন তাক শুনিবলৈ পাই,
এই নিমিত্তে প্ৰভুএ মোৰ ওচৰত থিতি হৈ মোক শক্তিমন্ত কৰিলে, তাতে
ময় সিংহৰ মুখৰ পৰা মুক্তি পালোঁ। ১৮ আৰু প্ৰভুএ মোক সকলো
কুকৰ্ম্মৰ পৰা মুক্তি কৰি আপোনাৰ স্বৰ্গ ৰাজ্যলৈ ৰক্ষা কৰিব; তেওঁৰ
মহিমা সদাসৰ্ব্বদায় প্ৰকাশ হওক। আমেন।

১৯ প্ৰিস্কিলা আৰু আকুলা আৰু অনিচিফৰৰ পৰিয়ালক নমস্কাৰ কৰা।
২০ এৰাস্ত কৰিন্থ নগৰত থাকিল, আৰু ত্ৰফিমৰ নৰিয়া হোৱাত তেওঁক মি-
লিত নগৰত থৈ আহিলোঁ। ২১ তুমি জাৰকালিৰ আগেয়ে ইয়ালৈ আ-
হিবলৈ যত্ন কৰা। উবুল আৰু পুদি, লীন, ক্লৌদিয়াই, আৰু সকলো ভাই-
বিলাকেও তোমাক নমস্কাৰ কৰিছে। ২২ প্ৰভু য়ীশু খ্ৰীষ্টে তোমাৰ আত্মাৰ
সঙ্গী হওক। তোমোলাকৰ লগত অনুগ্ৰহ থাকোক। [আমেন।]

# তীতলৈ পৌলে লিখা পত্র ।

১ অধ্যায় ।

ঈশ্বৰৰ মনোনীত লোকৰ বিশ্বাসৰ নিমিত্তে আৰু ধৰ্ম্ম সেৱাৰ দৰে যি
সত্য বাক্য তাৰ জ্ঞান স্বীকাৰ কৰাবৰ নিমিত্তে ঈশ্বৰৰ দাস আৰু য়ীশু
খ্রীষ্টৰ পাঁচনি পৌলে আপোনাৰ সাধাৰণ ধৰ্ম্ম পুত্র তীতলৈ পত্র লি-
খিছে; ২ মিছা নোকোৱা ঈশ্বৰে দৃষ্টি কালৰ পূৰ্ব্বে অনন্ত পৰমায়ুষ
প্রতিজ্ঞা কৰি যোগ্য কালত যি কীৰ্ত্তনৰ দ্বাৰাই আপোনাৰ বাক্য প্রকাশ
কৰিলে, ৩ সেই কীৰ্ত্তনৰ বাব আমাৰ ত্রাণকৰ্ত্তা ঈশ্বৰৰ আজ্ঞাৰ দ্বাৰাই
মোক সমৰ্পণ কৰা হৈছিল, ৪ আমাৰ পিতৃ ঈশ্বৰ আৰু ত্রাণকৰ্ত্তা প্রভু
য়ীশু খ্রীষ্টৰ পৰা তোমালৈ অনুগ্রহ দায়া আৰু কুশল হওক ।
৫ অসম্পূৰ্ণ কাৰ্য্য সকল সম্পূৰ্ণ কৰিবলৈ, আৰু ময় আজ্ঞা দিয়াৰ দৰে
নগৰে নগৰে বৃদ্ধ লোকক নিযোজন কৰিবলৈকো, ক্রীতী মাঝুলিত ময়
তোমাক থৈ আহিলোঁ । ৬ যি জন নিৰ্দ্দোষী, তিৰোতা এজনীৰহে স্বামী,
আৰু যাৰ লৰাবিলাক বিশ্বাসী, দুষ্ট আচৰণেৰে অপবাদীত আৰু অবশ
নহয়, এনে মানুহক নিযোজন কৰা । ৭ কিয়নো ঈশ্বৰৰ ভঁৰালীৰ নিচিনা
ৰক্ষক নিৰ্দ্দোষী হোৱা; আৰু আপোন ইচ্ছাত ৰতী, অলপতে ক্রোধী, পান
আসক্তী, মাৰকিল কৰা, কুচিত ধন লোভী নহৈ, ৮ আলহি পোহা, সাধুক
স্নেহ কৰা, সতৰ্ক, ন্যায় কৰোঁতা, পবিত্র, পৰিমিত ভোগী হোৱা; ৯ শুদ্ধ
উপদেশ দি বিনয় কৰিবলৈ, আৰু বিধৰ্ম্ম কোৱা লোকক প্রমাণ বুঝাবলৈ
সমৰ্থ হৈ, শিক্ষা পোৱাৰ দৰে বিশ্বাসী বাক্য পালন কৰা; এনে হবৰ
উচিত । ১০ অনেক লোক আৰু বিশেষকৈ চৰ্ম্মচেদনৰ মাজৰ লোকবিলাক
পেট পোহা, অবশ আৰু অনৰ্থক বাক্য কোৱা, আৰু ভাণ্ডনা কৰাওঁতা আছে ।
১১ সিবিলাকে কুচিত লাভৰ নিমিত্তে অনুচিত উপদেশ দি কোনো ঘৰৰ
সকলোবিলাকক ওলটাইছে; সিবিলাকৰ মুখ বন্ধন কৰা আৱশ্যক ।
১২ ক্রীতীৰ নিবাসী লোক সদাই মিছলীয়া, দুৰ্জ্জন পশু, এলেহুৱা, এই কথা
সিবিলাকৰ মাজৰে এজন কবিএ কৈছে । ১৩ এই প্রমাণ সঁচা; এই হে-
তুকে য়িহুদীৰ উপকথা আৰু সত্যৰ পৰা ওভোতা মানুহৰ আজ্ঞা নেমানি

১৪ বিশ্বাসত থিৰ হবলৈ সিবিলাকক দৃঢ ৰূপে ডবিওৱা। ১৫ যিবিলাক
আপুনি শুচি, সিবিলাকলৈ সকলো শুচি; কিন্তু যিবিলাক আপুনি অশুচি
আৰু অবিশ্বাসী, সিহঁতলৈ একো শুচি নহয়, কিয়নো সিহঁতৰ মন আৰু
দোষাদোষ জ্ঞানেই অশুদ্ধ। ১৬ ঈশ্বৰক জানোঁ, ইয়াকে সিহঁতে স্বীকাৰ কৰে,
কিন্তু কৰ্ম্মত তেওঁক আঁশে কৰে, আৰু ঘিনাব লগা আৰু আজ্ঞাৰ অবশ
হৈ সকলো শজ কৰ্ম্মত হলে ভ্ৰষ্ট হয়।

## ২ অধ্যায়।

কিন্তু তুমি হিত উপদেশৰ উচিত কথা কোৱা। ২ বৃদ্ধ লোকবিলাকে যেন
চেতনা, গধুৰ, আৰু পৰিমিত ভোগী হৈ, বিশ্বাস, প্ৰেম, আৰু ধৈৰ্য্যত থিৰ
হয়, ৩ বুঢ়ী তিৰী লোকেও ধৰ্ম্মৰ উচিত আচৰণ কৰি, মিছা অপবাদী,
বা সৰহ পান আসক্তি নহৈ শজ কথা শিকোৱা যেন হয়; ৪ বিশেষকৈ
ঈশ্বৰৰ বাক্য অনিন্দিত হবৰ নিমিত্তে সিবিলাকে যেন ডেকা তিৰোতা-
বিলাকক চেতনা হৈ আপোনাৰ স্বামী আৰু লৰাবিলাকক প্ৰীতি কৰি,
৫ সতৰ্ক, শুচি, ঘৰ ৰাখোতা, উত্তম, আৰু আপোন আপোন স্বামীৰ বশবৰ্ত্তী
হবলৈ শিকাই, এনে উপদেশ দিয়া। ৬ আৰু ডেকা মানুহকো চেতনা
হবলৈ বিনয় কৰা। ৭ সকলো কথাত আপোনাক শজ কৰ্ম্মৰ আৰ্হি উপ-
দেশত নিৰ্দুষী, গধুৰ, অকপট, আৰু অনিন্দীত হিত বাক্য কোৱা দেখোৱা;
৮ তাতে যি কোনো বিপৰীত ফাল হয়, সি আমাৰ অৰ্থে একো দোষৰ
কথা বুলিব নোৱাৰাত লাজ পোৱা হব। ৯ আৰু বন্দী লোক আপোন গৰা-
কীৰ বশ হৈ সকলোতে সিবিলাকক সন্তোষ যেন কৰাই, আৰু উত্তৰ নিদি, চুৰ
নকৰি, আপোনাকে ভাল বিশ্বাসী যেন দেখাই, সিহঁতক এনে শিক্ষা দিয়া;
১০ তাতে সিহঁতে সকলো কথাত আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ উপদেশ ভূষিত
কৰিব। ১১ ঈশ্বৰৰ পৰিত্ৰাণ দিওঁতা যি অনুগ্ৰহ সকলো মানুহৰ আগত
প্ৰকাশ হৈ আহিছে, ১২ তাৰ দ্বাৰাই আমি যেন অধৰ্ম্ম আৰু সংসাৰিক
অভিলাষ পৰিত্যাগ কৰি, এই বৰ্ত্তমান জগতৰ সচেতন আৰু পৰমাৰ্থিক
আৰু ঈশ্বৰৰ সেৱক হৈ কাল নিয়াওঁ, ১৩ আৰু আনন্দ পাবৰ আশাৰে
আমাৰ মহান ঈশ্বৰ ত্ৰাণকৰ্ত্তা যীশু খ্ৰীষ্ট তেজস্বী ৰূপে প্ৰকাশ হৈ
অহালৈকে যেন অপেক্ষা কৰি থাকোঁ, এনে শিক্ষা পালোঁ। ১৪ তেওঁ
আমাক সকলো পাপৰ পৰা মুকুত কৰিবলৈ, আৰু শজ কৰ্ম্মত উদ্যোগী
আপোনাৰ এক বিশেষ লোক সমূহ পবিত্ৰ কৰিবলৈ, আমাৰ নিমিত্তে
আপোনাৰ প্ৰাণ দিলে। ১৫ এই কথাবিলাক কৈ সম্পূৰ্ণ ক্ষমতাৰে উপ-
দেশ দিয়া আৰু হকিওৱা; তোমাক হেয় কৰিবলৈ কাকো নিদিবা।

## ৩ অধ্যায়।

ৰজা সকল আৰু ডাঙ্গৰীয়া আদি দেশাধিকাৰবিলাকৰ অধীন হৈ আজ্ঞা
পালন কৰিবলৈ, আৰু সকলো শজ কৰ্ম্মলৈ যুগুত হৈ, ২ কোনো মানুহক নিন্দা
নকৰি নিৰ্ব্বিৰোধ আৰু নম্ৰ হৈ আটাই মানুহলৈ সকলো নম্ৰ ভাও দেখাব-
লৈকো সিবিলাকক সোঁৱৰোৱা। ৩ কিয়নো পূৰ্ব্বে আমিও অজ্ঞানী, আজ্ঞা
নমনা, অপথে যোৱা, অনেক অভিলাষ আৰু সুখৰ সেৱক. খিয়াল আৰু
অসূয়াতে দিন নিয়াই, ঘিন লগা আৰু ইটে সিটে ঘিন কৰোঁতা হৈ আছি-
লোঁ। ৪ কিন্তু আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ দায়া আৰু মানুহলৈ অনুগ্ৰহ প্ৰকাশ
হোৱাৰ পাছে, ৫ আমি আপুনি কৰা পুণ্য কৰ্ম্মৰ দ্বাৰাই নহয়, কিন্তু পুনৰ
জন্মৰ খিয়ালনেৰে, আৰু আমাৰ ত্ৰাণকৰ্ত্তা যীশু খ্ৰীষ্টৰ দ্বাৰাই তেওঁ যি
পবিত্ৰ আত্মা আমাৰ ওপৰত বহুল ৰূপে বাকি দিলে, ৬ সেই পবিত্ৰ
আত্মাই নতুন স্বভাও দিয়াৰে, আপোনাৰ কৃপাৰ দৰে ঈশ্বৰে আমাক পৰিত্ৰাণ
কৰিলে। ৭ তাতে আমি তেওঁৰ অনুগ্ৰহেৰে পুণ্যৱন্ত লিখা হৈ, আশাৰ
দ্বাৰাই অনন্ত পৰম আয়ুষৰ পুত্ৰাধিকাৰ হৈ আছোঁ। ৮ এই কথা স্বৰূপ;
এই হেতুকে ঈশ্বৰত বিশ্বাস কৰাবিলাকে যেন সুকৰ্ম্মত প্ৰবৰ্ত্তিবলৈ কাৰ্ব্বাৰ
কৰে, এই নিমিত্তে তুমি সদাই এইবিলাক কথা দৃঢ়কৈ কবা, এই মোৰ
বাঞ্ছা; কিয়নো এইবিলাক কথা উত্তম, আৰু মানুহবিলাকৰ হিত কৰোঁতা
হয়। ৯ কিন্তু অজ্ঞানী প্ৰশ্ন, বংশাৱলিৰ কথা, দন্দ, আৰু বিধানৰ বাদ,
এই সকলোৰে পৰা দূৰ হোৱা, কিয়নো এইবিলাক বিফল আৰু অনৰ্থক
হৈছে। ১০ ধৰ্ম্ম ভ্ৰষ্ট হোৱা মানুহক প্ৰথম আৰু দ্বিতীয় বাৰ হকিওৱাৰ
পাছে বাহিৰ কৰা; ১১ কিয়নো এনে মানুহ বিপথে যোৱাত পাপ কৰা
হৈছে, আৰু আপোনাৰ প্ৰমাণেৰেই দুষী হল।

১২ ময় তোমাৰ তলৈ আৰ্ত্তেমা বা তুখিকক পাঁছিলে নীকপলিত মোৰ
এখেলৈ আহিবলৈ তুমি কাৰ্ব্বাৰ কৰা, কিয়নো ময় সেই ঠাইতে জাৰকা-
লিত থাকিবলৈ থিৰ কৰিলোঁ। ১৩ বিধান পণ্ডিত জিনা আৰু আপলো
আহিবলৈ একো অভাও যেন নহয়, তালৈ কাৰ্ব্বাৰ কৰি সিবিলাকক ইয়া-
লৈ পঠাবা। ১৪ আৰু আমাৰ মানুহ যেন নিস্ফল নহয়, সিবিলাকে প্ৰয়োজন
হোৱা খৰছৰ অৰ্থে উত্তম কৰ্ম্ম কৰি থাকিবলৈ শিকোক। ১৫ মোৰ লগত
থকা সকলোএ তোমাক নমস্কাৰ জনাইছে। যিবিলাকে ধৰ্ম্মৰ অৰ্থে আ-
মাক প্ৰীতি কৰিছে, সিবিলাকক নমস্কাৰ কৰা। তোমোলাক সকললৈ অনু-
গ্ৰহ হওক। [আমেন।]

# ফিলীমোনলৈ পৌলে লিখা পত্র ।

যীশু খ্রীষ্টৰ অৰ্থে বন্দীয়াৰ হোৱা পৌল, আৰু ভাই তিমথিএ,
আপোনাৰ অতি প্ৰিয় সহায় ফিলীমোন, ২ আৰু প্ৰিয়
আপ্পিয়া, আৰু আমাৰ লগৰ সেনা আৰ্খিপ্পলৈ, আৰু ফিলীমোনৰ ঘৰত
থকা মণ্ডলী, এই সকললৈ পত্ৰ লিখিছে । ৩ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু
যীশু খ্ৰীষ্টৰ পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু কুশল হওক ।
৪ প্ৰভু যীশুলৈ আৰু পবিত্ৰ লোক সকললৈকো তোমাৰ প্ৰেম আৰু
বিশ্বাসৰ কথা শুনি, ময় সদাই প্ৰাৰ্থনাতে তোমাৰ নাম কাঢ়ি ঈশ্বৰক স্তুতি
কৰিছোঁ । ৫ আৰু যীশু খ্ৰীষ্টত আমাৰ যি যি উত্তম গুণ আছে, তাত
জ্ঞান হোৱাৰ দ্বাৰাই ৬ তোমাৰ বিশ্বাসৰ ভাগৰ ভোগ যেন সিদ্ধি
হয়, এই নিমিত্তে প্ৰাৰ্থনা কৰোঁ । ৭ কিয়নো হে ভাই, তোমাৰ হতু-
ৱাই পবিত্ৰ লোকৰ প্ৰাণ জুৰুয়া হৈছে, এই হেতুকে তোমাৰ প্ৰেমেৰে
আমি অতি আনন্দ আৰু সান্তনা পালোঁ ।
৮ উচিত কৰ্ম্ম কৰাবৰ নিমিত্তে ময় খ্ৰীষ্টৰ দ্বাৰাই অতি সাহিয়াল
হৈ তোমাক আজ্ঞা দিব পাৰিলোঁহেঁতেন; ৯ তথাপি বৃদ্ধ লোক পৌল,
আৰু এতিয়া যীশু খ্ৰীষ্টৰ অৰ্থে বন্দীয়াৰ হোৱা এজন, এনে নামেৰে
ময় প্ৰীতিৰ কাৰণে তোমাক মিনতিকে কৰোঁ । ১০ ময় বন্ধন হোৱাৰ কা-
লত যি পুত্ৰ ওপজালোঁ, সেই অনীচিমৰ নিমিত্তেই মিনতি কৰিছোঁ ।
১১ সি আগেয়ে তোমালৈ অনুপকাৰী আছিল, কিন্তু এতিয়া তোমাৰ
আৰু মোৰো হিত কৰোঁতা হৈছে; ১২ এই হেতুকে ময় আকও তো-
মালৈ তাক পঠাইছোঁ; তুমি তাক মোৰ প্ৰাণৰ তুল্য জানি গ্ৰহণ কৰিবা ।
১৩ শুভবাৰ্ত্তাৰ নিমিত্তে মোৰ বন্ধনত মোক সুশ্ৰুসা কৰিবৰ অৰ্থে তো-
মাৰ প্ৰতিনিধি ৰূপে ময় তাক ৰাখিব খুজিছিলোঁ; ১৪ তাতে তোমাৰ
উপকাৰ বলেৰে যেন পোৱা নহওঁ, কিন্তু ইচ্ছাৰে যেন হয়, এই নি-
মিত্তে তোমাৰ আলচৰ বাহিৰে মোৰ একো কৰিবৰ ইচ্ছা নাই ।
১৫ এতিয়া সি বন্দীৰ নিচিনা নহয়, কিন্তু বন্দীতকৈ উত্তম, মোলৈ অতি

প্ৰিয়, আৰু তোমালৈ শৰীলৰ কথাত আৰু প্ৰভুৰ কথাতো তাতকৈয়ো
অধিক প্ৰিয় ভাইৰ নিচিনা তুমি যেন সৰ্ব্বকাললৈকে গ্ৰহণ কৰা, ১৬ এই
নিমিত্তেহে কিজানি সি অলপ কাললৈ তোমাৰ পৰা আঁতৰ হৈ গল ।
১৭ তুমি যদি মোক সখা যেন মানা, তেন্তে তাক মোৰ নিচিনাকৈ গ্ৰহণ
কৰিবা । ১৮ সি যদি তোমাক কিবা অন্যাই কৰিলে, বা ধৰুৱা হৈছে, তাক
মোৰ লেখত গণনা কৰা । ১৯ তাক ময় সুজিম, ময় পৌল আপোন
হাতে লিখিলোঁ; কিন্তু তাত বাঝে তুমি মোলৈ আপোন প্ৰাণলৈকে
ধৰুৱা হৈ আছা, ইয়াকে ময় নকওঁ । ২০ হে ভাই, তোমাৰ দ্বাৰাই
প্ৰভুত মোৰ আনন্দ হওক; খ্ৰীষ্টত মোৰ প্ৰাণ জুৰুৱা কৰা । ২১ তুমি
আজ্ঞা মানিবৰ কথাত ময় বিশ্বাস কৰি এই পত্ৰ লিখিলোঁ, আৰু
ময় যিহকে কৈছোঁ, তুমি তাতকৈয়ো অধিক কৰিবা, ইয়াক জানিছোঁ ।
২২ তোমোলাকৰ প্ৰাৰ্থনাৰ দ্বাৰাই মোক তোমোলাকলৈ দান কৰা হব,
মোৰ এনে বিশ্বাস আছে, এই হেতুকে মোলৈ এক থকা ঠাই যুগুত
কৰা । ২৩ য়ীশু খ্ৰীষ্টৰ অৰ্থে মোৰ লগৰ বন্দীয়াৰ হোৱা এপাফ্ৰা,
২৪ আৰু মাৰ্ক, আৰিষ্টাৰ্খ, দিমা, লুক, মোৰ এই সহায়বিলাকে তো-
মাক নমস্কাৰ কৰে । ২৫ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমো-
লাকৰ আত্মাৰ লগত থাকোক । [আমেন ।]

# ইব্ৰীবিলাকলৈ লিখা পত্ৰ ।

## ১ অধ্যায় ।

পূৰ্ব্বকালে যি ঈশ্বৰে ভবিষ্যত বক্তা সকলৰ দ্বাৰাই পিতৃবিলাকত অনেক
সময়ে আৰু নানা ৰূপে কৈছিল, তেৱেঁই এই শেষ কালতো আ-
পোনাৰ পুত্ৰৰ দ্বাৰাই আমাত কৈছে । ২ তেৱেঁ সেই পুত্ৰকে সকলোৰে
অধিকাৰ কৰি তেওঁৰ হতুৱাই জগত সকল সৃষ্টি কৰিলে । ৩ সেই পুত্ৰ
ঈশ্বৰৰ মহিমাৰ প্ৰতাপ আৰু সাৰৰ মূৰ্ত্তি হৈ, আপোনাৰ শক্তিমন্ত বাক্যেৰে
সকলোকে পালন কৰি আছে; এই হেতুকে আপোনাৰ প্ৰাণৰ দ্বাৰাই
আমাৰ পাপ মোচন কৰিলত, তেওঁ ওপৰৰ মহা মহিমৰ সোঁ ফালে বহিল ।
৪ আৰু দূতবিলাকতকৈ যিমান উত্তম নাম পুত্ৰাধিকাৰ বাবেৰে সৈতে
পালে, সিবিলাকতকৈ তিমান উত্তম হৈ আছে । ৫ কিয়নো তুমি মোৰ
পুত্ৰ, আজি ময় তোমাক জন্মালোঁ; আৰু ময় তেওঁৰ পিতৃ হম, তেওঁ মোৰ
পুত্ৰ হব, এই বুলি ঈশ্বৰে কোনো কালে দূত সকলৰ মাজৰ কোন জনক

কলে? ৬ আৰু প্ৰথমে ওপজা জনকে জগতৰ ভিতৰত আনিবৰ কালে তেওঁ
আকও কৈছে, ঈশ্বৰৰ দূত সকলে তেওঁক সেৱা কৰোক । ৭ দূতৰ কথাত
হলে ইয়াকে কৈছে, তেওঁ আপোনাৰ দূতবিলাকক বায়ু ৰূপ, আৰু আপো-
নাৰ সেৱকবিলাকক অগ্নিৰ শিক্ষা ৰূপ কৰে; ৮ কিন্তু পুত্ৰৰ কথাত
হলে ইয়াকে কৈছে, হে ঈশ্বৰ, তোমাৰ সিংহাসন সদাসৰ্ব্বদায় থাকে;
তোমাৰ ৰাজ দণ্ডেই ন্যায়ৱন্ত দণ্ড; ৯ তুমি পুণ্যক প্ৰীতি কৰি, পাপকে
ঘিন কৰিছা; এই নিমিত্তে ঈশ্বৰ অৰ্থাৎ তোমাৰ ঈশ্বৰে তোমাৰ সখী-
বিলাকতকৈ অধিক আনন্দ ৰূপ তেলেৰে তোমাক অভিষেক কৰিলে ।
১০ আৰু বাৰ কৈছে, হে প্ৰভু, তুমি আদিতে পৃথিবীৰ মূল থাপন কৰিলা;
আকাশ মণ্ডলো তোমাৰ হাতে কৰা হয়; ১১ দুয়ো নষ্ট হব, কিন্তু তুমি
নিত্য; সেই সকল কাপড়ৰ নিচিনা পুৰণি হৈ যাব, ১২ আৰু বস্ত্ৰৰ দৰে
তুমি নুৰিয়ালে সিবিলাকৰ ৰূপ গুছিব; কিন্তু তুমি সদাই একে ৰূপ,
আৰু তোমাৰ বছৰৰ কেতিয়াও ক্ষয় নাই । ১৩ আৰু ময় তোমাৰ শত্ৰু-
বিলাকক তোমাৰ ভৰিৰ পিৰা নকৰোঁ মানলৈকে তুমি মোৰ সোঁ ফালে
বহা, এই কথা কেতিয়া নো দূতবিলাকৰ মাজৰ কাত্ কৈছিল? ১৪ যিবিলাক
পৰিত্ৰাণৰ অধিকাৰ হব, সিবিলাকক সুশ্ৰুসা কৰিবৰ নিমিত্তে পঁচা হোৱাত
সেই দূত সকল পৰিচাৰক আত্মা নহয় নে?

## ২ অধ্যায় ।

এই হেতুকে আমি যি যি কথা শুনিলোঁ, তাৰ পৰা কোনো কালে কোনো
ৰূপে যেন ভ্ৰষ্ট নহওঁ, এই নিমিত্তে তালৈ আমি অধিক সাৱধান কৰি
থকা উচিত । ২ দূতবিলাকে কোৱা বাক্য থিৰ হোৱাত প্ৰতি অপৰাধ
আৰু আজ্ঞা উলংঘনৰ যদি উচিত প্ৰতিফল হল, ৩ তেন্তে যি পৰিত্ৰাণ
প্ৰথমে প্ৰভুৰ দ্বাৰাই কোৱা হৈছিল, পাছে তেওঁক শুনাবিলাকৰ মুখৰ
পৰা আমালৈ নিশ্চয় কৰা হল, ৪ আৰু ঈশ্বৰে চিন, অদ্ভুত লক্ষণ, নানা
ৰূপ আশ্চৰিত কৰ্ম্ম, আৰু আপোন ইচ্ছাৰে দিয়া পবিত্ৰ আত্মাৰ দান,
এই সকলোৰে সৈতে প্ৰমাণীক কৰিলে, সেই মহা পৰিত্ৰাণ আমি অৱহেলা
কৰিলে কি ৰূপে সাৰিম? ৫ আমি যি ভবিষ্যত জগতৰ কথা কৈছোঁ,
তাক তেওঁ দূতবিলাকৰ অধীন কৰা নাই । ৬ কিন্তু কোনো জনে এক
ঠাইত এনে প্ৰমাণ দি কৈছে, তুমি যে মানুহ সুমৰণ কৰিছা, মানুহ নো কি?
আৰু মানুহৰ সন্তানলৈ যে চাইছা, তাৰ সন্তানেই বা কি? ৭ তুমি তাক
দূতবিলাকতকৈ কিছু তল কৰিছা; বিভও আৰু মৰ্য্যতাৰ কিৰিটিৰে তাক
বিভূষিত কৰিছা; [তোমাৰ হাতে কৰা সকলো বস্তুৰ ওপৰত তাক অধি-
কাৰ পাতিছা,] আৰু সকলোকে তাৰ ভৰিৰ বশবৰ্ত্তী কৰিছা । ৮ তেওঁৰ

তলত সকলোকে বশবৰ্ত্তী কৰা হলে, তেন্তে তেওঁৰ অবশ একো নেথাকে;
কিন্তু এতিয়ালৈকে আমি তেওঁৰ তলত সকলোকে বশবৰ্ত্তী দেখা নাই।
৯ তথাপি ঈশ্বৰৰ অনুগ্ৰহেৰে সকলো মানুহৰ নিমিত্তে মৃত্যু ভোগ কৰিব-
লৈ দূতবিলাকতকৈ কিছু তল কৰা যি য়ীশু, তেওঁক মৃত্যু ভোগৰ কাৰণে
বিভৱ আৰু মৰ্য্যতাৰ কিৰীটিৰে বিভূষিত কৰা দেখিছোঁ। ১০ যি জনাৰ
কাৰণে আৰু যি জনাৰ দ্বাৰাই সকলো বস্তু সৃষ্টি হৈছে, তেওঁ বহুত
সন্তানক বিভৱলৈ আনোঁতে সিবিলাকৰ ত্ৰাণৰ সেনাপতিকে দুঃখ ভোগৰ
দ্বাৰাই সম্পূৰ্ণ কৰা উচিত। ১১ ইয়াতে যি জনে পবিত্ৰ কৰে, আৰু যি-
বিলাকক পবিত্ৰ কৰা হৈছে, সেই সকলো একে জনাৰ হয়; এই হেতুকে
সিবিলাকক ভাই বুলি মাতিবলৈ লাজ নেপাই, তেওঁ কৈছে, ১২ ময়
ভাইবিলাকৰ মাজত তোমাৰ নাম প্ৰকাশ কৰিম; সভাৰ মাজত প্ৰশংসা
গান কৰিম। ১৩ পুনৰ্ব্বাৰ কৈছে, ময় তেওঁতেহে বিশ্বাস কৰিম; আৰু
বাৰ কৈছে, মোক আৰু ঈশ্বৰে দিয়া সন্তানবিলাককো দেখা। ১৪ আৰু
সন্তানবিলাক তেজ মঙ্গহযুক্ত হোৱাত মৃত্যুৰ শক্তি কৰোঁৱা যি ছয়তান,
তাক মৰণৰ দ্বাৰাই দমন কৰিবলৈ, ১৫ আৰু মৰণৰ ভয়েৰে আয়ুষৰ সক-
লো দিনত বন্ধন হোৱাবিলাকক মুকুত কৰিবলৈ, তেওঁ আপুনিও সেই ৰূপে
তেজ মঙ্গহযুক্ত হৈ আহিছে। ১৬ তেওঁ দূতবিলাকক উপকাৰ নকৰি, অা-
ব্ৰাহামৰ বঙ্গহৰবিলাকক উপকাৰ কৰিলে; ১৭ এই হেতুকে আপোন
লোকৰ পাপৰ প্ৰায়শ্চিত্ত কৰিবৰ নিমিত্তে ঈশ্বৰৰ কথাবিলাকত এজন
দয়ালু আৰু বিশ্বাসী মহা পোৰোহিত হবলৈ সকলো ভাৱে আপোনাৰ
ভাইবিলাকৰ নিচিনা হোৱা তেওঁৰ উচিত আছিল। ১৮ তাতে তেওঁ আপু-
নি পৰীক্ষা কৰা হৈ দুঃখ ভোগ কৰিলত, যিবিলাকে পৰীক্ষা পাই সিবি-
লাকৰো উপকাৰ কৰিব পাৰে।

---

## ৩ অধ্যায় ।

এই হেতুকে, হে স্বৰ্গীয় নিমন্ত্ৰণৰ ভাগী পবিত্ৰ ভাইবিলাক, আমি স্বীকাৰ
কৰা পাঁচনি আৰু মহা পোৰোহিত যি য়ীশু [খ্ৰীষ্ট,] তেওঁলৈ মনযোগ কৰা।
২ মোচা যেনেকৈ আপোনাৰ গোটেই ঘৰৰ মাজত বিশ্বাসী আছিল, তেৰো
সেই ৰূপে তেওঁক নিযোজন কৰা জনালৈ বিশ্বাসী হৈছিল। ৩ ঘৰতকৈ
ঘৰ সজা জনে যেনেকৈ অধিক মৰ্য্যতা পাই, তেনেকৈ তেওঁ মোচাতকৈ
অধিক মৰ্য্যতাৰ যোগ্য গণা হৈছিল। ৪ প্ৰত্যেক ঘৰ কোনোৰ দ্বাৰাই
সৃজা হৈছে, কিন্তু সকলো বস্তু সৃজন কৰ্ত্তা ঈশ্বৰ। ৫ পাচলৈ কব লগা
কথাৰ প্ৰমাণৰ নিমিত্তে মোচা সেৱক বাবে আপোনাৰ গোটেই ঘৰৰ মা-
জত বিশ্বাসী আছিল; ৬ কিন্তু খ্ৰীষ্ট পুত্ৰ হোৱাত আপোনাৰ ঘৰৰ অধি-

কাৰ বাবে বিশ্বাসী হৈছে। আমি আশাৰ সাহ আৰু আনন্দ শেষলৈকে
যদি থিৰে ৰাখো, তেন্তে আমিএই তেওঁৰ সেই ঘৰ।
৭ এই হেতুকে, পবিত্ৰ আত্মাই কোৱাৰ দৰে, আজি যদি তোমোলাকে
তেওঁৰ কথা শুনিবলৈ ইচ্ছা কৰা, ৮ তেন্তে বিবাদৰ থানত আৰু অৰণ্যৰ মাজত
পৰীক্ষাৰ দিনত তোমোলাকৰ ওপৰ পিতৃবিলাকে যেনেকৈ মোৰ পৰীক্ষা
কৰি প্ৰমাণ বিচাৰি দুকুৰি বছৰলৈ মোৰ কৰ্ম্ম সকল দেখিলে, ৯ সেই
ৰূপে তোমোলাকে মন কঠিন নকৰিবা। ১০ তেতিয়া ময় সেই কালৰ
পুৰুষত বেজাৰ পাই কলোঁ, সিহঁতে মনেৰে সদাই ভ্ৰম হয়, মোৰ পথ
জনাই নাই। ১১ এই কাৰণে ময় ক্ৰোধেৰে শপত কৰিলোঁ, সিহঁতে জানো
মোৰ বিশ্ৰামত সোমাবলৈ পাব। ১২ হে ভাইবিলাক, অমৰ ঈশ্বৰক
এৰিবলৈ তোমোলাকৰ কাৰো যেন অবিশ্বাসী দুষ্ট মন নহয়, ইয়ালৈ
সাৱধান হোৱা। ১৩ আৰু পাপৰ মোহেৰে তোমোলাকৰ কোনো যেন
কঠিন হৈ নেযাই, এই নিমিত্তে যি কাল আজি বোলা হয়, সেই কাল
থাকোঁতে ইজনে সিজনে দিনে দিনে উপদেশ দিয়া। ১৪ কিয়নো আমি
যি বিশ্বাসৰ আৰম্ভণ কৰিলোঁ, তাক শেষলৈকে যদি দৃঢ় ৰূপে ৰাখোঁ,
তেহে খ্ৰীষ্টৰ ভাগী হওঁ। ১৫ আজি যদি তোমোলাকে তেওঁৰ কথা শুনিব-
লৈ ইচ্ছা কৰা, তেন্তে বিবাদৰ থানত যেনেকৈ, তেনেকৈ তোমোলাকে মন
কঠিন নকৰিবা, ১৬ এই কথা যে কৈছে, কোন কোন লোকে নো কথা
শুনি বিবাদ কৰিলে? মিচৰ দেশৰ পৰা মোচাৰ হতুৱাই অনোৱা সক-
লোএ নকৰিলে নে? ১৭ আৰু দুকুৰি বছৰলৈকে তেওঁ কোন লোকত
বেজাৰ পাইছিল? পাপ কৰিলত যিবিলাকৰ শব অৰণ্যত পৰিল, সিবি-
লাকত নহয় নে? ১৮ আৰু সিহঁত মোৰ বিশ্ৰামত নোসোমাব, তেওঁ এই
যি শপত কৰিলে, অবিশ্বাসীবিলাকৰ বাহিৰে কাৰ বিৰোদ্ধে কৰিলে?
১৯ এয়েৰেই অবিশ্বাসৰ দ্বাৰাই সিবিলাকে সোমাব নোৱাৰিলে, ইয়াকে
আমি দেখিছোঁ।

## ৪ অধ্যায়।

তেওঁৰ বিশ্ৰামত সোমাবলৈ পোৱাৰ আমালৈ যি প্ৰতিজ্ঞা আছে, কিজা-
নি তোমোলাকৰ কোনোএ সেই প্ৰতিজ্ঞাৰ ফল হেৰুৱাব, এই কথাত
আমি ভয় কৰা উচিত। ২ কিয়নো আমাৰ আগত যেনেকৈ, সিবিলা-
কৰ আগতো তেনেকৈ শুভবাৰ্ত্তা কীৰ্ত্তন কৰা হৈছিল; কিন্তু শুনাবিলাকে
বিশ্বাসেৰে যুক্ত নোহোৱাত, সেই কীৰ্ত্তন কৰা বাক্য সিবিলাকৰ হিত
নহল। ৩ কিন্তু বিশ্বাস কৰা যি আমি, আমি বিশ্ৰামত সোমাবলৈ পাম;
সেই বিশ্ৰামৰ কথাত তেওঁ কৈছে, ময় ক্ৰোধত এই শপত কৰিলোঁ,

সিবিলাকে জানো মোৰ বিশ্ৰামত সোমাবলৈ পাব; অৰ্থাৎ সৃষ্টিৰ আ-
দিতে সম্পূৰ্ণ হোৱা কৰ্ম্মৰ পৰা তেওঁৰ যি বিশ্ৰাম, তাত নোসোমাব ।
৪ সপ্তম দিনৰ কথাত এঠাইত এই ৰূপে কৈছে, সপ্তম দিনা ঈশ্বৰে
আপোনাৰ সকলো কৰ্ম্মৰ পৰা বিশ্ৰাম কৰিলে । ৫ আৰু আন ঠাই-
তো কৈছে, সিহঁতে মোৰ বিশ্ৰামত নোসোমাব । ৬ তেন্তে কোনো লোকে
সেই বিশ্ৰামত অৱশ্যে সোমাব; কিন্তু যিবিলাকৰ আগত প্ৰথমতে কীৰ্ত্তন
কৰা হৈছিল, সিবিলাকে অবিশ্বাসৰ কাৰণে সোমোৱা নাই । ৭ পাছে
তেওঁ আৰু এক দিন আজি বুলি ঠাৱৰ কৰি, এতে কালৰ পাচত দাবি-
দৰ দ্বাৰাই কৈছে, আজি যদি তোমোলাকে তেওঁৰ কোৱা কথা শুনি-
বলৈ ইচ্ছা কৰা, তেন্তে আপোনাৰ মন কঠিন নকৰিবা । ৮ য়িহোচূৱাই
যদি সিবিলাকক বিশ্ৰাম দিয়া হয়, তেন্তে ঈশ্বৰে পাচৰ আন দিনৰ
কথা নকলেহেঁতেন । ৯ এই হেতুকে ঈশ্বৰৰ লোকৰ নিমিত্তে এক বি-
শ্ৰাম ৰৈ আছে । ১০ কিয়নো ঈশ্বৰে আপোনাৰ কৰ্ম্মৰ পৰা যেনেকৈ
জিৰালে, তেনেকৈ যি জনে তেওঁৰ বিশ্ৰামত সোমাইছে, সেই জনেও আ-
পোনাৰ কৰ্ম্মৰ পৰা জিৰাইছে ।

১১ এই হেতুকে কোনেও সেই অবিশ্বাসৰ আৰ্হিৰ নিচিনা যেন পতিত
নহয়, এই নিমিত্তে আহাঁ, আমি সেই বিশ্ৰাম পাবলৈ যত্ন কৰোঁহক ।
১২ ঈশ্বৰৰ বাক্য জীয়া, শক্তিমন্ত, আৰু দুধৰীয়া তৰোৱালতকৈয়ো চোকা,
প্ৰাণ আৰু আত্মা, গাঁঠি আৰু মঝা, এই সকলোকে খুঁচি ছিঙোঁতা, আৰু
মনৰ ভাবনা মতিকো চিনাওঁতা হৈছে । ১৩ আৰু যি জনাৰ আগত
আমি আপোন আপোন কথা কব লগা হয়, তেওঁলৈ একো বস্তু অদৃশ্য নাই,
কিন্তু তেওঁৰ দষ্টিতে সকলো উদঙ্গ আৰু প্ৰকাশ হৈ আছে ।

১৪ এয়েৰেই স্বৰ্গত সোমোৱা ঈশ্বৰৰ পুত্ৰ যি য়ীশু, তেওঁ আমাৰ
মহা প্ৰধান পোৰোহিত হোৱাতে, আহাঁ, আমি স্বীকাৰ কৰা ধৰ্ম্ম দৃঢ
ৰূপে ধৰোঁহক । ১৫ আমাৰ দুৰ্ব্বলৰ নিমিত্তে হোৱা যি দুঃখ, তাৰ
ভাগী হব নোৱাৰা আমাৰ এনে মহা পোৰোহিত নহয়; তেওঁ নিষ্পাপী
হৈয়ো সকলো ভাৱে আমাৰ নিচিনাকৈ পৰীক্ষা পোৱা হৈছিল । ১৬ এই
হেতুকে আহাঁ, আমি কৃপাৰ পাত্ৰ হৈ প্ৰয়োজনৰ কালত উপকাৰৰ
নিমিত্তে অনুগ্ৰহ পাবলৈ নিৰ্ভয়ে অনুগ্ৰহৰ সিংহাসনলৈ যাওঁহক ।

## ৫ অধ্যায় ।

উচৰগ আৰু পাপৰ প্ৰায়শ্চিত্ত বলিদান কৰিবলৈ মানুহৰ মাজৰ পৰা
নিয়া যি কোনো প্ৰধান পোৰোহিত মানুহৰ অৰ্থে ঈশ্বৰৰ কৰ্ম্মত নি-
য়োজন কৰা হৈছে, ২ সেই জনাই আপুনি দুৰ্ব্বলেৰে আবৃত হোৱাত

অজ্ঞানী আৰু অপথে যোৱা লোকক দায়া কৰিব পাৰে । ৩ এই
হেতুকে কেৱল লোকৰ নিমিত্তে নহয়, আপোনাৰ নিমিত্তেও বলিদান
দিয়া তেওঁৰ প্ৰয়োজন আছে ।

৪ হাৰোণৰ নিচিনাকৈ ঈশ্বৰে নিযোজন কৰা নহলে, কোনো মানুহে
আপোনালৈ এই মৰ্য্যতা নলয়; ৫ সেই ৰূপে খ্ৰীষ্টেও প্ৰধান পোৰো-
হিতৰ বাব লবলৈ আপুনি আপোনাক এই মৰ্য্যতা নকৰিলে; কিন্তু যি
জনাই কৈছে, তুমি মোৰ পুত্ৰ, আজি ময় তোমাক জন্মালোঁ, সেই জনা-
য়ে এই মৰ্য্যতা কৰিলে । ৬ আন ঠাইতো কৈছে, মল্কীছেদকৰ মতৰ
দৰে তুমি নিত্য পোৰোহিত হৈছা । ৭ আৰু খ্ৰীষ্ট অৱতাৰ হোৱা
কালত মৃত্যুৰ পৰা ৰাখিবৰ সমৰ্থ হোৱা যি জনা, তেওঁৰ আগত অতি-
শয় ক্ৰন্দন আৰু চকুৰ লোএৰে প্ৰাৰ্থনা আৰু মিনতি কৰি, যিহলৈ
ভয় কৰিলে, তাৰ পৰা মুকুত হল । ৮ আৰু পুত্ৰ হলেও, তেওঁ দুঃখ
ভোগৰ দ্বাৰাই আজ্ঞাৰ বশ হবলৈ শিক্ষা পালে । ৯ এই ৰূপে তেওঁ
সিদ্ধি হৈ আপোন আজ্ঞা মনা সকলোৰে পৰিত্ৰাণ কৰ্ত্তা হৈ, ১০ মল্কীছেদকৰ
বাবৰ দৰে প্ৰধান পোৰোহিত ঈশ্বৰৰ পৰা নিৰূপণ কৰা হৈছে ।

১১ সেই জনাৰ অৰ্থে আমাৰ অনেক কথা কবলৈ আছে, কিন্তু তো-
মোলাকৰ কাণ গধুৰ হোৱাত তাক বুঝাবলৈ কঠিন । ১২ কিয়নো যি
কালত তোমোলাক শিক্ষক হবলৈ উচিত আছিল, ইমান কালৰ পাচতো
কোনোএ যেন পুনৰ তোমোলাকক ঈশ্বৰৰ বাক্যৰ প্ৰথম মূল কথা শিকাই,
আৰু কঠিন আহাৰ নুখুৱাই গাখীৰ যেন খুৱাই, তোমোলাকৰ এনে
প্ৰয়োজন আছে । ১৩ গাখীৰ খোৱা যি জন, সি লৰা হোৱা হেতুকে
ধৰ্ম্মৰ বাক্যত নিপুণ নহয়, ১৪ কিন্তু যিবিলাক বয়সীয়া হল, অৰ্থাৎ
জ্ঞান শক্তি আচৰাৰ দ্বাৰাই ভাল আৰু বেয়া চিনিবলৈ সমৰ্থ আছে, কঠিন
আহাৰ সিবিলাকলৈহে হয় ।

## ৬ অধ্যায় ।

আমি মৰা কৰ্ম্মৰ পৰা মন পালটন, আৰু ঈশ্বৰত বিশ্বাস, বুৰ দিও-
ৱাৰ শিক্ষা, হাত দিয়া, মৰা লোকৰ উঠান আৰু অনন্ত দণ্ড, ২ এই
সকলোৰে পুনৰ মূল থাপন নকৰি, কিন্তু খ্ৰীষ্টৰ উপদেশৰ মূলতে লাগি
নেথাকি সিদ্ধি হবৰ অৰ্থে আগ বাঢ়ি যাবলৈ যতন কৰোঁহঁক । ৩ আৰু
ঈশ্বৰে যদি কৰিবলৈ দিএ, আমি তাক কৰিম ।

৪ যিবিলাকে এবেলি পহৰ পোৱা হল, আৰু পবিত্ৰ আত্মাৰ ভাগী
হৈ স্বৰ্গীয় দান, ঈশ্বৰৰ উত্তম বাক্য, আৰু ভবিষ্যত কালৰ শক্তিৰ ভোগ
কৰিলে, ৫ সিবিলাকে আপোনালৈ যদি ঈশ্বৰৰ পুত্ৰক নতুনকৈ পেৰেক্স-

ণিত বধ কৰি তেওঁক লাজ দি দেখাই ধৰ্ম্মৰ পৰা ভ্ৰষ্ট হয়, ৬ তেন্তে
পুনৰ্ব্বাৰ সিবিলাকৰ মন পালটাই নতুন কৰা অসাধ্য। ৭ কিয়নো যি মাটীত
ঘনে ঘনে বৰখুণ পৰি শুহি যাই, সেই মাটীএ খেতিয়কবিলাকৰ নিমিত্তে
যোগ্য শাক আদি উৎপন্ন কৰি ঈশ্বৰৰ আশীৰ্ব্বাদ পোৱা হয়। ৮ কিন্তু
যি মাটীএ পুলি কাঁইট আৰু বন কাইটকেহে উৎপন্ন কৰে, সেয়ে অগ্ৰাহ্য
আৰু শাও পোৱাৰ যোগ্য হৈ শেষত পোৰা হৈ যাব।

৯ কিন্তু হে প্ৰিয়বিলাক, আমি এই ৰূপে কলেও তোমোলাকৰ অৰ্থে
তাতকৈ উত্তম আৰু পৰিত্ৰাণৰ সমন্ধ হোৱাৰ কথা নিশ্চয়কৈ বিশ্বাস কৰি-
ছোঁ। ১০ কিয়নো তোমোলাকে পবিত্ৰ লোকক যি সুশ্ৰূষা কৰিলা, এতিয়াও
কৰিছা, তাৰেই ঈশ্বৰৰ নামলৈ যি প্ৰেমৰ কৰ্ম্ম দেখালা, তাক তেওঁ অন্যায়
কৰি নেপাহৰিব। ১১ আৰু শেষলৈকে তোমোলাক সকলোএ দৃঢ আশা
কৰিবলৈ অতি যতন কৰা, ১২ আৰু এলেহুৱা নহৈ যিবিলাকে বিশ্বাস আৰু
ধৈৰ্য্যেৰে প্ৰতিজ্ঞাৰ ফলৰ ভাগী হল, সিবিলাকৰ পথে যাওঁতা হোৱা, আ-
মাৰ এই বাঞ্ছা। ১৩ কিয়নো ঈশ্বৰে আব্ৰাহামলৈ প্ৰতিজ্ঞা কৰাত শপত
কৰিবলৈ আপোনাৰ নামতকৈ ডাঙ্গৰ নোপোৱাত আপোনাৰ নামেৰে শপত
কৰি কলে, ১৪ময় নিশ্চয়ে তোমাক আশীৰ্ব্বাদ কৰিম, আৰু তোমাৰ বঙ্গহ
অতিশয় ৰূপে বৰ্হাম; ১৫ তাতে আব্ৰাহামে ধৈৰ্য্যেৰে সহন কৰিলত সেই
প্ৰতিজ্ঞাৰ ফল পালে। ১৬ মানুহবিলাকে হলে আপোনাতকৈ বৰৰ নাম
লৈহে শপত কৰে; তাতে প্ৰমাণৰ নিমিত্তে সেই শপত সকলো বিবাদৰ শেষ।
১৭ এই ৰূপে ঈশ্বৰেও সেই প্ৰতিজ্ঞাৰ অধিকাৰবিলাকলৈকে আপোনাৰ
আলচ অতি থিৰ, ইয়াকে বহুল ৰূপে দেখাবৰ ইচ্ছা কৰি তাক শপতেৰে
নিৰ্ব্বন্ধ কৰিলে। ১৮ এই হেতুকে আমাৰ আগত থোৱা আশা পাবৰ নি-
মিত্তে আশ্ৰয় লৈ পলোৱা যি আমি, আমাক ঈশ্বৰে যিহেৰে মিছা কব-
লৈ অসাধ্য, এনে দুই অলৰ কথাৰ দ্বাৰাই আমি দৃঢ সান্ত্বনা পোৱা হওঁ।
১৯ সেই আশা আমাৰ মনৰ নিশ্চয় আৰু অলৰ লঙ্গৰৰ নিচিনা হৈ আৰ
কাপড়ৰ ভিতৰ থানতে লাগি আছে; ২০ আৰু যি জনে আমাৰ নিমিত্তে
আগ বাঢ়ি যোৱা হৈ সেই ভিতৰ থানত সোমাল, সেই য়ীশু মল্কীছেদকৰ
মতৰ দৰে নিত্য মহা পোৰোহিত হৈছে।

## ৭ অধ্যায়।

ৰজাবোৰক মাৰিবৰ পৰা উভতি অহা আব্ৰাহামক লগ পাই তেওঁক
আশীৰ্ব্বাদ কৰিলে, পাছে তেওঁৰ পৰা সকলো বস্তুৰ দহ ভাগৰ এভাগ
পালে, ২ এনে যি সৰ্ব্বোপৰি ঈশ্বৰৰ পোৰোহিত চালমৰ ৰজা মল্কীছে-
দক, তেওঁ প্ৰথমতে ধৰ্ম্ম ৰজা, পাছে চালমৰ অৰ্থাৎ সান্ত্বনাৰ ৰজা, এই এই

নামেৰে খ্যাতি হোৱাতে, ৩ আৰু তেওঁৰ পিতৃ, মাতৃ, বঙ্গহ, আয়ুষৰ আদি
জীৱনৰ অন্ত, এই সকলো অবিদিত হোৱাত, তেওঁ ঈশ্বৰৰ পুত্ৰৰ নিচিনা
নিত্য পোৰোহিত হৈ আছে । ৪ বিবেচনা কৰি দেখা, যি জনক আমাৰ
ওপৰ পিতৃ আব্ৰাহামে লুট কৰা বস্তুৰ দহ ভাগৰ এভাগ দিলে, তেওঁ কে-
নে প্ৰধান লোক! ৫ লেবিৰ সন্তানবিলাকে পোৰোহিতৰ বাব পাই, বি-
ধানৰ মতে লোকৰ পৰা অৰ্থাৎ আব্ৰাহামৰ বঙ্গহৰ আপোন ভাইবিলা-
কৰ পৰা দশম ভাগ লবৰ আজ্ঞা পোৱা হৈছে, ৬ কিন্তু এই জন মানু-
হে সিবিলাকৰ বঙ্গহত গণিত নহৈয়ো আব্ৰাহামৰ পৰা দশম ভাগ লৈ
প্ৰতিজ্ঞাৰ অধিকাৰকেই আশীৰ্ব্বাদ কৰিলে । ৭ আৰু সৰু লোকে বৰৰ পৰা-
হে আশীৰ্ব্বাদ পোৱা হয়, ইয়াত সংশয় নাই । ৮ আৰু এই কথাত যিবিলাক
মৰণৰ অধীন সিবিলাকে দশম ভাগ পাই; কিন্তু সেই কথাত হলে যি জনে
দশম ভাগ পাই, তেওঁ জীয়াই থাকে, ইয়াৰ প্ৰমাণ দিয়া হৈছে । ৯ আৰু
দশম ভাগ গ্ৰহণ কৰ্ত্তা যি লেবি তেওঁ আপুনিএই আব্ৰাহামৰ দ্বাৰাই দশম
ভাগ দিলে, ইয়াকো কোৱা যাব পাৰে; ১০ কিয়নো মল্কীছেদকে যেতিয়া
তেওঁৰ পিতৃক লগ পালে, তেতিয়া লেবি তেওঁৰ কটিৰ ভিতৰতে আছিল ।
১১ আৰু লোকে যিহেৰে বিধান পালে, সেই লেবিয়া পোৰোহিত বা-
বৰ দ্বাৰাই যদি মানুহৰ সিদ্ধি হব পাৰে, তেন্তে হাৰোণৰ বাবেৰে খ্যাতি
নহৈ মল্কীছেদকৰ বাবেৰে আন এজন পোৰোহিত ওলোৱাৰ কি প্ৰয়ো-
জন? ১২ পোৰোহিতৰ বাব বেলেগ কৰা হোৱাত বিধানো অৱশ্যে বে-
লেগ কৰা হব । ১৩ আৰু যি ফৈদৰ কেৱে কেতিয়াও হোমৰ ভেঁটিৰ কৰ্ম্ম
কৰা নাই, এনে ফৈদৰ পৰা ওলোৱা এজনৰ অৰ্থে এইবিলাক কথা কোৱা
হৈগছিল । ১৪ কিয়নো আমাৰ প্ৰভু য়িহুদা বঙ্গহত অৱতাৰ হৈছে, এয়ে
প্ৰকাশ আছে; কিন্তু মোচাই পোৰোহিত কৰ্ম্মৰ অৰ্থে সেই ফৈদৰ একো
কথা কোৱা নাই । ১৫ আৰু তাতকৈয়ো প্ৰকাশ হোৱা প্ৰমাণ এই, মল্কী-
ছেদকৰ নিচিনা আন যি পোৰোহিত ওলাব, ১৬ তেওঁ সংসাৰৰ সম্বন্ধি
আজ্ঞাৰ দৰে নিযোজন নহৈ, অনন্ত আয়ুষৰ শক্তিৰ দৰে নিযোজন কৰা
হব । ১৭ কিয়নো ঈশ্বৰে প্ৰমাণ দিছে, তুমি মল্কীছেদকৰ বাব অনুসৰি
সদাই পোৰোহিত হৈ আছা । ১৮ এই হেতুকে যি বিধানৰ দ্বাৰাই একো
সিদ্ধি হোৱা নাই, সেই পূৰ্ব্ব কালৰ বিধান দুৰ্ব্বল আৰু নিষ্ফল হোৱাৰ
নিমিত্তে লোপ হয়; ১৯ আৰু তাতকৈ উত্তম যি আশাৰ দ্বাৰাই আমি ঈশ্ব-
ৰৰ ওচৰলৈ চাপি আহোঁ, এনে আশা দান কৰা হৈছে ।
২০ আৰু শপত নোহোৱাকৈ য়ীশুক পোৰোহিত বাবে নিযোজন কৰা
নাই, ইয়াতো তেওঁ অধিক উত্তম নিয়মৰ লগা হৈছিল । ২১ কিয়নো সেই
পোৰোহিতবিলাকক শপত নোহোৱাকৈ নিযোজন কৰা হৈছে; কিন্তু প্ৰভুএ
এই শপত কৰিলে, আৰু তেওঁ মন নেপালটাব; তুমি মল্কীছেদকৰ বাবৰ

দৰে সদাই পোৰোহিত হৈ আছা । ২২ যি জনাই তেওঁত এই কথা কলে,
তেওঁৰ এই শপতৰ দ্বাৰাই খ্রীষ্ট নিযোজন কৰা হৈছিল । ২৩ আৰু সি-
বিলাক মৰণৰ কাৰণে সদাই থাকিব নোৱৰা হেতুকে অনেক জন আছে;
২৪ কিন্তু এই জনা সদাই জীয়াই থকাত সলনি নোহোৱা পোৰোহিত বাব
পালে । ২৫ এই হেতুকে যিবিলাকে তেওঁৰ দ্বাৰাই ঈশ্বৰৰ ওচৰ চাপে,
তেওঁ সিবিলাকৰ নিমিত্তে নিবেদন কৰিবলৈ সদাই জীয়াই থকাত সকলো
ভাৱে সিবিলাকক ত্ৰাণ কৰিবলৈ তেওঁৰ শক্তি আছে । ২৬ আৰু পবিত্ৰ,
অহিংসক, নিৰ্ম্মল, পাপীৰ পৰা পৃথক, আৰু স্বৰ্গতকৈয়ো ওপৰ হোৱা এনে
এক প্ৰধান পোৰোহিতলৈ আমাৰ প্ৰয়োজন আছিল । ২৭ সেই প্ৰধান পো-
ৰোহিতবিলাকৰ নিচিনাকৈ প্ৰথমতে আপোনাৰ, পাছে লোকৰ পাপৰ
নিমিত্তে নিত্যে নিত্যে বলিদান কৰিবলৈ তেওঁৰ প্ৰয়োজন নাই; কিয়নো তেওঁ
আপোনাকে উচৰগ কৰাত লোকৰ নিমিত্তে সেই কৰ্ম্ম একে বেলিএ সম্পূৰ্ণ
কৰিলে । ২৮ আৰু বিধানে দুৰ্ব্বলী মানুহক প্ৰধান পোৰোহিত বাবত নি-
যোজন কৰে; কিন্তু বিধানৰ পাছে হোৱা যি শপতৰ কথা, সেয়ে অনন্ত
কাললৈকে সৰ্ব্ব সিদ্ধি হোৱা পুত্ৰকে নিযোজন কৰে ।

## ৮ অধ্যায় ।

ওপৰত কোৱা কথাবিলাকৰ সাৰ এই, যি জনা স্বৰ্গত মহা মহিমৰ সিং-
হাসনৰ সোঁ ফালে বহি থাকোঁতা, ২ আৰু মানুহে থাপন কৰা নহয়, প্ৰভুএ
থাপন কৰা সত্য তাম্বু আৰু পবিত্ৰ থানৰ পৰিচাৰক, আমাৰ এনে এক
প্ৰধান পোৰোহিত আছে । ৩ সকলো প্ৰধান পোৰোহিত উচৰগ আৰু
বলিদান কৰিবলৈ যেনেকৈ নিযোজন কৰা হৈছে, সেই ৰূপে তেওঁৰো উচ-
ৰগ কৰিবলৈ কোনো দানৰ প্ৰয়োজন আছে । ৪ তেওঁ পৃথিবীত থকা হলে,
পোৰোহিত নহলহেঁতেন; কিয়নো বিধানৰ দৰে উচৰগ কৰা, এনে পো-
ৰোহিতবোৰ আছে । ৫ কিন্তু পবিত্ৰ তাম্বু নিৰ্ম্মাণ কৰিবলৈ উদ্যোগী
হোৱা মোচাত ঈশ্বৰে যেনেকৈ শিক্ষা দি কলে, সাৱধান হোৱা, পৰ্ব্বতত যি
ৰূপ আৰ্হি দেখুৱা হৈছে, সেই ৰূপেই সকলোকে কৰা, তাৰ দৰে সেই
পোৰোহিতবোৰৰ সেৱাই স্বৰ্গীয় সেৱাৰ আৰ্হি আৰু ছাঁয়া মাথোন হয় ।
৬ কিন্তু এতিয়া তেওঁ তাতকৈ যিমান অধিক উত্তম অঙ্গীকাৰেৰে থাপন
হোৱা উত্তম নিয়মৰ মিল কৰোৱা হৈছে, সেইমান অধিক উত্তম পৰিচাৰকৰ
বাব পালে । ৭ সেই প্ৰথম নিয়ম নিৰ্দুষী হোৱা হলে, দ্বিতীয় নিয়ম কৰি-
বলৈ ঠাই নেথাকিলহেঁতেন । ৮ কিন্তু তাক দুষী কৰি তেওঁ সিবিলাকত কলে,
প্ৰভুএ কৈছে, দেখা, যি কালত ইস্ৰায়েলৰ বঙ্গহ আৰু য়িহুদাৰ বঙ্গহে
সৈতে নতুন নিয়ম কৰিম, এনে কাল আহিছে । ৯ প্ৰভুএ এই কথা কৈছে,

ময় যি দিনত সিবিলাকৰ ওপৰ পিতৃবিলাকৰ হাতত ধৰি মিচৰ দেশৰ
পৰা উদ্ধাৰ কৰি সিবিলাকে সৈতে নিয়ম কৰিলোঁ, সেই দিনৰ নিয়মৰ
দৰে নহয়; কিয়নো সিবিলাকে মোৰ নিয়ম পালন কৰি নথকাত ময় সি-
বিলাকক গ্ৰহণ নকৰিলোঁ। ১০ কিন্তু প্ৰভুএ কৈছে, সেই দিনৰ পাছে
ইস্ৰায়েলৰ বঙ্গহে সৈতে এই নিয়ম কৰিম, সিবিলাকৰ চিত্তত মোৰ বিধান
দিম, আৰু সিবিলাকৰ মনতো লিখিম, আৰু ময় সিবিলাকৰ ঈশ্বৰ হম,
সিবিলাকো মোৰ লোক হব। ১১ আৰু তুমি প্ৰভুক জানিবা, ইয়াকে বুলি
সিবিলাকৰ প্ৰত্যেকে আপোনাৰ প্ৰতিবাসী আৰু আপোনাৰ ভায়েকক
উপদেশ নিদিব; ১২ কিয়নো সৰুৰ পৰা বৰলৈকে সিবিলাকৰ সকলোএ
মোক জানিব। তাতে ময় সিবিলাকৰ অধৰ্ম্ম কুকৰ্ম্ম সকল খেমা কৰি,
সিবিলাকৰ পাপ অপৰাধ মনত আৰু নেৰাখিম। ১৩ এই ৰূপে তেওঁ নতুন
নিয়মৰ কথা কোৱাত প্ৰথমটক পুৰণি কৰিছে; আৰু যিটো চুকাই গৈ
পুৰণি হল, সেয়ে লোপ হব লগা কাল হৈছে।

## ৯ অধ্যায়।

প্ৰথম নিয়মৰ দৰে সেৱাৰ নিমিত্তে ৰীতিবোৰ আৰু সংসাৰিক পবিত্ৰ থান
আছিল। ২ নিৰ্ম্মাণ কৰা যি প্ৰথম তাম্বুত দীপাধাৰ, মেজ, আৰু দৰ্শন
পিঠা আছিল, তাৰ নাম পবিত্ৰ থান। ৩ আৰু দ্বিতীয় আৰ কাপড়ৰ
ভিতৰত মহা পবিত্ৰ নামে এক তাম্বু আছিল, ৪ তাৰ মাজত সোণৰ ধূপা-
ধাৰ আৰু সকলো পোনে সোণেৰে বন্ধা নিয়মৰ চন্দুক আছিল, সেই চন্দু-
কৰ ভিতৰত মানা থোৱা সোণৰ ঘট, হাৰোণৰ কুঁহি ওলোৱা লাখুটি, আৰু
নিয়মৰ শিলৰ ফলি আছিল; ৫ আৰু সেই চন্দুকৰ ওপৰত কৃপাসনক ছাঁ
কৰা তেজস্মী কিৰুব দূতবিলাক আছিল; এই সকলৰ কথা বিশেষকৈ
কবলৈ এতিয়া আমাৰ সাধ্য নাই। ৬ এই ৰূপে সকলো নিযোজন হলত
পোৰোহিতবিলাকে ঈশ্বৰৰ সেৱা সিদ্ধি কৰিবলৈ প্ৰথম তাম্বুত সদাই অহা
যোৱা কৰে; ৭ কিন্তু দ্বিতীয় তাম্বুত কেবল মহা পোৰোহিতে বছৰৰ মূৰত
এবেলি মাথোন সোমাই; আৰু আপোনাৰে লোকবিলাক ৰা পাতকৰ নি-
মিত্তে উচৰগ কৰিবলৈ তেজ নোলোৱাকৈ নোসোমাই। ৮ ইয়াৰে পবিত্ৰ
আত্মাই এই অৰ্থ বুজাইছে, প্ৰথমে হোৱা তাম্বু থাকিলে মহা পবিত্ৰ থানত
সোমোৱাৰ পথ প্ৰকাশ হোৱা নাই। ৯ সেই তাম্বু তেতিয়াৰ কালৰ নি-
মিত্তে উপমা আছিল; তাতে সিদ্ধি কৰিবৰ কাললৈকে নিযোজন কৰা হৈ,
মৰণৰ অৰ্থে শৰণ লোৱাক সিদ্ধি কৰিব নোৱৰা, ১০ এনে আহাৰ আৰু
পান কৰা বস্তু, আৰু নানা জুবুৰিওৱা আদি সংসাৰিক সেৱাৰ সমন্ধে অনেক
উচৰগ আৰু বলিদান দিয়া হৈছিল।

১১ কিন্তু হাতে নকৰা অর্থাৎ এই সৃষ্টিৰ মাজৰ নোহোৱা, এনে এক
অধিক উত্তম আৰু সম্পূর্ণ তাম্বুয়েদি খ্রীষ্টে ভবিষ্যত মঙ্গল কৰিবৰ নিমিত্তে
মহা পোৰোহিত হৈ আহি, ১২ ছাগৰ বা দামুৰিৰ তেজে সৈতে নহয়, কিন্তু
আপোনাৰ তেজে সৈতে একে বেলিএ মহা পবিত্র থানত সোমাই (আমাৰ
নিমিত্তে) অনন্ত মুক্তি পালে। ১৩ ভতৰাৰ আৰু ছাগৰ তেজ আৰু চেউৰীৰ
ভস্ম অশুচি লোকৰ ওপৰত শান্তি কৰাত সিবিলাকৰ শৰীল যদি শুচি কৰা
হয়, ১৪ তেন্তে অনন্ত আত্মাৰে ঈশ্বৰৰ আগত নির্দূষী হোৱা আপোনাক
উচৰগ কৰিলে যি খ্রীষ্ট, তেওঁৰ তেজে মৃত্যু যোগ্য কর্ম্মৰ পৰা ঈশ্বৰক সেৱা
কৰিবলৈ তোমোলাকৰ মনকে তাতকৈ কেনে অধিক পবিত্র কৰিব; ১৫ আৰু
নিমন্ত্রণ হোৱা লোকবিলাকে অঙ্গীকাৰযুক্ত অনন্ত অধিকাৰ যেন পোৱা হয়,
এই নিমিত্তে তেওঁ মৰণৰ দ্বাৰাই পূর্ব্ব নিয়মৰ আজ্ঞা উলঙ্ঘণৰ পৰা সিবি-
লাকক মুকুত কৰিবলৈ নতুন নিয়মৰ মাজত থাকোঁতা হৈছে। ১৬ কিয়নো
যত্ নিয়ম পত্র হয়, তাত নিয়ম কৰোঁতাৰ মৃত্যুৰ প্রমাণ হোৱা আবশ্যক।
১৭ কিয়নো মানুহ মৰিলেহে নিয়ম পত্র স্থিৰ হয়, যিহেতু নিয়ম কৰা জনা
জীয়াই থকাত, সেই পত্রৰ একো শক্তি নাই। ১৮ এই হেতুকে সেই পূর্ব্বৰ
নিয়মো তেজৰ বিনে থিৰ কৰা নহল। ১৯ কিন্তু মোচাই লোকবিলাকলৈ
বিধানৰ দৰে সকলো আজ্ঞা প্রকাশ কৰিলত, পানী, মেৰৰ ৰঙ্গা লোম,
আৰু এচোপ বনেৰে সৈতে দামুৰি আৰু ছাগৰ তেজ লৈ, পুথি আৰু সক-
লো লোকৰ গাত শান্তি কৰি কলে, ২০ ঈশ্বৰে যি নিয়ম তোমোলাকলৈ
নিযোজন কৰিলে, সেই নিয়মৰ এই তেজ। ২১ তাত বাঝে তাম্বু আৰু
সেৱাৰ পাত্র সকলোকে তেজেৰে শান্তি কৰিলে। ২২ আৰু বিধানৰ মতে
প্রাই সকলো বস্তু তেজেৰে শুচি কৰা হয়; আৰু তেজ উলিওৱা নহলে পা-
পৰ মোচন নহয়। ২৩ এতেকে স্বর্গৰ পবিত্র থানৰ উপমা যি থান, তাক
এই ৰূপ বস্তুৰ দ্বাৰাই শুচি কৰা উচিত; কিন্তু স্বর্গৰ পবিত্র থানকে এই-
বিলাকতকৈয়ো উত্তম বলিৰ দ্বাৰাই শুচি কৰাৰ প্রয়োজন আছিল। ২৪ কিয়-
নো খ্রীষ্টে সত্য পবিত্র থানৰ উপমা হোৱাত হাতে কৰা যি পবিত্র থান,
তাত নোসোমাই স্বর্গতেই সোমাল, তাতে তেওঁ ঈশ্বৰৰ আগত আমাৰ নি-
মিত্তে সাক্ষাত হৈ আছে। ২৫ কিন্তু মহা পোৰোহিতে পৰৰ তেজ লৈ যেনে-
কৈ প্রতি বছৰে পবিত্র থানত সোমাই, সেই ৰূপে তেওঁ বেলিএ বেলিএ
আপোনাক উচৰগ কৰিব লগা নহয়; ২৬ সেয়ে হোৱা হলে, সৃষ্টিৰ আ-
দিৰে পৰা তেওঁ অনেক বেলি মৃত্যু ভোগ কৰিলেহেঁতেন। কিন্তু এতিয়া
তেওঁ আপোনাকে বলি ৰূপে উচৰগ কৰাৰ দ্বাৰাই, পাপ গুছাবৰ নিমিত্তে
শেষ কালত এবেলি অৱতাৰ হল। ২৭ আৰু মানুহৰ যেনেকৈ এবেলি
মৃত্যু, আৰু তাৰ পাছে সোধ কৰা নিযোজীত হৈছে, ২৮ সেই ৰূপে খ্রীষ্টেও
অনেকৰ পাপৰ ভাৰ লবলৈ এবেলি বলি ৰূপে উচৰগা হল; দ্বিতীয় বাৰ

তেওঁ পাপৰ সম্বন্ধি নহৈ, যিবিলাকে তেওঁলৈ বাট চাই আছে, সিবিলাকৰ পৰিত্ৰাণৰ নিমিত্তেহে প্ৰকাশ হৈ আহিব ।

## ১০ অধ্যায় ।

বিধানেই ভবিষ্যত মঙ্গলৰ স্বৰূপ মূৰ্ত্তি নহৈ ছাঁয়া মাথোন হোৱাত, বছৰি
বছৰি সদাই দিয়া বলিৰ দ্বাৰাই ওচৰলৈ চাপি যোৱাবিলাকক কেতিয়াও
সিদ্ধি কৰিব নোৱাৰে । ২ কিয়নো সেৱকীয়াবোৰ এবেলি শুচি কৰা হলে,
সিবিলাকৰ মনত আৰু পাপৰ জ্ঞান নথকাত সেইবিলাক উচৰগ কৰিবলৈ
নেৰিলেহেঁতেন নে? ৩ কিন্তু সেই বলিদানৰ দ্বাৰাই প্ৰতি বছৰত পাপ
সোঁৱৰা হৈছে । ৪ কিয়নো ভতৰা আৰু ছাগৰ তেজেৰে পাপ মোচন কৰি-
বলৈ অসাধ্য ।

৫ এই হেতুকে খ্ৰীষ্টে জগতত অৱতাৰ হৈ কলে, তুমি বলিদান আৰু
উচৰগলৈ ইচ্ছা নকৰি, মোলৈ শৰীল যুগুত কৰি দিলা । ৬ হোম আৰু
পাপৰ অৰ্থে বলিদানত তুমি সন্তোষ নোহোৱাত মই কলোঁ, ৭ দেখা, মই
আহিছোঁ, ধৰ্ম্ম পুথিতে মোৰ অৰ্থে এনে লিখা আছে, হে ঈশ্বৰ, মই তো-
মাৰ ইষ্ট কৰ্ম্ম কৰিবলৈ আহিছোঁ । ৮ তেওঁ প্ৰথমতে বিধানৰ দৰে উচৰ-
গা বলিদান আদিৰ অৰ্থে কৈছে, বলিদান, হোম, নৈবেদ্য, বলি, আৰু পা-
পৰ অৰ্থে যজ্ঞলৈ তুমি ইচ্ছা নকৰা, আৰু তাত সন্তোষো নোহোৱা; ৯ পা-
ছে তেওঁ কৈছে, দেখা, [হে ঈশ্বৰ,] মই তোমাৰ ইষ্ট কৰ্ম্ম কৰিবলৈ আ-
হিছোঁ; এই ৰূপে দ্বিতীয় কথা থিৰ কৰিবৰ নিমিত্তে তেওঁ প্ৰথমকে গুছাই-
ছে । ১০ এই হেতুকে য়ীশু খ্ৰীষ্টৰ শৰীল একে বেলিয়েই উচৰগ কৰাত
আমি তেওঁৰ সেই ইষ্ট কৰ্ম্মৰ দ্বাৰাই পবিত্ৰ কৰা হৈছোঁ ।

১১ প্ৰতি জন পোৰোহিতে সেৱা কৰি পাপ গুছাব নোৱৰা একে ৰূপ
বলি বাৰে বাৰে উচৰগ কৰিবলৈ দিনে দিনে থিয় হৈ আছে; ১২ কিন্তু
খ্ৰীষ্টে পাপ মোচনৰ নিমিত্তে এক বলি উচৰগ কৰিলত সৰ্ব্বদায় ঈশ্বৰৰ
সোঁ ফালে বহি, ১৩ এতিয়াৰ পৰা তেওঁৰ শত্ৰুবিলাক ভৰিৰ পিৰা নহয়
মানলৈকে অপেক্ষা কৰি আছে । ১৪ তেওঁ পবিত্ৰ কৰা লোকবিলাকক এক
উচৰগৰ দ্বাৰাই অনন্ত কাললৈকে সিদ্ধি কৰিলে । ১৫ আৰু এই কথাত
পবিত্ৰ আত্মাই আপুনি আমালৈ সাক্ষী হৈছে; কিয়নো সেই দিনৰ পাচত
মই সিবিলাকে সৈতে এই নিয়ম থিৰ কৰিম, পূৰ্ব্বে কোৱা সেই বচনৰ
পাছে প্ৰভুএ কৈছে, ১৬ সিবিলাকৰ হৃদয়ত মোৰ বিধান দিম, আৰু সি-
বিলাকৰ চিত্তত লিখিম; ১৭ সিবিলাকৰ পাপ আৰু অপৰাধ মই মনত
আৰু নেৰাখিম । ১৮ এই হেতুকে পাপ মোচন হলে পাপৰ নিমিত্তে আন
উচৰগ কৰিবলৈ প্ৰয়োজন নেথাকে ।

১৯ হে ভাইবিলাক, য়ীশুএ আৰ কাপড় অৰ্থাৎ আপোনাৰ শৰীলেৰে
আমাৰ নিমিত্তে জীৱনৰ যি নতুন পথ প্ৰকাশ কৰিলে, ২০ সেই পথেদি
মহা পবিত্ৰ থানত সোমাবলৈ তেওঁৰ তেজৰ দ্বাৰাই আমাৰ সাহ হৈ, ২১ ঈশ্ব-
ৰৰ ঘৰৰ অধিকাৰ আমাৰ এজন মহা পোৰোহিত হোৱা হেতুকে, ২২ আহাঁ,
কুবিবেচনাৰ পৰা আমাৰ মন শান্তি কৰা হৈ, আৰু আমাৰ শৰীল নিৰ্ম্মল
পানীয়েৰে ধুউৱা হৈ, অকপট চিত্তেৰে দৃঢ় বিশ্বাস কৰি ঈশ্বৰৰ চৰণলৈ
ছাপি যাওঁহঁক। ২৩ যি জনাই প্ৰতিজ্ঞা কৰিলে তেওঁ বিশ্বাসী, এই হে-
তুকে যি বিশ্বাস সৈ কাৰ্হিলোঁ, তাক লৰ নোহোৱাকৈ ধৰি থাকোঁহঁক;
২৪ প্ৰীতি আৰু সুকৰ্ম্মত ইজনে সিজনে উদগাবলৈ মন কৰি, আৰু কো-
নো লোকবিলাকৰ নিচিনাকৈ সভাতে গোট খাবলৈ নেৰি, ২৫ দিন যি-
মান ওচৰ হোৱা দেখোঁ, তিমান অধিককৈ উপদেশ কৰোঁহঁক।

২৬ সত্য ধৰ্ম্মৰ জ্ঞান পালে পাছে আমি যদি পুনৰ্ব্বাৰ মনৰ ইচ্ছাৰে
পাপ আচৰণ কৰোঁ, তেন্তে সেই পাপৰ আৰু কোনো প্ৰায়শ্চিত্ত নেথাকে;
২৭ কেৱল দণ্ড আজ্ঞা আৰু শত্ৰুবিলাকক নাশ কৰা অগ্নিময় ক্ৰোধলৈহে
ভয়েৰে অপেক্ষা থাকে। ২৮ মোচাৰ বিধান যি কোনোএ হেলা কৰিলে,
সি যদি দুই তিনি সাক্ষীৰ প্ৰমাণেৰে দয়া নোপোৱা হৈ মৰিল, ২৯ তেন্তে
ঈশ্বৰৰ পুত্ৰক যিটে অৱহেলা কৰে, আৰু আপোনাক শুচি কৰা নিয়-
মৰ তেজ অপবিত্ৰ মানে, আৰু অনুগ্ৰহেৰে দিয়া আত্মাক অপমান কৰে,
সি তাত্কৈ নো কিমান দোৰ্ঘোৰ দণ্ডৰ যোগ্য হব, ইয়াক তোমোলাকে
কি ভাবিছা? ৩০ কিয়নো [প্ৰভুএ কৈছে,] প্ৰতিফল দিয়া মোৰ কৰ্ম্ম;
ময় উচিত দণ্ড দিম; আৰু পুনৰ্ব্বাৰ প্ৰভুএ আপোনাৰ লোকবিলাকৰ
সোধ কৰিব; এইবিলাক কথা যি জনাই কৈছে, তেওঁক আমি জানোঁ।
৩১ অমৰ ঈশ্বৰৰ হাতত পৰা অতি ভয়ানক কথা।

৩২ তোমোলাকে যি কালত পহৰ পোৱা হৈ অনেক দুঃখ ৰূপ মহা
যুদ্ধ কৰিলা, সেই আগৰ কাল সুঁৱৰিবা। ৩৩ সেই দুঃখৰ ভাগৰ দৰে
তোমোলাক আপুনি নিন্দা আৰু ক্লেশেৰে কৌতুকৰ ভাগী হলা; ভাগৰ
দৰে আন যিবিলাকৰ এনে অৱস্থা হৈছিল, সিবিলাকৰ লগৰিয়া হলা।
৩৪ কিয়নো তোমোলাক বন্ধন হোৱাবিলাকৰ দুঃখৰ ভাগী হলা, আৰু
স্বৰ্গত তোমোলাকৰ অধিক উত্তম অক্ষয় সম্পত্তি থাকে, ইয়াকে মনে
জানি আনন্দেৰে সৈতে আপোন আপোন সম্পত্তি লুট কৰা সহিলা।
৩৫ এই হেতুকে বঁটা ৰূপ বহু প্ৰতিফল পাব লগা তোমোলাকৰ যি
সাহ, তাক ত্যাগ নকৰিবা। ৩৬ কিয়নো তোমোলাকে ঈশ্বৰৰ ইচ্ছা পা-
লন কৰাত প্ৰতিজ্ঞাৰ ফল যেন পোৱা, এই নিমিত্তে ধৈৰ্য্যত তোমোলা-
কৰ প্ৰয়োজন আছে। ৩৭ যি জনা আহিব, তেওঁ আৰু অলপ দিনতে
আহিব, পলম নকৰিব। ৩৮ আৰু পুণ্যৱন্ত জন আপোনাৰ বিশ্বাসৰ

দ্বাৰাই জীব; কিন্তু ধৰ্ম্মৰ পৰা যদি ওলটে, তেন্তে সেই জনত মোৰ
আত্মাই সন্তোষ নহব । ৩৯ কিন্তু যিবিলাক বিনাশলৈ ওলটে, আমি সি-
বিলাকৰ মাজৰ নহওঁ, আত্মাৰ পৰিত্ৰাণৰ নিমিত্তে বিশ্বাস কৰাবিলাকৰ
মাজৰহে হৈছোঁ ।

## ১১ অধ্যায় ।

আশা কৰা কথা নিশ্চয় কৰোঁতা, আৰু নেদেখা কথাৰ প্ৰমাণ বিশ্বাস;
২ তাৰ দ্বাৰাই পূৰ্ব্বৰ বৃদ্ধ লোকে সুখ্যাতি পালে । ৩ আৰু ঈশ্বৰৰ
বাক্যেৰে জগত সৃষ্টি হল, কিন্তু কোনো দৃশ্য বস্তুৰ পৰা দেখা বস্তুবিলাক
সুজা নহল, ইয়াক বিশ্বাসৰ দ্বাৰাই আমি জানিছোঁ । ৪ হেবেলে বিশ্বা-
সৰ দ্বাৰাই কয়নতকৈ ঈশ্বৰৰ আগত উত্তম দান উচৰগ কৰিলে, সেই
দানলৈ ঈশ্বৰে প্ৰমাণ দিয়াত, আপুনি যে পৰমাৰ্থিক, এই প্ৰমাণ পালে;
আৰু মৃত্যু হৈয়ো সেই বিশ্বাসৰ দ্বাৰাই আজিলৈকে কথা কৈ আছে ।
৫ বিশ্বাসৰ দ্বাৰাই হনোকে মৃত্যু ভোগ নকৰিএই থানান্তৰ হল; আৰু
ঈশ্বৰে তেওঁক থানান্তৰ কৰিলত লোকে বিচাৰি নেপালে; আৰু থানান্তৰ
কৰাৰ আগেয়ে তেওঁ যে ঈশ্বৰক সন্তোষ কৰিলে, ইয়াৰ প্ৰমাণ পাইছিল ।
৬ কিন্তু বিশ্বাস নোহোৱাকৈ ঈশ্বৰক সন্তোষ কৰা অসাধ্য, ঈশ্বৰ যে বৰ্ত্ত-
মান আছে, আৰু তেওঁক যতন ৰূপে বিচৰা লোকক তেওঁ কৰ্ম্মৰ ফল
দিওঁতা হয়, তেওঁত শৰণ লোৱা মানুহে এই কথাত বিশ্বাস কৰাৰ প্ৰয়ো-
জন । ৭ বিশ্বাসৰ দ্বাৰাই নোহাই নেদেখা ভবিষ্যত কথাৰ অৰ্থে ঈশ্ব-
ৰৰ পৰা আদেশ পাই ভয় কৰা হৈ, আপোনাৰ পৰিয়ালক ৰক্ষা কৰি-
বৰ নিমিত্তে এখান জাহাজ সাজিলে; তাতে তেৱে জগতক দুষী কৰি, বিশ্বা-
সৰ দ্বাৰাই যি পুণ্য, সেই পুণ্যৰ ভাগী হল । ৮ আৰু আব্ৰাহামে যি ঠাইৰ
অধিকাৰ পাছে হব লগা, তালৈ যাত্ৰা কৰিবলৈ আজ্ঞা পালত বিশ্বাসৰ
দ্বাৰাই সেই আজ্ঞা পালন কৰিলে; আৰু কোন পোনে যাই, তাক নেজা-
নিও যাত্ৰা কৰিলে । ৯ আৰু বিশ্বাসৰ দ্বাৰাই প্ৰতিজ্ঞাৰ অধিকাৰ যি
ইচাক আৰু য়াকোব, সিবিলাকে সৈতে তাম্বুতে থাকি বিদেশৰ নিচিনা
প্ৰতিজ্ঞাৰ দেশত প্ৰবাস কৰিলে । ১০ কিয়নো যি নগৰৰ সৃষ্টি আৰু নিৰ্ম্মাণ
কৰোঁতা ঈশ্বৰ, এনে মূল হোৱা নগৰলৈ তেওঁ অপেক্ষা কৰিলে । ১১ আৰু
চাৰায়ো প্ৰতিজ্ঞা কৰা জনা বিশ্বাসী বুলি মানি, বয়সত বৃদ্ধ হোৱাতো বিশ্বা-
সৰ দ্বাৰাই গৰ্ভ ধাৰণ কৰিবৰ শক্তি পালে । ১২ এই হেতুকে মৰাৰ তুল্য
এজনৰ পৰাই আকাশৰ তৰাবোৰৰ নিচিনা, আৰু সাগৰৰ তীৰত থকা বা-
লিৰ নিচিনা অসংখ্যা মানুহ উৎপন্ন হল । ১৩ সেই ওপৰে কোৱা সক-
লোএ বিশ্বাসেৰে প্ৰাণ ছাৰি মৰিল; সিবিলাকে প্ৰতিজ্ঞা পোৱা নহয়, কিন্তু

তাক দূৰৈত দেখি গ্ৰহণ কৰিলে, আৰু আপোনাকে সংসাৰত বিদেশী আৰু
যাত্ৰিক হোৱা সৈ কাৰ্হিলে । ১৪ যিবিলাকে এনে কথা কয়, সিবিলাকে
যে আপোনালৈ এখান দেশ বিচাৰিছে, ইয়াক প্ৰকাশ ৰূপে কৈছে ।
১৫ আৰু সিবিলাকে যি দেশ এৰি আহিছে, তালৈ মন কৰা হলে, উভতি
যাবৰ উপাই পালেহেঁতেন । ১৬ কিন্তু সিবিলাকে ইয়াতকৈ উত্তম অৰ্থাৎ
স্বৰ্গী এক দেশলৈ ইচ্ছা কৰে, এই হেতুকে ঈশ্বৰে সিবিলাকৰ ঈশ্বৰ বুলি
খ্যাত হবলৈ লাজ নেপাই; কিয়নো সিবিলাকৰ নিমিত্তে তেওঁ এখান নগৰ
যুগুত কৰিলে । ১৭ আব্ৰাহামে পৰীক্ষা পোৱা কালত বিশ্বাসৰ দ্বাৰাই ইচা-
কক উচৰগ কৰিলে । ১৮ ইচাকৰ পৰা তোমাৰ বঙ্গহ খ্যাতি হব, তেওঁ
এনে প্ৰতিজ্ঞা পালতো, যি জনৰ অৰ্থে এই কথা কোৱা গৈছিল, সেই একেটি
পুত্ৰকে উচৰগ কৰিলে । ১৯ কিয়নো ঈশ্বৰে তাক মৰণৰ পৰাও তুলিবৰ
সমৰ্থ, ইয়াকে তেওঁ মনত থিৰ কৰিলে; আৰু উপমাৰ দৰেই তাক মৰণৰ
পৰাও গ্ৰহণ কৰিলে । ২০ বিশ্বাসৰ দ্বাৰাই ইচাকে য়াকোব আৰু এচৌক
ভবিষ্যত কালৰ কথাত আশীৰ্ব্বাদ কৰিলে । ২১ আৰু য়াকোবে আপো-
নাৰ মৰণ কালত বিশ্বাসৰ দ্বাৰাই য়োচেফৰ দুই পুতেকক আশীৰ্ব্বাদ কৰি-
লে; আৰু লাখুটিৰ মূৰত (ভৰ দি) আৰাধনাও কৰিলে । ২২ বিশ্বাসৰ
দ্বাৰাই য়োচেফে মৰণ কালত মিচৰ দেশৰ পৰা ইস্ৰায়েল বঙ্গহৰ যাত্ৰাৰ
কথা কৈ, আপোনাৰ অস্থিৰ অৰ্থে আজ্ঞা দিলে । ২৩ মোচা ওপজা কা-
লত দেখিবলৈ সুন্দৰ হোৱাত তাৰ মাক বাপেকে ৰজাৰ আজ্ঞালৈ ভয়
নকৰি, বিশ্বাসৰ দ্বাৰাই তিনি মাহ লুকাই ৰাখিলে । ২৪ পাছে মোচাই
বয়সীয়া হৈ বিশ্বাসৰ দ্বাৰাই ফাৰৌ ৰজাৰ দুহিত্ৰীৰ পুত্ৰ নামেৰে খ্যাতি
হবলৈ অসন্মত কৰিলে । ২৫ কিয়নো তেওঁ কিছু কাল পাপৰ সুখ ভোগ
কৰাতকৈ ঈশ্বৰৰ লোকে সৈতে দুঃখ ভোগকে মনোনীত কৰিলে; ২৬ আৰু
কৰ্ম্মৰ ফল চাই, মিচৰ দেশৰ সকলো সম্পত্তিতকৈ খ্ৰীষ্টৰ নিমিত্তে নিন্দা
পোৱাকে অধিক লাভ যেন মানিলে । ২৭ পাছে অদৃশ্য জনাক দেখি
থকাৰ দৰে সহন কৰি ৰজাৰ ক্ৰোধলৈ ভয় নকৰি, বিশ্বাসৰ দ্বাৰাই মিচৰ
দেশ এৰি আহিল । ২৮ আৰু প্ৰথমে ওপজাবিলাকক নাশ কৰা জনাই
আপোনাৰ লোকবিলাকক যেন নপৰ্শে, এই নিমিত্তে তেওঁ বিশ্বাসৰ দ্বাৰাই
নিস্তাৰ পৰ্ব্ব আৰু তেজ চটিওৱা বিধি পালন কৰিলে । ২৯ বিশ্বাসৰ দ্বাৰাই
সিবিলাকে শুকান মাটীত যোৱা দি চুফ সাগৰৰ মাজেদি গল; কিন্তু মিচ-
ৰীয়া লোকে তাক কৰিবলৈ ধৰাত ডুবি মৰিল । ৩০ বিশ্বাসৰ দ্বাৰাই সাত
দিন য়িৰিহো নগৰৰ গৰ প্ৰদক্ষিণ কৰি যোৱাত সেই গড়বিলাক পৰিল ।
৩১ বিশ্বাসৰ দ্বাৰাই ৰাহাব বেশ্যাই চৰাঙ্গ চোৱাবিলাকক কুশলে আলহি
ৰাখি অবিশ্বাসীবিলাকৰ লগত নষ্ট নহল ।

৩২ আৰু অধিক কি কম? গিদিওন, বাৰাক, চিমছোন, য়িফতাহ, দাবিদ,

ছিমূএল, আৰু ভবিষ্যত বক্তাবিলাক, এই সকলোৰে কথা কবলৈ কালেও
নোযোৰে । ৩৩ সিবিলাকে বিশ্বাসৰ দ্বাৰাই ৰাজ্যক পৰাজয় কৰিলে,
আৰু ধৰ্ম্ম কৰ্ম্ম কৰি প্ৰতিজ্ঞাৰ ফল পালে, সিংহৰ মুখ বন্ধ কৰিলে,
৩৪ অগ্নিৰ তাপ নুমালে, তৰোৱালৰ মুখৰ পৰা উদ্ধাৰ হল, দূৰ্ব্বল হোৱাৰ
পৰাও বলৱন্ত হৈছিল, যুদ্ধত জয়যুক্ত হৈ বিৰোদ্ধ হোৱা সৈন্যবোৰক খে-
দালে । ৩৫ তাত বাঝে তিৰী লোকে মৃত্যুৰ পৰা উঠান হোৱা আপোনাৰ
মৰাবিলাকক জীয়াই পালে; আৰু আনবোৰে তাতকৈ উত্তম উঠান পাবৰ
নিমিত্তে মুক্তি গ্ৰহণ নকৰি শাস্তি পাই মৰিল । ৩৬ অন্য অন্য লোকে
নিন্দা আৰু চাবুকেৰে কোবোৱা, বন্ধন আৰু বন্দীশালৰ দুঃখৰ পৰীক্ষা
পালে; ৩৭ কোনোবোৰ শিলেৰে খুন্দি মৰা আৰু কৰতেৰে কটা হল,
আন কোনোএ পৰীক্ষা পালে, তৰোৱালেৰে বধ কৰা হল, মেৰ আৰু ছা-
গৰ চাল পিন্ধি, দৰিদ্ৰ, দুখী, তাড়না কৰা হৈ ফুৰি, ৩৮ হাবিত আৰু
পৰ্ব্বতত, পহুৰ গাঁতত আৰু পৃথিবীৰ গুহাতো ফুৰি আছিল; এই জগত
সিবিলাকৰ যোগ্য নহয় । ৩৯ এই সকলোএ বিশ্বাসৰ দ্বাৰাই সুখ্যাতি পোৱা
হৈয়ো প্ৰতিজ্ঞাৰ ফল পোৱা নহল; ৪০ কিয়নো ঈশ্বৰে আমাৰ নিমিত্তে
কোনো অতি উত্তম কথা যুগুত কৰি, আমাৰ বিনে সিবিলাকক সিদ্ধি হব-
লৈ নিদিলে ।

## ১২ অধ্যায় ।

এইমান মেঘ ৰূপ সাক্ষীএ আমাক বেৰি থকা দেখি, আহাঁ, আটাই ভাৰ
আৰু আমাক লগতিলেই ধৰা পাপ ত্যাগ কৰি, আমাৰ আগত নিৰূপণ
কৰা পথত ধৌৰ্য্যেৰে লৰি, আমাৰ বিশ্বাসৰ আদি আৰু সিদ্ধি কৰ্ত্তা য়ীশু-
লৈ চাই থাকোঁহঁক । ২ তেওঁ আপোনাৰ আগত থোৱা আনন্দৰ নিমিত্তে
অপমানকে হেলা কৰি, পেৰেঙ্গণিৰ দুঃখ সহন কৰি ঈশ্বৰৰ সিংহাসনৰ
সোঁ ফালে, বহি আছে । ৩ তোমোলাকে আপোন আপোন মনেৰে যেন
দুৰ্ব্বলী আৰু মূৰ্চ্ছিত নোহোৱা, এই নিমিত্তে যি জনাই পাপীহঁতৰ দ্বাৰাই
আপোনাৰ অহিতে এনে বিৰোদ্ধ কথা সহিলে, তেওঁক বিবেচনা কৰাহঁক ।
৪ তোমোলাকে পাপৰ অহিতে যুদ্ধ কৰি এতিয়া তেজ বোৱালৈকে বিৰোদ্ধ
কৰা নাই । ৫ আৰু পুত্ৰবিলাকৰ নিচিনাকৈ তোমোলাকলৈ যি উপদেশৰ
কথা কোৱা গৈছে, বোলে, হে মোৰ পুত্ৰ প্ৰভুএ কৰা শাস্তি হেলা নকৰি-
বা, আৰু তেওঁৰ ডাবি পাই বিমূৰ্চ্ছিত নহবা; ৬ কিয়নো প্ৰভুএ যাক মৰম
কৰে, তাকে শাস্তি দিএ, আৰু আপুনি গ্ৰাহ্য কৰা পুত্ৰ প্ৰতি জনকে কো-
বাই, তোমোলাকে সেই কথা পাহৰিলা নে? ৭ এতেকে তোমোলাকে যদি
শাস্তি সহন কৰা, তেন্তে ঈশ্বৰে পুত্ৰৰ নিচিনাকৈ তোমোলাকক ব্যৱহাৰ

কৰে; কিয়নো পিতৃএ যাক শাস্তি নকৰে, এনে কোন পুত্ৰ আছে? ৮ কিন্তু
সকলোএ যি শাস্তি ভোগ কৰে, তোমোলাকে যদি তাক নোপোৱা, তেন্তে
তোমোলাক আপোন পুত্ৰ নহৈ জাৰজহে হৈছা । ৯ আৰু আমাক শাস্তি
কৰা সংসাৰিক পিতৃবিলাকক সমাদৰ যদি কৰিলোঁ, তেন্তে তাতোকৈ আ-
পোনাৰ আত্মাৰ পিতৃৰ বশবৰ্ত্তী হৈ জীৱন পোৱা নহম নে? ১০ সিবিলাকে
অলপ দিনতে আপোন আপোন ইচ্ছাৰে শাস্তি দিলে; কিন্তু তেৱে আমাৰ
হিতৰ নিমিত্তে আপোনাৰ পবিত্ৰৰ ভাগী কৰাবলৈ আমাক শাস্তি কৰি-
লে । ১১ বৰ্ত্তমান কালত কোনো শাস্তি আনন্দ দিওঁতা যেন দেখা নেযাই,
দুঃখ দিওঁতা যেনহে দেখে; তথাপি তাৰ দ্বাৰাই শিক্ষা পোৱা যি লোক,
সিবিলাকক পাছে সেয়েই সান্তনা কৰা ধৰ্ম্মৰ ফল দিএ ।

১২ এই হেতুকে তোমোলাকে ওলমি পৰা হাত আৰু দুৰ্ব্বলী আঁঠু শকত
কৰা, ১৩ আৰু খোৰাই যেন সাঁফি লৰা নহৈ স্বস্থ কৰা হয়, এই নিমিত্তে
তোমোলাকৰ ভৰিলৈ পোন বাট কৰা । ১৪ সকলোৰে সৈতে কুশল, আৰু
যিহৰ বিনে কোনো মানুহে প্ৰভুৰ দৰ্শন নেপাই, এনে পবিত্ৰ মন পাবলৈ
যতন কৰা । ১৫ আৰু পাছে জানোঁ কোনোএ ঈশ্বৰৰ অনুগ্ৰহ নোপোৱা
হয়, বা কোনো তিতাৰ মুল ওলাই তোমোলাকক বিঘিনি কৰাত তাৰ দ্বাৰাই
অনেক অপবিত্ৰ হৈ যাই, ১৬ বা কোনো লুম্পট হয়, বা এসাঁজ আহাৰৰ
নিমিত্তে আপোন বৰ পুতেকৰ বাব বেচা যি এচৌ, তাৰ নিচিনা কোনোএ
বিধৰ্ম্ম আচৰা হয়, এই কথালৈ সাৱধান হোৱা । ১৭ কিয়নো এচৌ পাছে
আশীৰ্ব্বাদৰ ভাগী হবলৈ ইচ্ছা কৰিলতো অগ্ৰাহ্য হল, আৰু চকুৰ লোএ-
ৰে যতন ৰূপে বিচাৰিও (পিতৃৰ) মন পালটন কৰিবলৈ উপায় নেপালে,
ইয়াকে তোমোলাকে জানা ।

১৮ পৰ্শিব পৰা পৰ্ব্বত আৰু জলি থকা অগ্নি, কলা বৰণিয়া মেঘ, আৰু
এন্ধাৰ, ধুমুহা বতাহ, ভেৰীৰ বাদ্য, আৰু বাক্যৰ শবদ, এই সকলৰ ওচৰ-
লৈ তোমোলাকে অহা নাই । ১৯ সেই শবদ শুনাবিলাকে তাক সিবিলাকত
আকও যেন কোৱা নেযাই, এই প্ৰাৰ্থনা কৰিলে । ২০ কিয়নো কোনো
পহুটেও যদি সেই পৰ্ব্বত চোএ, তাক শিলেৰে মৰা যাব, এই আজ্ঞা সি-
বিলাকে সহিব নোৱাৰিলে । ২১ আৰু মোচাই কলে, ময় বৰ ভয় পাই
কঁপি আছোঁ, সেই দৰ্শন এনে ভয়ঙ্কৰ । ২২ কিন্তু চিওন পৰ্ব্বত আৰু অমৰ
ঈশ্বৰৰ নগৰ অৰ্থাৎ স্বৰ্গীয় য়িৰুছালম, আৰু অযুত অযুত দূতৰ সমাজ,
২৩ আৰু স্বৰ্গত নাম লিখা প্ৰথমে জন্মাবিলাকৰ মহা সভা আৰু মণ্ডলী,
সকলোৰে সোধ কৰ্ত্তা ঈশ্বৰ, আৰু সিদ্ধি হোৱা পুণ্যৱন্ত লোকৰ আত্মাবিলাক,
২৪ নতুন নিয়মৰ সমজুৱা য়ীশু, আৰু হেবেলৰ তেজতকৈ অধিক মঙ্গল
দিওঁতা শান্তি কৰা তেজ, এই সকলোৰে ওচৰলৈ তোমোলাকে আহি আছা ।
২৫ সাৱধান হোৱা, তোমোলাকে উপদেশ দিয়া জনৰ কথা শুনিবলৈ বি-

মুখ নহবা; কিয়নো পৃথিবীত থকা উপদেশকৰ কথা শুনিবলৈ বিমুখ হোৱা-
বিলাকেই যদি নেসাৰিলে, তেন্তে স্বৰ্গীয় উপদেশকৰ পৰা বিমুখ হলে, আমি
তাত্‌কৈয়ো কেনে মতে সাৰিব পাৰিম? ২৬ তেতিয়া তেওঁৰ শবদে পৃথিবী
লৰাইছিল, কিন্তু এতিয়া তেওঁ অঙ্গীকাৰ কৰিছে, আৰু এবেলি ময় কেবল
পৃথিবীকে নৰলাওঁ, আকাশকো লৰাম । ২৭ আৰু এবেলি বুলি, ইয়াৰ
এনে অৰ্থ, লৰোৱা বস্তু সৃজন কৰা বস্তুৰ দৰে গুচুৱা হলে, লৰাব নোৱৰা
বস্তু সকল থাকিব । ২৮ এই হেতুকে আমি অলৰ ৰাজ্যৰ ভাগী হোৱাত,
আহাঁ, ভয় আৰু ভক্তিয়েৰে গ্ৰাহ্য ৰূপে ঈশ্বৰক সেৱা কৰিবলৈ তেওঁৰ
অনুগ্ৰহ মনত ৰাখোঁহঁক; ২৯ কিয়নো আমাৰ ঈশ্বৰেই সংহাৰ কৰা
অগ্নি হয় ।

## ১৩ অধ্যায় ।

ভাইবিলাকৰ চেনেহা চেনেহী থাকোক; ২ আৰু আলহি সুধিবলৈ নেপা-
হৰিবা; কিয়নো তাকে কৰি কোনো লোকে নেজানিয়েই ঈশ্বৰৰ দূতকো আল-
হি সুধিলে । ৩ বন্ধন হোৱাবিলাকক আপোনাৰ লগৰ বন্দী যেন মানি
সিবিলাকক সোঁৱৰা; আপুনিও শৰীলত থকা জানি, দুঃখী লোকক সুঁৱৰিবা ।
৪ সকলো মানুহৰ মাজত বিবাহ মৰ্য্যতাৱন্ত, আৰু তাৰ শয্যা শুচি; কিন্তু
ব্যভিচাৰী আৰু পৰতিৰী হৰণ কৰাবিলাকক ঈশ্বৰে দণ্ড দিব । ৫ লোভ
নোহোৱা আচৰণ কৰি তোমোলাকে বৰ্ত্তমানে পোৱা যি বস্তু, তাতে সন্তোষ
হৈ থাকিবা; কিয়নো তেৱে কৈছে, ময় তোমাক কেতিয়াও নেৰিম, কেতি-
য়াও ত্যাগ নকৰিম । ৬ এই হেতুকে প্ৰভু মোৰ সহায় আছে; মোৰ বি-
ৰোদ্ধে মানুহে যি কৰিব পাৰে, তালৈ ময় ভয় নকৰোঁ; এই কথা আমি
নিৰ্ভয়ে কব পাৰোঁ ।

৭ তোমোলাকৰ যি শিক্ষক সকলে তোমোলাকত ঈশ্বৰৰ বাক্য প্ৰচাৰ
কৰিলে, সিবিলাকক সুঁৱৰি আচৰণৰ ফল চিন্তি, সিবিলাকৰ বিশ্বাসৰ পথে
যোৱা হবা । ৮ য়ীশু খ্ৰীষ্ট কালি, আজি আৰু সৰ্ব্বদায় একে ভাৱে আছে ।
৯ তোমোলাক বিবিধ নতুন শিক্ষাৰ দ্বাৰাই চলাই নিয়া নহবা; কিয়নো
যি খোৱা বস্তুৰ দ্বাৰাই ব্যৱহাৰী লোকে একো লাভ নেপাই, তাৰ বিশেষ
বিবেচনাতকৈ অনুগ্ৰহৰ দ্বাৰাই মন থিৰ হোৱা উত্তম । ১০ যি হোমৰ বস্তু
তাম্বুৰ সেৱা কৰাবিলাকে ভোজন কৰা উচিত নহয়, আমাৰ এনে এক হো-
মৰ ভেটি আছে । ১১ আৰু প্ৰায়শ্চিত্ত কৰিবৰ নিমিত্তে যি যি বলিৰ তেজ
মহা পোৰোহিতৰ হতুৱাই পবিত্ৰ থানলৈ অনা হৈছে, সেইবোৰৰ শৰীল
চাউনিৰ বাঝত পোৰা যাই । ১২ এই হেতুকে য়ীশুএ আপোনাৰ তেজেৰে
লোকবিলাকক পবিত্ৰ কৰিবলৈ নগৰৰ দুৱাৰৰ বাহিৰে মৃত্যু ভোগ কৰি-

লৈ । ১৩ এতেকে আহাঁ, তেওঁৰ নিচিনাকৈ অপমান সহন কৰি চাউনিৰ
বাহিৰে তেওঁলৈ আমি যাওঁহঁক । ১৪ কিয়নো ইয়াত আমাৰ কোনো
থিৰে থকা নগৰ নাই; কিন্তু আমি এখান ভবিষ্যত নগৰ বিচাৰি আছোঁ ।
১৫ এই হেতুকে তেওঁৰ দ্বাৰাই আমি সদাই ঈশ্বৰৰ প্ৰশংসা ৰূপ বলি,
অৰ্থাৎ তেওঁৰ নামত স্তুতি কৰি ওঁঠৰ ফল উচৰগ কৰোঁহঁক । ১৬ আৰু
লোকৰ উপকাৰ আৰু দান কৰিবলৈ নেপাহৰিবা; কিয়নো এনে উচৰগত
ঈশ্বৰে সন্তোষ পাই !

১৭ তোমোলাকৰ শিক্ষকবিলাকে আপোনাৰ কৰ্ম্মৰ লেখ দিব লগাত
তোমোলাকৰ আত্মাৰ নিমিত্তে পৰ দি থকা হেতুকে সিবিলাকক মান্য কৰি
আজ্ঞাৰ বশ হোৱা; তাতে সিবিলাকে সেই কৰ্ম্ম দুঃখেৰে নকৰি আনন্দেৰে
কৰিব; দুঃখেৰে কৰিলে তোমোলাকৰ হিত নহয় । ১৮ তোমোলাকে আ-
মাৰ নিমিত্তে প্ৰাৰ্থনা কৰা; আমি শুদ্ধ মন হৈ সকলো ভাৱে সদ আচৰণ
কৰিবলৈ আমাৰ ইচ্ছা আছে, ইয়াক আমি বুজোঁ; ১৯ কিন্তু অলপ কাল-
তে মোক যেন তোমোলাকলৈ দিয়া হব, এই প্ৰাৰ্থনা কৰিবলৈ ময় তো-
মোলাকক অধিক মিনতি কৰিছোঁ ।

২০ যি সান্তনা কৰোঁতা ঈশ্বৰে প্ৰভু য়ীশুৰ অৰ্থাৎ অনন্ত নিয়মৰ তে-
জৰ দ্বাৰাই মেৰ সকলৰ প্ৰধান ৰখীয়া হোৱা আমাৰ প্ৰভু য়ীশুক মৰ-
ণৰ পৰা তুলি আনিলে, তেৱে আপোনাৰ ইচ্ছা পূৰ কৰিবলৈ তোমো-
লাকক সকলো সুকৰ্ম্মত সিদ্ধি কৰোক; ২১ আৰু তেওঁৰ দৃষ্টিত যি গ্ৰাহ্য
হয়, তাকে আমাৰ হৃদয়ত য়ীশু খ্ৰীষ্টৰ দ্বাৰাই সম্পূৰ্ণ কৰোক; সেই খ্ৰীষ্টৰ
মহিমা সদাসৰ্ব্বদায় প্ৰকাশ হওক । আমেন ।

২২ হে ভাইবিলাক, ময় তোমোলাকলৈ এই যি পত্ৰ সংক্ষেপে লিখি-
লোঁ, তাৰ উপদেশ কথা সহন কৰা, তোমোলাকক এই মিনতি কৰিছোঁ ।
২৩ আমাৰ ভাই তিমথিক মুকলি কৰা হৈছে, ইয়াকে জানিবা । তেও
সোনকালে আহিলে তেৱেঁ সৈতে গৈ তোমোলাকক দেখিবলৈ পাম ।
২৪ তোমোলাকে আপোনাৰ সকলো শিক্ষক আৰু পবিত্ৰ লোকক নমস্কাৰ
কৰা । ২৫ ইতালি দেশীবিলাকে তোমোলাকক নমস্কাৰ কৰে । ২৬ তো
মোলাক সকলোৰে ওপৰত অনুগ্ৰহ হওক । আমেন ।

# য়াকোবৰ পত্ৰ।

## ১ অধ্যায়।

ঠায়ে ঠায়ে থকা বাৰে ফৈদৰ লোকলৈ ঈশ্বৰ আৰু প্ৰভু য়ীশু
খ্ৰীষ্টৰ সেৱক য়াকোবে নমস্কাৰ কৰি পত্ৰ লিখিছে। ২ হে
মোৰ ভাইবিলাক, তোমোলাকে যেতিয়া অনেক বিধ পৰীক্ষাত পৰা, তে-
তিয়া বিশ্বাসৰ পৰীক্ষাই ধৈৰ্য্য জন্মাই, ইয়াকে জানি, ৩ সেই পৰীক্ষা
অতি আনন্দৰ কাৰণ যেন মানিবা। ৪ আৰু তোমোলাক যেন সিদ্ধি আৰু
সম্পূৰ্ণ হোৱা, আৰু তোমোলাকৰ একো অসিদ্ধ যেন নেথাকে, এই নিমিত্তে
ধৈৰ্য্যৰ কৰ্ম্ম পূৰ হওক। ৫ তোমোলাকৰ কাৰোবাৰ যদি জ্ঞানৰ প্ৰয়ো-
জন আছে, তেন্তে গৰিহণা নকৰাকৈ বহুল ৰূপে সকলোকে দিওঁতা যি
ঈশ্বৰ; সেই মানুহে তেওঁক যাচ্ঞা কৰোক; তাতে তাক দিয়া হব। ৬ কিন্তু
নিসংশয় হৈ সি বিশ্বাসেৰে যাচ্ঞা কৰোক; কিয়নো যি জনে সংশয়
কৰে, সি বতাহত নিয়া আৰু ওপৰলৈ উধোৱা সাগৰৰ ঢৌ এটাৰ নিচি-
না হয়। ৭ এনে মানুহে যে প্ৰভুৰ পৰা কিবা পাব, ইয়াক নেভাবোক।
৮ দুই মন হোৱা মানুহৰ কোনো গতি স্থিৰ নহয়।

৯ যি ভাই দৰিদ্ৰ, তাক ওখ কৰা হোৱাত সি আনন্দ কৰোক; ১০ কিন্তু
যি ভাই ধনৱন্ত, তাক সৰু কৰা হোৱাত সিও আনন্দ কৰোক; কিয়নো
তৃণৰ ফুলৰ নিচিনা সি ঢুকাই যাব। ১১ বৰ তাপে সৈতে বেলি ওলোৱা-
তেই যেনেকৈ তৃণ শুকাই যাই, ফুলো সৰি পৰে, আৰু তাৰ সুন্দৰ ৰূপো
নষ্ট পাই, তেনেকৈ ধনৱন্ত মানুহে আপোনাৰ গতিতে ঢুকাব।

১২ যি জনে পৰীক্ষা সহন কৰিছে, সি ধন্য; কিয়নো পৰীক্ষা পোৱাৰ
পাছে, প্ৰভুএ আপোনাক প্ৰেম কৰা লোকক জীৱনৰ যি কিৰীটী দিব-
লৈ প্ৰতিজ্ঞা কৰিলে, সি তাক পাব। ১৩ কিন্তু যেতিয়া পৰীক্ষা পাই,
ঈশ্বৰৰ পৰা মোৰ কুমতি হৈছে, এনে কথা কেৱে নোবোলোক; কিয়নো
পাপেৰে ঈশ্বৰৰ কুমতি কৰা অসম্ভৱ, আৰু তেওঁ কোনো মানুহৰ কুমতি
নকৰাই। ১৪ কিন্তু প্ৰতি মানুহক আপোনাৰ লোভে উদগাই ভুল কৰাত,
তাৰ কুমতি হয়। ১৫ তাতে সেই লোভে গৰ্ভ ধাৰণ কৰি পাপ জন্মাই,

পাছে পাপ সম্পূৰ্ণ হলে মৰণ জন্মাই । ১৬ হে মোৰ প্ৰিয় ভাইবিলাক,
ভুল নহবা । ১৭ সকলো উত্তম দান আৰু সম্পূৰ্ণ অনুগ্ৰহ ওপৰৰ পৰাহে
হয়, অৰ্থাৎ যি জনাৰ অন্যথা আৰু বিকাৰৰ ছাঁয়াও নাই, এনে যি পহৰ
দিওঁতা পিতৃ, তেওঁৰ পৰাহে আহিছে । ১৮ তেওঁৰ সৃষ্টিৰ মাজত আমি
যেন এবিধ প্ৰথম ফল হওঁ, এই নিমিত্তে তেওঁ আপোনাৰ ইচ্ছাৰে সত্য
বাক্যৰ দ্বাৰাই আমাক জন্ম দিয়ালে ।

১৯ এই হেতুকে, হে মোৰ প্ৰিয় ভাইবিলাক, তোমোলাক প্ৰতি জনে শুনি-
বলৈ সাষ্টম হোৱা, কবলৈ ধীৰ, আৰু খঙ্গলৈ ধৌৰ্য্য হোৱা; ২০ কিয়নো
মানুহৰ খঙ্গে ঈশ্বৰৰ ধৰ্ম্ম নজন্মাই । ২১ এয়েৰেই তোমোলাকে সকলো
অশুচি কৰ্ম্ম আৰু অতিশয় দুৰ্জনালী, এইবিলাক ত্যাগ কৰি তোমোলাকৰ
আত্মাৰ পৰিত্ৰাণ কৰিবৰ সমৰ্থ মনৰ ভিতৰত সোমোৱা যি বাক্য, তাক
নম্ৰ মনেৰে গ্ৰহণ কৰা । ২২ আৰু কেৱল শুনোঁতা হৈ আপোনাক নুভু-
লাবা, কিন্তু বাক্যৰ কৰ্ম্ম আচৰোঁতা হোৱা । ২৩ যি কোনোএ বাক্য আ-
চৰণ নকৰি কেৱল শুনোঁতা হৈছে, সি আৰ্চ্ছিত স্বভাবিক মুখ দেখা মানু-
হৰ নিচিনা হৈ, ২৪ আপোনাক দেখিলেও আপুনি কেনে মানুহ, তাক
আঁতৰি গৈ তেতিয়াই পাহৰে । ২৫ কিন্তু যি কোনোএ মুক্তি সিদ্ধি কৰা
বিধানত চাই তাত প্ৰবৰ্ত্তি থাকে, সি শুনি পাহৰোঁতা নহৈ, কৰ্ম্ম কৰোঁ-
তা হোৱাত আপোনাৰ কাৰ্য্যতে আশীৰ্ব্বাদ পোৱা হয় । ২৬ তোমোলাকৰ
যি কোনোএ আপোনাক ধৰমী যেন মানে, সি যদি আপোনাৰ জিবা দমন
নকৰি আপোনাৰ মনকে ভুলাই, সেই মানুহৰ ধৰ্ম্ম ব্যৰ্থ । ২৭ মাউৰা
আৰু বাঁৰী লোকক দুঃখৰ কালত দেখিবলৈ যোৱা, আৰু সংসাৰৰ পৰা
চেকা নলগাকৈ আপোনাক ৰক্ষা কৰা, এয়েই পিতৃ ঈশ্বৰৰ আগত পবিত্ৰ
আৰু নিৰ্ম্মল ধৰ্ম্ম হয় ।

## ২ অধ্যায় ।

হে মোৰ ভাইবিলাক, আমাৰ তেজস্বী প্ৰভু য়ীশু খ্ৰীষ্টৰ ধৰ্ম্ম পালন কৰোঁ-
তে মানুহৰ মুখ চাই চাটু নকৰিবা । ২ কিয়নো তোমোলাকৰ সভালৈ
সোণৰ আঙ্গঠী আৰু সুন্দৰ কাপড় পিন্ধি এজন মানুহ আহিলে, আৰু
মলীন কাপড়েৰে কোনো দুঃখীয়া মানুহ এজনো আহিলে, পাছে তোমো-
লাকে যদি সেই সুন্দৰ বস্ত্ৰ পিন্ধা মানুহটক চাটু কৰি, তুমি এই ভাল
ঠাইতে বহা, ইয়াকে বোলা; ৩ আৰু সেই দুখীয়া মানুহটক সৌ খিনি-
তে থিয় হৈ থাকিবি, নাইবা এই খিনিতে মোৰ ভৰিৰ পীৰাতে বহ, এনে-
কৈ যদি বোলা; ৪ তেন্তে তোমোলাক ইজনে সিজনৰ ফলিয়া হৈ কুবিবে-
চনাৰে সোধ কৰোঁতা নোহোৱা নে? ৫ হে মোৰ প্ৰিয় ভাইবিলাক, শুনা,

ঈশ্বৰে আপোনাক প্ৰেম কৰাবিলাকক যি ৰাজ্য দিবলৈ প্ৰতিজ্ঞা কৰিলে,
সেই ৰাজ্যৰ অধিকাৰ হোৱা যি লোক সংসাৰত দৰিদ্ৰ, বিশ্বাসত ধনৱন্ত,
এনে লোকক মনোনীত নকৰিলে নে? ৬ কিন্তু তোমোলাকে যে দৰিদ্ৰ লো-
কক অবমান কৰা। ধনৱন্ত লোকে তোমোলাকক বিঘিনি নকৰে নে? তো-
মোলাকক সোধ আসনৰ আগলৈ বলেৰে নিনিএ নে? ৭ আৰু যি উত্তম
নামেৰে তোমোলাক খ্যাতি হোৱা, সেই নাম নিন্দা নকৰে নে? ৮ তোমাৰ
চুবুৰিয়াক আপোনাৰ নিচিনাকৈ প্ৰীতি কৰা, শাস্ত্ৰৰ মতে এই ঘাই আজ্ঞা
যদি পালন কৰি থাকা, তেন্তে ভাল কৰিছা; ৯ কিন্তু যদি লোকৰ মুখ চোৱা,
তেন্তে পাপ কৰা, আৰু আজ্ঞা উলংঘন কৰাত বিধানৰ দ্বাৰাই দূষী কৰা
হৈছা। ১০ কিয়নো যি কোনোএ সকলো আজ্ঞা পালন কৰে, তথাপি এটি
মাথোন উলংঘন কৰে, সি সকলোতে দূষী হল। ১১ কিয়নো তুমি পৰ-
তিৰী গমন নকৰিবা, ইয়াক যি জনাই কলে, তুমি বধ নকৰিবা, তাকো সেই
জনায়ে কলে। এই হেতুকে তুমি পৰতিৰী গমন নকৰিও যদি বধ কৰা,
তেন্তে বিধান উলংঘন কৰা হোৱা। ১২ মুক্তিৰ বিধানৰ দ্বাৰাই সোধ কৰা
হব লগা লোকবিলাকৰ নিচিনাকৈ কথাও কোৱা; কৰ্ম্মকো কৰা। ১৩ কিয়-
নো যি জনে দয়া নকৰে, নিৰ্দয়া ৰূপে তাৰ দণ্ড হব; কিন্তু দয়াই দণ্ডকে
পৰাজয় কৰে।

১৪ হে মোৰ ভাইবিলাক, কৰ্ম্ম নোহোৱাকৈ কোনো মানুহে যদি বোলে,
মোৰ বিশ্বাস আছে, সেই মানুহৰ বিশ্বাসৰ কি ফল? এই বিশ্বাসৰ দ্বাৰাই
সি পৰিত্ৰাণ হব পাৰে নে? ১৫ কোনো ভাই বা ভনী নাঙ্গটা আৰু দিনৰ
আহাৰ নাইকিয়া হৈ থকাত, ১৬ তোমোলাকৰ এজনে শৰীলৰ যি বস্তুৰ
প্ৰয়োজন আছে, সেই বস্তু নিদিয়াকৈ যদি বোলা, তুমি উম লগাই তৃপ্তি
হৈ কুশলে যোৱা, তেন্তে তাৰ কি লাভ? ১৭ সেই ৰূপে কৰ্ম্ম নোহোৱাকৈ
বিশ্বাস অকলেই থাকিলে, মৰা হল। ১৮ কোনো মানুহে যদি কয়, তো-
মাৰ বিশ্বাস আছে, মোৰ কৰ্ম্ম আছে; তেন্তে তুমি কৰ্ম্ম নোহোৱাকৈ তো-
মাৰ বিশ্বাস মোক দেখুৱা, আৰু কৰ্ম্মৰ দ্বাৰাই তোমাক মোৰ বিশ্বাস দে-
খাম। ১৯ এক ঈশ্বৰ আছে বুলি তুমি প্ৰতিতি কৰিছা, ভাল কৰিছা; ভূত-
বিলাকেও তাকে প্ৰতিতি কৰি কঁপি আছে। ২০ হে নিৰ্ব্বুদ্ধি মানুহ, কৰ্ম্মৰ
বিনে বিশ্বাস মৰা হল, ইয়াক জানিবলৈ ইচ্ছা কৰা নে? ২১ আমাৰ ওপৰ
পিতৃ আব্ৰাহামে হোমৰ ভেঁটিৰ ওপৰত আপোন পুত্ৰ ইচাকক উচৰগ কৰি
কৰ্ম্মৰ দ্বাৰাই পুণ্যৱন্ত লিখা নহল নে? ২২ তেওঁৰ কৰ্ম্মেৰে সেই বিশ্বাসে
কাৰ্য্য কৰি কৰ্ম্মৰ দ্বাৰাই সিদ্ধি হল, ইয়াক দেখা নাই নে? ২৩ আৰু আব্ৰা-
হামে ঈশ্বৰত বিশ্বাস কৰাত, সেই বিশ্বাস তেওঁলৈ পুণ্য যেন গণিত হল, এই
শাস্ত্ৰীয় বচন পূৰ হৈছিল, আৰু তেওঁক ঈশ্বৰৰ মিত্ৰিৰ বোলা হল। ২৪ এয়ে-
ৰেই অকল বিশ্বাসৰ দ্বাৰাই নহয়, কৰ্ম্মৰো দ্বাৰাই মানুহ যে পুণ্যৱন্ত গণিত

হয়, ইয়াক তোমোলাকে দেখিছা । ২৫ আৰু ৰাহাব বেশ্যাই চৰাঙ্গ চোৱা-
বিলাকক আলহি সুধি পাছে আন বাটে দি পঠোৱাত, তাই সেই কৰ্ম্মৰ
দ্বাৰাই পুণ্যৱন্ত গণিত নহল নে? ২৬ আত্মা বিহীন হলে শৰীল যেনেকৈ মৰা,
তেনেকৈ কৰ্ম্ম বিহীন হলে বিশ্বাসো মৰা হয় ।

## ৩ অধ্যায় ।

হে ভাইবিলাক, বহু শিক্ষক হলে অধিক দণ্ড পাব, ইয়াক জানি তোমো-
লাক ভালেমান শিক্ষক নহবা । ২ অনেক কাৰ্য্যত আমাৰ সকলোৰে দোষ
আছে । বাক্যত কোনো মানুহৰ যদি দোষ নাই, সেই মানুহ সিদ্ধি হৈ সক-
লো অঙ্গ প্ৰত্যঙ্গকে দমন কৰিব পাৰে । ৩ দেখা, আমি বশ কৰিবৰ নি-
মিত্তে ঘোঁৰাৰ মুখত দনা দি সিহঁতৰ গোটেইটো গা ঘূৰাই নিওঁ । ৪ আৰু
জাহাজবোৰলৈ চোৱা, সি অতি ডাঙ্গৰ, আৰু ধুমুহা বতাহেৰেহে চলাই
নিয়া হয়, তথাপি গুৰিয়ালে নিচেই সৰু হালিৰে আপোন ইচ্ছা মতে ঘূৰাই ।
৫ সেই ৰূপেও জিবা অতি সৰু হয়; কিন্তু বৰ ভাৰি কথা কয় । চোৱা,
অলপ জুয়ে কিমান হাবি পোৰে! ৬ জিবা এনে এক জুই; সি পাপত
জগতৰ সমান হয়; আমাৰ অঙ্গৰ মাজত থাকি সেই জিবাই সকলো
শৰীল ভ্ৰষ্ট কৰি সৃষ্টিৰ ৰীতিকে জুই লগাই, আৰু আপুনিও নৰকৰ
অগ্নিৰে জ্বলোৱা হৈ আছে । ৭ পশু, চৰাই, সাপ, জলৰ জন্তু আদি
কৰি সেই সকলো জাতিৰ স্বভাৱকে মানুহৰ স্বভাৱেৰে বশ কৰা হব
পাৰে, আৰু কেতিয়াবা বশ কৰা হৈছিল; ৮ কিন্তু মৃত্যু কৰা বিষে-
ৰে পূৰ হোৱা যি দুষ্ট অদমন জিবা, তাক কোনেও বশ কৰিব পৰা
নাই । ৯ তাৰেই আমি পিতৃ ঈশ্বৰক স্তুতি কৰোঁ, আৰু তাৰেই ঈশ্বৰৰ
প্ৰতিমূৰ্ত্তিৰে সৃজা মানুহক শাও দিওঁ; ১০ আশীৰ্ব্বাদ আৰু শাও এই দুয়ো
একে মুখৰ পৰাই ওলাই । হে মোৰ ভাইবিলাক, এনে হোৱা উচিত নহয় ।
১১ ভুমুকৰ পৰা একেটা বিন্ধাইদি সোৱাদ আৰু তিতা দুবিধ পানী ওলাই
নে? ১২ হে মোৰ ভাইবিলাক, ডিমৰু গছে জলফাই গুটি ধৰিব পাৰে
নে? নাইবা পনিয়ালৰ লতাই ডিমৰু গুটি ধৰিব পাৰে নে? সেই ৰূপেও
লোণা পানী [আৰু] সোৱাদ পানী [একে ভুমুকৰ পৰা] হব নোৱাৰে ।
১৩ তোমোলাকৰ মাজৰ জ্ঞানী আৰু সুবুদ্ধি মানুহ কোন? সি সদ আ-
চৰণ কৰি জ্ঞানযুক্ত নম্ৰ ভাৱে আপোনাৰ কৰ্ম্ম প্ৰকাশ কৰোক । ১৪ কিন্তু
তোমোলাকৰ মনত যদি তিতা, অসূয়া আৰু খিয়াল থাকে, তেন্তে আপো-
নাৰ অৱস্থাত প্ৰশংসা নকৰিবা, আৰু সত্যৰ বিৰোদ্ধে মিছা নকবা । ১৫ এনে
জ্ঞান ওপৰৰ পৰা অহা নহয়, কিন্তু সংসাৰিক, কুঅভিলাষ, আৰু ভূতৰ নি-
চিনা । ১৬ কিয়নো যি ঠাইতে অসূয়া আৰু বিবাদ থাকে, তাতে দন্দ আৰু

আটাই কুকৰ্ম্ম আছে । ১৭ কিন্তু ওপৰৰ পৰা অহা যি জ্ঞান, সেয়ে প্ৰথ-
মে নিৰ্ম্মল, পাছে সান্তনাযুক্ত, কোমল, খেমাৱন্ত, মৰম আৰু উত্তম কৰ্ম্মেৰে
পৰিপূৰ্ণ, আৰু মুখ নৰখা, কপট নাইকিয়া হৈ আছে । ১৮ আৰু সান্তনা
কৰোঁতা লোকৰ দ্বাৰাই সান্তনাৰে ধৰ্ম্মৰ ফল ৰোৱা হৈছে ।

## ৪ অধ্যায় ।

তোমোলাকৰ মাজত ৰণ আৰু যুদ্ধ কৰ পৰা হয়? তোমোলাকৰ অঙ্গত
বিৰোদ্ধ কৰা অভিলাষৰ পৰা নহয় নে? ২ তোমোলাকে বাঞ্চা কৰি থাকা,
কিন্তু একো নোপোৱা; লুভী হৈ বধ কৰা, তথাপি একো পাব নোৱাৰা;
যুদ্ধ আৰু ৰণ কৰিও নোপোৱা; কিয়নো তোমোলাকে প্ৰাৰ্থনা নকৰা ।
৩ আৰু প্ৰাৰ্থনা কৰিলেও নোপোৱা, কিয়নো আপোনাৰ অভিলাষৰ খৰ-
ছৰ নিমিত্তেহে অনুচিত মতে প্ৰাৰ্থনা কৰা । ৪ হে ব্যভিচাৰী আৰু ব্যভি-
চাৰিণী সকল, এই জগতৰ মিত্ৰিৰ হোৱাই ঈশ্বৰৰ শত্ৰু হয়, ইয়াক তোমো-
লাকে নেজানা নে? যি জনাই জগতৰ মিত্ৰিৰ হবলৈ ইচ্ছা কৰে, সি ঈশ্ব-
ৰৰ শত্ৰু । ৫ শাস্ত্ৰে অনৰ্থক বচন কয় বুলি তোমোলাকে ভাবিছা নে?
আমাৰ হৃদয়ত নিবাস কৰা আত্মাই অসূয়ালৈ উদগাইছে নে? ৬ তেওঁ
অধিক অনুগ্ৰহ দান কৰিছে; এই কাৰণে কোৱা গৈছে, ঈশ্বৰে অহঙ্কাৰী
লোকক বিৰোদ্ধ কৰে, কিন্তু নম্ৰবিলাকক অনুগ্ৰহ দান কৰে । ৭ এই হে-
তুকে ঈশ্বৰৰ বশবৰ্ত্তী হোৱা । চয়তানক বিৰোদ্ধ কৰা, তেহে সি তোমোলা-
কৰ পৰা পলাই যাব । ৮ ঈশ্বৰৰ ওচৰলৈ চাপি আহাঁ, তাতে তেৱোঁ তো-
মোলাকৰ ওচৰলৈ চাপিব । হে পাপী লোক, তোমোলাকৰ হাত শুচি
কৰা, হে দুই মন হোৱা লোক, তোমোলাকৰ চিত্ত শুদ্ধ কৰা । ৯ ব্যাকুল
হৈ শোক আৰু ক্ৰন্দন কৰা; তোমোলাকৰ হাঁহিৰ ঠাইত শোক, আৰু
আনন্দৰ ঠাইত অসন্তোষ হওক । ১০ প্ৰভুৰ আগত তোমোলাকে আপো-
নাক নম্ৰ কৰা, তাতে তেওঁ তোমোলাকক তুলিব ।

১১ হে ভাই সকল, তোমোলাকে ইজনে সিজনক দোষ দি নকৰা; কিয়-
নো যি জনে ভায়েকক দোষ দি কয়; আৰু ভায়েকৰ সোধ কৰে, সি বি-
ধানকে দোষ দিএ আৰু বিধানৰ সোধ কৰে; যদি বিধানৰ সোধ কৰা,
তেন্তে বিধান পালোঁতা নহৈ বিধানৰ সোধ কৰোঁতা হৈছা । ১২ ৰক্ষা কৰিব
পৰা আৰু বিনাশো কৰিব পৰা, এনে এজনা বিধান কৰ্ত্তা সোধাৰু
আছে; তুমি যে লোকৰ সোধ কৰা, তুমি নো কোন?

১৩ আজি বা কাইলৈ আমুক নগৰলৈ গৈ, তাতে এবছৰ থাকি বেহা
বেপাৰ কৰি লাভ আৰ্জিম, এই ৰূপে কথা কোৱা যি তোমোলাক, তোমো-
লাক এতিয়া আহাঁ । ১৪ কাইলৈ কি ঘটিব, তাক তোমোলাকে নেজানা ।

কিয়নো তোমোলাকৰ আয়ুষ কি? এখন্তক দেখা পোৱা হৈ পাছেঁ নেদেখা
হৈ যোৱা যি ভাপ, সি তাৰ নিচিনা । ১৫ এই হেতুকে প্ৰভুৰ ইচ্ছা হলে
আমি জীয়াই থাকি এই কৰ্ম্ম বা সেই কৰ্ম্মকে কৰিম, এনে কথা কোৱা
তোমোলাকৰ উচিত । ১৬ তোমোলাকৰ সেই গৰ্ব্বী কথাত যি আনন্দ
কৰা, এনে সকলো আনন্দ অনুচিত । ১৭ আৰু যি কোনোএ সজ কৰ্ম্ম
কৰিবলৈ জানিও তাক নকৰে, তাৰ পাপ হয় ।

## ৫ অধ্যায় ।

হে ধনৱন্ত লোক, তোমোলাক এতিয়া আহাঁ; তোমোলাকৰ আগলৈ হব
লগা দুঃখৰ নিমিত্তে ক্ৰন্দন আৰু বিলাপ কৰা । ২ কিয়নো তোমোলাকৰ
সম্পত্তি পচি আছে, তোমোলাকৰ কাপড় পোকে খোৱা হয়, তোমোলাকৰ
সোণ ৰূপ মামৰে খোৱা হৈছেঁ; ৩ আৰু সেইবোৰৰ মামৰে তোমোলাকৰ
বিৰোদ্ধে সাক্ষী হৈ জুইৰ নিচিনাকৈ তোমোলাকৰ মঙ্গহকে খাব; শেষ
কালৰ নিমিত্তেহে তোমোলাকে ধন সাঁচিলা । ৪ দেখা, তোমোলাকৰ শহ
দোৱা বনুৱাবোৰৰ যি বেচ তোমোলাকে অন্যায়কৈ ৰাখি নিদিলা, সেই
বেচেই এটাহ পাৰিছে; আৰু সেই বনুৱাবিলাকৰ এটাহ সৈন্যৰ প্ৰভুৰ
কাণত পৰিল । ৫ তোমোলাকে পৃথিবীতে তৃপ্তি পাই সুখ ভোগেৰে দিন
নিয়ালা; মাৰিবৰ দিনলৈ পোহ তোলাৰ দৰে আপোনাৰ মন পোহণ
কৰিলা । ৬ ধৰমী জনক দুষী কৰি বধ কৰিলা, আৰু সি তোমোলাকক
বাধা নকৰে ।

৭ এতেকে হে ভাইবিলাক, প্ৰভুৰ অহা দিনলৈকে সহন কৰি থাকা ।
দেখা, খেতিয়কে খেতিৰ বহু মূল্য শহলৈ বাট চাই থাকি, প্ৰথম আৰু
পাচৰ বৰখুণ পোৱালৈকে বহু কাল সহন কৰে; ৮ তোমোলাকেও সেই
ৰূপে সহন কৰি আপোন মন খিৰে ৰাখা: প্ৰভুৰ অহা ওচৰ পাইছেহি ।
৯ হে ভাইবিলাক, তোমোলাকে দণ্ড যেন নোপোৱা, ইটে সিটে খিয়াল
নকৰিবা; দেখা, সোধ কৰ্ত্তা দুৱাৰ মুখতে থিয় হৈ আছে । ১০ হে মোৰ
ভাই সকল, যি ভবিষ্যত বক্তাবিলাকে প্ৰভুৰ নামেৰে কথা কলে, সেইবি-
লাকক দুঃখ ভোগ আৰু সহন কৰাৰ আৰ্হি মানিবা । ১১ দেখা, যিবি-
লাকে সহন কৰে, সিবিলাকক ধন্য বুলি মানোঁ; য়োবৰ সহনৰ কথা তো-
মোলাকে শুনিলা, আৰু প্ৰভু যে অতি মৰমিয়াল আৰু দয়ালু, তেওঁৰ এনে
শেষ কৰ্ম্ম দেখিলা ।

১২ হে মোৰ ভাইবিলাক, সকলোতকৈ বিশেষ ৰূপে কৈছোঁ, কোনো
মতে স্বৰ্গৰ নাইবা পৃথিবীৰ, বা আন কোনো নাম লৈ শপত নকৰিবা;
কিন্তু তোমোলাক যেন দণ্ডত নপৰা, এই নিমিত্তে তোমোলাকৰ হয় বোলাই

হয় হওক, নাইবা নহয় বোলাই নহয় হওক। ১৩ তোমোলাকৰ মাজত
কোনো যদি দুঃখী হয়, সি প্ৰাৰ্থনা কৰোক; কোনো যদি আনন্দিত হয়,
সি গীত গান কৰোক; ১৪ কোনো যদি নৰিয়া পৰিছে, সি মণ্ডলীৰ বৃদ্ধ
লোকক মাতোক, পাছে সিবিলাকে প্ৰভুৰ নামে গাত তেল দি তাৰ নিমি-
ত্তে প্ৰাৰ্থনা কৰোক; ১৫ তাতে বিশ্বাসী প্ৰাৰ্থনাৰ দ্বাৰাই নৰিয়াটো ৰক্ষা
পাব, আৰু প্ৰভুএ তাক সুস্থ কৰিব; আৰু সি যদি কোনো পাপ কৰিলে,
তাকো খেমা কৰা হব। ১৬ তোমোলাকে ইজনে সিজনে আপোনাৰ দোষ
মৈসে কাৰ্হিবা, আৰু সুস্থ হবলৈ ইজনে সিজনৰ নিমিত্তে প্ৰাৰ্থনা কৰিবা।
কিয়নো ধৰমী মানুহৰ অত্যন্ত প্ৰাৰ্থনাই অনেক সিদ্ধি কৰে। ১৭ এলিয়া
আমাৰ নিচিনা সুখ দুঃখ ভোগ কৰা মানুহ হৈয়ো তেওঁ বৰখুণ নহবলৈ
অতিশয় প্ৰাৰ্থনা কৰিলে, তাতে তিনি বছৰ ছমাহলৈকে বৰখুণ নহল।
১৮ পাছে আৰু বাৰ প্ৰাৰ্থনা কৰাত আকাশৰ পৰা বৰখুণ হল, আৰু
পৃথিবীএ শহ ওপজালে।

১৯ হে ভাইবিলাক, তোমোলাকৰ কোনোএ সত্যৰ পৰা অপথে গলে,
তেন্তে যি মানুহে তেনে পাপীক ভুমী যোৱা পথৰ পৰা পালটাই আনে,
২০ সি তাৰ আত্মা মৃত্যুৰ পৰা ৰক্ষা কৰে, আৰু অনেক পাপ সমূহ
ঢাকে, সি ইয়াকে জানোক।

# পিতৰৰ প্ৰথম পত্ৰ।

## ১ অধ্যায়।

পন্ত আৰু গলাতিয়া, কাপাদকিয়া, আচিয়া আৰু বিথুনিয়া, এই
সকলো পৰ দেশত ঠাই ঠাই হৈ থকা যি লোকবিলাক পবিত্ৰ
কৰা আত্মাৰ দ্বাৰাই যীশু খ্ৰীষ্টৰ আজ্ঞাৰ বশ, আৰু তেওঁৰ তেজেৰে শান্তি
কৰা হবৰ নিমিত্তে পিতৃ ঈশ্বৰৰ পূৰ্ব্ব জ্ঞানৰ দৰে মনোনীত হৈছে, ২ সি-
বিলাকলৈ যীশু খ্ৰীষ্টৰ পাঁচনি পিতৰে পত্ৰ লিখিছে। তোমোলাকলৈ বহুল
ৰূপে অনুগ্ৰহ আৰু কুশল হওক।

৩ যি জনাই অতিশয় কৃপা কৰি মৰণৰ পৰা যীশু খ্ৰীষ্টৰ উঠানৰ দ্বাৰাই
অক্ষয় আৰু নিৰ্ম্মল আৰু অমৰ অধিকাৰ বাব পোৱা হবৰ নিমিত্তে
৪ জীৱন দিয়া আশালৈ আমাক পুনৰ জন্ম দিলে, আমাৰ প্ৰভূ যীশু খ্ৰীষ্টৰ
সেই পিতৃ ঈশ্বৰ ধন্য। ৫ শেষ কালত প্ৰকাশ হবলৈ যুগুত হোৱা পৰি-
ত্ৰাণ পাবৰ নিমিত্তে বিশ্বাসৰ দ্বাৰাই ঈশ্বৰৰ শক্তিৰে ৰখা হোৱা যি তো

মোলাক, তোমোলাকৰ অৰ্থে সেই অধিকাৰ বাব স্বৰ্গত ৰাখি থোৱা
আছে। ৬ সেই কথাত তোমোলাকে আনন্দিত হৈয়ো, এতিয়া প্ৰয়োজন
হলে কিছু কাললৈ অনেক বিধ পৰীক্ষাৰ দ্বাৰাই দুঃখ ভোগ কৰি আছা।
৭ এই ৰূপ পৰীক্ষা কৰা হলে তোমোলাকৰ বিশ্বাস জুইত পৰীক্ষা কৰা
খপা সোণতকৈ অতি উত্তম হৈ য়ীশু খ্ৰীষ্ট প্ৰকাশ হোৱা কালত প্ৰশংসা
আৰু মৰ্য্যদা আৰু গৌৰৱৰ যোগ্য হোৱা দেখা যাব। ৮ তেওঁক তোমো-
লাকে নিচিনিও প্ৰেম কৰিছা; আৰু এতিয়া নেদেখিলেও তেওঁত বিশ্বাস
কৰি, কব নোৱৰা আৰু প্ৰভাওযুক্ত আনন্দৰে আনন্দ হৈ, ৯ তোমোলা-
কৰ বিশ্বাসৰ ফল অৰ্থাৎ আত্মাৰ পৰিত্ৰাণ পোৱা হৈছা। ১০ আৰু তো-
মোলাকে যি অনুগ্ৰহ পাইছা, তাৰ ভবিষ্যত কথা পূৰ্ব্ব কালৰ যি ভবিষ্যত
বক্তাবিলাকে কৈছিল, সিবিলাকে সেই পৰিত্ৰাণৰ কথা সোধ কৰি যত্ন
ৰূপে বিচাৰি, ১১ খ্ৰীষ্টৰ দুঃখ ভোগ আৰু পাছে হব লগা প্ৰভাৱৰ প্ৰমাণ
দিয়া যি খ্ৰীষ্টৰ আত্মা সিবিলাকৰ হৃদয়ত আছিল, তেওঁ কিহৰ আৰু কি
কালৰ কথা প্ৰকাশ কৰিছে, ইয়াকে বিচাৰ কৰিলে। ১২ সেই কথাৰ
প্ৰমাণ দিওঁতে, আপোনাৰ নিমিত্তে নহয়, আমাৰ নিমিত্তে সিবিলাক সেই
কথাৰ সেৱক হৈছিল, ইয়াক সিবিলাকৰ আগত প্ৰকাশ কৰা আছিল;
সেই যি কথা দূতবিলাকেও চাই বুজিবৰ ইচ্ছা কৰে, এনে সকলৰ বিবৰণ
এতিয়া স্বৰ্গৰ পৰা পঠিৱা পবিত্ৰ আত্মাৰ দ্বাৰাই শুভবাৰ্ত্তা কীৰ্ত্তন কৰা-
বিলাকে তোমোলাকৰ আগত প্ৰকাশ কৰিলে।

১৩ এই হেতুকে মনৰ কঁকাল বান্ধি চেতনা হৈ, য়ীশু খ্ৰীষ্ট প্ৰকাশ হো-
ৱাৰ সময়ত তোমোলাকক যি অনুগ্ৰহ দিয়া হব, তাৰ আশাতে শেষলৈকে
থিৰে থাকা। ১৪ পূৰ্ব্বৰ অজ্ঞান কালৰ কুঅভিলাষৰ দৰে ব্যৱহাৰ নকৰি,
১৫ তোমোলাকক নিমন্ত্ৰণ কৰা জনা যেনে পবিত্ৰ, তোমোলাকেও আজ্ঞাৰ
বশ হোৱা সন্তানৰ নিচিনা সেই ৰূপে পবিত্ৰ হোৱা; ১৬ কিয়নো এনে
লিখা আছে, ময় পবিত্ৰ হৈছোঁ, এতেকে তোমোলাকো পবিত্ৰ হোৱা।
১৭ আৰু যি জনাই মানুহৰ মুখলৈ নেচাই, প্ৰতি মানুহৰ কৰ্ম্মৰ দৰে সোধ
কৰে, তেওঁক পিতৃ বুলি তেওঁৰ আগত যদি প্ৰাৰ্থনা কৰা, তেন্তে ইয়াত
প্ৰবাস কৰা কাল ভয়েৰে নিয়াবা। ১৮ পূৰ্ব্ব পুৰুষে শিকোৱা যি অনৰ্থক
আচৰণৰ পৰা সোণ ৰূপ আদি কৰি ক্ষয় হোৱা বস্তুৰ দ্বাৰাই যে মুক্তি
পাইছা, এনে নহয়, ১৯ নিৰ্দুষী আৰু নিৰ্ম্মল হোৱা মেৰ পোৱালিৰ নিচিনা
খ্ৰীষ্টৰ বহুমূল্য তেজৰ দ্বাৰাইহে মুক্তি পালা, ইয়াকে তোমোলাকে জানা।
২০ জগত পতাৰ আগৰে পৰা তেওঁ নিযোজন হৈছিল, আৰু তেওঁৰ দ্বাৰাই
ঈশ্বৰত বিশ্বাস কৰা যি তোমোলাক, তোমোলাকৰ নিমিত্তে এই শেষ কা-
লত প্ৰকাশ হল। ২১ ঈশ্বৰে তেওঁক মৰণৰ পৰা তুলি গৌৰও কৰিলে;
তাতে তোমোলাকে ঈশ্বৰত বিশ্বাস আৰু আশা কৰি থাকা। ২২ এই হে-

তুকে তোমোলাকে আত্মাৰ দ্বাৰাই সত্য ধৰ্ম্মৰ বশৱৰ্ত্তী হৈ, অকপট ভাৱে
ভাইবিলাকক প্ৰীতি কৰিবলৈ আপোনাৰ চিত্ত শুচি কৰাত, পবিত্ৰ মনেৰে
ইটে সিটে অতি চেনেহা চেনেহী কৰি থাকা। ২৩ কিয়নো তোমোলাক
বিনাশী বীজৰ পৰা নহয়, অবিনাশী বীজৰ পৰা, অৰ্থাৎ ঈশ্বৰৰ অমৰ
আৰু [অনন্ত কাললৈকে] থকা যি বাক্য, তাৰ দ্বাৰাই পুনৰ জন্ম পোৱা
হৈছা। ২৪ সকলো প্ৰাণী তৃণৰ নিচিনা, আৰু তাৰ সকলো মহীমা তৃণৰ
ফুলৰ নিচিনা; তৃণ জঁয় পৰে, আৰু তাৰ ফুল সৰে, কিন্তু প্ৰভুৰ বাক্য
অনন্ত কাল থাকে। ২৫ আৰু শুভবাৰ্ত্তাৰ দ্বাৰাই এই যি বাক্য তোমোলা-
কৰ আগত কীৰ্ত্তন কৰা হৈছে, এই বাক্য সেই।

## ২ অধ্যায়।

এই হেতুকে তোমোলাকে প্ৰভুৰ অনুগ্ৰহৰ সোৱাদ পোৱা হৈ, ২ সকলো
খিয়াল, আৰু ভাওনা, কপট, অসূয়া আৰু লোকৰ নিন্দা, আটাইকে ত্যাগ
কৰি, ৩ পৰিত্ৰাণলৈ বৃদ্ধি পাবৰ নিমিত্তে নকৈ জন্মা লৰাৰ নিচিনা অক-
পট বাক্য ৰূপ গাখীৰ খাবলৈ ইচ্ছা কৰা। ৪ যি জনক মানুহে অৱহেলা
কৰিলে, কিন্তু ঈশ্বৰে মনোনীত কৰিলে, এনে যি বহু মূল্য জীয়া শিলা,
তেওঁলৈ আহি তোমোলাকো জীয়া শিলৰ নিচিনা এক পৰমাৰ্থিক মন্দিৰ
হৈ সজা আছা; ৫ আৰু যীশু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰৰ আগত গ্ৰাহ্য হোৱা
যি যি পৰমাৰ্থিক বলি, তাক উচৰগ কৰিবলৈ পবিত্ৰ পোৰোহিতবিলাক
হৈ আছা। ৬ এই কথাৰ অৰ্থে শাস্ত্ৰতো লিখা আছে, ময় চিওনত মনো-
নীত আৰু বহু মূল্য চুকৰ এক প্ৰধান শিল থাপন কৰোঁ; যি জনে তেওঁত
বিশ্বাস কৰে, সি লাজ পোৱা নহব। ৭ এই হেতুকে বিশ্বাস কৰা যি তো-
মোলাক, তোমোলাকলৈ তেওঁ বহু মূল্য হয়; কিন্তু আজ্ঞাৰ বশ নোহোৱা-
বিলাকলৈ সজা শিলাকুটিবোৰে যি শিল অগ্ৰাহ্য কৰিলে, সেয়ে চুকৰ
প্ৰধান শিল হৈ জুঁটি খোৱা আৰু বিঘিনি কৰা শিল হব। ৮ সিবিলাকে
আজ্ঞাৰ বশ নহৈ, ঈশ্বৰৰ বাক্যত জুঁটি খোৱা হয়; তালৈকে সিবিলাক
নিযোজন হৈছিল। ৯ কিন্তু যি জনে এন্ধাৰৰ পৰা আপোনাৰ আৰ্শ্চৰিত
পহৰলৈ তোমোলাকক নিমন্ত্ৰণ কৰিলে, তোমোলাকে যেন তেওঁৰ প্ৰশংসা
দেখুওৱা, এই নিমিত্তে তোমোলাক মনোনীত বঙ্গহ, ৰাজ পোৰোহিত সমূহ,
আৰু পবিত্ৰ প্ৰজা, বিশেষ লোক হৈ আছা। ১০ আগেয়ে তোমোলাক
ঈশ্বৰৰ লোক হোৱা নাই, কিন্তু এতিয়া তেওঁৰ লোক হৈছা; পূৰ্ব্বে তেওঁৰ
দয়াৰ পাত্ৰ নহলা, কিন্তু এতিয়া দয়াৰ পাত্ৰ হৈছা।

১১ হে প্ৰিয়বিলাক, তোমোলাকক এই মিনতি কৰিছোঁ, পৰদেশী আৰু
যাত্ৰিক লোকৰ নিচিনাকৈ তোমোলাকে আত্মাৰ বিৰোধ্বে যুদ্ধ কৰা সংসা-

ৰিক সুখৰ অভিলাষৰ পৰা আঁতৰ হৈ থাকা। ১২ আৰু যি বিদেশী
লোকে কুকৰ্ম্ম কৰাবিলাকৰ নিচিনাকৈ তোমোলাকক নিন্দা কৰে, সিহঁতে
তোমোলাকৰ সজ কৰ্ম্ম দেখি অনুগ্ৰহৰ দিনত ঈশ্বৰক যেন স্তুতি কৰিব,
এই নিমিত্তে সিহঁতৰ মাজত উত্তম আচৰণ কৰা। ১৩ মানুহে থাপন
কৰা যি যি বিষয়, প্ৰভুৰ নিমিত্তে তাৰ বশ হোৱা; ১৪ ৰজাক সক-
লোৰে ওপৰ, আৰু দেশাধিকাৰবিলাকক দুষ্টক দমন আৰু সন্তক প্ৰশংসা
কৰিবৰ নিমিত্তে তেওঁৰ পাঁচনি বুলি মানিবা। ১৫ কিয়নো তোমোলাকে
সজ কৰ্ম্ম কৰি নিৰ্বুদ্ধি মানুহৰ অজ্ঞানকে যেন নিবাৰণ কৰা, ১৬ আৰু
মুকুত হৈয়ো আপোনাৰ মুক্তিকে দুষ্ট কৰ্ম্মৰ ঢাকনি নকৰি ঈশ্বৰৰ সেৱক
যেন হোৱা, ঈশ্বৰৰ এই ইচ্ছা। ১৭ সকলোকে সমাদৰ কৰা; ভাইবিলাকক
প্ৰীতি কৰা; ঈশ্বৰলৈ ভয় কৰা, আৰু ৰজাক মান্য কৰা।

১৮ হে বন্দী লোক, তোমোলাকে সকলো ভাৱে ভয়েৰে আপোনাৰ
অধিকাৰৰ বশ হোৱা; কেৱল উত্তম আৰু দয়ালু অধিকাৰৰ নহয়, কিন্তু
কঠিন হোৱাবিলাকৰো বশ হোৱা। ১৯ কিয়নো কোনোএ ঈশ্বৰক মান্য
কৰা হেতুকে অন্যায় দুঃখ ভোগ যদি সহন কৰে, তাৰ সেই কৰ্ম্ম গ্ৰাহ্য
হয়। ২০ দোষ কৰাৰ নিমিত্তে তোমোলাকে শাস্তি পাই ধৈৰ্য্যেৰে যদি
সহি থাকা, তেন্তে তাত কি প্ৰশংসা আছে? কিন্তু সজ কৰ্ম্ম কৰাতে দুঃখ
ভোগ হলে তাক যদি সহন কৰা, সেয়ে ঈশ্বৰৰ আগত গ্ৰাহ্য। ২১ আৰু
তাৰ নিমিত্তেও তোমোলাক নিমন্ত্ৰণ হৈছা; কিয়নো তোমোলাকে যেন খ্ৰীষ্টৰ
খোজৰ চিনত যোৱা, এই নিমিত্তে তেওঁ আপুনি আমাৰ অৰ্থে দুঃখ ভোগ
পাই তোমোলাকক এক আৰ্হি দেখালে। ২২ তেৱেঁ কোনো পাপ কৰা
নাই, তেওঁৰ মুখে কোনো ছল কথা কোৱা নগল; ২৩ নিন্দিত হোৱাত
প্ৰতি নিন্দা নকৰিলে, দুঃখ পোৱাতো ডাবি নিদিলে; কিন্তু পৰমাৰ্থিক
সোধ কৰ্ত্তাৰ হাতত আপোনাক সোধাই দিলে। ২৪ আৰু আমি যেন পা-
পৰ সমন্ধে মৰা হৈ ধৰ্ম্মৰ সমন্ধে জীয়াই থাকোঁ, এই নিমিত্তে তেওঁ কাঠৰ
ওপৰে আপোনাৰ শৰীলত আমাৰ পাপৰ ভাৰ বলে; তেওঁৰ কোবৰ
দ্বাৰাই তোমোলাক স্বস্থ কৰা হৈছা। ২৫ কিয়নো তোমোলাক অপথে
যোৱা মেৰৰ নিচিনা আছিলা, কিন্তু এতিয়া তোমোলাকৰ আত্মাৰ পালক
আৰু ৰক্ষকৰ ওচৰলৈ পালটি আহিলা।

## ৩ অধ্যায়।

হে তিৰতাবিলাক, তোমোলাকৰ কোনোৰ স্বামীএ যদি ঈশ্বৰৰ বাক্য নেমানে,
তেন্তে তোমোলাকৰ ভয়ৰ শুচি আচৰণ দেখি বাক্য বিনে ভাৰ্য্যাৰ আচ-
ৰণৰ দ্বাৰাই ধৰ্ম্মলৈ যেন মতি কৰা হয়, ২ এই নিমিত্তে তোমোলাকে

আপোন আপোন স্বামীৰ বশ হোৱা। ৩ চুলিৰ বেশ, সোণৰ অলঙ্কাৰ,
আৰু সুন্দৰ বস্ত্ৰ পিন্ধা, এনে বাহ্যৰ ভূষণ তোমোলাকৰ ভূষণ নহৈ, ৪ ঈশ্বৰৰ
আগত বহু মূল্য হোৱা নম্ৰ আৰু শান্তিযুক্ত মনৰ যি ভিতৰৰ স্বভাও,
সেয়ে তোমোলাকৰ অবিনাশী ভূষণ হওক। ৫ আগৰ কালত যি পবিত্ৰ
তিৰতাই ঈশ্বৰত বিশ্বাস কৰিলে, সিবিলাকেও আপোন আপোন স্বামীৰ
বশবৰ্ত্তী হৈ, এই প্ৰকাৰে আপোনাক বিভূষিত কৰিলে। ৬ সেই ৰূপে চা-
ৰাই আব্ৰাহামক প্ৰভু বুলি তেওঁৰ আজ্ঞা মানিলে; তোমোলাকেও কোনো
ভয়েৰে বিচুৰ্ত্তি নহৈ সুকৰ্ম্ম কৰিলে, তেওঁৰ জীয়াৰী হৈছা। ৭ হে পুৰুষবিলাক,
তিৰী লোক তোমোলাকতকৈ নিৰ্ব্বলী পাত্ৰ আৰু পৰম আয়ুষৰ অনুগ্ৰহৰ
লগৰ ভাগী হোৱা জানি, তোমোলাকৰ প্ৰাৰ্থনা যেন নিবাৰণ নহয়, এই নি-
মিত্তে সিবিলাকে সৈতে জ্ঞানৰ মতে বসতি কৰি সিবিলাকক সমাদৰ কৰা।
৮ শেষতে তোমোলাক সকলো একে মন, আৰু পৰৰ দুঃখত দুঃখী,
ইজনে সিজনলৈ কৃপাৱন্ত হৈ, ভাইবিলাকৰ নিচিনাকৈ চেনেহা চেনেহী কৰি
মৰমিয়াল আৰু নম্ৰ ভাও হোৱা। ৯ হিংসাৰ প্ৰতিৰোধে হিংসা, আৰু
নিন্দাৰ প্ৰতিৰোধে নিন্দা নকৰি, তোমোলাক আশীৰ্ব্বাদৰ পাত্ৰ হবলৈ
নিমন্ত্ৰণ কৰা হৈছা, ইয়াকে জানি আশীৰ্ব্বাদ কৰা। ১০ কিয়নো যি
জনে আয়ুষ প্ৰীতি কৰি সুখ ভোগেৰে কাল নিয়াব খোজে, সি কুকথাৰ
পৰা আপোনাৰ জিবা, আৰু ভাণ্ডনা কথাৰ পৰা আপোনাৰ ওঁঠক
ৰাখি থাকোক। ১১ দুষ্ট কৰ্ম্ম ত্যাগ কৰি সজ কৰ্ম্ম কৰোক; কুশল বি-
চাৰি তাতে প্ৰবৰ্ত্তি থাকোক। ১২ ধৰমী লোকলৈ প্ৰভুৰ চকু, আৰু
সিবিলাকৰ প্ৰাৰ্থনালৈ তেওঁ কাণ পাতি আছে; কিন্তু কুকৰ্ম্ম কৰাবিলা-
কলৈ প্ৰভুৰ মুখ বিৰোদ্ধ হৈ আছে। ১৩ তোমোলাকে যদি উত্তম আচ-
ৰণ প্ৰবৰ্ত্তা, তেন্তে কোনে তোমোলাকক বিঘিনি কৰিব পাৰে? ১৪ আৰু
যদি ধৰ্ম্মৰ নিমিত্তে দুঃখ ভোগ কৰা হোৱা, তেও তোমোলাক ধন্য; এই
হেতুকে সিবিলাকৰ ভয়েৰে ভয় নকৰিবা আৰু ব্যাকুল নহবা; ১৫ কিন্তু
মনেৰে প্ৰভু পৰম ঈশ্বৰক পবিত্ৰ কৰি মানিবা। তোমোলাকৰ হৃদয়ত
থকা আশাৰ কাৰণ যি কোনোএ সোধে, নম্ৰ আৰু ভয় মনেৰে তাক
উত্তৰ দিবলৈ সাষ্টম হোৱা। ১৬ আৰু যিবিলাকে খ্ৰীষ্টৰ ধৰ্ম্মৰ মতে তো-
মোলাকৰ সজ আচৰণৰ দুৰ্নাম কৰে, সিবিলাকে তোমোলাকক দুৰাচাৰী
বুলি দোষ দিয়াত লাজ যেন পাই, এই নিমিত্তে তোমোলাকে নিৰ্দুষী মন
ৰাখিবা। ১৭ কুকৰ্ম্ম কৰি দুঃখ ভোগ পোৱাতকৈ সুকৰ্ম্ম কৰাত, ঈশ্বৰৰ
ইচ্ছা হলে, দুঃখ ভোগ কৰা ভাল। ১৮ কিয়নো ঈশ্বৰে সৈতে আমাক
মিল কৰাবৰ নিমিত্তে খ্ৰীষ্ট আপুনি পৰমাৰ্থিক হৈ অপৰমাৰ্থিকইতৰ
অৰ্থে এবেলি পাপৰ দণ্ড ভোগ কৰিলে; আৰু শৰীলৰ বধ হৈ আত্মাৰে
জীয়াই আছিল; ১৯ সেই আত্মাৰ দ্বাৰাই তেওঁ গৈ কয়দত থোৱা আত্মা-

বিলাকৰ আগত বাক্য কীৰ্ত্তন কৰিলে। ২০ নোহাৰ দিনত জাহাজ যুগুত
কৰোঁতে যি সময়ত ঈশ্বৰে ধৈৰ্য্যেৰে সহন কৰি থাকিল, সেই আগৰ কা-
লত সিবিলাকে আজ্ঞা নমনা হৈ আছিল; সেই জাহাজত অলপমান মানুহ
অৰ্থাৎ আঠ জন মাথোন জলৰ দ্বাৰাই ৰক্ষা পোৱা হৈছিল। ২১ আৰু
তাৰ উপমা হৈ এই বৰ্ত্তমান কালত বুৰ দিওৱা, অৰ্থাৎ শৰীলৰ মলী গুছুৱা
নহয়, ঈশ্বৰৰ আগত শুদ্ধ মনৰ প্ৰমাণ যি বুৰ দিওৱা, সেয়ে য়ীশু খ্ৰীষ্টৰ
উঠানৰ দ্বাৰাই আমাক ৰক্ষা কৰিছে। ২২ তেৱেঁ স্বৰ্গলৈ উঠি ঈশ্বৰৰ সোঁ
ফালে থাকি আছে; আৰু দূতবিলাক, শাসন কৰ্ত্তা, আৰু পৰাক্ৰমীবোৰ
তেওঁৰ বশ হৈ আছে।

## ৪ অধ্যায়।

এই ৰূপে খ্ৰীষ্টে আমাৰ নিমিত্তে শৰীলত মৰণ ভোগ কৰা হেতুকে তোমো-
লাকে তেওঁৰ একে মনেৰে আপোনাক সজোৱা কৰা। ২ কিয়নো যি জনে
শৰীলত মৰণ ভোগ কৰিলে, সি পাপৰ পৰা মুকুত হৈছে; তাতে সি মানু-
হৰ অভিলাষৰ দৰে নহয়, ঈশ্বৰৰ ইচ্ছাৰ দৰে আয়ুষৰ অৱশেষ দিন নিয়াই।
৩ কাম, অভিলাষ, সুৰা পান, ৰঙ্গ ধেমালি, ৰাগীৰ ভোজ, আৰু ঘিণ
লগীয়া দেওপূজা, এই সকলো ব্যৱহাৰ কৰি দেওপূজকৰ ইচ্ছাৰ দৰে কৰ্ম্ম
কৰাত আমাৰ আয়ুষৰ যিমান কাল গল, সেয়ে যোৰে। ৪ তোমোলাকে
এনে অতি অকৰ্ম্মত মগ্ন হবলৈ একে লগে নোযোৱা দেখি; সিবিলাকে
আশ্চৰিত মানি নিন্দা কৰে। ৫ জীয়া আৰু মৰা লোকৰ সোধ কৰিবলৈ
যুগুত হোৱা যি জন, তেওঁৰ আগত সিহঁতে আপোন আপোন কৰ্ম্মৰ লেখ
দিব লাগিব। ৬ আৰু মৃত্যু হোৱা যি লোক, সিবিলাকে শৰীলৰ কথাত
মানুহ সকলৰ লগত সোধ কৰা হৈ, আত্মাৰ কথাত ঈশ্বৰৰ লগত যেন জীৱন
পাই, এই নিমিত্তে সিবিলাকৰ আগতো শুভবাৰ্ত্তা কীৰ্ত্তন কৰা হৈছিল।
৭ সকলৰো শেষ ওচৰ চাপিছে; এই হেতুকে সাৱধান হৈ প্ৰাৰ্থনা কৰাত
চেতনা হৈ থাকা। ৮ বিশেষকৈ আপোনাৰ মাজত ইটে সিটে অতিশয়
প্ৰীতি কৰা; কিয়নো প্ৰীতিএ অনেক পাপ ঢাকে। ৯ ইজনে সিজনক
বোল মাত নকৰাকৈ আলহি ব্যৱহাৰ কৰা। ১০ আৰু ঈশ্বৰৰ অনেক বিধ
অনুগ্ৰহৰ উত্তম ভঁৰালিৰ নিচিনা তোমোলাক প্ৰতি জনে যি ৰূপে অনুগ্ৰহ
দান পাইছা, সেই ৰূপে তাৰে আনবিলাকক উপকাৰ কৰা। ১১ কো-
নোএ যদি কথা কয়, সি ঈশ্বৰৰ বাক্যৰ মতে কওক; কোনোএ যদি উপ-
কাৰ কৰে, ঈশ্বৰে দিয়া শক্তিৰ দৰে সি উপকাৰ কৰোক; তাতে সকলো
কথাত য়ীশু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰৰ মহিমা প্ৰকাশ হব; সেই খ্ৰীষ্টৰ গৌ-
ৰৱ আৰু পৰাক্ৰম সদা সৰ্ব্বদায় প্ৰকাশ হওক। আমেন।

১২ হে প্ৰিয়বিলাক, তোমোলাক যি অগ্নি ৰূপ তাৰণাৰে পৰীক্ষা কৰা
হৰা, তাক আশ্চৰ্য্যৰত ঘটনা ভাবি বিস্ময় নেমানিবা; ১৩ কিন্তু খ্ৰীষ্টৰ
দুঃখৰ ভাগী হোৱাত আনন্দ কৰা; তাতে তেওঁৰ মহিমা প্ৰকাশ হবৰ
কালত তোমোলাকেও অতি আনন্দেৰে আনন্দিত হবা । ১৪ আৰু যদি
খ্ৰীষ্টৰ নামৰ নিমিত্তে নিন্দা পোৱা, তেন্তে তোমোলাকে সুখীয়া; ঈশ্বৰৰ
প্ৰভাও [আৰু মহিমাযুক্ত] আত্মা তোমোলাকৰ ওপৰত নিবাস কৰে;
তেওঁ সিহঁতৰ মাজত নিন্দিত হলেও তোমোলাকৰ মাজত ধন্যবাদ কৰা হৈ-
ছে । ১৫ কিন্তু তোমোলাকৰ কোনোএ যেন বধ কৰোঁতা, বা চোৰ, বা
দুৰাচাৰী, বা লোকৰ কথা চৰ্চ্চাত শাস্তি ভোগ নকৰোক । ১৬ কিন্তু
খ্ৰীষ্টীয়ান হোৱা হেতুকে যদি দুঃখ পাই, তেন্তে লাজ পোৱা নহৈ তাৰ
কাৰণে ঈশ্বৰক স্তুতি কৰোক । ১৭ ঈশ্বৰৰ মন্দিৰত দণ্ড দিয়া আৰম্ভণৰ
কাল হৈছে; আৰু যদি আমাক প্ৰথমতে দণ্ড দিয়া হৈছে, তেন্তে যিবি-
লাকে ঈশ্বৰৰ শুভবাৰ্ত্তা নেমানে, সিবিলাকৰ শেষ গতি কি হব? ১৮ ধৰ-
মী লোকৰে পৰিত্ৰাণ যদি দুসাধ্য হয়, তেন্তে অধৰমী আৰু পাপিষ্ঠ
লোক কোন ঠাইত পোৱা যাব? ১৯ এই হেতুকে যিবিলাকে ঈশ্বৰৰ ইচ্ছাৰ
দৰে দুঃখ ভোগ কৰে, সিবিলাকে সজ কৰ্ম্ম কৰি আপোনাৰ আত্মাক
বিশ্বাসী সৃষ্টি কৰ্ত্তাৰ হাতত সমৰ্পন কৰোক ।

## ৫ অধ্যায় ।

খ্ৰীষ্টৰ দুঃখ ভোগৰ সাক্ষী আৰু প্ৰকাশ হব লগা ঐশ্বৰ্য্যৰ ভাগী যি
ময়, ময়ো এজন বৃদ্ধ লোক হৈ তোমোলাকৰ বৃদ্ধ লোকক এই মিনতি কৰি-
ছোঁ, ২ তোমোলাকৰ লগত ঈশ্বৰৰ যি ঝাক, তাক পোহণ পালন কৰা;
আৰু বলেৰে তাৰ ৰখিয়া নহৈ ইচ্ছা মতে তাক ৰক্ষা কৰা; কুচিত ধনৰ
অৰ্থেও নহয়, কিন্তু তুষ্ট মনেৰে কৰা; ৩ আৰু আধিপত্যৰ গৰাকী নহৈ
ঝাকৰ আগত আদৰ্শ হোৱা । ৪ তাতে প্ৰধান ৰক্ষক প্ৰকাশ হোৱা কা-
লত তোমোলাকে ঐশ্বৰ্য্যৰ অবিনাশৰ কিৰীটী পাবা ।

৫ হে ডেকা লোক, তোমোলাক বৃদ্ধ লোকৰ বশ হোৱা; আৰু সক-
লোএ ইজনে সিজনৰ বশবৰ্ত্তী হৈ নম্ৰ মনেৰে বিভূষিত হোৱা; কিয়নো
ঈশ্বৰে অহঙ্কাৰীক বিৰোদ্ধ কৰি নম্ৰ লোকক অনুগ্ৰহ কৰে । ৬ আৰু
ঈশ্বৰে উচিত কালত তোমোলাকক যেন ওখ কৰে, এই নিমিত্তে আ-
পোনাবিলাকক তেওঁৰ বলৱন্ত হাতৰ অধীন কৰি নম্ৰ হোৱা । ৭ আৰু
তোমোলাকৰ সকলো চিন্তাৰ ভাৰ তেওঁৰ ওপৰত দিয়া; কিয়নো তেওঁ
তোমোলাকৰ হিতলৈ চিন্তা কৰিছে । ৮ সাৱধান হৈ জগি থাকা; গুজ-
ৰি থকা সিংহৰ নিচিনাকৈ তোমোলাকৰ শত্ৰু ভূত ৰজাই কোনো কোনো

কে খাবৰ নিমিত্তে বিচাৰি ফুৰিছে । ৯ তোমোলাকে ধৰ্ম্মত থিৰ হৈ
তাক নিবাৰণ কৰা; জগতত থকা তোমোলাকৰ ভায়াবিলাকেও এই ৰূপে
দুঃখ ভোগ কৰি আছে, তাকো তোমোলাকে জানা । ১০ আৰু অলপ
কাল দুঃখ ভোগৰ পাছে সকলো অনুগ্ৰহ দিয়া যি ঈশ্বৰে অনন্ত ঐশ্বৰ্য্য
লৈ আমাক নিমন্ত্ৰণ কৰিলে, তেৱেঁ তোমোলাকক সিদ্ধি আৰু থিৰ, বলৱন্ত
আৰু অলৰ কৰোক । ১১ তেওঁৰ মহিমা আৰু পৰাক্ৰম সদা সৰ্ব্বদায়
প্ৰকাশ হওক । আমেন ।

১২ তোমোলাকে যি অনুগ্ৰহ পাই থিৰে আছা, সেয়ে ঈশ্বৰৰ স্বৰূপ
অনুগ্ৰহ, ইয়াতে মিনতিকৈ প্ৰমাণ দি, যি চিলাক বিশ্বাসী ভাই জানি-
ছোঁ, তেওঁৰ হতুৱাই এই পত্ৰ সংক্ষেপ কৰি লিখি পঠাইছোঁ । ১৩ বা-
বেলত থকা লগৰ মনোনীত লোক আৰু মোৰ পুত্ৰ মাৰ্কে তোমোলাকক
নমস্কাৰ জনাইছে । ১৪ প্ৰীতিৰ চুমাৰে তোমোলাকে ইজনে সিজনে নমস্কাৰ
কৰা । য়ীশু খ্ৰীষ্টত আশ্ৰয় লোৱা সকলোৰে ওপৰত কুশল হওক ।
[আমেন ।]

# পিতৰৰ দ্বিতীয় পত্ৰ ।

## ১ অধ্যায় ।

আমাৰ নিচিনাকৈ যিবিলাকে আমাৰ ঈশ্বৰ আৰু ত্ৰাণ কৰ্ত্তা
য়ীশু খ্ৰীষ্টৰ পুণ্যৰ দ্বাৰাই অমূল্য বিশ্বাস পোৱা
হৈছে, সিবিলাকলৈ য়ীশু খ্ৰীষ্টৰ সেৱক আৰু পাঁচনি চিমোন পিতৰে
পত্ৰ লিখিছে । ২ ঈশ্বৰ আৰু আমাৰ প্ৰভু য়ীশুৰ কথাৰ জ্ঞানৰ দ্বাৰাই
তোমোলাকলৈ অনুগ্ৰহ আৰু সান্ত্বনা অধিক ৰূপে দিয়া হওক ।

৩ যি জনে আমাক গৌৰৱ আৰু সাহ কৰ্ম্মলৈ নিমন্ত্ৰণ কৰিছে, তেওঁক
জনাৰ দ্বাৰাই তেওঁৰ ঈশ্বৰীয় শক্তিএ পৰম আয়ুষ আৰু ঈশ্বৰৰ সেৱাৰ
যোগ্য সকলোকে আমাক দিছে । ৪ তাতে কুঅভিলাষৰ দ্বাৰাই সংসা-
ৰত যি দুষ্ট কৰ্ম্ম আছে, তাৰ পৰা ৰক্ষা পাই তোমোলাক যেন ঈশ্ব-
ৰীয় স্বভাৱৰ ভাগী হোৱা, এই নিমিত্তে অতি উত্তম আৰু অমূল্য প্ৰতিজ্ঞা-
বিলাক দিয়া হৈছে । ৫ এই হেতুকে তোমোলাকে অতি যত্ন কৰি বিশ্বা-
সত সাহ, আৰু সাহত জ্ঞান, ৬ আৰু জ্ঞানত নিয়ম ভোগ, আৰু নিয়ম
ভোগত ধৈৰ্য্য, আৰু ধৈৰ্য্যত ঈশ্বৰৰ সেৱা, ৭ আৰু ঈশ্বৰৰ সেৱাত ভায়াৰ
স্নেহ, আৰু ভায়াৰ স্নেহত প্ৰেম, এই সকলোকে সংযোগ কৰা । ৮ এই

সকলো তোমোলাকৰ হৃদয়ত থাকি বাঢ়ি বাঢ়ি গলে, আমাৰ প্ৰভু য়ীশু
খ্ৰীষ্টৰ কথাৰ জ্ঞানত তোমোলাকক এলেহুৱা আৰু নিষ্ফল নকৰাব । ৯ কিন্তু
যাৰ এইবিলাক নাই, সি কণা হৈ চকুএ দেখিব নোৱাৰে, আৰু আপো-
নাৰ আগৰ পাপৰ পৰা শুচি কৰা হৈছে, ইয়াক পাহৰিলে । ১০ এই
হেতুকে, হে ভাইবিলাক, তোমোলাকে আপোনাৰ আমন্ত্ৰণ আৰু মনো-
নাত হোৱাকে থিৰ কৰিবলৈ যত্ন কৰা; তাকে কৰিলে তোমোলাকে কে-
তিয়াও পতিত নহবা, ১১ কিন্তু আমাৰ ত্ৰাণ কৰ্ত্তা প্ৰভু য়ীশু খ্ৰীষ্টৰ অনন্ত
ৰাজ্যত তোমোলাকক সোমাবৰ সাধনা বহুল ৰূপে দিয়া হব ।

১২ তোমোলাকে এই সকলো কথা জানি বৰ্ত্তমান সত্য ধৰ্ম্মত থিৰ
হৈ থাকিলেও, তোমোলাকক তাকে সদাই সোঁৱৰাবলৈ ময় এলেহুৱা নহম ।
১৩ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টে যেনেকৈ মোক দেখালে, সেই ৰূপে ময়
অলপতে এই (শৰীল) তাম্বু ত্যাগ কৰিব লগা, ১৪ ইয়াকে জানি যিমান
দিন এই তাম্বুত থাকোঁ, তিমান দিন তোমোলাকক সোঁৱৰণ কৰি উদগাই
থকা, ময় উচিত বুজিছোঁ । ১৫ আৰু মোক পৰলোকত পোৱাৰ পাছে এই
কথা তোমোলাকৰ মনত সদাই যেন থাকে, এনে উপায় কৰিবলৈ যত্ন
কৰিম । ১৬ আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ পৰাক্ৰম আৰু অহাৰ কথা তো-
মোলাকত জনাওঁতে বুদ্ধিৰে সজা সাধু কথাৰে নচলি, তেওঁৰ মহিমা আপু-
নি দেখা সাক্ষী হৈ কলোঁ । ১৭ যি জনত মোৰ পৰম সন্তোষ, মোৰ সেই
প্ৰিয় পুত্ৰ এই, এনে আকাশী বাণী তেজস্বী মহিমাৰ পৰা তেওঁলৈ অহাত,
পিতৃ ঈশ্বৰৰ পৰা মৰ্য্যতা আৰু গৌৰও পালে । ১৮ সেই কালত তেওঁৰে
সৈতে পবিত্ৰ পৰ্ব্বতত থাকি স্বৰ্গৰ পৰা ওলোৱা সেই আকাশী বাণী আমি
শুনিলোঁ । ১৯ আৰু তাতকৈয়ো আমাৰ আৰু দৃঢ় কথা অৰ্থাৎ ভবিষ্যত
বাক্য আছে; এই নিমিত্তে ৰাতি নুপুৱাই আৰু তোমোলাকৰ মনত ভোটা
তৰা নোলাই মানে, এন্ধাৰৰ ঠাইত পহৰ দিয়া দীপ্তিৰ নিচিনাকৈ সেই
ভবিষ্যত বাক্য মানি, তাত সাৱধান কৰা তোমোলাকৰ উচিত । ২০ কা-
ৰো আপোনাৰ মনৰ পৰা শাস্ত্ৰত লিখা কোনো ভবিষ্যত বাক্যৰ অৰ্থ
নহয়, ইয়াক বিশেষকৈ তোমোলাকে জানিবা; কিয়নো আগৰ কালত মা-
নুহৰ ইচ্ছাৰে ভবিষ্যত বাক্য পোৱা নাছিল; কিন্তু ঈশ্বৰৰ পবিত্ৰ লোকে
পবিত্ৰ আত্মাৰ দ্বাৰাই মতি হৈ, ভবিষ্যত বাক্য কৈছিল ।

## ২ অধ্যায় ।

কিন্তু আগেয়ে যেনেকৈ লোকবিলাকৰ মাজত ভাঁৰি কোৱা ভবিষ্যত বক্তা-
বিলাক আছিল, তেনেকৈ তোমোলাকৰ মাজতো ভাঁৰি কোৱা উপদেশক
হব; সিবিলাকক কিনা যি পভু, তেওঁক আসৈ কৰি সিহঁতে গুপুত ভাৱে

সৰ্ব্বনাশ কৰা বিধৰম আচাৰ কৰাত আপুনি আপোনাবিলাকৰ ওপৰত
বেগাই বিনাশ অনাব। ২ আৰু অনেকে সিইঁতৰ দুৰাচাৰ কৰ্ম্ম আচৰাত
সিইঁতৰ দ্বাৰাই সত্য পথ নিন্দা হব। ৩ সিইঁতে লুভীয়া মনেৰে ভাগুনা
কথাৰে সৈতে তোমোলাকৰ পৰা লাভ কৰিব; কিন্তু ভালে দিনৰে পৰা
হোৱা সিইঁতৰ দণ্ড আজ্ঞা পলম নকৰিব, আৰু সিইঁতৰ বিনাশ টোপনি-
য়াই নেথাকিব। ৪ কিয়নো ঈশ্বৰে পাপী দূতবিলাকক খেমা নকৰি নৰকত
পেলাই এন্ধাৰৰ শিকলিৰে বন্ধন কৰি সোধৰ নিমিত্তে ৰাখিলে; ৫ আৰু
পুৰণি জগতকো দায়া নকৰি ধৰ্ম্ম কীৰ্ত্তন কৰোঁতা নোহা অষ্টম মানুহক
ৰক্ষা কৰি পাপিষ্ঠ লোকক জগতৰ ওপৰত পানী অনাই বুৰালে। ৬ পাছে
চিদোম আৰু আমোৰা নগৰবোৰ ভস্ম কৰি বিনাশৰ দণ্ড আজ্ঞা দি, আ-
গলৈ যি লোকে পাপ আচৰিব, সিইঁতলৈ সেই নগৰবোৰ আৰ্হি কৰি দে-
খালে; ৭ কিন্তু সেই দুৰাচাৰ পাপ কৰ্ম্মেৰে দুখিত হোৱা যি পৰমাৰ্থিক
লোট, তেওঁক ৰক্ষা কৰিলে। ৮ কিয়নো সেই ধৰমী মানুহ সিইঁতৰ মাজত
থাকোঁতে সিইঁতৰ পাপ আচৰণ দেখি শুনি দিনে দিনে মনৰ অতি সন্তাপ
পালে। ৯ এই ৰূপে প্ৰভুএ আপোনাক সেৱা কৰা লোকক পৰীক্ষাৰ পৰা
উদ্ধাৰ কৰিবলৈ, আৰু পৰমাৰ্থিক, বিশেষকৈ যিবিলাকে শৰীলৰ সুখৰ
নিমিত্তে অশুচি কৰ্ম্মৰ অভিলাষ আচৰণ কৰি শাসন কৰ্ত্তাবিলাকক হেলা
কৰে, সিইঁতক দণ্ডৰ নিমিত্তে সোধৰ দিনলৈকে ৰাখিবলৈ জানে। ১০ সিইঁত
কুসাহিয়াল আৰু আপোন ইচ্ছাৰে আচৰোঁতা হৈ, বিষয়া সকলৰ বিৰোদ্ধে
নিন্দা কৰিবলৈ ভয় নকৰে। ১১ কিন্তু সিইঁততকৈ বলৱন্ত আৰু পৰাক্ৰমী হোৱা
ঈশ্বৰৰ দূতবিলাকেও প্ৰভুৰ আগত সিইঁতৰ বিৰোদ্ধে নিন্দা অপবাদ নিদিএ।
১২ যি স্বভাবিক অজ্ঞানী পহুবোৰ ধৰি নষ্ট কৰিবৰ কাৰণে সৃজন হৈছে,
সিইঁতৰ নিচিনা এই লোকবিলাকে যিহক নুবুঝে, তাক নিন্দা কৰি আ-
পোন আপোন অধৰ্ম্মৰ ফল পাই, আপোনাৰ দুষ্ট আচৰণত নষ্ট হব।
১৩ দিনতো দুৰাচাৰ কৰি তাক সুখ ভোগ মানে, আৰু তোমোলাকে সৈতে
ভোজন পান কৰোঁতে চেকা আৰু দাই হৈ আপোনাৰ ভ্ৰমত আনন্দ পাই।
১৪ যি চকুএ পৰতিৰীত আসক্ত হৈ পাপ আচৰণ কৰিবলৈ নেৰে, এনে
চকু থকা হৈ, আৰু লুভীয়া মনেৰে নিপুণ হৈ, সিইঁতে অথিৰ মন হো-
ৱাবিলাকক ভুল কৰাই শাও পোৱা প্ৰজা হয়! ১৫ সিইঁতে পোন পথ এৰি
পাপৰ বেচলৈ ইচ্ছা কৰা বিওৰৰ পুতেক বিলিয়মৰ অপথে ভ্ৰমী গৈছে।
১৬ কিন্তু সি আপোনাৰ অপৰাধৰ নিমিত্তে দুষী কৰা হল, কিয়নো আঁক-
ৰা পহুএ মানুহৰ ভাষাৰে কথা কৈ ভবিষ্যত বক্তাৰ বলিয়া কৰ্ম্ম নিষেধ
কৰিলে। ১৭ সেই মানুহবোৰ পানী নথকা নাদ, আৰু ধুমুহা বতাহে
চলাই নিয়া মেঘৰ নিচিনা, সিইঁতৰ নিমিত্তে অনন্ত কাললৈকে ঘোৰ
এন্ধাৰ সাঁচি থোৱা হৈছে। ১৮ সিইঁতে অহঙ্কাৰেৰে অনৰ্থক কথা কৈ ভ্ৰম

আচৰাবোৰেৰ মাজৰ পৰা প্ৰায়ে মুকুত হোৱাবিলাককো শৰীলৰ সুখ অভি-
লাষ আৰু কাম ক্ৰীড়াৰ দ্বাৰাই লোভ দেখাই দি ভুলাই । ১৯ সিবিলা-
কক মুক্তিৰ প্ৰতিজ্ঞা কৰিও সিহঁত আপুনি অশুচি কৰ্ম্মৰ বন্দী হয়; কি-
য়নো কোনো মানুহ যিহেৰে পৰাজয় হয়, সি তাৰ বন্দী কৰা হল । ২০ সিবি-
লাকে ত্ৰাণ কৰ্ত্তা প্ৰভু য়ীশু খ্ৰীষ্টৰ জ্ঞানৰ দ্বাৰাই এবেলি সংসাৰৰ অশু-
চি কৰ্ম্মৰ হাত সাৰি, পাছে আকও তাৰ বন্দী হৈ পৰাজয় কৰা হলে,
তেন্তে আগতকৈয়ো সিহঁতৰ শেষ গতি বেয়া । ২১ কিয়নো এবেলি ধৰ্ম্ম
পথ জানি, সিহঁতক দিয়া পবিত্ৰ আজ্ঞাৰ পৰা আকও ওলটাতকৈ সেই
ধৰ্ম্ম পথ নেজানি থকাই ভাল। ২২ কিন্তু কুকুৰে আপোনাৰ বাঁতি খাব-
লৈ, আৰু ধুউৱা গাহৰিএ বোকাত লেটি লবলৈ আকও উলটি যাই, এই স্বৰূপ
পটন্তৰ সিহঁতত ঘটিছে ।

## ৩ অধ্যায় ।

হে প্ৰিয়বিলাক, তোমোলাকে পবিত্ৰ ভবিষ্যত বক্তা সকলৰ দ্বাৰাই পূৰ্ব্বে
কোৱা কথা, আৰু ত্ৰাণ কৰ্ত্তা প্ৰভুৰ পাঁচনি যি আমি, আমাৰ আজ্ঞাও
যেন মনত ৰাখা, ২ এই নিমিত্তে ময় তোমোলাকৰ অকপট মন উদগাবলৈ
তোমোলাকলৈ এই দ্বিতীয় পত্ৰ লিখিছোঁ। ৩ প্ৰথমে ইয়াকে জানিবা, শেষ
কালত আপোনাৰ কুঅভিলাষৰ দৰে আচৰণ কৰি অতি নিন্দক লোক
ওলাই ইয়াকে বুলিব, ৪ প্ৰভু অহাৰ প্ৰতিজ্ঞা কি হল? কিয়নো পিতৃ
লোক নিদ্ৰাত পৰিবৰে পৰা সৃষ্টিৰ আদিতে সকলো যেনে আছিল, এতি-
য়াও তেনেই আছে। ৫ কিন্তু পূৰ্ব্বে আকাশ মণ্ডল, আৰু জলৰ পৰা
ওলোৱা আৰু জলতে থকা থাপন হোৱা পৃথিবী ঈশ্বৰৰ বাক্যেৰে সৃজন
কৰা হৈছিল; ৬ আৰু তাৰ দ্বাৰাই সেই জগত জলপ্লাবিত হৈ নষ্ট হল,
ইয়াকে সিহঁতে ইচ্ছা মতে নজনা হৈ আছে। ৭ কিন্তু এই বৰ্ত্তমান আ-
কাশ মণ্ডল আৰু পৃথিবী তেওঁৰ বাক্যৰ দ্বাৰাই অধৰমী লোকৰ বিনাশ
হোৱা সোধৰ দিনলৈকে জুইৰ নিমিত্তে ৰাখি থোৱা হৈছে । ৮ তথাপি
হে প্ৰিয়বিলাক, প্ৰভুৰ আগত এদিন এহেজাৰ বছৰৰ নিচিনা, আৰু হে-
জাৰ বছৰো এদিনৰ নিচিনা হয়, এইটো কথা তোমোলাকে নজনা নহবা।
৯ কোনো লোকে যেনেকৈ পলম হোৱা জানে, তেনেকৈ প্ৰভুএ আপোনাৰ
প্ৰতিজ্ঞাৰ কথাত পলম কৰে, এনে নহয়; কাৰো যেন নষ্ট নহয়, কিন্তু
সকলোএ যেন মন পালটাই, ইয়াতে ইচ্ছা কৰি তেওঁ আমালৈ অতি সহ-
নীয় হৈছে । ১০ কিন্তু [ৰাতিত] চোৰৰ নিচিনা প্ৰভুৰ দিন আহিব;
সেই কালত মহা শবদেৰে আকাশ মণ্ডল গুছিব, আৰু অতি তাপেৰে মূল
বস্তু সকল পমি যাব, আৰু পৃথিবী তাৰ সকলো বস্তুএ সৈতে পোৰা যাব।

১১ এই সকলো যদি ঢুকুৱা যাব, তেন্তে যি দিনত আকাশ মণ্ডল জুইৰে
পুৰি ঢুকাব, আৰু মূল বস্তু সকলো অতি তাপেৰে পমি যাব, ১২ ঈশ্বৰৰ
এনে প্ৰকাশ হোৱা দিনলৈ বাট চাই যতন কৰি, সকলো ভাৱে পবিত্ৰ আ-
চৰণ আৰু ঈশ্বৰৰ সেৱাত কেনে লোক হোৱা তোমোলাকৰ উচিত! ১৩ কিন্তু
আমি তেওঁৰ প্ৰতিজ্ঞাৰ দৰে ধৰ্ম্ম থকা যি নতুন আকাশ মণ্ডল আৰু
নতুন পৃথিবী, এইবিলাকলৈ অপেক্ষা কৰি আছোঁ।

১৪ এই হেতুকে, হে প্ৰিয়বিলাক, তোমোলাকে এই সকলোকে অপেক্ষা
কৰা দেখি, নিচেকা আৰু নিৰ্দুষী হৈ তেওঁৰ পৰা শান্ত হৈ থকা যেন
পোৱা হবা, এই নিমিত্তে যতন কৰা। ১৫ আৰু আমাৰ প্ৰভুৰ অতি সহ-
নক পৰিত্ৰাণৰ কাৰণ বুলি জানা। আমাৰ প্ৰিয় ভাই যি পৌল, তেৱেঁ
আপোনাক ঈশ্বৰে দিয়া জ্ঞানৰ দৰে তোমোলাকলৈ এনে ৰূপে লিখিছে।
১৬ আৰু এই কথা তেওঁৰ সকলো পত্ৰতো কৈছে; তাতে কেতবিলাক কথা
দুৰ্গম হোৱাত অজ্ঞানী আৰু অথিৰ লোকবিলাকে আপোনাৰ বিনাশলৈ
আন শাস্ত্ৰৰ বচনৰ নিচিনাকৈ সেই কথাৰো অৰ্থান্তৰ কৰে। ১৭ হে প্ৰিয়-
বিলাক, তোমোলাকে এই কথা সকল আগেয়ে জনাত, পাপী লোকৰ
ভ্ৰমত ভুলুৱা হৈ আপোনাৰ থিৰ বিশ্বাসৰ পৰা যেন পতিত নোহোৱা,
এই নিমিত্তে সাৱধান কৰা। ১৮ আৰু আমাৰ প্ৰভু ত্ৰাণ কৰ্ত্তা যীশু
খ্ৰীষ্টৰ অনুগ্ৰহ আৰু জ্ঞানত বাঢ়ি বাঢ়ি যোৱা। তেওঁৰ মহিমা এতিয়াও
আৰু সৰ্ব্বদায় প্ৰকাশ হওক। আমেন।

# য়োহানৰ প্ৰথম পত্ৰ।

## ১ অধ্যায়।

জীৱনৰ যি বাক্য আদিৰে পৰা হৈছে, যি জনৰ কথা শুনি-
লোঁ, যি জনক চকুয়েৰে দেখিলোঁ, হাতেৰেও চুলোঁ,
(তেওঁৰ কথা কওঁ)। ২ কিয়নো যি অনন্ত জীৱন পিতৃ ঈশ্বৰে সৈতে থাকি,
পাছে আমাৰ আগত প্ৰকাশ হল, সেই প্ৰকাশ হোৱা জীৱনক দেখি
আমি প্ৰমাণ দি তোমোলাকক বুঝাই দেখাওঁ। ৩ আমাৰ লগত তোমো-
লাকৰ মিত্ৰ ভাও যেন হয়, সেই নিমিত্তে যিহকে দেখিলোঁ, শুনিলোঁ, তাকে
তোমোলাকক জনাওঁ; কিয়নো স্বৰূপেই পিতৃ আৰু তেওঁৰ পুত্ৰ যীশু
খ্ৰীষ্টে সৈতে আমাৰ মিত্ৰ ভাও হৈছে। ৪ আৰু তোমোলাকৰ আনন্দ যেন
পূৰ হয়, সেই কাৰণে এই সকলো কথা তোমোলাকলৈ লিখিছোঁ।

৫ যি বাৰ্ত্তা আমি তেওঁৰ পৰা শুনিলোঁ, আৰু যিহকে তোমোলকত
কৈছোঁ, সেয়ে এই, ঈশ্বৰ পহৰ হৈছে, আৰু এন্ধাৰ তেওঁত এফেৰিও
নাই । ৬ তেওঁৰে সৈতে আমাৰ মিত্ৰ ভাও আছে, ইয়াকে বুলি যদি আমি
এন্ধাৰত ফুৰিছোঁ, তেন্তে সত্য কৰ্ম্ম নকৰিব, মিছা কথাকে কোৱা হৈছোঁ ।
৭ কিন্তু তেওঁ যেনে পহৰত থাকে, তেনেকৈ আমিও যদি পহৰতে ফুৰিছোঁ,
তেন্তে আমাৰ ইজনে সিজনে সৈতে মিত্ৰ ভাও আছে; আৰু তেওঁৰ পুত্ৰ
য়ীশু খ্ৰীষ্টৰ তেজে সকলো পাপৰ পৰা আমাক নিৰ্ম্মল কৰিছে । ৮ আমাৰ
পাপ নাই, এনে কথা যদি বোলোঁ, আমি আপুনিএই আপোনাক ভুলাই-
ছোঁ, আৰু আমাৰ ভিতৰত সত্য নাই । ৯ কিন্তু আমি যদি আপোনাৰ
পাপ সৈ কাঢ়োঁ, তেন্তে ঈশ্বৰে আমাৰ পাপ খেমা কৰিবলৈ আৰু সক-
লো অধৰ্ম্মৰ পৰা আমাক শুচি কৰিবলৈ বিশ্বাসী আৰু ন্যায় কৰোঁতা
হৈছোঁ । ১০ আৰু আমি পাপ নকৰিলোঁ, ইয়াকে যদি বোলোঁ, তেন্তে
তেওঁক মিছাবাদী বোলা হয়, আৰু আমাৰ হৃদয়ত তেওঁৰ বাক্য নাই ।

## ২ অধ্যায় ।

হে মোৰ লৰাটিইঁত, তোমোলাকে যেন পাপ নকৰা, এই আশয়েৰে তো-
মোলাকলৈ এই কথা লিখিছোঁ; আৰু কোনোএ যদি পাপ কৰে, তেও
পিতৃৰ আগত য়ীশু খ্ৰীষ্ট পুণ্যৱন্ত জন আমাৰ সহায় আছে । ২ আৰু তেওঁ
কেৱল আমাৰ পাপৰ নিমিত্তে প্ৰায়শ্চিত্ত কৰা, এনে নহয়, সকলো জগতৰ
লোকৰ নিমিত্তে প্ৰায়শ্চিত্ত কৰ্ত্তা হৈছে । ৩ আমি তেওঁৰ আজ্ঞা যদি পা-
লন কৰোঁ, তেন্তে তেওঁক জানোঁ, ইয়াকে বুঝিছোঁ । ৪ কিন্তু তেওঁক জানোঁ,
ইয়াকে বুলি কোনোএ যদি তেওঁৰ আজ্ঞা পালন নকৰে, সি মিছাকে কয়,
আৰু তাৰ ভিতৰত সত্য নাই । ৫ যি কোনোএ তেওঁৰ বাক্য পালন কৰে,
তাৰ হৃদয়ত ঈশ্বৰৰ প্ৰেম স্বৰূপেই সিদ্ধি হয়; তাতে আমি ঈশ্বৰতে আছোঁ,
ইয়াকে জানোঁ । ৬ কিন্তু ময় তেওঁত থাকোঁ বুলি যি কোনোএ কয়, খ্ৰীষ্টে
যেনে আচৰণ কৰিলে, সিও তেনে আচৰণ কৰা উচিত ।
৭ হে প্ৰিয়বিলাক, ময় তোমোলাকলৈ কোনো নতুন আজ্ঞা লিখিছোঁ,
এনে নহয়, কিন্তু আদিৰে পৰা তোমোলাকে যি আজ্ঞা পালা, তাকে
লিখোঁ । তোমোলাকে আদিৰে পৰা যি বাক্য শুনিলা, সেয়ে পুৰণি আজ্ঞা ।
৮ তথাপি আৰু এক নতুন আজ্ঞা লিখোঁ; এয়ে তেওঁৰ আৰু তোমোলাকৰ
কথাতো সত্য হয়; কিয়নো এন্ধাৰ গুছি সত্য পহৰ এতিয়া প্ৰকাশ হৈছে ।
৯ ময় পহৰতে আছোঁ, এই বুলি কোনোএ যদি আপোন ভায়েকক ঘিণাই,
সি এতিয়ালৈকে এন্ধাৰতে আছে । ১০ যি জনে আপোনাৰ ভায়েকক প্ৰীতি
কৰে, সি পহৰতে থাকে; তাৰ কোনো বিঘিনি হোৱাৰ কাৰণ নাই ।

১১ কিন্তু যি কোনোএ আপোন ভায়েকক ঘিণ কৰে, সি এন্ধাৰতে আছে,
এন্ধাৰতো ফুৰে, আৰু এন্ধাৰে তাৰ চকু কণা কৰাত সি কলৈ যাই, তাকো
নেজানি এন্ধাৰতে ফুৰি আছে ।

১২ হে লৰাটিহঁত, তেওঁৰ নামৰ নিমিত্তে তোমোলাকৰ পাপ খেমা হৈছে,
এই হেতুকে তোমোলাকলৈ লিখিছোঁ । ১৩ হে পিতৃবিলাক, যি জন আ-
দিৰে পৰা হৈছে, তেওঁক চিনি আছা, এই হেতুকে তোমোলাকলৈ লিখিছোঁ ।
হে ডেকাবিলাক, তোমোলাকে পাপ আত্মাক জয় কৰা হোৱা, এই হেতু-
কে তোমোলাকলৈ লিখিছোঁ । হে প্ৰিয় লৰাহঁত, তোমোলাকে পিতৃক
চিনি আছা, এই হেতুকে তোমোলাকলৈ লিখিছোঁ । ১৪ হে পিতৃবিলাক,
যি জন আদিৰে পৰা হৈছে, তেওঁক চিনি আছা, এই হেতুকে তোমোলা-
কলৈ লিখিলোঁ । হে ডেকাবিলাক, তোমোলাক বলৱন্ত, আৰু তোমোলা-
কৰ মনত ঈশ্বৰৰ বাক্য থাকে, আৰু তোমোলাকে পাপ আত্মাক জয় কৰি-
ছা, এই নিমিত্তে তোমোলাকলৈ লিখিলোঁ । ১৫ তোমোলাকে সংসাৰ, বা
সংসাৰীক বস্তুত প্ৰীতি নকৰিবা; যি কোনোএ সংসাৰত প্ৰীতি কৰে, সেই
জনত ঈশ্বৰৰ প্ৰেম নেথাকে । ১৬ কিয়নো সংসাৰিক বিষয় সকল, অৰ্থাৎ
শৰীলৰ সুখ অভিলাষ, চকুৰ লোভ, জীৱন কালৰ অহঙ্কাৰ, এইবিলাক
পিতৃৰ পৰা নহয়, সংসাৰৰ পৰাহে হয় । ১৭ সংসাৰ আৰু তাৰ সুখ
অভিলাষ গুচি যাই; কিন্তু যি জনে ঈশ্বৰৰ ইষ্ট কৰ্ম্ম কৰে, সি সদাই
থাকিব ।

১৮ হে প্ৰিয় লৰাহঁত, শেষ কাল হৈছে; ভাঁৰি কোৱা খ্ৰীষ্ট ওলাব, তো-
মোলাকে এই যি কথা শুনিলা, সেই ৰূপে এতিয়াও হৈছে; তাৰে এই যে
শেষ কাল হয়, ইয়াক আমি জানোঁ । ১৯ সিহঁতে আমাৰ মাজৰ পৰা বা-
হিৰ হৈ গল, তথাপি সিহঁত আমাৰ মাজৰ হৈ নাছিল; কিয়নো আমাৰ
মাজৰ হোৱা হলে আমাৰ লগত থাকিলহেঁতেন; সিহঁত আমাৰ মাজৰ
নহয়, ইয়াক প্ৰকাশ কৰিবৰ নিমিত্তে বাহিৰে গল । ২০ কিন্তু পবিত্ৰ জনৰ
পৰা তোমোলাকৰ এক অভিষেক আছে, তাৰ দ্বাৰাই তোমোলাকে সক-
লো কথা জানা । ২১ তোমোলাকে যে সত্যক নেজানা, এই নিমিত্তে মই
তোমোলাকলৈ লিখিলোঁ, এনে নহয়; সত্যকে জানি আছা, আৰু সত্যৰ
মাজত কোনো মিছা নাই, এই নিমিত্তেহে লিখিলোঁ । ২২ যীশু যে (অভিষেক)
খ্ৰীষ্ট, ইয়াক যি জনে আসৈ কৰে, তাৰ বাহিৰে মিছা কোৱা কোন
আছে? সেই জনে পিতৃকো পুত্ৰকো আসৈ কৰি খ্ৰীষ্টৰ বিৰোধ হয় ।
২৩ যি জনে পুত্ৰক আসৈ কৰে, সি পিতৃকো অগ্ৰাহ্য কৰিলে; কিন্তু যি
জনে পুত্ৰক সৈ কাৰ্হে, সি পিতৃকো গ্ৰহণ কৰা হয় । ২৪ এই হেতুকে আ-
দিৰে পৰা তোমোলাকে যি কথা শুনিলা, সেয়ে তোমোলাকৰ হৃদয়ত থা-
কোক । ২৫ সেই আদিৰে পৰা শুনা কথা তোমোলাকৰ হৃদয়ত যদি থাকে,

তেন্তে তোমোলাকেও পিতৃত আৰু পুত্ৰতো থাকিবা । ২৬ প্ৰতিজ্ঞাৰে আ-
মালৈ তেওঁ যি প্ৰতিজ্ঞা কৰিলে, সেয়ে অনন্ত পৰম আয়ুষ । ২৭ যিবিলা-
কে তোমোলাকক ভুলাব খোজে, সিহঁতৰ অৰ্থে মই এইবিলাক কথা লি-
খিলোঁ । ২৮ তেওঁৰ পৰা তোমোলাকে যি অভিষেক পালা, সেয়ে তোমো-
লাকৰ ভিতৰে থকাত কোনো লোকে শিক্ষা দিবলৈ তোমোলাকৰ প্ৰয়ো-
জন নাই; সেই অভিষেকে সকলো কথাত তোমোলাকক যি শিকাই, সি
সত্য হয়, আৰু তাত কোনো মিছা নাই; এই হেতুকে সেয়ে যেনেকৈ শিক্ষা
দিছে, সেই ৰূপে তেওঁতে থাকা । ২৯ হে লৰাটিহঁত, এতিয়া তোমোলাকে
তেওঁত থাকা; তেন্তে তেওঁ যেতিয়া প্ৰকাশ হৈ আহিব, তেতিয়া আমি সা-
হিয়াল হম, আৰু তেওঁৰ অহা কালত তেওঁৰ আগত লাজ পোৱা নহম ।
৩০ আৰু তেওঁ ধৰমী, ইয়াক যদি জানা, তেন্তে যি কোনোএ ধৰ্ম্ম কৰ্ম্ম কৰে,
সি তেওঁৰ পৰা জন্ম পোৱা হয়, তাকো তোমোলাকে জানা ।

## ৩ অধ্যায় ।

দেখা, আমি যেন ঈশ্বৰৰ পুত্ৰ প্ৰখ্যাত হওঁ, ইয়াতে পিতৃএ আমাক কে-
নে ৰূপ প্ৰেম দান কৰিলে! কিন্তু জগতৰ লোকে তেওঁক জনা নাই, এই
হেতুকে আমাকো নেজানে । ২ হে প্ৰিয়বিলাক, এতিয়া আমি ঈশ্বৰৰ পুত্ৰ
হৈ আছোঁ; কিন্তু পাছে কি হম, সেয়ে এতিয়া প্ৰকাশিত নহয়; তথাপি
তেওঁ প্ৰকাশ হোৱা কালত আমি তেওঁৰ নিচিনা হম, ইয়াকে আমি জানোঁ;
কিয়নো তেওঁ যি ৰূপ হৈ আছে, তেওঁক দেখিবলৈ পাম । ৩ আৰু তেওঁ
যেনে পবিত্ৰ, তেওঁত সেই আশা কৰা প্ৰতি জনে আপোনাকে সেই ৰূপ
পবিত্ৰ কৰে । ৪ যি জনে পাপ কৰে, সি বিধান উলংঘন কৰে; কিয়নো
বিধান উলংঘনেই পাপ । ৫ আৰু তেওঁ আমাৰ পাপ গুছাবৰ নিমিত্তে
অৱতাৰ হৈ আহিল, আৰু তেওঁত কোনো পাপ নাই, ইয়াক তোমোলাকে
জানা । ৬ যি কোনোএ তেওঁত থাকে, সি পাপ আচৰণ নকৰে; যি কো-
নোএ পাপ আচৰণ কৰে, সি তেওঁক দেখা নাই, জনাও নাই । ৭ হে লৰা-
টিহঁত, কোনো মানুহে তোমোলাকক ভুলাবলৈ নিদিবা; যি কোনোএ ধৰ্ম্ম
আচৰণ কৰে, খ্ৰীষ্ট যেনে ধৰমী, সিও তেনে ধৰমী হয় । ৮ কিন্তু যি
কোনোএ পাপ আচৰণ কৰে, সি ছয়তানৰ সন্তান হয়; ছয়তানে আদিৰে
পৰা পাপ কৰি আছে; কিন্তু ছয়তানৰ কৰ্ম্ম বিনাশ কৰিবৰ নিমিত্তে
ঈশ্বৰৰ পুত্ৰ অৱতাৰ হৈছিল । ৯ যি কোনোএ ঈশ্বৰৰ পৰা জন্ম পাই, তাৰ
ভিতৰত ঈশ্বৰৰ বীজ থকাত সি পাপ আচৰণ নকৰে; ঈশ্বৰৰ পৰা জন্ম
পোৱা হেতুকে পাপ আচৰণ কৰিব নোৱাৰে । ১০ ইয়াতে ঈশ্বৰৰ সন্তান
কোন, আৰু ছয়তানৰ সন্তান বা কোন, তাক প্ৰকাশ কৰা হয় । যি জনে

ধৰ্ম্ম আচৰণ নকৰে, বা আপোনাৰ ভায়েকক প্ৰীতি নকৰে, সি ঈশ্বৰৰ
সন্তান নহয়। ১১ আমি ইটে সিটে যেন প্ৰীতি কৰোঁ, এই আজ্ঞা তোমো-
লাকে আদিৰে পৰা শুনি আছা। ১২ এই হেতুকে পাপ আত্মাৰ সন্তান
যি কইনে আপোনাৰ ভায়েকক বধ কৰিলে, তাৰ নিচিনা নহবা। সি
ভায়েকক কিয় বধ কৰিলে? কাৰণ, তাৰ আপোনাৰ কৰ্ম্ম অধৰমী, আৰু
ভায়েকৰ কৰ্ম্ম ধৰমী আছিল। ১৩ হে মোৰ ভাইবিলাক, জগতৰ লোকে
তোমোলাকক যদি ঘিণ কৰে, তাত বিস্ময় নেমানিবা। ১৪ আমি ভাইবি-
লাকক প্ৰীতি কৰা হেতুকে মৃত্যুৰ পৰা জীৱনলৈ পাৰ হলোঁ, ইয়াকে
জানোঁ। যি কোনোএ আপোন ভায়েকক প্ৰীতি নকৰে, সি মৃত্যুৰ বন্ধনত
থাকে। ১৫ যি কোনোএ আপোনাৰ ভায়েকক ঘিণাই, সি বধ কৰোঁতা
হয়; আৰু কোনো বধ কৰোঁতাৰ ভিতৰত অনন্ত পৰম আয়ুষ নেথাকে, ইয়াক
তোমোলাকে জানা। ১৬ তেওঁ আমাৰ নিমিত্তে যে আপোন প্ৰাণকো ত্যাগ
কৰিলে, ইয়াতে প্ৰেম দেখা যাই; এই হেতুকে আমিও ভাইবিলাকৰ নি-
মিত্তে আপোন আপোন প্ৰাণকো ত্যাগ কৰা উচিত। ১৭ যি কোনোএ
সংসাৰিক বস্তুৰে ধনৱন্ত হৈ আপোন ভায়েকক দৰিদ্ৰ দেখি, তালৈ আ-
পোনাৰ মৰম যদি নিবাৰণ কৰে, তেন্তে তাৰ ভিতৰত ঈশ্বৰৰ প্ৰেম কেনে-
কৈ থাকিব পাৰে? ১৮ হে মোৰ লৰাটিইঁত, আহাঁ, আমি অকল বাক্যেৰে
বা মুখেৰে প্ৰীতি নকৰি, কৰ্ম্ম আৰু সত্যেৰে প্ৰীতি কৰোঁহঁক। ১৯ তাতে
আমি যে সত্য ধৰ্ম্মৰ হওঁ, ইয়াকে জানি তেওঁৰ সাক্ষাতে আমাৰ মন থিৰ
কৰিব পাৰোঁ। ২০ আমাৰ মনে যদি আমাক দুষী কৰে, তেন্তে ঈশ্বৰ
আমাৰ মনতকৈয়ো বৰ, আৰু সকলোকে জানে। ২১ হে প্ৰিয়বিলাক, আ-
মাৰ মনে যদি আমাক দুষী নকৰে, তেন্তে ঈশ্বৰৰ আগত আমাৰ সাহ
আছে। ২২ আৰু আমি যিহক প্ৰাৰ্থনা কৰোঁ, তাক আমি তেওঁৰ পৰা
পাওঁ; কিয়নো আমি তেওঁৰ আজ্ঞা পালন কৰোঁ, আৰু তেওঁৰ সাক্ষাতে
যি যি কৰ্ম্ম গ্ৰাহ্য হয়, এনে কৰ্ম্ম কৰি থাকোঁ। ২৩ তেওঁৰ পুত্ৰ যীশু খ্ৰীষ্টৰ
নামত বিশ্বাস যেন কৰোঁ, আৰু তেওঁ দিয়া আজ্ঞাৰ দৰে ইজনে সিজনে
প্ৰীতি যেন কৰোঁ, এয়ে তেওঁৰ আজ্ঞা। ২৪ যি জনে তেওঁৰ আজ্ঞা পালন
কৰে, সি তেওঁত থাকে, আৰু তেৱোঁ তাত থাকে; আৰু তেওঁ যে আমাত
থাকে, ইয়াকে তেওঁ দিয়া আত্মাৰ দ্বাৰাই আমি জানিছোঁ।

## ৪ অধ্যায়।

হে প্ৰিয়বিলাক, জগতৰ ভিতৰলৈ ভাঁৰি কোৱা অনেক ভবিষ্যত বক্তা
আহিল; এই হেতুকে তোমোলাকে সকলো (শিক্ষকৰ) আত্মাত বিশ্বাস
নকৰিবা, কিন্তু সিবিলাক ঈশ্বৰৰ পৰা হয় নে নহয়, ইয়াক জানিবলৈ তো-

মোলাকে আত্মা সকলৰ পৰীক্ষা কৰা। ২ ঈশ্বৰৰ পৰা কোন আত্মা হয়,
ইয়াৰে তাক জানিবা; য়ীশু খ্ৰীষ্ট মানুহ ৰূপ অৱতাৰ হৈছে, ইয়াক সৈ
কৰ্হা প্ৰতি জন আত্মা ঈশ্বৰৰ পৰা হয়। ৩ আৰু য়ীশু [ খ্ৰীষ্ট মানুহ ৰূপ
অৱতাৰ হল, ইয়াক] আসৈ কৰা প্ৰতি জন আত্মা ঈশ্বৰৰ পৰা নহয়;
কিন্তু খ্ৰীষ্টৰ বিৰোদ্ধৰ আত্মা হয়। আৰু এনে আত্মা যে আহিব, ইয়াক
তোমোলাকে শুনিলা; এতিয়াও জগতত হৈ আছিল। ৪ হে লৰাটি-
হঁত, তোমোলাক ঈশ্বৰৰ হোৱা হেতুকে সিহঁতক জয় কৰিলা, কিয়নো
জগতত থকা জনতকৈ তোমোলাকত থকা জনাই বৰ। ৫ সিহঁত সংসাৰৰ
লোক, এই হেতুকে সংসাৰিক কথাকে কয়, আৰু সংসাৰৰ লোকেও সিহঁ-
তৰ কথা মানে। ৬ আমি ঈশ্বৰৰ লোক; যি জনে ঈশ্বৰক জানে, সি আ-
মাৰ কথা শুনে; কিন্তু যি জন ঈশ্বৰৰ লোক নহয়, সি আমাৰ কথা নুশু-
নে। আমি এই ৰূপে সত্যৰ আত্মা আৰু ভ্ৰমৰ আত্মাক জানিব পাৰোঁ।
৭ হে প্ৰিয়বিলাক, আহাঁ, আমি ইজনে সিজনে প্ৰেম প্ৰীতি কৰোঁহঁক;
কিয়নো প্ৰেম ঈশ্বৰৰ পৰাহে হয়; আৰু যি কোনোএ প্ৰেম কৰে, সি
ঈশ্বৰৰ পৰা জন্ম পোৱা হয়, আৰু ঈশ্বৰক জানে। ৮ যি জনে প্ৰেম নক-
ৰে, সি ঈশ্বৰক নেজানে, কিয়নো ঈশ্বৰ প্ৰেমেই। ৯ ঈশ্বৰে আপোনাৰ
একে জনা পুত্ৰৰ দ্বাৰাই আমাক পৰম আয়ুষ পোৱাবৰ নিমিত্তে তেওঁক
জগতলৈ পাঁচিলে, ইয়াতে ঈশ্বৰৰ প্ৰেম আমালৈ প্ৰকাশ হৈ আছে।
১০ আমি ঈশ্বৰক প্ৰেম কৰিলোঁ, এনে নহয়, কিন্তু তেৱেঁ আমাক প্ৰেম
কৰিলে, আৰু আমাৰ প্ৰায়শ্চিত্ত হবৰ নিমিত্তে আপোনাৰ পুত্ৰক পাঁচিলে,
এয়ে স্বৰূপ প্ৰেম। ১১ হে প্ৰিয়বিলাক, ঈশ্বৰে আমাক যদি এনে প্ৰেম
কৰিলে, তেন্তে আমিও ইজনে সিজনে প্ৰীতি কৰিব লগা। ১২ কোনো
মানুহে কেতিয়াও ঈশ্বৰক দেখা নাই; কিন্তু আমি যদি ইটে সিটে প্ৰীতি
কৰোঁহঁক, তেন্তে ঈশ্বৰে আমাত থাকে, আৰু তেওঁৰ প্ৰেম আমাৰ হৃদ-
য়ত সিদ্ধি হয়। ১৩ আৰু তেওঁ আমালৈ আপোনাৰ আত্মা দান কৰাত
তেওঁ যে আমাত থাকে, আৰু আমিও তেওঁত থাকোঁ, ইয়াকে জানোঁ।
১৪ আৰু পিতৃএ জগতৰ পৰিত্ৰাণ কৰোৱা আপোনাৰ পুত্ৰক পাঁচিলে,
ইয়াকে দেখি আমি সাক্ষী হৈ আছোঁ। ১৫ য়ীশু যে ঈশ্বৰৰ পুত্ৰ, ইয়াক
যি জনে সৈ কাঢ়ে, সি ঈশ্বৰত থাকে, ঈশ্বৰো তাতে থাকে। ১৬ আমালৈ ঈশ্ব-
ৰৰ যি প্ৰেম আছে, তাক আমি বিশ্বাস কৰি জানিলোঁ। ঈশ্বৰ প্ৰেমেই;
আৰু যি জন প্ৰেমত থাকে, সি ঈশ্বৰত থাকে, ঈশ্বৰো তাত থাকে।
১৭ ঈশ্বৰ যেনে, আমিও এই জগতত তেনে হোৱাত সোধৰ দিনা আমাৰ
সাহ যেন হয়, এই নিমিত্তে আমাৰ প্ৰেম সিদ্ধি হৈছে। প্ৰেমত ভয় নে-
থাকে, সম্পূৰ্ণ প্ৰেমে ভয়ক দূৰ কৰে। ১৮ ভয়ত যাতনা আছে; যি জনে ভয়
কৰে, সি প্ৰেমত সিদ্ধি নহয়। ১৯ তেওঁ প্ৰথমে আমাক প্ৰেম কৰিলে, এই

নিমিত্তে আমিও তেওঁক প্রেম কৰোঁ । ২০ কোনো জনে আপোন ভায়েকক ঘিণ কৰি, ময় ঈশ্বৰক প্রেম কৰিছোঁ, এই কথা যদি বোলে, সি মিছা কোৱা; কিয়নো যি ভায়েকক দেখে, তাক যদি প্রীতি নকৰে, তেন্তে যি জনক দেখা নাই, এনে ঈশ্বৰক সি কেনেকৈ প্রেম কৰিব পাৰে? ২১ যি জনে ঈশ্বৰক প্রেম কৰে, সি আপোনাৰ ভায়েককো প্রীতি কৰোক, এই আজ্ঞা আমি তেওঁৰ পৰা পালোঁ ॥

৫ অধ্যায় ।

য়ীশু যে খ্রীষ্ট হয়, ইয়াক যি কোনোএ বিশ্বাস কৰে, সি ঈশ্বৰৰ পৰা জন্ম
পালে; আৰু যি কোনোএ জন্ম দিওঁতাক প্রেম কৰে, সি তেওঁৰ পৰা জন্ম
পোৱাকো প্রীতি কৰে । ২ আমি যেতিয়া ঈশ্বৰক প্রেম কৰোঁ, আৰু তেওঁৰ
আজ্ঞা পালন কৰোঁ, তেতিয়া তেওঁৰ সন্তানবিলাকক প্রীতি কৰোঁ, ইয়াকে
জানোঁ । ৩ ঈশ্বৰৰ আজ্ঞা পালন কৰাত তেওঁলৈ আমাৰ প্রেম প্রকাশ হয়:
আৰু তেওঁৰ আজ্ঞাবিলাক কঠিন নহয় । ৪ যি কোনোএ ঈশ্বৰৰ পৰা জন্ম
পাই, সি জগতক জয় কৰে; আৰু জগতক জিনা যি জয়, সেয়ে আমাৰ
বিশ্বাস । ৫ য়ীশু ঈশ্বৰৰ পুত্র হয়, ইয়াক যি জনে বিশ্বাস কৰে, তাৰ বা-
হিৰে জগতক জয় কৰা কোন? ৬ যি জনে জল আৰু তেজৰ দ্বাৰাই প্রকাশ
হৈ আহিল, তেওঁ য়ীশু খ্রীষ্ট; অকল জলৰ দ্বাৰাই নহয়, জল আৰু তেজ,
এই দুইৰো দ্বাৰাই প্রকাশ হল । ৭ আৰু আত্মা সত্য হোৱাত সেই আত্মাই
এই কথাত সাক্ষী হৈছে । ৮ কিয়নো [পিতৃ, আৰু বাক্য, আৰু পবিত্র
আত্মা, এই তিনিও স্বৰ্গত সাক্ষী আছে, আৰু এই তিনিএই এক; আৰু
পৃথিবীতে] আত্মা, জল, আৰু তেজ, এই তিনিও সাক্ষী হৈছে, আৰু এই
তিনিৰে এক সাক্ষী । ৯ আমি যদি মানুহৰ প্রমাণ লওঁ, তেন্তে ঈশ্বৰৰ
প্রমাণ তাতকৈয়ো ডৰ; কিয়নো ঈশ্বৰে আপোনাৰ পুত্রৰ অৰ্থে যি প্রমাণ
দিছে, তেওঁৰ সেই প্রমাণ এই । ১০ যি জনে ঈশ্বৰৰ পুত্রত বিশ্বাস কৰে,
তাৰ আপোনাৰ ভিতৰত প্রমাণ আছে; যি জনে ঈশ্বৰত বিশ্বাস নকৰে,
সি তেওঁক মিছাবাদী কৰে; কিয়নো ঈশ্বৰে আপোনাৰ পুত্রৰ অৰ্থে যি
প্রমাণ দিছে, সি তাত বিশ্বাস নকৰে । ১১ ঈশ্বৰে আমাক অনন্ত পৰম
আয়ুষ দিছে, আৰু সেই পৰম আয়ুষ তেওঁৰ পুত্রত আছে, তেওঁৰ এই
প্রমাণ । ১২ যি জনে পুত্রকে গ্রহণ কৰে, সি পৰম আয়ুষ পাই; কিন্তু
যি জনে ঈশ্বৰৰ পুত্রক গ্রহণ নকৰে, সি পৰম আয়ুষ পোৱা নাই । ১৩ ঈশ্বৰৰ
পুত্রৰ নামত বিশ্বাস কৰা যি তোমোলাক, তোমোলাকৰ অনন্ত পৰম আয়ুষ
আছে, ইয়াক যেন জানা, এই নিমিত্তে তোমোলাকলৈ ময় এই কথা
লিখিছোঁ ।

১৪ আমি তেওঁৰ ইচ্ছাৰ দৰে কোনো প্ৰাৰ্থনা যদি কৰোঁ, তেওঁ আমাৰ
সেই প্ৰাৰ্থনা শুনে, তেওঁত আমাৰ এই দৃঢ় বিশ্বাস । ১৫ আৰু আমি যি
যি প্ৰাৰ্থনা কৰোঁ, তেওঁ সকলোকে শুনে, ইয়াকে যদি জানোঁ, তেন্তে তেওঁত
যিহকে যাচ্ঞা কৰোঁ, আমি সেই সকলোকে পাম, ইয়াকে জানিছোঁ ।
১৬ কোনোএ যদি আপোনাৰ ভায়েকক মৃত্যু যোগ নোহোৱা পাপ কৰা
দেখে, তেন্তে তাৰ নিমিত্তে প্ৰাৰ্থনা কৰোক; তাতে যি জনে মৃত্যু যোগ
পাপ কৰা নাই, ঈশ্বৰে তাক জীৱন দিব । ১৭ মৃত্যু যোগ এক প্ৰকাৰ
পাপ আছে, সেই পাপৰ অৰ্থে প্ৰাৰ্থনা কৰিব লাগে, মই তাক নোহো-
লোঁ । সকলো অধৰ্ম্মেই পাপ, কিন্তু মৃত্যু যোগ নোহোৱাও পাপ আছে ।
১৮ যি কোনোএ ঈশ্বৰৰ পৰা জন্ম পালে, সি পাপ আচৰণ নকৰে; যি
জনে ঈশ্বৰৰ পৰা জন্ম পোৱা হয়, সি আপোনাক ৰাখিছে, আৰু পাপ
আত্মাই তাক নোচোএ, ইয়াক আমি জানোঁ । ১৯ আৰু আমি ঈশ্বৰৰ
লোক হৈছোঁ, আৰু সকলো জগতৰ লোক পাপ আত্মাৰ অধীন হৈ থাকে,
ইয়াকে জানোঁ । ২০ আৰু ঈশ্বৰৰ পুত্ৰ অৱতাৰ হৈ আহিছে, আৰু যি জন
সত্য, তেওঁক জানিবলৈ আমাক জ্ঞান দিছে, তাকো জানোঁ; আৰু আমি
সেই সত্য জনৰ, অৰ্থাৎ তেওঁৰ পুত্ৰ য়ীশু খ্ৰীষ্টৰ আশ্ৰয়ত আছোঁ; তেওঁই
সত্য ঈশ্বৰ, আৰু অনন্ত পৰম আয়ুষ হয় । ২১ হে লৰাটিহঁত, দেও মূৰ্ত্তিৰ
পৰা আপোনাক ৰক্ষা কৰা । [আমেন ।]

---

## যোহানৰ দ্বিতীয় পত্ৰ ।

হে মনোনীত ভদ্ৰিণী, বৃদ্ধ লোক মই তোমালৈ
আৰু তোমাৰ পুত্ৰবিলাকলৈ পত্ৰ
লিখিছোঁ; সত্য ধৰ্ম্মৰ কাৰণে তোমোলাকক প্ৰীতি কৰিছোঁ; অকল মই
কৰোঁ, এনে নহয়, যি যি লোকে সত্য ধৰ্ম্মকে জানে, সকলোএ কৰে ।
২ যি সত্য ধৰ্ম্ম আমাৰ মাজত থাকে, আৰু সদাই থাকিব, তাৰ নিমিত্তে-
হে তোমোলাকক প্ৰীতি কৰোঁ । ৩ পিতৃ ঈশ্বৰ, আৰু পিতৃৰ পুত্ৰ প্ৰভু
য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ, দয়া, আৰু কুশল, সত্য আৰু প্ৰেমে সৈতে তোমো-
লাকলৈ হওক ।

৪ আমি পিতৃৰ পৰা যি আজ্ঞা পালোঁ, তাৰ দৰে সত্য ধৰ্ম্মত তোমাৰ
পুত্ৰবিলাকে আচৰণ কৰি থাকিবৰ দেখি, মই অতি আনন্দ কৰিলোঁ । ৫ হে
ভদ্ৰিণী, এতিয়া তোমালৈ কোনো নতুন আজ্ঞা লিখোঁ, এনে নহয়; কিন্তু
আমি ইজনে সিজনে প্ৰীতি যেন কৰোঁ, এই যি আজ্ঞা আদিৰে পৰা পালো-

তাক বিনয় কৰি কৈছোঁ। ৬ তেওঁৰ আজ্ঞাৰ দৰে আমি আচৰণ কৰা, এয়ে
প্ৰেমৰ সাৰ। তোমোলাকে আদিৰে পৰা যি শুনিলা, তাৰ দৰে আচৰণ
যেন কৰা, এয়েই তেওঁৰ আজ্ঞা। ৭ কিন্তু অনেক ভাঁৰি কোৱাই জগতত
সোমাই য়ীশু খ্ৰীষ্ট মানুহ ৰূপ অৱতাৰ হয়, তাক সৈ নেকাৰ্হে; এনে লোক
ভাঁৰি কোৱা আৰু খ্ৰীষ্টৰ বিৰোধ। ৮ এই হেতুকে আমি যি কৰ্ম্ম কৰি-
লোঁ, সেই সকলোকে নেহেৰুৱাই, সম্পূৰ্ণ কৰ্ম্মৰ ফল যেন পাওঁ, এই নিমিত্তে
আপোনালৈ সাৱধানে থাকিবা। ৯ যি কোনোএ আজ্ঞা উলংঘন কৰি
খ্ৰীষ্টৰ উপদেশত নেথাকে, সি ঈশ্বৰক গ্ৰহণ কৰা নাই; কিন্তু যি কোনোএ
খ্ৰীষ্টৰ উপদেশতে থাকে, সি পিতৃ আৰু পুত্ৰ দুইকো গ্ৰহণ কৰা হয়।
১০ যি কোনোএ এই উপদেশ নলৈ তোমোলাকৰ ওচৰলৈ আহে, তাক
আলহিকৈ ঘৰত নলবা, আৰু মঙ্গল হওক বুলি তাত নকবা। ১১ কিয়নো
মঙ্গল হওক বুলি যি জনে তাক কয়, সি তাৰ কুকৰ্ম্মৰ ভাগী হয়।
১২ তোমোলাকক অনেক কথা জনাবলৈ থকাত কাকত আৰু মহীৰ দ্বাৰাই
তাক লিখিবলৈ মোৰ ইচ্ছা নাই; কিন্তু আমাৰ আনন্দ সম্পূৰ্ণ হবৰ নি-
মিত্তে তোমোলাকৰ ওচৰলৈ গৈ মুখে মুখে কথাবাৰ্ত্তা কম, এই মোৰ
আশা আছে। ১৩ তোমাৰ মনোনীত ভনীয়াৰাৰ লৰাবিলাকে তোমাক
নমস্কাৰ কৰে। [আমেন।]

# য়োহানৰ তৃতীয় পত্ৰ।

বৃদ্ধ লোক ময় অতি প্ৰিয় যি গায়ক সত্য ধৰ্ম্মৰ অৰ্থে প্ৰীতি কৰোঁ,
তেওঁলৈ পত্ৰ লিখিছোঁ। ২ হে প্ৰিয়, তোমাৰ মঙ্গল হওক, যে-
নেকৈ আত্মাত তেনেকৈ শৰীলতো সুস্থ হওক, এই মোৰ অতিশয় বাঞ্ছা।
৩ সত্য ধৰ্ম্ম যেনে আচৰণ কৰিছা, তোমাৰ তেনে সত্য ধৰ্ম্মৰ প্ৰমাণ যে-
তিয়া ভাইবিলাকে আহি দিছিলে, তেতিয়া ময় অতি আনন্দ পালোঁ।
৪ মোৰ লৰাইঁতে সত্য ধৰ্ম্ম আচৰণ কৰিছে, এনে বাৰ্ত্তা শুনাতকৈ মোৰ
আৰু বৰ আনন্দ নাই। ৫ হে প্ৰিয়, তুমি ভাইবিলাক আৰু বিদেশী লো-
কলৈ যি যি কৰ্ম্ম কৰিছা, সকলোকে বিশ্বাস ৰূপে কৰিছা। ৬ সিবিলাকে
মণ্ডলীৰ আগত তোমাৰ উপকাৰৰ প্ৰমাণ দিলে। তুমি যদি সিবিলাকক
ঈশ্বৰৰ সেৱাৰ মতে যাত্ৰাত আগ বাঢ়ি আনা, তেন্তে ভাল কৰিবা; ৭ কিয়-
নো সিবিলাকে বিদেশী লোকৰ পৰা একো নলৈ, তেওঁৰ নামেৰে যাত্ৰা
কৰি গৈছে। ৮ এই হেতুকে সত্য ধৰ্ম্মৰ সহায় হবলৈ আমি এনে লোকক
আলহি ৰূপে লোৱা উচিত।

৯ মণ্ডলীলৈ মই পত্ৰ লিখিলোঁ, কিন্তু দিয়ত্ৰিফি মণ্ডলীৰ প্ৰধান হবলৈ
ইচ্ছা কৰি আমাক গ্ৰহণ নকৰে। ১০ সি আমাৰ অহিতে অনেক দুষ্ট কথা
কয়, আৰু তাতো তৃপ্তি নোপোৱাত আপুনিও আলহি নোসোধে, আৰু যি-
বিলাকে তাক কৰিব খোজে, সিবিলাককো হাঁক দিএ, আৰু মণ্ডলীৰ পৰাও
বাহিৰ কৰে; এই নিমিত্তে মই যেতিয়া পামহি, তেতিয়া সি যি যি কৰ্ম্ম
কৰে, সকলোকে সুঁৱৰিম। ১১ হে প্ৰিয়, তুমি কুচিত কৰ্ম্ম নাচৰি সজ
কৰ্ম্ম আচৰণ কৰিবা। যি কোনোএ সজ কৰ্ম্ম কৰে, সি ঈশ্বৰৰ লোক হয়;
কিন্তু যি জনে কুকৰ্ম্ম কৰে, সি ঈশ্বৰক জনাই নাই। ১২ সকলো মানুহৰ
আৰু সত্যৰো পৰা দিমিত্ৰিৰ সুখ্যাতি হৈছে, আমিও তাৰ প্ৰমাণ দিছোঁ;
আৰু আমাৰ প্ৰমাণ যে সত্য, তাক তোমোলাকে জানা।
১৩ তোমাক জনাবলৈ মোৰ অনেক কথা আছে; কিন্তু মহী আৰু কল-
মেৰে লিখিবৰ ইচ্ছা নাই। ১৪ অলপ দিনতে তোমাক দেখি আমি মুখে
মুখে কথাবাৰ্ত্তা কম, মোৰ এনে আশা আছে। তোমাৰ মঙ্গল হওক।
আমাৰ মিত্ৰবিলাকে তোমাক নমস্কাৰ কৰিছে। তুমি প্ৰতি জনৰ নাম লৈ
মিত্ৰৰ সকলক নমস্কাৰ জনাই দিবা।

# য়িহুদাৰ পত্ৰ।

পিতৃ ঈশ্বৰে পবিত্ৰ কৰা যি আমন্ত্ৰিত লোকক য়ীশু খ্ৰীষ্টৰ আশ্ৰ-
য়ত ৰক্ষা কৰা হৈছে, সিবিলাকলৈ য়াকোবৰ ভাই য়ীশু
খ্ৰীষ্টৰ সেৱক য়িহুদাই পত্ৰ লিখিছে। ২ তোমোলাকলৈ দয়া, আৰু কুশল,
আৰু প্ৰেম বহুল ৰূপে হওক।
৩ হে প্ৰিয়বিলাক, তোমোলাকলৈ সাধাৰণ পৰিত্ৰাণৰ কথা লিখিবলৈ মই
বহু যতন কৰোঁতে, আগৰে পৰা পবিত্ৰ লোকক যি ধৰ্ম্ম দিয়া হৈছিল,
তাৰ নিমিত্তে তোমোলাকে যেন অতি যতনলৈ উদ্যোগী হোৱা, এই মিনতি
কৰি তোমোলাকলৈ লিখিবলৈ মোৰ প্ৰয়োজন আছিল। ৪ কিয়নো পূৰ্ব্বে
নিযোজন হোৱা দণ্ডৰ পাত্ৰ কোনো কোনোএ গুপুত ৰূপে তোমোলাকৰ
মাজত সোমাই আছে; সেই অধৰমী লোকে ঈশ্বৰৰ অনুগ্ৰহত ছল কৰি
লুম্পট আদি আচৰে, আৰু অদ্বিতীয় ৰজা আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টক
আসৈ কৰে। ৫ এই হেতুকে তোমোলাকে যি কথা পূৰ্ব্বে জানি আছা,
অৰ্থাৎ প্ৰভুএ মিচৰ দেশৰ পৰা আপোন লোকক উদ্ধাৰ কৰিলে, পাছে
যিবিলাক অবিশ্বাসী হৈছিল, সিবিলাকক সংহাৰ কৰিলে, এই কথা তো-
মোলাকক সোঁৱৰাব খোজোঁ। ৬ আৰু যি দূতবিলাকে আপোন আপোন

প্ৰথম বাবত নেথাকি নিবাসৰ ঠাই এৰিলে, তেওঁ সিবিলাকক মহা দিনৰ
সোধৰ নিমিত্তে অনন্ত কালৰ শিকলিৰ বন্ধনেৰে এন্ধাৰৰ মাজত ৰাখি
থৈছে । ৭ সিহঁতৰ নিচিনাও চিদোম আৰু আমোৰা আৰু তাৰ চাৰিও
ফালৰ নগৰৰ লোকে বেশ্যা গমন আৰু পুংমৈথুন কৰাত অনন্ত জুইৰ
দণ্ড পোৱাৰ এক আৰ্হি প্ৰকাশ কৰি থোৱা হৈছে । ৮ সেই ৰূপে এই
নিদ্ৰিত হোৱা লোকবিলাকেও শৰীলক অশুচি কৰে, অধিকাৰক হেলা কৰে,
আৰু শক্তিমন্ত লোকক নিন্দা কৰে । ৯ মহা দূত মিখাএলে যেতিয়া মোচাৰ
শৰীলৰ কথাত চয়তানে সৈতে বাদ বিবাদ কৰিলে, তেতিয়া তাৰ বিৰোধে
তেওঁ নিন্দা অপবাদ দিবলৈ সাহ নহৈ, প্ৰভুএ তোমাক ডবিয়াওক, এই কথা
মাথোন কলে । ১০ কিন্তু এইবিলাকে যিহকে নেজানে, তাক নিন্দা কৰে;
আৰু অজ্ঞানী জন্তুৰ নিচিনা ইন্দ্ৰিয়ৰ দ্বাৰাই যি জানে, তাৰে সৈতে আ-
পোনাক ভ্ৰষ্ট কৰে । ১১ হায়, হায়, সিহঁতৰ সন্তাপ! সিহঁতে কইনৰ
পথত যোৱা হৈছিল, লাভৰ নিমিত্তে বিলিয়মৰ ভ্ৰম খেদি গৈছিল, আৰু
কোৰাৰ দ্ৰোহতে বিনাশ হল । ১২ সিহঁতে তোমোলাকে সৈতে খাই বৈ
নিৰ্ভয়ে অধিককৈ ভোজন কৰাত তোমোলাকৰ প্ৰীতিৰ ভোজতে চেকা
হৈছে । সিহঁত বায়ুত চলা পানী নথকা মেঘ; দুই বাৰ মৰা আৰু
শিপাই সৈতে উঘলা, আৰু ফল শুকুৱা, ফল হীন হোৱা গছ; ১৩ আ-
পোন লাজৰ ফেন উলিওৱা সাগৰৰ প্ৰচণ্ড ঢৌ; আৰু যিবিলাকৰ নি-
মিত্তে অনন্ত কালৰ ঘোৰ এন্ধাৰ সাঁচি থোৱা আছে, এনে ভ্ৰমী থকা
তৰাবিলাক হৈছে । ১৪ আৰু আদমৰ পৰা সপ্তম পুৰুষ যি হনোক, তেওঁ
ভবিষ্যত বাক্যৰ দ্বাৰাই সিহঁতৰ এই কথা কলে,, প্ৰভুএ আপোনাৰ
অযুত অযুত পবিত্ৰ লোকক লগত লৈ, ১৫ সকলো মানুহৰ সোধ কৰিবৰ
নিমিত্তে, আৰু সিহঁতৰ মাজৰ অধৰমীবিলাকে যি আটাই অধৰ্ম্ম কৰ্ম্ম
কৰিলে, আৰু পাপিষ্ঠ অধৰ্ম্মীবিলাকে তেওঁৰ বিৰোধে যি অনেক অনেক
দুৰ্ব্বাক্য কলে, সিহঁতৰ এই সকল দোষ প্ৰকাশ কৰিবৰ নিমিত্তে আহি-
ছে । ১৬ সিহঁত বোল মাত কৰা, দুৰ্মুখী, আৰু আপোনাৰ কুঅভিলাষ
আচৰা হৈ মুখে বৰ সাহ কথা বোলে, আৰু লোভৰ কাৰণে মানুহৰ
মুখ চোৱা হৈ আছে । ১৭ হে প্ৰিয়বিলাক, আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ
পাঁচনিবিলাকৰ মুখে যি উপদেশ কোৱা গৈছে, তাক সোঁৱৰা । ১৮ কিয়-
নো শেষ কালে আপোনাৰ কুঅভিলাষৰ দৰে অধৰ্ম্ম আচৰা নিন্দক লোক
ওলাব, এই কথা সিবিলাকে তোমোলাকত কৈছিল । ১৯ এই লোকবি-
লাকে আপোনাক পৃথক কৰা হৈ, সংসাৰিক আৰু আত্মা নথকা লোক
হৈছে ।

২০ কিন্তু হে প্ৰিয় লোক, তোমোলাকে আপোনাৰ অতি পবিত্ৰ বিশ্বা-
সত আপোনাক থিৰ কৰি পবিত্ৰ আত্মাৰ দ্বাৰাই প্ৰাৰ্থনা কৰা; ২১ আৰু

অনন্ত পৰম আয়ুৰলৈ দিয়া আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ যি দায়া, তালৈ
চাই থাকি ঈশ্বৰৰ প্ৰেমত আপোনাক ৰক্ষা কৰা । ২২ আৰু লোকক
পৃথক পৃথক কৰি, কোনোবোৰক দায়া কৰা । ২৩ কোনোবোৰক ভয়
দেখাই জুইৰ মাজৰো পৰা উলিয়াই ৰক্ষা কৰা; কিন্তু শৰীৰৰ মলিৰে
মলীন হোৱা যি বস্ত্ৰ, তাকো ঘিণ কৰা ।
২৪ আৰু তোমোলাকক নপৰাকৈ ৰক্ষা কৰি অতিশয় আনন্দেৰে আ-
পোনাৰ প্ৰভাৱৰ আগত নিৰ্দোষী ৰাখি থবলৈ সমৰ্থ যি ত্ৰাণ কৰ্ত্তা অদ্বি-
তীয় ঈশ্বৰ, আমাৰ প্ৰভু য়ীশু খ্ৰীষ্টৰ দ্বাৰাই তেওঁৰ মহিমা, গৌৰও, ৰাজ্য
শাসন, আৰু পৰাক্ৰম, [সকলো সৃষ্টিৰ আদিৰে পৰা] ইহকালেও আৰু
অনন্ত কালেও প্ৰকাশ হওক । আমেন ।

# প্ৰকাশিত ভবিষ্যত বাক্য ।

## ১ অধ্যায় ।

ঈশ্বৰে আপোনাৰ সেৱকবিলাকক অলপ কালৰ পাছে হব
লগা কথা দেখাবৰ নিমিত্তে এই প্ৰকাশিত বাক্য য়ীশু
খ্ৰীষ্টক সমৰ্পণ কৰিলে, তাতে তেওঁ আপোন দূতৰ দ্বাৰাই পঠাই আপো-
নাৰ সেৱক য়োহানক বুজাই দিলে । ২ য়োহানে ঈশ্বৰৰ বাক্য আৰু
খ্ৰীষ্টৰ প্ৰমাণৰ যি যি কথা দৰ্শন পালে, সেই সকলোৰে প্ৰমাণ দিলে ।
৩ যি জনে এই ভবিষ্যত বাক্য পঢ়ে, আৰু যিবিলাকে তাক শুনে, আৰু
তাত লিখা আজ্ঞা সকল পালন কৰে, সিবিলাক ধন্য; কিয়নো কাল ওচৰ
হৈ আছে ।
৪ আচিয়াত থকা সাত মণ্ডলীলৈ য়োহানে পত্ৰ লিখিছে । যি জন
বৰ্ত্তমান আৰু ভূত আৰু ভবিষ্যত কালৰ হৈছে, আৰু যি সাতোটা
আত্মা তেওঁৰ সিংহাসনৰ আগত আছে, ৫ আৰু বিশ্বাসী সাক্ষী, মৰা
লোকৰ প্ৰথমে জন্মা আৰু পৃথিৱীৰ ৰজাবিলাকৰ ৰজা যি য়ীশু খ্ৰীষ্ট,
তেওঁবিলাকৰ পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু কুশল হওক । ৬ যি জনে
আমাক প্ৰেম কৰি আপোনাৰ তেজেৰে আমাৰ পাপ ধুই গুচালে, আৰু
আপোনাৰ পিতৃ ঈশ্বৰলৈ আমাক পোৰোহিত বাব দি ৰাজ্য পাতিলে,
তেওঁৰ মহিমা আৰু পৰাক্ৰম সদা সৰ্ব্বদায় প্ৰকাশ হওক । আমেন ।
৭ দেখা, তেওঁ মেঘত আহিছে; সকলোৰে চকুএ তেওঁক দেখিব; যিবিলা-
কে তেওঁক বিন্ধিলে, সিহঁতেও দেখিব; আৰু পৃথিৱীত থকা সকলো বংশ-

হব লোকে তেওঁৰ নিমিত্তে ক্রন্দন কৰিব। তেনেই হওক; আমেন।
৮ বর্ত্তমান আৰু ভূত আৰু ভবিষ্যত কালৰ হোৱা, সৰ্ব্বশক্তিমন্ত যি প্রভু
পৰম ঈশ্বৰ, তেওঁ কৈছে, ময় আল্‌ফা আৰু ওমেগা, [ আদি অন্ত। ]
৯ যীশু খ্রীষ্টৰ দুঃখ আৰু ৰাজ্য আৰু ধৈর্য্যৰ লগৰ ভাগী তোমোলা-
কৰ ভাই য়োহান যি ময়, ময় ঈশ্বৰৰ বাক্য আৰু যীশু [ খ্রীষ্টৰ ] প্রমাণৰ
নিমিত্তে পাত্ম নামেৰে এখান মাজুলীত আছিলোঁ। ১০ তাতে প্রভুৰ দিনত
ময় আত্মাতে আছিলোঁ; তেতিয়া মোৰ পাছ ফালে ভেৰীৰ শবদৰ দৰে
বৰ শবদ হোৱা এই বাক্য শুনিলোঁ, ১১ তুমি যি দর্শন পোৱা, তাক
পুথিত লিখি, এফেচ, আৰু স্মুর্ণা, পর্গাম, থুৱাতিৰা, চার্দি, ফিলাদেল্‌ফিয়া,
লাবৃদিকিয়া, এই সাত মণ্ডলীলৈ পঠাই দিবা। ১২ তেতিয়া মোত কথা কোৱা
জনক দেখিবলৈ ঘুৰিলোঁ; ঘুৰিলত সোণাৰ দীপাধাৰ সাতোটা দেখিলোঁ।
১৩ সেই সাতোটা দীপাধাৰৰ মাজত মানুহৰ পুত্রৰ নিচিনা এজনক দেখি-
লোঁ; তেওঁৰ ভৰিলৈকে বস্ত্র পিন্ধা, আৰু সোণৰ টঙ্গালিৰে বুকত বন্ধা হৈ
আছিল। ১৪ তেওঁৰ মূৰ আৰু চুলি হিমৰ নিচিনা শুকুলা, মেৰৰ নো-
মৰ দৰে বগা হল; জ্বলি থকা অগ্নিৰ নিচিনা তেওঁৰ চকু; ১৫ মহিত
পোৱা চকা পিত্তলৰ নিচিনা তেওঁৰ চৰণ; আৰু বহু পানীৰ খলকৰ নি-
চিনা তেওঁৰ মাত; ১৬ আৰু তেওঁৰ সোঁ হাতত সাতোটা তৰা আছিল;
তেওঁৰ মুখৰ পৰা দুধৰীয়া চোকা তৰোৱাল এখন ওলাই; আৰু প্রচণ্ড
প্রতাপী সূর্য্যৰ নিচিনা তেওঁৰ বদন প্রকাশ হৈ আছিল। ১৭ তেওঁক দে-
খি ময় মৰাৰ নিচিনা হৈ তেওঁৰ চৰণত পৰিলোঁ; তাতে মোৰ গাত তেওঁ
আপোনাৰ সোঁ হাত দি কলে, ভয় নকৰিবা; ময় আদি আৰু অন্ত;
১৮ মৃত্যু হৈয়ো জীয়াই আছোঁ, আৰু দেখা, অনন্ত কাললৈকে জীয়াই
থাকোঁ; আৰু মৰণৰো পৰলোকৰো চাবী মোৰ হাতত আছে। ১৯ তুমি
যি যি দেখিলা, যি বর্ত্তমান আৰু যি ভবিষ্যত, সকলোকে লিখা। ২০ মোৰ
সোঁ হাতত যি সাতোটা তৰা, আৰু যি সাতোটা দীপাধাৰ দেখিলা, সেই-
বিলাকৰ গোপনীয় অর্থ এই; সেই সাতোটা তৰাই মণ্ডলীৰ সাত দূত,
আৰু সেই সাতোটা দীপাধাৰ সাত মণ্ডলী।

## ২ অধ্যায়।

এফেচ নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা। যি জনে সোঁ হাতত সা-
তোটা তৰা ধৰে, আৰু সোণৰ সাতোটা দীপাধাৰৰ মাজত অহা যোৱা
কৰে, তেওঁ এই কথা কৈছে; ২ তোমাৰ কর্ম্ম, পৰিশ্রম আৰু ধৈর্য্য
ময় জানোঁ; তুমি দুষ্টবিলাকক সহিব নোৱাৰা, আৰু যিবিলাকে আপো-
নাক পাঁচনি বোলে, কিন্তু স্বৰূপ নহয়, সেইবিলাকক পৰীক্ষা কৰি মিছা-

বাদী যেন পালা; ৩ আৰু ধৈৰ্য্য ধৰি মোৰ নামৰ নিমিত্তে সহন কৰি
ক্লান্ত নহলা, এই সকলোকে জানোঁ । ৪ তথাপি তোমাৰ বিৰোদ্ধে মোৰ
কিছু কথা আছে, তুমি আপোন আদিৰ প্ৰেম এৰিলা । ৫ এই হেতুকে
তুমি কৰ পৰা পৰিলা, ইয়াকে সুঁৱৰি মন পালটাই আদিৰ কৰ্ম্ম কৰা;
নাইবা যদি মন নেপালটোৱা, তেন্তে ময় বেগাই আহি তোমাৰ দীপাধাৰ
ঠাইৰ পৰা গুচাম । ৬ কিন্তু নিকলাইতি লোকৰ যি কৰ্ম্ম ময় ঘিণাওঁ,
তাক তুমিও ঘিণ কৰা, এই তোমাৰ ভাল কথা আছে । ৭ মণ্ডলীবিলাক-
লৈ আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, সি তাকে শুনোক; যি জনে
জয় কৰে, তাক মোৰ ঈশ্বৰৰ উদ্যানত থকা জীৱনৰ গছৰ গুটি খাবলৈ দিম ।
৮ আৰু স্মৰ্ণা নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা । মৃত্যু হৈয়ো
পুনৰ জীয়া যি জনা আদি অন্তো হৈছে, তেৱেঁ কৈছে; ৯ তোমাৰ কৰ্ম্ম
আৰু ক্লেশ দৰিদ্ৰ ময় জানোঁ; তথাপি তুমি ধনৱন্ত হৈছা; আৰু যিবি-
লাকে আপোনাক য়িহুদি বুলিলেও য়িহুদি নহৈ ছয়তানৰ সভাৰ লোক
হয়, সিহঁতৰ নিন্দাও ময় জানোঁ । ১০ তুমি যি যি দুঃখ পাবা, তালৈ
একো ভয় নকৰিবা; দেখা, তোমোলাকৰ পৰীক্ষা হবৰ নিমিত্তে ছয়তানে
তোমোলাকৰ কেতবিলাকক বন্দীশালত পেলাব; আৰু দহ দিনলৈকে তো-
মোলাকৰ দুখ হব । কিন্তু তুমি মৰণলৈকে বিশ্বাসী হৈ থাকিবা, তাতে
ময় অনন্ত জীৱনৰ কিৰীটী তোমাক দিম । ১১ মণ্ডলীবিলাকলৈ আত্মাই যি
কথা কৈছে, যাৰ কাণ আছে, সি তাক শুনোক; যি জনে জয় কৰে, সি
দ্বিতীয় মৃত্যুৰ দ্বাৰাই হিংসা পোৱা নহব ।

১২ আৰু পাৰ্গম নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা । দুধৰীয়া চো-
কা তৰোৱাল ধৰোঁতা যি জন, তেৱেঁ কৈছে; ১৩ তুমি যি কৰ্ম্ম কৰিছা,
আৰু যি ঠাইতে ছয়তানৰ সিংহাসন আছে, তাতে তুমি নিবাস কৰিছা,
ইয়াকে ময় জানোঁ; আৰু মোৰ নাম দৃঢ়কৈ ধৰি, ছয়তানৰ সেই নিবাসৰ
ঠাইত যি কালত আন্তিপা নামে মোৰ বিশ্বাসী সাক্ষী তোমোলাকৰ মাজত
বধ কৰা হৈছিল, সেই কালতো মোৰ ধৰ্ম্ম আসৈ নকৰিলা । ১৪ তথাপি
তোমাৰ বিৰোদ্ধে মোৰ কিছু কিছু কথা আছে; যি জনে দেৱতাৰ প্ৰসাদ
ভোজন আৰু বেশ্যা গমনৰ জুঁটি খোৱা মুৰ্হা ইস্রায়েলৰ সন্তানবিলাকৰ আ-
গত পেলাবলৈ বালাক ৰজাক শিক্ষা দিলে, সেই বিলিয়মৰ মত লোৱাবি-
লাকক তুমি ঠাই দিছা; ১৫ আৰু তাৰ দৰে নিকলাইতিৰ মত লোৱাবি-
লাককো তুমি ৰাখিছা । ১৬ মন পালটোৱা নাইবা তোমাৰ ওচৰলৈ বেগে
মোৰ মুখৰ তৰোৱালেৰে সিহঁতে সৈতে যুদ্ধ কৰিম । ১৭ মণ্ডলীবিলাকলৈ
আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, সি তাক শুনোক; যি জনে জয়
কৰে, তাক গুপুত মানা দিম; আৰু লোৱা গৰাকিৰ বাহিৰে কোনেও নজ-
না, এনে নাম লিখা এক বগা শিলো তাক দিম ।

১৮ আৰু থুৱাতিৰা নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা । যি জনাৰ
চকু জুইৰ শিখাৰ নিচিনা, চকা পিতলৰ নিচিনা যাৰ চৰণ, ঈশ্বৰৰ সেই
পুত্ৰয় এই কথা কৈছে; ১৯ তোমাৰ কৰ্ম্ম, আৰু প্ৰেম, সেৱা, বিশ্বাস, ধৈৰ্য্য,
আৰু প্ৰথম কৰ্ম্মতকৈ অধিক হোৱা তোমাৰ শেষ কৰ্ম্ম, এইবিলাক জানোঁ ।
২০ তথাপি তোমাৰ বিৰোদ্ধে মোৰ এই কথা আছে; তোমাৰ যি তিৰো-
তা ইজবেলে আপোনাক ভবিষ্যত বক্তৃ বুলি মোৰ সেৱকবিলাকক বেশ্যা
গমন আৰু দেৱতাৰ প্ৰসাদ ভোজন কৰিবলৈ শিক্ষা দি ভুলাইছে, তাইক
সহি আছা । ২১ মন পালটাবলৈ ময় তাইক কাল দিলোঁ, কিন্তু ব্যভিচাৰ
কৰ্ম্মৰ পৰা তাই মন পালটাবলৈ ইচ্ছা নকৰে । ২২ দেখা, ময় তাইক শয্যাত
পেলাম; আৰু যিবিলাকে তায়ে সৈতে ব্যভিচাৰ কৰ্ম্ম কৰে, সিহঁতে তাইৰ
কৰ্ম্মৰ পৰা যদি মন নেপালটাই, সিহঁতকো বৰ ক্লেশত পেলাম; আৰু
তাইৰ সন্তানবিলাকক মৃত্যুৰ দ্বাৰাই মাৰিম । ২৩ তাতে ময় চিত্ত আৰু
মনৰ পৰীক্ষা কৰোঁতা হৈছোঁ, সকলো মণ্ডলীএ ইয়াকে জানিব; আৰু তোমো-
লাকৰ প্ৰতি জনকো আপোন আপোন কৰ্ম্মৰ দৰে প্ৰতিফল দিম । ২৪ কিন্তু
থুৱাতিৰাত থকা তোমোলাকৰ শেষ যিবিলাকে এই শিক্ষা গ্ৰহণ কৰা নাই
আৰু লোকে যিহক ছয়তানৰ গম্ভীৰ কথা বোলে, তাকো জনা নাই, সিবি-
লাকত কৈছোঁ, তোমোলাকৰ ওপৰত ময় আৰু ভাৰ নিদিম; ২৫ কিন্তু
তোমোলাকৰ যি যি আছে, ময় নাহোঁমানে তাকে যত্ন কৰি ৰাখা ।
২৬ যি জনে জয় কৰি শেষলৈকে মোৰ কৰ্ম্ম পালন কৰে, ময় যেনেকৈ
পিতৃৰ পৰা পোৱা হৈ আছোঁ, সেই ৰূপে তাক বিদেশীবিলাকৰ ওপৰত
অধিকাৰ বাব দিম; তাতে সি লোহাৰ দণ্ডেৰে সিহঁতক শাসন কৰাত
কুমাৰে কৰা পাত্ৰৰ দৰে গুৰি হৈ ভাগিব । ২৭ আৰু তাক ভোটা তৰা
দিম । ২৮ মণ্ডলীবিলাকলৈ আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, সি
তাক শুনোক ।

## ৩ অধ্যায় ।

আৰু চাৰ্দি নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা । যি জনাৰ লগত ঈশ্বৰৰ
সাত আত্মা আৰু সাতোটা তৰা থাকে, তেওঁ এই কথা কৈছে; তোমাৰ
কৰ্ম্ম ময় জানোঁ; আৰু তুমি জীয়াই থকাৰ নাম মাথোন আছে, কিন্তু
মৰা হৈ আছা, তাকো জানোঁ । ২ জাগি থাকা, আৰু শেষ থকা যি যি
মৰাৰ নিচিনা হল, তাক শক্তিমন্ত কৰা; কিয়নো মোৰ ঈশ্বৰৰ আগত
তোমাৰ কৰ্ম্ম নিৰ্দোষ হোৱা নেপালোঁ । ৩ এই হেতুকে তুমি যি ৰূপে কথা
গ্ৰহণ কৰি শুনিলা, তাক সোঁৱৰা, আৰু পালন কৰি মন পালটোৱা । তুমি
যদি জাগি নেথাকা, তেন্তে ময় চোৰৰ নিচিনাকৈ তোমালৈ আহিম, আৰু

যি ডাঁৱত তোমালৈ আহিম, তাক তুমি নেজানিবা। ৪ কিন্তু যিবিলাকে
আপোনাৰ কাপৰ মলীন নকৰিলে, চাৰ্দ্দি নগৰত তোমাৰ এনে কেতবিলাক
নাম আছে; সিবিলাক যোগ্য পাত্ৰ হোৱাত বগা কাপৰ পিন্ধা হৈ মোৰে
সৈতে অহা যোৱা কৰিব। ৫ যি জনে জয় কৰে, সি বগা বস্ত্ৰ পিন্ধা হব;
আৰু তাৰ নাম জীৱনৰ পুথিৰ পৰা ময় নুগুছাম, কিন্তু মোৰ পিতৃ আৰু
তেওঁৰ দূতবিলাকৰ আগত ময় তাৰ নাম সৈ কাৰিম। ৬ মণ্ডলীবিলাকলৈ
আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, সি তাক শুনোক।

৭ আৰু ফিলাদেল্‌ফিয়া নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা। দাৰি-
দৰ চাবী আপোন হাতত ৰাখি যি জনাই মেলিলে কোনেও বন্ধ কৰিব
নোৱাৰে, আৰু বন্ধ কৰিলেও কোনোএ মেলিব নোৱাৰে, এনে পবিত্ৰ
আৰু সত্য জনাই এই কথা কৈছে; ৮ তোমাৰ কৰ্ম্ম ময় জানোঁ; তোমাৰ
আগত এখান দুৱাৰ মুকলি কৰি থৈছোঁ, তাক কোনেও বন্ধ কৰিব নো-
ৱাৰে; কিয়নো তোমাৰ অলপ মাথোন শক্তি হোৱাতো মোৰ কথা পালন
কৰি মোৰ নাম আসৈ নকৰিলা। ৯ আৰু য়িহুদি নহৈয়ো যিবিলাকে মিছা
কথা কৈ আপোনাক য়িহুদি বোলে, দেখা, এনে ছয়তানৰ সভাৰ লোক-
বিলাকক আনি তোমাৰ চৰণত সেৱা কৰাম; তাতে ময় যে তোমাক প্ৰেম
কৰোঁ, সিইতে ইয়াকে জানিব। ১০ তুমি মোৰ ধৈৰ্য্যৰ কথা ৰক্ষা কৰা
হেতুকে যি পৰীক্ষাৰ কাল পৃথিবীত থকা লোকবিলাকক পৰীক্ষা কৰিবৰ
নিমিত্তে সকলো জগতৰ ওপৰত আহিব, সেই কালৰ পৰা ময়ো তো-
মাক ৰক্ষা কৰিম। ১১ ময় বেগাই আহিছোঁ; তোমাৰ কিৰীটী কেৱে যেন
নলয়, এই নিমিত্তে তোমাৰ যি আছে, তাকে যত্ন কৰি ৰাখা। ১২ যি
জনে জয় কৰে, সি যেন আৰু বাহিৰ হৈ নেযাই, এই নিমিত্তে মোৰ ঈশ্বৰৰ
মন্দিৰত তাক স্তম্ভ কৰিম; আৰু মোৰ ঈশ্বৰৰ নাম, আৰু ঈশ্বৰৰ স্বৰ্গৰ
পৰা নামি অহা মোৰ ঈশ্বৰৰ যি নগৰ, অৰ্থাৎ নতুন য়িৰুছালম, তাৰ
নাম, আৰু মোৰ আপোনাৰ নতুন নাম তাৰ ওপৰত লিখিম। ১৩ মণ্ডলী-
বিলাকলৈ আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, সি তাক শুনোক।

১৪ আৰু লাৱদিকিয়া নগৰৰ মণ্ডলীৰ দূতলৈ এই ৰূপে লিখা। যি
জন আমেন, আৰু বিশ্বাসী সত্য সাক্ষী, আৰু ঈশ্বৰৰ সৃষ্টিৰ আদি, তেওঁ
এই কথা কৈছে; ১৫ ময় তোমাৰ কৰ্ম্ম জানোঁ; তুমি ছেঁচা নোহোৱা,
তপতো নোহোৱা; তুমি ছেঁচা নাইবা তপত হোৱা, মোৰ এই বাঞ্ছা।
১৬ এতেকে ছেঁচা বা তপত নহৈ অলপ উম হোৱাত মোৰ মুখৰ পৰা উগাৰি
পেলাম। ১৭ তুমি বুলিছা, ময় ধনৱন্ত, সম্পত্তিৰে বৰ্হা হৈছোঁ, মোৰ একোৰো
অভাও নাই; কিন্তু তুমি কঙ্গাল আৰু দুঃখী, দৰিদ্ৰ, কণা আৰু নাঙ্গটা
হৈছা, ইয়াক নেজানা। ১৮ তুমি ধনৱন্ত হবৰ নিমিত্তে জুইত পৰীক্ষা
কৰা সোণ, আৰু নাঙ্গটাৰ লাজ যেন দেখা নেযাই, পিন্ধিবৰ নিমিত্তে বগা

ক্ষাপৰ, আৰু তুমি যেন দেখিবা, চকুত লিপিবৰ কাৰণে চকুৰ মলম, এই
সকলোকে মোৰ পৰা কিনা, মই তোমাক এই বুদ্ধি দিছোঁ । ১৯ যি যি
লোকক মই প্ৰেম কৰোঁ, সেই সকলোকে ডাবি দি শাস্তি কৰি থাকোঁ; এই
হেতুকে তুমি উদ্যোগী হৈ মন পালটোৱা । ২০ দেখা, মই থিয় হৈ দুৱাৰত
মৰিয়াই থাকোঁ; যি কোনোএ মোৰ মাত শুনি দুৱাৰ মুকলি কৰিব, মই
ভিতৰলৈ সোমাই তাৰে সৈতে ভোজন কৰিম, আৰু সিও মোৰে সৈতে
ভোজন কৰিব । ২১ মই যেনেকৈ জয় কৰি মোৰ পিতৃৰ লগত তেওঁৰ
সিংহাসনত বহি আছোঁ, সেই ৰূপে যি জনে জয় কৰে, মই আপোনাৰ
সিংহাসনত আপোনাৰ লগত তাক বহিবলৈ দিম । ২২ মণ্ডলীবিলাকলৈ
আত্মাই যি কথা কৈছে, যাৰ কাণ আছে, সি তাক শুনোক ।

## ৪ অধ্যায় ।

ইয়াৰ পাছে চাওঁতে, স্বৰ্গত এক দুৱাৰ মুকলি দেখিলোঁ; আৰু প্ৰথমে
মই শুনা শবদে ভেৰীৰ শবদৰ নিচিনা মোত কথা কৈ বুলিলে, ইয়ালৈ
উঠি আহাঁ; মই তোমালৈ ভৱিষ্যত কথা দেখাম । ২ সেই খেনতে মই
আত্মাত আছিলোঁ; আৰু দেখা, স্বৰ্গত থাপনা কৰা এক সিংহাসন,
আৰু তাৰ ওপৰত এজন পুৰুষ বহি আছিল । ৩ সেই বহি থকা জনা
দেখিবলৈ সূৰ্য্যকান্ত আৰু পোৱাল মণিৰ নিচিনা হয়; সিংহাসনৰ চাৰিও
ফালে মেঘৰ ধেনু আছিল, দেখিবলৈ পানাৰ নিচিনা । ৪ আৰু সিংহা-
সনৰ চাৰিও ফালে চৌবিছ সিংহাসন; সেই সিংহাসনৰ ওপৰত বগা
বস্ত্ৰ আৰু মূৰত সোণৰ কিৰীটী পিন্ধা চৌবিছ জন বৃদ্ধ লোক বহি আ-
ছিল । ৫ আৰু সিংহাসনৰ পৰা বিদুলী, মেঘৰ গৰ্জ্জন, আৰু শবদ ওলাল;
সিংহাসনৰ আগত জ্বলি থকা অগ্নিৰ সাত প্ৰদীপ, অৰ্থাৎ ঈশ্বৰৰ সাত
আত্মা । ৬ আৰু সিংহাসনৰ আগত ফটিকৰ নিচিনা নিৰ্ম্মল এক সমুদ্ৰ;
সিংহাসনৰ মাজত আৰু তাৰ চাৰিও ফালে আগে পাছে চকুৰে পূৰ
হোৱা চাৰি জন্তু আছিল । ৭ প্ৰথম জন্তু সিংহৰ নিচিনা; দ্বিতীয় জন্তু
দামুৰিৰ নিচিনা; তৃতীয় জন্তুৰ মানুহৰ দৰে মুখ আছিল; চতুৰ্থ জন্তু উৰি
যোৱা কুৰৰ পক্ষীৰ নিচিনা । ৮ প্ৰতি জন্তুৰে ছয় ছয় ডেউকা, আৰু সিবি-
লাক বাহিৰে ভিতৰেও চকুৰে পৰিপূৰ্ণ হৈ আছে; আৰু দিনে ৰাতিএ
খতি নকৰি, পবিত্ৰ, পবিত্ৰ, পবিত্ৰ, ভূত বৰ্ত্তমান ভৱিষ্যত কালৰ সৰ্ব্বশক্তিমন্ত
প্ৰভু পৰম ঈশ্বৰ, এই কথা বুলি থাকে । ৯ আৰু সদাসৰ্ব্বদায় জীয়াই
থকা যি জনা সিংহাসনত বহি আছে, জন্তুবিলাকে যেতিয়া তেওঁৰ মহিমা,
প্ৰশংসা, আৰু গুণ কীৰ্ত্তন কৰে, ১০ তেতিয়া সিংহাসনত বহা জনৰ আ-
গত সেই চৌবিছ বৃদ্ধ লোকে উবুৰি হৈ পৰি, সদাসৰ্ব্বদায় জীয়াই থকা

যি জনা, তেওঁক সেৱা কৰি সিংহাসনৰ আগত আপোনাৰ কিৰীটী পেলাই
দি, এই কথা বোলে; ১১ হে প্ৰভু, মহিমা, প্ৰশংসা, পৰাক্ৰম পোৱাৰ
তুমিহে যোগ্য; কিয়নো তুমি সকলোকে সৃজিলা; তোমাৰ ইচ্ছাৰ দ্বাৰাই
সকলো হৈছিল, আৰু স্থাপিত হৈ আছে ।

## ৫ অধ্যায় ।

আৰু যি জনা সিংহাসনৰ ওপৰত বহি আছিল, তেওঁৰ সোঁ হাতত ভিতৰে
বাহিৰে লিখা, আৰু সাতোটা ছাবেৰে ছাব মৰা এখন পুথী দেখিলোঁ ।
২ সেই পুথী মেলিবলৈ আৰু তাৰ ছাব ভাঙ্গিবলৈ যোগ্য কোন আছে,
এই কথা বৰ শবদেৰে ঘোষণা কৰোঁতা বলৱন্ত দূত এজনক দেখিলোঁ ।
৩ কিন্তু [ ওপৰ ] স্বৰ্গত, বা পৃথিবীত, বা পৃথিবীৰ তলত সেই পুথী মেলি-
বলৈ বা চাবলৈকে সমৰ্থ কোনো নাইকিছিল । ৪ তাতে পুথী মেলিবলৈ
বা চাবলৈকো কোনো জনক যোগ্য পোৱা নহল দেখি মই অনেক ক্ৰন্দন
কৰিলোঁ । ৫ তেতিয়া সেই বৃদ্ধ লোকৰ এজনে মোত কলে, তুমি ক্ৰন্দন
নকৰিবা, দেখা, যি জনা য়িহুদি ফৈদৰ বঙ্গহৰ সিংহ, আৰু দায়ুদৰ মূল,
তেওঁ পুথী আৰু তাৰ সাতোটা ছাব মেলিব পৰা হল । ৬ তেতিয়া সিং-
হাসন আৰু চাৰি জন্তুৰ মাজত, আৰু সেই চৌবিছ বৃদ্ধ লোকৰ মাজতো
থিয় হৈ থকা এক মেৰ পোৱালি দেখিলোঁ । তেওঁ মৰা বলিৰ নিচিনা;
সাতোটা শিঙ্গ আৰু সাতোটা চকু আছিল; সেই চকু গোটেই খন পৃথি-
বীৰ মাজলৈ পঁচা ঈশ্বৰৰ সাত আত্মা । ৭ তেওঁ আহি সিংহাসনত বহি
থকা জনৰ সোঁ হাতৰ পৰা সেই পুথী খন ললে । ৮ পুথী ললত সেই
চাৰি জন্তু আৰু চৌবিছ বৃদ্ধ লোকে গায়পতি বীণ আৰু সুগন্ধি ধূপ
অৰ্থাৎ পবিত্ৰ লোকৰ প্ৰাৰ্থনাৰে পূৰ হোৱা সোণৰ পাত্ৰ লৈ, মেৰ পোৱা-
লিৰ আগত উবুৰি হৈ পৰিল; ৯ আৰু এই নতুন গীত গান কৰিলে,
বোলে, পুথী লবলৈ আৰু তাৰ ছাব মেলিবলৈ তুমিহে যোগ্য; কিয়নো
তুমি মৰা হৈ আপোনাৰ তেজৰ দ্বাৰাই সকলো বঙ্গহ, ভাষা, ৰাজ্য, আৰু
দেশৰ লোকৰ মাজৰ পৰা ঈশ্বৰলৈ আমাক মুক্তি কৰিলা; ১০ আৰু আ-
মাৰ ঈশ্বৰৰ কাৰ্য্যলৈ সিবিলাকক ৰজা আৰু পোৰোহিত পাতিলা; এই
হেতুকে সিবিলাক পৃথিবীৰ ওপৰত অধিকাৰ হব । ১১ পাছে মই চাওঁতে
সিংহাসন, আৰু জন্তু, আৰু বৃদ্ধ লোকৰ চাৰিও ফালে থকা অনেক দূতৰ
মাত শুনিলোঁ; সিবিলাকৰ সংখ্যা অযুত গুণ অযুত, আৰু হেজাৰ গুণ হে-
জাৰ আছিল । ১২ সিবিলাকে বৰ শবদেৰে কলে, বোলে, মৰা হোৱা যি
মেৰ পোৱালি, তেৱেঁই পৰাক্ৰম, আৰু ধন, জ্ঞান, শক্তি, মৰ্য্যতা, মহিমা
আৰু ধন্যবাদ পোৱাৰ যোগ্য । ১৩ আৰু স্বৰ্গত, পৃথিবীৰ ওপৰত, পৃথি-

ৰীৰ তলতো, সাগৰৰ ওপৰত, আৰু এইবিলাকৰ ভিতৰত থকা সকলো-
প্ৰাণীৰ এই কথা শুনিলোঁ; সিংহাসনৰ ওপৰত বহি থকা জনা আৰু মেৰ
পোৱালিৰ ধন্যবাদ, মৰ্য্যতা, মহিমা, আৰু পৰাক্ৰম সদাসৰ্ব্বদায় প্ৰকাশ
হওক। ১৪ আৰু চাৰি জন্তুএ কলে, আমেন; আৰু [চৌবিছ] বৃদ্ধ লোকে
উবুৰি হৈ পৰি [সদাসৰ্ব্বদায় জীয়াই থকা জনক] সেৱা কৰিলে।

## ৬ অধ্যায়।

পাছে মেৰ পোৱালিএ সেই সাতোটা ছাবৰ প্ৰথমটো মেলিলত ময় চাই
দেখিলোঁ, আৰু আহাঁ, চোৱা, এই কথা বুলি সেই চাৰি জন্তুৰ এটাই
মেঘৰ গৰ্জ্জনৰ দৰে কোৱা শুনিলোঁ। ২ তেতিয়া ময় চাই এটা বগা
ঘোঁৰা দেখিলোঁ; আৰু তাত উঠি থকা জনাৰ হাতত ধেনু আছিল,
আৰু তেওঁক এটা কিৰীটী দিয়া হল; তাতে তেওঁ জয় কৰিও পুনৰ জয়
কৰিবলৈ গল।
৩ পাছে তেওঁ দ্বিতীয় ছাব মেলিলত, আহাঁ, দ্বিতীয় জন্তুএ ইয়াকে কোৱা
শুনিলোঁ। ৪ তাতে ৰঙ্গা ঘোঁৰা এটা ওলাল; আৰু তাত উঠি থকা জনাক
পৃথিবীৰ পৰা কুশল দূৰ কৰিবলৈ, আৰু মানুহবিলাকক ইটে সিটক বধ
কৰাবলৈ শক্তি দিয়া হল; আৰু তেওঁক এখন বৰ তৰোৱাল দিয়া হল।
৫ পাছে তেওঁ তৃতীয় ছাব মেলিলত, আহাঁ, [চোৱা,] তৃতীয় জন্তুৰ এই
কথা শুনিলোঁ। তাতে ময় চাই কলা ঘোঁৰা দেখিলোঁ, আৰু তাত উঠি থকা
জনে হাতত তুল ধৰি আছিল। ৬ আৰু এমহালৈ ঘেঁহু একঠা, এমহালৈ
যৱ তিনি কঠা, আৰু তেল, পনিয়ালৰ ৰস, এইবিলাক হানি নকৰিবা,
চাৰি জন্তুৰ মাজৰ পৰা এই কথা শুনিলোঁ।
৭ আৰু তেওঁ চতুৰ্থ ছাব মেলিলত, আহাঁ, [চোৱা,] চতুৰ্থ জন্তুৰ এই
কথা শুনিলোঁ। ৮ পাছে ময় চাই, পাণ্ডু বৰণিয়া এটা ঘোঁৰা দেখিলোঁ;
তাৰ ওপৰত উঠি থকা জনৰ নাম মৃত্যু; তেওঁৰ পাছে পাছে পৰলোক গৈ
আছিল; আৰু তৰোৱাল, আঁকাল, মাউৰ, আৰু বন পহুৰ দ্বাৰাই বধ
কৰিবলৈ পৃথিবীৰ চাৰি ভাগৰ এভাগৰ ওপৰত তেওঁক শক্তি দিয়া হল।
৯ পাছে তেওঁ পঞ্চম ছাব মেলিলত যিবিলাক ঈশ্বৰৰ বাক্যৰ নিমিত্তে
আৰু আপুনি ৰখা প্ৰমাণৰ নিমিত্তে বধ কৰা হৈছিল, সিবিলাকৰ আত্মা
যজ্ঞ ভেঁটিৰ তলত দেখিলোঁ। ১০ সিবিলাকে বৰ মাতেৰে কৈ এই কথা
বুলিলে, হে পবিত্ৰ সত্য প্ৰভু, পৃথিবীত থকা লোকৰ সোধ কৰি আ-
মাক বধ কৰা দোষৰ প্ৰতিফল দিবলৈ তুমি আৰু কিমান কাল পলম
কৰিবা? ১১ তেতিয়া সিবিলাকক [গায়পতি] বগা বস্ত্ৰ দিয়া হৈছিল;
আৰু সিবিলাকলৈ এই কথা কোৱা হল, তোমোলাকৰ লগৰ যি সেৱক

আৰু ভাইবিলাক তোমোলাকৰ নিচিনাকৈ বধ কৰা হব, সিবিলাকৰ সংখ্যা
পূৰ নোহোৱালৈকে তোমোলাকে অলপ কাল জিৰাই থাকিবা ।
১২ পাছে তেওঁ ষষ্ঠ ছাব মেলিলত মই চাই দেখিলোঁ, মহা ভূমিকম্প
গল, আৰু চুলিৰে বোৱা চটৰ নিচিনা সূৰ্য্য কলা হল, গোটেই চন্দ্র তে-
জৰ নিচিনা হল, ১৩ আৰু বৰ বতাহে লৰোৱা ডিমৰু গছৰ অকালৰ
গুটী যেনেকৈ সৰি পৰে, তেনেকৈ আকাশৰ তৰাবিলাক খহি পৰিল ।
১৪ আৰু ছালৰ পুথী নুৰিয়াই থোৱাৰ দৰে আকাশ মণ্ডল গুছি গল;
পৰ্ব্বত আৰু উপদ্বীপ সকল আপোন আপোন ঠাইৰ পৰা লৰোৱা হল ।
১৫ আৰু পৃথিবীৰ ৰজাবিলাক, প্রধান লোক, সেনাপতি, ধনী আৰু বলৱন্ত-
বিলাক, বন্দী আৰু মুকলি হোৱা মানুহ সকলে গুহাত আৰু পৰ্ব্বতৰ শি-
লৰ মাজত আপোনাক লুকাই, পৰ্ব্বত আৰু শিলবোৰক বুলিলে, আমাৰ
ওপৰত পৰি, সিংহাসনত বহি থকা জনৰ মুখৰ পৰা আৰু মেৰ পোৱা-
লিৰ ক্রোধৰ পৰা আমাক ঢাকাহঁক । ১৬ কিয়নো তেওঁৰ ক্রোধৰ মহা
দিন আহিল, আৰু কোন থাকিব পাৰে?

## ৭ অধ্যায় ।

ইয়াৰ পাছে পৃথিবী, বা সাগৰ, বা কোনো গছৰ ওপৰত বতাহ যেন নবলাই,
এই নিমিত্তে পথিবীৰ চাৰি বায়ু ধৰি পৃথিবীৰ চাৰি চুকত থকা চাৰি
দূত দেখিলোঁ । ২ পাছে অমৰ ঈশ্বৰৰ ছাব লৈ পূব দিশৰ পৰা ওলাই
অহা আন এজন দূতক দেখিলোঁ; পৃথিবী আৰু সাগৰক হিংসা কৰি-
বলৈ আজ্ঞা পোৱা চাৰি দূতত সি দূতে বৰকৈ ৰিঙ্গিয়াই কলে, ৩ আমি
আপোনাৰ ঈশ্বৰৰ সেৱকবিলাকৰ কঁপালত ছাব নিদিয়ালৈকে তোমোলা-
কে পৃথিবী, সাগৰ, আৰু গছবোৰক হিংসা নকৰিবা । ৪ পাছে সেই ছাব
মৰা মানুহবিলাকৰ সংখ্যা শুনিলোঁ; ইস্রায়েলৰ সকলো ফৈদৰ এক লাখ
চৌচলিছ হেজাৰ ছাব মৰা হল । ৫ য়িহুদাৰ ফৈদৰ ছাব মৰা বাৰে
হেজাৰ; ৰুবেনৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ; গাদৰ ফৈদৰ ছাব মৰা
বাৰে হেজাৰ; ৬ আস্যেৰৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ; নপ্তালিৰ ফৈ-
দৰ ছাব মৰা বাৰে হেজাৰ; মিনাচিৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ;
৭ চিমিওনৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ; লেৱিৰ ফৈদৰ ছাব মৰা
বাৰে হেজাৰ; ইচাখাৰৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ; ৮ জিবুলোনৰ
ফৈদৰ ছাব মৰা বাৰে হেজাৰ; য়োচেফৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ;
বেনিয়ামিনৰ ফৈদৰ ছাব মৰা বাৰে হেজাৰ ।
৯ ইয়াৰ পাছে মই চাই দেখিলোঁ, কোনেও গণিব নোৱৰা সকলো দেশ,
বংশহ, জাতি, আৰু ভাষাৰ লোক এক বৰ সমূহে বগা বস্ত্র পিন্ধা হৈ হাতত

তাল পাত ধৰি সিংহাসনআৰু মেৰ পোৱালিৰ আগত থিয় হৈ, ১০ বৰ
মাতেৰে জয়ধ্বনি কৰি কলে, সিংহাসনত বহি থকা আমাৰ ঈশ্বৰ আৰু
মেৰ পোৱালিলৈ পৰিত্ৰাণৰ গুণ কীৰ্ত্তন হওক। ১১ পাছে সকলো দূত-
বিলাক সিংহাসন আৰু বৃদ্ধ লোক আৰু চাৰি জন্তুৰ চাৰিও ফালে
থিয় হৈ আছিল; আৰু সিবিলাকে সিংহাসনৰ আগত তললৈ মুকৈ পৰি
ঈশ্বৰক সেৱা কৰি কলে, ১২ আমেন; আমাৰ ঈশ্বৰৰ ধন্যবাদ, মহিমা,
জ্ঞান, প্ৰশংসা, মৰ্য্যতা, পৰাক্ৰম, আৰু শক্তি সদাসৰ্ব্বদায় প্ৰকাশ হওক।
[আমেন।]

১৩ তেতিয়া সেই বৃদ্ধ লোকৰ এজনে মাত লগাই মোত সুধিলে, এই বগা
কাপৰ পিন্ধাবিলাক কোন? আৰু কৰ পৰা আহিল? ১৪ তাতে ময় তেওঁত
কলোঁ, হে মোৰ প্ৰভু, তুমি জানিছা। তেতিয়া তেওঁ মোত কলে, অতি দুঃখৰ
পৰা উদ্ধাৰ হৈ মেৰ পোৱালিৰ তেজেৰে আপোন আপোন বস্ত্ৰ ধুই বগা
কৰা ইবিলাক।

১৫ এই হেতুকে সিবিলাকে ঈশ্বৰৰ সিংহাসনৰ আগত থাকি দিনে ৰা-
তিএ তেওঁৰ মন্দিৰত তেওঁৰ সেৱা কৰি আছে; আৰু সিংহাসনত বহি থকা
যি জন, তেওঁ সিবিলাকৰ মাজত নিবাস কৰিব। ১৬ সিবিলাকৰ আৰু
কেতিয়াও ভোক পিয়াহ নহব; সিবিলাকৰ গাত ৰদ বা কোনো তাপ নে-
লাগিব; ১৭ কিয়নো সিংহাসনৰ মাজত থকা মেৰ পোৱালিএ সিবিলাকক
চৰাব, আৰু অমৃত জলৰ পুঙ্গৰ ওচৰলৈ নিব, আৰু ঈশ্বৰে সিবিলাকৰ চকুৰ
পৰা সকলো লো মচি গুছাব।

## ৮ অধ্যায়।

পাছে তেওঁ সপ্তম ছাব মেলিলত এড়াঁৰ মান বেলি স্বৰ্গ নিঃশবদ হল।
২ তেতিয়া ঈশ্বৰৰ আগত থিয় হৈ থকা যি সাত জন দূত, সিবিলাকক
দেখিলোঁ; আৰু সেই সাত জনক সাতোটা ভেৰী দিয়া হল। ৩ পাছে
সোণৰ ধূপৰ বঠি লোৱা অন্য এজন দূত আহি, ভেঁটিৰ কোষত থিয় হল।
আৰু সিংহাসনৰ আগত থকা সোণৰ ভেঁটিৰ ওপৰত সকলো সাধুবিলাকৰ
প্ৰাৰ্থনাৰে সৈতে উচৰগ কৰিবৰ নিমিত্তে তেওঁক ভালেমান ধূপ দিয়া হল।
৪ তাতে ঈশ্বৰৰ আগত সাধুবিলাকৰ প্ৰাৰ্থনাৰে সৈতে দূতৰ হাতৰ পৰা
ধূপৰ ধূঁৱা উঠিল। ৫ পাছে দূতে ধূপৰ বঠি লৈ ভেঁটিৰ জুইৰে পূৰ কৰি
পৃথিবীত পেলাই দিলে; তাতে শবদ, আৰু মেঘৰ গৰ্জ্জন, বিদুলী, আৰু
ভূমিকম্প হল।

৬ পাছে সাতোটা ভেৰী ধৰা সেই সাত জন দূতে ভেৰী বজাবলৈ আ-
পোনাকে যুগুত কৰিলে। ৭ তাতে প্ৰথম দূতে বজালত শিলাবৃষ্টি আৰু

তেজেৰে মিহলি জুই ওলাই পৃথিবীত পৰিল; তাতে পৃথিবীৰ তিনি ভাগৰ
এভাগ পোৰা হল; গছবো তিনি ভাগৰ এভাগ, আৰু সকলো কেঁচা তৃণ
পোৰা গল ।
৮ পাছে দ্বিতীয় দূতে বজালত অগ্নিৰে জ্বলি থকা এটা মহা পৰ্ব্বত যেন
সাগৰৰ মাজত পেলোৱা হল; তাতে সাগৰৰ তৃতীয় ভাগ তেজ হল; ৯ আৰু
সাগৰত থকা জীয়া জন্তুৰ তৃতীয় ভাগ মৰিল; আৰু জাহাজবিলাকৰো
তৃতীয় ভাগ নষ্ট হল ।
১০ পাছে তৃতীয় দূতে বজালত জ্বলি থকা চাকিৰ নিচিনা এটা বৰ তৰা
আকাশৰ পৰা খহি নদীৰ তিনি ভাগৰ এভাগত আৰু জলৰ ভুমুকবিলাকত
পৰিল । ১১ সেই তৰাৰ নাম তিতাপাত; তাৰে জলৰ তৃতীয় ভাগ তিতা-
পাতৰ নিচিনা হল; আৰু পানী তিতা হোৱাত অনেক মানুহ মৰিল ।
১২ পাছে চতুৰ্থ দূতে বজালত সূৰ্য্যৰে-চন্দ্ৰৰে আৰু তৰাবিলাকৰো তিনি
ভাগৰ এভাগ কোব মৰা হোৱাত, সিহঁতৰ তৃতীয় ভাগটো এন্ধাৰ হল;
আৰু দিনৰ তৃতীয় ভাগ পহৰ নাইকিয়া হল; ৰাতিৰো সেই ৰূপ হল ।
১৩ পাছে ময় চাওঁতে আকাশৰ মাজত উৰি যোৱা কুৰৰ পক্ষীএ বৰ মা-
তেৰে কোৱা এই কথা শুনিলোঁ, হে পৃথিবী নিবাসী লোক সকল, অৱ-
শেষ যি তিনি দূত বজাবলৈ আছে, সিবিলাকৰ ভেৰীৰ শব্দত তোমোলাকৰ
সন্তাপ, সন্তাপ, আৰু সন্তাপ!

## ৯ অধ্যায় ।

পাছে পঞ্চম দূতে বজালত আকাশৰ পৰা এক তৰা পৃথিবীত পৰিবৰ
দেখিলোঁ; আৰু তলি নোহোৱা কুণ্ডৰ চাবী তাক দিয়া হল। ২ তাতে
সি তলি নোহোৱা কুণ্ড মেলিলত তাৰ পৰা বৰ অগ্নি কুণ্ডৰ ধূঁৱাৰ নিচি-
নাকৈ ধূঁৱা উঠিলত, সেই কুণ্ডৰ ধূঁৱাৰে সূৰ্য্য আৰু আকাশ মণ্ডল অন্ধকাৰময়
হল । ৩ সেই ধূঁৱাৰ পৰা ফৰিঙ্গবোৰ পৃথিবীত ওলাল, আৰু পৃথিবীত
থকা কেঁকোৰা বিচাৰ শক্তিৰ নিচিনা সিহঁতক শক্তি দিয়া হল ।
৪ আৰু পৃথিবীৰ কোনো তৃণ, বা কেঁচা শহ, বা কোনো গছ হিংসা
নকৰি, যিবিলাকৰ কঁপালত ঈশ্বৰৰ ছাব নাই, অকল সিবিলাকক হিংসা
কৰিবলৈ সিহঁতক আজ্ঞা দিয়া হল । ৫ সিবিলাকৰ প্ৰাণ মাৰিবলৈ দিয়া
নহয়, কিন্তু পাচ মাহলৈকে যাতনা কৰিবলৈ সিহঁতক দিয়া হল। কেঁকোৰা
বিচাই মানুহক বিন্ধাত যেনে যাতনা, সিহঁতে দিয়া যাতনা তেনে । ৬ সেই
কালত মানুহবিলাকে মৃত্যুক বিচাৰি নেপাব; মৰণলৈ আশা কৰিব, কিন্তু
সিবিলাকৰ পৰা মৃত্যু পলাব। ৭ সেই ফৰিঙ্গবোৰৰ আকৃতি যুদ্ধৰ নিমিত্তে
সজোৱা ঘোৰাৰ নিচিনা, আৰু মূৰত সোণৰ মুকুট, আৰু মানুহৰ মুখৰ

নিচিনা সিবিলাকৰ মুখ; ৮ তিৰোতাৰ চুলিৰ দৰে সিইঁতৰ চুলি, সিংহৰ
দাঁতৰ দৰে সিইঁতৰ দাঁত; ৯ সিইঁতৰ যি বুকৰ জাখৰ, সেইবিলাক লোৰ
জাখৰৰ নিচিনা; আৰু ৰণলৈ ৰথে সৈতে লৰি যোৱা বহুত ঘোঁৰাৰ
শবদৰ দৰে সিইঁতৰ ডেউকাৰ শবদ; ১০ কেঁকোৰা বিচাৰ নিচিনা সিইঁতৰ
নেজ, আৰু নেজত হুল আছিল; আৰু পাঁচ মাহলৈকে মানুহক হিংসা
কৰিবলৈ সিইঁতৰ শক্তি আছিল । ১১ তলি নোহোৱা কুণ্ডৰ দূত সিইঁতৰ
ৰজা, তাৰ নাম ইব্ৰী ভাষাৰে অবাদোন, গ্ৰীক ভাষাৰে আপলিওন, (অৰ্থাৎ
বিনাশক) । ১২ এই এক সন্তাপ গল, আৰু দেখা, আগলৈ আৰু দুই
সন্তাপ আহিছে ।

১৩ ষষ্ঠ দূতে বজালত ঈশ্বৰৰ আগত থকা সোণৰ ভেঁটিৰ চাৰি শিঙৰ
পৰা ভেৰী ধৰা ষষ্ঠ দূতলৈ কোৱা এই শবদ শুনিলোঁ, ১৪ ফিৰাত মহা
নদীত বন্ধন হোৱা চাৰি দূতক মুকলি কৰা । ১৫ তেতিয়া মানুহবিলাকৰ
তিনি ভাগৰ এভাগ মাৰিবৰ নিমিত্তে যি চাৰি দূত এবছৰ, এমাহ, এদিন,
আৰু এক ঘৰিলৈ যুগুত হৈছিল, সেইবিলাকক মুকলি কৰিলে । ১৬ তাতে
ঘোঁৰাত উঠা সৈন্যৰ সংখ্যা দুহেজাৰ লাখ আছিল; সিইঁতৰ সেই
সংখ্যা ময় শুনিলোঁ । ১৭ সেই ঘোঁৰাবোৰ আৰু তাত উঠি থকাবিলাকক
এই ৰূপ দৰ্শন পালোঁ; অগ্নি আৰু নীলমনি আৰু গন্ধকৰে বুকৰ জাখৰ
সিবিলাকৰ আছিল; সিংহৰ মূৰৰ নিচিনা সেই ঘোঁৰাৰ মূৰ; আৰু
সিইঁতৰ মুখৰ পৰা জুই, ধূঁৱা, আৰু গন্ধক ওলাল । ১৮ সিইঁতৰ মুখৰ
পৰা ওলোৱা জুই, ধূঁৱা, গন্ধক, এই তিনি অহিতৰ দ্বাৰাই মানুহৰ তিনি
ভাগৰ এভাগ নষ্ট কৰা হল । ১৯ সেই ঘোঁৰাবিলাকৰ শক্তি মুখত আৰু
নেজত আছে; কিয়নো সিইঁতৰ নেজ সাপৰ নিচিনা হৈ, মূৰেৰে যুগুত
হোৱাত তাৰে সৈতেও হিংসা কৰে । ২০ এই বিৰোধ সকলৰ দ্বাৰাই যি
অৱশেষ মানুহ মৰা নহল, সিবিলাকে হাতে কৰা কৰ্ম্মৰ পৰা মন নেপালটালে,
অৰ্থাৎ দেখিব, শুনিব, অহা যোৱা কৰিব নোৱৰা, এনে সোণ, ৰূপ, পিতল,
শিল, কাঠেৰে সজা মূৰ্ত্তি আৰু দেওবিলাকৰ পূজা নেৰিলে; ২১ আৰু বধ,
মায়াপী কৰ্ম্ম, ব্যভিচাৰ, চুৰ কৰা, এইবিলাকৰ পৰা মন নেপালটালে ।

## ১০ অধ্যায় ।

পাছে মষ় আন এজন ৰলৱন্ত দূতক স্বৰ্গৰ পৰা নামিবৰ দেখিলোঁ, তেওঁ
মেঘক বস্ত্ৰকৈ পিন্ধা হৈ, মূৰৰ ওপৰত স্বৰ্গৰ ধেনু আছিল; তেওঁৰ মুখ
সূৰ্য্যৰ নিচিনা, আৰু তেওঁৰ ভৰি জুইৰ খুঁটাৰ নিচিনা; আৰু হাতত এখন
সৰু মেলা পুথী আছিল । ২ তেৱেঁ সোঁ ভৰি সাগৰৰ ওপৰত, বাওঁ ভৰি
পৃথিবীৰ ওপৰত দি থিয় হৈ সিংহে গৰ্জাৰ দৰে ৰিঙিয়াই বৰ শবদ

কৰিলে । ৩ তেওঁ শব্দ কৰাৰ পাছে মেঘৰ সাতোটা গৰ্জ্জনৰ শব্দ হল ;
৪ সেই সাতোটা গৰ্জ্জনৰ শব্দ হলত তাৰ কথা লিখিবলৈ উদ্যোগ হৈ আ-
ছিলোঁ ; কিন্তু তেতিয়া মোলৈ কোৱা এই আকাশী বাণী শুনিলোঁ, মেঘৰ
সাতোটা গৰ্জ্জনৰ দ্বাৰাই যি যি কথা কোৱা হৈছে, সেইবিলাকক নিলিখি
ছাব মাৰি ৰাখিবা । ৫ পাছে সাগৰ আৰু পৃথিবীৰ ওপৰত ভৰি দি থিয়
হোৱা যি দূতক দেখিলোঁ, তেওঁ আকাশলৈ আপোনাৰ সোঁ হাত তুলি,
৬ আকাশ মণ্ডল আৰু তাৰ মাজত থকা যি যিবিলাক, পৃথিবী আৰু তাৰ
মাজত থকা যিবিলাক, সাগৰ আৰু তাৰ মাজত থকা যিবোৰ, এই সক-
লোৰে সৃষ্টিকৰ্ত্তা সদাসৰ্ব্বদায় জীয়াই থকা যি জন, তেওঁৰ নাম লৈ এই
শপত কৰিলে, ৭ কাল পলম আৰু নহব, কিন্তু সপ্তম দূতৰ শব্দ হোৱাৰ
সময়ত সি ভেৰী বজাবলৈ আৰম্ভণ কৰিব, আৰু তেতিয়া ঈশ্বৰে আপোনাৰ
সেৱক ভবিষ্যত বক্তাবিলাকলৈ যি ৰূপ দেখালে, সেই ৰূপে তেওঁৰ গোপনীয়
কথা সম্পূৰ্ণ হব । ৮ তেতিয়া আগেয়ে শুনা আকাশী বাণী আকও মোট
কৈ বুলিলে, সাগৰ আৰু পৃথিবীৰ ওপৰত ভৰি দি থিয় হৈ থকা দূতৰ
হাতত যি সৰু মুকলি পুথী আছে, তুমি গৈ তাকে লোৱা । ৯ তাতে মই দূতৰ
ওচৰলৈ গৈ তেওঁক কলোঁ, সৰু পুথী খন মোক দিয়া । তেতিয়া তেওঁ মোত
কলে, তুমি লোৱা, ভোজন কৰা ; পেটত তিতা হব, কিন্তু মুখত মৌৰ দৰে
সোৱাদ লাগিব । ১০ তেতিয়া দূতৰ হাতৰ পৰা সেই সৰু পুথী লৈ খালোঁ ;
মুখত মৌৰ নিচিনা সোৱাদ আছিল, কিন্তু খালত তেতিয়াই পেট তিতা
হল । ১১ পাছে তেওঁ মোত কলে, অনেক ৰাজ্য আৰু দেশ আৰু ভাষাৰ
লোক, আৰু ৰজাবিলাকৰ আগতো তুমি আকও ভবিষ্যত বাক্য কব লাগিব ।

## ১১ অধ্যায় ।

পাছে যোখৰ মাৰিৰ নিচিনা এডাল নল দি মোত কোৱা হৈছিল, তুমি
উঠি ঈশ্বৰৰ মন্দিৰ আৰু যজ্ঞ ভেঁটিৰ যোখ, আৰু তাত সেৱা কৰাবিলাকৰ
লেখ লোৱা । ২ কিন্তু মন্দিৰৰ বাঝে চোতাল এৰি তাৰ যোখ নলবা ;
কিয়নো তাক বিদেশী লোকক দিয়া হৈছে ; আৰু সিহঁতে দুকুৰি দুমাহলৈকে
পবিত্ৰ নগৰ ভৰিয়েৰে গচকিব । ৩ আৰু মোৰ দুই সাক্ষীক মই আজ্ঞা
দিয়াত সিবিলাকে মৰাপাটৰ চট পিন্ধা হৈ এহেজাৰ দুশ তিনি কুৰি দিন
ভবিষ্যত বাক্য কব । ৪ ইবিলাক জগতৰ প্ৰভুৰ আগত থকা দোজোপা
জল্‌ফাই গছ, আৰু দুই দীপাধাৰ । ৫ সিবিলাকক কোনোএ যদি হিংসা
কৰিব খোজে, সিবিলাকৰ মুখৰ পৰা জুই ওলাই শত্ৰুবোৰক নষ্ট কৰে ;
কোনোএ যদি সিবিলাকক হিংসা কৰিব খোজে, তেন্তে সেই ৰূপে তাক
নষ্ট কৰা হব । ৬ সিবিলাকে ভবিষ্যত বাক্য কোৱা দিনত যেন বৰষুণ

নহয়, আকাশক এনে বন্ধন কৰিবলৈ সিবিলাকৰ শক্তি আছে; আৰু
পানী তেজ কৰিবলৈ, আৰু যেতে বেলি ইচ্ছা কৰে, তেতে বেলি সকলো
আপদেৰে পৃথিবীৰ লোকক দুঃখ দিবলৈ শক্তি আছে। ৭ সিবিলাকে প্ৰমাণ
দিয়া কাল পূৰ হলত তলি নোহোৱা কুণ্ডৰ পৰা ওলাই অহা পশুএ সিবি-
লাকে সৈতে যুদ্ধ পাতি জয় কৰি সিবিলাকক মাৰিব। ৮ তাতে নিগূঢ
ৰূপে চিদোম আৰু মিচৰ নামে প্ৰখ্যাত হোৱা যি নগৰত সিবিলাকৰ
প্ৰভু পেৰেঙ্গণিত বধ কৰা হৈছিল, সেই মহা নগৰৰ আলিতে সিবিলাকৰ
মৰা শ থাকিব। ৯ নানা ৰাজ্য আৰু বঙ্গহ, ভাষা আৰু দেশৰ লোকে
আচাৰি দিনলৈকে সিবিলাকৰ মৰা শ দেখি সিবিলাকক মৈদামত পুতি-
বলৈ নিদিব। ১০ আৰু এই দুই ভবিষ্যত বক্তাই পৃথিবীত থকা লোকক
যাতনা কৰা হেতুকে পৃথিবীত থকাবিলাকে সিবিলাকৰ ওপৰত আনন্দিত
হৈ ৰঙ্গ কৰিব, আৰু ইজনে সিজনলৈ বঁটা দি পঠাব। ১১ আচাৰি
দিনৰ পাছে ঈশ্বৰৰ পৰা জীৱাত্মা সিবিলাকৰ শৰীলত সোমালহি, তাতে
সিবিলাকে ভৰিৰে থিয় হলত দেখা লোকবিলাকৰ অতিশয় ভয় লাগিল।
১২ পাছে সিবিলাকে আপোনালৈ কোৱা আকাশৰ এই মহা বাণী শুনি-
লে, তোমোলাক ওপৰলৈ আহাঁ। তাতে সিবিলাকে মেঘত সোমাই স্বৰ্গলৈ
গল; আৰু সিবিলাকৰ শত্ৰুবিলাকেও তাক দেখিলে। ১৩ সেই ডাঁৱ-
তেই বৰ ভূমিকম্প গল, তাৰে নগৰৰ দহ ভাগৰ এভাগ পৰিল, আৰু
সেই ভূমিকম্পৰ দ্বাৰাই সাত হেজাৰ মানুহ মৰা হল, আৰু যি অৱশেষ
লোক আছিল, সিবিলাকে ভয় পাই স্বৰ্গৰ ঈশ্বৰক ধন্যবাদ কৰিলে।
১৪ এই দ্বিতীয় সন্তাপ হৈ গল; দেখা, তৃতীয় সন্তাপ বেগাই আহিছে।
১৫ পাছে সপ্তম দূতে বজালত, এই জগতৰ ৰাজ্য আমাৰ প্ৰভু আৰু
তেওঁৰ খ্ৰীষ্টৰ হল, আৰু তেওঁ সদাসৰ্ব্বদায় ৰাজ শাসন কৰিব, এনে
মহা শবদবোৰ স্বৰ্গত শুনা গল। ১৬ আৰু ঈশ্বৰৰ আগত সিবিলাকৰ
সিংহাসনত বহি থকা চৌবিছ বৃদ্ধ লোকে উবুৰি হৈ পৰি ঈশ্বৰক সেৱা
কৰি কলে, ১৭ হে বৰ্ত্তমান আৰু ভূত কালৰ সৰ্ব্বশক্তিমন্ত প্ৰভু পৰম ঈশ্বৰ,
তোমাৰ গুণ কীৰ্ত্তন কৰোঁ; কিয়নো তুমি আপোনাৰ মহা পৰাক্ৰম লৈ
ৰাজ শাসন কৰি আছা। ১৮ দেশবিলাকৰ লোকে খঙ্গ কৰিছিল,
কিন্তু তোমাৰ ক্ৰোধ প্ৰকাশ হোৱা আৰু মৰা লোকৰ সোধ কৰা সময়,
অৰ্থাৎ তোমাৰ সেৱক ভবিষ্যত বক্তাবিলাক আৰু পবিত্ৰ লোক আৰু
তোমাৰ নামত ভয় কৰা সৰু বৰ সকলোকে প্ৰতিফল দিবৰ, আৰু পৃথিবী
নষ্ট কৰাবিলাকক নষ্ট কৰিবৰ সময় আহি পালেহি।

## ১২ অধ্যায় ।

পাছে স্বৰ্গত ঈশ্বৰৰ মন্দিৰ মুকলি হোৱাত, সেই মন্দিৰত প্ৰভুৰ নিয়মৰ
আধাৰ প্ৰকাশ হল; তাতে বিজুলী, আৰু শবদ, মেঘৰ গৰ্জ্জন, ভুমিকম্প
আৰু মহা শিলাবৃষ্টি হল । ২ আৰু স্বগত এক অতি আশ্চৰিত কথা দে-
খা গল, সূৰ্য্যেৰে ভূষিত, আৰু ভৰিৰ তলত চন্দ্ৰ থকা, আৰু মূৰত বাৰে
নক্ষত্ৰৰ কিৰীটী পিন্ধা, এনে এক গৰ্ভৱতী তিৰোতা প্ৰসৱৰ বেদনাৰে পী-
ৰিত হৈ এটাহ পাৰি আছিল । ৩ আৰু দেখা, স্বৰ্গত আন এক আশ্চ-
ৰিত দৰ্শন পোৱা গল, সাতোটা মূৰ, দহ শিঙ্গ, আৰু মূৰত সাতোটা কি-
ৰীটী থকা এনে এটা ৰঙ্গা বৰ নাগে আকাশৰ তৰাবিলাকৰ তিনি ভাগৰ
এভাগ নেজেৰে টানি আনি পৃথিবীত পেলাই দিলে; ৪ আৰু তিৰোতাৰ
লৰা ওপজা সময়ত তাক খাবৰ নিমিত্তে নাগে সেই প্ৰসৱৰ কাল হোৱা
তিৰোতাৰ আগত থিয় হৈ আছিল । ৫ পাছে লোহাৰ দণ্ডেৰে সকলো
দেশক শাসন কৰিব, এনে পুত্ৰক জন্মালে; সেই পুত্ৰক ঈশ্বৰ আৰু তেওঁৰ
সিংহাসনৰ ওচৰলৈ নিয়া হল । ৬ আৰু এহেজাৰ দুশ তিনি কুৰি দিন-
লৈকে প্ৰতিপালন কৰিবৰ নিমিত্তে ঈশ্বৰে অৰণ্যৰ মাজত যি ঠাই যুগুত
কৰিলে, তালৈ সেই তিৰোতাই পলায় গল ।

৭ আৰু স্বৰ্গত যুদ্ধ হল, মিখায়েল আৰু তেওঁৰ দূতবিলাকে নাগে সৈতে
ৰণ কৰিলে; ৮ নাগ আৰু তাৰ দূতবিলাকেও ৰণ কৰি জিকিব নোৱৰাত,
স্বৰ্গত সিহঁতে আৰু ঠাই পোৱা নহল । ৯ তাতে গোটেই জগতক ভুল কৰা
পাপ আত্মা ছয়তান নামেৰে প্ৰখ্যাত হোৱা যি পুৰণি সাপ, অৰ্থাৎ সেই
মহা নাগ, তাক বাহিৰ কৰা হৈ আপোনাৰ লগৰ দূতবিলাকে সৈতে পৃথি-
বীত পেলোৱা হল । ১০ তেতিয়াময় স্বৰ্গত এনে বৰ ধ্বনি শুনিলোঁ, এতিয়া
আমাৰ ঈশ্বৰৰ পৰিত্ৰাণ, শক্তি, ৰাজ্য, আৰু তেওঁৰ অভিষেক জনৰ পৰাক্ৰ-
মৰ কাল আহিল; কিয়নো দিনে ৰাতিএ ঈশ্বৰৰ আগত আমাৰ ভাইবি-
লাকক যি জনে অপবাদ কৰিলে, সেই অপবাদক তললৈ পেলোৱা হল ।
১১ সিবিলাকে মৰণলৈকে আপোন আপোন প্ৰাণকো প্ৰিয় নকৰি মেৰ
পোৱালিৰ তেজ আৰু আপোন প্ৰমাণৰ বাক্যৰ দ্বাৰাই তাক জয় কৰিলে ।
১২ এই হেতুকে হে স্বৰ্গ আৰু তাত থকা লোক, তোমোলাকে আনন্দ কৰা:
কিন্তু হায় হায়, পৃথিবী আৰু সমুদ্ৰ ! কিয়নো ছয়তানে আপোনাৰ কাল
অলপ হোৱা জানি অতি খঙ্গেৰে তোমোলাকৰ ওচৰলৈ নামিল ।

১৩ পাছে নাগে আপোনাকে পৃথিবীত পেলোৱা দেখি সেই পুত্ৰক ওপ-
জোৱা তিৰোতালৈ দ্ৰোহ আচৰিলে । ১৪ তাতে সেই তিৰীএ নাগৰ মুখৰ
পৰা এক কাল, আৰু কালবিলাক, আৰু আদ কাল হোৱালৈকে যতে পো-
হণ পালন পাই, সেই অৰণ্যৰ মাজলৈ উৰি যাবৰ নিমিত্তে তেওঁক বৰ

কুৰৰ পক্ষীৰ দুই ডেউকা দিয়া হল। ১৫ পাছে নাগে সেই তিৰীক সোঁ-
তৰ দ্বাৰাই উটাই নিবৰ নিমিত্তে আপোনাৰ মুখৰ পৰা নদীৰ নিচিনা
পানী তেওঁৰ পাচত পঠাই দিলে। ১৬ কিন্তু পৃথিবীএ তিৰোতাক উপ-
কাৰ কৰি, আপোনাৰ মুখ মেলি নাগে মুখৰ পৰা পঠিওৱা পানী খাই
থলে। ১৭ তাতে নাগে তিৰীলৈ খঙ্গ কৰি তেওঁৰ বঙ্গহৰ অৱশেষ লোক,
অৰ্থাৎ ঈশ্বৰৰ আজ্ঞা পালন কৰা আৰু য়ীশুৰ সাক্ষী হোৱাবিলাকে সৈতে
যুদ্ধ কৰিবলৈ গল।

## ১৩ অধ্যায়।

তাৰ পাছে ময় সাগৰৰ বালিৰ ওপৰত থিয় হৈ, এক পছু সাগৰৰ পৰা
উঠিবৰ দেখিলোঁ। তাৰ দহোটা শিঙ্গ, সাতোটা মুৰ আছিল, শিঙ্গৰ ওপ-
ৰত দহোটা কিৰীটী, আৰু মুৰৰ ওপৰত ঈশ্বৰক নিন্দা কৰা নামবিলাক
লিখা আছিল। ২ ময় যি পছু দেখিলোঁ, সি বাঘৰ নিচিনা, তাৰ ভৰি
ভালুকৰ নিচিনা, আৰু সিংহৰ মুখৰ নিচিনা তাৰ মুখ, আৰু নাগে
আপোনাৰ শক্তি, সিংহাসন, আৰু মহা পৰাক্ৰম তাক দিলে। ৩ সেই
পছুৰ এটা মুৰ মৃত্যুৰ দৰে মৰা হোৱা দেখিলোঁ; পাছে সেই মৃত্যু ৰূপ
ঘা ভাল হলত জগতৰ সকলো লোকে পছুৰ কথাত আশ্চৰিত মানিলে।
৪ আৰু নাগে পছুক আপোনাৰ শক্তি দিয়াত সকলোএ নাগক সেৱা কৰিলে;
আৰু পছুৰ তুল্য কোন আছে, তাৰে সৈতে কোনে যুদ্ধ কৰিব পাৰে?
ইয়াকে বুলি পছুকো সেৱা কৰিলে। ৫ তাক অহঙ্কাৰৰ কথা আৰু নিন্দা
বাক্য কবলৈ মুখ দিয়া হল; আৰু দুকুৰি দুমাহলৈকে থাকিবলৈ শক্তি
দিয়া হল। ৬ তাতে ঈশ্বৰৰ নাম, তাম্বু, আৰু স্বৰ্গত থকাবিলাকক নিন্দা
কৰিবলৈ সি ঈশ্বৰৰ বিৰোদ্ধে নিন্দাৰে আপোনাৰ মুখ মেলিলে। ৭ আৰু
পবিত্ৰ লোকে সৈতে যুদ্ধ কৰি সিবিলাকক জয় কৰিবলৈ, আৰু সকলো
বঙ্গহ, ৰাজ্য, ভাষা, আৰু দেশৰ লোকক শাসন কৰিবলৈ তাক শক্তি দিয়া
হল। ৮ তাতে যিবিলাকৰ নাম সৃষ্টিৰ আদিতে মৰা মেৰ পোৱালিৰ জীৱনৰ
পুথীত লিখা নাই, সেই সকলো পৃথিবীত থকা লোকে তাক সেৱা কৰিব।
৯ কাৰোবাৰ যদি কাণ আছে, সি শুনোক। ১০ যি জনে লোকক বন্দী
কৰি নিএ, সি আপুনি বন্দী হৈ যোৱা হব, আৰু যি জনে তৰোৱালেৰে
বধ কৰে, তাকো তৰোৱালেৰে বধ কৰা হব। ইয়াত পবিত্ৰ লোকবিলাকৰ
ধৈৰ্য্য আৰু বিশ্বাস আছে।

১১ তাৰ পাছে মেৰ পোৱালিৰ নিচিনা দুই শিঙ্গ থকা, আৰু নাগৰ
নিচিনা কথা কোৱা অন্য এক পছু পৃথিবীৰ পৰা উঠিবৰ দেখিলোঁ।
১২ সি প্ৰথম পছুৰ আগত তাৰ সকলো মহত কৰ্ম্ম কৰে, আৰু যি পছুৰ

মৃত্যু ৰূপ ঘা ভাল হল, পৃথিবী আৰু তাত থকা সকলোকে সেই প্ৰথম
পছুক সেৱা কৰাই । ১৩ আৰু মানুহৰ আগত স্বৰ্গৰ পৰা পৃথিবীত অগ্নি
বৰখাই, এনে আশ্চৰিত কৰ্ম্মবিলাক কৰি, ১৪ পছুৰ আগত যি আশ্চৰিত
কৰ্ম্ম কৰিবলৈ তাক শক্তি দিয়া হল, সেই কৰ্ম্মৰ দ্বাৰাই পৃথিবীত থকা
লোকবিলাকক ভুলাই ; আৰু যি পছু তৰোৱালেৰে কটা হৈয়ো জীলে,
তাৰ মূৰ্ত্তি সাজিবলৈ পৃথিবীত থকাবিলাকক আজ্ঞা কৰিলে । ১৫ সেই
পছুৰ মূৰ্ত্তিএ যেন কথা কব পাৰে, আৰু যি কোনোএ পছুৰ মূৰ্ত্তি সেৱা
নকৰে, সিবিলাকক যেন বধ কৰাব পাৰে, সেই নিমিত্তে পছুৰ মূৰ্ত্তিক জীৱ
দিবলৈ তাক শক্তি দিয়া হল । ১৬ আৰু সৰু বা বৰ, ধনৱন্ত বা দৰিদ্ৰ,
বন্দী বা মুকলি, সকলৰো সোঁ হাতত বা কঁপালত তাৰ চিন লগোৱালে ।
১৭ আৰু সেই চিন, বা পছুৰ নাম, বা সেই নামৰ অঙ্ক লোৱাবিলাকত
বাঝে কোনো মানুহক কিনা বেচা কৰিবলৈ নিদিলে । ১৮ ইয়াত জ্ঞানৰ
কথা হয় ; যি জন জ্ঞানৱন্ত, সি পছুৰ অঙ্ক গণনা কৰোক ; কিয়নো সেয়ে
মানুহৰ অঙ্ক ; আৰু সেই অঙ্ক ছশ ছয়ষষ্ঠী ।

---

## ১৪ অধ্যায় ।

পাছে ময় চাই দেখিলোঁ, চিওন পৰ্ব্বতৰ ওপৰত এক মেৰ পোৱালি থিয়
হৈ আছিল ; তেওঁৰ নাম আৰু তেওঁৰ পিতৃৰো নাম কঁপালত লিখা হোৱা,
এনে এক লাখ চৌচলিছ হেজাৰ লোক তেওঁৰ লগতে আছিল । ২ আৰু বহু
পানীৰ খলক আৰু মেঘৰ গাজনিৰ বৰ শবদৰ নিচিনা স্বৰ্গৰ পৰা এক
শবদ শুনিলোঁ ; ময় শুনা সেই শবদ বীণ বজোৱাহঁতৰ বীণ বোৱাৰ শবদৰ
নিচিনা । ৩ সিবিলাকে সিংহাসনৰ আগত, চাৰি জন্তু আৰু বৃদ্ধ লোকৰ
আগতো এটা নতুন গীত গান কৰিলে ; আৰু পৃথিবীৰ পৰা উদ্ধাৰ হোৱা
সেই এক লাখ চৌচলিছ হেজাৰ লোকৰ বাহিৰে কেৱেঁ শিকিব নোৱা-
ৰিলে । ৪ এইবিলাক বেশ্যাবিলাকৰ সংসৰ্গত অপবিত্ৰ নহৈ শুচিএ আ-
ছিল । মেৰ পোৱালিএ যলৈকে যাই, এইবিলাকো তেওঁৰ পাছে পাছে
তলৈকে যাই । মানুহবিলাকৰ মাজৰ পৰা সিবিলাক উদ্ধাৰ হৈ, ঈশ্বৰ আৰু
মেৰ পোৱালিলৈ প্ৰথম ফল হল । ৫ সিবিলাকৰ মুখত কোনো মিছা কথা
পোৱা নগল, কিয়নো সিবিলাক নিৰ্দুষী । ৬ পাছে আকাশৰ মাজেদি উৰি
ষোৱা আৰু এক দূতক দেখিলোঁ । পৃথিবী নিবাসী সকলো দেশ, বঙ্গহ, ভাষা,
আৰু ৰাজ্যৰ লোকলৈ কীৰ্ত্তন কৰিবৰ নিমিত্তে অনন্ত শুভবাৰ্ত্তা পাই,
৭ তেওঁ বৰ মাতেৰে এই কথা কলে, ঈশ্বৰৰ সোধ কৰা কাল হৈছে, এই
হেতুকে তেওঁলৈ ভয় কৰি তেওঁক ধন্যবাদ কৰা ; আৰু আকাশ মণ্ডল
পৃথিবী, সাগৰ, আৰু জলৰ ভূমুক এই সকলোৰে সৃষ্টিকৰ্ত্তা যি জনা,

তেওঁক সেৱা কৰা । ৮ আন এজনা দূতে তেওঁৰ পাছে গৈ এই কথা
কলে, বাবেল মহা নগৰ পৰিল, পৰিল; কিয়নো তাই বেশ্যাৰ ক্রোধৰ সুৰা
সকলো দেশৰ লোকক পান কৰাইছিল । ৯ সিবিলাকৰ পাছে তৃতীয়
দূতে গৈ বৰ মাতেৰে কলে, কোনোএ যদি পশু আৰু তাৰ মূৰ্ত্তিকে
সেৱা কৰে, নাইবা তাৰ চিন আপোনাৰ কঁপালত বা হাতত লয়, ১০ সেই
মানুহে ঈশ্বৰৰ ক্রোধৰ মিহলি নোহোৱা যি সুৰা তেওঁৰ দণ্ডৰ পাত্রত
ৰখা হৈছে, তাকে পান কৰিব; পবিত্র দূতবিলাক আৰু মেৰ পোৱা-
লিৰ সাক্ষাতে গন্ধকৰ জুইৰে যাতনা কৰা হব । ১১ আৰু যিবিলাকে
সেই পশু আৰু তাৰ মূৰ্ত্তিকে সেৱা কৰে, আৰু যি কোনোএ তাৰ না-
মৰ চিন লয়, সিবিলাকৰ যাতনাৰ ধূঁৱা সদাসৰ্ব্বদায় উঠিব, আৰু দিনে
ৰাতিএ সিহঁতে একো জিৰণি নেপাই । ১২ এই কথাত য়ীশুত বিশ্বাস
আৰু ঈশ্বৰৰ আজ্ঞা পালন কৰা পবিত্র লোকৰ ধৈৰ্য্য প্রকাশ হৈ আছে ।
১৩ আৰু এই কথা কোৱা আকাশী বাণী শুনিলোঁ, যিবিলাকে প্রভুৰ
আশ্রয়ত থাকি মৰে, সেই মৰাবিলাক এতিয়াৰ পৰা ধন্য, ইয়াকে
লিখা; সিবিলাকে আপোনাৰ শ্রমৰ পৰা জিৰণি পাই; আৰু সিবি-
লাকৰ কৰ্ম্ম সিবিলাকৰ পাছে পাছে যোৱা হয়, ইয়াকে আত্মাই কয় ।
১৪ পাছে ময় চাই এখান বগা মেঘ, আৰু তাৰ ওপৰতে সোণৰ
কিৰীটী মূৰত পিন্ধা আৰু হাতত চোকা কাছী ধৰা মানুহৰ পুত্রৰ নি-
চিনা এজন বহি থকা দেখিলোঁ । ১৫ পাছে মন্দিৰৰ পৰা আন এজন
দূতে ওলাই, মেঘত বহি থকা জনত বৰকৈ ৰিঙ্গিয়াই কলে, তোমাৰ
কাছী লগাই শহ কাটা; কিয়নো পৃথিবীৰ শহ পকা হোৱাত তাক
দাবৰ বেলি হল । ১৬ তেতিয়া মেঘত বহি থকা জনে পৃথিবীত কাছী
লগালে, তাতে পৃথিবীৰ শহ দোৱা হল । ১৭ তাৰ পাছে স্বৰ্গত থকা
মন্দিৰৰ চোকা কাছী ধৰা আন এজন দূত ওলাল । ১৮ আৰু অগ্নিৰ
ওপৰত পৰাক্রম হোৱা এক দূতে যজ্ঞৰ ভেঁটীৰ পৰা ওলাই, সেই
চোকা কাছী ধৰা জনত বৰকৈ ৰিঙ্গিয়াই কলে, তোমাৰ চোকা কাছী
লগাই পৃথিবীৰ লতা পনিয়াঙ্গৰ সেনি কাটা, কিয়নো তাৰ পনিয়ালৰ
গুটী পকা হল । ১৯ তাতে সেই দূতে আপেনাৰ কাছী পৃথিবীত লগাই
পৃথিবীৰ লতা পনিয়াল কাটী, ঈশ্বৰৰ ক্রোধৰ পেৰা শালত সেই মহা
শহ পেলাই দিলে । ২০ নগৰৰ বাহিৰে সেই পেৰা শাল গচকি ছেপি-
লত শালৰ পৰা তেজ ওলাই, ঘোঁৰাৰ লাগামৰ সমান ওখ হৈ এশ ষাঠী
ডাঁৱৰ বাট বৈ গল ।

## ১৫ অধ্যায় ।

স্বৰ্গত আৰু এক আশ্চৰ্য্যিত ডাঙৰ চিন দেখিলোঁ, যি আপদত ঈশ্বৰৰ
ক্ৰোধ সম্পূৰ্ণ হয়, শেষৰ সেই সাতোটা আপদ আনোঁতা সাত জন দূতক দে-
খিলোঁ। ২ আৰু জুইৰে মিহলি হোৱা আছিৰ এখান সমুদ্ৰ যেন দে-
খিলোঁ; আৰু যিবিলাকে পশু, আৰু তাৰ মূৰ্ত্তি, আৰু নামৰ সংখ্যাৰ
ওপৰত জয় কৰিলে, যিবিলাকে ঈশ্বৰৰ বীণ ধৰি সেই আছিৰ সমুদ্ৰৰ
পাৰত থিয় হৈ, ৩ ঈশ্বৰৰ সেৱক মোচাৰ গীত আৰু মেৰ পোৱালিৰ
গীত গান কৰি কলে, হে সৰ্ব্বশক্তিমন্ত প্ৰভু পৰম ঈশ্বৰ, তোমাৰ কৰ্ম্ম
অতি মহৎ আৰু আশ্চৰ্য্য; হে দেশবিলাকৰ ৰজা, তোমাৰ পথ পৰ-
মাৰ্থিক আৰু সত্য! ৪ হে প্ৰভু, তোমাক কোনে ভয় নকৰিব? আৰু
তোমাৰ নামক ধন্যবাদ কোনে নকৰিব? কিয়নো কেৱল তুমিহে পবিত্ৰ,
আৰু তোমাৰ দণ্ড প্ৰকাশ হোৱাত সকলো দেশৰ লোকে তোমাৰ আ-
গলৈ আহি সেৱা কৰিব।

৫ ইয়াৰ পাছে মই দেখিলোঁ, স্বৰ্গত সাক্ষী তাম্বুৰ মন্দিৰৰ দুৱাৰ
মেলা হল; ৬ আৰু শুচি বগা বস্ত্ৰ পিন্ধা আৰু সোণৰ টঙ্গালিৰে বুকু
বন্ধা হোৱা, এনে সাতোটা আপদ আনোঁতা সাত জন দূত মন্দিৰৰ পৰা
ওলাল। ৭ আৰু চাৰি জন্তুৰ এটাই সেই সাত জন দূতক সদাসৰ্ব্বদায়
জীয়াই থকা ঈশ্বৰৰ ক্ৰোধেৰে পূৰ হোৱা সাতোটা সোণৰ পাত্ৰ দিলে।
৮ তাতে ঈশ্বৰৰ প্ৰভাও আৰু মহিমাৰ পৰা ধূঁৱাৰে মন্দিৰ সম্পূৰ্ণ
হোৱাত, সেই সাত জন দূতৰ সাতোটা আপদ, সিদ্ধি নোহোৱালৈকে
কোনেও মন্দিৰত সোমাব নোৱাৰিলে।

## ১৬ অধ্যায় ।

পাছে মন্দিৰৰ পৰা সেই সাত জন দূতলৈ কোৱা এই মহা শবদ শুনিলোঁ,
তোমালোকে গৈ ঈশ্বৰৰ ক্ৰোধৰ সাতোটা পাত্ৰ পৃথিবীত বাকি দিয়া।
২ তেতিয়া প্ৰথম দূতে গৈ পৃথিবীৰ ওপৰত আপোনাৰ পাত্ৰ বাকিলে;
তাতে পশুৰ চিন থকা আৰু তাৰ মূৰ্ত্তি সেৱা কৰা লোকবিলাকৰ ওপৰত
গেলা বিষম ঘা পৰিল।

৩ আৰু দ্বিতীয় দূতে সাগৰৰ ওপৰত আপোনাৰ পাত্ৰ বাকিলে; তাতে সাগৰ
মৰা লোকৰ তেজৰ নিচিনা হোৱাত তাৰ মাজত থকা সকলো জীয়া প্ৰাণী মৰিল।
৪ পাছে তৃতীয় দূতে নদী আৰু জলৰ ভুমুকৰ ওপৰত আপোনাৰ পাত্ৰ
বাকি দিলে, তাতে সেই সকলোবোৰ তেজ হৈ গল। ৫ তেতিয়া পানীৰ
দূতে এই কথা কোৱা শুনিলোঁ, হে বৰ্ত্তমান আৰু ভূত কালৰ পবিত্ৰ জন,

এই ৰূপে দণ্ড কৰাত তুমি পৰমাৰ্থিক । ৬ কিয়নো সিহঁতে পবিত্ৰ লোক
আৰু ভবিষ্যত বক্তাবিলাকৰ তেজ উলিয়ালে, এই কাৰণে তুমিও সিহঁতক
তেজ পান কৰালা, সিহঁত তাৰ যোগ্য হয় । ৭ আৰু যজ্ঞৰ ভেঁটিৰ পৰা
এজনে কোৱা শুনিলোঁ, সত্য, হে সৰ্ব্বশক্তিমন্ত প্ৰভু, তোমাৰ দণ্ড সকল সত্য
আৰু পৰমাৰ্থিক ।

৮ চতুৰ্থ দূতে সূৰ্য্যৰ ওপৰত আপোনাৰ পাত্ৰ বাকিলে, আৰু মানুহক
জুইৰে পুৰিবলৈ তেওঁক শক্তি দিয়া হল । ৯ তাতে মানুহবিলাকে অতিশয়
তাপেৰে পোৰা হৈ এই আপদবিলাকৰ শক্তি দিয়া যি ঈশ্বৰ, তেওঁৰ না-
মক নিন্দা কৰি তেওঁক ধন্যবাদ কৰিবলৈ মন নেপালটালে ।

১০ পঞ্চম দূতে পশুৰ সিংহাসনৰ ওপৰত আপোনাৰ পাত্ৰ বাকি দিলে,
তাতে তাৰ ৰাজ্য এন্ধাৰ হল, আৰু সিহঁতে বেদনাৰ নিমিত্তে আপোন
আপোন জিবা কামুৰিলে । ১১ তাতে আপোনাৰ বেদনা আৰু ঘাৰ কা-
ৰণে স্বৰ্গৰ ঈশ্বৰক নিন্দা কৰি আপোনাৰ কৰ্ম্মৰ পৰা মন নেপালটালে ।

১২ আৰু ষষ্ঠ দূতে ফিৰাত মহা নদীত আপোনাৰ পাত্ৰ বাকিলে, তাতে
পূব ফালৰ ৰজাবিলাকৰ পথ যুগুত কৰিবৰ নিমিত্তে সেই নৈৰ পানী শুকাই
গল । ১৩ পাছে সেই নাগ, আৰু পশু, আৰু মিছা ভবিষ্যত বক্তা, এই
তিনিৰ মুখৰ পৰা বেঙৰ নিচিনা তিনি অশুচি আত্মা ওলোৱা দেখিলোঁ ।
১৪ সিবিলাক ভূতৰ আত্মা হৈ, সৰ্ব্বশক্তিমন্ত ঈশ্বৰৰ মহা দিনৰ যুদ্ধলৈ সকলো
জগতৰ ৰজাবিলাকক গোট খুৱাবৰ নিমিত্তে সিবিলাকৰ ওচৰলৈ গৈ আশ্চ-
ৰিত কৰ্ম্ম দেখাই । ১৫ দেখা, ময় চোৰৰ নিচিনাকৈ আহিছোঁ; যি জনে
জাগি থাকি আপোনাৰ কাপৰ ৰাখে, সি ধন্য; লোকে যেন তাৰ লাজ
নেদেখে, সি উদঙ্গ হৈ নুফুৰিব । ১৬ আৰু সেই ৰজাবিলাকক ইব্ৰী ভা-
ষাত হৰ্ম্মগিদো নামে এক ঠাইত ছপাই গোট খুৱালে ।

১৭ আৰু সপ্তম দূতে আকাশৰ মাজত আপোনাৰ পাত্ৰ বাকিলে, তাতে
সম্পূৰ্ণ হল, এনে এক মহা শবদ স্বৰ্গৰ মন্দিৰ আৰু সিংহাসনৰ পৰা
ওলাল । ১৮ তেতিয়া বিদুলী, আৰু শবদ, আৰু মেঘৰ গৰ্জ্জন হল; আৰু
পৃথিবীত মানুহ হবৰ পৰাই যেনে ঘোৰ ভয়ানক ভূমিকম্প কেতিয়াও হোৱা
নাই, তেনে ভূমিকম্প গল । ১৯ তাতে মহা নগৰ তিনি ভাগকৈ পথক কৰা
হল, আৰু দেশবিলাকৰ নগৰ পৰিল; আৰু বাবেল মহা নগৰক আপো-
নাৰ অতি জ্বলন্ত ক্ৰোধৰ সুৰা পাত্ৰ খুৱাবলৈ ঈশ্বৰে স্মৰণ কৰিলে ।
২০ আৰু সকলো মাজুলী পলাল, আৰু পৰ্ব্বতবিলাকো পোৱা নহল ।
২১ আৰু আকাশৰ পৰা এমোন এমোন গধুৰ হোৱা এনে শিলাবৃষ্টি হল;
এই শিলাবৃষ্টিৰ আপদৰ নিমিত্তে মানুহে ঈশ্বৰক নিন্দা কৰিলে, কিয়নো
সেই আপদ অতি ডাঙ্গৰ ।

## ১৭ অধ্যায় ।

পাছে সেই সাতোটা পাত্ৰ ধৰোঁতা সাত দূতৰ এজনে আহি মোৰে সৈতে
কথোপকথন কৰি কলে, ইয়ালৈ আহাঁ; ২ পৃথিবীৰ ৰজাবিলাকে যি
বেশ্যাৰে সৈতে ব্যভিচাৰ কৰ্ম্ম কৰি আছে, আৰু যি জনীৰ ব্যভিচাৰ
কৰ্ম্মৰ সুৰা পান কৰি পৃথিবী নিবাসী লোকে মতলিয়া হৈছে, অনেক পা-
নীৰ ওপৰত বহি থকা সেই মহা বেশ্যাৰ দণ্ড তোমাক দেখাম । ৩ তেতিয়া
তেওঁ মোক হাবিলৈ আত্মাৰে লৈ গল; তাতে নিন্দাৰ নামেৰে পূৰ হোৱা
আৰু সাতোটা মূৰ দহোটা শিঙ্গেৰে যুগুত হোৱা সিন্দুৰ বৰণিয়া পশুৰ
ওপৰত বহি থকা এক তিৰী দেখিলোঁ । ৪ সেই তিৰী বেঙ্গেনা আৰু
সিন্দুৰ বৰণীয়া বস্ত্ৰ পিন্ধি, সোণ আৰু বহুমূল্য মণি, মুকুতাৰে অলংকৃত
হৈ আছিল । আৰু আপোনাৰ হাতত ব্যভিচাৰ আৰু ঘিণ লগা অশুচি
কৰ্ম্মেৰে পূৰ হোৱা এক সোণৰ পাত্ৰ ধৰি আছিল । ৫ আৰু তাইৰ
কঁপালত এই নাম লিখা আছে, গোপনীয়; বেশ্যাবিলাক আৰু পৃথিবীৰ
ঘিণ লগা কৰ্ম্মৰ মাতৃ মহা বাবেল । ৬ আৰু সেই তিৰীক পবিত্ৰ লোক
আৰু য়ীশুৰ সাক্ষীবিলাকৰ তেজেৰে মতলিয়া হোৱা দেখিলোঁ; তাকে
দেখি মই অতি বিস্ময়েৰে আশ্চৰিত মানিলোঁ । ৭ তাতে সেই দূতে মোক
কলে, তুমি কিয় বিস্ময় মানা? সেই তিৰী আৰু সাতোটা মূৰ দহোটা
শিঙ্গেৰে যুগুত হোৱা তাইক নিয়া পশুৰ গোপনীয় অৰ্থ তোমাক বুজাম ।
৮ তুমি যি পশুক দেখিলা, সি আছিল, আৰু নাইকিয়া, আৰু তলি নো-
হোৱা কুণ্ডৰ পৰা পুনৰ্ব্বাৰ উঠি বিনাশ হৈ যাব; আৰু সৃষ্টিৰ আদিৰে
পৰা জীৱনৰ পুথীত যিবিলাকৰ নাম লিখা নাই, এনে পৃথিবী নিবাসী
লোকে সেই যি পশু আছিল, আৰু নাইকিয়া হৈয়ো পাছে হব, তাকে
দেখি বিস্ময় মানিব । ৯ ইয়াত বুদ্ধি থকা জ্ঞান আছে । সেই সাতোটা
মূৰেই সাতোটা পৰ্ব্বত হয়, সেইবিলাকৰ ওপৰত তিৰীএ বহি থাকে ।
১০ আৰু সাতোটা ৰজাও হয়; সিবিলাকৰ পাঁচোটা পৰি আছে, এটা
বৰ্ত্তমান আছে, এটা এতিয়াও হোৱা নাই, হলেও অলপ কালহে থাকিব ।
১১ যি পশু আছিল আৰু নাইকিয়া, সি অষ্টম, আৰু সাতোটা ৰজাৰ
মাজত ওলাই বিনাশ হৈ যাব । ১২ আৰু তুমি যি দহোটা শিঙ্গ দেখিলা,
সেইবোৰ দহোটা ৰজা; সিবিলাকে এতিয়া ৰাজ্য পোৱা নাই; কিন্তু পশুএ
সৈতে এক ডাঁৰতে ৰজাৰ দৰে শক্তি পাব । ১৩ সিহঁতে একে আলচ
হৈ আপোনাৰ শক্তি আৰু পৰাক্ৰম পশুক দি, মেৰ পোৱালিৰে সৈতে
ৰণ কৰিব । ১৪ কিন্তু মেৰ পোৱালিএ সিহঁতক জয় কৰিব; কিয়নো তেওঁ
প্ৰভুৰো প্ৰভু, ৰজাৰো ৰজা, আৰু যিবিলাক তেওঁৰ লগত আছে, সিবি-
লাকো আমন্ত্ৰিত, মনোনীত আৰু বিশ্বাসী । ১৫ আৰু তেওঁ মোক কলে,

তুমি যি পানীৰ ওপৰত বেশ্যা বহি থকা দেখিলা, সেই পানীবোৰেই ৰাজ্য
আৰু লোক সমূহ, দেশ আৰু ভাষাবিলাক। ১৬ আৰু তুমি যি দহোটা
শিঙ্গ দেখিলা, সিবিলাকে পশুএ সৈতে বেশ্যাকে ঘিণাই, তাইক দুঃখিয়া
আৰু নাঙ্গটা কৰিব, তাইৰ মঙ্গহ খাব, আৰু তাইক জুয়েৰে পুৰিব। ১৭ কি-
য়নো ঈশ্বৰৰ বাক্য সম্পূৰ্ণ হোৱালৈকে তেওঁৰ ইচ্ছা সিদ্ধি কৰিবলৈ আৰু
একে আলচ হৈ আপোনাৰ ৰাজ্য পশুক দিবলৈ ঈশ্বৰে সিহঁতৰ মন প্ৰবৰ্ত্তাই
দিলে। ১৮ আৰু তুমি যি তিৰীক দেখিলা, তায়ে পৃথিবীৰ ৰজাবিলাকৰ
ওপৰত শাসন কৰ্ত্তা মহা নগৰ।

## ১৮ অধ্যায়।

ইয়াৰ পাছে মই আন এজন বৰ বলৱন্ত দূতক স্বৰ্গৰ পৰা নামিবৰ দেখি-
লোঁ; তেওঁৰ প্ৰতাপেৰে পৃথিবী খনকে প্ৰকাশ কৰা হল। ২ সেই দূতে
শক্তিমন্ত শবদেৰে ৰিঙ্গিয়াই কলে, বাবেল মহা নগৰ পৰিল, পৰিল, আৰু
ভূতবিলাক থকা ঠাই, আৰু সকলো অশুচি আত্মাৰ নিবাস, আৰু আটাই
অশুচি ঘিণ লগা চৰাইৰ সজা হৈছে। ৩ কিয়নো সকলো দেশৰ মানুহে
তাইৰ ব্যাভিচাৰৰ ক্ৰোধৰ সুৰা পান কৰিলে, আৰু পৃথিবীৰ ৰজাবিলাকে
তায়ে সৈতে ব্যাভিচাৰ কৰ্ম্ম কৰিলে, আৰু তাইৰ বহুত সুখ ভোগৰ দ্ৰব্যৰ
দ্বাৰাই পৃথিবীৰ মুদৈবিলাক ধনৱন্ত হল।

৪ পাছে স্বৰ্গৰ পৰা এই ৰূপে কোৱা আন এক শবদ শুনিলোঁ, হে মোৰ
লোক সকল, তোমোলাকে যেন তাইৰ পাপৰ ভাগী নোহোৱা, আৰু তাইৰ
আপদ যেন নোপোৱা, এই নিমিত্তে তাইৰ পৰা ওলাই আহাঁ। ৫ কিয়নো
তাইৰ পাপ স্বৰ্গলৈকে উঠিল; আৰু তাইৰ কুকৰ্ম্ম সকল ঈশ্বৰে সুঁৱৰি
আছে। ৬ তাই যি ৰূপে ফল দিলে, তোমোলাকে সেই ৰূপে তাইক প্ৰতি-
ফল দিয়া; আৰু তাইৰ কৰ্ম্মৰ দৰে দুগুণ প্ৰতিফল দিয়া; তাই যি পাত্ৰ
ভৰাইছে, তোমোলাকেও তাইলৈ তাক দুগুণ ভৰোৱা। ৭ তাই আপোনাৰ
যিমান যশস্যা কৰিলে, আৰু যিমান সুখেৰে কাল নিয়াইছে, তাইক সেই-
মান যাতনা শোক দিয়া; কিয়নো মই ৰাণী হৈ বহি আছোঁ, মই বিধৱা
নহওঁ, আৰু একো দুঃখ নেপাম, তাই আপোনাৰ মনতে এই কথা কৈছে।
৮ এই হেতুকে মৃত্যু, শোক, আৰু আঁকাল, তাইৰ এই সকলো আপদ একে
দিনাই ঘটিব; আৰু জুইত তাইক পুৰি পেলোৱা হব; কিয়নো তাইক
দণ্ড কৰা যি প্ৰভু পৰম ঈশ্বৰ, তেওঁ বলৱন্ত। ৯ আৰু পৃথিবীৰ যি ৰজা
সকলে তায়ে সৈতে ব্যভিচাৰ কৰ্ম্ম আৰু সুখ ভোগ কৰি কাল নিয়ালে,
সিবিলাকে তাইক পোৰাৰ ধুঁৱা দেখি ক্ৰন্দন আৰু বিলাপ কৰিব। ১০ আৰু

তাইৰ যাতনাৰ ভয়েৰে আঁতৰত থিয় হৈ থাকি এই কথা কব, হায় হায়,
বাবেল মহা নগৰ ! হে পৰাক্ৰমী নগৰ, একে ভাৰতে তোমাৰ দণ্ড হল ।
১১ আৰু পৃথিবীৰ মুদৈবিলাকে তাইৰ নিমিত্তে কান্দি কান্দি বিলাপ কৰিব ;
১২ কিয়নো সিহঁতৰ বেপাৰৰ দ্ৰব্য, অৰ্থাৎ সোণ, আৰু ৰূপ, বহুমূল্য
মণি, মুকুতা, মিহি কাপৰ, বেঙ্গেনা বুলিয়া, সিন্দুৰ বৰণীয়া আৰু পাট
কাপৰ, সকলো চন্দন কাঠ, হাতী দাঁতৰ আটাই পাত্ৰ, বহুমূল্য কাঠৰ,
পিতলৰ, লোৰ, মৰ্ম্মৰ শিলৰ সকলো পাত্ৰ, ১৩ ডালচেনী, আমোম,
সুগন্ধি বস্তু, মৰ্দনৰ দ্ৰব্য, গন্ধৰস, পনিয়ালৰ ৰস, তেল, মিহি পিঠাগুৰি,
ঘেঁহু, গৰু, মেৰ, ঘোঁৰা, ৰথ, বন্দী, আৰু মানুহৰ প্ৰাণ, সিহঁতৰ এই সক-
লো বেপাৰৰ বস্তু পাছে কেৱে নিকিনিব । ১৪ আৰু তোমাৰ মনে ইচ্ছা
কৰা ফলবোৰ তোমাৰ পৰা গুছিল, আৰু সকলো ভাল সোৱাদ উত্তম বস্তু
তোমাৰ পৰা নষ্ট হৈ গল, সেই সকলোকে তুমি আৰু কেতিয়াও নেপাবা ।
১৫ এই সকলো বস্তুৰ যি মুদৈবিলাক তাইৰ দ্বাৰাই ধনৱন্ত হৈ গল, সিহঁতে
তাইৰ যাতনাৰ ভয়েৰে আঁতৰত থিয় হৈ থাকি কান্দি কান্দি বিলাপ কৰি
কব, ১৬ হায় হায়, এই মহা নগৰ ! মিহি কাপৰ, বেঙ্গেনা বুলিয়া আৰু
সিন্দুৰ বৰণীয়া বস্ত্ৰ পিন্ধা, সোণ, বহুমূল্য মণি, আৰু মুকুতাৰে অলংকৃত হৈ
আছিল, কিন্তু এতিয়া একে ভাৰতে এনে অতি সম্পত্তি নষ্ট হল । ১৭ আৰু
জাহাজৰ প্ৰতি জন গৰাকী, জাহাজেৰে থানান্তৰ হৈ যোৱা সকল, জাহা-
জত খাটনিয়াৰ, আৰু সাগৰেদি যি লোকে বেপাৰ কৰে, সেই আটাই-
বিলাকে আঁতৰতে থাকি, ১৮ তাইক পোৰাৰ ধূঁৱা দেখি এটাহ পাৰি
কলে, এই মহা নগৰৰ তুল্য আন কোন নগৰ আছে ? ১৯ আৰু সিহঁ-
তে আপোনাৰ মূৰত ধূলী পেলাই, ক্ৰন্দন আৰু বিলাপ কৰি এটাহ পাৰি
কলে, হায় হায়, যি মহা নগৰৰ ঐশ্বৰ্য্যৰ দ্বাৰাই সাগৰত থকা জাহাজৰ
গৰাকী সকল ধনৱন্ত হৈ গল, এনে মহা নগৰ একে ভাৰতে উবাৰ
হল । ২০ কিন্তু হে স্বৰ্গ আৰু পবিত্ৰ লোক, পাঁচনি আৰু ভবিষ্যত
বক্তাবিলাক, তোমোলাকে তাইৰ ওপৰত আনন্দ কৰা ; কিয়নো ঈশ্বৰে
তোমোলাকৰ নিমিত্তে তাইক উচিত দণ্ড দিলে ।

২১ পাছে এজন বলৱন্ত দূতে এখান বৰ জাঁতৰ নিচিনা শিল এচটা
তুলি লৈ সাগৰত পেলাই কলে, এই দৰে বাবেল মহা নগৰ বলেৰে
পেলোৱা হব, আৰু পাছে কেতিয়াও পোৱা নেযাব । ২২ বীণ বোৱা
লোক, বাদ্যকৰ, বাঁহী বজোৱা আৰু কালী বজোৱাবিলাকৰ শবদ তোমাৰ
মাজত আৰু কেতিয়াও শুনা নেযাব ; আৰু কোনো বিধ [কৰ্ম্মৰ] বাৰৈ
তোমাৰ মাজত পোৱা নেযাব ; আৰু জাঁত পিহাৰ মাত তোমাৰ মাজত
কেতিয়াও শুনা নহব ; ২৩ চাকিৰ পহৰ তোমাৰ মাজত কেতিয়াও নজ-
লিব ; দৰা কন্যাৰ মাত তোমাৰ মাজত কেতিয়াও শুনা নেযাব ; কিয়-

নো তোমাৰ মুদৈবিলাক পৃথিবীৰ মাজত প্ৰধান লোক আছিল, আৰু
তোমাৰ মায়াৰে সকলো দেশী লোক মোহ কৰা হল । ২৪ আৰু তাইৰ
মাজতে ভবিষ্যত বক্তা, পবিত্ৰ লোক, আৰু পৃথিবীত বধ কৰা সকলোবি-
লাকৰ তেজ পোৱা গল ।

---

## ১৯ অধ্যায় ।

ইয়াৰ পাছে স্বৰ্গৰ পৰা অনেক লোকে কৰা এনে মহা ধ্বনি শুনিলোঁ,
হালিলুৱা; পৰিত্ৰাণ, মহিমা, আৰু পৰাক্ৰম আমাৰ ঈশ্বৰৰ; ২ তেওঁৰ
সকলো দণ্ড স্বৰূপ আৰু পৰমাৰ্থিক; কিয়নো যি মহা বেশ্যাই আপো-
নাৰ ব্যভিচাৰ কৰ্ম্মেৰে পৃথিবীৰ লোকক ভ্ৰষ্ট কৰিছিল, তেওঁ তাইক দণ্ড
কৰি তাইৰ হাতে আপোনাৰ সেৱকবিলাকৰ তেজ উলিওৱাৰ প্ৰতিফল
দিলে । ৩ আৰু সিবিলাকে আকও কলে, হালিলুৱা; আৰু তাইৰ ধূঁৱা
সদাসৰ্ব্বদায় উঠি আছে । ৪ পাছে সেই চৌবিছ বৃদ্ধ লোক আৰু চাৰি
জন্তু উবুৰি হৈ পৰি সিংহাসনত বহি থকা ঈশ্বৰক সেৱা কৰি কলে, আমেন,
হালিলুৱা । ৫ আৰু সিংহাসনৰ পৰা এক শবদ ওলাই ইয়াকে কলে, হে
ঈশ্বৰৰ সেৱক সকল, আৰু তেওঁলৈ ভয় কৰাবিলাক, সৰু বৰ সকলোএ আ-
মাৰ ঈশ্বৰক প্ৰশংসা কৰা । ৬ পাছে বহুত পানীৰ খলকৰ শবদ আৰু
ঘোৰ মেঘৰ গৰ্জ্জনৰ শবদৰ নিচিনা অনেক লোক সমূহৰ এই ধ্বনি শুনি-
লোঁ, হালিলুৱা; আমাৰ সৰ্ব্বশক্তিমন্ত প্ৰভু পৰম ঈশ্বৰে ৰাজ শাসন কৰি-
ছে । ৭ আহাঁ, আমি ৰঙ্গ আৰু আনন্দ কৰি তেওঁক সন্মান কৰোঁহঁক;
কিয়নো মেৰ পোৱালিৰ বিবাহ পালেহি, আৰু তেওঁৰ ভাৰ্য্যাই আপো-
নাক সুযুগুত কৰিলে । ৮ তাতে ভাৰ্য্যাই পিন্ধিবলৈ নিৰ্ম্মল বগা মিহি বস্ত্ৰ
দিয়া হল; সেই মিহি বস্ত্ৰ পবিত্ৰ লোকৰ পুণ্য । ৯ পাছে তেওঁ মোত কলে,
মেৰ পোৱালিৰ বিবাহৰ ভোজলৈ যিবিলাকক নিমন্ত্ৰণ কৰা হৈছে, সিবি-
লাক ধন্য । আৰু তেওঁ কলে, এইবিলাক ঈশ্বৰৰ সত্য বাক্য । ১০ তেতিয়া
তেওঁক সেৱা কৰিবলৈ ময় তেওঁৰ চৰণত পৰিলোঁ; তাতে তেওঁ মোত কলে,
সাৱধান হোৱা, এনে কৰ্ম্ম নকৰিবা; তোমাৰ লগৰ সেৱক, আৰু য়ীশুৰ
প্ৰমাণ দিয়া তোমাৰ ভাইবিলাকৰ মাজৰ এজন ময়ো হৈছোঁ; ঈশ্বৰকহে সেৱা
কৰা; কিয়নো য়ীশুৰ প্ৰমাণ দিয়াই ভবিষ্যত বাক্যৰ আত্মা হয় ।

১১ পাছে ময় চাই স্বৰ্গৰ দুৱাৰ মুকলি কৰা হলত এটা বগা ঘোঁৰা দেখি-
লোঁ; তাৰ ওপৰত যি জনা উঠি আছিল, তেওঁৰ নাম বিশ্বাসী আৰু সত্য; তেওঁ
পৰমাৰ্থিক ৰূপে সোধ আৰু যুদ্ধ কৰে । ১২ তেওঁৰ চকু জুইৰ শিখাৰ নি-
চিনা, তেওঁৰ মূৰৰ ওপৰত অনেক কিৰীটী; আৰু তেওঁৰ যি নাম লিখা
আছে, তেওঁৰ বাহিৰে তাক কোনেও নেজানে । ১৩ আৰু তেজেৰে বোলোৱা

বস্ত্ৰ পিন্ধা হৈ আছিল; তেওঁৰ নাম ঈশ্বৰৰ বাক্য বোলে। ১৪ আৰু স্বৰ্গত
থকা সৈন্যবিলাকে বগা নিৰ্ম্মল মিহি বস্ত্ৰ পিন্ধি বগা ঘোঁৰাৰ ওপৰত উঠা
হৈ তেওঁৰ পাছে পাছে গল। ১৫ তেওঁ দেশবিলাকৰ লোকক মাৰিবৰ নি-
মিত্তে তেওঁৰ মুখৰ পৰা এখান চোকা [দুধৰীয়া] তৰোৱাল ওলাই; আৰু
লোহাৰ দণ্ডেৰে সিবিলাকক শাসন কৰে; আৰু সৰ্ব্বশক্তিমন্ত ঈশ্বৰৰ জ্বলন্ত
ক্ৰোধৰ সুৰাৰ পেৰাশাল তেওঁ গচকি ছেপিছে। ১৬ আৰু ৰজাৰো ৰজা,
প্ৰভুৰো প্ৰভু, এনে এক নাম তেওঁৰ বস্ত্ৰ আৰু কৰঙ্গণত লিখা আছে।

১৭ তাৰ পাছে সূৰ্য্যৰ মাজত থিয় হোৱা এক দূতক দেখিলোঁ; তেওঁ
আকাশৰ মাজত উৰি যোৱা সকলো পক্ষীত বৰ মাতেৰে ৰিঙ্গিয়াই কলে,
১৮ আহাঁ, তোমোলাকে ৰজাবিলাকৰ মঙ্গহ, সেনাপতিৰ মঙ্গহ, ঘোৰা আৰু
তাত উঠি থকাবিলাকৰ মঙ্গহ, স্বতন্ত্ৰ আৰু বন্দী, সৰু আৰু বৰ, সকলো লো-
কৰ মঙ্গহ যেন খাবা, এই নিমিত্তে ঈশ্বৰৰ মহা ভোজলৈ গোট খোৱাহি।
১৯ পাছে সেই ঘোঁৰাত উঠি থকা জনা আৰু তেওঁৰ সৈন্যে সৈতে যুদ্ধ
কৰিবৰ নিমিত্তে পশুটো, আৰু পৃথিবীৰ ৰজাবিলাক, আৰু সিহঁতৰ সৈন্য-
বিলাকো গোট খোৱা দেখিলোঁ। ২০ তাতে পশু আৰু তাৰে সৈতে যি
মিছা ভবিষ্যত বক্তাই তাৰ আগত আশ্চৰিত কৰ্ম্ম কৰি পশুৰ চিন লোৱা-
বিলাক আৰু তাৰ মূৰ্ত্তিক পূজা কৰাবোৰক ভুলাইছিল, সেই দুয়ো ধৰা
পৰিল, আৰু জীয়াই থকাকৈ জুই আৰু গন্ধকেৰে জলি থকা সৰোবৰত
পেলোৱা হল। ২১ আৰু অৱশেষ যি লোক আছিল, সেইবোৰক ঘোঁৰাত
উঠি থকা জনাৰ মুখৰ পৰা ওলোৱা তৰোৱালৰ দ্বাৰাই মৰা হল; আৰু
সকলো চৰাইবিলাক সিহঁতৰ মঙ্গহেৰে তৃপ্তি হল।

## ২০ অধ্যায়।

তাৰ পাছে তলি নোহোৱা কুণ্ডৰ চাবী আৰু এগছ বৰ শিকলি হাতত
লোৱা এক দূতক স্বৰ্গৰ পৰা নামিবৰ দেখিলোঁ। ২ পাছে তেওঁ সেই নাগ
অৰ্থাৎ যি পুৰণি সাপক ভূতৰ ৰজা আৰু ছয়তান বোলে, তাক ধৰি এহেজাৰ
বছৰলৈ বান্ধি তলি নোহোৱা কুণ্ডত পেলাই, কুণ্ডৰ মুখ বন্ধ কৰি ছাব মা-
ৰিলে; ৩ তাতে এহেজাৰ বছৰ পূৰ নোহোৱালৈকে সি দেশবিলাকৰ লো-
কক আৰু ভুলাব নোৱাৰে; কিন্তু তাৰ পাছে অলপ কাললৈ তাক মুক-
লি কৰা হব।

৪ তেতিয়া ময় সিংহাসনবোৰ আৰু তাৰ ওপৰত বহি থকাবিলাকক
দেখিলোঁ; সিবিলাকক সোধ কৰাৰ ভাৰ দিয়া হল; আৰু য়ীশুৰ সাক্ষী
হোৱাত আৰু ঈশ্বৰৰ বাক্য প্ৰচাৰ কৰাত যিবিলাকৰ মূৰ কটা হৈছিল,
আৰু যিবিলাকে পশু বা তাৰ মূৰ্ত্তিকে সেৱা নকৰিলে, আৰু কঁপালত বা

হাতত তাৰ চিন লোৱা নাই, সিবিলাকৰ আত্মা দেখিলোঁ; সিবিলাকে
এক হেজাৰ বছৰ জীয়াই থাকি খ্ৰীষ্টে সৈতে ৰাজ শাসন কৰিলে; ৫ কিন্তু
সেই হেজাৰ বছৰ পূৰ নোহোৱালৈকে আন মৰা লোক নিজীলে; এয়ে প্ৰথম
উঠান । ৬ যিবিলাক প্ৰথম উঠানৰ ভাগী হয়, সিবিলাক ধন্য আৰু
পবিত্ৰ; সিবিলাকৰ ওপৰত দ্বিতীয় মৃত্যুৰ একো সমৰ্থ নাই; সিবিলাক
ঈশ্বৰ আৰু খ্ৰীষ্টৰ পোৰোহিত হৈ এহেজাৰ বছৰলৈকে তেওঁৰে সৈতে
ৰাজ সাশন কৰিব ।

৭ পাছে সেই হেজাৰ বছৰ পূৰ হলে ছয়তানক আপোন বন্দীশা-
লৰ পৰা মুকলি কৰা হব; ৮ তাতে সি পৃথিবীৰ চাৰিও ফালত থকা
ৰাজ্য সকল, অৰ্থাৎ সাগৰৰ বালিৰ সমান সংখ্যা হোৱা যি গোগ আৰু
মাগোগ, সিহঁতক ভুলাই ৰণলৈ গোট খুৱাবৰ নিমিত্তে ওলাই যাব ।
৯ সিহঁতে পৃথিবীৰ পথালিয়েদি গৈ পবিত্ৰ লোকৰ সৈন্য আৰু প্ৰিয়
নগৰক বেৰি ধৰিলে; তাতে ঈশ্বৰৰ পৰা স্বৰ্গৰ বাহিৰে জুই ওলাই
আহি সিহঁতক গ্ৰাস কৰিলে । ১০ আৰু যি ঠাইত পশু আৰু মিছা
ভবিষ্যত বক্তা আছে, সেই গন্ধকেৰে জুইৰ সৰোবৰত সিহঁতক ভুলুৱা
ভূতৰ ৰজাক পেলোৱা হল; সেই ঠাইত সিহঁতে অনন্ত কাললৈকে দিনে
ৰাতিএ যাতনা ভোগ কৰিব ।

১১ তাৰ পাছে এখান বগা বৰ সিংহাসন আৰু তাৰ ওপৰত বহি থকা
জনাক দেখিলোঁ; তেওঁৰ মুখৰ পৰা পৃথিবী আৰু আকাশ মণ্ডল পলাই
গল, সিবিলাকলৈ ঠাই আৰু পোৱা নহল । ১২ তাতে সৰু আৰু বৰ
সকলো মৃত্যু হোৱা লোক ঈশ্বৰৰ আগত থিয় হৈ থকা দেখিলোঁ;
পাছে পুথীবিলাক মেলা হল; তাত বাঝে জীৱন পুথী নামে আন এখান
পুথী মেলা হল; আৰু পুথীত লিখা কথাৰ দ্বাৰাই সেই সকলো মৃত্যু
হোৱা লোকৰ আপোন আপোন কৰ্ম্মৰ দৰে সোধ কৰা হল । ১৩ আৰু
সাগৰে আপোনাৰ মাজত থকা মৰা লোকবিলাকক সোধাই দিলে, মৃত্যু
আৰু পৰলোকেও সিবিলাকৰ মাজত থকা মৰাবিলাকক সোধাই দিলে;
তাতে সকলৰো আপোন আপোন কৰ্ম্মৰ দৰে সোধ কৰা হল । ১৪ পাছে
মৃত্যু আৰু পৰলোক অগ্নিৰ সৰোবৰত পেলোৱা হল; সেই অগ্নিৰ সৰো-
বৰেই দ্বিতীয় মৃত্যু । ১৫ আৰু জীৱনৰ পুথীত যাৰ যাৰ নাম লিখা
পোৱা নগল, সিবিলাকো অগ্নিৰ সৰোবৰত পেলোৱা হল ।

## ২১ অধ্যায় ।

পাছে ময় নতুন আকাশ মণ্ডল আৰু নতুন পৃথিবীকো দেখিলোঁ; কিয়-
নো প্ৰথম আকাশ মণ্ডল আৰু প্ৰথম পৃথিবী গুচিল; তেতিয়া আৰু

সাগৰ নাই। ২ আৰু দৰাৰ নিমিত্তে যুগুত হোৱা কন্যা যেনে ভূষিত
আছে, সেই ৰূপে পবিত্ৰ নগৰ নতুন য়িৰুছালম স্বৰ্গৰ বাহিৰ হৈ ঈশ্বৰৰ
পৰা নামিবৰ দেখিলোঁ। ৩ পাছে স্বৰ্গৰ পৰা ময় এই মহা আকাশী বাণী
শুনিলোঁ, দেখা, ঈশ্বৰৰ বসতি মানুহৰ মাজত আছে, আৰু সিহঁতৰ মাজত
তেওঁ নিবাস কৰিব; সিবিলাক তেওঁৰ লোক হব, আৰু তেওঁ আপুনি
সিবিলাকৰ ঈশ্বৰ হৈ সিবিলাকৰ লগত থাকিব। ৪ আৰু ঈশ্বৰে সিবি-
লাকৰ চকুৰ লো সকল মচি গুছাব; তাতে মৰণ বা শোক, ক্ৰন্দন বা
বেদনা আৰু কোতয়াও নহব; কিয়নো আগৰ কথা সকল গুছিল। ৫ পাছে
সিংহাসনৰ ওপৰত থকা জনাই কলে, দেখা, ময় সকলোকে নতুন কৰোঁ;
আৰু মোতো কলে, লিখা, কিয়নো এই কথা বিশ্বাসী আৰু সত্য।
৬ পাছে তেওঁ মোত কলে, সিদ্ধি হল: ময় আল্‌ফা আৰু ওমেগা, আদি
আৰু অন্ত; যাৰ পিয়াহ লাগিছে, তাক জীৱন নদীৰ পানী বিনামূল্যে
দিম। ৭ যি জনে জয় কৰে, সি এইবিলাকৰ ভাগী হব; ময় তাৰ ঈশ্বৰ
হম, আৰু সিও মোৰ পুত্ৰ হব। ৮ কিন্তু যিবিলাক ভয়াতুৰ, আৰু
অবিশ্বাসী, [পাপিষ্ঠ,] ঘিণ লগা, আৰু বধ কৰাবিলাক, বেশ্যালীবোৰ,
মায়াপী কৰা লোক, দেওপূজক, আৰু আটাই মিছলিয়াবিলাকে জুই আৰু
গন্ধকেৰে জলি থকা সৰোবৰত আপোনাৰ ভাগ পাব; এয়ে দ্বিতীয় মৃত্যু।
৯ পাছে শেষৰ সাত আপদেৰে পূৰ হোৱা সাত পাত্ৰ ধৰা সাত জন
দূতৰ এজনে আহি মোৰে সৈতে কথোপকথন কৰি কলে, ইয়ালৈ আহাঁ,
মেৰ পোৱালিৰ বিয়া কৰোৱা ভাৰ্য্যা ময় তোমাক দেখুৱাম। ১০ তাতে
তেওঁ মোক আত্মাৰে এটা ওখ বৰ পৰ্ব্বতলৈ নি, ঈশ্বৰৰ পৰা স্বৰ্গৰ বা-
হিৰ হৈ নামি অহা সেই পবিত্ৰ য়িৰুছালম নগৰ দেখুৱালে। ১১ সেই
নগৰ ঈশ্বৰৰ প্ৰভাৱেৰে যুগুত আছিল; তাইৰ কান্তি বহুমূল্য ৰত্ন অৰ্থাৎ
সূৰ্য্যকান্ত মণিৰ নিচিনা, আৰু ফটিকৰ তুল্য নিৰ্ম্মল। ১২ আৰু সেই নগ-
ৰৰ গৰ অতি ওখ ডাঙ্গৰ, তাৰ পূব ফালে তিনি দুৱাৰ, উত্তৰ ফালে তি-
নি দুৱাৰ, দখিণ ফালে তিনি দুৱাৰ, পশ্চিম ফালে তিনি দুৱাৰ, এই বাৰে
খন দুৱাৰ আছিল। ১৩ সেই বাৰে খন দুৱাৰত বাৰে জন দূত, আৰু
দুৱাৰৰ ওপৰত ইস্ৰায়েলৰ বঙ্গহৰ বাৰে ফৈদৰ নাম লিখা আছিল।
১৪ আৰু নগৰৰ গৰৰ বাৰেটা মূল; তাতে মেৰ পোৱালিৰ বাৰে জন পাঁ-
চনিৰ বাৰে নাম আছিল। ১৫ আৰু মোৰে সৈতে কথা হোৱা দূতৰ হা-
তত নগৰ, আৰু তাৰ দুৱাৰ, আৰু গৰ যুখিবৰ নিমিত্তে সোণৰ নল মাৰি
এডাল আছিল। ১৬ সেই নগৰ চাৰি চুকিয়া, তাৰ দীঘে পথালিএ সমান।
পাছে দূতে নলেৰে নগৰ যুখিলত বাৰে হেজাৰ বেও হল; দীঘে পথা-
লিয়ে আৰু ওখয়ো একে সমান। ১৭ পাছে গৰ যুখিলত মানুহৰ অৰ্থাৎ
সেই দূতৰ হাতৰ পৰিমাণেৰে এশ চৌচলিছ হাত হল। ১৮ আৰু গৰ

ৰন্ধা সূৰ্য্যকান্ত মণিৰে হৈছিল; আৰু নগৰ নিৰ্ম্মল আৰ্ছিৰ নিচিনা শুধ
সোণাৰে সজা আছিল । ১৯ নগৰৰ মূলবিলাক অনেক বিধ বহুমূল্য মণি-
ৰে ভূষিত আছিল; প্ৰথম মূল সূৰ্য্যকান্তৰ, দ্বিতীয় নীলকান্তৰ, তৃতীয় লা-
লৈৰ, চতুৰ্থ পানাৰ, ২০ পঞ্চম বৈদূৰ্য্যৰ, ষষ্ঠ চুন্নি বাখৰৰ, সপ্তম চন্দ্ৰ-
কান্তৰ, অষ্টম গোদন্তৰ, নৱম পদ্মৰাগৰ, দশম কৰ্পূৰাণিৰ; একাদশ পে-
ৰোজৰ, দ্বাদশ মৰকতৰ আছিল । ২১ এটা এটা মুকুতাৰে এখান এখান
দুৱাৰ, এই ৰূপে বাৰেটা মুকুতাৰে বাৰে খন দুৱাৰ; আৰু নগৰৰ আলি-
বোৰ শুধ সোণাৰ নিৰ্ম্মল আৰ্ছিৰ নিচিনা আছিল । ২২ সেই নগৰৰ মাজত
ময় কোনো মন্দিৰ নেদেখিলোঁ; কিয়নো সৰ্ব্বশক্তিমন্ত প্ৰভু পৰম ঈশ্বৰ
আৰু মেৰ পোৱালিএই তাৰ মন্দিৰ হয় । ২৩ আৰু পহৰ কৰিবৰ নি-
মিত্তে সেই নগৰত সূৰ্য্যৰ বা চন্দ্ৰৰ প্ৰয়োজন নাই; কিয়নো তাত ঈশ্ব-
ৰৰ প্ৰতাপেহে প্ৰকাশ কৰিছে, আৰু মেৰ পোৱালিএই তাৰ পহৰ ।
২৪ আৰু দেশবিলাকৰ লোকে সেই পহৰত অহা যোৱা কৰিব; আৰু
পৃথিবীৰ ৰজাবিলাকে আপোনাৰ ঐশ্বৰ্য্য আৰু মৰ্য্যতা তাৰ ভিতৰলৈ
আনিব । ২৫ সেই নগৰৰ দুৱাৰ দিনতে কেতিয়াও বন্ধন কৰা নহব;
আৰু সেই ঠাইতে ৰাতি নহয় । ২৬ আৰু লোকবিলাকে সেই নগৰলৈ
দেশবিলাকৰ ঐশ্বৰ্য্য আৰু মৰ্য্যতা আনিব । ২৭ আৰু তাৰ ভিতৰত অশুচি
বা ঘিণ লগা কৰ্ম্ম কৰে, বা মিছা কথা কয়, এনে কোনোএ কেতিয়াও
নোসোমাব; কিন্তু যিবিলাকৰ নাম মেৰ পোৱালিৰ জীৱন পুথীত লিখা
আছে, কেৱল সিবিলাকেহে সোমাব ।

## ২২ অধ্যায় ।

পাছে ঈশ্বৰ আৰু মেৰ পোৱালিৰ সিংহাসনৰ পৰা ওলোৱা ফটিকৰ নি-
চিনা নিৰ্ম্মল অমৃত পানীৰ নদী মোক দেখালে । ২ দুই ফালে থকা
নগৰৰ আলি আৰু নদী, সিবিলাকৰ মাজতে জীৱনৰ গছ আছিল; সেই
গছত বাৰে বিধ গুটী ধৰিলে; প্ৰতি মাহতে তাৰ গুটী লাগিল; আৰু সেই
গছৰ পাত দেশবিলাকৰ লোকক স্বস্থ কৰিবলৈ হৈছে । ৩ তাত শাও আৰু
নেথাকে; কিন্তু তাৰ মাজত ঈশ্বৰ আৰু মেৰ পোৱালিৰ সিংহাসন থাকিব;
৪ আৰু তেওঁৰ সেৱকবিলাকে তেওঁক সেৱা কৰি তেওঁৰ মুখ দেখা পাব;
আৰু সিবিলাকৰ কঁপালত তেওঁৰ নাম দিয়া হব । ৫ তাতে আৰু ৰাতি
নহব; সিবিলাকলৈ চাকিৰ বা বেলিৰ পহৰৰ একো প্ৰয়োজন নাই, কিয়-
নো প্ৰভু পৰম ঈশ্বৰে সিবিলাকক পহৰ দিএ, আৰু সিবিলাকে সদাসৰ্ব্ব-
দায় ৰজা হৈ থাকিব ।

৬ পাছে তেওঁ মোত কলে, এই কথা সকল বিশ্বাসী আৰু সত্য; ভাৱিষ্য-
বক্তাবিলাকৰ আত্মাৰ প্ৰভু পৰম ঈশ্বৰে আপোন সেৱকবিলাকক অলপতে

হৰ লগা কথা দেখুৱাবলৈ আপোনাৰ দূতক পঠালে । ৭ দেখা, ময় বেগাই
আহিছোঁ; যি জনে এই পুথীৰ ভবিষ্যত বাক্য পালন কৰে, সি ধন্য ।
৮ ময় যোহানে এইবিলাক কথা শুনিলোঁ, আৰু দেখিলোঁ; শুনা দেখাৰ
পাছে যি দূতে এই সকলোকে মোক দেখালে, তেওঁক সেৱা কৰিবলৈ তেওঁৰ
চৰণত পৰিলোঁ । ৯ তেতিয়া তেওঁ মোত কলে, সাৱধান হোৱা, এনে কৰ্ম্ম
নকৰিবা; ময়ো তোমাৰ লগৰ সেৱক, আৰু তোমাৰ ভাই ভবিষ্যত বক্তা-
বিলাকৰ আৰু এই পুথীৰ বাক্য পালন কৰাবিলাকৰ মাজৰ এজন হৈছোঁ;
ঈশ্বৰকহে সেৱা কৰা । ১০ আকও তেওঁ মোত কলে, এই পুথীৰ ভবিষ্যত
বাক্যবিলাক ছাব মাৰি নথবা; কিয়নো কাল ওচৰ হৈছে । ১১ যি জন
অন্যায়, সি অন্যায় হৈ থাকোক; যি জন অশুচি, সি অশুচি হৈ থাকোক; যি
পৰমাৰ্থিক, সি পৰমাৰ্থিক হৈ থাকোক; যি পবিত্ৰ, সি পবিত্ৰ হৈ থাওক ।
১২ দেখা, ময় বেগাই আহিছোঁ; মানুহক গায়পতি আপোন আপোন
কৰ্ম্মৰ দৰে দিবলৈ মোৰ লগত প্ৰতিফল আছে । ১৩ ময় আল্‌ফা আৰু
ওমেগা, প্ৰথম আৰু শেষ, আদি আৰু অন্ত । ১৪ যিবিলাকে তেওঁৰ আজ্ঞা
পালন কৰে, সিবিলাকেই ধন্য; সিবিলাকে জীৱন গছৰ গুটী খোৱাৰ বাব
পাই; আৰু দুৱাৰে দি নগৰত সোমাব । ১৫ কিন্তু কুকুৰইত, আৰু মায়া-
পী কৰাবোৰ, বেশ্যা লোক, বধ কৰাবিলাক, দেওপূজক, আৰু যি কো-
নোএ মিছাকে ভাল পাই, বা কৰে, এই সকলো বাঝ হৈ থাকে । ১৬ ময়
য়ীশুএ মণ্ডলীবিলাকৰ মাজত এই সকলো কথাৰ প্ৰমাণ দিবলৈ তোমাৰ
ওচৰলৈ মোৰ দূতক পঠালোঁ । ময় দায়ূদৰ মূল আৰু সন্তান, আৰু
তেজস্বী ভোটা তৰা । ১৭ আত্মা আৰু কন্যাই বোলে, আহাঁ; আৰু যি
জনে শুনে, সিও বোলোক, আহাঁ; আৰু যি জনৰ পিয়াহ লাগে, সি আ-
হোক; যাৰ ইচ্ছা আছে, সি বিনামূল্যে অমৃত পানী গ্ৰহণ কৰোক ।
১৮ যি মানুহবিলাকে এই পুথীৰ ভবিষ্যত বাক্য শুনে, সিবিলাকৰ প্ৰতি
জনকে ময় এই প্ৰমাণ দি কৈছোঁ, যদি কোনোএ এই কথাবিলাকৰ মাজত
অন্য কথা বঢ়াই দিএ, তেন্তে এই পুথীত লিখা আপদবোৰক ঈশ্বৰে তাক
বঢ়াই দিব । ১৯ আৰু কোনোএ যদি এই ভবিষ্যত পুথীৰ কথাৰ মাজৰ
পৰা কোনো কথা গুছাই, তেন্তে এই পুথীত লিখা জীৱন গছ, আৰু পবিত্ৰ
নগৰৰ পৰা ঈশ্বৰে তাৰ ভাগ গুছাই দিব । ২০ যি জনে এই কথাৰ
প্ৰমাণ দিছে, তেওঁ কৈছে, ময় অৱশ্যে বেগাই আহিছোঁ । আমেন; হে
প্ৰভু য়ীশু, আহোক ।
২১ সকলো পবিত্ৰ লোকলৈ প্ৰভু য়ীশু খ্ৰীষ্টৰ অনুগ্ৰহ হওক ।

নতুন নিয়ম শাস্ত্ৰ সমাপ্তঃ ।

# নতুন নিয়মৰ পুথিবিলাকৰ নাম, আৰু প্ৰতি অধ্যায়ৰ মূল কথা ।

## মাথিএ লিখা শুভবাৰ্ত্তা ।


| মূল কথা । | অধ্যায়, | পিঠি । |
|---|---|---|
| খ্ৰীষ্টৰ ওপৰ বংশাবলী আৰু জন্মৰ বিবৰণ | ১ | ১ |
| জ্ঞানী লোকৰ আগমন, আৰু লৰাবিলাকক বধ কৰা | ২ | ২ |
| য়োহানে কীৰ্ত্তন কৰা, আৰু বুৰ দিওৱা | ৩ | ৪ |
| ছয়তানৰ পৰা খ্ৰীষ্টৰ পৰীক্ষা | ৪ | ৫ |
| পৰ্ব্বতৰ ওপৰত খ্ৰীষ্টৰ উপদেশ | ৫ | ৬ |
| দান, প্ৰাৰ্থনা, লঘোন আদি কৰ্ম্মৰ উপদেশ | ৬ | ৯ |
| উপদেশৰ শেষ কথা | ৭ | ১১ |
| য়ীশুএ অনেকক ৰোগৰ পৰা স্বস্থ কৰা | ৮ | ১৩ |
| স্বস্থ কৰা, আৰু উপদেশৰ কথা | ৯ | ১৪ |
| বাৰে জন পাঁচনিক পঠিওৱা | ১০ | ১৭ |
| য়োহানৰ কথাত খ্ৰীষ্টৰ প্ৰমাণ আৰু নানা শিক্ষা | ১১ | ১৯ |
| ফিৰুচিবিলাকক দোষ দিয়া, আৰু আন আন উপদেশ | ১২ | ২১ |
| কঠিয়া সিঁচা আদি অনেক পটন্তৰ | ১৩ | ২৪ |
| য়োহানৰ বধ, আৰু য়ীশুৰ মহৎ কৰ্ম্ম | ১৪ | ২৭ |
| পূৰ্ব্বৰ আচাৰ, আৰু য়ীশুৰ মহৎ কৰ্ম্ম | ১৫ | ২৮ |
| ফিৰুচিবিলাকৰ দোষ, আৰু শিষ্যক উপদেশ দিয়া | ১৬ | ৩০ |
| য়ীশুএ অন্য ৰূপ ধৰা, আৰু ভূতক খেদোৱা | ১৭ | ৩২ |
| বিঘিনিৰ কথা, আৰু অপৰাধ খেমা কৰা | ১৮ | ৩৪ |
| বিবাহ কৰা, আৰু ধনী লোকৰ কথা | ১৯ | ৩৬ |
| বণুৱাৰ পটন্তৰ, নম্ৰ হবলৈ উপদেশ, আৰু কণাক চকু দিয়া | ২০ | ৩৮ |
| য়িৰুছালমলৈ যোৱা, আৰু উপদেশ দিয়া | ২১ | ৩৯ |
| অধ্যাপক আৰু ফিৰুচিবিলাকক দোষ দিয়া | ২২ | ৪২ |
| অধ্যাপক আৰু ফিৰুচিবিলাকক দোষ দিয়া | ২৩ | ৪৪ |
| মন্দিৰ বিনাশ হোৱাৰ কথা | ২৪ | ৪৭ |
| দহ জনী কন্যা, বন্দীক ধন দিয়া, আৰু মহা সোধৰ বিবৰণ | ২৫ | ৪৯ |
| প্ৰভুৰ শেষ ভোজ, আৰু তেওঁক ধৰি অপমান কৰা | ২৬ | ৫২ |
| খ্ৰীষ্টক পেৰেঙ্গণিত মৰাৰ কথা | ২৭ | ৫৬ |
| খ্ৰীষ্টৰ উঠান, আৰু শিষ্যবিলাকক আজ্ঞা দিয়া | ২৮ | ৫৯ |

## মার্কে লিখা শুভবার্ত্তা।


| মূল কথা। | অধ্যায়, | পিঠি। |
|---|---|---|
| য়োহানে কীর্ত্তন কৰা, য়ীশুৰ উপদেশ আৰু তেওঁৰ মহৎ কৰ্ম্ম | ১ | ৬১ |
| জ্বৰ ৰোগীক স্বস্থ কৰা, আৰু উপদেশৰ কথা . . | ২ | ৬৩ |
| আশ্চৰিত কৰ্ম্ম কৰা, পাঁচনি লোৱা, আৰু উপদেশৰ কথা | ৩ | ৬৫ |
| কঠিয়া সিঁচা আদি অনেক পটন্তৰ . . . . | ৪ | ৬৭ |
| ভূতক খেদোৱা, আৰু আন আন আশ্চৰিত কৰ্ম্ম . . | ৫ | ৬৯ |
| শিষ্যবিলাকক পঁচা, য়োহানক বধ কৰা, আৰু য়ীশুৰ মহৎ কৰ্ম্ম | ৬ | ৭১ |
| আগৰ ৰীতিৰ কথা, আৰু য়ীশুৰ মহৎ কৰ্ম্ম . . . | ৭ | ৭৪ |
| চাৰি হেজাৰ মানুহক ভোজন কৰোৱা, আৰু অনেক উপদেশ | ৮ | ৭৬ |
| য়ীশুএ অন্য ৰূপ ধৰা, ভূত খেদোৱা, আৰু অনেক উপদেশ | ৯ | ৭৮ |
| বিয়া কৰাৰ আৰু আন আন উপদেশ, আৰু কণাক চকু দিয়া | ১০ | ৮১ |
| য়িৰুছালমলৈ যোৱা, ডিমৰু গছক শাও দিয়া, আৰু নানা উপদেশ | ১১ | ৮৪ |
| পনিয়ালৰ খেতি, ফিৰুচি, চিদুকি, আৰু অধ্যাপকবিলাকৰ কথা | ১২ | ৮৬ |
| মন্দিৰৰ বিনাশৰ কথা, আৰু সাৱধানে থকা উচিত . . | ১৩ | ৮৮ |
| প্ৰভুৰ শেষ ভোজ, আৰু লোকৰ হাতত পৰি অপমান পোৱাৰ কথা . | ১৪ | ৯০ |
| য়ীশুক পেৰেঙ্গণিত বধ কৰাৰ কথা . . . . | ১৫ | ৯৪ |
| খ্ৰীষ্টৰ পুনৰ উঠান, আৰু শিষ্যবিলাকক আজ্ঞা দিয়া . | ১৬ | ৯৭ |


## লুকে লিখা শুভবার্ত্তা।


| | | |
|---|---|---|
| এলিচেবা আৰু মাৰিয়ামৰ গৰ্ভ ধাৰণ, আৰু য়োহানৰ জন্ম . | ১ | ৯৯ |
| য়ীশুৰ জন্ম, আৰু তেওঁক য়িৰুছালমলৈ নিয়া . . . | ২ | ১০২ |
| য়োহানৰ বিবৰণ, য়ীশুক বুৰ দিয়া, আৰু তেওঁৰ বংশাৱলী | ৩ | ১০৫ |
| খ্ৰীষ্টৰ পৰীক্ষা, উপদেশ দিয়া, আৰু আশ্চৰিত কৰ্ম্ম . | ৪ | ১০৭ |
| বহুত মাছ ধৰা, অনেক মহৎ কৰ্ম্ম কৰা আৰু লঘোনৰ কথা | ৫ | ১১০ |
| বিশ্ৰাম বাৰত স্বস্থ কৰা, আৰু পাঁচনিক মনোনীত কৰি উপদেশ দিয়া . | ৬ | ১১২ |
| নৰিয়াক স্বস্থ কৰা, মৰাক তোলা, আৰু অনেক উপদেশ . | ৭ | ১১৫ |
| কঠিয়া সিঁচা, ভূত খেদোৱা, আৰু নৰিয়াবিলাকক স্বস্থ কৰা | ৮ | ১১৮ |
| বাৰে জন পাঁচনিক পঠিওৱা, আশ্চৰিত কৰ্ম্ম কৰা, আৰু নানা উপদেশ | ৯ | ১২১ |
| সত্তৰি জন শিষ্যক পঠিওৱা, আৰু দয়ালু চোমিৰোণীৰ কথা | ১০ | ১২৫ |

| মুল কথা। | অধ্যায়, | পিঠি। |
| --- | --- | --- |
| কপট, লোভ, এলাহ আদি ত্যাগ কৰাৰ উপদেশ . . | ১১ | ১২৮ |
| লোভ কৰাৰ দৃষ্টান্ত, আৰু আন আন উপদেশ . . | ১২ | ১৩১ |
| বিফল ডিমৰুৰ পটন্তৰ, দূৰ্ব্বলীক সুস্থ কৰা, আৰু পাপীক উদগোৰা | ১৩ | ১৩৪ |
| জলন্ধৰীয়াক সুস্থ কৰা, আৰু মহা ভোজৰ পটন্তৰ . | ১৪ | ১৩৬ |
| হেৰোৱা মেৰ, হেৰোৱা ধন, আৰু ধন ব্যয় কৰাৰ পটন্তৰ | ১৫ | ১৩৮ |
| অন্যায় কৰা ঘৰগিৰি, ধনৱন্ত আৰু কঙ্গালৰ দৃষ্টান্ত . | ১৬ | ১৪০ |
| শিষ্যক উপদেশ দিয়া, বুঢ়ীয়াক সুস্থ কৰা, আৰু ঈশ্বৰৰ ৰাজ্যৰ কথা . | ১৭ | ১৪২ |
| প্রার্থনা কৰা কথা, ধনৱন্ত অধিকাৰ, আৰু কণাক সুস্থ কৰা | ১৮ | ১৪৪ |
| জাখিয়ৰ কথা, দহ মিনা অৰ্থাৎ দহ অৰ্দ্ধ সেৰ ৰূপ, আৰু মন্দিৰলৈ যোৱা . | ১৯ | ১৪৬ |
| পনিয়ালৰ খেতি, পোৰোহিত, চিদুকি, আৰু অধ্যাপক-বিলাকক উত্তৰ দিয়া . | ২০ | ১৪৮ |
| দুখিয়া বাঁৰীএ দান দিয়া, আৰু মন্দিৰৰ বিনাশৰ কথা . | ২১ | ১৫১ |
| প্ৰভুৰ শেষ ভোজ, উপদেশ দিয়া, আৰু তেওঁক ধৰি অপমান কৰা . | ২২ | ১৫৩ |
| য়ীশুক পেৰেঙ্গণিত বধ কৰা কথা . . . . . | ২৩ | ১৫৬ |
| য়ীশুৰ পুনৰ উঠান, আৰু বাটত যোৱা শিষ্যক দৰ্শন দিয়া | ২৪ | ১৫৯ |


## য়োহানে লিখা শুভবাৰ্ত্তা।


| | | |
| --- | --- | --- |
| খ্রীষ্ট অৱতাৰ হোৱা, য়োহানে কীৰ্ত্তন, আৰু শিষ্য কৰাৰ কথা | ১ | ১৬২ |
| য়ীশুৰ প্রথম আশ্চৰ্য্যৰত কৰ্ম্ম, আৰু মন্দিৰক শুচি কৰা . | ২ | ১৬৪ |
| নিকদিমে সোধা কথা, আৰু য়োহানৰ প্রমাণ . . | ৩ | ১৬৬ |
| চোমিৰোণী তিৰোতাৰ কথা, আৰু নৰিয়াক সুস্থ কৰা . | ৪ | ১৬৮ |
| বৈথিচ্দা পুখুৰীত ৰুগীয়াক সুস্থ কৰা, আৰু অনেক উপদেশ | ৫ | ১৭০ |
| পাঁচ হেজাৰ মানুহক খুউৱা, আৰু জীৱনৰ আহাৰৰ কথা | ৬ | ১৭৩ |
| য়ীশুএ মন্দিৰত উপদেশ দিয়া . . . . . . | ৭ | ১৭৬ |
| ব্যভিচাৰ কৰা তিৰোতা, আৰু য়িহুদীবিলাকক দোষ দিয়া | ৮ | ১৭৯ |
| ওপজাৰে কণা মানুহক চকু দিয়া . . . . . | ৯ | ১৮২ |
| খ্রীষ্ট মেৰৰ সজ ৰখিয়া, আৰু অনন্ত আয়ুষ দিওঁতা . | ১০ | ১৮৪ |
| লাজাৰক মৈদামৰ পৰা তুলি জীওৱাৰ কথা . . | ১১ | ১৮৬ |
| য়ীশুক তেল ঢাকি দিয়া, আৰু তেওঁ মন্দিৰলৈ যোৱা . | ১২ | ১৮৯ |

| মূল কথা । | অধ্যায়, | পিঠি । |
| --- | --- | --- |
| শিষ্যৰ ভৰি ধুউৱা, আৰু উপদেশ দিয়া . . . . | ১৩ | ১৯২ |
| য়ীশুএ আপোনাৰ শিষ্যবিলাকক সান্ত্বনা কৰা কথা . . | ১৪ | ১৯৪ |
| লতা পনিয়ালৰ দৃষ্টান্ত কৰি শিষ্যবিলাকক উপদেশ দিয়া | ১৫ | ১৯৬ |
| খ্রীষ্ট পিতৃৰ ঠাইলৈ যোৱা, আৰু সান্ত্বনা কৰোঁতা অহাৰ কথা | ১৬ | ১৯৮ |
| আপোনাৰ আৰু শিষ্যবিলাকৰ নিমিত্তে খ্রীষ্টৰ প্রার্থনা . | ১৭ | ২০০ |
| য়ীশুক ধৰা আৰু পিলাতৰ আগলৈ তেওঁক নিয়াৰ কথা . | ১৮ | ২০১ |
| য়ীশুক পেৰেঙ্গণিত বধ কৰাৰ কথা . . . . . | ১৯ | ২০৪ |
| য়ীশুৰ উত্থান, আৰু শিষ্যবিলাকক দর্শন দিয়া . . | ২০ | ২০৬ |
| প্রভুএ দর্শন দি শিষ্যবিলাকে সৈতে ভোজন কৰা . . | ২১ | ২০৮ |


## পাঁচনিবিলাকে কৰা কৰম ।


| | | |
| --- | --- | --- |
| খ্রীষ্টে স্বর্গলৈ উঠা, আৰু মাথিয়াক পাঁচনিৰ লগত লিখাৰ কথা | ১ | ২১১ |
| পবিত্র আত্মা প্রকাশ ৰূপে অহা, আৰু পিতৰে উপদেশ দিয়া | ২ | ২১২ |
| খোৰা মানুহক স্বস্থ কৰা, আৰু পিতৰৰ উপদেশ . . | ৩ | ২১৫ |
| পিতৰ আৰু য়োহানক ধৰা, আৰু শিষ্যবিলাকৰ প্রার্থনা . | ৪ | ২১৭ |
| হনানিয়া আৰু চাফিৰাৰ মৃত্যু, আৰু পাঁচনিক বন্দীশালত থোৱা | ৫ | ২১৯ |
| সাত জন সেৱকক নিযোজন কৰা, আৰু স্তিফানক ধৰা কথা | ৬ | ২২১ |
| স্তিফানে উত্তৰ দিয়া, আৰু তেওঁক বধ কৰাৰ কথা . . | ৭ | ২২৩ |
| চোমিৰোণ নগৰত ফিলিপে কীর্ত্তন কৰা, আৰু নপুংসকক বুৰ দিওৱা . | ৮ | ২২৬ |
| চৌলৰ মন পালটোৱা, আৰু পিতৰে কৰা আশ্চৰিত কৰম | ৯ | ২২৮ |
| কর্ণিলিয় আৰু পিতৰক দর্শন দিয়া, আৰু বিদেশী লোকে বুৰ পোৱা | ১০ | ২৩০ |
| বিদেশী লোকে খ্রীষ্টীয়ান মণ্ডলীত সোমোৱাৰ কথা . | ১১ | ২৩৩ |
| পিতৰক বন্দীশালত থোৱা, আৰু হেৰোদৰ মৰণ . . | ১২ | ২৩৫ |
| পৌল আৰু বর্ণাবাই কুপ্র, পামফুলিয়া, আৰু পিচিদিয়া দেশত কীর্ত্তন কৰা . | ১৩ | ২৩৬ |
| লুস্ত্রা নগৰত খোৰাক স্বস্থ কৰা, আৰু পৌলক শিল মৰা | ১৪ | ২৩৯ |
| চর্ম্মছেদনৰ কথাত বাদ বিচাৰ, আৰু তাৰ কাৰণে পত্র লিখা | ১৫ | ২৪১ |
| ফিলিপি নগৰত লুদিয়া আৰু বন্দীশালৰ ৰখিয়াই মন পালটোৱা . | ১৬ | ২৪৩ |
| পৌলে থেচলনিকি, বেৰয়া, আৰু আথিনি নগৰলৈ যোৱা | ১৭ | ২৪৬ |

| মূল কথা। | অধ্যায়, | পিঠি। |
|---|---|---|
| কৰিন্থ আৰু এফেচ নগৰত পৌলে কীৰ্ত্তন কৰা . . | ১৮ | ২৪৮ |
| এফেচত পৌলে কীৰ্ত্তন কৰা, আৰু তেওঁৰ বিৰোদ্ধে হুৰামুৰা | ১৯ | ২৫০ |
| পৌলে মাকেদনিয়ালৈ যোৱা, আৰু এফেচৰ বৃদ্ধ লোকক উপদেশ দিয়া . | ২০ | ২৫২ |
| য়িৰুছালমলৈ পৌলৰ যাত্ৰা, আৰু হুৰামুৰা লগা . . | ২১ | ২৫৪ |
| লোকৰ আগত পৌলে আপোনাৰ মন পালটনৰ কথা কোৱা | ২২ | ২৫৭ |
| মেলৰ আগত পৌলৰ সোধ, আৰু তেওঁৰ বিৰোদ্ধে কুমন্ত্ৰণা | ২৩ | ২৫৮ |
| ফিলিকৰ আগত পৌলৰ সোধ, আৰু ধৰ্ম্ম কথা কোৱা . | ২৪ | ২৬১ |
| ফিষ্টৰ আগত পৌলৰ সোধ কৰা . . . . . | ২৫ | ২৬২ |
| আগ্ৰিপা ৰজাৰ আগত পৌলে উত্তৰ দিয়া . . . | ২৬ | ২৬৪ |
| সমুদ্ৰৰ পথে প্ৰাণৰ শঙ্কা, আৰু জাহাজ ভগা . . . | ২৭ | ২৬৬ |
| মেলিতাৰ পৰা ৰোম নগৰলৈ যোৱা, আৰু তাতে শুভবাৰ্ত্তা কীৰ্ত্তন কৰা . | ২৮ | ২৬৯ |


## ৰুমীয়াবিলাকলৈ পৌলে লিখা পত্ৰ।


| | | |
|---|---|---|
| শুভবাৰ্ত্তাৰ গুণ, আৰু দেওপূজকৰ অনুচিত কৰ্ম্ম . . | ১ | ২৭১ |
| য়িহুদী আদি কৰি সকলো লোক ঈশ্বৰৰ দণ্ডৰ যোগ্য . | ২ | ২৭৩ |
| বিধানৰ দ্বাৰাই মানুহ পুণ্যৱন্ত নহয়, বিশ্বাসৰ দ্বাৰাইহে পুণ্যৱন্ত | ৩ | ২৭৪ |
| বিশ্বাসৰ দ্বাৰাই আব্ৰাহাম পুণ্যৱন্ত হোৱাৰ কথা . . | ৪ | ২৭৬ |
| আদমৰ দ্বাৰাই মৰণ, খ্ৰীষ্টৰ দ্বাৰাই অনুগ্ৰহ আৰু জীৱন | ৫ | ২৭৭ |
| খ্ৰীষ্টীয়ানে পাপ দমন আৰু ধৰ্ম্ম পালন কৰাৰ উচিত . | ৬ | ২৭৮ |
| বিশ্বাসী লোক বিধানৰ সমন্ধলৈ মৰা হোৱা . . . . | ৭ | ২৮০ |
| বিশ্বাসী লোক দণ্ডৰ পৰা মুকুত হোৱা . . . . . | ৮ | ২৮১ |
| কেৱল ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাই মানুহে অনুগ্ৰহ পোৱাৰ কথা | ৯ | ২৮৪ |
| শুভবাৰ্ত্তা কীৰ্ত্তন কৰাৰ দ্বাৰাই মানুহৰ বিশ্বাস আৰু পৰিত্ৰাণ হয় . | ১০ | ২৮৬ |
| ঈশ্বৰে কিছু কাললৈ ভাগৰ ক্ৰমে ইস্ৰায়েলক অগ্ৰাহ্য কৰা | ১১ | ২৮৭ |
| অনেক উচিত কৰ্ম্মলৈ উপদেশ দিয়া . . . . . | ১২ | ২৮৯ |
| অধিকাৰৰ বশ হোৱা উচিত . . . . . . . | ১৩ | ২৯০ |
| বিশ্বাসত দুৰ্ব্বলী লোকৰ হিত চিন্তাৰ উপদেশ . . . | ১৪ | ২৯১ |
| ভাইবিলাকলৈ পৌলৰ অনেক উপদেশ . . . . | ১৫ | ২৯৩ |
| অনেক পবিত্ৰ লোকক পৌলে নমস্কাৰ কৰা . . . | ১৬ | ২৯৫ |

## কৰিন্থীবিলাকলৈ পৌলে লিখা প্ৰথম পত্ৰ।


| মূল কথা। | অধ্যায়, | পিঠি। |
|---|---|---|
| মিলন হবলৈ উপদেশ, আৰু শুভবাৰ্ত্তাৰ গুণ প্ৰশংসা কৰা | ১ | ২৯৭ |
| ঈশ্বৰে দিয়া জ্ঞানৰ দ্বাৰাই শুভবাৰ্ত্তা কীৰ্ত্তন কৰা . . | ২ | ২৯৯ |
| খ্ৰীষ্টেই সকলো ধৰ্ম্ম কৰ্ম্মৰ মুল . . . . . | ৩ | ৩০০ |
| পাঁচনিবিলাকৰ অনেক দুঃখ আৰু তাৰণা . . . | ৪ | ৩০১ |
| মণ্ডলীৰ পৰা পাপী মানুহক পৃথক কৰা উচিত . . | ৫ | ৩০২ |
| ভাইবিলাকৰ গোচৰ কৰা নিষেধ, আৰু পবিত্ৰ হবলৈ নিষেধ | ৬ | ৩০৩ |
| বিশ্বাসীবিলাকে বিয়া কৰোৱাৰ উপদেশ . . . | ৭ | ৩০৪ |
| দেৱতাৰ প্ৰসাদ খোৱাৰ কথা . . . . . | ৮ | ৩০৭ |
| শুভবাৰ্ত্তা কীৰ্ত্তন কৰাবিলাকক প্ৰতিপালন কৰা উচিত . | ৯ | ৩০৮ |
| ধৰ্ম্ম আচৰণ আৰু দেওপূজা ত্যাগ কৰা উচিত . . | ১০ | ৩০৯ |
| প্ৰাৰ্থনা কৰা আৰু প্ৰভুৰ ভোজৰ কথা . . . | ১১ | ৩১১ |
| পবিত্ৰ আত্মাই দিয়া বিবিধ দানৰ কথা . . . | ১২ | ৩১৩ |
| ধৰ্ম্মৰ গুণবিলাকৰ মাজত প্ৰেমেই প্ৰধান . . . | ১৩ | ৩১৫ |
| অনেক ভাষাৰে কোৱাৰ শক্তি, আৰু উপদেশ দিয়াৰ কথা | ১৪ | ৩১৫ |
| পুনৰ উঠান হবৰ কথা . . . . . . | ১৫ | ৩১৮ |
| মণ্ডলীৰ দৰিদ্ৰলৈ দান কৰা, আৰু ভাইবিলাকলৈ নমস্কাৰ | ১৬ | ৩২০ |


## কৰিন্থীবিলাকলৈ পৌলে লিখা দ্বিতীয় পত্ৰ।


| | | |
|---|---|---|
| কৰিন্থী লোকক সান্ত্বনা কৰা, আৰু সিবিলাকলৈ যাত্ৰা কৰা | ১ | ৩২২ |
| মণ্ডলীৰ বাহিৰ কৰা লোকক পুনৰ গ্ৰহণ কৰাৰ কথা . | ২ | ৩২৪ |
| বিধানতকৈ শুভবাৰ্ত্তাৰ কীৰ্ত্তন মহিমাৱন্ত . . . | ৩ | ৩২৫ |
| শুভবাৰ্ত্তা কীৰ্ত্তন কৰাত পৌলৰ উৎসাহ আৰু দুঃখ ভোগ . | ৪ | ৩২৬ |
| পৰিত্ৰাণৰ অপেক্ষাৰে পৌলে শুভবাৰ্ত্তা কীৰ্ত্তন কৰা . | ৫ | ৩২৭ |
| পৌলৰ দুঃখ ভোগ, আৰু দেওপূজকৰ পৰা পৃথক হোৱা উচিত | ৬ | ৩২৮ |
| কৰিন্থী লোকে পাপৰ কাৰণে খেদ কৰাত পৌলৰ সন্তোষ | ৭ | ৩২৯ |
| দৰিদ্ৰ লোকক উপকাৰ কৰিবলৈ পৌলৰ নিবেদন . . | ৮ | ৩৩০ |
| উৎসাহ মনেৰে দান দিয়াত ঈশ্বৰ তুষ্ট হোৱা . . . | ৯ | ৩৩২ |
| বিৰোদ্ধ লোকক পৌলে সিবিলাকৰ দোষ দেখুউৱা . . | ১০ | ৩৩৩ |
| খ্ৰীষ্টৰ ধৰ্ম্মৰ কাৰণে পৌলৰ শ্ৰম আৰু দুঃখ ভোগ . | ১১ | ৩৩৪ |
| স্বৰ্গীয় দৰ্শন আৰু ভবিষ্যত বাক্যত পৌল পাঁচনি হোৱাৰ প্ৰমাণ | ১২ | ৩৩৬ |
| মণ্ডলীৰ লোকক ভয় দেখুউৱা, আৰু পত্ৰৰ সমাপ্তি . . | ১৩ | ৩৩৮ |

## গলাতীয়াবিলাকলৈ পৌলে লিখা পত্র ।


| মূল কথা । | অধ্যায়, | পিঠি । |
|---|---|---|
| পৌলে মানুহৰ পৰা নহয় ঈশ্বৰৰ পৰাহে ধৰ্ম্ম কথা পোৱা | ১ | ৩৩৯ |
| বিদেশী লোকক শুভবাৰ্ত্তা দিবলৈ পৌলৰ উৎসাহ . . | ২ | ৩৪০ |
| বিধানৰ দ্বাৰাই পৰিত্ৰাণ নহয়, বিশ্বাসৰ দ্বাৰাই হয় . | ৩ | ৩৪২ |
| বিধান আৰু শুভবাৰ্ত্তাৰ নিয়ম, এই দুই পৃথক হোৱা . | ৪ | ৩৪৩ |
| বিধানৰ কৰ্ম্মেৰে পৰিত্ৰাণ নিবিচাৰি, আত্মাৰ কৰ্ম্ম প্ৰবৰ্ত্তা উচিত . | ৫ | ৩৪৫ |
| লোকক ক্ষমা কৰা, আৰু পেৰেঙ্গণিৰ কথাত প্ৰশংসা কৰা | ৬ | ৩৪৭ |


## এফেচীবিলাকলৈ পৌলে লিখা পত্র ।


| | | |
|---|---|---|
| ঈশ্বৰে পবিত্ৰ লোকক মনোনীত কৰি তোলনিয়া পুত্ৰৰ বাব দিয়া | ১ | ৩৪৮ |
| খ্ৰীষ্টৰ দ্বাৰাই বিশ্বাসী লোক ঈশ্বৰে সৈতে মিল হোৱা . | ২ | ৩৪৯ |
| শুভবাৰ্ত্তাৰ দ্বাৰাই বিদেশী লোক পৰিত্ৰাণৰ ভাগী হোৱা | ৩ | ৩৫০ |
| একে ভাবে থাকি ধৰ্ম্ম আচৰণ কৰিবলৈ পৌলৰ মিনতি . | ৪ | ৩৫২ |
| অশুচি কৰ্ম্ম ত্যাগ কৰা, আৰু তিৰী পুৰুষে প্ৰীতি ভাৱে থকা উচিত . | ৫ | ৩৫৩ |
| পিতৃ মাতৃ আৰু অধিকাৰলৈ উচিত সেৱা, আৰু পাপে সৈতে যুদ্ধৰ কথা . | ৬ | ৩৫৫ |


## ফিলিপীয়াবিলাকলৈ পৌলে লিখা পত্র ।


| | | |
|---|---|---|
| শুভবাৰ্ত্তা কীৰ্ত্তন কৰাত পৌলৰ উৎসাহ আৰু আনন্দ . | ১ | ৩৫৬ |
| একে আলচ, নম্ৰ মন, নিৰ্দুষী ভাৱে আচৰিবলৈ পৌলৰ নিবেদন | ২ | ৩৫৮ |
| খ্ৰীষ্টৰ নিমিত্তে পৌলে সকলোকে ত্যাগ কৰা . . . | ৩ | ৩৫৯ |
| অনেক ধৰ্ম্ম কৰ্ম্মলৈ পৌলৰ উপদেশ . . . . | ৪ | ৩৬০ |


## কলচীয়াবিলাকলৈ পৌলে লিখা পত্র ।


| | | |
|---|---|---|
| খ্ৰীষ্টৰ মহিমা, আৰু তেওঁত সম্পূৰ্ণ ঈশ্বৰীয় গুণ থকা . | ১ | ৩৬২ |
| খ্ৰীষ্টক মূল ধৰি মানুহৰ বিধিৰ পৰা সাৱধান হোৱা উচিত | ২ | ৩৬৪ |
| ওপৰৰ কথাত আসক্ত হৈ ধৰ্ম্ম কৰ্ম্ম আচৰিবলৈ উপদেশ | ৩ | ৩৬৫ |
| অনেক উপদেশ, আৰু ভাইবিলাকলৈ নমস্কাৰ . . | ৪ | ৩৬৬ |

## থেচলনিকীবিলাকলৈ পৌলে লিখা প্ৰথম পত্ৰ ।


| মূল কথা । | অধ্যায়, | পিঠি । |
|---|---|---|
| থেচলনিকী লোকৰ বিশ্বাস, প্ৰেম, আৰু ধৰ্ম্ম আচৰণ প্ৰশংসা কৰা | ১ | ৩৬৮ |
| পৌলে শুভবাৰ্ত্তা কীৰ্ত্তন কৰাৰ কথা | ২ | ৩৬৯ |
| থেচলনিকীলৈ তিমথিক পঠোৱাৰ কথা | ৩ | ৩৭০ |
| পবিত্ৰ হবলৈ উপদেশ, আৰু প্ৰভু অহাৰ কথা | ৪ | ৩৭১ |
| ধৰ্ম্মৰ অনেক অনেক কৰ্ম্ম কৰিবলৈ আজ্ঞা | ৫ | ৩৭২ |


## থেচলনিকীয়ালৈ পৌলে লিখা দ্বিতীয় পত্ৰ ।


| | | |
|---|---|---|
| সোধৰ দিনা দণ্ডৰ নিমিত্তে প্ৰভুৰ আগমন | ১ | ৩৭৪ |
| ভবিষ্যত কালে পাপ পুৰুষ ওলোৱাৰ কথা | ২ | ৩৭৫ |
| কুব্যৱহাৰ কৰা আৰু আজ্ঞা নমনা লোকক দোষ দিয়া | ৩ | ৩৭৬ |


## তিমথিলৈ পৌলে লিখা প্ৰথম পত্ৰ ।


| | | |
|---|---|---|
| বিধানৰ কথাত আৰু থিৰে থাকিবলৈ উপদেশ | ১ | ৩৭৭ |
| সকলোৰে নিমিত্তে প্ৰাৰ্থনা কৰা, আৰু তিৰোতাৰ উচিত ব্যৱহাৰ | ২ | ৩৭৮ |
| ৰক্ষক আৰু সেৱক মানুহ যেনে হব লগা, তাৰ কথা | ৩ | ৩৭৯ |
| ধৰ্ম্ম ত্যাগ কৰাৰ ভবিষ্যত বাক্য, আৰু নানা উপদেশ | ৪ | ৩৮০ |
| বৃদ্ধ লোক আৰু বিধৱাৰ অৰ্থে পৌলৰ উপদেশ | ৫ | ৩৮১ |
| বন্দী লোকৰ কথা, আৰু তিমথিক আজ্ঞা দিয়া | ৬ | ৩৮২ |


## তিমথিলৈ পৌলে লিখা দ্বিতীয় পত্ৰ ।


| | | |
|---|---|---|
| তিমথিলৈ পৌলৰ প্ৰেম আৰু উপদেশ | ১ | ৩৮৪ |
| সহন ৰূপে ধৰ্ম্মত ধৈৰ্য্য ধৰি থকা উচিত | ২ | ৩৮৫ |
| শেষ কালৰ ভ্ৰষ্ট হোৱা লোকৰ কথা, আৰু ধৰ্ম্ম শাস্ত্ৰৰ প্ৰশংসা | ৩ | ৩৮৬ |
| শুভবাৰ্ত্তা কীৰ্ত্তনত প্ৰবৰ্ত্তিবলৈ আজ্ঞা, আৰু ভাইবিলাকলৈ নমস্কাৰ | ৪ | ৩৮৭ |

## তিতলৈ পৌলে লিখা পত্ৰ ।


| মূল কথা । | অধ্যায়, | পিঠি । |
|---|---|---|
| মণ্ডলীৰ ৰক্ষকৰ উচিত কৰ্ম্ম, আৰু অনাচাৰী লোকৰ কথা | ১ | ৩৮৯ |
| কেনে উপদেশ দিবলৈ উচিত তাক তিতক শিকোৱা . | ২ | ৩৯০ |
| নানা উপদেশ আৰু নমস্কাৰ . . . . . | ৩ | ৩৯১ |


## ফিলিমোনলৈ পৌলে লিখা পত্ৰ ।


| | | |
|---|---|---|
| ফিলিমোনৰ বন্দী অনেচিমক ক্ষমা কৰিবলৈ পৌলৰ নিবেদন | ১ | ৩৯২ |


## ইব্ৰীবিলাকলৈ লিখা পত্ৰ ।


| | | |
|---|---|---|
| স্বৰ্গৰ দূতবিলাকতকৈ খ্ৰীষ্ট উত্তম, আৰু ঈশ্বৰীয় গুণেৰে পৰিপূৰ্ণ | ১ | ৩৯৩ |
| আমাৰ ত্ৰাণৰ সেনাপতি য়ীশু মহা পোৰোহিত হবলৈ অৱতাৰ হোৱা . | ২ | ৩৯৪ |
| মোছাতকৈ খ্ৰীষ্ট মৰ্য্যতাৱন্ত হোৱা হেতুকে অবিশ্বাসী অধিক দণ্ডৰ যোগ্য . | ৩ | ৩৯৫ |
| বিশ্বাসী লোকৰ নিমিত্তে খ্ৰীষ্টে কৰা বিশ্ৰাম . . . . | ৪ | ৩৯৬ |
| খ্ৰীষ্ট মহা পোৰোহিত হোৱা কথা . . . . . | ৫ | ৩৯৭ |
| ধৰ্ম্ম ত্যাগ নকৰি তাতে থিৰে থাকিবলৈ মিনতি . . | ৬ | ৩৯৮ |
| মল্কিছেদকৰ নিচিনা হৈ হাৰোণৰ বঙ্গহৰ পোৰোহিততকৈ খ্ৰীষ্ট প্ৰধান . | ৭ | ৩৯৯ |
| নতুন মহা পোৰোহিত আৰু নতুন নিয়ম থাপন কৰা . | ৮ | ৪০১ |
| প্ৰথম নিয়মৰ বলি বিধান আদি খ্ৰীষ্টৰ প্ৰায়শ্চিত্তৰ ছাঁয়া মাথোন | ৯ | ৪০২ |
| খ্ৰীষ্টৰ প্ৰায়শ্চিত্তৰ দ্বাৰাই বলিদান পূৰ কৰা . . | ১০ | ৪০৪ |
| বিশ্বাসৰ গুণ আৰু প্ৰতিফল . . . . . | ১১ | ৪০৬ |
| সহন ৰূপে ধৰ্ম্মত থিৰে থাকিবলৈ মিনতি . . . | ১২ | ৪০৮ |
| অনেক ধৰ্ম্মৰ কথাত উপদেশ আৰু মিনতি . . | ১৩ | ৪১০ |


## য়াকোবৰ পত্ৰ ।


| | | |
|---|---|---|
| ধৈৰ্য্য আৰু নম্ৰভাও আৰু কৰ্ম্মেৰে ধৰ্ম্ম পালন কৰা উচিত | ১ | ৪১২ |
| মুখ চোৱা নিষেধ, আৰু কৰ্ম্মৰ বিনে বিশ্বাস নিষ্ফল . | ২ | ৪১৩ |
| জিবা দমন কৰা অতি কঠিন কৰ্ম্ম . . . . . | ৩ | ৪১৫ |

| মূল কথা। | অধ্যায়, | পিঠি। |
|---|---|---|
| যুদ্ধ আৰু সংসাৰিক সুখৰ অভিলাষ ত্যাগ কৰাৰ নিবেদন | ৪ | ৪১৬ |
| ধনৱন্ত দুঃখী আৰু নৰিয়া মানুহলৈ উপদেশ . . . | ৫ | ৪১৭ |

## পিতৰৰ প্ৰথম পত্ৰ।

| | | |
|---|---|---|
| ঈশ্বৰৰ অতুল্য অনুগ্ৰহ, আৰু ধৰ্ম্ম আচৰণলৈ মিনতি . | ১ | ৪১৮ |
| পৰমাৰ্থিক মন্দিৰৰ খ্ৰীষ্ট চুকৰ প্ৰধান শিল, আৰু নানা উপদেশ | ২ | ৪২০ |
| তিৰোতা আৰু পুৰুষৰ উচিত কৰ্ম্ম, আৰু লোকৰ অপৰাধ সহন কৰা . | ৩ | ৪২১ |
| সকলো অকৰ্ম্ম ত্যাগ কৰা, আৰু ধৈৰ্য্য ধৰা উচিত . | ৪ | ৪২৩ |
| বৃদ্ধ লোকৰ উচিত কৰ্ম্ম, আৰু সকলোলৈকে উপদেশ . | ৫ | ৪২৪ |

## পিতৰৰ দ্বিতীয় পত্ৰ।

| | | |
|---|---|---|
| পবিত্ৰ লোকে যত্ন কৰা উচিত, আৰু ঈশ্বৰে দিয়া শাস্ত্ৰ প্ৰমাণীক | ১ | ৪২৫ |
| ভাঁৰি কোৱা ভবিষ্যত বক্তা আৰু দুৰাচাৰী লোক ওলাবৰ কথা | ২ | ৪২৬ |
| খ্ৰীষ্ট আহিবৰ সময়ত জগত খন পোৰাৰ কথা . . | ৩ | ৪২৮ |

## য়োহানৰ প্ৰথম পত্ৰ।

| | | |
|---|---|---|
| খ্ৰীষ্টে সৈতে আমাৰ মিত্ৰ ভাও, আৰু তেওঁৰ দ্বাৰাই পাপ মোচন | ১ | ৪২৯ |
| ভাইবিলাকলৈ প্ৰীতি কৰা, আৰু খ্ৰীষ্টৰ বিৰোধ হোৱা জনৰ কথা | ২ | ৪৩০ |
| ভাইবিলাকক প্ৰীতি কৰা আবশ্যক . . . . . | ৩ | ৪৩২ |
| ৰক্ষকক পৰীক্ষা কৰা, আৰু প্ৰেম প্ৰীতিৰে থকা উচিত . | ৪ | ৪৩৩ |
| ঈশ্বৰক প্ৰেম কৰাৰ প্ৰমাণ, আৰু তাৰ প্ৰতিফল . . | ৫ | ৪৩৫ |

## য়োহানৰ দ্বিতীয় পত্ৰ।

| | | |
|---|---|---|
| প্ৰেম, আৰু ধৰ্ম্ম, আৰু স্বৰূপ উপদেশত থিৰে থাকিবলৈ মিনতি | ১ | ৪৩৬ |

## য়োহানৰ তৃতীয় পত্ৰ।

| | | |
|---|---|---|
| গায়ক প্ৰশংসা, আৰু দিয়ত্ৰিফিৰ দুষ্কৰ্ম্মৰ কথা . . | ১ | ৪৩৭ |

## য়িহুদাৰ পত্ৰ ।


| মূল কথা । | অধ্যায়, | পিঠি । |
|---|---|---|
| দুষ্ট শিক্ষকৰ কথা, আৰু পবিত্ৰ ভাৱে থাকিবলৈ মিনতি | ১ | ৪৩৮ |


## প্ৰকাশিত ভবিষ্যত বাক্য ।


| | | |
|---|---|---|
| পাত্ম মাজুলীত থকা, য়োহানে প্ৰভুক দৰ্শন পোৱা . . | ১ | ৪৪০ |
| এফেচ, স্মুৰ্ণা, পৰ্গাম, আৰু থুৱাতিৰাৰ মণ্ডলীলৈ খ্ৰীষ্টে পঠিওৱা সম্বাদ . | ২ | ৪৪১ |
| চাৰ্দি, ফিলাদেলফিয়া, আৰু লাৱদিকিয়াৰ মণ্ডলীলৈ খ্ৰীষ্টে দিয়া সম্বাদ . | ৩ | ৪৪৩ |
| ঈশ্বৰৰ সিংহাসন, চাৰি জন্তু, আৰু চৌবিছ বৃদ্ধ লোকৰ দৰ্শন | ৪ | ৪৪৫ |
| সাতোটা ছাবেৰে ছাব মৰা পুথী খ্ৰীষ্টে মেলিবলৈ যোগ্য | ৫ | ৪৪৬ |
| মেৰ পোৱালিএ পুথিৰ ছটা ছাব মুকলি কৰা . . . | ৬ | ৪৪৭ |
| ঈশ্বৰৰ সেৱকবিলাকক ছাব মৰা, আৰু সিবিলাকৰ পৰম সুখ | ৭ | ৪৪৮ |
| সপ্তম ছাব মুকলি কৰা, আৰু চাৰি ভেৰীৰ শবদ . . | ৮ | ৪৪৯ |
| পঞ্চম আৰু ষষ্ঠ ভেৰী বজোৱাৰ কথা . . . . . | ৯ | ৪৫০ |
| বলৱন্ত দূতে য়োহানক এখন সৰু পুথী দিয়া . . . | ১০ | ৪৫১ |
| ঈশ্বৰৰ দুজন সাক্ষী, আৰু সপ্তম ভেৰী বজোৱা . . | ১১ | ৪৫২ |
| পুত্ৰক ওপজোৱা তিৰোতা, আৰু তেওঁক তাৰণা কৰা মহা নাগৰ কথা . | ১২ | ৪৫৪ |
| সাত মূৰিয়া পছু, আৰু পৃথিবীৰ পৰা ওলোৱা আন পছুৰ বিবৰণ . | ১৩ | ৪৫৫ |
| চিওনত খ্ৰীষ্টৰ দৰ্শন, আৰু বাবেল মহা নগৰৰ দণ্ড . | ১৪ | ৪৫৬ |
| সাতোটা শেষ আপদৰ পাত্ৰ অনা সাত জন দূতৰ দৰ্শন . | ১৫ | ৪৫৮ |
| আপদেৰে পূৰ হোৱা সাতোটা পাত্ৰ পৃথিবীত বাকি দিয়া | ১৬ | ৪৫৮ |
| মহা বেশ্যাৰ দৰ্শন, আৰু তাই উঠি থকা পছুৰ অৰ্থ বুঝাবৰ কথা . | ১৭ | ৪৬০ |
| মহা বাবেল নষ্ট হোৱাৰ কথা . . . . . . | ১৮ | ৪৬১ |
| মেৰ পোৱালিৰ বিবাহ, আৰু প্ৰভুৰ মহা যুদ্ধ . . | ১৯ | ৪৬৩ |
| এহেজাৰ বছৰলৈ ছয়তানক বন্ধন কৰা, আৰু মহা সোধৰ কথা | ২০ | ৪৬৪ |
| নতুন য়িৰুছালম, আৰু তাত নিবাসী লোকৰ সুখ . . | ২১ | ৪৬৫ |
| অমৃত নদী, জীৱনৰ গছ, আৰু ভবিষ্যত বাক্যৰ সমাপ্তি . | ২২ | ৪৬৭ |

10410 C
Bible e. Assamese
Assamese New Testament in Assamese.

DATE | NAME OF BORROWER

UNIVERSITY OF TORONTO
LIBRARY

DO NOT
REMOVE
THE
CARD
FROM
THIS
POCKET